ক্যো ভেদিচ্ ?

মূল : হেন্ৰিক্ শ্যেন্কিয়েভিচ্
HENRYK SIENKIEWICZ

অনুবাদ : ৰেণুমালা হুবৰা

প্ৰকাশক :

শ্ৰীবিমলানন্দ দুৱৰা
শিলপুখুৰী
গুৱাহাটী-৩

প্ৰথম প্ৰকাশ : আগষ্ট, ১৯৯২

বেটুপাতৰ শিল্পী :
শ্ৰীমতী শ্ৰীময়ী বৰা

মূল্য : ৮৫·০০ টকা

মুদ্ৰক :

মণি মাণিক প্ৰেছ
উজান বজাৰ
গুৱাহাটী-১

উৎসৰ্গ।

আমাৰ দুই পুত্ৰ স্বৰ্গীয়
অমৃতানন্দ আৰু সুব্ৰতানন্দৰ
(মনু আৰু ৰতনৰ)
পবিত্ৰ স্মৃতিত

ভূমিকা

ইং ১৯০৫ চনত সাহিত্যত নবেল বটা লাভ কৰা বিশ্ববিশ্রুত সাহিত্যিক হেন্‌ৰিক্‌ শেন্‌কিয়েভিচে ১৮৪৬ চনত পোলেণ্ডত জন্ম গ্রহণ কৰে। ৱাৰ্চো বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰা এইজন অমৰ সাহিত্যিকে প্রথমে সংবাদ সাহিত্যিকৰূপে সাহিত্য জগতত প্রৱেশ কৰে। সেই সময়ত তেওঁৰ মাতৃভূমি পোলেণ্ড ৰাচিয়াৰ জাৰৰ (সম্রাটৰ) অধীনত আছিল। দেশৰ পৰিস্থিতি অশান্তিৰে ভৰি উঠাত লেখক হিচাবে তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা লব লগা হৈছিল। তেওঁ কেইবাখনো ওখ খাপৰ সামাজিক উপন্যাস আৰু বহুতো সাৰ্থক চুটি গল্প লেখিছিল যদিও বিশেষকৈ ঐতিহাসিক উপন্যাস ৰচোতা হিচাবেহে তেওঁ অধিক খ্যাতি সম্পন্ন। তেওঁৰ জীৱনৰ অত্যুজ্জ্বল উঠৰটা বছৰত একুৰি খণ্ডত কেইবাখনো প্রখ্যাত ঐতিহাসিক উপন্যাস প্রকাশিত হৈছিল। পোলেণ্ডৰ ইতিহাসৰ ওপৰত ভিত্তি কৰি লেখা তিনি খণ্ডত সম্পূৰ্ণ হোৱা উপন্যাসখনে (The Trilogy) শেন্‌কিয়েভিচক এজন মহান দেশ প্রেমিক আৰু পোলেণ্ডৰ সৰ্ব্বশ্রেষ্ঠ ঔপন্যাসিকৰূপে প্রতিষ্ঠিত কৰে। এই উপন্যাস ইং ১৮৮৪-১৮৮৭ চনৰ ভিতৰত প্রকাশিত হয়।

ইং ১৮৯৬ চনত এইজন যশস্বী সাহিত্যিকে 'ক্যো ভেদিচ্‌ ?' প্রকাশ কৰি উলিয়ায়। ৰোমান সম্রাট নিৰোৰ ৰাজত্বৰ পটভূমিত ৰচিত ই এখন ঐতিহাসিক উপন্যাস। পিচৰ বছৰত এই উপন্যাস ইংৰাজী ভাষালৈ অনূদিত হয়। পূব আৰু পশ্চিমৰ সৰ্ব্বমুঠ পয়ত্রিশটা ভাষালৈ অনূদিত হোৱা এই গ্রন্থ বোলছবি আৰু মঞ্চত বহুবাৰ অভিনীত হৈছিল। নিজৰ দেশতকৈও বাহিৰত বেচি খ্যাতি লাভ কৰা উপন্যাসৰ ভিতৰত ই অন্যতম।

এই উপন্যাসত ঔপন্যাসিকে এহাতে দাঙি ধৰিছে, পাৰ্থিৱ সম্পদ আৰু পৰাক্রমত শীৰ্ষ স্থান লাভ কৰা, খৃষ্টীয় প্রথম শতিকাৰ ৰোমান-সকলৰ নীতি ধৰ্ম্ম বিবৰ্জিত জীৱন উপভোগৰ চূড়ান্ত নিদৰ্শন। আনহাতে বৈচিত্র্যপূৰ্ণ ঘটনাৱলীৰ মাজেদি তেওঁ ব্যক্ত কৰিছে, পশু-শক্তিৰ ওপৰত আত্মিক শক্তিৰ জয় লাভৰ কাহিনী। উপন্যাসখন প্রকাশ হৈ ওলোৱাৰ পাচত, ডেৰকুৰি বছৰমানলৈকে পৃথিৱীৰ বহুতো ঠাইত ই বহুলভাৱে পঠিত আৰু সমাদৃত হৈছিল। এইখন উপন্যাসৰ দৰে আন কোনো উপন্যাসে জনমানসত ইমান গভীৰ ছাপ বহুওৱা

নাছিল। শ্যোন্‌কিয়েভিচৰ এনে কৃতকাৰ্য্যতাৰ মূলতে আছিল, শক্তিশালী লেখনিৰে অঙ্কিত আকৰ্ষণীয় চৰিত্ৰ চিত্ৰন, বিষয় বস্তুৰ অভিনবত্ব আৰু বিশেষকৈ অধ্যয়নসমৃদ্ধ জ্ঞান। প্ৰকৃতপক্ষে কবলৈ গলে সকলো দেশৰ, সকলো যুগৰ মানুহৰ মন আকৰ্ষণ কৰিব পৰা এনে এখন কালজয়ী উপন্যাস পৃথিবীৰ সাহিত্যত বিৰল।

ইং ১৯১৬ চনত চুইজাৰলেণ্ডত এইজন মহান সাহিত্যিকৰ পৰলোক প্ৰাপ্তি ঘটে।

চি, জে হোগাৰ্থে (C. J. Hogarth) কৰা ইংৰাজী অনুবাদৰ পৰা মোৰ ক্ষুদ্ৰ শক্তিৰে 'ক্যো ভেদিচ্?' গ্ৰন্থখন অসমীয়ালৈ ভাঙনি কৰোতে বহুতো কঠিন কথাৰ সন্মুখীন হৈছিলো,—যিবোৰ বুজিবৰ কাৰণে কেইবাখনো অভিধানৰ উপৰিও, বিশ্বকোষ, (এনচাইক্লোপেদিয়া বৃটেনিকাকে আদি কৰি) 'ক্লাচিক মিথ্ এণ্ড লিজেন্দ,' ৰোমৰ প্ৰাচীন ইতিহাস আদি বহুতো গ্ৰন্থৰ সহায় লব লগা হৈছিল। উপন্যাসত খৃষ্টীয় প্ৰথম শতিকাৰ ৰোমানসকলৰ জীৱনধাৰা ঐতিহাসিক পট-ভূমিত ফুটাই তোলোতে ঔপন্যাসিকে প্ৰাচীন গ্ৰীচ, ৰোম আৰু অন্যান্য ঠাইৰ দেৱ-দেৱী, পৌৰাণিক আখ্যান আৰু প্ৰাচীন কালৰ দাৰ্শনিক মতবোৰৰ আভাস দিয়াৰ উপৰিও, প্ৰসিদ্ধ পুৰাতন শিল্পী, বক্তা, কবি, সাহিত্যিক, বুৰঞ্জীবিদ্, দাৰ্শনিক পণ্ডিত আদিৰ নামো উল্লেখ কৰিছে। উপন্যাসৰ চৰিত্ৰসমূহৰ কথোপকথনৰ মাজেদি অথবা বৰ্ণনামূলক-ভাৱে প্ৰকাশ পোৱা এনে ধৰণৰ জটিল কথাবোৰৰ ওপৰত চমুটোকা এটা দিয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰি, আগতে উল্লেখ কৰা পুথি সমূহৰ সহায় লৈ টোকাটো লেখি উলিয়াই এই অনুবাদ গ্ৰন্থৰ 'পৰিশিষ্টত' ঠাই দিলো।

ইমান ডাঙৰ কিতাপ এখন অনুবাদ কৰিবলৈ লোৱাটো মোৰ বাবে দুঃসাহস। মোৰ এই প্ৰচেষ্টাৰ মূলতে আছিল, ইং ১৯৮৮ চনৰ অক্টোবৰ মাহৰ ৭ তাৰিখে স্কটলেণ্ডৰ ডাণ্ডি বিশ্ববিদ্যালয়ত গণিত বিষয়ত ডক্টৰেট্ উত্তৰ গৱেষণা কৰি থকা অৱস্থাত অকালতে মৃত্যুৰ মুখত পৰা আমাৰ কনিষ্ঠ পুত্ৰ ৺সুব্ৰতানন্দ দুৱৰা। লৰাটোৱে ১৯৭১ চনতে কিতাপখন আনি মোৰ হাতত দি বৰ আগ্ৰহেৰে অসমীয়ালৈ ভাঙনি কৰিবলৈ কৈছিল। কিতাপখন পঢ়ি মোৰ ইমান ভাল লাগিছিল যে, সকলো চিন্তা কাতি কৰি থৈ অনুবাদৰ কামত লাগি গৈছিলো।

সংসাৰৰ নানান আহুকালৰ মাজত সময় উলিয়াই কিতাপখন লেখি শেষ কৰোতে মোৰ বহুত বছৰ লাগিল। পৰিশ্ৰমো যথেষ্ট হ'ল।

জীৱনৰ আগছোৱাত মোৰ দেউতা নিজৰা কবি আৰু নাট্যকাৰ ৺শৈলধৰ ৰাজখোৱাৰ পৰা লেখা মেলা বিষয়ত উৎসাহ, উদ্দীপনা লাভ কৰিছিলো। ৺তেওঁলোকৰ স্নেহসিক্ত আশীৰ্ব্বাদ-অনুপ্ৰেৰণাৰ স্মৃতিয়ে মোক বাধা বিঘিনিৰ মাজেদি আগবঢ়াই নিছিল। কিতাপখন পোহৰলৈ অহাৰ আগ মুহূৰ্ত্তত ৺তেখেতৰ বিদেহী আত্মাৰ উদ্দেশ্যে ভক্তিপূৰ্ণ সেৱা জনালো। আমাৰ স্বৰ্গগত পুত্ৰ দুটিয়ে (৺অমৃতানন্দ আৰু ৺সুব্ৰতানন্দই) ইং ১৯৮০ চনত এই অনুবাদ গ্ৰন্থ লেখি শেষ কৰা দেখিবলৈ পাই আনন্দ প্ৰকাশ কৰিছিল। কিন্তু দুৰ্ভগীয়া মাকৰ এই লেখনি পুথিৰ আকাৰত সিহঁতে দেখিবলৈ নাপালে। ৺সুব্ৰতানন্দ ঢুকুৱাৰ সাত মাহৰ পিচতে ইং ১৯৮৯ চনৰ মে মাহৰ ২২ তাৰিখে ৺অমৃতানন্দও চিৰদিনলৈ হেৰাই গল। তাৰ শিশু পুত্ৰ, আমাৰ একমাত্ৰ নাতি কল্যাণীয় শ্ৰীমান প্ৰণবানন্দই (জুৰমনে) ভৱিষ্যতৰ কোনোবা এদিন ৺:দউতাক আৰু ৺দদায়েকৰ কথাবোৰ সাধুকথা শুনাদি শুনিব আৰু কিতাপখন আদৰেৰে হাতত তুলি লব বুলি আমাৰ মনত কেৱল মাত্ৰ আশাহে ৰৈ গল।

আকাৰত ডাঙৰ হোৱা গতিকে প্ৰকাশকৰ অভাৱত পাণ্ডুলিপিখন বহুত বছৰ এনেয়ে পৰি থাকিল। শেষত প্ৰকাশক পোৱাৰ আশা ত্যাগ কৰি ইং ১৯৯১ চনৰ মাৰ্চ মাহত কিতাপখন নিজ খৰচত ছপাই উলিয়াবলৈ স্থিৰ কৰিলো। সৌভাগ্যক্ৰমে মোৰ স্বামী শ্ৰীযুত বিমলানন্দ দুৱৰাই এই বিষয়ত আগ্ৰহ প্ৰকাশ কৰি সহায় সহযোগিতা আগবঢ়োৱাত ই সম্ভৱপৰ হৈ উঠিল।

মণিমাণিক প্ৰেছৰ মালিক অধ্যাপক শ্ৰীযুত পঙ্কজ দত্ত মহোদয়ে কিতাপখন তেখেতৰ প্ৰেছত ছপাই দিবলৈ মান্তি হোৱাত আৰু কাম আৰম্ভ হোৱাৰ পাচত আহি কাকতখিনি নিয়মীয়াকৈ চাই দিয়াত তেখেতক আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জনালো। তেখেতৰ লগত কথাবতৰা হৈ যোগাযোগ কৰি দিয়াৰ বাবে ভনী জোঁৱাই ড° ভুবন মোহন দাসক স্নেহপূৰ্ণ কৃতজ্ঞতা জনালোঁ। বেটুপাতৰ ছবিখন আঁকি দিয়াৰ বাবে আমাৰ একমাত্ৰ নাতিনী কল্যাণীয়া শ্ৰীমতী শ্ৰীময়ী বৰাৰ শলাগ ললো। হোৱালীজনীলৈ আমাৰ স্নেহাশীষ থাকিল।

কিতাপখনত লগোৱাৰ উপযোগী কৰি ছবিখন কৰাই আনি দিয়াৰ বাবে আমাৰ একমাত্র ছোৱালী শ্রীমতী মৈত্রেয়ী বৰা (গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ বিভাৰ) আৰু জোঁৱাই শ্রীমান পদ্মকান্ত বৰাক (অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ গড়কাপ্তানি বিভাগৰ মুখ্য অধ্যাপক) আন্তৰিক মৰম আৰু আশীৰ্ব্বাদ জনালো।

আহি কাকতখিনি মই নিজেও চাইছিলো। শ্রীযুত দুবৰাই মোক সহায় কৰি দিছিল। কিতাপখনত যাতে ভুল থাকি নাযায় তাৰ বাবে সকলো প্রকাৰে চেষ্টা কৰা হৈছিল। কিন্তু দুই এঠাইত কেনেবাকৈ ভুল থাকি গল। তাৰ বাবে মই দুঃখীত। মাতৃভাষালৈ কৰা মোৰ এই অনুবাদ কিমান দূৰ সফল হৈছে, তাৰ বিচাৰ সুধী সমাজৰ ওপৰত।

শেষত মণিমাণিক প্রেছৰ কৰ্ম্মচাৰী শ্রীমান অপূৰ্ব্ব ৰায়চৌধুৰীক (যাৰ ওপৰত মই আটাইতকৈ বেচি নিৰ্ভৰ কৰিছিলো) আৰু তেওঁৰ সহকৰ্ম্মীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা নজনাই নোৱাৰিলো। তেওঁলোকৰ পৰা সহায় সহযোগ নোপোৱা হলে কিতাপখন ছপাই উলিওৱাত যথেষ্ট অসুবিধা হলহেঁতেন।

গ্রন্থখনে ৰাইজৰ আদৰ পালে মোৰ সকলো পৰিশ্রম সাৰ্থক হৈছে বুলি ভাবি কৃতাৰ্থ মানিম।

শিলপুখুৰী
গুৱাহাটী—৩
৮ আগষ্ট, ইং ১৯৯২ চন।

পঢ়ুৱৈ ৰাইজলৈ সেৱাৰে—
বেণুমালা দুবৰা

প্ৰায় ভৰ দুপৰীয়া হৈ আহোঁতে পেট্ৰোনিয়াচ সাৰ পাই উঠিল। আগ-নিশা নিৰোৰ প্ৰাসাদত ভোজ খাই আহি, পিছদিনা শুই উঠি সচৰাচৰ অনুভৱ কৰাৰ দৰে, তেওঁ আজিও বৰ ক্লান্তি অনুভৱ কৰিলে। আজি কিছুদিনৰপৰা, তেওঁৰ স্বাস্থ্য পৰি আহিছে; শুই উঠাৰ পাছত, শৰীৰত অনুভৱ কৰা বিষটোও বাঢ়ি আহিছে। এনে অৱস্থাত, অৱসাদ দূৰ কৰি, তেজ চলাচল বঢ়াই, শৰীৰৰ শক্তি ঘূৰাই আনিবলৈ, তেওঁ সদায় প্ৰাতঃ স্নানৰ পূৰ্ব্বে অঙ্গ সংবাহন কৰায়। স্নানৰ শেষত, প্ৰসাধন কক্ষৰপৰা ওলাই অহাৰ পাছত, তেওঁৰ চকু, মুখ সতেজ আৰু উজ্জ্বল হৈ উঠে। সঁচাকৈয়ে, সাজে-পোছাকে সুদৰ্শন পেট্ৰোনিয়াচৰ সন্মুখত আনকি সজ্জা-বিলাসী আড়ম্বৰ প্ৰিয় ওথোও হাৰ মানিব। 'ৰূপ-লাৱণ্যৰ বিচাৰক' নাম তেওঁ সাৰ্থক কৰি তুলিছে বুলি নিঃসন্দেহে কব পাৰি।

আগনিশা নিৰোৰ প্ৰাসাদৰ ভোজ মেলত, নিৰো, লুচান আৰু চেনেকাৰ লগত, নাৰীৰ আত্মা আছেনে নাই, এই বিষয়ৰ আলোচনাত, তেওঁও যোগ দিছিল। পিছদিনা শুই উঠাৰ পাছত, মিছৰীয় ৰূপালী ৰঙৰ ৰেচমী কাপোৰেৰে ঢকা, শৰীৰ মৰ্দ্দনৰ বাবে ব্যৱহাৰ কৰা, ওখ খাট এখনত তেওঁ দীঘল দি পৰি আছিল।

স্নান পৰিচাৰকহঁতে সিহঁতৰ সবল পেশীযুক্ত হাতবোৰ তেলত জুবুৰিয়াই, তেওঁৰ শৰীৰ মালিচ কৰিবলৈ ধৰিলে। ইহঁতৰ হাতবোৰে তেওঁৰ শৰীৰত তাপৰ সঞ্চালন কৰি অৱসাদ দূৰ কৰি পেলালে। তাৰ লগতে, সেক লোৱা কোঠাটোৰ (লেকোনিকামৰ) আৰামদায়ক উত্তাপখিনি উপভোগ কৰিবলৈ তেওঁ চকু মুদি অপেক্ষা কৰিবলৈ ধৰিলে।

অলপ পাছত চকু মেলি চাই, এবাৰ তেওঁ বতৰটো কেনে, সুধিলে। আইডোমিনাচ্ নামৰ বাথৰ বেচা মানুহজনে তেওঁক দেখুৱাব খোজা বাথৰ-বোৰ আনিছেনে নাই, তাৰো খবৰ ললে। উত্তৰত সিহঁতে জনালে, বতৰ বেচ ফৰকাল,—আলবান পাহাৰৰ পৰা মৃদু বতাহ বৈ আছে, বাথৰ বেচা মানুহজন অহা নাই। তেওঁ পুনৰ চকু দুটা মুদি দিলে। স্নান পৰিচাৰকহঁতে তেওঁক কুহুমীয়া গৰম পানীৰে গা ধুব পৰা কোঠালৈ (টেপিডেৰিয়াম্ স্নান কক্ষলৈ) নিবলৈ যো-জা কৰোঁতেই, পৰ্দ্দা এখন আঁতৰাই, নাম কোৱা দুৱৰীটো সোমাই আহি জনালে,—মাৰ্কাচ্ ভিনিকিয়াচ্ আহিছে। পেট্ৰোনিয়াচে তেতিয়া টেপি-ডেৰিয়ামলৈকে আগন্তুকক লৈ আহিবলৈ আদেশ দিলে।

ভিনিকিয়াচ্ পেট্ৰোনিয়াচৰ ভাগিনিয়েক। ভিনিছীয়েক মাৰ্কাচ ভিনিকিয়াচ্ সম্রাট টাইবেৰিয়াচৰ দিনৰ ভাণ্ডৰ বিষয়া আছিল। যুৱক ভিনিকিয়াচে এতিয়া কৰ্ বিউলো নামৰ সেনানায়কৰ নেতৃত্বত, পাৰ্থিয়ান বিলাকৰ বিৰুদ্ধে যুদ্ধ চলাইছে। যুদ্ধ বিৰতি হৈ যোৱাত, তেওঁ ৰোমলৈ উলটি আহিছে। পেট্ৰোনিয়াচে যুৱকক ভাল পায়, তেওঁৰ সবল, সুঠাম দেহশ্ৰীৰ বাবে। ব্যভিচাৰী আৰু লম্পট স্বভাৱৰ হলেও, ভদ্ৰসমাজত কিদৰে ব্যৱহাৰ কৰিব লাগে, যুৱকে ভালদৰে জানে। এই কাৰণতে পেট্ৰোনিয়াচে তেওঁক বেচি ভাল পায়। ব্যৱহাৰ ৰীতি জনাটোৱেই হল, তেওঁৰ মানত সৰ্ব্বশ্ৰেষ্ঠ জ্ঞান।

যুৱকে চিঞৰি ক'লে, "নমস্কাৰ পেট্ৰোনিয়াচ! আস্কলেপিয়াচ্ আৰু চাই-প্ৰিচকে আদি কৰি, সকলো দেৱ দেৱী তোমাৰ প্ৰতি প্ৰসন্ন হওঁক।"

"ৰোমে তোমাক স্বাগতম জনাইছে।" গাত লোৱা পাতল কাপোৰৰ ভাজৰ পৰা হাত দুখন উলিয়াই, পেট্ৰোনিয়াচে কলে, "যুদ্ধৰ পাছৰ তোমাৰ সময়বোৰ যেন মধুৰ হয়! আৰ্মেনিয়ান সকলৰ খবৰ কি? এচিয়াত থকা সময়ছোৱাত তুমি বিথাইনিয়াতো সোমাইছিলা নেকি?"

বৰ্ত্তমান পেট্ৰোনিয়াচক সকলোৱে স্ত্ৰীসুলভ ৰুচিবৈপূৰ্ণ আৰু আমোদপ্ৰিয় বুলিয়ে জানে। কিন্তু এসময়ত তেওঁ বিথাইনিয়াৰ শাসনকৰ্ত্তা আছিল। দৃঢ় আৰু ন্যায়পৰায়ণ শাসক বুলি নামো আছিল তেওঁৰ। সেই সময়চোৱাৰ কথা, এতিয়াও তেওঁ পৰম সন্তুষ্টিৰে স্মৰণ কৰে। এয়েই প্ৰমাণ কৰে, মন থকা হলে তেওঁ কি কৰিব নোৱাৰিলেহেঁতেন।

"হয়, এসময়ত মই কৰ্ বিউলোৰ বাবে সৈন্য গোটাবলৈ, হেৰেক্লিয়ালৈ গৈছিলো।" ভিনিকিয়াচে জনালে।

"হেৰেক্লিয়া? অ' এই ঠাইতে কোল্কিচৰ গাভৰু এজনীৰ লগত চিনাকি হৈছিলো। আঃ! গোটেই ৰোমৰে গিৰীয়েকে এৰা তিৰোতাবোৰক—আনকি পপিয়াকো তাইৰে সৈতে সলাই লবলৈ মই প্ৰস্তুত। কিন্তু এইবোৰ কথা অতীত হৈ গ'ল। তাতকৈ মোক কোৱা, পাৰ্থিয়াৰ সীমান্তত এতিয়া কি ঘটিছে। ভোলো-জেচ্, টিৰিডেটচ্ আৰু টাইগ্ৰেনচ্ নামৰ বৰ্ব্বৰ জাতিৰ মানুহৰ কাহিনীয়ে মোৰ মনত তৃপ্তি নিদিয়ে। যুৱক আৰু লেনাচে কৈয়ে আছে দেখোন—সিহঁতে হেনো নিজৰ ঘৰত চাৰিঠেঙীয়া হৈ খোজ কাঢ়ে—আমাৰ আগত ওলালেহে মানুহক অনুকৰণ কৰে। তথাপিও ৰোমত সিহঁতৰ কথা বহুতো ওলায়। ইয়াৰ বাহিৰে আন কথা আলোচনা কৰা যে বিপদজনক এই বিষয়ে অন্ততঃ মই নিঃসন্দেহ।"

"কৰ্বিউলো নথকা হলে, এই যুদ্ধ বিলাকৰ পৰিণতি সুখ লগা হলহেঁতেন।"

"কৰ্বিউলো ? বেকাচৰ নামত শপত খাই কব পাৰো, তেওঁ সচাঁকৈয়ে মার্চৰ বৰপুত্ৰ, মহান সেনানায়ক, অগ্নিশৰ্মা, ৰাজভক্ত পুৰুষ আৰু লগতে মূৰ্খও। মই তেওঁক ভালপাওঁ —নিৰোৱে তেওঁলৈ ভয় কৰে কাৰণে।"

"কৰ্বিউলো মূৰ্খ নহয়।"

"হয়তো ঠিকেই ; পিৰোৱে কোৱাৰ দৰে কব পাৰি মূৰ্খামি আৰু জ্ঞান বোলা বস্তু দুটা সমপৰ্য্যায়ৰ। কোনোখিনিতে বেলেগ নহয়।"

তাৰ পাছত ভিনিকিয়াচে যুদ্ধৰ কথা কবলৈ ধৰিলে। কিন্তু পেট্ৰোনিয়াচে চকু দুটা মুদি থকা দেখি যুৱকে সেই প্ৰসঙ্গ এৰি মোমায়েকৰ স্বাস্থ্যৰ খবৰ সুধিলে।

এইবাৰ পেট্ৰোনিয়াচে চকু মেলিলে। তেওঁৰ স্বাস্থ্য ? অকণো ভালে থকা নাই। অৱশ্যে যুৱক চিচেনাৰ দৰে অৱস্থা এতিয়ালৈকে হোৱাগৈ নাই। এদিন ৰাতিপুৱা গা ধুবলৈ বহি চিচেনাই হেনো সুধিছিল—'মই বহি আছোনে ?' তথাপিও পেট্ৰোনিয়াচে জানে তেওঁৰ স্বাস্থ্য পৰি আহিছে। ভিনিকিয়াচে তেওঁক আস্কলেপিয়াচ্ আৰু চাইপ্ৰিচৰ কৃপা ভিক্ষা কৰিবলৈ পৰামৰ্শ দিলে। কিন্তু আস্কলেপিয়াচৰ ওপৰত পেট্ৰোনিয়াচৰ বিশ্বাসেই নাই। আস্কলেপিয়াচ্ দেৱতাৰ মাতৃ কোন আছিল কোনোবাই জানেনে ? আৰ্চিনেউচ্ নে কোৰোনিচ্ ? মাকৰ নামেই যদি জনা নাযায় পিতাকৰ নামটোনো কোনে জানিব ? এৰা, সেই যুগত পিতৃ পৰিচয় বিচাৰি কোনেনো মূৰ ঘমাইছিল ?

পেট্ৰোনিয়াচে মিচিকিয়াই হাঁহি কলে, "দুবছৰৰ আগতে মই একুৰি খোলটা জীয়া ক'লা চৰাই আৰু এটা পানপাত্ৰ এপিডাওৰাচলৈ পঠিয়াইছিলো। তাৰ পৰা মোৰ উপকাৰ একো নহলেও অপকাৰো নহয় বুলিয়ে দিছিলো। পৃথিবীত এতিয়াও যিসকলে দেৱতাৰ নামত কিবা উচৰ্গা কৰে, তেওঁলোকেও ঠিক মোৰ দৰেই ভাৱে—একমাত্ৰ পোৰ্টাকাপেনাৰ খচ্চৰ চালকবোৰৰ বাহিৰে। আস্কলেপিয়াচ্ আৰু তেওঁৰ ভক্তসকলৰ লগত লেনদেন কৰি চাইছো, মূত্ৰাশয় ৰোগৰ ঔষধ বিচাৰি। যোৱা বছৰৰ কথা এইটো। তেওঁলোকে বহুতো জৰাফুকা কৰিলে ; পিছে সকলো ফুটুকাৰ ফেন হ'ল। অৱশ্যে গোটেই পৃথিৱীখনেই প্ৰৱঞ্চনাৰ ভঁৰাল। মানুহৰ জীৱনো তাৰে এটা অংশ মাত্ৰ। আনকি আত্মা বোলা কথাটোও ভুৱা। পিছে এটা কথা, ফাঁকিবো ভাল বেয়া আছে ; সেইটো বুজি পাবলৈ মানুহ বুধিয়ক হব লাগিব। এতিয়া চোৱা, মই মোৰ শুকনি কোঠাটোত পদ্ম

কাঠৰ খুঁই জলাওঁ আৰু তাত সুগন্ধি এম্বাৰগ্ৰিচ্ (এবিধ সাগৰত পোৱা বস্তু) ছটিয়াই থোৱাওঁ। তাৰ দ্বাৰা শুকাবলৈ ধৰা বস্তুবোৰৰ পৰা ওলোৱা বেয়া গোন্ধ ঢাক খাই পৰে। এনে ব্যৱস্থাৰ কাৰণ হ'ল—ভাল গোন্ধ মোৰ ভাল লাগে। সেইদৰে যিবোৰ ফাঁকিয়ে অপ্ৰিয় কথা ঢাকিব পাৰে সেইবোৰেই ভাল ফাঁকি। এনেবোৰ ফাঁকিৰ, মানুহৰ মন ভাল লগাব পৰা গুণ আছে। তুমি মোৰ বাবে, চাইপ্ৰিচৰ অনুগ্ৰহ ভিক্ষা কৰিছা! তেওঁৰ দয়াতে হয়তো মোৰ সেই ভৰিখনত ইমান বিষ হৈছে! আনহাতে ৰোগ উপশমকাৰিণী ধুনীয়া দেৱী এগৰাকীৰ নাম কোৱা। মোৰ বিশ্বাস, আনকি তুমিও গৈ, তেওঁৰ বেদীৰ আগত বগা পাৰ চৰাই বলি দিয়াবাগৈ।"

"কথাটো মিছা নহয়," ভিনিকিয়াচে কলে, "পাৰ্থিয়ানবোৰৰ শৰে মোক বিন্ধিব নোৱাৰিলে। কিন্তু নগৰৰ প্ৰবেশ দুৱাৰৰ পৰা মাত্ৰ এহাত দূৰত কিউপিদৰ শৰে অকস্মাৎ মোক বিন্ধি থকা-সৰকা কৰিলে।"

"গ্ৰেচ দেৱীৰ বগা আঠুদুটাত ধৰি শপত খাই কোৱাচোন কথাষাৰ সঁচা নে? এৰা, এতিয়াহে তুমি কথাৰ লগৰ কথা এষাৰ ক'লা!" পেট্ৰোনিয়াচে চিঞৰি কলে।

"প্ৰকৃততে এই বিষয়ে পৰামৰ্শ বিচাৰিহে মই তোমাৰ ওচৰলৈ আহিছো।"

ঠিক এই সময়তে স্নান-পৰিচাৰক কেইটা আহি পেট্ৰোনিয়াচৰ লগত পুনৰ ব্যস্ত হৈ পৰিল। ভিনিকিয়াচেও কুহুমীয়া গৰম পানীৰ স্নান পাত্ৰত গাটো ডুবাই দিলে।

মাৰ্কাচৰ মাৰ্বলৰ নিচিনা দেহটোলৈ মনোযোগেৰে চাই, পেট্ৰোনিয়াচে মন্তব্য কৰিলে, "তুমি যে প্ৰেমৰ প্ৰতিদান পালা, তাত কোনো সন্দেহ নাই। লাই-চিপ্পাচে এতিয়া তোমাক দেখা হলে, যৌৱন-দীপ্ত হাৰকিউলিজৰ বেশত, তোমাৰ প্ৰতিমূৰ্ত্তি গঢ়িলেহেঁতেন, আৰু সেই মূৰ্ত্তিয়ে ৰাজপ্ৰাসাদৰ প্ৰবেশ দ্বাৰ শোভা কৰি থাকিলেহেঁতেন।"

যুৱকে হাহি হাঁহি, পানীত বুৰ মাৰিলে। জুপিটাৰৰ টোপনি অনাবলৈ চোম্‌নোচক প্ৰাৰ্থনা কৰি থকা হীৰা দেৱীৰ নানা ৰঙৰ শিলেৰে গঢ়া মূৰ্ত্তিৰ গাত, পানীৰ ছিটিকনি পৰিবলৈ ধৰিলে।

"গা ধোৱা হ'লত, স্নান পৰিচাৰক আহি, তেওঁৰ গাটো বঢ়িয়াকৈ মচি দিবলৈ ধৰিলে। এনে সময়তে হস্ত-লিপি ভৰাই থোৱা, পিতলৰ চুঙা এটা লৈ এজন পাঠক আহি উপস্থিত হ'ল।

"তুমি এই মানুহজনৰ কথা শুনিব খোজানে?" পেট্ৰোনিয়াচে সুধিলে।

"যদি তোমাৰ বিষয়ে কিবা লিখিছে, নিশ্চয় শুনিম।" ভিনিকিয়াচে উত্তৰ দিলে;

"নহলে মই কথা পাতিবলৈহে বেচি ভাল পাওঁ। আজিকালি এই কবিসকলক ঘাটে পথে দেখা যায়।"

"ঠিকেই। ঘৰৰ পৰা ওলালেই দেখিবা, এটা নহয় এটাই, কবিতা গাই বান্দৰালি কৰা! পূৱ দেশৰ পৰা উলটি অহাৰ পিছত, এগ্ৰিপাই ইহঁতক বলিয়াৰ দল বুলিহে ভাবিছিল। অৱশ্যে চিজাৰেও কবিতা লেখে; ইখিলাকে তাকে অনুকৰণ কৰে। অৱশ্যে, চিজাৰতকৈ ভাল কবিতা লেখিবলৈ, কাকো অনুমতি দিয়া নহয়। এইবাবে, বন্ধু লুচানৰ কাৰণে চিন্তিত হৈছো। মই গদ্যৰ বাহিৰে, একো নেলেখো; মোৰ লেখনিয়ে কাৰো কাণত মৌ নাঢালে, আনকি মোৰ নিজৰ কাণতো নাঢালে। পাঠকে এতিয়া আমাক বেচেৰা ফেৰ্‌বিচিয়াচ্‌ ভিয়েন্‌টোৰ 'কোডিচিলি' নামৰ কিতাপখন পঢ়ি শুনাব খুজিছে।"

"বেচেৰা বুলিছা কিয়?"

"কাৰণ তেওঁক মাতি আনি জনোৱা হৈছিল, আদেশ নোপোৱালৈকে, তেওঁ যেন লেখা মেলা বিষয়ত আৰু হাত নিদিয়ে। এইটো এটা ডাঙৰ ভুল বুলি কবই লাগিব। গ্ৰন্থকাৰজনক নিৰ্ব্বাসন দিয়াৰ পাছতহে, তেওঁৰ কিতাপৰ ওপৰত অনুসন্ধান চলিছিল। আমনি লগা, নীৰস এই কিতাপখনৰ কথা জনাজাত হ'লত, চাৰিওফালে চিঞৰ-বাখৰ লাগিল,—কুৎসা ৰটনা কৰা হৈছে বুলি। কিন্তু প্ৰকৃততে চাবলৈ গ'লে, আচল ছবিখনৰ ম্লান ৰূপ এটাহে ইয়াত দাঙি ধৰিছে। তথাপিও, ভিয়েন্‌টোৰ কিতাপখন হাতত ল'লে প্ৰথমে ভয় লাগে—মোৰ নিজৰ কথাকে লেখিছে বুলি। লগে লগে আশাও আছে—কোনোবা বন্ধুৰ আচল চিনাকি তাতে পোৱা যাব! এভিবেনাচ্‌ পাঠাগাৰত শ শ লেখক নিযুক্ত কৰা হৈছে—দ্ৰুতলিপিৰ দ্বাৰা কিতাপখন লেখি শেষ কৰিবৰ বাবে।"

"তেনেহলে তোমাৰ কুকৰ্মবোৰ তাত লিপিবদ্ধ হোৱা নাই?"

"হৈছে, কিন্তু গ্ৰন্থকাৰে এটা ভুল কৰিছে। তেওঁ দেখুৱাতকৈ মই বেছিহে সাংঘাতিক! তেওঁ মোক যিমান নিৰ্লজ্জ যেন দেখুৱাইছে সিমান নিৰ্লজ্জও নহওঁ মই। চেনেকা মিউচোনিয়াচ্‌ আৰু থ্ৰেচিয়াচলৈ মন দি চালে ন্যায় অন্যায়ৰ পাৰ্থক্য বিচাৰিবলৈ যোৱা ভুল যেনেই লাগিব। অৱশ্যে সুন্দৰ আৰু কুৎসিতৰ, সুৰূপ আৰু কুৰূপৰ মাজৰ পাৰ্থক্য মই ধৰিব পাৰো। অথচ, একাধাৰে কবি, ৰথী, গায়ক, নটুৱা আৰু অভিনেতা হৈও এই অদ্ভুত নিৰোৱে সেই পাৰ্থক্য ধৰিব নোৱাৰে।"

"যি কি নহওক, ফেৰ্‌বিচিয়াচলৈ মোৰ দুখ লাগে। বৰ ভাল মানুহ আছিল তেওঁ।"

"নিজৰ বিষয়ে উচ্চ-ধাৰণা থকাৰ বাবেই তেওঁৰ পতন ঘটিল। সন্দেহ হৈছিল্ আটাইৰে; কিন্তু নিশ্চিতভাৱে কোনেও জনা নাছিল। নিজৰ জিভা চলাবিৰ নোৱাৰি, তেওঁ বাৰে ভাবে আগত, গুপ্ত কথা বিশ্বাস কৰি কৈছিল। কক্নিাচৰ কাহিনী শুনিছানে নাই?

"নাই শুনা।"

"ফ্রিজিডেৰিয়ামলৈ বলা। মই তোমাক সকলো ক'ম।"

তেওঁলোক স্নানাগাৰৰ ফ্রিজিডেৰিয়াম্ নামৰ কক্ষটোলৈ আহিল। গোলাপী ৰঙৰ পানী ওলাই থকা, কৃত্রিম নিজৰা এটাৰ পৰা ওলোৱা ভায়োলেট্ আতৰৰ গোন্ধ, চাৰিওফালে বিয়পি পৰিল। বেচমী কাপোৰেৰে সজোৱা এখ আসনৰ ওপৰত দুয়ো বহিল। ফন্ দেৱতাই নিজৰ পশুৰ ওঁঠৰ দৰে ওঁঠ দুটাৰে, এগ-ৰাকী অনিচ্ছুক অপেস্বৰীৰ ওঁঠ যুগল জোৰেৰে চেপি ধৰি থকা, ব্রঞ্জৰ মূর্তি এটালৈ চাই, চাই, ভিনিকিয়াচে কলে, "এই ফন্ দেৱতাই বেচ কৰিছে। জীৱনত এইয়ে শ্রেষ্ঠ বস্তু।"

"তোমাৰো এনে ধাৰণা নেকি? তুমি যুদ্ধতহে ভাল পোৱা! মোৰ হে যুদ্ধৰ প্রতি আকর্ষণ নাই। মোৰ নখ, দাঁত সকলো ভোটা হৈ গল এতিয়া। প্রত্যেকৰে নিজৰ নিজৰ ৰুচি আছে। তাম-ডটীয়া নিৰোৱে গান ভাল পায়,— বিশেষকৈ নিজে ৰচা গানবোৰ। বুঢা স্কাওৰাচে কোনোবা এটা কোৰিন্থিয়ান ফুলদানি ইমান বেচি ভাল পায় যে, কেতিয়াবা ৰাতি টোপনি নাহিলে ফুলদানি-টোকে চুমা খাই থাকে। কোৱাচোন, তুমি কেতিয়াবা কবিতা লেখিছানে?"

"নাই লেখা। মই কবিতাৰ 'ক' টোও নাজানো।"

"তুমি বীণা বজোৱানে? গীত গোৱানে?"

"নাই।"

"ৰথো চলোৱা নাই?"

"এবাৰ এন্টিওকত ৰথ দৌৰ প্রতিযোগিতাত যোগ দি, বিফল হৈছিলো।"

"বেচ। কথা কোৱা সহজ হ'ব মোৰ। তুমি কোন দলৰ প্রতিযোগী আছিলা?"

"সেউজীয়া দলৰ।"

"তেতিয়া হলে মই নিশ্চিন্ত হলো। বেচি-নিশ্চিন্ত হলো এই বাবেই যে, তুমি চহকী মানুহ হলেও, পালাচ্ বা চেনেকাৰ নিচিনাকৈ প্রচুৰ ধন ঘটা নাই এতিয়াও। এবা, বীণা বজাই গান গাওঁতা আছে,—বক্তৃতা দিওঁতা আছে,

ৰথ চলাওঁতা আছে,—বহুত আছে এনে মানুহ। এইবোৰ কৰি কি হ'ব? সুকুমাৰ কলাক প্ৰশংসা কৰিব পৰাটোহে আটাইতকৈ ডাঙৰ গুণ। তাম—ভটীয়াই অকল চৰ্চাহে কৰে, আটাইবোৰবে। যিহেতু তোমাৰ ৰূপ আছে, তুমি পপিয়াৰ প্ৰেম লাভ কৰিব পাৰিবা। পিচে বিপদ এইখিনিতে.....এই বিষয়ত ইতিমধ্যে তাইৰ ইমান বেছি অভিজ্ঞতা হৈছে যে, তাই আৰু আগ নাবাঢ়ে যেনেই লাগে। প্ৰথম দুজন গিৰীয়েকৰ লগত তাই বহুত প্ৰেম কৰিলে। তৃতীয়জনৰ (নিৰোৰ) প্ৰতি তাইৰ ধাৰণা সুকীয়া। বিশ্বাস কৰিবানে, তাইৰ আগৰ গিৰীয়েক, সেই মূৰ্খ ওথোটো এতিয়াও তাইৰ প্ৰেমত বলিয়া। হিস্পানিয়াৰ (আইবেৰিয়া) পাহাৰে, পাহাৰে ঘূৰি, এতিয়াও সি, তাইৰ বাবে হুমুনিয়াহ পেলায়। সি নিজৰ আগৰ অভ্যাসবোৰ, এনেদৰে এৰি পেলাইছে, আৰু ইমান উদাসীন হৈ পৰিছে যে, কেশ-সজ্জাত দিনে তিনি ঘণ্টাহে সময় লয় এতিয়া। কোনে বিশ্বাস কৰিব?"

"হয়, মই ওথোৰ কথা বুজিব পাৰিছো।" ভিনিকিয়াচে কলে, "যদিও মই অন্ততঃ সি কৰাৰ দৰে নকৰিলোহেঁতেন।"

"কি কৰিলাহেঁতেন?"

"প্ৰথমে মই বিশ্বাসী সৈন্যদল গঠন কৰি ললোহেঁতেন। আইবেৰিয়ান সকল ভাল বণুৱা।"

"আহ্, ভিনিকিয়াচ! মই কবলৈ বেয়া পালেও কওঁ, এই কাম তুমি কেতিয়াও নোৱাৰা কৰিব। এনে কথা উচ্চাৰণ কৰিবই নাপায়, তলে, তলে কৰিব লাগে। অৱশ্যে মই হোৱা হলে, তাম-ভটীয়াক উপলুঙাহে কৰিলোহেঁতেন। কিছুমান আই-বেৰিয়াৰ মানুহক, সৈন্যদলত ভৰাই ললোহেঁতেন,—অৰ্থাৎ তিৰোতা মানুহক হে, বুজিছা? বিশেষ কাৰোবাক লৈ কিবা কবিতা, চৰিতা লেখা হলেও, কাকো শুনালোহেঁতেন। বেচেৰা কফিনাচক অনুকৰণ কৰা উচিত নহয়।"

"তেওঁৰ কাহিনী কোৱাছোন মোক!"

"বাৰু, এতিয়া আক্কটোৰিয়ামলৈ যাওঁ আহা।"

স্নানাগাৰৰ আক্কটোৰিয়াম্ নামৰ কক্ষত অপেক্ষাৰত, চকুত চমক লগা দাসী-বোৰ দেখি, ভিনিকিয়াচ্ অবাক হৈ গল। দুজনী নিগ্ৰো তিৰোতাই, ভিনিকিয়াচ্ আৰু পেট্ৰোনিয়াচৰ শীতল গাত, প্ৰাচ্য দেশীয় সুগন্ধি আতৰ সানিবলৈ ধৰিলে। কেশ সজ্জাত পাৰ্গত, ফ্ৰিজিয়াৰ তিৰোতা কেইজনীমানে লোহাৰে বজোৱা আৰ্চী আৰু বিভিন্ন ফণি আনি দ'ম কৰিলে। শেষত দুজনী কোচৰ পৰা অনা গ্ৰীক যুৱতী আহি ৰৈ থাকিল,—তাৰবে গঢ়া মূৰ্তিৰ আৰ্হিৰে, পুৰুষ দুজনৰ টোগাত ভাঁজ দি ধুনীয়াকৈ পিন্ধাই দিবৰ কাৰণে।

"হে জুপিটাৰ! এইবোৰ কোনে গোটাই আনিছে?" মাৰ্কাচ ভিনিচিয়াচে ক'লে, "বিধে বিধে দেখোন!"

"হয়, সংখ্যাতকৈ মোক গুণহে লাগে।" পেট্ৰোনিয়াচে জনালে, "প্ৰকৃততে মোৰ ঘৰত, এনেকুৱা চাৰিশমান আছে। ইয়াতকৈ সৰহ মানুহ, পাৰত গজা ন-চহকীয়েহে ৰাখে।"

"এনে চকুত লগা দাস-দাসী ক'তো নাই। তাম-ভট্টীয়াৰ প্ৰাসাদতো নাই কিজানি।"

"তুমি মোৰ নিজৰ মানুহ দেখিহে কওঁ,—মই বাৰ্‌চাচৰ দৰে আত্মকেন্দ্ৰিক, বা অলাচ প্ৰটিয়াচৰ দৰে, গোড়া নহওঁ।"

ভিনিকিয়াচে হঠাৎ মূৰ দাঙি চালে। "অলাচ্‌ প্ৰটিয়াচৰ কথা কিয় ভাবিছা?" তেওঁ সুধিলে, "তুমি কব পাৰানে, নগৰৰ দুৱাৰ মুখত, হাত মোচোকা খাই পৰি, মই তেওঁৰ ঘৰত পোন্ধৰ দিনমান আছিলো? মেৰিয়ান্‌ নামৰ দাস ডাক্তৰ এটাই, মোক আৰোগ্য কৰিছিল, আৰু বিশেষকৈ, এই কথাটোকে তোমাক মই জনাবলৈ আহিছিলো।"

"কিয়নো? ঘটনাচক্ৰত পম্পোনিয়াক দেখি তুমি মুগ্ধ হৈ গৈছিলা নেকি? তেতিয়া হলে ক'ব লাগিব, মই তোমাৰ বাবে দুখীত। গাভৰুও নহয়, ইফালে ধাৰ্ম্মিকাও,—এই দুটা কথা লগ খালে, সকলো মাটি হৈ যায়।"

"হয়! নহয়! পম্পোনিয়াৰ লগত, মোৰ একো নাই।"

"তেন্তে কাৰ লগত?"

"আহা! মই যদি জানিলোহেঁতেন তেওঁৰ নামটো! তেওঁৰ নাম লিজিয়া নে কেলিনা তাকে কব নোৱাৰো। ঘৰত তেওঁক লিজিয়া বুলি মাতে। লিজিয়া নামৰ দেশৰ পৰা অহাৰ বাবে। আচল নাম বোধকৰো কেলিনাহে। প্লটিয়াচৰ ঘৰখন বৰ আচৰিত! মানুহেৰে ভৰা, অথচ, চুবিয়াকামৰ দুৰ্গৰ দৰে নিস্তব্ধ। বাৰদিনমানলৈকে মই কবই নোৱাৰিছিলো যে, তাত এগৰাকী অপূৰ্ব্ব সুন্দৰী প্ৰতিমা আছে। পিছে এদিন ৰাতিপুৱা, গছৰ তলত, এটা নিজৰাত, গা ধুই থকা অৱস্থাত, মই তেওঁক দেখিলো। সাগৰৰ ফেনৰ মাজৰপৰা ওলোৱা,—ভেনাচৰ শপত খাই কব পাৰো,—তেওঁৰ গাৰ পৰা ঊষাৰ জ্যোতি প্ৰতিফলিত হৈছিল; মোৰ ধাৰণা হৈছিল, সূৰ্য্য ওলালে, কুঁৱলী আঁতৰি যোৱাৰ দৰে, মোৰ সন্মুখৰ এই সপোনো আঁতৰি যাব। তেতিয়াৰে পৰা, মই তেওঁক দুবাৰ দেখিছো। লগে, লগে মোৰ মনৰ শান্তি নোহোৱা হৈছে। মনৰ সকলো বাসনা আঁতৰি

গৈছে। শুনা, এই বোম নগৰীয়ে মোক দিব পৰা, ভোগবিলাসৰ কোনো বস্তুলৈ মই আৰু হাবিয়াস নকৰো। মোৰ আৰু কোনো নাৰীৰ প্ৰতি আসক্তি নাই। ধন, সোণ, কোৰিন্থীয়ান্ মূল্যবান বস্তু, এম্বাৰ, মণি, মুকুতা, সুৰা, ভোজ আদি, একোতে মোৰ স্পৃহা নাই। একমাত্ৰ লিজিয়াক লাগে, মোক। পেট্ৰোনিয়াচ! মোৰ মনটোৱে তেওঁক বাহুমেলি আকোৱালি ধৰিব খোজে, তোমাৰ টৈপি-ভেৰিয়ামত থকা, চোম্‌নাচৰ মূৰ্ত্তিটোৱে পেইচিথিয়াক (শান্তিৰ কাল্পনিক ৰূপ) আকোৱালি ধৰিব খোজাৰ দৰে। দিনে, নিশাই, কামনাৰ জুইয়ে মোক পুৰি মাৰিছে।"

"দাসী যদি, তাইক কিনি লোৱাগৈ।"

"তেওঁ দাসী নহয়।"

"তেন্তে কি তাই? মুক্তদাসী নেকি?"

"নহয় কোনোদিনেই দাসী নাছিল তেওঁ।"

"তেন্তে কি?"

"মই কব নোৱাৰো। হয়তো কোনোবা ৰাজকুঁৱৰী।"

"ভিনিকিয়াচ, তোমাৰ কথাত মই ৰস পাইছো।"

"কাহিনীটো দীঘলীয়া নহয়। তুমি হয়তো চুৱেভিৰ ৰজা, ভেন্নিয়াচৰ কথা শুনিছা। নিজ দেশৰপৰা নিৰ্ব্বাসিত হৈ, তেওঁ ৰোমত কিছুদিন আছিল। পাশা খেল আৰু ৰথ চলোৱাত পটুতা দেখুৱাই, বেচ নামো কৰিছিল। ড্ৰুচাচে তেওঁক সিংহাসন উদ্ধাৰ কৰি দিছিল; তাৰ পাচত, কিছুদিন তেওঁ বেচ দক্ষতাৰে ৰাজ্য চলাইছিল। কিছুমান লাভজনক অভিযানো হাতত লৈছিল। কিন্তু শেষত তেওঁ চুবুৰীয়া দেশবোৰক, আনকি নিজৰ প্ৰজাবৰ্গকো লুটিবলৈ আৰম্ভ কৰিলে। ভেতিয়া তেওঁৰ ভতিজাক ভেৰিজিও আৰু চিদোৱে, তেওঁক পুনৰ ৰোমলৈ পাশা খেলিবলৈ পঠিওৱাৰ অভিসন্ধি পাতিলে।"

"অ' মোৰ মনত আছে। ক্লডিয়াচৰ সময়ৰ ঘটনা। সৰহ দিন হোৱা নাই।"

"যুদ্ধ লাগি গল। ভেন্নিয়াচে য়াজিগিবিলাকৰ সহায় ললে; ভতিজাক দুজনে লিজিয়ানবিলাকক জগাই তুলিলে। ইফালে লিজিয়ানবিলাকবো আকৌ লুট-পাট কৰাত নাম আছিল। সিহঁতে ভেন্নিয়াচৰ ধন সম্পদৰ কথাও শুনিছিল। ইহঁতৰ সংখ্যা ইমান বাঢ়ি গল, যে, ক্লডিয়াচ চিজাৰে, আনকি আমাৰ সীমান্তৰ নিৰাপত্তাৰ কথা ভাবি, ভয়ত কঁপিবলৈ ধৰিলে। হাবিতলীয়া জাতিৰ জগত হোৱা সংঘৰ্ষত ভাগ লবলৈ, তেওঁ ভাল নাপাইছিল যদিও, তানিয়ুব সেনাবিভাগক

অধিনায়ক এটেলিয়াচ্ হিষ্টাৰক তেওঁ আদেশ দিছিল, সংঘৰ্ষৰ ফলাফলৰ ওপৰত চকু ৰাখিবলৈ, যাতে ই ৰোমৰ শান্তি নষ্ট কৰিব নোৱাৰে। হিষ্টাৰে লিজিয়াবাসীক শপত খুৱালে, ৰোমৰ সীমাত উৎপাত নকৰিবলৈ। এই দাবিৰ সপক্ষে সিহঁতে মুখেৰে সঁহাৰি জনায়ে ক্ষান্ত নাথাকিল,—লগতে চৰ্ত্তাধীন বন্দীও পঠালে। এইসকলৰ ভিতৰত আছিল, সিহঁতৰ দলপতিৰ পত্নী আৰু কন্যাও। তুমি হয়তো জানা যে, এই অৰণ্যবাসীহঁতে অভিযানত অগ্রসৰ হওঁতে, লগত তিৰোতা মানুহো নিয়ে। লিজিয়া হ'ল সেই দলপতিৰে কন্যা।"

"তুমি ইমানবোৰ কথা কেনেকৈ জানিলা?"

"মোক অলাচ্ প্লটিয়াচে কৈছিল। লিজিয়ানহঁতে প্রতিজ্ঞা ৰক্ষা কৰিছিল। ইহঁত ধুমুহাৰ দৰে হিলদল ভাঙি ওলাই আহে, আৰু সেইদৰে গুচিও যায়। মূৰত বনৰীয়া বাড়ৰ শিং পিন্ধি, লিজিয়ানহঁত এদিন অদৃশ্য হৈ পৰিল। ভেন্নিয়াচৰ চুৱেভি আৰু য়াজিগি সৈন্যদল পৰাস্ত হ'ল যদিও, লিজিয়াৰ ৰজাজন ৰণত পৰিল। সেইদেখি সিহঁতে, লুটি অনা সামগ্রীবোৰকে লৈ উলটি গ'ল। ইফালে যুদ্ধৰ চৰ্ত্তাধীন বন্দীকেইজন, হিষ্টাৰৰ হাতত থাকিল। কিছুদিন যোৱাৰ পাচতে মাকগৰাকীৰ মৃত্যু হল; হিষ্টাৰে জাৰ্মেনিৰ শাসনকৰ্ত্তা, পম্পোনিয়াচৰ ওচৰলৈ জীয়েকজনীক পঠিয়াই দি হাত সাৰিলে। কেটিবিলাকৰ লগত যুঁজ শেষ কৰি, পম্পোনিয়াচ্ ৰোমলৈ উলটিল। তুমি জানাই, ক্লডিয়াচে কিদৰে তেওঁক বিজেতাৰ সন্মান দেখুৱাইছিল। উৎসৱৰ দিনা, ছোৱালীজনীয়ে বিজেতাৰ ৰথৰ পিচে, পিচে খোজকাঢ়ি আহিছিল। যুদ্ধৰ চৰ্ত্তাধীন বন্দীক চিৰকাল সাধাৰণ বন্দীৰ দৰে ৰাখিব নোৱাৰি বাবে পম্পোনিয়াচ্ বিমোৰত পৰিল। উৎসৱৰ শেষত, ছোৱালীজনীক তেওঁ, নিজৰ বায়েক পম্পোনিয়া গ্রেচিনাৰ ওচৰলৈ পঠিয়াই দিলে। পম্পোনিয়াই হ'ল প্লটিয়াচৰ পত্নী। অ'লাচ্ প্লটিয়াচৰ ঘৰত, গৃহস্বামীৰ পৰা আৰম্ভ কৰি চৰাই চিৰিকতিলৈকে সকলো ধাৰ্মিক। ছোৱালীজনীও গ্রেচিনাৰ দৰে, ধাৰ্ম্মিকা হ'ল। (হাঁয়!) কিন্তু তেওঁ ইমান ধুনীয়া যে, আনকি পপিয়াও তেওঁৰ ওচৰ চাপিব নোৱাৰে। ওচৰাওচৰিকৈ ৰহুৱাই, তুমোকো যদি তুলনা কৰি চোৱা, তেন্তে লিজিয়া হব, হেচপেৰিদিজৰ বাগিচাৰ এটি সোণালী আপেল আৰু পপিয়াক কেৱল শৰত কালৰ ছবি এখনৰ দৰেহে লাগিব।

"স্‌চাইনে?"

"মই তোমাক পুনৰ জনাওঁ,—যিদিনা ঊষাৰ জ্যোতি তেওঁৰ দেহৰ পৰা প্রতিফলিত হোৱা দেখিবলৈ পালোঁ, সেইদিনাৰে পৰা মই তেওঁৰ প্রেমত আত্মহাৰা হৈছো।"

"সেস্ত্ৰে বা চাদিন মানুহ দৰে, চকচকীয়া নেকি ভাই ?"

"উপহাস নকৰিবা পেট্ৰোনিয়াচ ! উজ্জ্বল কাপোৰৰ আঁৰত মাৰাত্মক ক্ষত লুকাই থাকে। তদুপৰি জানি থবা, এচিয়াৰ পৰা উলটি আহোঁতে মই মপ্‌চাচৰ মন্দিৰত এৰাতি কটাইছিলো। দেৱতাই আহি মোক সপোনত দেখা দি ক'লে,— প্ৰেমে মোৰ জীৱনত, গভীৰ ৰেখাপাত কৰিব।"

"এৰা, প্লিনিয়ে কোৱা শুনিছো, আমি দেৱতাতকৈ সপোনহে বেছি বিশ্বাস কৰিব লাগে। হয়তো তেওঁৰ কথাই সঁচা। অৱশ্যে এগৰাকী দেৱী আছে, যাৰ ওচৰত মোৰ ঠাট্টা, মস্কৰাবোৰ মলিন হৈ পৰিব। এওঁ হ'ল ভেনাচ্‌ জেনিট্ৰিক্স। এওঁৱেই আত্মাৰ মিলন ঘটায়, এজনক আন এজনৰ সৈতে যোৰা পাতি দিয়ে। অন্ধকাৰৰ মাজৰপৰা তেওঁৱেই ধৰিত্ৰীক জগাই তুলিলে। ভালেই কৰিলে নে বেয়াই কৰিলে, এই বিষয়ে তৰ্ক হব পাৰে। কিন্তু তেওঁৰ ক্ষমতা দেখদেখকৈ ওলাই আছে। তেওঁক ভাল পাওঁক বা নাপাওঁক, তেওঁক বাদদি চলিব নোৱাৰে কোনেও।"

"হায় পেট্ৰোনিয়াচ ! দাৰ্শনিক তথ্যবোৰ, ভাল উপদেশতকৈ বেছি সহজে পোৱা যায়।"

"তেন্তে মোক সঠিকভাৱে জনোৱা, তোমাক কি লাগে।"

"লিজিয়াক লাগে মোক। শূন্যক আকোৱালি ধৰা মোৰ হাত দুখনে তেওঁক আকোৱালি লবলৈ বিচাৰিছে। তেওঁৰ নিশ্বাসবোৰ মই সুধাৰ দৰে পান কৰিব খোজো। তেওঁ দাসী হোৱা হলে, মই তেওঁৰ সলনি হাটৰ পৰা এশজনী নতুন গাভৰু কিনি আনি, অলাচক উপহাৰ দিলোঁহেঁতেন। চোৰেক্‌টামৰ শীত-কালৰ বৰফৰ দৰে, মোৰ মূৰৰ চুলি বগা হৈ যোৱা দিনলৈকে, মই তেওঁক মোৰ ঘৰত আবদ্ধ কৰি ৰাখিব খোজো।"

"মই বুজিছো, তাই দাসী নহয়, প্লটিয়াচৰ পৰিয়ালৰে এজনী ছোৱালী। তাইক ক'ৰবাৰপৰা বুটলি আনি, তুলি লোৱা হৈছে। গতিকে তোলনীয়া জীয়েক হিচাপে, তাইক প্লটিয়াচে ইচ্ছা কৰিলে, তোমাৰ হাতত পঠাই দিব পাৰে দেখোন।"

"মোৰ মনেৰে তুমি পম্পোনিয়া গ্ৰেচিনাক চিনি নোপোৱা। স্বামী, স্ত্ৰী দুয়ো ছোৱালীজনীক নিজৰ ছোৱালীৰ দৰে মৰম কৰে।"

"ওঁ, মই পম্পোনিয়াক ভালদৰে জানো। ৰমনী নহয় যেনিবা চাইপ্ৰাচ গছ হে এডাল। অ'লাচৰ পত্নী নোহোৱা হলে, তেওঁক মানুহে মৃতকৰ ৰখীয়া পাতিবলৈ দিলেহেঁতেন। জুলিয়াৰ মৃত্যুৰ পাচৰেপৰা, তেওঁ ক'লা কাপোৰ সাজ

এখাই নাই। তেওঁ যেন সদায় এচ্ কোটিজ ফুল জটিয়াই থোৱা, পথাৰ এখনৰ ওপৰেদিহে খোজকাঢ়ি গৈ আছে! তদুপৰি, তেওঁ মাত্ৰ এজন পুৰুষৰহে পত্নী। চাৰি, পাঁচ বাৰলৈকে বিবাহ বিচ্ছেদ কৰি থকা, ৰোমৰ নাৰীৰ চকুত তেওঁ ফিনিক্সৰ দৰে। তুমি শুনিছানে অলপতে ফিনিক্স চৰাই এটা কণী ফুটি ওলাইছে? মিছৰৰ পৰা অহা খবৰ। আজি পাঁচশ বছৰে এনে ঘটনা ঘটা নাই।"

"পেট্ৰোনিয়াচ! পেট্ৰোনিয়াচ! ফিনিক্সৰ কথা আন এদিন হ'ব"

"মাৰ্কাচ! মইনো ক'ম কি? মই জানো, অলাচ্ প্লটিয়াচে, মোৰ গতি-বিধিবোৰ ভাল চকুৰে নাচায়। কিন্তু মোৰ প্ৰতি তেওঁৰ কিছু দুৰ্ব্বলতাও আছে। তাৰ কাৰণ হ'ল,—ডোমিটিয়াচ্ এফাৰ, টাইগেলিনাচ্ আদি এহেনোবাৰ্‌বাচৰ অনুচৰ-বিলাকৰ দৰে, টুটকীয়া স্বভাৱ মোৰ কেতিয়াও কোনোদিনে নাছিল। যদিও মই নিজক গোড়া দাৰ্শনিক বুলি দেখুৱাব খোজা নাই, তথাপিও, চেনেকা আৰু বিউৰ্‌কচে (দুয়ো নিৰোৰ সৰুকালৰ শিক্ষক) নিৰোৰ কিছুমান কাম দেখি, চকু মুদি থাকিলেও, মই হলে থাকিব নোৱাৰো সেইদৰে অলাচৰ পৰা কিবা আদায় কৰিবলৈ যদি ইচ্ছা কৰা, তেন্তে মই তোমাৰ হৈ এবাৰ ক'ব পাৰো।"

"তোমাৰ হাত আছে। তদুপৰি তোমাৰ মনটোও বৰ সাকৰা। প্লটিয়াচক কিবা এষাৰ কোৱা গৈ।"

"তুমি মোক বেচিকৈ তুলি দিছা। বাক, তেওঁ উলটি আহিলেই, মই তোমাৰ কথা জনাম।"

"দুদিনৰ আগতে তেওঁ উলটি আহিছে।"

"বাক এতিয়া ট্ৰাইক্লিনিয়ামলৈ বলা। ৰাতিপুৱাৰ আহাৰ প্ৰস্তুত হৈ আছে। ভালদৰে খাই-বই, দুয়ো প্লটিয়াচৰ ঘৰলৈ যাব লাগিব।"

হাতত দণ্ড লৈ থকা, হাৰমিজৰ মূৰ্ত্তি এটালৈ আঙুলিয়াই দেখুৱাই, ভিনি-কিয়াচে কলে, "পেট্ৰোনিয়াচ, মই তোমাক সদায় ভাল পাই আহিছো আৰু এতিয়াৰে পৰা মই, মোৰ গৃহ-দেৱতাসকলৰ লগতে ঠিক এনে এটি মূৰ্ত্তিও ৰাখিম। এই মূৰ্ত্তিৰ আগত মই বলিও অৰ্পন কৰিম। জোতিৰ্ম্ময় হিলিওচৰ শপত। পেৰিচ দেখিবলৈ তোমাৰ দৰেই আছিল যদি, হেলেনক কোনেও দোষ দিব নোৱাৰে।"

ভিনিকিয়াচৰ এই উক্তি তোষামোদপূৰ্ণ যেন লাগিলেও, কথাষাৰ সঁচা। পেট্ৰোনিয়াচ সিমান বলিষ্ঠ গঠনৰ পুৰুষ নহয়, তেওঁৰ বয়সো হৈছে যথেষ্ট। তথাপিও ভিনিকিয়াচতকৈ বেচি ধুনীয়া তেওঁ। প্ৰকৃততে ৰোমৰ নাৰীয়ে, "লাৱণ্যৰ বিচাৰক" নাম পোৱা এইজন পুৰুষক, সূক্ষ্ম বুদ্ধি আৰু সুন্দৰ গঠন,

ছয়োটা গুণৰ বাবে প্ৰশংসাৰ চকুৰে চায়। পেট্ৰোনিয়াচৰ টোগাখনত সুন্দৰকৈ গুঁজি দি থকা, কোচৰ পৰা অহা যুৱতী দাসী দুজনীৰ মুখতো দেখা গল, একেই বিমুগ্ধ ভাৱ। বিশেষকৈ, ইউনিচ্ নামৰ দাসীজনীৰ চকুত, উচ্ছ্বসিত প্ৰশংসাৰ ঢৌ খেলি গল। কিন্তু তালৈ আওকাণ কৰি, পেট্ৰোনিয়াচে মিচিকিয়াই হাঁহি, নাৰী জাতিৰ ওপৰত দিয়া চেনেকাৰ এষাৰ মন্তব্যৰ উদ্ধৃতি দি কলে, "জবৰ দৰেই নিৰ্লজ্জ".....ইত্যাদি। তাৰ পাচত, তেওঁ যুৱক ভিনিকিয়াচৰ কান্ধত হাত এখন থৈ, তেওঁক ট্ৰাইক্লিনিয়ামলৈ আদৰেৰে লৈ গল।

দুজনী গ্ৰীক গাভৰুৱে আৰুটোৰিয়ামৰ পৰা সুগন্ধি দ্ৰব্য আৰু ধুনীয়া পাত্ৰ-বোৰ আঁতৰাই নিবলৈ ধৰিলে। অলপ পাচতে, স্নান-পৰিচাৰকহঁতৰ মূৰ কেইটা, ফ্ৰিজিডেৰিয়ামৰ পৰ্দাৰ ফাঁকেদি দেখা গল। সিহঁতে মুখেৰে 'ছুঃ' বুলি লাহেকৈ ইঙ্গিতসূচক শব্দ কৰিলে। আহ্বান শুনি এজনী গ্ৰীক গাভৰু, নিগ্ৰো আৰু ফ্ৰিজিয়ান তিৰোতা কেইজনীৰ লগত, লাহেকৈ ওলাই গল। এইখিনি সময়তে স্নানকক্ষসমূহ, লম্পটহঁতৰ লীলা ক্ষেত্ৰত পৰিণত হয়। গৃহ-পৰিচালকজনেও এইবোৰ বন্ধ কৰিব নোখোজে, কাৰণ তেওঁ নিজেও তাত ভাগ লয়। পেট্ৰোনিয়াচেও জানে, এইবোৰ অনাচাৰ আৰু কুকৰ্ম্ম চলি থকাৰ কথা। কিন্তু গা এৰা দিয়া মালিকৰদৰে, তেওঁ সদায় চকু মুদি থাকে।

এতিয়া আৰুটোৰিয়ামত ইউনিচ্ অকলে থাকিল। লেকোনিকামৰ পৰা অহা হাঁহি খিকিন্দালিৰ শব্দবোৰ, শুভনা হৈ আহিল। ইমানপৰ উলমূৰ কৰি বৈ থকা ইউনিচে, পেট্ৰোনিয়াচ বহা, এম্বাৰ আৰু হাতীৰ দাঁত খতোৱা টুলখন, তেওঁৰে মাৰ্ব্বলৰ মূৰ্ত্তি এটাৰ কাষলৈ লৈ গল। টুলখনৰ ওপৰত থিয় দি, তাই সেই মূৰ্ত্তিটোৰ ডিঙিত সাবটি ধৰি, নিজৰ নগ্ন দেহ সংলগ্ন কৰি ওঁঠত চুমা খাবলৈ ধৰিলে। তাইৰ উকষয়, সোণালী বৰণৰ চুলিৰ মাজত ঢাক খাই থাকিল।

সাধাৰণ মানুহে যি সময়ত দুপৰীয়াৰ আহাৰ শেষ কৰে, সেই সময়তে দুই বন্ধুৱে ৰাতিপুৱাৰ আহাৰ খালে। পেট্ৰোনিয়াচে অলপ বিশ্ৰাম লবলৈ মন কৰিলে।

"এতিয়া বৰ সোনকাল হৈ আছে ওলাই যাবলৈ।" তেওঁ কলে, "অৱশ্যে কিছুমানে ৰাতিপুৱাই মানুহৰ লগত দেখা কৰিবলৈ ওলাই যায়; হয়তো এইটোৱে সম্ৰান্ত ঘৰৰ নিয়ম, আৰু হাড়ে-হিমজুৱে ৰোমান প্ৰথা। কিন্তু মই হলে এনে নিয়মক বৰ্ব্বৰ বুলিহে ভাবো। আবেলিহে ফুৰিবলৈ ওলোৱাৰ আচল সময়।

* এম্বাৰ এবিধ প্ৰস্তৰীভূত দ্ৰব্য—ই অলঙ্কাৰ ৰূপে ব্যৱহৃত হয়।

পৰ্ব্বতটো; যেতিয়া জুপিটাৰ কেপিটোলিনাচৰ ওপৰেদি পাৰ হৈ ফ'ৰামৰ ওপৰেদি এটলীয়া হৈ নামি যায়, তেতিয়া ওলাই যাবলৈ ভাল লাগে। শৰতকালৰ দিনবোৰ বেচ গৰম। এনেকুৱা সময়ত বৃত্তাকাৰ ক্ৰীড়া ভৱনৰ (এম্ফিথিয়েটাৰৰ) বাট চ'ৰাত থকা নিজৰাৰ জিৰ্‌জিৰ শব্দ শুনি শুনি খোজ কাঢ়ি ফুৰিলে পা তালে থাকে। তাৰ পাচত ক্ৰীড়া ভৱনৰ কজলা চন্দ্ৰতাপৰ মাজেদি বিৰিঙি অহা ৰঙা ৰশ্মিৰ মাজত, টোপনিয়াই টোপনিয়াই বহি থকা যে কিমান আৰামৰ!"

ভিনিকিয়াচেও অলপ জিৰাই লৰ থুজিলে, অলপপৰ দুয়ো ইফালে সিফালে খোজ কাঢ়ি নগৰত আৰু ৰাজপ্ৰাসাদত কি ঘটিছে, তাৰে আলোচনা কৰিবলৈ ধৰিলে। তেওঁলোকক বেচ ভাৱ মগ্ন যেন দেখা গল। তাৰ পাচত পেট্ৰোনিয়াচে অলপ শুই লবলৈ কিউবিকিউলামত সোমাল। আধাঘণ্টামানৰ পাচত তেওঁ ওলাই আহিল আৰু ভাৰবেনা নামৰ সুগন্ধি আতৰ অনাই, হাতত আৰু কুম দুটাত ঘঁহি লৈ ওলাই যাবলৈ প্ৰস্তুত হ'ল।

"তুমি ভাবিব নোৱাৰা, এই আতৰৰ কিমান গুণ। মই এতিয়া ওলাই যাবলৈ প্ৰস্তুত।" তেওঁ জনালে।

বহু সময়ৰ আগৰেপৰা দোলা এখন সাজু হৈ ৰৈ আছিল। দুয়ো দোলাত উঠিল আৰু ভাইকাচ্ পেট্ৰিকাচত থকা অলাচ্ প্লটিয়াচৰ ঘৰলৈ নিবলৈ ভাৰী-ইতক আদেশ দিলে। পেট্ৰোনিয়াচৰ সুৰক্ষিত হাউলিটো ৰজা-হাউলিৰ দক্ষিণৰ এচলীয়া ঠাইৰ নিম্নাংশত অৱস্থিত। গতিকে ৰাজহুৱা ফ'ৰামৰ কাষেদি যোৱা পথটোৰেহে তেওঁলোকৰ বাবে আটাইতকৈ চমু। পেট্ৰোনিয়াচে পিচে, আইভো-মিনাচ্ নামৰ সোণাৰীজনৰ তালৈকো যাব থুজিলে; সেইবাবে দোলাখন, ভাইকাচ্ এপোলিনিচ্ হৈ, ফোৰামৰ কাষেদি, ভাইকাচ্ স্কেলিৰেটাচ্‌ৰ মাজেদি যাব লগা হ'ল। ইয়াৰে এচুকত বহুতো দোকান আছে।

প্ৰকাণ্ড নিগ্ৰোভাৰী কেইটাই, দোলাখন কটিয়াই লৈ যাবলৈ ধৰিলে; পিচে পিচে দাস কিছুমান গৈ থাকিল। হাতত সানি লোৱা, ভাৰবেনাৰ নিৰ্য্যাসৰ ঘ্ৰাণ লৈ, পেট্ৰোনিয়াচে কিবা ভাবিবলৈ ধৰিলে।

"যদি তোমাৰ পৰীগৰাকী দাসী নহয়, তেন্তে তাই, প্লটিয়াচৰ ঘৰ এৰি, তোমাৰ গৃহত প্ৰবেশ কৰাত বাধা কোনখিনিত? তুমি তাইক প্ৰেম আৰু ঐশ্বৰ্য্যবিভূতিৰে ওপচাই পেলাব পাৰিবা,—ক্ৰাইচোথিমিচক মই যেনেকৈ উপভোগ কৰিছো, তেনেকৈ তুমিও তাইক উপভোগ কৰিব পাৰিবা। অৱশ্যে মোৰ এতিয়া আমনি লাগি গৈছে,—তাইৰো"।

মার্কাচে মুখ জোকাৰিলে।

"বাধা কিহত ?" পেট্ৰোনিয়াচে সুধিলে। "গতি বেয়া যেন দেখিলে, কথাটো সম্রাটৰ কাণচোৱাই থম। তুমি নিশ্চিন্ত থাকা। মই মোৰ প্ৰভাৱৰদ্বাৰা বন্ধু ডাম্-ডটীয়াক হাত কৰি পেলাম"।

"তুমি তেন্তে লিজিয়াক এতিয়াও চিনি পোৱা নাই।" ভিনিকিয়াচে উত্তৰ দিলে।

"বাক, তুমিয়ে কোৱাচোন. চকুৰে দৰ্শন লাভ কৰাৰ বাহিৰে, আন প্ৰকাৰে তাইক জানিব পাৰিছানে ? তাইৰ লগত কথা পাতিছানে কেতিয়াবা ? তোমাৰ আসক্তিৰ কথা তাইক জনাইছানে ?"

"তোমাক কৈছিলোৱেই দেখোন,— গা ধুই থকা অৱস্থাত, মই তেওঁক দেখিছিলো। ইয়াৰ পাচত, আৰু ডুবাৰ দেখা হৈছিল। অলাচৰ ঘৰত মই, আলচী কোঠাত বেলেগে আছিলো। কচকা খোৱা হাতখনৰ বাবে, মই সকলোৰে সৈতে একেলগে খোৱা-বোৱা কৰিবলৈকো যাব নোৱাৰিছিলো। তাৰপৰা শুচি অহাৰ আগদিনা গধূলি আহাৰ খোৱাৰ সময়ত, মই লিজিয়াক লগ পাইছিলো। কিন্তু এবাৰ কথা কবলৈকো সুচল নাপালো। কাৰণ অলাচৰ বৃটেইন বিজয়ৰ কাহিনীৰ লগতে, ইটালীত কম মূল্যৰ সম্পত্তি দুষ্প্ৰাপ্য হৈ অহাৰ বাবে, তেওঁৰ অভিযোগো শুনিব লগা হৈছিল। আজি অৱশ্যে, এইবোৰ কথা চলিয়ায় যদিও বৰ্তমান যুগৰ মানুহৰ স্বাস্থ্যলভ আচৰণৰ কথা কৈ, দুখ নকৰাকৈ নাথাকে। ভাবি চোৱা,— এই মানুহঘৰে চৰাই পোহে, অথচ বাদ্ধি খোৱাত ঘোৰ আপত্তি। তেওঁলোকৰ মতে, এটা চৰাইৰ প্ৰাণনাশৰ অৰ্থ হল, ৰোমান সাম্ৰাজ্যক পতনৰ মুখলৈ টানি নিয়া। বাগিচাৰ জলাশয়ৰ কাষত, আইৰিচ ফুলত পানী দি থাকোঁতে, দ্বিতীয়বাৰ মই যেতিয়া লিজিয়াক লগ পাইছিলো, তেতিয়া মোৰ অৱস্থা কি হৈছিল শুনা। তেতিয়া তুমি যদি মোৰ আঠু দুটা দেখিলাহেঁতেন ! হাৰ্কিউলিজৰ ঢালখনত ধৰি শপত খাই কওঁ,— এমুঠি ৰোমান সৈন্যৰ ওপৰত, জাকে জাকে পাৰ্থিয়ান সৈন্য, জপিয়াই পৰোতেও, মোৰ গা কঁপি উঠা নাছিল। কিন্তু সেইদিনা, সেই জলাশয়ৰ কাষত মোৰ আঠু দুটা কঁপি আছিল। বুলা পিন্ধা (ৰোমান শিশুৱে পিন্ধা, এবিধ ধাতুৰ গহনা) লৰা এটাৰ দৰে, মোৰ মাত ভুক্‌তা হৈছিল। নিৰ্বাক আবেদনৰ দৃষ্টিৰে, মই তেওঁৰ মুখলৈ চাই আছিলো।"

পেট্ৰোনিয়াচৰ ঈৰ্ষা জাগি উঠিল।

"তেন্তে তুমি তাইৰ লগত কথাপতা নাই ?"

"প্ৰকৃতিস্থ হৈ, মই তেওঁক জনালো,— আন ঠাইলৈ গৈ আনন্দ উপভোগ কৰাতকৈ, এই ঠাইত থাকি কষ্ট ভোগাও যে শ্ৰেয়, —স্বাস্থ্য ঘূৰাই পোৱাতকৈ, যে ব্যাধিয়ে মোৰ বাবে স্পৃহনীয়,—এই কথা, শুশ্ৰূষাৰ ঠাই এৰি যোৱাৰ আগ-মুহূৰ্ত্তত, মই মৰ্মে, মৰ্মে উপলব্ধি কৰিছো। মোৰ কথাই তেওঁক উদ্বিগ্ন কৰি তুলিছিল যেন লাগিল। পানী দিয়া পাত্ৰটোৰে, তেওঁ হালধীয়া বালিৰ ওপৰত আঁক টানি, টানি, তলমূৰা হৈ আছিল। এবাৰ চকু তুলি চাই, তেওঁ পুনৰ চকু নমাই, দীঘলীয়া আঁকবোৰ চাবলৈ ধৰিলে। তাৰপাচত, আকৌ এবাৰ চকু তুলি, মোৰ মুখলৈ প্ৰশ্নসূচক গভীৰ দৃষ্টিৰে চালে। তাৰ পাচত হঠাৎ তেওঁ লৰ মাৰি গুচি গল,—ফন দেৱতাৰ কামনাৰ দৃষ্টিৰ সন্মুখৰ পৰা আঁতৰি যোৱা বনৰ পৰী এজনীৰ দৰে।"

"তাইৰ চকুযুৰি ধুনীয়া নহয় নে?"

"হয়। সাগৰৰ দৰে ধুনীয়া নীলা। সাগৰত বুৰ মৰাৰ দৰে, মই যেন তেওঁৰ চকুৰ নীলিমাত বুৰ মাৰিম! শ্ৰেষ্ঠ সাগৰো ইমান ধুনীয়া নীলা নহয়। পিচ মুহূৰ্ত্ততে প্লটিয়াচৰ লৰাটোৱে, লৰ মাৰি আহি, মোক কি সুধিলে, একো শুনিলোৱেই।"

"মহিমাময়ী এথেনী! তোমাৰ চৰণত প্ৰাৰ্থনা জনাওঁ, এই অবোধ যুৱকৰ চকুত কিউপিদে বান্ধি দিয়া কাপোৰখন, আঁতৰাই দিয়া, নহলে সি ভেনাচৰ মন্দিৰৰ খুটাত মূৰ খুন্দিয়াই মৰিব।" তাৰ পিছত ভিনিকিয়াচলৈ চাই কলে, "হেৰা, জীৱন-বৃক্ষৰ বসন্তৰ ফুল-কলি! দ্ৰাক্ষালতাৰ কুঁহিপাত! মই তোমাক প্লটিয়াচৰ ঘৰলৈ নিয়াতকৈ, জিলোচিয়াচৰ তালৈকে নিওঁ। সংসাৰ— অনভিজ্ঞ যুৱকৰ কাৰণে, তাত শিক্ষাকেন্দ্ৰ খোলা হৈছে।"

"কিহৰ বাবে?"

"ছোৱালীজনীয়ে বালিত কি আঁকিছিল? কিউপিদৰ নাম লিখা নাছিল নে? তেওঁৰ শৰে বিন্ধা এখন হৃদয় অঁকা নাছিল জানো? এনে এটা চিন অঁকা নাছিল নে, যাৰ দ্বাৰা কামুক বনদেৱতাই, অপেস্বৰীৰ কাণে, কাণে কোৱা, গোপন বাৰতাৰ সম্ভেদ পোৱা যায়? চিনবোৰ তুমি বুজি নোপোৱা কথাটো কোনে বিশ্বাস কৰিব?"

"বুজিছা, মই টোগা পিন্ধা বহুত দিন হৈ গল। সক প্লটিয়াচে মোক মতাৰ আগতেই, সকলো লক্ষ্য কৰিছিলো। মই নজনা নহওঁ যে, গ্ৰীচৰদৰে ৰোমতো, গাভৰু ছোৱালীয়ে মুখ ফুটাই কব নোৱাৰা কথা, বালিত লেখি জনাই দিয়ে। তুমি ভাবি উলিওৱাচোন, তেওঁ কি লেখিছিল।"

"যদি মোৰ আগৰ ধাৰণা ঠিক হোৱা নাই, তেনেহলে মই আৰু কোনো ধাৰণাই কৰিব নোৱাৰিম।"

"তেওঁ মাছৰ ছবি আঁকিছিল।"

"কিহৰ ?"

"মাছৰ। ইয়াৰ অৰ্থ এইয়ে নেকি যে, তেওঁৰ শিৰে শিৰে বৈ যোৱা তেজ একেবাৰে চেচা ? মই এই বিষয়ে একো নাজানো। তোমাৰ মানত, মই বসন্তৰ কলি, গতিকে তুমিয়ে ইয়াক ব্যাখ্যা কৰিব পাৰিবা।"

"নহয়, প্লিনিকহে সুধি চাব লাগিব, মাছৰ বিষয়ত তেওঁ পাৰ্গত।"

দুয়োৰো কথোপকথন ইয়াতে শেষ হ'ল। কাৰণ দোলাখন এইবাৰ জন-স্রোতৰ মাজেদি যাবলৈ ধৰিলে। লাহে লাহে ভাইকাচ্ এপোলিনিচ্ হৈ আহি বাটকৰা কেইজন ফোৰামত উপস্থিত হ'ল।

জুলিয়াচ চিজাৰৰ বৃহৎ আদালত কক্ষৰ অৰ্দ্ধগোলাকাৰ প্ৰবেশদ্বাৰৰ তলেদি হাজাৰ হাজাৰ মানুহ অহা যোৱা কৰিছে। তাতোকৈ সৰহ বাইজ বহি আছে কেষ্টৰ আৰু পোলাক্সৰ মন্দিৰৰ খটখটিৰ ওপৰত আৰু ভেষ্টাৰ মন্দিৰৰ চৌপাশে। মৰ্মৰ মূৰ্ত্তিৰ দৃশ্যপটৰ মাজত, মানুহবিলাকক কিছুমান ৰঙবেৰঙৰ পখিলা বা পতঙ্গৰ দৰে দেখা গৈছে। ওপৰত সৰ্ব্ব শ্ৰেষ্ঠ দেৱতা জুপিটাৰৰ পবিত্ৰ মন্দিৰ। এই ঠাইতে জনতাৰ সংখ্যা আটাইতকৈ সৰহ। বক্তৃতা কক্ষত মানুহবোৰে সুবিধা বাদী বক্তাৰ বক্তৃতা শুনিছে ; ফেৰীৱালাবিলাকে ফলমূল, সুৰা আৰু ডিমকৰ ৰসৰ চৰবত লৈ ঘূৰি ফুৰিছে ; ঠগ বেজ কিছুমানে সিহঁতৰ ঔষধৰ গুণ গাইছে ; সৰৱজান, গুপ্তধনৰ আবিষ্কাৰক আৰু সপোন ব্যাখ্যা কৰা লোক কেইজনে নিজৰ বিদ্যাৰ গৌৰৱ ঘোষণা কৰিছে। গোলমালৰ মাজত, মাজে মাজে শুনা গৈছে, বাদ্য যন্ত্ৰৰ শব্দ। অক্ষম ব্যক্তি আৰু ভক্তবৃন্দই উপাস্য দেৱতাৰ আগত উচৰ্গা কৰিবলৈ থাওঁে থাওঁে বস্তু নিছে। পাৰ চৰাইবিলাকে উচৰ্গাৰ বস্তুৰ মাজৰ পৰা শিলৰ ওপৰত পৰি যোৱা শস্যবোৰ খুটিয়াইছে। মাজে মাজে সিহঁতে পাখি কোবাই জাকে জাকে উৰি গৈছে ; পুণৰ আহি মানুহবোৰে খালী কৰি গুচি যোৱা ঠাইবোৰত পৰিছেহি। সম্ৰান্ত মানুহ উঠি অহা দোলাবিলাকৰ কাষত কিছুমান আহি জুৰপাতি বৈছে,—কেনেবাকৈ এখন ধুনীয়া মুখ বা প্ৰমদা-বিলাসত ক্লান্ত হৈ মুখ ঢাকি অহা কোনোবা নাইট বা চিনেটৰক দেখাৰ আশাত। চিজৰ বাখৰ বেচি হোৱা ঠাইবোৰত সৈন্য আৰু শান্তি ৰক্ষকদলে, গহীনকৈ খোজ দি, মানুহৰ মাজত হেঁচা ঠেলা কৰি সোমাইছে। সকলো ঠাইতে গ্ৰীক ভাষা লেটিনৰ সমানে সমানে চলিছে।

বহুত দিনৰ মূৰত দেশলৈ উলটি অহা ভিনিকিয়াচে ৰোমৰ কোবামলৈ কৌতুহলেৰে চাবলৈ ধৰিলে। এই ঠাইৰপৰা জনতাৰ দৈহিক শাসনহে বখা হয় আৰু আনহাতে ই জনতাৰে অধীন। পেট্ৰোনিয়াচে ভিনিকিয়াচৰ মনৰ ভাব বুজিব পাৰি ক'লে, "ৰোমৰ কোবামত ৰোমানৰ সংখ্যা কিমান কম মন কৰিছানে?" সঁচাকৈয়ে, এই বিৰাট জনতাৰ মাজত, ৰোমানৰ সংখ্যা নিচেই তাকৰ। তাৰ ঠাইত দেখা গৈছে, ইথিওপিয়াৰ নিগ্ৰো, উত্তৰৰ অজ্ঞাত দেশৰ পৰা অহা দীঘল চুলিয়া দৈত্যাকাৰ মানুহ, বৃটেন, গল, জাৰ্মান, টেৰাচকুৱা চাৰ্ভিয়ান, ইটা ৰঙৰ জ্যাঢ়িৰে ইউফ্ৰেটিচ আৰু সিন্ধু নৈৰ পাৰৰ মানুহ, শান্ত কলা চকুৰে নৈৰ পাৰত বাস কৰা চিৰিয়ান, মৰুভূমিৰ ধূনীয়া আৰব, বুকু সোমোৱা ইহুদী, হাঁহি মুখীয়া মিছৰবাসী, নিউমিডিয়ান, আফ্ৰিকান আৰু হেলাচৰ গ্ৰীকসকল। (এই গ্ৰীক জাতিয়েও, ৰোমানসকলৰ দৰে দেশ চলাইছে; কিন্তু এওঁলোক জ্ঞান-বিজ্ঞান, শিল্পকলাদিত পাৰদৰ্শী আৰু তীক্ষ্ণ বুদ্ধিৰ মানুহ।) গ্ৰীক দ্বীপপুঞ্জৰ উপৰিও এছিয়া মাইনৰ, মিছৰ, ইটালীৰ অন্যান্য ঠাই আৰু নাৰবোনিৰ পৰা অহা গ্ৰীক, তালগছ লৈ অহা চেৰেইপিচৰ পুৰোহিত, জুপিটাৰ কেপিটোলিনাচৰ মন্দিৰতকৈও প্ৰসিদ্ধ আইচিচৰ মন্দিৰৰ পুৰোহিত, গোমধানৰ থোক হাতত লৈ থকা চিবেলীৰ পুৰোহিত, অৰবী জাতিৰ নানা ধৰণৰ পুৰোহিত, থিয় টুপী পিন্ধা প্ৰাচ্য দেশীয় নটুৱা, মাদুলী বেচা মানুহ, সাপনচুউৱা মানুহ, আৰু দৰ্শকবৃন্দৰ উথল মাথল লাগিছে। কিছুমান মানুহ সপ্তাহে সপ্তাহে আহে—টাইবাৰ নৈৰ পাৰৰ ভঁৰালবোৰৰ পৰা শস্য কিনিবৰ কাৰণে। কিছুমান আহে, খেল মাটিত দিয়া চিঠিখেলৰ টিকেটৰ বাবে যুঁজ কৰিবলৈ আৰু কিছুমান আহে, বেয়া ঠাইবোৰত দিন কটাবলৈ। ইহঁতৰ নিশাবোৰ পাৰ হয়, নৈৰ পাৰত থকা দুখৰ ভঙা ঘৰবোৰত, মাটিৰ তলৰ এন্ধাৰ খুপৰীত, আৰু পণ্টাচ্ মিল্ভিয়াচত থকা চুবুৰাৰ বেয়া চৰাইখানাবোৰত। দাসৰ মেজৰপৰা এৰেহা খাদ্য বস্তু দলি মাৰি দিয়াৰ আশাত, ধনী মানুহৰ চোতালৰ দুৱাৰমুখত ইহঁতে দিনবোৰ পাৰ কৰে।

এই বিশৃঙ্খল জনতাৰে মাজতো পেট্ৰোনিয়াচৰ চিনাকি আছে। সকলো ফালৰ পৰা চিঞৰ শুনিলে ভিনিকিয়াচে,—"এইয়া তেওঁ! এইয়া তেওঁ!" "উদাৰ বক্তাৰ বাবে পেট্ৰোনিয়াচ সকলো ৰাইজৰে প্ৰিয়।" সেনা পৰিচালক পেডানিয়াচ্ চিকান্দাচৰ অধীনস্থ দাসবিলাকৰ কোনোবা এটাই, সেই দৈত্য যেন মানুহজনক হত্যা কৰাৰ অপৰাধত ল'ৰা-তিৰোতাসহ সকলো মানুহকে চিৰদিনৰ বাবে হত্যা কৰিবলৈ দিয়া আদেশ পেট্ৰোনিয়াচৰ মধ্যস্থতাৰ বাবে বাতিল হৈ গ'ল বুলি ৰাইজে বিদিনা প্ৰথম শুনিলে

সেইদিনাৰে পৰা তেওঁ লিইজৰ মাজত বিখ্যাত হৈ পৰিছিল। পেট্ৰোনিয়াচে চিজাৰক স্পষ্টভাৱে জনাই দিছিল,—"ৰূপ-লাৱণ্যৰ বিচাৰকৰ" মৰ্য্যাদা লৈ তেওঁ এই ক্ষেত্ৰত মাত্ৰ নমতাকৈ থাকিব নোৱাৰে। তেওঁ গোপনে চিজাৰলৈ চিঠি লেখিছিল এই মৰ্মে যে, এনে পাশৱিক কাণ্ড কেৱল চিখিলানুবিলাকৰ বাবাহে সম্ভৱপৰ—প্ৰকৃত ৰোমানৰ যোগ্য নহয় এই কাম। এনে কাৰ্য্যই শিল্পী জনৰ মনোবৃত্তিৰ ওপৰত নিশ্চয় চেকা পেলাব।

প্ৰকৃততে, পেট্ৰোনিয়াচে জনতাৰ ভাল পোৱা নোপোৱালৈ কেৰেপ নকৰে। তেওঁৰ মনত আছে, জনতাৰ প্ৰিয় ব্ৰুটানিকাচক নিৰোৱে বিহ দিয়াইছিল, এগ্ৰিপিনাৰ দৰে জনপ্ৰিয় ব্যক্তিক সম্ৰাটে হত্যা কৰাইছিল, অক্টেভিয়াক উশাহ বন্ধ কৰাই শেষ কৰিছিল, ৰুবেলিয়াচ প্লটিয়াচক নিৰ্ব্বাসন দণ্ড দিছিল, আৰু থ্ৰেচিয়াচে সদায় ৰাতিপুৱা উঠিয়েই ভাবে,—মৃত্যুদণ্ডৰ আদেশ আহিব নেকি। সমৰথহী হোৱা অমঙ্গলীয়া কথা; নাস্তিক পেট্ৰোনিয়াচেও অন্ধবিশ্বাস এৰিব পৰা নাই। তদুপৰি দুটা কাৰণত তেওঁ এই মানুহবিলাকক ভাল নাপায়। প্ৰথমতঃ তেওঁ একজন সম্ভ্ৰান্তবংশীয় লোক, দ্বিতীয়তে, তেওঁ হ'ল সুকুমাৰ কলাৰ উপাসক। যিবিলাক মানুহৰ গা পোৱা উৰহীৰ দৰে গোন্ধায়, যিবিলাকে চিঞৰত টেটু ফালিব পাৰে, আৰু ঘামত তিতি ৰুখি বাটৰ চুকত বা ঘৰৰ খুটাৰ তলত বহি মোৰা (আঙুলি গণা খেল) খেলে, সিহঁত মানুহ নামৰ যোগ্য নহয়।

এভিৰেনাচ্ পুস্তকাগাৰৰ সমুখত দোলাখন ৰ'লহি। পেট্ৰোনিয়াচে নামি গৈ, বেচ চকুত লগা পাণ্ডুলিপি এখন আনি ভিনিকিয়াচৰ হাতত দিলে।

"তোমালৈ এটা উপহাৰ আনিছোঁ।" তেওঁ জনালে।

কিতাপখনৰ নামটোলৈ চাই ভিনিকিয়াচে কলে, "ধন্যবাদ। "চেট্ৰিবিকন," নতুন অৱদান। কোনে লেখা?"

"মইয়ে লেখা। পিচে বুজিছাই নহয়,—মই কফিনাচ্ বা ফেব্ৰিচিয়াচ ভিয়েন্টোৰ পদাঙ্কসৰণ কৰিব নোখোজো, আৰু এই বিষয়ে যাতে কোনেও নাজানে, তাকে ইচ্ছা কৰো। মোৰ একান্ত অনুৰোধ, তুমিও যেন এই কিতাপৰ বিষয়ে কাকো একো নোকোৱা।"

"তুমি মোক কৈছিলা, তুমি কোনোদিনে কবিতা লেখা নাই," ভিনিকিয়াচে কলে, "অথচ এই কিতাপৰ গাৰে ভাগৰ মাজে মাজে ছেখোৰ কবিতাও আছে।"

"কিতাপখন পঢ়োঁতে, [illegible] কিন্তু তোমাৰ [illegible] কৰিবা। [illegible] [illegible] মহাকাব্য ৰচনা কৰিছে," [illegible], 'কবিতাৰ

নাম শুনিলেই বিৰক্তি অহা হ'ল। ভিড়িৰ শুৰিলৈকে খোৱাৰ পাচত বহি কৰি সকাহ পাবৰ কাৰণে, ভাইটেলিয়াচে হাতীৰ দাঁতৰ চেপেটা চামোচ এখন মুখত ভৰাই, ডিঙিৰ ভিতৰলৈকে সুমুৱাই দিয়ে। কিছুমানে ফ্লেমিংগো চৰাইৰ পাখি, তেলত মাইৰা খাইম্ গছৰ পাতৰ ৰসত জুবুৰিয়াই মুখৰ ভিতৰলৈ ঠেলি দি, এই কাম সমাধা কৰে। মই কিন্তু এইবোৰ একো কৰিবই নালাগে। মাত্র এবাৰ, নিৰোৰ কবিতা পঢ়িলেই, তৎক্ষণাৎ এই কাম সমাধা হয়। তাৰ পাচত, মই সেইবোৰ কবিতা প্রশংসা কৰিব পৰাও হওঁ,—মুক্ত বিবেকেৰে নোৱা-ৰিলেও বমি কৰি পেট খালী কৰাৰ পাচত, এই কাম সহজ হৈ পৰে।" ইয়াকে কৈ তেওঁ আইভোমিনাচ্ নামৰ জহৰীৰ দোকানৰ আগত, দোলাখন ৰখালে। বাখৰ কিছুমানৰ বিষয়ে আলোচনা কৰি, তেওঁ সোণাৰীৰ দোকানৰপৰা ওলাই, অলাচ্ প্লটিয়াচৰ ঘৰলৈ যাত্রা কৰিলে।

"বাটত যাওঁতে মই, গ্রন্থকাৰৰ অহঙ্কাৰৰ উদাহৰণ স্বৰূপে তোমাক কফি-নাচৰ কাহিনী কম।" অৱশ্যে ভাইকাচ্ পেট্রোনিয়াচৰ, অলাচ্ প্লটিয়াচৰ ঘৰৰ আগত উপস্থিত হোৱালৈকে, তেওঁ এই বিষয়ে একো নুলিয়ালে।

শকত আৰু দুৱৰী এটাই ভিতৰলৈ সোমোৱা দুৱাৰখন খুলি দিলে। লগে লগে, পোহনীয়া মেগ্‌পাই চৰাই এটাই চিঞৰি কলে, "নমস্কাৰ!"

ভিতৰলৈ সোমাই যাওঁতে, ভিনিকিয়াচে কলে, "মন কৰিলানে, দুৱৰীটোৰ গাত শিকলি লগোৱা নাই!"

"হয়, এইখন বৰ আচহুৱা ঘৰ" পেট্রোনিয়াচে কলে, "তুমি হয়তো শুনিছা, প্রাচ্য দেশীয় কুসংস্কাৰেৰে ভৰা পম্পোনিয়া গ্রেচিনা, কোনোবা খৃষ্টৰ ভক্ত বুলি সকলোৱে সন্দেহ কৰে। খুব সম্ভৱ, কথাটো ক্রিচ্পিনিলাৰ পৰাই ওলাইছে। গোটেই জীৱন একেজন পুৰুষৰ পত্নী হৈ থকাৰ বাবে, ক্রিচ্পিনিলাই পম্পো-নিয়াক ক্ষমা কৰিব পৰা নাই। মাত্র এজন স্বামীৰ লগত ঘৰকৰা তিৰোতা এতিয়াৰ দিনৰ বোমৰ বাবে সঁচাকৈয়ে অদ্ভুত কথা।"

"তুমি ঠিকেই কৈছা। ই এখন আচৰিত ঘৰ। মই ইয়াত কি দেখিছিলো, আৰু কি শুনিছিলো, পাচত ক'ম।"

তেওঁলোক গৈ, এট্রিয়াম্ নামৰ প্রথম কক্ষটোত সোমাল। চ'ৰা ৰক্ষী দাস-টোৱে, মাত লগোৱা দুৱৰীক পঠালে,—আলহী দুজনৰ নাম ঘোষণা কৰিবলৈ। পৰিচাৰকহঁতে তেওঁলোকক বহিবলৈ আসন, আৰু ভৰি থবলৈ, চাপৰ পা-দানি দুখন দিলে। পেট্রোনিয়াচৰ ধাৰণা আছিল, এইখন ঘৰৰ সকলো কথাই

বিৰক্তিপূৰ্ণ। সেই বাবে তেওঁ কোনোদিনে ইয়ালৈ অহা নাছিল। বহাঁ ঠাই-খিনিৰ চাৰিওফালে চাই, তেওঁ আচৰিত হৈ গল।

পোহৰত উজ্জল হৈ থকা, চ'ৰা ঘৰটোত (এট্রিয়ামত) বিবাদৰ লেশমাত্র চিন নাই। আয়ত ক্ষেত্রাকাৰ জলপাত্রৰ (ইম্‌প্লুভিয়াম্‌) পৰা, ফোঁৱাৰৰ পানী জোৰেৰে ওপৰলৈ উঠিছে। ওপৰৰ পৰা উজ্জল ৰশ্মি আহি, ফোঁৱাৰৰ পানীত পৰি, সহস্র উজ্জল ৰেখাত বিভক্ত হৈ, তিৰবিৰাই আছে। এই বৃহৎ জলপাত্রত, ৰবযুণৰ পানী ধৰি ৰখা হয়। ইয়াৰ চাৰিওফালে, এনিমোন্ আৰু আইৰিচ ফুল ফুলি আছে। বঙা আৰু বগা ফুলৰ লিলি ভৰাই জনাই দিছে,—এই ফুল গিৰীহঁতৰ কিমান প্রিয়। আইৰিচ্ ফুলৰ কোমল পাহিবোৰত, যেন সোণপানীৰে চৰাই থোৱা আছে। শেলুৰৈ আৰু জোপোহাবনৰ আঁৰত, কিছুমান শিশুৰ আৰু জলচৰ পখীৰ সৰু সৰু মূৰ্ত্তি দেখা গৈছে। এটা চুকত, ক্ষয় যোৱা নীলা আৰু সেউজীয়া মিহলি ৰঙৰ শিং থকা, হৰিণা এটাই, পানীৰ কাষত তললৈ মূৰ কৰি পানী খাই থকাৰ দৰে সজাই থোৱা আছে। এট্রিয়ামৰ মজিয়াখন কাৰুকাৰ্য্য খচিত। বেৰবিলাক ঠাইয়ে ঠাইয়ে বঙা মাৰ্ব্বলৰ, আৰু ঠাইয়ে ঠাইয়ে, উদ্ভিদ, মাছ আৰু চৰাইৰ ৰং বেৰঙৰ চিত্রৰে চকুত চমক লগাকৈ সজা। ওচৰৰ কোঠালৈ সোমোৱা দুৱাৰৰ চৌকাঠবোৰত, হাতীৰ দাঁত আৰু বিভিন্ন জলচৰ প্রাণীৰ চকচকীয়া বাকলিৰে নানাধৰণৰ নক্সা কটা। সুবৃহৎ-সুন্দৰ কক্ষটোৰ বেৰৰ চাৰিওকাষে, অ'লাচৰ পূৰ্ব্বপুৰুষসকলৰ মূৰ্ত্তি সজাই থোৱা আছে। শান্তি-সৌন্দৰ্য্যে ভৰা, পৰিবেশটোৰ মাজত, আড়ম্বৰৰ আধিক্য নাই যদিও, এটা সুনিশ্চিত সম্ভ্রান্ত ভাব কেউদিশে সিঁচৰতি হৈ আছে। পেট্রোনিয়াচৰ বিৰাট অট্টালিকাৰ ৰূপ-সজ্জাৰ লগত, ইয়াক তুলনা কৰা নাযায়। কিন্তু এই পৰিবেশৰ মাজত, সুকুমাৰ কচিক আঘাত কৰিব পৰা বস্তু তেওঁ একোকে বিচাৰি নাপালে। এই বিষয়ে ভিনিকিয়াচৰ আগত কিবা কব খোজোঁতেই, দাস এটাই পৰ্দ্দা এখন আঁতৰাই দিলে আৰু অলাচ্ প্লটিয়াচ্ সোমাই আহিল।

মানুহজন ভাটিবয়সৰ; অথাপিও, গাৰ গঠন বৰ দৃঢ়, মুখমণ্ডল দীঘলীয়া মহৎ, অলপ খোপোকা ধৰণৰ। নাকটো ঈগল চৰাইৰ ঠোঁটৰ দৰে আঁকোৰা,—মূঠৰ ওপৰত, নাক, চকুৰ ৰেখাবোৰ স্পষ্টভাৱে আঁকা। মানুহজনে আচৰিত হোৱাৰ দৰে চালে—অলপ যেন অশান্তভাৱে,—হয়তো চকুৰ আগত নিৰোৰ বন্ধু সহচৰ আৰু বিশ্বাসৰ পাত্র এজনৰ আচহুৱা মুখ এখন দেখি।

সাংসাৰিক অভিজ্ঞতাপূৰ্ণ পেট্ৰোনিয়াচৰ চকুত, এই কথা ধৰা নপৰাকৈ নাথাকিল। প্ৰথম সম্ভাষণ বিনিময়ৰ পাচতে, পেট্ৰোনিয়াচে অত্যন্ত ক্ষিপ্ৰভাৱে, সসম্ভ্ৰমে নিজৰ বক্তব্য জনাই কলে যে, তেওঁৰ ভাগিনিয়েক ভিনিকিয়াচৰ প্ৰতি আদৰ যত্ন লোৱাৰ বাবে, প্লটিয়াচক তেওঁ কৃতজ্ঞতা জনাবলৈ আহিছে; তেওঁৰ আগমনৰ একমাত্ৰ উদ্দেশ্য এইয়ে। তদুপৰি অলাচ আৰু তেওঁ বহুদিনৰ পৰিচিত।

প্লটিয়াচে স্বাগতম জনাই কলে, "মোকনো ধন্যবাদ জনায় কিয়? প্ৰকৃততে মই হে আপোনাৰ ওচৰত ঋণী। কাৰণটোনো কি আপুনি হয়তো ধৰিবই পৰা নাই।"

পেট্ৰোনিয়াচে চেলাউৰি দাঙি কিছু সময় মনত পেলাবলৈ চেষ্টা কৰিলে। কিন্তু কাৰণটো যে কি হ'ব পাৰে, ভাবি উলিয়াব নোৱাৰিলে। অলাচে জনালে, "ভেচ্‌পেচিয়ানে এদিন চিজাৰৰ কবিতা শুনি শুনি দুৰ্ভাগ্যবশতঃ টোপনি গৈছিল। মই তেওঁক ভাল পাওঁ আৰু বৰ সন্মান কৰো। এনে এজন লোকক, আপুনি সেইদিনা, চিজাৰৰ কোপৰ পৰা ৰক্ষা কৰি, তেওঁৰ প্ৰাণ বচাইছিল।"

পেট্ৰোনিয়াচে কলে, "এৰা, তেওঁ নিদ্ৰা সুখত মগ্ন হৈ, চিজাৰৰ সেই সোপা শুনাৰ কষ্টৰ পৰা, ৰক্ষা পৰিছিল। অৱশ্যে তেওঁৰ শেষ দশা কি হয়, কোৱা টান। তাম-ডটীয়াই মানুহজনৰ শিৰ কটাই তেজ বোৱাই মাৰিবলৈ সেনাধ্যক্ষ এজনক বঢ়িয়াকৈ নিৰ্দেশ দি পঠিয়াবলৈ ঠিকেই কৰিছিল।"

"আপুনিও চিজাৰক ঠাট্টা মস্কৰাহে কৰিছিল!"

"নহয়। মই তেওঁক এইদৰে বুজাইছিলো,—অৰ্ফিয়ুচে যদি গান গাই, জন্তু জানোৱাৰৰ টোপনি অনাব পাৰে, তেন্তে তেওঁনো কিয় কবিতা গাই, ভেচ্‌পেচিয়ানক তৰাই থব নোৱাৰিব? অৰ্ফিয়ুচতকৈ তেওঁৰ ক্ষমতা কোনো গুণে কম নহয়। এহেনোবাৰ্বাচে সকস্বৰা সমালোচনা বেয়া নাপায়,—যদি সি সাগৰ-সন্তাপ তোষামোদৰ সংমিশ্ৰণ হয়। এই কৌশলত আমাৰ অগষ্টা পপিয়াক কোনেও চেৰ পেলাব নোৱাৰে।"

"কি যে দিনকাল আহিল!" অলাচে কলে, "মোৰ আগ দাঁত দুটা, ব্ৰ'টন এটাই শিলগুটি মাৰি সৰকাই দিলে বাবে, মোৰ কথাবোৰ অস্পষ্ট হ'ল। কিন্তু আচৰিত কথা, সেই অসভ্যইতৰ দেশতে, মোৰ জীৱনৰ আটাইতকৈ সুখৰ সময়খিনি পাৰ হ'ল।"

"কাৰণ সেয়া আছিল, আপোনাৰ জয়যুক্ত সময়!" ভিনিকিয়াচে টপৰাই মাত লগালে। পেট্ৰোনিয়াচৰ ভয় লাগিল, বুঢ়াই এতিয়া নানি-নিছিনাকৈ নিজৰ

বীৰত্বৰ কাহিনী শুনিলাহি বুলি। গতিকে তেওঁ, প্ৰসঙ্গটো সলনি কৰিবলৈ চেষ্টা কৰি কলে, "প্ৰিনেষ্টাম্ নামৰ ঠাইখনৰ ওচৰত খেতিয়কবিলাকে দুটা মূৰ থকা কুকুৰনেছীয়া বাঘৰ মৰাশ এটা আবিষ্কাৰ কৰিছে। জুনীৰ মন্দিৰৰ এচুকৰ শিল এছটাত, দুদিনমানৰ আগতে হোৱা ধুমুহাৰ দিনা বজ্ৰপাত পৰিছিল। শৰত কালৰ শেষ ছোৱাত, ই একেবাৰে নাভূত-নাশ্ৰুত কাণ্ড! কোটা নামেৰে মানুহ এটাই মোক জনাইছিল যে, মন্দিৰৰ পুৰোহিতসকলে, নগৰখন বা নগৰৰ কোনোবা ক্ষমতাশালী ব্যক্তি, ধ্বংসৰ মুখত পৰিব বুলি ভৱিষ্যতবাণী কৰিছে. —যদিহে বিধিমতে বলিদান দি, বিপদৰ হাত সাৰিবলৈ চেষ্টা কৰা নাযায়।"

অলাচেও জনালে, এনেবোৰ কথালৈ আওকাণ কৰা অনুচিত। যিহেতু দেশত পাপ বেচি হৈছে, দেৱতাসকলৰ খং উঠাতনো আচৰিত হবলগীয়া কিটো আছে? দেৱতাৰ সন্তুষ্টিৰ বাবে বলিদান দিয়াই ভাল।

পেট্ৰোনিয়াচে উত্তৰ দিলে, "আপুনি ডাঙৰ মানুহ যদিও, সেই অনুপাতে আপোনাৰ ঘৰটো ডাঙৰ নহয়। ইফালে মই হাত ধৰি চলা মানুহ গতিকে নিজৰ ঘৰটো মোৰ বাবে চম্ভালিব নোৱাৰা ধৰণে ডাঙৰ হৈ পৰিছে। অৱশ্যে আনেও তাক সৰু ঘৰ বুলি কোনোদিন নকয়। এতিয়া ভাবি চাওক, তোমাচ্ ট্ৰেন্‌জিটোৰিয়াৰ দৰে ডাঙৰ অট্টালিকা এটা, যদি ভাঙি পৰিব খোজে তেন্তে আপোনাৰ বা মোৰ দৰে মানুহৰ জানো কিবা দৰকাৰ আছে, বলিদানেৰে দেৱতাক সন্তুষ্ট কৰি তাক ধ্বংসৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰা?"

প্লটিয়াচে এই কথাৰ কোনো উত্তৰ নিদিলে। এনে মৌনতাত পেট্ৰোনিয়াচ যেন অলপ ক্ষুণ্ণ হ'ল। তেওঁৰ নৈতিক চৰিত্ৰ অতিপাত ঢিলা হ'ব পাৰে, সেই বুলি দোষ খুচৰি ফুৰা স্বভাৱ তেওঁৰ নহয়। তেওঁ পুণৰ প্ৰসঙ্গ সলনি কৰিলে আৰু প্লটিয়াচৰ ঘৰটোৰ সৌন্দৰ্য্য বৰ্ণনা কৰি, গৃহস্বামীৰ অভিৰুচিৰ প্ৰশংসা কৰিলে।

"এইটো পুৰণি ঘৰ।" প্লটিয়াচে কলে, "সম্পত্তি লাভ কৰাৰ দিনৰ পৰা আজিলৈকে মই ইয়াৰ একো সাল সলনি কৰা নাই।"

এট্ৰিয়াম্ আৰু টেব্লিনামৰ মাজৰ পৰ্দাখন টানি কোচাই থোৱাৰ পাচত, পেৰিষ্টাইলিয়াম্ নামৰ ভিতৰ চ'ৰা আৰু তাৰ ওচৰৰ কোঠাবোৰৰ মাজেদি, কলা খেটনীয়ে ঘেৰোৱা উজ্জ্বল ছবি এখনৰ দৰে, দূৰৰ বাগিচাখনো চকুৰ আগত

জিলিকি উঠিল। কোনোবা শিশুৰ আনন্দ কোলাহল শুনা গল। শব্দবোৰ বাগিচাখনৰ পৰাই আহিছে।

পেট্ৰোনিয়াচে কলে, “এনে সুন্দৰ প্ৰাণখোলা হাঁহি, আজিকালি ক'ত পাৰ শুনিবলৈ? আমি অলপ ওচৰ চাপি গৈ শুনো অহক।”

প্লটিয়াচে থিয় দি কলে, “বেচ, বেচ। লিজিয়া আৰু মোৰ অকণমান লৰা-টোৱে বল খেলিছে। হাঁহি, ধেমালি শুনা দিন, আপোনাৰ শেষ হ'ল বুলিছে ভাবিছিলো।”

“জীৱন হাস্যাস্পদ হৈ উঠিছে,—আনে ইহা দেখিলে লগতে হাঁহি দিওঁ। কিন্তু এই ঠাইত হাঁহিৰ ৰূপ সুকীয়া।”

“নহয়,” পেট্ৰোনিয়াচে আজি কালি হাঁহিবলৈকে এৰিছে।” ভিনিকিয়াচে মাত লগালে, “তেওঁ ব্যস্তিহে হাঁহে আজিকালি।”

দীঘলীয়া ঘৰটো পাৰ হৈ, তিনিও আহি বাগিচাত সোমাল।

অকণমান অলাচে যেতিয়া ভিনিকিয়াচক সম্ভাষণ জনাবলৈ লৰি আহিল, তেতিয়া পেট্ৰোনিয়াচে লিজিয়ালৈ চালে। আগবাঢ়ি গৈ, ভিনিকিয়াচে লিজিয়াৰ ওচৰত মূৰ দোঁৱাই থিয় হ'ল। লিজিয়াৰ চুলিবোৰ আউলি, বাউলি হৈ মুখত পৰিছে। হাতত বলটো লৈ, লাজতে ৰঙা-চিঙা পৰি, ভিনিকিয়াচৰ আগত স্তব্ধ হৈ ৰৈ, তাই ঘন, ঘন কৈ উশাহ লবলৈ ধৰিলে।

লতা আৰু পুষ্প পুঞ্জেৰে আবৃত ট্ৰাইক্লিনিয়াম্ নামৰ কক্ষত, ছায়াঘন পৰিবেশৰ মাজত পম্পোনিয়া গ্ৰেচিনা বহি আছে। আলহী দুজনে আগবাঢ়ি গৈ, তেওঁক নমস্কাৰ জনালে। পেট্ৰোনিয়াচে আগতে এবাৰ তেওঁক লগ পাইছিল, কৰেলিয়াচ্ প্লটিয়াচৰ জীয়েক অটিচ টিয়াৰ ঘৰত। চেনেকা আৰু পলিয়োৰ ঘৰতো পম্পোনিয়াক তেওঁ লগ পাইছিল। তেওঁৰ বিমৰ্ষ, শান্ত প্ৰকৃতি, গহীন আচাৰ ব্যৱহাৰ আৰু কথা বতৰাই, পেট্ৰোনিয়াচৰ মনলৈ সম্ভ্ৰমৰ ভাব আনিছিল।

ভিনিকিয়াচৰ আদৰ যত্ন লোৱাৰ বাবে, ধন্যবাদ জনাওঁতে, পেট্ৰোনিয়াচৰ মুখত আপোনাআপুনি ওলাই আহিল, সম্ভ্ৰমসূচক ‘ডোমিনা’ সম্বোধন। কেল ভিয়া ক্রিচ্পিনিলা, স্কৰোনিয়া, ভেলেৰিয়া, চেলিনা আদি সৰ্ব্বসাধাৰণ নাৰীক এনে-কুৱা সম্ভ্ৰম দেখুৱাই কথা কোৱা, তেওঁৰ বাবে সপোনৰো অগোচৰ।

পৰস্পৰে অভিবাদন জনোৱাৰ পাচত, পেট্ৰোনিয়াচে দুখেৰে কলে যে মহিলা গৰাকীক তেওঁ সমাজৰ কোনো ঠাইতে লগ নাপায়। খেলমাটি বা ক্ৰীড়াভৱনতো তেওঁক দেখা নাপায়। নিৰীহৰেকক হাতত হাত এখন লৈ

তেওঁ শান্তভাবে উত্তৰ দিলে, "আমি দুয়ো বুঢ়া হৈ আহিছোঁ। এতিয়া ঘৰত থাকিয়ে ভাল পাওঁ।"

এনেদৰে অকলশৰীয়া জীৱন যাপন কৰাৰ বিৰুদ্ধে পেট্ৰোনিয়াচে কিবা এষাৰ কব খোজোতেই, অলাচ্ প্লচিয়াচে থোকাথোকি মাতেৰে কলে, "তত্বুপৰি, ৰোমান দেৱতাসকলক গ্ৰীক নামেৰে বিভূষিত কৰা সকলৰ মাজত, নিজকে খাপ খুৱাবলৈ সঁচাকৈয়ে টান লাগে।"

"বহুত দিনৰ আগৰে পৰা, ৰোমান দেৱ-দেৱীৰ নামবোৰ, বক্তৃতা শাস্ত্ৰত শব্দৰ অলঙ্কাৰ স্বৰূপে ব্যৱহৃত হৈছে।" পেট্ৰোনিয়াচে অসাৱধানভাৱে উত্তৰ দিলে, "গ্ৰীকসকলেই আমাক বক্তৃতা শাস্ত্ৰৰ জ্ঞান দিছে। মইয়ে দেখোন "জুনো" বুলি কোৱাতকৈ "হীৰা" বুলি কবলৈ উজু যেন পাওঁ।" চকুৰ ঠাৰেৰে তেওঁ বুজাবলৈ চেষ্টা কৰিলে, পম্পোনিয়াৰ উপস্থিতিত স্বাভাৱিকতে "জুনো" নামটো তেওঁৰ মুখত ওলাইছে।

তাৰ পাচত, "বুঢ়া হৈ অহা" কথাষাৰৰ প্ৰতিবাদ কৰি, তেওঁ কবলৈ ধৰিলে, "কিছুমানৰ বাৰ্দ্ধক্য বেচি সোনকালে আহে, আৰু কিছুমানৰ সোনকালে নাহে। থকা মেলাৰ ধৰণ-কৰণৰ ওপৰতে কথা। কিছুমান চেহেৰা আছে, শনিয়ে যাৰ ওচৰ চাপিবলৈকে ভয় কৰে।"

পেট্ৰোনিয়াচৰ কথা একেবাৰে মিছা নহয়। পম্পোনিয়াৰ বয়স যথেষ্ট হৈছে যদিও, মুখৰ উজ্জ্বলতা এতিয়াও অটুট হৈ আছে। তেওঁৰ মূৰটো সৰু আৰু শৰীৰৰ গঠনো কোমল। সেইবাবে, সাজপাৰৰ গাম্ভীৰ্য্য, প্ৰকৃতিগত মৌনতা আৰু দৃঢ়তাইও, তেওঁৰ যৌৱন সুলভ কমনীয়তা ঢাকি ৰাখিব পৰা নাই।

ভিনিকিয়াচ এইখন ঘৰত থাকোঁতে, সৰু অলাচৰ লগত তেওঁৰ বন্ধুত্ব গঢ়ি উঠিছিল। সেইবাবে এতিয়া সি, তেওঁক বল খেলিবলৈ মাতি নিলে। এই সুবিধাতে, লিজিয়াই ট্ৰাইক্লিনিয়াম্ কক্ষত জিৰণি ললেহি।

আইভিলতাৰ পাতবোৰৰ মাজেদি, ৰশ্মিকণা আহি তাইৰ মুখত পৰিছে;- পেট্ৰোনিয়াচৰ চকুত, প্ৰথমে দেখাতকৈ তাইক বেচি ধুনীয়া লাগিল। সঁচাকৈয়ে তাইক এজনী পৰী যেন লাগিল। এতিয়ালৈকে, তেওঁ তাইৰে সৈতে এষাৰ কথাও পতা নাই। এইবাৰ তেওঁ মূৰ দোঁৱাই থিয় হৈ, ইউলিচ্চিজে নওচিকাক অভিবাদন জনোৱা কবিতাৰ ভাষাৰে কলে, "তুমি দেৱী বা মানৱী ৰিয়েই নোহোৱা, মই তোমাৰ সেৱক। তুমি যদি এই পৃথিৱীৰে মানৱী হোৱা- তোমাৰ পিতৃ, মাতৃ সঁচাকৈয়ে ধন্য, আৰু তোমাৰ ভ্ৰাতৃ যদি কোনোবা আছে

তেওঁলোকো ধন্য।" বৈষয়িক মানুহ এজনৰ মুখত, এনে বিনম্ৰ অভিবাদন শুনি পম্পোনিয়া আচৰিত হ'ল; লিজিয়াৰতো কথাই নাই। কিংকৰ্ত্তব্য বিমোৰ হৈ, লাজতে ৰঙা-চিঙা পৰি, তাই ভৰিৰ আঙুলিৰে মাটি লেখিবলৈ ধৰিলে। অলপ পাচতে তাইৰ ওঁঠত, দুষ্টালিৰ হাঁহি বিৰিঙি উঠিল। দ্বিধা-জড়িত কণ্ঠে, মুখস্থ গোৱাৰ দৰে, একে উশাহে তাই কবিতাত নওচিকাই দিয়া উত্তৰটো গাই দিলে, "হে অপৰিচিত! মোৰ মনেৰে, তুমি হীন কুলজাত নোহোৱা। আৰু তোমাৰ অন্তৰো দুৰ্ব্বল নহয়।"

ইয়াকে কৈ, ত্ৰস্তা বিহঙ্গিনী এটিৰ দৰে, তাই লৰ মাৰি আঁতৰি গল।

এইবাৰ পেট্ৰোনিয়াচৰ আচৰিত হোৱাৰ পাল। ভিনিকিয়াচৰ মুখত ছোৱালীজনী আৰণ্যক জাতিৰ বুলি শুনাৰ পাচত, তাইৰ মুখত, হোমাৰৰ কবিতা শুনাৰ বুলি তেওঁ অকণো আশা কৰা নাছিল। প্ৰশ্নসূচক দৃষ্টিৰে তেওঁ পম্পোনিয়াৰ মুখলৈ চালে। গিৰীয়েকৰ গৰ্ব্বিত মুখভঙ্গীলৈ চাই, তেওঁ অতৰ্কিতে মিচিকিয়াই হাঁহি আছিল। অলাচ পুৰণি ধৰণৰ গোড়া ৰোমান; গতিকে তেওঁ গ্ৰীক ভাষাৰ ব্যৱহাৰ আৰু বহুল প্ৰচাৰৰ বিৰুদ্ধে কৈছিল যদিও, তেওঁও ভাবি সন্তোষ পালে যে পেট্ৰোনিয়াচৰ দৰে এজন সংস্কৃতিৰ উপাসক সাহিত্যসেৱী মানুহে হোমাৰৰ কবিতাৰ উক্তিৰে উত্তৰ দিব পৰা এজনক, তেওঁৰ ঘৰতে লগ পালে।

"মোৰ সৰু লৰাটোক গ্ৰীক ভাষা শিকাবলৈ গৃহ শিক্ষক নিযুক্ত কৰিছো!" পেট্ৰোনিয়াচৰ ফালে চাই তেওঁ কলে, "ছোৱালীজনীয়েও তাত ভাগ লয়। আমাৰ এই অকণমান টিপচিটি বৰ মৰম লগা। আমি আটায়ে তাইক ভাল পাওঁ।"

আইভি আৰু হানিচাক্‌ল লতাবোৰৰ মাজেদি, পেট্ৰোনিয়াচে বাগিচাখনৰ চাৰিওফালে লক্ষ্য কৰি, ক্ৰীড়াৰত তিনি ব্যক্তিলৈ চালে। সাধাৰণ কুৰ্ত্তা পৰিহিত ভিনিকিয়াচে বলটো ওপৰলৈ মাৰিছে; লিজিয়াই স্বাভাৱিক ভঙ্গীৰে গাটো বেঁকা কৰি বলটো ধৰিছে। প্ৰথমে দেখোতে, ছোৱালীজনীক পেট্ৰোনিয়াচে নিশকতীয়া যেন দেখিছিল। কিন্তু এতিয়া বাগিচাৰ উজ্জ্বল পোহৰত অৰোৰাৰ জীৱন্ত মূৰ্ত্তি এটিৰ দৰে তাই জিলিকি উঠিছে। গোলাপী গাল, ধুনীয়া ওঁঠ, গভীৰ নীলা চকু, মাৰ্ব্বলৰ দৰে মিহি বগা কপাল, মনোৰম কেশৰাশি, মে মাহৰ সদ্য প্ৰস্ফুটিত এপাহি ফুলৰ দৰে কোমল আৰু লাহি দেহেৰে তাই যেন বসন্তৰে জীৱন্ত ৰূপ! মধু ঋতুৰ সকলো মাধুৰী তাইৰ গাত। আত্মাৰ পবিত্ৰ দ্যুতি প্ৰতিফলিত হৈছে, তাইৰ গোলাপৰ দৰে সুকোমল দেহৰ আঁহে আঁহে—দেহ-যষ্টিয়ে আত্মাৰ নিৰ্ম্মল জ্যোতি 'প্ৰকাশ' কৰিছে।

হঠাৎ পেট্ৰোনিয়াছৰ মনত জাগি উঠিল,—ক্ৰাইচোথিমিচৰ কথা! তেওঁৰ মুখত তিক্ত হাঁহি ফুটি উঠিল। মনৰ চকুৰে চাই তেওঁ দেখিলে,—কৃত্ৰিম সোণালী ৰঙৰ চুলি, আৰু ঘন কৃষ্ণ বৰ্ণেৰে অঙ্কিত ভ্ৰূযুগলৰে সৈতে, ক্ৰাইচোথিমিচ্ যেন মৰহি যোৱা গোলাপৰ পাহি। অথচ, তাইক নিজৰ কৰি লব পৰাৰ কাৰণে, গোটেই ৰোমবাসীয়ে তেওঁ এতিয়া ঈৰ্ষাৰ পাত্ৰ হৈ পৰিছে।

"ভিনিকিয়াচৰ ৰুচি সঁচাকৈয়ে প্ৰশংসনীয়।" তেওঁ নীৰৱে মন্তব্য কৰিলে! "এৰা, মোৰ ক্ৰাইচোথিমিচ হ'ল, ট্ৰয়যুদ্ধৰ সময়ৰ পুৰণি বস্তু।

পম্পোনিয়া গ্ৰেচিনালৈ চাই তেওঁ কলে, "ডোমিনা! মই এতিয়া ভালদৰে বুজিছো, এনে এটি সুন্দৰ পৰিয়ালেৰে পৰিবেষ্টিত হৈ থকাৰ বাবেহে, আপুনি ৰাজপ্ৰাসাদৰ উৎসৱ, আৰু ক্ৰীড়া আদিত ভাগ লোৱাতকৈ, ঘৰতে থাকি ভাল পায়।" লিজিয়া আৰু অকণমান অলাচলৈ চাই, পম্পোনিয়াই উত্তৰ দিলে, "হয়।"

তাৰ পাচত বৃদ্ধ সেনাধ্যক্ষই জনালে,—লিজিয়াৰ জীৱন কাহিনী। চকুৰ আঁৰত থকা, উত্তৰ দিশৰ লিজিয়ানসকলৰ বিষয়ে, এটেলিয়াচ হিষ্টাৰৰ মুখত শুনা কথাও কলে তেওঁ। খেলুৱৈ কেইজনে, বল খেলা শেষ কৰি, মাছ পোহা পুখুৰীৰ পাৰৰ বেঞ্চ এখনত বহিল। অলপ পাচতে, সৰু লৰাটোৱে, পুখুৰীৰ মাছবোৰলৈ পিল দলিয়াই, ধেমালি কৰিবলৈ ধৰিলে। ভিনিকিয়াচেও লিজিয়াৰ লগত ইকালে সিকালে খোজ দি, আগৰ কথাকে পুণৰাবৃত্তি কৰি, কম্পিতকণ্ঠে, নিম্নস্বৰে জনালে, "কৈশোৰৰ জিলমিলৰ শেষ মুহূৰ্ততেই মোক এচিয়াত থকা সৈন্যদলত যোগ দিবলৈ, পঠিয়াই দিছিল। সেইবাবে, ৰোমৰ জীৱনৰ সৈতে, অথবা প্ৰেমৰ সৈতে, মোৰ সম্বন্ধই নাছিল। ল'ৰা কালত মই, মিওচোনিয়াচৰ স্কুলত পঢ়িছিলো; তেওঁৰ মুখত শুনিছিলো, দেৱতাৰ ইচ্ছা কুলি সকলো মানি লব পাৰিলেহে; মানুহ সুখী হ'ব পাৰে। লোকেহে, সুখ বোলা বস্তুটো, আত্মশক্তিৰ ওপৰত নিৰ্ভৰশীল। অৱশ্যে, মই এতিয়া ভাবো, সুখৰ এটা সুকীয়া কথা আছে। ই হ'ল একনৰ নিজস্ব উৎকৃষ্ট মূল্যৱান সম্পদ। একমাত্ৰ প্ৰেমেহে এই সুখ দিব পাৰে। আনকি, দেৱতাসকলেও বিচাৰি ফুৰে, এই পৰমানন্দ। প্ৰেম কি বস্তু; মই কোনো দিন জনা নাছিলো। দেৱবো মৰ্ত্ত এই কল্পনকে মই বিচাৰো। মোক লাগে, এনে এগৰাকী নাৰী, যি মোক এই অমৃতৰ আস্বাদ দিব পাৰিব।"

ইয়াকে কৈ, তেওঁ নীৰৱে বহে। সকলোৱে মাছবোৰক ভয় খুৱাবলৈ শিল-গুটি দলিওৱাত, পানীৰ পৰা অহা শব্দৰ বাহিৰে আৰু একো শুনা নগল।

তাৰ পাচত ভিনিকিয়াচে, আগতকৈও সৰু, কোমল মাতেৰে কবলৈ ধৰিলে, "তুমি বোধকৰো, তেচ্‌ পেচিয়ানৰ লৰা টাইটাচৰ কথা শুনিছা। কোৱা শুনিছো, তেওঁ কিশোৰ কালৰ পৰাই, বেৰেনাইচৰ প্ৰেমত আসক্ত হৈছিল। এই দুৰ্ভাগ্যজনক আসক্তিয়েই তেওঁৰ মৃত্যুৰ কাৰণ হৈ উঠিছিল। লিজিয়া! এনেদৰে ভাল পোৱাৰ শক্তি মোৰো আছে। ধন, গৌৰৱ, প্ৰতাপ— সকলো মিছা, সকলো অৰ্থহীন। ধনীতকৈও ধনী আছে, এজন মানুহৰ গৌৰৱক আন এজনৰ বৃহত্তৰ গৌৰৱে গ্ৰাস কৰিব পাৰে, ক্ষমতাশালী জনেও, ততোধিক ক্ষমতাৰ সন্মুখত সদায় পৰাজয় স্বীকাৰ কৰিব লগা হয়। প্ৰেমৰ উত্তাপেৰে, প্ৰেমিকাৰ মৰমী ওঁঠৰ পৰশ লাভ কৰা, সাধাৰণ শ্ৰেণীৰ মানুহ এজনে, যি সুখ লাভ কৰে, চিজাৰ কিম্বা দেৱতাসকলেও, তাতকৈ মহৎ, পৰিপূৰ্ণ সুখ, কিবা আছে বুলি ভাবিব নোৱাৰে। হয়, লিজিয়া! প্ৰেমে আমাক, দেৱতাসকলৰ সমকক্ষ কৰি তোলে।"

গ্ৰীক বাঁহী বা বীণাৰ মধুৰ ধ্বনি শুনি থকাৰ দৰে, তাই তেওঁৰ কথাবোৰ শুনি থাকিল। কাণৰ মাজেদি নিজৰি গৈ, এই সঙ্গীতৰ সুৰে তাইৰ হিয়া ৰোমাঞ্চিত কৰি তুলিলে। বিকল্প ভাবৰ সমষ্টিৰে, তাইৰ অন্তৰ পূৰ্ণ হ'ল। অৱসাদ আৰু আশঙ্কাৰ লগতে, অতিন্দ্ৰীয় আনন্দৰ শিহৰণ অনুভৱ কৰিলে তাই। তেওঁ কোৱা কথাবোৰ, তাইৰ প্ৰাণৰ নিভৃত কোণত, সুপ্ত হৈ আছিল,—বহুদিনৰ আগৰে পৰা। মাত্ৰ তাইৰ গোপন অনুভূতিয়ে ভাষা বিচাৰি পোৱা নাছিল।

চিৰদিন একেদৰে থিয় দি থকা, চাইপ্ৰাচ গছবোৰৰ মাজেদি, ৰক্তিম আভা নামি আহিল। ৰাঙলী সাজ পিন্ধি, প্ৰকৃতি দেৱী অপৰূপা হৈ উঠিল। সপোনৰ পৰা সাৰ পাই উঠাৰ দৰে, লিজিয়াই ভিনিকিয়াচৰ চকুলৈ চালে। দৃষ্টিত প্ৰাৰ্থনা লৈ, বেভিয়া তেওঁ তাইৰ ওচৰ চাপি আহিল, তেতিয়া পৃথিৱীৰ সকলো পুৰুষতকৈ,—মন্দিৰৰ সন্মুখত দেখা দেৱতাৰ মূৰ্তিতকৈও, তাইৰ চকুত তেওঁ বেচি সুন্দৰ হৈ উঠিল। ধীৰে, ধীৰে, তাইৰ হাতত হাত এখন থৈ তেওঁ প্ৰশ্ন কৰিলে, "তুমি বুজা নাইনে মই কিয় তোমাক এই কথা শুনাইছো?"

"নাই।" তাই অস্পষ্টস্বৰে কলে। ভিনিকিয়াচে বিশ্বাস নকৰিলে। তাইৰ হাতখন জোৰেৰে ধৰি, বুকুলৈ টানি অনাৰ বাসনা জাগি উঠিল, তেওঁৰ মনত। গুল্মৰাশিৰে শোভিত পথেদি আহি থকা বৃদ্ধ অলাচক দেখিহে তেওঁ ৰৈ গল। ওচৰলৈ আহি বৃদ্ধই কলে, "বেলি মাৰ যাবলৈ ধৰিছে। পথুলিৰ [illegible]ৰত নাথাকিবা। লিবিটিনাৰ লগত ধেমালি নকৰিবা।"

"মই টোপা পিন্ধি আছো বাবে, জাৰ পোৱা নাই।" ভিনিকিয়াচে কলে।

"জেনিকিউলাম্ পাহাৰৰ ওপৰেদি, সূৰ্য্য দেৱতাক অৰ্দ্ধবৃত্তাকাৰে দেখা গৈছে।" বৃদ্ধ সৈনিকে কলে, "মনত ৰাখিবা, ইয়াৰ জলবায়ু চিচিলিৰ দৰে মৃদু নহয়। তাৰ মানুহবোৰে গধূলিপৰত মুকলি বাজহুৱা ঠাইলৈ ওলাই গৈ বিশ্ৰাম অভিমুখী, ফিবাচৰ উদ্দেশ্যে সমবেত স্তুতিগীত গায়।"

তাৰ পাচত তেওঁ চিচিলি সম্পৰ্কে, বহুতো কথা কবলৈ ধৰিলে। তাত তেওঁৰ বহুত ভূ-সম্পত্তি আৰু খেতি পথাৰ আছে। জীৱনৰ শেষৰ দিনকেইটা তাতে কটোৱাৰ অভিপ্ৰায় তেওঁৰ। "বুঢ়াকালত চুলিবোৰ ৰূপ যেন বগা হৈ আহিলে, বগা বৰফ দেখিবৰ মন নোযোৱা হয়। এতিয়া অৰণ্যে গছৰ পাত-বোৰ সৰি যোৱা নাই, ব্যোমৰ আকাশৰ ৰূপো প্ৰফুল্লময়; কিন্তু যেতিয়া দ্ৰাক্ষা কুঞ্জবোৰ হালধীয়া পৰিব, আল্বান পাহাৰ বৰফেৰে ঢাক খাব, আৰু দেৱতা-সকলৰ প্ৰকোপত, কেম্পানিয়া সমতল ভূমিৰ ওপৰেদি, নিষ্ঠুৰ বতাহ ববলৈ ধৰিব, তেতিয়া শান্তিময়, আৰামপূৰ্ণ ঠাই এখনলৈ গুচি যাবলৈ, কাৰ মন নাযাব?"

"প্ৰটিয়াচ! আপুনি তেন্তে ৰোম এৰি থৈ যোৱাৰ কথা ভাবিছে?" চিন্তিত ভাবে ভিনিকিয়াচে সুধিলে।

"হয়, বহুদিনৰ আগৰেপৰা, এই ইচ্ছা আছে মোৰ।" অলাচে উত্তৰ দিলে। "দক্ষিণলৈ নামি গলে, জীৱনলৈ শান্তি আৰু নিৰাপত্তা আহিব।" আকৌ এবাৰ তেওঁ, নিজৰ ফলৰ বাগিচা, পোহনীয়া জীৱ, সেউজী প্ৰকৃতিৰে পৰিবেষ্টিত বাসভূমি, মৌ-মাখিৰ গুঞ্জন আৰু থাইম্ বনেৰে পূৰ্ণ পাহাৰবোৰৰ ৰূপ-বৰ্ণনাত, শতমুখ হৈ উঠিল। এইবোৰ গ্ৰাম্য কথা ভিনিকিয়াচৰ কাণত নোসোমাল। লিজিয়াক কেনেকৈ লাভ কৰিব পাৰি, একমাত্ৰ তাৰে চিন্তাত তেওঁ বিভোৰ। মাজে মাজে তেওঁ পেট্ৰোনিয়াচলৈ দৃষ্টি নিক্ষেপ কৰিলে।

পম্পোনিয়াৰ কাষত বহি, পেট্ৰোনিয়াচে অস্তমিত সূৰ্য্য, মনোমোহা বাগিচা আৰু পুখুৰীৰ পাৰত থকা সকলোৰে [illegible] ৰকেমে চাই আছিল। [illegible] সেউজীয়া

মাৰ্‌টল্ গুল্মবাশিৰ কাষত থিয় দি থকা মানুহ কেইজনৰ কাপোৰবোৰ, উজ্জল পোহৰত সোণালী হৈ জিলিকিছে—পশ্চিম দিগন্তত ৰঙা আৰু বেঙুনীয়া ৰঙ-বোৰ ধীৰে ধীৰে সলনি হৈ আহিছে।

উজ্জল পোহৰৰ পটভূমিত, ক'লা চাইপ্ৰাচ গছবোৰ, আৰু বেচি ক'লা যেন দেখা গৈছে। লাহে লাহে গধূলিৰ স্নিগ্ধ ছাঁ নামি আহিল,—শান্তিপূৰ্ণ, মায়াময় পৰিবেশৰ সৃষ্টি হ'ল গছ-গছনিৰে ভৰা মনোৰম উদ্যানত। স্থিৰ শান্তি—সৌন্দৰ্যাপূৰ্ণ পৰিবেশটোৱে পেট্ৰোনিয়াচক অভিভূত কৰি তুলিলে। পম্পোনিয়া, বয়োবৃদ্ধ অলাচ, সৰু অলাচ আৰু লিজিয়াৰ মুখত তেওঁ যি ভাৱৰ প্ৰতিফলন দেখিলে, সেই ভাৱ, তেওঁ কোনো দিনে কাৰো মুখত দেখা নাই। তেওঁৰ নৈশ জীৱনৰ নিত্য সহচৰ, সহচৰীসকলৰ মুখতো দেখা নাই। তেওঁ অনুভৱ কৰিলে, এওঁলোকৰ জীৱনধাৰাই সৃষ্টি কৰিছে, এই ভাৱ, এনে শান্তিপূৰ্ণ পৰিবেশ, শান্তিৰ কোমল দীপ্তি! ইয়াৰ মাজত যি সুষমা, ছন্দ আৰু মনোহাৰিত্ব আছে, তাক ইমানদিনে তেওঁ ক'তো বিচাৰি পোৱা নাছিল। এই কথা ব্যক্ত কৰিবলৈকে, তেওঁ পম্পোনিয়াক জনালে, "আমাৰ প্ৰভু নিৰোৰ জগত, আৰু আপোনালোকৰ জগতখন কিমান বেলেগ!"

সন্ধিয়াৰ ম্লান পোহৰত, পম্পোনিয়াৰ মুখত কোমলতা ফুটি উঠিল। তেওঁ সৰলভাৱেৰে জনালে, "নিৰোৱে নহয়,—ভগৱানেহে জগত শাসন কৰিছে।"

প্ৰকৃতি শব্দহীনা হৈ আহিল। বাগিচাৰ মাজৰ পথটোৰপৰা ভিনিকিয়াচ, বৃদ্ধ সৈনিক, লিজিয়া আৰু সৰু অলাচৰ খোজৰ শব্দ আহিল। তেওঁলোক আহি পোৱাৰ আগে আগে, পেট্ৰোনিয়াচে পুণৰ সুধিলে, "আপুনি দেৱতা বিশ্বাস কৰে জানো?"

"ঈশ্বৰ এজন। তেওঁ ন্যায়পৰায়ণ আৰু সৰ্ব্বশক্তিমান। মই সেই ঈশ্বৰক বিশ্বাস কৰো।" তেওঁ জনালে।

। ২ ।

ভিনিকিয়াচৰ লগত দোলাত উঠি উলটি যাওঁতে, 'পেট্ৰোনিয়াচে' আগতে হোৱা কথাৰ পুণৰাবৃত্তি কৰি কলে, "তেওঁ বিশ্বাস কৰে, এজন ঈশ্বৰক,—বিজন ন্যায়পৰায়ণ আৰু সৰ্ব্বশক্তিমান? তেওঁৰ সেই ঈশ্বৰজন যদি সৰ্বাতোকৈ সৰ্ব্ব-শক্তিমান, তেন্তে জীৱন, মৃত্যুকো অধিকাৰী তেওঁৱেই। ন্যায়পৰায়ণ? যদিও,

তেঁৱেই পৃথিবীলৈ মৃত্যুক পঠিয়াইছে। সেয়ে যদি হয়, তেন্তে পম্পোনিয়াই জুলিয়াৰ মৃত্যুৰ বাবে শোকৰ-সাজ পিন্ধিছে কিয়? জুলিয়াৰ বাবে শোক প্ৰকাশ কৰিলে, তেওঁৰ ভগৱানকে দোষাৰোপ কৰা যেন হয় দেখোন! এই যুক্তিটোকে আমাৰ তাম্র-ওটীয়া বান্দৰটোৰ আগত দাঙি ধৰিব লাগিব। সৰ্ব্বসাধাৰণ নাৰী সম্পৰ্কে মোৰ মত এয়ে যে, সিহঁতৰ প্ৰত্যেকৰে তিনিটা বা চাৰিটাকৈ আত্মা থাকিব পাৰে, পিচে যুক্তি মানি চলিব পৰা শক্তি হলে কোনোটোকে নাই। গূঢ়তত্ত্ব বিচাৰি চেনেকা বা কৰণুটাচৰ লৈতে, পম্পোনিয়াও ব্যাকত বহাহে কথা এতিয়া! সিপুৰীত থাকি, জেনোফোন্, পাৰ্মেনিদিজ্, জেনো আৰু প্লেটোৰ অৱস্থা কিজানি সজাত ভৰাই থোৱা গীত গোৱা চৰাইৰ দৰে হৈছে। এওঁলোকে সেই সকলৰ প্ৰেতাত্মাবিলাকক আহ্বান কৰি আনিব পাৰে দেখোন! অৱশ্যে প্লটিয়াচ্ আৰু তেওঁক, মই এই কথা কব নোখোজো। মিছুৰৰ আইচিচ দেৱীৰ পবিত্ৰ উদৰত ধৰি শপত খাই কব পাৰো, তেওঁলোকৰ তালৈ যোৱাৰ প্ৰকৃত কাৰণ ব্যক্ত কৰা হলে, পিতলৰ ঢালত গদাৰে কোব মৰাৰ দৰে শব্দ কৰি, তেওঁলোকৰ ধৰ্ম্মই আৰ্ত্তনাদ কৰি উঠিলেহেঁতেন। ওহো, এনে কথা কোৱাৰ সাহস মোৰ নাই। ম'ৰা চৰাই ধুনীয়া হলেও, সিহঁতৰ মাত অতি কৰ্কশ; সেইবাবে মই নিজৰ চিঞৰটো দমাই ৰাখিলো। যি কি নহওক, তোমাৰ ৰুচিৰ প্ৰশংসা নকৰি নোৱাৰো। বাঙলী নথৰ জ্যোতিৰে তাই সাক্ষাত অৰোৰা! তাই আৰু কিহৰ কথা সোঁৱৰাই দিয়ে, কব পাৰানে? বসন্তৰ। মই ইটালীৰ বসন্তৰ কথা কোৱা নাই। ইয়াত অ'ত ত'ত দুই এজোপা আপেল গছ ফুলেৰে উপচি পৰে যদিও, জলফাই গছবোৰ শুকান হৈয়ে থাকে। হেল্‌ভেচিয়াত মই যি বসন্তৰ সমাৰোহ দেখিছিলো, তাৰ কথাহে কৈছো। শ্যামল-যৌৱনা প্ৰকৃতিৰ কোমল দ্যুতিৰে ভৰা, এই বসন্ত! শেতা চেলিনী দেৱীৰ শপত খাই কওঁ, মাৰ্কাচ, তোমাৰ কথা মই বঢ়িয়াকৈ বুজিছো। তথাপিও মনত ৰাখিবা, তুমি যাক ইমান ওখ আসন দিছা, তাই প্ৰকৃততে ডায়েনাই। এক্তিয়নক তেওঁৰ নিজৰ কুকুৰে কামুৰি টুকুৰাটুকুৰ কৰাৰ দৰে, অলাচ আৰু পম্পোনিয়াই তোমাকো কামুৰি টুকুৰাটুকুৰ কৰিব।"

ভলৈ মূৰ কৰি, ভিনিকিয়াচ অলপ সময় মনে মনে থাকিল।

"মই সদায় লিজিয়াকে বিচাৰিছো,—এতিয়া আৰু বেচিকৈ বিচাৰিছো তেওঁক। তেওঁৰ হাতৰ এটি পৰ্শই মোৰ গোটেই গাত জুই জ্বলাইছে। হয়, তেওঁ মোৰ হবই লাগিব। জিউচে আহিও ভাৰবুৰ মাজত লুকুৱাই থোৱাৰ

দৰে, মইও পৰা হলে তেওঁক লুকুৱাই থলোহেঁতেন। জিউচে সোণালী বৰষুণ হৈ, ডেনেইৰ গাত পৰাৰ দৰে, মইও পৰিলোহেঁতেন তেওঁৰ গাত। হায়! মই যদি জিউচ্ হলোহেঁতেন। দুখ পাই যোৱানৈকে, চুমা খাই থাকিলোহেঁতেন তেওঁক, মোৰ বাহু বন্ধনৰ মাজত, তেওঁ চিঞৰি উঠিলেহেঁতেন। অলাচ, পম্পোনিয়াক হত্যা কৰি, তেওঁক যেন কাঢ়ি আনিম মোৰ ঘৰলৈ! আজি নিশা মই চকুৰ টিপকে মাৰিব নোৱাৰিম। আজি মোৰ দাসবোৰক খুব বেত দিয়াম যাতে, সিহঁতৰ কেঁকনি গোঠনি শুনি শুনি, নিশাটো পাৰ কৰিব পাৰো।"

"শান্ত হোৱা।" পেট্ৰোনিয়াচে কলে, "চুবুৰাৰ কাঠমিস্ত্ৰীৰ দৰে প্ৰকৃতি তোমাৰ-!"

"হওঁক। মোক লিজিয়াক লাগে। এই বিষয়ে তোমাৰ উপদেশ লবৰ কাৰণেহে মই আহিছিলো। তুমি যদি কোনো উপদেশ দিব নোৱাৰা, মই আন ঠাইত বিচাৰিম। অলাচে লিজিয়াক নিজৰ ছোৱালী যেন জ্ঞান কৰে। মই তেওঁক দাসী বুলি ভাবো কেনেকৈ? তেওঁক পোৱাৰ যদি আন কোনো উপায় নাই, তেন্তে তেওঁ মোৰ দুৱাৰত, কুকুৰনেচীয়া বাঘৰ তেল সানি, সুতাৰে দুৱাৰত বান্ধ দি কইনাৰ সাজেৰে আহি, জুইশালত মোৰ কাষতে বহকহি।"

"বৰলোকৰ বলিয়া বংশধৰ! শান্ত হোৱা।" পেট্ৰোনিয়াচে আকৌ কলে, "জীয়েকহঁতক বিয়া কৰোৱাৰ উদ্দেশ্য লৈ, বৰ্ব্বৰ জাতিৰ মানুহবোৰক, আমি ভিতিত বচী লগাই, বখৰ পিচফালে বান্ধি নানো, বুজিছা। ইমান হবলৈ নিদিবাচোন। প্ৰথমে সাধাৰণভাৱে, সন্মানজনক উপায়েৰে চেষ্টা চলাই থাকা। তোমাক আৰু মোক, যথেষ্ট সময় লাগিব, ভাবিবলৈ। ক্ৰাইচোথিমিচক জুপিটাৰৰ ছোৱালী বুলি মইও ভাবিছিলো। সেইবুলি বিয়া কৰোৱা নাই তাইক। বজা এটালাচৰ জীয়ৰী বুলি জনাজাত, এক্কিকো নিৰোৱে বিয়া কৰোৱা নাই। হব নোৱাৰে এনে কথা! শান্ত হোৱা। মনত ৰাখিবা, লিজিয়াই যদি তোমাৰ বাবে, অলাচহঁতক ত্যাগ কৰিবলৈ সাজু হয়, তেওঁলোকৰ কোনো অধিকাৰ নাথাকিব, তাইক ধৰি ৰাখিবলৈ। অকল তুমিয়ে প্ৰেমৰ জুইত পৰা নাই, এৰোচে তাইৰ গাতো জুই জলাইছে। কথাটো মই বেচকৈ ধৰিব পাৰিছো। এনেবোৰ বিষয়ত, মোৰ কথাত, সম্পূৰ্ণ আস্থা ৰাখিব পাৰা। ধৈৰ্য্য ধৰা। সকলো কথাৰে উপায় আছে। আজিৰ দিনটোত চিন্তা ভাৱনা বহুত হ'ল। মোৰ ভাগৰেই লাগিছে। কাইলৈ আকৌ ভাবিম, তোমাৰ কথা। কাৰ্য্যকৰী উপায়

এটা যদি ভাবি উলিয়াব নোৱাৰো, তেন্তে মোৰ "পেট্রোনিয়াচ" নামটোৱেই মিছা।"

"ধন্যবাদ। ফৰ্চুনা দেৱীয়ে তোমাৰ জীৱন প্রচুৰ দানেৰে পূর্ণ কৰক।"

"বেচ, তুমি পিচে ধৈর্য্য ধৰিব লাগিব।"

"এতিয়া তুমি কলৈ যাবা?"

"ক্রাইচোথিমিচৰ তালৈ।"

"আহ্! তুমিয়ে সুখী! তুমি যিহকে কামনা কৰিছা, তাকে পাইছা।"

"মই? ক্রাইচোথিমিচৰ কথাই মোক কিয় আমোদ দিয়ে জানানে? কাৰণ, তাই মোৰেই মুক্ত দাস, বীণা-বাদক থিওক্লিচৰ লগত হাত-বাট কৰি, মোক ঠগিবলৈ বিচাৰিছে আৰু ভাবি আছে যে, মই এই কথা নাজানো। এসময়ত মই তাইক ভাল পাইছিলো; কিন্তু এতিয়া, তাইৰ ভণ্ডামি আৰু মূর্খামিবোৰে হে মোক আমোদ দিয়ে। মোৰ লগত যাবা নেকি? তাই যদি তোমাৰ প্রেমত পৰে, আৰু তাকে বুজাবলৈ, মদত আঙুলি ডুবাই লৈ, মেজৰ ওপৰত কিবা লেখেও, জানি থবা, মোৰ অকণো ঈর্ষা নোপজে।"

দোলাখন ক্রাইচোথিমিচৰ ঘৰলৈ নিবলৈ ভাৰীইতক আদেশ দিয়া হ'ল। বাট চ'ৰা পাওঁতে, পেট্রোনিয়াচে ভিনিকিয়াচৰ কান্ধত হাত এখন থৈ কলে,

"ৰবা। মই কিবা এটা ভাবি উলিয়াইছো।"

"দেৱতাসকলে তোমাৰ মঙ্গল কৰক!"

"হয়, মোৰ এই পন্থা কার্য্যকৰী নোহোৱাকৈ নাথাকে। এটা কথা জানানে, মার্কাচ?"

"কোৱা, মই শুনি আছো।"

"কথাটো হ'ল এই,—শুচিব্রতা লিজিয়াই কেইদিনমানৰ ভিতৰতে তোমাৰ ঘৰত ভিমিটিৰ দেৱীয়ে দান কৰা আহাৰ গ্রহণ কৰিবহঁগ।"

"তুমি চিজাৰতকৈও ক্ষমতাশালী!" ভিনিকিয়াচে চিঞৰি ক'লে।

॥ ৩ ॥

পেট্রোনিয়াচে সঁচাকৈয়ে নিজৰ কথা ৰাখিলে। পিচদিনা ক্রাইচোথিমিচৰ ঘৰতে তেওঁ গোটেই দিনটো শুই, শুই কটাই দিলে আৰু গধূলি পৰত, পেলেটাইনৰ ফালে যাত্রা কৰিলে। তাত তেওঁ নিৰোৰ লগত গোপনে আলোচনা

কৰিলে, আৰু তাৰেই ফলত, পিচদিনা প্লটিয়াচৰ ঘৰৰ সন্মুখত, এদল নিৰাপত্তা-ৰক্ষী সৈন্যৰে সৈতে এজন সেন্যাধ্যক্ষ উপস্থিত হ'ল।

অনিশ্চয়তা, ভয়, শঙ্কাৰে ভৰা এই সময়ছোৱাত, এনেধৰণৰ চৰৰ উপস্থিতিৰ অৰ্থ হ'ল, মৃত্যুদণ্ডৰ পূৰ্ব্বাভাস। সেনাধ্যক্ষই দুৱাৰত খুন্দিওৱাত, এট্ৰিয়াম্ বৰ্কী দুৱৰীয়ে গৈ, সৈন্য অহাৰ বাতৰি যেতিয়া ভিতৰত দিলেগৈ, তেতিয়া গোটেই-খন ঘৰতে কোৰ্হাল লাগিল। আটাইবোৰ আহি গৃহস্বামীক আগুৰি ধৰিলেহি। আটাইৰে বিশ্বাস হ'ল, তেওঁৰ কিবা অমঙ্গল ঘটিছে। স্বামীৰ ভিচিত সাৰটি ধৰি, পম্পোনিয়াই ম্লান ওঁঠ দুটাৰে, বিৰবিৰকৈ কিবা বকিবলৈ ধৰিলে। কাগজৰ দৰে শেতা হৈ পৰা লিজিয়াই, তেওঁৰ হাত দুখনত চুমা খাই থাকিল। আনকি, অকুণমান অলাচেও, দেউতাকৰ টোগাত জোৰেৰে ধৰি থাকিল। ঘৰ-টোৰ চুকে কোণে, চাৰিওফালে থকা দাস-দাসীবোৰ দলে, দলে ওলাই আহিবলৈ ধৰিলে। আটাইমথাই 'ইস ! ইস ! কি বিপদ হ'ল।' বুলি চিঞৰ, বাখৰ লগালে। তিৰোতাবোৰে উচুপিবলৈ ধৰিলে ; কিছুমানে নিজৰ মুখবোৰকে আচুৰি, বাকুড়ি কানি কাপোৰ দলিয়াই উৎপাত লগালে।

একমাত্ৰ বৃদ্ধ সৈনিক স্থিৰ হৈ থাকিল। মৃত্যুলৈ তেওঁৰ ভয় নাই। শিলত কটা মূৰ্ত্তিৰ দৰে তেওঁ অটল, অচৰ। সকলোকে মনে, মনে থাকিবলৈ কৈ, তেওঁ দাস-দাসীবোৰক উলিয়াই পঠিয়াই কলে, "হ'ল আৰু পম্পোনিয়া। যদি মোৰ শেষ সময় আহিছে, তুয়ো গুয়োৰেপৰা বিদায় লবলৈ এতিয়াও যথেষ্ট সময় আছে।"

তেওঁ লাহেকৈ পত্নীক গাৰ ওচৰৰপৰা আঁতৰাই দিলে ; কিন্তু পম্পোনিয়াই আগতকৈও বেছি জোৰেৰে চিঞৰি কান্দিবলৈ ধৰিলে। তাৰ পাচত, "হে ভগৱান ! তেওঁৰ ভাগ্য যেন মোৰো ভাগ্য হয় !" এই বুলি কৈ, তেওঁ আঠুকাঢ়ি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

এ'লাচ এট্ৰিয়াম্ কক্ষলৈ ওলাই আহিল। সেনাধ্যক্ষজনে তাতে তেওঁৰ বাবে বৈ আছিল। তেওঁৰ নাম কেয়াচ্ হেষ্টা। বৃটেইনৰ যুদ্ধত, বুঢ়া কেয়াচ্ অলাচৰ তলতীয়া কৰ্ম্মচাৰী আছিল।

"নমস্কাৰ মহাশয়।" ৰাজদূতে জনালে, "চিজাৰৰ পৰা, মই আদেশ আৰু অভিবাদন তুয়োটা কঢ়িয়াই আনিছো। এইয়া ৰজাৰ মোহৰ মৰা আদেশপত্ৰ চাওক,– মই মাত্ৰ আজ্ঞাবাহী ভৃত্যহে।"

"চিজাৰৰ অভিবাদন নতশিৰে গ্ৰহণ কৰিলো। তেওঁৰ আদেশ নিয়ন্ত্ৰিত-ৰূপে পালন কৰিম। হেষ্টা, এতিয়া কোৱা, কি বাৰ্ত্তা আনিছা।"

"অলাচ্ প্লটিয়াচ।" দলপতিজনে জনালে, "চিজাৰে জানিব পাৰিছে যে, আপোনাৰ ঘৰত, লিজিয়া দেশৰ ৰাজকুঁৱৰী আছে। লিজিয়াৰ ৰজাই তেওঁক যুদ্ধৰ চৰ্ত্তাধীন বন্দীস্বৰূপে ৰোমলৈ পঠাইছিল। কুঁৱৰীক আদৰ যত্ন কৰি ৰখাৰ বাবে, স্বৰ্গদেউ ঈশ্বৰ নিৰোৱে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছে। চৰ্ত্তাধীন বন্দী হিচাবে, কুঁৱৰীৰ ৰক্ষণাবেক্ষণৰ ভাৰ, প্ৰকৃততে চিজাৰ আৰু চিনেটৰ ওপৰত। সেইবাবে আপোনাৰ ওপৰত, আৰু এই ভাৰ নিদিবলৈ স্থিৰ কৰি, চিজাৰে আদেশ দিছে, লিজিয়াৰ ৰাজকুঁৱৰীক তেওঁৰ হাতত গটাই দিবলৈ।"

অলাচৰ বীৰ প্ৰকৃতি আৰু টান মনটোৱে এনে আদেশ পাই, কোনো প্ৰতিবাদ নকৰিলে, বা খঙো নেদেখুৱালে। তথাপিও, মুহূৰ্ত্তৰ বাবে, শোক আৰু ক্ৰোধৰ আবেগত, তেওঁৰ ভ্ৰূযুগল কঁপি, কঁপি কোচ খাই গল। এসময়ত তেওঁৰ ক্ৰোধমূৰ্ত্তি দেখি, বৃটেইন—সেনাদল ভয়তে কঁপি আছিল। এই মুহূৰ্ত্তত, দলপতি হেষ্টাৰ মুখখনো ভয়তে শেতা পৰি গল। অলাচে ৰজাৰ মোহৰ মৰা আদেশ পত্ৰখন তন্ন, তন্নকৈ পৰীক্ষা কৰি চাই, বুঢ়া সেনাধ্যক্ষক শান্তভাৱে কলে, "হেষ্টা, এট্ৰিয়ামতে অলপ অপেক্ষা কৰা। চৰ্ত্তাধীন বন্দীক এতিয়াই লৈ আহিম।"

ঘৰৰ ভিতৰলৈ সোমাই গৈ, তেওঁ পম্পোনিয়া গ্ৰেচিনা, লিজিয়া আৰু সকলোৱে যিটো কোঠাত আশ্ৰয় লৈছিল, সেই কোঠাটোত ভৰি দিলে।

"কাৰো মৃত্যুদণ্ড বা নিৰ্ব্বাসনৰ আদেশ অহা নাই;" তেওঁ কলে, "তথাপিও, চিজাৰৰ দূতে শোকৰ বতৰাকে কঢ়িয়াই আনিছে। লিজিয়া! কথাটো তোমাক লৈয়ে,—"

"লিজিয়াক?" পম্পোনিয়াই চিঞৰ মাৰি দিলে।

"হয়।"

ছোৱালীজনীলৈ চাই তেওঁ কলে, "লিজিয়া! তোমাক আমি নিজৰ ছোৱালীৰ দৰে মৰমেৰে তুলি তালি ডাঙৰ দীঘল কৰিলো। কিন্তু তোমাৰ প্ৰকৃত অভিভাৱক চিজাৰহে। এতিয়া তেওঁ তোমাক মাতি পঠাইছে।"

"অলাচ্!" পম্পোনিয়াই চিঞৰি কলে, "তাতকৈ তাইৰ বাবে মৃত্যুৱেই শ্ৰেয়।"

লিজিয়াই লৰমাৰি গৈ, তেওঁৰ বুকুত সোমাই চিঞৰ মাৰি দিলে, "মোৰ মা! মোৰ মা!" পুনৰ শোক আৰু খঙত, অলাচৰ মুখ বিকৃত হৈ উঠিল।

"যদি মই পৃথিবীত অকলশৰীয়া হলোহেঁতেন!" অতি দুখেৰে ক'লে তেওঁ,—"তেতিয়া জীৱন থাকে মানে, লিজিয়াক চিজাৰৰ হাতত সমৰ্পণ নকৰিলোহেঁতেন।

আৰু আজিৰ দিনটোতে, হাতত উচৰ্গাৰ বস্তু লৈ, মোৰ নিজৰ মানুহবোৰ, মুক্তি-দাতা জুপিটাৰৰ মন্দিৰলৈ গলহঁতেন,— মোৰ মঙ্গলৰ বাবে ।......নহয়, মই নিজেই যাম, চিজাৰৰ ওচৰলৈ আৰু তেওঁৰ এই সিদ্ধান্ত, পুনৰ বিবেচনা কৰি চাবলৈ হাঁতে ভৰিয়ে ধৰিমগৈ । মোৰ কথা শুনিবনে তেওঁ ? কব নোৱাৰো । লিজিয়া, মোৰ আই ! বিদায় ! তুমি যিদিনা আহি, মোৰ ঘৰ শুৱনি কৰিছিলা, সেইদিনটোক আমি সদায় শ্ৰদ্ধাৰে মনত ৰাখিম । বিদায় লিজিয়া ! তুমি আছিলা আমাৰ আনন্দৰ উৎস,— আমাৰ চকুৰ মণি !"

এইদৰে শোকত ভাঙি পৰাটো, এজন ৰোমানৰ পক্ষে,— এজন প্ৰাক্তন সৈনিকৰ পক্ষে, অশোভনীয় বুলি ভাবি, তেওঁ ততালিকে এট্ৰিয়াম্ কক্ষলৈ ওলাই গল ।

তাৰ পাচত পম্পোনিয়াই লিজিয়াক কিউবিকিউলাম্ কক্ষলৈ মাতি নিলে । তাত তেওঁ লিজিয়াক এনে কিছুমান কথা কলে, যিবোৰ কথা সেইখন ঘৰত সম্পূৰ্ণ অচল । এইখন ঘৰৰ লেৰেইৰিয়ামৰ ওপৰত, অলাচ্ প্লটিয়াচে চোকা নজৰ দিয়ে, যাতে ৰক্ষাকৰ্ত্তা গৃহদেৱতাৰ সন্মুখত বলিদান সততে চলি থকাত বাধা নপৰে ।

"তোমাৰ জীৱন এতিয়া কঠোৰ পৰীক্ষাৰ সন্মুখীন হৈছে !" পম্পোনিয়াই কলে, "বহুত দিনৰ আগতে এপ্পিয়াচৰ হাতৰপৰা ৰক্ষা কৰিবলৈ, ভাৰ্জিনিয়াচে নিজৰ জীয়েকৰ বুকুত ছুৰী বহুৱাইছিল । লুক্ৰেচিয়াই অপমানৰ গ্লানিত আত্ম-হত্যা কৰিছিল । চিজাৰৰ প্ৰাসাদ কলঙ্কৰ ভৰাঁল । কিন্তু তোমাৰ আৰু মোৰ জীৱন নিয়ন্ত্ৰণ কৰা পবিত্ৰ আইনে, আত্মহত্যা নিষেধ কৰিছে । অপমানৰ হাতৰ পৰা আত্মৰক্ষা কৰিবলৈ,— জীৱনপণ কৰি হলেও অপমান,— অপবাদৰপৰা, নিজকে মুক্ত কৰিবলৈ, আমাৰ পবিত্ৰ আইনে, অনুমতি,— নহয় কঠোৰ আদেশ দিছে । পঙ্কিল পৰিবেশৰ মাজত থাকিলেও, যাৰ গাত চেকা নালাগে, তেওঁৰে মহত্ব অধিক বুলি জানিবা । গোটেই জগত পাপত ডুবি আছে । আমাৰ সৌভাগ্য এইয়ে যে, কন্তেকীয়া পাৰ্থিৱ জীৱনৰ শেষত, আমাৰ পুনৰুত্থান ঘটে,— আৰম্ভ হয়, নৱজীৱনৰ পাতনি ।"

তাৰ পাচত, মহিলাগৰাকীয়ে লিজিয়াক অন্তৰ খুলি নিজৰ দুখৰ কথা শুনালে । তেওঁৰ প্ৰিয় অলাচৰ চকুৰ অন্ধ আৱৰণ এতিয়াও মুকলি হোৱা নাই বুলি কৈ তেওঁ জনালে—জ্যোতিৰ উৎস ক'ত, তেওঁ বুজা নাই । আনকি নিজৰ

অকণমান ল'ৰাটোকো, তেওঁ সত্য পথেদি পৰিচালিত কৰিব পৰা নাই। হয়তো এনে অৱস্থা সদায়ে থাকিব, আৰু অৱশেষত তেওঁৰ জীৱনলৈ যি বিচ্ছেদ আহিব, সেই বিচ্ছেদ হৈ উঠিব, অসীম বেদনাৰ, ভয়াবহতাৰ। লিজিয়া আৰু তেওঁৰ মাজৰ এই আসন্ন বিচ্ছেদৰ বেদনাতকৈও, ভয়াবহ হ'ব, সেই বিচ্ছেদ। স্বামী. পুত্ৰৰ অবিহনে, কোনো সুখৰ কল্পনা কৰিব নোৱাৰে তেওঁ। ভগৱানৰ দয়া আৰু কৃপাদৃষ্টিৰ বাবে, কাতৰ প্ৰাৰ্থনা জনাই, তেওঁ বহুনিশা পাৰ কৰিছে। মনৰ বেদনা এইদৰে ব্যক্ত কৰি, তেওঁ লাভ কৰিছে, নিশ্চয়তা আৰু আশাৰ দৃঢ়তা। এতিয়া যদিও এটা নতুন আঘাত মূৰত পৰিছেহি হত্যাকাৰী এটাৰ আদেশত, যদিও তেওঁৰ এটি মৰমৰ পাত্ৰী আঁতৰি যাবলৈ ওলাইছে, তথাপিও, নিৰোতকৈ শক্তিমান এজনৰ শক্তিৰ ওপৰত, তেওঁৰ বিশ্বাস আছে। শঠতাৰ প্ৰতিমূৰ্ত্তি নিৰোৱেও হাৰ মানিব, এই পৰম শক্তিৰ সন্মুখত।

ইয়াকে কৈ, পম্পোনিয়াই ছোৱালীজনীক বুকুত সাৱটি ধৰিলে। লিজিয়াই আঠু কাঢ়ি, পম্পোনিয়াৰ কাপোৰৰ ভাঁজবোৰত মুখ লুকুৱাই, অলপপৰ মনে, মনে থাকিল। তাৰপাচত তাইৰ মুখৰ ভাব শান্ত হৈ আহিল। মূৰ দাঙি চাই, তাই কলে, "মোৰ মা। তোমাক এৰি যাবলৈ, মই কিমান কষ্ট পাইছো! মোৰ পিতা আৰু ভাইটোক এৰি যাবলৈ কিমান দুখ লাগিছে। কিন্তু মই জানো, প্ৰতিবাদ কৰি, কোনো লাভ নাই। তোমালোকৰ অসহায় অৱস্থাটোহে প্ৰকাশ পাব। চিজাৰৰ প্ৰাসাদত সোমোৱাৰ পাচত, তোমাৰ উপদেশ কেতিয়াও নাপাহৰো।"

তাৰপাচত তাই অকণমান অলাচৰ ওচৰত বিদায় ললে; তেওঁলোকৰ বুঢ়া গ্ৰীক শিক্ষক, তাইক তুলি তালি ডাঙৰ কৰা ধাইমাক আৰু অন্যান্য দাস, দাসীৰ পৰাও বিদায় ললে। উৰচাচ্ নামৰ বলিষ্ঠ পেশীযুক্ত, প্ৰকাণ্ড শৰীৰৰ লিজিয়ান দাস এটা, লিজিয়া আৰু তাইৰ মাকৰ লগত, ৰোমান শিবিৰলৈ আহিছিল। সি পম্পোনিয়াৰ ভৰিত পৰি কলে, "ভোমিনা, আদেশ কৰক, কুঁৱৰীৰ লগত যাবলৈ। চিজাৰৰ ঘৰত, মই তেওঁৰ আল-পৈছান ধৰিম আৰু তেওঁক কেতিয়াও মোৰ চকুৰ আঁৰ হবলৈ নিদিওঁ।"

"তুমি লিজিয়াৰ দাস হলেও, সিহঁতে তোমাক, চিজাৰৰ সিংহদ্বাৰত সোমাবলৈ ক'ত দিব? তুমি তাইক পহৰা দি থাকিবলৈ, কি কৌশল অৱলম্বন কৰিবা?"

"মই কব নোৱাৰো। মাত্ৰ ইয়াকে কব পাৰো যে, মোৰ হাতৰ চেপাত, লোহাৰ টুকুৰাও, কাঠৰ দৰে ভাঙি যায়।"

অলাচ্ প্ৰটিয়াচে উৰ্চাচৰ ইচ্ছাত বাধা নিদিলে। তেওঁ কলে,—লিজিয়া অনুচৰবৰ্গৰে সৈতে যাওক, সম্ৰাটে সিহঁতৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিব। উৰ্চাচৰ বাহিৰেও, পম্পোনিয়াই লিজিয়াৰ লগত, বুঢ়ী ধাইজনী, কেইজনীমান চাইপ্ৰাচ দেশীয় সুদক্ষা কেশবিন্যাস-কাৰিণী, আৰু দুজনী জাৰ্মান স্নানপৰিচাৰিকাও পঠালে। যি কেইজন নতুন ধৰ্মত বিশ্বাসী, সেই কেইজনকহে বাছি পঠিওৱা হ'ল। বহুত বছৰ ধৰি, উৰ্চাচেও নতুন ধৰ্ম্মমত মানি চলিছে।

ইয়াৰ উপৰিও, পম্পোনিয়াই নিৰোৰ ৰাজ-প্ৰাসাদত থকা মুক্তদাসী এক্তিলৈকো লেখি পঠিয়ালে,—লিজিয়াক তেওঁৰ তত্বাৱধানত ৰাখিবলৈ। পম্পোনিয়াই, নতুন ধৰ্ম্মানুৰাগীসকলৰ কোনো অনুষ্ঠানতে এক্তিক লগ পোৱা নাই সঁচা, কিন্তু এইগৰাকী সহৃদয়া মুক্তদাসী যে, খৃষ্টিয়ানসকলক সহায় কৰিবলৈ পৰাঙ্মুখ নহয়, সেই কথা তেওঁ জানিছিল। টাৰ্চাচৰ পলৰ পত্ৰসমূহো হেনো এক্তিয়ে আগ্ৰহেৰে পঢ়িছে।

এক্তিলৈ দিয়া চিঠিখন, হেক্টাই নিজে দিবলৈ গাত ললে; লিজিয়াৰ পৰিচাৰক, পৰিচাৰিকাইতক ৰাজপ্ৰাসাদলৈ নিয়াৰ কথাত, তেওঁ কোনো আপত্তি নেদেখুৱালে। ৰাজকুঁৱৰীৰ লগত, ইমান কম সংখ্যক অনুচৰ যাবলৈ ওলোৱাত হে, তেওঁ আশ্চৰ্য্য প্ৰকাশ কৰিলে। শেষবাৰৰ নিমিত্তে, অলাচে লিজিয়াৰ মূৰত হাত থলে। অকণমান অলাচৰ কান্দোন আৰু চিঞৰ শুনি, সেনাবোৰ ওচৰ চাপি আহিল। অকণ, অকণ, হাত দুখন মুঠিমাৰি ধৰি, সি সেনাধ্যক্ষৰ ফালে, খোচা টোঁৱাই, বায়েকক আগভেটি ধৰিলে।

লিজিয়াক সিহঁতে ৰাজপ্ৰাসাদলৈ লৈ গল। তাৰ পাচত, বৃদ্ধ সৈনিকে নিজৰ দোলাখন, সাজু কৰিবলৈ আদেশ দিলে। দোলাখন সাজু হয় মানে, তেওঁ পম্পোনিয়াৰ লগত, পিনেকোথেকা নামৰ কক্ষত বহিলগৈ আৰু গোপনে আলোচনা কৰিবলৈ ধৰিলে।

"শুনা পম্পোনিয়া" তেওঁ কলে, "বৃথা চেষ্টা বুলি জানিও, মই চিজাৰৰ ভালৈ যাবলৈ ওলাইছো। চেনেকাৰ উপদেশে নিৰোক টলাব নোৱাৰে বুলি জানো; তথাপিও মই, চেনেকাৰ ওচৰত আবেদন জনামগৈ। এক্তিয়া চল্লোনিয়াচ্, টাইগেলিনাচ্, পেট্ৰোনিয়াচ্ আৰু ভেটিনিয়াচৰ প্ৰভাৱহে আটাইতকৈ বেছি।

হয়তো চিজাৰে, লিজিয়ানবিলাকৰ বিষয়ে একো শুনাই নাছিল, কাৰোবাৰ উচটনিতহে তেওঁ লিজিয়াক নিবলৈ মানুহ পঠালে। সেইজনলো কোন, মই ধৰিব পাৰিছো।”

“পেট্ৰোনিয়াচ ?”

“হয়, পেট্ৰোনিয়াচ। মান, সন্মানৰ জ্ঞান নথকা মানুহক, ঘৰৰ ভিতৰত সোমাবলৈ, দুৱাৰ মেলি দিয়াৰ ফল হাতে, হাতে পালো। ভিনিকিয়াচক দুৱাৰ-ডলি পাৰ হবলৈ দিয়া ক্ষণটোও অভিশপ্ত আছিল। পেট্ৰোনিয়াচক সিয়ে মাতি আনিছিল। ইহঁতে লিজিয়াক যুদ্ধৰ চৰ্ত্তাধীন বন্দী বুলি নিয়া নাই; কাৰোবাৰ উপপত্নী কৰিবলৈহে নিছে। হায়! হায়! লিজিয়াৰ কি গতি হল! আজিলৈকে মই দেৱতাসকলক ভক্তি শ্ৰদ্ধা জনাই আছিলো। এই মুহূৰ্ত্তৰ পৰা মই ধৰি লৈছো দেৱতা, চেৱতা মিছা। জঘন্য, পগলা, দানৱ নিৰোৰ অস্তিত্বহে সঁচা।”

“অলাচ!” পম্পোনিয়াই কলে, “ভগৱানৰ চকুত, নিৰো এমুঠি অপবিত্ৰ ধূলিৰ বাহিৰে একো নহয়।”

খঙৰ ভাব দমন কৰি, প্লটিয়াচে, শান্তভাৱে কলে, “পেট্ৰোনিয়াচে চিজাৰৰ উপকাৰ কৰিবলৈ, আমাৰ হাতৰপৰা লিজিয়াক লৈ যোৱা নাই,—তেওঁৰ নিজৰ কাৰণে, বা ভিনিকিয়াচৰ কাৰণেহে নিছে আজি মই এই বিষয়ে নিশ্চিত হ'ব খুজিছো।”

অলপ পাচতে, দোলাখন পেলেটাইন অভিমুখে যাবলৈ ধৰিলে। পম্পোনিয়াই সক অলাচৰ সন্ধান লবলৈ ভিতৰলৈ গল। বায়েকক লৈ যোৱাৰ বাবে, সি এতিয়াও ইনাই-বিনাই কান্দি আছে আৰু চিজাৰক “মাৰিম,” “কাটিম” বুলি চিঞৰিছে।

॥ ৪ ॥

প্লটিয়াচে ঠিকেই ভাবিছিল, চিজাৰে তেওঁৰ লগত দেখা নকৰে। চিজাৰে উত্তৰ দি পঠাইছে—তেওঁ বীণা বাদক টাৰ্পনোচৰ লগত গীত গোৱাত ব্যস্ত। তদুপৰি, মাতি নপঠালে, কোনো মানুহৰ লগতে তেওঁ দেখা নকৰে।

ইফালে আকৌ চেনেকাই, অৱৰ গাৰেই, বৃদ্ধ সেনাপতিক দেখা কৰি অভ্যৰ্থনা জনালেহি।

তিক্ত হাঁহিৰে তেওঁ ক'লে, “প্লটিয়াচ! মই মাত্ৰ এটা কথাত হে, আপোনাক সহায় কৰিব পাৰিম। আপোনাৰ দুখত যে মই দুখী, এই কথা চিজাৰে যাতে কেতিয়াও গম নাপায়, তাৰ চেষ্টাত থাকিম।”

টাইগেলিনাচ্, ভেটিনিয়াচ্, আৰু ভাইটেলিয়াচক লগ নধৰিবলৈ, তেওঁ প্লটিয়াচক উপদেশ দিলে। হয়তো, ধন-বিত্তে ইইঁতৰ মন ঘূৰাব, অথবা, পেট্ৰো-নিয়াচৰ কিবা অনিষ্ট কৰিবলৈ পালে, ইইঁতে ভাল পাব। ইইঁত আটাইকেইটাই, পেট্ৰোনিয়াচক ঠেকত পেলাবলৈ চল চাই আছে। খুব-সম্ভৱ, ইইঁতে চিজাৰক এইদৰে ক'ব,—"পেট্ৰোনিয়াচে লিজিয়াক পাবলৈ বিচাৰিছে।" তেতিয়া ঈৰ্ষান্বিত হৈ সম্রাটে লিজিয়াক আৰু বেছি কঠিন নজৰত ৰাখিব।

"আপুনি বহুত দিন নীৰৱে কটাইছে।" চেনেকাই ক'লে, "বহুত বছৰ আপুনি স্মুখেৰে মতা নাই। মুখ খুলি কথা নোকোৱা মানুহক, চিজাৰে ভাল নাপায়। কি সাহসত আপুনি চিজাৰৰ ৰূপ, গুণ, তেওঁৰ সঙ্গীতৰ জ্ঞান, তেওঁৰ বক্তৃতা দিয়াৰ ক্ষমতা, তেওঁৰ ৰাজনীতি, আৰু তেওঁৰ কবিতাৰ প্ৰশংসাত নাচি উঠা নাই? কি সাহসত আপুনি বৃটানিকাচৰ হত্যাৰ প্ৰশংসা কৰা নাই? মাতৃ-হন্তা নিৰোৰ যশ-গুণ গোৱা নাই কিয়? অক্তেভিয়াক যেতিয়া ভিঙি চেপি হত্যা কৰোৱা হৈছিল, তেতিয়া ওলগ জনাবলৈ নাহি, ক'ত সোমাই আছিল, আপুনি?"

ইয়াকে কৈ, চেনেকাই নিজৰ কমৰপেটীত ৰখা সক পিয়লা এটা উলিয়াই চাৰিকোণীয়া জলপাত্ৰৰ পৰা (ইমপ্লুভিয়াম্) পানী লৈ খালে। জ্বৰত পুৰি থকা ওঁঠ দুটা চেচা কৰি, তেওঁ পুনৰ কবলৈ ধৰিলে, "হয় নিৰোৰ মনটোৱে কথা নাপাহৰে। ৰোমৰ বাবে, দেহে কেহে খটাৰ কাৰণে, তেওঁ আপোনাক ভালপায়, আৰু ল'ৰাকালৰ শিক্ষক বুলি, মোকো ভাল পায়। গতিকে মই ভাবো, ইয়াত ৰখা পানীত বিহ দি থোৱা নাই। নিৰ্বিঘ্নে এই পানী পিব পাৰি। অৱশ্যে গুৰাৰ ক্ষেত্ৰত, ইমান নিশ্চিন্ত হোৱা উচিত নহয়। সেইবাবে পিয়াহ লাগিলে, আপুনি নিৰ্ভয়ে এই পানী খাব পাৰে। কাৰণ যি নলীৰে ইয়ালৈ পানী আহে, তাৰ লগত আলবান পৰ্ব্বতৰ পোনপটীয়া সংযোগ আছে। এই নলীবোৰৰ পানী বিষাক্ত কৰিলে, গোটেই ৰোমৰে পানী বিষাক্ত হৈ উঠিব। এতিয়া বুজি পালেনে, এনেকুৱা দিনতো, মানুহে কিদৰে, শান্তিৰে বুঢ়া কালত ভৰি দিব পাৰে? মই সঁচাকৈয়ে অসুস্থ; প্ৰকৃততে এয়া মোৰ মনৰহে ব্যাধি।"

এই কথা সঁচা। কৰনুটাচ্ আৰু থে্চিয়াচৰ নিচিনা মনোবল তেওঁৰ নাই। পাপক "পাপ নহয়," বুলি প্ৰমাণ কৰোতেই, তেওঁৰ গোটেই জীৱন

গ'ল। তথাপিও, তেওঁতকৈ এই কথা কোনেও বেছি ভালদৰে জানিব নোৱাৰে যে, চিটিয়ামৰ জেনোৰ শিষ্য হৈ, তেওঁ আন পথ অৱলম্বন কৰা উচিত আছিল। মৃত্যু ভয়তকৈও, এই চিন্তাই তেওঁক খুলিখুলি খাইছে।

তেওঁৰ তিক্ত মনোভাৱত বাধা দি, সেনাধ্যক্ষই ক'লে, "সাধু এনিয়াচ! মই জানো, ডেকা বয়সত চিজাৰৰ যত্ন লোৱাৰ বাবে, চিজাৰে আপোনাক প্ৰতিদান যথেষ্ট দিছে। কিন্তু যিজন মানুহে আমাৰ হাতৰ পৰা দিজিয়াক লৈ গল, তেওঁ হ'ল, পেট্ৰোনিয়াচ। গতিকে মোক আপুনি কওক, উদ্ধাৰ কাৰ্য্যত কিদৰে মই আগ বাঢ়িম। মোক কওক, এই মানুহজনে কাৰ কথা শুনিব। মোৰে সৈতে আপোনাৰ বন্ধুত্ব বহুত পুৰণি। এই বন্ধুত্বৰ প্ৰেৰণাৰে, আপুনি নিজৰ বাকশক্তি প্ৰয়োগ কৰি, মানুহজনক টলাবলৈ চেষ্টা কৰক।"

"তেওঁ আৰু মই সম্পূৰ্ণ ভিন মতবাদৰ মানুহ। কিদৰে আগবাঢ়িব পাৰি, মইও নাজানো। তেওঁৰ ওপৰত কোনেও প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। যিবোৰ অসৎ ব্যক্তিয়ে নিৰোক বেৰি ধৰি থাকে, খুব সম্ভৱ, সেইবোৰৰ দৰে তেওঁ নীচ আৰু অপদাৰ্থ নহয়। তথাপিও পাপ, পুণ্য তেওঁক বুজাবলৈ গ'লে, সময় নষ্ট কৰাহে হ'ব। সৎ আৰু অসৎ কাক কয়, তেওঁ নুবুজে। অৱশ্যে যদি প্ৰমাণ কৰিব পাৰি যে, তেওঁৰ আচৰণ শিল্পী সুলভ হোৱা নাই, তেতিয়াহে তেওঁ লাজ পাব। গতিকে পিচৰ বাৰত তেওঁৰ লগত দেখা হ'লে ক'ম, আপোনাৰ আচাৰ-ব্যৱহাৰ দেখোন মুক্ত দাসৰ দৰেহে হবলৈ ধৰিছে। এই কথাই গুণ নিদিলে, একোৱে গুণ নিদিয়ে।"

"আপোনাক অশেষ ধন্যবাদ।" বৃদ্ধ সেনাধ্যক্ষই ক'লে।

তাৰ পাচত, ভিনিকিয়াচৰ অট্টালিকাত সোমাই প্লটিয়াচে দেখিলে, গৃহ-স্বামীয়ে তেওঁৰ অস্ত্ৰ-শস্ত্ৰৰ তদাৰক লোৱা কৰ্ম্মচাৰীজনৰ লগত, তৰোৱাল চলোৱা অভ্যাস কৰিছে। ভিনিকিয়াচক যেতিয়া অকলে লগ পালে, তেতিয়া অ'লাচে খঙত উৰাউল হৈ শাও-শপনি বৰ্ষিবলৈ ধৰিলে। কিন্তু এই উক্তগুলি আৰু বল প্ৰয়োগৰ কথাখিনি শুনাৰ পাচত, ভিনিকিয়াচৰ মুখখন যেতিয়া মৰা মানুহৰ দৰে শেতা পৰি গল, তেতিয়া প্লটিয়াচৰ মনৰ সন্দেহ ততালিকে মাৰ গল। যুৱকে যে এই কুকৰ্ম্মত হাত মিলোৱা নাই, এই কথা তেওঁ বুজি পালে। সঁচাকৈয়ে, ভিনিকিয়াচৰ কপালত, ঘামৰ ডাঙৰ, ডাঙৰ টোপাল বিৰিঙি উঠিল। তেওঁৰ চকু দুটা দুই জ্বলাদি জ্বলিবলৈ ধৰিলে,—কিছুমান অস্পষ্ট প্ৰশ্ন আহি, তেওঁৰ ওঁঠ দুটা কঁপাই তুলিলে। ঈৰ্ষা আৰু ক্ৰোধত, মনৰ ভাবসমূহ হেৰুৱাই

তেওঁ ভাবিলে, চিজাৰৰ দুৱাৰডলি পাৰ হোৱাৰ পাচত, লিজিয়াক তেওঁ চিৰদিনলৈ হেৰুৱালে। অৱশ্যে যি মুহূৰ্ত্তত তেওঁ অলাচৰ মুখত, পেট্ৰোনিয়াচৰ নাম শুনিলে, সেই মুহূৰ্ত্ত তেওঁৰ মনত হঠাতকৈ সন্দেহৰ ভাব উপস্থিত হ'ল। পেট্ৰোনিয়াচে তেওঁক মূৰ্খ প্ৰতিপন্ন কৰিলে; ছোৱালীজনী তেওঁৰে আপোন,—এনে এটা ভাব দেখুৱাই, তাইক চিজাৰৰ হাতত উপঢৌকণ হিচাপে অৰ্পণ কৰি, তেওঁ সম্ৰাটৰ প্ৰিয়পাত্ৰ হবলৈ নতুন চেষ্টা চলাইছে।

"সেনাপতি" ভঙা ভঙা মাতেৰে ভিনিকিয়াচে ক'লে, (ভিনিকিয়াচৰ বংশত হিংসাত্মক ভাব পুৰুষানুক্ৰমিক) "আপুনি জানি থব, পেট্ৰোনিয়াচ যদিও মোৰ পিতৃ তুল্য তথাপিও এই উদ্ভণ্ডালিৰ বাবে তেওঁ মোক কৈফিয়ৎ দিবই লাগিব। সেইবাবে মই আপোনাক ঘৰলৈ উলটি যাবলৈ অনুৰোধ জনাওঁ। আপুনি তাত মোৰ বাবে অপেক্ষা কৰি থাকিব। পেট্ৰোনিয়াচ বা চিজাৰ কোনেও নাপায়, লিজিয়াক। তাতকৈ মই নিজকে আৰু লগতে তেওঁকো শেষ কৰি থ'ম।"

তাৰ পাচত, তেওঁ পেট্ৰোনিয়াচৰ ঘৰলৈ যাত্ৰা কৰিলে। ভগ্ন হৃদয়েৰে অ'লাচ ঘৰলৈ উলটিল আৰু পম্পোনিয়াক সান্ত্বনা দিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিলে। তাৰ পাচত বৃদ্ধ দম্পতিয়ে ভিনিকিয়াচৰ পৰা কিবা সংবাদ অহালৈ বাট চাই থাকিল। ঘন্টাৰ পাচত ঘন্টা পাৰ হৈ গল; লাহে লাহে গধূলি হৈ আহিল। হঠাৎ বাহিৰৰ দুৱাৰত, ডাঙৰকৈ শব্দ হ'ল আৰু অলাচলৈ দিয়া চিঠি এখন লৈ দাস এটা সোমাই আহিল।

চিঠিত লেখা আছিল,—

"মাৰ্কাচ ভিনিকিয়াচে অলাচ প্লটিয়াচলৈ দিয়া পত্ৰলিপি—

"নমস্কাৰ! যি কাম হৈ গ'ল, সি চিজাৰৰ ইচ্ছাতে হ'ল। পেট্ৰোনিয়াচ আৰু মোৰ দৰে, আপুনিও চিজাৰৰ ওচৰত নতি স্বীকাৰ কৰিব লাগিব।"

॥ ৫ ॥

ভিনিকিয়াচ গৈ, পেট্ৰোনিয়াচক ঘৰতে লগ পাইছিল। দুৱৰীয়ে তেওঁক দুৱাৰমুখতে বখাব খুজিছিল। কিন্তু তেওঁ ফেঁ। ফেঁৱাই চ'ৰাঘৰ পাৰ হৈ লৈ পঢ়াকোঠাত সোমাল। পেট্ৰোনিয়াচে কিবা লেখি আছিল; ভিনিকিয়াচে তেওঁৰ হাতৰপৰা, কলমডাল কাঢ়ি লৈ, মটক কৰে ভাঙি ছুটুকুৰা কৰি, মোমায়েকৰ বাহুলৈ খোচা টোঁৱাই, কৰ্কশ মাতেৰে সুধিলে, "তেওঁক কি কৰিলা? তেওঁ ক'ত?"

পেট্রোনিয়াচে, (মানুহে তেওঁক নাৰীসুলভ বুলি কয়) তেওঁৰ বাহুৰ ওপৰত থোৱা, ডেকা ব্যায়ামবীৰৰ হাতখন প্ৰথমতে ধৰিলে, তাৰপাচত ইখন হাতো ধৰি ললে। নিজৰ হাত এখনেৰে দুয়োখন হাত চেপি ধৰি, তেওঁ কলে, "বুজিছা, অকল ৰাতিপুৱাহে মই দুৰ্ব্বল হৈ থাকো। গধূলি হ'লে মোৰ শক্তি উলটি আহে। হাতদুখন মোকোলাবলৈ চেষ্টা কৰাচোন! নিশ্চয় কোনোবা তাতীৰ ওচৰত তুমি যুযুৎসু শিকিছিলা, আৰু আচাৰ-ব্যৱহাৰ শিকিছা কমাৰৰ ওচৰত।"

ইয়াকে কৈ, তেওঁ ভিনিকিয়াচৰ হাত দুখন এৰি দিলে। ডেকা মানুহজন খন্তেকৰে থিয় দি থাকিল। কিন্তু অলপ দোধোৰ-মোধোৰ অৱস্থাত হ'ল তেওঁৰ।

"নিশ্চয় তোমাৰ হাত তীখাৰ নিচিনা।" তেওঁ কলে, "যমপুৰীৰ দেৱতা-সকলৰ শপত খাই কৈছো, যদি তুমি মোক প্ৰৱঞ্চনা কৰিছা, মই তোমাৰ ডিঙিত ছুৰী বহুৱাই দিম,—আনকি চিজাৰৰ সন্মুখতে।"

"আঁহা, আমি ধীৰে, সুস্থিৰে কথা পাতো।" পেট্রোনিয়াচে উত্তৰ দিলে। "তোমাৰ এনে ভুলৰ বাবে, মই কষ্ট পাইছো। মানুহৰ অকৃতজ্ঞতাৰ বাবে, আশ্চৰ্য্য প্ৰকাশ কৰাৰ শক্তি যদি মোৰ এতিয়াও আছে, তেন্তে কব লাগিব,—তোমাৰ অকৃতজ্ঞতাই মোক আচৰিত কৰি তুলিছে।"

"লিজিয়া ক'ত?"

"বেশ্যালয়ত,—অৰ্থাৎ নিৰোৰ ৰাজপ্ৰাসাদত।"

"পেট্রোনিয়াচ!"

"শান্ত হৈ বহা,—চিজাৰক মই দুটা অনুৰোধ জনাইছিলো। দুয়োটা অনু-ৰোধ ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতিও পাইছিলো,—তেওঁৰ পৰা। প্ৰথমটো হ'ল, তেওঁ লিজিয়াক প্লটিয়াচৰ ঘৰৰ পৰা আঁতৰাব। দ্বিতীয়তে, তাইক তোমাৰ ওচৰলৈ পঠিয়াব। তোমাৰ টোগাৰ ভাঁজবোৰৰ মাজত ছুৰী এখন লুকুৱাই অনা নাইতো? তুমি মোক ছুৰীৰে নামাৰাতো? তাকে কৰিব খুজিছা যদি, মই তোমাক দুদিনমান অপেক্ষা কৰিবলৈ কওঁ। তোমাক যদি বন্দীশালালৈ পঠিওৱা হয়, লিজিয়াই মিছাকৈয়ে তোমালৈ অপেক্ষা কৰি থাকিব।"

অলপ সময় দুয়ো নীৰৱ। ভিনিকিয়াচে সংজ্ঞাহীনৰ দৰে স্তব্ধ হৈ পেট্রোনিয়াচলৈ চাই থাকিল। অলপ পাচত তেওঁ কলে, "মোক ক্ষমা কৰা। তুমি জানা, মই লিজিয়াক কিমান ভাল পাওঁ। এই আসক্তিয়ে মোৰ হিতাহিত জ্ঞানলুপ্ত কৰিছে।"

"শুনা মার্কাচ। পৰহি মই চিজাৰক এইদৰে কৈছিলো—অলাচৰ তোলনীয়া ছোৱালী এজনীৰ কাৰণে, মোৰ ভাগিন ভিনিকিয়াচ ইমান পগলা হৈছে যে, তাৰ দীৰ্ঘনিশ্বাসবোৰে গোটেই ঘৰটো বাষ্পৰ স্নানাগাৰত পৰিণত কৰিছে। চিজাৰ! আপুনি আৰু মই, প্ৰকৃত সৌন্দৰ্য্যৰহে উপাসক। এইজনী ছোৱালীৰ বাবে, আমি এহেজাৰ চেচ্‌টাৰ্‌চেচো (পুৰণি ৰোমান মুদ্ৰা) নিদিওঁ। কিন্তু এই ডেকা লৰাটো জধা মূৰ্খ।"

"পেট্ৰোনিয়াচ!"

"যদি তুমি এই কথাটোকে বুজা নাই যে, লিজিয়াক ৰক্ষা কৰাৰ উদ্দেশ্যেৰে এইদৰে কৈছিলো, তেন্তে মই বিশ্বাস কৰিবলৈ বাধ্য হ'ম যে, মই কোৱা কথাষাৰ মিছা নহয়। অৱশ্যে মই তাম-ডঢ়ীয়াক পতিয়ন নিয়াবলৈ সমৰ্থ হৈছিলো যে, তেওঁৰ দৰে সৌন্দৰ্য্য উপাসকে, এনে এজনী ছোৱালীক ৰূপৱতী বুলি ভুল কৰা সম্ভৱপৰ নহয়। নিৰোৱে নিজৰ চকু দুটাক বিশ্বাস নকৰি, মোৰ চকুৰেহে সকলো চায়। গতিকে সি লিজিয়ালৈ চকু নিদিয়ে বুলি জানিবা। বান্দৰটোক এতিয়া ৰচী লগাই ভিতৰত ৰখাই ভাল। তাৰ পাচত মই গাত নলগা ধৰণে কলো, 'লিজিয়াক আনি ভিনিকিয়াচৰ তালৈ পঠাওক। আপোনাৰ এই কাম কৰাৰ অধিকাৰ আছে; কাৰণ তাই যুদ্ধৰ চৰ্ত্তাধীন বন্দী। এনে কৰিলে, অলাচৰ লগতো যথোচিত ব্যৱহাৰ কৰা হ'ব।" এই কথাত চিজাৰ মান্তি হৈছিল। এজন সাহসী বীৰক আঘাত দিয়াৰ সুযোগ পাই চিজাৰে ভালকে পালে। গতিকে তুমি, ৰাজকীয় অৰ্থত, এই চৰ্ত্তাধীন বন্দীৰ অভিভাৱক হবা। লিজিয়া দেশৰ এই অমূল্য বস্তুটিক তোমাৰ হাতত অৰ্পণ কৰা হ'ব। এই সম্পদ জধে মধে নষ্ট নকৰি, তাৰ মূল্য আগতকৈ বঢ়াই তোলাৰ ভাৰ তোমাৰ ওপৰত। তুমিয়ে সুখী মানুহ।"

"সচাঁনে? তুমি নিশ্চয়কৈ জানানে যে, চিজাৰৰ ঘৰত তেওঁ সম্পূৰ্ণ নিৰাপদ?"

"তাই চিৰদিন তাতে থকাৰ কথা হোৱা হলে, পপিয়াই লোকাইটাক নজনোৱাকৈ নাথাকে। অন্ততঃ কেইদিনমানলৈ ভয়ৰ কোনো কাৰণ নাই। চিজাৰৰ প্ৰাসাদত দহ হাজাৰ মানুহ থাকে। খুব সম্ভৱ, তাই থকাৰ কথা চিজাৰে গমকে নাপাব। অলপ আগতে, সেনাপতি এজনে কৈ গল, তাইক তালৈ নিয়া হৈছে, আৰু তাই বৰ্ত্তমান এক্তিৰ তত্বাৱধানত আছে। এক্তি সজ স্বভাৱৰ তিৰোতা;

সেইবাবে মই ছোৱালীজনীক তেওঁৰ হাতত দিয়াইছো। পম্পোনিয়া গ্ৰেচিনাৰো এইয়ে ইচ্ছা, তেৱেঁ। এক্তিলৈ চিঠি দিছে। কাইলৈ ৰাজপ্ৰাসাদৰ ভোজমেলত লিজিয়াৰ কাষতে তোমাৰ আসন আচুতীয়াকৈ ৰখাৰ ব্যৱস্থাও কৰিছো।"

"কেয়াচ্‌! কৰ্কশ ব্যৱহাৰৰ বাবে মোক ক্ষমা কৰিবা। মই ভাবিছিলো, তুমি নিজৰ কাৰণে, বা চিজাৰৰ কাৰণে লিজিয়াক অনাইছা।"

"খড়ত জলিপকি উঠাৰ বাবে, মই তোমাক বেয়া নাপাওঁ। কিন্তু এই যে অভদ্ৰ অঙ্গি, ভঙ্গী, কৰ্কশ চিঞৰ আৰু 'মোৰা' খেলা জুৱাৰীৰ দৰে কথাৰ ঢং,- এইবোৰহে মই পছন্দ নকৰো। চিজাৰৰ লগৰ শিয়ালৰ দলত টাইগেলিনাচ আছে, মই নাই। এইজনী ছোৱালী মই বিচৰা হলে, খোলাখুলিকৈয়ে কৈ দিলোহেঁতেন,—'ভিনিকিয়াচ! মই লিজিয়াক ফুচুলাই নিব খুজিছো, আৰু আমনি লাগি নোযোৱালৈকে তাইক মই ৰাখিব খুজিছো।"

এইদৰে কৈ, তেওঁ ভিনিকিয়াচৰ মুখলৈ চালে। তেওঁৰ চকুত শীতল, নিৰাসক্ত দাম্ভিক ভাব লক্ষ্য কৰি, ডেকা মানুহজনৰ মনৰ ভাববোৰ আৰু বেছি খেলি-মেলি হৈ গল।

"হয়, মোৰ ভুল হৈ গল।" ডেকাজনে নিজৰ ভুল স্বীকাৰ কৰি কলে, "তুমি উদাৰ মনৰ মানুহ। সেইবাবে তোমাক মই ধন্য মানিছো। তথাপিও মই আৰু এটা প্ৰশ্ন সুধিবই লাগিব। তুমি কিয় লিজিয়াক পোণে, পোণে, মোৰ ঘৰলৈ নপঠালা?"

"কাৰণ চিজাৰে বাহিৰখন ঠিক ৰাখিব খোজে। তুমি কোৱাৰ দৰে কৰা হ'লে, ৰোমৰ এমূৰৰপৰা সিমূৰলৈ, এই ঘটনাটো লৈ আলোচনা, চিঞৰ, বাখৰ হলহেঁতেন। যুদ্ধৰ চণ্ডাধীন বন্দী বুলিয়ে, আমি লিজিয়াক লৈ আহিছো। কথা বোৰ চেচা নপৰালৈকে তাই চিজাৰৰ প্ৰাসাদতে থাকিব। তাৰ পাচত, মনে, মনে এদিন তাইক তোমাৰ ঘৰলৈ পঠিওৱা হ'ব। তুমি জানাই, তাম-ডটীয়া কিমান ভয়াতুৰ আৰু অধম। তাৰ ক্ষমতা অসীম বুলি জানিও, সি প্ৰতিটো কামৰে কাৰণ এটা দেখুৱাবলৈ বিচাৰে। দাৰ্শনিক আলোচনা শুনিবলৈ, তোমাৰ মনটো শান্ত অৱস্থাত আছে যদি কওঁ শুনা। এটা কথা মোৰ মনলৈ প্ৰায়ে আহে,—পাপ চিজাৰৰ দৰেই শক্তিসম্পন্ন হোৱা হলে আৰু চিজাৰৰ ক্ষেত্ৰত হোৱাৰ দৰে, সকলোৰে ক্ষেত্ৰত পাপ কৰিও পাপমুক্ত বুলি নিশ্চিত হব পৰা হলে, ন্যায়পৰায়ণ, সৎ আৰু ধাৰ্ম্মিকৰ মুখা পিন্ধি থাকিবলৈ ইমান

টাম নহলহেঁতেন। মোৰ মতে, ভ্ৰাতৃহত্যা, মাতৃহত্যা বা পত্নীহত্যা এচিয়াৰ নৰ-দুৰা ৰজাৰ ক্ষেত্ৰতহে হব পাৰে,—এনে কাম, ৰোমৰ সম্ৰাটৰ অনুপযোগী। এনে কাম মই কৰা হলে, চিনেটৰ পৰা দোষ খণ্ডনৰ পত্ৰ বিচাৰি, নিৰোৰ দৰে হাৰা-থুৰি নাথাকোঁহেঁতেন। নিৰোৱে কেইবাবাৰো চিনেটৰ পৰা 'নিৰ্দ্দোষী' বুলি লেখাই আনি, নিজৰ দোষ খণ্ডন কৰিছে। হয়, সি সততে, বাহিৰখন ঠিক ৰখাৰ চেষ্টাত থাকে ; কাৰণ সি কাপুৰুষ। টাইবেৰিয়াচ নিৰোৰ দৰে নাছিল ; কিন্তু তেওঁও নিজৰ উদ্ভগুলিবোৰ ন্যায্য বুলি প্ৰমাণ কৰিবলৈ, সততে চেষ্টা কৰিছিল। পাপে কিয় ধৰ্ম্মক সদায় নতশিৰে বন্দনা কৰে ? মোৰ নিজৰ অভিমত হ'ল এই,—পাপ কুৎসিত আৰু ধৰ্ম্ম হ'ল সুন্দৰ। ইয়াৰ দ্বাৰা এনে সিদ্ধান্তলৈ আহিব পাৰি,—যিজন সৌন্দৰ্য্যৰ প্ৰকৃত উপাসক, তেওঁ ন্যায়, ধৰ্ম্মৰো উপাসক। উদাহৰণ স্বৰূপে কব পাৰি,—মই হলো, সৌন্দৰ্য্য আৰু ন্যায়ৰ উপাসক। আজিয়েই মই প্ৰোটা গোৰাচ্, প্ৰডিকাচ্ আৰু গৰ্গিয়াচৰ নামত পানীয় তৰ্পণ আগবঢ়াম। চোফিষ্টসকলৰ প্ৰয়োজন নাই বুলি কব নোৱাৰি। বাৰু, এতিয়া আচল কথালৈ অহা যাওক। লিজিয়াক তোমাৰ হাতত দিবৰ নিমিত্তেই, অলাচৰ হাতৰপৰা কাঢ়ি আনিছো। লাইচিপ্পাচে দেখা হ'লে, তোমালোকৰ যুগল মূৰ্ত্তি, কিমান ধুনীয়াকৈ আঁকিলেহেঁতেন! তদুপৰি যিহেতু তোমালোক দুয়ো সুন্দৰ, সেইবাবে মোৰ কামো সুন্দৰ হবই লাগিব। নীচতা থাকিব নোৱাৰে তাত। মাৰ্কাচ! চকু দুটা ডাঙৰকৈ মেলি চোৱা,—তোমাৰ সন্মুখত স্বয়ং ধৰ্ম্ম-ৰাজ বহি আছে, পেট্ৰোনিয়াচৰ ৰূপত।"

মতবাদতকৈ বাস্তৱতাৰ প্ৰতি বেছি আগ্ৰহশীল ভিনিকিয়াচে মাত্ৰ জনালে, "লিজিয়াক দেখাৰ বাসনাই মোক অস্থিৰ কৰি তুলিছে। কাইলৈ তেওঁৰ লগত দেখা হোৱাৰ পাচত, আমৰণ মোৰ লগতে ৰাখিম বুলি স্থিৰ কৰিছো।"

"হয়, তুমি লিজিয়াক পাবাই। অলাচে মোৰ ওচৰত হাৰ মানিব। তেওঁ যদি ইচ্ছা কৰে, যমপুৰীৰ দেৱতাৰ নামত মোক উচৰ্গা কৰি দিব পাৰে। ইস। মাতৃহন্তনে অলপ যদি কথাকে কবলৈ শিকিলেহেঁতেন।"

"অলাচে মোৰ লগত দেখা কৰিছিল, আৰু মই লিজিয়াৰ বিষয়ে জনাম বুলি প্ৰতিশ্ৰুতি দিছিলো।"

"তেন্তে তেওঁলৈ লেখা যে, চিজাৰ দেৱতাৰ ইচ্ছাই হ'ল, সৰ্ব্বোৎকৃষ্ট আইন। তোমাৰ প্ৰথম পুত্ৰ সন্তানৰ নাম 'অলাচ' থবা বুলিও জনাবা। বুঢ়াক অলপ

সান্ত্বনা দিয়াও উচিত। তাম-ডচৗৱাক ক'ম নেকি, কাহঁলৈ ভোজ মেললৈ তেওঁকো নিমন্ত্রণ জনাবলৈ? অলাচে তেতিয়া তোমাৰ ওচৰত লিডিয়াক ট্রাইক্লিনিয়ামত আৰামেৰে বহি থকা দেখিলেহেঁতেন।"

"নহয়, নহয়।" ভিনিকিয়াচে কলে, "মই বৰ অস্বস্তি বোধ কৰিম। বিশেষকৈ পম্পোনিয়াৰ উপস্থিতিত।"

ইয়াৰ পাচতে তেওঁ চিঠি লেখিবলৈ বহিছিল। এই চিঠি পোৱাৰ পাচত বৃদ্ধ সেনাধ্যক্ষজনৰ শেষ আশাও ব্যৰ্থ হ'ল।

॥ ৬ ॥

এসময়ত এক্তি যেতিয়া নিৰোৰ উপপত্নী আছিল, তেতিয়া দেশৰ আটাইতকৈ মুখীয়াল মানুহবোৰেও তেওঁৰ আগত মূৰ দোঁৱাইছিল। তেওঁ বহুতৰে কৃতজ্ঞতাৰ পাত্রীও হৈছিল; তেওঁৰ শত্রু নাছিল কোনো। আনকি অক্তেভিয়াইও তেওঁক ঘৃণাৰ চকুৰে চোৱা নাছিল। এতিয়া তেওঁৰ অৱস্থা সমূলি লেখত লব-লগীয়া নহয় বাবে, তেওঁক ঈৰ্ষা কৰোতাও কোনো নাই। কিন্তু নিৰোক তেওঁ এতিয়াও ভাল পায়,—তেওঁৰ এই ভালপোৱাৰ মাজত আছে, শোক আৰু হতাশা। ইয়াৰ মাজত আশাৰ ক্ষীণ ৰেখা এটিও নাই; চিৰদিনলৈ শেষ হৈ যোৱা দিনবোৰৰ স্মৃতিয়ে তেওঁৰ প্রেমৰ পুষ্টি সাধন কৰিছে। পপিয়াইও তেওঁক ৰাজপ্রাসাদৰপৰা উলিয়াই দিয়াৰ কথা আৰু ভবা নাই; মাজে সময়ে নিৰোৱে তেওঁক খোৱাৰ মেজত ঠাই দিয়ে। মুঠৰ ওপৰত, নিৰোৰ প্রণয়ী তিৰোতা হৈও, আগৰ সন্মান তেওঁ হেৰুৱাই পেলোৱা নাই। তদুপৰি তেওঁৰ ৰূপ-লাৱণ্য, ৰাজপ্রাসাদৰ ভোজমেলৰ অলঙ্কাৰ স্বৰূপ।

ৰাজপ্রাসাদত থকা আন তিৰোতাবিলাকক, চিজাৰে খোৱাৰ মেজলৈ মাতে যেতিয়াই মন যায় মাতে। এই বিষয়ত, উচিত অনুচিতৰ প্রশ্ন বহুত দিনৰ আগতেই তেওঁৰ মনৰপৰা অন্তৰ্হিত হৈছে।

নিৰোৰ ভোজমেলত অংশ লোৱা সকলৰ ভিতৰত থাকে,—বিদূষকৰ ভাও দিবলৈ আগ্রহ কৰা চিনেটৰ সভ্য, আমোদ, প্রমোদ, বিলাসীতা আৰু পাপত লিপ্ত হবলৈ ইচ্ছুক, সম্ভ্রান্ত বংশীয় ডেকা আৰু বুঢ়া, গধূলি পৰত কিম্ভূত কিমা-কাৰ বঙ্গা টুপী পিন্ধি, টিবিৰ চামাক পোহৰত, আলিবাটত নিত্য নতুন অভিজ্ঞতা

বিচাৰি ও'লোৱা, নাম থকা ঘৰৰ তিৰোতা, আৰু দেৱতাক উপলুভা কৰা, ধৰ্ম্ম-যাজকৰ দল। ইয়াৰ উপৰিও, নিম্ন শ্ৰেণীৰ গায়ক, অভিনেতা, সঙ্গীতজ্ঞ, নটুৱা, নাচনী, কিমান চেচ্‌টাৰচেচ্‌ পুৰস্কাৰ মিলিব, তালৈ চকুৰাখি, চিজাৰৰ গুণ কীৰ্ত্তনত উচ্ছাসিত, তেওঁৰ প্ৰশংসাত শতমুখ কবিসকল, খাদ্য সম্ভাৰ দেখি জিভাৰ পানী পৰা, খাবলৈ নোপোৱা দাৰ্শনিক, প্ৰখ্যাত ৰথচালক, জৰাফুকা কৰা বেজ, যাদুকৰ, বাবে ভচহু কথাৰ মহলা মৰা মানুহ, বহুৱা আদিও বাদ নপৰে। তদুপৰি, ভিক্ষাৰীৰ দলেও তাত ঠাই পায়। এই বিশেষ দিনটোত, ইহঁতৰ দুৰ্নাম উলিয়াই, ৰং ৰহইচ কৰা হয়; ইয়াক এটা ধুন অথবা মূৰ্খামিৰ চূড়ান্তও বুলিব পাৰি। ভিক্ষাৰীবোৰৰ ভিতৰত, যিবোৰ আগতে দাস আছিল, সিহঁতে দাসত্বৰ চিন, কাণৰ বিন্ধা ফুটা, ডাঙৰ ডাঙৰ কাণফুলেৰে ঢাকি থয়।

আলহীদলৰ ভিতৰত, যিসকল লেখত লবলগীয়া, তেওঁলোকে ডাঙৰ মেজ-থনত খাবলৈ বহে; তল শ্ৰেণীৰ আলহীবিলাকে এইসকলক আনন্দৰ খোৰাক যোগাই থাকে। যেতিয়ালৈকে পৰিচাৰকৰ দলটোৱে, এবেহা খাদ্য আৰু পানীয় আগবঢ়াই দি, ইহঁতৰ পেটৰ কলমলনি মাৰ নিনিয়ায়, তেতিয়ালৈকে ইহঁতে, ৰমনীয়া সকলক ৰং, ৰহইচেৰে পৰিতৃপ্ত কৰাত ব্যস্ত থাকে। তল শ্ৰেণীৰ আলহী সকলক, টাইগেলিনাচ, ভেটিনিয়াচ্ আৰু ভাইটেলিয়াচে সংগ্ৰহ কৰি আনে। ৰাজকীয় ভোজমেলত বহাৰ উপযুক্ত কৰিবলৈ, কেতিয়াবা এই আলহী-ইঁতক ভালকৈ পিন্ধাই-উৰাই আনিব লগা হয়। চিজাৰে এই দলটোক ভাল পায়। ৰাজ-দৰবাৰৰ আড়ম্বৰৰ মাজত আটাইবোৰকে জকমকীয়া সাজত দেখা যায়।

সেইদিনা লিজিয়াও ভোজ সভাত উপস্থিত থকাৰ কথা। তাইৰ মনৰ অশান্তিয়ে চৰম সীমা পাইছেগৈ। তাইৰ ভয় চিজাৰলৈ, সৰ্ব্বসাধাৰণ পুৰুষলৈ, ৰাজপ্ৰাসাদৰ হৈ-চৈ বোৰলৈ, আৰু বিশেষকৈ, ভোজমেলৰ পৰিবেশটোলৈ। অ'লাচ্, পম্পোনিয়া, আৰু তেওঁলোকৰ বন্ধুবৰ্গৰপৰা, তাই এই ভোজসভাৰ ঘৃণনীয় কাহিনী শুনিছিল। কম বয়সীয়া যদিও তাই শৃঙ্খলাপ্ৰিয় আছিল সদায়। সেই সময়ৰ কঠিন দিনত, কিশোৰ, কিশোৰীৰ মনলৈ, অমঙ্গলীয়া চিন্তাবোৰ সহজে আহিছিল।

সেইবাবে তাই বুজি পাইছিল, এই ৰাজপ্ৰাসাদে তাইক নষ্ট কৰিবলৈ বিচাৰি আছে; মহান আদৰ্শৰদ্বাৰা পৰিচালিত তাইৰ মনটোৱে, পৰাজয় নামানিবলৈ

প্ৰতিজ্ঞাবদ্ধ হ'ল। ধাই মাকৰ ওচৰত, নিজৰ আত্মাৰ ওচৰত আৰু পৰম পবিত্ৰ প্ৰভুৰ ওচৰত তা শপত খাইছে। সেই প্ৰভুক তাই কেৱল অৰ্চ্চনাই নকৰে, ভালো পায় সৰ্ব্বান্তঃকৰণে। ভাল পায়, তেওঁৰ শান্তি-ভাবপূৰ্ণ শিক্ষাৰ বাবে, তেওঁৰ শোকাবহ মৃত্যুৰ বাবে, আৰু তেওঁৰ পুনৰুত্থানৰ মাহাত্ম্যৰ বাবে।

বৰ্ত্তমান তাইৰ কৃতকৰ্ম্মৰ বাবে, পম্পোনিয়া আৰু অ'লাচ দায়ী নহয়। চিজাৰৰ বিৰুদ্ধাচৰণ কৰি, ভোজ সভালৈ নোযোৱাটো সমীচীন হবনে নহয়, তাই ভাবিবলৈ ধৰিলে। নিজকে শাস্তি অথবা মৃত্যুৰ মুখলৈ ঠেলি দি, সাহসৰ পৰিচয় দিয়াৰ বাসনা, তাইৰ মনত জাগি উঠিল। তাইৰ পৰম পবিত্ৰ প্ৰভুৱে এনে আদৰ্শই দাঙি ধৰা নাই জানো? ধৰ্ম্মবিশ্বাসী নৈষ্ঠিকসকলে এনে এটা পৰীক্ষাৰ সন্মুখীন হবলৈ, ইচ্ছা কৰে আৰু সদায় তাকে বিচাৰি প্ৰাৰ্থনা জনাই থাকে বুলি, পম্পোনিয়াই কৈছিল।

অ'লাচৰ ঘৰত থাকোঁতে, এনে এটি বাসনা অঙ্কুৰিত হৈছিল, লিজিয়াৰ প্ৰাণত। তাত থাকোঁতে কেতিয়াবা এইদৰে শহীদ হোৱাৰ কল্পনা কৰিছিল তাই,—আত্মাহুতি দি, তাইৰ হাত আৰু ভৰি, ৰক্তাক্ত হৈ উঠিছে, ৰৰফৰ দৰে শেতা হৈ পৰিছে, তাইৰ মুখমণ্ডল,—দেৱদূতৰ বাহুৰ মাজত সোমাই, স্বৰ্গলৈ যাত্ৰা কৰোঁতে, তাইৰ মুখত ফুটি উঠিছে, স্বৰ্গীয় ভাবৰ দীপ্তি!

অৱশ্যে এনেবোৰ ভাব, লৰাকালৰ কল্পনা ৰাজ্যৰ সৃষ্টি। এইবোৰে এক-প্ৰকাৰৰ আত্মতৃপ্তিৰো সমল যোগায়। পম্পোনিয়াই তাইৰ মনৰপৰা, এই কল্পনা-বোৰ আঁতৰাবলৈ বৃথা চেষ্টা কৰিছিল। এতিয়া তাইৰ মনলৈ আহিল, চিজাৰৰ আদেশ অমান্য কৰিলে, ভয়াবহ শাস্তি সুৰ পাতি লব লাগিব। যিবোৰ যন্ত্ৰণাৰ কথা, এতিয়ালৈকে কেৱল কল্পনাহে কৰিছিল, সেইবোৰ শীঘ্ৰে বাস্তৱত পৰিণত হোৱাৰ সম্ভাৱনা আছে। আত্মবলিদানৰ কল্পনাই অনা আত্মগৌৰৱৰ সন্তুষ্টিৰ লগত, এইবাৰ মিলিত হ'ল,—একপ্ৰকাৰ ভয়ঙ্কৰ কৌতুহল,—কি ভাবে শাস্তি দিয়া হ'ব তাইক? কেনে প্ৰকাৰৰ শাস্তি আৱিষ্কৃত হব তাইৰ বাবে?

এইদৰে তাইৰ মনটোত খেলিমেলি লাগিল। এক্ৰিৰ আগত সকলো খুলি কওঁতে, তাই দেখিলে, বিস্ফাৰিত নেত্ৰে তেওঁ তাইৰ ফালে চাই আছে। প্ৰথম দিনাই চিজাৰক অমান্য কৰি, তেওঁৰ ক্ৰোধৰ বলি হবলৈ, নিজকে আগবঢ়াই দিব তাই! এনে কাম কৰিবলৈ হলে, কৃতকৰ্ম্মৰ অৰ্থ বুজা শিশু হ'ব লাগিব! এক্ৰিয়ে লিজিয়াক জনালে,— তাইৰ কথাৰপৰা অনুমান হয়, তাই আচলতে বুজৰ

চৰ্ত্তাধীন বন্দী নহয়,—নিজৰ দেশৰ মানুহে পাহৰি এৰি থৈ যোৱা, আইনৰ সহায় নোপোৱা, এজনী, নিৰ্ব্বোধ, অসহায়া কিশোৰী মাত্ৰ! অৱশ্যে সকলো ক্ষেত্ৰতে, চিজাৰৰ ক্ৰোধৰ আগত আইন উফৰি যাব; খঙৰ কোবত পৃথিবীৰ সকলো আইন, ভৰিৰে মোহাৰি পেলাব পাৰে তেওঁ,—কাৰণ তেওঁৰ ক্ষমতা অসীম! এতিয়া চিজাৰৰ ইচ্ছা হৈছে, তাইক ৰাখিবলৈ, পাচত হয়তো তাইক পঠিয়াই দিব। তাই এতিয়া তেওঁৰ খেলাৰ বস্তুৰ দৰে। তেওঁৰ ইচ্ছাৰ ওপৰত, হাত দিবলৈ, বিশ্ব ব্ৰহ্মাণ্ডত কাৰো শক্তি নাই!

লিজিয়াক এইদৰে বুজাই, তেওঁ পুনৰ নিজৰ মনোভাৱ ব্যক্ত কৰি কবলৈ ধৰিলে, "হয়, মইও পলৰ পত্ৰসমূহ পঢ়িছো। এই কথা জানো যে, এই জগতৰ ওপৰত ঈশ্বৰ আছে, আৰু মৃত্যুৰ পাচত, পুনৰ জাগি উঠা, তেওঁৰ পুত্ৰও আছে। কিন্তু এই পাৰ্থিৱ জগতত একমাত্ৰ চিজাৰেই সৰ্ব্বেসৰ্ব্বা। এই কথা পাহৰি নাযাবা লিজিয়া। মই যি জীৱন কটালো, তেনে জীৱন কটাবলৈ তোমাৰ ধৰ্ম্মই নিষেধ কৰিছে। এপিক্‌টেটাছে মোক ষ্টোইক সকলৰ কথা কৈছিল। খৃষ্টিয়ান সকলৰ দৰে তেওঁলোকেও অপমানতকৈ মৃত্যুক শ্ৰেষ্ঠজ্ঞান কৰে। কিন্তু এই ক্ষেত্ৰত কোনে জানে, তুমি মৃত্যু লাভ কৰিবানে, এতিয়াতকৈও ভয়াবহ অপমানৰ সন্মুখীন হবা? তুমি এতিয়াও জনা নাইনে যে, ষড়যন্ত্ৰকাৰী মন্ত্ৰী চেজানাচৰ কিশোৰী কন্যাক ফাঁচী দিবলৈ অনাৰ আগমুহূৰ্ত্তত, বলাৎকাৰ কৰি নষ্ট কৰা হৈছিল, সম্ৰাট টাইবেৰিয়াচৰ সন্মুখত? কাৰণ আইনত আছে,—কুমাৰী কন্যাক ফাঁচী দিব নোৱাৰে! লিজিয়া! চিজাৰৰ খং নুতুলিবা। মৃত্যু আৰু অপমানৰ ভিতৰত কোনটো শ্ৰেষ্ঠ, এই বিষয়ে পোনপটীয়া সিদ্ধান্ত লোৱাৰ সময় যদি কেতিয়াবা তোমাৰ জীৱনলৈ আহে, তেন্তে নিশ্চয় তুমি তোমাৰ ধৰ্ম্মই দিয়া শিক্ষা মানি লবা। কিন্তু এতিয়া ধ্বংস মাতি নানিবা; আগপাচ নুগুনি এজন পৃথিবীৰ দেৱতাক অমান্য নকৰিবা। যি দেৱতাই মানুহৰ কেচা তেজ বিচাৰে, তেওঁৰ খং তোলাই নলবা।"

লিজিয়াৰ দৰেই ৰূপৱতী এক্তিয়ে কেৰাহিকৈ চাই বুজিব খুজিলে, তেওঁৰ কথা তাই কি ভাবে গ্ৰহণ কৰিছে। ছোৱালীজনীয়ে এক্তিৰ ভিতিত সাৰটি ধৰি চিঞৰি ক'লে, "কিমান মহৎ তুমি।"

"মোৰ জীৱনৰ সকলো সুখ হেৰাই গল যদিও, মই সিমান বেয়া তিৰোতা নহওঁ।"

তাৰপাচত এক্তিয়ে কোঠাটোৰ ইফালে, সিফালে খোজ দি, হতাশভাবে

আপোনমনে কবলৈ ধৰিলে, "নহয়, তেওঁও সিমান বেয়া নাছিল, কোনোদিন। নিজকে তেওঁ ভাল বুলিয়ে ভাবিছিল, আৰু ভাল হবলৈকে চেষ্টা কৰিছিল। এই কথা মই কৈছো, কাৰণ মই তেওঁৰ বিষয়ে যিমান জানো, আন কোনেও নাজানে। পৰিবৰ্ত্তন পিচতহে আহিল,—যেতিয়া তেওঁৰ ভালপোৱা শেষ হৈ গল। তেওঁক ইমান তললৈ মই নমোৱা নাই,—আনে নমাইছে। হয়, আন-বোৰে,—বিশেষকৈ পপিয়াই।"

কথা কৈ থাকোঁতে, তেওঁৰ চকুৰ পতা সেমেকি উঠিল।

"তুমি এতিয়াও দুখ কৰা নেকি, তেওঁক হেৰুউৱাৰ বাবে?"

"মই দুখ কৰো?" তেওঁ অলসভাৱে ওলোটাই প্ৰশ্ন কৰি, হাত দুখন মুঠি মাৰি, মুখত বিষন্ন ভাব লৈ, কোঠাটোত ঘূৰি ফুৰিবলৈ ধৰিলে।

"তুমি এতিয়াও ভাল পোৱা নেকি তেওঁক?" লিজিয়াই পুনৰ ভয়ে, ভয়ে সুধিলে।

"হয়, মই তেওঁক ভাল পাওঁ। মোৰ বাহিৰে আৰু কোনেও তেওঁক ভাল নাপায়।"

মুখৰ স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ পাচত, তেওঁ পুনৰ কবলৈ ধৰিলে, "তাতকৈ আহা আমি তোমাৰ কথাকে পাতো লিজিয়া! চিজাৰৰ ইচ্ছাৰ বিৰুদ্ধে গলে, মূৰ্খামি হ'ব। তদুপৰি তোমাৰ ভয়ৰ কোনো কাৰণ নাই। ৰাজপ্ৰাসাদৰ সংবাদ মোৰ সকলো জনা আছে। তেওঁৰ পৰা তোমাৰ কিবা বিপদ হোৱাৰ আশঙ্কা আছে বুলি, মোৰ মনে নধৰে। তেওঁৰ নিজৰ বাবে তোমাক জোৰ কৰি অনা হ'লে, তোমাক পেলেটাইনলৈ নানিলেইহেঁতেন। ইয়াৰ গৰাকীয়নী একমাত্ৰ পপিয়া। এতিয়া তাই নিৰোক কন্যা সন্তান উপহাৰ দিয়া গতিকে, তাইৰ প্ৰতি তেওঁৰ আসক্তি আগতকৈও বাঢ়িছে। তোমাক ভোজ মেলত উপস্থিত থাকিবলৈ আদেশ দিছে যদিও, এতিয়ালৈকে তেওঁ তোমাক দেখাই নাই, আৰু তোমাৰ বিষয়ে কাকো একো সোধাও নাই। তোমাৰ বিষয়ে যে একো সিদ্ধান্ত লৈ থোৱা নাই, ই ধ্ৰুৱ। পেট্ৰোনিয়াচে অৱশ্যে মোক অনুৰোধ জনাইছিল, তোমাৰ তদাৰক লবলৈ, আৰু যিহেতু পম্পোনিয়াইও এই কথা মোলৈ লেখিছে, সেইবাবে বুজিছো, এই বিষয়ত দুয়ো একমত। পেট্ৰোনিয়াচে নিৰোক ধৰিলে, তোমাক ঘৰলৈ পঠিয়াইও দিব পাৰে। অৱশ্যে পেট্ৰোনিয়াচৰ প্ৰতি তেওঁৰ অনুগ্ৰহ সচাঁকৈয়ে অসীম হয়নে নহয়, সেই কথাত মোৰ সন্দেহ আছে। কিন্তু দুখৰ বিষয়, নিজৰ ভবিত থিয় দিব পৰা সাহস তেওঁৰ নাই বুলিবই পাৰি।"

"অ", লিজিয়াই ক'লে, 'প্ৰবৰপৰা মোক আঁতৰাই অনাৰ আগে, আগে পেট্ৰোনিয়াচ আমাৰ তালৈ গৈছিল। মায়ে এই কথা যেচকৈ বুজিছিল যে, পেট্ৰোনিয়াচৰ উচটনিতে সকলো ঘটিছে।"

"হয়তো কোনোবা এখন ভোজমেলত, নিৰোৱে শুনাকৈ, তেওঁ এনেয়ে কৈছিল,—অলাচৰ ঘৰত লিজিয়ানসকলৰ যুদ্ধৰ চৰ্ত্তাধীন বন্দীগৰাকীক তেওঁ দেখি আহিছে। নিজৰ ক্ষমতা প্ৰদৰ্শন কৰি, নিৰোৱে তোমাক কাঢ়ি আনিছে; কাৰণ যুদ্ধৰ চৰ্ত্তাধীন বন্দীৰ অভিভাৱক একমাত্ৰ চিজাৰ। তদুপৰি, অ'লাচ বা পম্পোনিয়া, কাকো তেওঁ ভাল নাপায়। মোৰ বিশ্বাস, পেট্ৰোনিয়াচে এইদৰে তোমাক ছলনা কৰি নানে। চিজাৰৰ সঙ্গীসকলৰে এজন হলেও, অন্ততঃ কিছুমান বিষয়ত তেওঁ বেলেগ। তোমাৰ হকে মাত মাতিবলৈ, পেট্ৰোনিয়াচৰ বাহিৰে আন কোনো লোকাৰ জানো? অলাচৰ ঘৰত চিজাৰৰ প্ৰিয়পাত্ৰ কাকো লগ পোৱা নাছিলানে?"

"হয়, মই ভেচ্পাচিয়ান্ আৰু টাইটাচক লগ পাইছিলো।"

"কিন্তু তেওঁ ইঁহতক ভাল নাপায়।"

"আৰু চেনেকাকো।"

"চেনেকাই কিবা উপদেশ দিলেই, চিজাৰে তালৈ পিঠি দিয়ে।"

এইবাৰ লিজিয়াৰ মুখখন বৰ্ণা পৰি উঠিল, "মই ভিনিকিয়াচকো লগ পাইছিলো।" তাই মুখৰ ভিতৰতে ক'লে।

"মই তেওঁক চিনি নাপাওঁ।"

"তেওঁ পেট্ৰোনিয়াচৰে সম্বন্ধীয়া মানুহ। অলপতে আৰ্মেনিয়াৰ পৰা উলটি আহিছে।"

"নিৰোৰ কৃপা দৃষ্টি আছেনে তেওঁৰ ওপৰত?"

'ভিনিকিয়াচৰ ওপৰত? হয়, সকলোৱে তেওঁক ভাল পায়।"

"তোমাৰ হৈ, তেওঁ মাত মাতিবনে?"

"হঁয়।"

একিয়ে মৰমেৰে হাঁহিলে।

"তেন্তে ভোজমেলত তুমি তেওঁক লগ পাবা।" তেওঁ জনালে, 'তুমি নোযোৱাকৈ নাথাকিবা। অলাচৰ ঘৰখন যদি আকৌ পাব খোজা, তেন্তে তুমি এই সুযোগতে ভিনিকিয়াচ্ আৰু পেট্ৰোনিয়াচৰ ওচৰত মিনতি জনাবা,—তোমাৰ হৈ নিৰোক এবাৰ কবলৈ। তেওঁলোক ইয়াত একিয়া থকা হলে, হয়তো মই

কোৱাৰ দৰেই কলেহেঁতেন, -চিজাৰৰ বিৰুদ্ধাচৰণ কৰিবলৈ চেষ্টা কৰা মূৰ্খামি। অৱশ্যে ভোজ সভাত তুমি অনুপস্থিত থাকিলে, চিজাৰে মন নকৰিবও পাৰে। যদিহে কেনেবাকৈ মন কৰে, আৰু তেওঁৰ মনত এনে ধাৰণা হয় যে, তেওঁৰ আদেশ অমান্য কৰিবলৈ, তুমি সাহ কৰিছা, তেতিয়া তোমাৰ আৰু ক'তো নিস্তাৰ নাই। আহা লিজিয়া! ৰাজদৰবাৰত সেয়া কোঁহাল শুনিছানে? সূৰ্য্য অস্ত যাবৰ সময় হৈছে, অতিথিসকল আহি পাবহিয়েই।"

"এক্তি! তোমাৰ কথাই সঁচা।" লিজিয়াই উত্তৰ দিলে। "মই তোমাৰ উপদেশ মানি চলিম।"

সম্ভৱতঃ তাই নিজেই সঠিক কব নোৱাৰিব,-পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচৰ লগত সাক্ষাত হোৱাৰ বাসনাই, নে স্ত্ৰীসুলভ কৌতুহলে, তাইৰ মনত ভোজ-সভালৈ যোৱাৰ স্পৃহা জগাই তুলিছে। জীৱনত এবাৰ মাথোন এনে উৎসৱত ভাগ লবলৈ সুবিধা পাব তাই। চিজাৰ আৰু তেওঁৰ দৰবাৰ, পপিয়া আৰু আন নামজ্বলা সুন্দৰী সকল, আৰু যিবোৰ ৰাজসিক আড়ম্বৰৰ বিষয়ে তাই বহুতো গল্প শুনিছে, সেই আটাইবোৰ দেখিবলৈ পোৱাৰ বাসনাই, তাইৰ মন এনেদৰে অধিকাৰ কৰি ললে যে, পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচৰ লগত দেখা কৰাৰ গুৰুত্ব কমি যোৱাৰ দৰে হ'ল।

এক্তিয়ে তেওঁৰ নিজৰ আৰুটোৰিয়াম্ কক্ষলৈ তাইক লৈ গল। ছোৱালী-জনীৰ গাত সুগন্ধি প্ৰলেপ সানি, ভোজসভাত বহাৰ উপযোগী সাজ-পাৰ পিন্ধাবলৈ, স্থিৰ কৰিলে তেওঁ। চিজাৰৰ প্ৰাসাদত দাসীৰ অভাৱ নাছিল; এক্তিৰ হাতধৰি লিগিৰীও আছিল অলেখ। তথাপিও তেওঁ, ভয়তে কোচ খাই থকা ছোৱালীজনীৰ গাত নিজ হাতেৰে সুগন্ধি বেণু সানি দিবৰ কাৰণে সহানুভূতিৰে আগবাঢ়িলে। এক্তিৰ গাম্ভীৰ্য্যপূৰ্ণ আচৰণ আৰু পলৰ পত্ৰলিপি যত্নেৰে অধ্যয়ন কৰিব পৰা অধ্যৱসায়ী মনটো, সৌন্দৰ্য্যপিয়াসী গ্ৰীকসকলৰ প্ৰভাৱৰ-পৰা অকণো মুক্ত হোৱা নাই যেন দেখা গল। দৈহিক সৌন্দৰ্য্যই মানুহৰ মন যিমান আকৰ্ষণ কৰিব পাৰে, আন একোৱে সিমান নোৱাৰে,—গ্ৰীকসকলে এই কথা সত্য বুলি মানিছিল। লিজিয়াৰ কাপোৰ সলাই দিওঁতে, তাইৰ অঙ্গ প্ৰত্যঙ্গৰ কমনীয়তা আৰু লাৱণ্য দেখি, এক্তিয়ে বিস্ময়-বিমুগ্ধ হৈ চিঞৰি দিলে। ছোৱালীজনীৰ সুঠাম দেহ-কান্তি যেন মুক্তাজনক শামুক আৰু গোলাপৰ পাপৰিৰে গঢ়া।

"লিজিয়া!" উচ্ছ্বসিত কণ্ঠে এক্তিয়ে জনালে, "তুমি পপিয়াতকৈ এশগুণে

ধুনীয়া।" ধৰা বন্ধা নিয়মত চলা, পম্পোনিয়াৰ ঘৰৰ সকলো ভিৰোভাবে আচৰণ গহীন-গম্ভীৰ ; এনে এখন ঘৰত ডাঙৰ দীঘল হোৱা, ছোৱালীজনীৰ গাজত মৰি যোৱাৰ দৰে অৱস্থা হ'ল। সঙ্গীতৰ ছন্দোময় সুষমাৰে অৱগাহন কৰি, লজ্জা-নম্রতাৰ প্ৰতিমূৰ্ত্তিৰ দৰে তাই থিয় দি ৰ'ল। আঠু দুটা চেপি ধৰি, ডিঙিৰ কাষলৈ হাতদুখন দাঙি, যেতিয়া তাই ধুনীয়া চকুযুৰিৰ দৃষ্টি নত কৰিলে, তেতিয়া গোলাপৰ ৰঙেৰে ৰাঙলী তাইৰ মুখৰ শান্ত, গহীন সৌন্দৰ্য্যই, এগৰাকী ৰাজ্ঞীৰ চিত্র মনলৈ আনিলে।

তাৰপাচত চুলিত মৰা কাঁটাবোৰ যেতিয়া তাই খুলি দিলে, তেতিয়া ঢৌ খেলা চুলিৰে তাইৰ সৰ্ব্বশৰীৰ ঢাক খাই পৰিল।

এক্তিয়ে ধীৰে, ধীৰে তাইৰ ঘন চুলিটাৰিত হাত বুলাবলৈ ধৰিলে।

"আই ঐ দেহি। তোমাৰ চুলি কোছা।" তেওঁ চিঞৰি উঠিল। "এই চুলিত মই সোণালী বেণু নাসানো ; চুলিৰ ঢৌবোৰ সূৰ্য্যৰ কিৰণৰ সোণালী ৰঙেৰে ভৰি আছে। অৱশ্যে যদি, অ'ত ত'ত, অকণ, অকণ সোণালী বেণু ছটিয়াই দিও, তেন্তে সচাঁকৈয়ে সূৰ্য্য-ৰশ্মিৰ পৰশত তিৰবিৰাই থকাৰ দৰে লাগিব। তোমালোকৰ লিজিয়া নামৰ ঠাইখনে যদি তোমাৰ দৰে ছোৱালীৰ সৃষ্টি কৰিব পাৰে, তেন্তে কব লাগিব, ই এখন অপূৰ্ব্ব দেশ!"

"জন্মভূমিৰ কথা মোৰ মনত নাই," লিজিয়াই ক'লে, "উৰচাচে মোক কৈছিল, ই অৰণ্যময় ঠাই। যিফালে চোৱা যায়, সেইফালেই চকুত পৰে, সুবিস্তৃত অৰণ্যৰ বিশালতা।"

'কিন্তু সেই অৰণ্যত নিশ্চয় ফুলো আছে।" ভাৰভেনৰ (এবিধ গছৰ পাত) আতৰত হাত জুবুৰিয়াই, লিজিয়াৰ চুলিত সানিবলৈ ধৰাৰ পূৰ্ব্বে এক্তিয়ে মন্তব্য কৰিলে। তাৰ পাচত তেওঁ ধীৰে, ধীৰে ছোৱালীজনীৰ গাত সুগন্ধি নিৰ্য্যাস সানিবলৈ ধৰিলে। হাত কটা, সোণালী ৰঙৰ ঢিলা চোলা এটা লিজিয়াক পিন্ধাই দি, তাৰ ওপৰত লোৱা পেপ্লামখন (চাদৰ) ৰৰফৰ দৰে বগা হ'ব লাগিব বুলি তেওঁ থিৰ কৰিলে। কিন্তু এতিয়ালৈকে তাইৰ কেশ সজ্জা সম্পূৰ্ণ হোৱা নাই বাবে, এক্তিয়ে তাইৰ কান্ধ দুটা দীঘল চোলা এটাৰে ঢাকি থলে। কোমল আসন এখনত তাইক বহুৱাই, দাসীৰ হাতত দিলে,—বাকী ছোৱা কাম সমাধা কৰিবলৈ। কেশ-সজ্জা শেষ হোৱাৰ পাছত পেপ্লামখনত সৰু, সৰু ভাঁজ দি গাত দিয়া হ'ল। তাৰ পাচত এক্তিয়ে ছোৱালীজনীৰ ডিঙিত মুক্তাৰ মালা এধাৰ পিন্ধাই দি চুলিত সোণালী বেণু ছটিয়ালে। এইবাৰ দাসীইঁতে তেওঁকো সজাবলৈ আৰম্ভ কৰিলে।

অলপ সময়ৰ পাচতে, লিজিয়া আৰু এক্তি, যাবলৈ সাজু হ'ল। ৰাজ-প্ৰাসাদৰ প্ৰধান প্ৰবেশদ্বাৰলৈ যেতিয়া দোলাবোৰ এখন, এখনকৈ আহিবলৈ ধৰিলে, তেতিয়া দুয়ো গৈ, বাৰান্দা এখনত বৈ থাকিল। সেই ঠাইৰপৰা, প্ৰবেশ দুৱাৰ আৰু শাৰী, শাৰীকৈ ওখ চাপৰ আসনেৰে সজোৱা কক্ষসমূহেৰে পূৰ্ণ, ৰাজদৰবাৰৰ বিশাল গাম্ভীৰ্য্য চকুত পৰে।

লাহে, লাহে জনতা ঘন হৈ আহিবলৈ ধৰিলে; গোলাকাৰ স্তম্ভৰে ধেহুস্তি-ৰীয়াকৈ সজা, প্ৰধান তোৰণখনৰ একেবাৰে ওপৰত, লাইচিপ্পাচৰ বিখ্যাত ৰথৰ চিত্ৰ এটা ৰখা হৈছে। ক্ৰমান্বয়ে বাঢ়ি গৈ থকা অতিথিসকল, ইয়াৰ তলেদি সোমাই আহিবলৈ ধৰিলে। অলাচৰ অনাড়ম্বৰ অট্টালিকাত ডাঙৰ দীঘল হোৱা লিজিয়াই, এনে এটা চমকপ্ৰদ দৃশ্য চকুৰে দেখাৰ কথা সপোনতো ভৰা নাছিল।

সূৰ্য্যাস্তৰ সময় হ'ল। শেষৰ কিৰণ আহি, মাৰ্ব্বলৰ খুটাবোৰত হালধীয়া হৈ পৰিছে। ঠায়ে, ঠায়ে উজ্জ্বল ৰঙা ৰশ্মিয়ে কোমল উত্তাপ বিলাই দিছেহি। স্তম্ভমালাৰ মাজে, মাজে, ডেনেইদিজৰ আৰু বহুতো দেৱতা আৰু বীৰসকলৰ শুভ্ৰ মৰ্ম্মৰ মূৰ্ত্তি। চাৰিওদিশে মুনিহ, তিৰোতাৰ লানিনিছিগা সোঁত বলৈ ধৰিলে। কোচ দি-পিন্ধা আঁঠুৰ তললৈকে পৰা টোগা আৰু ঢিলা কুৰ্ত্তাবোৰ, মূৰ্ত্তিবিলাকত অঙ্কণ কৰা সাজপাৰৰ লগত মিলি গৈছে। সকলোতকৈ উচ্চ স্থানত হাৰ্‌কিউলিজৰ প্ৰকাণ্ড মূৰ্ত্তি এটা সজাই থোৱা হৈছে; প্ৰবেশ পথলৈ মুখ কৰি থকা, এই মূৰ্ত্তিৰ ওপৰৰ অংশ অস্তগামী সূৰ্য্যৰ কিৰণত জিলিকি উঠিছে; বুকুৰপৰা তলৰ অংশ, স্তম্ভবোৰৰ ছাঁৰ মাজত চকামকাকৈ দেখা গৈছে।

এক্তিয়ে লিজিয়াক, চিনেটৰসকললৈ আঙুলিয়াই দেখুৱালে; তেওঁলোকৰ টোগাবোৰৰ পাৰীবোৰ ৰহল, বুকু-চোলাবোৰ ৰঙীণ আৰু পাদুকাবোৰত অৰ্দ্ধ-চন্দ্ৰৰ নক্সা কটা। এক্তিয়ে এইবাৰ দেখুৱালে,—নাইটসকলক, বিখ্যাত শিল্পীবৃন্দক, আৰু গ্ৰীক বা ৰোমাণ সাজ পৰিহিতা সুদৰ্শনা ৰমণীসকলক। কিছুমানে মূৰত পিৰামিড বা অট্টালিকা একোটাৰ আকৃতিৰে মস্তক সজ্জা কৰি, প্ৰাচ্যৰ আচহুৱা কেশ সজ্জাৰ বাহাৰ দেখুৱাইছে; কিছুমানে দেৱীমূৰ্ত্তিৰ আৰ্হিৰে, কপালত পৰি থকাকৈ, চুটি চুটিকৈ কটা চুলিত, ফুলৰ অলঙ্কাৰ পিন্ধিছে। ইয়াৰ ভিতৰৰ নাৰী, পুৰুষ, বহুতৰে নাম, ধাম, এক্তিয়ে জানে; লগতে সেই নামধাৰী লোকসকলৰ বিষয়ে তেওঁ কিছুমান চমু, অথচ ভয়ঙ্কৰ মন্তব্যও মাজে, মাজে দি যাবলৈ ধৰিলে।

লিজিয়াৰ বাবে, ই এখন অচিনাকি জগত; ইয়াৰ চমৎকাৰিত্বই তাইৰ চকুত ছাট মাৰি ধৰাত, বাগীয়ে ধৰাৰ দৰে অৱস্থা হ'ল তাইৰ। এনে ৰূপৰ

আঁৰত বিভৎস কাণ্ড লুকাই থাকিব পাৰেনে? তাইৰ মনটোৱে কোনোমতেই মানি লব খুজিলে। অস্তগামী সূৰ্যৰ স্বৰ্ণ কান্তিয়ে জিলিকি থকা স্তম্ভবোৰে, শাৰী পাতি বহুত ঠাই জুৰি লৈছে, আৰু তাৰ মাজত, সুসজ্জিত জনতাক, তাৰহে আঁকা মূৰ্তিৰ দৰেই দেখা গৈছে। গোটেই পৰিবেশটোৰ মাজত অভূত-পূৰ্ব্ব নিস্তব্ধতা বিৰাজ কৰিছে। সুস্পষ্ট, সুন্দৰ বেখাৰে অঙ্কিত মাৰ্বলৰ কাৰু-কাৰ্য্য বিলাকৰ মাজত, শান্তিময় আনন্দৰ স্বৰ্গত বাসকৰা দেৱতাসকলৰ দৰেই লাগিছে, এই মানুহবোৰক। কিন্তু হায়! এণ্ড্ৰিৰ অলস কণ্ঠস্বৰে আভাস দি গল,—এই ৰাজপ্ৰাসাদৰ, আৰু সেই জনগণৰ যন্ত্ৰণাময় গোপন ইতিহাসৰ কথা।

"সেয়া সামনি অংশত দেখা গৈছে, এটা আচ্ছাদিত বাহিৰা কোঠা। নিৰাপত্তারক্ষী বাহিনীৰ বিচাৰক কেচিয়াচৰ ছুৰীৰ আঘাতত মৃত্যু হোৱা, অত্যাচাৰী সম্ৰাট কেম্বাচ্ কেলিগুলাৰ বক্তেৰে, এতিয়াও ইয়াৰ খুটাবোৰ আৰু মজিয়াৰ শিলবোৰ অপবিত্ৰ হৈ আছে"। তেওঁ কবলৈ ধৰিলে, "সেই ঠাইডোখৰ যে দেখিছা, তাতে সেই দুৰ্ভগীয়াৰ পত্নীৰ শিৰচ্ছেদ কৰা হৈছিল, তেওঁৰ কেচুৱাক শিলৰ মজিয়াত আচাৰ মাৰি খণ্ড বিখণ্ড কৰা হৈছিল।" তাৰ পাচত তেওঁ জনালে, ক্ষমতা বা সিংহাসন লাভৰ বাবে ৰাজবংশত ঘটি যোৱা বক্তাক্ত কাহিনী! "ৰাজ প্ৰাসাদৰ সেই অংশতে, এটা পোতাশাল আছে। ইয়াতে সকলন দ্ৰুচাচে ভোকৰ যন্ত্ৰণাত কাতৰ হৈ নিজৰ হাত দুখনকে কামুৰি ছিঙি পেলাইছিল। তেওঁৰ ভ্ৰাতৃক সেই ঠাইতে বিহ দি মৰা হৈছিল। ইয়াতে জেমেলাচে বিভীষিকা দেখি প্ৰাণৰ কাতৰে চিঞৰিছিল। ইয়াতে ক্লডিয়াচৰ শৰীৰৰ অঙ্গ প্ৰত্যঙ্গবোৰ, আঁৰৰিয়া মানুহৰ দৰে কন্দিয়াই ধৰিছিল। ইয়াতে জাৰ্মেনিকাচে কপাল চপৰিয়াই বাউচি জুৰি কান্দিছিল। মুঠৰ ওপৰত কবলৈ গলে, এই দেৱালবোৰে, মৰণ যন্ত্ৰণাত ছটফটাই থকা, বহুতো লোকৰ আৰ্ত্তস্বৰ শুনিবলৈ পাইছিল। হয়তো এতিয়া ভোজ সভালৈ উধাতু খাই অহা কিছুমান বৰমূৰীয়াৰ দশাও এনেকুৱা হব পাৰে। আজিৰ হাঁহি, ভৱিষ্যত-দুৰ্ভাৱনাৰ মুখাহে মাত্ৰ। অলঙ্কাৰ আৰু ফুলেৰে, আজি যিসকলে নিজকে দেৱতাৰ ৰূপত সজাইছে, হয়তো তেওঁলোকৰ অন্তৰ, প্ৰতিহিংসা আৰু লোভৰ কীটে খুলি খুলি খাইছে।"

জিজিয়াৰ ভীত-ভাৱনাই এণ্ড্ৰিৰ কথাবোৰ সম্পূৰ্ণৰূপে গ্ৰহণ কৰিব নোৱাৰিলে। যদিও এই নতুন জগতখনৰ মনোহাৰিত্বই তাইক হতবাক আৰু বিস্ময়-বিমুগ্ধ কৰিছে, তথাপিও, অলাচৰ ঘৰ আৰু তাৰ অধিকাৰিণী প্ৰেচিনাৰ স্মৃতি তাইৰ

মনৰ পৰা খাতবা নাই। যি ঘৰত আছিল মৰমৰ একচ্ছত্ৰী ৰাজত্ব, সেই ঘৰৰ স্মৃতিয়ে তাইৰ ব্যথিত আত্মা বিহ্বল কৰি তুলিলে।

মুহূৰ্তে, মুহূৰ্তে, ভাইকাচ্ এপোলিনিচ্ নামৰ ঠাইৰ পৰা অহা অতিথিৰ সোঁত বাঢ়ি গৈ থাকিল। অনুগ্ৰহ প্ৰাৰ্থীৰ দলটোৱে নিজৰ পৃষ্ঠপোষকসকলক, প্ৰবেশদ্বাৰৰ বাহিৰত, স্বাগতম জনাই ৰাজ প্ৰাসাদলৈ আগবঢ়াই অনাৰ তুমুল হৰ্ষধ্বনি অবিৰাম ভাৱে শুনা গ'ল। গৌৰ বৰ্ণৰ অথবা ৰ'দত তামবৰণীয়া হোৱা মুখবোৰৰ মাজত, ঠাইয়ে, ঠাইয়ে দেখা গ'ল,—মূৰত চৰাইৰ পাখি মৰা আৰু কাণত কাণফুল ওলোমাই পিন্ধা একোজন কৃষ্ণকায় নিউমিডিয়ান। ৰাজপ্ৰাসাদৰ প্ৰবেশ পথলৈ, বীণ, ভিথাৰ আদি তাঁৰ বাদ্য, জোৰবাতি, গৰম কোঠাত ৰোৱা ফুলৰ তোড়া, (কাৰণ তেতিয়া শৰতকাল বহুত আগতে পাৰ হৈছিল) আদি নানান বস্তু কঢ়িয়াই অনা হৈছে। মানুহৰ হাই-উৰুমি লাহে, লাহে বাঢ়ি আহিছে; সুদৃশ্য জলাধাৰৰ ওপৰত, ধাৰাসাৰে বাগৰি পৰা কৃত্ৰিম নিজৰাৰ উচ্ছল সোঁতে ৰিনৰিন সুৰ তুলিছে। এই শব্দ আৰু জনতাৰ কোলাহলত, উজ্বল গধূলিটো মুখৰিত হৈ উঠিছে।

এক্তি এতিয়া নীৰৱে ৰ'ল। লিজিয়াৰ চকু দুটাই জনতাৰ মাজত কাৰোবাক বিচাৰিবলৈ ধৰিলে। আচম্বিতে তাইৰ মুখখন লাজতে ৰঙা গোলাপৰ ৰঙেৰে ৰঞ্জিত হ'ল। এশাৰী স্তম্ভৰ আঁৰৰ পৰা, পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচ ওলাই আহিছে। দেৱতাৰ দৰে ৰূপৱান দুজন পুৰুষ, প্ৰকাণ্ড ভোজন কক্ষৰ ফালে আগবাঢ়িল।

লিজিয়াৰ বুকুখন পাতল লাগি গ'ল, মুহূৰ্তৰ ভিতৰতে, অকলশৰীয়া ভাবটোও নাইকিয়া হ'ল। পম্পোনিয়া আৰু অলাচৰ ঘৰখন, হেকউৱাৰ মনোকষ্টও তাই লাহে, লাহে পাহৰি গল। মূঠৰ ওপৰত, ভিনিকিয়াচক লগ পোৱা, আৰু তেওঁৰ লগত কথা পতাৰ ইচ্ছাই, তাইৰ সকলো ইচ্ছা তল পেলাই দিলে। এক্তিয়ে কোৱা কথা, আৰু পম্পোনিয়াৰ সতৰ্কবাণী, তাই বৃথাই মনলৈ আনিবলৈ চেষ্টা কৰিলে। হঠাতে তাই উপলব্ধি কৰিলে, ভোজ সভাত তাই বাধ্য হৈ উপস্থিত থকা নাই, অন্তৰৰ বাসনাই তাইক টানি আনিছে। যি অপূৰ্ব্ব কণ্ঠস্বৰে এদিন তাইক প্ৰেমৰ বাণী শুনাইছিল, যি কথা এতিয়াও তাইৰ কাণত বাজি আছে, সেই মাত, সেই কথা শীঘ্ৰে শুনিবলৈ পোৱাৰ আশাত, তাইৰ মন অসীম আনন্দেৰে পূৰ্ণ হ'ল।

আনন্দানুভূতিক মনত ঠাই দিয়াৰ বাবে, তাইৰ অন্তৰত তীব্ৰ লজ্জাৰ

হ'ল। যি পবিত্র মত অবলম্বন কৰি, তাই নিজকে গঢ়ি তুলিছে, সেই মতক, আৰু লগতে সম্পোনিয়া আৰু নিজকো প্ৰতাৰণা কৰিছে বুলি ধৰি লৈ, তাই ভয় খাই উঠিল। অকলে থকা হ'লে, তাই আঠুকাঢ়ি, বুকু চপৰিয়াই, নিজকে ক'লেহেঁতেন—"মই পাপ কৰিছো। মই পাপ কৰিছো।" কিন্তু এতিয়া এক্তিয়ে তাইক হাতত ধৰি, ট্ৰাইক্লিনিয়াম্ কক্ষলৈ লৈ গৈছে! খোজ কাঢ়ি গৈ থাকোঁতে, লিজিয়াই চকুৰে ধুৰলি-কুঁৱলি দেখিলে, কাণ দুখন গুম্-গুমাবলৈ ধৰিলে। সপোনত দেখাৰ দৰে তাই দেখিলে, মেজবোৰত আৰু দেৱালত, সহস্ৰ চাকিৰ পোহৰ জিবিৰিবাই আছে: সপোনতে যেন তাই শুনিলে, চিজাৰ সোমাই আহোঁতে মানুহবোৰে হৰ্ষধ্বনি কৰা। তাইৰ দুচকুৱে অৱশেষত ধুৰঁলি-কুঁৱলিকৈ স্বয়ং চিজাৰকে বিচাৰি উলিয়ালে।

লগে, লগে তাই মেজৰ কাষত বহিল আৰু এক্তি বহিল, তাইৰ সোঁহাতে। তাৰ পাচত, বাওঁফালৰ পৰা, সাৱধানে উচ্চাৰণ কৰা, পৰিচিত মাত এবাৰ আহি তাইৰ কাণত পৰিল:

"পৃথিৱীৰ সকলো কুমাৰীতকৈ, সৰগৰ সকলো তৰাতকৈ সুন্দৰ, স্বৰ্গীয় ৰূপৰ অধিকাৰিণী কেলিনাক স্বাগতম জনালো।"

প্ৰচলিত ৰীতি অনুসৰি, ভিনিকিয়াচে গাৰ পৰা টোগাখন খুলি থলে। আঠুলৈকে পৰা তেওঁৰ ৰঙা কুৰ্তাটো ওলাই পৰিল। তেওঁৰ খাৰু পিন্ধা বগা হাত দুখন জিলিকি উঠিল; (ঢাল, তৰোৱাল ধৰা সৈনিকৰ সবল পেশীযুক্ত হাত, এই দুখন) আজি তেওঁৰ কণ্ঠত ৰঙা গোলাপৰ মালা। সুন্দৰ, বঙ্কিম ভ্ৰূযুগল, মনোমোহা চকু আৰু ৰদে পোৰা স্বাস্থ্যোজ্জ্বল দেহশ্ৰীৰে, তেওঁক যৌৱনৰ আৰু পৌৰুষ শক্তিৰ প্ৰতীক বুলিলেও ভুল নহয়। সঁচাকৈয়ে লিজিয়াৰ চকুত, তেওঁক ইমান সুন্দৰ লাগিল যে, অভিবাদনৰ প্ৰত্যুত্তৰ দিবলৈ তাই ভাষা বিচাৰি নাপালে।

তেওঁ কবলৈ ধৰিলে, "তোমাৰ দৰ্শন লাভ কৰি, মোৰ চকুৱে তৃপ্তি লাভ কৰিছে। বীণাৰ বা বাঁহীৰ মাততকৈও মধুৰ তোমাৰ কণ্ঠস্বৰ শুনিবলৈ পালে, মোৰ কাণ দুখনে সুখ পাব। হে সৰগৰ প্ৰতিমা! ভেনাচ্ আৰু তোমাৰ ভিতৰত, যদি মোক বাছি লবলৈ দিয়া হয়, মই তোমাকহে বাছি লম। তোমাক মই ইয়াত দেখিম বুলি আগতে জানিছিলো। তথাপিও, তুমি ইয়ালৈ অহা দেখিবলৈ পাই, মোৰ প্ৰাণত আনন্দৰ ঢৌ উঠিছে; এনে সুখ জীৱনত কোনো দিনে অনুভৱ কৰা নাছিলো।"

তেওঁৰ হৃদকৃত প্ৰকাশ পালে সীমাহীন প্ৰাৰ্থনা আৰু আশাৰ হ্যতি। তেওঁ এনেভাৱে তাইলৈ চাই থাকিল যেন তাইৰ ৰূপৰ জ্যোতিৰে স্নানহে কৰিব। লিজিয়াৰো মনলৈ আহিল, গোটেই ৰাজপ্ৰাসাদ আৰু জনতা চকুৰ আগৰ পৰা অদৃশ্য হৈ গৈছে, কেৱল আছে তেওঁ. তাইৰ কাষত। যিবোৰ কথা তাই বুজা নাই, যিবোৰে তাইৰ মনত আশঙ্কা জগাই তুলিছে, সেই সম্বন্ধে তাই তেওঁক বহুতো প্ৰশ্ন কৰিবলৈ ধৰিলে। চিজাৰৰ ৰাজ প্ৰাসাদত তাইৰ লগত দেখা হব বুলি, তেওঁ কিদৰে জানিলে? তাই তাত থকাৰে বা কাৰণ কি? পম্পোনিয়াৰ কাষৰ পৰা, চিজাৰে তাইক কিয় আঁতৰালে? এই ঠাইৰ প্ৰতিটো কথালৈ তাইৰ ভয় লাগে; তাই মাকৰ ওচৰলৈ উলটি যাব খোজে। এই ইচ্ছাই আৰু নিৰাশাপূৰ্ণ চিন্তাই তাইক মৃতপ্ৰায় কৰিছে। তাইৰ হৈ, নিশ্চয় পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচে চিজাৰক এবাৰ ক'ব।

ভিনিকিয়াচে তাইক কথাটো এইদৰে বুজাই ক'লে:

তাইক ঘৰৰ পৰা আঁতৰোৱা কথাটো অলাচৰ মুখতে তেওঁ প্ৰথমে শুনিছিল; তাই তাত কিয় আছে, তেওঁ নাজানে। অৱশ্যে এটা কথা ঠিক, চিজাৰে তেওঁৰ কামবোৰৰ কাৰণ কাকো জানিবলৈ নিদিয়ে। যি, কি নহওঁক, তাইৰ ভয়ৰ কোনো কাৰণ নাই; ভিনিকিয়াচ তাইৰ কাষত আছে আৰু সদায় থাকিবও। তাইয়েই তেওঁৰ জীৱন! নিজৰ জীৱনটোক তেওঁ যিদৰে ৰক্ষা কৰিছে, সেইদৰে তাইকো ৰক্ষা কৰিব। চিজাৰৰ ৰাজপ্ৰাসাদে তাইক ভয়ত কপাঁই তুলিছে বাবে, তাত তাই সৰহ দিন থকা অনুচিত। (কথাষাৰ কৈ থাকোঁতে, ভিনিকিয়াচে এবাৰ শপত খাই ল'লে) প্ৰসঙ্গটো এৰাবলৈ তেওঁ এই কথা কৈছিল যদিও, তেওঁৰ কণ্ঠত প্ৰেমৰ প্ৰগাঢ়তা প্ৰকাশ পোৱাত প্ৰকৃত সত্য গোপন হৈ নাথাকিল।

হৃদয়ৰ সত্য অনুভূতিয়ে তেওঁক অভিভূত কৰি তুলিলে; লিজিয়াৰ কথাই তেওঁৰ মৰ্মস্থল স্পৰ্শ কৰিলে। যেতিয়া লিজিয়াই তেওঁক ধন্যবাদ জনাবলৈ ধৰিলে, আৰু ক'লে যে, তেওঁৰ এনে মহত্বৰ বাবে, পম্পোনিয়াই কৃতজ্ঞতা জনাব, আৰু তাইও আমৰণ তেওঁৰ কথা মনত ৰাখিব, তেতিয়া তেওঁ আৰু নিজকে থিৰেৰে ৰাখিব নোৱাৰিলে। তেওঁৰ প্ৰাণ আনন্দত উথলি উঠিল; তাইৰ ৰূপে তেওঁক দিশহাৰা কৰি তুলিলে। তেওঁৰ মনটোৱে জনালে,—তাইক তেওঁ একান্তভাৱে পাবলৈ বিচাৰে, তেওঁৰ প্ৰেম, প্ৰকাশৰ বহিৰ্ভূত। তাইক তেওঁ দেৱীৰূপে বন্দনা কৰিবলৈকো প্ৰস্তুত। ভোজ সভাৰ হুলস্থুলীয়া পৰিবেশে

তেওঁক ভাগৰ লগালে। তাইৰ কাষ চাপি গৈ, তেওঁ তাইৰ কাণত সৰল, মধুৰ কথাৰে মৌ বৰষিলে; মৰ্মস্থল ভেদ কৰি ওলোৱা এই কথা, সঙ্গীতৰ দৰে ছন্দোময়,— সুৰাৰ দৰে প্ৰাণ মতলীয়া কৰা।

সঁচাকৈয়ে, সুৰাপান কৰাৰ দৰে, তাই তেওঁৰ কথাৰ মদিৰা পান কৰিলে। অচিনাকি পৰিবেশৰ মাজত, লিজিয়াই তেওঁক আগতকৈ বেচি আপোন, বেচি মৰমৰ পাত্ৰ যেন অনুভৱ কৰিলে। তদুপৰি ভিনিকিয়াচ্ তাইৰ অনুৰাগী আৰু বিশ্বাসৰ যোগ্য। আগতে প্লটিয়াচৰ ঘৰত থাকোতে, তাইক তেওঁ এইদৰে প্ৰেম নিবেদন কৰা নাছিল, কোনোদিনে। প্ৰেমৰ দানস্বৰূপে লাভ কৰা, সুখৰ কথাও কোৱা নাছিল,—কেতিয়াবা সাধাৰণ ভাৱে মাত্ৰ উল্লেখহে কৰিছিল। কিন্তু এতিয়া তেওঁৰ প্ৰাণৰ উত্তাপত তাইৰ গালদুখন উত্তপ্ত হৈ উঠিল, মনটো নাচি উঠিল, আনন্দত ফুলৰ পাহিৰ দৰে মুকলি হ'ল, তাইৰ সুকোমল ওঁঠ দুটি।

তথাপিও, তেওঁৰ কথাবোৰ শুনি থাকোতে তাইৰ প্ৰাণত অজান আশঙ্কাৰ সঞ্চাৰ নোহোৱাকৈ থকা নাছিল। কিন্তু গোটেই পৃথিৱীখনকে হেৰুৱাই পেলালেও তাই যেন তেওঁৰ ওঁঠৰপৰা ওলোৱা এটি শব্দও হেৰুৱাব নোখোজে। মাজে, মাজে তাই তললৈ মূৰ কৰিলে, পিচ মুহূৰ্ত্ততে উজ্জ্বল চাৱনিৰে, পুণৰ মূৰ তুলি প্ৰেমিকৰ মুখলৈ চালে। ভীৰু প্ৰশ্নবোৰ আহি থূপ খালে, তাইৰ দুচকুৰ মাজত। হয়তো কব খুজিলে, "কৈ যোৱা আৰু কোৱা।" সেই কথাবোৰে, ভোজসভাৰ সঙ্গীতৰ সুৰে, ফুল আৰু ধূপৰ সুবাসে, তাইক উন্মনা কৰি তুলিলে। ভিনিকিয়াচ বহি আছে তাইৰ কাষত, তেওঁৰ অন্তৰ ভৰি আছে, যৌৱনৰ শক্তিৰে, যৌৱনৰ দান প্ৰেমৰ প্ৰবল অনুভূতিৰে। নত মুখে, নীৰৱে পৰিপূৰ্ণ সুখৰ মদিৰা পান কৰি, লিজিয়াই অনুভৱ কৰিলে,— মুগ্ধ প্ৰেমিকৰ অন্তৰ নিসৃত উত্তপ্ত ভাববোৰ তাইৰ প্ৰাণলৈ প্ৰবাহিত হৈছে।

লিজিয়াৰ নিচেই কাষতে বহি থকা ভিনিকিয়াচে, সুৰাপান কৰি, বুকৰ ভিতৰত জ্বলি থকা জুইকুৰা নুমুৱাবলৈ, বৃথা চেষ্টা কৰিলে। হয়, সুৰাৰধাৰা! কিন্তু সুৰাতকৈও বেচি উত্তেজক, অপূৰ্ব্ব সুন্দৰ এই মুখ, এই উন্মুক্ত বাহুলতা, সোণালী চোলাৰ ভাঁজত উঠা-নমা কৰি থকা কুমাৰী বক্ষ, বৰফৰদৰে শুভ্ৰ পেপ্‌লাম্‌খনৰ ভাঁজবোৰৰ মাজেদি ভুমুকি মৰা, এই ৰমনীয়, কমনীয় দেহ-শোভা! হঠাৎ তেওঁ তাইৰ হাতত খামোচ মাৰি ধৰিলে, অলাচৰ ঘৰত আগত এবাৰ ধৰাৰ দৰে। কম্পিত ওষ্ঠে, মৃদুস্বৰে জনালে তেওঁ, – "মই তোমাক ভালপাওঁ কেলিনা! হে দেৱী। মই তোমাৰ ৰূপত মুগ্ধ।"

"নহয় মাৰ্কাচ! তুমি মোৰ হাত এৰি দিয়া।" তাই মিনতি জনালে।

সজল চকুৰ চাৱনিৰে, মাৰ্কাচে পুণৰ কলে, "মোৰ প্ৰেয়সী তুমি। মোক প্ৰেমৰ প্ৰতিদান দিয়া। মাত্ৰ প্ৰেম বিচাৰো মই।"

"চিজাৰে তোমালৈ চাই আছে।" এক্তিয়ে বাধা দি কৈ উঠিল।

ভিনিকিয়াচৰ হঠাৎ ভীষণ খং উঠি গল, এক্তিৰ ওপৰত, আৰু লগতে চিজাৰৰ ওপৰতো। মন্ত্ৰ-মুগ্ধ পৰিবেশত এক্তিয়ে যেন আঘাত দিলে। এনে এটি মুহূৰ্ত্তত, যুৱকে অতি আপোনজনৰ মৰমৰ সম্বোধনকো, সময়োপযোগী নহয় বুলি উপেক্ষা কৰিলেহেঁতেন। গতিকে তেওঁ হঠাতে সিদ্ধান্ত ললে, এক্তিয়ে বাধা দিও বুলিয়ে দিছে।

"এক্তি, ট্ৰাইক্লিনিয়ামত অৰ্দ্ধশায়িত অৱস্থাত, চিজাৰৰ কাষত থাকি, খাদ্য উপভোগ কৰাৰ দিন, তোমাৰ কেতিয়াবাই উকলি গল। তদুপৰি শুনা যায় যে, তুমি লাহে, লাহে চকুৰে ভালকৈ নমনা হৈ আহিছা। তেন্তে ইমান সঠিক-ভাৱে চিজাৰৰ মুখৰ ভাব লক্ষ্য কৰিব পাৰিলা কেনেকৈ?" লিজিয়াৰ কান্ধৰ ওপৰেদি মুক্ত দাসী গৰাকীৰ মুখলৈ মুৰ দাঙি চাই জ্বলন্ত দৃষ্টি নিক্ষেপ কৰি, তেওঁ কলে।

বেজাৰ মনেৰে এক্তিয়ে উত্তৰ দিলে, "মই তেওঁৰ মুখৰ ভাব বুজো। তেওঁৰো চকু ভাল নহয়। মৰকত মণিৰ এচকুৰা বিতচকুৰে তেওঁ তোমালৈ লক্ষ্য কৰি আছে।"

ভোজমেলৰ আৰম্ভণিতে, লিজিয়াই সম্ৰাটক চকামকাকৈ এবাৰ মাত্ৰ দেখিছিল, তাৰ পাচত ভিনিকিয়াচৰ কথাবোৰে, সম্ৰাটৰ কথা একেবাৰে পাহৰাই থৈছিল। এতিয়া তাই কৌতূহলী ভয়াৰ্ত্ত দৃষ্টিৰে, চিজাৰলৈ চালে।

এক্তিৰ কথাই সঁচা। চিজাৰে মেজখনৰ ওপৰেদি হাউলি, এটা চকু আধা মেলি, ইটো চকুত মৰকতৰ বিতচকু এপাত লগাই, সিঁহত হালৰ ফালে, এক দৃষ্টে চাই আছে। এবাৰ লিজিয়াৰ চকুৰে, চকুৱে পৰাত তাইৰ বুকুখন চিৰিংকৈ উঠিল। অ'লাচ চিচিলি অভিযানলৈ যাওঁতে, তাই যেতিয়া নিচেই সৰু আছিল, তেতিয়া মিছৰীয় বুঢ়া দাস এটাৰ মুখত গুহাত বাস কৰা দৈত্যৰ কাহিনী শুনিছিল। এতিয়া তাইৰ মনলৈ আহিল, এই দৈত্যবোৰৰে কোনোবা এটাই যেন, আইনাৰ দৰে চকুৰে তাইৰ ফালে, পূৰ্ণদৃষ্টি নিক্ষেপ কৰিছে।

ভীত শিশুৰ দৰে, তাই ভিনিকিয়াচৰ হাত এখনত খামোচ মাৰি ধৰিলে। বিশৃঙ্খল ভাব ক্ৰিয়মান, দ্ৰুত গতিৰে, তাইৰ মগজুৰ ভিতৰত, পাকঘূৰণি খাই

থাকিল। এইয়ে তেত্তে চিজাৰ,-ভয়ঙ্কৰ, সৰ্ব্বশক্তিমান চিজাৰ! আগতে কোনোদিনে তাই তেওঁক দেখা নাছিল, আৰু চিজাৰ সম্বন্ধে ভিন ধাৰণা আছিল তাইৰ। তাই কল্পনা কৰিছিল, এখন ভয়ানক মুখ,—য'ত আছে জ্বলন্ত ক্ৰোধৰ ছাপ। তাৰ ঠাইত তাই এতিয়া দেখিলে, শকত ডিঙি এটাৰ ওপৰত এটা ডাঙৰ মূৰ,- দেখিলে ভয়লগা, অশোভন এটা মূৰ! অশোভন এই বাবেই যে, দূৰৰ পৰা লক্ষ্য কৰিলে, এটা সৰু ল'ৰাৰ মূৰ যেন দেখি। মুখখন বহল আৰু খোপোকা। গাত পিন্ধা এমেথিষ্ট পাথৰৰ ৰঙৰ কুৰ্ত্তাটোৰ আভা, মুখতো দেখা গৈছে। (এনেকুৱা কজলা ৰঙৰ চোলা, তেওঁৰ পৰিয়ালৰ মানুহৰ বাহিৰে আনে পিন্ধিব নোৱাৰে) তেওঁৰ ক'লা চুলিবোৰ, ওখোৱে দেখুউৱা আহিৰে, কেকোৰা, কেকুৰি কৰি, চাৰি ভাগ কৰা হৈছে। তেওঁৰ মুখত গোঁফ নাই, কাৰণ মুখত লাগি থকা এই বস্তুটো, অলপতে তেওঁ জুপিটাৰক অৰ্পণ কৰি, গোটেই ৰোমৰে প্ৰশংসা লাভ কৰিছে। পিছে, সকলোৱে গোপনে কোৱা মেলাও কৰিছিল যে, এই কাম কৰাৰ আচল কাৰণ হ'ল,—তেওঁৰ পৰিয়ালৰ আটাইবোৰ পুৰুষৰ দৰে, তেওঁৰো গোঁফ কোছা তামবৰণীয়া আছিল। ভ্ৰূযুগলৰ ওপৰত থকা, চকুত লগা ধৰণে ওখ কপালখন, ৰাজসিক দাম্ভিকতাৰ পৰিচায়ক; ভ্ৰূযুগলে, নিজ ক্ষমতা সম্বন্ধে, সদা সচেতন মনোভাব ব্যক্ত কৰিছে। কিন্তু সুউচ্চ কপালৰ তলত থকা, মুখমণ্ডলত, বান্দৰালিৰ ভাব পৰিস্ফুট। অকালতে ওলমি পৰা এই মুখে, কামুক আৰু অস্থিৰ স্বভাৱৰ ইঙ্গিত দিয়ে। মুখখন দেখিলে, নিম্ন শ্ৰেণীৰ মদাহী ভাৱৰীয়াৰ মুখ যেন লাগি যায়। অমঙ্গলৰ চিন আঁকি থোৱা এই মুখ দেখিয়ে, ভয়ত লিজিয়াৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। কি বিকট চেহেৰা!

এতিয়া তেওঁ, চকুত লগোৱা বিতচকু-পাত তললৈ নমাইছে; লগে, লগে, চাকিৰ পোহৰত পিৰিকিয়াই থকা, এযোৰ গাঢ় নীলা চকু, লিজিয়াই দেখিবলৈ পালে। এই চকু ভাব লেশহীন আৰু পীড়িত মানুহৰ দৰে নিস্তেজ।

পেট্ৰোনিয়াচলৈ চাই, চিজাৰে সুধিলে, "ভিনিকিয়াচৰ প্ৰেয়সী, যুদ্ধৰ চৰ্ত্তাধীন বন্দী সেইজনীয়েই নে?"

"হয়।"

"তাইৰ বংশ পৰিচয় কি?"

'তাই লিজিয়ান ছোৱালী।"

"ভিনিকিয়াচে তাইক ৰূপহী বুলি ভাবে নেকি"?

"অৱশ্যে কথাটো হ'ল এনেকুৱা, শুকাই যোৱা জলকাই গছ এডালো যদি ভিৰোতা মাছহে গাত লোৱা, পেপ্‌লাম্‌ এখনেৰে সজোৱা যায়, তিনিকিয়াচে তাকে ধুনীয়া দেখিব। কিন্তু, হে অপৰাজেয় বিচাৰপতি! আপোনাৰ মুখ দেখিয়ে, মই আপোনাৰ মনোভাব ধৰিব পাৰিছো। মানে, ছোৱালীজনী বৰ ক্ষীণ। অতি মিহি ঠাৰি এডালৰ মূৰত গজা পপিফুলৰ গুটি এটাৰ নিচিনা। হে পবিত্ৰ কলাৰ উপাসক! আপোনাৰ বিচাৰ নিৰ্ভুল। কাৰণ, আপুনি কেৱল ঠাৰি ডালতহে চকু দিয়ে। মুখখনত নো আছে কিটো? একেবাৰে ঠিক কথা! এই কথা মই আপোনাৰ পৰাই শিকিছো। অৱশ্যে, আপোনাৰ দৰে, তন্ন, তন্নকৈ চাই, ৰূপৰ বিচাৰ কৰাৰ ক্ষমতা, মোৰ কেতিয়াও হ'ব নোৱাৰে। গতিকে, টিউলিয়াচ চেনেচিওৰ দৰে, মইও মোৰ ৰক্ষিতা তিৰোতাৰ বাজি ধৰি ক'ব পাৰো, মেজৰ কাষত আৰামেৰে বহি থকা তিৰোতা এজনীৰ দেহৰ গঠন বিচাৰ কৰি চোৱা মস্কিল যদিও, আপুনি নিজৰ মনতে কৈছেই, ছোৱালীজনীৰ নিতম্ব দেশ অতি ক্ষীণ।"

"নিতম্ব দেশ বৰ বেচি সৰু।" চকু দুটা আধা জপাই, নিৰোৱে পুনৰাবৃত্তি কৰিলে।

পেট্ৰোনিয়াচৰ পেটে, পেটে হাঁহি উঠিল। ইফালে টিউলিয়াচ চেনেচিওৱে ইমান পৰে ভেচ্‌টিনাচৰ লগত কথা পাতি আছিল। (সপোনৰ শক্তি আছে বুলি বিশ্বাস কৰা লগৰীয়াজনৰ লগত, তেওঁ প্ৰকৃততে সপোনৰ কথাকে কৈ হাঁহি ধেমালি কৰি আছিল) কথাৰ মাজতে এবাৰ তেওঁ "ৰূপ কলাৰ বিচাৰকৰ" ফালে মুখ কৰি, ইমানপৰে কি বিষয়ে আলোচনা হৈছিল, একো নজনাকৈয়ে চিঞৰি উঠিল,

"ভুল হৈছে আপোনাৰ। চিজাৰৰ লগত মই একমত।"

"ঠিকেই।" পেট্ৰোনিয়াচে উত্তৰ দিলে, "কাৰণ মই ইমানপৰে বুজাবলৈ চেষ্টা কৰিছিলো যে, আপোনাৰ মূৰত বুদ্ধিৰ চিকমিকনি কিছু আছে; কিন্তু চিজাৰে আপোনাক গোট গৰু বুলিছিল।"

"বাহ্! বাহ্! পেট্ৰোনিয়াচ!" মল্লবীৰক (গ্লেডিয়েইটৰক) মৃত্যুৰ আঘাত দিবলৈ আদেশ দি, হাতৰ মুঠি তললৈ কৰাৰ দৰে, মুঠিটো তললৈ কৰি, নিৰোৱে আনন্দত চিঞৰি দিলে।

ভেচ্‌টিনাচে এতিয়াও সপোনৰ কথাৰে আলোচনা হৈ আছে বুলি ভাবি ক'লে, "মই হলে সপোন বিশ্বাস কৰো। আজি চেনেকাইও জনালে, তেওঁও সপোনৰ কথা মানে।"

"কালি ৰাতি মই সপোন দেখিছিলো, মই ভেষ্টাৰ মন্দিৰত সেৱিকা হৈ আছো।" মেজৰ ওপৰেদি হাউলি, কেল্‌ভিয়া ক্রিচ্‌পিনিলাই চিঞৰি ক'লে।

কথা শুনি, নিৰোৱে হাত চাপৰি মাৰিলে ; লগে, লগে, আটাইবোৰে পিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে। কাৰণ বহুবাৰ বিবাহ বিচ্ছেদ কৰা, ক্রিচ্‌পিনিলাৰ, সীমা চেৰাই যোৱা নিৰ্লজ্জ আচৰণৰ কথা, ৰোমত সৰ্ব্বজন বিদিত।

অকণো খত-মত নোখোৱাকৈ তাই কৈ গ'ল, "পিচে কিটো হ'ল ? আপোনালোকৰ ভেষ্টা দেৱীৰ মন্দিৰৰ কুমাৰীসকল বুঢ়ী আৰু আপচু। তাৰ ভিতৰত, অকল কত্রিয়াকহে অলপ মানুহ যেন দেখি। এভিয়া আমি দুজনী লগ খাম পৈ। পিচে এইবাৰ গৰমত তাইৰ মুখখনো ৰ'দে পুৰি, চৰকা-চৰক কৰিলে।"

"শুচিব্রতা কেল্‌ভিয়া ! তথাপিও, আপুনি এই কথা স্বীকাৰ কৰিব লাগিব যে, কেৱল সপোনত হে আপুনি মন্দিৰৰ কুমাৰী হ'ব পাৰিব।" পেট্রোনিয়াচে জনালে।

"চিজাৰে যদি এইদৰে আদেশ দিয়ে,—"

"অ', ইয়াৰ পাচত আপুনি আমাক পতিয়ন নিয়াব খুজিব যে, সপোন, আটাইতকৈ অদ্ভুত সপোনো সত্যত পৰিণত হ'ব পাৰে।"

"সঁচাকৈয়ে হ'ব পাৰে," ভেচ্‌টিনাচে ক'লে "মোৰ নিজৰ ধাৰণা হ'ল এয়ে—মানুহে দেৱতা বিশ্বাস নকৰিব পাৰে, কিন্তু সপোনত বিশ্বাস নোহোৱাটো"—

"ভৱিষ্যত বাণীত একো ?" নিৰোৱে ৰূপৰাই সুধিলে, "কোনোবাই ভৱিষ্যত বাণী কৰিছিল যে, ৰোম এদিন শেষ হৈ যোৱাৰ পাচতো, গোটেই প্রাচ্যৰ শাসন কৰ্ত্তা হোৱাৰ সৌভাগ্য হ'ব মোৰেই।"

"সপোন আৰু ভৱিষ্যত বাণী দুয়োটা ফলিয়াব পাৰে।" ভেচ্‌টিনাচে জনালে, "এদিন সপোন বিশ্বাস নকৰা, এজন প্রাদেশিক শাসন কৰ্ত্তাই দাস এটাৰ হাতত, মোহৰ মৰা চিঠি এখন দি মপ্‌চাচ দেৱতাৰ মন্দিৰলৈ পঠাইছিল। তেওঁৰ উদ্দেশ্য আছিল, দেৱতাৰ শক্তিৰ পৰীক্ষা চোৱা। দাসটোৱে সপোনত্‌ দেৱতাৰ আদেশ পোৱাৰ অভিপ্রায়েৰে, এৰাতি মন্দিৰতে কটাইছিল। ঘৰলৈ উলটি আহি, সি এইদৰে জনালে, "সপোনত মই সূৰ্য্যৰ নিচিনা জ্যোতিৰ্ম্ময় পুৰুষ এজনক দেখিছিলো। তেওঁ মাত্র এটা শব্দ উচ্চাৰণ কৰিছিল,—'ক'লা'। এই কথা শুনি, প্রাদেশিক শাসন কৰ্ত্তাজন সেতা পৰি গ'ল আৰু তেওঁৰে নিচিনা অবিশ্বাসী অতিথিসকলৈ চাই ক'লে, 'সেই চিঠিত কি লিখা আছিল, জানেনে ?"

"কি আছিলনো ?" চেনেচিওই সুধিলে।

"চিঠিখনত এই প্ৰশ্নটো আছিল, 'মই বগাবাফ্ গৰু বলি দিব লাগিবনে, ক'লা বলি দিব লাগিব ?"

কাহিনীটো আটায়ে মন দি শুনি থাকোঁতে, আকণ্ঠ মদ্যপান কৰা ভাইটেলিয়াচে, হঠাৎ এনেয়ে হো-হোৱাই হাঁহিবলৈ ধৰিলে।

"চৰ্ব্বিৰ পিপাটোৱে ইমানকৈ হাঁহিছে কিয় ?" নিৰোৱে সুধিলে।

"যিবোৰ কাৰণত, মানুহে ইতৰ জন্তুতকৈ ওখ আসন পাইছে, তাৰ ভিতৰত হাঁহিও এটা।" পেট্ৰোনিয়াচে কলে, "আমাৰ ভাইটেলিয়াচ্ যে গাহৰি নহয়, এই কথা প্ৰমাণ কৰিবলৈ তেওঁ আন কোনো যুক্তি বিচাৰি পোৱা নাই। গতিকে—"

ভাইটেলিয়াচে হাঁহিবলৈ এৰি, জোল আৰু তেল লাগি চকচকীয়া হৈ থকা ওঁঠ দুটা চেলেকিবলৈ ধৰিলে। হঠাৎ লগুৱাইতৰ উপস্থিতি সম্বন্ধে, তেওঁ সজাগ হৈ উঠিল, আৰু ৰেচমৰ গাদীৰ দৰে কোমল হাত এখন দাঙি, ভাগকৰা মাস্তৰে কলে, "বীৰ যোদ্ধাৰ চিন অঁকা আঙঠিটো হেৰুৱালো মই। সেইটো মোক পিতাদেৱে দি গৈছিল।"

"অৰ্থাৎ বিজন মূচী আছিল, তেওঁ!" নিৰোৱে যোগ দিলে। লগে, লগে, ভাইটেলিয়াচে নিলাজ হাঁহিত ঢেক-ঢেকাবলৈ ধৰিলে, আৰু কেলভিয়া ক্ৰিচ্পিনিলাই পিন্ধি থকা ঢিলা চোলাটোত হাত ভৰাই, আঙঠিটো খেপিয়াবলৈ ধৰিলে। ইকাষে বহা, ভেচ্টিনাচে, এজনী ভয়াতুৰ নাৰীৰ মাত অনুকৰণ কৰি, চিঞৰিলে। ইফালে আকৌ, গণিকা এজনীৰ দৰে চকুৰ ঠাঁৰ, আৰু সৰু ল'ৰাৰ দৰে মুখ এখনেৰে, কেলভিয়াৰ বান্ধৱী নিগিদিয়াই চিঞৰি কলে, "যিটো বস্তু বিচাৰি আছে, আচলতে সেইটো হেৰোৱা নাই।"

"যদি বস্তুটো পাইও, তাৰে কি কৰিব, তেওঁ নিজেই কব নোৱাৰে।" লুচানে মন্তব্য কৰিলে।

পৰিবেশটো লাহে, লাহে, বেচি উত্তপ্ত হৈ উঠিল। পৰিবেশনকাৰীহঁতে হঠাৎ আইভিলতাৰে মেৰিওৱা, ৰৰফপূৰ্ণ ভাণ্ডৰ পানপাত্ৰবোৰ, উলিয়াবলৈ আৰম্ভ কৰিলে; আচৰিতে অৰ্দ্ধচন্দ্ৰাকাৰ আটালখনৰ পৰা, ধাৰাসাৰে পুষ্পবৃষ্টি হ'বলৈ ধৰিলে,—ৰক্ত গোলাপৰ। তাৰ পাচত, পেট্ৰোনিয়াচে নিৰোক প্ৰাৰ্থনা জনালে, অতিথিসকলে সুৰা পান কৰি উন্মত্ত হৈ উঠাৰ পূৰ্ব্বে, তেওঁ যেন এটা গীত

শুনাই, অনুষ্ঠানৰ গৌৰৱ বৃদ্ধি কৰে ! অতিথিসকলেও সমস্বৰে, এই প্ৰস্তাৱত সমৰ্থন জনালে। মাত্ৰ ভঙাৰ কাৰণে, প্ৰথমতে নিৰোৱে গীত গাবলৈ আপত্তি কৰিছিল। তেওঁ জনালে, ৰাতি এদ'ম সীহৰ বোজা বুকুত লোৱাৰ পাচতো, বিশেষ একো গুণ পোৱা নাই। গতিকে এতিয়া সাগৰৰ বায়ু সেৱন কৰি, মাত্ৰ পৰিষ্কাৰ কৰিবলৈ, এণ্টিয়ামলৈ যোৱাৰ কথা ভাবিছে, তেওঁ।

লুচানে নিৰোক মিনতি জনালে, পৱিত্ৰ কলাৰ নামত আৰু মানৱিকতাৰ খাতিৰত, সকলোৰে সাদৰ অনুৰোধ ৰক্ষা কৰিবলৈ। তেওঁ এই মৰ্মে ঘোষণা কৰিলে,—দিব্যধামৰ কবি, অতুলনীয় গায়কে, দেৱী ভেনাচৰ উদ্দেশ্যে, নতুন প্ৰাৰ্থনা গীত এটি ৰচনা কৰিছে বুলি, গোটেই বিশ্বই জানে। এই প্ৰাৰ্থনা গীতৰ সন্মুখত, লুক্ৰিশ্যাচে ৰচা প্ৰাৰ্থনা গীত, কুকুৰনেচিয়া বাঘৰ পোৱালীৰ চিঞৰ যেন হে লাগিব। চিজাৰে আজিৰ ভোজ মেলক যেন, সাৰ্থক উৎসৱ এটিত পৰিণত কৰে, এইয়ে সকলোৰে কামনা! পিতৃতুল্য সম্ৰাট হৈ, নিমাতে, নীৰৱে থাকি, যেন প্ৰজাবৰ্গক কষ্ট নিদিয়ে।

"হে চিজাৰ! আপুনি যেন নিৰ্দ্দয় নহয়!" এইদৰে কৈ লুচানে তেওঁৰ প্ৰাৰ্থনা শেষ কৰিলে।

"নিৰ্দ্দয় নহব! নহব!" সকলোৱে সমস্বৰে নিবেদন কৰিলে।

নিৰোৱে হাত দুখন মেলি বুজালে, প্ৰজাৰ অনুৰোধ ৰক্ষা নকৰাকৈ নোৱাৰে তেওঁ। আটাইৰে মুখত কৃতজ্ঞতাৰ চিন ফুটি উঠিল। আটাইৰে চকু গল, সম্ৰাটৰ ফালে। প্ৰথমতে চিজাৰে আদেশ কৰিলে, তেওঁ গীত গাব বুলি, পপিয়াক জনাবলৈ। (শাৰীৰিক অসুস্থতাৰ বাবে, অগষ্টা পপিয়া ভোজ সভালৈ অহা নাছিল; তেওঁৰ আৰোগ্যৰ ক্ষেত্ৰত, চিজাৰৰ গীতহে অধিক ফলপ্ৰদ)

শীঘ্ৰে পপিয়া আহি উপস্থিত হ'ল। এতিয়ালৈকে তেৱেঁই নিৰোৰ হৃদয়ৰ ৰাণী হৈ আছে। তেওঁ জানে, গায়ক, ৰথচালক, আৰু কবি হিচাবে, নিজৰ বিষয়ে চিজাৰৰ উচ্চ ধাৰণা আছে;—অহঙ্কাৰ আছে। গতিকে এই কথা নুবুজিলে, বিপদ অৱশ্যম্ভাৱী। স্বৰ্ণ কেশিনী পপিয়াৰ গাত, চিজাৰে পিন্ধাৰ দৰে, এমেথিষ্ট পাথৰৰ ৰঙৰ সাজ, ডিঙিত বৃহৎ আকাৰৰ মুক্তাৰে গঁথা মালা জলমলাই আছে; মেচিনিচা নামৰ ঠাইৰপৰা লুটি অনা ধন সম্পদৰে অংশ বিশেষ, এই মুক্তাৰ মালা। আগতে যদিও, তেওঁৰ দুবাৰ বিবাহ বিচ্ছেদ হৈছিল, তথাপিও চলন ফুৰণ আৰু মুখৰ ভাব, কুমাৰী ছোৱালীৰ দৰেই হৈ আছে। চাৰিওফালৰ পৰা, অভিবাদনৰ ধ্বনি উঠিল। বাৰে, বাৰে প্ৰজাসকলে তেওঁক

"ঈশ্বৰী অগষ্টা" বুলি সম্মান জনালে। এনে প্ৰজ্বলিত ৰূপ-শিখা, লিজিয়াই জীৱনত কোনো দিনে দেখা নাছিল। তাই যেন নিজৰ চকু দুটাকে বিশ্বাস কৰিব নুখুজিলে। এওঁৱেই তেন্তে সেই কলঙ্কিনী নাৰী,—যাৰ প্ৰৰোচনাত, চিজাৰে নিজৰ মাকক আৰু পত্নীক হত্যা কৰাইছিল, যাৰ মৰ্মৰ মূৰ্ত্তিসমূহ নিশা ৰোমৰ মানুহে প্ৰায়ে লুটি খুৱাই থয়, আৰু যাৰ বিষয়ে প্ৰাচীৰবোৰত কোনোবাই অপমানজনক মন্তব্য লেখি থয়। কিন্তু লিজিয়াৰ কল্পনাত, সৰগৰ দেৱদূতো ইমান সুন্দৰ হ'ব নোৱাৰে।

"অ' মাৰ্কাচ! ইও সম্ভৱনে?" তাই প্ৰশ্ন কৰিলে।

"হয়, তেওঁ ধুনীয়া।" মাৰ্কাচে ক'লে, "কিন্তু তুমি তেওঁতকৈ শতগুণে ধুনীয়া। নিজৰ ৰূপ সম্বন্ধে সজাগ হোৱা হলে, তুমি নাৰ্চিচাচৰ দৰে নিজকে চাই ভোল গলাহেঁতেন। গাধৰ গাখীৰেৰে গা ধোৱাৰ অভ্যাস আছে, পপিয়াৰ। কিন্তু তোমাৰ দেহ, স্বয়ং ভেনাচৰ গাখীৰেৰে বিধৌত। অগষ্টালৈ নাচাবা, মোৰ মুখলৈ চোৱা। এই পিয়লাৰ দাঁতিত, আমি দুয়ো একেলগে ওঁঠ লগাও আহা।"

নাহে, নাহে, ভিনিকিয়াচ ভাইৰ আৰু বেচি ওচৰ চাপি আহিল। তাইও এক্টিৰ কালে হুহকি যাবলৈ ধৰিলে। এনে সময়তে, চিজাৰ থিয় হল; গায়ক ডিওজোৰাচে তেওঁৰ হাতত ত্ৰিকোণাকাৰ বীণাখন দিলে। গায়ক টাৰ্পনোচও সাজু হল,—নেব্লিয়াম নামৰ বাদ্যযন্ত্ৰেৰে সঙ্গত কৰিবলৈ। বীণখন মেজৰ ওপৰত থৈ, নিৰোৱে ওপৰলৈ চকু তুলিলে। ভোজন কক্ষ নিস্তব্ধ হৈ গ'ল। আটালৰ পৰা পৰি থকা, গোলাপৰ মৃদু শব্দইহে সেই নিস্তব্ধতা ভঙ্গ কৰিলে।

বীণ বজাই চিজাৰে গীত গালে; অৰ্থাৎ ভেনাচৰ উদ্দেশ্যে ৰচিত প্ৰাৰ্থনা গীত এটা সুৰ লগাই আবৃত্তি কৰিলে। মাতটো সোপা মাৰি ধৰাৰ দৰে লাগিলেও, একেবাৰে শ্ৰুতিকটু নহয়। কবিতাটোও মূঠৰ ওপৰত ভালেই হৈছে। লিজিয়াৰ মনলৈ অনুতাপ আহিল, এইজন পুৰুষৰ প্ৰতি বেয়া ভাব পোষণ কৰাৰ বাবে। গীতটোত যদিও এগৰাকী বন্য, অপবিত্ৰ কল্পনাপ্ৰসূত ভেনাচক বন্দনা কৰা হৈছে, তথাপিও লিজিয়াৰ কাণত, এই গীত মধুৰ হৈ উঠিল। ৰাজ-মুকুট পিন্ধি উৰ্দ্ধলোক লৈ চাই থকা চিজাৰো মহান ব্যক্তি হৈ পৰিল, তাইৰ চকুত। ভয়ৰ ভাবটোও বহুত কমিল।

প্ৰাৰ্থনা গীত শেষ হোৱাৰ লগে, লগে, স্তুতি বাক্যৰ জাউৰি উঠিল।—"কি ঐশ্বৰিক কণ্ঠস্বৰ!" সকলো দিশে ধ্বনিত হ'ল। প্ৰাৰ্থনাগীতৰ আৰম্ভণিতে, মি

কেইগৰাকী নাৰীয়ে আনন্দৰ প্ৰাচুৰ্য্য প্ৰদৰ্শন কৰি, ওপৰলৈ হাত দাঙি দিছিল, গীতটো শেষ হৈ যোৱাৰ বহু সময় পিচলৈকে, তেওঁলোক সেই একেটা ভঙ্গীতে থাকিল। কিছুমানে ভাব-বিহ্বল হৈ, চকুপানী টুকিলে। চাৰিওফালে উত্তেজিত ভাবৰ গুঞ্জন উঠিল। সোণালী কেশ-শোভিত মস্তক অৱনত কৰি, পপিয়াই নিৰোৰ হাতত ওঁঠ দুটাৰে চেপি ধৰিলে। এইদৰে বহু সময় নীৰৱে হ'ল পপিয়া। অতীব সুদৰ্শন গ্ৰীক যুৱক, পাইথাগোৰাচ্ সম্ৰাটৰ ভৰিত দীঘল দি পৰিল।

(পাচত আধা পগলা চিজাৰে পুৰোহিত মাতি, আড়ম্বৰে এই গ্ৰীক যুৱকক বিয়া কৰাইছিল)

তথাপিও, যিজন মানুহৰ মুখলৈ, চিজাৰে অতি সন্তৰ্পণে চাই আছিল, তেওঁ হ'ল পেট্ৰোনিয়াচ। সকলো মানুহৰ মন্তব্যতকৈ, পেট্ৰোনিয়াচৰ মন্তব্যক তেওঁ অধিক মূল্য দিছিল। পেট্ৰোনিয়াচে এইদৰে নিজৰ মত জনালে: "এই গীত শুনিলে, স্বয়ং অৰ্ফিয়ুচো ঈৰ্ষাত হালধীয়া হৈ পৰিব। এতিয়া লুচানৰো দেখ-দেখকৈ সেই অৱস্থাই হৈছে। কবিতা কেইফাঁকি অলপ কম ভাল হোৱা হলেহে সমালোচনা কৰিব পৰা গলহেতেঁন। তেতিয়াহে ৰচনাৰ সাৱলীলতা দেখুৱাই, গুণ কীৰ্ত্তন কৰাৰ উপযোগী ভাষা বিচাৰি পালোহেঁতেন।"

এই উক্তি লুচানে ভালভাৱে গ্ৰহণ কৰিলে। বুজাবুজিৰ ভাৱত, বক্তাৰ লগত দৃষ্টি বিনিময় কৰি, সাময়িক ৰসিকতাখিনি উপলব্ধি কৰিব নোৱাৰা যেন দেখুৱাই তেওঁ কবলৈ ধৰিলে, "হায়। হায়! মোৰেই দুৰ্কপাল যে, এনে এজন কবিৰ সমসাময়িক হৈ জন্ম ললো। নহলে, জগতৰ মানুহৰ স্মৃতিৰ বুকুত ঠাই পালোহেঁতেন, মই। ঠাই পালোহেঁতেন, গৌৰৱৰ উচ্চ শিখৰত। কিন্তু এতিয়া চিজাৰে মোৰ সকলো গ্ৰাস কৰি পেলালে—চাকিৰ পোহৰ বেলিৰ পোহৰে গ্ৰাস কৰি পেলোৱাৰ দৰে।"

পেট্ৰোনিয়াচৰ স্মৃতিশক্তি প্ৰখৰ। এইবাৰ তেওঁ কবিতাটোৰ কিছুমান বিশেষ পংক্তি পুণৰাবৃত্তি কৰি, শব্দ সম্ভাৰ ফঁহিয়াই দেখুৱাই, ভাব সৌন্দৰ্য্যৰ প্ৰশংসা কৰিলে। লুচানেও বিমুগ্ধ হৈ, পেট্ৰোনিয়াচৰ উক্তি সমৰ্থন কৰিলে, আৰু নিজৰ স্তৱকাৰী উক্তি কিছুমানো তাত যোগ দিলে।

নিৰো আনন্দিত হ'ল। কবিতাটোৰ যি কেইশাৰী তেওঁৰ বিশেষকৈ ভাল লাগে, আৰু উৎকৃষ্ট বুলি নিজে ভাবে, সেই কেইশাৰী এবাৰ উনুকিয়াই লৈ তেওঁ লুচানক সান্ত্বনা দি কলে যে, তেওঁ ইমান হতাশ হোৱা উচিত নহয়। কাৰণ প্ৰতিজন মানুহে, এটা বিশেষ গুণ লগত লৈ আহে; কৰ্মক্ষেত্ৰত ভাবে

বিকাশ ঘটে। মানুহে জুপিটাৰক সৰ্ব্বশ্ৰেষ্ঠ দেৱতাৰূপে বন্দনা কৰিলেও, আন দেৱ-দেৱীক নমনাকৈ নাথাকে।

অসুস্থ হৈ পৰাৰ বাবে, পণিয়াই ভোজ সভা ত্যাগ কৰিবলৈ, ইচ্ছা প্ৰকাশ কৰাত, চিজাৰে তেওঁক হাতত ধৰি লৈ গল। পণিয়াক লৈ যোৱাৰ পূৰ্ব্বে, তেওঁ অন্যান্য অতিথিসকলক নিজৰ ঠাই এৰি নাযাবলৈ, অনুৰোধ কৰিলে। অলপ পাচতে তেওঁ উলটি আহিল। পেট্ৰোনিয়াচ্ আৰু টাইগেলিনাচৰ লগত পৰামৰ্শ কৰি, আয়োজন কৰা, নতুন ধৰণৰ কিছুমান দৃশ্যাভিনয় উপভোগ কৰাৰ কথা, তেওঁ পাহৰা নাছিল।

আৰম্ভণিতে, আৰু কিছুমান কবিতাৰ আবৃত্তি চলিল; সংখ্যাত সৰহ হলেও আটাইবোৰ নিম্ন শ্ৰেণীৰ কবিতা। তাৰ পাচত, প্ৰখ্যাত অনুকৰণকাৰী শিল্পী পেৰিচে, আইনাকুচ বজাৰ জীয়ৰী আইওৰ অভিযানসমূহৰ চং দেখুৱাবলৈ ধৰিলে। লিজিয়াৰ মনলৈ আহিল, এনে বসাল, চমকপ্ৰদ দৃশ্য কোনেও দেখা নাই। গা আৰু হাত দুখনেৰে নানান অঙ্গী, ভঙ্গী কৰি, পেৰিচে কিছুমান কথাৰ আভাস দিলে,—যিবোৰ কথা আন ধৰণে প্ৰকাশ কৰা নাযায়। হাত দুখনেৰে শূণ্যত আঘাত কৰি, তেওঁ বুজালে,—উজ্জ্বল, চঞ্চল মেঘৰ বুকুত সৃষ্টি হোৱা, আনন্দৰ শিহৰণ—যাক কুমাৰী বক্ষৰ উল্লাসৰ কঁপনিৰ লগত তুলনা কৰা যায়। এইয়া নৃত্যৰ ভঙ্গিমা নহয়,—অভিনয়ৰ মৌন ভঙ্গিৰে ফুটাই তোলা এখন ছবি; প্ৰেম-ৰহস্যৰ ব্যঞ্জনা দিয়াই তাৰ উদ্দেশ্য। ইয়াৰ পাচত আহিল,—কোৰাইবেইন্‌টিজ্ নামৰ পূজাৰীসকল। চিৰিয়া দেশৰ নাচনীৰ নাচৰ ছেৱে, ছেৱে, এওঁলোকে যেতিয়া জিথাৰ, (তানপুৰৰ দৰে এবিধ বাদ্যযন্ত্ৰ) বাঁহী, তাল, খঞ্জৰী আদি বজাই বন্য চিঞৰ আৰু বৰ্ব্বৰ উল্লাসত মতলীয়া হৈ উঠিল, তেতিয়া লিজিয়াৰ মনলৈ আহিল, যেন আটাগখন ভাঙি, আলহীসকলৰ মূৰতে পৰিব। কিন্তু মূৰৰ ওপৰত থকা সোণালী জালিকটা আটালৰপৰা, গোলাপ ফুলহে পৰিবলৈ ধৰিলে। কেৱল সোণালী গোলাপ আৰু গোলাপ! তাইৰ কাষতে বহি থকা ভিনিকিয়াচে মদিৰ কণ্ঠে কবলৈ ধৰিলে,

"যি মুহূৰ্ত্তত অলাচৰ ঘৰত, নিজৰাৰ কাষত, তোমাক প্ৰথম দেখিছিলো, সেই মুহূৰ্ত্ততে মোৰ প্ৰাণত ভাল পোৱাৰ ভাব জাগি উঠিছিল। তেতিয়া আছিল, উষাৰ সময়। তুমি ভাবিছিলা, পৃথিবীৰ কোনো মানুহে তোমাক দেখা নাই, কিন্তু মই দেখিছিলো। এতিয়া পেপ্‌লামখনৰ আঁৰত তোমাৰ দেহ ঢাক খাই আছে যদিও সেইদিনা দেখাৰ দৰে, আজিও মই তোমাৰ সেই ৰূপ দৰ্শন কৰিছো।

ক্রিচ্‌পিনিলাৰ দৰে, তুমিও পেপ্‌লাৰ্মথন গাৰ পৰা পিচলি যাবলৈ দিয়াচোন,- দেখিবা, দেৱতা, মানৱ, সকলো প্ৰেমতৃষ্ণাত উন্মাদ হৈ উঠিছে। পৃথিবীত প্ৰেমৰ বাহিৰে একো নাই,—মাত্ৰ আছে প্ৰেম! মোৰ বুকুত মুৰ থৈ চকু দুটা মুদি দিয়া।"

তেওঁৰ কুম দুটাত, আৰু হাতৰ নাড়িত, দ্ৰুত গতি বেগৰ শব্দ! তাই গোটেই দেহতে অনুভৱ কৰিলে,—আচন্দ্ৰাই ধৰাৰ দৰে অৱশ দুৰ্ব্বলতা! তাই যেন গভীৰ পানীত পৰি ককবকাই আছে আৰু ভিনিকিয়াচে উদ্ধাৰ কৰিবলৈ চেষ্টা নকৰি, জলাশয়ৰ অতল তলিলৈ তাইক টানি নিব খুজিছে,—মহাশত্ৰুৰ দৰে। তাইৰ মনত ভীতিৰ সঞ্চাৰ হ'ল,—ভয় লাগিল, ভোজ সভাখনলৈ,— ভিনিকিয়াচলৈ আৰু নিজলৈও।

তাৰপাচত তাইৰ অন্তৰত, পম্পোনিয়াৰ মাতৰ দৰে মাত এটাই চিএৰি কলে, "লিজিয়া, সাৱধান!" ভিন এটা কণ্ঠই উচ্চস্বৰে জনালে,—"এতিয়া বহুত পলম হৈ গল।" উত্তপ্ত পৰিবেশৰ মাজত, উত্তেজনাভৰা দৃশ্য চাই থকাৰ বাবে, ভিনিকিয়াচৰ কণ্ঠস্বৰে তাইৰ বুকুত কঁপনিৰ ঢৌ তুলিছিল। নিজকে তাইৰ দোষী, দোষী, লাগিবলৈ ধৰিলে। তাই নিজকে হেকৱাই পেলাইছে, উদ্ধাৰৰ আশা আৰু নাই,—এনে এটা ভাবে তাইৰ অন্তৰ অধিকাৰ কৰিলে।

কিন্তু এতিয়ালৈকে এই উৎসৱৰ সমাপ্তি ঘটা নাই। দাসবিলাকে নতুন, নতুন খাদ্যসম্ভাৰ আনিয়েই আছে। আলহীসকলৰ পুষ্প-মাল্য শোভিত পান-পাত্ৰত সিহঁতে সুৰা ঢালিবই লাগিছে।

ইতিমধ্যে অৰ্দ্ধচন্দ্ৰাকাৰ প্ৰধান মেজখনৰ সন্মুখত, দুজন মল্লবীৰ উপস্থিত হ'ল। নিমিষতে সিহঁতে যুদ্ধ আৰম্ভ কৰি দিলে। সিহঁতৰ তেল-পিচল দেহ দুটা এক হৈ, একেটা মাংসপেশী যেন দেখা গল। পৰস্পৰৰ বলিষ্ঠ বাহুৰ চেপাত, হাড়বোৰ মটমটাই উঠিল আৰু থুঁতৰিৰ পৰা দাঁত কামোৰাৰ শব্দ ওলাল। কোনোবা এটা মুহূৰ্ত্তত, সিহঁত প্ৰস্তৰ মূৰ্ত্তিৰদৰে বৈ গল,—পিচ মুহূৰ্ত্ততে, পুনৰ যুঁজিবলৈ ধৰিলে। সিহঁতৰ উদং ভৰিৰ দপদপনিত, মজিয়াৰ হালধীয়া পাথৰবোৰ জনজনাই উঠিল। ৰোমানসকলে সিহঁতৰ মেৰুদণ্ড, কলাফুল আৰু বাহুৰ শক্তিশালী পৰিচালনা, বৰ আনন্দেৰে উপভোগ কৰিবলৈ ধৰিলে। কিন্তু এনে শক্তি পৰীক্ষা বহু সময়লৈকে চলি থাকিব নোৱাৰে। অৱশেষত মালযুঁজাকৰ শিক্ষাকেন্দ্ৰৰ গুৰু ক্ৰোটোৱে, গোটেই সাম্ৰাজ্যৰ ভিতৰতে শক্তিশালী ৰূপে থকা নিজৰ সুনামৰ সাৰ্থকতা প্ৰদৰ্শন কৰিলে। তাৰ প্ৰতিদ্বন্দ্বীয়ে মন মনকৈ উশাহ লবলৈ ধৰিলে,

মানুহটোৰ মুখখন নীলা হৈ আহিল ; কাহি, কাহি, তেজ বমিয়াই সি মাটিত পৰি গল।

যুদ্ধৰ শেষত, যেতিয়া পৰাজিত যোদ্ধাৰ পিঠিত ভৰি এটা থৈ, নিজৰ প্ৰকাণ্ড বাহু দুটা সাবটি লৈ, বিজয়ীৰ গৰ্ব্বেৰে কোঠটোৱে চকু ঘূৰাই, দৰ্শকসকলক কেউপিনে চাবলৈ ধৰিলে, তেতিয়া প্ৰশংসাৰ ধ্বনি মুখৰিত হৈ উঠিল।

তাৰপাচত আহিল, জন্তুৰ চিঞৰৰ অনুকৰণকাৰীদল, বাজিকৰ আৰু বহুৰা। মদৰ জালত আটাইবে চকু মুদ খোৱা অৱস্থা! গতিকে এইবিলাকত কোনেও উৎসাহ নেদেখুৱালে। তদুপৰি চিৰিয়াৰ নাচনীহঁতো এতিয়া অতিথিসকলৰে সৈতে মিলি গৈছে। জিথাৰ, বীণ, আৰ্ম্মেনিয়াৰ তাল, মিছৰৰ চিচট্ৰা বা টিলিঙা, ঢোল, পেপা আদিৰ শব্দও বেসুৰা কোলাহলত পৰিণত হৈছে।

অতিথিসকলৰ কিছুমানে কথা, বক্তৃতা পাতি থাকিবলৈ ইচ্ছা কৰাত, সঙ্গীতজ্ঞ-সকলক উলিয়াই পঠিয়াব লাগে বুলি চিঞৰ, বাখৰ লাগিল। মানুহবোৰৰ ভৰিত, অতি ধুনীয়া বালক কিছুমানে সকলো সময়তে, সুগন্ধি তেল ঘঁহি আছিল বাবে, ভোজন কক্ষটোৰ বায়ুস্তৰ সুৰভিত হৈ পৰিছিল। মানুহবোৰৰ নিশ্বাস, আৰু ফুল আৰু জাফ্ৰানৰ গোন্ধত, বায়ুস্তৰ এনেদৰে ভৰি উঠিছিল যে, উশাহ লোৱাও কষ্টকৰ হৈ উঠিছিল। ওপৰৰ পৰা, চাকিৰ অস্পষ্ট পোহৰ আহি, ঘৰ্ম্মসিক্ত কপালবোৰৰ ওপৰত পৰিছিল, ফুলৰ মালাবোৰ খহি গৈছিল।

ভাইটেলিয়াচ্ এইবাৰ মেজৰ তলত সোমাই, অদৃশ্য হৈ গল। নিগিদিয়াৰ দেহৰ ওপৰৰ অংশ অনাবৃত ; মদৰ জালত একো কৰ নোৱাৰা হৈ, তাই লুচানৰ বুকুত মূৰটো থলে। পানোন্মাদ লুচানে, তাইৰ মূৰৰ কেঁকোৰা চুলি-বোৰত সনা সোণালী ৰঙৰ গুৰিবোৰ, মুখেৰে ফুঁৱাই আঁতৰাবলৈ ধৰিলে।

ভেচ্‌টিনাচে দশমবাৰলৈ একেটা কথাকে কৈ আছিল।—মপ্‌চাচ্ দেৱতাই কিদৰে প্ৰাদেশিক শাসনকৰ্ত্তাৰ মোহৰমৰা চিঠিখনৰ উত্তৰটো দিছিল, তাকে কৈ অন্ত কৰিব পৰা নাছিল। দেৱতাক বিদ্ৰূপৰ চকুৰে চোৱা, শেতা মুখীয়া টিউলিয়াচে হেঁকটিয়াই, হেঁকটিয়াই কবলৈ ধৰিলে,

"জেনোফোনে উল্লেখ কৰা গোলকস্থটোক, কোনোবাই যদি দেৱতা বুলি মানি লয়, তেন্তে সেইজন দেৱতাক, পিপা এটাৰ নিচিনাকৈ, বগৰাই লৈ ফুৰিব পৰা যাব।"

এই কথাত, দুৰ্নীতিপৰায়ণ, টুটকীয়া স্বভাৱৰ ডোমিটিয়াচ্ একাৰ খণ্ডত দপদপাই উঠিল। খঙৰ কোবত তেওঁ ফেলাৰ্ণিয়ান মদ এনোপাৰে নিজৰ কুৰ্ত্তাটো

বুৰাই পেলালে। তেওঁ উচ্চস্বৰে ঘোষণা কৰিলে: এতিয়াও তেওঁ দেৱতাক বিশ্বাস কৰে। মানুহে কয়, ৰোমৰ নিশ্চয় পতন ঘটিব। সঁচাকৈয়ে ঘটিব। ৰোমৰ যদি পতন ঘটে, তেন্তে দেৱতাক বিশ্বাস নকৰা কিছুমান ভেকা মানুহৰ দোষৰ বাবেই ঘটিব। ধৰ্ম্ম বোলা বস্তুটো যে নোহোৱা হৈছে, এই কথা ধ্ৰুৱ! আগৰ দিনৰ কঠোৰ ৰীতি-নীতি আটায়ে এৰি পেলাইছে। খাই, বৈ স্ফুৰ্ত্তি কৰাকে জীৱনৰ মূল বুলি ধৰি লোৱা এপিকিউৰাচৰ শিষ্যই, এতিয়া অসভ্য, বৰ্ব্বৰ জাতিৰ মানুহকো চেৰ পেলাব। নহয় জানো? বিপদ অৱশ্যম্ভাবী। নিজে ইমান দিন জীয়াই থকাৰ বাবে, তেওঁ দুখ কৰিলে। দেশ প্ৰেমিকৰ হতাশাই তেওঁৰ অন্তৰ খুলি, খুলি খাইছে। সকলো পাহৰি থাকিবৰ কাৰণে, আমোদ-প্ৰমোদত গা ঢালি দিবলৈ, তেওঁ বাধ্য হৈ পৰিছে। ইয়াকে কৈ, তেওঁ চিৰিয়া দেশৰ নাচনী এজনীক খাপ মাৰি ধৰি, সোলা মুখখনেৰে তাইৰ কান্ধত আৰু পিঠিত চুমা খাবলৈ ধৰিলে। তাকে দেখি, মেম্মিয়াচ্ ৰেগুলাচ্ নামৰ বিৰয়া এজনে ঢেকঢেকাই হাঁহি, গৰম হৈ উঠা মূৰটো ওপৰলৈ তুলি চিঞৰ ধৰিলে, "কোনে কয় ৰোমৰ পতন ঘটিব? কি মূৰ্খামি! ৰাজ বিষয়া হিচাবে মই এটা কথা জানো। বেচ! হয়, মই জানো যে, ৰোমান সাম্ৰাজ্যৰ শান্তি অব্যাহত ৰাখিবলৈ, একুৰি দহোটা বৃহৎ সেনা বিভাগ আছে, আৰু প্ৰতি বিভাগতে আছে, তিনি হাজাৰৰপৰা ছহেজাৰলৈকে সৈন্য।"

নিজৰ কুম দুটাত খোচা মাৰি, তেওঁ টেটুফালি চিঞৰিলে, "ত্ৰিশটা বিভাগ! ত্ৰিশটা! হয়, বৃটেইনৰপৰা পাৰ্থিয়ান সীমান্তলৈকে!"

হঠাৎ তেওঁক ভাবুক যেন দেখা গল। কপালত আঙুলি থৈ, তেওঁ অলপ-পৰ ভাবিবলৈ ধৰিলে।

"নহয়।" তেওঁ চিঞৰি উঠিল, "বত্ৰিশটা বিভাগ আছে।" লগে, লগে, মেজৰ তলত পৰি, তেওঁ লুটি বাগৰ মাৰিবলৈ ধৰিলে। তাৰপাচত, ফ্লেমিংগো চৰাইৰ জিভা, পোৱা লিক, বৰফত দিয়া কাঠফুলা, মৌমি দিজোৱা লোকাষ্ট মাহ, মাছ, মাংস আদি বিসোপা ভক্ষণ কৰিছিল, আটাইবোৰ বস্তিয়াই উলিয়াবলৈ ধৰিলে।

ইফালে, ৰোমৰ শান্তি ৰক্ষাৰ বাবে নিযুক্ত থকা, সেনাবিভাগৰ বৃহৎ সংখ্যাটো শুনাৰ পাচতো, ভোমিটিয়াচ্ আশ্বস্ত নহল।

"নহয়, নহয়।" তেওঁ কলে, "ৰোমৰ পতন হবই। কাৰণ, মানুহে দেৱতাৰ ওপৰত বিশ্বাস হেৰুৱাইছে, আৰু লগতে নৈতিকতাৰো পতন ঘটিছে। হয়,

এদিন বোম ৰাবই শেষ হৈ। পিচে, কিটোলো হ'ব ? জীৱন মধুৰ, চিন্তাৰ মহান, আৰু এই সুৰাও সুস্বাদু। পুণৰ কওঁ মই, হ'ব কিটো ?" ইয়াকে কৈ তেওঁ বেকাচ্ দেৱতাৰ পুৰোহিতনী এগৰাকীৰ কান্ধত মূৰ গুজি কান্দিবলৈ ধৰিলে।

"ভৱিষ্যতৰ কালে বুঢ়া আঙুলি দেখুৱাওঁ।" অলপ পাচতে তেওঁ পুণৰ বকলা মেলিলে, "এৰিকিলিজে কোৱা কথাই ঠিক। চিমেৰিয়ান্ দেশৰ ৰজা হোৱাতকৈ, এই পৃথিৱীত অতি নিঃকিন গৰখীয়া হৈ থকাও ভাল।"

ইতিমধ্যে লুচানে, নিগিদিয়াৰ চুলিৰপৰা সোণালী ৰেণুৰ শেষ কণাটোও, ফুৱাই আঁতৰালে। তাই টোপনিত ঘোৰঘোৰাবলৈ ধৰিলে। ওচৰতে থকা সুৰাপাত্ৰ এটাত মেৰিয়াই থোৱা আইভিলতা এডাল একৰাই আনি, শুই থকা তিৰোতাজনীৰ মূৰলৈ দলিয়াই দি, লুচানে তাইক মালা পিন্ধালে। তাৰপাচত নিজেও তেনেকুৱা মালা এডাল পিন্ধি লৈ, গম্ভীৰ বিশ্বাসৰ সুৰেৰে মন্তব্য কৰিলে,

"মই মানুহ নহওঁ। মই ফন্ দেৱতা।"

পেট্ৰোনিয়াচে মদৰ নিচাৰপৰা নিজকে বচাই ৰাখিছিল। নিৰোৱে প্ৰথমতে নিজৰ সুন্দৰ মাতটো, বেচিকৈ মদ খালে নষ্ট হ'ব বুলি ভয় কৰিছিল যদিও, পাচত পিয়লাই পিয়লাই গিলিবলৈ আৰম্ভ কৰিলে। অৱশেষত তেওঁ সম্পূৰ্ণ মাতাল হৈ উঠিল। পুণৰ তেওঁ কিবা গাবলৈ চেষ্টা কৰিলে,—এইবাৰ গ্ৰীক ভাষাত,—কিন্তু মনত পেলাব নোৱাৰিলে। তাৰ ঠাইত, এনেক্ৰেয়নৰ গীত এটাকে, টেটু ফালি চিঞৰি গাবলৈ ধৰিলে। পাইথাগোৰাচ, ডিওডোৰাচ, আৰু টাৰ্পনোচে তেওঁৰ লগত সমস্বৰে যোগ দিলে। পাচত নিজৰ অক্ষমতাৰ কথা বুজিব পাৰি যোগদানকাৰীসকল নীৰৱে ৰ'ল।

এইবাৰ নিৰোৱে কলাৰ সূক্ষ্ম বিচাৰক আৰু সৌন্দৰ্য্যৰ উপাসক হিচাবে, পাইথাগোৰাচৰ সৌন্দৰ্য্যৰ বিশদ বৰ্ণনা দিবলৈ ধৰিলে আৰু বিমুগ্ধ হৈ যুৱকৰ হাতত চুমা খালে। "এনেকুৱা ধুনীয়া হাত, সেই, সেই—" বুলি চিঞৰি কৈ, নিজৰ কপালত থামুচি ধাৰ, মনত পেলাবলৈ চেষ্টা কৰিলে। হঠাৎ তেওঁৰ মুখ কেহুৰাৰ বটা যেন হ'ল। তেওঁৰ মাতৃৰ ? হয়, এই হাতৰ লগত তেওঁৰ মাতৃ এগ্ৰিপিনাৰ হাতৰ সাদৃশ্য আছে। অতীতৰ ক'লা ছাঁ কিছুমান তেওঁৰ চকুৰ আগত ভাঁহি উঠিল।

"মানুহে কয়," তেওঁ কবলৈ ধৰিলে, "জোনাক নিশা, বেয়াই আৰু বাউলাৰ চাৰিওকাষে থকা পানীৰ ওপৰেদি, তেওঁ এতিয়াও ধৰকৈ অহা, যোৱা কৰে। কিবা বিচাৰি ফুৰাৰ দৰে, তেওঁ সদায় ঘূৰি ফুৰে। মাজে, মাজে, একোখন জাহাজৰ

কাষলৈ আহি, তেওঁ একেখিৰে চাই থাকে। তাৰ পাচত হঠাৎ অদৃশ্য হৈ যায়। কিন্তু যিজন মানুহবীয়াৰ ওপৰত, তেওঁৰ চকু পৰে, সেইজনৰ মৃত্যু অনিবাৰ্য্য।"

"কবিতা লেখাৰ উপযোগী বিষয় বস্তু," পেট্ৰোনিয়াচে মন্তব্য কৰিলে। ইফালে আকৌ ভেচ্‌টিনাচে কণামুচৰীৰ নিচিনা দীঘল ডিঙিটো মেলি মুখেৰে ৰহস্য ব্যঞ্জক শব্দ কৰিবলৈ ধৰিলে।

"মই দেৱতা বিশ্বাস নকৰো।" তেওঁ জনালে, 'কিন্তু প্ৰেতাত্মা বিশ্বাস কৰো। এইয়া হ'ল,—"

নিৰোৱে কাৰো কথালৈ কাণ দিয়া নাছিল।

"মই প্ৰেতকৰ্ম্ম সুচাৰুৰূপে সম্পন্ন কৰিছিলো।" তেওঁ কবলৈ ধৰিলে, "কাৰণ তেওঁক তুনাই দেখাৰ ইচ্ছা মোৰ নাছিল। পাঁচ বছৰ! পাঁচ বছৰ হৈ গল,— মই বাধ্য হৈছিলো, তেওঁক প্ৰাণদণ্ড দিবলৈ। আপোনালোকক মই ইয়াকে জনাওঁ, মোক বধ কৰিবলৈ তেওঁ হত্যাকাৰী নিযুক্ত কৰিছিল। সেই কথা, মই আগতেই গম পাইছিলো। নহলে আজি নিশা আপোনালোকে মোৰ গীত নুশুনিলেহেঁতেন।"

"চিজাৰ! আমি আপোনাক ধন্যবাদ জনাওঁ।" ডোমিটিয়াচ্ এফাৰে চিঞৰি কলে, "এই ৰোম নগৰীৰ হৈ, গোটেই বিশ্বৰ, হৈ আমি আপোনাক ধন্যবাদ জনালো।"

"সুৰা! বজ্ৰ নিনাদে বাজি উঠক সকলো বাদ্য।"

পুণৰ আৰম্ভ হ'ল, নানা বাদ্যৰ সান মিহলি কাণ তাল মৰা শব্দ!

আটাইবোৰ শব্দকে চেৰ পেলাই, সেউজীয়া ভূষণ পিন্ধা নুচানে, আসনৰ পৰা উঠি চিঞৰিলে, "মই মানুহ নহওঁ! মই ফন্ দেৱতা! মই বনত থাকো। উ উ-উ!"

চিজাৰো মাতাল হৈ উঠিছে। নাৰী, পুৰুষ সকলো মাতাল। আনবোৰৰ দৰে ভিনিকিয়াচো এতিয়া মাতাল। প্ৰকৃততে তেওঁৰ মনত, কামনা আৰু কাজিয়া কৰাৰ ইচ্ছাৰ মাজত সংঘৰ্ষ চলিছে। গলগলীয়া মাতেৰে চিঞৰি কথা কৈ থাকোঁতে তেওঁৰ মুখখন অন্ধকাৰ দেখা গৈছে।

"লিজিয়া! তোমাৰ ওঁঠ দুটি মোক দিয়া। আজি বা কাইলৈ,—একে কথা। চিজাৰে তোমাক অলাচৰ তাৰপৰা অনাইছে, মোৰ হাতত দিবলৈকে। শুনিছানে? কাইলৈ গধূলি মই তোমাক ইয়াৰপৰা লৈ যাবলৈ, মানুহ পঠিয়াম। শুনিলানে কথাটো? চিজাৰে তোমাক মোৰ হাতত দিবলৈ প্ৰতিশ্ৰুতি দিছে। তুমি মোৰ

হবাই। তোমাৰ ওঁঠ দুটা দিয়া,—দিয়া। কালিলৈকে আৰু অপেক্ষা কৰিব নোৱাৰো। শীঘ্রে! তোমাৰ ওঁঠ,—তোমাৰ ওঁঠ!"

তেওঁ তাইক সাবটি ধৰিলে। মৰো, জীওঁকে, তাই নিজকে মুক্ত কৰিবলৈ চেষ্টা কৰিলে। মনে, মনে তাই অনুভৱো কৰিলে,—আত্মসমৰ্পণ কৰিব লাগিবই। ভিনিকিয়াচৰ মসৃণ বলিষ্ঠ বাহুৰপৰা, নিজকে মুক্ত কৰিবলৈ, তাই মিছাকৈয়ে চেষ্টা কৰিলে। ত্ৰাস আৰু তিক্ততা মিহলি মাতেৰে, তাই বৃথাই কাকুতি, মিনতি কৰিলে, তাইক এৰি দিবলৈ,—তাইৰ প্ৰতি সদয় হবলৈ।

তেওঁৰ নিশাসৰপৰা, সুৰাৰ উগ্ৰ গোন্ধ ওলাবলৈ ধৰিলে। নিশাসৰ কুঁৱলীৰ মাজত, তাই ছটফটাই ৰ'ল। তেওঁৰ ক'লাপৰা মুখখন, আৰু বেচি ওচৰ চাপিল। এতিয়া তেওঁ আগৰ সেই সজ ভিনিকিয়াচ নহয়! তাইৰ ভাল লগা পুৰুষজন নহয়! এইজন এজন বেলেগ মানুহ,—বন্য কামনাৰে ভৰা এজন অসৎ ব্যক্তি। গাৰ কাৰলৈ, তাইক সজোৰে টানি আনোতে, তাই মুৰটো পিচলৈ নি মিছাকৈয়ে চেষ্টা কৰিলে,—চুমা বৰ্ষণৰপৰা নিজকে ৰক্ষা কৰিবলৈ। নিজৰ মুৰটো ওপৰলৈ কৰি, তাইক হাতত ধৰি টানি আনি, ভিনিকিয়াচে তাইৰ মুৰটো তললৈ কৰি, বুকুত হেঁচা মাৰি ধৰিলে, আৰু ৰুদ্ধশ্বাসে তাইৰ শেতা পৰি যোৱা ওঁঠত, নিজৰ কামনা-তপ্ত ওঁঠ দুটা জোৰেৰে লগাই দিলে।

হঠাৎ এটা প্ৰচণ্ড শক্তিয়ে, শিশুৰ হাত ওফৰাই দিয়াৰ দৰে, তেওঁৰ হাতৰ বান্ধ ওফৰাই দিলে। তেওঁক এনেদৰে পিচলৈ ঠেলি পঠিয়ালে যেন তেওঁ এডাল খেৰ বা এটা শুকান পাতহে। কি হ'ল এইয়া? স্তম্ভিত হৈ ভিনিকিয়াচে চকু মোহাৰি চাই দেখিলে,—তেওঁৰ পিচফালে থিয় দি আছে, দৈত্যাকাৰ লিজিয়ান উৰচাচ্।

উৰচাচ্ একে ঠাইতে ৰ'ল। কিন্তু ভিনিকিয়াচৰ মুখলৈ সি এনে এটা অদ্ভুত চাৱনিৰে চাবলৈ ধৰিলে যে, সেই দৃষ্টিৰ সন্মুখত, যুৱকৰ শৰীৰৰ তেজ হিম হৈ গল। তাৰপাচত, দৈত্যাকায় ভৃত্যটোৱে তাৰ কুঁৱৰীক দুই হাতেৰে তুলি লৈ, শান্তভাৱে ভোজন কক্ষ ত্যাগ কৰিলে। এক্টিও পিচে, পিচে গলগৈ।

কেই মুহূৰ্ত্তমানলৈ ভিনিকিয়াচ প্ৰস্তৰ মূৰ্ত্তিৰ দৰে থিয় দি থাকিল। তাৰ পাচত একে জাপে দুৱাৰৰ ফালে গৈ চিঞৰিলে, "লিজিয়া! লিজিয়া!"

কাম-লিপ্সা, কিংকৰ্ত্তব্যবিমোৰতা, ক্ৰোধ আৰু নিচাত তেওঁৰ ভৰি দুটা অচল হৈ পৰিল। থৰক-বৰক কৈ গৈ, তেওঁ উক্তি পাই, চিৰিয়া দেশীয় পুৰো-

হিতনী এগৰাকীৰ নগ্ন কান্ধ দুটাত খুন্দা মাৰি, চকু টিপিয়াই, টিপিয়াই, হুকাৰ দি উঠিল, "কি হ'ল ঘটনাটো ?"

তিৰোতাগৰাকীয়ে চকুৰে ধোৱাঁ-কোঁৱা দেখিলে যদিও, হাঁহি এটা মাৰি, সুৰাপাত্ৰ আগবঢ়াই দি, আদৰেৰে কলে,

"এইয়া পি লওক।"

সেই টুপি ধৰিয়েই, তেওঁ শিলৰ স্তম্ভৰ কাষত বাগৰি, অচেতন হৈ পৰিল। এই সময়ত, সৰহভাগ আলহীয়েই, মেজৰ তলত পৰি দবৰা দবৰি কৰি আছিল। কেইজনমানে কোঠাটোত বাগৰি, বাগৰি, মাজে, মাজে বেৰত খুন্দা খাইছিল। কিছুমানে বহি, বহিয়েই টোপনি গৈছিল আৰু সময়ে, সময়ে টোপনিৰপৰা উঠি তিতিৰ গুৰিলৈকে পিয়া মদবোৰ বতিয়াই ঢালিয়াই আছিল।

এই মদাহীজাকৰ মূৰৰ ওপৰত,— বিচাৰক, চিনেটৰ সভ্য, নাইট, কবি, দাৰ্শনিক, নৃত্য বিশাৰদ, আৰু সম্ভ্ৰান্ত ঘৰৰ নাৰীবৃন্দৰ ওপৰত,— শক্তিশালী যদিও, নিজৰ আত্মা হেৰুৱাই পেলোৱা এই মানুহবোৰৰ গাত— ফুলৰ সাজেৰে সাজি অন্ধকাৰৰ অতল গৰ্ভলৈ পতিত হোৱা, এই ব্যভিচাৰী লম্পটইতৰ মূৰত,— সোণালী জালিকটা আটালৰপৰা, গোলাপ ফুলৰ বৰ্ষণ অবিৰাম চলি থাকিল।

লাহে, লাহে বহিৰ্জগতত উষাৰ আবিৰ্ভাৱ হ'ল।

॥ ৭ ॥

উৰচাচক কোনেও বাধা নিদিলে। কোনেও একো প্ৰশ্নও নকৰিলে। যিসকল আলহী মেজৰ তলত বাগৰি পৰা নাছিল, তেওঁলোকে সেই ঠাই এৰি গ'ল। সেইবাবে এগৰাকী মহিলাক এইদৰে দৈত্য যেন মানুহ এটাই কঢ়িয়াই নিয়া দেখি, পৰিচাৰকইতে ভাবিলে, কোনোবা দাসে মাতাল অৱস্থাত থকা গৰাকীয়নীক ঘৰলৈ লৈ গৈছে। তদুপৰি নগৰত এক্তি থকা বাবে, সন্দেহৰ থল নাথাকিল।

ভোজন কক্ষৰ পৰা ওলাই, তিনিও ওচৰৰ কোঠা এটাৰ মাজেদি গৈ, ওখ. চাপৰ আসনেৰে সজোৱা সুবৃহৎ কক্ষটো পাৰ হৈ, এক্তিৰ বাসভৱন অভিমুখে গ'ল। লিজিয়াৰ গাৰ সকলো শক্তি লোপ পাইছে। উৰচাচৰ কোলাত তাইৰ দেহ, প্ৰাণহীনৰ দৰে লেতু, লেতু হৈ পৰিল। লাহে, লাহে, ৰাতিপুৱাৰ নিৰ্মল বতাহৰ স্পৰ্শত, তাই চকু মেলিব পৰা হ'ল; দিনৰ পোহৰ ক্ৰমে উজ্জল হৈ আহিল। স্তম্ভ-শ্ৰেণীৰ কাষে, কাষে, কিছুদূৰ যোৱাৰ পাচত

তেওঁলোক দুৱাৰ এখনৰ কাষে ঘূৰিল। এইখন দুৱাৰেদি সোমালে, আড়ম্বৰ-পূৰ্ণ ৰাজদৰবাৰৰ ঠাইত, দেহ, মন জুৰোৱা বাগিছাবোৰ চকুত পৰে। এতিয়া বাগিছাৰ সৰল আৰু চাইপ্ৰাচ গছবোৰৰ আগত সূৰ্য্যৰ ৰঙীণ আভা পৰিছে।

ৰাজপ্ৰাসাদৰ এই অংশ, পৰিত্যক্ত অৱস্থাতে থাকে; উৎসৱৰ সঙ্গীত আৰু কোলাহলে এই ঠাই স্পৰ্শ নকৰে। লিজিয়াৰ মনলৈ আহিল, নৰকৰ-পৰা উদ্ধাৰ পাই, তাই এতিয়া ভগৱানৰ দান সূৰ্য্যৰ পোহৰ দেখিবলৈ পাইছে। সেই জঘন্য ভোজসভাৰ বাহিৰত, সচাঁকৈয়ে এখন ভিন জগত আছে! এইয়া ভগৱানে দান কৰা উষা আৰু সূৰ্য্যৰ ৰশ্মিৰে গঢ়া, শান্তিময় স্বৰ্গপুৰী। তাইৰ চকুপানী ওলাই আহিব খুজিলে; উৰচাচৰ কাষ চাপি গৈ, তাই কৰুকণ্ঠে জনালে, "ঘৰলৈ ব'লা উৰচাচ্! ঘৰলৈ—অলাচৰ ভালৈ।"

"হয়, আমি তালৈকে উলটি যাম।" দৈত্যাকাৰ মানুহটোৱে উত্তৰ দিলে। তাৰপাচত, তেওঁলোক এক্তিৰ বাসভৱনলৈ গৈ, সক এট্ৰিয়াম্ বা আগচ'ৰা এটাত সোমাল। ওচৰতে থকা, কৃত্ৰিম নিজৰা এটাৰ কাষৰ, মাৰ্ব্বল পাথৰৰ বেঞ্চ এখনৰ ওপৰত, উৰচাচে লিজিয়াক আলফুলকৈ বহুৱাই দিলে। লিজিয়াইও তাক, কিছু সময় শান্তিৰে জিৰণি লবলৈ অনুৰোধ কৰিলে। সম্ৰাটৰ আলহী-সকল, পুৰ্ণিলৈকে শুই থাকিব; গতিকে তাইৰ এতিয়া আৰু ভয় নাই। লিজিয়াই নিজৰ মনতহে অকণো শান্তি পোৱা নাই। হাতেৰে কুম দুটাত' হেচা মাৰি ধৰি, শিশুৰ দৰে, বাৰে, বাৰে তাই কবলৈ ধৰিলে, "ঘৰলৈ! ঘৰলৈ!"

উৰচাচেও তাইক লৈ যাবলৈ ইচ্ছা কৰিলে; নিৰাপত্তাৰক্ষী সেনা কেইটা মানে, ৰাজ-প্ৰাসাদৰ প্ৰৱেশ পথত পহৰা দি আছিল যদিও, ভিতৰৰ পৰা ওলাই অহা কোনো মানুহকে সিহঁতে বাধা নিদিয়ে! বিজয় উৎসৱ উপলক্ষে সজা, অৰ্দ্ধগোলাকাৰ প্ৰৱেশ দ্বাৰৰ সন্মুখত, সম্ৰাটৰ আলহীদল ওলাই যাবলৈ বাট চাই, দোলা কিছুমান ৰৈ আছে। গতিকে ওলাই যোৱাত বাধা পোৱাৰ প্ৰশ্নই নুঠে; মানুহৰ লগত মিলি গৈ, অতি সহজে গুচি যাব পাৰি। পিচত কি হ'ব, ভবাৰ সকাম নাই। উৰচাচৰ কুঁৱৰীয়ে তাক আদেশ কৰিছে, আৰু সেই আদেশ পালন কৰা তাৰ কৰ্ত্তব্য। এইবাবেই সি ইয়াত আছেহি।

লিজিয়াই আকৌ এবাৰ ক'লে, "ব'লা উৰচাচ, আমি যাওঁ গৈ।" তেওঁলোকৰ কাৰণে চিন্তা কৰিবলৈ, এক্তিৰ বাহিৰে আৰু কোনো নাই। তেওঁ এইদৰে যুক্তি দেখুৱালে: যাব পাৰিলে ভালেই হ'ব। বাধা দিওঁতা কোনো নাই।

কিন্তু চিজাৰৰ প্ৰাসাদৰ পৰা পলাই যোৱাৰ অৰ্থ হ'ল,—ৰাজসিংহাসনক অপমান কৰা। তাৰ উপযুক্ত শাস্তিও আছে। তেওঁলোক ধৰা পৰিলেই,—পিচে সেই একেদিনাই গধূলি, এজন সেনাধ্যক্ষই, কিছুমান সেনাৰে সৈতে গৈ, অ'লাচ আৰু পম্পোনিয়াৰ মৃত্যুদণ্ডৰ আদেশ ঘোষণা কৰি, লগতে লিজিয়াকো ৰাজপ্ৰাসাদলৈ ওলোটাই আনিলে, কি উপায় হ'ব? এনে স্থলত, মুক্তি লাভ কৰাৰ আশা এৰি, নিজকে তাই বিসৰ্জ্জন দিব লাগিব। অ'লাচ পৰিয়ালে পুণৰ যদি তাইক ঘৰত ৰাখে, তেন্তে তেওঁলোকৰ মৃত্যু নিশ্চিত। গতিকে তাই দুটাৰ ভিতৰত এটা বাছি লব লাগিব;—নিজৰ ধ্বংস, নাইবা প্লটিয়াচৰ ধ্বংস। ভোজ সভালৈ যোৱাৰ পূৰ্ব্বে, এক্তিয়ে ভাবিছিল,—পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচে লিজিয়াৰ হৈ এষাৰ কব, আৰু তাইক উদ্ধাৰ কৰি, পম্পোনিয়াৰ হাতত গটাই দিব। কিন্তু এতিয়া নিঃসন্দেহে কব পাৰি যে, এওঁলোক দুয়ো মিলি, অলাচৰ ঘৰৰ পৰা তাইক কৌশলেৰে আঁতৰাই অনাৰ সিদ্ধান্ত আৰু আঁচনি চিজাৰৰ মনত প্ৰথমে সুমুৱাই দিছিল। এনে পৰিস্থিতিত, উদ্ধাৰৰ আশা কৰা মিছা। আচৰিত কিবা এটা ঘটিলেহে, লিজিয়াই এই অন্ধকূপৰ পৰা মুক্তি পাব। এই আচৰিত ঘটনা সৰ্ব্বশক্তিমান ঈশ্বৰৰ বাহিৰে কোনেও ঘটাব নোৱাৰে।

"কিন্তু এক্তি!" হতাশাত চিঞৰি উঠিল, তাই! "ভিনিকিয়াচে কি কৈছিল শুনিছিলা নে? চিজাৰে মোক তেওঁৰ হাতত দিছে, আৰু আজি ৰাতি, মোক তেওঁৰ ঘৰলৈ নিবলৈ দাস পঠিয়াব।"

"হয়, তেওঁ কোৱা কথা মই শুনিছিলো।" এটা বিশেষ ভঙ্গীত হাত দুখন মেলি, এক্তিয়ে বুজালে, কথাটোৰ গুৰুত্ব কিমান। তেওঁ আৰু একোকে নকলে। তেওঁ মুক্তদাসী,—লিজিয়াৰ প্ৰাণত উঠা হতাশাৰ কঁপনিয়ে তেওঁৰ অন্তৰ স্পৰ্শ কৰিব নোৱাৰে। তেওঁ আছিল, চিজাৰৰ ৰক্ষিতা; তেওঁৰ অন্তৰখন ভাল হলেও, নাৰী, পুৰুষৰ এনে সম্পৰ্ক কলঙ্কিত বুলি, তেওঁ অনুভৱ নকৰে। বৰ্ত্তমান তেওঁ দাসী নহয় যদিও, তেওঁৰ তেজত এতিয়াও নিহিত আছে, দাসত্বৰ আইন। নিৰোক তেওঁ সদায় ভাল পাই আহিছে। চিজাৰে যদি পুণৰ তেওঁক গ্ৰহণ কৰিব খোজে তেওঁ সানন্দে, ব্যগ্ৰভাৱে হাত মেলি যাব,-চিজাৰৰ কাষলৈ। —আগ্ৰহেৰে বৰণ কৰি লব, এই সুখ। ইফালে লিজিয়াৰ হল, সঙ্কটপূৰ্ণ অৱস্থা, হয় তাই সুদৰ্শন যুৱক ভিনিকিয়াচৰ ৰক্ষিতা হ'ব লাগিব, নহয়, নিজকে আৰু লগতে অ'লাচ পৰিয়ালকো নিশ্চিত ধ্বংসৰ মুখলৈ ঠেলি দিব লাগিব। এনে

অৱশ্যাত, যুৱতী নাৰী এগৰাকীয়ে সহজ উপায়টো গ্ৰহণ কৰিবলৈ, ইতস্ততঃ কৰিছে কিয়, এক্তিয়ে বুজি নাপালে।

"তোমাৰ বাবে ভিনিকিয়াচৰ অট্টালিকা যি, চিজাৰৰ প্ৰাসাদো সেই। নিৰাপদ নহয় কোনোটো।" মুক্তদাসীয়ে জনালে। তেও অকণো ভৰা নাই, এই কথাৰ মৰ্ম্ম। "ভাগ্যৰ সন্মুখত আত্মসমৰ্পণ কৰি, ভিনিকিয়াচৰ ৰক্ষিতা হোৱা।" এইয়ে হ'ল তেওঁৰ মনোভাব। কিন্তু পাশৱিক কামনাৰ আঘাতত লিজিয়াৰ ওঁঠ দুটা, এতিয়াও বিষাই আছে। লাজ আৰু অপমানত তাইৰ মুখ ৰঙা পৰি উঠিল।

"কেতিয়াও হ'ব নোৱাৰে!" তাই আৰ্ত্তনাদ কৰি উঠিল। "মই ইয়াতো নাথাকো,—ভিনিকিয়াচৰ ঘৰতো নাথাকো। কেতিয়াও নাথাকো।"

বিদ্ৰোহৰ এই ৰূপ দেখি, এক্তিয়ে বিস্ময়াভিভূত হৈ থিয় দিলে।

"তেওঁক তুমি ইমান বেচি বেয়া পোৱানে?" তেওঁ সুধিলে।

লিজিয়াই একো উত্তৰ নিদিলে; হঠাতে তাইৰ প্ৰাণত শোকৰ ধুমুহা উঠিল। উচুপি, উচুপি কান্দিবলৈ ধৰিলে, তাই। এক্তিয়ে তাইক বুকুৰ মাজলৈ টানি আনি, শান্ত কৰিবলৈ, যথাসাধ্য চেষ্টা কৰিলে। ইফালে উৰচাচেও দীঘলকৈ উশাহ টানি, হাতৰ মুঠি টান কৰিলে। প্ৰভুভক্ত ভৃত্যই তাৰ ৰাণীৰ চকুপানী সহ্য কৰিবলৈ টান পালে। তাৰ অৰ্দ্ধ সভ্য মনটোত ইমান পৰে বাসনা জাগি আছিল, ভোজন কক্ষলৈ উলটি গৈ, ভিনিকিয়াচক আৰু প্ৰয়োজন হলে চিজাৰকো, নেলু চেপি হত্যা কৰাৰ। অৱশ্যে, সি তাৰ কুঁৱৰীৰ আগত, এই কথা খুলি কবলৈ, ইতস্ততঃ কৰিলে। ক্ৰুচত প্ৰাণত্যাগ কৰা, নিৰীহ প্ৰভুৰ শিষ্যই, এনে পন্থা লোৱা অনুচিত।

লিজিয়াক সাবটি ধৰি, এক্তিয়ে পুণৰ সুধিলে, "তুমি তেওঁক ইমান বেচি ঘিণ কৰানে?"

"নকৰো," লিজিয়াই কলে, "যি হেতু মই খৃষ্টিয়ান, সেইবাবে মই কাকো ঘিণ কৰিব নোৱাৰো।"

"হয়, লিজিয়া! মই জানো এই কথা। টাৰচাচৰ পলৰ পত্ৰলিপিৰ পৰা, মই এই কথাও জানিব পাৰিছো যে, অপমানৰ সন্মুখত তোমালোক নত নোহোৱা; পাপতকৈ মৃত্যুক বেচি ভয় নকৰা। কিন্তু মোক কোৱাচোন, তোমাৰ ধৰ্ম্মমতে, আন মানুহৰ মৃত্যু ঘটাবলৈ দিয়েনে নিদিয়ে?"

"নিদিয়ে।"

"তেন্তে তুমি চিজাৰৰ ক্ৰোধৰ সন্মুখত, অ'লাচৰ ঘৰ ছাৰখাৰ কৰি পেলোৱাৰ কথা, কিদৰে ভাবিব পাৰিলা ?"

অলপ সময় সকলো নীৰৱ। লিজিয়াৰ দৃষ্টিৰ সন্মুখত পুণৰ মুকলি হ'ল,- অন্ধকাৰৰ অতল গৰ্ভ।

যুৱতী মুক্তদাসীয়ে কবলৈ ধৰিলে, "তোমাৰ বাবে, সাধ্বী পম্পোনিয়াৰ বাবে, অলাচৰ বাবে, আৰু তেওঁলোকৰ সন্তানৰ বাবে, মই দুখীত। সেইবাবে মই তোমাক এই কথা সুধিলো। এই ঘৰত মই বহুত কাল কটাইছো বাবে জানো, চিজাৰৰ ক্ৰোধৰ অৰ্থ কি ! নহয়, তুমি ইয়াৰপৰা পলাব নোৱাৰা। মাত্ৰ এটা কাম তুমি কৰিব পাৰা। ভিনিকিয়াচক তুমি হাতে, ভৰিয়ে ধৰা গৈ, পম্পোনিয়াৰ ওচৰলৈ তোমাক পঠিয়াই দিবলৈ।"

কিন্তু লিজিয়াই আঠু কাঢ়ি, পৰম শক্তিৰ সন্মুখতহে কাকুতি, মিনতি কৰিবলৈ ধৰিলে। লগে, লগে, উৰচাচেও তাকে কৰিলে। চিজাৰৰ ৰাজপ্ৰাসাদত, এইদৰে দুয়ো প্ৰাৰ্থনাৰত হ'ল। গাভৰু ছোৱালীজনীয়ে যেতিয়া সৰগ ধিয়াই ওপৰলৈ চকু তুলি, হাত দুখন মেলি, উদ্ধাৰৰ পথ বিচাৰিলে, এক্তিয়ে সেই মনোৰম ভঙ্গীৰ সন্মুখৰপৰা চকু ঘূৰাই আনিব নোৱাৰিলে। তাইৰ ঘন চুলিটাৰিৰ ওপৰত, উষাৰ জ্যোতি প্ৰতিফলিত হৈছে, চকুৰ উজ্জল তাৰকাত জিলিকি উঠিছে, উষাৰ পবিত্ৰ দ্যুতি। কোমল কিৰণেৰে বিধৌত, মূৰ্ত্তিমতী উষা দেৱীৰ ৰূপ এইয়া ! তাইৰ সুন্দৰ মুখ, আধামেলা ওঁঠ আৰু মিনতি ভৰা চকুত অতিন্দ্ৰীয় সুখৰ আবেশ। এনে এটা মুহূৰ্ত্তত, এক্তিৰ বুজিবলৈ বাকী নাথাকিল, কিয় এই ছোৱালীজনী কোনো দিন, কেতিয়াও বন্দিতা হৈ থাকিব নোৱাৰে। এসময়ত নিবোৰ বন্দিতা হৈ থকা, এই নাৰীৰ চকুৰ আগৰপৰা, এখন আঁৰ কাপোৰ আঁতৰি গল। তেওঁ দেখিলে এখন সম্পূৰ্ণ বেলেগ জগত। তেওঁৰ ইমানদিনৰ পৰিচিত জগতখনৰপৰা সম্পূৰ্ণ বেলেগ ! পাপ আৰু কলঙ্কত বুৰ গৈ থকা এই ৰাজপ্ৰাসাদত, লিজিয়াই এইদৰে প্ৰাৰ্থনা কৰা দেখি, তেওঁ স্তম্ভিত হ'ল। ইমানপৰে তেওঁ ভাবি আছিল, বন্দিনীৰ পলায়নৰ পথ নাই। কিন্তু এতিয়া আচম্বিতে তেওঁৰ মনলৈ আহিল,—ছোৱালীজনীৰ সাহাৰ্য্যৰ অৰ্থে কিবা এটা অসাধাৰণ আৰু ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ হ'ব—যাৰ আগত, আনকি চিজাৰেও সেও মানিবলৈ বাধ্য হ'ব। "স্বৰ্গৰপৰা পাখি লগা সেনাবাহিনী নামি আহিব,- ছোৱালীটিক ৰক্ষা কৰিবলৈ। অথবা সূৰ্য্যদেৱে স্নিগ্ধ কিৰণেৰে এখন শয্যা প্ৰস্তুত কৰিব, তাইৰ বাবে। তাইৰ অস্তিত্ব বিলীন হ'ব চিৰন্তন ৰক্তৰাগৰ

মাজত।” সচাঁকৈয়ে প্ৰাৰ্থনাৰতা লিজিয়াক দেখি, মুক্তদাসীৰ মনলৈ আহিল, অলৌকিক কিবা এটা ঘটি যোৱাটো একো অসম্ভৱ নহয়।

ধীৰ, স্থিৰ, গভীৰ মনেৰে লিজিয়াই খিয় দিলে, প্ৰাৰ্থনাৰ শেষত। উৰচাচেও মূৰ দাঙিলে, আৰু বেঞ্চখনৰ কাষত লেপেটা কাঢ়ি বহি, গৰাকীয়নীয়ে কিবা কব বুলি অপেক্ষা কৰি, মুখলৈ চাই থাকিল।

লিজিয়াৰ বাষ্পাচ্ছন্ন চকুযুৰিয়েদি দুটোপাল চকুলো, ধীৰে, ধীৰে গাললৈ বাগৰি আহিল।

“অ’লাচ আৰু পম্পোনিয়াক ভগৱানে ৰক্ষা কৰক!” তাই কলে, “তেওঁ-লোকৰ ধ্বংস মাতি আনিম কিয়? তেওঁলোকৰ লগত আৰু দেখা নকৰো।”

তাৰপাচত, উৰচাচলৈ চাই, তাই কলে,—তাৰ বাহিৰে পৃথিৱীত তাইৰ আৰু কোনো নাই। খতিকে সিয়ে হ’ব লাগিব, তাইৰ ৰক্ষাকৰ্ত্তা আৰু পিতৃ স্বৰূপ। অলাচৰ ঘৰত আশ্ৰয় ল’ব নোৱাৰে সিহঁতে,—চিজাৰ নাইবা ভিনিকিয়াচৰ ঘৰতো সিহঁতে আশ্ৰয় নলয়। উৰচাচে তাইক নগৰৰ বাহিৰৰ এনে এখন ঠাইলৈ নিব লাগিব, য’ত সিহঁতে লুকাই থাকিব পাৰিব,—ভিনিকিয়াচ বা আন কোনো মানুহে বিচাৰি উলিয়াব নোৱাৰাকৈ। উৰচাচৰ লগত, যি কোনো ঠাইলৈকে যাবলৈ প্ৰস্তুত তাই,—আনকি, সাগৰৰ মাজেদি, বা পৰ্ব্বত পাৰ হৈ বৰ্ব্বৰ’ৰ দেশলৈকো যাব,—য’ত ৰোমৰ নাম বা শক্তিৰ কথা এতিয়াও প্ৰচাৰ হোৱা নাই।

আনুগত্য প্ৰকাশ কৰি, লিজিয়ানটোৱে তাইৰ ভৰিত চুমা খালে। অৱশ্যে এতিয়ে কিবা এটা অলৌকিক ঘটনালৈহে অপেক্ষা কৰি আছিল। তেওঁৰ মুখত নৈৰাশ্য ফুটি উঠিল। ইস্! প্ৰাৰ্থনাৰ ফল তেন্তে এয়েহে নেকি? ৰাজপ্ৰাসাদৰ-পৰা পলোৱাৰ মানেই হ’ল, সম্ৰাটক অৱমাননা কৰা। তাৰবাবে লগে, লগে প্ৰতিশোধ লোৱা হ’ব। লিজিয়াই লুকাই সাৰিব পাৰিলেও, অলাচ পৰিয়াল সাৰি নাযায়,—চিজাৰৰ কোপদৃষ্টিৰ পৰা। লিজিয়াই যদি পলাব খোজে, তেন্তে ভিনিকিয়াচৰ তাৰপৰাই পলাওক। ভিনিকিয়াচে পাচত হুলস্থুল লগালেও, খুব সম্ভৱ, চিজাৰে উলটি নাচায়। কাৰণ আনৰ কথাত হাত দিবলৈ তেওঁ ভাল নাপায়।

এইবাৰ উপদেশ লিজিয়াৰ মনৰ লগত কোনোমতে খাপ নাখায়। তাইৰ ইচ্ছা,—অলাচ পৰিয়ালে যাতে জানিব নোৱাৰে, তাই ক’ত আছেগৈ,—তেওঁলোকক

জনোৱা উচিত নহয়। আনকি ‘পম্পোনিয়াকো তাই নজনায়। তাই পলাই যাব,—ভিনিকিয়াচৰ ঘৰৰপৰা নহয়,—তাৰ পৰা যাওঁতে বাটৰ পৰাই পলাব তাই। কাৰণ, সুৰাৰ বাগীত উন্মত্ত হৈ, নিলৰ্জ্জৰ দৰে তেওঁ কৈছিল,—সেই নিশাই তাইক তেওঁৰ ঘৰলৈ নিবলৈ দাস পঠিয়াব। উৰচাচে তাইক ৰক্ষা কৰিব। ভোজন কক্ষৰপৰা, তাইক দাঙি লৈ অহাৰ দৰে, সি তাইক পুণৰ দাঙি লৈ, ৰৰবালৈ গুচি যাব। উৰচাচক কোনেও বাধা দিব নোৱাৰে। আনকি, ভোজ সভাত দেখা, সেই ভয়ঙ্কৰ মল্লবীৰটোও, উৰচাচৰ ওচৰ চাপিব নোৱাৰে। তাইক নিবলৈ, এদল দাস পঠিওৱাৰ কথা, যদি ভিনিকিয়াচৰ মুখত শোমায়? সেয়েহলে, উৰচাচে আচ´বিচপ লিনাচৰ ওচৰলৈ যাব লগা হ’ব,—সহায় আৰু উপদেশ বিচাৰি।

তেতিয়া আচ´বিচপে তাইক বলেৰে উদ্ধাৰ কৰিবলৈ, খৃষ্টিয়ানসকলক পঠিয়াই দিব। তদুপৰি, ৰোমৰ শক্তিৰ সম্পূৰ্ণ বহিৰ্ভূত ঠাই এখনলৈ তাইক লৈ যোৱাৰ উপায়ো উৰচাচেই কৰিব লাগিব।

আশাত উজ্জল হৈ উঠিল, লিজিয়াৰ মুখ। মুক্তদাসীৰ ভিতিত সাৱটি ধৰি, নিজৰ ধুনীয়া মুখখন, তেওঁৰ গালত লগাই, মৃদু কণ্ঠে সুধিলে,

“তুমি আমাক প্ৰতাৰণা নকৰা নহয় নে?”

“নকৰো। মোৰ স্বৰ্গগতা মাতৃৰ শপত খাই কৈছো, তোমালোকক কেতিয়াও প্ৰতাৰণা নকৰো। মাত্ৰ, তোমাৰ ভগৱানক প্ৰাৰ্থনা জনোৱা উৰচাচে যাতে তোমাক উদ্ধাৰ কৰাৰ উপায় বিচাৰি পায়।”

ইমানপৰে উৰচাচে পূৰণি স্মৃতি ৰোমন্থন কৰি সন্মুখৰ ফালে চাই আছিল। অৱশেষত সি মৃদুস্বৰে জনালে, “আমাৰ অৰণ্য! আঃ। সেই বনভূমি।”

কিন্তু এই কল্পনা, শীঘ্ৰে সি মনৰ পৰা, জোকাৰি পেলালে। তৎক্ষণাৎ ভিতৰতে, সি আচ´বিচপৰ তালৈ যোৱাৰ সিদ্ধান্ত ল’লে। সন্ধ্যা হোৱাৰ লগে, লগে, এশ অশ্বাৰোহীৰ লগতে সিও, তাইক লৈ যোৱা দোলাখনৰ ওপৰত, সজাগ-দৃষ্টি ৰাখিব। ৰক্ষী সেনাবোৰে যিমান পাৰে পহৰা দিয়ক—কোনো কথা নাই। উৰচাচৰ খোচা কেইটা খাবলৈ যেন কোনো আপনাবাঢ়ে! লাগিলে লোহৰ বৰ্ম্মই পিন্ধি আহক সি। বৰ্ম্মৰ ওপৰত তাৰ হাতৰ এটা পূৰ্ণহুতীয়া মাৰ পৰকচোন,—বৰ্ম্মৰে গা চকা জনৰ ফালে আধ্যা পৰিব!

লিজিয়াই তাক আঙুলি দেখুৱাই সতৰ্ক কৰি, মৰ্য্যাদাপূৰ্ণ শিশুৰ কঠিন স্বৰেৰে জনালে, “উৰচাচ্! কাকো যেন হত্যা নকৰা তুমি।”

লিজিয়ানটোৱে তাৰ সবল হাতদুখন, নিজৰ বুকুৰ পিচফালে সাবটি ধৰি, হুতভম্বৰ দৰে, গলধন মোহাৰি, মোহাৰি, ভোৰ ভোৰাই ক'লে,—যি কোনো প্ৰকাৰে তাইক উদ্ধাৰ কৰিবই লাগিব ; তাৰ মানত তাইয়েই জগতৰ পোহৰ। যিমান পাৰে সি, নিজকে চম্ভালি ৰাখিব। পিচে কৰ নোৱাৰাকৈ যদি—? যি কি নহওক, তাই উদ্ধাৰ পাবই লাগিব। যদি দুৰ্ভাগ্যজনক ঘটনা ঘটি যায়, তেন্তে সি অনুতাপ জনাব। চিৰ পবিত্ৰ ভগৱান-পুত্ৰৰ ওচৰত সি সৰ্ব্বান্তঃকৰণে, মিনতি জনাব, যাতে তাৰ নিচিনা অধমক তেওঁ কৃপা কৰে! ক্ৰুচত প্ৰাণ বলি দিয়া, নিৰীহ প্ৰভুৰ পদত অপৰাধ লগোৱাৰ ইচ্ছা তাৰ নাই। নিশ্চয় নাই! মাত্ৰ তাৰ হাতখন অতিপাত গধুৰ হোৱাৰ বাবেহে,—

এইখিনি কথা কৈ থাকোঁতে, তাৰ মুখত ভাব-বিহ্বলতা প্ৰকাশ পালে ; তাকে গোপন কৰিবলৈ, সি আকৌ এবাৰ তাৰ বাণীক নমস্কাৰ জনাই কলে, "বেচ, মই এতিয়া আৰ্চবিচপৰ তালৈকে যাওঁ।"

একিয়ে লিজিয়াৰ ডিঙিত সাবটি ধৰি কান্দি পেলালে। ইতিপূৰ্ব্বে তেওঁৰ মনত এখন ভিন জগতৰ কথা উদয় হৈছিল। সেই বেলেগ জগতখনত যি সুখ আছে, সি হ'ল ত্যাগ আৰু সহিষ্ণুতাৰ অৱদান। চিজাৰৰ ৰাজপ্ৰাসাদৰ আড়ম্বৰ আৰু ভোগ-বিলাসে, সেই সুখ দিব নোৱাৰে। অসীম জ্যোতিৰ ৰাজ্যৰ দুৱাৰখন, সম্পূৰ্ণৰূপে মুকলি হোৱা নাছিল, একিৰ মানস দৃষ্টিৰ সন্মুখত। তেওঁ অনুভৱ কৰিছিল,—আধা মেলা দুৱাৰেদি তাত প্ৰৱেশ কৰাৰ সামৰ্থ্য তেওঁৰ নাই।

॥ ৮ ॥

লিজিয়াই পম্পোনিয়া গ্ৰেচিনাক অন্তৰেৰে সৈতে ভাল পাইছিল বাবে, এই বিচ্ছেদত মনোকষ্ট নোপোৱাকৈ থকা নাই। প্ৰকৃততে অলাচ পৰিয়াল আৰু তেওঁলোকৰ ঘৰ এৰিব লগা হোৱাত, তাই মনত অ'কণো শান্তি নাপালে। কিন্তু তাইৰ মনত নিৰাশাৰ ভাব সৰহপৰ নাথাকিল। সত্যৰ বাবে, জীৱনৰ সুখ স্বাচ্ছন্দ্য ত্যাগ কৰিবলৈ প্ৰস্তুত হোৱাত, এক প্ৰকাৰ কোমল আনন্দানুভূতিয়ে তাইৰ প্ৰাণ আন্দোলিত কৰিলে। তাই নিজকে কবলৈ ধৰিলে,—সত্যৰ বাবেই তাই অঘৰী, অনিশ্চিত জীৱনৰ কষ্ট মুৰ পাতি লবলৈ, সাজু হৈছে। হয়তো

তাইৰ কৌতূহলী, সৰল শিশু-সদৃশ মন এটায়ো এনে কল্পনাত অৰিহণা যোগালে। বৰ্ব্বৰ জাতিৰ মানুহ আৰু বনৰীয়া হৰিণাৰে ভৰি থকা, কোনোবা দূৰৰ ঠাইত নেদেখা বস্তু দেখাৰ কৌতূহল জাগি উঠিল তাইৰ মনত। অৱশ্যে এই শিশু সুলভ কৌতূহলতকৈও, বিশ্বাসৰ প্ৰগাঢ়তাই তাইৰ মন বেছিকৈ অধিকাৰ কৰিছিল। তাইৰ মনত বিশ্বাস হৈছিল, এইদৰে জীৱন নিয়ন্ত্ৰণ কৰি, তাই পৰম পবিত্ৰ প্ৰভুৰ ইচ্ছা পূৰ্ণ কৰিব খুজিছে। এনে ত্যাগৰ বাবে, প্ৰভুৱে তাইক একান্ত ভক্তৰূপে গ্ৰহণ কৰি, সদায় ৰক্ষা কৰি থাকিব। তেন্তে ভয় কিহৰ? ভগৱানৰ নামত, তাই সহি যাব সকলো আঘাত। অকস্মাৎ যদি মৃত্যু আহি উপস্থিত হয়, খৃষ্টই তাইক বুকুত সাৱটি লব। এদিন যেতিয়া পম্পোনিয়াৰো মৃত্যু হ'ব, তেতিয়া তেওঁৰ লগত, তাইৰ পুনৰ মিলন ঘটিব,—অনন্তৰ ৰাজ্যত।

তুপৰীয়া হৈ আহিল; সূৰ্য্যৰ কিৰণে ভোজন কক্ষ পোহৰাই পেলালে। এমিণা উলাগৰে কটোৱাৰ বাবে, এক্তিয়ে লিজিয়াক অলপ জিৰণি লবলৈ ক'লে। লিজিয়াই আপত্তি নকৰাত, দুয়ো ভতালিকে গৈ শয়ন কক্ষত সোমাল; মুক্তদাসীৰ লগত, চিজাৰৰ সম্বন্ধ থকাৰ দিনৰ, নানাবিধ চৌখিন আচবাব পত্ৰ, আৰু সাজ-সৰঞ্জামেৰে, শয়ন কক্ষটো এতিয়াও ভৰি আছে। লিজিয়া আৰু এক্তি, দুয়ো ওচৰাওচৰিকৈ শুলে। অতিশয় ক্লান্ত হৈ পৰা সত্বেও, এক্তিৰ টোপনি নাহিল। তেওঁৰ প্ৰকৃতিগত বিমৰ্ষতাৰ লগত মুক্ত হ'ল, আগতে কোনো দিনে নহা, এটা অশান্ত ভাব। এতিয়ালৈকে তেওঁ নিজৰ জীৱনটোক ভৱিষ্যত চিন্তাৰ পৰা মুক্ত, উচ্চ স্তৰৰ জীৱন বুলিয়ে ভাবি আছিল। কিন্তু হঠাৎ আজি এই জীৱন নিকৃষ্ট, অধম হৈ পৰিল, তেওঁৰ চকুত। তেওঁৰ মস্তিষ্কৰ মাজত খেলি, মেলি ভাববোৰে ভোলপাৰ লগালে। মনৰ চকুৰে চাই তেওঁ পুনৰ দেখিলে, পোহৰৰ ৰাজ্যৰ দুৱাৰখন এবাৰ জাপ খাইছে আৰু এবাৰ মুকলি হৈছে। দুৱাৰখন মুকলি হোৱা যেতিয়া দেখে, তেতিয়া পোহৰে তেওঁৰ চকুত ছাঁট মাৰি ধৰি তেওঁক দিশাহাৰা কৰি তোলে। তেওঁৰ চেতনাৰ মাজত উপলব্ধি জাগি উঠিল,—সেই জ্যোতিৰ্ম্ময় ৰাজ্যতে আছে, অসীম সুখ,—যাৰ সন্মুখত জগতৰ আন সকলো পোহৰ স্তিমিত, ম্লান আৰু নিস্তেজ। যদি তেওঁ এই জ্যোতিৰ্ম্ময় ৰাজ্যৰ সন্ধান লাভ কৰিব পাৰে, তেন্তে চিজাৰে কিবা উপায়েৰে পপিয়াক ভুৱা দি, তেওঁৰ কাষলৈ আহিলেও তাক তেওঁ আশীৰ্ব্বাদ বুলি গ্ৰহণ নকৰি অতি তুচ্ছ বস্তু বুলি দলিয়াই পেলাব। হঠাৎ তেওঁৰ মনত জাগি উঠিল—যিজন চিজাৰক তেওঁৰ প্ৰেম আৰু ভক্তিয়ে দেৱতাৰ শাৰীলৈ তুলিছে, সেই চিজাৰো প্ৰকৃততে দাসহে আৰু মৰ্মৰ স্তম্ভেৰে

সুশোভিত এই ৰাজ প্ৰাসাদো পাথৰৰ দ'ম এটাৰ বাহিৰে, আন একো নহয়।

লিজিয়াৰ জীৱন-দিগন্ত, অমঙ্গলীয়া অনিশ্চয়তাৰ ক'লা ডাৱৰে ঢাকি ধৰিছে আৰু নিশ্চয় তাইও তেওঁৰ দৰে শুব পৰা নাই বুলি মনতে ভাবি, পলায়নৰ কথা আলোচনা কৰিবলৈ, লিজিয়াৰ ফালে ঘূৰি চাই তেওঁ দেখিলে, তাই নিশ্চিন্ত মনেৰে টোপনি গৈছে।

"তাই শুইছে। সঁচাকৈয়ে টোপনি যাব পাৰিছে তাই!" মুক্তদাসীয়ে গুণাগঁথা কৰি নিজৰ মনতে ক'লে, "সঁচাকৈয়ে এটি শিশুৰ দৰে তাই!"

কিন্তু তাই এনে এটি শিশু, যি অপমানতকৈ দুখক বৰণ কৰি লব পাৰে। কেৰিণিৰ অতি সুশোভন অট্টালিকাতকৈ—তাৰ জাকজমকতা, মণি মুক্তা, ভোগ-বিলাস আৰু জিথাৰ বা বীণৰ মধুৰ ধ্বনিতকৈ, তাইৰ বাবে অঘৰী জীৱন উৎকৃষ্ট!

শুই থকা ছোৱালীজনীলৈ চালে তেওঁ।

"এই কুমাৰী কন্যাটি মোতকৈ কিমান বেলেগ।" তেওঁ নিজৰ মনতে কলে।

তথাপিও এই যুৱতী গ্ৰীক কন্যাৰ মনলৈ ঈৰ্ষাৰ ভাব নাহিল। লিজিয়াৰ আসন্ন বিপদৰ কথা ভাবি, তেওঁৰ মনত জাগি উঠিল, অসীম ব্যথা। ছোৱালীজনীৰ অৱস্থা দেখি, তেওঁৰ মাতৃ হৃদয়ত শোকৰ আঘাত লাগিল। শুই থকা ছোৱালী-জনীৰ মূৰত হাত ফুৰাই, তেওঁ তাইক মৰম কৰিবলৈ ধৰিলে। তাই শান্তিৰে টোপনি গৈছে, যেন ঘৰত পম্পোনিয়াৰ কাষতহে শুই আছে।

দুপৰীয়া হৈ আহোঁতেহে লিজিয়াই সাৰ পাই হতভম্ব হৈ শয়ন কক্ষটোৰ চাৰিওফালে চকু ঘূৰাই চাবলৈ ধৰিলে। তেতিয়া তাই অ'লাচ পৰিয়ালৰ লগত থকা নাই!

"সেয়া তুমি নেকি এক্তি?" আন্ধাৰ কোঠাটোত, গ্ৰীক যুৱতীৰ সেতা মুখখন দেখি, তাই সুধিলে।

"হয় লিজিয়া, মইয়ে।"

"সন্ধ্যা লাগিল নেকি?"

নহয় আই, এতিয়া আবেলিৰ সময় হৈছেহি।"

"উৰচাচ্‌ আহিলনে উলটি?"

"নাই অহা। আজি ৰাতি সি, তুমি যোৱা দোলাখনৰ ওপৰত চকু দি থাকিব বুলি পাহৰিলা নেকি?"

"অ' হয়তো!"

ভুৱো পোৱাপাটী এৰি, গা ধোৱা ঘৰত সোমাল। গা-পা ধুই, মধ্যাহ্ন ভোজন সমাপ্ত কৰি, এক্টিৰ লগত লিজিয়া গৈ ৰাজপ্ৰাসাদৰ উদ্যানত সোমাল। অবাঞ্ছিত কোনো লোকে ইয়াত এতিয়া দেখা নিদিয়ে। চিজাৰ আৰু তেওঁৰ বন্ধুবৰ্গৰ টোপনি ভঙা নাই এতিয়াও। লিজিয়াই এই বাৰেই প্ৰথম দেখিলে, এই প্ৰমোদ কানন। চাইপ্ৰাচ, সৰল, ওক, জলফাই, মাৰ্‌টল আদি গছ-লতিকাৰ মাজে, মাজে, শুভ্ৰ মৰ্মৰ মূৰ্ত্তিবোৰ জিলিকি আছে। গোলাপ পুঞ্জৰ ওপৰত ফোঁৱাৰাৰ পানী জিৰজিৰকৈ পৰি আছে। ৰ'দত তিৰবিৰাই থকা পুখুৰীত, ৰাজহাঁহবোৰে সাঁতুৰি ফুৰিছে।

অলপ সময় ইফালে, সিফালে খোজ কাঢ়ি ফুৰি, শেষত ভুৱো আহি, মনোৰম চাইপ্ৰাচৰ জোপোহাবোৰৰ মাজত বহি, পলায়নৰ আচনিখনৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে। এই অভিযানৰ সাফল্যত, এক্টিয়ে ক্ৰমে আস্থা হেৰুৱাই পেলালে, আৰু লগে, লগে, লিজিয়াৰ প্ৰতি তেওঁৰ অনুকম্পা বাঢ়ি আহিল। তেওঁৰ মতে, ভিনিকিয়াচক হাত কৰি লৈ, কামটো সমাধা কৰা হাজাৰ গুণে শ্ৰেয়।

"ভিনিকিয়াচক বুজকৈ ধৰিলে, তেওঁ তোমাক পম্পোনিয়াৰ হাতত গটাই নিদিবনে? তুমি কি ভাবা?" তেওঁ সুধিলে।

"নহয়; কাৰণ অলাচৰ ঘৰত থাকোঁতে তেওঁ এজন বেলেগ মানুহ আছিল; সঁচাকৈয়ে বেছি ভাল আছিল তেওঁ। ভোজ সভাত দেখাৰ পাচৰে পৰা, তেওঁলৈ মোৰ ভয় সোমাইছে। তাতকৈ মই পোনে, পোনে অলাচৰ ঘৰলৈকে যাম।"

"কিন্তু অলাচৰ ঘৰত, তেওঁক তোমাৰ ভাল লাগিছিল, নহয় জানো?" লিজিয়াৰ হাতত চুমা খাই, তেওঁ কথাষাৰ সুধিলে।

"হয়।"

এক্টি অলপ চিন্তিত হ'ল।

"মোৰ দৰে, তুমি কোনোদিন দাসী নাছিলা।" তেওঁ কবলৈ ধৰিলে, "তুমি যুদ্ধ চৰ্ত্তাধীন বন্দী আৰু ৰাজকন্যাও। তদুপৰি অলাচইতে তোমাক নিজৰ ছোৱালীৰ দৰে মৰম কৰে; এদিন তেওঁলোকে যে তোমাক, তোলনীয়া ছোৱালী বুলি জনাব, ই ধ্ৰুপ। সেইবাবে, তোমাক ভিনিকিয়াচে বিয়াও কৰাব পাৰে, লিজিয়া।"

"তাতকৈ মই অলাচৰ ঘৰলৈকে উলটি যাম।" লিজিয়াৰ নৈৰাশ্য ক্ৰমে বাঢ়ি গৈছিল।

"ভিনিকিয়াচৰ ওচৰলৈ গৈ, মই ক'মনে ভিনিকিয়াচ, তাই ৰাজকন্যা আৰু মহান অলাচৰ চকুৰ মণি। যদি তুমি তাইক সঁচাকৈয়ে ভাল পোৱা; তেন্তে অলাচৰ তালৈ তাইক ঘূৰাই পঠিওৱা আৰু তালৈ নিজে গৈ বিয়াৰ প্ৰস্তাৱ দিয়া।"

ছোৱালীজনীয়ে মুখৰ ভিতৰতে কি ক'লে এক্তিয়ে তালৈকে শুনিলে।

"নহয় তাতকৈ মই পলাই যাম।"

তাৰ পাচত কিছুমান খোজৰ শব্দই তেওঁলোকৰ আলোচনাত বাধা দিলে। এক্তিয়ে কোন আহিছে বুজ লব খোজোতেই এদল দাস দাসীৰে সৈতে পপিয়া আহি উপস্থিত হ'ল। দুজনী তিৰোতাই অষ্ট্ৰিচ্ চৰাইৰ পাখিৰে অগষ্টাৰ মুখত বা দি আহিছিল। কজলা কাপোৰেৰে মেৰিওৱা কেচুৱা এটা কোলাত লৈ দুগ্ধ-স্ফীত স্তনেৰে এজনী ইথিওপিয়াৰ তিৰোতাও লগত আহিছে।

পপিয়া ৰৈ গল।

"এক্তি," তেওঁ কলে "পুতলাটোৰ গাত তুমি যে জুমুকা কিছুমান সি লগাই দিছিলা সেইবোৰ ভালদৰে সিয়া হোৱা নাছিল। কাৰণ কেচুৱাটোৱে তাৰে এটা ছিঙি লৈ মুখত দিছিল। ভাগ্যে ঠিক সময়ত লিলিথে দেখিলেহি।"

"অগষ্টা! মোক ক্ষমা কৰক।" বুকুৰ ওপৰত হাত দুখন থৈ তললৈ মূৰ কৰি এক্তিয়ে কলে।

তাৰ পাচত পপিয়াই লিজিয়ালৈ চালে।

"এইজনী ক'ৰ দাসী?" তেওঁ সুধিলে।

"ঈশ্বৰী অগষ্টা! এওঁ দাসী নহয়,— লিজিয়া দেশৰ ৰাজকুঁৱৰী আৰু পম্পোনিয়া গ্ৰেচিনাৰ তোলনীয়া জীয়েক। লিজিয়াৰ ৰজাই, তেওঁক চৰ্তাধীন বন্দী স্বৰূপে ৰোমলৈ পঠাইছিল।"

"তাই তোমাৰ লগত দেখা কৰিবলৈ আহিছে নেকি?"

"নহয় অগষ্টা। পৰহিৰে পৰা, তেওঁ ৰাজপ্ৰাসাদতে আছে।"

"ভোজ সভাত তাই উপস্থিত আছিল নেকি?"

"হয়, আছিল।"

"কাৰ আদেশত?"

"চিজাৰৰ।"

এই কথা শুনি পপিয়াই ছোৱালীজনীক বেচি মনোযোগেৰে চাবলৈ ধৰিলে। তেওঁৰ ভ্ৰূযুগলৰ মাজত চিন্তাৰ ৰেখা ফুটি উঠিল। তেওঁ নিজে চক্ৰান্ত কৰি

অক্টেভিয়াৰ সৰ্ব্বনাশ ঘটোৱাৰ দৰে কোনোবা ভাগ্যৱতী প্ৰতিদ্বন্দ্বী আহি তেওঁৰো সৰ্ব্বনাশ ঘটাব পাৰে বুলি সততে তেওঁৰ মনত আশঙ্কা জাগি আছিল। নিজৰ ক্ষমতা সম্বন্ধে সন্দিহান হৈ উঠিল পপিয়াৰ মন।

এবাৰ মাত্ৰ চাইয়ে তেওঁ বুজিলে, অপূৰ্ব্ব সৌন্দৰ্য্যৰ অধিকাৰিণী এই অপৰিচিতা নাৰী।

"তাই সাক্ষাত এজনী পৰী।" তেওঁ মনতে ভাবিলে। "তাইৰ জন্মদাত্ৰী ভেনাচৰ বাহিৰে আন কোনো হ'ব নোৱাৰে। হে অমৰ দেৱতাসকল। তাই একেবাৰে দেখোন মোৰ দৰেই ধুনীয়া। তাৰ উপৰিও কোমল বয়সীয়া।"

সোণ বৰণীয়া পিৰিকতিৰ তলত পপিয়াৰ চকু কেইটা ইস্পাতৰ দৰে চিকমিকাই উঠিল। তথাপিও লিজিয়াৰ ফালে চাওঁতে তেওঁ বেচ শান্ত ভাব দেখুৱালে।

"তুমি চিজাৰৰ লগত কথা পাতিছিলানে?" তেওঁ লিজিয়াক সুধিলে।

"নাই পতা অগষ্টা।"

"অলাচইতৰ ঘৰত নাথাকি ইয়াত কিয় আছা?"

"মই ইয়াত থাকিব খোজা নাই। পেট্ৰোনিয়াচৰ কথামতে চিজাৰে মোক পম্পোনিয়াৰ ওচৰৰপৰা লৈ আহিল আৰু অনিচ্ছা সত্বেও মই ইয়াত থাকিব লগা হৈছে।"

"তেন্তে তুমি পম্পোনিয়াৰ তালৈ উলটি যাব খোজা?" প্ৰশ্নটো অলপ মৰমেৰে সোধা যেন পাই লিজিয়াই আশাৰ স্পন্দন অনুভৱ কৰিলে।

"অগষ্টা।" হাত দুখন মেলি তাই চিঞৰি উঠিল "চিজাৰে মোক দাসী হিচাবে ভিনিকিয়াচৰ হাতত দিবলৈ স্থিৰ কৰিছে। কিন্তু আপুনি যদি দয়া কৰি মোৰ হৈ এবাৰ কৈ পম্পোনিয়াৰ ওচৰলৈ মোক পঠাই দিয়ে—"

"পেট্ৰোনিয়াচে তেন্তে চিজাৰক ধৰিছে তোমাক অলাচৰ ঘৰৰপৰা আনি ভিনিকিয়াচৰ হাতত দিবলৈ?"

"হয়। ভিনিকিয়াচে আজি ৰাতি মোক নিবলৈ, মানুহ পঠোৱাৰ কথা কৈছিল। আপুনি কৃপা কৰক, মোক পুতৌ কৰক আপুনি।"

তললৈ মূৰ কৰি লিজিয়াই পপিয়াৰ কাপোৰৰ আগত ধৰি কম্পিতচিত্তে অপেক্ষা কৰিলে। পপিয়াই তাইৰ ফালে চাই হাঁহিত বিহ মিহলাই কলে,

"সেয়ে যদি হয় তেন্তে আজি নিশাই তুমি ভিনিকিয়াচৰ দাসী হবাগৈ। মই প্ৰতিজ্ঞা কৰি কৈছো।"

তাৰপাচত তেওঁ আঁতৰি গল —আকৰ্ষণীয়, গহীন, অথচ অমঙ্গলীয়া মূৰ্ত্তি এটাৰ দৰে। কেচুৱাটোৱে আকৌ এবাৰ চিঞৰি কান্দি উঠাৰ শব্দ লিজিয়া আৰু এক্তিৰ কাণত পৰিল। সজল চকুৰে চাই লিজিয়াই এক্তিৰ হাত এখনত ধৰিলে।

"আঁহা।" তাই কলে "যি জন সকলোৰে ত্ৰাণকৰ্ত্তা, তেওঁৰ বাহিৰে আৰু কোনেও ৰক্ষা কৰিব নোৱাৰে।"

তাৰপচত পুণৰ দুয়ো এট্ৰিয়াম কক্ষলৈ উলটিল। তাতে থিয় দি বৈ তেওঁলোকে প্ৰতি মুহূৰ্ত্ততে খোজৰ শব্দ শুনিবলৈ কাণ থিয় কৰিলে। কাৰো মুখত মাত নাই, কেউপিনে নিস্তব্ধতা। মনৰ ভুলতে তেওঁলোকে নানা শব্দ শুনিবলৈ ধৰিলে। নিস্তব্ধতা ভয়াবহ হৈ উঠিল। গধূলি পৰত দুৱাৰৰ পৰ্দ্দা আঁতৰাই অকস্মাৎ সোমাই আহিল—মুখত বসন্তৰ দাগ থকা ক'লা মানুহ এটা। লিজিয়াই তাক চিনি পালে, কাৰণ আগতে পম্পোনিয়াৰ ঘৰতো তাক দেখিছিল। ভিনিকিয়াচৰ আলপৈচান ধৰা মুক্তদাস সি — নাম এটাচিনাচ্। এক্তিয়ে চিঞৰ মাৰি দিলে।

মুক্তদাসে মূৰ দোঁৱাই জনালে "ঈশ্বৰী লিজিয়াক মাৰ্কাচ্ ভিনিকিয়াচে অভিবাদন জনাইছে। ফুলৰ মালাৰে সজোৱা অট্টালিকাৰ খোৱা মেজৰ কাষত তেওঁ কুঁৱৰীৰ বাবে অপেক্ষা কৰি আছে।"

"মই প্ৰস্তুত।" লিজিয়াই উত্তৰ দিলে। কিন্তু তাইৰ ওঁঠ দুটা ভয়তে শেতা পৰি উঠিল। এক্তিৰ ডিঙিত সাবটি ধৰি তাই বিদায় ললে।

॥ ৯ ॥

সঁচাকৈয়ে, ভিনিকিয়াচৰ অট্টালিকাটো, এমূৰৰ পৰা সিমূৰলৈকে সেউজীয়া লতা, পাতেৰে সজোৱা হৈছে। বেৰ আৰু দুৱাৰ মুখত আইভি আৰু মাৰ্‌টল্ লতাৰ শোভা। স্তম্ভমালাৰ মাজে মাজে দ্ৰাক্ষালতাৰ মালা। সুদৃশ্য অট্টালিকাত শোভা কৰা ঝাৰফানুচবোৰ প্ৰসিদ্ধ কাৰিকৰে, এলাবাষ্টাৰ (এবিধ চকচকীয়া চূণ শিল), মাৰ্ব্বল আৰু কোৰিন্থীয় ব্ৰঞ্জেৰে জন্তু, গছ অথবা নাৰী মূৰ্ত্তিৰ আকাৰত সাজিছে। তাত জ্বলোৱা বত্তি সমূহত সুগন্ধি তেল ব্যৱহাৰ কৰা হৈছে; বত্তি-বোৰৰ ঢাকনিবোৰ আলেকজেণ্ড্ৰিয়াৰ আইনাৰে তৈয়াৰী। তাৰ ওপৰত ভাৰতীয়

মিহি ৰেচমী কাপোৰৰ আচ্ছাদন। বগা, হালধীয়া, কজলা আৰু ময়ূৰপংখী নীলা ৰঙৰ কোমল দ্যুতি বিচ্ছুৰিত হৈছে, আচ্ছাদনৰ মাজেদি। ঘৰটোৰ বতাহ, জটামাংসীৰ নির্য্যাসেৰে ভৰি উঠিছে। প্ৰাচ্য দেশৰপৰা ভিনিকিয়াচে এই নির্য্যাস ব্যৱহাৰ কৰিবলৈ শিকি আহিছে। ট্ৰাইক্লিনিয়াম্ কক্ষত চাৰিজন মানুহৰ বাবে আহাৰৰ ব্যৱস্থা কৰা হৈছে। কাৰণ পেট্ৰোনিয়াচ্ আৰু ক্ৰাইচোথি-মিচো আজি নিমন্ত্ৰিত অতিথি।

প্ৰতিটো কথাতে, ভিনিকিয়াচে পেট্ৰোনিয়াচৰ উপদেশ মানি চলিছে। পেট্ৰোনিয়াচেই তেওঁক কৈছিল, লিজিয়াক আনিবলৈ, ভিনিকিয়াচ নিজে নগৈ চিজাৰৰ সৈন্যদলৰে সৈতে মুক্তদাস এটাচিনাচক পঠিওৱা উচিত।

"কালি ৰাতি তুমি মাতাল হৈ গৈছিলা" পেট্ৰোনিয়াচে কলে, "মই মন কৰিছিলো তুমি আল্‌বান্ পাহাৰৰ শিলকটা মানুহ এটাৰ দৰে আচৰণ দেখুৱাই-ছিলা। ভীষণ সাহসী হোৱা অনুচিত; সদায় মনত ৰাখিবা, ভাল মদ ধীৰে সুস্থিৰে গিলিব লাগে, অকণ অকণকৈ। এই কথাও জানি থবা, কামনা মধুৰ হলেও কামনাৰ পাত্ৰ হ'ব পৰাটো মধুৰতম।"

এই বিষয়ত ক্ৰাইচোথিমিচে সম্পূৰ্ণ ভিন মত প্ৰকাশ কৰিলে। তাকে শুনি পেট্ৰোনিয়াচে বুজালে, পাকৈত ৰথ চালক আৰু কোৱাড্ৰিগা (চাৰিটা ঘোঁৰাৰে টনা গাড়ী) চলাবলৈ যোৱা ন-শিকাৰুৰ মাজত পাৰ্থক্য কিমান।

ভাগিনিয়েকলৈ চাই তেওঁ কলে "তোমাৰ প্ৰেয়সীৰ বিশ্বাসৰ পাত্ৰ হবলৈ চেষ্টা কৰিবা। তাইৰ মন ভাল লগাবলৈ চাবা আৰু দেখুৱাবা তুমি কিমান মহৎ! মই মুক্তকৰ ঘৰত ভোজ খাবলৈ অহা নাই,—চাবা, এনে পৰিবেশ যাতে নহয়। যদি আৱশ্যক হয়, তাইক পম্পোনিয়াৰ ওচৰলৈ পঠিওৱাৰ প্ৰতিশ্ৰুতিও দিবা। কাইলৈ মানে তাই ইয়াত থাকিব খোজা নোখোজাটো তোমাৰ ওপৰতে নিৰ্ভৰ কৰিছে।" তাৰ পাচত ক্ৰাইচোথিমিচলৈ আঙুলিয়াই দেখুৱাই তেওঁ কলে "এই বিদ্ৰোহী কপৌ চৰাইটিৰ ক্ষেত্ৰত, মই আজি পাঁচোটা বছৰ এইভাবে চলিছো। কোনোদিনে তাইৰ গোমোঠা মুখ দেখিব লগা হোৱা নাই।"

যুৱতী ৰমণীয়ে তেওঁৰ কাষত ম'ৰা পাখিৰ বিচনীৰে টুকুৰিয়াই কলে, "হয়তো ইয়াৰ পাচত তুমি কৰা, মই কোনো দিন তোমাক বাধা প্ৰদান কৰা নাই।"

"মোৰ আগতে যিজন আছিল, তেওঁৰে অনুগ্ৰহ!"

"তুমি মোৰ ভৰিত ধৰা নাই বুলিও কবা নেকি?"

"মাত্ৰ ভৰিত আঙুঠি পিন্ধাওঁতেহে ধৰিছিলো।"

অলঙ্কাৰেৰে জকমকাই থকা নিজৰ ভৰিৰ আঙুলি কেইটালৈ তাইৰ আপোনাআপুনি চকু গল। তাৰপাচত পেট্ৰোনিয়াচৰ লগতে তাইও চেকচেকাই হাঁহিবলৈ ধৰিলে। এইবোৰ কথাৰ এটা শব্দও ভিনিকিয়াচৰ কাণত সোমোৱা নাই। চিৰিয়া দেশৰ পুৰোহিত এজনৰ দৰে, সাজ-পাৰ কৰিছে যদিও, তেওঁৰ বুকুৰ ধপ্‌ধপনি অনিয়মীয়া হৈ আহিছে।

"এতিয়ামানে সিহঁতে ৰাজপ্ৰাসাদ নিশ্চয় এৰিছে," নিজকে কোৱাৰদৰে তেওঁ কলে।

"নিশ্চয়" পেট্ৰোনিয়াচে জনালে, "অপেক্ষা কৰি থকা সময় ছোৱাত মোৰ মুখত টায়ানাৰ এপোলোনিয়াচৰ ভৱিষ্যত বাণী শুনিবানে, ৰুফিনাচৰ ইতিবৃত্ত শুনিবা?"

টায়ানাৰ এপোলোনিয়াচৰ কথালৈ ভিনিকিয়াচৰ অকণো আগ্ৰহ নাই,—ৰুফিনাচৰ ইতিবৃত্তও শুনিব খোজা নাই তেওঁ। এতিয়া লিজিয়াই তেওঁৰ এক মাত্ৰ ধ্যান। যদিও তেওঁ জানে যে, তাইক তেওঁৰ ঘৰলৈ অনাই আদৰ আপ্যায়ন কৰাই যুগুত, তথাপিও তাইক আনিবলৈ ৰাজপ্ৰাসাদলৈ নিজে নোযোৱাৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে। যোৱা হলে অন্ততঃ তাইক সোনকালে লগ পালে-হেঁতেন আৰু দোলাখনত আন্ধাৰত তাইৰ কাষত বহি আহিব পাৰিলেহেঁতেন।

ইতিমধ্যে কেইটামান দাস সোমাই আহিল। সিহঁতে কিছুমান ত্ৰিপদী দানিত অংঠা ভৰাই আনি, তাত জটামাংসীৰ ঠাৰি আৰু লগতে আন এবিধ গন্ধৰস ছটিয়াই দিলে।

"এতিয়ামানে সিহঁত কেৰিণিৰ ফালে ঘূৰিছে।"

"এওঁ নিজকে আৰু চম্ভালি ৰাখিব নোৱাৰিব।" ক্ৰাইচোথিমিচে চিঞৰি কলে, "এওঁ এতিয়া সিহঁতক লগ ধৰিবলৈ ওলায়ে যাব যেন পাওঁ। ওলাই গৈ, শেষত বাটো হেৰুৱাব।"

ভিনিকিয়াচে লজ্জিত ভাৱে হাঁহিলে।

"কেতিয়াও নেহেৰুৱাওঁ।"

পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে।

"ইয়াৰ চিন্তাশক্তি একেবাৰে নাই।" তেওঁ মন্তব্য কৰিলে, "মাচ'ৰ এই পুত্ৰটিক মই মানুহ কৰিব নোৱাৰিম কোনোদিন।"

কিন্তু ভিনিকিয়াচে এই কথালৈ কাণ দিয়া নাছ।

"সিহঁত নিশ্চয় কেৰিণি পাবহি লাগিছিল।" তেওঁ কলে।

প্ৰকৃতপক্ষে, দোলাখন এই সময়তে কেৰিণিৰ ফালে ঘূৰিছিল। হাতত জোৰ বাতি লৈ, এদল মানুহ আগে, আগে, আহি আছিল। চাৰিওফালে বেৰি অহা, লগুৱা-লিকচৌহঁতৰ ওপৰত, এটাচিনাচে চোকা দৃষ্টি ৰাখিছিল। দলটো ধীৰে, ধীৰে আহি আছিল; কাৰণ নগৰত চাকিৰ পোহৰ নথকাৰ বাবে অকল জোৰৰ পোহৰে ভালকৈ বাট দেখুৱাব পৰা নাছিল। ৰাজ-প্ৰাসাদৰ ওচৰে পাজৰে হাতত লণ্ঠন লৈ, খৰখেদাকৈ পাৰ হৈ যোৱা দুই এজন মানুহৰ বাহিৰে কাকো দেখা নগৈছিল। কিন্তু দূৰৰ সৰু সুৰা পথবোৰত মানুহৰ ভিৰ হৈছিল। এনেকুৱা ভিৰ সচৰাচৰ দেখা নাযায়। ক্ৰমান্বয়ে ওচৰৰ অলি গলিবোৰৰ পৰা তিনি চাৰিজন মানুহৰ একোটাহঁত দল ওলাই আহিল। ইহঁতৰ সাজ-পাৰ গহীন, হাতত জোৰ-বাতিও নাই। কিছুমানে সমদলত থকা দাসবোৰৰ লগে লগে আৰু কিছুমানে দলেবলে ওচৰাওচৰিকৈ খোজ দি সমদল যাত্ৰীৰ বিপৰীত ফালে যাবলৈ ধৰিলে। সমদলৰ লগে লগে যোৱা কিছুমানে মাতালৰ দৰে ধলংপলং কৈ খোজ দি যাত্ৰীদলক আগভেটা দিবলৈ আৰম্ভ কৰিলে। আগ-বাঢ়িবলৈ মস্কিল হৈ পৰাত জোৰবাতি লোৱা মানুহবোৰে চিঞৰি চিঞৰি কবলৈ বাধ্য হল:

"বাট এৰি দিয়ক। মহান বিচাৰপতি মাৰ্কাচ ভিনিকিয়াচৰ দোলা যাবলৈ বাট দিয়ক।"

দোলাখনৰ আঁৰ কাপোৰৰ ফাঁকেদি, অস্পষ্টভাৱে দেখা মানুহবোৰক, উমানতে চিনিব পাৰি, আশা আৰু ভয়ত, লিজিয়াৰ বুকু কঁপিবলৈ ধৰিলে।

"এইয়া সি।" কঁপা, কঁপা মাতেৰে, তাই মুখৰ ভিতৰতে কলে, "এইয়া উৰচাচ্ আৰু আমাৰ খৃষ্টিয়ানসকল। তেওঁলোকে তৎক্ষণাৎ কিবা এটা কৰি পেলাব। খৃষ্টই আমাক ৰক্ষা কৰক।"

এটাচিনাচে প্ৰথমে হুলস্থুলবোৰলৈ কাণ দিয়া নাছিল যদিও, পাচত অস্বস্তি বোধ কৰিবলৈ ধৰিলে। জোৰবাতি লোৱা মানুহ কেইটাই বাধ্য হৈ চিঞৰি আছিল:

"মহান বিচাৰপতিৰ দোলাখনক বাট এৰি দিয়ক।"

অৱশেষত, অচিনাকি দলটোৱে, দোলাখনৰ কাষলৈ, ইমান বেচি ঠেলাঠেলি কৰি আহিবলৈ ধৰিলে যে, মুক্তদাসে সিহঁতক লাঠিৰে কোবাই, আঁতৰাবলৈ হুকুম দিলে। লগে, লগে সমদলটোৰ এটা মূৰত, হুলস্থূল আৰম্ভ হ'ল, আৰু তৎক্ষণাৎ আটাইবোৰ জোৰবাতি নুমাই থাকিল।

এতিয়াহে এটাচিনাচে কথাটো বুজি পালে। কোনোবাই সিহঁতক আক্ৰমণ কৰিবলৈ পাঙি থৈছিল। ভয়তে সি জঠৰ হৈ গল। সকলোৱে জানে, চিজাৰ আৰু তেওঁৰ দলৰ অগষ্টানসকলে, এইদৰে নগৰৰ আশে, পাশে নিশা বং তামচা কৰে, আৰু এনে নৈশ অভিযানত, কেতিয়াবা চিজাৰৰ শৰীৰত আঘাতো লাগে। পিচে সেই সময়ত, কোনোবাই সাৰি যাবলৈ চেষ্টা কৰিলে, মৃত্যুদণ্ডৰপৰা ৰক্ষা নপৰে। চিনেটৰ সভ্য হলেও, এই ক্ষেত্ৰত সাৰি নাযায়। এনে যুঁজবাগৰ চলি থাকোঁতে, নিচেই কাষতে থাকিলেও, শান্তি ৰক্ষকহঁতে চকু, কাণ মুদি থাকে। দোলাখনৰ চাৰিওফালে এদল মানুহে মাটিত ভৰি মাৰি, হেঁচাহেঁচি ঠেলাঠেলি কৰি বাট বন্ধ কৰি পেলালে। হঠাৎ এটাচিনাচৰ মূৰত, এটা বুদ্ধি খেলালে। যি কোনো প্ৰকাৰে সি, লিজিয়াক ৰক্ষা কৰিব লাগিব; বাকীবোৰৰ যি হয় হওক। দোলাখনৰ পৰা তাইক টানি চোচোৰাই আনি, কোলাত তুলি লৈ, আন্ধাৰত কোনেও নেদেখাকৈ, সি পলাবলৈ চেষ্টা কৰিলে।

"উৰচাচ। উৰচাচ্‌।" লিজিয়াই প্ৰাণৰ কাতৰে চিঞৰিলে। বগা কাপোৰ পিন্ধাৰ বাবে, তাইক দূৰৰ পৰাই চিনিব পৰা গৈছিল। এটাচিনাচে হাত এখন উলিয়াই, নিজৰ কাপোৰেৰে তাইক ঢাকিব খোজোঁতেই, এখন ভয়ানক হাতে তাৰ ডিঙিৰ পিচফালে, খামোচ মাৰি ধৰিলে। গদাৰ কোব খোৱাৰ নিচিনাকৈ, তাৰ মূৰটো ঘুমঘুমাবলৈ ধৰিলে; লগে, লগে মৰা ষাড় গৰু এটাৰ দৰে সি মাটিত ঢলি পৰিল।

ইতিমধ্যে দাসবোৰৰ বেচি ভাগেই মাটিত লুটি খাই পৰিছে। কিছুমানে ইফালে, সিফালে পলাই যাওঁতে বেৰৰ চুকত খুন্দা খাই পৰি গৈছে। গোলমালৰ মাজত দোলাখন কেতিয়াবাই ভাঙি টুকুৰাটুকুৰ হ'ল। উৰচাচ্‌ লিজিয়াক লৈ চুবুৰাৰ ফালে অন্তৰ্দ্ধান হ'ল আৰু তাৰ লগৰ মানুহবোৰো দিহাদিহি গুচি গল।

ভিনিকিয়াচৰ অট্টালিকাৰ সন্মুখত দাসহঁতে জুম পাতি আলোচনা কৰিবলৈ ধৰিলে। ভিতৰত সোমাবলৈ, কাৰো সাহ নহল; অলপ সময় আলচ কৰি,

সিহঁত পুণৰ আক্ৰমনৰ ঠাইলৈ গল। তাত সিহঁতে বহুতো মৰাশ দেখিবলৈ পালে; এটাচিনাচো তাতে পৰি আছিল। তেতিয়াও সি কষ্টেৰে উশাহ টানি জীয়াই আছিল। অলপ পাচতে তাৰ গাটো এবাৰ জিকাৰ খাই উঠি, ঠেৰেঙা লাগি অসাৰ হৈ পৰিল।

মুক্ত দাসৰ শটো কটিয়াই আনি, দাস কেইটাই আকৌ এবাৰ ভিনিকিয়াচৰ অট্টালিকাৰ সন্মুখত বৈ থাকিল। ঘটনাটো কোনে আগতে গৈ গৰাকীক কব, তাকে ভাবি, সিহঁত বিমোৰত পৰিল।

"গুলোৱেই যক অ'গতে," কেইটামানে একেলগে চিঞৰিলে। "আমাৰ দৰে তাৰ গাতো তেজ লাগি আছে,— আমাৰ মালিকে তাক ভাল পায় গতিকে আমাতকৈ সি, তেওঁৰ হাতত বেচি নিৰাপদ।"

গুলো নামৰ বুঢ়া জাৰ্ম্মান দাসটোক, ভিনিকিয়াচে উত্তৰাধিকাৰ সূত্ৰে, মাকৰপৰা পাইছিল। তাক তেওঁ শৈশৱৰ পৰাই দেখিছে। গুলোৱে লগৰীয়া-ইতক কলে, "হয়, মইয়ে জনাওঁগৈ সকলো কথা। পিচে তইঁতো আহ, মোৰ লগত,— যাতে মই অকলে তেওঁৰ খঙৰ বলি নহওঁ।"

ইমান পৰে, পেট্ৰোনিয়াচ আৰু ক্ৰাইচোথিমিচৰ ঠাট্টা বিদ্ৰূপ শুনি, শুনি ভিনিকিয়াচৰ ধৈৰ্য্যচ্যুতি ঘটিল। এট্ৰিয়াম কক্ষত সোমাই জোৰেৰে দীঘল দীঘলকৈ খোজ কাঢ়ি, তেওঁ একেটা কথাকে কৈ থাকিল,

"এতিয়া সিহঁত এইখিনি পাবহি লাগিছিল। পাবহি লাগিছিল।"

মাজুহুবোৰৰ লগ ধৰিবলৈ তেওঁ ওলাই যাব খুজিছিল—বাধা পাইহে বৈ গল। হঠাৎ ওচৰৰ কোঠাটোৰপৰা খোজৰ শব্দ আহিল। লগে লগে দাসইঁত আহি এট্ৰিয়াম কক্ষত সোমাল। বেৰৰ দাঁতিত শাৰীপাতি থিয় হৈ ওপৰলৈ হাত দাঙি, সিহঁতে যন্ত্ৰণাত কাতৰ হৈ চিঞৰিলে,

"উ-উ-উ-স্। আ-আ-আস্!"

ভিনিকিয়াচে সিহঁতৰফালে চোচা ললে।

"লিজিয়া ক'ত?" ভয়ঙ্কৰ মাতেৰে তেওঁ চিঞৰিলে।

গুলোৱে আগবাঢ়ি গৈ কাবৌ-কোকালি কৰি কলে,

"এইয়া তেজ দেখিছে নহয়, দেউতা ঈশ্বৰ। তেওঁক ৰক্ষা কৰিবলৈ আমি যথা সাধ্য চেষ্টা কৰিছিলো। এইয়া তেজ চাওক দেউতা ঈশ্বৰ। এইয়া তেজ।"

সি আৰু বেচি একো কবলৈ নাপালে; ব্ৰঞ্জৰ গধুৰ মমদানি এডালেৰে মৰিয়াই ভিনিকিয়াচে তাৰ লাওখোলা ভাঙি পেলালে। তাৰ পাচত দুয়োখন

হাঁতেৰে নিজৰ মূৰটো খামোচ মাৰি ধৰি চুলিৰ ভিতৰত আঙুলি সুমুৱাই চুলি ছিঙি বাৰে বাৰে চিঞৰিবলৈ ধৰিলে, "উস। মোৰ কি হ'ল।"

তেওঁৰ মুখখন ক'লাপৰি আহিল। চকুৰ চাৱনিত মস্তিষ্ক বিকৃতিৰ লক্ষণ দেখা গল,—মুখেদি ফেন ওলাবলৈ ধৰিলে।

"লাঠি—টাঙোন আনি দে মোক।" অমানুষিক ভাবে চিঞৰিলে তেওঁ!

"উস। আমাক পুতো কৰক।" দাসইঁতে আৰ্তনাদ কৰি উঠিল।

অতিশয় বিৰক্তিৰে পেট্ৰোনিয়াচ থিয় হল।

"আঁহা ক্ৰাইচোথিমিচ। গোটেইখন কচাইখানা হ'ল।" তেওঁ কলে।

দুয়ো ওলাই গল।

তেওঁলোকে পিঠি দিয়াৰ লগে, লগে ভোজৰ আকজমকীয়া প্ৰস্তুতিৰে পৰিপূৰ্ণ, মাল্য শোভাৰে পৰিবেষ্টিত সেই ৰম্য অট্টালিকাত দাসবিলাকৰ যন্ত্ৰণা-কাতৰ চিঞৰ আৰু লাঠিৰ সেঁা সেঁা শব্দ ৰাতিপুৱালৈকে চলি থাকিল।

॥ ১০ ॥

সেই নিশা ভিনিকিয়াচে অকণমানো জিৰণি লব নোৱাৰিলে। বেত্ৰাহত দাসবোৰৰ কেঁকনি গেথনিয়ে তেওঁৰ মানসিক যন্ত্ৰণা বা ক্ৰোধ কোনোটোৰে উপশম ঘটাব নোৱাৰিলে। তেওঁ আন এদল ভৃত্য লগত লৈ পুৱতি নিশাই লিজিয়াক বিচাৰি ওলাই গল। এচ্কুইলিন নামৰ ঠাইত তেওঁ তন্ন তন্নকৈ বিচাৰিলে। চুবুৰা, ভাইকাচ্ চেলেৰেটাচ্ আৰু তাৰ ওচৰৰ অন্যান্য ৰাজপথবোৰ বিচাৰিলে। তাৰপাচত কেপিটোল পাহাৰৰ চাৰিওফালে ঘূৰি ফেৰ্বিচিয়াচ্ দলঙৰ ওপৰেদি গৈ দ্বীপ এটা পাৰ হৈ টাইবাৰ নদীৰ সিপাৰ পালেগৈ। কোনো নিৰ্দ্দিষ্ট আঁচনি নোলোৱাকৈ তেওঁ এনেয়ে অনাই বনাই ঘূৰি ফুৰিলে। কাৰণ লিজিয়াক পোৱাৰ আশা তেওঁৰ মনৰপৰা হেৰাই গৈছিল। সেই ভয়ঙ্কৰ নিশাৰ শূন্যতা পূৰাবলৈকে যেন তেওঁ এইদৰে ঘূৰি ফুৰিছিল।

ঘৰলৈ উলটি আহোঁতে ফেহুঁজালি দিলে। বাটৰ পাছলি বেচা মানুহৰ খচ্চৰ গাড়ীবোৰ এখন এখনকৈ আহিবলৈ ধৰিলে আৰু কটিয়াবোৰে দোকান খুলিবলৈ আৰম্ভ কৰিলে। ঘৰলৈ আহি প্ৰথমে তেওঁ গুলোৰ শটো আঁতৰোৱালে ইমানপৰে কোনেও তাত হাত দিবলৈ সাহ কৰা নাছিল। তাৰ পাচত তেওঁ

আদেশ জাৰি কৰিলে, যিবিলাক দাসৰ হাতৰপৰা লিজিয়া অপহৃতা হ'ল, সেই আটাইবোৰকে গাঁৱৰ কাৰাগাৰলৈ পঠোৱা হ'ব। (মৃত্যুৰ দৰেই ভয়াবহ এই শাস্তি!) অৱশেষত আগচ'ৰাৰ এখন গাদীৰ ওপৰত তেওঁ লাং খাই পৰিল। লিজিয়াক পুণৰ কি উপায়েৰে লাভ কৰিব, কি দৰে ধৰি আনিব— ইত্যাদি নানান খেলি মেলি ভাবৰ সাগৰত, তেওঁ কক্‌বকাবলৈ ধৰিলে।

তাইক ত্যাগ কৰা বা নিশ্চিতভাৱে হেৰুৱাই পেলোৱাটো তেওঁৰ বাবে অসম্ভৱ কথা। এনে এটা সম্ভাৱনাৰ চিন্তা মনত উদয় হোৱাৰ লগে লগে ক্ৰোধৰ উত্তাপে ভালপোৱাৰ ভাব তল পেলাই দিলে; কাৰণ জীৱনত এইবাৰেই প্ৰথম তেওঁৰ উদ্ধত প্ৰকৃতি বিৰুদ্ধ শক্তিৰ মুখামুখি হ'ল। ভাগ্যৰ ওচৰত তেওঁ সেও নমানে,— মানিব নোৱাৰে। লিজিয়াক তেওঁ যিমান আগ্ৰহেৰে পাবলৈ বিচাৰিছে, জীৱনত সিমান আগ্ৰহেৰে আজিলৈকে তেওঁ একো বিচৰা নাই। ভিনিকিয়াচে অনুভৱ কৰিলে, লিজিয়াৰ অবিহনে তেওঁ জীয়াই থাকিব নোৱাৰে। তেওঁ ভাবিব নোৱাৰিলে— কালিলৈ আৰু তাৰ পাচৰ দিনবোৰত তেওঁৰ অৱস্থা কি হ'ব— কিদৰে পাৰ হ'ব সেইবোৰ দিন! মাজে মাজে তাইৰ ওপৰত যেতিয়া অত্যন্ত খং উঠে, তেতিয়া তেওঁ পগলাৰ দৰে হৈ যায়। তেওঁক লাগেই তাইক। কোবাই, কিলাই চুলিত ধৰি শোৱা কোঠালৈ টানি নি শাস্তি দিবলৈ হলেও তাইক তেওঁ বিচাৰে।

তাৰপাচত তেওঁৰ মনত অদম্য স্পৃহা জাগি উঠিল, সেই মাতষাৰি শুনিবলৈ,— সেই দুটি নয়ন আৰু সেই দেহৰ দৰ্শন লাভ কৰিবলৈ! তেওঁৰ মনলৈ আহিল তাইৰ ভৰিত পৰি থাকিবলৈকো তেওঁ প্ৰস্তুত! তাইক তেওঁ নাম ধৰি মাতিলে, নিজৰ হাতৰ মুঠি কামুৰিবলৈ ধৰিলে আৰু হাত দুখনেৰে মূৰত হেঁচামাৰি ধৰিলে। তাৰ পাচত সমগ্ৰ ইচ্ছা শক্তিৰে শান্তভাৱে চিন্তা কৰিবলৈ ধৰিলে— তাইক কিদৰে লাভ কৰা যায়। কিন্তু কোনো উপায় ভাবি উলিয়াব নোৱাৰিলে তেওঁ। হাজাৰ হাজাৰ কৰ্ম্ম-পন্থা,— হাজাৰ ৰকমৰ কৌশলৰ কথা ভাবিলে যদিও, আটাইবোৰ অসম্ভৱ যেন লাগিল। অৱশেষত তেওঁৰ মনত খুন্দিয়ালে,— নিশ্চয় অলাচে লৈ গল, তাইক। আন একো নহলেও অলাচে নিশ্চয় জানে তাই কোন ঠাইত লুকাই আছেগৈ।

লগে লগে তেওঁ একে জাপে উঠিল আৰু অলাচৰ ঘৰলৈ যাবলৈ প্ৰস্তুত হ'ল। অলাচইতে যদি তাইক তেওঁৰ হাতত সমৰ্পণ নকৰে, যদি তেওঁৰ চোকা কথালৈ ভ্ৰূক্ষেপ নকৰে, তেন্তে তেওঁ, পোনে পোনে গৈ চিজাৰক ক'ব আৰু

ৰাজ-আজ্ঞা অমান্য কৰাৰ বাবে অলাচক দোষী সাব্যস্ত কৰাৰ পাচত, তেওঁৰ মৃত্যুদণ্ডৰ আজ্ঞাপত্ৰ লৈ আহিব। কিন্তু প্ৰথমতে লিজিয়া ক'ত আছে সেই কথা তেওঁৰপৰা জোৰ কৰি উলিয়াই লব লাগিব। অলাচে যদি নিজ ইচ্ছাৰে তাইক তেওঁৰ হাতত দিও দিয়ে, তথাপিও তেওঁ প্ৰতিশোধ নোলোৱাকৈ নাথাকে। সচাঁ, অলাচইতে তেওঁক আদৰ সাদৰকৈ নিজৰ ঘৰত ৰাখি কথ অৱস্থাত শুশ্ৰূষা কৰিছিল; কিন্তু এতিয়া সকলো তল পৰি যাব। এই ক্ষেত্ৰত, কোনো কৃতজ্ঞতাৰ বান্ধোন স্বীকাৰ কৰা মানুহ নহয় ভিনিকিয়াচ। অলাচৰ মৃত্যুদণ্ডৰ আজ্ঞা লৈ সেনাপতি এজন যোৱাৰ পাচত, পম্পোনিয়া কি দৰে মৃতপ্ৰায় হৈ পৰিব, সেই কথা ভাবি তেওঁৰ প্ৰতিহিংসাপৰায়ণ ভয়ঙ্কৰ মনটো, আনন্দত নাচি উঠিল। এই আজ্ঞা-পত্ৰ যে সহজে সংগ্ৰহ কৰিব পাৰিব এই বিষয়ে ভিনিকিয়াচৰ মনত অকণো সন্দেহ নাছিল। কাৰণ তেওঁ পেট্ৰোনিয়াচৰ সহায় পাব, আৰু চিজাৰে তেওঁৰ প্ৰিয়পাত্ৰ পেট্ৰোনিয়াচৰ অনুৰোধ কেতিয়াও অস্বীকাৰ নকৰে।

হঠাৎ এটা ভয়ানক সম্ভাৱনাৰ কথা মনলৈ অহাত ভিনিকিয়াচৰ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ যোৱাৰ দৰে হ'ল।

"যদি স্বয়ং চিজাৰেহ লিজিয়াক ধৰি লৈ গল ?"

সকলোৱে জানে, এনেয়ে থাকি আমনি লাগিলে চিজাৰ নৈশ অভিযানলৈ ওলায় আৰু পেট্ৰোনিয়াচেও তাত ভাগ লয়। এওঁলোকৰ আচল অভিপ্ৰায় হল—ধুনীয়া, ধুনীয়া ছোৱালীবোৰ ধৰি আনি, সিহঁতক সৈনিকৰ চোলা একোটাইত পিন্ধাই দি অজ্ঞান হৈ নপৰালৈকে ওপৰলৈ দলিয়াই ধোপ খেলি বং চোৱা। নিৰোৱে এই অভিযানবোৰক "মুক্তা আহৰণ কৰিবলৈ জালপত্তা অভিযান" বুলি কয়। কাৰণ তেওঁ কেতিয়াবা অতি সুন্দৰ 'মুক্তা' এটি সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়; এই 'মুক্তাটিক' হয় ৰাজপ্ৰাসাদলৈ পঠিয়ায়, নহয় তেওঁৰ অসংখ্য প্ৰমোদ কুঞ্জৰ কোনোবা এখনলৈ নিয়াৰ ব্যৱস্থা কৰে; অথবা তেওঁৰ অন্তৰঙ্গ কোনোবা ব্যক্তিলৈ উপহাৰ স্বৰূপে পঠায়। লিজিয়াবো এনেকুৱা কিবা এটা হ'ব পাৰে। ভোজ সভাত চিজাৰে তাইলৈ চাই আছিল। ভিনিকিয়াচে ভাবিলে, তাইৰ সৌন্দৰ্য্যই নিশ্চয় চিজাৰৰ মূৰ ঘূৰাই দিছিল। অৱশ্যে চিজাৰে তাইক ৰাজপ্ৰাসাদলৈকে পুণৰ ওলোটাই নিব পাৰে; কিন্তু পেট্ৰোনিয়াচে ক'বৰ

দৰে দেখাদেখিকৈ অপকৰ্ম্ম কৰাৰ সাহস চিজাৰৰ নাই। তদুপৰি পপিয়ালৈ তেওঁ ভয় কৰে।

তাৰপাচত ভিনিকিয়াচে ভাবিলে, চিজাৰে তেওঁৰ দৰে ক্ষমতাপন্ন ব্যক্তি এজনক দিয়া তিৰোতাক অলাচ আৰু পম্পোনিয়াই পুনৰ লৈ যাবলৈ সাহ নকৰে। এনে কাম কৰিবলৈ কোনেনো সাহ কৰিব? ভোজন কক্ষৰপৰা লিজিয়াক দাঙি লৈ যাবলৈ সাহ কৰা দৈত্যাকাৰ লিজিয়ানটোৱে কাম নেকি এইয়া? নহয়, ই চিজাৰৰ বাহিৰে আন কাৰো কাম হ'ব নোৱাৰে।

সেয়ে যদি হয়, তেওঁ লিজিয়াক চিৰদিনলৈ হেৰুৱালে। আন যি কোনো মানুহৰ হাতৰপৰা তাইক কাঢ়ি আনিব পৰা যায়, কিন্তু চিজাৰৰ হাতৰ পৰা নোৱাৰি। এতিয়া ভিনিকিয়াচে বুজিলে, তাই তেওঁৰ কিমান মৰমৰ। পানীত ডুবিবলৈ ধৰা মানুহ এজনে, এটা মুহূৰ্ত্তৰ ভিতৰতে, নিজৰ সমস্ত অতীতক মনলৈ অনাৰ দৰে, ভিনিকিয়াচে এতিয়া, লিজিয়াৰ প্ৰতিটো কথা মনলৈ আনিলে। তাইক তেওঁ মনৰ মাজত দেখিলে,—তাই ইমানদিনে কোৱা কথাবোৰ মনতে শুনিলে। তাইক দেখিলে,—অ'লাচৰ ঘৰৰ নিজৰাৰ কাষত, আৰু ভোজন কক্ষত! তেওঁৰ কাষতে বহি থকা লিজিয়াৰ অস্তিত্ব অনুভৱ কৰিলে,—তাইৰ মূৰৰ চুলিৰ গোন্ধ তেওঁৰ নাকত লাগিল, তাইৰ দেহৰ উত্তাপ আৰু ভোজ মেলত বহি থাকোঁতে, তাইৰ পবিত্ৰ ওঁঠত চুমা খোৱাৰ মধুৰ আস্বাদো অনুভৱ কৰিলে। দেৱতা, মানৱ, কাৰো সৈতে, তাইৰ তুলনা নহয়! তেওঁৰ চকুত, তাই সহস্ৰগুণে ধুনীয়া, সৰ্ব্বশ্ৰেষ্ঠ কামনাৰ ধন, সবাতোকৈ শান্ত আৰু নম্ৰ। নিৰোৱে তাইক লৈ গল বুলি ভবাৰ লগে, লগে, তেওঁ গোটেই শৰীৰতে ভয়ানকৰূপে বেদনা অনুভৱ কৰিলে। এট্ৰিয়াম কক্ষৰ দেৱাল বোৰত নিজৰ মূৰটোকে যেন তেওঁ খুন্দিয়াই দিব। তেওঁ বুজি উঠিল, যদি প্ৰতিশোধ লোৱা তেওঁৰ পক্ষে অসম্ভৱ হয়, তেন্তে তেওঁ উন্মাদ হৈ যাব পাৰে। আগতে ভাবিছিল, তাইক নাপালে তেওঁ জীয়াই নাথাকে। এতিয়া তেওঁ প্ৰতিজ্ঞা কৰিলে, প্ৰতিশোধ লোৱাৰ পূৰ্ব্বে তেওঁ মৃত্যু বৰণ নকৰে।

প্ৰতিশোধৰ ভাবে তেওঁৰ প্ৰাণ শান্ত কৰিলে। মই হ'ম তোৰ "কেচিয়াচ্ কোৰিয়া!" তেওঁ বাৰে, বাৰে, কবলৈ ধৰিলে। তাৰপাচত, চাৰি কোণীয়া জলপাত্ৰটোৰ (ইম্‌প্লুভিয়াম্) চাৰিওফালে থকা, ফুলৰ পাত্ৰবোৰৰপৰা, মাটি কিছুমান হাতত লৈ, হেকেটী, এৰেবাচ্ আৰু তেওঁৰ পৰিয়ালৰ অন্যান্য আৰাধ্য দেৱতাৰ নামত শপত খাই কলে,—তেওঁ প্ৰতিশোধ ল'ব, নিৰোৰ ওপৰত।

ইয়াকে কৰিব পাৰিলে, জীয়াই থকাৰ অন্ততঃ এটা ভাল কাৰণ থাকে। তাৰ পাচত তেওঁ পেলেটাইনলৈ যাত্ৰা কৰিলে। প্ৰথমতে তেওঁ এক্তিৰ লগত দেখা কৰিব খুজিলে। কাৰণ এক্তিয়ে তেওঁক কিছু কথা জনাব পাৰে।

বাটত যাওঁতে, লিজিয়াৰ কথা, আৰু লগতে প্ৰতিশোধ লোৱাৰ কথাও, মনলৈ অহাত তেওঁৰ ভাব-চিন্তাত আউল লাগিল। আন কিছুমান কথাৰ লগতে তেওঁ এই কথাও শুনিছিল যে, মিছৰীয় দেৱী পেষ্টৰ পূজাৰীবোৰে, মানুহৰ গালৈ ৰোগ বিয়পাব পাৰে; গতিকে, এইলোকৰ লগত, বথাশক্তি বাধা পাবলৈ, তেওঁ স্থিৰ কৰিলে। তদুপৰি, তেওঁ পূৰ্ব দেশত শুনি আহিছে যে, ইহুদীবোৰে মন্ত্ৰ কৰি, শত্ৰুৰ গাত মাৰাত্মক ঘা কৰাব পাৰে; তেওঁৰ দাস-বিলাকৰ ভিতৰতো কুৰিটামান ইহুদী আছে। সিহঁতক কোবাই, বিনাই, গুপুত কথাখিনি, উলিয়াব পৰা যাব বুলি, তেওঁ বেচকৈ জানে।

ৰাজপ্ৰাসাদৰ প্ৰবেশ পথত থকা, ধেনুভিৰীয়া স্তম্ভটো পাওঁতে, তেওঁ নিজকে কলে, ৰজাৰ নিৰাপত্তাৰক্ষী সেনাই, যদি তেওঁক সোমাবলৈ বাধা দিয়ে, বা তেওঁ বিনা অপ্ৰে আহিছেনে নাই জানিবলৈ বিচাৰে, (সঁচাকৈয়ে তেওঁ অস্ত্ৰ আনিবলৈ পাহৰিলে) তেনেহলে বুজিব লাগিব যে, চিজাৰৰ ইচ্ছাতে লিজিয়া ৰাজপ্ৰাসাদত আছে।

কিন্তু নিৰাপত্তাৰক্ষী সেনাদলৰ ভিতৰত, আটাইতকৈ বয়োবৃদ্ধ সেনাজনে, তেওঁক দেখি, বন্ধুত্বৰ ভাবত মুখলৈ চাই হাঁহিলেহে।

"স্বাগতম! মহান চিনেটৰ সভ্য!" তেওঁ ভিনিকিয়াচক অভিবাদন জনাই কলে, "আপুনি যদি চিজাৰক সন্মান জনাবলৈ আহিছে, তেন্তে অশুভ মুহূৰ্ত্তত আহিল। এতিয়া চিজাৰক লগ পায়নে নাপায়, সন্দেহ।"

"ঘটনাটো কি?" ভিনিকিয়াচে সুধিলে।

"ৰজাৰ কেচুৱাটোৰ এই অলপ আগৰপৰা অসুখ বাঢ়িছে। চিজাৰ আৰু অগষ্টা, দুয়ো তাইৰ লগত আছে। চিকিৎসক আটাই কেইজন আছে।"

এইটো সঁচাকৈয়ে এটা ডাঙৰ ঘটনা। এই কন্যা সন্তানটিৰ জন্মৰ দিনা, চিজাৰ আনন্দত আত্মহাৰা হৈছিল; চিনেট সভাত, দেৱতাসকলৰ ওচৰত প্ৰাৰ্থনা জনোৱা হৈছিল, যাতে তেওঁলোকে পপিয়াৰ স্তন দুটি অধিক সাৱধানতাৰে ৰক্ষা কৰে। তদুপৰি এন্টিয়ামত, বৰ আড়ম্বৰেৰে, শুদ্ধি সংস্কাৰ পালন কৰা হৈছিল। নানাবিধ খেল, ধেমালি অনুষ্ঠিত হোৱাৰ উপৰিও, দুয়ো গৰাকী ভাগ্য দেৱীৰ মন্দিৰ প্ৰতিষ্ঠা কৰা হৈছিল। নিৰো কোনো বিষয়তে নিয়মীয়া নহয়; গতিকে

অপত্য স্নেহত তেওঁ উন্মাদ হোৱাদি হৈছিল। পপিয়াইও তাইক ভাল পাইছিল; কাৰণ, তাইৰ বাবেই তেওঁৰ আসন সুদৃঢ় হোৱাৰ উপৰিও, চিজাৰৰ ওপৰতো তেওঁৰ অপৰাজেয় প্ৰভাৱ বিস্তাৰিত হৈছিল।

গোটেই সাম্ৰাজ্যখনৰে ভাগ্য নিৰ্ভৰ কৰিছিল, এই শিশু সন্তানৰ স্বাস্থ্যৰ ওপৰত,—তাইৰ জীৱনৰ ওপৰত। কিন্তু ভিনিকিয়াচৰ চিন্তাধাৰা, লিজিয়াৰ প্ৰেমতে আবদ্ধ হৈ আছিল বাবে, তেওঁ বৃদ্ধ সৈনিকৰ কথালৈ কাণ নিদিলে।

"মই এক্তিৰ লগত দেখা কৰিবলৈ আহিছো।" ইয়াকে কৈ, তেওঁ ৰাজ-প্ৰাসাদৰ ভিতৰলৈ গল।

এক্তিও কেচুৱাটোৰ লগতে আছিল বাবে, তেওঁ অলপ প'ৰ লগা হল। প্ৰায় ভৰদুপৰীয়া হওঁতে, এক্তি ওলাই আহিল।

"এক্তি!" ভিনিকিয়াচে এক্তিৰ হাত এখনত খামোচ মাৰি ধৰি কোঠাটোৰ মাজলৈ তেওঁক টানি আনি চিঞৰ মাৰি দিলে, "লিজিয়া ক'ত?"

"মই তোমাক তাকেইতো সুধিব খুজিছিলো।" এক্তিয়ে ভৎসনাৰ সুৰত কলে। ভিনিকিয়াচে শান্তভাৱে প্ৰশ্ন কৰিবলৈ আহিছিল যদিও, শোক আৰু ক্ৰোধত, তেওঁৰ মুখমণ্ডল কঁপি, কঁপি, বিকৃত হৈ উঠিল।

"মই লিজিয়াক পোৱা নাই; মোৰ ঘৰলৈ নিওঁতে, বাটৰপৰাই কোনোবাই তেওঁক কাঢ়ি নিলে।"

তাৰপাচত, নিজকে চম্ভালি লৈ, এক্তিৰ ওচৰলৈ মুখখন নি, দাঁত কামুৰি কলে, "এক্তি! যদি তুমি নিজৰ জীৱনটোক আদৰৰ বুলি ভাবা, যদি তুমি কোনোদিন ভাবিব নোৱাৰা দুৰ্ভাগ্যৰ কাষ চাপিব নোখোজা, তেন্তে কোৱা, লিজিয়াক কাঢ়ি নিয়া মানুহটো, চিজাৰ হয়নে নহয়।"

"কালি চিজাৰে এবাৰো ৰাজপ্ৰাসাদ এৰি যোৱা নাই।"

"তোমাৰ মাতৃৰ প্ৰেতাত্মা, আৰু সকলো দেৱতাৰ নামত শপত খাই কোৱা-চোন, লিজিয়া ৰাজপ্ৰাসাদত নাই বুলি।"

"মোৰ আইৰ প্ৰেতাত্মাৰ শপত খাই কৈছো,—মাৰ্কাচ, তাই ইয়াত নাই, আৰু চিজাৰে তাইক ধৰি নিয়াও নাই। কালিৰেপৰা কেচুৱা অগষ্টা ৰোগ শয্যাত পৰি আছে, আৰু তাইৰ কাষৰপৰা, নিৰো এবাৰো আঁতৰি যোৱা নাই।"

ভিনিকিয়াচে দীঘলকৈ উশাহ টানিলে।

"তেন্তে" হাত দুখন মুঠি মাৰি বেঞ্চ এখনত বহি পৰিল তেওঁ।

"তেন্তে এইয়া অলাচইতৰে কাম। ৰসাতললৈ যাওক সিহঁত।"

"আজি বাতিপুৰা অলাচ্ প্লটিয়াচ্ ইয়ালৈ আহিছিল। মই নিজে তেওঁক দেখা নাই ; কাৰণ মই কেচুৱাটিৰ লগতে লাগি আছিলো। তেওঁ ইপাক্ৰোদাইটিক আৰু আন দাসীবোৰক কিবা সুধিছিল। মোক কিবা কথা সুধিবলৈ পিচত আকৌ আহিব বুলি কৈ গল।"

"তেওঁ কেৱল সন্দেহমুক্ত হবলৈহে চেষ্টা কৰিছে। লিজিয়াৰ কি হ'ল, যদি একো নাজানেই, তেন্তে তেওঁক বিচাৰি মোৰ তালৈহে যাব লাগিছিল!"

"এৰা, মোলৈ দুআষাৰমান কথাও লেখি থৈ গৈছে। তোমাৰ আৰু পেট্ৰোনিয়াচৰ ইচ্ছাত, লিজিয়াক তেওঁৰ ঘৰৰপৰা আঁতৰাই অনা হৈছে বুলি জানিব পাৰি তেওঁ আশা কৰিছিল,— তাইক তোমাৰ তালৈকে নিয়া হৈছে বুলি। সেই-বাবে তেওঁ আজি বাতিপুৱাই তোমাৰ তালৈ গৈছিল ; তাতে ঘটনাটোৰ কথা, তোমাৰ ঘৰৰ মানুহবোৰৰ মুখত শুনিবলৈ পাইছিল।"

ইয়াকে কৈ এক্তিয়ে শোৱা কোঠালৈ গৈ, অলাচে ফলি এখনত লেখি থৈ যোৱা কথাখিনি আনি দেখুৱালে।

পঢ়ি চাই, ভিনিকিয়াচ মনে মনে থাকিল ; এক্তিয়ে চেষ্টা কৰিলে, তললৈ মুৰ কৰি থকা ভিনিকিয়াচৰ মনৰ ভাব বুজিবলৈ। অৱশেষত তেওঁ কলে, "মাৰ্কাচ! হৈ যোৱা ঘটনাটো লিজিয়াৰ ইচ্ছাতে ঘটিল।"

"তেন্তে তুমি জানিছিলা যে, লিজিয়া পলাই যাব?" ভিনিকিয়াচে চিঞৰি সুধিলে।

"মই মাত্ৰ ইয়াকে জানিছিলো যে, লিজিয়া তোমাৰ ৰক্ষিতা হবলৈ নাযায়।" এক্তিৰ চকুত কঠিন ভাব ফুটি উঠিল।

"কিন্তু গোটেই জীৱন তুমিনো কি আছিলা?"

"মই? মই দাসী আছিলো।"

ভিনিকিয়াচৰ ক্ৰোধাগ্নি এতিয়াও সুমুৱা নাই। চিজাৰে লিজিয়াক তেওঁলৈ উপহাৰ স্বৰূপে পঠাইছিল, আৰু তাই যদি মাটিৰ তলতো লুকাই থাকে, তেওঁ বিচাৰি উলিয়াবই। হয়, তেওঁ নিজৰ ইচ্ছানুযায়ী তাইক চলাব। তাই তেওঁৰ ৰক্ষিতা হবই। তেওঁৰ যিমানবাৰ ইচ্ছা যায়, সিমানবাৰ তাই বেতৰ কোব খাব। যেতিয়া তেওঁৰ আমনি লাগি যাব, তেতিয়া তাইক তেওঁ আটাইতকৈ নিকৃষ্ট দাস এটাক দি দিব, অথবা আফ্ৰিকাত থকা তেওঁৰ কোনোবা এটা কল ঘৰত বসুৱাৰ কামত নিযুক্ত কৰিব।

প্ৰকৃততে ভেণ্ডৰ মনৰ বান্ধ নোহোৱা হৈছিল; এক্তিয়ে ভালকৈয়ে বুজি পালে যে, ভেণ্ডৰ কথাৰ লগত, বাস্তৱ অৱস্থাৰ সঙ্গতি নোহোৱা হৈ গৈছে।

"লিজিয়াই চিজাৰৰ আদেশৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে।" ভেণ্ড কলে, "মই চিজাৰৰ ওচৰত আবেদন জনাম. তাইক গোটেই নগৰতে, প্ৰয়োজন হলে, গোটেই সাম্ৰাজ্যতে বিচৰাবলৈ। আৱশ্যক হ'লে, মই প্ৰতিটো সেনা বিভাগকে এই কামত লগাম। পেট্ৰোনিয়াচে মোৰ এই দাবিত, সঁহাৰি জনাব, আৰু আজিয়েই আৰম্ভ হ'ব, এই অন্বেষণ।"

এই কথা শুনি, এক্তিয়ে ধৈৰ্য্য হেৰুৱাই, চিঞৰি কলে, "সাৱধান! চিজাৰে তাইক বিচৰাই অনা দিনটো, তুমি তাইক চিৰকাললৈ হেৰুৱাই পেলোৱা দিনত পৰিণত হব পাৰে।"

"কি ক'ব খুজিছা তুমি?"

"শুনা মাৰ্কাচ! কালি বাগিচাত বহি থাকোঁতে, লিজিয়া আৰু মই, হঠাৎ পপিয়া আৰু শিশু ৰাজকন্যাটিক দেখিছিলো। লিলিথ নামৰ নিগ্ৰো তিৰোতা এজনীয়ে, শিশুটিক কোলাত লৈ আহিছিল। কালি ৰাতিৰেপৰা, তাই অসুস্থ হৈ পৰিছে, আৰু লিলিথে কৈ ফুৰিছে যে, অচিনাকি ছোৱালীজনীয়ে নিশ্চয় কিবা মন্ত্ৰ কৰিলে। যদি কেচুৱাটো ৰোগ মুক্ত হয়, কথাটো আঁতৰাই পাহৰি পেলাব। যদি নহয়, পপিয়াই লিজিয়াক যাদুকৰী বুলি অভিযুক্ত নকৰাকৈ নাথাকে; তেতিয়া যদি লিজিয়া পুণৰ ধৰা পৰে, তাইৰ জীৱনৰ তিলমানো মূল্য নাথাকিব।"

অলপ সময় দুয়ো নীৰৱ। তাৰপাচত, ভিনিকিয়াচে সাহসেৰে জনালে, "লিজিয়াই হয়তো কেচুৱাটোৰ গালৈ মন্ত্ৰ মাৰি পঠিয়াইছিল, আৰু মোকো কিবা মন্ত্ৰ কৰিলে।"

"লিলিথে সকলোকে কৈছে, বাগিচাত আমাক এৰি গুচি অহাৰ লগে, লগে, কেচুৱাটোৱে কান্দিবলৈ আৰম্ভ কৰিছিল। কথাটো সঁচা, তাই কান্দিছিল ঠিকেই। আগৰেপৰা, তাই যে অসুস্থ আছিল তাত কোনো সন্দেহ নাই। তুমি যদি ইচ্ছা কৰা, লিজিয়াক নিজে বিচাৰি যোৱা, মাৰ্কাচ! কিন্তু বুজাৰ কেচুৱাটো যেতিয়ালৈকে সুস্থ হৈ নপৰে, তেতিয়ালৈকে লিজিয়াৰ নাম উচ্চাৰণ নকৰিবা। ইতিমধ্যে তাই বহুত চকুপানী টুকিছে,— একমাত্ৰ তোমাৰ দোষৰ বাবে।"

"তুমি তেওঁক ভাল পোৱানে এক্তি?" ভিনিকিয়াচে দুখেৰে সৈতে সুধিলে।

"হয়, মই ছোৱালীজনীক ভাল নাপাই নোৱাৰিলো।"

"তুমি তেওঁক ভাল পোৱা,— কিন্তু মোৰ দৰে ভাল পোৱাৰ বিনিময়ত, তেওঁৰপৰা তুমি ঘৃণা আহৰণ কৰা নাই।"

"অন্ধ, অবুজন পুৰুষ! তাই তোমাক এতিয়াও ভাল পায়।"

ভিনিকিয়াচ জাপমাৰি উঠিল।

"সঁচা নহয়, এই কথা!" তেওঁ চিঞৰি দিলে, "লিজিয়াই মোক ঘৃণা কৰে। নকৰে বুলি কেনেকৈ কবা? মাত্ৰ এটা দিনৰ সান্নিধ্যৰ পাচতে, লিজিয়াৰ দৰে ছোৱালীয়ে, স্বীকাৰ কৰিবনে, কোনোবা পুৰুষক ভাল পোৱাৰ কথা? ইনো কেনে ধৰণৰ প্ৰেম, যি প্ৰেমে, জীৱনৰ ভোগ-বিলাস, আৰু আনন্দতকৈ, দুখ আৰু অনিশ্চয়তাৰে ভৰা, অথৰ্ব্বী জীৱনক,—হয়তো যন্ত্ৰণাময় মৃত্যুকে, বেচি স্পৃহনীয় বুলি ভাবিব পাৰে? ই কেনে ধৰণৰ আসক্তি, যি আমোদ প্ৰমোদলৈ ভয় কৰে, আৰু দুখক বৰণ কৰি লবলৈ, হাত মেলি যায়? সঁচা, অলাচৰ ঘৰত থাকোঁতে, এনে দিনো আহিছিল, যি দিনা মই ভাবিছিলো, লিজিয়াই মোক ভাল পায়। কিন্তু ইতিমধ্যে, ঘৃণা আহি উপস্থিত হল! এতিয়াও তেওঁ মোক ঘিণ কৰে, আৰু এই ঘৃণাৰ ভাবকে লৈ, এদিন তেওঁ পৃথিবীৰপৰা বিদায় লব!"

এক্তিক সকলোৰে শান্ত প্ৰকৃতিৰ বুলি জানে; এতিয়া তেওঁও খঙত জ্বলি উঠিল।

"তাইক জয় কৰিবলৈ তুমি কি পন্থা লৈছিলা, মনত আছেনে?" তেওঁ প্ৰশ্ন কৰিলে; "অলাচ আৰু পম্পোনিয়ালৈ সম্মানজনকভাৱে বিৱাহৰ প্ৰস্তাৱ নপঠিয়াই, তুমি তাইক ছলনা কৰি, তেওঁলোকৰ তাৰপৰা আঁতৰাই আনিছিলা। তুমি তাইক সহধৰ্ম্মিনী কৰিব খোজা নাছিলা, ৰক্ষিতা কৰিব খুজিছিলা। তাইক,— এজনী ৰাজকন্যাক! তুমি তাইৰ অকলুষ দৃষ্টিত, কালিমা সানিবলৈ চেষ্টা কৰিছিলা, নৈশ ভোজৰ আসুৰিক আহ্লাদৰ মাজলৈ টানি আনি! অলাচৰ ঘৰখন কেনেকুৱা আছিল, পাহৰিলা নেকি? লিজিয়াক নিজৰ ছোৱালীৰদৰে প্ৰতিপালন কৰা পম্পোনিয়া গ্ৰেচিনাৰ কথাও নাজানা নেকি তুমি? নিগিদিয়া, কেল্‌ভিয়া ক্ৰিচ্‌পিনিলা, পপিয়া আৰু চিজাৰৰ ৰাজপ্ৰাসাদত তুমি লগ পোৱা সকলো নাৰীতকৈ, পম্পোনিয়া আৰু লিজিয়া সম্পূৰ্ণ বেলেগ হ'ব পাৰে বুলি, তুমি হয়তো সপোনতো ভাবিব পৰা নাছিলা। তুমি কোনোদিনে নুবুজিলা যে, এই পবিত্ৰ চৰিত্ৰৰ ছোৱালীজনীয়ে, অপমানতকৈ মৃত্যুক শ্ৰেয় জ্ঞান কৰে। তাই কোনজন দেৱতাক আৰাধনা কৰে জানানে? নিৰ্লজ্জ ৰোমানইতে দেৱতাৰ শাৰীলৈ তোলা, কুখ্যাত ভেনাচ্‌ বা আইচিচতকৈ, তাইৰ ইষ্ট দেৱতাজন, শ্ৰেষ্ঠ আৰু

পবিত্র নহয় বুলি কব পৰিবানে ?-লিজিয়াই তোমাক ভাল পোৱা কথাটো, মুক্ত কণ্ঠে স্বীকাৰ কৰা নাই কেতিয়াও! কিন্তু তাই মোক জনাইছিল— তুমি অসুস্থ অৱস্থাত থাকোঁতে, তাই তোমাক পৰিচৰ্য্যা কৰিছিল। তোমাৰ কথা কৈ থাকোঁতে লাজত তাইৰ মুখখন ৰঙা পৰি উঠিছিল। তোমাৰ প্ৰতি ভাল পোৱাৰ ভাৱে, এসময়ত তাইৰ হৃদয়ত স্পন্দন তুলিছিল; কিন্তু সেই হৃদয়ক তুমি ভয় খুৱালা —বলাৎকাৰ কৰি পাৰলৈ বিচাৰিলা,— অপবাধ লগালা তাইৰ প্ৰাণত।"

"তেন্তে এতিয়া বহুত পলম হৈ গল।" ভিনিকিয়াচে কাতৰ ভাৱে জনালে। তেওঁ বুজিব নোৱাৰিলে, কি কৰিলে ভাল হ'ব, কি উপায় হাতত ল'ব,– কি দৰে আৰম্ভ কৰিব। প্ৰতিধ্বনিৰ দৰে এক্তিয়ে কলে, "পলম হৈ গল, বহুত পলম হৈ গল।" আন এজনৰ মুখেদি শুনোৱা, এই শব্দ কেইটা যেন, তেওঁৰ মৃত্যুদণ্ডৰ ঘোষণা।

এক্তিৰ পৰা বিদায় নোলোৱাকৈ, তেওঁ ওলাই যাব খুজিছিল; এনেতে এট্ৰিয়াম কক্ষৰ পৰ্দ্দাখন হঠাৎ দাং খালে, আৰু ভিনিকিয়াচে তেওঁৰ চকুৰ আগত দেখিলে,—গহীন সাজ পৰিহিতা পম্পোনিয়া গ্ৰেচিনাক।

লিজিয়াৰ অন্তৰ্দ্ধানৰ বাতৰি তেওঁও পাইছিল, আৰু অলাচক্তকৈ তেওঁ, এক্তিৰ বাসভৱনত সহজে উপস্থিত হ'ব পাৰিব বুলি ভাবি, বাতৰি লবলৈ নিজে আহিছিল। ভিনিকিয়াচক দেখি, শেতা, দুৰ্ব্বল চাৱনিৰে ঘূৰি চাই, তেওঁ কলে,

"মাৰ্কাচ! তুমি আমাৰ আৰু লিজিয়াৰ যি অন্যায় কৰিলা, তাৰ বাবে ভগৱানে তোমাক ক্ষমা কৰক।"

ভিনিকিয়াচে তললৈ মূৰ কৰি ৰৈ থাকিল। দুৰ্ভাগ্য আৰু অপৰাধৰ ভাবে তেওঁৰ অন্তৰ দহি নিলে; তেওঁৰ বোধশক্তি নোহোৱা হ'ল। কোনজন দেৱতাই তেওঁক ক্ষমা কৰিব পাৰিব, বা সঁচাকৈয়ে ক্ষমা কৰিব? যি সময়ত প্ৰতিশোধৰ মনোভাব দেখুৱাব পাৰিলেহেঁতেন, সেই সময়ত কিয় পম্পোনিয়াই ক্ষমাৰ কথা শুনালে? অৱশেষত, অন্ধকাৰ চিন্তাৰ ভাৰ মূৰত লৈ, শূন্য মনেৰে তেওঁ কোঠাৰ পৰা ওলাই গল।

ইফালে ৰাজদৰবাৰৰ সুবৃহৎ কক্ষত, চিন্তান্বিত হৈ ৰৈ থকা মানুহৰ জুমবোৰ দেখা গল। চিনেটৰ সভ্য আৰু নাইটসকল দলে, দলে আহিছে, শিশু অগষ্টাৰ খবৰ লবলৈ,—বজাৰ খবৰ কথাত ব্যগ্ৰতা আৰু উৎকণ্ঠা প্ৰকাশ কৰাই তেওঁ-লোকৰ উদ্দেশ্য। "অকণমান দেৱী" গৰাকীৰ অসুখৰ খবৰ অতি শীঘ্ৰে

কেউপিনে বিয়পি পৰিছিল। খবৰ লবলৈ অহা মানুহৰ দলবোৰ প্ৰবেশ পথেদি আহিয়ে আছে। অৰ্দ্ধ গোলাকাৰ তোৰণৰ কাষত, প্ৰজাবৰ্গ খুপ খাইছেহি। নতুনকৈ অহা কিছুমানে, ভিনিকিয়াচক দেখি, খবৰ সুধিবলৈ ওচৰ চাপি আহিল; কিন্তু তেওঁ কোনো উত্তৰ নিদি, আঁতৰি গল। হঠাৎ পেট্ৰোনিয়াচৰ ওচৰ পাই, তেওঁ থমক খাই ৰ'ল।

যি জন মানুহৰ কৰ্ম্মপন্থাই এনে বিপৰ্য্যয়ৰ সৃষ্টি কৰিলে, সেইজন মানুহৰ ওপৰত, ভিনিকিয়াচে বেচকৈ খং সাৰিলেহেঁতেন। কিন্তু এক্তিৰ ঘৰৰপৰা, ইমান বিমৰ্ষভাবে তেওঁ ওলাই আহিছিল যে, তেওঁৰ জন্মগত উগ্ৰ স্বভাবটোও, আনকি শাম কাটি গৈছিল। যি কি নহওক, পেট্ৰোনিয়াচক নেদেখা ভাও ধৰি, তেওঁ পাৰ হৈ যাব খুজিছিল। কিন্তু মোমায়েকে তেওঁক হাতত ধৰি টানি আনি সুধিলে, "অকণমান গোসানীজনা কেনে আছে ?" বাধা পাই, ভিনিকিয়াচ খঙত জ্বলি পকি উঠিল।

"নৰকৰ দেৱতাসকলে তাইক গিলি থওক।" তেওঁ দাঁত কামুৰি কলে, "হয় তাইক আৰু লগতে গোটেই ঘৰখনকে।"

"সাধু! মনে, মনে থাক।"

পেট্ৰোনিয়াচে সাৱধানে ইফালে, সিফালে চাই কলে। তাৰপাচত তেওঁ লৰালৰিকৈ কৈ থলে, "লিজিয়াৰ বিষয়ে যদি কিবা জানিব খোজা, মোৰ লগত আঁহা। ওহো, মই ইয়াত একো কব নোৱাৰো,—মোৰ লগত ব'লা। মই যি ধাৰণা কৰিছো, তাকে তোমাক ক'ম।"

তেওঁ ভিনিকিয়াচক গৰা মাৰি ধৰি, টানি নিলে। প্ৰকৃততে, ৰাজপ্ৰাসাদৰ পৰা তেওঁক আঁতৰাই নিয়াই, পেট্ৰোনিয়াচৰ উদ্দেশ্য। দিব পৰা সংবাদ তেওঁৰ একোৱে নাছিল। যিবিলাক কথাই ভিনিকিয়াচক বিবুদ্ধিত পেলাইছে, সেই-বোৰৰ বাবে, তেওঁ নিজকে কিছুপৰিমাণে দায়ী কৰিছে, আৰু এখন বেলেগ আচনি হাতত লবলৈ স্থিৰ কৰি থৈছে। দোলাখনত বহিয়ে, তেওঁ কবলৈ ধৰিলে, "নগৰৰ প্ৰতিখন দুৱাৰত মই মোৰ দাসবিলাকৰ হতুৱাই পহৰা দিয়াইছো। গাভৰু ছোৱালীজনী, আৰু তাইক সেই নিশা ট্ৰাইক্লিনিয়াম্ কক্ষৰপৰা দাঙি লৈ যোৱা দৈত্যটোৰ সবিশেষ বৰ্ণনা এটাও দিছো। কালি ৰাতি যে, সিয়েই পুণৰ তাইক কঢ়িয়াই লৈ গৈছে, তাত কোনো সন্দেহ নাই। জনা, হয়তো অলাচইতে তেওঁলোকৰ কোনোবা গ্ৰাম্য কুটীৰত তাইক লুকুৱাই থব খুজিছে। সেয়ে যদি হয়, তাই কোন দিশে বাট ল'ব, জানিব পাৰিম। মোৰ মানুহবোৰে

যদি নগৰৰ দুৱাৰবোৰত তাইক দেখিবলৈ নাপাও, তেন্তে বুজা যাব যে, তাই নগৰৰ ভিতৰতে আছে। আমি আজিয়ে তাইক বিচাৰি যাব পাৰিম।"

"কিন্তু তাই ক'ত আছে অলাচইতেই নাজানে।" ভিনিকিয়াচে বাধা দি কলে।

"তুমি এই কথা নিশ্চয়কৈ জানানে ?"

"হয়, মই এই মাত্ৰ পম্পোনিয়াক লগ পাই আহিছো, তেওঁলোকেও লিজিয়াক বিচাৰি ফুৰিছে।"

"কালি তাই নগৰ এৰি যাব নোৱাৰে, কাৰণ ৰাতি সকলো দুৱাৰ বন্ধ আছিল। একোখন দুৱাৰত মই দুটাকৈ প্ৰহৰী ৰাখিছিলো। তাৰে এটাক জনাই থোৱা আছিল, লিজিয়া আৰু দৈত্যটোক দেখা মাত্ৰকে, সিহঁতৰ পাচ লবলৈ। ইটো মানুহক, তৎক্ষণাৎ উলটি আহি খবৰটো জনাবলৈ কোৱা হৈছিল। তাই যদি নগৰতে আছে, আমি তাইক উলিয়াব পাৰিম; কাৰণ সেই লিজিয়ানটোৰ শাটো আৰু তাৰ কান্ধ দুটা চিনি পাবলৈ সহজ হ'ব। চিজাৰে যে তাইক অপহৰণ কৰা নাই, অন্ততঃ মই তোমাক এই বিষয়ে নিশ্চয়তা দিব পাৰো। ৰাজপ্ৰাসাদৰ মানুহে, মোৰপৰা কথা লুকুৱাব নোৱাৰে।"

আবেগত থোকাথোকি হোৱা মাতেৰে ভিনিকিয়াচে এইবাৰ জনালে,— এক্তিৰ মুখত শুনা, বৰ্ত্তমান লিজিয়াৰ জীৱনলৈ অহা নতুন বিপদৰ সম্ভাৱনাৰ কথা। তাৰপাচত তেওঁ ভিন্ন অভিযোগ কৰিবলৈ ধৰিলে। তেওঁ কলে, পেট্ৰোনিয়াচে হাত নিদিয়া হলে, লিজিয়া এতিয়া অলাচইছৰ লগতে থাকিলেহেঁতেন। তেওঁ তাইক সদায় লগ পালেহেঁতেন আৰু চিজাৰতকৈও বেচি সুখী হ'লহেঁতেন। কথা কৈ থাকোঁতে তেওঁ উত্তেজিত হৈ আহিবলৈ ধৰিলে। শেষত তেওঁ ইমান অশান্ত হৈ উঠিল যে, ক্ৰোধ আৰু হতাশাৰ চকুলো, তেওঁৰ দুচকুৰেদি ধাৰাসাৰে বৰলৈ ধৰিলে।

পেট্ৰোনিয়াচে কোনোদিন বুজি পোৱা নাছিল যে, যুৱক ইমান সাংঘাতিক ৰকমে প্ৰেমত পৰিব পাৰে।

"হে সৰ্ব্বশক্তিময়ী চাইপ্ৰাচৰ দেৱী!" তেওঁ নিজৰ মনতে কলে, "দেৱতা, মানৱ, সকলোৰে হৃদয়ৰ ওপৰত, একমাত্ৰ তোমাৰেই অধিকাৰ!"

। ১১ ।

পেট্ৰোনিয়াচৰ ঘৰৰ আগত যেতিয়া দুয়ো দোলাৰপৰা নামিল, তেতিয়া এটিয়াম কক্ষৰ বন্দীটোৱে তেওঁলোকক জনালে যে, নগৰৰ দুৱাৰবোৰলৈ পঠিওৱা দাসবোৰৰ ভিতৰত, কোনো এটাও এতিয়ালৈকে উলটি অহা নাই।

"মোৰ ভুল হোৱা নাই তেন্তে।" পেট্ৰোনিয়াচে কলে, "সিহঁত যে এতিয়া-লৈকে নগৰৰ চাৰিবেৰৰ মাজতে আছে, তাত কোনো সন্দেহ নাই। আমি বিচাৰি উলিয়াম। নগৰৰ দুৱাৰত পহৰা দিবলৈ, তুমি নিজৰ মানুহ পঠিয়াই-ছানে নাই? যিবোৰক আগতে তোমাৰ কামত ৰাজপ্ৰাসাদলৈ পঠাইছিলা, বিশেষকৈ সেইবোৰকে পঠাইছা নেকি? সিহঁতে লিজিয়াক বেচি সংজে চিনি পাব।"

"সেই দাসবোৰক, মই গাঁৱৰ কাৰাগাৰলৈ পঠিওৱাৰ ব্যৱস্থা কৰিছিলো,—কিন্তু এতিয়া আদেশ সলনি কৰি, সিহঁতক মই নগৰৰ দুৱাৰবোৰলৈহে পঠাম।"

প্ৰযোজনমতে আদেশ জাৰি কৰি, দুয়ো গৈ, ভিতৰৰ চ'ৰাৰ (পেৰিষ্টাইলি-য়াম্) মাৰ্বলৰ বেঞ্চ এখনত বহিল। স্বৰ্ণকেশিনী ইউনিচে আৰু আইৰাচ্ নামৰ আন এজনী দাসীয়ে, লৰালৰিকৈ দুয়োৰো ভৰিৰ তলত ব্ৰঞ্জৰ পা-দানি একোখন থলেহি, আৰু দুনলীয়া লোটাৰপৰা মদ ঢালি দিবলৈ ধৰিলে। এইয়া ভোলা-টেৰা অথবা চিচিনাৰপৰা অহা উৎকৃষ্ট মদ।

"তোমাৰ কোনোবা দাসে, সেই লিজিয়ান দৈত্যটোক, দেখা মাত্ৰকে চিনি পাবনে?" পেট্ৰোনিয়াচে সুধিলে।

"এটাচিনাচ্ আৰু গুলো, ইহঁত দুটাই তাক চিনি পাইছিল; কিন্তু কালি ৰাতি এটাচিনাচ মৰিল, আৰু মই নিজ হাতেৰে, গুলোক শেষ কৰি থলো।"

"বৰ দুখলগা কথা," পেট্ৰোনিয়াচে কলে, "কাৰণ গুলোৱে তোমাক আৰু মোকো, কেচুৱাতে কোলাত লৈছিল।"

"হয়, মই তাক দাসত্বৰপৰা মুক্তি দিবই খুজিছিলো। যি হ'ল, হ'ল আৰু। অঁাহা, আমি লিজিয়াৰ কথাকে পাতো। ৰোম হ'ল এখন সাগৰৰ দৰে,—"

"যি সাগৰত আমি 'মুক্তা' বিচাৰি জাল পেলাওঁ। কিন্তু এটা কথা ঠিক যে, আমি তাইক আজি বা কাইলৈ নাপাব পাৰো, কিন্তু এদিন নহয় এদিন পামেই। মই তোমাক আঙুলিয়াই দেখুউৱা কাৰ্য্যপদ্ধতি দুৰ্ভাগ্যজনক হোৱাৰ বাবে, তুমি মোক দোষাৰোপ কৰিছা। কিন্তু মই একেবাৰে ঠিক পথকে লৈছিলো।

ঘটনাচক্ৰত তাৰ ফল বেয়া হৈ গল। অলাচে তোমাক নিজে জনাইছিল যে, তেওঁ সপৰিয়ালে ইটালীৰ গাওঁ এখনলৈ গুচি যাব। যোৱা হলে, এতিয়া তাই তোমাৰপৰা বহুদূৰলৈ আঁতৰি গলহেঁতেন।”

“অলাচ পৰিয়ালৰ লগত লিজিয়া চিচিলিলৈ গলহেঁতেন। মইও পিচে, পিচে তালৈকে যাব পাৰিলোহেঁতেন।” ভিনিকিয়াচে উত্তৰ দিলে, “তেতিয়া হলে, যেনেকৈয়ে নহওক, তেওঁ ভালে, কুশলে থাকিলেহেঁতেন। এতিয়া যদি ৰজাৰ কেচুৱাটো কেনেবাকৈ মৰি যায়, পপিয়াই ভাবি লব, ই লিজিয়াৰে কাম। চিজাৰৰ মুৰতো তাই এই ভাব সুমুৱাই নিব।”

“এহ। ৰজাৰ পোৱালীডাল বাচিবও পাৰে, যদি নাবাচে, আমি আন এটা কাৰণ উলিয়াই দেখুৱাম।” অলপ পৰ ভাবি, পেট্ৰোনিয়াচে আকৌ কলে, “মাহুহে কয়, পপিয়াই ইহুদী ধৰ্ম্মৰ মত মানি চলে। তাই হেনো ভূত, প্ৰেত বিশ্বাস কৰে। চিজাৰো অন্ধ বিশ্বাসী। আমি যদি এইদৰে উলিয়াই দিওঁ যে, লিজিয়াক ভূতে লৈ গল, তেন্তে সিহঁতে তাকে বিশ্বাস কৰিব। এই ক্ষেত্ৰত বিশ্বাস নোহোৱাকৈ নাথাকে; কাৰণ লিজিয়াৰ অন্তৰ্দ্ধান ৰহস্যময়। ই চিজাৰ বা অলাচ কাৰো কাম নহয়। লিজিয়ানটোৱে অকলে এই কাম কৰিব নোৱাৰে। তাক কোনোবাই সহায় কৰিছিল নেকি? এদিনৰ ভিতৰতে দাস এটাই, ইমানবোৰ মাহুহ গোটাই আনিব পাৰেনে?”

“নগৰৰ সকলো ঠাইতে দাসবোৰে পৰস্পৰৰ সহায় লয়।”

“তেন্তে এদিন সিহঁতে তাৰ ফল পাব,— ৰক্তক্ষয়ৰ পদ্ধতিৰে। হয়, তোমাৰ কথাই ঠিক,— সিহঁতে পৰস্পৰৰ সহায় পায়। কিন্তু এই ক্ষেত্ৰত, এদল দাসৰ লগত, আন এদলৰ যুঁজ লগাৰ দৰে নহল নে? অসম্ভৱ কথা। লিজিয়াক দাস এদলে পলুৱাই নিয়া নাই। সিহঁতে নিশ্চয়কৈ জানে যে, এনে দু:সাহসিকতাৰ বাবে, সিহঁতৰে নিচিনা আন কিছুমানে শাস্তি পাব,— দোষৰ ভাগী হৈ। আন হাতে, তুমি কোনোবা এটাক যদি সুধি চোৱা,— লিজিয়াক এদল ভূতে উৰুৱাই লৈ যোৱা দেখিছিলনে, তেতিয়া সি তৎক্ষণাৎ জুপিটাৰৰ ঢালখনত ধৰি শপত খাই কব,— সঁচাকৈয়ে সি এনে এটা কথাৰ উমান পাইছিল!”

এতিয়ালৈকে ভিনিকিয়াচো সম্পূৰ্ণ মুক্ত হোৱা নাই, অন্ধবিশ্বাসৰ পৰা। তেওঁ অস্বস্তিৰে পেট্ৰোনিয়াচলৈ চাই কলে, “যদি উৰচাচে কাৰো সহায় নোলোৱাকৈ নিজ শক্তিৰে লিজিয়াক পলুৱাই লৈ যাব নোৱাৰে, আৰু তেতিয়ালৈকে সহায়-

কাৰো গোট খোৱা নাছিল, তেন্তে কোনে তেওঁক সহায় কৰিলে বুলি ভাবা ?"

পেট্ৰোনিয়াচে সশব্দে হাঁহি দিলে। "বুজিছা," তেওঁ কলে, "দেৱতাক লৈ ৰং ৰহইচ কৰা আমাৰ এই জগতখনক যি কোৱা তাকে মানি ল'ব। তুমি নিজেও কিছুদূৰ বিশ্বাস কৰিছা। আমাৰ জগতখনক যি কথা শুনাওঁ, তাকে ধ্ৰুৱসত্য বুলি মানিব। গতিকে লিজিয়াক বিচাৰিবলৈ এৰি দিয়া। বৰ্ত্তমান আমি দুয়ো দূৰৰ কোনোবা ঠাইলৈ যাওঁ বলা,—অৰ্থাৎ আমাৰে কোনোবা এখন গ্ৰাম্য প্ৰমোদ নিকেতনত থাকোঁগৈ আঁহা।"

"তেন্তে কোন আহিছিল তেওঁক নিবলৈ ?"

"তাইৰ স্বধৰ্ম্মীইত।"

"তেওঁৰ স্বধৰ্ম্মীইত ? কোনজন দেৱতাক পূজা কৰে তেওঁ ? তোমাতকৈ মই এই বিষয়ে বেচি জনা উচিত আছিল ; কিন্তু মই একেবাৰে অজ্ঞ।"

"ৰোমত এনে কোনো নাৰী নাই, যাৰ নিজস্ব দেৱ, দেৱীৰ অভাৱ। এই কথা দেখদেখকৈ ওলাই আছে যে, পম্পোনিয়া আৰু লিজিয়াই একেজন দেৱতাৰ আৰাধনা কৰে। কাৰণ, পম্পোনিয়াই তাইক শিক্ষা দীক্ষা দি তুলি তালি ডাঙৰ কৰিছে। তুমি সুধিছা, এই ধৰ্ম্মমত কি ? মই কব নোৱাৰো ; কিন্তু এটা কথা ঠিক। আমাৰ কোনো দেৱদেৱীৰ আগত, তেওঁ বলি উচৰ্গা নকৰে। এই কথা আটায়ে জানে। তেওঁক খৃষ্ট ধৰ্ম্মাৱলম্বী বুলি দোষী সাব্যস্ত কৰা হৈছিল। কিন্তু এইটো অসম্ভৱ। তেওঁৰ নিজৰ পৰিয়ালৰ বিচাৰক মণ্ডলীয়ে, এই অভিযোগৰপৰা তেওঁক মুক্ত কৰিছে। শুনা যায়, খৃষ্টিয়ানবোৰে গাধৰ মূৰ এটাক পূজা কৰে ; সিইঁত হেনো গোটেই মানৱ জাতিৰে শত্ৰু। সিইঁতে অতি জঘন্য পাপ কামো কৰে হেনো। গতিকে পম্পোনিয়া খৃষ্টিয়ান হ'ব নোৱাৰে। ধৰ্ম্মপৰায়ণা বুলি তেওঁ সৰ্ব্বজনবিদিত। তেওঁ নিজৰ দাস-বোৰৰ লগত যেনে ব্যৱহাৰ কৰে, মানৱ জাতিৰ শত্ৰুৱে তেনে ব্যৱহাৰ কৰিব নোৱাৰে।"

"হয়, ইমান ভাল ব্যৱহাৰ সিইঁতে ক'তো নাপায়।"

"যি কি নহওক, পম্পোনিয়াৰ মুখত, মই এনে এজন দেৱতাৰ নাম শুনিছো, যিজন অদ্বিতীয় সৰ্ব্বশক্তিমান, আৰু যিজনে সকলোকে দয়া কৰে। ইয়াৰ দ্বাৰা বুজা গল, তেওঁ আমাৰ অন্যান্য দেৱতাৰ সমাধি ঘটাইছে। কিন্তু সেইটো তেওঁৰ ব্যক্তিগত কথা। তেওঁৰ সেই সৰ্ব্বনিয়ন্তাজনৰ ভক্ত যদি কেৱল তেওঁ

আৰু লিজিয়াই হয়. আৰু উৰচাচৰো দেখাক দেখি গা উঠে, তেন্তে কব লাগিব, সেইজন নামতহে সৰ্ব্বশক্তিমান। গতিকে আমি এই সিদ্ধান্তলৈ আহিব পাৰো যে, সেই দেৱতাজনৰ ভক্ত নিশ্চয় আৰু বহুত আছে, আৰু ইহঁতেই লিজিয়াক সহায় কৰিছে।"

"তেওঁলোকৰ ধৰ্ম্মই ক্ষমা কৰিবলৈ শিকায়।" ভিনিকিয়াচে কলে, "এইমাত্ৰ পম্পোনিয়াক মই এক্টিৰ তাত লগ পাই আহিছো; তেওঁ মোক কৈছিল, তুমি আমাৰ আৰু লিজিয়াৰ যি অনিষ্ট কৰিলা, তাৰবাবে ভগৱানে তোমাক ক্ষমা কৰক।"

"সেয়ে যদি হয়, তেওঁলোকৰ দেৱতাজন পৰম দয়ালু ৰক্ষাকৰ্ত্তা বুলি মানি লবলৈ, মানুহৰ ধাউতি হ'ব। যদি তোমাক ক্ষমা কৰিবলৈ তেওঁ ইমানেই উদাত, তেন্তে ছোৱালীজনীক উদ্ধাৰ কৰি আনি, তোমাৰ হাতত দি তাৰ চিন দেখুৱাওকচোন চাওঁ।"

"লিজিয়াক যদি উদ্ধাৰ কৰি আনি দিয়ে, তেন্তে মই তেওঁৰ নামত কাইলৈকে এশ ষাড় গৰু বলি দিয়াম। এতিয়া মোৰ এনেকুৱা অৱস্থা হৈছে যে, মই খাব শুব নোৱাৰা হৈ পৰিছো। ক'লা কাপোৰ পিন্ধি, মই নগৰৰ চাৰিওফালে ঘূৰি ফুৰিমগৈ। হয়তো এইদৰে ছদ্মবেশত ফুৰিলে, কোনোবা ঠাইত লিজিয়াক পামগৈ। বৰ অসুস্থ অনুভৱ কৰিছো মই।"

পেট্ৰোনিয়াচে দয়া আৰু সহানুভূতিৰে. ভিনিকিয়াচলৈ চালে। সঁচাকৈয়ে যুৱকৰ চকুৰ চাৰিওফালে ক'লা দাগ পৰিছে; চকুৰ ক'লা মণিত অস্বস্থতাৰ ছাঁ। দুদিন ডাঢ়ি নুখুৰোৱাৰ বাবে, দীঘল থুঁতৰিটোত ক'লা ডাঢ়িবোৰ দহিৰদৰে জিলমি পৰিছে। মূৰৰ কেঁকোৰা চুলিবোৰো অযত্নৰ বাবে, অশোভন দেখা গৈছে। তেওঁক দেখিলে অসুস্থ বুলি ধৰিব পাৰি। আইৰাচ্ আৰু ইউনিচেও পুতৌৰ ভাবত তেওঁলৈ চালে। পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচে সিহঁত দুজনীলৈ মন নকৰিলে। ভিনিকিয়াচে, কালৈকো নাচাই, কেউপিনে ডেওদি জপিয়াই থকা কুকুৰ পোৱালী কেইটামানলৈহে চাবলৈ ধৰিলে।

"তুমি জ্বৰত ভুগি কষ্ট পাইছা নেকি?" পেট্ৰোনিয়াচে সুধিলে।

"এৰা।"

"তেন্তে মোৰ কথা শুনা। চিকিৎসকে কি বিধান দিয়ে নাজানো। কিন্তু তোমাৰ দৰে অৱস্থাত, মই কি কৰিলোহেঁতেন শুনা। বিচৰাজনীক নাপাওঁ মানে,

মই তাইৰ সলনি, সাময়িকভাৱে আন এজনীক উপভোগ কৰিলোহেঁতেন। তোমাৰ প্ৰমোদ কুঞ্জত, বহুতো চকুতলগা ৰমণী দেখিছিলো। কিন্তু এটা কথা অস্বীকাৰ কৰিব নোৱাৰি। হয়, মই নিশ্চয় জানো, প্ৰেম কি বস্তু। এজনে যদি বিশেষ কোনোবা ছোৱালীক পাবলৈ বিচাৰে, তেন্তে আন কোনো ছোৱালীয়ে তাইৰ ঠাই লব নোৱাৰে। তথাপিও, এজনী ধুনীয়া দাসীক উপভোগ কৰি, তুমি অন্ততঃ কিছু সকাহ পাবা।”

“ওহো, মোক নালাগে।” ভিনিকিয়াচে উত্তৰ দিলে। উদাৰমনা পেট্ৰোনিয়াচে অলপপৰ ভাবি কলে, “হয়তো তোমাৰ নিজৰ দাসীবিলাকৰ মাজত, তুমি নতুনত্বৰ আকৰ্ষণ অনুভৱ কৰা নাই কিন্তু” — অলপ ৰৈ, তেওঁ ইউনিচ আৰু আইৰাচক মনদি চালে। তাৰপাচত, ৰেচমী কেশযুক্তা একিয়ান গাভৰুজনীৰ নিতম্বত হাত এখন থৈ, তেওঁ কলে, “তোমাৰ ওচৰতে থকা এই দুজনী গাভৰুলৈ চোৱাচোন। মাত্ৰ কেইদিনমানৰ আগতে, মুদ্ৰক ফনটিয়াচ কেপিটোৱে, বিশেষকৈ এইজনীৰ সলনি, মোক ক্লাজোমেনৰ পৰা অনা তিনিটা অপূৰ্ব্ব সুন্দৰ বালক দিব খুজিছিল। কাৰণ, তেওঁৰ মতে, এইজনীৰ গাৰ গঠন যিমান সুন্দৰ, সিমান সুন্দৰকৈ, আনকি স্কোপাচেও কোনোদিন মূৰ্ত্তি গঢ়া নাই। মই ইউনিচৰ কাপলৈ চকু নিদি, কেনেকৈ আছিলো, কব নোৱাৰো। অন্ততঃ ক্ৰাইচোথিমিচৰ ভাবনাই মোক সংযত কৰিছিল বুলি ভাবিলে ভুল হ’ব। বেচ, তুমি ইউনিচকে লৈ যোৱা, নিয়া তাইক।”

দাসীজনী শেতা পৰি গল, ভিনিকিয়াচৰ মুখলৈ ভয়ে, ভয়ে চাই উত্তৰলৈ অপেক্ষা কৰিলে তাই।

ভিনিকিয়াচৰ অন্তৰ যেন কিহবাই খুলি, খুলি খাইছে। কুমদুটাত হেঁচা মাৰি ধৰি, অসুস্থ মানুহৰ দৰে তেওঁ তৎক্ষণাৎ চিঞৰি উঠিল,

“নহয়, নহয়, মোক নালাগে তাইক! কাকো নালাগে মোক। তোমাক ধন্যবাদ জনালো। কিন্তু তাইলৈ অকণো মোহ নাই মোৰ। মই গোটেই নগৰতে লিজিয়াক তন্ন, তন্নকৈ বিচাৰিম। গলবিলাকৰ দৰে মূৰ ঢাকি পিন্ধিব পৰা চোলা এটা মোক দিয়া। মই নৈৰ সিপাৰলৈকো যাম। উস! যদি উৰচাচক ক’ৰবাত দেখিলোহেঁতেন!” কোঠাৰপৰা তেওঁ বেগেৰে ওলাই গল।

পেট্ৰোনিয়াচে তেওঁক ধৰি ৰাখিবলৈ চেষ্টা নকৰিলে। লিজিয়াৰ বাহিৰে আন কোনো নাৰীক কামনা নকৰাটো, ভিনিকিয়াচৰ সাময়িক ভাবপ্ৰৱণতা

বুলি ধৰিলৈ, তেওঁ ইউনিচক কলে, "ইউনিচ, গাটো ধুই, সুগন্ধি আতৰ সানি ভিনিকিয়াচৰ ঘৰলৈ যা।"

পেট্ৰোনিয়াচে দৃঢ় সঙ্কল্প কৰিলে, যাতে তেওঁৰ উদাৰতা মিছা বুলি প্ৰমাণিত নহয়।

কিন্তু প্ৰভুৰ আদেশ শুনি, দাসীজনীয়ে আঁঠু কাঢ়ি কাকুতি মিনতি কৰি জনালে, তাইক যেন ঘৰৰপৰা উলিয়াই দিয়া নহয়। তাই স্পষ্টভাৱে কলে, ভিনিকিয়াচৰ তালৈ তাই কেতিয়াও নাযায়। ভিনিকিয়াচৰ দাস-দাসীৰ মুৰব্বী হবলৈকো তাই নাযায়। তাতকৈ পেট্ৰোনিয়াচৰ ঘৰতে খৰি কটিয়াই দিন কটাব ওঁহো,—তাই নাযায়,—তাই নোৱাৰে যাব। বাৰে, বাৰে তাই নিজ প্ৰভুক প্ৰাৰ্থনা জনালে,— তাইক যেন পুতৌ কৰে,— তাইৰ প্ৰতি যেন সদয় হয়। ঘৰৰ-পৰা উলিয়াই পঠিওৱাতকৈ, প্ৰভুৱে যেন তাইক প্ৰতিদিনে প্ৰহাৰ কৰে।

আদেশ অমান্য কৰি, 'মই নোৱাৰো —মই কেতিয়াও নোৱাৰো যাব' বুলি কবলৈ সাহ কৰা, দাসীজনীলৈ আচৰিত হৈ চালে, পেট্ৰোনিয়াচে। বোমত ই না-ভূত না-শ্ৰুত কথা! গতিকে প্ৰথমে তেওঁ নিজৰ কাণ দুখনকে বিশ্বাস কৰিব খুজিলে। তাৰপাচত তেওঁ জ্ৰকুঞ্চিত কৰি ব'ল। নিজকে সততে উচ্চস্তৰত স্থাপন কৰা পেট্ৰোনিয়াচৰ দৰে মানুহ নিষ্ঠুৰ হ'ব নোৱাৰে কেতিয়াও,— আন যি কোনো ঠাইতকৈ, তেওঁৰ ঘৰত দাসবোৰ বেচি স্বাধীন। —সিহঁত আদৰ্শ সেৱক হ'ব লাগিব, নিজ প্ৰভুৰ ইচ্ছাক দেৱতাৰ ইচ্ছা বুলি মানিব লাগিব,— এই দুটা চৰ্ত্ত অনুসৰণ কৰাই যথেষ্ট, সিহঁতৰ পক্ষে। এইখিনি বাধ্য-বাধকতালৈ পিঠি দিলে, পেটোনিয়াচে, প্ৰচলিত ৰীতি অনুসৰি, সিহঁতক শাস্তি দিবই। নিয়মৰ বিৰুদ্ধাচৰণ কৰাটো তেওঁৰ বাবে অসহনীয়। আঁঠুকাঢ়ি থকা তিৰোতাজনীৰ চকুপানীলৈ চাই তেওঁ কলে, "যা, টেইৰেচিয়াচক মাতি আনগৈ।"

ক্ৰীত দেশীয় মানুহটোক লগত লৈ, তাই পুণৰ উলটি আহিল। এট্ৰিয়াম কক্ষৰ ৰক্ষণাবেক্ষণৰ ভাৰ এই মানুহটোৰ ওপৰতে।

"ইউনিচক লৈ যা," পেট্ৰোনিয়াচে কলে, "তাইক একুৰি পাঁচোটা বেত দেগৈ। কিন্তু বেচি জোৰেৰে নামাৰিবি। চাবি, যাতে তাইৰ গাৰ ছাল নিছিগে।"

তাৰপাচত তেওঁ গৈ পঢ়া কোঠাত সোমাল। বগা মাৰ্ব্বলৰ মেজ এখনৰ কাষত বহি, তেওঁ ট্ৰিমেল্কিয়ৰ ভোজ সভা" নামৰ কিতাপখন লেখাত লাগিল।

কিন্তু লিজিয়াৰ পলায়ন আৰু শিশু অগষ্টাৰ ব্যাধিৰ কথা মনলৈ আহি থকাত, বেচি সময় তেওঁ লেখাত মন দিব নোৱাৰিলে। এতিয়া এই ব্যাধিৰ কথাটোও দৰকাৰী বিষয়ত পৰিণত হৈছে। চিজাৰৰ মূৰত যদি কেনেবাকৈ সোমায় যে, লিজিয়াই কেচুৱাটোক কিবা যাদু কৰিলে, তেতিয়া তেওঁৰ অৱস্থাও সঙ্কটপূৰ্ণ হ'ব পাৰে। কাৰণ তেওঁৰ অনুৰোধতহে লিজিয়াক ৰাজপ্ৰাসাদলৈ অনা হৈছিল। প্ৰথম সুযোগতে তেওঁ চিজাৰক বুজাই দিব,—লিজিয়া দোষী হ'ব নোৱাৰে, ই অসম্ভৱ। তেওঁ জানে যে, পপ্পিয়াৰ তেওঁৰ প্ৰতি দুৰ্ব্বলতা আছে। তেওঁৰ চকুত এই কথা ধৰা নপৰাকৈ থকা নাই। কথাটো মনত পেলাই, তেওঁ কান্ধ দুটা জোকাৰ মাৰি দিলে। তেওঁ থিৰ কৰিলে, মধ্যাহ্ন ভোজনৰ পাচত, তেওঁ প্ৰথমে ৰাজপ্ৰাসাদলৈ যাব। তাৰ পাচত কেম্পাচ্ মাৰ্চিয়াচ্ ক্ৰীড়া ক্ষেত্ৰ পাৰ হৈ, ক্ৰাইচোথিমিচৰ ঘৰ পাবগৈ।

ভোজন কক্ষত সোমাবলৈ ধৰোঁতে, তেওঁ লক্ষ্য কৰিলে, পৰিচাৰকবৰ্গক থিয় কৰাই থোৱা দুৱাৰৰ মূখত, অন্যান্য দাস দাসীৰ লগত, গ্ৰী যুৱতী ইউনিচো আছে'। তাইক বেত দিবলৈ, টেইৰেচিয়াচক আদেশ দিয়া কথাটো মনত পৰাত, তেওঁ ভ্ৰূকুঞ্চিত কৰি, চাৰিওফালে চকু ঘূৰাই, দাসটোক বিচাৰিলে। তাক নেদেখি, তেওঁ ইউনিচক সুধিলে, তাই শাস্তি ললে নে নাই লোৱা। এই প্ৰশ্ন শুনা মাত্ৰকে, তাই তেওঁৰ ভৰিত দীঘলদি পৰিল, আৰু তেওঁৰ টোগাৰ আগটোত চুমা খাই কলে, "হয় প্ৰভু, মই কোবকেইটা পাপাতি লৈছো।"

তাইৰ কথাত আনন্দ আৰু কৃতজ্ঞতাৰ আভাস পোৱা গল। তাই নিশ্চয় ভাবি লৈছে যে, বেতৰ কোব খোৱাৰ পাচত, তাই ঘৰত থাকিবলৈ অনুমতি পাব। পেট্ৰোনিয়াচে কথাটো বুজি পালে, আৰু তাইৰ এনে মনোভাব দেখি আচৰিত হ'ল। কিন্তু ৰূপকলাৰ বিচক্ষণ বিচাৰক পেট্ৰোনিয়াচে মানুহৰ মনৰ খবৰো ভালদৰে জানে। তেওঁ বুজিলে, এনে আঁকোৰ গোঁজালিৰ কাৰণ, একমাত্ৰ প্ৰেমৰ বাহিৰে আন একো হ'ব নোৱাৰে।

"ইয়াত তোৰ কোনোবা প্ৰেমিক আছে নেকি?" তেওঁ সুধিলে।

সজল নীলা চকুযুৰি ওপৰলৈ তুলি, ইউনিচে অস্পষ্ট মাতেৰে কলে,

"হয় প্ৰভু!"

সেই মুহূৰ্ত্তত, তাইৰ চকু, তাইৰ সোণালী চুলিটাৰি, আৰু তাইৰ উৎকণ্ঠিত মুখমণ্ডলৰ জ্যোতি উদ্ভাসিত হৈ উঠাত, একপ্ৰকাৰ সহানুভূতিৰ ভাবত পেট্ৰোনিয়াচৰ বিমুগ্ধ অন্তৰ বিগলিত হ'ল।

"কোন তোৰ প্ৰেমাস্পদ?" ইবিলাক দাসলৈ হাতৰ ঠাৰেৰে দেখুৱাই, তেওঁ প্ৰশ্ন কৰিলে।

কোনো উত্তৰ পোৱা নগ'ল। ইউনিচে তললৈ মুৰ কৰি, প্ৰভুৰ পদযুগললৈ চাই, স্তব্ধ হৈ ৰৈ থাকিল।

পেট্ৰোনিয়াচে দাসবোৰলৈ চালে; সিহঁতৰ ভিতৰত কেইটামান বেচ চকুত লগা। আটাই কেইটাই, সাৱধানে মিচিকিয়াই হাঁহি আছে যদিও, কাৰো মুখত নিজৰ বিষয়ে সজাগ মনোভাব পৰিলক্ষিত নহ'ল। তাৰপাচত তেওঁ, মাটিত দীঘল দি পৰি থকা দাসীজনীলৈ চালে। অৱশেষত একোকে নকৈ, তেওঁ ভোজন কক্ষত সোমাল।

আহাৰৰ শেষত, তেওঁ দোলাত উঠি, ৰাজপ্ৰাসাদলৈ যাত্ৰা কৰিলে। তাৰ পৰা ওলাই আহি, তেওঁ ক্ৰাইচোথিমিচৰ ঘৰত সোমাল আৰু বহুত পৰ তাইৰ ঘৰতে কটালে। ঘৰলৈ উলটি অহাৰ পাচত, তেওঁ টেইৰেচিয়াচক সুধিলে, ইউনিচক বেত দিয়া হ'ল নে নাই।

"হয় প্ৰভু," ভাৱপ্ৰাপ্ত দাসটোৱে জনালে, "পিচে আপুনি মোক কৈছিল, তাইৰ গাৰ ছাল নিছিঙিবলৈ।"

"এই বিষয়ে মই আন একো আদেশ দিয়া নাই নেকি?"

"নাই দিয়া প্ৰভু!" টেইৰেচিয়াচে অস্বস্তিৰে কলে।

"বাৰু, দাসবিলাকৰ ভিতৰত কোন তাইৰ প্ৰেমিক?"

"কোনো নহয়, দেউতা ঈশ্বৰ।"

"তাইৰ বিষয়ে তই কিবা জান নেকি?"

এই কথা শুনি, টেইৰেচিয়াচে বিমোৰত পৰাৰ দৰে কলে, "বুঢ়া এক্‌বিচিয়ন আৰু আইফিচৰ লগত ইউনিচ বিটো কোঠাত শোৱে, সেইটো কোঠাৰ পৰা, ৰাতি তাই কলৈকো ওলাই নাযায়। আপোনাৰ স্নান শেষ হোৱাৰ পাচত, আনবোৰৰ দৰে তাই, টেপিডেৰিয়ামত নোসোমায়। ইবোৰ তিৰোতাই তাইক 'ডায়েনা' বুলি ইতিকিং কৰে।"

"হ'ল, হ'ল, আৰু কব নালাগে," পেট্ৰোনিয়াচে কলে, "আজি বাহিপুৰা মোৰ ভাগিন ভিনিকিয়াচক, উপহাৰ স্বৰূপে মই ইউনিচক দিছিলো; কিন্তু তেওঁ প্ৰত্যাখ্যান কৰিলে। গতিকে তাই ইয়াতে থাকিব। তই যাব পাৰ এতিয়া।"

"প্ৰভু, ইউনিচৰ বিষয়ে মই আৰু এবাৰ কব পাৰোনে?"

"তই যি জান, সকলো কবলৈ কৈছিলো।"

"তেন্তে মই ইয়াকে জনাওঁ দেউতা! মহান ভিনিকিয়াচৰ লগত থাকিবলগীয়া ছোৱালীজনী পলাই গুচি যোৱা কথাটো দাসবোৰৰ মাজত কোৱা মেলা হৈ আছে; আজি আপুনি ওলাই যোৱাৰ পাচতে, ইউনিচে আহি মোক কৈছিল যে, তাই এজন মানুহক চিনি পায়, যি জনে এই ছোৱালীজনী বিচাৰি পাব।"

"আহ্!" পেট্ৰোনিয়াচে কলে, "কোননো সেইজন?"

"মই চিনি নাপাওঁ দেউতা!"

"বেচ, কাইলৈ ভিনিকিয়াচক লগ ধৰিবলৈ, মানুহজনক ইয়ালৈ আনিব লাগিব। মোৰ কথা কৈ তেওঁক অনুৰোধ জনাবি—কাইলৈ যেন তেওঁ ইয়ালৈ সোনকালে আহে।"

অকলশৰীয়া হোৱাৰ পাচত পেট্ৰোনিয়াচে অজ্ঞাতসাৰে ইউনিচৰ কথাকে ভাবিবলৈ ধৰিলে। তেওঁৰ মনত খেলালে,—এই যুৱতী দাসীজনীয়ে লিজিয়াক বিচাৰি উলিওৱাত আগ্ৰহ দেখুউৱাটো সম্পূৰ্ণ স্বাভাৱিক; লিজিয়াৰ সলনি তাই যে ভিনিকিয়াচৰ ঘৰত থাকিব নোখোজে, সেই কথা দেখ দেখকৈ ওলাই পৰিছে। লগে, লগে আৰু এটা কথা তেওঁৰ মনত উদয় হ'ল,—বিজন মানুহৰ কথা তাই কৈছে, নিশ্চয় সেইজনেই তাইৰ প্ৰেমাস্পদ। কিয় জানো কথাটো ভাবি তেওঁৰ অকণো ভাল নালাগিল। অৱশ্যে আচল কথাটো অতি সহজে জানিব পাৰি,—ইউনিচক মাতি পঠিয়ালেই হ'ল।

পেট্ৰোনিয়াচে ক্ৰাইচোথিমিচৰ তাত বহু সময় কটাই আহিছে। এতিয়া বহুত ৰাতি হল, তেওঁৰ খুব ভবৰ মন গৈছে। শোৱা কোঠাত সোমাই আজি কিবা কাৰণত তেওঁৰ মনলৈ আহিল—ক্ৰাইচোথিমিচৰ ধুনীয়া মুখখনত কিছুমান সো-তোৰা সোতোৰি দাগ পৰিছে। তেওঁ নিজৰ মনতে কলে, তাইৰ ৰূপৰ খ্যাতি থাকিলেও প্ৰকৃততে তাই ৰূপহী নহয়। ফন্টিয়াচ্ কেপিটোই, ইউনিচৰ সলনি, ক্ৰাজোমেনৰ ভিনিটা কিশোৰ এনেয়ে দিব খোজা নাছিল! মানুহজন বেচ কাৰবাৰী!

॥ ১২ ॥

পেট্ৰোনিয়াচে সাজ-পাৰ কৰি প্ৰসাধন কোঠাৰপৰা ওলোৱাৰ লগে, লগে টেইৰেচিয়াচৰ মুখত বাতৰি পাই, ভিনিকিয়াচ আহি উপস্থিত হ'ল। ইতিমধ্যে তেওঁ, ভিতৰুৱা ঠাইবোৰলৈ যাব পৰা প্ৰতিটো পথলৈ দাস পঠিয়াইছে আৰু নগৰৰ বাহিৰৰ চকীবোৰতো সিঁহতৰ হতুৱাই পহৰা দিয়াইছে। উৰচাচ্ আৰু লিজিয়াৰ হুবহু বৰ্ণনা দি, সিঁহতক এই কামলৈ পঠোৱা হৈছিল। উৰচাচ্ আৰু লিজিয়াক "পলৰীয়া দাস" বুলি ধৰি আনিবলৈ কৈ, ভিনিকিয়াচে তাৰ বাবে উপযুক্ত পুৰস্কাৰো ঘোষণা কৰিছিল। এইদৰে বিচাৰি, সিঁহতক ধৰা পেলাব পৰা যায় নে নাযায়, তেওঁৰ মনত সন্দেহ আছিল। ধৰা পেলাব পাৰিলেও, গাঁৱৰ মুখীয়াল-ইতে সিঁহতক বন্দী কৰিবনে নকৰে, কব নোৱাৰি। ভিনিকিয়াচে নিজাকৈ দিয়া আদেশ সিঁহতে নামানিবও পাৰে। কাৰণ, স্থানীয় বিচাৰকে, ভিনিকিয়াচৰ নাম জনাই, পলৰীয়াইতক বন্দী কৰিবলৈ, আদেশ পত্ৰ পঠোৱা নাই। এনে আদেশপত্ৰ যোগাৰ কৰাৰ সময়ে নহল। তদুপৰি, দাসৰ সাজ পিন্ধি ভিনিকিয়াচে আগদিনা পুৱাৰপৰা নিশালৈকে লিজিয়াক বিচাৰিছে, পিচে, পোৱা দূৰৈৰ কথা, তাই ক'ত থকাৰ সম্ভাৱনা আছে, তাৰো উমাদিহ নাপালে।

তেওঁ অলাচৰ লগুৱা কিছুমানকো লগ পাইছিল। সিঁহতেও তাইকে বিচাৰি ফুৰিছে বুলি তেওঁ বুজিছিল। ইয়াৰদ্বাৰা তেওঁ নিশ্চিত হ'ল যে, লিজিয়াৰ সন্ধান অলাচ পৰিয়ালেও পোৱা নাই।

গতিকে, যেতিয়া টেইৰেচিয়াচে তেওঁক খবৰ দিলেগৈ যে, অচিনাকি মানুহ এটাই পলৰীয়াইতৰ অনুসন্ধান চলাব, তেতিয়া ভিনিকিয়াচে একে উশাহে পেট্ৰোনিয়াচৰ ঘৰ পালেহি। অভিবাদন জনাই দুই এষাৰ কথা হোৱাৰ পাচতে, তেওঁৰ মুখত, লানিনিছিগা প্ৰশ্নৰ জাউৰি উঠিল।

পেট্ৰোনিয়াচে কলে, "টেইৰেচিয়াচে কোনোবা এটা মানুহৰ কথা শুনিছে। সি হেনো সন্ধান কাৰ্য্যত সহায় কৰিব পাৰিব। ইউনিচে সেই মানুহটোক চিনি পায়। এতিয়া তাই, মোৰ টোগাত ভাজ দিবলৈ, ইয়ালৈ আহিব। তাইক সুধিলেই, সকলো জনা যাব।"

"ইউনিচ ? কালি যে তুমি মোক দিব খুজিছিলা, সেইজনীয়েই নেকি ?"

"হয়। প্ৰত্যাখ্যান কৰাৰ বাবে, তোমাক ধন্যবাদ জনালো। কাৰণ, তাইৰ দৰে, টোগা ভাঁজ কৰিব জনা মানুহ, গোটেই ৰোমতে নাই।"

কথাবাৰ কোৱাৰ লগে, লগে, টোগা ভাঁজ কৰা ৰমণী আহি উপস্থিত হ'ল। টোগা এখনৰ ভাপ খুলি, তাই সেইখনত ধুনীয়াকৈ ভাঁজ দি, ব্যস্তভাৱে পেট্ৰোনিয়াচৰ কান্ধৰ ওপৰেদি পিন্ধাই দিলে। তাইৰ মুখমণ্ডল উদ্ভাসিত হল,—চকুযুৰি হাঁহিৰে তিৰবিৰাই উঠিল। পেট্ৰোনিয়াচে তাইৰ মুখলৈ চালে। সঁচাকৈয়ে মনোৰমা তাই! টোগাখন গাত দিয়াৰ পাচত, তাই ভাঁজবোৰ পৰিপাটি কৰিবলৈ ধৰিলে। অলপ হালি, ভাঁজবোৰ সুন্দৰকৈ মিলাই দিবলৈ ধৰোঁতে, পেট্ৰোনিয়াচে তাইলৈ চাই পঠিয়ালে। কাৰ্নেচন্ ফুলৰ দৰে পাতল গোলাপী ৰঙৰ বাহুযুটি তাইৰ! ভিঙিটো যেন মুক্তাজনক শামুকেৰে গঢ়া।

"ইউনিচ।" তেওঁ কলে, "কালি তই টেইৰেচিয়াচক যিটো মানুহৰ কথা কৈছিলি, সি আহি পালেহিনে?"

"হয়, প্ৰভু।"

"তাৰ নাম কি?"

"নামটো চিলো চিলোনিদ্চ্, দেউতা।"

"কি কৰে?"

"তেওঁ চিকিৎসক, সন্ন্যাসী আৰু কাহিনীকাৰো। তেওঁ মানুহৰ ভাগ্য গণনা কৰি কব পাৰে।"

"তেওঁ তোৰ ভাগ্য গণনা কৰিছিল নেকি?"

ইউনিচৰ মুখমণ্ডল, আকণ্ঠ ৰঙা পৰি উঠিল।

"হয়, প্ৰভু।"

"কি কৈছিল তেওঁ?"

"তেওঁ কৈছিল, মোৰ প্ৰথমে কষ্ট আৰু তাৰপাচত সুখ হ'ব।"

"এৰা, টেইৰেচিয়াচৰ হাতত কষ্টখিনি পালিয়েই, এতিয়া সুখ হবলৈ বাকী আছে, নহয়নে?"

"সুখ আৰম্ভ হৈছেই, দেউতা ঈশ্বৰ।"

"কেনেকৈ?"

"মই ইয়াত থাকিবলৈ পাইছো" ইউনিচে মুখৰ ভিতৰতে কলে।

পেট্ৰোনিয়াচে তাইৰ মুখৰ ৰেঙণী চুলিৰ ওপৰত হাত এখন থলে।

"তুই মোৰ টোগাৰ ভাঁজবোৰ ইমান ঠগ লগাই কৰ যে, মই তোৰ ওপৰত সন্তুষ্ট নহৈ নোৱাৰো।"

পেট্রোনিয়াচৰ হাতৰ স্পর্শত, ইউনিচৰ চকু সজল হৈ উঠিল; তাই দীঘলকৈ উশাহ টানিলে!

অলপ পাচত, পেট্রোনিয়াচ আৰু ভিনিকিয়াচ গৈ এট্রিয়াম্ কক্ষত সোমাল। বৰ সম্ভ্রমেৰে চিলো চিলোনিদ্‌চে তেওঁলোকক নমস্কাৰ জনালে। এইটো মানুহক ইউনিচৰ প্ৰেমিক বুলি ভাবি লোৱাৰ বাবে, পেট্রোনিয়াচৰ পেটে, পেটে হাঁহি উঠিল। সন্মুখত বৈ থকা এই মানুহটো, কাৰো প্ৰেমিক হ'ব নোৱাৰে; কাৰণ তাৰ চেহেৰাত, জঘণ্যতম নীচতাৰ ছাব। অদ্ভুত দেখিবলৈ! মানুহটো বেচি বুঢ়া নহয়। তাৰ লিঙলিঙিয়া ডাঢ়ি আৰু ধোঁৱা-বৰণীয়া কেকোঁৰা চুলিৰ, অ'ত, ত'ত দুই এডাল পকিছে। তাৰ পেটটো ইমান খাল, আৰু কান্ধদুটা ইমান বেঁকা যে, ঘপকৰে চকুত পৰিলে তাক কুঁজা যেন লাগে। কান্ধদুটাৰ ওপৰত প্ৰকাণ্ড এটা মূৰ। চকুৰ চাৱনি তীক্ষ্ণ। মুখ-ভঙ্গীত, শিয়াল আৰু বান্দৰ, দুয়োবিধ জন্তুৰে সাদৃশ্য দেখা যায়। তাৰ হালধীয়া গাৰ ছালত, ঠায়ে, ঠায়ে ফোঁহা উঠিছে, আৰু অত্যধিক মদ্যপানৰ বাবে কজলা বৰণ ধৰা নাক-টোত, ফোঁহাবোৰ শাৰীপাতি আছে। কাপোৰ কানিৰ শোচনীয় অৱস্থা দেখি কব পাৰি, মানুহটো সঁচাকৈয়ে কৃপণ, অথবা সি কৃপণৰ ভাও জুৰিছে। তাৰ গাত এটা দীঘল চোলা, আৰু ছাগলীৰ ছালৰ এখন আচ্ছাদন। মূঠৰ ওপৰত তাক দেখি, পেট্রোনিয়াচৰ মনত পৰিল, হোমাৰৰ থেৰ্‌চাইটিজলৈ। মানুহটোৰ অভিবাদনৰ প্ৰত্যুত্তৰ জনোৱাৰ ভঙ্গীৰে, তেওঁ কলে, "শুচিব্রত থেৰ্‌চাইটিজ! তোমাক স্বাগতম জনাইছো। ট্ৰয়নগৰীৰ চাৰিবেৰৰ আঁৰত, মহান ইউলিচ্‌চিজে তোমাক দান কৰা কুঁজটো কি হ'ল? সিপুৰীৰ মুখৰ বাজাত, ইউলিচ্‌চিজেই বা কৰিছে কি এতিয়া?"

"হে মহান প্ৰভু," চিলো চিলোনিদ্‌চে মাত লগালে, "মই ইয়াকে জনাওঁ,— মৃত ব্যক্তিৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ জ্ঞানী পুৰুষ ইউলিচ্‌চিজে, জীৱিত সকলৰ ভিতৰত শ্ৰেষ্ঠ পুৰুষ পেট্রোনিয়াচক ওলগ জনাইছে, আৰু লগতে অনুৰোধো কৰিছে, তেওঁ যেন এটা নতুন চোলাৰে, মোৰ কুঁজটো ঢাকি দিয়ে।"

"ভিনিজনা হেকেটীৰ শপত।" পেট্রোনিয়াচে চিঞৰি কলে, "আজ এই উত্তৰটোৰে মূল্য হোৱা উচিত, এটা কোটিৰ মূল্যৰ সমান।"

এইখিনিতে কথোপকথনত বাধা পৰিল। ভিনিকিয়াচে মানুহটোক খোলা-খুলিকৈ সুধিলে, "তই যি কাম হাতত লব খুজিছ, সেই বিষয়ে সঠিক জাননে ?"

চিলোৱে উত্তৰ দিলে, "যি স্থলত দুটা সম্ভ্ৰান্ত পৰিয়ালে, এই এটা কথাৰ বাহিৰে আন কথা পতা নাই আৰু ৰোমনগৰীৰ আধা ভাগ মানুহে কেৱল তেওঁলোকে কোৱা কথাৰে পুণৰাবৃত্তি কৰি আছে, তেনে স্থলত হাতত লবলগীয়া বিষয়টোনো কি ঠাৱৰ কৰা কঠিন নহয়। পৰহি ৰাতি লিজিয়াক, অৰ্থাৎ অলাচ প্লটিয়াচৰ তোলনীয়া জী কেলিনাক, কোনোবাই ফুচুলাই নিলে। হে মোৰ প্ৰভু ভিনিকিয়াচ। আপোনাৰ লগুৱা-লিক্‌চোইতে, তেওঁক চিজাৰৰ প্ৰাসাদৰপৰা আপোনাৰ ঘৰ্য্যা পুৰীলৈ লৈ যাওঁতে, বাটতে এই কাণ্ড ঘটিল। এতিয়া মোৰ কাম হল,—তেওঁ যদি এতিয়াও নগৰৰ ভিতৰতে আছে, তেনেহলে তেওঁক বিচাৰি উলিওৱা, অথবা যদিহে তেওঁ নগৰৰ বাহিৰলৈ গৈছে, (সেইটোৱে বেচি সম্ভৱ) তেন্তে তেওঁ পলাই গৈ, কোন ঠাইত আছে, মহান বিচাৰপতিক তাৰ সম্ভেদ দিয়া।"

"বেচ, বেচ।" ভিনিকিয়াচে কলে। সংক্ষিপ্ত উত্তৰ পাই তেওঁ সঁচাকৈয়ে সন্তোষ পালে।

"এতিয়া, হাতত লব খোজা কামত আগবাঢ়ি যোৱাৰ সামৰ্থ্য আছেনে তোৰ ?"

চিলোৱে হিংস্ৰকৰ মিচিকিয়া হাঁহি মাৰিলে।

"প্ৰভু, সামৰ্থ্যৰ কথাটো আপুনি বিবেচনা কৰি চাওক। মোৰ মাত্ৰ কামৰ উপযোগী মানসিক ক্ষমতাহে আছে।"

পেট্ৰোনিয়াচে সন্তুষ্ট মনেৰে হাঁহি মন্তব্য কৰিলে. "এই মানুহটোৱে তাইক বিচাৰি পাব।"

কিন্তু ভিনিকিয়াচে কপালৰ গাঁথি খোপা কৰি কলে, "বুজিছ হতভাগা। যদি এইয়া তোৰ ফাঁকি বুলি প্ৰমাণিত হয়,—মোৰপৰা ধন আদায় কৰাৰ বুদ্ধিহে পাতিছ যদি, তেনেহলে চাবি, তোক মই গদাৰে কোবাই শেষ কৰি থ'ম।"

"দেউতা ঈশ্বৰ।" চিলোৱে উত্তৰ দিলে, "মই দাৰ্শনিক। দাৰ্শনিকে লাভৰ কাৰণে মোহ নকৰে, কেতিয়াও। বিশেষকৈ যি প্ৰাপ্তিৰ কথা, আপুনি এইমাত্ৰ ইমান উদাৰভাৱে ব্যক্ত কৰিলে, তেনে ধৰণৰ প্ৰাপ্তিলৈ দাৰ্শনিকে মোহ নকৰে।"

"তুমি দাৰ্শনিক ?" পেট্ৰোনিয়াচে প্ৰশ্ন কৰিলে, "ইউনিচে তোমাক চিকিৎসক আৰু সৰ্বজ্ঞান বুলিহে কৈছিল। তুমি তাইক কেনেকৈ চিনি পালা ?"

"মোৰ খ্যাতিৰ কথা শুনিবলৈ পাই, তাই মোৰ পৰামৰ্শ বিচাৰি গৈছিল।"

"কি বিষয়ে পৰামৰ্শ ?"

"প্ৰেমত পৰাৰ বিষয়ে। প্ৰেমৰ প্ৰতিদান নোপোৱাৰ বাবে, প্ৰেম-ব্যাধিৰ পৰা মুক্ত হোৱাৰ ঔষধ বিচাৰিছিল তাই।"

"তুমি তাইক ৰোগমুক্ত কৰিলানে ?"

"তাতোতকৈ অলপ বেছিহে কৰিলোঁ, প্ৰভু ! মই তাইক এটা মাদুলি দিছোঁ, যাৰ প্ৰভাৱত, ভুয়ো দুয়োৰো প্ৰতি আসক্ত হ'ব। চাইপ্ৰাচৰ পেইফোচ্ নামৰ ঠাইৰ এটা মন্দিৰত, ভেনাচ দেৱীৰ মালা পোৱা যায়। এই মালাৰ-পৰা, কেইডালমান সূতা ছিঙি আনি, বাদামৰ খোলাত ভৰাই, তাইক লবলৈ দিছোঁ।"

"তাৰবাবে তাইৰপৰা যথেষ্ট ধন আদায় কৰি লৈছা, নহয় জানো ?"

"পাৰস্পৰিক আকৰ্ষণৰ কথা ৰ'ত আছে, তাৰ যথাৰ্থ মূল্য কোনেও দিব নোৱাৰে। মোৰ সোঁ হাতৰ দুটা আঙুলি নাই। সেয়েহে মোৰ শিক্ষা আৰু মতসমূহ উত্তৰপুৰুষৰ বাবে লিপিবদ্ধ কৰি থবলৈ দৰমহা দি এজন লেখক নিযুক্তি কৰিব খুজিছোঁ। গতিকে মই বিমান পাৰোঁ টানি চলিছোঁ।"

"হে স্বৰ্গজাত সাধু। কোন সম্প্ৰদায়ৰ দাৰ্শনিক তুমি ?"

"মই চিনিক দলৰ। মোৰ ফটা চোলাটোৱে তাৰ সাক্ষী দিছে। মই স্তোইক দলৰো মানুহ। সেইবাবে মই ধৈৰ্য্যসহকাৰে দুখ-যন্ত্ৰণা সহি আছোঁ। মোক পেৰিপেটেটিকো বুলিব পাৰে। কাৰণ মই এটা চৰাইখানাৰপৰা আন এটালৈ খোজ কাঢ়ি ঘূৰি ফুৰোঁ। মোৰ দোলা, ঘোঁৰা নাই। খোজ কাঢ়ি ঘূৰি ফুৰোঁতে যদি কোনোবাই মোক মদৰ দামটো দিবলৈ ইচ্ছা কৰে, তেনেহলে মই তেওঁক জ্ঞানৰ কথা কৈ উপকাৰ কৰোঁ।"

"আৰু মদটোপা পালে, তুমি উদাত্ত ভাষাৰে বক্তৃতাও দিয়া নহয়নে ?"

"হেৰেক্লাইটাচে কৈছে যে, সকলো পদাৰ্থই তৰল। এই কথা কোনেও দুই কৰিব নোৱাৰে যে, মদো সেই শ্ৰেণীৰে বস্তু।"

"তদুপৰি হেৰেক্লাইটাচে জুইকো দেৱতা বুলি কৈছে। সেইজন দেৱতাৰ আৰাধনা কৰোঁতে কৰোঁতে তোমাৰ নাকটো বেদীৰ আগত জ্বলোৱা চাকিৰ দৰে হৈ পৰিছে।"

"পিচে পবিত্ৰপ্ৰাণ ভায়োজিনিজে (এপোলোনিয়াৰ) কৈছে যে, বতাহেই হল, সকলো পদাৰ্থৰ মূল বস্তু। বতাহ যিমানে গৰম হয়, সেই বতাহ লৈ জীয়াই থকা প্ৰাণীও সিমানে উৎকৃষ্ট হয়। অতিশয় গৰম বতাহত সাধু সন্ন্যাসীৰ আত্মাই জন্ম লয়। সেইবাবে শৰত কালত যেতিয়া বতাহ চেচা হৈ আহে, তেতিয়া প্ৰকৃত সাধুৱে তেওঁৰ আত্মাক পুণৰ উত্তাপ দিবলৈ মদ খোৱাৰ প্ৰয়োজন বোধ কৰে। এই কথা কোনেও মিছা বুলিব নোৱাৰে যে, নশ্বৰ দেহাক গৰম কৰি ৰাখিবলৈ একলহ কেপুৱান বা টেলেচিয়ান মদেই যথেষ্ট।"

"চিলো চিলোনিদ চ, তুমি কোন দেশৰ মানুহ ?"

"মোৰ দেশ, পন্তাচ্ ইক্সিনাচৰ কাষত। মই মেচেম্‌ব্ৰিয়াৰপৰা আহিছো।"

"তুমি এজন ডাঙৰ মানুহ চিলো।"

"পিচে মোক আটায়ে ভুল বুজে।" সি হতাশভাৱে কলে।

ভিনিকিয়াচে পুণৰ ধৈৰ্য্য হেৰুৱালে। আশাৰ বেঙণি দেখি তেওঁ আশ্বস্ত হৈছিল। অকণো পলম নকৰাকৈ চিলোৱে কামত লাগি যোৱাটোকে বিচাৰিছে তেওঁ। এই কথোপকথনক তেওঁ সময়ৰ অপব্যৱহাৰ বুলি ভাবিলে আৰু পেট্ৰোনিয়াচৰ ওপৰত তেওঁৰ বৰ খং উঠিল।

"তই কেতিয়াকৈ কামত লাগিবি ?" তেওঁ গ্ৰীকটোক সুধিলে।

"মই আৰম্ভ কৰিছোৱেই প্ৰভু। এই ঠাইত থিয় দি, আপোনাৰ সৰল প্ৰশ্নৰ উত্তৰ দিয়াৰ লগতে মই ইটো কামো কৰি আছো। মহান বিচাৰপতি। মোৰ ওপৰত বিশ্বাস ৰাখক। নিশ্চিন্ত থাকক। জানি থব, আপোনাৰ পাদুকাৰ ফিটা এডাল হেৰালেও মই বিচাৰি উলিয়াব পাৰিম। আনি বাটৰ কোনোবা মানুহে যদি বুটলি লয় তাকো বিচাৰি পাম।"

"বোধকৰো এনে ধৰণৰ সন্ধান কাৰ্য্যত তোমাক আগতে কোনোবাই নিযুক্ত কৰিছিল নহয় নে ?" পেট্ৰোনিয়াচে সুধিলে।

গ্ৰীকটোৱে চকু ওপৰলৈ তুলিলে।

"বৰ্ত্তমান জ্ঞান আৰু ধৰ্ম্মক মানুহে কেনে চকুৰে চাবলৈ ধৰিছে, নোকোৱাই ভাল। আনকি দাৰ্শনিকেও জীৱিকাৰ বেলেগ উপায় কৰিবলগা হৈছে।" সি মন্তব্য কৰিলে।

"তোমাৰ জীৱিকাৰ উপায় কি ?"

"সকলো ঘটনাৰ খবৰ ৰখা আৰু যি সকলে মোৰ সহায় বিচাৰে, সেই-সকলক সহায় কৰা—এয়ে মোৰ কাম।"

"এনেবোৰ কামত, টকা, পইচা পোৱানে?"

"প্ৰভু! মই বেতন দি এজন লেখাক ৰাখিব খুজিছো, নহলে মোৰ মৃত্যুৰ লগে লগে, জ্ঞানৰ কথাবোৰো লোপ পাব।"

"ভাল চোৱা এটা, এতিয়ালৈকে যিহেতু লৰ পৰা নাই, তোমাৰ গুণ ৰাখিব মূল্য মানুহে বুজা নাই বুলি জানিব পাৰিছো।"

"সঁচা কথা কবলৈ গলে, নিজৰ ঢোল নিজে কোবাই ফুৰিবলৈ লাজ পাওঁ দেখিছে এনে হৈছে। মই যি ঠাইত উপজিছো, সেই ঠাইৰ কোনো মানুহে নিজৰ কথা জনাই নুফুৰে। পৃষ্ঠপোষকতা বোলা কথাষাৰো, এতিয়া সাধুকথাৰ দৰে হ'ল। আগৰ দিনত, গুণী মানুহক সোণৰূপেৰে ওপচাই দিয়াটো কোনো কথাই নাছিল। সেইসকল লোক জানো এতিয়া আছে? মোৰ গুণ নোহোৱা নহয়; মানুহৰ কৃতজ্ঞতাৰহে নাটনি। যেতিয়া কোনো দাস, দাসী পলাই যায়, তেতিয়া এই অমুকাৰ বাহিৰে কোনে বিচাৰি উলিয়ায়? পবিত্ৰ প্ৰাণী পশিয়াৰ 'গুণ-গান' মাত্ৰাধিকৰূপে প্ৰকাশ পোৱাৰ চিন স্বৰূপে, হঠাৎ এদিন যেতিয়া ৰোমৰ দেৱালবোৰ নানান ৰকমৰ আঁক-বাঁকেৰে ভৰি যায়, তেতিয়া দোষীবোৰক, কোনেনো আঙুলিয়াই দেখুৱায়? চিজাৰৰ বিৰুদ্ধে যেতিয়া কোনোবাই কিবা লেখে, তেতিয়া কিতাপৰ দোকানবোৰ, খানাতালাচ কৰে কোনে? চিনেটৰ সভা আৰু নাইটসকলৰ ঘৰত কি আলোচনা হয়, তাৰ খবৰ কোনে দিয়ে? যিবোৰ চিঠি, দাসৰ হাতত বিশ্বাস কৰি পঠিয়াব নোৱাৰি, সেইবোৰনো দিয়েগৈ কোনে? ৰোমৰ নাপিতে দিয়া খবৰ, কাৰ কাণত পৰে? চৰাইখানাৰ মালিক, আৰু ৰুটিৰ দোকানৰ কৰ্ম্মচাৰীয়ে কাক বিশ্বাস কৰি কথা কয়? দালইতৰ শুভেচ্ছা লাভ কৰে কোনে? যি কোনো ঘৰৰে এটি ৰুমৰ পৰা উদ্যানলৈকে, ক'ত কি ঘটিছে কোনে ধৰিব পাৰে? প্ৰতিটো ৰাজপথ, অলিগলি, এন্ধাৰ বাট, লুকাব পৰা ঠাই, কোনে চিনি পাই বুলি ভাবিছে? টেপিডেৰিয়াম্, খেল মাটি, দোকান-পোহাৰ, মাল যুঁজাৰুৰ শিক্ষাকেন্দ্ৰ, দাস বেচা, কিনা কৰা ঠাই আৰু আনকি বেশ্যালয়বোৰতো কি কথাৰ আলোচনা চলে, তাৰ খবৰ ৰাখোতানো কোন?"

"ঐ দেৱতা সকল!" পেট্ৰোনিয়াচে চিঞৰি কলে, "গুণী সাধু! যথেষ্ট হৈছে আৰু কব নালাগে। তোমাৰ গুণাৱলী, তোমাৰ চতুৰালিৰ স্তৱত আমি

এতিয়া তল যায়। যথেষ্ট হৈছে। তুমিনো কোন, তাকেহে জানিব খুজিছিলো। এতিয়া জানিলো।"

ভিনিকিয়াচৰো এইবাৰ মনটো ভাল লাগি গল। তেওঁ ভাবিলে, এনে এটা মানুহক কামত লগালে, চিকাৰী কুকুৰৰ দৰে, চিকাৰ বিচাৰি ফুলিওৱা-লৈকে, ক্লান্ত নাথাকে।

"ভাল কথা।" যুৱক বিচাৰপতিজনে কলে, "তোক কিবা সহায় লাগে নেকি?"

"মাত্র অনুগ্রহ লাগে মোক।"

"কি অস্ত্র?" ভিনিকিয়াচে আচৰিত হৈ সুধিলে।

উত্তৰত গ্রীকটোৱে হাতৰ তলুৱাখন মেলি, আকাৰে, ইঙ্গিতে ধন লেখিবলৈ ধৰিলে।

"এতিয়া সময় বেয়া।" হুমুনিয়াহ পেলাই সি জনালে।

"তেন্তে ভই ধনৰ মোনাৰ সহায়ত দুৰ্গ অৱৰোধ কৰিবলৈ যোৱা গাধহে।"

"মই মাত্র এজন দুখীয়া দাৰ্শনিক।" সি নম্রভাৱে কলে "জেউতা ঈশ্বৰ। আপোনাৰ হাতত‌হে ধন সোণৰ মোনা আছে।"

ভিনিকিয়াচে ধনৰ মোনা এটা তাৰ হাতলৈ দলি মাৰি দিলে। সি সোঁহাতৰ তিনিটা আঙুলিৰে খপকৈ মোনাটো ধৰি ললে। তাৰপাচত মুখটো দাঙি সি পুণৰ বকলা মেলিলে,

"প্রভু। আপুনি ভবাতকৈ মই এই বিষয়ে বেচি জানো। মই ইয়ালৈ শুদা হাতেৰে অহা নাই। প্রথমতে মই জানো যে, এই ছোৱালীটি ক্লুলাই নিয়াত অলাচইতৰ হাত নাই। এই কথা মই সেই ঘৰৰ দাসইঁতৰপৰা জানিছো। আকৌ, তেওঁ পেলেটাইনতো থকা নাই। ৰাজপ্রাসাদৰ সকলো মানুহ এতিয়া সক অগষ্টাৰ লগত ব্যস্ত। সেই ছোৱালীজনীৰ নিজ দেশৰপৰা অহা গোলাম এটাই তেওঁক আঁতৰাই নিয়াৰ ব্যৱস্থা কৰি থৈছিল। দাসবোৰৰ মাজত মিলা-প্রীতি আছে; গতিকে আপোনাৰ তলতীয়া দাসক আক্রমণ কৰিবলৈ, আন এজন দাসক কোনেও উচটাই দিব নোৱাৰে। ইয়াৰদ্বাৰা বুজা যায় যে, সেই গোলামটোৰ স্বধৰ্মী লগৰীয়াইঁতে, তাক এই অভিযানত সহায় কৰিছে।"

"শুনিলানে ভিনিকিয়াচ?" পেট্রোনিয়াচে কলে, "মইও ইয়াকে কৈছিলো তোমাক।"

"আপুনি মোৰ মান ৰক্ষা কৰিলে," চিলোৱে কলে। এইবাৰ বিশেষকৈ ভিনিকিয়াচক উদ্দেশ্য কৰি, সি কবলৈ ধৰিলে, "বোমৰ আটাইতকৈ ধাৰ্ম্মিক মহিলা পম্পোনিয়াই যি দেৱতাৰ আৰাধনা কৰে, ছোৱালীজনীও সেই দেৱতাৰে ভক্ত। মই এই কথাও শুনিছো যে, আচহুৰা দেৱতা মনাৰ বাবে, পম্পোনিয়াক অপৰাধী সাব্যস্ত কৰা হৈছিল। কিন্তু এই দেৱতানো কেনে ধৰণৰ, অথবা তেওঁৰ ভক্তকনো কি বোলা হয়, মই এতিয়ালৈকে জানিবলৈ সক্ষম হোৱা নাই। তাৰবাবে মই এই সম্প্ৰদায়ৰ লগত ঘনিষ্ঠ হব লাগিব; এই ধৰ্ম্মৰ পৰম অনুৰাগী ভক্ত বুলি জনাই তেওঁলোকৰ বিশ্বাসৰ পাত্ৰ হ'ব পাৰিব লাগিব। প্ৰভু! যি হেতু আপুনি মহান অলাচৰ ঘৰত পোন্ধৰটা দিন কটাই আছিছে, সেই দেখি মই আপোনাকে সোধো আপুনি এই সম্বন্ধে কিবা জানে নেকি?"

"নাজানো।" ভিনিকিয়াচে কলে।

"ভাল বাৰু।" মানুহটোৱে কলে "আপুনি মোক হবেক ৰকমৰ প্ৰশ্ন কৰিছিল আৰু মইও যথাযথ উত্তৰ দিছিলো। আপুনি এতিয়া মোক অনুমতি দিয়ক, দুটামান কথা সুধিবলৈ। সেই ঘৰত আপুনি কিবা বিশেষ ধৰণৰ উপাস্য দেৱতা অথবা উপাসনা পদ্ধতি লক্ষ্য কৰিছিল নেকি? সেই ঘৰত সৰুসুৰা কিবা বিগ্ৰহ, পূজাৰ উপচাৰ অথবা ধৰ্ম্মৰ লগত জড়িত থকা কোনো ধৰণৰ কবচ, মাদুলী আদি নাছিল জানো? তদুপৰি আপুনি এনে কোনো সাঙ্কেতিক চিহ্ন লক্ষ্য কৰা নাছিলনে যাক অকল পম্পোনিয়া আৰু বিদেশী ছোৱালীজনীয়েহে বুজি পাইছিল?"

"চিহ্ন? ৰবিচোন—হয়, এদিন লিজিয়াই বালিত মাছৰ ছবি আঁকা দেখিছিলো।"

"মাছ? আহ্। তেওঁ এবাৰ আঁকিছিলনে কেইবাৰামো?"

"মাত্ৰ এবাৰ।"

"আপুনি নিশ্চয়কৈ জানেনে তেওঁ মাছ আঁকিছিল বুলি?"

"হয়।" ভিনিকিয়াচে আগ্ৰহেৰে কলে, "তই জানলে, ইয়াৰ অৰ্থ কি হ'ব পাৰে?"

"জনাৰ কথাহে সুধিছে?" চিলোৱে চিঞৰ মাৰি দিলে। তাৰপাচত লাহেকৈ মূৰ দোঁৱাই জনালে "আপোনাসকলৰ ঘৰে ভাগ্যৰ মানুহৰ প্ৰতি ভাগ্যদেৱী সদায়ে সুপ্ৰসন্ন।"

“নতুন কোটটো তুমি পাৱা বুলিয়ে ধৰা।” পেট্ৰোনিয়াচে লাহেকৈ মাত লগালে।

“তাৰ বাবে মহাশয়ক যেন ইউনিচ্‌চিজে ধন্যবাদ জনায়।”

আকৌ এবাৰ মূৰ দোঁৱাই সি কোঠাৰপৰা ওলাই গল।

“এইজন মাননীয় সাধুৰ ওপৰত তোমাৰ বিশ্বাস আৰু ধাৰণা কেনে?” পেট্ৰোনিয়াচে সুধিলে।

“মই ভাবো” ভিনিকিয়াচে আনন্দত চিঞৰি কলে, “সি লিজিয়াক পাব। কিন্তু এইটোও ঠিক যে, ক'ৰবাত যদি অসৎ লোকৰ ৰাজ্য এখন আছে, তেন্তে এই মানুহটো তাৰ ৰজা হোৱাৰ একেবাৰে উপযুক্ত।”

“নিঃসন্দেহে! এই ‘ষ্টোইক জনৰ’ লগত মই যিমান পাৰো, ঘনিষ্ঠ হবলৈ চাম। ইতিমধ্যে মোৰ এই এট্ৰিয়াম কক্ষটো শোধন কৰাব লাগিব।”

খোজ কাঢ়ি গৈ থাকোঁতে, নতুন কোটৰ ভিতৰত সুমুৱাই থোৱা ধনৰ টোপোলাটো চিলোৱে হাতত লৈ পৰীক্ষা কৰি চালে। ভিনিকিয়াচে দিয়া এই ধনৰ ওজন আৰু তাৰ জন্‌জন্‌ শব্দৰ উমান লৈ তাৰ মনটো ভাল লাগি গল। তথাপিও সি খৰখেদা নলগাই বাৰে বাৰে পিচলৈ উলটি চাবলৈ ধৰিলে,—পেট্ৰোনিয়াচৰ ঘৰৰপৰা কোনোবাই তালৈ লক্ষ্য কৰি আছে বুলি। লিভিৰ ঘৰৰ আগেদি গৈ, সি ক্লাইবাচ্‌ ভিৰ্‌বিয়াচ্‌ পথৰ চুকটো পালেগৈ আৰু তাৰপাচত চুবুৰাৰ ফালে যাবলৈ ধৰিলে।

“মই এতিয়া স্পোৰাচৰ লগত দেখা কৰিমগৈ।” সি নিজৰ মনতে কলে, অন্ততঃ ফৰ্‌চুনা দেৱীৰ আগত, কেইটোপালমান পানীয় অৰ্পণ কৰা উচিত। অৱশেষত যি বিচাৰি ফুৰিছিলো তাকে পাইছো। এই জমিদাৰজন ডেকা বয়সৰ, আঁকোৰ-গোঁজ স্বভাৱৰ আৰু চাইপ্ৰাচৰ খনিবোৰৰ দৰে দানী। সঁচাকৈয়ে, এই লিজিয়া বোলা ছোৱালীজনীৰ কাৰণে তেওঁ আধা সম্পত্তি বিলাই দিব পাৰিব। ঠিক এইজনেই মই বিচৰা মানুহজন! ইমানদিনে এনে এজনকে বিচাৰি ফুৰিছিলো। কিন্তু এওঁৰ লগত বৰ সাৱধানে চলিব লাগিব। এওঁৰ কপালৰ গাঁঠি খুপ খুৱাই থকা অভ্যাসটো কিবা বেয়াৰ চিন যেন লাগে। আঃ! এই কুকুৰ-নেছিয়া ৰামৰ পোৱালীহঁতেই হ'ল, বৰ্ত্তমান জগতৰ শাসক! পেট্ৰোনিয়াচলৈ মোৰ সিমান ভয় নাই। হে অমৰ দেৱতাসকল! আজিৰ যুগত ধৰ্মতকৈ এচক সুপাক খাদ্য কিয় বেচি মূল্যবান? অ'! ছোৱালী-

জনীয়ে বালিত মাছৰ ছবি আঁকিছিল! কোনোবাই মোক ডিঙি চেপি মাৰিলেও মই কব নোৱাৰিম তাৰ অৰ্থ কি। কিন্তু মই জানিম বুলিছো যেতিয়া জানিছে এৰিম। এতিয়া আচল কথালৈ অহা যক।— যিহেতু মাছ সাগৰত থাকে আৰু মাটিৰ ওপৰৰ জীৱনতকৈ পানীত খপ্‌জপাই থকা জীৱন বেচি বিপদ-জনক, সেইবাবে মই এতিয়া যিখিনি পাইছো তাতোকৈ বেচি খৰচ লাগিব— উদ্ঘাটন কাৰ্য্যত। এনেকুৱা আৰু এটোপোলা যোগাৰ কৰি লব পাৰিলে, মই ভিক্ষাৰ ঝুলি দলিয়াই থৈ, দাস এটা কিনি লব পাৰিম। হয়, পিচে হেৰ' চিলো, মই যদি তোক উপদেশ দিওঁ, দাস নিকিনি দাসী এজনীকে কিনি লবলৈ, তেতিয়া কেনে হ'ব? মই তোক নিচিনোনে? বেচ, এই কথাত তই নাক নোকোচাব, নহয় জানো? ধৰি ল, তাই ঠিক ইউনিচৰ দৰেই ধুনীয়া। চকুৰ পচাৰতে তাই তোক ভেকা যেন কৰি পেলাব। তাৰ উপৰিও, সন্মানজনক সুনিশ্চিত মূলধন বুলিও প্ৰমাণ দিব তাই। মোৰ পুৰণা কোটটোৰ পৰা সূতা কেইডাল মান নি, বেচেৰী ইউনিচক বেচিলোঁগৈ। হয়, তাই অতি বেচি সৰল। কিন্তু পেট্ৰোনিয়াচে যদি তাইক মোক দি দিয়ে, মই গ্ৰহণ কৰিম। হেৰ, চিলোৰ পুত্ৰ চিলো! তই মাৰ, বাপেৰক হেৰুৱালি,—ঘাট মাউৰা তই। গতিকে দাসী এজনীকে ল, সান্ত্বনা পাবলৈ। সঁচা, তাইক থকা ঠাই এডোখৰ লাগিব,—ভিনিকিয়াচে তাৰ ভাড়া দিব আৰু তইও তাতে মূৰ গুজি থাকিব পাৰিবি। তাইক পিন্ধিবলৈ সাজ, কাপোৰ লাগিব; বেচ! ভিনিকিয়াচে দিব তাৰ দাম। তাৰ পাচত, তাইৰ এখন মুখ থাকিব, খোৱা বস্তু ভৰাবলৈ। সেইখন মুখত, খোৱা বস্তু ঢালি দি থাকিব, ভিনিকিয়াচে। জীৱনটো যে ইমান তিতা-কেঁহা লগা হৈছে। এটা 'ওবোলাচে'ৰে (প্ৰাচীন গ্ৰীচৰ অতি কম মূল্যৰ মুদ্ৰা) দুহাত ভৰাই গাহৰিৰ মঙহ আৰু উৰহী কিনি খাব পৰা দিনবোৰ, কলৈ গল? ছাগলীৰ ধুনীয়া, ৰঙা মঙহ এটুকুৰাৰ দাম আছিল, এটা 'ওবোলাচ্' মাত্ৰ। একেবাৰে বাৰ বছৰীয়া লৰা এটাৰ বাহুৰ সমান দীঘল টুকুৰা একোটাইত! এতিয়া ইয়াত মই, স্পোৰাচ্ নামৰ চোৰটোৰ ঘৰত আছোহি। খবৰ-বাতৰি গোটোৱাৰ আটাইতকৈ সহজ ঠাই হ'ল, এই চৰাইখানাবোৰ!

এইদৰে গুণা-গঁথা কৰি, সি চৰাইখানা এটাত সোমাল আৰু এলোটা ক'লা মদৰ ফৰমাচ দিলে। মদ বেচা মানুহটোৰ অবিশ্বাসপূৰ্ণ চাৱনিৰ উত্তৰত, সি খপ্-জপকৈ মোণাত হাত ভৰাই, সোণৰ মুদ্ৰা এটা উলিয়াই আনি মেজৰ ওপৰত থলে।

"স্পোৰাচ!" সি ক'লে, "আজি মই দোকমোকালিৰ পৰা দুপৰলৈকে চেনেকাৰ লগত কামত ব্যস্ত আছিলো। এইয়া দেখিছা, আহিবৰ সময়ত, তেওঁ মোক লবালবিকৈ মাননি দি পঠাইছে।"

স্পোৰাচৰ ঘূৰণীয়া চকু কেইটা টেলেকা হৈ পৰিল। মুহূৰ্তৰ ভিতৰতে, মদ আহি গল, চিলোৰ আগলৈ। চিলোৱে মদত এটা আঙুলি জুবুৰিয়াই, মেজৰ ওপৰত মাছ এটা আঁকিলে।

"স্পোৰাচ!" সি সুধিলে, "তুমি জানানে ইয়াৰ অৰ্থ?"

"মাছ! বেচ, বেচ! এটা মাছ, এটা মাছ। কিয় ইয়াৰ অৰ্থ হ'ল,— একমাত্ৰ এটা মাছ।"

"হয়, তুমি এটা মূৰ্খ। মদত পানী মিলাই মাছ সাঁতুৰিব পৰা কৰিলে কি হ'ব? তুমি মূৰ্খ! কথাটো জানি থোৱা,—এইটো এটা প্ৰতীক চিহ্ন! দাৰ্শনিকৰ ভাষাত, ইয়াৰ অৰ্থ,—'ফৰ্চুনাৰ হাঁহি!' এই কথাটো ধৰিব পৰা হলে, তুমি হয়তো এতিয়া চহকী হৈয়ে পলাইছেন! গতিকে ভৱিষ্যতে, দৰ্শনক সন্মান কৰিবা। নহলে মই চৰাইখানা সলাই পেলাম। মোৰ পুৰণি বন্ধু পেট্ৰোনিয়াচে বহুত দিন ধৰি, মোক এই উপদেশ দি আছে. বুজিছানে কথাটো?"

॥ ১৩ ॥

ইয়াৰ পিচৰ কেইটামান দিনৰ বাবে চিলো অন্তৰ্দ্ধান হৈ গল। প্ৰথম বাৰলৈ যিদিনা ভিনিকিয়াচে জানিব পাৰিলে, তেওঁৰ প্ৰতি লিজিয়াৰ মনোভাব কেনে, সেইদিনাৰে পৰা তাইক পোৱাৰ ইচ্ছা আগতকৈও প্ৰবল হৈ উঠাত, তেওঁ নিজাকৈ পুণৰ অনুসন্ধান চলাবলৈ আৰম্ভ কৰিলে। চিজাৰৰ সহায় তেওঁ নাপায়। তাৰবাবে চেষ্টাও নকৰিলে তেওঁ,—কৰাও মিছা। কাৰণ সৰু অগষ্টাৰ স্বাস্থ্য বেয়াৰ কালে টাল খোৱাত, চিজাৰ অতিশয় চিন্তিত হৈছিল।

তাৰ বাবে, দেৱতাৰ আগত বলিদান দিয়া হ'ল, প্ৰাৰ্থনা কৰোৱা হ'ল, সঙ্কল্প লোৱাও হ'ল; বৈদ্যসকলে নিজৰ সকলো কৌশল প্ৰয়োগ কৰিলে; বেজ-জানীয়ে প্ৰাণপণে চেষ্টা কৰিলে, কুমন্ত্ৰৰ প্ৰভাৱৰ পৰা কেচুৱাটোক মুক্ত কৰিবলৈ। কিন্তু একোতে কল নধৰিলে। এসপ্তাহৰ ভিতৰতে কেচুৱাটো ঢুকাল।

ৰাজদৰবাৰ আৰু গোটেই নগৰী শোকত বুৰ গল । এই শিশু কন্যাৰ জন্ম হওঁতে যিদৰে চিজাৰ আনন্দত পগলা হৈছিল, সেইদৰে তাইৰ মৃত্যুত তেওঁ শোকত পগলা হৈ উঠিল । দুদিনলৈ তেওঁ একোকে মুখত নিদিলে । সমবেদনা জনাবলৈ অহা, চিনেটৰ সভ্য আৰু অন্যান্য প্ৰতাপী ব্যক্তিৰে ৰাজপ্ৰাসাদ ভৰি পৰিল । কিন্তু চিজাৰে কাৰো লগত দেখা নকৰিলে ! চিনেটৰ বিশেষ অধিবেশনত, শিশুটিক দেৱতা জ্ঞান কৰি, তাইৰ নামত এটা মন্দিৰ সজাবলৈ থিৰ কৰা হ'ল, আৰু বিশেষ ভাৱে পূজা, অৰ্চ্চনা কৰিবলৈ, এজন পুৰোহিত নিযুক্ত কৰিবলৈকো সঙ্কল্প লোৱা হ'ল । আনবোৰ মন্দিৰতো মৃত কেচুৱাটোৰ নামত বলিদান দিয়া হল, আৰু মূল্যবান ধাতুৰে তাইৰ মূৰ্ত্তিও সজা হ'ল । অতি বাহুল্যভাৱে সম্পন্ন কৰা অন্ত্যেষ্টি ক্ৰিয়াত, জনতাই, চিজাৰৰ পাৰ ভাঙি যোৱা শোকৰ নিদৰ্শন, দেখাৰ সুযোগ পালে । মানুহবোৰেও লগতে চকুপানী টুকিলে । কিন্তু দান, দক্ষিণা লোৱাৰ সময়ত, কোনেও হাত নেমেলাকৈ নাথাকিল । তদুপৰি এনে জাক-জমকপূৰ্ণ অনুষ্ঠান, আটায়ে মনে, মনে উপভোগ কৰিলে ।

পেট্ৰোনিয়াচৰ বৰ অস্বস্তি লাগি আছিল । কাৰণ, গোটেইখন নগৰতে, পপিয়াই জনাজাত কৰি দিছিল যে, কুমন্ত্ৰৰ প্ৰভাৱতে এই মৃত্যু ঘটিছে । বেজ, বৈদ্য সকলেও, এই কথাকে পুণৰাবৃত্তি কৰি, নিজৰ দোষ খণ্ডাবলৈ চেষ্টা কৰিছিল । পূজা, সেৱা, বলিদান, সকলো অথলে যোৱাৰ বাবে, পুৰোহিত সকলেও এই কথাত হয়ভৰ দিছিল । প্ৰাণৰ ভয়ত কঁপি থকা যাদুকৰইতবো সেই একে কথা । ৰাইজৰো সেয়ে মত । লিজিয়াৰ অন্তৰ্দ্ধানৰ বাবে, পেট্ৰোনিয়াচৰ বেয়া নালাগিল । অলাচ পৰিয়ালৰ বা নিজৰ যাতে কোনো অনিষ্ট নহয়, তাৰ বাবেহে তেওঁ চিন্তা কৰিবলৈ ধৰিলে । শোকৰ চিন স্বৰূপে, ৰাজপ্ৰাসাদৰ আগত, যেতিয়া চাইপ্ৰাচ গছৰ ডাল ওলোমাই থোৱা হল, তেতিয়া তেওঁ, চিনেটৰ সভ্য আৰু অগষ্টান সকলৰ (সম্ভ্ৰান্ত বংশীয় লোক) বাবে, ৰাজপ্ৰাসাদত আয়োজন কৰা, অভ্যৰ্থনা সভাত যোগ দিবলৈ, নবালবিকৈ গল । তেওঁৰ প্ৰধান উদ্দেশ্য আছিল, নিৰোৰ মনত কুমন্ত্ৰৰ প্ৰভাৱৰ কথাটো কিমান দূৰলৈ শিপাইছে, তাৰ ভূ লোৱা ।

নাইট আৰু চিনেটৰ সভ্যসকলৰ সমবেদনাৰ বৰ্ষণ চলি থাকোঁতে, নিৰো প্ৰস্তৰ খণ্ডৰ দৰে থিৰ হৈ আছিল । শূন্যলৈ চাই থকা, তেওঁৰ চকুদুটাতহে পোহৰৰ চমক দেখা গৈছে । বেদনাহত হৈও, তেওঁৰ এই বিষাদ-মূৰ্ত্তিয়ে, অনুগত দলৰ ওপৰত কেনে প্ৰভাৱ পেলাইছে, তাকেহে তেওঁ চিন্তা কৰিছে । তেওঁৰ মুখৰ ভাবত, এই কথা স্পষ্টভাৱে ওলাই পৰিছে । তেওঁ যেন নাইওবীৰ

এটা জীৱন্ত মূৰ্ত্তি, — শোকাতুৰ পিতৃৰ এখন জীৱন্ত ছবি ! ৰঙ্গমঞ্চৰ অভিনেতাই এই ভাব যিমান হৃদয়স্পৰ্শী কৰি ফুটাই তুলিব পাৰে, সিমান নহলেও, একেবাৰে কম বুলিবও নোৱাৰি। কোনোবা এবাৰ, তেওঁ নিজৰ মূৰত ধুলি ছটিয়াবলৈ উদ্যত হোৱাৰ দৰে দেখুৱায়,—কোনোবা এবাৰ আৰ্ত্তনাদ কৰি উঠে ! পেট্ৰোনিয়াচক দেখি, তেওঁ আসনৰ পৰা একেজাপে উঠি, বিয়োগান্ত নাটকৰ ভাৱৰীয়াৰ দৰে কবলৈ ধৰিলে,

"হায় ! হায় ! তুমিও ইয়ালৈ আহিছা ? তুমি ! তুমিয়ে তাইৰ মৃত্যুৰ কাৰণ নোহোৱানে ? তুমিয়ে ইয়াৰ চাৰি বেৰৰ মাজলৈ, প্ৰেত মাতি আনিছিলা,— যাৰ চকুৰ এটা চাৱনিতে, মোৰ পোণাটিৰ জীৱন তলে, তলে ক্ষয় হৈ গল। হ'ায় দুৰ্কপাল ! মোৰ চকুহুটাই কোনোদিন হিলিওচৰ পোহৰ নেদেখা হলেই ভাল আছিল ! হ'ায় ! হ'ায় ! মোৰ কি হল ? হ'ায় ! হ'ায় !"

বুকুভঙা আৰ্ত্তনাদ কৰি উঠিল তেওঁ ! মুহূৰ্ত্তৰ ভিতৰতে, সাহস গোটাই লৈ পেট্ৰোনিয়াচে নিজৰ উদ্ভাৱনী শক্তি আৰোপ কৰিবলৈ সঙ্কল্পবদ্ধ হ'ল। হাতখন মেলি, নিৰোৱে গাত লোৱা কাপোৰখন টান মাৰি আনি, সম্ৰাটৰ মুখত তাৰে সোপাদি ধৰি তেওঁ সহৃদয়ভাৱে কলে,

"হে প্ৰভু ! ৰোমত জুই দিয়ক, আৰু আপোনাৰ শোকে যদি গোটেই বিশ্বকে পুৰি পেলাব খোজে, পুৰি পেলাওক। কিন্তু আপোনাৰ কণ্ঠস্বৰ নষ্ট নকৰিব— কেতিয়াও নকৰিব !"

ওচৰত থিয় দি থকা প্ৰজাই আচৰিত হৈ, মুখ মেলি ৰ'ল। নিৰো নিজেও, থত মত খাই গল। একমাত্ৰ পেট্ৰোনিয়াচ অলৰ-অচৰ হৈ থাকিল। তেওঁ জানে, কি কৰিবলৈ আগবাঢ়িছে। টাৰ্পনোচ্ আৰু ডিওডোৰাচে, চিজাৰক বিশেষকৈ জনাইছিল,— কণ্ঠস্বৰ সংযত কৰিবলৈ,—বেচি নিচিঞৰিবলৈ। নহলে তেওঁৰ স্বৰনলী নষ্ট হৈ যাব।

"চিজাৰ !"—সেই একেটা গহীন, দুখৰ ভঙ্গীতে পেট্ৰোনিয়াচে কবলৈ ধৰিলে,— "আমি বৃহত্তম ক্ষতিৰ সন্মুখীন হৈছো। আপুনি যি সম্পদ বহন কৰিছে, সেই সম্পদ আমাৰ সান্ত্বনা স্বৰূপ হওক !"

নিবোৰ মুখমণ্ডল কঁপি উঠিল। লগে, লগে, তেওঁৰ দুচকুৰেদি অশ্রুবন্যা নামি আহিল। পেট্রোনিয়াচৰ বাহুত খামুচি ধৰি, বন্ধুৰ বুকুত মুৰ থৈ, তেওঁ উচুপি, উচুপি, বাৰে বাৰে কলে, "এনে এটা মুহূর্ত্তত তুমি— একমাত্র তুমিহে এই কথা মনলৈ আনিছা!"

টাইগেলিনাচৰ মুখ হিংসাত হালধীয়া হৈ পৰিল। পেট্রোনিয়াচে জনালে, "হে চিজাৰ! আপুনি এক্টিয়ামলৈ যাওক গৈ। এই ঠাইতে আপোনাৰ সন্তানে প্রথমে পৃথিবীৰ পোহৰ দেখিছিল। এই ঠাইয়ে আপোনাৰ মনলৈ সুখ আনিছিল, — এই ঠাইতহে এতিয়া আপুনি শান্তি লাভ কৰিব। আপোনাৰ এই ঐশ্বৰিক কণ্ঠলৈ সাগৰৰ বতাহে সজীৱতা আনিব। আপোনাৰ শ্বাসযন্ত্রই সাগৰৰ ঘূৰ্ণীয়া বাষ্প সেৱন কৰিব পাৰিব। আপোনাৰ একান্ত বিশ্বাসী সেৱক আমি, সকলো ঠাইলৈকে আমি আপোনাৰ লগে, লগে যাম। আমাৰ শ্রদ্ধা, ভক্তিয়ে আপোনাৰ শোক লাঘৱ কৰিব। আপোনাৰ গীতে আমাক মহৎ সুখ প্রদান কৰিব।"

"হয়," নিৰোৱে কাতৰ ভাৱে জনালে, "মই মোৰ পোণাটিৰ উদ্দেশ্যে গীত ৰচিম, আৰু নিজে সুৰো দিম।"

"তাৰ পাচত, আপুনি বেয়াইলৈ সূর্য্যৰ পোহৰ বিচাৰি নাযাব জানো?"

"তাৰ পাচত গ্রীচলৈ গৈ, মই পাহৰণি বিচাৰিম,— হয়, কবিতা আৰু সঙ্গীতৰ দেশত!"

এইখিনি কথা হৈ যোৱাৰ পাচতে, আলোচনাই গতি সলালে যদিও, ভৱিষ্যতৰ কল্পনাৰ মাজতো, বেদনাৰ সুৰ এটা বাজি থাকিল। দেশ ভ্রমণ, শিল্প-কলা আদিৰ আলোচনাৰ উপৰিও, আৰ্মেনিয়াৰ ৰজা টিৰিডেট্চ্ অলপতে আহিলে, কিদৰে অভ্যর্থনা জনোৱা হ'ব, তাৰো আলোচনা চলিল। তাৰপাচত, টাইগেলিনাচে পুণৰ যাদু মন্ত্ৰৰ কথাবোৰ উলিয়ালে। এইবাৰ পেট্রোনিয়াচে নিজৰ কৃতকাৰ্য্যতা সম্বন্ধে সম্পূর্ণ সজাগ হৈ, বক্তা জনৰ লগত যুঁজিব লৈ, ককালত টঙালি বান্ধিলে।

"টাইগেলিনাচ!" তেওঁ কলে, "আপুনি বিশ্বাস কৰে নেকি, দেৱতাতকৈও যাদু মন্ত্র বেচি শক্তিশালী বুলি?"

"চিজাৰে নিজেই কৈছে এই কথা!" সভাসদজনে উত্তৰ দিলে।

"চিজাৰে নহয়, লোকে কৈছে, এই কথা। এই বিষয়ে আপোনাৰ মত কি ?"

"দেৱতাসকল ইমান শক্তিমন্ত যে, যাদুমন্ত্ৰই তেওঁলোকক স্পৰ্শ কৰিব নোৱাৰে।"

"সেয়ে যদি হয়, তেন্তে ইয়াকে বুজিম যে, চিজাৰ আৰু তেওঁৰ পৰিয়ালক আপুনি দেৱতা জ্ঞান কৰা নাই।"

এপ্‌ৰিয়াচ মাৰ্‌চেলাচে পেট্ৰোনিয়াচৰ পক্ষ লৈ মুখৰ ভিতৰতে কলে, "এইবাৰ আধ্যা পৰিল তেওঁৰ !" "মানমুঁআকৰে কেতিয়াবা যুঁজি থাকোঁতে এনে এটা অৱস্থা পায় গৈ, যিটো অৱস্থা দেখিলে, দৰ্শকৰ বুজিবলৈ বাকী নাথাকে যে তাৰ আৰু আগবঢ়াৰ শক্তি নাই। এনে মুহূৰ্ত্তত, তেওঁলোকে যি দৰে মন্তব্য দিয়ে, মাৰ্‌চেলাচেও টাইগেলিনাচৰ অৱস্থা দেখি, ঠিক সেইদৰে মন্তব্য দিলে।

টাইগেলিনাচ ভিতৰি, ভিতৰি খঙত উত্তলিবলৈ ধৰিলে। কাৰণ, পেট্ৰোনিয়াচ আৰু তেওঁৰ মাজত বহুকাল ধৰি, সকলোৰে চকুত পৰা ধৰণে ফেৰিয়া ফেৰি চলিছে। টাইগেলিনাচৰ এটাই সুবিধা যে, নিৰোৱে তেওঁৰ আগত, সকলো কথা খোলাখুলিকৈ জনাই দিয়ে। কিন্তু পেট্ৰোনিয়াচে নিজৰ উচ্চ মানসিক শক্তি আৰু কৌশলৰ দ্বাৰা বিপক্ষক তৰ্কযুদ্ধত প্ৰতিবাৰতে পৰাস্ত কৰিছে এবে।

টাইগেলিনাচে একো নামাতিলে। অৱশেষত, পেট্ৰোনিয়াচ যেতিয়া কোঠাটোৰ ইটো মূৰলৈ গল, তেতিয়া বিসকল নাইট আৰু চিনেটৰ সভ্যই, তেওঁক বেৰি ধৰিলেগৈ, সেইসকলক মনে মনে লক্ষ্য কৰি, তেওঁ কান্ত থাকিল।

ৰাজপ্ৰাসাদৰ পৰা উলটি, পেট্ৰোনিয়াচে ভিনিকিয়াচৰ ঘৰলৈ গৈ, ঘটনাটো বিবৰি কলে।

"মই অকল প্লটিয়াচ্ আৰু পম্পোনিয়াৰে বিপদ আতঁৰোৱা নাই, নিজকো ৰক্ষা কৰিছো আৰু লিজিয়াক লৈ হৈ-চৈ কৰাটোও বন্ধ কৰিছো। সঁচা, এই তামডটীয়া বান্দৰটোক মই নিজে কৈ আহিছো, এন্ট্ৰাম্‌লৈ বাবলৈ। তাৰ পাচত, নিয়াপলিচ্ আৰু বেয়াইতো এপাক মাৰি আহিবলৈ পৰামৰ্শ দি আহিছো। সি নোযোৱাকৈ নাথাকে ; ৰোমত সি এতিয়ালৈকে ৰাইজৰ আগত দেখা দিবলৈ সাহ কৰা নাই। গতিকে নিয়াপলিচতে প্ৰথমে ৰাইজৰ আগত দেখা দিব খুজিছে। আকৌ সি গ্ৰীচলৈ যোৱাৰো কল্পনা কৰিছে। তাৰ প্ৰতিখন প্ৰধান ঠাইতে, গীত গাই কণ্ঠস্বৰৰ উৎকৰ্ষ সাধন কৰিব !

তাৰ পাচত, গ্ৰীকসকলে পিন্ধোৱা জয়ৰ গৌৰৱমালা পিন্ধি লৈ, ৰোমত প্ৰবেশ কৰিব। গ্ৰীক সকলে যে জয়ৰ মালা পিন্ধাব, তাত কোনো সন্দেহ নাই। ইতিমধ্যে আমি স্বাধীনভাৱে লিজিয়াৰ অনুসন্ধান চলাব পাৰিম। তাইক পালে নিৰাপদ ঠাইতো ৰাখিব পাৰিম। আমাৰ মাননীয় দাৰ্শনিকৰ আৰু দেখা দেখি নাই, নহয়নে ?"

"তোমাৰ 'মাননীয় দাৰ্শনিক' এটা প্ৰকাণ্ড ঠগ। সি অহা নাই, আৰু নাহেও।"

"তাৰ ব্যৱহাৰিক সাধুতাতকৈ, তীক্ষ্ণ বুদ্ধিকহে মই বেচি শলাগো। তদুপৰি, তোমাৰ হাতৰ পৰাএবাৰ ধন সৰকাব পাৰিছে যেতিয়া, আন নহলেও, আকৌ এবাৰ সৰকাবলৈকে আহিব।"

"সাৱধানে নচলিলে, সি এদিন মোৰ হাতৰ চেপাতে প্ৰাণ বায়ু এৰিব।"

"নহয়, এনে কাম নকৰিবা। তাৰ ঠগামিৰ ভাল প্ৰমাণ নোপোৱালৈকে ধৈৰ্য্য ধৰি থাকা। তাক এতিয়া আৰু ধন নিদিবা। কিন্তু কৃতকাৰ্য্যতা সম্বন্ধে নিশ্চয়তা দিব পাৰিলে, মুক্ত হস্তে পুৰস্কৃত কৰাৰ আশ্বাস দি থবা। তুমি পঠিওৱা মানুহবোৰে কিবা সংবাদ আনিছেনে ?"

"নিম্‌ফিদিয়াচ্ আৰু ডেমাচ্ নামৰ মুক্ত দাস দুটাই, তিনিকুৰি দাস লগত লৈ, লিজিয়াক ধৰি আনিবলৈ গৈছে। যিটো মানুহে এই কাম সমাধা কৰিব, তাক মই মুক্তি দিম বুলি প্ৰতিজ্ঞা কৰিছো। তদুপৰি, চৰাইখানাৰ মালিকবোৰক, কথা সুধি উলিয়াবৰ কাৰণে, মই প্ৰতিটো ৰাজপথলৈ দূত পঠাইছো, আৰু মই দিনে নিশাই, নগৰখনত নিজেও পাতপাতকৈ বিচাৰিছো,—কেনেবাকৈ ঘটনাচক্ৰত, সৌভাগ্যই লাগ দিয়ে বুলি আশা কৰি।"

"বাৰু, তুমি কিবা সন্ধান পালে, অনুগ্ৰহ কৰি মোক ততালিকে জনাবা। কাৰণ শীঘ্ৰে মই এণ্টিয়ামলৈ যাত্ৰা কৰিম।"

"নিশ্চয়।"

"তদুপৰি, এদিন ৰাতিপুৱা তুই উঠিয়ে যদি হঠাতে মনলৈ আহে যে, পৃথিৱীত কোনো ছোৱালীৰ বাবে ইমান কষ্ট স্বীকাৰ কৰাৰ অৰ্থ নাই, তেতিয়া তুমি নিজে এণ্টিয়ামলৈ শুচি আহিবা। তাত তোমাৰ বাবে, সুন্দৰী ৰমণী বা আন যি কোনো উপভোগৰ সামগ্ৰীৰ অভাৱ নঘটে।"

ভিনিকিয়াচে কোঠাটোৰ ইফালে, সিফালে ঘূৰিবলৈ ধৰিলে। পেট্ৰোনিয়াচে অলপপৰ তেওঁলৈ চাই কলে, "মোক সঁচাই কোৱাচোন,— একমাত্ৰ এটা আকৰ্ষণৰ চাবিওফালে ঘূৰি, মগজুত জুই একুৰা লৈ থকা মানুহ এটাৰ কথা মোক নালাগে। এজন যুক্তিপূৰ্ণ মানুহে বন্ধুৰ আগত কোৱাৰ দৰে কোৱাচোন,— এই লিজিয়াৰ পিচত সদায় তুমি নেৰানেপেৰাকৈ লাগি থাকিবা নেকি ?"

ভিনিকিয়াচ বৈ গল। তেওঁ যেন এইমাত্ৰহে পেট্ৰোনিয়াচৰ উপস্থিতি গম পালে, ঠিক এনে এটা ভাব মুখলৈ আনি, পেট্ৰোনিয়াচলৈ চাই, পুনৰ তেওঁ কোঠাৰ ভিতৰত ঘূৰি ফুৰিবলৈ ধৰিলে। প্ৰকৃততে তেওঁ নিজক সংযত কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছে। শেষত এনে এটা মুহূৰ্ত্ত আহিল, যি মুহূৰ্ত্তত, ভিনিকিয়াচে নিজকে আৰু থিৰেৰে ৰাখিব নোৱাৰিলে। নিজৰ অসহায় অৱস্থাৰ লগতে, লিজিয়াৰ প্ৰতি অত্যুগ্ৰ কামনা, ক্ৰোধ আৰু নিৰাশাৰ ভাবে, তেওঁৰ চকুৰেদি বাৰিষাৰ ধল বোৱালে। পেট্ৰোনিয়াচৰ বাবে এই দৃশ্য অতি মৰ্ম্মভেদ হ'ল— পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ বাকপটুতাইও তেওঁৰ মনত ইয়াতকৈ গভীৰ সঁচ বহুৱাব নোৱাৰিলেহেঁতেন।

অলপপৰ ভাবি তেওঁ কলে, "এটলাচে বিশ্বজগতৰ ভাৰ মূৰত লৈ থকা নাই। এগৰাকী নাৰীয়েহে এই ভাৰ বহন কৰি, তাৰে খোপ খেলি আছে।"

"হয়।" ভিনিকিয়াচে মত প্ৰকাশ কৰিলে।

ইয়াৰ পাচত, পৰস্পৰে বিদায় সম্ভাষণ জনাব খোজোতেই, দাস এটাই আহি জনালে যে, চিলো চিলোনিদচ্‌ ওচৰৰ কোঠাটোত অপেক্ষা কৰি আছে। প্ৰভুৰ লগত সি দেখা কৰিব খোজে।

ভিনিকিয়াচে দাৰ্শনিকক মাতি আনিবলৈ আদেশ দিলে। পেট্ৰোনিয়াচে চিঞৰি কলে, "মই কোৱা নাছিলোনে ? হাৰ্‌কিউলিজৰ শপত ! তুমি ধৈৰ্য্য নেহেৰুৱাবা। নহলে এই মানুহটোৱে তোমাক বশ কৰি লৈ, নিজে হৰ্ত্তাকৰ্ত্তা হৈ পৰিব।"

"মহান বিচাৰপতিৰ কুশল হওক ! সম্মান বৃদ্ধি হওক !" সোমাই আহিয়ে চিলোৱে অভিবাদন জনালে। লগতে পেট্ৰোনিয়াচক সম্বোধন কৰি কলে, "আপোনাৰ সুখ ভোগ, আপোনাৰ যশস্যাৰ সমতুল হওক, আৰু সেই যশস্যা গোটেই বিশ্বত বিয়পি পৰক। হাৰ্‌কিউলিজৰ স্তম্ভবপৰা, আৰ্‌চাচিদিৰ সীমাবলৈকে বিয়পি পৰক, আপোনাৰ যশ-গান।"

"হে জ্ঞান ধৰ্মৰ প্ৰবৰ্ত্তক! তোমাক স্বাগতম জনাইছো।" পেট্ৰোনিয়াচে উত্তৰ দিলে। ভিনিকিয়াচে কোনো ভূমিকা নকৰাকৈ সুধিলে, "তুই কি বাতৰি আনিছ?"

"দেউতা ঈশ্বৰ! প্ৰথম বাৰলৈ মই আশাৰ বাণী আনিছো।" চিলোৱে কলে, "এইবাৰ মই নিশ্চয়কৈ কৈছো,—ছোৱালীজনীক মই বিচাৰি উলিয়াব পাৰিম।"

"তাৰমানে তই এতিয়াও তেওঁক পোৱা নাই?"

"পোৱা নাই, অৰ্থাৎ এতিয়াও তেওঁ অনাবিষ্কৃতা হৈ আছে। কিন্তু আপোনাক তেওঁ যি চিন আকি দেখুৱাইছিল, তাৰ অৰ্থ আৱিষ্কাৰ কৰিছো। কোনে তেওঁক লৈ গৈছে, আৰু তেওঁৰ উপাস্য দেৱতা কোন, সকলো জানি পাইছো।"

ভিনিকিয়াচে উত্তাৱল হৈ, একে জাপে আসনৰপৰা উঠিব খোজোতেই, পেট্ৰোনিয়াচে তেওঁৰ কান্ধত হাত এখন থৈ চিলোক কলে, "কৈ যোৱা, শুনো।"

"হে প্ৰভু! মই আপোনাকে সোধো,—যুৱতী গৰাকীয়ে বালিত মাছ আঁকিছিল বুলি আপুনি নিশ্চয়কৈ জানেনে?"

"হয়।"

"তেন্তে তেওঁ খৃষ্টধৰ্মী, আৰু খৃষ্টানইতে তেওঁক লৈ গৈছে।"

অলপপৰ সকলো নীৰৱ।

"শুনা চিলো," পেট্ৰোনিয়াচে কলে, "ছোৱালীজনীক বিচাৰি উলিয়াব পাৰিলে, মোৰ ভাগিনে তোমাক বহুত অৰ্থ সম্পদ দিবলৈ প্ৰতিজ্ঞা কৰিছে। কিন্তু তুমি যদি ঠগিবলৈ চেষ্টা কৰিছা, তেন্তে বেতৰ কোব যিখিনি পাবা, সিও কম নহব বুলি জানি থবা। প্ৰথমে কোৱাটোৱে যদি হয়, তেন্তে এটা নালাগে, তিনিটাকৈ লেখাক বাখিব পাৰিবা, আৰু যদি দ্বিতীয়টোহে হয়গৈ, তেন্তে সাতজন সাধুৰ দাৰ্শনিক জ্ঞানেৰে সৈতে তোমাৰ নিজৰ কেৰা গোট খুৱালেও, একো ফল নহয়। মাত্ৰ অলপ মলম বা ঔষধেহে বেচি কাম দিব।"

"সাতক ছোৱালীজনী খৃষ্টিয়ান, প্ৰভু!" চিলোৱে দোহাৰিলে।

"নহয় চিলো, তুমি ভাবি চোৱা! তুমি মূৰ্খ নোহোৱা। আমি জানো যে, পম্পোনিয়া গ্ৰেচিনাক খৃষ্টিয়ান কুসংস্কাৰে লগ লৈছে বুলি, জুনিয়া চিলানা আৰু কেলভিয়া ক্ৰিচ্‌পিনিলাই এবাৰ তেওঁৰ বিৰুদ্ধে অভিযোগ তুলিছিল। আমি ইয়াকো জানো যে, নিজৰ পৰিয়ালে পতা বিচাৰ বেলত তেওঁক নিৰ্দ্দোষী

বুলি প্ৰমাণ কৰা হৈছিল। তুমি পুণৰ সেই একেটা অভিযোগকে কৰিছা যেন লাগিছে। তুমি এই কথা বিশ্বাস কৰাব খুজিছা নেকি যে, পম্পোনিয়া আৰু লিজিয়া মানৱ জাতিৰ শত্ৰুদলৰ অন্তৰ্ভুক্ত,—যি শত্ৰুবে নিজৰা আৰু নাদত বিহ ঢালে, গাধৰ মুৰ এটাক পূজা কৰে, শিশু ধৰি নি বলি দিয়ে আৰু অতি নিষ্ঠুৰ ধৰণৰ অপকৰ্মত লিপ্ত থাকে? নহয় চিলো, তুমি অলপ ভাবি চোৱা। তুমি যি তথ্য আহৰণ কৰিছা, সি এদিন বিপৰীত তথ্য হৈ উলটি আহি, তোমাৰ নিজৰ পিঠিতে মাৰ নোসোধাবনে?"

নিজকে দোষমুক্ত বুলি দেখুউৱাৰ ভঙ্গী কৰি, হাত দুখন মেলি, চিলোৱে কলে, "হে প্ৰভু! এই বাক্যাংশ গ্ৰীক ভাষাত উচ্চাৰণ কৰক,—"যীশু খৃষ্ট, ভগৱানপুত্ৰ, পৰিত্ৰাণ কৰ্ত্তা।"

পেট্ৰোনিয়াচে তাকে কৰিলত, চিলোৱে কলে, গ্ৰীক ভাষাৰ বাক্যাংশটোৰ প্ৰতিটো শব্দৰ প্ৰথম আখৰ কেইটা লগ লগালে যিটো নতুন শব্দ হয়, সেইটো উচ্চাৰণ কৰিবলৈ। পেট্ৰোনিয়াচে আচৰিত হৈ চিএবি যিটো শব্দ উচ্চাৰণ কৰিলে, গ্ৰীক ভাষাত তাৰ অৰ্থ,—"মাছ।"

"হয়, এইবাবেই খৃষ্টিয়ানে মাছক সাঙ্কেতিক চিন কৰি লৈছে।" চিলোৱে সগৰ্ব্বে উত্তৰ দিলে।

ইয়াৰ পাচত সকলো নীৰৱ। গ্ৰীকটোৰ যুক্তি অকাট্য যেন লগাত, দুয়ো আশ্চৰ্য্যভাৱ লুকুৱাব নোৱাৰিলে।

"ভিনিকিয়াচ!" পেট্ৰোনিয়াচে সুধিলে, "লিজিয়াই মাছ আঁকিছিল বুলি, সঠিক জানানে? তোমাৰ ভুল হোৱা নাইতো?"

"নাই হোৱা।" যুৱকে খঙেৰে উত্তৰ দিলে, "যমপুৰীৰ সকলো দেৱতাৰ নামত শপত খাই কব পাৰো! কিন্তু এইবোৰ কথাই যিকোনো মানুহকে পগলা কৰিব! তেওঁ চৰাই অঁকা হলে, মই চৰাই আঁকিছিল বুলি কলোহেঁতেন।"

"তেন্তে তেওঁ খৃষ্টিয়ান!" চিলোৱে আকৌ এবাৰ কলে।

"তাৰ মানে," পেট্ৰোনিয়াচে পুণৰাবৃত্তি কৰিলে, "পম্পোনিয়া আৰু লিজিয়াই নাদত বিহ ঢালে, বাটৰপৰা শিশু ধৰি নি, বলি দিয়ে, আৰু নানা ৰকমৰ কুকৰ্ম্মত মজি থাকে! এই মানুহটো দুৰ্ব্বল আৰু মূৰ্খ! কিন্তু ভিনিকিয়াচ, তুমি-তুমি জানো কিছুদিন তেওঁলোকৰ ঘৰত নাছিলা! মাত্ৰ অলপ সময় তাত থাকিয়ে মই অলাচ আৰু পম্পোনিয়াক বুজি পাইছিলো। হয়, আৰু লিজিয়াকো।

ইমান ভালকৈ বুজিছিলো যে, তেওঁলোকৰ মূৰত এনে ধৰণৰ কলঙ্ক জাপি দিয়াটো মূৰ্খামিৰ বাহিৰে একো নহয় বুলি ভাবিঠ কৰ পাৰো। মাছ যে খৃষ্টিয়ানৰ সাঙ্কেতিক চিন, এই কথা স্পষ্ট কৰিব নোৱাৰি। সেয়ে যদি হয়, প্ৰোচেৰ্পিনৰ শপত খাই কওঁ,—আমি ইমানদিনে খৃষ্টিয়ান সম্পৰ্কে যি ধাৰণা লৈ আছিলো, সি কেতিয়াও সত্য হ'ব নোৱাৰে।"

"আপুনি চক্ৰেটিছৰ নিচিনাকৈ কথা কৈছে, প্ৰভু!" চিলোৱে উত্তৰ দিলে, "কোনেনো আজি পৰ্য্যন্ত খৃষ্টিয়ান এজনক ভালদৰে পৰীক্ষা কৰি চাইছে? কোনেনো প্ৰকৃতপক্ষে তেওঁলোকৰ ধৰ্ম্মমতৰ কথা জানে? তিনি বছৰৰ আগতে মই নিয়াপোলিচত আছিলো। তাৰপৰা ৰোমলৈ যাত্ৰা কৰোঁতে, মই গ্লকাচ্ নামৰ বৈদ্য এজনক পথৰ সঙ্গীৰূপে পাইছিলো। মানুহজন খৃষ্টান যদিও সাধু আৰু ধাৰ্ম্মিক বুলি সহজে ধৰিব পাৰিছিলো।"

"এইজন ধাৰ্ম্মিক মানুহৰ পৰাই তুমি 'মাছ'ৰ অৰ্থ বুজিছিলা নেকি?"

"হয়! প্ৰভু, নাই বুজা। যাত্ৰা পথত, সাধু বুঢ়াজনক, চৰাইখানা এটাত কোনোবাই ছুৰীৰে আঘাত কৰিলে, আৰু তেওঁৰ পত্নী আৰু সন্তানক কিছুমান সদাগৰে দাস বুলি ভাবি, ধৰি লৈ গুচি গল। তেওঁক ৰক্ষা কৰিবলৈ চেষ্টা কৰোঁতেহে মোৰ সোঁহাতৰ তিনিটা আঙুলি গল। খৃষ্টিয়ানসকল অলৌকিক ঘটনাচক্ৰত অনুগৃহীত হয় বুলি কোৱা শুনিছো। গতিকে মইও মোৰ আঙুলি কেইটা পুনৰ গজি উঠিব বুলি আশা কৰিব পাৰো!"

"কেনেকৈ? তুমিও খৃষ্টিয়ান হৈ গলা নেকি?"

"হয় প্ৰভু! কালিৰে পৰা হৈছো। 'মাছেহে' এই কাণ্ড ঘটালে। ইয়াৰ কিমান ক্ষমতা মন কৰিছেনে? আৰু কিছুদিন যোৱাৰ পাচত মই ইমান বেচি নৈষ্ঠিক হৈ যাম যে, খৃষ্টিয়ানৰ গুপুত ৰহস্যবোৰৰ লগত মোৰ সম্পূৰ্ণ পৰিচয় ঘটিব। এবাৰ ইয়াৰ মাজত সোমাব পাৰিলে, যুৱতী কন্যাটি ক'ত লুকাই আছে, জানিব পাৰিম। হয়তো মোৰ খৃষ্ট ধৰ্ম অৱলম্বন, মোৰ দাৰ্শনিক জ্ঞানতকৈও বেচি কামত আহিব। যি কি নহওক, মই এনে এটা সংকল্পও কৰিছো যে, যদি মাৰ্কিউৰি দেৱতাই ছোৱালীজনী উদ্ধাৰ কৰাত সহায় কৰে, তেনেহলে মই সোণেৰে শিঙ বন্ধাই, তুজনী একে সমান বয়সৰ আৰু একে সমান গঠনৰ চেউৰী গাই, তেওঁৰ সন্মুখত উচৰ্গা কৰিম।"

"অৰ্থাৎ তোমাৰ কালিৰ খৃষ্টধৰ্ম আৰু পুৰণি আমোলৰ দৰ্শন শাস্ত্ৰই, মাৰ্কিউৰিৰ ওপৰত বিশ্বাস ৰাখিবলৈ, অনুমতি এতিয়াও দিছে, নহয়নে?"

"যি সময়ত যিটো বিশ্বাস কৰিলে, নিজৰ আটাইতকৈ বেচি সুবিধা হয়, মই সদায় তাকে বিশ্বাস কৰো। এই কথাৰ আঁত ধৰি কব পাৰি, মোৰ দৰ্শন বিশেষকৈ মাৰকিউৰি দেৱতাৰহে গ্ৰহণযোগ্য। দুৰ্ভাগ্যবশতঃ সম্ৰ্দ্ধবান প্ৰভু সকলে নাজানে, এই দেৱতাজন কিমান সন্দেহবাদী। কোনো সংকল্পৰ ওপৰতে, তেওঁৰ আস্থা নাই। আনকি, মোৰ দৰে এজন দাৰ্শনিকৰ কথাতো তেওঁৰ বিশ্বাস নাই। নিঃসন্দেহে কব পাৰি, তেওঁ চেউৰী ডুজনী আগধৰি বিচাৰিব, আৰু সেয়ে হলে, বৰ বেচি খৰচো পৰিব,—যদি দিব লগা হয়। প্ৰতিজন মানুহ চেনেকা নহয়। চেনেকাৰ দৰে মুকলিমূৰীয়া, সদায় সুখীয়া হোৱাৰ সম্বল মোৰ নাই। কিন্তু মহান ভিনিকিয়াচে যদি, দিবলৈ প্ৰতিজ্ঞা কৰা সমুদায় ধনৰ, এটি সামান্য অংশও—"

"এটা "ওবোলাচ"ও নোপোৱা বুইছা চিলো," পেট্ৰোনিয়াচে মাত লগালে, "লিজিয়াক বিচাৰি উলিয়াব পাৰিলে, ভিনিকিয়াচে তোমাক আশাতীত ধনেৰে পুৰস্কৃত কৰিব - অৰ্থাৎ যদিহে তুমি, তাই লুকাই থকা ঠাইডোখৰ আমাক আঙুলিয়াই দেখুৱাব পাৰা, ভেজিয়াহে। চেউৰী ডুজনী দিলে, মাৰকিউৰিয়ে তোমাৰ শলাগ ল'ব, তাত কোনো সন্দেহ নাই। কিন্তু তেওঁৰ যে কাৰো ওপৰত আস্থা নাই, এই কথাত মই অকণো আচৰিত নহওঁ। বৰং তেওঁৰ উপস্থিত বুদ্ধি আছে বুলিহে স্বীকাৰ কৰো।"

"মহান প্ৰভু সকল! মোৰ কথা শুনক। মই যি কথা আবিষ্কাৰ কৰিলো, তাৰো বিশেষ মূল্য আছে! সঁচা, মই এতিয়াও ছোৱালীজনী উদ্ধাৰ কৰিব পৰা নাই! কিন্তু তেওঁ কোন পথৰ পথিক, তাৰ সন্ধান পাইছো। প্ৰভু, আপুনি নিজৰ দাস আৰু মুক্তদাসইতক নগৰৰ আৰু গোটেই দেশৰ চাৰিওফালে পঠিয়াইছে, কিন্তু সিহঁতে দেখোন, ফুটকে ধৰিব পৰা নাই। একমাত্ৰ মইহে কিবা অকণমান খবৰ আনিছো। মই আৰু কওঁ শুনক! আপোনাৰ দাসবোৰৰ ভিতৰত কিমানবোৰ যে খৃষ্টিয়ান আছে, আপুনি গম নাপায়। কাৰণ, এই বিশেষ ধৰণৰ অন্ধবিশ্বাসে গোটেইখনতে শিপাইছে। সেইবোৰ মানুহে, সহায় কৰাতকৈ প্ৰৱঞ্চনাহে কৰিব বেচি। সিহঁতে মোক ইয়াত দেখাটোও দুখৰ বিষয়। সেইবাবে, মহান পেট্ৰোনিয়াচ, মই আপোনাক জনাওঁ,— আপুনি ইউনিচক মুখ বন্ধ কৰি থাকিবলৈ আদেশ দিব। মহান ভিনিকিয়াচকো মই জনাওঁ, তেওঁ যেন মই ইয়ালৈ অহাৰ কাৰণটো, ভাওৰ, সক সকলোৰে আগত এইদৰে কয়,

যে, মই আপোনাৰ ওচৰলৈ এটা মলম বেচিবলৈ আহিছিলো,— যিটো মলম গাত ঘঁহিলে, ঘোঁৰাই খেদ মাটিত ভাল খেদ দেখুৱাব পাৰে। মই অকলে অনুসন্ধান কাৰ্য্য চলাম, আৰু পগাতকইতক অকলে বিচাৰি উলিয়াম। অৱশ্যে আপুনি মোক বিশ্বাস কৰিব লাগিব, আৰু ধৰি লব লাগিব যে মোক উৎসাহিত কৰিবৰ বাবেহে, আপুনি মোক অলপ অলপ ধন দি আছে। এইদৰে যেতিয়াই অলপ মোৰ হাতলৈ আহিব, তেতিয়াই আকৌ এবাৰ পোৱাৰ আশা মোৰ মনত জাগি উঠিব, আৰু কৃতকাৰ্য্যতাৰ নিশ্চয়তা সম্বন্ধে মই সদা সচেতন হৈ থাকিম। এই নিশ্চয়তাৰ ভাবটো, অঙ্গীকৃত পুৰস্কাৰতকৈও মোৰ বাবে বেচি দৰকাৰী। অঃ হয়, দাৰ্শনিক হিচাবে মই ধন সম্পদক অৱজ্ঞাৰ চকুৰে চাওঁ। কিন্তু চেনেকাই হলে অৱজ্ঞা নকৰে। মিউচোনিয়াচ্ আৰু কৰমুটাচেতো নকৰেই। অৱশ্যে, দুৰ্ভগীয়াক ৰক্ষা কৰিবলৈ গৈ, এওঁলোক কোনেও হাতৰ আঙুলি হেৰুৱাব লগা হোৱা নাই। গতিকে এওঁলোক আটাইকেইজন কলম ধৰিব পৰা হৈ আছে; নিজৰ নাম জগতত থৈও যাব পাৰিব। যি কি নহওক, কিনিব খোজা দাসটো, আৰু এই মাৰ্‌কিউৰিৰ আগত বলি দিবলৈ আগকৰা চেউৰী দুজনীৰ দাম নধৰাকৈয়ে, (আপোনালোকে জানে, কিছুদিনৰ আগৰপৰা গৰু, ছাগলীৰ দাম কিমান বাঢ়িছে!) কেৱল অনুসন্ধান কাৰ্য্যটোতে, মোৰ বহুতো ধন ভৰণি হ'ব বুলি মই নিশ্চয়কৈ জানো। আপোনাসকলে অনুগ্ৰহ কৰি অলপ ধৈৰ্য্যেৰে শুনক। কিছু দিনৰপৰা খোজ কাঢ়ি ঘূৰি ফুৰোঁতে, মোৰ ভৰি উখহি গৈছে। দুই এজনৰ লগত কথা পাতিবলৈ, মই মদৰ দোকানতো সোমাব লগা হৈছে। কটিৰ দোকান, কচাইখানা, জলকাই আৰু মাছৰ বিপণি আদি একো বাদ পৰা নাই। মই প্ৰতিটো ৰাজপথ আৰু অলিগলিত, পাত্ পাত্‌কৈ বিচাৰিছো। পলৰীয়া দাস য'ত লুকাই থাকে, তাতো চাইছো। 'মোৰা' খেলোতে, তামৰ পইচা এশমান গৈছে। ধোবাৰ দোকানত,—কাপোৰৰ দাগ গুচাই য'ত বগা কৰা হয় তাতো, আৰু জলখাপৰ আহাৰ্য্য বেচা দোকানতো মই সোমোৱাকৈ থকা নাই। খচৰ ৰখীয়া আৰু শিলভঙা মাচহকো সুধিছো; মূত্ৰাশয় ৰোগৰ চিকিৎসক আৰু দন্ত চিকিৎসককো, বন্ধু ভাবেৰে একেলগে বহি, মদ খাবলৈ মাতি নিছো। শুকান ডিমৰৰ বেপাৰ কৰা মহাজনৰ লগতো কথা পাতিছো। আনকি কবৰখানাতো ঘূৰিছো। কি বাবে কৰিছো এইবোৰ? সকলো ঠাইতে, এই 'মাছ'কে আঁকি দেখুৱাই দৰ্শকৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰাৰ

অভিপ্ৰায়েৰে। বহুত দিনলৈকে, মই উল্লেখযোগ্য একো দেখা নাছিলো। অৱশেষত এদিন, নিজৰা এটাৰ পাৰত, দাস এটা দেখিবলৈ পালো; সি উচুপি, উচুপি কান্দি, পানী তুলি আছিল। ওচৰলৈ গৈ, তাক কন্দাৰ কাৰণ সুধিলো; তেতিয়া সি, নিজৰাৰ পাৰৰ খটখটিৰ ওপৰত মোৰ লগত বহি, জনালে যে, নিজৰ অতি মৰমৰ পুত্ৰেকক মুক্ত কৰাৰ উদ্দেশ্যে, সি এটা, দুটা-কৈ চেচ্টাৰটিয়াচ্ গোটাইছিল। কিন্তু পান্চা নামৰ মালিকটোৱে, আটাইখিনি আত্মসাৎ কৰি লৈও, লৰাটোক দাসত্বৰপৰা মুক্তি নিদিলে। বুঢ়াটোৱে কলে, 'মই এইদৰে চকুপানী টুকিয়ে আছো। কাৰণ, ভগৱানৰ ইচ্ছা পূৰ্ণ হওক বুলি কোৱা, মোৰ বাবে অৰ্থহীন। যিহেতু মই দুখীয়া আৰু পাপীও, সেইবাবে চকুপানী সামৰিব পৰা নাই।' কথাবাৰ মনত লগাত, মই ততালিকে বাল্টিৰ পানীত আঙুলি ডুবাই, মাছৰ ছবি এটা আঁকিলো। তাকে দেখি, সাধু মানুহজনে চিঞৰি কলে, "খৃষ্টই মোৰ আশা ভৰসাৰ স্থল।" তাৰ পাচত মই সুধিলো, "এই চিনটো কি তুমি জানানে?" তেওঁ উত্তৰ দিলে, "হয়, আপোনাক ভগৱানে শান্তি দিয়ক।" মই তেওঁক ৰৰকৈ ধৰাত, বাৰ্দ্ধক্যজনিত সৰলভাৱে তেওঁ মোক সকলো ভাঙি পাতি কলে। তেওঁৰ মালিক, এই পান্চা নামৰ মানুহটো হ'ল, খ্যাতনামা পান্চাৰ মুক্তদাস; এই মানুহটোৱে টাইবাৰ নদীয়েদি, ৰোমলৈ ঘৰসজা শিল পঠিয়ায়। দাস আৰু বনুৱাবোৰে, বাৰীটোৰ ভিতৰতে এইবোৰ বোজা কাঠৰ ভুৰবোৰৰপৰা নমাই, সাজি থকা ডাঙৰ, ডাঙৰ, অট্টালিকা-বোৰলৈ, কঢ়িয়াই নিয়ে। এইবোৰ বনুৱাৰ ভিতৰত, কেইবাটাও খৃষ্টিয়ান আছে। বুঢ়া দাসটোৰ লৰাটোও, তাৰে এটা। কিন্তু ডেকা লৰাটোৰ শক্তিয়ে নাটে বাবে, বুঢ়া বাপেকে তাক মুক্ত কৰাৰ ইচ্ছা কৰিছিল। দুৰ্ভাগ্যবশতঃ, পান্চাই টকাও ললে, লৰাটোকো এৰি নিদিলে। কথা কৈ থাকোঁতে, বুঢ়া মানুহটোৱে আকৌ এবাৰ ফেঁকুৰি উঠিছিল; মইও লগতে চকুলো টুকিছিলো। এই কাম মই সহজে কৰিব পাৰিছিলো; কাৰণ, অকল মোৰ অন্তঃকৰণেই যে বিষাই উঠিছিল এনে নহয়, অতি মাত্ৰা খোজ কঢ়াৰ বাবে, মোৰ অঙ্গ প্ৰত্যঙ্গবোৰো বিৰক্ত টনটনাই আছিল। মই তেওঁক বেজাৰ মনেৰে কৈছিলো যে, নিয়াপোলিচৰ-পৰা অহা, মাত্ৰ কেইদিনমান হোৱাৰ বাবে, মই মোৰ নগৰ বন্ধুসকলক লগ পোৱা নাই। প্ৰাৰ্থনাৰ সময়ত, তেওঁলোক ক'ত লগ খায় তাকো নাজানো। এই কথা শুনি তেওঁ আচৰিত হ'ল,—নিয়াপোলিচৰ খৃষ্টিয়ানসকলে, ৰোমত থকা তেওঁলোকৰ বন্ধুসকললৈ, মোৰ হাতত পৰিচয় পত্ৰ নিদিয়াৰ বাবে। উত্তৰত

মই কলো যে, বাটিত আহোঁতে, মোৰ পৰিচয় পত্ৰখন চুৰি হ'ল। এই কথা শুনি, বুঢ়াই মোক, ৰাতি নৈৰ পাৰলৈ আহি, তেওঁক লগ ধৰিবলৈ কলে। ইয়াতে খৃষ্টিয়ান বন্ধুসকলৰ লগত মোৰ দেখা দেখি হ'ব বুলি জনাই তেওঁ কলে যে, তেওঁলোকেই মোক প্ৰাৰ্থনা গৃহলৈ লৈ যাব আৰু যি সকল প্ৰবীণ ব্যক্তিয়ে খৃষ্টিয়ান সম্প্ৰদায়টোক নিয়ন্ত্ৰণ কৰে, সেইসকলৰ বাসস্থানো দেখুৱাই দিব। এই কথাত মোৰ ইমান আনন্দ লাগিল যে, বুঢ়াটোৰ পুত্ৰেকক মুক্ত কৰিবলৈ, যিমান ধন লাগে, আটাইখিনি দি দিলো। মই আশা কৰো, উদাৰমনা ভিনিকিয়াচে মোক তাৰ দুগুণ দিব। আৰু—"

"চিলো!" পেট্ৰোনিয়াচে বাধা দি কলে "তোমাৰ গল্পত থকা মিছা কথাখিনি পানীৰ ওপৰত তেল ওপঙাদি ওপঙি উঠিছে। অৱশ্যে মই এটা কথা নিশ্চয়কৈ বুজিছো যে, অনুসন্ধানৰ পথত তুমি কিছু অগ্ৰসৰ হৈছা। কিন্তু এই সংবাদটোত প্ৰৱঞ্চনাৰ প্ৰলেপ সানি, উপস্থাপন কৰা একেবাৰে নিৰৰ্থক। খৃষ্টিয়ানে 'মাছৰ' চিন বুজি পায় বুলি যি বুঢ়া মানুহটোৰ পৰা জানিছিলা, তাৰ নামটো কোৱাচোন।"

"প্ৰভু! তাৰ নাম ইউৰিচিয়াচ্। উঃ! কি যে নিঃকিন। দেখিলে দুখ লাগে। তাক দেখি মোৰ মনত পৰিছিল, গ্লকাচ নামৰ বৈদ্যটোলৈ,—যাক ডকাইতে আক্ৰমণ কৰোঁতে, মই ৰক্ষা কৰিছিলো। সেইবাবে, বুঢ়াৰ কাহিনী শুনি মই অতি বিচলিত হৈছিলো।"

"বাৰু, তুমি বুঢ়া দাসটোৰ লগ লাগিছিলা বুলি, মই বিশ্বাস কৰিছো। তাৰদ্বাৰা তুমি নিজে উপকৃত হোৱাৰ কামনা কৰাটোও সঁচা বুলি মানিছো। কিন্তু তুমি তাক ধন দিয়া কথাটো, মই সমূলি বিশ্বাস কৰা নাই। তুমি তাক এচ্ (তামৰ পইচা) এটাও দিয়া নাই, বুজিছা! তুমি তাক ফুটা কড়ি এটাও দিয়া নাই!"

"কিন্তু মই তাক পানীৰ কলহ কঢ়িয়াই দিছিলো, আৰু তাৰ পুত্ৰেকৰ প্ৰতি গভীৰ সহানুভূতি আগবঢ়াইছিলো। যি কি নহওক, মহান পেট্ৰোনিয়াচৰ বুদ্ধিৰ আগত কোনো সাৰিব নোৱাৰে। সঁচা, মই মানুহটোক ধন দিয়া নাই। মোৰ বিবেকে আৰু মোৰ ইচ্ছা শক্তিয়ে, তালৈ ধনৰ টোপোলা আগবঢ়াইছিল। প্ৰকৃত দাৰ্শনিক হোৱা হলে, ইয়াকে সি যথেষ্ট বুলি ধৰিলেহেঁতেন। এই সামান্য উপহাৰ, মই তাক মনতে যাচিছিলো; কাৰণ সেই সময়ত এনে কৰা নিতান্ত

প্ৰয়োজন আৰু উচিত বুলি, মোৰ ধাৰণা হৈছিল। প্ৰভু! আপুনি মন কৰক, এই কামৰ দ্বাৰা, মোৰ কিমান লাভ হ'ব পাৰে! মানুহটোৱে মোক তাৰ স্বধৰ্মীহঁতৰ লগত ইমান ভাল ভাৱেৰে পৰিচয় কৰাই দিব যে, মই তেওঁলোকৰ সন্মানৰ আৰু বিশ্বাসৰ পাত্ৰ নোহোৱাকৈ নাথাকো।"

"সঁচা কথা," পেট্ৰোনিয়াচে কলে, "তুমি ঠিকেই ভাবিছা।"

"তাৰপৰা মই পোণে, পোণে ইয়ালৈ আহিছো, প্ৰয়োজনীয় অৰ্থ সংগ্ৰহৰ বাবে।" চিলোৱে জনালে।

পেট্ৰোনিয়াচে ভিনিকিয়াচলৈ উলটি চালে।

"লেখি লেখি পাঁচ হাজাৰ চেচ্টাৰ্টি আগবঢাইছে, মনতে – মাত্ৰ তোমাৰ বিবেক বাণীলৈ সি অপেক্ষা কৰিছে এতিয়া!"

"মই নিশ্চয় দিম।" ভিনিকিয়াচে উত্তৰ দিলে। তাৰ পাচত চিলোলৈ চাই কলে, "মই তোৰ সহায়ৰ বাবে এটা লগুৱা পঠিয়াম; তাৰ হাতত যথেষ্ট সম্বল থাকিব—তোৰ প্ৰয়োজন পূৰাবৰ বাবে। তাক তোৰ লগত ৰাখিবি। ইউৰিচিয়াচৰ ওচৰলৈ যাওঁতেও তাক লগত লৈ যাবি আৰু তোৰ দাস বুলি পৰিচয় দিবি। এই দাসটোৰ সন্মুখত তই বুঢ়াটোৰ হাতত কিছু ধন দিবি। আকৌ যিহেতু তই এটা জৰুৰী খবৰ মোলৈ আনিছ, সেইবাবে তইও একে সমান ধনৰ টোপোলা এটা পাবি। আজি ৰাতিকৈ মোৰ ওচৰলৈ আহিবি, দাসটোক আৰু ধনখিনি নিবৰ বাবে।"

"আপুনিহে প্ৰকৃত চিজাৰ!" চিলোৱে চিঞৰি কলে, "অলপতে ওলাব-লগীয়া মোৰ দাৰ্শনিক তথ্যখিনি আপোনাৰ নামত উচৰ্গা কৰিবলৈ অনুমতি দিয়ক আৰু আজি নিশা জেপৰপৰা ওলাই যাবলগীয়া ধনখিনিও দিয়ক। ইউৰিচিয়াচে মোক জনাইছিল যে, ভূৰুত অহা মালবোৰ এতিয়া নযোৱা হৈছে। ওচ্টিয়ামৰপৰা আৰু কিছুমান ভূৰ আহি পোৱাৰ কথা আছে। আপোনাৰ শান্তি হওক—এইয়ে খৃষ্টিয়ানৰ বিদায় সম্ভাষণ। মই এতিয়া দাস এটা অথবা দাসী এজনীকে কিনি লব পাৰিম। বৰশীৰে মাছ ধৰা হয় আৰু মাছেৰে খৃষ্টিয়ান ধৰা যায়! শান্তি হওক।' শান্তি! শান্তি! শান্তি!"

॥ ১৪ ॥

ভিনিকিয়াচলৈ দিয়া পেট্ৰোনিয়াচৰ পত্ৰলিপি :

এটা বিশ্বাসী দাসৰ হাতত মই এন্টিয়ামৰপৰা এই চিঠি পঠালো ; এই একেটা দূতৰ হাতত অতি শীঘ্ৰে উত্তৰ এটা লেখি পঠাবা বুলি আশা কৰিলো,— যদিও মই জানো যে কলম চলোৱাতকৈ, তোমাৰ হাত তৰোৱাল আৰু যাঠী চলোৱাতহে বেচি অভ্যস্ত। আসন্ন লাভৰ উত্তেজনা, আৰু আশাৰ উত্তপ্ততাৰ মাজত তোমাক এৰি আহিছিলো। মোৰ মনেৰে, ইতিমধ্যে হয়তো, লিজিয়াৰ বাহুবন্ধনৰ মাজত, তোমাৰ কামনা পূৰ্ণ হৈছে। এতিয়াও যদি হোৱা নাই, তেন্তে, চেৰাক্‌টাম্ পৰ্ব্বতৰ ওখ টিঙৰ পৰা শীতৰ বতাহ আহি, কেম্পানিয়া সমতলভূমি পোৱাৰ আগতে, নিশ্চয় তোমাৰ কামনা সিদ্ধ হ'ব। মোৰ চেনেহৰ ভিনিকিয়াচ ! বেচমী চুলিৰে শোভিতা চাইপ্ৰাচৰ দেৱী, তোমাৰ পথ প্ৰদৰ্শিকা হওক, আৰু তুমি নিজে লিজিয়া দেশৰ 'উষাৰ' গৰাকী আৰু শিক্ষাগুৰুৰূপে অৱতীৰ্ণ হোৱা ! শীঘ্ৰে সেই 'উষা' প্ৰেমৰ প্ৰখৰ-উজ্জল মধ্যাহ্ন ভাস্কৰত পৰিণত হ'ব। সদায় মনত ৰাখিবা, শুভ্ৰ মৰ্ম্মৰ মূল্যবান হলেও, অকল প্ৰস্তৰ হিচাবে আমি তাক নিবিচাৰো। ভাস্কৰৰ হাতে যেতিয়া তাত উৎকৃষ্ট ৰূপ দান কৰে, তেতিয়াহে সি অমূল্য হৈ উঠে। তুমিও যেন ঠিক এনে এজন ভাস্কৰেই হোৱা। অকল প্ৰেমেই যথেষ্ট নহয়। কিদৰে ভাল পাব লাগে, আৰু কি ভাৱে তাক প্ৰকাশ কৰিব লাগে জনা আৱশ্যক। সাধাৰণ স্তৰৰ মানুহে আৰু জন্তুৱেও আনন্দ উপভোগ কৰিব পাৰে ;— হৃদয়ৰ মাহাত্ম্যৰে সেই আনন্দক কলাৰ ৰূপত প্ৰকাশ কৰি, দেৱাশীষ বুলি তাক গ্ৰহণ কৰাৰ মাজতে আছে, প্ৰকৃত মানুহ আৰু ইতৰ শ্ৰেণীৰ মাজৰ পাৰ্থক্য। ইয়াৰদ্বাৰা তেওঁ কেৱল দৈহিক পৰিতৃপ্তিকে লাভ নকৰে, আত্মাৰো তৃপ্তি সাধন কৰে। প্ৰায়ে মই যেতিয়া, আমাৰ দৈনন্দিন জীৱনৰ অহঙ্কাৰ, অনিশ্চয়তা আৰু বিৰক্তিকৰ অৱস্থাৰ কথা ভাবো, তেতিয়া মোৰ মনলৈ প্ৰশ্ন আহে,—উত্তম পথ কোনে বাছি লৈছে ? তুমিনে আনবোৰে ? যুদ্ধ আৰু প্ৰেম,— মাত্ৰ এই দুটাকে সবল কৰি ললে, পৃথিৱীত জন্ম লৈ জীয়াই থকাৰ সাৰ্থকতা বিচাৰি পাব পাৰিবনে ?

যুদ্ধক্ষেত্ৰত তুমি ভাগ্যবান ; প্ৰেমৰ ক্ষেত্ৰতো যেন সেয়ে হোৱা। এতিয়া নিৰোৰ সভাত কি ঘটিছে, যদি জানিব খোজা, মই সময়ে সময়ে জনাই

থাকিম। সম্প্রতি আমি এন্টিয়াযত আছো আৰু আমাৰ সৰগী কণ্ঠ সুধাময় কৰিবলৈ, যৎপৰোনাস্তি চেষ্টা কৰিছো। জগতে মোমৰ প্ৰতি বিদ্বেষ ভাবকো সজীৱ কৰি ৰাখিছো। আমি আৰকালিটো বেয়াইত কটাবলৈ স্থিৰ কৰিছো; তাৰপাচত, নিয়াপোলিচৰ ৰাজহুৱা সভাত, দেখা দিব খুজিছো। ইয়াৰ বাসিন্দাসকল গ্ৰীক; গতিকে তেওঁলোকে টাইবাৰৰ পাৰৰ কুকুৰনেছিয়া বাখৰ পোৱালীইতকৈ বেচি জানে,—আমাক কিভাবে প্ৰশংসা কৰিব লাগে। আমাক আদৰণি জনাবলৈ, মানুহবোৰ হিলদল ভাঙি আহিব,—বেয়াই, পম্পেই, পিউটিওলা, কিউমি আৰু ষ্টাবিয়াৰ পৰা। প্ৰশংসাৰ আউৰি বা জয়মালা, কোনোটোৰে অভাৱ নঘটে, আমাৰ। সেইবাবে একিয়া দৰ্শন কৰিবলৈ, আমি যি ধাঁচনি লৈছো, তাক বাস্তৱত পৰিণত কৰিবলৈ, উৎসাহেৰে লাগি যাম। অ', সক অগষ্টাৰ স্মৃতি? হয়, আমি এতিয়াও শোকাৰ্ত্ত হৈ আছো। আমি স্বৰচিত প্ৰাৰ্থনা গীত গাইছো। ইমান মনোৰম সুৰেৰে গাইছো যে, সাগৰৰ জলকুঁৱৰীসকল ঈৰ্ষান্বিত হৈ, আঁতৰি গৈ, এম্ফিট্ৰাইটীৰ অতল তলিত থকা গুহাবোৰত লুকাই আছেগৈ। অৱশ্যে সমুদ্ৰগৰ্জনে বাধা নিদিয়া হলে, ডল্ফিন্‌বোৰেও আনন্দেৰে আমাৰ গীত শুনিলেহেঁতেন! আমাৰ শোক এতিয়াও শাম কটা নাই! শিল্প সম্মত প্ৰতিটো ভঙ্গীতে, আমি তাকেই প্ৰকাশ কৰি আছো। হে প্ৰিয় বন্ধু! আমি বহুৱা আৰু বিদূষকৰ দৰে ভাও দি দিয়েই এদিন মৰিমগৈ।

অগষ্টান আটাইবোৰ ইয়াতে আছে,—নাৰী, পুৰুষ সকলো। পপিয়াৰ নিত্য স্নানৰ পাত্ৰত, গাখীৰ যোগাবলৈ অনা, পাঁচশ মাইকী গাধ, আৰু দহ হাজাৰ পৰিচাৰকৰ কথা বাদেই দিছো। আমি কেতিয়াবা সৰু সুৰা বং-ধেমালিও কৰো। কেলভিয়া ক্ৰিচপিনিলা বুঢ়ী হৈ আহিছে; গল্প শুনা যায়, তাই অগষ্টা পপিয়াক কাকুতি মিনতি কৰি, তেওঁ গা ধুই যোৱাৰ ঠিক পাচতে, একেখিনি বস্তুৰে গা ধুবলৈ অনুমতি খুজি লৈছে। লুচানে নিপিদিয়াক বেচকৈ এপিটম দিছে,- কোনোবা মল্লবীৰৰ লগত তাই হাত-বাট কৰিছে বুলি তেওঁৰ সন্দেহ হৈছিল। স্পোৰাচে মৈণীয়েকৰ বাজী ধৰি, চেনেচিওৰ লগত পাশা খেলি শেষত তাইক হেৰুৱাৰ লগা হ'ল। টৰ্কোৱাটাচ্ চিলানাচে ইউনিচৰ সলনি, মোক, এইবছৰৰ ঘোড়দৌৰত জিকাৰ নিশ্চয়তা দিয়া, চাৰিটা তেজী ঘোঁৰা দিব খুজিছিল। মই প্ৰত্যাখ্যান কৰিলো। এই খিনিতে মই তোমাক

আকৌ এবাৰ ধন্যবাদ জনাই থওঁ— এই কন্যাটিক গ্ৰহণ নকৰাৰ বাবে। বেচেৰা টাকোৰাটাচক জীয়া মানুহ যেনেই নেদেখি এতিয়া—মানুহৰ ছাঁ এটাহে যেন তেওঁ। কাৰণ তেওঁক মৃত্যুদণ্ড দিবলৈ স্থিৰ কৰা হৈছে। তেওঁৰ অপৰাধ? পবিত্ৰ প্ৰাণ অগষ্টাচৰ আজো নাতি হোৱাটোৱে অপৰাধ তেওঁৰ! এই জগতত তেওঁ আৰু প্ৰাণ ৰক্ষাৰ পথ বিচাৰি নাপায়। এনেকুৱাই আমাৰ জগত!

তুমি জনাই, আমি ইয়াত টিৰিডেট্‌চক লগ পোৱাৰ কথা আছিল। কিন্তু ভোলোজেচে ওলোটা জবাব দি পঠিয়াইছে যে, তেওঁ আৰ্মেনিয়া জয় কৰিছে যদিও, সেই ঠাই নিশ্চয় টিৰিডেট্‌চকে এৰি দিব লাগিব। টিৰিডেট্‌চে নাপালে তেওঁ সেই ঠাই চিজাৰক সমৰ্পণ নকৰে। অৱশ্যে তেওঁৰ আচল উদ্দেশ্য হল, সকলোকে মূৰ্খ প্ৰতিপন্ন কৰা। গতিকে আমি আৰু এখন যুদ্ধত নামিবলৈ সিদ্ধান্ত লৈছো। জলদস্যুৰ লগত যুঁজ চলাই থাকোঁতে মহামতি পম্পিয়াচক যি ক্ষমতাত অধিষ্ঠিত কৰা হৈছিল, কৰ্‌বিউলোকো সেই একে ক্ষমতা প্ৰদান কৰা হ'ব। অলপ সময় নিবোৱে ইতস্ততঃ কৰিছিল। কাৰণ এই কাৰ্য্যই কৰ্‌বিউলোৰ যশস্যা বৃদ্ধি কৰিব বুলি তেওঁৰ ভয় আছিল। আনকি মুখ্য সেনাধিনায়কৰ পদ অলাচক দিয়াৰ কথাও উঠিছিল; কিন্তু পপিয়াই আপত্তি জনালে। পম্পোনিয়াৰ গুণৰাশি সহ্য কৰিবলৈ তাই টান নাপাব কিয়?

বেনেভেন্‌টাম্‌ নামৰ ঠাইত ভেটিনিয়াচে আমাক মল্লযুদ্ধৰ সুন্দৰ প্ৰতি-যোগিতা দেখুৱাব হেনো। চোৱা, বৰ্ত্তমান মুচীৰ লৰাও কিমান ওপৰলৈ উঠিছে! যোজনাবাৰত এনেইহে কয় "মুচীৰ নিজৰ কামৰ বাহিৰে আন চিন্তা নাই"। ভাইটেলিয়াচ্ হ'ল, কোনোবা মুচীৰ নাতিয়েক আৰু ভেটিনিয়াচ সচাঁকৈয়ে মুচীৰ পুতেক। সি কিজানি নিজ হাতেৰে জোতাৰ চামৰাও চিলাইছিল। যোৱা নিশা অভিনেতা আলিটুৰাচে আমাক বৰ সুন্দৰকৈ ওভিপাচ'ৰ ভাও দেখুৱাইছিল। তেওঁ ইহুদী কাৰণে মই সুবিধা পাই সুধিছিলো —ইহুদী আৰু খৃষ্টিয়ান. ধৰ্ম্ম একে হয়নে নহয়। পিচে তেওঁ কলে যে, ইহুদী ধৰ্ম্ম অনন্তকাল ধৰি আছে। কিন্তু খৃষ্টান ধৰ্ম্মই অলপ দিনৰ আগতেহে জুদিয়াত মূৰ দাঙি উঠিছে। আকৌ তেওঁ মোক এই কথাও কলে যে, টাইবেৰিয়াচৰ দিনত আমি কোনোবা ধৰ্ম্মগুৰু এজনক ক্ৰুচবিদ্ধ কৰি প্ৰাণদণ্ড দিছিলো। কিন্তু তেওঁৰ মত গ্ৰহণ কৰা লোকৰ সংখ্যা এতিয়াও বাঢ়িয়েই আছে। সিহঁতে তেওঁক দেৱতা জ্ঞান কৰে, আন দেৱ দেৱী নামানে যেন লাগে—বিশেষকৈ আমাৰ দেৱতাসকলক সিহঁতে নামানে।

অইণো মই এইকথাটোকে বুজি নাপাওঁ। আমাৰ দেৱ দেৱীক মানিলেও সেইজনৰ কি অনিষ্ট হ'ব?

টাইগেলিনাচে এতিয়া মোৰ প্ৰতি তাৰ শত্ৰুতাৰ আৰু ভণ্ডুৱাম। এতিয়ালৈকে সি মোক একো কৰিব পৰা নাই। পিচে সি নিজৰ জীৱনটোক অতি বেছি ভাল পায়— মৰিবলৈ তাৰ বৰ ভয়! মোৰ এই ভয় নাই। অতি নীচ গোলামি এটাতকৈও সি নিলজ হৈ পৰিব পাৰে। এইবাবেই এহেনোবাৰ্বাচে তাক সদায় স্বাগতম জনায়। কোনোবা দিনা ইহঁত দুটা সন্মিলিত হৈ পৰিব তেতিয়াহে মোৰ ফালে আহিব। কেতিয়াকৈ হ'ব? মই কব পৰা নাই। কিন্তু হবই যেতিয়া সেইদিনটো অহা, নহা একে কথা। ইতিমধ্যে মই আনন্দ উপভোগ কৰিবলৈ যত্নবান হ'ব লাগিব। এই ভাম ভটীয়াটো নথকা হলে জীৱন ইমান অসহনীয় হৈ নুঠিলহেঁতেন। এই পাটক দেখি দেখি কেতিয়াবা নিজৰ ওপৰতে ঘিণ লাগি যায়। কেতিয়াবা এনে কিছুমান ক্ৰীড়া—দৌৰ বা সংগ্ৰামত যোগ দিব লগা হয় য'ত জয় লাভ কৰাৰ অৰ্থ হল— আত্মসন্মান বিসৰ্জ্জন দিয়া। অথচ এটা এটাকৈ সকলো কৰি কোনটোতনো তাক বেছি ভাল লগাব পাৰি তুলনা কৰি চাব লগা হৈছে। কোনো কোনো সময়ত নিজকে চিলো চিলো লাগি যায়—চিলোতকৈ কোনো গুণে ওখ থাপৰ মানুহ নহওঁ যেন লাগে। যেতিয়া চিলো আৰু তোমাৰ কোনো কামত নাহে তেতিয়া তাক মোৰ ওচৰলৈ পঠিয়াই দিবা। তাৰ ইঙ্গিতপূৰ্ণ কথাবোৰ মোৰ বৰ ভাল লাগে। তোমাৰ শুচিব্ৰতা খৃষ্টিয়ান কুমাৰীক মোৰ সম্ভাষণ জনাবা। অথবা মোৰ হৈ ইয়াকে ভিক্ষা মাগিবা তাই যেন তোমাৰ কাষত মৎস্যৰূপ ধাৰণ নকৰে। শেষত তোমাক জনাওঁ— তোমাৰ স্বাস্থ্যৰ আৰু তোমাৰ প্ৰেমৰ সংবাদ দিবা। কি দৰে ভাল পাব লাগে প্ৰথমে শিকি লোৱা আৰু তাইকো শিকোৱা। বিদায়!

মাৰ্কাচ ভিনিকিয়াচে পেট্ৰোনিয়াচলৈ দিয়া পত্ৰলিপি

লিজিয়া ইয়াত নাই। তেওঁক লাভ কৰাৰ আশা নথকা হলে তুমি মোৰ এই চিঠি নাপালাহেঁতেন। জীৱন অসহনীয় হৈ উঠিলে, কাৰোবাৰ আনো লেখিবৰ মন যায়?

চিলোৱে মোক ইংগিতেৰে বুজাই, সঠিক অনুষ্ঠানটো এতিয়া এই পাহাৰ। চি নিশা সি ইউবিচিয়াচৰ কাৰণে মোৰ পৰা ধন নিবলৈ আহিছিল সেই নিশা, মই সৈনিকৰ চিনা কোট এটাৰে গা ঢাকি তাক আৰু তাৰ লগৰ পাঁচজন তেওঁলোকৰ লগত তেওঁলোকক গোপনে অনুসৰণ কৰিছিলো। সিহঁতে যেতিয়া নিৰ্দিষ্ট ঠাই পালেগৈ, তেতিয়া মই দূৰৰ পৰা লক্ষ্য কৰি আছিলো। ইউবিচিয়াহ যে সাজি পাতি উলিওৱা মানুহ নহয় এই কথাত মোৰ আৰু সন্দেহ নাথাকিল। তলতে চাই দেখিলো আৰ্হিকৃতি মান মানুহে জোৰ বাতিৰ পোহৰত শিল বোকাই কৰা ভাঙৰ ভুৰ ঐৰাৱতপৰা শিল কাটিয়াই নি পাৰত জমা কৰিছে। চিলোৱে সেই মানুহবোৰৰ ওচৰ চাপি গৈ বুঢ়া মানুহ এটাৰ লগত কথা পাতিলে। মানুহটোৱে ঠাইতে আঁঠু কাঢ়িলে আৰু ইবোৰে সিহঁত দুটাক বেৰি ধৰি আচৰিত হোৱাৰ দৰে চিঞৰি দিলে। তাৰ পাচত মোৰ চকুৰ আগতে তেকা লগুৱাটোৱে বুঢ়া মানুহটোক ধনৰ টোপোলাটো দান কৰিলে। বুঢ়াই ওপৰলৈ হাত মেলি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। তাৰ কাষতে আঁঠু কঢ়া মানুহটো নিশ্চয় তাৰ সেই পুত্ৰেকটোৱেই হ'ব। দ্বিতীয়বাৰ চিলোৱে কিছুমান শব্দ উচ্চাৰণ কৰিলে— যিবোৰ মই বুজি নাপালো। তাৰ পাচত সি আঁঠুকাঢ়ি থকা মানুহটোক আশীৰ্বাদ দিলে। ক্ৰুচ চিনটোৰ দৰে হাতেৰে শূন্যত আঁকি এই অনুষ্ঠানত ভাগ লোৱা আটাইবোৰকে সি আশীৰ্বাদ দিয়া দেখিবলৈ পালো। সকলোৱে আঁঠুকাঢ়ি আশীৰ্বাদ গ্ৰহণ কৰিলে। মোৰ এনেহে লাগিল যেন এই মানুহবোৰৰ মাজলৈ আচৰিতে সোমাই গৈ জনাও—যিজনে লিজিয়াক মোৰ ওচৰলৈ আনিব পাৰিব তেওঁক মই ইয়াৰ তিনিগুণ ধন দিম। কিন্তু এনে কৰিলে চিলোৰ কৌশলত খাটি হৈ যোৱাৰ ভয় আছে বুলি অলপ চিন্তা কৰি মই আঁতৰি গলো।

তুমি ইয়াৰপৰা যোৱা বাৰদিনমানৰ ভিতৰতে এইবোৰ ঘটনা হৈছে। ইয়াৰ পাচত চিলোৱে দুবাৰমান মোৰ লগত দেখা কৰি ইয়াকে জনাইছে যে সি খ্ৰীষ্টিয়ানহঁতৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে। লিজিয়াক এতিয়ালৈকে বিচাৰি উলিয়াব নোৱাৰাৰ কাৰণ দৰ্শাই সি এইদৰে বুজা দিছে যে খ্ৰীষ্টানবোৰ এতিয়া ৰোমত এটা সৈধত লৰকাগীয়া সম্প্ৰদায় হোৱা গতিকে সিহঁতৰ সভ্য সংখ্যা কিমান আৰু সিহঁতৰ মাজত কি ঘটিছে সঠিক জনা নাযায়। অৱশ্যে সবহু ভাগ ক্ষেত্ৰতে দেখা যায় যে সিহঁতে সাৱধানতা অৱলম্বন কৰি চলে। সিহঁত জ্ঞানী আৰু মৌন স্বভাৱৰ। উপৰিও

দি মোক এইদৰেও আশ্বাস দিছে যে যদি বি খ্ৰীষ্টানৰ দুজন পুৰোহিতক লগ পায় তেতিয়া সিহঁতৰ ঘৰ কথাবোৰৰ ভু লব পাৰিব। ইতিমধ্যে সি তেওঁলোক কেইবাজনো পুৰোহিতৰ লগত বিভিন্নালি পাতিছে, আৰু তেওঁলোকৰ ঘৰ মাজখানে কথা বুজিবলৈ যত্ন কৰিছে। কাৰণ তেওঁ সেপেৰাটক লাগি থাকিলে, তেওঁলোকৰ মনত সন্দেহ উপজিব আৰু হাতত লোৱা কামো ক্ষুণ্ণ হৈ পৰিব। অপেক্ষাৰত অৱস্থা সঁচাকৈয়ে যন্ত্ৰণাদায়ক। মোৰ ধৈৰ্য্য শক্তিও কমি আহিছে। কিন্তু চিলোৰ কথা যে সত্য, তাত অকণো সন্দেহ নাই। সেইবাবে বিশ্বাস পাবো নিজকে স্থিৰ কৰি ৰাখিছো।

তদুপৰি চিলোৱে জানিব পাৰিছে যে, এই খ্ৰীষ্টানসকলে সমূহীয়া প্ৰাৰ্থনাৰ বাবে কৰবাত লগ খায় তাৰ কিছুমান ঠাই নগৰৰ প্ৰৱেশ দ্বাৰৰ বাহিৰত। পৰিত্যক্ত ঘৰ বা আনকি বাগিৰ খাদবোৰতো সিহঁত একত্ৰিত হয়। তাত সিহঁতে খ্ৰীষ্টৰ গুণ কীৰ্ত্তন কৰি গীত গায় আৰু ভোজ পাতে। এনেকুৱা ঠাই বহুতো। চিলোৰ মতে যিবোৰ ঠাইত লিজিয়া উপস্থিত থাকে তালৈ সম্ভোনিয়া নাযায়। তাৰ কাৰণ হ'ল — তেওঁক যদি লিজিয়া সম্বন্ধে কোনোবাই কিবা সোধে বা আটক কৰি ৰাখে তেতিয়া তেওঁ শপত খাই কব পাৰিব যে লিজিয়া কত লুকাই আছে, তেওঁ নাজানে। খুব সম্ভৱ পুৰোহিতবোৰে তেওঁক এনে কথাৰ উপদেশ দিছে। যেতিয়া চিলোৱে লিজিয়া উপস্থিত থকা ঠাই এখনৰ কথা গম পাব তেতিয়া মও তাৰ লগত তালৈ যাবলৈ পাতি থৈছো। দেৱতাসকলে যদি এবাৰ লিজিয়াক চকামকাকৈ হলেও দেখুৱায় — মই জুপিটাৰৰ আগত প্ৰতিজ্ঞা কৰি কওঁ এইবাৰ তেওঁ মোৰ হাতৰ পৰা সাৰি যাব নোৱাৰে।

মইও সদায় ভাবি আছিলো সিহঁত নিশ্চয় কৰবাত গোট খায়। মই লগত যোৱা কথাটো চিলোৱে ভাল পোৱা নাই। সি অতি অলপ খতুৱা জীৱ। কিন্তু মই কোনোমতেই ঘৰত বিশ্ৰাম লব নোৱাৰিম তেওঁ ছদ্ম বেশতে থাকক বা ওৰণিৰে মুখ ঢাকি থাকক মই তৎক্ষণাৎ চিনি পাম। নিশা হলেও (সাধাৰণতে প্ৰাৰ্থনা সভাবোৰ নিশাহে অনুষ্ঠিত হয়) মই তেওঁক নিচিনাকৈ নাথাকো। তেওঁৰ কণ্ঠস্বৰ আৰু তাৰ ভঙ্গী যিকোনো ঠাইতে মই ধৰিব পাৰিম। মই নিজে ছদ্মবেশেৰে যাম আৰু বিবিলাক সভালৈ আহে আৰু তাৰপৰা বিবিলাক ওলাই যায়, সেই আটাইবোৰকে ভালকৈ চকু দিম। মোৰ মনৰ

মাজত তেওঁ চিৰ বিৰাজমান হৈ আছে পৃথিৱীৰ সকলো অৱস্থাতে মই তেওঁক চিনি উলিয়াবলৈ সক্ষম হ'ম। চিলো কাইলৈ মোৰ ওচৰলৈ অহাৰ কথা আছে আমি একেলগে ওলাই যাম। মই কিছুমান অস্ত্ৰ-শস্ত্ৰও লগত নিম। প্ৰদেশবোৰলৈ পঠিওৱা বহুতো বাৰ্তা বিফল হৈ উভতি আহিছে। মই নিশ্চয়কৈ জানিছো — তেওঁ ইয়াতে — নগৰৰ ভিতৰতে হয়তো মিছাকৈ কাৰাতে কৰৰাত আছে। মই বিশেষ কিছুমান ঘৰলৈ কা গৈছো আৰু সেইবোৰত ভাৰা দি থাকিব খোজাৰ দৰে দেখুৱাইছো। নকলেও হ'ব যে যি কোনো ঘৰত থকাতকৈ তেওঁ মোৰ ঘৰত বহুত বেছি ভালকৈ থাকিব পাৰিলেহেঁতেন। আটাইবোৰ ঘৰতে অণ্ডাৰ অনাটনৰ মাজত কিছুমান কেলেহুৱা মানুহ ঠাহ খাই থকা দেখিছো। কিন্তু তেওঁৰ বাবে মোৰ অদেয় একোৱেই নাছিল। তুমি লেখিছা মই ভাল পথকে বাছি লৈছো। হয় মোৰ এই পথ কেৱল চিন্তা ভাৱনা আৰু নৈৰাশ্যৰ পথ! প্ৰথমতে আমি নগৰৰ ভিতৰতে থকা কিছুমান ঘৰত সোমাম। তাৰ পাচত নগৰৰ দুৱাৰৰ বাহিৰত থকা কিছুমান ঘৰত বিচাৰিম। প্ৰতিটো নতুন দিনে আগত দিনৰ আশা কঢ়িয়াই আনে — মানুহৰ মনলৈ। সেয়ে নোহোৱা হলে জীয়াই থকাই অসম্ভৱ হল হয়হেঁতেন। তুমি লেখিছা কিদৰে ভাল পাব লাগে জনা নিতান্ত দৰকাৰ। লিজিয়াক কেনেকৈ প্ৰেম নিবেদন কৰিম সেই শিক্ষাৰ প্ৰয়োজন নাই মোৰ। উস। তেওঁক নেদেখি মোৰ মৰি যোৱাৰ দৰে অৱস্থা হৈছে। চিলো অহাৰ ক্ষণ গণি অপেক্ষা কৰি আছো। মোৰ নিজৰ ঘৰেই এতিয়া চকুৰ কুটা দাতৰ শাল যেন হৈ পৰিছে। বিদায়!

॥ ১৫ ॥

চিলোৱে ইমান বেছি দিন গা ঢাকি থাকিল যে ভিনিকিয়াচ অতি বিৰোধক্ত প বল। মিছাকৈয়ে তেওঁ নিজকে এই বাধ দিলে যে নিশ্চিত আৰু সৌভাগ্যপূৰ্ণ ফল পাবলৈ হলে অনুসন্ধানৰ গতি মন্থৰ হবই।

যুক্তিৰ বাণীৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিল, তেওঁৰ উদ্ধত প্ৰকৃতি আৰু উত্তপ্ত ৰক্ত! একো নকৰি হাত সাবটি বহি বহি অপেক্ষা কৰাটো, তেওঁৰ

স্বাধীনচিন্তাশীল কথা। এইদৰে-পৰা তেওঁৰ প্ৰতি অসন্তুষ্ট হৈ উঠিল। মানুহ ৰাজ পিছি, নগৰৰ বাটে বাটে উধাতু খাই ফুৰি, এজোপা ফুল তুলিল,— অশান্ত উন্মাদনাক ফাঁকি দিয়াহে হ'ল মাত্ৰ। মনটো শান্ত নাছিল। যুক্ত আৰু যৌৱন মাজত, যি কেইটা বুদ্ধিমান আছিল, সিহঁতকহে এই কামত নিযুক্ত কৰা হৈছিল। কিন্তু সিহঁত চিৰকাল সমান নিয়ান নাছিল। ইহঁতটোহে চিৰো এক্ষণে উন্মুক্ত। লিভিয়াক পোৱাৰ বাসনা, যিমানে উগ্ৰ হৈ আছিল ক্লিনিকিয়াচৰ মনত সিমানে বদ্ধমূল হৈ উঠিল তুৰ্বোৰৰ আকাংক্ষা যে লাভ ভাব —ধ্বিকিবই লাগিব যেনে তেনে। তেওঁৰ প্ৰকৃতি মহত্বে এনেকুৱা। কিন্তু কাম লাভ কৰিব পোৱাৰ সময়তে তেওঁৰ মনত সফলতাৰ কামনা ইমান উগ্ৰ হৈ উঠে যে, জীৱনটো যি কোনো সময়তে শোক দুখ আৰু ত্যাগৰ বাসনা আহিব পাৰে বুলি, তেওঁ কোনো মতেই মানিব নোখোজে। এই মনোভাব, যুক্তকালতে গঢ় লৈ পৰিণত বয়সলৈকে একেদৰে থাকিল।

সৈনিকৰ নিয়মানুবৰ্তিতাই এহাতে তেওঁৰ উদ্ধতালি কিছু দমাই ৰাখিছে আৰু আনহাতে তেওঁৰ মনত এই কথা দৃঢ়কৈ সুমুৱাই দিছে যে তলতীয়া মানুহবোৰক যিহকে আদেশ কৰা যায় তাকে পালন কৰিবলৈ সিহঁত বাধ্য। শুদ্ধ দ্বাৰি তেওঁ বহুকাল প্ৰাচ্য দেশত কটাই আহিছে। যিবিলাকৰ লগত তেওঁ আছিল সিহঁতে গোলামৰ দৰে আদেশ পালন কৰিছিল আৰু সদায় সেই মানি চলিছিল। এইবোৰ মানুহৰ প্ৰভাৱত, নিজৰ বিষয়ে তেওঁৰ ধাৰণা ইমান বেছি শক্তিশালী হৈ উঠিছিল যে, তেওঁৰ মনত মই কৰিম বোলা কথাষাৰৰ অসীম শক্তি এইবোৰ কাৰণতে তেওঁৰ আত্মসন্মানত ভীষণ আঘাত লাগিল। তদুপৰি, এই বাধা, বুজিলে— লিভিয়াৰ এই বিদ্ৰোহাত্মক পলায়ন আটাইবোৰৰে মাজত শাখৰ শাখৰ যেন লাগে দুৰ্বোধ্য কিবা এটাই যেন গোপনে ক্ৰিয়া চলাইছে। ক্লিনিকিয়াচৰ দৰে মানৱ মানুহৰ বাবে ই দুৰ্বলতাসূচক। একিদৰে ঠিকেই হৈছিল তেওঁ কোনোদিন লিভিয়াৰ প্ৰতি উদাসীনতা পোষণ কৰিব নোৱাৰিব। তথাপিও কিন্তু লিভিয়াই তেওঁৰ প্ৰেম, তেওঁৰ [illegible] [illegible] তেওঁৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] বহু-আমুদী তেজিয়াল [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

কোঁৱা কথাৰ প্ৰতিটো শব্দ আৰু তেওঁৰ আগত তাই কোৱা প্ৰতিটো কথাকে যেন তেওঁ স্পষ্ট শুনিবলৈ পায়। তেওঁ অনুভৱ কৰে বুকুৰ মাজত, তাইৰ গালটি লোৱাৰ সুখ স্পৰ্শ। এনে মুহূৰ্তবোৰত তেওঁৰ কামনাৰ জুইকুৰা দপ দপকৈ জ্বলি উঠে তাইক কাষত পাবলৈ আকুল হৈ উঠে তেওঁৰ মন। তাইৰ নাম ধৰি ডাঙৰকৈ মাতে "লিজিয়া। লিজিয়া।" যেতিয়া তেওঁ নিজকে অসহায় — তাইও তেওঁক ভাল পায় আৰু হৃদয়ৰ ব্যাকুলতাৰে বিচৰা তেওঁৰ প্ৰেমৰ প্ৰতিদানো তাই স্বইচ্ছাই দিলেহেঁতেন তেতিয়া অসীম নিৰাশাৰ অন্ধত তেওঁৰ মন ভাঙি যাব খোজে তেওঁ অনুভৱ কৰে তেওঁৰ সমস্ত হৃদয় যেন সীমাহীন কোমলতাৰে ভৰি উঠিছে। কিছুমান মুহূৰ্তত ক্ৰোধত তেওঁৰ মুখ বিকৃত হৈ উঠে। তেতিয়া লিজিয়াক পালে কিদৰে অপমান কৰিব কি দৰে শাস্তি দিব তাকে ভাবি ভাবি গুজৰি গুমৰি নিজকে প্ৰবোধ দিয়ে। তাইক তেওঁৰ ঘৰতো ৰাখিবই — একেবাৰে দাসী কৰি ৰাখিব। একে সময়তে আন এটা ভাবেও তেওঁৰ মনত খুন্দিয়াখুন্দি কৰি থাকে। যদি কোনোবাই সোধে তাইৰ দাস হ'বলৈ তেওঁ প্ৰস্তুত নে তাইক চিৰকাল নেদেখাকৈ থাকিবলৈ প্ৰস্তুত তেওঁ তেতিয়া দাসত্ব বৰণ কৰি লব। কেতিয়াবা এনে কিছুমান মুহূৰ্ত আহি উপস্থিত হয় যেতিয়া তেওঁ কল্পনাৰ চকুৰে চাই দেখে — তাইৰ গোলাপৰ পাহিৰ দৰে সুকোমল দেহত বহুতো ৰেতৰ কোবৰ দাগবোৰ আৰু লগতে সেই দাগৰ ওপৰত আঁকা তেওঁৰ চুমাৰ ৰেখাবোৰো। তেওঁৰ এতিয়া এনে এটা ভাবো জাগি উঠিবলৈ ধৰিছে যে তাইক হত্যা কৰিব পাৰিলেও যেন তেওঁ শান্তি পাব।

এই অন্তৰৰ বেদনা অনিশ্চয়তা আৰু বাসনা — সকলো মিলি তেওঁৰ চেহেৰা আৰু স্বাস্থ্যৰ বহুত ক্ষতি কৰিলে। ভনতীয়া মানুহবোৰৰ ওপৰতো তেওঁ নিষ্ঠুৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে। তেওঁৰ দাসবোৰ আনকি, তেওঁৰ মুক্ত দাসবোৰো তেওঁৰ ওচৰলৈ ভয়তে কঁপি কঁপি অহা হ'ল। তেওঁ নিষ্ঠুৰ ভাৱে উদ্দেশ্যবিহীন অন্যায় শাস্তি দি [illegible] কৰাৰ পাছে নিজতেও তেওঁৰ [illegible] চাবলৈ ধৰিলে। এই কথাটো [illegible] [illegible] শাস্তি দিবলৈ ধৰিলে। [illegible] [illegible] কৰিলে। "তাৰে একদিন [illegible]

কথাৰ ভয় আছে। চিলোৱেও কথাটো ঠিক সময়তে লক্ষ্য কৰিলে, আৰু তাৰ আটুক আগন্তুকেও বেচিকৈ ঠগিবলৈ আৰম্ভ কৰিলে। কেনাৰিয়ে সিঁ খঁৰ বৰ্জ্জিত লেখালেখেৰাকৈ লাগিল।

এদিন সি ইমান বেচি হতাশ হৈ দেখা দিলে যিজে, দেখা যায়কে সেইকেো তিত্তিৰিয়াতৰ মুখ-লেতা হবি শব্দ। তাৰ ভৰমটোৰ, ইৰবি পৌৰাণি টিলও তলা খহিলৈকে শক্তি লোকেৰাকাৰ কলে অৱস্থা হ'ল তেওঁৰ।

"তাৰমানে তেওঁ খ টিয়ানইতৰ লগত আই?"

প্ৰভু! তেওঁ তাতে আছে। চিলোৱে উত্তৰ দিলে "খিল্ম লিইতৰ মাজত মই প্ৰকাচ আমৰ বৈদ্যটোকো দেখি আছিলো।"

কি কৈছ তই? কোন সি?

প্ৰভু আপুনি পাহৰিছে। মই যে কৈছিলো বুঢ়া এটাৰ কথা,—যাৰ লগত মই নিয়াপোলিচৰপৰা বোমলৈ আহিছিলো যাক বক্ষা কৰিবলৈ গৈ মই সে। হাতৰ তিনিটা আঙুলি হেৰুৱালো। যি কেইটা ডকাইতে তাৰ বৈণীয়েকক আৰু নৰা-ছোৱালী কেইটাক ধৰি নিছিল সিহঁতে তাৰ বুকুতো ছুৰী বহুৱাইছিল। মিন টাৰনাৰ কাষত থকা এটা চৰাইখানাত তাক মৰো মৰো অৱস্থাত দেখি আহি ছিলো। তাৰ বাবে বহুতদিন দুখ কৰিছিলো যদিও, মোৰ মনলৈ সদায় আহিছিল সি এতিয়াও জীয়াই আছে আৰু বোমত সি এই খ টিযান সম্প্ৰদায় গঢ়ি তুলিছে।

পিছে তই তাক সহায় কৰাৰ বাবে, সি কৃতজ্ঞ থকা উচিত আছিল আৰু তোক উপকাৰৰ প্ৰতিদানো দিব লাগিছিল নহয় জানো?

হে মহান বিচাৰপতি! দেৱতাসকলো আনকি সদায় কৃতজ্ঞ নহয়। গতিকে মানুহৰ কথানো কি কম? হয়, মোৰ উপকাৰৰ সলাগ লোৱা উচিত আছিল। দুৰ্ভাগ্যবশতঃ বুঢ়া হৈ অভাৱ বাবে তাৰ মনটো দুৰ্বল হৈছে দুখ আৰু দুৰ্ভাগ্যৰ এঁচোত তাৰ [illegible] হৈছে। সেইবাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ সলনি সি মোক [illegible] [illegible] প্ৰয়োগ দি, তাৰ সৰ্ব্বনাশ ঘটাইছো বুলি। তাৰ [illegible] মই এই কথা জানিব পাৰিছো। আঙুলি কেইটা হেৰুৱাই, মই জৰণৰা [illegible] পালো।

"আচলতে কথটো শুনে, ঘটনাটো নিজৰ সি কোনৰাৰ হৰেছে [illegible]?"

"তেওঁক এই [illegible] দি [illegible] কৰে, আপুনি [illegible] [illegible] [illegible]?" চিলোৱে [illegible] [illegible], [illegible] [illegible] [illegible] [illegible], [illegible] [illegible]

হৈছিল। এই ধাৰণাৰ বশৱৰ্ত্তী সি [illegible] আৱেগ [illegible] মোৰ ওপৰত নিষ্ঠুৰভাৱে প্ৰতিশোধ [illegible] হয় সি নিশ্চয়কৈ এই কাম কৰিব আৰু তাৰ লগৰীয়াহঁতেও তাক সহায় কৰিব। তাৰ পিছত সি মোৰ নামটো [illegible] প্ৰাৰ্থনা ঘৰত মই তাক যেতিয়া দেখিছিলো তেতিয়া সি মোক দেখা নাছিল। প্ৰথমতে [illegible] ভাবি তাক [illegible] যেন লাগিছিল কিন্তু মোৰ ব্যৱহাৰিক জ্ঞান [illegible] কিবা এটা কৰিবলৈ [illegible] আৰু অলপ চিন্তা কৰি চোৱা স্বভাৱটোৱে এই কাৰ্য্যত বাধা দিলে। তদুপৰি মই [illegible] পাৰিছিলো যে, নিয়াপোলিচৰ পৰা অহাৰ পথত কোৰ্টোনা সহ যাত্ৰীয়ে তাক প্ৰতাৰণা কৰিছিল বুলি আটায়ে ভাবিছে। [illegible] সি কোৱা গল্পটো মই শুনিবলৈ নাপালোহেঁতেন।

"পিছে মোৰ কিটো হ'ল? প্ৰাৰ্থনা ঘৰত আৰু কি দেখিলি তাকে ক।

প্ৰভু কথাটো আন একো নহয়। মাত্ৰ সি মোক বধ কৰিবলৈ বাঞ্ছা কৰিছে। পিছে মইও ভাবিছো, মোৰ জ্ঞানৰ কথাবোৰ লিপিবদ্ধ কৰি থৈ যাওঁ—যাতে মই মৰি যোৱাৰ পাচতো সেইবোৰ থাকি যায়। গাতকৈ নশ্বৰ বস্তুলৈ আশা কাৰ জীৱন বিপন্ন কৰো কিয়? তাতকৈ আপুনি দিবলৈ অঙ্গীকাৰ কৰা ধনুথিনিকে প্ৰত্যাহাৰ কৰিম। ক্ষণভঙ্গুৰ বস্তুলৈ লোভ নকৰি প্ৰকৃত দাৰ্শনিকৰ দৰে পবিত্ৰ সত্যৰ অন্বেষণত মই কাল কটাম বুলি ভাবিছো।

মুখত অমঙ্গলীয়া ভাৱ লৈ, ভিনিকিয়াচ তাৰ ওচৰ চাপি আহিল আৰু চেপা মাতেৰে কলে তোক কোনে কৈছে তই মোৰ হাতত নমৰি গ্লকাচৰ হাতত মৰিবি? কুকুৰ! তই ঠিক জাননে কেইমিনিটমানৰ ভিতৰতে মোৰ বাগিচাত তই মৰাশ হৈ পোত নাখাব বুলি

[illegible]

[illegible]

"মই তেওঁক বিচাৰিম প্ৰভু আৰু যেনে তেনে উলিয়াম।" সি তৎক্ষণাৎ চিঞৰি মাতি কলে।

[illegible]

[illegible]

তাৰপাছত [illegible] তেওঁৰ [illegible] শাহু [illegible] এনে [illegible] কৰি শ্ৰীকণ্ঠৰ [illegible]

"[illegible] মৃত্যু মোৰ [illegible] [illegible] [illegible] মই [illegible] নিৰ্বিকাৰ হৈ আছিলো। [illegible] প্ৰভু, [illegible] কিয় [illegible] এবি [illegible] বুলি মই কেতিয়াও [illegible] নাই। [illegible] মাত্ৰ [illegible] [illegible] এই [illegible] মোৰ পদে পদে বিপদ। এসময়ত আপুনি [illegible] সম্বন্ধেও সন্দেহ প্ৰকাশ কৰিছিল। নিজ চকুৰে চাই [illegible] কথা সঁচা বুলি মানিছিল। এতিয়া [illegible] প্ৰকাচৰ কথাও সাজিপাতি কৈছো বুলি [illegible] হায়! এই কথা যদি মিছা [illegible] মোৰ বুঢ়া দেহাটোক সাৱথি কৰি [illegible] [illegible] [illegible] হ'ল [illegible] বুঢ়া দায়টোক আনন্দমনেৰে বিদায় দিলোহেঁতেন। প্ৰভু প্ৰকাচ জীয়াই আছে। [illegible] যদি কেনেবাকৈ মোক দেখে তেন্তে আপুনি এই বুঢ়াক আৰু চকুৰে নেদেখে। তেতিয়া কোনে [illegible] দিব?"

"কি কৰিব লাগে? [illegible] [illegible] হাতত [illegible] প্ৰতি-কাৰৰ উপায় কি আছে? মোক [illegible] কি কৰিব [illegible]?"

"[illegible] আপোনাক কৈছো [illegible] বস্তু [illegible] [illegible] বস্তু [illegible] কৰিব লাগে। [illegible] কৈছো, [illegible] এটা [illegible] এতিয়া কথা [illegible] প্ৰকাচৰ [illegible] আৰু [illegible] কৈছো [illegible] বহুদিন থাকিব, এই বোজা ইমান দুৰ্ব্বহ যে, মৃত্যু তাৰ [illegible] [illegible] মুক্তি [illegible] কি হ'ব পাৰে? [illegible] কৈছে?"

"[illegible] [illegible] [illegible] কৰিবি,— মোৰ [illegible] [illegible]। [illegible] কি কৰিব খুজিছ তাকে ক।"

"[illegible] [illegible] [illegible] বহু [illegible] প্ৰভু [illegible] প্ৰকাচক [illegible]

[illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible]

থোকে তেতিয়া সিহঁতে ভক্তলিকে কিমান দাম দৰাই দিলে [illegible] আপুনি বিশ্বাসকে নকৰিব। যশস্বী বিচাৰপতি! নিশাৰ প্ৰহৰীহঁতে সিহঁতক হাতে হাতে ধৰা নেপেলায় বুলি নিশ্চিত হ'ব কেনেকৈ? হত্যাপৰাধৰ তেতিয়া নিশ্চয় আচখানাৰ নাম কৈ দিব। এইদৰে সকলো কথা সদৰি কৰি সিহঁতে আপোনাক বিপাঙত পেলাব। ইফালে মোৰ নামত সিহঁতে বদনাম দি ৰোৱাৰিব। কাৰণ এই সিহঁতক মোৰ নাম নজনাওঁ। মোক অবিশ্বাস কৰাটো ভুল হ'ব আপোনাৰ। মই বিচাৰো যাতে মোৰ সৎ নামত চেকা নালাগে তদুপৰি এই কামৰ লগত আৰু দুটা কথা জড়িত আছে। মই চাব লাগিব যাতে গা ৰচাই থাকিব পাৰো, আৰু প্ৰতিশ্ৰুত পুৰস্কাৰটো এনেয়ে দিয়া নহয়।

কি লাগে তোক?

মোক এহেজাৰ চেচটাৰটি দিয়ক। প্ৰভু! আপুনি পাহৰি নাথাব যে মই সাধু শুদ্ধা বিচাৰি উলিয়াব লাগিব—যিখিনাকে আগধন স্থেপত ভৰাই লৈ একো খৰচ নিদি অন্তৰ্ধান হৈ নাযায়। ভাল কামৰ বাবে ভাল দামৰ আৱশ্যক। প্ৰকাচৰ লোকত বৈ অহা চকুপানী শুকুৱাই সান্ত্বনা পাবৰ নিমিত্তে মই নিজেও কিবা অলপ লয়। আপুনি যদি আজিয়ে মোক এই এহেজাৰ চেচটাৰটি দিয়ে দুদিনৰ ভিতৰতে তাৰ জীৱটো গৈ যমপুৰী পাবগৈ আৰু (প্ৰেতে যদি স্মৰণ আৰু চিন্তাশক্তি অটুট ৰাখিব পাৰে) তাতে গৈহে সি বুজিব মই তাক কিমান ভাল পাইছিলো। হয় আজি ৰাতিয়ে মই মানুহ বিচাৰি উলিয়াম আৰু কাইলৈ ৰাতিৰ আন্ধাৰত কাম আৰম্ভ কৰিবলৈ সাজু হ'ব লাগিব বুলি কৈ থম। মই এইদৰে ক'ম—প্ৰকাচ জীয়াই থকা প্ৰতিটো দিনৰ বাবে নিজৰ মাননিৰ [illegible] এপ [illegible] কটা যাব। ইয়াৰ উপৰিও আৰু [illegible] বুদ্ধি পাইছি যেহো। সেইটো কেতিয়াও নিষ্ফল নহয় বুলি মনে ধৰিছে।

[illegible] এবাৰ তিৰিৰ্কিয়াচে তিমোচৰ বিচৰা বা [illegible] প্ৰতিভাৰ বিচো। [illegible] ইয়াকো অভাবে ইয়াৰ পাচত সি [illegible] প্ৰকাচৰ কথা আৰু [illegible] যায়। তাৰ পাচত তেওঁ তাক ৰখিলে আৰু খবৰ আৰু কি ভাৱ,—অলপতে সি ক'ত থাকিল—নতুন কিবা আৱিষ্কাৰ কৰিছে নেকি। [illegible] [illegible] [illegible] একো নকলে। [illegible] [illegible] মই আৰু [illegible] সি [illegible]। তাৰ খবৰ [illegible] [illegible] তিৰোতা [illegible] সি [illegible] [illegible] কৰিছিল। [illegible] [illegible] [illegible]

-ত্তাক, সিইতৰ আগৰে এটা বুলি, এনি লৈছিল, আৰু [illegible] -মুক্ত কৰিবলৈ, উপৰ্যাটি ধন দিয়াৰ বাবে, তাক সিইতে [illegible] বুলিও সন্মান কৰিছিল। ইয়াৰ উপৰিও, সিইতে চিলোক জনাইছিল যে, ইহুদীৰ দাৰা অভিযুক্ত হৈ, মহান আইনদাতা, টাৰ্চাচৰ পলে ৰোমৰ বন্দীশালত, কাল কটাইছে। এইজন মানুহৰ লগত পৰিচিত হবলৈ, চিলোৱে সঙ্কল্প কৰিলে। আৰু এটা কথা জানিব পাৰি, সি অতিশয় আনন্দিত হৈছে। এই সম্প্ৰদায়ৰ সৰ্ব্বপ্ৰধান ধৰ্ম্মগুৰু,—যিজন খৃষ্টৰ প্ৰকৃত শিষ্য আছিল, আৰু যাৰ ওপৰত, গোটেই সমস্ত জগতৰ খৃষ্টিয়ান সম্প্ৰদায়ৰ পৰিচালনাৰ ভাৰ অৰ্পণ কৰি থৈ গৈছে,—সেইজন শীঘ্ৰে আহি, ৰোমত উপস্থিত হ'ব। নিঃসন্দেহে কব পাৰি, নগৰৰ প্ৰতিটো খৃষ্টিয়ানে তেওঁৰ দৰ্শন লাভ কৰিবলৈ, আৰু তেওঁৰ ধৰ্ম্ম-বাণী শুনিবলৈ, উৎসুক থাকি যাব; সেইবাবে, বৃহৎ জনসমাবেশ ঘটিব আৰু চিলোও তাত উপস্থিত থাকিব। [illegible] এনে নহয়; জনতাৰ মাজত লুকাই থকা সহজ হব বুলি, চিলোৱে ভিনিকিয়াচকো লগত লৈ যাব। তাত লিজিয়াও যে থাকিব, ই ধ্ৰুৱ সত্য। [illegible] কথাৰ পাচত, সিইত [illegible] কোনো সাংঘাতিক [illegible] বিপদৰ মুখত পৰিব। [illegible] কথাত, ইয়াকে কব পাৰি যে, সিইতে [illegible] চেষ্টা কৰিব পাৰে; কিন্তু সাধাৰণতে সিইত শান্তিপ্ৰিয় বুলিয়ে [illegible]।

এই প্ৰসঙ্গত, চিলোৱে [illegible] হৈ প্ৰস্তাৱ কৰিলে যে, খৃষ্টিয়ানৰ [illegible] [illegible] [illegible] [illegible] কথা [illegible] সি কেতিয়াও দেখা নাই। [illegible] সিইতে কাৰো [illegible] কথা সি [illegible] নাই। [illegible] সি [illegible]

[illegible]

[illegible] আৰু [illegible] মাজত [illegible] প্ৰাচীৰ [illegible] উঠিছে। [illegible] এই [illegible] প্ৰতি এবং সকলোতে [illegible] আৰু [illegible] জাগি উঠিল।

॥ ১৬ ॥

[illegible] আতৰাই নিৰ্দিষ্ট হৰলৈ চিন্তোৰে চেষ্টা কৰিছে। কাৰণ [illegible] হলেও এই [illegible] এতিয়াও জীৰ্ণ অৱস্থা হোৱা নাই। [illegible] [illegible] বন্ধু আছিল। কিন্তু পাচত সি [illegible] কৰিছিল। [illegible] হাতত [illegible] দিছিল, [illegible] আৰু [illegible] লুটি [illegible] আৰু শেষত হত্যা কৰিবলৈকো [illegible] পাতিছিল। [illegible] [illegible] চিন্তোক কোনোদিন চিন্তাত পেলোৱা নাছিল। কাৰণ [illegible] না [illegible] পেলাই [illegible] নাছিল — [illegible] আকাশৰ [illegible] পেলাই [illegible] আছিল। [illegible] এটা কথা সি আগতে ভাবিব [illegible] [illegible] [illegible] আৰু [illegible] [illegible] এতিয়া [illegible] চিন্তা [illegible] চৰ হত্যাকাৰী বিচাৰি উলিওৱা। বেচিভাগ [illegible] সি সকলোৰা [illegible] [illegible] দিছে। [illegible] বিশ্বাস আৰু [illegible] প্ৰতি সন্মান [illegible] ব্যক্তিৰ [illegible] সমাগম ঘটে। [illegible] আৰু [illegible] সি [illegible] পাৰিলেহেঁতেন। কিন্তু [illegible] [illegible] মানুহৰ হাতত [illegible] আছে [illegible] চিন্তোৰ [illegible] [illegible] [illegible] কৰিব। অথবা [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] বিৰক্তি উপজিছে। প্ৰতিটো মানুহকে চিন্তোৱে নিজৰ বিচাৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

শীতলতাৰে "এইলোক" বুলি ভাবি হোৱা আছিলো৷ সি অনেক [illegible] বাহিৰে পিছাতো পালে। সি এনেকৈ তেওঁলোকক ওচৰ চাপিবলৈ থিৰ কৰিলে, যাতে এই কৈবৰ্ত্ত অৰ্থ খ্ৰীষ্টিয়ান লগতে তেওঁলোকৰ ধৰ্ম্মনিষ্ঠা বিষয়ে [illegible] লব পাৰে।

ইয়াতো অনেক পাণ্ডিত্যৰে সি এই সকিয়াতো ইউৰিচিয়াচক [illegible] দেখা পালে। সি জানে যে এই বুঢ়া মানুহটো যেনে [illegible] তাৰ বাবে সকলো কৰিবলৈ সি প্ৰস্তুত। কিন্তু সাৱধান প্ৰকৃতিৰ মানুহ চিলোৱে বুঢ়াৰ আগত নিজৰ আচল উদ্দেশ্য ব্যক্ত কৰিব খুজিলে। কাৰণ চিলোৰ দয়া ধৰ্ম্মৰ ওপৰত, ইউৰিচিয়াচৰ কি আস্থা আছে তাৰ লগত মুখামুখি সংঘৰ্ষত উপনীত হোৱাৰ ইচ্ছা তাৰ নাই। তাৰ উদ্দেশ্য হল — আদেশ পালন কৰিবলৈ সদায় প্ৰস্তুত থকা মানুহ বিচাৰি পোৱা। এই মানুহবোৰৰ লগত সি এনেদৰে চলিব যাতে সিহঁতে নিজৰ স্বাৰ্থৰ বাবে এই বিষয়ত মৌনতা অৱলম্বন কৰিবলৈ বাধ্য হব। পুতেকক দাসত্বৰপৰা মুক্ত কৰাৰ পাচত ইউৰিচিয়াচে ক্ৰীড়া ভূমিৰ চাৰিওফালে শাৰী পাতি থকা দোকান ঘৰবোৰৰ ভিতৰৰ সৰু ঘৰ এটা ভাৰা কৰি লৈছে। খেল চাবলৈ অহা দৰ্শকৰ আগলে জলফাই তিমক শুকান ৰুটি পানী মিলাৱা মৌ জোল আদি সি বেচিবলৈ নিয়ে। চিলোৱে সেই বটাক ঘৰতে লগ পালে বুঢ়াই ফেৰি কৰিবলৈ নিয়া বস্তুবোৰ সজাই আছিল। খৃষ্টৰ নাম লৈ অভিবাদন জনাই চিলোৱে অহাৰ উদ্দেশ্য জনালে কথাবাৰ সি এইদৰে আৰম্ভ কৰিলে — খ্ৰীষ্টিয়ান সম্প্ৰদায়ক সি যি উপকাৰ কৰিছে তাৰ স্বীকৃতি পাবলৈ আশা কৰে। তাৰ পাচত সি কলে যে ডাঙৰ বিপদৰ গ্ৰাসৰ পৰা তাক আৰু লগতে আটাইবোৰ খ্ৰীষ্টিয়ানক ৰক্ষা কৰিবলৈ সক্ষম দুই তিনিজন শক্তিমান সাহসী ব্যক্তিৰ আৱশ্যক হৈ পৰিছে। সি সঁচাকৈয়ে দুখীয়া মানুহ কিন্তু যি কেইজন মানুহে বিশ্বাসৰ মূল্য ৰাখি যিহকে কৰিবলৈ কোৱা যায় তাকে কৰে সেই কেইজনক সি যথোচিত পুৰস্কাৰ নিদিয়াকৈ নাথাকে।

এই কথা শুনি ইউৰিচিয়াচ আৰু তাৰ পুতেকে দৃঢ়ভাৱে জনালে যে চিলোৰ যি কোনো আদেশ পালন কৰিবলৈ সিহঁত সদায় প্ৰস্তুত কাৰণ সিহঁতে নিশ্চয়কৈ জানে যে চিলোৰ দৰে ধাৰ্ম্মিক পুৰুষ এজনে, খৃষ্টৰ শিক্ষাৰ পৰিপন্থী আচৰণ বিচাৰি সিহঁতৰ ওচৰত দাবি নোতোলে।

চিলোৱে বুকুত হাত দি কলে যে কথাটো সঁচা। প্ৰাৰ্থনা কৰাৰ নিচিনাকৈ সি ওপৰলৈ চকু তুলিলে কিন্তু প্ৰকৃততে সি তলাগথাহে কৰিলে —

[illegible] মুটাৰ এই কামত লগাই, এনেবোৰ চেন্টাৰৰটি [illegible], যেপৰা [illegible] দেখা যায় যে [illegible]। অকণ মান ব্যক্তি চাই, সি ইহঁতৰ [illegible] [illegible] দিব কৰিলে। [illegible] বুঢ়া মানুহ চিতা আৰু [illegible] তাক [illegible] বুঢ়া আৰু নিশকতীয়া কৰি তুলিছে। কোৱাৰ্টাচ মাত্ৰ এটা যোল বছৰীয়া ল'ৰা। ইপিনে চিলোৰ আগে [illegible] আৰু বলী মানুহ। এনেবোৰ চেন্টাৰৰ ভিতৰত [illegible] অংশ এটাইতো তাৰ লাভ হবই। আচলিখন বজিৰা মহয়েন কি?

মহাশয়! কোৱাৰ্টাচে জনালে। "মই তেমাচ মাৰৰ কৈটবালা এটাক চিনি পাওঁ। তাৰ কাৰখানাত বহুত্বা দাস আৰু বেতনভোগী কৰ্মী বহুতো আছে। কৰ্মীবোৰৰ ভিতৰত এটা ইমান বলী যে সি অকলে দুটা নালাগে চাৰিটা মানুহৰ সমান হব। সাধাৰণতে চাৰিটা মানুহে যিবোৰ শিলৰ টুকুৰা দাঙিব নোৱাৰে সি অকলে সেইবোৰ দাঙিব পাৰে। মই নিজ চকুৰে দেখা কথা।

এহ মানুহটো যদি প্ৰকৃত ঈশ্বৰ বিশ্বাসী আৰু যদিহে সি ভ্ৰাতৃকুলৰ উপকাৰাৰ্থে আত্ম বলিদান দিব পাৰে তেন্তে দহে কুৰি তাৰ লগত মোক পৰিচয় কৰাই দিয়া। চিলোৱে কলে।

মহাশয় সি খৃষ্টিয়ান। কোৱাৰ্টাচে উত্তৰ দিলে আমাৰ ধৰ্ম্ম নমনা মানুহক তেমাচে সাধাৰণতে কামত নলয়। তদুপৰি ইয়াত দিনত কাম কৰা আৰু নিশা কাম কৰা মানুহ সুকীয়া। এইজন মানুহ নিশাৰ বন্থুৱা। আমি যদি এতিয়াই তালৈ যাওঁ সিহঁতক গধূলিৰ আহাৰ খাই থকা অৱস্থাত পামগৈ। আপুনি তাৰ লগত খোলাখুলিকৈ কথা পাতিব পাৰিব। তেমাচৰ ঘৰটো বাণীয় বিপনিৰ কাষতে

চিলোৱে এই প্ৰস্তাৱত আনন্দ মনেৰে সম্মতি জনালে। বিপনিখন এক্কেন-টাইন পাহাৰৰ পাদ দেশত অৱস্থিত গতিকে খেল মাঠিৰপৰা বেচি দূৰত নহয়। পোৰ্টিকাচ এমিলিয়াচলৈকে নৈৰ কাষে কাষে গৈ থাকিলে, পাহাৰটো পাৰ হৈ নলগাকৈ যাব পাৰি—বাটো চমু হয়।

মই বুঢ়া মানুহ আহি আছি, নিৰ্দ্দিষ্ট ঠাইৰ ভৱৰ শাৰীবোৰ দেখি, চিলোৱে কলে গতিকে কেতিয়াবা কথা মনত নাথাকে। যিজন খৃষ্টক আমি মাৰিলো তেওঁক কোনোবা এজন শিষ্যই প্ৰতাৰণা কৰিছিল। কিন্তু এতিয়া মই মৰি গলেও কব নোৱাৰিম সেই শিষ্যজনৰ নাম কি আছিল।"

পকেটপান, আৰু আন আছিল, মুদা। সি মাচত টিবেৰী নৈৰ জ্যান্দুৱা কৰিছিল।" একেমুঠি এটা মাৰ কোনোবাই পাইছেনে? কোৱাৰ্টাচ অনুপ্ৰাণ-বিত হ'ল।

"অ' হয়, মুদা। ধন্যবাদ।" চিলোৱে ক'লে।

অলপ সময় সিহঁত নীৰৱে আগবাঢ়িল। দোকান-পাট ভেজিয়া বন্ধ হৈছিল। সিহঁতে বজাৰখন পাৰ হৈ গৈ, বিনামূলীয়াকৈ বিতৰণ কৰা শস্যৰ দোকানৰ কাষেদি ঘূৰি, বাওঁফালে, ৰঙা, শাৰী, শাৰী ঘৰবোৰৰ কাষেৰে পোণালে। এই ঘৰবোৰ, অচটিয়াম্‌ পথৰ কাষে, কাষে, চেচ্‌টাচিয়াচ্‌ পৰ্যন্ত, আৰু ক'ৰবাত শিচ্‌টোৰিয়াৰলৈকে, বিস্তাৰিত হৈ আছে।

তাৰ পাচত, সিহঁত, কাঠৰ ঘৰ এটাৰ সন্মুখত ব'ল। ভিতৰৰপৰা, শব্দ-শুনি কৰাৰ শব্দ আহিবলৈ ধৰিলে। কোৱাৰ্টাচ্‌ ভিতৰলৈ সোমাই গল। সিয়াক চিলো, বাহিৰতে ৰৈ থাকিল।

"হাৰ্‌কিউলিজৰ দৰে শক্তিমান বস্তুবাটোক খুব চাবৰ মন গৈছে।" সি নিজকে ক'লে, আৰু জোনৰ উজ্জ্বল পোহৰলৈ চাই, চাই ভাবিলে,—সি যদি অধাৰ্মিক আৰু টাকিয়া হয়, তেন্তে মোৰ বহুত হানি হ'ব। কিন্তু কেনেবাকৈ যদি সি ধাৰ্মিক আৰু মূৰ্খ হয়, তেনেহলে মই যি কওঁ তাকে, সি এনেয়ে কৰি দিব।

সি এইদৰে ভাবি চিন্তি থাকোঁতে, কোৱাৰ্টাচে লগত মানুহ এটা লৈ, ওলাই আহিল। মানুহটোৰ গাত জাঁত কলত কাম কৰা বন্দুৱাৰ সাজ, হাত দুখন আৰু বুকুৰ সোঁফাল ডোখৰ ওলাই আছে। নতুন মানুহটোক দেখি, চিলোৱে স্বস্তিৰ নিশ্বাস পেলালে। এনে একোখন হাত আৰু বুকুৰ পটা সি কেতিয়াও দেখা নাছিল।

"এইয়া মহাশয়।" কোৱাৰ্টাচে ক'লে, "আপুনি লগ পাব খোজা আচু-এইজনেই।"

"ব্ৰুটাই তোমাক শান্তি দিয়ক।" চিলোৱে উত্তৰ দিলে, "কোৱাৰ্টাচ, আমাৰ ভ্ৰাতৃক প্ৰথমতে মোৰ পৰিচয় দিয়া, আৰু তাৰ পাচত, ধৰ্মলৈ যোৱাহে। তোমাৰ বৃদ্ধ পিতৃক, এইদৰে অকলে এৰি অহা উচিত নহব।"

কোৱাৰ্টাচে বাধ্য লৰাৰ দৰে নতুন মানুহটোৰ লগত, চিলোক পৰিচয় কৰি দি ক'লে, "এই মহান ধাৰ্মিক-পুৰুষজনে, নিজৰ সৰ্বস্ব ত্যাগ কৰি, মোক

শাসকৰ পৰা মুক্ত কৰিছে। এইচ এওঁৰ লগত মোৰ লোকবোৰে পৰা চিনা পৰিচয় নাছিল। আমাৰ সৰ্বশক্তিমান পৰিত্ৰাতাই যেন আপোনাক দানেৰে এতিক পুৰস্কৃত কৰে।

এই কথা শুনি দৈত্যকায় বহুৱাটোৱে চিলোৰ আগত মূৰ দোঁৱাই তাৰ হাতত চুমা খালে।

তোমাৰ নাম কি ভাই? গ্ৰীকটোৱে সুধিলে।

যেতিয়া পবিত্ৰ দীক্ষা স্নান গ্ৰহণ কৰাৰ পাচত মই আৰবান নাম লৈছিলো।

আৰবান! মোৰ লগত এতিয়া অলপ মুকলিমূৰীয়াকৈ আলোচনা কৰিব পাৰিবানে?

হয় পাৰিম। আমাৰ কামৰ সময় নো হয় এখোন। এতিয়া আমি গধূলিৰ আহাৰ প্ৰস্তুত কৰিবলৈ লৈছো।

বেচ। তেতিয়া হলে আমি যথেষ্ট সময় পাম। অ হা আমি নৈৰ পাৰলৈ যাওঁ। মোৰ কবলনীয়াথিনি তাতে কমগৈ।

নৈৰ ঘাটৰ এছটা শিলৰ ওপৰত দুয়ো বহিল। চাৰিওফালে নিস্তব্ধতা দূৰৰ কলধ্বনিৰ শব্দ আৰু নৈৰ কুলু কুলু ধ্বনিয়েহে নিস্তব্ধতা ভঙ্গ কৰিছে। চিলোৱে তাৰ লগৰীয়াটোক ভালদৰে নিৰীক্ষণ কৰি চাই বুজিলে তাৰ মুখৰ ভাৱ অলপ কঠিন আৰু বিমৰ্ষ। ৰোমত থকা বৰ্বৰ জাতিৰ মানুহ প্ৰায় ভাগেই এনেকুৱা। তথাপিও মানুহটোৰ অন্তৰত সাধুতা আৰু সৰলতাৰ বাহিৰে একো নাই বুলি চিলোৱে ধৰিব পাৰিলে।

হয় গ্ৰীকটোৱে নিজৰ মনতে কলে এই মানুহটো একপ্ৰকাৰ মূৰ্খ সাধু। গতিকে সি এনেয়ে মকাচক সিফলীয়া কৰি থব।

তাৰপাচত সি সুধিলে আৰবান! তুমি খৃষ্টক ভাল পোৱানে?

হয় মই সৰ্বান্তঃকৰণে তেওঁক ভাল পাওঁ।

তুমি তোমাৰ ভাতৃমণ্ডলীক ভগ্নীসকলক আৰু যিসকলে তোমাক খৃষ্টৰ প্ৰতি বিশ্বাস ৰাখি সত্যধৰ্ম্ম পালন কৰিবলৈ শিক্ষা দিছে সেই সকলক ভাল পোৱানে?

হয় পিতা! মই তেওঁলোককো ভাল পাওঁ।

তোমাৰ শান্তি হওক!

পিতা আপুনিও তাকে লাভ কৰক।

তাৰ পাচত চিলোৱে একেখিনি ৰোমচৈনৈ চাই, নিষ্ঠুৰে খ্ৰীষ্ট মৃত্যুৰ বিবৰণ দিবলৈ ধৰিলে। সি যেন, কথাবোৰ আব্বানৰ আগত কোৱা নাই, সুপ্ত নগৰীক হে কৈছে! তাৰ অভিনয়ত সঁচাকৈয়ে অন্তৰস্পৰ্শী গভীৰ সুৰ বাজি উঠিল। বন্দুৰাটোৱে আবেগত চকুলো টুকিলে। চিলোৱে যেৰুচালেমৰ দৰে বিলাপ কৰি, তেতিয়া কবলৈ ধৰিলে যে, ত্ৰাণকৰ্তাক মৃত্যুৰ আগমুহূৰ্তলৈকে, সেনাবোৰৰ লাঞ্ছনা, আৰু ইহুদীহঁতৰ গঞ্জনা আৰু অপমানৰ পৰা, ৰক্ষা কৰোঁতা কোনো নোলাল, তেতিয়া এই বৰ্ব্বৰ মানুহটোৱে তাৰ প্ৰকাণ্ড হাতখন মুঠি মাৰি, টান কৰি ৰ'ল। তাৰ মনত অদমনীয় ক্ৰোধ আৰু প্ৰতিশোধৰ বাসনা জাগিল।

হঠাৎ চিলোৱে সুধিলে, "আব্বান্! তুমি জানানে, যুদা কোন আছিল?"

"হয়, মই তাৰ কথা বেচকৈ জানো। পিচে সি নিজে, ভিভিত চিপজৰী ললে।" বিশ্বাসঘাতক মানুহ এটাই, নিজে নিজক দণ্ড দিয়া কথাটো, বৰ্ব্বৰ মানুহটোৱে যেন ভাল পোৱা নাই, এনে এটা ভাৱ প্ৰকাশ পালে।

"বাৰু, এতিয়া ধৰি লোৱা, সি আত্মহত্যা কৰা নাই।" চিলোৱে কবলৈ ধৰিলে, "আৰু কোনোবা খৃষ্টিয়ানে, তাক মাটিৰ ওপৰতে হওক, বা সাগৰতে হওঁক, কৰবাত পুণৰ দেখিবলৈ পালে। তেতিয়া, ত্ৰাণকৰ্ত্তাৰ ৰক্তপাত, যন্ত্ৰণা আৰু মৃত্যুৰ প্ৰতিশোধ লোৱা, সেই খৃষ্টিয়ানজনৰ কৰ্ত্তব্য নহব নে?"

"হে পিতা! ইয়াৰ প্ৰতিশোধ কোনে নোলোৱাকৈ থাকিব পাৰিব?"

"আকৌ এবাৰ কওঁ,— হে নীৰিহ প্ৰভুৰ বিশ্বাসী ভৃত্য! তোমাৰ শান্তি হওক! হয়, নিজৰ ওপৰত, কোনোবাই শত্ৰুতা কৰিলেও, ক্ষমা কৰা যায়, কিন্তু সেই সৰ্ব্বশক্তিমানজনৰ দ্ৰোহ আচৰণ কৰিলে, কোনে ক্ষমা কৰিব পাৰিব? যিদৰে সাপে সাপৰ জন্ম দিয়ে, শঠ মানুহ, শঠৰ জন্মদাতা হয়,—এটা ষড়যন্ত্ৰৰ পৰা আন এটা ষড়যন্ত্ৰ উদ্ভৱ হয়, সেইদৰে যুদাৰ শৰীৰৰ বিহৰ পৰা আৰু এটা বিশ্বাসঘাতকৰ জন্ম হৈছে। এটাই যিদৰে ত্ৰাণকৰ্ত্তা প্ৰভুক, ইহুদী আৰু ৰোমান সৈন্যৰ হাতত সোধাই দিছিল, সেইদৰে ইটোৱেও, (যি এতিয়াও আমাৰ নিচেই কাষতে, আমাৰ মাজতে বাস কৰি আছে) ত্ৰাণকৰ্ত্তাৰ নিৰীহ ভেড়াৰ দলটোক, কুকুৰনেছিয়া বাঘৰ মুখলৈ ঠেলি দিব। গতিকে, এই ষড়যন্ত্ৰক যদি কোনেও বাধা দিব নোৱাৰে, যদি উপযুক্ত সময়ত, এই সাপটোৰ মূৰ

ভাঙি গুৰি কৰিব কোনেও নোৱাৰে, তেতিয়া হলে, আমি আটাইবোৰ ধ্বংসৰ মুখত পৰিম। আমাৰ অস্তিত্ব শেষ হৈ যোৱাৰ লগতে শেষ হৈ যাব,—নিৰীহ প্ৰভুৰ মাহাত্ম্য !”

বন্ধুৱাটোৱে এক প্ৰকাৰ গম্ভীৰ, শান্ত দৃষ্টিৰে, গ্ৰীকটোৰ মুখলৈ চাই যেন বুজিব খুজিলে, প্ৰকৃততে সি কি ক'ব খুজিছে ! অৱশেষত চিলোৱে তাৰ পিন্ধা কাপোৰখনেৰে নিজৰ মুখটো ঢাকি, সমাধিৰ পৰা ওলাই অহাৰ দৰে মাত এটা উলিয়াই, পুণৰ কবলৈ ধৰিলে,

“হায় ! হায় ! ঈশ্বৰৰ প্ৰকৃত ভৃত্যসকল ! হায় ! হায় ! খৃষ্টিয়ান নাৰী, পুৰুষ ! তোমালোকৰ কি গতি হ'ব ?”

পুণৰ নিস্তব্ধ হৈ গল, কেউ দিশ, – কলধবৰ পৰা অহা শব্দ, বন্ধুৱাবোৰৰ গুণগুণনি আৰু নৈৰ কুলু, কুলু সুৰ স্পষ্ট হৈ উঠিল।

অৱশেষত, বন্ধুৱাটোৱে সুধিলে, “হে পিতা ! কোন সেই বিশ্বাসঘাতক ?”

চিলোৱে তলমূৰ কৰিলে। “কোন সেই বিশ্বাসঘাতক ? সি যুদাৰে পুত্ৰ —যুদাৰ গাৰ বিহ আছে, তাৰ তেজত। সি নিজকে খৃষ্টিয়ান বুলি ফাঁকি দি প্ৰাৰ্থনা গৃহত উপস্থিত থাকে। তাৰ একমাত্ৰ উদ্দেশ্য হ'ল, খৃষ্টিয়ান ভ্ৰাতৃ-সকলক, চিজাৰৰ হাতত সোধাই দিয়া। সি এইদৰে প্ৰচাৰ কৰি ফুৰিছে, যে, খৃষ্টানসকলে চিজাৰক দেৱতাৰ আসন দিব নোখোজে। —সিহঁতে নিজৰাত বিহ ঢালে, শিশু বলি দিয়ে।—সিহঁতে নগৰখন ধ্বংস কৰি চুৰমাৰ কৰিব খুজিছে। নগৰৰ এটা শিলো আনটোৰ ওপৰত থিয় দি নৰয়। অলপ দিনৰ ভিতৰতে, নিৰাপত্তাৰক্ষী সেনাদলক আদেশ দিয়া হব, অবাল-বৃদ্ধ-বণিতা আটাইবোৰ খৃষ্টিয়ানকে শিকলিৰে বান্ধি মৃত্যুৰ মুখত দিবলৈ,—পেদানিয়াচ্ চিকান্দাচৰ দাস-বোৰক যিদৰে ধৰি নি, শেষ কৰি পেলোৱা হৈছিল, ঠিক সেইদৰে। এইয়ে হ'ল, এই নতুন যুদাৰ কাম। যিদৰে প্ৰথমটো যুদাক শাস্তি দিবলৈ কোনো আগবাঢ়ি অহা নাছিল, যিদৰে যন্ত্ৰণা ভোগৰ সময়ত খৃষ্টক কোনেও ৰক্ষা কৰিব খোজা নাছিল, সেইদৰে এতিয়াও—.......দ্বিতীয়টো বিশ্বাসঘাতকক শাস্তি বিহিবলৈ কোন আহিব আগবাঢ়ি ? কোনে ভাঙিব, এই সাপৰ মূৰ ? চিজাৰৰ আগত কথা লগাবলৈ যোৱাৰ পূৰ্ব্বে কোনে তাক আঁতৰাব ?”

শিল এছটাৰ দঁাতিত, নিঃশব্দে বহি থকা আৰ্বাচে হঠাৎ জাপ মাৰি থিয় দি কলে,

"হে পিতা! মই-মই কৰিম, এই কাম।"

"যেন্তে তুমি খৃষ্টিয়ানসকলৰ মাজলৈ যোৱা, আমাৰ প্ৰাৰ্থনাৰ ঠাইলৈ পদাৰ্পণ কৰা, আৰু ভ্ৰাতৃসকলক সুধি লোৱা, ম্ৰকাচ্ নামৰ চিকিৎসক কোনটো। যেতিয়া কোনোবাই তাক আঙুলিয়াই দেখুৱাব, তেতিয়া, খৃষ্টৰ নামত তাক হত্যা কৰিবা।"

"ম্ৰকাচ্?" নামটো মনত ৰাখিবলৈ চেষ্টা কৰাৰ দৰে, শব্দটো এবাৰ উচ্চাৰণ কৰিলে, মানুহটোৱে।

"তুমি তাক চিনি পোৱা নেকি?"

"নাই নাপাওঁ। ৰোমত হাজাৰে, হাজাৰে খৃষ্টিয়ান আছে। আটাই-বোৰকে কোনেও চিনি নাপায়। কিন্তু কাইলৈ ৰাতি, ভাই, ভগ্নী, উচ্চ, নীচ সকলো গৈ ওচ্ট্ৰিয়ানামত গোট খাব। কাৰণ খৃষ্টৰ মহান শিষ্যজন আহি ৰোমত উপস্থিত হৈছে। সেই ঠাইত তেওঁ ধৰ্ম্মৰ কথা কব। সেইখন সভাতে ভ্ৰাতৃসকলে মোক দেখুৱাই দিব, ম্ৰকাচ কোনটো।"

"ওচ্ট্ৰিয়ানামত?" চিলোৱে পুণৰাবৃত্তি কৰিলে। "কিন্তু এই ঠাই, নগৰৰ প্ৰাচীৰৰ বাহিৰত। কাইলৈ ৰাতি সকলো ভ্ৰাতৃ, ভগ্নী তাত উপস্থিত থাকিবনে?"

"হয় পিতা, আমাৰ সমাধি ক্ষেত্ৰও তাতে,—ভায়া চেলেৰিয়া আৰু ভায়া নোমেন্টানা পথৰ মাজৰ ঠাইত। মহান শিষ্যজনাই, ধৰ্ম্মজ্ঞান দিবলৈ অহাৰ কথা আপুনি কেনেকৈ নজনাকৈ থাকিল?"

"কাৰণ মই ঘৰৰপৰা অহা, মাত্ৰ দুদিনহে হৈছে। সেইবাবে, মই এতিয়া-লৈকে, তেওঁৰপৰা কোনো চিঠিপত্ৰ পোৱা নাই। মই অলপতে কোৰিন্থৰপৰা আহিছো (য'ত মই আগতে খৃষ্টিয়ান সম্প্ৰদায়ৰ মুখীয়াল আছিলো।) গতিকে ওচ্ট্ৰিয়ানামলৈ ক'ত, মই নাজানিছিলো। যি, কি নহওক, এতিয়া সকলো ঠিক হৈ যাব। খৃষ্টই নিজে তোমাৰ ওপৰত, এই ভাৰ অৰ্পণ কৰিছে। গতিকে, হে পুত্ৰ! তুমি ওচ্ট্ৰিয়ানামলৈ যোৱা, আৰু ভ্ৰাতৃসকলৰ মাজৰপৰা ম্ৰকাচক বিচাৰি উলিয়াই, নগৰলৈ উলটি যোৱাৰ পথত, তাক হত্যা কৰা। পুৰস্কাৰ স্বৰূপে, তোমাৰ প্ৰতিটো পাপৰ বাবে, ভগৱানৰ ক্ষমা লাভ কৰিবা। এই মুহূৰ্ত্তত ভগৱানে দিয়া শান্তিৰ অধিকাৰী হোৱা তুমি।"

"হে পিতা—"

"মই কাণ পাতি আছো। কৈ যোৱা, হে নিৰীহ প্ৰভুৰ পুত্ৰ!"

বহুৱাটোৰ ভাব-ভঙ্গীত অস্বস্তি প্ৰকাশ পালে। অলপ দিনৰ আগতে, সি এটা,—খুব সম্ভৱ, দুটা মানুহ বধ কৰিছে। খৃষ্টান ধৰ্ম্মত হত্যাকাণ্ড নিষিদ্ধ। সিৰে আত্মৰক্ষাৰ বাবে, এই কাম কৰা নাছিল, এই কথাও সঁচা। আনকি, আত্মৰক্ষাৰ বাবে হত্যা কৰাটোও পাপ। কিবা লাভৰ আশাত যে সি মানুহ মাৰিছিল, ইও নহয়। ঈশ্বৰে নকৰক! বিচপে আনকি, তাক সহায় কৰিবলৈ, লগত কেইজনমান ভ্ৰাতৃও পঠাইছিল; কাকো প্ৰাণে নামাৰিবলৈ উপদেশো দিছিল। তথাপিও সি,—আৰ্‌বানে কাকো বধ নকৰো বুলিও, বধ কৰি পেলালে। ভগবানে তাক শাস্তি দিবলৈকে, হয়তো নিজৰ শক্তিৰ বাবে গৰ্ব্ব কৰিব পৰা মন এটা দি সৃষ্টি কৰিছে। এই পাপৰ প্ৰায়শ্চিত্ত, সি এতিয়াও কৰি আছে,—মানসিক যন্ত্ৰণা আৰু মৰ্ম্ম বেদনাৰে ভাবাক্ৰান্ত হৈ। তাৰ লগৰীয়াইতে, গীত গাই, গাই, কাম কৰি থাকে আৰু সি হতভাগাই, তাৰ পাপ আৰু নিৰীহ প্ৰভুৰ পদত লগোৱা অপৰাধৰ কথা সুঁৱৰি, মৃতপ্ৰায় হৈ, দিনৰ পাচত দিন কটাইছে।

কি প্ৰাৰ্থনা জনাবলৈ বাকী থৈছে সি? চকুপানীৰ ধাৰ বোৱাই, পাপ খণ্ডনৰ চেষ্টা, তাৰ কেতিয়া শেষ হ'ব? শত, শতবাৰ সি, নিৰীহ প্ৰভুৰ ওচৰত, ক্ষমা প্ৰাৰ্থনা খুজিছে। তথাপিও, তাৰ মনলৈ আহি আছে, এই পাপৰ খণ্ডন নাই।

আৰু এতিয়া? সি আৰু এটা মানুহক,— এটা বিশ্বাসঘাতকক হত্যা কৰিবলৈ, প্ৰতিজ্ঞা কৰি পেলালে। বেচ! নিজৰ ওচৰত লগোৱা অপ-ৰাধৰ বাহিৰে, মানুহে আন কোনো অপৰাধক ক্ষমা কৰা উচিত নহয়। সেই-বাবে এই মানুহটোক, সি হত্যা কৰিব। কাইলৈ ওচ্‌ট্ৰিয়ানামত উপস্থিত থকা ভাই, ভনীহঁতৰ চকুৰ আগতে কামটো সমাধা কৰিব লগা হলেও, কৰিব সি। তথাপিও, মকাচক প্ৰথমতে, ভ্ৰাতৃ সম্প্ৰদায়ৰ মুখীয়ালসকলে,—বিচপ বা প্ৰভুৰ প্ৰধান শিষ্যজনে, দোষী সাব্যস্ত কৰি, মৃত্যুদণ্ডৰ আদেশ দিয়া উচিত নহয় নে? মানুহ এটাক হত্যা কৰাটো সহজ কথা, -বিশ্বাসঘাতকক হত্যা কৰাটো আনন্দৰ বিষয়,—কুমলেনছিয়া বাঘ বা ভালুক এটা মৰাৰ দৰে কথা! এতিয়া কথা হ'ল,—মকাচ যদি সঁচাকৈয়ে দোষী নহয়? এই ক্ষেত্ৰত সি, আনবাৰে কিহৰ বাবে নতুন হত্যাকাণ্ড এটা,— এটা নতুন পাপ, নিজৰ মূৰত আপি লৈ, পৰম প্ৰভুৰ পদত নতুনকৈ আৰু এটা অপৰাধ লগাবলৈ আগবাঢ়িব?

"পুত্র!" চিলোৱে নীৰৱতা ভঙ্গ কৰি কলে, 'বিশ্বাসঘাতকক, বিচাৰালয়লৈ প্ৰেৰণ কৰাৰ সময় আৰু নাই। কাৰণ অভ্‌ট্ৰিয়ানাসৰ পৰা, সি পোণে পোণে এণ্টিয়ামত থকা চিজাৰৰ ওচৰ পাবগৈ। তাৰ কোনোবা সম্ৰান্ত মানুহ এৰৰত (য'ত সি কাম কৰে,) সি থাকিব। মই তোমাৰ হাতত এটা অভিজ্ঞান পঠিয়াম। তুমি যেতিয়া, মোৰ ওচৰলৈ আহি, ম্ৰকাচৰ মৃত্যু সংবাদ দিবাহি, তেতিয়া এই অভিজ্ঞানৰ সহায়ত এটা মহৎ কাৰ্য্য সমাধা কৰাৰ বাবে তুমি, বিচপ আৰু মহান ধৰ্ম্মাত্মা জনবৰা, আশীৰ্ব্বাদ লাভ কৰিবা।" তাৰ পাচত সি, জেপৰ পৰা চেচ্‌টাৰটিয়াচ্‌ এটা উলিয়াই, কটাৰীৰ আগেৰে, তাৰ ওপৰত ক্ৰচ চিন এটা কাটি, বস্তুৰাটোৰ হাতত দিলে।

"এইটোৱে হ'ল, ম্ৰকাচৰ প্ৰাণদণ্ডৰ আদেশ চিহ্ন, আৰু লগতে তোমাৰ বাবে এটা অভিজ্ঞানো। বিশ্বাসঘাতকটোক সিকলীয়া কৰাৰ পাচত, তুমি যেতিয়া এই বস্তুটো নি বিচপক দিবাগৈ, তেতিয়া তেওঁ তোমাক ক্ষমা প্ৰদান কৰিব। অনিচ্ছাসত্বেও, আগতে কৰা হত্যাকাণ্ডৰ বাবে, যিদৰে তোমাক ক্ষমা কৰিছিল, ঠিক সেইদৰে এইবাৰো কৰিব।"

লওঁ, নলওঁকৈ, বস্তুৰাটোৱে হাত মেলি, মুদ্ৰাটো ললে। তথাপিও, প্ৰথম হত্যাকাণ্ডৰ কথা এতিয়ালৈকে মনত সজীৱ হৈ থকাত তাৰ মনত এক প্ৰকাৰ ভীতিৰ সঞ্চাৰ হ'ল।

"হে পিতা!" মিনতিৰ সুৰত সি কলে, "মই কাৰো কৰিছো; এই বিষয়ত আপুনি নিজ বিবেকৰ বাণী গ্ৰহণ কৰক। আপুনি নিজ কাণেৰে শুনিছিল নে, ম্ৰকাচে ভ্ৰাতৃমণ্ডলীক প্ৰতাৰণা কৰিব খুজিছে বুলি?"

এইবাৰ চিলোৱে বুজিলে, কিছুমান প্ৰমাণ আগবঢ়াই, নাম কিছুমানো কব লাগিব।

"শুনা আৰবান," সি কলে, "মই কোৰিন্থত থাকো যদিও, প্ৰকৃততে মোৰ জন্মভূমি কচ্‌হে। ৰোমত মই, আন লিৰাৰ লগতে, মোৰ দেশবাসী অহা এজনী দাসীকো খৃষ্ট ধৰ্মৰ শিক্ষা দিছো। তাইৰ নাম ইউনিচ। তাই, পেট্ৰোনিয়াচ নামৰ চিজাৰৰ বন্ধু এজনৰ ঘৰত, কাপোৰ-কানি জপা মেলা কাম কৰে। হয়, সেই ঘৰতে, মই শুনিছিলো, ম্ৰকাচে নগৰৰ আটাইবোৰ খৃষ্টিয়ানক ধৰাই দিব। ইয়াকো শুনিছো যে, ভিনিকিয়াচ্‌ নামৰ কোনোবা এজনক

(এইজনো চিজাৰৰ বন্ধু), সি,—প্ৰকাচে হেনো, খৃষ্টিয়ানসকলৰ মাজৰ পৰা, এগৰাকী কুমাৰী কন্যা বিচাৰি আনি দিব বুলিও কথা দিছে।”

এইখিনিতে অলপ বৈ, সি মানুহটোৰ মুখলৈ ভেবা লাগি চাই থাকিল,— কাৰণ তাৰ চকুহুটা হিংস্ৰ জন্তুৰ দৰে চিক্‌মিকাই উঠিছে।

“কি হ'ল?” গ্ৰীকটোৱে ভয়তে সুধিলে।

“একো হোৱা নাই পিতা! কাইলৈ মই প্ৰকাচক শেষ কৰি থম।”

অলপ সময় গ্ৰীকটোৱে একো নামাতিলে। তাৰ সাহস ক্ৰমে বাঢ়ি গ'ল। বহুৱাটোৰ কাষত ধৰি, সি তাৰ গাটো এনেদৰে ঘূৰাই দিলে যে, জোনৰ সকলো পোহৰ আহি, তাৰ মুখত পৰিল। মানুহটোৰ মুখলৈ একেথিৰে চাই, চাই, চিলোৰ মনত, অলপ সময়ৰ বাবে, বিতৰ্ক উপস্থিত হ'ল, কথা উলিয়াবৰ কাৰণে লিজিয়ানটোক আৰু কিবা সুধিবনে নোসোধে।

প্ৰকৃতিগত সাৱধানতাই লগ এৰা দিয়াত, দীঘল, দীঘলকৈ, কেইবাৰমান উশাহ টানি লৈ, সি নিজৰ হাতখন, বহুৱাটোৰ মূৰত থৈ, স্পষ্ট আৰু গহীন মাতেৰে সুধিলে,

“পবিত্ৰ দীক্ষাস্নানৰ শেষত, তুমি সঁচাকৈয়ে 'আৰ্‌বান্' নাম লৈছিলানে?”

“হয়, পিতা!”

“সঁচাকৈয়ে? তেন্তে আৰ্‌বান্,-তুমি শান্তিত থাকা!”

॥ ১৭ ॥

ভিনিকিয়াচলৈ লেখা, পেট্ৰোনিয়াচৰ পত্ৰলিপি:

মৰমৰ বন্ধু! তুমি ভালে থকা নাই যেন লাগে। কথাটো স্পষ্ট হৈ ওলাইছে। তেনাচে তোমাৰ প্ৰাণলৈ অস্থিৰতা আনিছে, যুক্তি আৰু স্মৃতি বিলোপ কৰিছে, আৰু প্ৰেমৰ বাহিৰে, জগতৰ আন সকলো ভাব-চিন্তা, তোমাৰ মগজৰপৰা আঁতৰাই পেলাইছে। তুমি মোলৈ দিয়া উত্তৰবোৰ, কেতিয়াবা যদি নিজে আকৌ এবাৰ পঢ়ি চোৱা, তেতিয়া বুজিবা,—লিজিয়াৰ বাহিৰে, লিজিয়া সংক্ৰান্ত বিষয়ৰ বাহিৰে, জগতৰ আন সকলোৰে প্ৰতি, তুমি কিমান উদাসীনতা দেখুৱাইছা! তোমাৰ মন, 'লিজিয়াময়' হৈ আছে; বাৰে, বাৰে, তাইৰ কথালৈকে উভটি

গৈছা তুমি। শেন চৰাই এটাই, লোভত তত হেকৰাই, চিকাৰৰ ওপৰতে, অনবৰত ঘূৰি থকাৰ দৰে, তোমাৰ মনটোও, তাইকে কেন্দ্ৰ কৰি ঘূৰি ফুৰিছে। পোলাস্কৰ শপত! যিকুৰা জুয়ে তোমাক দহি নিছে, সেইকুৰা জুয়ে যদি তোমাক শীঘ্ৰে ছাই ভস্মত পৰিণত নকৰে, তেন্তে তুমি মিহৰৰ ফিক্কচলৈ ৰূপান্তৰিত হবা:—যি ফিক্কচে শেতা আইচিচৰ প্ৰেমত পৰি, সকলোৰে প্ৰতি নিস্পৃহ আৰু উদাসীন হৈ, কেৱল মাত্ৰ নিশালৈ অতি আগ্ৰহেৰে অপেক্ষা কৰি থাকে,—স্থিৰ দৃষ্টিৰে প্ৰেয়সীৰ মুখ দৰ্শন কৰাৰ বাসনা লৈ।

হয়, তুমি গধুলি সময়টো, নগৰীৰ চাৰিওফালে ছদ্ম বেশেৰে ঘূৰি ফুৰা। তোমাৰ দাৰ্শনিকক লগত লৈ, খৃষ্টিয়ানৰ প্ৰাৰ্থনা ঘৰত সোমাই থাকা। নিত্য, নতুন আশাৰ জন্ম দি, সময় হৰণ কৰিব পৰা সকলো কথাই স্পৃহনীয়। তথাপিও, তুমি মোক অকণমানো যদি মৰম কৰা, তেন্তে মোৰ কথা শুনা। তোমাৰ লগত সদায় ক্ৰোটো নামৰ মল্লবীৰটোক নিবা, আৰু এই অভিযানবোৰত সদায় তোমালোক তিনি শক্তি লগ খাবা। কাৰণ, উৰচাচ্ নামৰ যিটো লিজিয়ান দাস আছে, সি অদ্ভুত শক্তিশালী মানুহ। গতিকে এই উপায়টোকে কম বিপদ-জনক, আৰু বেচি যুক্তিসঙ্গত বুলি, মোৰ মনে ধৰিছে। যদি সঁচাকৈয়ে পম্পো-নিয়া গ্ৰেচিনা আৰু লিজিয়া খৃষ্টানেই হয়, তেন্তে জানিবা, খৃষ্টানহঁত ডকাইতৰ অংশ নহয়। তথাপিও, সিহঁতে নিজৰ সম্প্ৰদায়ৰ ভিতৰৰ এজনক অপহৰণ কৰাৰ অপচেষ্টা নীৰৱে সহ্য কৰিব বুলি নাভাবিবা। মই জানো, প্ৰেয়সীক দেখা মাত্ৰকে, কোলাত তুলি লৰ মাৰিব খুজিবা তুমি। কিন্তু চিলোৱেই যদি একমাত্ৰ সাৰথি হয়, ই সম্ভৱ হ'ব কি দৰে? আনহাতে, যদি তোমাৰ লগত ক্ৰোটো থাকে, তেতিয়া উৰচাচৰ দৰে দহোটা লিজিয়ানেও, লিজিয়াক ৰক্ষা কৰিব নোৱাৰে।

বৰ্তমান ৰাজদৰবাৰত, আমি সৰু অগষ্টাৰ কথা কেতিয়াবাই এৰিলো; তাইৰ মৃত্যু ঘটোৱা, যাদু-মন্ত্ৰৰ আলোচনাও এতিয়া তল পৰিছে। অৱশ্যে মাজে, মাজে, পপিয়াই কথাটো উলিয়ায়। কিন্তু এতিয়া চিজাৰৰ মন বেলেগ চিন্তাত আবদ্ধ। যদি আমি শুনা কথা সঁচা হয় যে, পপিয়াই আকৌ এবাৰ নতুন অনুৰাগত মজিছে, তেন্তে এই সন্তানৰ স্মৃতি তাইৰ মনত সৰহ দিন নাথাকে। অলপ দিন আমি নিয়াপোলিচত,—মানে বেয়াইত কটাই আহিছো। তোমাৰ যদি এতিয়াও আন কথাত মন দিব পৰা শক্তি আছে, তেন্তে আমাৰ ইয়াৰ কথা, কাণুৱোৰ ইমানদিনে যেনে, তেনে, তোমাৰ কাণত নপৰাকৈ থকা নাই।

কাৰণ, ইয়াৰ বাহিৰে, যোমত আলোচনা কৰিবলৈ, আন কথা একেবাৰে নাই বুলিব পাৰি। আমি বেয়াইলৈ অহাৰ পাচতে, পোণ প্ৰথমে, আমাৰ মাতৃৰ মৃত্যুয়ে সকলোকে একা-সৰকাইকে বিন্ধিছিল। কিন্তু তাম-ভট্টীয়াৰ ওপৰত, ইয়াৰ প্ৰভাৱ কিদৰে পৰিছিল কব পাৰানে? এৰা, মাতৃ হত্যাক, সি তাৰ কাব্যৰ বিষয়বস্তু কৰি পেলাইছে। তাৰে আলম লৈ, সি বহুতো করুণ, আৰু হাস্যকৰ দৃশ্যৰ ভাও দি আছে। আগতে তাৰ মনত যেতিয়া ভয় সোমাইছিল, তেতিয়া সঁচাকৈয়ে সি অনুশোচনাত দগ্ধ হৈছিল। কিন্তু এতিয়া সি, নিজকে এই বুলি আশ্বাস দিছে যে, তাৰ ভৰিৰ তলত, পৃথিবীখন এতিয়াও থিৰ হৈ আছে,—কোনো দেৱতাই তাক উচিত শাস্তি দিয়া নাই! সেইবাবে সি লোকক দেখুৱাই, অনুতাপৰ অভিনয় কৰিছে। তাৰ একমাত্ৰ উদ্দেশ্য হ'ল, আনৰ পুতৌ লাভ কৰা। সিদিনা ৰাতি সি, বিচনাৰপৰা জাপ মাৰি উঠি, চিঞৰ মাৰি দিছিল। খ্ৰিষ্টীয়ানসকলে হেনো তাক খেদি আহিছিল। সি টোপনিৰপৰা আমাক জগাই লৈ, তাও দেখুৱাবলৈ লাগি গল। পিচলৈ উলটি, চাই, চাই, সি আতঙ্কৰ ভাব দেখুৱাইছিল,—ওৰেষ্টিজৰ দৰে। (দেখিবলৈ ইমান যে জঘন্য হৈছিল, কি কম!) হাত-পাত জোকাৰি, চিঞৰি, চিঞৰি গ্ৰীক কবিতা গাই, কেৰা-হিকৈ আমাৰ মুখলৈ চাই, বুজিবলৈ চেষ্টা কৰিছিল, আমাৰ কেনে লাগিছে! অৱশ্যে, নকলেও হ'ব, আমি আটাইবোৰ প্ৰশংসাত হতবাক হৈছিলো, আৰু 'মূৰ্খ, তই শুই থাকগৈ,' বুলি নকৈ, একে ধৰণৰ করুণ ৰসত মজি গৈছিলো। লগতে খ্ৰিষ্টীয়ানসকলৰ আক্ৰমণৰপৰা এই 'মহান শিল্পী'ক যথা সম্ভৱ ৰক্ষা কৰিছিলো।

খুব সম্ভৱ তুমি শুনিবলৈ পাইছা যে, নিয়াপোলিচৰ বাহিৰৰ আগত, সি বেচ পলমকৈ, দেখা দিছিল। এই উদ্দেশ্যে, বেয়াই আৰু তাৰ ওচৰৰ নগৰৰ সৰ্ব্ব সাধাৰণ মানুহক গোট খুৱা হৈছিল। গতিকে, ঘাম আৰু নহকৰ জেকেটা জেকেট গোন্ধেৰে সভা মণ্ডপ ভৰি উঠিছিল। তাত নৰহি, তাম-ভট্টীয়াৰ কাষত আচুতীয়াকৈ বহিবলৈ সুবিধা পোৱাৰ বাবে দেৱতাসকলক ধন্যবাদ জনাইছিলো। সি ভয়তে পেপুৱা লাগি থকা কথাটো ভাবিব পাৰানে? হয়, সি বৰ ভয় খাইছিল। সি মোৰ হাত এখন, তাৰ বুকুৰ ওপৰত থৈছিল। তাৰ বুকুখনত ঢোলপিটা যেন শব্দ পাইছিলো। সি কোঁপাবলৈ ধৰিছিল, আৰু বাহিৰৰ আগলৈ ওলোৱা সময়ত, তাৰ মুখখন কেহবাজ বটা যেন হৈছিল। পিচে সি জানিছিল

যে, প্রতি শাৰী আসনৰ পিচফালে, নিৰাপত্তাৰক্ষী সেনা সাজু কৰি থোৱা হৈছে। প্ৰয়োজন হলে, দৰ্শক ৰাইজৰ মাজত উদ্দীপনা জগাবলৈ, সিহঁতে হাতত গদা একোডাল লৈ ৰৈ আছে। কিন্তু এই পন্থাৰ কোনো প্ৰয়োজন নহল। কাৰণ, সেই অভদ্ৰ জনতাই যি উৎসাহেৰে চিঞৰিলে, কাৰ্থেজৰ আশে, পাশে থকা, জাক, জাক, বান্দৰেও, সেইদৰে চিঞৰিব নোৱাৰিলেহেঁতেন। সঁচাকৈয়ে, আমি বহি থকা ওখ মণ্ডপলৈকে, নহৰুৰ গোন্ধ আহি পৈছিল। নিৰোৱে নমস্কাৰ জনাইছিল,—হাত দুখন বুকুত সাৱটি লৈ। সোঁৱে, বাওঁৱে সকলো ফালে চুম্বন বৰ্ষণ কৰিছিল সি। লগে, লগে, কান্দিও পেলাইছিল। তাৰ পাচত, উফৰি অহাদি আহি আমাৰ মাজত সোমাইছিল,—মাতাল এটাৰ দৰে। "পৃথিৱীৰ সকলো বিজয় উৎসৱ, মোৰ এই জয় গৌৰৱৰ আগত, ম্লান পৰি নাযাবনে?" সি কৈছিল। এৰা, নহয়নো কি? আমাৰ তলৰ ফালে বহি থকা জনতাই চিঞৰি চিঞৰি যশগীত গায়ে আছিল! অৱশ্যে ইহঁতে জানে, এইদৰে টেটু ফালিব পাৰিলে, সম্ৰাটৰ অনুগ্ৰহ লাভ কৰা যায়। অনুগ্ৰহ,—অৰ্থাৎ পুৰস্কাৰ, ভোজ, চিঠি খেলৰ টিকেট,—লগতে আকৌ এবাৰ, সিহঁতৰ অধামুৰ্খ চিজাৰৰ ভুচুং পহু ৰূপ দৰ্শন! এই মানুহবোৰে, উদ্দীপনাৰ আৱাৰ কচাত, আচৰিত হবলগীয়া একো নাই। এনে দৃশ্য সিহঁতে জানো কেতিয়াবা দেখিবলৈ পাইছিল? —চিজাৰে কৈয়েই আছিল,— "গ্ৰীক সকল! গ্ৰীক সকল! হয় সেয়া যে দেখিছা, —তাত সেয়া, মোৰেই গ্ৰীক বন্ধু সকল!"

মোৰ মনেৰে, এই মুহূৰ্ত্তবোৰৰ শেষত সি ৰোমক আগন্তকৈও বেচি বেয়া পাবলৈ আৰম্ভ কৰিছে। তথাপিও, ৰাজধানীলৈ কটকী পঠোৱা হৈছে,— বিজয় বাৰ্ত্তা প্ৰচাৰ কৰাৰ উদ্দেশ্যে। সেয়েহে, চিনেটৰ পৰা, অলপতে শজাগৰ শবাই পাম বুলি ৰৈ আছো। ৰাইজক প্ৰথমবাৰ দৰ্শন দিয়াৰ পাচতে, অদ্ভুত কাণ্ড এটা ঘটিল। গোটেইখন সভা মণ্ডপ হঠাতে ভাঙি বাগৰি পৰিল,—মানুহবোৰ ওলাই যোৱাৰ ঠিক পাচতে। মইও বাওঁহাতে থকা দুৱাৰেদিহে কোনোমতে ওলালো। পিচে ধ্বংসস্তুপৰ মাজৰপৰা উলিয়াই নিবলৈ মৰাশ এটাও নাছিল। এই ঘটনাটোক বহুতে আনকি কিছুমান গ্ৰীকেও, দেৱতাৰ ক্ৰোধৰ চিন বুলি ধৰিছে,—ৰোমান সম্ৰাটৰ সিংহাসনত, কলঙ্কৰ ছাব পৰাৰ বাবে। ইফালে চিজাৰে আকৌ, বুকু ডাঠ কৰি কৈছে,— এই ঘটনাই প্ৰমাণ দিছে, — কিদৰে দেৱতাসকলে তেওঁৰ সঙ্গীতক আৰু সেই সঙ্গীতৰ শ্ৰোতাসকলক, ৰক্ষা কৰিলে। তাৰ বাবে, আটাইবোৰ

মন্দিৰতে নৈবেদ্য অৰ্পণ কৰা হল, দেৱতাসকলক ধন্যবাদ জনোৱা হ'ল, আৰু লগতে নিৰো একিয়ালৈ যাবলৈ উৎসাহিত হ'ল। অথচ, কেইদিনমানৰ আগতে সি মোক কৈছিল,— ৰোমৰ প্ৰজাই এই বিষয়ত অসম্মতি প্ৰকাশ কৰিব পাৰে, কাৰণ তাক সিহঁতে ভাল পায়। তাৰ বহুদিনীয়া অনুপস্থিতিত, সিহঁত, খেল ধেমালি আৰু বিনামূলীয়াকৈ বিতৰণ কৰা শস্য লাভৰ পৰা বঞ্চিত হ'ব, আৰু সেই বাবে সিহঁতে বিদ্ৰোহ কৰিব পাৰে বুলি তাৰ ভয় আছিল।

শীঘ্ৰে আমি, বেনেভেনুটামলৈ যাত্ৰা কৰিম ; তাত ভেটিনিয়াচে নিজৰ দক্ষতা প্ৰচাৰৰ কাৰণে আয়োজন কৰা, (অৱশ্যে সেইবোৰ মুচীৰ বাবেহে উপযুক্ত) নানাবিধ আড়ম্বৰপূৰ্ণ অনুষ্ঠান দেখিবলৈ পাম। তাৰ পাচত, হেলেনৰ পবিত্ৰ ভাতৃযুগলৰ কৃপাত, আমি গ্ৰীচলৈ সমুদ্ৰ যাত্ৰা কৰিম। মই এটা কথা বিশেষকৈ মন কৰিছো,— বলিয়াৰ লগত থাকিলে ভাল মানুহো বলিয়া হৈ যায়। অকল এয়ে নহয়। বলিয়াৰ বলিয়ালিবোৰো ভাল লগা হৈ আছে। এহেজাৰ বীণাৰ ঝঙ্কাৰেৰে নিনাদিত হ'ব,— আমাৰ এই যাত্ৰা পথ,— পুষ্পিতা মাৰ্টল লতা, আৰু দ্ৰাক্ষালতাৰ মুকুট পিন্ধা পৰী, আৰু বেকাচৰ পূজাৰিণীৰে সৈতে, সুৰা-উন্মত্ত পথিকৰ জয়যাত্ৰা, শীঘ্ৰে আৰম্ভ হ'ব। ৰথ, ফুল, বেকাচৰ দণ্ড, উল্লাসিত হুঙ্কাৰ, সঙ্গীত, কবিতা, পুষ্প মালা, গ্ৰীক সকললৈ স্তুতিবাক্য আদিৰো অভাৱ নহয়। কিন্তু আমি এখন দুঃসাহসিক পৰিকল্পনা হাতত লৈছো। অহঙ্কাৰে আমাক উদ গণি দিছে – পূৱ দেশত এখন পৰীৰ ৰাজ্য স্থাপন কৰাৰ দুৰাকাঙ্খা পোষণ কৰিবলৈ। সেই ৰাজ্যত, তাল, খেজুৰ, সূৰ্য্যৰ ৰশ্মি আৰু কবিতাৰ মাধ্যমত আমাৰ বাস্তৱ জীৱন ৰূপান্তৰিত হ'ব সপোনলৈ,—য'ত থাকিব আনন্দ, কেৱল আনন্দৰ উচ্ছল ধাৰা! আমি ৰোমলৈ পাহৰি যাম। আমাৰ কল্পনা ৰাজ্যৰ কেন্দ্ৰ হ'ব,— গ্ৰীচ, এচিয়া আৰু মিচৰৰ ভিতৰত কোনোবা এখন ঠাই। আমাৰ বাসনা হ'ল, ভাত মানুহৰ দৰে নাথাকি, দেৱতাৰ দৰে থকা। কল্পনা বঙৰ পাল তৰি, সোণখটোৱা চৰা-নাৱঁত উঠি, গ্ৰীচৰ প্ৰধান সাগৰৰ মাজেদি ভ্ৰমণ কৰা, নিজকে এপোলো ওচিৰিচ আৰু বা-আল দেৱতাৰ সংমিশ্ৰিত ব্যক্তি বুলি ভাবি লোৱা, উষাৰ গোলাপী বৰণ গাত সানি, সূৰ্য্যৰ স্বৰ্ণ-কান্তিৰে নিজকে স্বৰ্ণময় কৰি, জোনৰ স্নিগ্ধ ৰজত বৰ্ণসুধা গ্ৰহণ কৰি, সৰ্ব্বময় কৰ্তৃত্ব লৈ, সপোনৰ মাজত বিচৰণ কৰাই উদ্দেশ্য আমাৰ! আৰু,—তুমি বিশ্বাস কৰিবানে শুনিলে? এতিয়ালৈকে অলপ নহয় অলপ

বাস্তৱ বোধ থকা সত্ত্বেও, মইও এই অদ্ভুত ধাৰণাৰ বশৱৰ্ত্তী হবলৈ ধৰিছো। মইও ইইত্তৰ লগত যোগ দিছো। এইবোৰ ধাৰণা অৰ্থহীন বুলি জানিও, ইয়াৰ অভিনৱত্ব আৰু চমৎকাৰিত্বৰ মোহ ত্যাগ কৰিব পৰা নাই।

ভৱিষ্যতৰ কোনোবা এদিন, সুদূৰ ভৱিষ্যতত,— বহু শতাব্দী পাৰ হৈ যোৱাৰ পাচত, মানুহে অতীতলৈ উলটি চাই, আমাৰ কল্পনাৰ এই পৰীৰ ৰাজ্যক, হেৰোৱা সপোন আখ্যা দিব। কিন্তু তেনাচ যদি লিজিয়াৰ ৰূপত অৱতীৰ্ণ নহয়, অথবা ইউনিচৰ দৰে, দাসীৰ ৰূপ লৈ, পৃথিৱীলৈ নাহে, জীৱনত যদি, কলাৰ সমাদৰ নাথাকে, তেন্তে মানুহ আৰু বান্দৰৰ মাজত, পাৰ্থক্য কোনখিনিত? মানুহ হৈ জীয়াই থকাৰ সাৰ্থকতাই বা কি? তামভট্টীয়াৰ কল্পনা, কোনোদিনে বাস্তৱত ৰূপায়িত নহয়। কাৰণ, তাৰ কল্পনাৰ, কবিত্বময় প্ৰাচ্য দেশত, ষড়যন্ত্ৰ বা নৰহত্যাৰ ঠাই নাথাকিব। কবিৰ হৃদয় ব্যক্ত কৰি, সি ঢাকিব খুজিছে,— তাৰ নিকৃষ্টতম ভাৱৰীয়াৰ ৰূপ! তাৰ অত্যাচাৰী দানৱৰ প্ৰকৃতি ঢাকিব খুজিছে,— বাহিৰত শান্তৰূপ ধাৰণ কৰি!

ইতিমধ্যে, অপ্ৰীতিভাজন যি কোনো মানুহকে আমি দমাই পেলাইছো। বেচেৰা টৰ্কোৱাটাচ্ চিলানাচ মৰিল বুলিয়ে ধৰা। কেইদিনমানৰ আগতে চিজাৰে তেওঁক আদেশ দিছে,—নিজৰ গাৰ শিৰ কটাই মৃত্যু বৰণ কৰিবলৈ। ইফালে লেকানিয়াচ্ আৰু লিচিনিয়াচে, ভয়তে কঁপি, কঁপি আহি ৰাজপ্ৰতিনিধিৰ আগত আঠু লৈছে। বৃদ্ধ থ্ৰেচিয়াচো মৃত্যুৰ হাতৰ পৰা সাৰি নাযায়। কাৰণ, তেওঁ সাধুভাৱে জীয়াই থকাৰ সাহস কৰিছে! এতিয়া মই, নিজৰ কথালৈ আহোঁ। মোৰ গাৰ শিৰ কটাই তেজ বোৱাবলৈ, টাইগেলিনাচে এতিয়ালৈকে, ৰাজ আজ্ঞা আদায় কৰিব পৰা নাই। কাৰণ, এতিয়া মই চিজাৰৰ সোঁহাত হৈ পৰিছো। কেৱল, 'ৰূপ কলাৰ নিৰ্দ্দেশক' নাম থকাৰ বাবেই নহয়, একিয়া অভিযানৰ অপৰিহাৰ্য্য সঙ্গী বুলিও। এদিন নহয় এদিন টাইগেলিনাচৰ বাসনা পূৰ্ণ নিশ্চয় হ'ব। সেইদিনটো যেতিয়া আহিব, তেতিয়া মই কিহৰ বাবে, বিশেষকৈ চিন্তা কৰিম জানানে? মোৰ অতি আদৰৰ মিৰ্-হেনিয়ান্ পাত্ৰটো, (মিউৰা নামৰ উজ্জ্বল বৰ্ণৰ পাথৰেৰে সজা বহুমূলীয়া পাত্ৰ! এই পাথৰ খৃঃপূঃ ৬১ চনত, পম্পেই ৰোমলৈ প্ৰথমে আনিছিল) বাতে তামভট্টীয়াৰ হাতলৈ নাযায়,— তাৰ বাবে। এই বহুমূলীয়া পাত্ৰটো তুমি দেখিছা, তাৰ সৌন্দৰ্য্যৰ কথাও তুমি প্ৰায়ে কৈছিলা। মোৰ অন্তিম সময় উপস্থিত

হওঁতে, যদি তুমি বেচি দূৰত নাথাকা, তেন্তে সেইটো তোমাৰ তালৈকে পঠিয়াম। কিন্তু তুমি যদি বহুদূৰলৈ গুচি যোৱা, তেতিয়া হলে মই পাত্ৰটো ভাঙি চুৰমাৰ কৰি পেলাম। এতিয়া আমাৰ কাৰ্যাসূচীত আছে,— বেনেভেন্টাম যাত্ৰা, আৰু তাত মূচীয়ে পত্তা খেল খেমালি দৰ্শন কৰা। তাৰ পাচত, আমি যাম, স্বৰ্গভূমি গ্ৰীচলৈ; যি গৰাকী ভাগ্যদেৱীয়ে আমাৰ প্ৰত্যেকৰে অচিন দেশৰ যাত্ৰাপথ নিৰ্দ্ধাৰণ কৰে, সেই দেৱীৰ দৰ্শন লাভ হ'ব তাত।

তোমাৰ উন্নতি হওক। ক্ৰোটো নামৰ মানুহটোক কামত লগোৱা। নহলে আকৌ এবাৰ লিজিয়াক হেৰুৱাবা। তদুপৰি, চিলোক যদি তোমাৰ আৰু কোনো কামত নালাগে, তেন্তে তাক মই য'তে থাকো তালৈকে পঠিয়াই দিবা। খুব সম্ভৱ, মই এতিয়াও তাক, দ্বিতীয় ভেটিনিয়াচ কৰি গঢ়ি তুলিব পাৰিম। হয়তো, আমি এদিন দেখিবলৈ পাম,—বিচাৰকৰ পৰ্য্যায়ৰ ভাঙৰ বিষয়া আৰু চিনেটৰ সভ্যাই, তাৰ আগত মূৰ দোঁৱাই থকা! (এতিয়া অৱশ্যে মুচীটোৰ আগত থিয় দিওঁতে, এওঁলোকৰ ভৰিবোৰ, জোতাৰ ভিতৰতে থৰ্ থৰ্কৈ কঁপি থাকে) এই দৃশ্য চাই জীৱন সাৰ্থক কৰিম বুলি ভাবি থৈছো। লিজিয়াক উদ্ধাৰ কৰিব পাৰিলে, মোক ততালিকে জনাবা। বেন্নাইত থকা ভেন্যচৰ সৰু গোলাকাৰ মন্দিৰত, মই একোযোৰ ৰাজহাঁহ আৰু পাৰ চৰাই, উচৰ্গা কৰিম। মই এদিন সপোনত দেখিছিলো,— লিজিয়াই তোমাৰ আঠুৰ ওপৰত বহি চুমা বিচাৰিছে। এই সপোন যাতে ভৱিষ্যত বাণী বুলি প্ৰমাণিত হয়, তাৰবাবে যত্ন কৰা। তোমাৰ জীৱন-আকাশৰ মেঘ আতৰি যাওক,—অথবা, অকণমানো যদি থাকে, তেন্তে সি, গোলাপৰ ৰঙেৰে ৰঞ্জিত আৰু সুৰভিত হওক।

॥ ১৮ ॥

ভিনিকিয়াচে চিঠিখন পঢ়ি শেষ কৰাৰ ঠিক পাচতে, চিলো আহি, পঢ়া কোঠাত সোমাল। সোমোৱাৰ আগতে, তাৰ নাম, ঘোষণা কৰা হোৱা নাছিল। কাৰণ, দিনতে হওক, বা ৰাতিয়ে হওক, যিকোনো সময়তে, তাক ভিতৰলৈ আহিবলৈ দিবলৈ, দাসটোক নিৰ্দ্দেশ দিয়া আছিল।

"হে প্ৰভু!" সি আৰম্ভ কৰিলে, "আপোনাৰ মহান পূৰ্ব্বপুৰুষ ইনিয়েচৰ পবিত্ৰ জননী, আপোনাৰ ওপৰত সদয় হওক,—দিয়ে, খ্ৰীষ্টৰ পবিত্ৰ পুত্ৰ, মোৰ প্ৰতি সদয় হৈছে।"

"তাৰ মানে—?"

"ইউৰেকা! মই পালো।"

"তই তেওঁক সঁচাকৈয়ে তেওঁক দেখি আহিছ?"

"নহয় প্ৰভু, মই উৰ্চাচকহে দেখি আহিছো, আৰু কথাও পাতিছো।"

"তই জানিব পাৰিলিনে, সিইত ক'ত লুকাই আছে?"

"নাই জনা প্ৰভু। আন কোনোবা এটা হোৱা হলে, অহঙ্কাৰত অন্ধ হৈ, লিজিয়ানটোক বুজিবলৈকে দিলেহেঁতেন যে তাক চিনি পাইছে। মই নহৈ, আন এটা হোৱা হলে, লিজিয়ানটোনো ক'ত থাকে, সঠিক জানিবৰ কাৰণে, তাৰ মুখৰপৰা কথা উলিয়াব খুজিলেহেঁতেন। ফলত সি, পাৰ্থিব বস্তুৰ মোহ চিৰ-কাললৈ এৰি, যোচাৰ কোবত বাগৰি পৰিলেহেঁতেন! অথবা সি দৈত্যটোৰ মনলৈ সন্দেহৰ ভাৱ আনিলেহেঁতেন আৰু আজি ৰাতিয়েই সি, ছোৱালীজনীক আন ঠাইত লুকুৱাই থলেগৈহেঁতেন। কিন্তু মোৰ কথা সুকীয়া। মই মাত্ৰ ইমানকে জানি আহিছো যে, সি বাষ্ট্ৰীয় বিপনিৰ কাষত, ডেমাচ্ নামৰ কল-ঘৰৰ মালিকৰ তাত কাম কৰে। আপোনাৰ নিজৰ মুক্তদাস এটাৰো এই একেটা নাম। এইখিনিকে জানি, মই সন্তুষ্ট আছো। কাৰণ, আপোনাৰ বিশ্বাসী ভৃত্য এটাই, নিচেই পুৱাতে উৰচাচক অনুসৰণ কৰিব পাৰিব আৰু গুপ্ত ঠাইখিনি বিচাৰি পাব। উৰচাচ্ ইয়াতে আছে যেতিয়া, লিজিয়া কুঁৱৰীও নিশ্চয় ইয়াতে থাকিব লাগিব। আপোনাক আৰু এটা বাতৰি দিও,—আজি নিশা, খুব সম্ভৱ, তেওঁ ওচ্ট্ৰিয়ানামত থাকিব।"

"ওচ্ট্ৰিয়ানাম? কোনখিনিত ঠাইখন?"

"ভায়া চেলেৰিয়া আৰু ভায়া নোমেন্টানাৰ মাজত। এখন মাটিৰ তলত থকা কবৰস্থান। খৃষ্টানসকলৰ প্ৰধান ধৰ্ম্মযাজক, (যিজন অলপতে আহি পাবহি বুলি কৈছিলো) নগৰত প্ৰবেশ কৰিছে। আজি নিশা, এই ঠাইতে, তেওঁ মানুহক ধৰ্ম্মজ্ঞান আৰু দীক্ষা দিব।"

ভিনিকিয়াচ ইমানদিন, হতাশাৰ জৰত ভুগি আছিল। এতিয়া, আশাপূৰ্ণ হোৱাৰ অৱস্থা আহি পালত, তেওঁৰ মূৰ্চ্ছা যোৱাৰ উপক্ৰম হ'ল। দীঘলীয়া

যাত্ৰাৰ শেষত, বল-শক্তি হ্ৰাস পোৱাৰ দৰে অৱস্থা হ'ল তেওঁৰ। চিলোৱে কথাটো ভালদৰে লক্ষ্য কৰিলে। মালিকৰ মানসিক অৱস্থাৰ সুযোগ লৈ, লাভ-বান হোৱাৰ সংকল্পও সি তৎক্ষণাৎ কৰি পেলালে।

"ঠিক কথা, নগৰৰ দুৱাৰত প্ৰহৰী আছে,—খ্ৰীষ্টানইতে কথাটো নজনাকৈ থকা নাই। পিচে সিহঁতক প্ৰবেশ দুৱাৰ নালাগেই। টাইবাৰ নৈখনৰ দৰে সিহঁতৰো বাট চেৰ। মহান ধৰ্ম্মজনক চাবলৈ সিহঁতে, যেনে, তেনে, ঘূৰি পকি হলেও যাব। প্ৰকৃততে, নগৰৰ চাৰি সীমা পাৰ হবলৈ, সিহঁতৰ হাজাৰে, হাজাৰে বাট আছে। হে প্ৰভু! আপুনি ওচ্ট্ৰিয়ানামতে লিজিয়াক দেখিবলৈ পাব। কেনেবাকৈ তেওঁ তাত নাথাকিলেও,—(অৱশ্যে নথকাটো সম্ভৱপৰ নহয়) উৰচাচ থাকিবই। কাৰণ সি গ্লকাচক বধ কৰিবলৈ প্ৰতিজ্ঞা কৰিছে,—মোৰ আগত। তাৰ পিচে, পিচে গলেই আপুনি বুজি পাব,—লিজিয়া ক'ত থাকে। নতুবা, আপোনাৰ মানুহে তাক হত্যাকাৰী বুলি ধৰি পেলাব পাৰিব। সিহঁতৰ হাতত এবাৰ পৰিলেই, আপুনি তাৰ মুখৰপৰা উলিয়াব পাৰিব, ছোৱালী-জনীক সি ক'ত লুকুৱাই থৈছে। এতিয়া মোৰ কাম শেষ হ'ল। মই নহৈ, আন এটা মানুহ হোৱা হলে, এনেয়ে কলেহেঁতেন,—বৰ্ব্বৰটোৰ মুখৰপৰা, গোপন কথাবাৰ উলিওৱাৰ আগতে, দুয়ো একেলগে বহি, উৎকৃষ্ট পানীয় সেৱন কৰিছিল। মই নহৈ, আন এটা হোৱা হলে, মিছাকৈয়ে কলেহেঁতেন,—উৰচাচে তাৰপৰা, লেখি, লেখি, একেবাৰে এহেজাৰ চেচ্টাৰটি আদায় কৰি লৈছে। অথবা, কলেহেঁতেন,—সংবাদটো দিয়াৰ বাবে, মানুহটোক দুহেজাৰ চেচ্টাৰ্টি উপহাৰ দিছে। যি, কি নহওক, এই অভিযানত, মোৰ যি খৰচ হৈছে, আপুনি তাৰ দুগুণ দিব বুলি জানোৱেই। অ' বেচ! জীৱনৰ এটা সময়,—নহয়, বাবে গোটেই জীৱন, মই সাধু হৈ কটাইছো। এতিয়াও সাধু হৈয়ে থাকিব খোজো। মহা-নুভৱ পেট্ৰোনিয়াচে ভবাৰ দৰে, মইও ভাবো,—মোৰ সৰ্ব্বমুঠ ব্যয়ৰ, আৰু সৰ্ব্বোচ্চ আশাৰ সীমা চেৰাই যাব,—আপোনাৰ বদান্যতাই।"

"তোক মই নিদিয়াকৈ নাথাকো। কিন্তু, প্ৰথমতে তই মোৰ লগত, ওচ্ট্ৰিয়ানামলৈ যাব লাগিব।"

"ওচ্ট্ৰিয়ানামলৈ?" চিলোৱে কলে। তালৈ যোৱাৰ অকণো ইচ্ছা নাছিল তাৰ। "মহান বিচাৰপতি! মই মাথো প্ৰতিজ্ঞা কৰিছিলো, লিজিয়াৰ গোপন বাসস্থানৰ সন্ধান দিবলৈ। তেওঁক উদ্ধাৰ কৰি লৈ আহিবলৈ প্ৰতিজ্ঞা কৰা নাছিলো।

প্ৰভু! আপুনি ভাবি চাওক, প্ৰকাচক মাৰি টুকুৰা-টুকুৰ কৰাৰ পাচতে, যদি এই লিজিয়ান ভালুকটোৱে নিজৰ ভুল বুজিব পাৰে, তেতিয়া মোৰ অৱস্থা কি হব। হত্যাকাণ্ডটোৰ বাবে, সি মোকে দায়ী নকৰিবনে? প্ৰভু, এটা কথা মনত ৰাখিব, দাৰ্শনিক এজনৰ জ্ঞান যিমানে গভীৰ হয়, অসভ্য এটাৰ মূৰ্খামি ভৰা প্ৰশ্নৰ উত্তৰ দিবলৈ, তেওঁ সিমানে টান পায়। যদি সি মোক নেৰানেপে-ৰাকৈ ধৰে, কিহৰ বাবে মই প্ৰকাচক দোষী সাব্যস্ত কৰিছিলো, তেতিয়া মই কি উত্তৰ দিম? আপুনি যদি প্ৰতাৰণা কৰিছো বুলি মোক এতিয়াও সন্দেহ কৰে, তেতিয়া হলে, মই কওঁ, লিজিয়া থকা ঘৰটো যেতিয়া আপোনাক মই সঁচাকৈয়ে আঙুলিয়াই দেখুৱাব পাৰিম, আপুনি মোক তেতিয়াহে কামৰ বেচ দিব। কিন্তু তাৰ আগতে, দানশীলতাৰ ব্যগ্ৰ মনোভাব প্ৰদৰ্শন কৰক। যদি আপোনাৰ কিবা অঘটন ঘটেও, (দেৱতাসকলে ৰক্ষা কৰক!) মোৰ পৰিশ্ৰম-খিনি' যাতে অথলে নাযায়।"

ভিনিকিয়াচে পেৰাৰ পৰা ধনৰ টোপোলা এটা উলিয়াই, চিলোৰ হাতলৈ দলিয়াই দিলে।

' ইয়াত তোৰ বাবে কিছুমান স্কুপুলা (scrupula) আছে।" তেওঁ জনালে, "লিজিয়া আহি, যেতিয়া মোৰ ঘৰত দাসী হবহি, তেতিয়া তই ঠিক এনে-কুৱা আৰু এটা মোণা পাবি। তাত থাকিব, একশ 'অৰি' (aurei), অৰ্থাৎ সোণৰ মোহৰ।"

"আপুনি স্বয়ং জুপিটাৰ!" চিলোৱে চিঞৰি কলে।

"এতিয়া তই কিবা অলপ খাই লৈ, বিশ্ৰাম কৰ। গধূলি নোহোৱালৈকে, ঘৰ এৰি যাব নোৱাৰ। কাৰণ, বেলি মাৰ যোৱাৰ পাচতে, তই মোৰ লগত, ওচ্‌ট্ৰিয়ানামলৈ যাব লাগিব।"

গ্ৰীকটো ভয়তে পেপুৱা লাগিল। কিন্তু অলপ পাচতে, নিজকে চম্ভালি, সি কলে, "প্ৰভু, আপোনাক বাধা দিব কোনে?" টোপোলাটো বজাই চাই, সি পুণৰ কলে, "এই টোপোলাটোৱে মোৰ সকলো আশঙ্কা তল পেলাইছে,— যদিও ইযাত কম মূল্যৰ মুদ্ৰা আছে। আপোনাৰ সঙ্গ-সুখ লাভ কৰাৰ সন্মান আৰু আনন্দৰ কথা বাদেই দিছো।"

অধৈৰ্য্য হৈ ভিনিকিয়াচে মানুহটোৰ কথাত বাধা দি, উৰচাচৰ লগত তাৰ কি কথা বতৰা হৈছিল, জানিবৰ বাবে, নানান ভাবে প্ৰশ্ন কৰিবলৈ ধৰিলে।

অস্থিৰ যুবকে, অৱশেষত নিশ্চয়কৈ জানিলে যে, সেইনিশা, তেওঁ, লিজিয়াৰ গোপন বাসস্থান আৱিষ্কাৰ কৰাৰ সম্ভাৱনা আছে; অথবা ওচ্‌ট্ৰিয়ানামৰ পৰা নগৰলৈ উলটি যোৱাৰ পথত, লিজিয়াক নিৰ্ব্বিঘ্নে অপহৰণ কৰি আনিব পাৰিব। এই ভাবটোৱে তেওঁৰ প্ৰাণ যতজীয়া কৰি তুলিলে।

উদ্দেশ্য সফল হ'ব বুলি মনলৈ অহাত, লিজিয়াৰ প্ৰতি বিদ্বেষৰ ভাবো আঁতৰি গ'ল। সঁচাকৈয়ে এই মুহূৰ্ত্তত, তেওঁ সকলো মানুহৰে দোষ ক্ষমা কৰিব পাৰিব। আনকি, উৰচাচৰ ওপৰতো, তেওঁৰ আৰু খং, ৰাগ নাই। চিলোৱে তেওঁৰ বহুত কাম কৰি দিছে যদিও, মানুহটোক তেওঁ অৱজ্ঞাৰ চকুৰে চাইছিল। কিন্তু এতিয়া তাকো, বেচ স্থিৰ বুদ্ধিৰ আৰু প্ৰফুল্ল চিত্তৰ মানুহ যেন লাগিল। গোটেই ঘৰখনৰে পৰিবেশ আনন্দপূৰ্ণ হৈ উঠিল, আৰু তেওঁৰ নিজৰো দেহত, নতুন প্ৰাণৰ সঞ্চাৰ হ'ল। যৌৱনৰ নবীন স্পৰ্শ, আৰু জীয়াই থকাৰ আনন্দ অনুভৱ কৰিলে তেওঁ। লিজিয়াৰ প্ৰতি তেওঁৰ পূৰ্ব্বৰ অনুৰাগ প্ৰগাঢ় হৈ উঠাত, বসন্তৰ সূৰ্য্যৰ স্পৰ্শত জাগি উঠা ধৰিত্ৰীৰ দৰে, পুলকিত হ'ল, তেওঁৰ হৃদয়। কিন্তু তেওঁৰ আসক্তি, আগৰ দৰে অন্ধ আৰু বন্য নহয় এতিয়া,— আগতকৈ সুকোমল আৰু হৰ্ষযুক্ত!

মালিকৰ প্ৰসন্ন ভাবলৈ লক্ষ্য কৰি, এইবাৰ চিলোৱে উপদেষ্টাৰ ভাও ললে। অতি সাৱধানতাৰে, বেচি নিশ্চয়তাৰ ভাব লৈ, কামত হাত দিব লাগিব বুলি কৈ, লগতে, কেনে ধৰণৰ সাৱধানতা অৱলম্বন কৰিব লাগিব, তাৰো তালিকা এখন সি দাঙি ধৰিলে। ভিনিকিয়াচেও, তাৰ কথাত, হয়ভৰ দিলে। লগতে, পেট্ৰোনিয়াচৰ উপদেশ মনত পৰাত, ক্ৰোটোক মাতি আনিবলৈ, তেওঁ দাস পঠিয়ালে। চিলোৱে ৰোমৰ সকলোকে চিনি পায়। প্ৰখ্যাত মল্লবীৰ জনৰ নাম শুনি, সি বৰ সকাহ পালে। গ্ৰীকটোৰ মনলৈ আহিল, ক্ৰোটোৰ সহায় পালে, সোণৰ মোহৰৰ টোপোলাটো, সি অতি সহজে লাভ কৰিব পাৰিব। এট্ৰিয়াম্‌ বন্দী দাসটোৱে, যেতিয়া তাক খোৱাৰ মেজলৈ মাতিলে, তেতিয়া সি সন্তুষ্ট চিত্তে খাবলৈ বহিল; খাই থাকোঁতে ওচৰত বৈ থকা দাসবোৰক, সি জনালে যে, আচৰিত ধৰণৰ মলম এটাৰ কথা কবলৈ সি গৃহস্বামীৰ ওচৰলৈ আহিছিল।—এই মলমটো ইমান ভাল যে, বটুৱা ঘোঁৰাৰ খুৰাত লগালেও আনবোৰ প্ৰতিদ্বন্দ্বীক ই সহজে ঘোৰ-দৌৰত চেৰ পেলাই দিব। এই মলমটো তৈয়াৰ কৰিবলৈ, সি খৃষ্টিয়ান এটাৰ পৰা শিকিছিল। যাদু-মন্ত্ৰ, জৰা-ফুকা

আছিল বুঢ়া খৃষ্টিয়ানবোৰ, খেচালিয়ান বিলাকৰ দৰেই থাকৈত। সকলোৱে জানে, এনেবোৰ বিদ্যাত, খেচালিয়া নামৰ ঠাইখন কিমান বিখ্যাত। খৃষ্টিয়ানইতে তাক বৰ বিশ্বাস কৰে। কিয় নকৰিব? 'মাছৰ' তাৎপৰ্য্য বুজি পোৱা যি কোনো মানুহে কৰ পাৰিব, ইয়াৰ কাৰণ কি। কথাখিনি কৈ থাকোঁতে, চিলোৱে দাসইতৰ মুখলৈ লক্ষ্য কৰি, বুজিব খুজিলে, সিইতৰ মাজত, কোনোবা খৃষ্টিয়ান আছে নেকি। থকা হলে দোষী বুলি, ভিনিকিয়াচৰ হাতত সোধাই দিলেই-হেঁতেন। অৱশেষত, এই চেষ্টা ব্যৰ্থ বুলি বুজিব পাৰি, সি দৰবি পিটি খোৱা, পিয়াত লাগিল। লগতে বান্ধনিকো পাৰেমানে পলাগিলে। ভিনিকিয়াচক কৈ, তাক দাসত্বৰ পৰা মুক্ত কৰিব বুলিও জনাই থলে। একমাত্ৰ এটা কথাই, তাৰ সকলো আনন্দ মাটি কৰি দিলে,—সেই নিশাই এচ্ট্ৰিয়ানামলৈ যোৱাৰ কথাটোৱে। তথাপিও, দুজন মানুহ, তাৰ সঙ্গী হ'ব। মল্লবীৰ হিচাবে, তাৰে এজন, গোটেই ৰোমৰে দেৱতাৰ নিচিনা, আৰু ইজন হ'ল, এজন শক্তিমন্ত সম্ভ্ৰান্তবংশীয় জমিদাৰ আৰু সেনা বিভাগৰ বিচাৰপতি।

"ভিনিকিয়াচ ধৰা পৰিলেও, তেওঁৰ গাত হাত দিবলৈ, কোনেও সাহ নকৰে। আৰু মই? বেচ,— আজি ৰাতি যদি কোনোবাই মোৰ নাকৰ আগ-টোও দেখে, তেন্তে তাক ধূৰ্ত্ত শিয়াল বুলি কম।"

খোৱা বোৱা শেষ কৰি, চিলোৱে বেঞ্চ এখনৰ ওপৰত দীঘল দি, পিন্ধা কোটটোকে মূৰৰ শিতানত লৈ, দাসইতে মেজ পৰিষ্কাৰ কৰাৰ লগে, লগে টোপনি গল। ক্ৰোটো আহি পালত হে, সি সাৰ পালে। উঠি আহি, যেতিয়া সি এট্ৰিয়াম্ কক্ষ পালেহি, তেতিয়া ক্ৰোটোৱে ভিনিকিয়াচৰ লগত, অভিযান সম্বন্ধে আলোচনা কৰা শুনিলে।

"হাৰ্কিউলিজৰ শপত প্ৰভু! আপুনি মোক আজিয়ে ইয়ালৈ অনাই, বৰ ভাল কৰিলে।" ক্ৰোটোৱে কলে, "কাৰণ, কাইলৈ মই, বেনেভেন্টামলৈ যাম,— ভেটিনিয়াচ্ মহোদয়ৰ আদেশত। তাত, চিজাৰৰ সন্মুখত চাইফাক্স নামৰ মানুহ এটাৰ লগত যুঁজ কৰিব লাগিব। আফ্ৰিকাৰ ভিতৰত আটাইতকৈ শক্তিমান নিগ্ৰো সি। মোৰ বজ্ৰ বাহুৰ চেপাত মানুহটোৰ বাজহাড় কেৰ-কেৰাই উঠা শব্দ, আৰু তাৰ ক'লা গাল দুখনৰ ওপৰত পৰা মোৰ ঘোচাৰ শব্দ, এতিয়াই শুনাৰ দৰে লগা নাইনে?"

"পোলাক্সৰ শপত!" ভিনিকিয়াচে যোগ দিলে, "মই অন্ততঃ এই বিষয়ে নিশ্চিন্ত। তুমি তাক বেচকৈ এপাজি দিবা।"

"এপালি দিব পাৰিলে, বেচ হব," চিলোৱে কলে, "হয়, তাৰ দঁাতৰ আলুৰ হাড় ভাঙি দিবা তুমি। ভাল কথা! তাকে কৰিব পাৰিলে, তোমাৰ যশ বাঢ়িব। মই বাজি মাৰিব পাৰো, তোমাৰ হাতত, তাৰ দঁাত ডুপাৰি যাব। ইতিমধ্যে তেলেৰে হাত ভৰি মালিচ কৰি লবলৈ নাপাহৰিবা। পিচে, হেৰা, মোৰ হাৰ্কিউলিজ! ককালত বুজন চাই টঙালি বান্ধি ওলোৱা আজি। কাৰণ, তুমি যাৰ লগত মুখামুখি হবাগৈ, সি প্ৰকৃততে কেইকাচ্ দৈত্যই। প্ৰভু ভিনিকিয়াচে, যি জনী ছোৱালীলৈ চকু দিছে, তেওঁক ৰক্ষা কৰি থকা, এই মানুহটো, অসাধাৰণ শক্তিশালী।"

চিলোৰ এইদৰে কোৱাৰ আচল উদ্দেশ্য হ'ল, ক্ৰোটোৰ উত্তেজনা বঢ়াই তোলা।

"হয়", ভিনিকিয়াচেও জনালে, "শুনা যায়, এই মানুহটোৱে, ষাড় গৰু এটা, শিঙত ধৰি টানি, যেনি মন যায়, চোচোৰাই লৈ ফুৰিব পাৰে।"

"ইস্!" চিলোৱে অবিশ্বাসৰ ভাব দেখুৱালে। উৰ্চাচৰ ইমান শক্তি আছে বুলি নাভাবে সি। ক্ৰোটোৱে অৱজ্ঞাৰ হাঁহি মাৰিলে।

"আপুনি যাক আঙুলিয়াই দেখুৱাব, তাক মই, মোৰ এইখন হাতেৰে ধৰি ল'ম, আৰু ইখন হাতেৰে, যুঁজি তাৰ দৰে সাতোটা লিজিয়ানৰ বিপক্ষে আত্মৰক্ষা কৰিম, আৰু শেষত এই ছোৱালীজনীক কাঢ়ি আনিম, আপোনাৰ ঘৰলৈ। ৰোমৰ আটাইমথা খৃষ্টিয়ানে, কালাব্ৰিয়াৰ কুকুৰনেছিয়া বাঘ এপালৰ দৰে, মোক পিচে, পিচে খেদিও, একো কৰিব নোৱাৰে। যদি অকৃতকাৰ্য্য হওঁ, তেন্তে মোক, এই ইম্প্লুভিয়াম্‌টোত সুমুৱাই লৈ, টঙনিয়াই থাকিব।"

"এনেকুৱা যাতে নহয়!" চিলোৱে ভিনিকিয়াচক চিঞৰি কলে, "যদি এই মানুহবোৰে, আমাৰ পাচৈ শিল দলিয়ায়, তেতিয়া ক্ৰোটোৰ শক্তি জানো কামত আহিব? ঘৰলৈ উলটি যোৱাৰ, পাচত ছোৱালীজনীক ধৰি লৈ অহাই ভাল নহবনে? এইদৰে কৰিলে, মানুহবোৰে একো গম নাপাব।"

"হয়, মোৰো সেয়ে মত।" ভিনিকিয়াচে কলে।

"বেচ, আপুনি কামৰ বেচ দিব বেভিয়া, ধৰণটোও আপুনিয়ে কৈ দিব লাগিব। কিন্তু নাপাহৰিব, মই কাইলৈ বেনেভেন্টামলৈ যাওঁ হবই লাগিব।"

"অকল এইখন নগৰতে, মোৰ পাঁচশ দাস আছে।" ভিনিকিয়াচে কলে। তাৰ পাচত, মানুহ দুটাক ওলাই যাবলৈ কৈ, তেওঁ পঢ়া কোঠাত সোমাল, আৰু পেট্ৰোনিয়াচলৈ এইদৰে চিঠি লেখিলে :

"চিলোৱে লিজিয়াক পাইছে। আজি নিশা, তাক আৰু ক্ৰোটোক লগত লৈ, মই ওচ্‌ট্ৰিয়ানামলৈ যাম। আজিয়েই বা কাইলৈ বাতিপুৱা, মই তেওঁক ধৰি লৈ আহিব পাৰিম। দেৱতাসকলৰ অনুগ্ৰহ তোমাৰ শিৰত বৰ্ষণ হওক। বিদায়! মৰমৰ বন্ধু! আনন্দই মোৰ লেখনিক বাধা দিছে।"

চিঠিখন লেখা শেষ হোৱাৰ পাচতে, চিলো আহি উপস্থিত হ'ল।

"হে প্ৰভু," সি আৰম্ভ কৰিলে, "এই মাত্ৰ, আৰু এটা কথা মোৰ মনত খেলাইছে। নিঃসন্দেহে কব পাৰি, খৃষ্টানইতে, কিছুমান সাঙ্কেতিক চিনৰ দ্বাৰা, নিজৰ পৰিচয় দিয়ে। চিনাক্তকৰণৰ কিবা বস্তু লগত নাথাকিলে, ওচ্‌ট্ৰিয়ানামত সোমাবলৈ নিদিব। মই জানো, প্ৰাৰ্থনা গৃহত সোমোৱাৰো এয়ে নিয়ম। কাৰণ, এবাৰ ইউৰিচিয়াচে এনেকুৱা এটা চিন মোৰ হাতত দিছিল। এই বুঢ়া মুক্ত দাস-টোক, লগ ধৰিবলৈ, মোক অনুমতি দিয়ক। তাক মই ভালদৰে সুধি লম, আৰু চিন কিছুমানো আনিম,— যদিহে, এইবোৰ লগত নিনিলে নহয়।"

"ভাল কথা, মহান দাৰ্শনিক!" ভিনিকিয়াচে ৰং মনেৰে কলে, "তই জ্ঞানী মানুহৰ দৰে কথা কৈছ। তাৰ বাবে তই শলাগ পাবলগীয়া। তই গৈ, ইউৰিচিয়াচক লগ ধৰিব পাৰ। মানে, যি মন যায় কৰিব পাৰ। মাত্ৰ অলপ সাৱধান হব খুজিছো, মই। শুন, এই মাত্ৰ যিটো ধনৰ টোপোলা পাইছ, প্ৰথমতে সেইটো ইয়াত, এই মেজৰ ওপৰত থৈ যা।"

ধন, বস্তু ক'তো এৰি থৈ যোৱা ভকত নহয় চিলো। কথাষাৰ শুনি, সি মুখখন ওন্দোলাই পেলালে। তথাপিও, আদেশ শিৰোধাৰ্য্য কৰি, সি কোঠাৰ পৰা ওলাই গল। কেৰিনিৰ পৰা খেলমাটিলৈ, মাত্ৰ দোখোজ বাট। ওচৰতে ইউৰিচিয়াচৰ দোকান আছে। গধূলিকে আন্ধাৰ হোৱাৰ পূৰ্ব্বেই, গ্ৰীকটো উলটি আহিল।

"এইবোৰেই সাঙ্কেতিক চিন, প্ৰভু।" সি জনালে।

আন্ধাৰে আবৰি ধৰাৰ লগে, লগে, দলটোৱে, মুৰলৈকে ঢাক খাই থকা, গল দেশীয় ঢিলা পোছাক পিন্ধি, হাতত চাকি আৰু মিত-দা একোখন লৈ, যাবলৈ প্ৰস্তুত হ'ল। ইয়াৰ উপৰিও, ইউৰিচিয়াচৰ তাৰ পৰা উলটি আহোঁতে, লৈ অহা টুপী এটাও, চিলোৱে মূৰত সুমুৱাই ললে। আটাইবোৰ বাহিৰলৈ ওলাল। তাৰ পাচত, যিমান পাৰে খৰকৈ, আটাইয়ে খোজ দিলে, যাতে পোৰ্টা নোমেন্‌টানা দ্বাৰ বন্ধ হৈ যোৱাৰ আগতে, সেইখিনি পাৃংগৈ।

॥ ১৯ ॥

প্ৰথমে সিহঁত, ভাইকাচ্ পেট্ৰিচিয়াচ্ পথেদি যাবলৈ ধৰিলে। তাৰ পাচত, ভিমিনেল্ পথ অতিক্ৰম কৰি, প্ৰাচীন ভিমিনেল প্ৰবেশদ্বাৰ পালেগৈ। ইয়াৰ লগত, যি সমতল ভূমি সংলগ্ন হৈছে, তাতে বহুকালৰ পাচত, ডাইওক্লেচিয়ানে কিছুমান অতি সুদৃশ্য স্নানাগাৰ নিৰ্ম্মাণ কৰাইছিল। ইয়াৰ পাচত, দলটোৱে, চাৰ্ভিয়াচ্ টিউলিয়াচে সজা প্ৰাচীৰৰ ধ্বংসাৱশেষৰ কাষেদি যোৱা এটা পৰিত্যক্ত পথ পালেহি, আৰু অলপ দূৰ গৈয়ে, ভায়া নোমেন্‌টানা পথত উপস্থিত হৈ, বাওঁফালে ঘূৰি, ভায়া চেলেৰিয়া অভিমুখে যাবলৈ ধৰিলে। অলপ সময় পাৰ হোৱাৰ পাচত, সিহঁতে কেতবোৰ বালিৰ পাহাৰ, আৰু তাৰ মাজে, মাজে, কবৰস্থান দেখিবলৈ পালে। ৰাতিৰ সময় আগ বাঢ়িল। জোন ওলোৱা নাই, গতিকে দলটোৱে সহজে বাট চিনি নাপালেহেঁতেন। কিন্তু দলে, দলে অহা খৃষ্টিয়ান সকলে, বাট দেখুৱাই দিব বুলি চিলোৱে আগতেই জানে। সোঁচাকৈয়ে সোঁৱে, বাওঁৱে, সকলো দিশে, আৰু দলটোৰ আগে, আগেও, বালিৰ খাদবোৰৰ ফালে, সাৱধানেৰে গৈ থকা, কিছুমান ক'লা মূৰ্ত্তি দেখা গল। নগৰৰ পৰা উলটি অহা, দুই চাৰিজন খেতিয়কে, হয়তো এই তীৰ্থযাত্ৰীৰ দলটোক, বালিৰ খাদত কাম কৰিবলৈ যোৱা বনুৱা, অথবা, নিশা জাগি থাকিবলৈ অহা, শ্মশান যাত্ৰী বুলি ধৰি লৈছিল। সম্ভ্ৰান্ত যুৱকজনে আৰু তেওঁৰ লগৰ মানুহবোৰে প্ৰতিটো পদক্ষেপতে দেখিলে, চাকিৰ পোহৰ আৰু ক'লা মূৰ্ত্তিৰ সমদল যাত্ৰা বাঢ়ি আহিছে। কাষেদি পাৰ হৈ যোৱা কিছুমান মানুহে, মৃদুস্বৰে প্ৰাৰ্থনা গীত গাই গৈছে; ভিনিকিয়াচৰ কাণত, এই সুৰ বৰ করুণ যেন লাগিল। মাজে, মাজে, তেওঁ গীতৰ কিছুমান অংশ ধৰিব পাৰিলে,—যশু খৃষ্টৰ নামৰ উল্লেখ আছে। পথটো

ৰৰ দীঘলীয়া যেন লাগিল তেওঁৰ। অৱশেষত, দূৰত কিবা এটা জিলিকি উঠিল,— মুকলি ঠাইত অলোৱা জুই বা জোৰবাতিৰ পোহৰৰ দৰে। চিলোৱে উলটি চাই, তেওঁ সুধিলে,— সেয়া ওচ্ টিয়ানাম্ নেকি।

নগৰৰ পৰা আঁতৰি, আন্ধাৰৰ মাজেদি আহি, চিলোৰ কেনেবা, কেনেবা লাগি আছিল। প্ৰেতৰ নিচিনা, ক'লা মূৰ্ত্তিবোৰলৈ চাই, তাৰ গা কঁপি উঠিল। কঁপা মাতেৰে সি কলে, "প্ৰভু! মই নাজানো। মই আগতে কেতিয়াও ওচ্-টিয়ামলৈ অহা নাই। নগৰৰ সীমাৰ অলপ কাষতে দেখোন সিঁহতে সিঁহতৰ খ্ৰীষ্টৰ গুণ গাব পাৰিলেহেঁতেন।"

তাৰ পাচত, অলপ সময় সকলো নীৰবে আগবাঢ়িল। নগৰৰ দুৱাৰ এৰি যিমানে আগুৱাই গল, চিলোৰ ভয়ো সিমানে বাঢ়িল।

"মোৰ মূৰত আছে, এইটো টুপী, আৰু মাকৰ বিছাৰ ওপৰত, লগাই লৈছো, দুটা উৰহীৰ গুটি। এই ভেশত, মোক কোনে চিনি পাব? যদিহে কেনেবাকৈ চিনিও পায়, সিঁহতে মোক নামাৰে; কাৰণ সিঁহত অসৎ নহয়। সিঁহত সাধু মানুহ; মই সিঁহতক ভাল পাওঁ আৰু সন্মান কৰো।"

"আগতেই তোষামোদ কৰি, সিঁহতক ভাল লগাবলৈ চেষ্টা কৰিব নালাগে, বুজিছ।" ভিনিকিয়াচে কলে। এতিয়া আটাইবোৰ, এটা ঠেক পথেদি যাবলৈ ধৰিলে। পথৰ মাজত থকা এখন সাঁকোৰ তলেদি পানী বাগৰি গৈছে। হঠাৎ ডাৱৰৰ মাজৰপৰা জোন ওলাল। ঠেক বাটটোৰ শেষত, ডাঠ শেলুৱৈৰে ভৰা, এখন প্ৰাচীৰ দেখা গল। সিঁহত ওচ্ টিয়ানাম্ পালেহি।

দুৱাৰমুখতে, খাদত কাম কৰা বনুৱা কিছুমানে, সিঁহতৰ হাতত থকা, চিনবোৰ সংগ্ৰহ কৰি ললে। চাৰিওফালে দেৱালেৰে আগুৰা, এখন, আহল, বহল ঠাইলৈ, আটাইবোৰ সোমাই গল। সোঁমাজত এখন খাপনা পাতি থোৱা আছে। কাবেদি এটা নিজৰা সশব্দে বৈ গৈছে। অত, ত'ত, মৃতকৰ স্মৃতি ফলকবোৰ দেখা গৈছে। চাৰিওফালে উত্তেজিত জন-সমাবেশ। জোনৰ কিৰণ আৰু চাকিৰ ঢিমিক-ঢামাক পোহৰত, অস্পষ্টভাবে সিঁহতক দেখা গৈছে। শীতৰ বাবেই হওক, বা বিশ্বাসঘাতকৰ হাতৰপৰা, আত্মৰক্ষা কৰিবৰ বাবেই হওক, আটাইবোৰ মানুহে, মূৰলৈকে ঢাক খাই থকা, ঢিলা সাজ পিন্ধিছে। সম্ৰান্ত ভেকাজনক, হতাশাৰ শেলে, থকা সৰকাটৈ বিন্ধিলে। কাৰণ এনে সাজ, সকলো সময়তে যদি গাত থাকে, তেন্তে সিঁহতৰ মাজৰপৰা লিজিয়াক চিনি উলিওৱা অসম্ভৱ।

এতিয়া সোঁমাজত থকা থাপনাৰ সন্মুখত, কিছুমান জোৰবাতি একেলগে জলোৱা হ'ল। তাৰ পাচত সমবেত জনতাই গীত জুৰিলে,— প্ৰথমতে লাহে লাহে, তাৰ পাচত ডাঙৰকৈ। এই প্ৰাৰ্থনা গীতৰ সুৰো আচহুৱা। ই যেন নিশাৰ বিননি,— আন্ধাৰত ঘূৰি ফুৰা মানুহৰ আৰ্ত্ত বেদনাৰ স্বৰ। ওপৰলৈ মুখ কৰি গায়কসকলে যেন, বহু উৰ্দ্ধত থকা জনলৈ চাইছে। দুয়ো হাত মেলি উৰ্দ্ধলোকত থকাজনক যেন, সিহঁতে মিনতি জনাইছে,— ওচৰলৈ আহিবলৈ। এচিয়া মাইনৰ, মিছৰ আৰু ৰোমতো, ভিনিকিয়াচে, বিভিন্ন ধৰণৰ মন্দিৰত সোমাইছে, আৰু ভিন ধৰ্ম্মৰ মানুহক লগ পাইছে। কিন্তু, কোনো প্ৰচলিত ধৰ্ম্মীয় ক্ৰিয়া কাণ্ডৰ লগত সম্পৰ্ক নাৰাখি, কেৱল হৃদয়ৰ শান্তিৰ বাবে, এইদৰে দেৱতাক আহ্বান জনোৱা মানুহ, তেওঁ ক'তো দেখা নাছিল। ইহঁত যেন, পিতৃ, মাতৃৰ বিয়োগত অশান্ত হৈ উঠা এদল শিশু! এটা কথা অতি স্পষ্ট হৈ উঠিছে যে, এই মানুহবোৰে, সিহঁতৰ দেৱতাক কেৱল অৰ্চ্চনাই নকৰে, মনে, প্ৰাণে,— আত্মাৰ সমস্ত শক্তিৰে ভালো পায়, তেওঁক।

উপাসনা থলিৰ সন্মুখত, আৰু কিছুমান জোৰবাতি জ্বলি উঠিল। ইয়াৰ উজ্জল বঙা পোহৰত, চাকিৰ পোহৰ নিস্প্ৰভ দেখা গল। একে সময়তে থাপনাৰ সন্মুখত, এজন বৃদ্ধই দেখা দিলেহি; তেওঁৰ গাতো একে ধৰণৰ চিলা সাজ, অকল মূৰটো ওলাই আছে। যেতিয়া তেওঁ, জোৰ বাতিৰ কাষত থকা, এছটা শিলৰ ওপৰত থিয় দিলে, তেতিয়া জনতাৰ মাজেদি, অভূতপূৰ্ব্ব চাঞ্চল্যৰ সোঁত বাগৰি গ'ল। সকলো ফালৰপৰা মৃদু গুঞ্জন উঠিল, "এইয়া পিটাৰ। এইয়া পিটাৰ!" কিছুমানে আঠু কাঢ়িলে, কিছুমানে দুইবাহু বঢাই দিলে, বৃদ্ধৰ সন্মুখলৈ। লাহে, লাহে গোটেই পৰিবেশটোৰ মাজলৈ, গভীৰ নিস্তব্ধতা নামি আহিল। জ্বলি থকা জোৰ বাতিবোৰৰ থৰ্ থৰ্ শব্দ, ভায়া নোমেন্‌টানা পথেদি যোৱা ৰথৰ ঘৰ্ ঘৰ্ শব্দ, আৰু আশে পাশে থকা সৰলগছ-বোৰৰ মাজেদি বৈ যোৱা বতাহৰ সোঁ, সোঁ শব্দৰ বাহিৰে আৰু এটি শব্দও নাই তাত।

চিলোৱে ভিনিকিয়াচৰ কাষলৈ গৈ ফুচফুচাই কলে, "এইয়া তেওঁ,— খৃষ্টৰ প্ৰথম শিষ্য, —মাছমৰীয়া।"

বৃদ্ধই হাত এখন দাঙিলে আৰু ক্ৰচ চিন আঁকি, সকলোকে আশীষ জনালে। উপস্থিত ভক্তবৃন্দ এইবাৰ আঠুকাঢ়ি বহিল। ধৰা পৰাৰ ভয়ত,

ভিনিকিয়াচ আৰু তেওঁৰ দলৰ মানুহেও, আঠু কাঢ়িলে। তেকা বিচাৰপতি-জনৰ ধাৰণা হ'ল,—সন্মুখত থিয় দি থকা, এইজন মানুহ, সাধাৰণ হৈও অসাধাৰণ; এওঁৰ অতি সাধাৰণ পৰিচ্ছদৰ মাজতে লুকাই আছে, এই অসাধাৰণত্ব। মুৰৰ মূৰত, ধৰ্ম্মগুৰুৱে পিন্ধা থিয় টুপী নাই, ওক গছৰ পাতৰ মালাও পিন্ধা নাই তেওঁ; হাতত তালপাত নাই, বুকুৰ ওপৰত, সোণৰ চটাও ওলমি থকা নাই; গাত উজ্জ্বল শুভ্র সাজো নাই তেওঁৰ। মূৰৰ ওপৰত, তেওঁ পূব দেশৰ অথবা মিচৰ, গ্ৰীচ আৰু ৰোমৰ ধৰ্ম্মগুৰুৰ পৰিধান কৰা, বিশেষ ধৰণৰ সাজ একোকে পিন্ধা নাই। এই দুখীয়া মানুহবোৰৰ জনৰ মাজত, ভিনিকিয়াচে ধৰ্ম্মীয় ক্ৰিয়া-কলাপত পাৰ্গত, উচ্চস্তৰৰ পুৰোহিতৰ ৰূপ দেখিবলৈ নাপালে। ভিনিকিয়াচে এওঁৰ মাজত দেখিলে, এজন সাধাৰণ, অথচ অতিশয় সন্মানৰ পাত্ৰক! বহুদূৰ দূৰণিলৈ এওঁ সত্যৰ বাণী প্ৰচাৰ কৰিছে। এই সত্যৰ ৰূপ তেওঁ দেখিছে, স্বহস্তে স্পৰ্শও কৰিছে। চাক্ষুষ দৃষ্টিৰে লাভ কৰা প্ৰমাণক, যিদৰে মানুহে বিশ্বাস কৰে ঠিক সেইদৰে, তেওঁ বিশ্বাস কৰে, এই সত্যক। ভিনিকিয়াচৰ ইচ্ছা নাছিল, এই দৃশ্যৰ মোহত পৰা। তথাপিও তেওঁৰ মনত উত্তপ্ত কৌতুহল জাগি উঠিল,—ৰহস্যময় খৃষ্টৰ সঙ্গী, এই মানুহজনৰ মুখৰপৰা ওলোৱা, প্ৰতিটো কথা শুনিবলৈ আৰু লিজিয়া, পম্পোনিয়া গ্ৰেচিনাৰ দৰে নাৰীয়ে বিশ্বাস কৰা ধৰ্ম্মৰ কথা জানিবলৈ।

প্ৰথমতে পিটাৰে নিজ সন্তানক উপদেশ দিয়া পিতৃ এজনৰ দৰে, কৰবলৈ ধৰিলে, কি দৰে জীৱন অতিবাহিত কৰিব লাগে। শ্ৰোতাসকলক তেওঁ দঢ়াই, দঢ়াই কলে, অতিমাত্ৰা সকলো বস্তুকে আৰু মাত্ৰাধিক বং ধেমালি পৰিহাৰ কৰিবলৈ, দুখীয়া অৱস্থাক, নৈতিক পবিত্ৰতাক, আৰু সত্যক ভাল পাবলৈ, ধৰ্ম বিৰোধী লোকৰ অন্যায় উৎপীড়ণ, ধৈৰ্য্যেৰে সহ্য কৰিবলৈ, বয়সস্থ আৰু শ্ৰেষ্ঠ ব্যক্তিক সন্মান কৰিবলৈ, ষড়যন্ত্ৰ, কপট আচৰণ, কু-বাক্য প্ৰয়োগ, আদি পাপ কাৰ্য্যৰ পৰা, আঁতৰি থাকিবলৈ, আৰু বহু দেৱ-দেৱীৰ উপাসককে ধৰি, প্ৰতিজন মানুহকে সত্য আদৰ্শৰে অনুপ্ৰাণিত কৰিবলৈ। যিহৰ দ্বাৰা লিজিয়াক উদ্ধাৰ কৰিব নোৱাৰি, তেনে কথাত ভিনিকিয়াচে মূল্য নিদিয়ে।

পতিকে, কিছুমান উপদেশে, তেওঁৰ মনত বিৰক্তি জন্মালে। সতীত্ব আৰু ইন্দ্ৰিয় জয়ৰ গুণ কীৰ্ত্তন কৰি, বৃদ্ধই যেন তেওঁৰ— ভিনিকিয়াচৰ—প্ৰেমৰ ওপৰতহে কটাক্ষপাত কৰিলে! তেওঁৰ প্ৰেমক উপেক্ষা কৰিবলৈ লিজিয়াক জানো এই-

দবে উচটাই দিয়া নাই? বিচাৰপতিজনৰ খং উঠি আহিল। "এই মানুহজনে কোৱা কথাত নতুনত্ব কিটো আছে?" তেওঁ নিজৰ মনতে কলে, "নতুন ধৰ্ম্মৰ এইয়ে নেকি মত?" কিয়, এনেকুৱা মূৰ্খামিভৰা কথা, আগতেও দেখোন সকলোৱে শুনিছে! চিনিক্‌ সকলে জানো দৰিদ্ৰতাক ওপৰলৈ তোলা নাই? চক্ৰেটিছেও জানো, ধৰ্ম্মক মানৱ প্ৰাণৰ চিৰ পুৰাতন, অথচ পৰম ঈপ্সিত ধন বুলি কোৱা নাই? আমি জনা, যি কোনো ষ্টোইক দাৰ্শনিকে,—আনকি, পাঁচশ-খন নেমুটেঙা কাঠৰ মেজৰ অধিকাৰী চেনেকাইও জানো, মিতাচাৰ, সত্য, বিপদত ধৈৰ্য্য, আৰু দুৰ্ভাগ্যত দৃঢ়তা আৰু স্থিৰ মনোবলক, উচ্চ কণ্ঠে প্ৰশংসা কৰা নাই? হয়," এনেকুৱা কথা, এচুকলৈ দলি মাৰি পেলাই, পাহৰি যোৱা, শস্যৰগুটি এটা যেন,—য'ত অকল নিগনিয়েহে কামোৰ মাৰে,- মানুহে তেকুৱা বস্তু বুলি এৰি দিয়ে।"

তদুপৰি, ভিনিকিয়াচ্ নিৰাশো হ'ল যথেষ্ট। তেওঁ আশা কৰি আছিল,—কিছুমান ভয়ানক ৰহস্য মুকলি হোৱা দেখিবলৈ পাব,— আন নহলেও, বক্তৃতা শাস্ত্ৰৰ নিপুণ প্ৰয়োগকে শুনিবলৈ পাব। পিচে, যিখিনি শুনিলে, সি অসীম সৰলতাপূৰ্ণ শব্দ কিছুমানৰ বাহিৰে, একো নহয়। সেইবাবে, শ্ৰোতাসকলৰ গভীৰ মনোযোগে, তেওঁক অকণো টলাব নোৱাৰিলে।

এতিয়া সমবেত জনতাক, বুদ্ধই উপদেশ দিছে,— তেওঁলোক দয়ালু, শান্তিপ্ৰিয়, সত্যবাদী, সৎ হব লাগে,—আৰু ধন সম্পদক অৱজ্ঞাৰ চকুৰে চাব লাগে—যাতে তেওঁলোকে অকল এই পৃথিৱীতে নহয়, মৃত্যুৰ পাচতো খৃষ্টৰ সান্নিধ্য লাভ কৰি, চিৰকালৰ বাবে, জ্যোতিৰ্ম্ময় অস্তিত্ব লাভ কৰিবলৈ সমৰ্থ হয়। যুৱক বিচাৰপতিজনৰ মনত বিদ্বেষ থাকিলেও, তেওঁ এই ধৰ্ম্মমত, আৰু চিনিক্, ষ্টোইক আৰু অন্যান্য দাৰ্শনিক সম্প্ৰদায়ৰ মতবাদৰ মাজত থকা পাৰ্থক্য লক্ষ্য নকৰাকৈ নাথাকিল। পাৰ্থক্য এইখিনিতে যে, এইসকল দাৰ্শনিকে, ধৰ্ম্ম আৰু সততাক কেৱল মাত্ৰ এই জীৱনতে, যুক্তিসঙ্গতভাৱে প্ৰযোজ্য সম্পদ বুলি ভাবে; কিন্তু এইজন ধৰ্ম্ম-বক্তাই, তাৰদ্বাৰা অমৰত্বৰে পুৰস্কৃত হোৱাৰ কথা উল্লেখ কৰিছে। এই অমৰত্ব, যমপুৰীৰ ক্লান্তিপূৰ্ণ, নিঃসঙ্গ, ধ্বংসাত্মক অৱস্থাৰ মাজৰ যন্ত্ৰণাময় অমৰত্ব নহয়,—এই অমৰত্ব গৌৰৱমণ্ডিত, আৰু দেৱতাসকলৰ অমৰত্বৰ দৰে চিৰ জ্যোতিষ্মান। এনে এটা ভৱিষ্যত জীৱনৰ কথা পিচাৰে ইমান দৃঢ়তাৰে ঘোষণা কৰিলে যে, ইহ জগতত ঘটা অঘটনবোৰ, তাৰ তুলনাত একে-

বাবে নগণ্য বুলি সকলোৱে সহজে ভাবি লব পাৰে। অনন্তকাললৈ সুখ লাভ কৰিবৰ বাবে, থন্তেকলৈ ভোগ কৰা দুখৰ জীৱন, আৰু স্বাভাৱিক নিয়মত পাৰ্থিব কষ্ট ভোগ কৰি, জীয়াই থকাৰ মাজত, বহুত প্ৰভেদ আছে।

বৃদ্ধই পুনৰ জনালে,— ধৰ্ম্ম আৰু সত্যক, মানুহে এনেয়ে ভাল পাব লাগে। কাৰণ শুদ্ধ ধৰ্ম্ম, আৰু চিৰন্তন সত্যই হল ভগৱান। গতিকে দুয়োটা গুণকে যিজনে আদৰ কৰে, তেওঁ ভগৱানক ভাল পায়, আৰু তেওঁৰ পুত্ৰ-সদৃশ হৈ পৰে।

এই উপদেশ, ভিনিকিয়াচে সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিব নোৱাৰিলে। কিন্তু পম্পোনিয়া গ্ৰেচিনাই, পেট্ৰোনিয়াচক কোৱা কথাৰ পৰা, তেওঁ ইমানকে বুজি পাইছে যে, খৃষ্টিয়ানৰ মতে ঈশ্বৰ একজন, আৰু তেওঁ সৰ্ব্বশক্তিমান। এতিয়া তেওঁ জানিলে যে, সেইজন ঈশ্বৰ পৰম মঙ্গলময় আৰু পৰম সত্য। অজ্ঞাতসাৰে তেওঁৰ মনলৈ আহিল,—এনে একজন স্ৰষ্টাৰ তুলনাত, জুপিটাৰ, এপোলো, চেটাৰ্ণ জুনো, ভেষ্টা আৰু ভেনাচকে আদি কৰি, সকলো দেবদেৱীক, বহুবাৰ দলহে বুলিব পাৰি,—যি কেতিয়াবা দলৰ আটাইৰে আৰু কেতিয়াবা নিজৰ স্বাৰ্থৰ বাবে, নানা ধৰণৰ কামত লিপ্ত হয়। কিন্তু যুৱকজন আৰু বেচি আচৰিত হল, যেতিয়া বৃদ্ধৰ মুখত তেওঁ শুনিলে যে, ভগৱান প্ৰেমময়। সেইবাবে মানৱ জাতিক যিজনে ভাল পায়, সেইজনেহে ভগৱানৰ শ্ৰেষ্ঠ আদেশ পালন কৰে বুলি ধৰিব লাগিব।

কেবল স্বজাতিক ভালপোৱাই সকলো নহয়। কাৰণ মানৱৰূপী ভগৱানে, সমস্ত মানৱ জাতিৰ কল্যাণৰ বাবে ৰক্তাহুতি দিছিল। আমাৰ নিজৰ লগত ভাল ব্যৱহাৰ কৰা সকলকে যে, কেৱল ভাল পাব লাগিব, এনে নহয়। খৃষ্টই, তেওঁক মৃত্যুৰ মুখলৈ ঠেলি দিয়া ইহুদীইতক, আনকি তেওঁক ক্ৰুচবিদ্ধ কৰা ৰোমান সৈন্যকো ক্ষমা কৰিছিল। অন্যায়কাৰীক ক্ষমা কৰাই যথেষ্ট নহয়, তেওঁলোকক ভাল পাব লাগিব, আৰু অপকাৰৰ প্ৰতিদান, উপকাৰেৰে দিব লাগিব। কেৱল সৎ লোকক ভাল পালেই নহয়, অসৎ লোককো ভাল পাব লাগে। কাৰণ, সিহঁতৰ মনৰ অসৎভাব, অকল প্ৰেমেৰেহে নষ্ট কৰিব পাৰে। এই নিৰ্বোধজ্ঞা-বোৰ, শুনি শুনি চিলোৱে মনতে ভাবিলে, সি মিছাতে ইমান কষ্ট কৰিলে! উৰচাচে এতিয়া গ্লকাচক বধ কৰাৰ কথা কেতিয়াও নাভাবে,— আজি ৰাতি বা আন কোনো সময়তো এই কথা সি মনলৈ নানে। বৃদ্ধৰ নীতিবচন শুনি এই সিদ্ধান্তৰ হবে আৰু এটা নতুন সিদ্ধান্তত উপনীত হৈ, গ্লৌকচৌৱে অলপ

সকাহ পোৱাদি পালে। প্ৰকাচে তাক,— চিলোক, কেনেবাকৈ চিনি পালেও কেতিয়াও বধ নকৰে।

এতিয়াহে ভিনিকিয়াচে, ধৰ্ম্মজ্ঞ পুৰুষজনৰ কথাত নতুনত্ব নাই বুলি, দোষ দিব নোৱাৰা হ'ল। তথাপিও, নিজকে তেওঁ বাৰে বাৰে প্ৰশ্ন কৰিলে,—এইবোৰৰ অৰ্থ কি আৰু তাত উপস্থিত থকা সকল কি ধৰণৰ মানুহ! ভাবিব নোৱাৰা শূন্যতাৰ মাজত, তেওঁ যেন হেৰাই গল। অসীম আৰু অস্পৃষ্ট এই শূন্যতা! এই সমাধি ক্ষেত্ৰই বলিয়া মানুহক আশ্ৰয় দিছে বুলি, তেওঁৰ মনলৈ আহিল। এই ৰহস্যাবৃত আচৰিত ঠাইত, এখন ৰহস্যময় শয্যাত, এটা নতুন আদৰ্শবাদে জন্ম গ্ৰহণ কৰিবি খুজিছে। বৃদ্ধই, জীৱন, সত্য, ভগৱৎ প্ৰেম সম্বন্ধে কোৱা কথাই, যুৱকৰ চিন্তাধাৰাত তোলপাৰ লগালে।

লিজিয়া প্ৰেমৰ বাহিৰে, আৰু কোনো ভাৱনা নাছিল, তেওঁৰ মনত। শুনি যোৱা প্ৰতিটো কথাকে, তেওঁ এই প্ৰেমৰ মাধ্যমেৰে বিচাৰ কৰি চালে। তেওঁৰ মনত, এটা কথা স্পষ্ট হৈ দেখা দিলে —লিজিয়া যদি এই কবৰস্থানত উপস্থিত আছে, তেন্তে এই ধৰ্ম্মৰ প্ৰভাৱত, তাই কেতিয়াও, কোনোদিনে, তেওঁৰ ৰক্ষিতা হবলৈ নাযায়। তেওঁ তাইক ধৰি নিব পাৰিব, কিন্তু নিজৰ কৰি লব নোৱাৰে।

জুই জলোৱা ডাঙৰ কেৰাহীখনলৈ আৰু কিছুমান খৰিৰ টুকুৰা দলিয়াই দিয়া হ'ল। এতিয়া সৰল গছৰ মাজেদি বলা বতাহৰ শব্দ নোহোৱা হল। জোৰ বাতিৰ জুই শিখা পোণে পোণে ওপৰলৈ,—তিৰবিৰাই থকা তৰাবোৰৰ ফাললৈ উঠিবলৈ ধৰিলে। গলগোথা পাহাৰত ঘটা, চিৰস্মৰণীয় সেই মৃত্যুৰ কাহিনীৰ বিস্তাৰিত বৰ্ণনা দি, বৃদ্ধই কেৱল, খৃষ্টৰ কথাকে কবলৈ ধৰিলে।

এই মানুহজনে তেওঁক দেখিছিল বুলি ভাবিলে, শৰীৰ ৰোমাঞ্চিত হৈ উঠে। পিটাৰে কবলৈ ধৰিলে —কেনেকৈ পবিত্ৰ ক্ৰুচৰ ঠাই এৰি আহি তেওঁ দুদিন, দুৰাতি, জনৰ লগত আছিল। তেওঁ খাব শুব পৰা নাছিল। মাত্ৰ বাৰে, বাৰে, ইয়াকে কৈছিল, "প্ৰভুৰ মহাপ্ৰয়াণ ঘটিল। প্ৰভুৱে আমাক এৰি থৈ গল।" দুখ, বেজাৰ, অপমান, ভয় আৰু অনিশ্চয়তাৰে তেওঁৰ মন ভৰি উঠিছিল। তৃতীয় দিনা উঠিয়ে, জন আৰু তেওঁ আগৰ দৰে একেলগে বহি, বিলাপ কৰি আছিল। এনেতে মেৰি মাগ্ডালিনে, আউলি, বাউলি হৈ লৰি আহি, কোঠাত সোমায়ে, ফেঁপাই জেঁপাই চিঞৰি কলে, "প্ৰভুক সিহঁতে লৈ গুচি

গ'ল।" এই কথা শুনি সকলো লৰি আহিল সমাধি স্থানলৈ। সকলোতকৈ আগতে, জন আহি উপস্থিত হ'ল যদিও, তেওঁ শূন্য হৈ থকা সমাধিৰ ভিতৰত সোমাবলৈ, সাহ নকৰিলে। লগৰীয়া দুজনেৰে সৈতে, তাত উপস্থিত হৈ পিটাৰে সমাধিৰ ভিতৰত সোমাই দেখিলে, শিলৰ মজিয়াৰ ওপৰত, শবাচ্ছাদন আৰু গাত মেৰিয়াই লোৱা কাপোৰখন পৰি আছে,—মৃতদেহ নাই। ইয়াকে দেখি, তেওঁলোকে ভাবিলে যে, পুৰোহিত বিলাকে খৃষ্টৰ নশ্বৰ দেহ আঁতৰাই নিছে। আগতকৈও বেচি মৰ্ম্মাহত হৈ, সকলো ঘৰলৈ উলটি গল। লাহে, লাহে আন শিষ্যসকলো আহিল, আৰু সকলোৱে বিলাপ কৰি কান্দিবলৈ ধৰিলে। বিশ্ব ব্ৰহ্মাণ্ডৰ গৰাকী, ভগ-ৱানৰ চৰণত, সকলোৱে মৰ্ম্ম বেদনা জনাই, চকুলো বোৱালে। সকলোৱে আশা কৰিছিল,— প্ৰভুৱে ইজৰাইলক উদ্ধাৰৰ পথ দেখুৱাব। কিন্তু এতিয়া, এই আশা গ'ল— কাৰণ প্ৰভুৰ মৃত্যুৰ তৃতীয় দিন এইটো।

সেই ভয়ানক সময়ৰ স্মৃতিয়ে আজিও বৃদ্ধৰ চকুলো বোৱালে। জুইৰ পোহৰত দেখা গল,—তেওঁৰ বগা ডাড়িৰ ওপৰেদি, টোপ্ টোপকৈ চকুপানী পৰিছে। কান্ধ-দুটাৰ মাজত, তেওঁৰ নগ্ন মস্তক, নত হৈ পৰিছে, আৰু তেওঁৰ কণ্ঠস্বৰ কণ্ঠৰ ভিতৰতে লীন গৈছে।

"মানুহজনে সঁচা কথা কৈছে,"— ভিনিকিয়াচে স্বগতোক্তি কৰিলে। একান্ত ভক্তসকলে প্ৰভুৰ যন্ত্ৰণাৰ কাহিনী, আগতেও বহুবাৰ শুনিছে। তেওঁলোকে জানে যে, এই বেদনাৰ অন্তত, আনন্দই দেখা দিছিল। তথাপিও, বৃদ্ধৰ কথাই তেওঁলোকৰ প্ৰাণত গভীৰ সঁচ বহুৱালে। কাৰণ, তেওঁ খৃষ্টৰ প্ৰধান শিষ্য আৰু তেওঁ নিজ চকুৰে দেখা কথাকে জনাইছে। দুয়ো হাত চেপি ধৰি, সকলোৱে হিয়া ঢাকুৰি কান্দিবলৈ ধৰিলে। বৃদ্ধই চকু দুটা মুদি দিলে,—যেন মনৰ চকুৰে সুদূৰ অতীতক ভালদৰে চাই লব খুজিছে!

তাৰ পাচত তেওঁ কবলৈ ধৰিলে, "এইদৰে সকলোৱে বিলাপ কৰি থাকোঁতে, মেৰি মাগ্ডালিন্ পুণৰ লৰ মাৰি সোমাই আহি, চিঞৰি কলে,—তেওঁক প্ৰভুৱে আহি দেখা দিছে। কিন্তু উজ্জল ৰশ্মিয়ে চকুত ছাটমাৰি ধৰাত, তেওঁক বাগি-চাৰ মালি বুলি ভুল কৰিছিল। কিন্তু প্ৰভুৱে যেতিয়া তেওঁক নাম ধৰি মাতিলে, তেতিয়া "হে পৰম গুৰু" বুলি কৈ তেওঁ প্ৰভুৰ চৰণত লুটি খাই পৰিল। অৱ-শেষত, শিষ্যসকলক এই কথা জনাবলৈ কৈ তেওঁ অন্তৰ্দ্ধান হৈ গল। কিন্তু শিষ্যসকলে মেৰিৰ কথা বিশ্বাস কৰিব খুখুজিলে। মেৰিয়ে যেতিয়া আনন্দৰ

চকুলো টুকিবলৈ ধৰিলে, তেতিয়া কিছুমানে তেওঁক অগ্ৰাহ্য কৰিলে, আৰু কিছুমানে ভাবিলে, নিশ্চয় শোকৰ আঘাতত, তেওঁৰ জ্ঞান, বুদ্ধি লোপ পাইছে। যেতিয়া তেওঁ বাৰে, বাৰে, কবলৈ ধৰিলে যে সমাধিৰ সন্মুখত, দুজন দেৱদূত বহি থকা দেখিবলৈ পাইছিল, তেতিয়া সকলোৱে তেওঁক পাগলী বুলি ধৰি ললে। শিষ্য-সকল পুণৰ সমাধি স্থানলৈ উলটি গল আৰু শুদা সমাধিটো দেখিলেগৈ। কিন্তু গধূলি পৰত, ক্লিওফাচে সংবাদ দিলেহি,—প্ৰভুৰ সঁচাকৈয়ে পুণৰুত্থান ঘটিছে। ইহুদীইতৰ ভয়ত দুৱাৰ ঘৰ বন্ধ কৰি শিষ্যসকলে নিজৰ ভিতৰতে বাক-বিতণ্ডা কৰি আছিল। এনেতে হঠাৎ বন্ধ দুৱাৰ নোখোলাকৈ, প্ৰভুৱে কোঠাৰ ভিতৰত দেখা দিলেহি। শিষ্যসকলৰ মাজলৈ আহি, তেওঁ কলে, "তোমালোকৰ শান্তি হওক!"

"হয়' আনবোৰৰ লগতে মইও তেওঁৰ দৰ্শন লাভ কৰিছিলো। আমাৰ হৃদয় পোহৰ হৈ উঠিছিল। তেওঁৰ পুণৰুত্থান ঘটিছে বুলি, আমাৰ বিশ্বাস হৈছিল। সাগৰো যদি এদিন শুকাই যায়, পৰ্ব্বতবোৰো যদি খহি পৰি ধূলিৰ লগত মিলি যায়, তথাপিও তেওঁৰ মহিমা অখণ্ড হৈ ৰ'ব,—আমাৰ মনলৈ দৃঢ় বিশ্বাস আহিছিল।

আঠ দিনৰ পাচত, টমাচ্ ডিডাইমাচে প্ৰভুৰ দেহ স্পৰ্শ কৰি ক্ষত স্থানত আঙুলি বুলাই দিছিল আৰু প্ৰভুৰ পদত লুটি খাই পৰি, কান্দি, কান্দি কৈছিল, "হে মোৰ প্ৰভু! হে ভগৱান!" প্ৰভুৱে তেতিয়া এই কথা কৈছিল, "টমাচ! তুমি নিজ চকুৰে দেখিছা বাবে, বিশ্বাস কৰিছা। কিন্তু যি সকলে দেখা নাই, অথচ বিশ্বাস কৰিছে, সেই সকলকো মই আশীৰ্ব্বাদ দিছো।" আমি থিয় হৈ, এই কথা শুনিছিলো। আমাৰ চকুৱেও তেওঁৰ ৰূপ দেখিবলৈ পাইছিল, কাৰণ আমাৰ মাজতো তেওঁ দেখা দিছিল।"

তিনিকিয়াচে শুনি গৈছিল; কিন্তু বৃদ্ধৰ কথা মানি লবলৈ, তেওঁ অকণো প্ৰস্তুত নাছিল। তথাপিও, তেওঁ অনুভৱ কৰিছিল, বৃদ্ধই "আমি দেখিছিলো' বুলি কোৱা কথা মিছা বুলি ধৰিলে অন্ধ অথবা যুক্তিহীন ব্যক্তি হ'ব লাগিব। পিটাৰৰ প্ৰগাঢ় অনুভূতি, তেওঁৰ চকুলো, তেওঁৰ সমগ্ৰ ব্যক্তিত্ব, আৰু তেওঁ ব্যক্ত কৰা ঘটনাৱলীৰ প্ৰতিটো বিবৰণ,—এই আটাইবোৰতে, সকলো সন্দেহ মচি পেলাব পৰা, কিবা এটা গুণ নিহিত হৈ আছে। মাজে, সময়ে, তিনিকিয়াচৰ সপোন দেখাৰ দৰে, লাগিবলৈ ধৰিলে। কিন্তু যেতিয়া নিস্তব্ধ জনতা তেওঁৰ

দৃষ্টিগোচৰ হয়, চাকিৰ ধোৱাঁৰ গোন্ধ পায়, আৰু দূৰত জ্বলি থকা জোৰ-বাত্তিবোৰ তেওঁৰ চকুত পৰে, তেতিয়া, কাষৰ পাহাৰৰ দাঁতিত থিয় দি থকা, বৃদ্ধৰ উপস্থিতি সম্বন্ধে, তেওঁৰ মন সজাগ হৈ উঠে। ঈষত কম্পিত মস্তকেৰে মৃত্যুৰ কাষ চাপি যোৱা বৃদ্ধই, সাক্ষী প্ৰমাণ দি কোৱা তেওঁ শুনিবলৈ পালে, "এই আটাইবোৰ মই নিজ চকুৰে দেখা কথা!"

তাৰ পাচত ধৰ্ম্ম-বক্তাজনে, ত্ৰাণকৰ্ত্তা প্ৰভুৰ স্বৰ্গাৰোহণলৈকে, সকলো কাহিনী বৰ্ণনা কৰিলে। মাজে সময়ে, তেওঁ অলপ বৈ জিৰণি ললে। কাৰণ, তেওঁ গোটেইটো ঘটনা, এনেদৰে বৰ্ণনা কৰিছিল যেন, কথাবোৰ শিলত কাটি, লেখি থোৱাৰ দৰে, তেওঁৰ অন্তৰত খোদিত হৈ আছে। শ্ৰোতা সকলে, মন্ত্ৰ-মুগ্ধ হৈ শুনিবলৈ ধৰিলে। তেওঁলোকক যেন, অতি মানবীয় শক্তি এটাইহে, গেলিলিত উপস্থিত কৰাইছে, শিষ্যসকলৰ সৈতে, তেওঁলোকো যেন, হাবিয়ে, বননিয়ে, হ্ৰদৰ পাৰেদি, খোজ কাঢ়ি গৈ আছে! তেওঁলোকৰ বাবে, ওচ্‌ট্ৰিয়ানামৰ কবৰস্থান টাইবেৰিয়াচ্‌ হ্ৰদলৈ ৰূপান্তৰিত হ'ল। সেই হ্ৰদৰ পাৰত, পুৱাৰ কুঁৱলীৰ মাজেদি, তেওঁলোকে যেন খৃষ্টক থিয় দি থকা দেখিবলৈ পালে। জনে জাহাজৰ পৰা চাই, তেওঁক দেখি, 'প্ৰভুক চোৱা', বুলি কওঁতে, আৰু পিটাৰে, প্ৰভুৰ পদযুগল স্পৰ্শ কৰিবলৈ, পানীত জাপ দি পৰোতে, যি ভঙ্গীৰে, তেওঁ থিয় দি আছিল, সেই একেটা ভঙ্গীতে, সকলোৱে যেন তেওঁক দেখিবলৈ পালে। অপৰিসীম আনন্দৰ জোঁৱাৰ উঠিল, উপস্থিত ভক্তবৃন্দৰ মাজত। তেওঁলোকৰ আত্মবিস্মৃতি ঘটিল। তেওঁলোকৰ সুখৰ, তেওঁলোকৰ প্ৰেম-ভক্তিৰ যেন তুলনা নাই। পিটাৰে বৰ্ণনা দি থাকোঁতে, সৰহ ভাগেই অনুভৱ কৰিলে, চকুৰ আগতে যেন, সকলো দেখিছে! পিটাৰে যেতিয়া কবলৈ ধৰিলে, স্বৰ্গাৰোহণ কালত, কি দৰে ত্ৰাণকৰ্ত্তাৰ চৰণ-তলত মেঘ আহি, গোট খাইছিল আৰু শিষ্যসকলৰ সন্মুখৰ পৰা, তেওঁৰ ৰূপ ঢাক খাই গৈছিল, তেতিয়া প্ৰত্যেকে অজ্ঞাতসাৰে উৰ্দ্ধলোকলৈ মুৰ দাঙি চাবলৈ ধৰিলে, আৰু বহু সময় একেথিৰে ৰ'ল। এই মানুহবিলাকৰ মানত, এতিয়া ৰোম নাই, পগলা চিজাৰ নাই, মন্দিৰ নাই, দেৱতা নাই,—মূৰ্ত্তি উপাসক নাই,—কেৱল আছে, খৃষ্ট। পৃথিবী, আকাশ, সাগৰ আৰু গোটেই বিশ্ব জুৰি, আছে, একমাত্ৰ খৃষ্ট!

ভায়া নোমেন্‌টানা পথত থকা দূৰৰ ঘৰবোৰত, কুকুৰাই ডাক দিলে,—দুপৰ ৰাতি ঘোষণা কৰি। হঠাৎ ভিনিকিয়াচৰ কাপোৰত টান মাৰি, চিলোৱে লাহেকৈ কলে,

"প্ৰভু—তাত—বুঢ়া মানুহজনৰ ওচৰতে, মই আৰ্ বানক আৰু তাৰ কাষত ছোৱালীজনীকো দেখিবলৈ পাইছো।"

শুই থকা মানুহ্ এজন হঠাৎ সাৰ পাই উঠাৰ দৰে, ভিনিকিয়াচ জাপমাৰি উঠিল আৰু চিলোৱে দেখুৱা ফালে উলটি চালে। লিজিয়াক চকুৰ আগতে দেখিবলৈ পালে তেওঁ।

॥ ২০

হয়, তেওঁ লিজিয়াকে দেখিলে,—এইয়া লিজিয়াৰ বাহিৰে, আন কোনো নহয়। অৱশেষত,—অৱশেষত, ইমানবোৰ চেষ্টাৰ পাচত, ইমানবোৰ চিন্তাক্লিষ্ট, কষ্টকৰ, হতাশাৰ দিন পাৰ হৈ হোৱাৰ পাচত, তেওঁ পুণৰ তাইক বিচাৰি পালে। বন্য জন্তুৱে আক্ৰমণ কৰাৰ দৰে, আনন্দইও মানুহক আক্ৰমণ কৰি, বুকুত হেঁচা মাৰি ধৰি, উশাহ, নিশাহ বন্ধ কৰি দিব পাৰে! যিজন মানুহে তেওঁৰ প্ৰতিটো বাসনা পূৰ্ণ কৰিবলৈ, ভাগ্যদেৱী বাধ্য বুলি সদায় মনতে ভাবিছিল, সেইজন মানুহেও, নিজৰ চকু দুটাকে যেন অবিশ্বাস কৰিলে! এনে সুখ সম্ভৱপৰ বুলি যেন ভাবিবই নোৱাৰিলে। কিংকৰ্ত্তব্যবিমোৰ অৱস্থাত নপৰা হলে, তেওঁৰ গোঁৱাৰ প্ৰকৃতিয়ে, মুহূৰ্ত্তৰ উত্তেজনাত অবিবেচকৰ দৰে কাম কৰি পেলালেহেঁতেন। কিন্তু তেওঁ যে সপোন দেখা নাই, প্ৰথমতে এই বিষয়ে নিশ্চিত হব খুজিছে। তেওঁৰ মগজুত ঠাহ খাই থকা আচৰিত কাহিনীবোৰৰ অন্তৰ্গত নহয়, এই দৃশ্য! হয়, এইয়া সঁচাকৈয়ে লিজিয়াই! তেওঁ তাইক চকুৰ আগতে দেখিছে,—ব্যৱধান, মাত্ৰ ১০।১২ খোজ। তদুপৰি উজ্জ্বল পোহৰত তাই থিয় দি আছে। মূৰৰ ওপৰৰ কাপোৰখন পিচলি যোৱাত, চুলিবোৰ আউলি, বাউলি হৈ পৰিছে; মুখখন আধা মেলা। ধৰ্ম্ম বক্তাজনলৈ মনোযোগেৰে একদৃষ্টে চাই থাকোতে, তাইৰ সমস্ত সত্বাৰ মাজেদি যেন আনন্দৰ ঢৌ বাগৰি গৈছে। সাধাৰণ মানুহৰ ঘৰৰ ছোৱালীৰ দৰে, তাই ক'লা উৰ্ণা কাপোৰ এখন কান্ধৰ ওপৰত পেলাই লৈছে। কিন্তু ভিনিকিয়াচে আগতে কেতিয়াও তাইক ইমান ধুনীয়া দেখা নাছিল। উত্তেজিত অৱস্থাৰ মাজতো ভিনিকিয়াচে লক্ষ্য কৰিলে—সাধাৰণ সাজেৰে সজ্জিতা যদিও, তাইৰ উন্নত শিৰ

বাজীৰ দৰে। বিস্ময়াভিভূত হৈ, একেথিৰে তেওঁ চাই থাকিল। তেওঁৰ মনটো জুইয়ে পোৱাৰ দৰে পুৰিবলৈ ধৰিলে। মৰ্ম্ম বেদনা, আৰাধনা, সম্ভ্ৰম, আৰু বাসনাৰে মিহলি হোৱা প্ৰেমৰ উত্তাপত, তেওঁৰ গোটেই শৰীৰ কঁপিবলৈ ধৰিলে। নিৰ্ম্মল নিজৰাৰ পানী খাই তৃপ্তি লাভ কৰা মানুহ এজনৰ দৰে, এই নিৰ্ম্মল ৰূপ সুধা আকণ্ঠ পান কৰি তেওঁৰ তৃষিত প্ৰাণে তৃপ্তি লাভ কৰিলে। প্ৰকাণ্ড লিজিয়ানটোৰ কাষত, তাইক শিশু এটিৰ দৰে দেখা গৈছে। ভিনিকিয়াচে মন কৰিলে, তাই আগতকৈ ক্ষীণাইছে। তাইৰ গাৰ বৰং ইমান উজ্জল হৈ পৰিছে যে, পোহৰবোৰ গাৰ ভিতৰলৈকে সোমাই গৈ যেন, তাইক এপাহি ফুল, নাইবা এটি অশৰীৰী সত্বাত পৰিণত কৰিছে। আকৌ এবাৰ তাইক পোৱাৰ আশাই তেওঁৰ অন্তৰ দহি নিলে। প্ৰাচ্য দেশত, বা ৰোমত, তেওঁ দেখা, বা তেওঁৰ নিবিড় সান্নিধ্যলৈ অহা সকলো নাৰীতকৈ বেলেগ, এই নাৰী! তেওঁৰ অনুভূতি তীব্ৰ হৈ উঠিল। তাইৰ কাৰণে, তেওঁ সকলো ত্যাগ কৰিবলৈ প্ৰস্তুত! ৰোম,—আনকি, গোটেই পৃথিৱীকে, ত্যাগ কৰিব পাৰিব,—তাইৰ বাবে!

ভিনিকিয়াচে কিবা নকৰিবলগীয়া কাম কৰি পেলায় বুলি, চিলোৱে তেওঁৰ চোলাৰ হাতখনত পুণৰ টান মাৰি দিলে। নহলে তেওঁ হয়তো, এইদৰে চিন্তাৰ সাগৰতে উটি, বুৰি ফুৰিলেহেঁতেন। খৃষ্টিয়ানসকলে পুণৰ প্ৰাৰ্থনা গীত আৰম্ভ কৰিলে। শেষত তেওঁলোকে 'মাৰানাথা' ("প্ৰভুৰ আবিৰ্ভাৱ ঘটিছে," বুলি প্ৰাচীন খৃষ্টিয়ান সম্প্ৰদায়ে যি প্ৰাৰ্থনা গীত গাই, পৰম্পৰৰ মাজলৈ বিশ্বাসৰ দৃঢ়তা আৰু প্ৰতিজ্ঞাবদ্ধ পবিত্ৰ ভাব আনিছিল, তাক এই নামেৰে জনা যায়) গালে। গীত শেষ হোৱাৰ লগে, লগে, মহান ধৰ্ম্মাত্মাজনে, অন্যান্য পুৰোহিতে তেওঁৰ ওচৰলৈ আগবঢ়াই দিয়া, বহুতো লোকক, নিজৰাৰ পানীৰে দীক্ষাস্নান কৰালে। ভিনিকিয়াচৰ মনলৈ আহিল, ৰাতিটো যেন আৰু শেষেই নহয়। লিজিয়াৰ পিচে, পিচে গৈ, তাইক ধৰি লৈ যোৱাৰ সময় কেতিয়া আহিব?

অৱশেষত, কেইজনমান খৃষ্টিয়ানে কবৰস্থান ত্যাগ কৰি যোৱা দেখি, চিলোৱে গুণগুণাই কলে, "প্ৰভু, আমিও ওলাই লৈ, দুৱাৰমুখত বৈ থাকোঁ। কাৰণ, আমি এতিয়াও মূৰ ঢাকি আছোঁ বাবে, কিছুমানে ৰবকৈ চাইছে।"

চিলোৰ কথা মতেই কাম হল। দলটো গৈ, য'ত থিয় দি ৰ'ল, ওলাই অহা প্ৰতিজন মানুহকে, তাৰপৰা দেখা যায়। উৰ্চাচৰ প্ৰকাণ্ড শৰীৰটো কোনেও নেদেখাকৈ নাথাকে।

"আমি সিহঁতৰ পিচ ল'ম।" চিলোৱে কলে, "সিহঁত কোনটো ঘৰত সোমায়, চাই থাকিম। তাৰ পাচত, কাইলৈ বা আজিয়ে, আপুনি দাসহঁতৰে সৈতে ঘোঁৰাত উঠি আহি, সিহঁত থকা ঘৰটোৰ পৰা বাহিৰলৈ ওলাই যাব পৰা আটাইবোৰ বাটতে পহৰা দিয়াব আৰু ছোৱালীজনী বাহিৰলৈ ওলাই অহা মাত্ৰকে ধৰি পেলাব।"

"নহয়, নহয়।" ভিনিকিয়াচে অসন্মতি প্ৰকাশ কৰিলে।

"তেন্তে আপুনি কি কৰিব খোজে, প্ৰভু?"

"শুন, আমি ঘৰৰ ভিতৰলৈকে, তেওঁৰ পিচে, পিচে যাম, আৰু ঠাইতে তেওঁক দাঙি লৈ আহিম। ক্ৰোটো, বুজিছা নহয়, কি কৰিব লাগিব?"

"হয় প্ৰভু। তেওঁক ৰক্ষা কৰি থকা, এই মহটোৰ ঠেঙ ভাঙিব নোৱাৰো যদি, মই চিৰদিন আপোনাৰ দাস হৈ থাকিম।"

সকলো দেৱতাৰ নাম লৈ, চিলোৱে সঙ্গী দুজনক অনুনয় কৰিলে, তেওঁলোকে যেন এই পন্থা নলয়। মাত্ৰ আত্মৰক্ষাৰ বাবেহে ক্ৰোটোক জগত অনা হৈছে,— কেনেবাকৈ ধৰা পৰিলে, সি ৰক্ষা কৰিব বুলি ভাবি। ছোৱালীজনীক কাঢ়িয়াই নিবলৈ তাক অনা নাই। সহায় নোলোৱাকৈ তেওঁক ধৰিবলৈ গলে, মৃত্যুৰ মুখলৈহে আগবাঢ়ি যোৱা হ'ব। তদুপৰি, তেওঁ পলাইও যাব পাৰে। সেয়ে হ'লে, তেওঁ পুণৰ ক'ৰবাত লুকাই থাকিবগৈ বা ৰোম এৰি, একেবাৰে গুচি যাব। তেতিয়া কি উপায় হব? এটা নিশ্চিত পথ লব নোৱাৰি জানো? নিজকে ধৰা দি, সকলো পণ্ড কৰিব খোজে কিয়?

লিজিয়াক নিজ হাতেৰে ধৰি নিয়াৰ,— সেই কবৰ স্থানৰ পৰাই, তাইক বুকুত বান্ধি লৈ যোৱাৰ অদম্য ইচ্ছাৰ বিৰুদ্ধে তুমুল সংগ্ৰাম চলি আছিল,—ভিনি-কিয়াচৰ মনত। তেওঁ অনুভৱ কৰিলে,—গ্ৰীকটোৰ কথাই সত্য। প্ৰকৃততে তেওঁ তাৰ উপদেশ অনুসৰি কাম কৰিলেহেঁতেন। কিন্তু পূৰ্বৰ্ব্বাৰৰ বাবে আশা পালি থকা ক্ৰোটোৱে বাধা দি কলে, "হে প্ৰভু! এই বুঢ়া গাধটোক মুখ চম্ভালিবলৈ কওক, নহলে মই তাৰ মূৰত বেচকৈ টকৰিয়াম। বান্নএন্টামত লুচিয়াচ্ চেটাৰ্‌নিয়াচে এবাৰ মোক, খেল দেখুৱাবলৈ মাতিছিল। তাৰে এখন চৰাইখানাত, সাতোটা মদপী মাল যুজঁকৰে, মোক আক্ৰমণ কৰিছিল। কিন্তু এটাও ভালে ভালে সাৰি নগল, মোৰ হাতৰ পৰা। ছোৱালীজনীক এতিয়াই দলৰ মাজৰ পৰা তৎক্ষণাৎ ধৰি নিয়াৰ কথা মই কোৱা নাই।

কাৰণ, সিহঁতে আমাৰ গালৈ পিস্‌ দলিয়াই, হাত, ভৰি ভাঙি পেলাব পাৰে। মই মাত্ৰ ইয়াকে কওঁ,— তেওঁ গৈ ঘৰ পোৱা মাত্ৰকে, মই তেওঁক দাঙি লৈ গুচি আহিম, আৰু আপুনি যলৈকে নিবলৈ ইচ্ছা কৰে, তালৈকে নিম।"

"হয়, হাৰকিউলিজৰ কৃপাত, এইয়ে হ'ব।" ভিনিকিয়াচে ঘোষণা কৰিলে।

"কিন্তু", চিলোৱে কাতৰভাৱে কলে, "মোৰ মনেৰে, লিজিয়ানটো ভয়ানক শক্তিমান।"

"হলেও তই তাৰ লগত যুঁজিবলৈ নাযাব নহয়!" ক্ৰোটোৱে টান কৈ কলে।

যি কি নহওক, তেওঁলোক আৰু কিছুপৰ বৈ থাকিব লগা হল। কাৰণ, উষাৰ সময়ত, কুকুৰাই ডাক দিয়াৰ পাচতহে, উৰচাচ্‌ আৰু লিজিয়া, ভিতৰৰ পৰা ওলাই আহিল। তেওঁলোকৰ লগত থকা মানুহবোৰৰ ভিতৰত চিলোৱে মহান ধৰ্ম্ম-বক্তাজনকো দেখিবলৈ পালে। লগত আহিছে, তেওঁতকৈ চাপৰ, আৰু এজন বৃদ্ধ, দুগৰাকী বয়সস্থা তিৰোতা, আৰু হাতত চাকি লৈ থকা এটা সৰু লৰা। এই সৰু দলটোৰ পিচে, পিচে, দুশমান খৃষ্টিয়ানৰ দল এটা আহি আছে। ভিনিকিয়াচ, ক্ৰোটো, আৰু চিলোৱে লৰালৰিকৈ এই দলটোৰ মাজত সোমাই, লুকাই গল।

"হয় প্ৰভু", গ্ৰীকটোৱে মন্তব্য কৰিলে, "আপোনাৰ এই কুমাৰী কন্যাটি, প্ৰভাৱশালী লোকৰ দ্বাৰা সুৰক্ষিতা। চাওঁক, ধৰ্ম্মগুৰুজন কেনেকৈ তেওঁৰ লগে, লগে আহিছে। আগে, আগে, অহা মানুহবোৰে, তেওঁক দেখি আঠু কাঢ়িছে।"

লাহে, লাহে, দিনৰ পোহৰ নামি আহিল। দালানবোৰৰ ওপৰত, ম্লান পোহৰ পৰিল। গছ-গছনি, প্ৰাচীৰ, আৰু পথৰ কাষত থকা মৃতকৰ স্মৃতি-সৌধবোৰ, লাহে লাহে ছাঁৰ মাজৰ পৰা ওলাই আহিল। পথত জনসমাগম বেচি নহয়। মাত্ৰ, শাক-পাচলিৰ বেপাৰী কেইজনমানে, খচ্চৰ আৰু গাধৰ পিঠিত বস্তু বোজাই কৰি, নগৰৰ দুৱাৰ মুকলি হোৱাৰ লগে, লগে, সোমাবৰ বাবে, খৰখেদা লগাইছে। অ'ত ত'ত চৰাই, চিৰিকতি নিয়া গাড়ীৰ শব্দও, শুনা গৈছে। উজ্জল দিন এটাৰ সম্ভাবনা দেখুৱাই, কুঁৱলীবোৰ পাতল হৈ ওপৰলৈ

উঠিছে। তাৰ মাজেদি, ছাঁয়া মূৰ্ত্তিৰ দৰে মানুহবোৰ গৈ আছে। কিন্তু, ভিনিকিয়াচৰ চকু লিজিয়াৰ কুশ দেহৰপৰা, মুহূৰ্ত্তলৈও আঁতৰা নাই।

"হে প্ৰভু", চিলোৱে পুণৰ কলে, "মই আকৌ এবাৰ কওঁ, পবিত্ৰ-হৃদয়া লিজিয়া ক'ত থাকে, জানি লৈয়ে আপুনি ঘৰলৈ উলটি যাওক। তাৰ পাচত এদল দাসৰ সৈতে, দোলা এখন পঠিয়াই দিব। ক্ৰোটো বুলিবৰ এই হাতীডালৰ কথা নুশুনিব। সি আপোনাক পাত চোচা দিবৰ বাবেহে কৈছে,—ছোৱালী জনীক জোৰ কৰি অনাৰ কথা।"

"মোৰ হাতৰ মাৰ তোৰ দুই কান্ধৰ মাজত পৰিব নালাগে যদি, সাৱধানে থাক।" ক্ৰোটোৱে কলে, "এইদৰে পেন পেনাই থাকিলে, তোৰ ফালে আধ্যা পৰিব জানি লবি।"

"তইও সাৱধান হ'বি। নহলে, চেফালোনিয়াৰ সাধাৰণ মদ এবটলো ভাগ্যত নিমিলিব।" চিলোৱে কলে, "তই কোৱাৰ দৰে অৱস্থা মোৰ নহয়।"

এতিয়া সিহঁত আহি, নগৰৰ দুৱাৰমুখ পাইছেহি। ইয়াতে এটা আচৰিত দৃশ্য, সিহঁতৰ চকুত পৰিল। দুজন সৈনিকে, গুৰুজনৰ পদ তলত আঠু লৈছে, আৰু তেওঁ, সিহঁতৰ পিতলৰ টুপীৰ ওপৰত হাত থৈ, ক্ৰচ চিন আঁকি, আশীৰ্ব্বাদ দিছে। ৰোমান সৈন্যৰ মাজতো, খৃষ্ট-ধৰ্ম্মী লোকক লগ পাব বুলি, ইয়াৰ আগতে, সম্ভ্ৰান্ত যুৱকজনে, কেতিয়াও ভৰা নাছিল। এই দৃশ্য দেখি, তেওঁৰ মনলৈ আহিল,—এই ধৰ্ম্মমতৰ সঁচাকৈয়ে এটা আচৰিত শক্তি আছে,—যাৰ বলত, ই এইদৰে প্ৰসাৰ লাভ কৰিছে। লিজিয়াই নগৰৰ পৰা পলাই যাব খোজা হলেও, পথত প্ৰহৰী হৈ থকা সেনাই হয়তো চকু মুদি থাকিলেহেঁতেন।

নগৰৰ প্ৰাচীৰৰ ভিতৰত থকা, মুকলি ঠাইবোৰ অতিক্ৰম কৰাৰ পাচত, খৃষ্টিয়ানসকল ভিন, ভিন দলত বিভক্ত হৈ, দিশে, দিশে যাবলৈ ধৰিলে, গতিকে লিজিয়াক, দূৰে, দূৰে বেচি সতৰ্কতাৰে অনুসৰণ কৰিব লগা হ'ল। টাইবাৰ নৈ পাৰ নোহোৱালৈকে, সিহঁত একেদৰে গৈ আছিল। এনে সময়তে, পূব আকাশত বেলিয়ে দেখা দিলে। এইবাৰ লিজিয়াৰ দলটো দুভাগ হ'ল। ধৰ্ম্মাত্মাজন, বুঢ়ী কেইগৰাকী, আৰু লৰাটো, নৈৰ কাষে, কাষে গৈ থাকিল। লিজিয়া আৰু উৰচাচৰ সৈতে, চাপৰ বুঢ়াজন, এটা ঠেক পথৰ ফালে ঘূৰিল। তাৰ পাচত এশ খোজমান গৈ এটা ঘৰৰ আগ চোতাল পালেহি। এই ঘৰৰ তলৰ মহলাত, এটা তেলীয়া আৰু এটা চৰাই ধৰা মানুহ থাকে।

চিলোৱে পঞ্চাশ খোজমান আঁতৰে, আঁতৰে, ক্রোটো আৰু ভিনিকিয়াচৰ পিচে, পিচে আহি আছিল। হঠাৎ সি, বেৰএখনত চেপেটা লাগি, বৈ গল, আৰু লগৰীয়া দুজনকো, তাকৈ মাতিলে। সিহঁত দুয়ো কাষ চাপি আহিল। এই ঠাইতে কথা বতৰা পাতি, সকলো ঠিক কৰি লব লাগিব।

"ঘৰটোত সোমাব পৰা বাট আৰু কেনিবা আছে যদি চাই আহগৈ।" ভিনি-কিয়াচে চিলোক আদেশ দিলে। অলপ আগতে, ভৰি বিষাইছে বুলি কোৱা চিলোৱে চাপলি মেলিলে,—তাৰ ভৰিত যেন মাৰ্কিউৰিৰ পাখি দুখনহে লগাই ললে। তত্তালিকে উলটি আহি, সি কলে, "নাই। এইখনেই একমাত্র দুৱাৰ।" তাৰ পাচত নিজৰ হাত দুখন চেপি ধৰি, সি আকৌ কলে, "হে প্রভু! জুপিটাৰ, এপোলো, ভেষ্টা, চিবেলী, আইচিচ, ওচিৰিচ, মিথ্রা, বা-আল আদি প্রাচ্য আৰু পাশ্চাত্যৰ সকলো দেৱ দেৱীৰ নাম লৈ, কাকুতি কৰিছো, আপুনি এই আচনি পৰিহাৰ কৰক। শুনক,—মই -"

ভিনিকিয়াচৰ চকুত, কুকুৰনেছীয়া বাঘৰ তীক্ষ্ণ চাৱনি দেখি, সি কথা শেষ নকৰাকৈ বৈ গল। বুনিয়াদী বংশৰ যুৱকজনৰ চকুলৈ এবাৰ চাইয়ে, গ্রীকটোৱে বুজিলে যে, পৃথিৱীৰ একোৱে তেওঁক এই কাৰ্য্যত বাধা দিব নোৱাৰে। ক্রোটোৱে নিজৰ হাৰকিউলিজ-সদৃশ বক্ষস্থল স্ফীত কৰি, দীঘল, দীঘলকৈ উশাহ লবলৈ ধৰিলে, আৰু সজাত ভৰাই থোৱা ভালুক এটাৰ দৰে, আগপাৰিৰ দাঁতৰ আলু, ইফালে, সিফালে লৰাবলৈ ধৰিলে। তাৰ মনত কোনো প্রকাৰৰ দুশ্চিন্তা নাই।

"প্রথমতে, মইয়ে ভিতৰত সোমাম।" সি কলে।

"নহয়, তুমি মোৰ পিচে, পিচে, আহি থাকিবা।" ভিনিকিয়াচে আদেশ কৰিলে।

তাৰ পাচত দুয়ো, আন্ধাৰ বাটটোত নেদেখা হৈ গল। ইফালে চিলোৱে বাটৰ একুকলৈ লৰ মাৰি গৈ, দুশ্চিন্তাত জুলা-কলা হৈ, কোচ, মোচ খাই বহি পৰিল।

॥২১॥

বাটটোত সোমোৱাৰ অলপ পাচতে, ভিনিকিয়াচে প্রথম বাৰলৈ বুজি পালে, কথাটো সহজ নহয়। ঘৰটোত কেইবাটাও মহলা আছে। এইবোৰ ৰোমান সম্রাটৰ যুগত অধে, মধে সজা, অতি ওখ আৰু ঠেক, ঘন বসতিপূর্ণ

গ্ৰাম্য নিবাস। ইয়াত বহুতো সৰু সৰু খুপৰি আৰু চুক আছে। দৰিদ্ৰ, নিঠৰুৱা মানুহে, ইয়াতে আশ্ৰয় লয়। এইখন নগৰৰ কিছুমান পথৰ কোনো নাম নাই; ঘৰবোৰৰো কোনো নম্বৰ নাই। ঘৰৰ মালিক সকলে, ভাড়া আদায় কৰাৰ ভাৰ, দাসবোৰৰ ওপৰত দিয়ে। নগৰপালিকাৰ কাৰ্য্যালয়ত, এই মানুহবোৰৰ নাম দাখিল কৰিব নলগাৰ বাবে, দাসইতে, ইহঁতৰ পৰিচয় প্ৰায়ে নিবিচাৰে। সেইবাবে, এনে ঠাইৰ বাসিন্দা এজনৰ বিষয়ে, সবিশেষ জনা টান। প্ৰধান প্ৰবেশ দুৱাৰত, কোনো দুৱৰী নথকাৰ বাবে, কথাটো আৰু মস্কিল হৈ পৰিল।

ঠেক বাটটোৰে, আহি, আহি, ভিনিকিয়াচ আৰু ক্ৰোটোৱে, নাদৰ আকৃতিৰ সৰু চোতাল এখন পালেহি। এইখনেই সকলোৰে উমৈহতীয়া এট্ৰিয়াম্। চোতালৰ সোঁমাজত, এটা গধুৰ শিলৰ পাত্ৰ আছে, তাতে নিজৰা এটাৰ পৰা পানী পৰি থাকে। চোতালখনৰ বেৰৰ দাঁতিয়েদি, কিছুমান শিল আৰু কাঠৰ খট্‌খটিয়েদি, ওপৰ মহলাৰ সৰু কোঠাবিলাকলৈ যাব পাৰি। একেবাৰে তলতো বহুত মানুহ থাকে; তাৰ কিছুমান ঘৰত, কাঠৰ দুৱাৰ আছে; কিছুমান ঘৰ, ফটা, আপচু, টাপলি মৰা পৰ্দ্দাৰে, চোতালখনৰ পৰা আঁৰ কৰা হৈছে!

এতিয়া বৰ সোনকাল হৈ আছে বাবে, চোতালখনত জন প্ৰাণী এটিও নাই। ওচ্‌ট্ৰিয়ানামৰ পৰা উলটি অহা মানুহবোৰৰ বাহিৰে আটাইবোৰ শুই থাকিব পায়।

"প্ৰভু! আমি এতিয়া কি কৰিম?" ক্ৰোটোৱে তাতে বৈ সুধিলে।

"ইয়াতে বৈ থাকো," ভিনিকিয়াচে উত্তৰ দিলে। "হয়তো কোনোবা আহি ওলাব। আমি কাৰো আগত দেখা নিদিওঁ।"

একেটা সময়তে তেওঁৰ মনলৈ আহিল, চিলোৰ আচনি বেচি কাৰ্য্যকৰী হলহেঁতেন। তেওঁৰ লগত, পঞ্চাশ, ষাঠিটা দাস থকা হলে, ঘৰটোৰ পৰা ৰাহিৰলৈ ওলাব পৰা, একমাত্ৰ যিটো বাট আছে, তাৰ দুৱাৰমুখত পহৰা দিয়ালেহেঁতেন, আৰু এটাৰ পাচত এটাকে প্ৰতিটো ঘৰত সোমাই চালেহেঁতেন। কিন্তু এতিয়া, লিজিয়া থকা ঘৰটো তেওঁ সঠিকভাৱে চিনাক্ত কৰিব লগা হৈছে। তাকে কৰিব নোৱাৰিলে, ঘৰটোত থকা খৃষ্টিয়ানবিলাকক বিপদ সঙ্কেত দিয়াহে হ'ব। ইহঁতৰ সংখ্যাও যথেষ্ট। এই একেটা কাৰণতে, অচিনাকি

মানুহক প্ৰশ্ন কৰাও বিপদজনক। গতিকে, ভিনিকিয়াচে গুণি, গাঁথি শেষত নিজকে সুধিলে, উলটি গৈ, দাসহঁতক পঠিয়াই দিলেই ভাল হ'ব নেকি।

ঠিক এনে সময়তে, দুৰত থকা এটা ঘৰৰ পৰ্দাৰ আঁৰৰ পৰা, মানুহ এটা ওলাই আহিল। তাৰ হাতত এটা খৰাহী।

"লিজিয়ানটো!" ভিনিকিয়াচে ফুচফুচাই কলে।

"তেনেহলে মই পোনে, পোনে গৈ তাৰ হাড়কেইডাল গুৰি কৰোগৈ।"

"নহয়, অলপ ৰবা।"

উৰচাচে সিহঁতক দেখা নাই; বাটটোৰ আন্ধাৰ ঠাইত সিহঁত থিয় দি আছিল। সি লাহে, ধীৰে, খৰাহীত থকা পাচলিখিনি ধুবলৈ ধৰিলে। ধোৱা হলত, সি পুণৰ গৈ, পৰ্দাৰ আঁৰত সোমাল। ভিনিকিয়াচে আৰু ক্ৰোটোৱে তৎক্ষণাৎ সেই দুৱাৰৰ ফালে লৰ মাৰি গল। একেবাৰে লিজিয়াৰ ঘৰতে গৈ সোমাব বুলি সিহঁতে আশা কৰিছিল। কিন্তু পৰ্দা ঠেলি ভিতৰত সোমাই যেতিয়া দেখিলে যে, তাত কোনো নাথাকে,—আৰু এটা আন্ধাৰ বাটহে আছে, তেতিয়া দুয়ো বৰ আচৰিত হল। এই বাটৰ শেষত, যেতিয়া কিছুমান চাইপ্ৰাচ গছ আৰু মাৰ্‌টল্ লতাৰে ভৰা এখন বাগিচাৰ বেৰত লাগি থকা, এটা জুপুৰী ঘৰ দেখিবলৈ পালে, তেতিয়া দুয়ো আৰু বেচি আচৰিত হল। ইয়াত আৰু কাৰো ঘৰ নাই।

আচৰিতে দুয়োৰো মনত খেলালে, পৰিবেশটো স্বাৰ্থৰ অনুকুল। জুপুৰীটো একাষৰীয়া বাবে, সিহঁতৰ কামো সহজ হ'ব। গুচৰে, পাজৰে থকা মানুহখিনি সম্মুখৰ চোতালখনত সহজে আহি গোট খালেহেঁতেন। কিন্তু এই ঠাইত কোনেও কৰই নোৱাৰিব কি হ'ল।

পজাটোত সোমাব খোজোতেই, উৰচাচে, মানুহৰ ভৰিৰ শব্দ শুনি, ৰৈ গল। দুৰত দুজন মানুহ দেখি, খৰাহীটো খুটা এটাৰ ওপৰত থৈ, আগন্তুক দুজনৰ ফালে চাই সি সুধিলে, "আপোনালোকে কাক বিচাৰি আহিছে?"

"তোকেই," ভিনিকিয়াচে উত্তৰ দিলে। তাৰ পাচত ক্ৰোটোৰ ফালে চাই লাহেকৈ কলে, "শেষ কৰি থোৱা তাক।"

ক্ৰোটো বাঘৰ দৰে জপিয়াই পৰিল, আৰু লিজিয়ানটোৰে আঁতৰি যাবলৈ, নাইবা শত্ৰুক চিনি পাবলৈ সময় নৌপাওঁতেই সি তাক লোহবেষ্টনীৰ মাজত চেপা দি ধৰিলে। মল্লবীৰৰ অমানৱীয় শক্তিৰ ওপৰত, ভিনিকিয়াচৰ ইমান

বেচি আস্থা আছিল যে, মুঁজৰ শেষফল চাবলৈ, বৈ থকাৰ প্ৰয়োজন বোধ নকৰিলে। গতিকে, মানুহ দুটাক তাতে এৰি, তেওঁ দুপুৰীৰফালে লৰ মাৰিলে। দুৱাৰখন ঠেলা মাৰি খুলি, জুইশালৰ জুইয়ে অলপ পোহৰ কৰি থোৱা, কোঠা এটাত তেওঁ সোমাল। আন্ধাৰ কোঠাটোত জুইৰ পোহৰ আহি, পোণে, পোণে লিজিয়াৰ গাত পৰিছে। ওচ্‌ট্ৰিয়ানামৰপৰা উৰচাচ আৰু তাইৰ লগত অহা, বুঢ়া মানুহজনো জুইৰ কাষত বহি আছে।

চকুৰ পচাৰতে, ভিনিকিয়াচে লিজিয়াক ককালত ধৰি দাঙি লৈ, দুৱাৰ মুখলৈ লৰ মাৰিলে। এহাতেৰে তাইক বুকুত সাৱটি ধৰি, আগ ভেটি ধৰা বুঢ়াটোক, তেওঁ ইখন হাতেৰে ঠেলি আঁতৰাই দিলে। হঠাৎ ভিনিকিয়াচৰ মুখৰ আৱৰণ পিচলি পৰাত, পৰিচিত, ভয়লগা মুখ এখন দেখি, লিজিয়াৰ গাৰ তেজ হিম হৈ গল। সহায়ৰ বাবে চিঞৰিব খুজিও, তাই চিঞৰিব নোৱাৰিলে। দুৱাৰৰ খুটাটোত ধৰিব খোজোতে, তাইৰ আঙুলি কেইটা, শিলৰ ওপৰেদি পিচলি গ'ল। ভিনিকিয়াচে তাইক লৈ, বাগিচাখন পাওঁতে, ভয়ঙ্কৰ দৃশ্য এটা চকুত নপৰা হলে, হয়তো তাই জ্ঞান হেৰুৱালেহেঁতেন।

—উৰচাচে বজ্ৰ মুঠিৰে, মানুহ এটা ধৰি আছে। মানুহটোৰ মুৰটো পিচ ফালে বেঁকা হৈ, ভৰিৰ গোৰোহাত লাগিছে, আৰু মুখৰপৰা, টোপ্‌টোপকৈ তেজ পৰি আছে।

এই দুজনক দেখিয়ে, লিজিয়ানটোৰে ওলমি থকা মুৰটোত, শেষৰ ঘোচাটো মাৰি, চকুৰ পচাৰতে ভিনিকিয়াচক ধৰি পেলালে,—পছুৰ পোৱালি এটাহে যেন ধৰিছে!

"মৰিলো এইবাৰ!" যুৱকে মনতে ভাবিলে।

সপোনত শুনাৰ দৰে, লিজিয়াই চিঞৰি কোৱা শুনিলে,—"উৰচাচ! তেওঁক বধ নকৰিবা।" ছোৱালীজনীৰ ককালৰ পৰা, লগে, লগে তেওঁৰ হাত এৰাই গল,—বজ্ৰৰ আঘাতত শুনকি যোৱাৰ দৰে। তাৰ পাচত, চাৰিওফালৰ বস্তবোৰ তেওঁৰ চকুৰ আগত ঘুৰিবলৈ ধৰিলে, আৰু দিনৰ পোহৰো তেওঁ নেদেখা হ'ল।

ইতিমধ্যে বেৰৰ চুকত লুকাই লুকাই, চিলোৱে ঘটনাৰ পৰিণতিলৈ অতিশয় শঙ্কিত উদ্বিগ্নচিত্তে অপেক্ষা কৰি আছিল। তাৰ মনৰ কৌতুহল আৰু ভয়ৰ মাজত সংঘাত উপস্থিত হল। সি ভাবিলে, যদি অভিযান সফল হয়, তেন্তে ভিনিকিয়াচৰ ওচৰে, ওচৰে থকাই ভাল হ'ব। আৰবাননৈ তাৰ আৰু ভয়

নাই, ক্রোটোৱে তাক শেষ কৰি থবই। যদি খৃষ্টিয়ানইতে, এপ্তিয়ালৈকে নিজান হৈ থকা, পথাৰবোৰত গোট খায়হি আৰু ভিনিকিয়াচক বাধা দিয়ে, তেন্তে সি নিজকে চিঞৰৰ ইচ্ছা পালন কৰে'তো ৰাজ প্ৰতিনিধি যেন দেখুৱাই সাংকেতিক শব্দ এটা উচ্চাৰণ কৰিব। শেষত উপায় নাপালে, পথৰ জনতাৰ বিৰুদ্ধে, সম্ভ্ৰান্ত যুৱকক সহায় কৰিবলৈ নগৰৰ প্ৰহৰীবোৰক মাতি আনিব। তাকে কৰিলে, সি মালিকৰপৰা অধিক অনুগ্ৰহ লাভ কৰিব।

কিন্তু তাৰ সময়বোৰ বৰ দীঘলীয়া যেন লাগিবলৈ ধৰিলে। চাৰিও ফালৰ নিস্তব্ধতাই তাক পেপুৱা লগালে, তথাপিও সেই ঠেক বাটটোতে তাৰ চকু দুটা স্থিৰ হৈ ৰ'ল।

"যদি সিহঁতে লুকুৱা ঠাইখিনি বিচাৰি নাপাই হাই উৰুমি লগাই দিয়ে, তেন্তে ছোৱালী পলাই ফাট মাৰিব।"

কথাটো তাৰ ভালেই লাগিল। কাৰণ এনে হ'লত, ভিনিকিয়াচে পুণৰ তাৰ সহায় বিচাৰিব, আৰু সিও ভিনিকিয়াচক চেপা দি বহুত চেচ্‌টাৰ্চ্ছি আদায় কৰি লব।

"সিহঁতে যিহকে নকৰক লাগিলে," সি মনতে ভাবিলে, "সকলোৰে মূলত যে মই, তাত কোনো সন্দেহ নাই। তথাপিও, হে দেৱতা সকল! হে দেৱতা সকল! মোক ইয়াকে অনুমতি দিয়া—"

সি আৰু একো নকলে; কাৰণ, ঠেক বাটটোৰপৰা, কিবা এটা ওলাই আহিছে। সি বেৰখনত চেপেটা হৈ লাগি থাকিল আৰু উশাহ বন্ধ কৰি স্তব্ধ হৈ গল।

হয় তাৰ কথা সঁচা। বাটটোৰ ভিতৰৰপৰা চকামকাকৈ ওলোৱা মূৰ এটা দেখা গৈছে। কোনোবাই চাৰিওফালে সাৱধানেৰে নিৰীক্ষণ কৰিছে।

"ভিনিকিয়াচ বা ক্ৰোটো নিশ্চয়।" গ্ৰীকটোৱে ভাবিলে, "কিন্তু সিহঁতৰ এটাই যদি গাভৰু ছোৱালীজনীক ধৰি আনিছে, তেন্তে তাই চিঞৰা নাই কিয়? সিয়ে বা কিয়, বাটটো সাৱধানে চাই লব লগা হৈছে? যিমানে সাৱধান নহওক সিহঁতে কাৰোবাক নহয় কাৰোবাক, লগ পাবই। কাৰণ সিহঁত গৈ কেৰিণি পোৱাৰ বহুত আগতে, গোটেইখন নগৰেই সাৰ পাব। কিন্তু ইকি? হে অমৰ দেৱতাসকল।" চিলোৰ লিডলিডীয়া চুলি কেইডাল, থিয়, থিয় হ'ল।

বেৰৰ কঁকেদি উৰচাৰ গাটো দেখা গৈছে; তাৰ কাষত ক্ৰোটোৰ মৃত দেহ। আকৌ এবাৰ সাৱধানেৰে চাৰিওফালে চকু ফুৰাই, লিজিয়ানটো নৈৰ পাৰলৈ যাবলৈ ধৰিলে।

. বোকা এখেপাৰ দৰে চিলো বেৰখনত লাগি থাকিল।

"সি যদি মোক দেখে, মৰিলো আৰু আজি।"

কিন্তু উৰচাচ তাৰ কাষেদি গৈ ওচৰৰ ঘৰবোৰৰ মাজত নেদেখা হৈ গ'ল।

চিলোৱে অকণো নোৰোৱাকৈ আন এটা পথৰ মাজলৈ, উফৰি যোৱাদি গল। তাৰ এনে গতি বেগ দেখা হলে, ডেকা মানুহ এটাও আচৰিত হল-হেঁতেন।

"উলটি আহি, সি যদি মোক কেনেবাকৈ দেখে, তেতিয়া মোৰ আধ্যা পৰিল।" গ্ৰীকটোৱে আপোনমনে কলে, "হে জিউচ। মোক সহায় কৰা। হে এপোলো, হাৰমিজ! মোৰ ৰক্ষা কৰা! হে খৃষ্টিয়ানৰ ঈশ্বৰ! মোৰ সহায় হোৱা। এই দৈত্যটোৰ হাতৰ পৰা সাৰিবলৈ মই লাগিলে ৰোম এৰি মেচেম্‌ব্ৰিয়ালৈকে গুচি যাম।"

সঁচাকৈয়ে, ক্ৰোটোক যি হত্যা কৰিব পাৰে, সি চিলোৰ মানত অলৌকিক জীৱ, অথবা, বৰ্ব্বৰৰ ৰূপত অৱতীৰ্ণ হোৱা, কোনোবা দেৱতা। এই সময়ত, পৃথিবীৰ সকলো দেৱ-দেৱীকে, চিলোৱে বিশ্বাস কৰিলে। সেইবাবে, তাৰ মনলৈ আহিল, ক্ৰোটোৰ হত্যাকাৰীজন, খৃষ্টিয়ানৰ দেৱতাই নিশ্চয়!

কেইবাটাও পথত অনাই, বনাই ঘুৰি ফুৰাৰ পাচত, যেতিয়া কিছুমান বহুৱা তাৰ কাষে অহা দেখিলে, তেতিয়াহে সি অলপ শান্ত হ'ল। তাৰ উশাহ, নিশাহ, বন্ধ হৈ আহিব খুজিছিল; সেইকাৰণে সি, মানুহ এঘৰৰ দুৱাৰ মুখতে বহি, অলপ জিৰণি ললে আৰু কপালৰ ঘাম, চোলাৰ হাত এখনেৰে মচিবলৈ ধৰিলে।

"মই বুঢ়া মানুহ। মোক শান্তিৰে থাকিবলৈ লাগে।" সি কেঁকাই, গোঁথাই কলে। তাৰফালে আহি থকা মানুহবোৰ, কাষৰ, সৰু, লুঙ্‌লুঙীয়া বাট এটাৰে যাবলৈ ধৰিলে। পুণৰ সি অকলশৰীয়া হৈ পৰিল। নগৰখন এতিয়ালৈকে, টোপনিৰ পৰা সাৰ পোৱা নাই। চহকী মানুহ থকা ঠাই বোৰত, পুৱাৰ ব্যস্ততা সোনকালে আৰম্ভ হয়। কাৰণ, ঘৰত থকা দাসবিলাকে, দিনৰ পোহৰ দেখাৰ লগে, লগে, উঠিব লাগে।

তাত্ৰা ঘৰত থকা স্বাধীন নাগৰিকবোৰ, (এওঁলোক বাস্তৱ বাজহৰ দ্বাৰা পৰিপুষ্ট, গতিকে এওঁলোকৰ জীৱনৰ গতিও লেহেম) বেলিকৈ উঠে, বিশেষকৈ আৰৰ দিন কেইটাত। পুৱাৰ নিৰ্ম্মল বতাহে, চিলোৰ গা শাঁত কৰিলে; সি এইবাৰ থিয় হল, আৰু ভিনিকিয়াচে দিয়া ধনৰ টোপোলাটো, আছেনে, হেৰালে, ভালদৰে চাই লৈ, থৰক-বৰক ভৰি দুটা নৈৰফালে টানি নিলে।

"হয়তো, তাত মই ক্ৰোটোৰ গাৰ এক অংশ, দেখিবলৈ পাম।" সি আপোন মনে কবলৈ ধৰিলে, "হে দেৱতাসকল! যদিহে এই লিজিয়ানটো সঁচাকৈ মানুহেই হয়, তেন্তে বছৰেকত সি হাজাৰে, হাজাৰে চেচ্টাৰচি ঘটিব পাৰিব। যিটো মানুহে, কুকুৰ এটাক ভিতিত টেৰ্পি মৰাৰ দৰে, ক্ৰোটোক মাৰি পেলাব পাৰে, তাৰ লগত যুঁজিবলৈ কোনে সাহ কৰিব? এৰিনাত সি যেতিয়াই ওলাব, তেতিয়াই নিজৰ গাৰ ওজনৰ সমান সোণ পাব,—পুৰস্কাৰ হিচাবে। সেয়েহে, চাৰ্বেৰাচে নৰক ৰক্ষা কৰি থকাৰ দৰে, এই মানুহটোৱে ছোৱালীজনীক ৰক্ষা কৰিব পাৰিছে। নৰকে গ্ৰাস কৰক তাক! মই আৰু তাৰ লগত, কোনো আদান-প্ৰদান নকৰো। তাৰ হাড় কেইডাল, একেবাৰে যেন লোহা। বেচ! এতিয়া কি কৰিম মই? উস! কি ভয়ঙ্কৰ কাণ্ড! লিজিয়ানটোৱে যদি ক্ৰোটোৰ নিচিনা মানুহ এটাৰ হাড় ভাঙিব পাৰে, তেন্তে খুব সম্ভৱ, সো অভিশপ্ত ঘৰটোৰ তলৰ ফালে কোনোবা এঠাইত, ভিনিকিয়াচৰ আত্মাই এতিয়া কাতৰ হৈ চিঞৰি, অন্ত্যেষ্টি ক্ৰিয়াৰ বাবে, অপেক্ষা কৰিছে। কেইবৰ শপত! ভিনিকিয়াচ এজন অগষ্টান, তাতে চিজাৰৰ বন্ধুও! পেট্ৰোনিয়াচৰো আপোন মানুহ তেওঁ! তদুপৰি গোটেই ৰোমতে জনাজাত সৈনিক আৰু বিচাৰপতিও। গতিকে তেওঁৰ মৃত্যুৰ বাবে, প্ৰতিশোধ লোৱা হ'ব নিশ্চয়। নিৰাপত্তাৰক্ষী সেনাৰ শিবিৰলৈ যদি লৰ মাৰো, আৰু যদি, নগৰৰ প্ৰহৰীটোক বিচাৰি যাওঁ, তেন্তে—" অলপ বৈ, সি আকৌ কলে, "হাঁয়! হাঁয়! তেওঁক ইয়ালৈ কোনে আনিছিল? মইয়ে নহয়নে? তেওঁৰ দাসবিলাকে আৰু মুক্ত দাসঁতেও জানে, মই কালি ৰাতি তেওঁৰ ওচৰলৈ যোৱাৰ কথা! তাৰে কিছুমানে মোৰ আচল অভিপ্ৰায় কি, তাকো জানে। যদি সিহঁতে সন্দেহ কৰে যে, মই দেখুৱাই দিয়া ঠাইতে তেওঁৰ মৃত্যু ঘটিল? তেওঁ সম্ভ্ৰান্ত বংশৰ মানুহ। গতিকে মই শাস্তি নোপোৱাকৈ নাথাকো।"

সকলো ফালৰপৰা, কথাবোৰ বেয়া হৈ পৰিল। বেয়াৰ মাজৰপৰা, ভাল কিবা এটা বাছি লবলৈ, চিলো অতিশয় উৎকণ্ঠিত হল। ৰোম এখন বিশাল

নগৰ; তথাপিও সি ভালদৰে জানে, এনে এখন নগৰো, তাৰ ক্ষেত্ৰত, তৎ-ক্ষণাতে সৰু হৈ পৰিব পাৰে। নগৰৰ প্ৰহৰীবোৰৰ ওপৰত কৰ্তৃত্ব থকা মুখীয়াল-জনৰ ওচৰলৈ গৈ, সি সকলো বিবৰি কব পাৰিলেহেঁতেন। তাৰ কথাত তেওঁ সন্দেহ কৰিলেও, তদন্তৰ ফল নোপোৱালৈকে, সি শান্তভাৱে অপেক্ষা কৰিব পাৰিলেহেঁতেন। কিন্তু চিলোৱে মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব নোখোজে; কাৰণ তাৰ অতীত জীৱনৰ সৰহ কালেই ঘটনাবহুল।

আনহাতে, সি যদি পলাই যায়গৈ, তেতিয়া পেট্ৰোনিয়াচে, ভিনিকিয়াচক ফান্দত পেলাই হত্যা কৰা হ'ল বুলি অনুমান কৰি লব, আৰু এই অনুমান সত্য বুলি প্ৰমাণিত হ'ব। পেট্ৰোনিয়াচো এজন বিশিষ্ট ব্যক্তি। ৰাজ্যৰ আটাই-বোৰ শান্তি ৰক্ষকক তেওঁ কামত লগাই, পৃথিবীৰ সিমূৰলৈকে দোষীক বিচৰাব পাৰিব। তথাপিও, চিলোৱে বাৰে, বাৰে নিজকে প্ৰশ্ন কৰিবলৈ ধৰিলে,—পেট্ৰোনিয়াচক বিচাৰি উলিয়াই, সকলো কথা জনোৱা ভাল হ'বনে নহয়। হয়, এইটোৱে ভাল উপায়; কাৰণ পেট্ৰোনিয়াচ শান্ত স্বভাৱৰ লোক; তেওঁ সকলো মনদি শুনিব। তদুপৰি, আদিৰেপৰা সকলো অৱগত থকাৰ বাবে, চিলোৰ নিৰ্দ্দোষীতাত, কৰ্ম্মচাৰীবোৰতকৈ তেওঁ সহজে বিশ্বাস কৰিব।

কিন্তু, পেট্ৰোনিয়াচৰ ওচৰলৈ যোৱাৰ পূৰ্ব্বে, ভিনিকিয়াচৰ কি হল, সঠিক জানিব লাগিব। কথাটো এতিয়ালৈকে সি নিশ্চয়কৈ জনা নাই। সি মাত্ৰ দেখিছে, লিজিয়ানটোৱে ক্ৰোটোৰ মৃতদেহ, নৈৰ পাৰলৈ কঢ়িয়াই নিয়া। ভিনিকিয়াচক হত্যা কৰিব পাৰে, আধামৰা কৰিব পাৰে, অথবা বন্দীও কৰিব পাৰে। হঠাৎ এই বিষয়ে আৰু এটা কথা, চিলোৰ মনত খেলালে। ইমান ক্ষমতাপন্ন মানুহ এজনক, খৃষ্টিয়ানহঁতে হত্যা কৰিব বুলি মনে নধৰে। তেওঁ হ'ল এজন অগষ্টান আৰু উচ্চপদৰীৰ মানুহ; এনে দোষৰ শাস্তিস্বৰূপে, সিহঁত আটাইবোৰেই, উৎপীড়ন, অত্যাচাৰ আৰু যাতনা ভুগিব। তাতকৈ, তেওঁক বন্দী কৰি-ৰখাটোৱে বেচি সম্ভৱ। তেতিয়া হলে, লিজিয়াইও, আন কোনোবা ঠাইত লুকাই থাকিবলৈ সময় পাব।

লিজিয়ান অসুৰটোৱে যদি থঙৰ কোবত, টুকুৰাটুকুৰ কৰি পেলোৱা নাই, তেন্তে, ভিনিকিয়াচ এতিয়াও জীয়াই আছে। যদি জীয়াই আছে, তেন্তে তেওঁ নিজেই সাক্ষী দিব,—মই তেওঁক ছলনা কৰা নাই বুলি। তেতিয়া মই যে অকল নিৰ্ভয়ে হম, এনে নহয়, আৰু—হে হাৰ্মিজ্! মই চৈধ্যৰী ভুজনী অৰ্পণ কৰিম।

কাৰণ, মোৰ বাবে, নতুন কৰ্ম্মক্ষেত্ৰ মুকলি হ'ব। হয়, মই গৈ, ভিনিকিয়াচৰ মুক্ত দাস এটাক জনাম,—তেওঁ কোন ঠাইত আছে। সি তাৰ মালিকক বিচাৰি যায় নে নাযায়, সেইটো তাৰ নিজৰ কথা। তদুপৰি, মই পেট্ৰোনিয়াচৰ ওচৰলৈ গৈ, বটা লাভ নকৰাকৈ নাথাকো। এই পৰ্য্যন্ত যি দৰে মই, লিজিয়াক বিচাৰি ফুৰিছো, ঠিক সেইদৰে, এইবাৰ ভিনিকিয়াচক বিচাৰি ফুৰিম। তাৰ পাচত, আকৌ এবাৰ লিজিয়ান কুমাৰীক বিচাৰি উলিওৱাৰ ভাৰ পাম। এইবোৰ পিচে, পৰে হৈ থাকিব; এতিয়া মাত্ৰ জানিব পাৰিলেই হল,—ভিনিকিয়াচৰ কি দশা হ'ল।

তাৰ পাচত চিলোৰ মনলৈ আহিল, ৰাতিৰ আন্ধাৰত, মনে, মনে, ৰেম্যাচৰ কলঘৰলৈ গৈ উৰচাচৰ পৰা সকলো আঁতিগুৰি লব নেকি। চিন্তাটো মনলৈ অহা মাত্ৰকে, সি তাক ঠেলি আঁতৰাই পেলালে, উৰচাচৰ লগত ভেটা ভেটি নোহোৱাই উত্তম। সি যদি গ্ৰকাচক হত্যা কৰা নাই, তেন্তে, বুজিব লাগিব, সি কোনোবা এজন প্ৰকৃত খৃষ্টিয়ানক সুধি জানিব পাৰিছে যে, কোনোবা ষড়-যন্ত্ৰকাৰীয়ে চক্ৰান্ত কৰি, তাৰ হতুৱাই এই কাম কৰাব খুজিছিল। ইয়াৰ পাচত কি হোৱাৰ সম্ভাৱনা আছে, ভাবি চাই, লিজিয়ান দৈত্যটোৰ কথা মনত পৰাত, চিলোৰ দাঁতে, দাঁতে লাগি থৰথৰকৈ কঁপিবলৈ ধৰিলে। সি নিজৰ মনতে কলে,—সি ইউৰিচিয়াচক সেই ৰাতিয়ে ঘটনা স্থলীলৈ পঠিয়াই, সকলো কথাৰ ভু ল'ব। অৱশ্যে তাক এতিয়া, কিবা অলপ খাই উঠি, গা-পা ধুই, জিৰাবলৈ লাগে। কাৰণ, এৰাতিৰ টোপনি ক্ষতি, ওচট্ৰিয়ানামলৈ পদ-যাত্ৰা, আৰু টাইবাৰৰ সিপাৰৰ পৰা পলাই অহাৰ কষ্ট,—আটাইবোৰ মিলি তাক জুকলা কৰি পেলালে।

মাত্ৰ এটা কথাইহে, তাক অলপ সান্ত্বনা দিছে। কথাটো হল, এতিয়াও তাৰ হাতত, দুটা ধনৰ টোপোলা আছে। তাৰে এটা, যাত্ৰাৰ আগমুহূৰ্ত্তত, ভিনিকিয়াচে তাক দিছিল, আৰু ইটো কবৰস্থানৰ পৰা উলটি আহোঁতে, তেওঁ তালৈ দলিয়াই দিছিল। গতিকে, এটা বিষয়ত, বেচ লাভৱান হৈ, নানা প্ৰকাৰৰ মানসিক অশান্তি ভোগাৰ পাচতো, সি ভালদৰে এপেট খাই লবলৈ মন কৰিলে। সচৰাচৰ যেনেকুৱা মদ পিয়ে, তাতকৈ ভাল মদ পিবলৈকো, সি ঠিক কৰিলে।

চৰাইখানাবোৰ যেতিয়া খোলা দেখিলে, তেতিয়া সি গা ধোৱাৰ কথা একে-বাৰে বাদ দি, হেঁপাহ পলুৱাই খাই ললে। সকলোতকৈ তাৰ বেচি দৰকাৰ হৈছিল, টোপনিৰ। টোপনিৰ অভাৱত সি ইমান দুৰ্ব্বল অনুভৱ কৰিলে যে,

যেতিয়া চুবুৰাত থকা তাৰ নিজৰ ঘৰ পালেগৈ, তেতিয়া তাৰ খোজবোৰ থৰক-বৰক হ'ল। ·ভিনিকিয়াচে দিয়া ধনেৰে কিনি লোৱা দাসীজনীয়ে তাৰ আল পৈছান ধৰিলে।

কোনোমতে চুচৰি যোৱাদি গৈ, শোৱা কোঠাত সোমায়ে, সি ধপচ্‌কৈ বিচনাত পৰিয়ে তৎক্ষণাৎ টোপনি গল। গধূলি পৰতহে, সি সাৰ পালে। দাসীয়ে তাক জনালেহি যে জৰুৰী কামত, কোনোবাই তাক বিচাৰি আহিছে।

মুহূৰ্ত্তৰ ভিতৰতে, চিৰ সতৰ্ক চিলো গহীন হৈ পৰিল। মূৰলৈকে ঢাক খাই থকা, ঢিলা চোলা এটাৰে, গাটো ভালকৈ ঢাকি লৈ, সি শোৱা কোঠাৰপৰা বাহিৰলৈ চাই পঠিয়ালে। চকুৰ আগতে, উৰচাচৰ দৈত্যাকাৰ শৰীৰটো দেখি, সি চকখাই উঠিল। সি নিজৰ অঙ্গ প্ৰত্যঙ্গবোৰ পৰীক্ষা কৰি চালে, মূৰত এবাৰ হাত ফুৰালে। তাৰ গাটো বৰফৰ দৰে চেচা পৰি আহিছে। তাৰ বুকৰ ধপধপনি বন্ধ হোৱাৰ দৰে হল আৰু হাজাৰ, হাজাৰ পৰুৱা বগাই থকাৰ দৰে, পিঠি-খন পিৰপিৰাবলৈ ধৰিলে।

"চাইৰা," সি দাসীজনীক ফুচফুচাই কলে, "মই ঘৰত নাই বুলি ক। এই—এই মহান পুৰুষক মই চিনি নাপাওঁ।"

"কিন্তু মই আগতেই তেওঁক কলো,—আপুনি ঘৰতে আছে; অৱশ্যে শুই আছে বুলি।" ছোৱালীজনীয়ে উত্তৰ দিলে, "তেতিয়া মানুহজনে, আপোনাক জগাই দিবলৈ কলে।"

"হে দেৱতাসকল! অ' মই তোমালোকক এনে এটা বস্তু দিম—"

এনেতে, বৈ, বৈ অধৈৰ্য্য হৈ, উৰচাচ আহি শোৱা কোঠাৰ দুৱাৰমুখ পালেহি আৰু অলপ আগলৈ হাউলি, ভিতৰলৈ মূৰ সুমুৱাই, মাতিলে, "চিলো চিলো-নিদচ!"

"তোমাৰ শান্তি হওক! শান্তি! শান্তি!" চিলোৱে কলে, "হে সৰ্ব্বশ্ৰেষ্ঠ খৃষ্টিয়ান! তোমাৰ শান্তি হওক। হয়, মইয়ে চিলো। কিন্তু কৰবাত কিবা ভুল হৈছে। মই আপোনাক চিনি নাপাওঁ।"

"চিলো চিলোনিদচ্!" উৰচাচে পুণৰ কলে, "তোমাৰ মালিক ভিনিকিয়াচে, তোমাক মাতি পঠিয়াইছে। মোৰ লগত, তেওঁ য'ত আছে তালৈ যাবলৈ, হুকুম দিছে।"

(প্ৰথম খণ্ড সমাপ্ত)

দ্বিতীয় খণ্ড

॥ ১ ॥

যন্ত্রণাত কাতৰ হৈ, ভিনিকিয়াচে সাৰ পাই উঠিয়ে দেখিলে, তিনিজন মানুহ, তেওঁৰ গাৰ কাষতে, তললৈ মূৰ কৰি, থিয় দি আছে। তাৰে দুজনক তেওঁ চিনি পালে। এজন সেই বুঢ়া মানুহজন,—লিজিয়াক দাঙি লৈ যাওঁতে, যাক তেওঁ, মাটিত ঠেলা মাৰি পেলাইছিল। ইজন উৰচাচ। তৃতীয় মানুহজনে, তেওঁক ধৰি, ধৰি, বিচনাত বহুৱাই, তেওঁৰ বাওঁ হাতখন পৰীক্ষা কৰি চাইছে। যন্ত্রণাত ছটফটাই থকা ভিনিকিয়াচে, কোনোবাই তেওঁৰ ওপৰত, ভীষণ প্ৰতিশোধ ললে বুলি ভাবি, দাঁত কামুৰি কলে, "মোক মাৰি পেলোৱা, তৎক্ষণাৎ।"

কিন্তু মানুহ কেইজনে, তেওঁৰ কথালৈ কাণ দিয়াৰ দৰে নালাগিল। ভয়ঙ্কৰ উৰচাচৰ কঠিন মুখতো অনুতাপৰ বাহিৰে, আৰু একো ভাব নাই। হাতত কাপোৰৰ পটি লৈ, সি বৈ আছে। ভিনিকিয়াচৰ হাতখন ধৰি থকা, মানুহ-জনক লক্ষ্য কৰি, বুঢ়া মানুহজনে সুধিলে,

"গ্লকাচ! আপুনি নিশ্চয়কৈ কব পাৰেনে,—মূৰৰ এই আঘাত, মাৰাত্মক হৈ নুঠে বুলি?"

"হয়, সাধু ক্ৰিচ্পাচ। ছোৱালীজনীক মুকলি কৰিবলৈ দৈত্যটোৱে—" এইখিনিতে উৰচাচক আঙুলিয়াই দেখুৱাই, তেওঁ কলে, "বেৰলৈ মাৰি পঠিয়াইছিল, আক্ৰমণকাৰীক। হাত দুখন দি পৰিল কাৰণেহে, মানুহজন বাচি গল। হাতৰ হাড় ভাঙিছে সঁচা, কিন্তু মূৰৰ আঘাত সামান্য।"

"বেচ। আপুনি আমাৰ ভ্ৰাতৃসকলৰ বহুতকে চিকিৎসা কৰিছে," ক্ৰিচ্-পাচে কলে, "সুদক্ষ চিকিৎসক বুলি, আপোনাৰ নাম আছে। সেই দেখিহে মই, উৰচাচৰ হতুৱাই, আপোনাক মতাই আনিলো।"

"পিচে, আহোঁতে, বাটত সি মোক কলে,—কালি হেনো সি মোক বধ কৰিবলৈকে ওলাইছিল।"

'হয়, সি এই কথা মোকো সুধিছিল। মই আপোনাক চিনি পাওঁ, আৰু আপোনাৰ খৃষ্ট-প্ৰেমৰ কথাও জানো।' গতিকে, মই তাক বুজাই কলো, আপুনি বিশ্বাসঘাতক নহয়। আপোনাক হত্যা কৰিবলৈ, যিটো মানুহে তাক উচটনি দিছিল, সিহে বিশ্বাসঘাতক।"

"সি নিশ্চয় কোনোবা দুষ্ট প্ৰেতাত্মা।" উৰচাচে কলে, "অথচ মই তাক দেৱদূত বুলি ভাবিছিলো।"

"এই বিষয়ে মোক আন সময়ত কবা।" গ্লকাচে কলে, "এতিয়া আমি, অকল ৰোগীৰ কথাহে চিন্তা কৰিব লাগে।"

অস্ত্ৰোপচাৰ হৈ যোৱাৰ পাচত, ভিনিকিয়াচে পুণৰ জ্ঞান হেৰুৱালে। জ্ঞান পোৱাৰ পাচত, তেওঁ দেখিলে, হাতত পানীৰ পাত্ৰ এটা লৈ, বিচনাৰ কাষতে লিজিয়া নিঃশব্দে থিয় দি আছে। গ্লকাচে কাপোৰ এটুকুৰা পানীত তিয়াই লৈ, আঘাত পোৱা ঠাই ডোখৰ আৰু মূৰটো ধুৱাই দি আছে।

"লিজিয়া।" ভিনিকিয়াচে ক্ষীণ স্বৰে মাতিলে।

বেদনাভৰা দৃষ্টিৰে, তেওঁৰ মুখলৈ চাওঁতে, তাইৰ হাতত থকা পানীৰ পাত্ৰটো, কঁপিবলৈ ধৰিলে।

"তোমাৰ শান্তি হওক।" ক্ষীণ মাতেৰে তাই কলে।

"সি মোক বধ কৰিব খোজোতে, তুমি বাধা দিছিলা, নহয়নে লিজিয়া?"

তাই শান্তভাৱে কলে, "ভগৱানে তোমাৰ স্বাস্থ্য ঘূৰাই দিয়ক।"

দুৰ্ব্বল, অথচ মধুৰ ভাব এটাই, ভিনিকিয়াচক অভিভূত কৰি তুলিলে। ধীৰে, ধীৰে, তেওঁ যেন কোনোবা অতলস্পৰ্শী গভীৰতালৈ নামি গৈছে, আৰু এই পতন, সুখময় অনুভূতি হৈ উঠিছে, তেওঁৰ বাবে। মূৰৰ ওপৰত এটি স্বৰ্গীয় সত্বাৰ বিচৰণ অনুভৱ কৰিলে তেওঁ।

ইতিমধ্যে, গ্লকাচে মূৰৰ ঘা ধুৱাই, তাত ঔষধ লগাই দিলে। লিজিয়াই পানী মিহলোৱা মদ অলপ ৰোগীৰ ওঁঠৰ কাষলৈ নিলে। ৰোগীয়ে তৃষ্ণাৰ্ত্তৰ দৰে, তত্তালিকে সেইখিনি পি খালে। ক্ষত স্থান ডোখৰ বান্ধি দিয়াৰ পাচত বিষটো প্ৰায় নাইকিয়া হ'ল।

"মোক আৰু অলপ পিবলৈ দিয়া।" তেওঁ কলে। লিজিয়াই পাত্ৰটো ভৰাই আনিবলৈ, আন এটা কোঠালৈ গল। ক্ৰিচ্পাচে গ্লকাচৰ লগত দুই এটা কথা কৈ, বিচনাৰ কাষলৈ আহিল।

"ভিনিকিয়াচ!" তেওঁ কলে, "ঈশ্বৰে আপোনাক অসৎ কৰ্ম্মৰ পৰা উদ্ধাৰ কৰিলে। আপোনাৰ জীৱন ঘূৰাই দি, তেওঁ, কৃতকৰ্ম্মৰ কথা ভাবি চাবলৈ, আপোনাক সময় দিছে। যিজনৰ চকুত, মানুহ ধূলিকণা মাত্ৰ, সেইজনেই আপোনাক, অসহায় অৱস্থাত, আমাৰ হাতত তুলি দিছিল। কিন্তু, যি খৃষ্টক আমি ভাল পাওঁ, তেওঁ শত্ৰুকো ভাল পাবলৈ আমাক আদেশ কৰিছে। সেইবাবে, আমি, আপোনাৰ ক্ষত স্থানবোৰ ধুইপখালি, ঔষধ লগাই বান্ধি দিছো। আপুনি যাতে স্বাস্থ্য ঘূৰাই পায়, তাৰ বাবে যত্ন লৈছো। কিন্তু, আপোনাক আমি সৰহ দিন ৰাখিব নোৱাৰিম। অকলশৰীয়া অৱস্থাত, আপুনি নিজকে সুধি চাব,—লিজিয়াক এইদৰে উৎপীড়ন কৰা উচিত নে অনুচিত। আপোনাৰ দোষৰ বাবেই, তেওঁ নিজৰ ঘৰখন আৰু অভিভাৱকক হেৰুৱালে। নিজকে এই কথাও সুধি চাব, অপকাৰৰ বিনিময়ত, উপকাৰ লাভ কৰাৰ পাচত, আপুনি আমাক কষ্ট দিয়া উচিত নে অনুচিত।"

"আপোনালোকে মোক এৰি দিব নেকি?" ভিনিকিয়াচে সুধিলে।

"আমি এই ঘৰ এৰি যাব খুজিছো; কাৰণ, নগৰ ৰক্ষক আৰু তেওঁৰ মানুহবোৰে, আমাক ইয়াত আটক কৰিব পাৰে। আপোনাৰ সঙ্গীজনৰ মৃত্যু ঘটিল, আৰু আপুনিও আহত হৈ পৰি আছে। তাৰ বাবে, আমি দোষী নহও যদিও, দেশৰ আইনৰ কঠোৰতা, আমাৰ বিৰুদ্ধে পৰিচালিত হব।"

"হব নোৱাৰে," ভিনিকিয়াচে কলে, "উৎপীড়নলৈ ভয় নকৰিব। মই নিজে ৰক্ষা কৰিম, আপোনালোকক।"

ক্রিচপাচে কবলৈ ইতস্ততঃ কৰিলেও ভিনিকিয়াচক যে তেওঁ বিশ্বাস কৰা নাই, এই কথা বুজা গল।

"হে প্ৰভু", তেওঁ কবলৈ ধৰিলে, "আপোনাৰ সৌহাতখন ভালে আছে। এইয়া ফলি আৰু কলম লওক, আৰু আপোনাৰ দাসইতলৈ লেখক,—আজি ৰাতিয়ে আপোনাক দোলাত তুলি ঘৰলৈ নিবলৈ। ইয়াত আপুনি, এজনী দুখীয়া বিধবাৰ ঘৰত আছে। বিধবাজনী আৰু তাইৰ লৰাটোক, সুৰ গুজি থাকিবলৈ, অকণমান ঠাই লাগিব। তাইৰ লৰাটোৱে, আপোনাৰ চিঠিখন লৈ যাব, আৰু আমি বেলেগ আশ্ৰয় বিচাৰিম।"

ভিনিকিয়াচ শেতা হৈ পৰিল। লিজিয়াক যদি আকৌ এবাৰ হেৰুৱায়, তেন্তে দুনাই পোৱা টান হব। তাইৰ লগত মিল হবলৈ, তেওঁ প্ৰাণপণে

চেষ্টা কৰিব। এতিয়াই গুচি যাব লগা হলে, তাৰ বাবে ভেওঁৰ সময়ে নহব।

"মোৰ কথা শুনক, সাধু খৃষ্টিয়ানসকল!" তেওঁ কলে, "কালি ৰাতি আপোনালোকৰ লগত, মইও ওচ্‌ট্ৰিয়ানামত আছিলো। তাত ব্যক্ত কৰা আপোনালোকৰ ধৰ্ম্মৰ কথাও শুনিছিলো। এই বিষয়ে, মই ভালদৰে স্মুবুদ্ধিব পাবো। কিন্তু আপোনালোকৰ কাৰ্যাই মোক বেচকৈ বুজাই দিছে,—আপোনালোক কিমান সৎ আৰু সম্মানযোগ্য ব্যক্তি! বিধবা গৰাকীক কওক,—এই ঘৰতে থাকিবলৈ, আপোনালোকো ইয়াতে থাকক আৰু মোকো ইয়াত থাকিবলৈ অনুমতি দিয়ক। এই মানুহজন চিকিৎসক, কত স্থানত কিদৰে ঔষধ লগাই বান্ধি দিব লাগে তেওঁ জানে। তেৱেঁই কওক ইয়াৰ পৰা যাব পৰা অৱস্থা, মোৰ হৈছেনে নাই। মই জানো যে ভঙা হাতখন, কিছুদিন লৰচৰ নকৰাকৈ, ৰখা উচিত। সেইবাবে, মই আটাইকে জনাওঁ,—যদি আপোনালোকে মোক, জোৰ কৰি উলিয়াই নিদিয়ে, তেন্তে মই এই ঠাই এৰি নাযাওঁ।"

তেওঁ আৰু একো নকলে। তেওঁৰ উশাহ চুটি হৈ আহিল। তাৰ পাচত, ক্ৰিচপাচে কলে, "প্ৰভু, আপোনাৰ ওপৰত জোৰ, জুলুম কৰিবলৈ কোনো নাহে। আমি নিজৰ জীৱন ৰক্ষা কৰিবলৈহে, এই ঠাই এৰিব খুজিছো।"

কোনো বাধাৰ মুখামুখি হোৱাৰ অভ্যাস নথকা, ভিনিকিয়াচে এইবাৰ ভ্ৰূকুঞ্চিত কৰি কলে, "উৰচাচে টেপাদি মাৰি পেলোৱা, ক্ৰোটো নামৰ মানুহটোৰ খবৰ, কোনেও নলয়। আজি ভেটিনিয়াচৰ আদেশত, সি বেনেভেনটামলৈ যোৱাৰ কথা আছিল। সেইবাবে, সকলোৱে ভাবিব, সি তালৈকে গৈছে বুলি। তদুপৰি, আমি এই ঘৰত সোমোৱা কথা, গ্ৰীক এটাৰ বাহিৰে আন কোনেও নাজানে! সি আমাৰ লগত ওচ্‌ট্ৰিয়ানামলৈকো গৈছিল। সি ক'ত থাকে, মই কৈ দিম, আৰু আপোনালোকে, তাক মাতি পঠিয়াব। সকলো কথা গোপনে ৰাখিবলৈ মই তাক আদেশ দিম; সি মোৰ তলতীয়া মানুহ। মই ঘৰলৈকো লেখি পঠিয়াম, বেনেভেনটামলৈ গৈছো বুলি। যদিহে গ্ৰীকটোৱে ইতিমধ্যে নগৰ ৰক্ষকক জনাই দিছে, তেতিয়া ক'ম—হলে, মই শপত খাই ইয়াকে ক্ৰোটোৱে মোৰ হাত ভাঙি দিছিল বাবে, মই নিজে তাক হত্যা কৰিছো। মোৰ পিতৃ, মাতৃৰ প্ৰেতাত্মাৰ শপত খাই কৈছো,— মই এইদৰে ক'ম। গতিকে আপোনালোক ইয়াত নিৰ্ভয়ে, নিৰাপদে থাকিব পাৰিব। মাত্ৰ গ্ৰীকটোক শীঘ্ৰে মাতি পঠিয়াওক। তাৰ নাম চিলো চিলোনিদ্‌চ্।"

"তেন্তে প্ৰভু, আপোনাৰ লগত প্ৰকাচ থাকিব, আৰু বিধবা গৰাকীয়েও আপোনাৰ যত্ন লব।" ক্ৰিচপাচে কলে।

"মহয় বৃদ্ধ!" ভিনিকিয়াচে উত্তৰ দিলে, "মই আপোনাক অনুৰোধ কৰিছো, মোৰ কথাখিনি ভালদৰে শুনক। মই আপোনাক অগ্ৰাহ্য কৰা নাই; আপোনাৰ ওপৰত মোৰ বিশ্বাস আছে। আপুনি কি কৰ খুজিছে? দাস-বোৰক ইয়ালৈ মতাই আনি, লিজিয়াক লৈ যাবলৈ আদেশ দিম বুলি, আপুনি ভয় খাইছে, নহয়নে?"

"হয়।" ক্ৰিচপাচে দৃঢ়তাৰে জনালে।

"তেন্তে শুনক, মই আপোনাৰ আগতে চিলোৰে সৈতে কথা পাতিম, আৰু আপোনাক দেখুৱাই লেখিম যে, মই নগৰৰ পৰা গুলাই আন ঠাইলৈ যাম। ভৱিষ্যতেও, আপোনালোকৰ বাহিৰে, আন মানুহক দূত নকৰো। মই যি কৈছো, তাক ভালদৰে শুনি চাওক। আকৌ এবাৰ মোৰ ধং তুলি নলব।"

এইখিনিতে সীমা, চেৰাই যোৱা ক্ৰোধৰ বেগত, তেওঁৰ দেহ কোচ খাই আছিল। উত্তেজিত কণ্ঠে তেওঁ পুণৰ কবলৈ ধৰিলে, "ইয়াতে জিৰণি লৈ, লিজিয়াক সদায় দেখি থকাৰ বাসনা, মই ত্যাগ কৰি পেলাম বুলি ভাবিছে নেকি? মই তেওঁক বলেৰে লৈ যোৱাৰ ইচ্ছা কৰা নাই। মই ইয়াকো কওঁ,—তেওঁ যদি ক'ৰবালৈ গুচি যায়গৈ, তেন্তে মই মোৰ জোৰ থকা হাতখনেৰে, ইথন হাতৰ পটি টানি, আজুৰি খুলি পেলাম আৰু খোৱা বোৱা সকলো বাদ দিম। তাৰ পাচত মই মৰি গলে, খৃষ্টিয়ান ভ্ৰাতৃসকল দোষৰ ভাগী হ'ব। কিহৰ বাবে, আপোনালোকে মোক শুশ্ৰূষা কৰিলে? কিয় মোৰ জীৱন ৰক্ষা কৰিলে?"

এই ক্ষণতে লিজিয়া পুণৰ কোঠালৈ সোমাই আহিল।

"ক্ৰিচপাচ! আহক আমি এওঁক আমাৰ লগতে ৰাখো আৰু খৃষ্টই যেতিয়া লৈকে তেওঁৰ স্বাস্থ্য ঘূৰাই নিদিয়ে, তেতিয়ালৈকে আমি তেওঁক যাবলৈ নকওঁ।"

ক্ৰিচপাচৰ কাষলৈ আহি তাই এনে গভীৰ অনুপ্ৰেৰণাৰে কথাবাৰ কলেহি যেন, সেই স্বৰ কোনোবা মহৎ কণ্ঠস্বৰহে প্ৰতিধ্বনি!

"তুমি যি ইচ্ছা কৰা, সেয়ে হব।"

ক্ৰিচপাচে এইদৰে ভক্তালিকে অনুগ্ৰহ প্ৰকাশ কৰাত, ভিনিকিয়াচ অভি-ভূতৰ দৰে হল। কথাটোৱে তেওঁৰ মনত গভীৰ সাঁচ বহুৱালে। তেওঁৰ মনলৈ

আছিল, লিজিয়াক খৃষ্টিয়ানসকলে দেৱী অথবা পুৰোহিতনী যেন জ্ঞান কৰি মানি চলে। তেওঁৰ মনতো সন্মানৰ ভাব উদয় হ'ল। অলপ সময়ৰ পাচত যেতিয়া তাই তেওঁক অলপ পানী খাবলৈ দিলে, তেতিয়া তাইৰ হাতত চুমা খোৱাৰ প্ৰবল ইচ্ছা হোৱা সত্বেও তেওঁ চুমা খাবলৈ সাহ নকৰিলে। যিজন ভিনিকিয়াচে নিৰোৰ প্ৰাসাদত তাইৰ ওঁঠত চুমা খাইছিল, আৰু পাচত তাইক চুলিত ধৰি শোৱা কোঠালৈ চোচোৰাই নিবলৈ বা প্ৰহাৰ কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল, সেইজনেই এতিয়া তাইৰ হাতত চুমা খাবলৈ কুণ্ঠা বোধ কৰিলে!

॥ ২ ॥

এটা কথাত ভিনিকিয়াচ অতি আচৰিত হ'ল। লিজিয়াই তেওঁৰ হৈ মাত মতাৰ পাচত, কিবা এটা প্ৰতিশ্ৰুতি তেওঁৰপৰা আদায় কৰিবলৈ তাই বা ক্ৰিচপাচ কোনেও তেওঁক পীড়াপীড়ি নকৰিলে। প্ৰয়োজন অনুসৰি অলৌকিক কিবা এটা শক্তিয়ে সহায় কৰিব বুলি তেওঁলোক যেন নিশ্চিন্ত হৈ আছে। সঁচাকৈয়ে ওচট্ৰিয়ানামত ধৰ্ম্মপ্ৰচাৰকজনে দিয়া শিক্ষা আৰু কাহিনীবোৰ শুনাৰ পাচৰ পৰা সম্ভৱ আৰু অসম্ভৱৰ মাজৰ সীমাৰেখা ডাল ভিনিকিয়াচৰ মনত যেন ক্ৰমে অস্পষ্ট হৈ আহিছে। এনে ধৰণৰ ঐশ্বৰিক হস্তক্ষেপ অসম্ভৱ হব নোৱাৰে বুলি মানি লবলৈ, তেওঁ এতিয়া আৰু দ্বিধা বোধ নকৰে। যি কি নহওক, বাস্তৱ জীৱনৰ কথাবোৰ, শান্তভাৱে চিন্তা কৰাৰ পাচত, তেওঁ গ্ৰীকটোৰ কথা পুণৰ উলিয়ালে আৰু তাক মাতি আনিবলৈ কলে!

ক্ৰিচ্‌পাচে এই কথাত সন্মতি জনালে। ভিনিকিয়াচে লিজিয়ানটোক, চিলো থকা ঠাইৰ নিৰ্দেশ দিলে। ফলি এখনত কিবা লেখি, উৰচাচৰ ফালে চাই, তেওঁ কলে, "মই এইখিনি কথা লেখি পঠালো, কাৰণ চিলো মানুহটো হ'ল অতি ধূৰ্ত্ত আৰু অবিশ্বাসী। মই তাক মাতি পঠিয়ালে সি প্ৰায়ে ঘৰত নাই বুলি খবৰ দিয়ায়। যেতিয়াই মোক জনাবলৈ ভাল খবৰ নাথাকে, তেতিয়াই, মোৰ খঙলৈ ভয় কৰি সি এনেকুৱা কৰে।"

"সি ইচ্ছা কৰকে বা নকৰক, মই তাক লগত লৈ আহিম।" গাত কাপোৰ এখন লৈ লৰালৰিকৈ ওলাই যোৱাৰ সময়ত, উৰচাচে কলে।

কিন্তু চিলোৰ আগত উপস্থিত হোৱাৰ পাচতো, লিভিয়ানটোৱে তাক চিনিব নোৱাৰিলে। কাৰণ, আগতে সি তাক মাত্ৰ এবাৰহে দেখিছিল, তাকো নিশাৰ সময়ত। তদুপৰি, যিজন গৰ্ব্বিত, আৰু গোড়া স্বভাৱৰ বৃদ্ধই, প্ৰকাশ্যে বধ কৰিবলৈ তাক আদেশ কৰিছিল, সেই বৃদ্ধৰ লগত যেন এই ভীৰু আৰু কুঁজা গ্ৰীকটোৰ সাদৃশ্য নিচেই তাকৰ। চিলোৱে প্ৰথমে পোৱা ভয়ৰ আঘাতটো কোনো মতে চম্ভালি ললে, আৰু ফলিত লেখা কথাই তাক আশ্বস্ত কৰিলে। অন্ততঃ বিচাৰপতিজনক ফান্দত পেলাবলৈ নিছিল বুলি, তাক আৰু কোনেও সন্দেহ নকৰে। সি নিজকে কলে, খৃষ্টিয়ানইতে ভিনিকিয়াচক বধ নকৰাৰ কাৰণটো হল এইয়ে যে, ইমান গুৰুত্বপূৰ্ণ ব্যক্তি এজনৰ গাত হাত দিবলৈ সিহঁতে সাহ নকৰিলে।

"গতিকে, আৱশ্যক বুজি, ভিনিকিয়াচে মোক ৰক্ষা কৰিব। যাৰ ধৰ কৰিবলৈ, এইদৰে মাতি নপঠিয়ায়।" এইদৰে নিজৰ মনতে কৈ, সি সাহস গোটাই লৈ সুধিলে, "হে সাধু! বন্ধু ভিনিকিয়াচে, মোলৈ দোলা পঠিওৱা নাই নেকি? মোৰ ভৰি উখহিছে, বেচি দূৰ খোজ কাঢ়ি যাব নোৱাৰিম।"

"নাই পঠিওৱা।" উৰচাচে কলে, "আমি তালৈ খোজ কাঢ়িয়ে যাব লাগিব।"

"কিন্তু মই যদি যাবলৈ অমান্তি হওঁ?"

"অমান্তি নহবা। কাৰণ তোমাৰ উপস্থিতিৰ দৰকাৰ হৈছে।"

"বাৰু মই গুলাইছো; নিজৰ ইচ্ছাতহে যাম মং। কোনেও মোক ধৰি, বান্ধি নিব নোৱাৰে। কাৰণ, মই এজন স্বাধীন মানুহ, তদুপৰি নগৰ ৰক্ষকৰ বন্ধুও। বল প্ৰয়োগ কৰিব পৰা,—বাধা দিব পৰা শক্তি আৰু জ্ঞান মোৰ আছে। মোৰ হাতত এনে কিছুমান উপায় আছে, যাৰ দ্বাৰা, মানুহক গছ আৰু জন্তুলৈ ৰূপান্তৰিত কৰিব পাৰো। যি কি নহওক, মই যাম,— মই যামেই। প্ৰথমতে মূৰ ঢাকি পিন্ধা, গৰম কাপোৰ এসাজ, উলিয়াই লওঁ, যাতে সেই ঠাইৰ দাস বোৰে মোক চিনি নাপায়। চিনি পালে, সিহঁতে মোৰ হাতত চুমা খাবলৈ আহি, মোক বিৰক্ত কৰি তুলিব।"

এই বুলি সি, আন এটা সাজ পিন্ধিলে আৰু মূৰটো, গল দেশীয় আৱৰণেৰে ঢাকি ললে। তাৰ ভয়, কেনেবাকৈ দিনৰ পোহৰত, উৰচাচে তাৰ চেহেৰা ধৰিব পাৰে বুলি।

"মোক কোন ফালে লৈ গৈছা?" খোজ কাঢ়ি গৈ থাকোতে চিলোৱে সুধিলে।

"টাইবাবৰ সিপাৰলৈ"।

"এবা মই ৰোমলৈ অহা সপ্তাহ দিন হোৱা নাই। সেইখন ঠাই মই দেখাই নাই। কিন্তু তাত আমাৰে নিচিনা, ধৰ্ম্মপৰায়ণ বন্ধু কিছুমান আছে বুলি নিঃসন্দেহে কব পাৰি।"

সৰল স্বভাৱৰ মানুহ হলেও উৰচাচে জানে যে ভিনিকিয়াচৰ লগত গ্ৰীকটোও ওচ্‌ট্ৰিয়ানামৰ সমাধিস্থানলৈ গৈছিল, আৰু লিজিয়া থকা ঘৰটোৰ ওচৰতে ক'ৰবাত আছিল। গতিকে তাৰ খোজবোৰ হঠাৎ থমকি ৰ'ল।

"মিছা কথা নকবা, বুঢ়া।" সি কলে "কালি নিশাৰ ভিতৰৰ কোনোবা এটা সময়ত তুমি ভিনিকিয়াচৰ লগত ওচ্‌ট্ৰিয়ানামত আছিলা, আৰু তাৰ পাচত, আমাৰ ঘৰৰ কাষে পাইছিলাগৈ।"

"অ' তাৰ মানে তোমাৰ ঘৰ টাইবাবৰ সিটো পাৰত। মই কৈছোৱেই নহয়, ৰোমত সপ্তাহ দিন থকা নাই বুলি! সেইবাবে, বেলেগ বেলেগ, অঞ্চলৰ নামবোৰ ভুল হ'ব পাৰে, মোৰ। হয়, মোৰ বন্ধু, মই তোমাৰ দুৱাৰ মুখ পাইছিলো গৈ আৰু সেই ঠাইতে ধৰ্ম্মৰ দোহাই দি, মই ভিনিকিয়াচক নেবানেপেবাকৈ ধৰিছিলো, ভিতৰত নোসোমাবলৈ। কালি নিশা মই ওচ্‌ট্ৰিয়ানামলৈকো গৈছিলো। কিয় জানানে? কিছুদিনৰ আগৰপৰা, ভিনিকিয়াচক, নতুন ধৰ্ম্মত দীক্ষা লোৱাবলৈ, মই চেষ্টা চলাইছো। সৰ্ব্বশ্ৰেষ্ঠ ধৰ্ম্মযাজকজনৰ কথা শুনোৱাৰ, মহৎ বাসনা লৈ, মই তেওঁক সেই ঠাইলৈ নিছিলো। সেই জ্ঞান বৰ্ষিয়ে, তেওঁৰ আৰু তোমাৰো অন্তৰ ভেদ কৰি যাওক। তুমি খৃষ্টিয়ান। গতিকে, অসত্যৰ ওপৰত, সত্যই জয় লাভ কৰা চাবলৈ আগ্ৰহ নকৰা জানো?"

"হয়।" উৰচাচে নিৰীহভাৱে জনালে। ইয়াৰ পাচত, চিলোৰ সাহস সম্পূৰ্ণ উলটি আহিল।

"ভিনিকিয়াচ এজন প্ৰতাপী জমিদাৰ আৰু লগতে চিজাৰৰ বন্ধুও।" সি কলে, "সঁচা কথা।—মাজে, সময়ে, তেওঁ অসৎ পথ লয়। কিন্তু, তেওঁৰ মূৰৰ চুলি এডালো যদি নষ্ট হয়, চিজাৰে ৰোমৰ আটাইবোৰ খৃষ্টিয়ানৰ ওপৰত তাৰ শোধ তুলিব।"

"কিন্তু আমাক বিজনে ৰক্ষা কৰি আছে, তেওঁ সৰ্ব্বশক্তিমান।"

"সেইটো সঁচা,—সেইটো একেবাৰে ঠিক কথা।" চিলোৱে জোৰ দি কলে। লগে লগে, সি অস্বস্তি বোধ কৰিবলৈ ধৰিলে।

"পিচে, তোমালোকে ভিনিকিয়াচক কি কৰিব খোজা ?"

"মই কব নোৱাৰো। খৃষ্টই আমাক আদেশ দিছে, সকলোকে দয়া কৰিবলৈ।"

"তুমি বেচ কথা কৈছা। কথাটো সদায় মনত ৰাখিবা,—যদিহে, তেলৰ পাত্ৰত ভাজ খাই থকা, মৎস্য এটুকুৰাৰ দৰে, নৰকৰ তপত তেলত পৰি থাকিব নোখোজা।"

উৰচাচে হুমুনিয়াহ পেলালে। তাকে দেখি, চিলোৰ ভাব হল, এই ভয়ঙ্কৰ মানুহটোৰ লগত সি নিজৰ ইচ্ছামতে চলিব পাৰিব। তাৰ পাচত, লিজিয়াক অনাৰ সন্দৰ্ভত, ঘটনাৰ সোঁত কোন ফালে বৈছে, জানিবৰ কাৰণে, সি বিচাৰকৰ কঠোৰ মাতেৰে, প্ৰশ্ন কৰিলে, "তুমি ক্ৰোটোক কি কৰিলা, সঁচা কথা কোৱা।"

পুণৰ উৰচাচে হুমুনিয়াহ পেলালে।

"ভিনিকিয়াচে কব।" সি কলে।

"তাৰ মানে, তুমি মালটোক, বুকুত ছুৰী বহুৱাই, বা গদাৰে কোবাই, শেষ কৰি থলা নহয়নে ?"

"সেই সময়ত, মোৰ হাতত অস্ত্ৰ নাছিল।"

বৰ্ব্বৰ মানুহটোৰ এনে অমানবীয় শক্তি দেখি, গ্ৰীকটোৱে আশ্চৰ্য্য ভাব লুকুৱাব নোৱাৰিলে।

"প্লুটোৰ,—তাৰ মানে, খৃষ্টৰ দোহাই !" সি চিঞৰি উঠিল, "ইয়াৰ বাবে তুমি যেন ক্ষমা লাভ কৰা।"

অলপ পৰ দুয়ো মনে, মনে, আহি থাকিল। তাৰ পাচত চিলোৱে কলে, "মই তোমাক প্ৰতাৰণা নকৰো। কিন্তু নগৰ ৰক্ষকৰ পৰা সাৱধান হবা।"

"মই এক মাত্ৰ খৃষ্টক ভয় কৰো। নগৰ ৰক্ষকলৈ, মোৰ ভয় নাই।"

"ঠিক কথা। নৰ হত্যাতকৈ ডাঙৰ পাপ নাই। মই তোমাৰ কাৰণে প্ৰাৰ্থনা জনাম। পিচে মোৰ প্ৰাৰ্থনা ফলপ্ৰদ হবৰ কাৰণে তুমি আৰু কেতিয়াও মানুহৰ গাত হাত নিদিওঁ বুলি প্ৰতিজ্ঞা কৰিব লাগিব। তোমাৰ আঙুলিৰ আগেৰেও, কাকো নোচোওঁ বুলি প্ৰতিজ্ঞা কৰা।"

"তাক হত্যা কৰা উদ্দেশ্য মোৰ নাছিল।" উৰচাচে জনালে।

চিলোৰ উদ্দেশ্য হ'ল, —যি কোনো অঘটন ঘটাৰ পৰা নিজকে ৰক্ষা কৰা। সেইবাবে সি বৰ্ব্বৰটোক বুজাবলৈ ধৰিলে, নৰহত্যা অভিশপ্ত ঘৃণনীয় কাম, আৰু

এইমাত্র যি প্ৰতিজ্ঞা কৰাৰ কথা কোৱা হ'ল, সেই প্ৰতিজ্ঞা কৰিবলৈ সি যেন অকণো পাচ নোহঁহকে।

এইদৰে কথা পাতি আছি, আছি সিহঁত ঘৰ পালেহি। চিলোৰ বুকুৰ ধপ ধপনি আকৌ অনিয়মীয়া হৈ আহিল। ভয়তে অস্থিৰ হৈ সি ভাবিলে, উৰচাচে তাৰ কাণে হিংস্ৰ চাৱনিৰে চাই আছে।

"মোক বধ কৰাৰ উদ্দেশ্য নাছিল বাবে, সি মোক বধ নকৰিলে বুলি যদি ভাবি লওঁ, তেন্তে মিছা সান্ত্বনা লাভ কৰাহে হ'ব।" গ্ৰীকটোৱে নিজৰ মনতে কলে, পক্ষাঘাত হওক তাৰ. আৰু লগতে আটাইবোৰ লিজিয়ানৰ. মোৰ এই প্ৰাৰ্থনা পূৰ্ণ কৰা, যদি পাৰা! হে জুপিটাৰ!"

মূৰত বান্ধি লোৱা গল দেশীয় আৱৰণখন সি আৰু বেচি টানকৈ বান্ধিলে. -শীতৰ বাবেহে যেন কৰিছে এনে ভাব দেখুৱাই। অৱশেষত ঘৰটোৰ আগ চোতালখন পাৰ হৈ যোৱাৰ পাচত, সৰু বাগিচাখনলৈ যোৱা ঠেক পথটোত ভৰি দিয়ে গ্ৰীকটোৱে কলে, "মোক ভালকৈ উশাহ লৈ জিৰাবলৈ দিয়া। নহলে ভিনিকিয়াচৰ লগত দেখা কৰাৰ বা তেওঁক হিত উপদেশ দিয়াৰ শক্তি মোৰ নাথাকিব।"

ইয়াকে কৈ সি বৈ গল। যদিও নিজকে সি কোনো বিপদ নাই বুলি সান্ত্বনা দিছিল, তথাপিও আকৌ এবাৰ ওচ্ট্ৰিয়ামত দেখা সেই ৰহস্যময় মানুহবোৰক লগ পাব বুলি ভাবি, তাৰ কলিজা শুকাই গল।

সৰু জুপুৰীটোৰপৰা গীতৰ সুৰ ভাঁহি আহিছে।

"সেয়া কি?" সি সুধিলে।

উৰচাচে টান মাতেৰে কলে, "তুমি নিজকে খৃষ্টিয়ান বুলি কোৱা, অথচ, এই কথাও নাজানা যে, প্ৰতিটো আহাৰ সমাপ্ত হোৱাৰ পাচত আমি ত্ৰাণকৰ্ত্তাক স্মৰণ কৰি তেওঁৰ মহিমা কীৰ্ত্তন কৰো। মিৰিয়াম্ আৰু তেওঁৰ লৰাটো নিশ্চয় উলটি আহিছে। হয়তো গুৰুদেৱও লগতে আছে। কাৰণ, তেওঁ সদায় ক্ৰিচপাচ আৰু বিধবাগৰাকীক দেখা কৰি যায়।"

"তেন্তে, মোক পোণে, পোণে, ভিনিকিয়াচৰ ওচৰলৈকে নিয়া।"

কোঠাটো আধা আন্ধাৰ, আধা পোহৰ। কাৰণ, বাহিৰত শীতৰ গধূলিৰ ছাঁ, ঘন হৈ আহিছে; চাকিৰ পোহৰে অস্পষ্টতা গুচাব পৰা নাই। মূৰ ঢাকি অহা মানুহটোক, ভিনিকিয়াচে উমানতে গ্ৰীকটোৱেই বুলি ধৰিলে; কিন্তু চিলোৱে,

বিচনাত থকা ভিনিকিয়াচক ভালদৰে দেখিলে। সি পোণে, পোণে গৈ ভিনি-কিয়াচৰ কাষ পালেগৈ। ভিনিকিয়াচৰ কাষত, আটাইতকৈ নিৰাপদে থাকিব পাৰিব বুলি, তাৰ বিশ্বাস জন্মিল।

"হে প্ৰভু! আপুনি কিয় শুনিলে, মোৰ কথা?" হাত দুখন মুঠি মাৰি ধৰি, সি চিঞৰ মাৰি দিলে।

"মনে, মনে থাক।" ভিনিকিয়াচে কলে, "মোৰ কথা শুন।"

তাৰ পাচত, গ্ৰীকটোলৈ তীক্ষ্ণ দৃষ্টিৰে চাই, তেওঁ লাহে, লাহে,—প্ৰতিটো শব্দৰ পাচত বৈ, বৈ, কথা কবলৈ ধৰিলে। তেওঁ এনেদৰে কথাখিনি কলে, যাতে, তেওঁৰ ইচ্ছাক,—তেওঁৰ মুখত ওলোৱা প্ৰতিটো শব্দক, আদেশ বুলি শিৰোধাৰ্য্য কৰি, গ্ৰীকটোৱে তাৰ মগজুত চিৰদিনলৈ খোদিত কৰি থয়।

"ক্ৰোটোৱে মোৰ ওপৰত জপিয়াই পৰি, মোক লুট-পাত কৰি বধ কৰিব খুজিছিল। কথাটো বুজিলিনে তই? তেতিয়া মই তাক হত্যা কৰিলো। হতা-হতি যুঁজত হোৱা, মোৰ গাৰ ক্ষত স্থানবোৰত, ইয়াৰ এই সাধু পুৰুষসকলে, ঔষধ পাতি লগাই বান্ধি দিছে।"

চিলোৱে ততালিকে ধৰিলে,—ভিনিকিয়াচে খৃষ্টিয়ানৰ লগত বন্ধুত্ব স্থাপন কৰিছে। নহলে এই কথা কিয় ক'ব? তেওঁৰ ইচ্ছা, আৰু তেওঁৰ কথা, যাতে আনেও মানি লয়, তাৰ বাবেই নিশ্চয়। তেওঁৰ ভাব ভঙ্গীয়েও, তাকে প্ৰকাশ কৰিছে।

গতিকে চিলোৱে কোনো সন্দেহ বা আশ্চৰ্য্য প্ৰকাশ নকৰি কলে, "সি সঁচাকৈয়ে অসৎ! মই সদায় আপোনাক কৈছিলো, তাক বিশ্বাস নকৰিবলৈ। কিন্তু প্ৰভু, আপুনি নুশুনিলে। নৰকতো নাই, তাৰ উপযুক্ত শাস্তি! ইস্! নিজৰ উপকাৰীক আক্ৰমণ কৰে সি! তাতে আপোনাৰ দৰে উদাৰমনা জমিদাৰ এজনক! হে পোলাক্স!"

হঠাৎ তাৰ মনত পৰিল, এই ঠাইলৈ আহোঁতে, বাটত সি, নিজকে খৃষ্টি-য়ান বুলি, উৰচাচক জনাইছিল। গতিকে, তাৰ মুখখন বন্ধ হ'ল।

"মোৰ হাতত, আঁকোৰা দা খন নথকা হলে, সি মোক মাৰি পেলালে হেঁতেন।" ভিনিকিয়াচে কলে।

"তেন্তে, যি ক্ষণত, মই আপোনাক, আন নহলেও, ছুৰী এখনকে লগত নিবলৈ কৈছিলো, সেই ক্ষণটো সঁচাকৈয়ে অতি শুভ।"

ভিনিকিয়াচে প্ৰশ্নসূচক দৃষ্টিৰে, ভাবকালে ঘূৰি চাই কলে, "তই আজি গোটেই দিনটো কি কৰিছিলি ?"

"কি ! আপোনাক জানো মই কোৱা নাই,—গোটেই দিনটো আপোনাৰ বাবে, প্ৰাৰ্থনা কৰিয়ে কটালো বুলি ?"

"আন একোকে কৰা নাই ?"

"আৰু আপোনাক দেখা কৰিবলৈকে সাজু হৈছিলো। তাৰ পাচতে, এই সাধু পুৰুষজনে কলেহি, আপুনি বোলে মোক বিচাৰিছে।"

"বেচ। এতিয়া এই ফলিখন, মোৰ ঘৰলৈ নি, প্ৰধান মুক্তদাসটোক দে গৈ। ইয়াত মই বেনেভেনুটামলৈ যাওনা হোৱাৰ কথা লেখিছো। লগতে যোগ দি, তইও কবি যে, আজি ৰাতিপুৱাই মই যাত্ৰা কৰিছো, পেট্ৰোনিয়াচৰ পৰা জৰুৰী চিঠি পাই।"

তাৰ পাচত, কথাত জোৰ দি তেওঁ পুণৰ কলে, "মনত ৰাখিবি, মই বেনে-ভেনুটামলৈ গলোগৈ। বুজিছনে ?"

"হয় প্ৰভু ! আপুনি গলগৈ, আৰু মই আজি ৰাতিপুৱা, পোৰ্টা কাপেনাত আপোনাক বিদায় দি আহিলো। সেই মুহূৰ্ত্তৰেপৰা, মোৰ ইমান বেজাৰ লাগি আছে যে, সদাশয় প্ৰভুৱে যদি মোলৈ কৃপা দৃষ্টি নকৰে, তেন্তে জেথোচৰ দুৰ্ভগীয়া পক্ষীয়ে, ইটিলোচৰ বিয়োগত, কান্দি, কান্দি, প্ৰাণ এৰাৰ দৰে মইও কান্দি কান্দি প্ৰাণ এৰিম।"

গ্ৰীকটোৰ মনৰ ক্ষিপ্ৰতাৰ কথা, ভিনিকিয়াচে আগৰে পৰা জানে। গতিকে, অসুস্থ অবস্থাতো, তেওঁ নইহাকৈ নোৱাৰিলে। বৰ্ত্তমান তেওঁ ঘটনাটো কি ভাবে সদৰী কৰিব খুজিছে, গ্ৰীকটোৱে বুজি পোৱাৰ বাবে, তেওঁ সন্তুষ্ট হ'ল।

"বেচ, বেচ, মই এনে কেইশাৰীমান কথা লেখি পঠাও, যাতে তোৰ চকুপানী মচ খায়। চাকিটো আন।" সম্ভ্ৰান্ত যুবকজনে হৃষ্টচিত্তে জনালে।

নিৰাপত্তাৰ ভাব অহাত, চিলো এইবাৰ উঠিল, আৰু জ্বলি থকা চাকি এটা, বেৰৰ পৰা নমাই আনিলে। দুৰ্ভাগ্যবশতঃ, তাৰ মূৰৰ আবৰণ সুলকি পৰিল, আৰু চাকিৰ পোহৰ আহি, পোণে, পোণে তাৰ মুখত পৰিল। তৎক্ষণাৎ মকাচে, বহাৰপৰা জাপ মাৰি উঠি, চিলোক আগভেটা দি থিয় দিলে।

"চিক্কাচ্ ! মোক চিনি পোৱা নাইনে ?" তেওঁ সুধিলে। সেই কণ্ঠত, এনে এটা ভয়ানক শক্তি নিহিত আছিল যে, উপস্থিত সকলো মানুহৰে, গা শিয়ঁৰি

উঠিল। চিলোৱে চাকিটো ওপৰলৈ ধৰাৰ লগে, লগে, হাতৰ পৰা পৰি গল। তাৰ পাচত, কুঁজা হৈ, মাটিত লাগি, কেঁকাই গোঁথাই কলে, "মই চিক্সাচ নহওঁ,—মই নহয়। মোক কৃপা কৰক।"

"আপোনালোকৰ সন্মুখত থিয় দি থকা, এই মানুহটোৱে মোক বেচি দিছিল।" গ্নকাচে সঙ্গীসূন্দক কলে, "হয়, যিটো মানুহে, মোক আৰু মোৰ গোটেই পৰিয়ালবে সৰ্ব্বনাশ কৰিছিল, সি এইয়া, ইয়াত থিয় দি আছে।"

ক্ষন্তেকৰ ভিতৰতে, ভিনিকিয়াচে বুজি পালে, যি জন চিকিৎসকে তেওঁৰ ক্ষতস্থানত ঔষধ লগাই বান্ধি দিছিল, সেইজনেই গ্নকাচ,—যাৰ কাহিনী তেওঁ আগতে শুনিছিল।

গ্নকাচৰ কথা কেইটাই, মুহূৰ্ত্তৰ ভিতৰতে, উৰচাচৰ আত্মাৰ মস্তিষ্ক পোহৰাই পেলালে। সি চিলোক চিনি পালে। তাৰ পাচত, সি তাৰ হাত দুখনত ধৰি, পিচলৈ বেঁকা কৰি, চিঞৰি কলে, "হয়, এই মানুহটোৱেই গ্নকাচক প্ৰাণে মাৰিবলৈ, মোক সন্মত কৰাইছিল।"

"মোক দয়া কৰক।" চিলোৱে আৰ্ত্তস্বৰে মিনতি জনালে, "হে প্ৰভু! মোক ৰক্ষা কৰক! মোৰ হৈ এবাৰ কওক। মই জানো, আপুনি মোক ৰক্ষা কৰিব। মই আপোনাৰ চিঠি লৈ যাম। হে মোৰ প্ৰভু! মোৰ প্ৰভু!"

কিন্তু ভিনিকিয়াচে ভ্ৰূক্ষেপকে নকৰিলে। প্ৰথম কথা হ'ল,—গ্ৰীকটোৱে কি কৰিছিল, তেওঁ সকলো বুজিলে। দ্বিতীয়তে, তেওঁৰ প্ৰাণত দয়া, মমতাৰ ঠাই নাই। তেওঁ মাত্ৰ এইদৰে কৈ থলে:

"আপোনালোকে ইয়াক বধ কৰি, বাগিচাত পুতি থব পাৰে। মোৰ চিঠিখন, আন কোনোবাই নিব।"

চিলোৱে ধৰি ললে,—এইয়া তাৰ মৃত্যুদণ্ড ঘোষণা। উৰচাচৰ ভয়ানক হাতৰ মুঠিৰ মাজত, তাৰ হাড় কেইডাল কেৰকেৰাই উঠিল। চকুৰ পানী ওলাওঁ, ওলাওঁ অৱস্থা হ'ল তাৰ।

"আপোনালোকৰ ভগৱানৰ দোহাই! মোক দয়া কৰক!" সি পুণৰ চিঞৰিলে, "মই খৃষ্টিয়ান! আপোনালোকৰ শান্তি হওক। মই সঁচাকৈয়ে কৈছো, মই খৃষ্টিয়ান! যদি বিশ্বাস নকৰে, মোক আকৌ এবাৰ, দীক্ষা স্নান কৰাওক। দুবাৰ নালাগে, দহবাৰ কৰাওক, যদি ইচ্ছা কৰে! গ্নকাচ! মোৰ ভুল হৈ গল।

মই কওঁ শুনক! মোক আপোনাৰ দাস কৰক, যদি ইচ্ছা হয়। মাত্র মোক প্ৰাণে নামাৰিব। কৃপা,—কৃপা কৰক'!"

যন্ত্ৰণাত েচপা খাই অহা, তাৰ মাত লাহে, লাহে দুৰ্ব্বল হৈ আহিল। হঠাৎ মেজখনৰ সিটো মূৰত, ধৰ্ম্মাচাৰ্য্য পিটাৰে দেখা দিলেহি। মৃত্যুসম স্তব্ধতাৰ মাজত, তেওঁৰ কণ্ঠস্বৰ ধ্বনিত হল :

"ত্ৰাণকৰ্ত্তা পৰম প্ৰভুৰ আদেশ,- যদি তোমাৰ ভ্ৰাতৃয়ে, তোমাৰ ওচৰত পাপ আচৰণ কৰে, তেন্তে, তুমি তাক বুজাই বঢ়াই, শুদ্ধ পথলৈ আনিবা। কিন্তু যদিহে সি, অনুতাপ কৰে, তেন্তে তাক ক্ষমা কৰিবা। যদি দিনটোৰ ভিতৰত, সাতবাৰ তোমাৰ ওচৰত পাপ কৰি, সাতোবাৰ আহি কয়হি, 'মোক কৃপা কৰক' তেতিয়াও তুমি তাক ক্ষমা কৰিবা।"

নিস্তব্ধতা গভীৰতৰ হৈ আহিল। বহু সময় গুকাচে, হাতৰ মাজত মুখ লুকুৱাই, থিয় দি থাকিল তাৰ পাচত কলে, "চিকাচ্! মই যিদৰে খ্ৰীষ্টৰ নামত, তোমাক ক্ষমা কৰিলো, সেইদৰে, তুমি মোক যি অন্যায় কৰিছিলা, তাৰ বাবে ভগৱানে তোমাক ক্ষমা কৰক।"

চিলোৰ হাত এৰি দি, উৰচাচেও কলে, "ত্ৰাণকৰ্ত্তাই মোক ক্ষমা কৰক,— যি দৰে, মই তোমাক ক্ষমা কৰিলো।"

চিলো মাটিত পৰি গল। জালত পৰা জন্তু এটাই যিদৰে, ভিতি ঘূৰাই চাই জানিব খোজে, কোন ফালৰ পৰা মৃত্যুৰ আঘাত আহি, তাৰ গাত পৰিব, ঠিক সেইদৰে, সিও, হাতৰ ওপৰত ভেজা দি, ইফালে সিফালে, চাই বুজিব খুজিলে, কোন ফালৰপৰা আঘাত আহি তাৰ মৃত্যু ঘটাব। এতিয়াও সি, নিজৰ চকু আৰু কাণ দুখনক, বিশ্বাস কৰিব পৰা নাই! সি যে প্ৰাণদণ্ডৰ পৰা সাৰি গল, সেই কথা, কোনো পধ্যে ভাবিব পৰা নাই।

লাহে, লাহে সি প্ৰকৃতিস্থ হ'ল। কিন্তু তাৰ নিস্তেজ ওঁঠ দুটা, ভয়ত কঁপিয়ে থাকিল। অৱশেষত ধৰ্ম্মাচাৰ্য্যই তাক কলে, "শান্তিৰে যোৱাগৈ।"

চিলো উঠিল; কিন্তু কথা কব নোৱাৰিলে। সহজাত প্ৰকৃতিয়ে তাক, ভিনিকিয়াচৰ শয্যাৰ কাষলৈ টানি নিলে,— বিচাৰপতিৰ সহায় ভিক্ষা কৰিহে যেন সি, তেওঁৰ কাষলৈ গৈছে। ভিনিকিয়াচেই যে তাক, দোষী সাব্যস্ত কৰিছিল, সেই কথা ভাবিবলৈ, তাৰ সময়ে নহল। চাবলৈ গলে, ভিনিকিয়াচ তাৰ পাপৰ সঙ্গী,— তেঁৱেই তাক চলাইছিল। অথচ যাৰ বিৰুদ্ধে সি ষড়যন্ত্ৰ কৰিছিল,

ভেওঁলোকেই তাৰ জীৱন সুখাই দিলে। গতিকে কষ্টেকৰ বাবে, চিলোৰ দৃষ্টিত কেৱল আশ্চৰ্য্য আৰু অবিশ্বাস প্ৰকাশ পালে। তাক এৰি দিয়া হব বুলি বুজি পোৱাৰ পাচত্তো, এই অদ্ভুত মানুহখিনিৰ ওচৰৰপৰা, নিৰাপদে সুস্থ শৰীৰে আঁতৰি যাবলৈ, সি ব্যগ্ৰ হৈ পৰিল। এই মানুহবোৰ নিষ্ঠুৰ হোৱা হলে সি যিমান ভয় খালেহেঁতেন, ভেওঁলোকৰ সততা আৰু দয়াই, তাক সমানে ভয় খুৱালে। মূঠৰ ওপৰত, তাৰ ধাৰণা হ'ল, সি যদি তাত আৰু কিছুসময় পলম কৰে ভেন্তে কল্পনাতীত আৰু কিবা এটা ঘটি যাব পাৰে।

"চিঠিখন মোক দিয়ক, প্ৰভু!" সি মুখৰ ভিতৰতে কলে, "দিয়ক, চিঠিখন মোক!"

ভিনিকিয়াচে তাৰ হাতত দিয়া ফলিখন লৈ, সি খৃষ্টিয়ানসকলৰ আগত প্ৰথমে মূৰ দোঁৱাই, পাচত, ৰোগীৰ আগত মূৰ দোঁৱালে। কুজাঁ হৈ সি বেৰত ধৰি চুচৰি গৈ দুৱাৰ মুখ পালে, আৰু উধাতু খাই, মুকলিলৈ ওলাই গল।

আন্ধাৰৰ মাজত, সৰু বাগিচাখনত থিয় দিওঁতে, ভয়ত তাৰ মূৰৰ চুলি থিয় হ'ল। কাৰণ তাৰ দৃঢ় বিশ্বাস হ'ল, উৰচাচে এতিয়া তাৰ গাৰ ওপৰত, জপিয়াই পৰি আন্ধাৰৰ সুবিধা লৈ তাক হত্যা কৰিব। সি ভয়তে লৰ মাৰিব খুজিছিল, কিন্তু তাৰ ভৰি দুটা অচল হৈ পৰিল। অৱশেষত সি আহি এঠাইত ৰৈ গল। সঁচাকৈয়ে, উৰচাচ আহি কাষ পালেহি।

চিলোৱে মুখ ঠেকেচা খাই মাটিত পৰি কাতৰ কণ্ঠে কলে, "উৰ্চাচ! উৰ্চাচ! খৃষ্টৰ নামত" – কিন্তু দৈত্যাকাৰ মানুহটোৱে মাত্ৰ কলে,

"ভয় নকৰিবা। গুৰুজনে মোক আদেশ দিছে,--বাটৰ মুখলৈকে, তোমাৰ লগত যাবলৈ, যাতে আন্ধাৰত তোমাৰ বাট নেহেৰায়। যদি খোজ কাঢ়ি যাবলৈ, তোমাৰ গাত বল নাই, মই তোমাক কঢ়িয়াই নি, ঘৰত থৈ আহিম।"

চিলোৱে মূৰ দাঙিলে।

"কি কৈছা?" সি সুধিলে, "কি? তুমি মোক বধ নকৰা?"

"নকৰো। অলপ আগতে, তোমাক জোৰেৰে ধৰি, কষ্ট দিয়াৰ বাবে মোক ক্ষমা কৰিবা।"

"মোক ধৰা।" গ্ৰী ফটোৱে কলে, "তেন্তে তুমি মোক হত্যা নকৰা সঁচাকৈয়ে ? এতিয়া মোক ৰাজপথৰ ফালে লৈ যোৱা ; তাৰ পাচত, মই অকলে যাম গৈ।"

পাখি এডাল বুটলি লোৱাৰ নিচিনাকৈ, উৰচাচে চিলোক, মাটিৰ পৰা তুলিলে, আৰু আন্ধাৰ পথ এটাইদি, তাক আগ চোতাললৈ আনিলে। তাৰ পাচত বাটৰ কাষত ৰ'লহি। আন্ধাৰ বাটটোৱে, আহি থাকোতে, চিলোৱে নিজৰ মনতে বাৰে, বাৰে কৈছিল, "মোৰ শেষ, মোৰ সকলো শেষ!" অৱশেষত ঘৰৰ সীমা পাৰ হৈ বাহিৰৰ পথ পাওঁতেহে ৰক্ষা পোৱা যেন লাগিল তাৰ। কোনোমতে উশাহ লৈ সি কলে, "মই এতিয়া অকলে যামগৈ।"

"তেন্তে শান্তিৰে যোৱাগৈ।"

"শান্তি হওক তোমাৰো,— তোমাৰো। মোক উশাহ লবলৈ দিয়া।"

উৰচাচ আতৰি গৈ নেদেখা হলত হে, চিলোৱে ভালদৰে উশাহ ললে। তাৰ পাচত, নিজৰ পিঠি আৰু গাৰ দুয়ো কাষ হাতেৰে চুই চালে,— যেন বুজিব খুজিলে, সঁচাকৈয়ে সি জীয়াই আছেনে নাই। এইবাৰ সি যাবলৈ ধৰিলে ; পঞ্চাশ খোজমান যোৱাৰ পাচত, সি অলপ ৰৈ নিজকে সুধিলে, "কিহৰ বাবে, সিঁহতে মোক বধ নকৰিলে ?"

এই প্ৰশ্নৰ উত্তৰ সি বিচাৰি নাপালে। খৃষ্টিয়ান ধৰ্ম্মৰ ওপৰত ইউৰিচিয়াচৰ লগত হোৱা আলোচনা, নৈৰ পাৰত উৰচাচৰ লগত হোৱা কথাবতৰা ওচ্‌ট্ৰিয়ানামত সংগ্ৰহ কৰা বাতৰি আদি একোৱে তাক ইয়াৰ উত্তৰ দিব নোৱাৰিলে।

॥ ৩ ॥

হৈ যোৱা ঘটনাবোৰৰ কাৰণ বুজিবলৈ, ভিনিকিয়াচো অপাৰগ। সঁচাকৈয়ে চিলোৰ দৰে তেওঁও বিস্ময়ত নিৰ্ব্বাক হৈ গল। এই মানুহবোৰে, তেওঁৰ প্ৰতি যেনে ব্যৱহাৰ কৰিছে,—সিঁহতক আক্ৰমণ কৰাৰ পাচতো, প্ৰতিশোধ লোৱা দূৰৰ কথা, তেওঁক যিদৰে সেৱা শুশ্ৰূষাহে কৰিছে, তাৰ কাৰণ, কিছুপৰিমাণে সিঁহতৰ ধৰ্ম্মমত, আৰু বিশেষকৈ লিজিয়াৰ হস্তক্ষেপ বুলি তেওঁ বুজিছে। তেওঁৰ গুৰুত্বপূৰ্ণ পদবি যে, তাৰ আটাইতকৈ ডাঙৰ কাৰণ, তাকো তেওঁ জানে।

কিন্তু চিলোৰ প্ৰতি কৰা খৃষ্টিয়ানসকলৰ আচৰণে, তেওঁৰ ধাৰণাত থকা, ক্ষমাশীলতাৰ সীমা, একেবাৰে চেৰাই গ'ল— ক্ষমাৰো এটা সীমা থকা উচিত! এনেকুৱা দোষীকো, কোনোবাই ক্ষমা কৰিব পাৰেনে? অজ্ঞাতসাৰে বাৰে, বাৰে তেওঁ এটা প্ৰশ্নৰ মুখামুখি হল,—

"গ্ৰীকটোক সিহঁতে কিয় বধ নকৰিলে?"

সিহঁতক কোনেও অপৰাধী কৰিব নোৱাৰিলেহেঁতেন। উৰ্চাচে শটো বাগিচাত পুতি পেলাব, অথবা ৰাতিয়েই টাইবাৰ নৈত উটুৱাই দিব পাৰিলেহেঁতেন। চিজাৰৰ নৈশ উৎপীড়নৰ ফলত, কিমান মৰাশ টাইবাৰ নৈত ওপঙি যায়, তাৰ লেখ জোখ নাই। মানুহে এতিয়া সুধিবলৈকে এৰিছে, সেইবোৰ কোন ঠাইৰ পৰা দলিওৱা হৈছে।

ভিনিকিয়াচৰ মনলৈ আহিল, খৃষ্টিয়ানসকলে চিলোক অনায়াসে বধ কৰিব পাৰিলেহেঁতেন, আৰু বধ কৰাই উচিত আছিল। এই সম্ৰান্ত যুৱকজন, যিথন জগতৰ মানুহ, তাত পুতো বোলা কথাষাৰ একেবাৰে আচহুৱাও নহয়। এথেন্স বাসীয়ে এই অনুভূতিক পবিত্ৰ জ্ঞান কৰি, বেদীৰ ওপৰত দেৱতাৰ আসনত স্থাপন কৰিছে। এওঁলোকে বহুকাল ধৰি, এৰিনাত ভয়াবহ মল্লযুদ্ধৰ প্ৰদৰ্শনৰ বিৰোধিতা কৰিছে। আনকি, ৰোমতো, পৰাজিত যোদ্ধাক কৃপা দেখুওৱা দৃশ্য, মানুহে দেখি আছে। বৃটনবিলাকৰ ৰজা, কেলিক্ৰেটাচক বন্দী কৰি অনাৰ পাচতো, ক্লডিয়াচে তেওঁক নানান পুৰস্কাৰ সহ, কৃপা দেখুৱাইছিল, আৰু এতিয়াও তেওঁ, মুকলিমূৰীয়াকৈ নগৰতে বাস কৰিছে। কিন্তু ভিনিকিকিয়াচ, আৰু তেওঁৰ নিচিনা আন মানুহৰ ধাৰণাত, ব্যক্তিগতভাৱে অনিষ্টকাৰী বুলি জনা, মানুহ এটাৰ ওপৰত প্ৰতিশোধ লোৱাটো সাধাৰণ কথা। ওচট্ৰিয়ানামত তেওঁ শুনি আহিছিল,— আমি নিজৰ শত্ৰুকো ভাল পাব লাগে। কিন্তু তেওঁৰ বিশ্বাস, এই কথাষাৰ মানুহৰ জীৱনত কাৰ্য্যকৰী হব নোৱাৰে কেতিয়াও।

"কিয়?" তেওঁ আকৌ এবাৰ নিজকে প্ৰশ্ন কৰিলে, "কিয় এই খৃষ্টিয়ানসকলে, চিলোক বিচাৰকৰ হাতত সোধাই নিদিলে— যদি নিজ হাতেৰে তাক বধ নকৰে? প্ৰধান যাজকজনে, কিয় সোঁৱৰাই দিলে যে, সাতবাৰ পাপ কাম কৰা মানুহ এটাকো, সাতোবাৰ ক্ষমা কৰা উচিত? গ্লকাচেনো চিলোক কিয় কলে, 'মই যিদৰে ক্ষমা কৰিছো, ভগৱানে তোমাক সেইদৰে ক্ষমা কৰক?' অথচ চিলোৱে তেওঁৰ ভয়ানক অনিষ্ট কৰা নাছিল জানো?"

সঁচাকৈয়ে, লিজিয়াক কোনোবাই যদি হত্যা কৰে, তেন্তে সেই হত্যাকাৰীক ভিনিকিয়াচে কি কৰিব ? ভাবটো মনলৈ আহোঁতেই, তেওঁৰ গাৰ তেজ উতলিবলৈ ধৰিলে, এনেকুৱা হত্যাকাৰী এটাক দিবলৈ কোনো শাস্তিকে বাকী নাৰাখিলেহেঁতেন তেওঁ। কিন্তু প্ৰকাচে শত্ৰুক ক্ষমা কৰিলে! তাতোকৈ আচৰিত কথা, উৰচাচেও তাক ক্ষমা কৰিলে,— অথচ উৰচাচে ৰোমত যাকে ইচ্ছা কৰে, তাকে মাৰি পেলাব পাৰে। "নেমোৰা উদ্যানৰ ৰজা" উপাধিৰে বিভূষিত, সৰ্ব্বশ্ৰেষ্ঠ মল্লবীৰ জনকো হত্যা কৰি, সেই উপাধিৰ অধিকাৰী হব পাৰে সি! যিটো মানুহক, আনকি ক্ৰোটোৱেও বলে নোৱাৰিলে, তাক সেই বিশেষ উপাধিৰে সন্মানিত মল্লবীৰেও বলে নোৱাৰে। (সৰ্ব্বশ্ৰেষ্ঠ মল্লবীৰ বুলি পৰিগণিত হোৱা জনক, যিজনে পৰাস্ত কৰিব পাৰে, তেওঁক "নেমোৰা উদ্যানৰ ৰজা" উপাধি দিয়া হৈছিল। প্ৰাচীন ৰোম ৰাজ্যত,— আনকি সম্ৰাটসকলৰ শাসন কালতো, নেমোৰা নামৰ উদ্যানত, ডায়েনা দেৱীক নৰবলিৰে পূজা কৰা হৈছিল। ইয়াৰ পুৰোহিত আছিল, একোজন "নেমোৰা উদ্যানৰ ৰজা" উপাধি পোৱা সন্মানিত গ্লেডিয়েইটৰ বা মল্লবীৰ,—যিজনে, তেওঁৰ আগতে থকা পুৰোহিতজনক যুদ্ধত হত্যা কৰি এই সন্মান পাইছিল)।

এই আটাইবোৰ প্ৰশ্নৰ উত্তৰ মাত্ৰ এটা। আন্তৰিক দয়া ধৰ্ম্মৰ অধিকাৰী, খৃষ্টিয়ানসকলে কাকো হত্যা নকৰে। এনেকুৱা অন্তঃকৰণ পৃথিৱীত কতো নাই। ইয়াৰ লগত যুক্ত হৈছে, তেওঁলোকৰ মানৱ প্ৰেম। এই প্ৰেমৰ অসীমতাই, তেওঁলোকক প্ৰেৰণা দিছে,— দোষ পাহৰি পেলাবলৈ ; নিজৰ সুখ, নিজৰ যন্ত্ৰণাও পাহৰাইছে আৰু আনৰ কাৰণে জীয়াই থাকিবলৈ, আহ্বান জনাইছে। এই মানুহবোৰে কিহৰ বাবে আশা কৰে ? ভিনিকিয়াচে ওচ্‌ট্ৰিয়ানামত এই বিষয়ে শুনিবলৈ পাইছিল যদিও, ভালদৰে বুজা নাছিল। ওচৰ চুবুৰীয়াৰ উপকাৰাৰ্থে ত্যাগ আৰু পাৰ্থিব সুখ, সম্ভোগলৈ আওকণীয়া মনোভাব বংশানুক্ৰমে গ্ৰহণ কৰি থকা খৃষ্টিয়ানসকলৰ জীৱন কষ্টকৰ বুলিয়েই ভিনিকিয়াচৰ ধাৰণা আছিল। এওঁলোকৰ কথাত আচৰিত হোৱাৰ উপৰিও, এই সম্ৰান্ত যুবকজনে, অলপ পুতৌ আৰু অৱজ্ঞাৰ ভাবো পোষণ নকৰাকৈ থকা নাছিল। তেওঁৰ ধাৰণা আছিল—খৃষ্টিয়ানবিলাক এদিন নহয় এদিন, কুকুৰনেচিয়া বাঘৰ আহাৰত পৰিণত হোৱা ভেড়াৰ দৰে হব,— এইয়ে সিহঁতৰ ভাগ্যলিপি! তেওঁৰ ৰোমান প্ৰকৃতিয়ে, বাঘৰ মুখত নিজকে এৰি দিয়া কথাটো কোনোমতে মানি লব নোৱাৰিলে। তথাপিও, ভাবৰ প্ৰচণ্ড জোকাৰে তেওঁক হতবাক কৰি দিলে,— যেতিয়া দেখিলে,— চিলো ওলাই যোৱাৰ পাচত উপস্থিত থকা সকলৰ মুখমণ্ডল গম্ভীৰ

আনন্দত উদ্ভাসিত হৈ উঠিছে। গুৰুদেৱে প্ৰকাচৰ কাষলৈ আহি, তেওঁৰ গাত হাত থৈ কৈছিল, "তোমাৰ হৃদয়-আসনত প্ৰতিষ্ঠিত খৃষ্টৰ জয় হ'ল।"

প্ৰকাচে উৰ্দ্ধলোকলৈ চকু তুলিছিল, - যেন কোনোদিনে অনুভৱ নোহোৱা, মঙ্গলময় প্ৰসন্ন ভাৱধাৰাই তেওঁৰ প্ৰাণ আকুল কৰি তুলিছে! ভিনিকিয়াচৰ বাবে সন্তুষ্টিৰ ভাব কেৱল মাত্ৰ প্ৰতিশোধৰ মাজতহে থাকিব পাৰে। পত্তিকে, এই দৃশ্য দেখি, তেওঁ স্তব্ধ হৈ গল,—তেওঁ যেন এদল বন্দিয়া মানুহৰ গতি বিধিহে লক্ষ্য কৰিছে! আন এটা দৃশ্য দেখি, তেওঁ মনে, মনে ক্ষুব্ধ হৈছিল,—লিজিয়াই তাইৰ ৰাজ্ঞীৰ দৰে ওঁঠ দুটাৰে, দাসৰ চেহেৰাৰ মানুহটোৰ হাত স্পৰ্শ কৰা তেওঁ দেখিবলৈ পাইছিল। সঁচাকৈয়ে, এইয়া পৃথিৱী লুটি খাই যোৱা অৱস্থা! তাৰ পাচত, উৰচাচে আহি জনাইছিল, কেনেকৈ সি চিলোক বাটলৈকে আগবঢ়াই থৈ আহিল, আৰু তাৰ গাত আঘাত দিয়াৰ বাবে, ক্ষমাও খুজিলে। তাকে শুনি, গুৰুদেৱে মুক্ত কণ্ঠে উৰচাচক আশীৰ্ব্বাদ দিছিল। অৱশেষত ক্ৰিচপাচে ঘোষণা কৰিলে, "আজি গোটেই দিনটোৱেই আমাৰ মহৎ বিজয়ৰ দিন।" শেষৰ শব্দ কেইটা শুনাৰ লগে, লগে ভিনিকিয়াচে সংজ্ঞা হেৰুৱালে।

যেতিয়া তেওঁৰ জ্ঞান উলটি আহিল, তেতিয়া দেখিলে, লিজিয়াই তেওঁৰ মুখত কিবা পানীয় বাকি দিছে, ক্লান্তি দূৰ কৰিবৰ কাৰণে। অলপপৰ তাইৰ হাতত ধৰি থাকি, তেওঁ সুধিলে, "তুমি মোক ক্ষমা কৰিবানে?"

"আমি খৃষ্টিয়ান! গতিকে, মনৰ মাজত বিদ্বেষ ভাব পোষণ কৰা, আমাৰ বাবে নিষিদ্ধ।"

"লিজিয়া!" ভিনিকিয়াচে কবলৈ ধৰিলে, "তোমাৰ ভগৱান যেয়েই নহওক, মই তেওঁৰ আগত এশটা বাঢ় গৰু, উৎসৰ্গা কৰিম,—তেওঁ, তোমাৰ ভগৱান কাৰণেই।" তাই উত্তৰ দিলে, "তেওঁক ভাল পাবলৈ যেতিয়া শিকিবা, তেতিয়া হৃদয়ত তেওঁক আৰাধনা কৰিলেই যথেষ্ট হব।"

"কেৱল তেওঁ তোমাৰ ভগৱান হোৱাৰ বাবেই,—" ভঙা, ভঙা মাতেৰে আকৌ এবাৰ কৈ, ভিনিকিয়াচে সংজ্ঞাহীনৰ দৰে চকু মুদি পৰি থাকিল।

লিজিয়া কোঠাৰপৰা ওলাই গল। শীঘ্ৰে উলটি আহি, তাই বিচনাৰ কাষত বৈ চালে, তেওঁ টোপনি গৈছে নে নাই। তাই নিচেই কাষতে আছে বুলি অনুভৱ কৰি, তেওঁ চকু মেলি মিচিকিয়াই হাঁহিলে। লাহেকৈ নিজৰ হাত এখনেৰে, তাই তেওঁৰ চকুৰ পতা জপাই দিলে,—টোপনি যাবলৈ মিনতি জনো-

ৰাখ দৰে। স্নেহৰ কোমল আৱৰণে তেওঁক তৎক্ষণাৎ আলফুলকৈ মেৰিয়াই ধৰিলে। তেওঁ দুৰ্ব্বলতা অনুভৱ কৰিলে; কাৰণ ৰাতি হৈ অহাৰ পাচত, তেওঁৰ জ্বৰটো বাঢ়ি আহিছিল। তেওঁ শুব নোৱাৰিলে,—কেৱল লিজিয়া অহা, যোৱা কৰা শব্দবোৰ শুনি থাকিল। মাজে, মাজে, তেওঁৰ চিলমিলকৈ টোপনি আহিছিল। কিন্তু চাৰিওফালে কি ঘটিছে, তাৰ উমান পাই আছিল, আৰু কথাবোৰ কাণত পৰিছিল। কিন্তু বাস্তৱতা আৰু জ্বৰৰ ঘোৰত দেখা সপোনৰ সংমিশ্ৰণ ঘটিবলৈ ধৰিলে,—অবিৰাম ভাৱে।

তেওঁ দেখিলে, এখন পুৰণা, পৰিত্যক্ত সমাধি স্থলৰ মাজত, অট্টালিকা সদৃশ মন্দিৰ এটা আছে, আৰু লিজিয়া সেই মন্দিৰৰ পূজাৰিণী। তাইৰ মুখৰ পৰা, তেওঁৰ দৃষ্টি, কোনো সময়তে, আঁতৰা নাই। কাৰণ তাই, মন্দিৰৰ চূড়াত থিয় দি আছে; তাইৰ হাতত এখন বীণা। পোহৰত তাইৰ গোটেই শৰীৰ প্ৰভাময় হৈ উঠিছে,—প্ৰাচ্য দেশৰ এগৰাকী পূজাৰিণীৰ দৰে। নিশা লুনা দেৱীৰ উদ্দেশ্যে গোৱা, প্ৰাৰ্থনা গীত, পূজাৰিণীৰ কণ্ঠস্বৰ আৰু বেশভূষা, তেওঁৰ মনত জিলিকি উঠিল। মন্দিৰৰ ওপৰলৈ উঠি যোৱা অকোৱা পকোৱা খটখটিয়েদি, তেওঁ অতি কষ্টেৰে বগাই গল। তাইক লৈ অহাই তেওঁৰ উদ্দেশ্য আছিল। পিচে, পিচে চিলো লৈ থাকিল; ভয়ত তাৰ দাঁতবোৰ থৰথৰকৈ কঁপিছিল। সি বাৰে, বাৰে কৈছিল, "প্ৰভু, এই কাম নকৰিব। তেওঁ এগৰাকী পূজাৰিণী। গতিকে এনে কাম কৰিলে, দুৰ্দ্দশা ভোগ কৰিব লাগিব, ভগৱানৰ আদেশত।" সেই ভগৱান কোন, ভিনিকিয়াচে নাজানে। তেওঁ মাত্ৰ ইয়াকে অনুভৱ কৰিছে যে, তেওঁ—ভিনিকিয়াচে পৱিত্ৰতাত কালিমা সানিবলৈ আগবাঢ়ি গৈছে। এই অনুভূতিয়ে তেওঁক ভয়ত কঁপাই তুলিলে। মন্দিৰৰ চূড়াৰ চাৰিওফালে থকা বেৰখন পাওঁতে, তেওঁ হঠাতে দেখিলে, ৰূপালী ডড়ীয়া ধৰ্ম্মগুৰুৰ কাষত, লিজিয়া থিয় দি আছে। তেতিয়া বৃদ্ধই তেওঁক কলে, "তেওঁৰ গাত হাত নিদিবা, তেওঁ মোৰ নিচেই আপোন।" ইয়াকে কৈ, তেওঁ লিজিয়াক চন্দ্ৰৰ পোহৰলৈ দাঙি ধৰিলে,—স্বৰ্গৰ পথলৈ দাঙি ধৰাৰ দৰে। ভিনিকিয়াচেও হাত দুখন মেলি কাকুতি কৰিলে, লিজিয়াই যেন তেওঁকো লগত লৈ যায়!

সাৰ পাইয়ে, তেওঁ সম্মুখৰ ফালে ৰ'লাগি চাই থাকিল। ওখ, স্তম্ভ, মেজখনত, ষুমাবলৈ ধৰা চাকিটো, এতিয়াও চিমিক চামাককৈ জ্বলি আছে। জুইৰ কাষত উম লবৰ বাবে খৃষ্টিয়ানৰ গোটেই দলটো বহি আছে। ৰাতি

গভীৰ হৈ অহাৰ লগে, লগে, কোঠাটো একেবাৰে চেচা পৰি আহিছে। শীতৰ প্ৰকোপ ইমান বেচি হৈছে যে, মানুহবোৰৰ নাকৰপৰা ওলোৱা নিশ্বাসবোৰো হিম হৈ যোৱা ভিনিকিয়াচে দেখিবলৈ পাইছে। দলটোৰ মাজত, ধৰ্ম্মগুৰু পিটাৰো বহি আছে। তেওঁ ভৰি থোৱা চাপৰ পা-দানিৰ কাষত, লিজিয়া বহিছে; অলপ দূৰত আছে, গ্লকাচ, ক্রিচ্পাচ্ আৰু মিৰিয়াম। দলটোৰ সিমূৰে, একাষত উৰচাচ আৰু ইকাষত আছে,—মিৰিয়ামৰ পুতেক, নাজাৰাচ্। কিচকিচিয়া ক'লা চুলিৰে, নাজাৰাচ্ এটা দেখনিয়াৰ, মৰম লগা ল'ৰা।

লিজিয়াই ওঁঠ দুটা মেলি ধৰ্ম্মাচাৰ্য্যৰ কথা শুনিছে; সকলোৱে একে ফাললৈ চাই আছে। বৃদ্ধই নিম্নস্বৰে কথা কৈ আছিল। ভিনিকিয়াচৰ মনলৈ অন্ধ বিশ্বাস অহাত, সপোনত অনুভৱ কৰা ভয়ৰ ভাব আহি উপস্থিত হল,—সম্মানিত বক্তাৰ কথাৰ আঁত ধৰিবলৈ, তেওঁ কাণ পাতিলে। জ্বৰৰ ভ্ৰমৰ মাজতো, কিয় জানো তেওঁৰ মনটোৱে কলে,—তেওঁ সত্য কথাৰ আভাস পাইছে। বহুদূৰৰ সাগৰৰ পাৰৰ পৰা অহা, এই বয়োবৃদ্ধ, অচিনাকি মানুহজনে, সঁচাকৈয়ে তেওঁক, লিজিয়াক লাভ কৰাৰপৰা বঞ্চিত কৰিব, আৰু অজ্ঞাত পথেদি তাইক কৰবালৈ লৈ যাব। গুৰুৱে তাইৰ বিষয়ে আলোচনা কৰিছে,—তাইক আঁতৰাই নিয়াৰ উপায়, বুদ্ধি উলিয়াইছে, বুলি, তেওঁৰ বদ্ধমূল ধাৰণা উপজিল। কাৰণ—ভিনিকিয়াচে, ভাবিবই নোৱাৰে,—লিজিয়াৰ কথাৰ বাহিৰে, মানুহৰ আন কথা থাকিব পাৰে বুলি। এইবাৰ তেওঁ নিজৰ উপস্থিত বুদ্ধি, যথাশক্তি প্ৰয়োগ কৰি, পিটাৰৰ কথা বুজিবলৈ চেষ্টা কৰিলে।

অলপ পাচতে তেওঁ শুনিবলৈ পালে, ধৰ্ম্মাচাৰ্য্যৰ মুখত খৃষ্টৰ নাম।

"এই মানুহবোৰে, একমাত্ৰ এই নামটোকে লৈ জীয়াই আছে।" ভিনিকিয়াচে ভাবিলে।

তাৰপাচত বৃদ্ধই, প্ৰভুৰ বন্দী দশা বৰ্ণাবলৈ ধৰিলে।

"পুৰোহিত বিলাকৰ দাসৰ লগত, এদল সৈন্য আহিছিল, তেওঁক ধৰিবলৈ।" তেওঁ কলে, "ত্ৰাণকৰ্ত্তা প্ৰভুৱে যেতিয়া সিহঁতক সুধিলে, 'কাক বিচাৰিছা', তেতিয়া সিহঁতে উত্তৰ দিলে, 'নাজাৰেথৰ যীশুক।' কিন্তু যেতিয়া তেওঁ কলে, 'মইয়ে তেওঁ,' তেতিয়া তৎক্ষণাৎ সৈন্য আৰু দাসবোৰ, ভূলুণ্ঠিত হৈ, তেওঁৰ সন্মুখত পৰি গল, আৰু প্ৰভুৰ গাত হাত দিবলৈ সাহ নকৰিলে। দ্বিতীয়বাৰ প্ৰশ্ন কৰাৰ পাচতহে তেওঁক ধৰি নিব পাৰিলে।"

এইখিনি কৈয়ে, ধৰ্মযাজকে হাতভুখন জুইৰ ফালে মেলি দি, বৈ গল। তাৰ পাচত পুণৰ আৰম্ভ কৰিলে,

"আজি নিশাৰ দৰে চেচা আছিল, সেই নিশাও। কিন্তু মোৰ অন্তৰ জ্বলি-পুৰি আছিল। হয়, তেওঁক ৰক্ষা কৰিবলৈ, মই তৰোৱাল উলিয়াই লৈছিলো, আৰু প্ৰধান পুৰোহিতৰ দাস এটাৰ, কাণ এখন কাটি পেলাইছিলো। নিজৰ জীৱন ৰক্ষা কৰাৰ দৰে, তেওঁক মই ৰক্ষা কৰিলোহেঁতেন। কিন্তু তেওঁ মোক কলে, "তৰোৱালখন খাপত ভৰাই থোৱা। পিতৃদত্ত পিয়লা, নিঃশেষে পান কৰিব নালাগিব জানো মই?' তাৰ পাচত, সিহঁতে পুণৰ ধৰিলে তেওঁক আৰু লগে, লগে বান্ধিও পেলালে।"

এইদৰে কৈ, গুৰুজনে হাতেৰে নিজৰ কপালখন জোৰেৰে হেঁচা মাৰি ধৰি, অলপ সময় নীৰৱে ৰ'ল। কাহিনী শেষ কৰাৰ পূৰ্ব্বে তেওঁ ঘটনাবোৰ এটা, এটাকৈ মনত পেলাব খুজিলে।

কিন্তু উৰচাচে খণ্ডত চিঞৰি কলে, "যিহকে নহওঁক লাগিলে, মই তাত থকা হলে,—"

কথাষাৰ আধা কোৰাকৈ এৰি, সি ততালিকে বৈ গল। কাৰণ লিজিয়াই ওঁঠত আঙুলি দি, তাক মনে, মনে থাকিবলৈ, ইঙ্গিত দিছিল। দৈত্যটোৰ উশাহ, নিশাহৰ শব্দ শুনা গল; তাৰ অন্তৰৰ মাজেদি বৈ যোৱা ধুমুহাৰে যেন শব্দ এইয়া। গুৰুৰ পদ-চুম্বন কৰিবলৈ সদায় সাজু থাকিলেও, তেওঁ কৰা প্ৰতিটো কামকে সি সম্পূৰ্ণৰূপে সমৰ্থন কৰিব নোৱাৰে বুলি, তাৰ ভাব হল। তাৰ,— উৰচাচৰ চকুৰ আগত, কোনোবাই ত্ৰাণকৰ্ত্তাৰ গাত হাত দিবলৈ যোৱা হলে, আৰু সেই নিশা, সি তেওঁৰ লগত কটোৱা হলে, গোটেই পৃথিবীৰ সেনা, দাস, পুৰোহিত, সকলো ধ্বংস হ'লহেঁতেন। উৰচাচৰ বুকু ভেদি ওলোৱা চকুলো, নীৰৱে বৈ গল। এই কাম কৰা হলে, সি যে কেৱল অনুতাপেই কৰিব লগা হলহেঁতেন, এনে নহয়, নিজ বিবেককো আঘাত দিলেহেঁতেন। কাৰণ, এইদৰে ত্ৰাণকৰ্ত্তাৰ বিৰুদ্ধাচৰণ কৰি, সি জগতৰ মুক্তিৰ পথতো বাধা দিলেহেঁতেন। পিটাৰে পুণৰ কাহিনীটো কবলৈ আৰম্ভ কৰিলে। কিন্তু জ্বৰৰ মাত্ৰা বাঢ়ি অহাত, ভিনিকিয়াচ পুণৰ সংজ্ঞাহীনৰ দৰে হৈ পৰিল। অলপ আগতে শুনা কথা, আৰু আগনিশা ওচ্ট্ৰিয়ানামত শুনা, গেলিলিৰ সাগৰৰ পাৰত খৃষ্টৰ আৱিৰ্ভাৱৰ কথা, সানমিহলি হৈ গল—যুৱকৰ মনত।

এইবাৰ তেওঁ অৰ্দ্ধজাগ্ৰত অৱস্থাত দেখিলে,—বিশাল জলধিৰ মাজত এখন মাছমৰীয়াৰ নাৱত, পিটাৰ আৰু জিজিয়া বহি আছে। নিজৰ সমস্ত শক্তিৰে তেওঁ সাতুৰি গৈ আছে, নাওখনৰ ফালে। কিন্তু আঘাত পোৱা হাতখনত বিষ উঠাত, সাতুৰি লগ ধৰিব পৰা নাই। তদুপৰি, ধুমুহাৰ কোবত ঢৌবোৰে আহি তেওঁৰ চকুত কোব মাৰিছে। অৱশেষত, ডুবি যোৱাৰ অৱস্থা হোৱাত, তেওঁ চিএঞৰি, চিএঞৰি সহায় ভিক্ষা কৰিছে। তেতিয়া জিজিয়াই, গুৰুৰ আগত আঠু কাঢি মিনতি জনোৱাত, গুৰুৱে ততালিকে নাওখন ঘূৰাই, ভিনিকিয়াচৰ সন্মুখলৈ বঠা এপাট আগ বঢ়াই দিলে। তেওঁ বঠা পাটত ধৰি, নাৱত থকা মানুহবোৰৰ সহায়ত, নাওঁখনৰ গুৰিত ধৰি ওপৰত উঠিযে অচেতন হৈ পৰিল। তাৰ পাচত তেওঁ অনুভৱ কৰিলে, তেওঁ যেন উঠি চাই দেখিছে, নাওঁখনৰ পাচে, পাচে, এদল মানুহ সাঁতুৰি আহি আছে। সাগৰৰ ঢৌৰ ফেনবোৰৰ মাজত, সিঁহতৰ মূৰবোৰ নেদেখা হৈ পৰিছে; কিছুমানৰ অকল হাতবোৰহে ওলাই আছে। কিন্তু এই আটাইবোৰকে, পিটাৰে উদ্ধাৰ কৰি আনি, নাৱত গোটা খুৱাইছে। ৰহস্যজনকভাৱে নাওঁখনো লাহে, লাহে, ডাঙৰ হৈ গৈ আছে। এটা সময়ত, ওচৰ্ট্ৰিয়ানামত গোট খোৱাৰ সমান মানুহ হলগৈ তাত। শেষত তাতোকৈ বেচি হ'ল। তেতিয়া ভিনিকিয়াচে আচৰিত হৈ ভাবিলে, প্ৰতিজনে কেনেকৈ নাৱত ঠাই পালে? নাওঁ বুৰে বুলি তেওঁৰ ভয় লাগিল। কিন্তু জিজিয়াই বহুদূৰৰ এঢেৰেঙা পোহৰলৈ তেওঁক আঙুলিয়াই দেখুৱাই, আশ্বাস দি কলে যে, সেই পোহৰৰ অভিমুখে তেওঁলোকে যাত্ৰা কৰিছে।

ওচৰ্ট্ৰিয়ানামত ভিনিকিয়াচে মহান ধৰ্ম্মজ্ঞ পুৰুষজনৰ মুখত শুনিছিল, খৃষ্টই হ্ৰদৰ পাৰত দেখা দিয়াৰ কথা। আকৌ এবাৰ, তেওঁৰ সপোন আৰু আগতে শুনা কথাবোৰ সানমিহলি হ'ল। সিপাৰৰ পৰা অহা পোহৰত, থিয় দি থকা এটি মূৰ্ত্তি তেওঁৰ দৃষ্টিৰ সন্মুখলৈ আহিল। সেইফালে দৃষ্টি ৰাখি, পিটাৰেও নাওঁ চলাই গৈ আছে। মূৰ্ত্তিৰ যিমানে ওচৰ চাপি আহিল, সিমানে বতাহৰ গতি ধীৰ হ'ল। সাগৰ শান্ত হল, পোহৰো উজ্জ্বলতৰ হৈ আহিল। তেতিয়া নৌকা যাত্ৰীদলে, ধীৰে, ধীৰে, প্ৰাৰ্থনা গীত গাবলৈ ধৰিলে। বায়ুমণ্ডল জটামাংসীৰ সৌৰভেৰে আমোদিত হল। গভীৰ জলৰাশিৰ বুকুত, কুমুদ আৰু গোলাপৰ বৰ্ণ-দ্যুতি প্ৰতিবিম্বিত হ'ল, আকাশৰ বুকত হোৱা ৰামধেনুৰ দৰে। অৱশেষত নাওঁখন আহি, সিপাৰৰ বালিত লাগিল। জিজিয়াই ভিনিকিয়াচৰ হাতত ধৰি,

"আহা তোমাক সো ভাবৈ লৈ যাওঁ," বুলি কৈ, আলোকৰ দিশলৈ তেওঁক টানি নিলে।

.... যেতিয়া টোপনিৰপৰা সাৰ পালে, তেতিয়াও বাস্তৱ জ্ঞান উলটি অহা নাছিল, ভিনিকিয়াচৰ মনলৈ। তেতিয়াও, সেই হ্রদৰ পাৰত, জনতাৰ দ্বাৰা পৰিবেষ্টিত হৈ থকা যেনেই লাগিছিল তেওঁৰ। কিয় বিচাৰিছে একো ক'ব নোৱাৰাকৈয়ে, তেওঁ পেট্রোনিয়াচক বিচাৰিলে, আৰু তেওঁক বিচাৰি নাপাই আচৰিত হ'ল। অৱশেষত, জুইশালৰ উজ্জ্বল পোহৰে, সপোনৰ দেশত ঘূৰি ফুৰা মানুহজনৰ জ্ঞান ঘূৰাই আনিলে। জুইশালৰ কাষত, এতিয়া কোনো নাই। ৰঙা অঙঠাবোৰৰ মাজত, কিছুমান জলফাই গছৰ ডাল লাহে, লাহে জ্বলিবলৈ ধৰিছে। এইমাত্র জুইত দিয়া, সৰল কাঠৰ টুকুৰাবোৰ, ফট ফট্কৈ জ্বলি উঠাত, ফিৰিঙটি উৰিবলৈ ধৰিলে, আৰু সেই পোহৰতে, ভিনিকিয়াচে দেখিলে, লিজিয়া তেওঁৰ বিচনাৰ নিচেই ওচৰতে বহি আছে।

এই দৃশ্যাই তেওঁৰ অন্তৰ স্পৰ্শ কৰিলে। আগনিশা লিজিয়াই ওচ্ট্রিয়ানামত কটাই আহিছে। গোটেই দিনটো তেওঁৰ লগততো থাটিছেই, এতিয়া সকলো শুবলৈ যোৱাৰ পাচতো, নিৰ্জ্জনতাৰ আবেষ্টনীৰ মাজত, পুণৰ তেওঁকে চাই আছে। লৰচৰ নকৰাকৈ, চকীখনত বহি, তাই চকুকেইটা মুদি আছে। ভিনিকিয়াচে ধৰিব নোৱাৰিলে, তাই শুই আছে নে, গভীৰ চিন্তাত নিমগ্ন হৈ আছে। মনোযোগেৰে লক্ষ্য কৰি, তেওঁ দেখিলে, তাই তললৈ চাই আছে, আৰু তাইৰ হাত দুখন, আঠুৰ ওপৰত আছে। মূৰ্ত্তি উপাসক যুৱকজনৰ মস্তিষ্কত, নতুন ধাৰণা এটা অঙ্কুৰিত হ'ল। নিশ্চয়, জগতত একমাত্র নগ্ন সৌন্দৰ্য্যৰ জয়-গৰ্ব্বত গৰ্ব্বিত, আত্মসচেতন গ্ৰীক আৰু ৰোমান সৌন্দৰ্য্যই সকলো নহয়! আন এক প্ৰকাৰৰ সৌন্দৰ্য্যও আছে! এই সৌন্দৰ্য্য সম্পূৰ্ণ পবিত্র, আৰু আত্মজ্ঞানৰ জ্যোতিৰে জ্যোতিৰ্ম্ময়! যি সৌন্দৰ্য্যৰ গৰ্ভত আত্মজ্ঞান লুকাই থাকে, সেই সৌন্দৰ্য্য যি দৰে চিৰ নতুন, সেইদৰে এই জ্ঞানো শাশ্বত,--চিৰ নতুন।

লিজিয়াক খৃষ্টধৰ্ম্মী বুলি ভাবিবলৈ টান পালেও, এতিয়া তেওঁ বুজিলে, তাইৰ আচৰণত প্ৰকাশ পাইছে, খৃষ্ট ধৰ্ম্মৰে শিক্ষা। যি জনী ছোৱালীক তেওঁ মনোকষ্ট দিছিল, সেইজনী ছোৱালীয়েই এতিয়া, অকলে তেওঁৰ কাষত বহি আছে। তাইৰ লগৰ আটাইবোৰ এতিয়া গভীৰ নিদ্রাত। নিশ্চয় তাইৰ ধৰ্ম্মই এনে আদেশ দিছে। এই কথা বুজাৰ পাচত, খৃষ্টৰ শিক্ষাৰ প্ৰতি, তেওঁৰ খুব

দোঁ খাই আছিলেও, তেওঁৰ মনৰ নিভৃত কোণত আঘাত লাগিল। লিজিয়াই তেওঁক ভাল পোৱাৰ বাবে, এনে কামত ব্ৰতী হৈছে বুলি জনা হলে, তেওঁৰ প্ৰাণ তৃপ্ত হ'লহেঁতেন। তেওঁৰ বলিষ্ঠ দেহ, তেওঁৰ মনোৰম চকু, তেওঁৰ অপূৰ্ব্ব সুন্দৰ অঙ্গ প্ৰত্যঙ্গ, তাইৰ মনোমুগ্ধকৰ বুলি জনাহলে, কিমান সুখী হলহেঁতেন তেওঁ! দৈহিক আকৰ্ষণৰ শক্তিৰে, কিমানবোৰ গ্ৰীক আৰু ৰোমান ৰমণীক তেওঁ নিজৰ কাষলৈ টানি আনিছিল! কত সুন্দৰ বাহুলতা তেওঁৰ কণ্ঠ লগ্ন হৈ আছিল।

হঠাতে তেওঁ উপলব্ধি কৰিলে, তাই সেই নাৰী সকলৰ দৰে হোৱা হলে, তেওঁ তাইক, হৃদয়ৰ উচ্চাসনত প্ৰতিষ্ঠা কৰিব নোৱাৰিলেহেঁতেন।

চকুযুৰি মেলি চাই, তাই বুজিলে, ভিনিকিয়াচে তাইকে চাই আছে। কাষলৈ আহি, তাই জনালে, "মই তোমাৰ ওচৰতে বহি আছো।"

তেওঁ উত্তৰ দিলে, "লিজিয়া। আজি সপোনত, তোমাৰ আত্মাৰে সৈতে মোৰ সাক্ষাত হ'ল।"

॥ ৪ ॥

পিচদিনা পুৱা, সাৰ পায়ে তেওঁ দুৰ্ব্বল অনুভৱ কৰিলে যদিও, তেওঁৰ গাত জ্বৰ নাছিল। প্ৰথমে তেওঁৰ, কোনোবাই কথা পাতি থকা যেন অনুমান হল। ভালদৰে সাৰ পাই উঠি, চাৰিওফালে চাই দেখিলে, লিজিয়া তাত নাই। জুইশালৰ ছাইবোৰ খুচৰি, খুচৰি, উৰচাচ বহি আছে। ছাইৰ মাজৰ পৰা, অঙঠা বিচাৰি উলিয়াই, খোচ এটা মাৰি, সি কমাৰৰ ভাতীৰ নিচিনাকৈ জোৰেৰে শব্দ কৰি, ফুঁ এটা মাৰিলে। তেওঁৰ মনত পৰিল, এইটো মানুহেই এদিন আগতে, ক্ৰোটোক টেপা মাৰি বধ কৰিছিল। মাল যুঁজ চাবলৈ, এম্ফিথিয়েটাৰলৈ সচৰাচৰ গৈ থকা দৰ্শক এজনৰ দৰে, ভিনিকিয়াচে মানুহটোৰ ভয়ঙ্কৰ দেহটোলৈ, আৰু দেখিলে পাহৰিব নোৱাৰা উৰু দুটালৈ মনদি চালে।

"মাৰ কিউৰি দেৱতাক ধন্যবাদ। সি যে মোক, ডিঙি মুচৰি নামাৰিলে!" সম্ভ্ৰান্ত যুবকজনে মনতে ভাবিলে, "পোলাক্সৰ শপত খাই কব পাৰো, তাৰ লগৰ আনবোৰ লিজিয়ানো যদি, এনেকুৱাই হয়, তেন্তে ভানিয়ুৰৰ পাৰত থকা,

আমাৰ সৈন্যদলক চলুৱে, চলুৱে পানী খুৱাব।" তাৰ পাচত তেওঁ চিঞৰি মাতিলে, "এই গোলাম!"

উৰচাচে জুইশালৰপৰা মুখ তুলি চাই, অমায়িক হাঁহি এটা মাৰি কলে, "হে প্ৰভু! ভগৱানে আপোনাৰ দিন ভাললৈ আনক, আৰু স্বাস্থ্যও ভাল কৰক। পিচে মই গোলাম নহওঁ,—মই স্বাধীন!"

ভিনিকিয়াচে লিজিয়াৰ জন্মভূমিৰ কথা মানুহটোক সুধিব খুজিছিল; সি দাস নহয় বুলি জানি, তেওঁ ভাল পালে। কাৰণ, নিম্ন স্তৰৰ হলেও, স্বাধীন মানুহ এটাৰ লগত কথা পাতিলে, সম্ভ্ৰান্ত ৰোমান এজনৰ মান হানি নহয়। দাস এটাৰ লগত কথা পতাটোহে অসম্মানজনক। ৰোমৰ প্ৰচলিত আইন বা সামাজিক ব্যৱহাৰ ৰীতিয়ে, দাসক মানুহ বুলি গণ্য নকৰে।"

"তেন্তে তই, অলাচ পৰিয়ালৰ লগত থকা মানুহ নহয় নেকি?"

"নহওঁ প্ৰভু! মই এতিয়া কেলিনাৰ আলপৈচান ধৰোঁ। আগতে তেওঁৰ মাকৰ লগত আছিলো। কিন্তু মই কাৰো অধীন নহওঁ।"

ইয়াকে কৈ, সি নতুনকৈ কিছুমান খৰি জুইকুৰালৈ দলিয়াই দি, অঙঠাবোৰ খুচৰিবলৈ ধৰিলে। তাৰ পাচত জুইৰ কাষৰ পৰা মুখটো উলিয়াই কলে, "আমাৰ তাত কোনো দাস নাই।" ভিনিকিয়াচে তাৰ কথালৈ আওকাণ কৰি সুধিলে, "লিজিয়া কলৈ গল?"

"তেওঁ এইমাত্ৰ ওলাই গৈছে। তেওঁৰ সলনি, এতিয়া মই আপোনাৰ পুৰাৰ আহাৰ প্ৰস্তুত কৰিম। তেওঁ গোটেই নিশা, আপোনাৰ ইয়াতে বহি আছিল।"

"তেওঁৰ সলনি তই কিয় নাথাকিলি?"

"কাৰণ সেয়া তেওঁৰ ইচ্ছা আছিল। মই তেওঁক মানি চলিবই লাগিব।"

বৰ্ব্বৰ মানুহটোৰ চকু দুটা মলিন হৈ আহিল। অলপ ৰৈ, সি কলে, "তেওঁৰ কথা মই নমনা হলে, আপুনি এতিয়া জীয়াই নাথাকিলহেঁতেন।"

"মোক হত্যা কৰিবলৈ নাপাই, তোৰ দুখ লাগিছে নেকি?"

"নাই লগা, প্ৰভু! খৃষ্টই আমাক আদেশ দিছে,—কাকো বধ নকৰিবলৈ।"

"তেন্তে এটাচিনাচ্ আৰু ক্ৰোটোৰ কি হ'ল?"

"মই নোৱাৰাতহে এনে কাম কৰিলো।" উৰচাচে মুখৰ ভিতৰতে কথাবাৰ কৈ, নিজৰ হাতদুখনলৈ হতাশ দৃষ্টিৰে চাই থকা দৃশ্যটো, বেচ আমোদজনক

হৈ উঠিল। তাৰ আত্মা, দীক্ষা স্নানৰদ্বাৰা বিশুদ্ধ হল যদিও, হাত দুখন এতিয়াও বৰ্ব্বৰ হৈয়ে আছে। তাৰ পাচত সি, পাক-পাত্ৰ এটা জুইৰ ওপৰত থলে, আৰু জুইৰ ওচৰলৈ হাদি গৈ, বিমৰ্ষভাৱে, একদৃষ্টে, জুইৰ ফালে চাই থাকিল।

"এইটো আপোনাৰে ভুল প্ৰভু!" অৱশেষত সি জনালে, "আপুনি কিয় তেওঁৰ গাত,—এজনী ৰাজ কন্যাৰ গাত, চাত দিবলৈ গৈছিল?"

এটা চহা, বৰ্ব্বৰ মানুহে, তেওঁৰ লগত এইদৰে কথা কবলৈ,—আনকি তিৰস্কাৰ কৰিবলৈকো, সাহ কৰা দেখি, ভিনিকিয়াচৰ মুখত ভ্ৰূকুটি প্ৰকাশ পালে। দুদিন আগৰপৰা, তেওঁৰ জীৱনত ঘটা অদ্ভুত ঘটনাৰ লগৰে ইও এটা! কিন্তু লিজিয়াৰ জীৱনৰ বিষয়ে জনাৰ আগ্ৰহে, তেওঁৰ সকলো অসন্তুষ্টি ভল পেলাই দিলে। লিজিয়ানবিলাকে, ভেন্দিয়াচ আৰু চুৱেভি বিলাকৰ বিৰুদ্ধে চলোৱা যুঁজ-বাগৰৰ কথা, তেওঁ তাক সুধিবলৈ ধৰিলে। উৰচাচেও বৰ আগ্ৰহেৰে সকলো জনালে; কিন্তু আগতে, অলাচ প্লটিয়াচৰ মুখত ভিনিকিয়াচে যি কথা শুনিছিল, তাতকৈ বেচি একো কব নোৱাৰিলে সি। তথাপিও সম্ভ্ৰান্ত যুৱকজনে কথাবোৰ বৰং মনেৰে শুনিবলৈ ধৰিলে। লিজিয়াৰ ৰাজকুলত জন্ম বুলি প্ৰত্যক্ষদৰ্শী এজনৰ মুখত শুনিবলৈ পাই, অহঙ্কাৰী যুৱকৰ বুকু ফুলি উঠিল। সাম্ৰাজ্যৰ ভিতৰৰ উচ্চবংশীয় সকলৰ দৰে, ৰাজকুলোদ্ভৱা লিজিয়াইও, চিজাৰৰ দৰবাৰত উচ্চাসন লাভ কৰিব। লিজিয়ানবিলাকে কোনোদিন ৰোমৰ লগত যুঁজ কৰা নাই। গতিকে, এই বিষয়ে সন্দেহ থাকিব নোৱাৰে। বৰ্ব্বৰ যদিও, ইহঁত শক্তিশালী জাতি। এটেলিয়াচ হিষ্টাৰৰ মতে, ইহঁতৰ সৈন্য সংখ্যা অগণন। উৰচাচেও দৃঢ়তাৰে এই কথাৰ সত্যতা প্ৰমাণ কৰিলে।

"আমি অৰণ্যবাসী। কিন্তু আমাৰ দেশখন ইমান ডাঙৰ যে, তাৰ প্ৰকৃত সীমা আৰু জনসংখ্যা কোনেও নিৰ্ণয় কৰিব নোৱাৰে। অৰণ্যৰ মাজতে, কাঠেৰে সজা নগৰবোৰ গঢ়ি উঠিছে, আৰু এইবোৰ ধন সম্পত্তিৰে ভৰা। কাৰণ, আমি জয় কৰি অনা মূল্যৱান বস্তুৰ উপৰিও, চিম্নোনিচ্, মাৰ্কোমানি, ভেন্দেলচ্ আৰু কোৱাদিবিলাকে জয় কৰি অনা বস্তুবোৰো কাঢ়ি আনো। এই জনজাতীয় মানুহবোৰে, আমাৰ দেশত সোমাবলৈ সাহ নকৰে। কেৱল যেতিয়া, সিহঁতৰ ফালৰ পৰা, আমাৰ ফাললৈ বতাহ মাৰে, তেতিয়া সিহঁতে আমাৰ অৰণ্যভূমিত কেতিয়াবা জুই লগাই দিয়ে। তথাপিও, সিহঁতক আমি অকণো ভয় নকৰো,—আনকি ৰোমৰ চিজাৰকো আমি ভয় নকৰো।"

"কিন্তু দেৱতাসকলে গোটেই জগতৰ ওপৰতে ৰোমক প্ৰভুত্ব প্ৰদান কৰিছে।" ভিনিকিয়াচে কৰ্কভাৱে কলে।

"হ'ব নোৱাৰে। দেৱতাবিলাকো ভুৱাচাৰহে।" উৰচাচে উত্তৰ দিলে, "য'ত ৰোমান নাই, তাত ৰোমৰ প্ৰভুত্বও নাই।"

ইয়াকে কৈ, সি জুইকুৰা খুচৰিবলৈ ধৰিলে। নিজকে কোৱাৰ দৰে, সি পুণৰ কলে, "চিজাৰে যেতিয়া কেলিনাক তেওঁৰ প্ৰাসাদলৈ নিয়ালে, তেতিয়া মই, আমাৰ অৰণ্যভূমিলৈ গৈ, ৰাজকন্যাক উদ্ধাৰ কৰিবলৈ, লিজিয়ানবোৰক মাতি অনাৰ কথা ভাবিছিলো। তাকে কৰা হলে, সিহঁত ডানিয়ুবৰ পাৰেদি, যুদ্ধৰ সাজেৰে বীৰদৰ্পে আহিলেহেঁতেন। মূৰ্ত্তি উপাসক হলেও, সিহঁত সন্মানৰ যোগ্য। তেতিয়া মইও, সিহঁতক আদৰণি জনাবলৈ গলোহেঁতেন, আৰু সিহঁতক মই, পৰম জ্ঞানৰ কথাবোৰো বুজালোহেঁতেন। ভৱিষ্যতৰ কোনোবা এদিন, মোৰ এই আশা পূৰ্ণ হ'ব। কেলিনাক উদ্ধাৰ কৰি, পম্পোনিয়াৰ হাতত গটাই দিয়াৰ পাচত, তেওঁক সেৱা জনাই, মই বিদায় লম। তাৰ পাচত, মোৰ নিজৰ মানুহ-বিলাকৰ মাজত, নতুন ধৰ্ম্মৰ শিক্ষা প্ৰচাৰ কৰিম। কাৰণ বহুদূৰৰ ঠাইত, খৃষ্টই জন্ম লৈছিল। সিহঁতে আনকি, তেওঁৰ নামটোকে শুনা নাই। সঁচা, কোন ঠাইত জন্মগ্ৰহণ কৰা উচিত, সেই কথা তেওঁ মোতকৈ ভালদৰে জানে। কিন্তু পৃথিৱীলৈ আহি, তেওঁ আমাৰ দেশত,—আমাৰ অৰণ্য ৰাজ্যত জন্ম গ্ৰহণ কৰা হলে, আমি তেওঁক বলি নিদিলোহেঁতেন। ভগৱান-পুত্ৰক আমি আদৰেৰে ৰাখিলোহেঁতেন, আৰু জাংফাই, বিভাৰ নামৰ জন্তুৰ ছাল, চৰাইৰ মাংস, মাটিৰ তলত হোৱা মিঠা বস্তু আদি সকলো লাগতীয়াল সামগ্ৰীৰে যিমান পাৰো তেওঁক ওপচাই দিলোহেঁতেন। সঁচাকৈয়ে, চুৱেভি আৰু মাৰ্কোমানিহঁতৰ পৰা লুটি অনা আটাই-বোৰ বস্তু তেওঁক দিলোহেঁতেন, যাতে বহুকাল সুখ ভোগ কৰি, তেওঁ জীয়াই থাকিব পাৰে।"

ভিনিকিয়াচৰ কাৰণে তৈয়াৰ কৰা চুৰুহাৰ পাত্ৰটো, জুইৰ ওপৰত দি, সি মনে, মনে, বহি থাকিল। তাৰ ভাববোৰ যেন, সুদূৰৰ লিজিয়ান অৰণ্যৰ মাজত, ঘূৰি ফুৰিবলৈ ধৰিলে। ইতিমধ্যে ভাঠৈকে সিজোৱা চুৰুহাখিনি লাহে, লাহে, উতলিবলৈ ধৰিলে; তাৰ পাচত, আন এটা পাত্ৰত, চুৰুহাখিনি ঢালি, চেচা কৰি থাকোঁতে, উৰচাচে কলে, "গ্লকাচে আপোনাক যিমান পাৰে লৰচৰ নকৰাকৈ থাকিবলৈ কৈছে। ভাল হাতখনো লৰাবলৈ মানা কৰিছে। সেইবাবে, কেলি-নাৰ আদেশ মানি, মই আপোনাক চুৰুহাখিনি খুৱাই দিম।"

বিচনাৰ কাষত বহি সি, পাত্ৰটোৰ পৰা, অকণমান বাতি এটাৰে অকণ, অকণ চুকহা লৈ, ৰোগীৰ মুখত দি থাকিল। তাৰ নীলা চকুৰ মণিত আমোদ-পূৰ্ণ হাঁহি বিৰিঙি উঠিল। সি ইমান সাৱধানে খুৱাবলৈ ধৰিলে যে, ভিনিকিয়াচে ভাবিবলৈকে টান পালে যে, এটা দিনৰ আগতে দেখা ভয়ানক মানুহটো তেওঁৰ চকুৰ আগত বহি আছে।

জীৱনত প্ৰথম বাৰলৈ, উচ্চবংশীয় যুৱকজনে ভাবি উলিয়াব খুজিলে, চহা, বৰ্ব্বৰ ভৃত্য এটাৰ মনত কি কথা থাকিব পাৰে। শুশ্ৰূষা কৰাৰ ইচ্ছা তাৰ সঁচাকৈয়ে আছে; কিন্তু এই কামত তাৰ অপটু হাতৰ চিনাকি ওলাই পৰিল। তাৰ-প্ৰকাণ্ড আঙুলি কেইটাই সৰু বাতিটো এনেদৰে টাক খুৱাই ধৰিলে যে, ভিনিকিয়াচে বাতিত ওঁঠ লগাবলৈ ঠাইকে নাপালে। অৱশেষত, বাৰে, বাৰে ব্যৰ্থ হৈ, দৈত্যটোৱে দোধোৰ মোধোৰ অৱস্থাত পৰি কলে, "ইয়াতকৈ, বনৰীয়া ষাড এটাক, থলিৰ পৰা টানি চোচোৰাই আনিবলৈ বেচি সহজ।"

ভিনিকিয়াচে খেলমাটিত বহুতবাৰ এই ভয়ানক জন্তুটো দেখিছে। উত্তৰৰ হাবি বিলাকৰ পৰা, ইইঁতক ধৰি অনা হয়। আটাইতকৈ শক্তিশালী চিকাৰীয়েও, ইইঁতক ধৰিবলৈ যাওঁতে, ভয়ত কঁপি থাকে। আয়তন আৰু শক্তিত, এই দৈত্যাকাৰ জন্তুবোৰ হাতী একোটাৰ সমান।

"তই সঁচাকৈয়ে এনেকুৱা জন্তু এটাক, শিঙত ধৰি ৰখাবলৈ সাহ কৰনে ?" বিস্ময়ত হতবাক হৈ, তেওঁ সুধিলে।

"একুৰি শীতকাল মুৰৰ ওপৰেদি পাৰ হৈ যোৱাৰ পাচতহে, মই এই কাম কৰিবলৈ সাহ কৰিছিলো।" উৰচাচে উত্তৰ দিলে, "তাৰ পাচৰ পৰা প্ৰায়ে মই এই টান কামত হাত দিছিলো।"

পুণৰ সি, ভিনিকিয়াচৰ মুখত চুকহা অকণমান দিব খুজিলে,—আগতকৈও বেচি অপটু হাতেৰে।

"মই যাওঁ। মিৰিয়াম্ বা নাজাৰাচক পঠিয়াই দিওঁগৈ।" সি কলে। কথা-ষাৰ কোৱাৰ লগে, লগে, পৰ্দ্দাৰ আঁৰৰ পৰা, শেতা মুখ এখন ওলাই আহিল।

"মই তোমাক সহায় কৰিম।" লিজিয়া ওলাই আহি কলে। হয়তো অলপ আগতে, তাই শুবলৈ গৈছিল। তাইৰ মুৰৰ চুলি, আউলি বাউলি, আৰু গাত বাতি পিন্ধা সাজ। তাইক দেখা মাত্ৰকে, ভিনিকিয়াচৰ বুকৰ স্পন্দন বৃদ্ধি হল। শুবলৈ নোযোৱাৰ কাৰণে, তেওঁ তাইক, মৃদু তিৰস্কাৰ কৰিলে। কিন্তু তাই,

আনন্দ মনেৰে কলে, "হয়, মই শুবলৈ যাম। কিন্তু আগতে, মই উৰচাচক সহায় কৰিব লাগিব।"

অকণমান বাতিটো হাতত লৈ, বিচনাৰ কাষত বহি, তাই ভিনিকিয়াচক চুকহা খুৱাই দিবলৈ ধৰিলে। ভিনিকিয়াচ যেন অলপ অস্বস্তিকৰ অৱস্থাত পৰিল। কিন্তু লাহে, লাহে, তেওঁৰ মন সুখৰ মদিৰাৰে পূৰ্ণ হৈ উঠিল। তেওঁৰ গাৰ কাষলৈ তাই যেতিয়া হালি যায়, তাইৰ শৰীৰৰ উত্তাপ, তেওঁ অনুভৱ কৰে,—তাইৰ কোমল, কুঞ্চিত কেশদাম তেওঁৰ বুকত পৰেহি। আবেগত তেওঁৰ মুখ শেতা পৰি আহে; কামনাৰ আতিশয্যই ক্ষত-বিক্ষত কৰি তোলে, তেওঁৰ মন। তেওঁৰ অনুভূতিত জাগি উঠে,—এই ধুনীয়া চুলি তেওঁৰ কিমান মৰমৰ! তাই অনন্যা,—জগতত তাইৰ সমান কোনো নাই।

ইমান দিনে, তাই কেৱল আছিল, তেওঁৰ দৈহিক কামনাৰ পাত্ৰী। এতিয়া তাইক তেওঁ প্ৰাণভৰি ভাল পায়। ইমানদিনে, তেওঁৰ জীৱনধাৰা আৰু অনু-ভূতিয়ে, অন্ধ, বিবেকশূণ্য আত্মকেন্দ্ৰিক বাসনাক আশ্ৰয় কৰি আছিল। এতিয়া তেওঁ তাইক নিজৰপৰা বিচ্ছিন্ন, ভিন সত্বা বুলি ভাবিব নোৱাৰা হ'ল।

শীঘ্ৰে তেওঁৰ আহাৰ শেষ হল। তাইক চাই থাকিব পৰা হলে,—নিজৰ কাষত তাইৰ উপস্থিতি অনুভৱ কৰি থাকিব পৰা হলে, তেওঁৰ হৃদয় অসীম তৃপ্তিৰে পূৰ্ণ হৈ ব'লহেঁতেন। তথাপিও তেওঁ কলে, "বহুত ভালো। যোৱা, এতিয়া বিশ্ৰাম কৰাগৈ, মোৰ দেৱী!"

"মোক দেৱী বুলি নকবা।" তাই উত্তৰ দিলে। "তুমি মোক এনে সম্বো-ধন কৰা অনুচিত।"

কিন্তু পিচ মুহূৰ্ত্ততে তাই তেওঁলৈ চাই মিচিকিয়াই হাঁহি কলে যে, তাইৰ ভাগৰ, টোপনি সকলো আঁতৰি গল, প্ৰকাচ আহিলেহে, তাই শুবলৈ যাব। যুবকৰ কাণত তাইৰ কথাখিনি, সঙ্গীতৰ সুৰৰ দৰে লাগিল। তেওঁৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধাৰ সোঁত ক্ৰমে বাঢ়ি আহিল। কৃতজ্ঞতাৰ অজস্ৰ ধাৰা, কি দৰে প্ৰকাশ কৰিব, ভাবি, ভাবি, তেওঁ ঘামি উঠিল।

অলপ সময়ৰ নীৰৱতাৰ পাচত, তেওঁ কলে, "লিজিয়া! আগতে তোমাক মই ভালদৰে বুজা নাছিলো। কিন্তু মই এতিয়া বুজি উঠিছো যে, তোমাক পাবলৈ মই অসৎ পথ অৱলম্বন কৰিছিলো। সেইবাবে, মই তোমাক কৰ্ত্ত

তুমি পম্পোনিয়া গ্ৰেচিনাৰ ওচৰলৈ উলটি যোৱা। তুমি নিশ্চিন্ত থাকিবা,—ভৱিষ্যতে তোমাৰ অনিষ্ট কৰিবলৈ, কোনেও সাহ নকৰে।"

হঠাৎ লিজিয়াৰ মুখখন বেদনাত মলিন হৈ গল।

"পম্পোনিয়াৰ লগত দেখা কৰিবলৈ পালে, মই সুখী হম।" তাই জনালে। "অৱশ্যে দূৰে, দূৰেহে দেখা কৰিব পাৰিম। তেওঁৰ ঘৰলৈ আৰু কেতিয়াও উলটি যাব নোৱাৰো।"

"কিয় নোৱাৰিবা?" ভিনিকিয়াচে আচৰিত হৈ সুধিলে।

"কাৰণ, পেলেটাইনত কি ঘটিছে, আমি খৃষ্টিয়ানবিলাকে এতিয়া পৰা জানিব পাৰিছো। মই পলাই অহাৰ অলপ দিনৰ পাচত, নিয়াপোলিচলৈ যাত্ৰা কৰাৰ আগে, আগে, চিজাৰে অলাচ্ আৰু পম্পোনিয়াক মতাই আনি, ভয় দেখুৱাই-ছিল,—মোৰ পলায়নত তেওঁলোকে সহায় কৰিছিল বুলি ভাবি। তুমি শুনা নাছিলা জানো? ভাগ্যক্ৰমে অলাচে এইদৰে উত্তৰ দিব পাৰিছিল: 'প্ৰভু! আপুনি জানে যে, মোৰ মুখত মিছা কথা কেতিয়াও নোলায়। মই আপোনাৰ আগত শপত খাই কওঁ,—লিজিয়াক আমি, পলাই যোৱাত সহায় কৰা নাই। তাইৰ কি হ'ল, আপোনাতকৈ আমি বেচি একো নাজানো।' চিজাৰে তেওঁৰ কথা বিশ্বাস কৰিলে, আৰু কথাটো পাহৰি পেলালে। কিন্তু আমাৰ গুৰুসকলে মোক উপদেশ দিলে,—পম্পোনিয়ালৈ কোনো চিঠিপত্ৰ নেলেখিবলৈ,—যাতে তেওঁ সদায় শপত খাই জনাবলৈ সমৰ্থ হয় যে, তেওঁ মোৰ বিষয়ে একো নাজানে। কাৰণ, জীৱন বিপন্ন হলেও, মিছা কথা কোৱা আমাৰ বাবে নিষিদ্ধ। অহ কাণে, পহ কাণে, তেওঁ বোধকৰো ইমানকে জানিছে যে, মই জীয়াই আছো আৰু ক'ৰবাত নিৰাপদে আছো।"

পম্পোনিয়াৰ স্মৃতি মনলৈ অহাত, লিজিয়াৰ চকু সজল হৈ উঠিল। কিন্তু শীঘ্ৰে, নিজকে সংযত কৰি, তাই কবলৈ ধৰিলে,—"মই জানো, মোক হেৰুৱাই, পম্পোনিয়াই কষ্ট পাইছে। কিন্তু আমি যি সান্ত্বনা পাইছো, জগতত আন কোনেও তাক পাব নোৱাৰে।"

"হয়," ভিনিকিয়াচে উত্তৰ দিলে, "মই জানো, তোমালোকে খৃষ্টৰ কথাত সান্ত্বনা লাভ কৰা। কিন্তু মই এইবোৰ বুজি নাপাওঁ।"

"আমাৰ বাবে, বিচ্ছেদ বোলা কোনো কথা নাই: দুখ যন্ত্ৰণাও নাই। অথবা দুখ, যন্ত্ৰণা কেতিয়াবা আহে যদিও, শীঘ্ৰে ই আনন্দলৈ ৰূপান্তৰিত হয়।

যি মৃত্যুক, তোমালোকে জীৱনৰ শেষ বুলি ভাবা, সেই মৃত্যুও, আমাৰ,—খৃষ্টিয়ানসকলৰ বাবে, প্ৰকৃত জীৱনৰ সূত্ৰপাত হে। আমাৰ বাবে, মৃত্যুৰ অৰ্থ, পৰিৱৰ্ত্তন,—বিপদসঙ্কুল, দুখ মিহলি পাৰ্থিৱ সুখৰ পৰা, অসীম, নিৰ্ভয়, অনন্ত সুখৰ জীৱনলৈ পৰিৱৰ্ত্তন।"

"তুমি নিজে সুখীনে?"

"হয়," লিজিয়াই উত্তৰ দিলে, "খৃষ্টৰ ওপৰত, মই যি বিশ্বাস ৰাখিছো, সেই বিশ্বাসৰ শক্তিয়ে, মোক চিৰসুখী কৰিব।"

ভিনিকিয়াচে আচৰিত হৈ, তাইলৈ চালে,—যেন মানুহৰ বোধশক্তিয়ে কোনো দিনে ঢুকি নোপোৱা কথা কৈছে, তাই।

"তেন্তে তুমি আৰু কেতিয়াও পম্পোনিয়াৰ ওচৰলৈ নোযোৱা?" তেওঁ সুধিলে।

"হয়, মই সৰ্ব্বান্তঃকৰণে যাবলৈকে বিচাৰো। কোনোবা দিনা, ভগৱানে যদি আদেশ দিয়ে, মই তেওঁৰ ওচৰলৈ উলটি যাম।"

"তেন্তে মই আকৌ এবাৰ তোমাক কওঁ,—তেওঁৰ ওচৰলৈ উলটি যোৱা। মোৰ গৃহ দেৱতাসকলৰ শপত খাই কৈছো, তোমাৰ বিৰুদ্ধে, মই আৰু কেতিয়াও হাত নোতোলো।"

"নাযাওঁ। যদি এই কাম কৰো, তেন্তে মোৰ শুভাকাঙ্ক্ষীসকলক বিপদলৈ ঠেলি দিয়া হ'ব। চিজাৰে প্লটিয়াচ পৰিয়ালটোক ভাল নাপায়। মই যদি উলটি যাওঁ, তেন্তে গোটেইখনতে খবৰ লাগি যাব, আৰু দাসইতে চিজাৰক খবৰটো দিবগৈ। তেতিয়া তেওঁ, অলাচইতৰ বিৰুদ্ধে, কঠিন ব্যৱস্থা লব। অন্তত: তেওঁলোকৰ হাতৰপৰা মোক, আকৌ কাঢ়ি লৈ নোযোৱাকৈ নাথাকে।"

"হয়," ভিনিকিয়াচে ভ্ৰূকুঞ্চিত কৰিলে, "এনেকুৱা কিবা এটা নিশ্চয় হ'ব। নিজৰ ইচ্ছামতে, সদায় সকলো হ'ব লাগিব বুলি দেখুৱাবলৈকে, চিজাৰে এই কাম কৰিব। তেওঁ যদি তোমাৰ কথা পাহৰিছে, অথবা তোমাৰ বিষয়ে ভাবিবলৈ এৰিছে,—তেনেহলে বুজিব লাগিব যে, তুমি অকল মোৰহে বিৰুদ্ধাচৰণ কৰিছা, তেওঁক অমান্য কৰা নাই বুলি, তেওঁ মনতে ধৰি লৈছে। অৱশ্যে, অলাচইতৰ ঘৰৰ পৰা, তোমাক মানুহ পঠিয়াই নিয়াই, পুণৰ মোৰ তালৈকো পঠিয়াব পাৰে। তেতিয়া হলে মই, পুণৰ তোমাক, পম্পোনিয়াৰ হাতত পঠাই দিব পাৰিম।"

দুখেৰে সৈতে তাই সুধিলে, "ভিনিকিয়াচ, মোক পুণৰ ৰাজপ্ৰাসাদলৈ নিয়া দেখিলে, তুমি ভাল পাবা নে?"

"নাপাওঁ।" দাঁত কামুৰি তেওঁ কলে, "মই বুজিছো, তুমি ঠিক কথাই কৈছা। মইহে মূৰ্খৰ দৰে, কথা কৈছো।"

অলপ পৰ বৈ, তেওঁ আকৌ আৰম্ভ কৰিলে, "তুমি জানানে, মোতকৈ কিমান সুখী তুমি? দৰিদ্ৰ অৱস্থাত, চহা মানুহৰ দৰে, আপচু ভাড়া ঘৰত আছা যদিও, তোমাৰ বাবে সদায়ে আছে, তোমাৰ ধৰ্ম্মশিক্ষা আৰু তোমাৰ খৃষ্ট। অথচ, মোৰ,—পৃথিবীত মোৰ কোনো নাই, তোমাৰ বাহিৰে। তুমি যিদিনা মোক বিমুখ কৰিলা, সেই দিনাৰ পৰা, মই হলো, অন্ন, আশ্ৰয়হীন দৰিদ্ৰ,—হত ভাগা। গোটেই বিশ্বত, তোমাতকৈ প্ৰিয়, তোমাতকৈ আপোন, মোৰ আৰু কোনো নাই। মই তোমাক বিচাৰি ফুৰিছিলো; কাৰণ তোমাৰ অবিহনে, জীয়াই থকা, মোৰ বাবে অসম্ভৱ। তোমাক পোৱাৰ আশা নথকা হলে, মই ইমানদিনে নিজৰ তৰোৱালৰ ওপৰত জাপ দি আত্মহত্যা কৰিলোহেঁতেন। কিন্তু মৃত্যুলৈ এইবাবেই মোৰ ভয় লাগিল যে, মৰি গলে তোমাক আৰু নেদেখো। অলাচৰ ঘৰত যে কথা পাতিছিলো, মনত আছেনে তোমাৰ? এবাৰ তুমি, বালিত মাছৰ ছবি আঁকিছিলা; তেতিয়া মই তাৰ অৰ্থ বুজা নাছিলো। বল খেলা কথা মনত আছেনে লিজিয়া? অলাচে যে, লিবিটিনাৰ ভয় দেখুৱাই, আমাৰ কথাত বাধা দিছিল, আৰু কথাবো অন্ত পেলাইছিল, মনত পৰেনে তোমাৰ? মনত আছেনে, বিদায়ৰ সময়ত, পম্পোনিয়াই, পেট্ৰোনিয়াচক, ঈশ্বৰ এজন বুলি কোৱা কথা,—যি জন সৰ্ব্বশক্তিমান আৰু কৃপাৰ সাগৰ? আঃ! সেই সময়ত, আমি ভাবিবই পৰা নাছিলো যে, সেই জনেহ তোমাৰ ভগৱান,—যীশু খৃষ্ট। ঈশ্বৰে এতিয়া তোমাক, মোৰ হাতত দিয়ে যেন! চাবা, তেতিয়া হলে মই তেওঁক কিমান ভাল পাম, আৰু সদায় ভাল পাই থাকিম যদিও মোৰ মনেৰে, তেওঁ কেৱল দাসইতৰ, বিদেশীৰ আৰু পতিত লোকৰহে ঈশ্বৰ, তথাপিও, মই তেওঁক মানি চলিম। তুমি মোৰ কাষত বহি থাকোঁতেও কেৱল তেওঁকে চিন্তা কৰি আছা বুলি মই বুজি পাইছো। পিচে, মোকো অলপ ঠাই দিয়া, তোমাৰ মনত। নহলে শেষত মই, তেওঁক ঘৃণা নকৰি নোৱাৰিম। জগতত একমাত্ৰ তুমিয়ে মোৰ আৰাধ্যা দেৱী। হয়, মই তোমাৰ ভৰিত সাবটি ধৰিব পাৰো, তোমাক বন্দনা কৰিব পাৰো, আৰু স্তুতি, মিনতি সহ বলিদান কৰি, তোমাক দণ্ডৱতে প্ৰণামো কৰিব পাৰো। হে পৰম পবিত্ৰা! তুমি নাজানা,—তুমি কোনো দিনে জানিব নোৱাৰিবা, মই তোমাক কিমান ভাল পাওঁ!"

লিজিয়াৰ কাণত, এইবোৰ কথা দোষণীয় যেন লাগিল। তথাপিও, ভিনিকিয়াচৰ দুখত, তাই দুখী নহৈ নোৱাৰিলে। তাই অনুভৱ কৰিলে, তাইৰ প্ৰতি তেওঁৰ প্ৰেম আৰু শ্ৰদ্ধা সচাঁকৈয়ে অসীম। তাই বুজিলে, ক্ৰীত দাস এটা যিদৰে এজনৰ সম্পত্তিৰ দৰে, ঠিক সেইদৰে, এই কঠোৰ, ভয়ঙ্কৰ মানুহজন, একমাত্ৰ তাইৰে সম্পত্তি। তেওঁক ইমান বিনীত, আৰু নম্ৰ অৱস্থাত দেখি, তাই তেওঁৰ ওপৰত কিমান প্ৰভাৱ বিস্তাৰ কৰিছে, তাকে ভাবি, তাইৰ প্ৰাণ তৃপ্ত হল। মুহূৰ্ত্তৰ বাবে, তাই অতীতলৈ উভটি চালে। ক্ষন্তেকৰ বাবে পুণৰ দেখিলে,— ৰোমান দেৱতা এজনৰ দৰে অপূৰ্ব্ব সুন্দৰ ভিনিকিয়াচক,—যিজনে অলাচৰ ঘৰত, তাইক প্ৰেম নিবেদন কৰিছিল আৰু তাইৰ কিশোৰী হৃদয়ক, গভীৰ নিদ্ৰাৰপৰা জগাই তুলিছিল। মুহূৰ্ত্তৰ বাবে, তাই দেখিলে, সেই ভিনিকিয়াচক,— যাৰ চুমাৰ পৰশ, এতিয়াও লাগি আছে, তাইৰ ওঁঠত, আৰু যাৰ বাহুবন্ধনৰপৰা, ৰাজ প্ৰাসাদত তাইক উৰচাচে আজোৰ মাৰি লৈ আহিছিল। কিন্তু আজি? আজি তেওঁৰ সুন্দৰ মুখত বেদনা আৰু আনন্দৰ সংমিশ্ৰণ, তেওঁৰ কপাল পাণ্ডুৰ, তেওঁৰ চকুত অসীম প্ৰাৰ্থনা। শ্ৰদ্ধা আৰু নম্ৰতাৰে ভৰা, আহত, ব্যথিত প্ৰেম, মূৰ্ত্ত হৈ উঠিছে, তেওঁৰ দুচকুৰ ভাষাত! এই ৰূপ আকৰ্ষণীয় হৈ উঠিল, তাইৰ বাবে। এয়েই তাই বিচৰা, প্ৰেমিকৰ ৰূপ,—যাৰ ওচৰত তাই মন প্ৰাণ সঁপি দিব পাৰে। আচম্বিতে তাই বুজি উঠিল, এনে এটা সময় আহিব পাৰে, যি সময়ত,-যি মুহূৰ্ত্তত, তাইৰ প্ৰেমে, ধুমুহাৰ ৰূপ লৈ, তাইক ক'ৰবালৈ টানি লৈ যাব। ইয়াৰ বাবেই, তাই নিৰাপদ ঠাইলৈ পলাই আহিছিল নেকি? ইয়াকে পাবলৈ, নগৰৰ জঘন্যতম ঠাইবোৰত, ইমান দিন লুকাই আছিল নেকি? ভিনিকিয়াচৰ পৰিচয় কি? তেওঁ সম্ভ্ৰান্তবংশীয়,—এজন অগষ্টান, যোদ্ধা, আৰু নিৰোৰ ৰাজ সভাৰ সভ্য। সঁচা, এতিয়া তেওঁৰ পৰিবৰ্ত্তন ঘটিছে। কিন্তু অলপ আগতে, তেৱেঁই জানো কোৱা নাই যে, তাই যদি তেওঁতকৈ, খৃষ্টৰ কথা বেচিকৈ ভাবে, তেন্তে তেওঁ আনকি পৰিত্ৰাতা খৃষ্টকো ঘৃণা কৰিব পাৰে? লিজিয়াই ভাবে, খৃষ্ট প্ৰেমৰ বাহিৰে, আন প্ৰেমৰ ভাৱ মনলৈ, আনিলে পৰম প্ৰভু আৰু তেওঁৰ ধৰ্ম্মমতৰ বিৰুদ্ধাচৰণ কৰি, পাপ আচৰণ কৰা হ'ব। নিজৰ ভৱিষ্যত জীৱনৰ কথা আৰু নিজৰ হৃদয়ৰ দাবিৰ কথা চিন্তা কৰি, হঠাৎ তাইৰ ভয় লাগি গল।

তাইৰ মনত যেতিয়া অন্তৰ্দ্বন্দ চলি আছিল, তেতিয়া ৰোগীৰ ক্ষত স্থান বোৰ পৰীক্ষা কৰি, ঔষধ লগাই বান্ধি দিবৰ বাবে, গ্লকাচ সোমাই আহিল। তৎক্ষণাতে ভিনিকিয়াচৰ মুখত, ক্ৰোধৰ ভাব পৰিলক্ষিত হ'ল। লিজিয়াৰ লগত

কথা পতাত বাধা পৰাৰ বাবে, তেওঁ অসহিষ্ণু হৈ উঠিল। মুকাচে কৰা প্ৰশ্ন বোৰৰ উত্তৰ, তেওঁ ধৈৰ্য্যসহকাৰে দিব নোৱাৰিলে। তথাপিও তেওঁ নিজকে শীঘ্ৰে সংযত কৰিলে। ওচ্ট্ৰিয়ানামত শুনা বক্তৃতাই, তেওঁৰ দাম্ভিক প্ৰকৃতিৰ পৰিবৰ্ত্তন ঘটাইছে বুলি, লিজিয়াই মনতে ভাবি লৈছিল যদিও, অদৃষ্টৰ যেন্ত এতিয়া সি অলীক কল্পনাত পৰিণত হ'ল। একমাত্ৰ তাইৰ কাৰণেহে, তেওঁৰ পৰিবৰ্ত্তন ঘটিছে। এই যুৱকৰ বুকুত, প্ৰেমৰ স্পন্দনৰ লগত মিলিত হৈছে,— অহংভাৱপূৰ্ণ, কঠিন, হাড় হিমজুৰে ৰোমান প্ৰকৃতি!

ইমানদিনে লিজিয়াই, অশ্ৰু বিন্দু এটিৰ দৰে নিৰ্ম্মল, অকলুষ বিবেকেৰে খৃষ্টৰ চৰণত প্ৰাৰ্থনা জনাব পাৰিছিল। কিন্তু এতিয়া যেন, সেই নিৰ্ম্মল ভাবত মলিনতাৰ ছাঁ পৰিল। ফুলৰ পাহিৰ মাজত সোমালেহি, এটা বিষাক্ত পতঙ্গ, গোপনে প্ৰৱেশ কৰা সেই অচিন পতঙ্গৰ গুঞ্জন উঠিল। দুটা নিশা, ৰোগীৰ কাষত, টোপনি ক্ষতি কৰি বহি থকাৰ পাচতো, শুবলৈ গৈ, তাই শান্তি নাপালে। টোপনিত তাই সপোন দেখিলে,—এদল অগষ্টান, বেকাচ্ দেৱতাৰ পূজাৰী, নৰ্ত্তকী আৰু মাল যোদ্ধাৰ আগে, আগে, সম্ৰাট নিৰো আহিছে—ওচ্ট্ৰিয়ানামলৈ। গোলাপ ফুলেৰে সজোৱা, তেওঁৰ ৰথৰ চেপাত, এদল খৃষ্টিয়ান চূৰ্ণবিচূৰ্ণ হৈছে, আৰু ভিনিকিয়াচে তাইক দুই বাহুৰে জোৰেৰে ধৰি নিজৰ ৰথৰ ওচৰলৈ টানি নি, বুকুত সাবটি লৈ, মৃদুকণ্ঠে জনাইছে, "আমাৰ লগত ব'লা।"

৫॥

সেইদিনাৰে পৰা তাই উমৈহতীয়া বহা কোঠাটোলৈ প্ৰায় নহাই হ'ল, আৰু ৰোগীৰ কাষলৈ যাবলৈকো এৰিলে। কিন্তু তাই, মনৰ শান্তি ঘূৰাই নাপালে। বিশেষকৈ, যেতিয়া তাই বুজিলে যে, ভিনিকিয়াচৰ মিনতি ভৰা দৃষ্টিয়ে, কেউ-দিশে তাইকে অনুসৰণ কৰি আছে, তাইৰ মুখৰপৰা ওলোৱা প্ৰতিটো শব্দকে আশীৰ্ব্বাদ বুলি ধৰিছে, আৰু কেনেবাকৈ তাই বিৰক্তি বোধ কৰে বুলি, ওজৰ আপত্তি নেদেখুৱাকৈ, নীৰৱে ৰোগ যন্ত্ৰণা সহ্য কৰিছে, তেতিয়া তাইৰ মনৰ স্থিৰতা হেৰাই যাব খুজিলে। একমাত্ৰ তাইয়ে যে তেওঁক সুখ দিব পাৰিব, আৰু ৰোগ মুক্ত কৰিব পাৰিব, এই কথা তাই নুবুজাকৈ নাথাকিল। এনেবোৰ

মুহূৰ্ত্তত তাইৰ প্ৰাণত অনুকম্পা জাগি উঠে। তাই এই কথা নিজৰ পৰা লুকুৱাব নোৱাৰিলে যে, যিমানে তেওঁক এৰা দিবলৈ বিচাৰিছে, সিমানে তাইৰ মন দুৰ্ব্বল হৈ পৰিছে। তেওঁৰ কাষৰপৰা আঁতৰিব খুজিছে যদিও, তাইৰ অন্তৰৰ কোমল অনুভূতিয়ে, তেওঁকে কেন্দ্ৰ কৰি ঘূৰি ফুৰিছে। ক্ৰমান্বয়ে তাইৰ কোমল ভাববোৰ বাঢ়ি গল। মনৰ দৃঢ়তা আঁতৰিল, আৰু বাৰে, বাৰে, তাই নিজকে সোঁৱৰাই দিলে, তেওঁৰ ওচৰত থকাটো তাইৰ কৰ্ত্তব্যৰ ভিতৰত পৰে। কাৰণ, যি পবিত্ৰ ধৰ্ম্মমত তাই মানি চলিছে, সেই ধৰ্ম্মমতে, ভাল কামৰ দ্বাৰা, বেয়াৰ প্ৰতিদান দিবলৈ শিকাইছে। লগতে তাই, এই কথাও ভাবিলে যে, তেওঁৰ লগত কথা বতৰা পাতি হয়তো, তেওঁক তাই, খৃষ্ট ধৰ্ম্মৰ প্ৰতি আকৃষ্ট কৰিব পাৰিব। কিন্তু একেটা সময়তে, বিবেকে তাইক জনাই দিলে যে, প্ৰকৃততে তাই নিজৰ সুখকে বিচাৰিছে। একমাত্ৰ পাৰ্থিব প্ৰেমেহে, তাইক এই উদ্দীপনা যোগাইছে।

মাজে, মাজে, তাইৰ অনুভৱ হল,—তাই জালত বন্দী হৈছে আৰু যিমানে তাই নিজকে মুক্ত কৰিবলৈ চেষ্টা কৰিছে, সিমানে জালখনে তাইক বেচিকৈ মেৰিয়াই ধৰিছে। যেতিয়াই ভিনিকিয়াচৰ কাষলৈ আহে, তেতিয়াই তাই মন কৰে, ভিনি-কিয়াচৰ চকু, মুখ, কি দৰে উজ্জ্বল হৈ উঠিছে! সেই মুহূৰ্ত্তত, তাইৰ অন্তৰত আনন্দৰ প্লাবন উঠে। এদিন যেতিয়া তাই, ভিনিকিয়াচৰ চকুত, অশ্ৰুৰ দাগ দেখিলে, তেতিয়া তাইৰ মনলৈ আহিল, এই চকুলো চুমাৰে শুকুৱাই দিয়াৰ অধিকাৰ যদি কাৰোবাৰ আছে, তেন্তে সেই অধিকাৰ সম্পূৰ্ণ তাইৰে। নিজকে ধিক্কাৰ দি পিচদিনা তাই, চকুলো টুকিয়ে কটাই দিলে।

গ্ৰকাচৰ লগত কথা কওঁতে, ভিনিকিয়াচে আৰু খঙৰ ভাব নেদেখুৱালে। কাৰণ, কেইবাবাৰো তেওঁৰ মনলৈ আহিছিল,—এই দুখীয়া দাস ডাক্তৰটো, বৃদ্ধা মিৰিয়াম্ আৰু ক্ৰিচ্‌পাচ্ তেওঁৰ দৰেই মানুহ। সঁচাকৈয়ে উৰচাচকো শেষত তেওঁৰ ভাল লাগি গৈছিল।

একমাত্ৰ নাজাৰাচকহে তেওঁ ভাল চকুৰে চোৱা নাছিল। কাৰণ তেওঁ ধাৰণা কৰি লৈছিল যে, লিজিয়াৰ প্ৰেমত পৰাৰ দুঃসাহস কৰিছে, এই লৰা-টোৱে। বহুত দিনলৈকে, তাৰ প্ৰতি ঘৃণাৰ ভাব প্ৰকাশ কৰাৰ ইচ্ছাৰ বিৰুদ্ধে, তেওঁ যুঁজি আছিল। কিন্তু এবাৰ যেতিয়া দেখিলে,—নাজাৰাচে তাৰ দুখেৰে গোটোৱা ধনেৰে এযোৰ ধুনীয়া ডৰিক চৰাই কিনি আনি, লিজিয়াক উপহাৰ দিছে, তেতিয়া ভিনিকিয়াচৰ তেজ গৰম হৈ উঠিল। তেওঁ ভাবিলে,—বিদেশৰ

পৰা অহা এই নিকৰ্মা মানুহটো তেওঁৰ আগত কোন ফুটা? লিজিয়াই তাক ধন্যবাদ জনোৱা শুনি, উচ্চ বংশৰ যুৱকজন একেবাৰে শেতা পৰি গল। চৰাইৰ কাৰণে পানী আনিবলৈ, নাজাৰাচ্ যেতিয়া কোঠাৰ পৰা ওলাই গল, তেতিয়া তেওঁ কলে, "লিজিয়া! এই মানুহটোক ইমান আদৈ দিয়া কিয়? তোমাক উপহাৰ দিবলৈ সি কোন? তুমি নাজানানে, তাৰ জাতিৰ লোকক গ্ৰীকবিলাকে "ইহুদী কুকুৰ" বুলি কয়?"

"গ্ৰীকবিলাকে কি কয়, মোক নালাগে।" তাই উত্তৰ দিলে, "কিন্তু মই মাত্ৰ ইয়াকে জানো যে, নাজাৰাচ্ এজন খৃষ্টিয়ান; গতিকে তেওঁ মোৰ ভাই।"

ইয়াকে কৈ, তাই ব্যথিত, আশ্চৰ্য্যপূৰ্ণ দৃষ্টিৰে, ভিনিকিয়াচলৈ চালে। এই বাসগৃহত এনে ধৰণৰ হিংসাপূৰ্ণ কথা, তাই কাৰো মুখত শুনা নাছিল। ইফালে ভিনিকিয়াচে দাঁত কামুৰি, নিজকে সংযত কৰিব লগা হ'ল। নহলে, হয়তো তেওঁ চিঞৰি কৈয়ে দিলেহেঁতেন,—"এনেকুৱা 'ভাইক' টঙনিয়াই মাৰি পেলাব পৰা হলে, অথবা শিকলিৰে বান্ধি নি, চিচিলিত থকা আঙুৰৰ খেতিত লগাবলৈ পোৱা হলে, বেচ হলহেঁতেন।" কিন্তু তেওঁ আত্মসম্বৰণ কৰি, খঙটো দমাই কলে, "মোক ক্ষমা কৰা লিজিয়া! মোৰ চকুত, তুমি ৰজাৰ জীয়ৰী, আৰু প্লটিয়াচ পৰিয়ালৰ তোলনীয়া ছোৱালী। তোমাৰ এটা সন্মান আছে।"

এই কথা কোৱাৰ পাচতো, তেওঁ নিজকে ইমান ভালদৰে দমাই ৰাখিলে যে, নাজাৰাচ্ যেতিয়া কোঠাটোলৈ আকৌ সোমাই আহিল, তেতিয়া তাক তেওঁ দুটা ম'ৰা বা ফ্লেমিংগো চৰাই উপহাৰ দিব খুজিলে। (তেওঁৰ গ্ৰাম্য উদ্যানবোৰ, এনেকুৱা চৰাইৰে ভৰি আছে)

এইদৰে ভিনিকিয়াচে যিমানে নিজকে জয় কৰিলে, সিমানে লিজিয়া তেওঁৰ প্ৰতি আকৃষ্ট হ'ল। খৃষ্টিয়ান ধৰ্ম্মৰ প্ৰতি তেওঁৰ যি বিদ্বেষ ভাব জাগি উঠিছিল, তাক তেওঁ সহজে দমন কৰিলে। কিন্তু মুস্কিল হ'ল এইখিনিতে যে, এই ধৰ্ম্মৰ প্ৰতি সহানুভূতি দেখুৱাবলৈ তেওঁ অসমৰ্থ। যদিও খৃষ্টৰ অলৌকিক জীৱন বৃত্তান্ত, তেওঁৰ পুণৰুত্থান আৰু অন্যান্য ৰহস্যপূৰ্ণ ঘটনাবোৰ সন্দেহ কৰিবলৈ তেওঁৰ সাহ নহল, তথাপিও তেওঁ অনুভৱ কৰিলে,—এই ধৰ্ম্মত এনে কিছুমান উপদেশ আছে, যাৰদ্বাৰা, প্ৰচলিত ৰীতি,—উচ্চ, নীচ ভাব আৰু সামাজিক ভেদাভেদ লোপ পাব পাৰে। সেয়ে যদি হয়, তেন্তে ৰোমান ক্ষমতা, আৰু প্ৰভুত্বৰ কি

হ'ব ? ৰোমানসকলে জগত জুৰি থকা সাম্ৰাজ্য ত্যাগ কৰি, পৰাভূত অসংখ্য জাতিক, নিজৰ লৈতে সমান বুলি স্বীকাৰ কৰিব পাৰিবনে ? হব নোৱাৰে। কোনো সম্ভ্ৰান্ত ৰোমানে এই কথা ভাবিব নোৱাৰে।

লিজিয়াই স্পষ্টভাৱে বুজি পালে, ভেওঁৰ মনত কি কথা খেলাইছে। তাই ধৰিব পাৰিলে, খৃষ্টিয়ান ধৰ্ম্মমত মানি লবলৈ, এহাতে যি দৰে তেওঁ চেষ্টা কৰিছে, আনহাতে সেইদৰে, তেওঁৰ প্ৰকৃতিগত বিতৃষ্ণাই বাধা দিছেহি। এই কথাই, তাইক অতিশয় কষ্ট দিলে। তথাপিও খৃষ্টৰ প্ৰতি, তেওঁৰ মৌন সম্ভ্ৰমৰ ভাবলৈ লক্ষ্য কৰি, তাইৰ মন কৃতজ্ঞতাৰে ভৰি উঠিল। অনুৰাগ, স্নেহ আৰু পূজ্যৰ ভাবত তাইৰ মন আপ্লুত হ'ল। ভিনিকিয়াচৰ প্ৰতি তাইৰ আকৰ্ষণ বাঢ়ি আহিল। তাইৰ মনত পৰিল, পম্পোনিয়া গ্ৰেচিনা আৰু অলাচলৈ,— মনত পৰিল, পৰকালত অলাচক কাষত নোপোৱাৰ চিন্তাই, কি দৰে পম্পোনিয়াৰ প্ৰাণত, অসীম ব্যথা জগাই তুলিছিল। লিজিয়াই এতিয়া নিজৰ মনতো সেই একেই ব্যথা অনুভৱ কৰিলে। তাইৰ সাক্ষাত ঘটিছে, প্ৰেমাস্পদৰ লগত। কিন্তু পৰকালৰ অনন্ত জীৱনত, তাইৰে সৈতে তেওঁৰ বিচ্ছেদ ঘটিব বুলি তাইৰ মনত যি আশংকা জাগি উঠিছে, সি ক্ৰমে ঘনীভূত হৈ আহিল। অথচ, কেতিয়াবা নিজকে ভাল লগাবলৈ, তাই আশা কৰে, ভিনিকিয়াচৰ অন্তৰে, অৱশেষত, খৃষ্ট ধৰ্ম্মৰ বাণী সত্য বুলি মানি লব। কিন্তু এনে ভ্ৰান্ত ধাৰণা, তাইৰ মনত সৰহ পৰ নাথাকে। ভিনিকিয়াচ খৃষ্টিয়ান হ'ব ? ইও সম্ভৱ নে ?

ভিনিকিয়াচৰ মূৰত, অবিশ্বাসীৰ প্ৰাপ্য অভিশাপ আহি পৰেহি বুলি, তাইৰ ভয় হ'ল। সহানুভূতিৰ ভাৱত, আগতকৈও তাই তেওঁৰ বেচি ওচৰ চাপি গল। নিজকে বিশ্লেষণ কৰি চাই, তাইৰ মনত নতুন ভয় সোমাল। এদিন ভিনিকিয়াচৰ কাষত বহি থাকোঁতে, তাই কলে, "খৃষ্ট ধৰ্ম্মৰ শিক্ষা নামানিলে, জীৱন সফল নহয় !" তাকে শুনি, সুস্থ হাতখনৰ ওপৰত, ভেজা দি উঠি, (এতিয়া তেওঁ যথেষ্ট শক্তি ঘূৰাই পাইছে) হঠাৎ নিজৰ মূৰটো, লিজিয়াৰ আঠুৰ ওপৰত থৈ; ভিনিকিয়াচে কলে, "জীৱন,—জীৱন মানে তুমি !"

লিজিয়াৰ শ্বাসৰুদ্ধ হোৱাৰ উপক্ৰম ঘটিল, মুক্তি হেৰাই গল,—আনন্দৰ মৃদু কম্পন উঠিল, তাইৰ মূৰৰপৰা ভৰিলৈকে। তাই দুহাতেৰে তেওঁৰ কুম্ভ দুটাত হেঁচি ধৰি, উঠাবলৈ চেষ্টা কৰিলে; এই অৱস্থাত তাই তেওঁৰ কাষলৈ এনেভাবে হালি গল যে, তাইৰ ওঁঠে তেওঁৰ মূৰৰ চুলি স্পৰ্শ কৰিলে। কন্তেকক

বাবে, তেওঁলোকৰ নিজৰ নিজৰ মনৰ মাজত টনা আজোৰা লাগিল। যি প্ৰেমে, পৰস্পৰক বাহুৰ মাজত আবদ্ধ কৰিবলৈ প্ৰেৰণা দি আছে, সেই প্ৰেমৰে লৈতে এই সংগ্ৰাম চলিল। অৱশেষত, লিজিয়া উঠি, কোনোমতে আঁতৰি পলাল।

তৃপ্তিৰ এই মুহূৰ্ত্তটোৰ বেচ কি দৰে দিব লাগিব, ভিনিকিয়াচে নিঃসন্দেহে জানিলে। লিজিয়াইও এতিয়া বুজিলে, তাইৰহে সহায়ৰ দৰকাৰ। পিচৰ দিনটো তাই, চকুপানী টুকি, সৰ্ব্বশক্তিমান জনলৈ কাতৰ প্ৰাৰ্থনা জনাই কটালে। নিশাও তাইৰ টোপনি নাহিল। প্ৰাৰ্থনা কৰাৰ সময়ত, তাইৰ অনুভূতিয়ে জনালে, ভগৱানক প্ৰাণেৰে আহ্বান কৰাৰ যোগ্যতা তাইৰ নাই। তাই যি পাপ কৰিছে, তাৰ ক্ষমা নাই।

পিচদিনা সোনকালে শোৱা কোঠাৰ পৰা ওলাই আহি, ক্ৰিচ্‌পাচক বাগিচালৈ মাতি নি, আইভি আৰু বনৰীয়া লতা নিকুঞ্জৰ মাজৰ ঠেক ঠাইত ছুয়ো বহিল, আৰু নিজৰ মনৰ কথা তাই তেওঁক অকপটে জনালে। লগতে, মিৰিয়ামৰ ঘৰ এৰি যাবলৈকো অনুমতি খুজিলে। নিজৰ ওপৰত তাই বিশ্বাস হেৰুৱাইছে। প্ৰেমৰ বিপক্ষে হাত তুলিবলৈ তাইৰ আৰু শক্তি নাই।

ক্ৰিচ্‌পাচে তাইৰ সিদ্ধান্ত মানি ললে। তাইৰ প্ৰেমক, তেওঁ পাপ আখ্যা দিলে আৰু ক্ষমাসূচক এটা শব্দও তেওঁৰ মুখত নোলাল। প্ৰকৃততে, ক্ৰোধ আৰু ঘৃণাৰে, তেওঁৰ মন ভৰি উঠিল। তেওঁ ভাবিলে,—যি জনী ছোৱালীয়ে, পলাই আহি, তেওঁৰ আশ্ৰয় পাই ৰক্ষা পৰিছিল, যাক তেওঁ সদায় মৰমৰ চকুৰে চাইছিল, যাক ধৰ্ম্মবিশ্বাসৰ শক্তিৰে, শক্তিময়ী কৰি তুলিছিল, আৰু যাক, অলপ সময়ৰ আগলৈকে, খৃষ্টিয়ান ধৰ্ম্মশিক্ষাৰ বুকত বিকশিত হৈ উঠা, এপাহি নিৰ্ম্মল ভেটফুল বুলি ভাবিছিল,—সেইজনী ছোৱালীয়ে, কি দৰে এনে অপবিত্ৰ আকৰ্ষণক হৃদয়ত ঠাই দিব পাৰিলে? এনে প্ৰৱঞ্চনাৰ বাবে, তেওঁৰ মন তিক্ত আৰু আশ্চৰ্য্যপূৰ্ণ হৈ উঠিল।

"যোৱা, তোমাৰ দোষৰ বাবে, ভগৱানৰ ওচৰত ক্ষমা ভিক্ষা কৰা।" তেওঁ দুখ মনেৰে কলে, "হয়, যি পিশাচে তোমাক কুমন্ত্ৰ কৰিছে, সেই পিশাচে তোমাৰ সৰ্ব্বনাশ ঘটাই, ত্ৰাণকৰ্ত্তা প্ৰভুক অস্বীকাৰ কৰাৰ অৱস্থালৈ টানি নিয়াৰ পূৰ্ব্বে, আত্মৰক্ষাৰ উপায় কৰা। ভগৱানে ক্ৰচত আত্মবলিদান দিছিল, তেওঁৰ ৰক্ত দান দি, তোমাৰ আত্মাক মুক্তি দিবৰ বাবে। কিন্তু তুমি গ্ৰহণ কৰিছা, তমসাৰ পুত্ৰক,—যি এসময়ত, তোমাক ৰক্ষিতা কৰিব খুজিছিল। কোননো সি? খৃষ্ট বিৰোধীৰ বন্ধু, আৰু দাস নহয় নে? তাৰ পাপ আৰু ব্যভিচাৰৰ সঙ্গী

নহয় নে? সি তোমাক ক'লৈ নিব? অন্ধকাৰৰ অতল গৰ্ভলৈ! ভগৱানৰ ক্ৰোধাগ্নিত জাহ যাবলৈ সাজু হৈ থকা, তাৰ সেই জঘন্য ঠাইলৈ নিনি, ক'লৈ নিব তোমাক? হে ভগৱান! তাতকৈ এওঁৰ মৃত্যু ঘটোৱা। ঈশ্বৰক খাটিছো, এই সাপে তোমাৰ বুকুত ঠাই লৈ, তাৰ পাপ-বিষ উদগীৰণ কৰাৰ পূৰ্ব্বে, এই ঘৰৰ দেৱালবোৰ তোমাৰ মূৰত ভাঙি পৰক।"

লিজিয়াই আশা কৰিছিল, যিজন বৃদ্ধ পুৰোহিতে, ৰাজপ্ৰাসাদৰ পৰা পলাই অহাৰ পাচৰ পৰা, তাইক পিতৃ স্বৰূপে পালন কৰিছে, তেওঁ অন্ততঃ অলপ দয়াৰ ভাব দেখুৱাই, তাইক সান্ত্বনা দিব আৰু তাইৰ প্ৰাণলৈ শক্তি আৰু সাহস ঘূৰাই আনিব। কিন্তু ক্ৰিচ্‌পাচৰ ক্ৰোধ বাঢ়িহে গল। তেওঁ কবলৈ ধৰিলে,

"মোৰ বেদনা আৰু হতাশা, ভগৱানৰ চৰণত নিবেদন কৰিলো। স্বয়ং পৰিত্ৰাতাকে তুমি প্ৰৱঞ্চনা কৰিলা। তুমি খালত পৰিছা। তাত থকা অপৱিত্ৰ, পঙ্কিল, দুষিত বস্তুবোৰে, তোমাৰ আত্মা বিষাক্ত কৰি তুলিছে। নিজ আত্মাক অমূল্য ধন বুলি জ্ঞান কৰি, তাক প্ৰভুৰ পদত অৰ্পণ কৰি, তুমি ক'ব পাৰিলাহেঁতেন,—'হে প্ৰভু! তোমাৰ অনুগ্ৰহেৰে মোক পূৰ্ণ কৰা।' তাকে নকৰি, তুমি পিশাচৰ দাসক আত্মদান কৰিলা। ভগৱানে তোমাক ক্ষমা কৰক! তোমাৰ ওপৰত, তেওঁৰ কৃপা দৃষ্টি পৰক। কাৰণ, যেতিয়ালৈকে এই সাপক অন্তৰৰ বাহিৰ কৰিব নোৱাৰা, তেতিয়ালৈকে তোমাক মই—"

তেওঁলোক এই ঠাইত অকলে থকা নাই বুলি জানি, তেওঁ হঠাৎ বৈ গল। শুকান বনৰীয়া লতা আৰু চিৰ সেউজীয়া আইভি লতাৰ মাজেদি চাই তেওঁ দেখিলে, দুজন মানুহ, সেইফালে আহিছে। এজন ধৰ্ম্মগুৰু পিটাৰ। ইজনক তেওঁ প্ৰথমে, চিনি পোৱা নাছিল। কাৰণ মানুহজনৰ মুখখন, কাপোৰৰ তলত ঢাক খাই আছিল। ক্ৰিচপাচে প্ৰথমে তেওঁক, চিলো বুলিয়ে ভাবিছিল।

ক্ৰিচ্‌পাচে বক্তৃতা দি থাকোঁতে, এই দুজন পুৰুষ, বাগিচাৰ নিকুঞ্জ কুটীৰলৈ আহি, এখন বেঞ্চত বহি আছিল। ধৰ্ম্মগুৰুৰ সঙ্গীজনৰ মুখখন সন্ন্যাসীৰ দৰে। তেওঁৰ তপা মূৰ, বঙা চেলাউৰী আৰু আঁকোৱা নাকটো দেখা মাত্ৰকে, ক্ৰিচ্‌পাচে বুজিলে, দেখিবলৈ আপচু যেন লগা, এইজন পুৰুষ, ভগৱানৰ কৃপা আৰু প্ৰেৰণা লাভ কৰা, টাৰ্‌চাচৰ পলৰ বাহিৰে আন কোনো নহয়।

লিজিয়াই আঠুকাঢ়ি বহি, ধৰ্ম্মগুৰুৰ কাপোৰৰ ভাঁজৰ মাজত, নিজৰ অশ্ৰুসিক্ত, অকণমান মুখখন লুকুৱালে। কিন্তু একোকে কব নোৱাৰিলে।

পিটাৰে কলে, "সকলোৱে শান্তি লাভ কৰক !" লিজিয়াৰ মূৰৰ ওপৰত ছাল কোচ খোৱা হাত দুখন থৈ, বৃদ্ধ পুৰোহিতক লক্ষ্য কৰি, তেওঁ কবলৈ ধৰিলে, "ক্রিচ্‌পাচ্ ! কাণাৰ বিবাহ ভোজত, খৃষ্টই স্বামী-স্ত্রীৰ প্রেমক আশীৰ্ব্বাদ দিয়া নাছিলনে ? যি খৃষ্টই, তেওঁৰ পদ-লুণ্ঠিতা, মেৰি মেগ্‌ডালিনক কৃপাৰ চকুৰে চাই, তাইৰ পাপকো ক্ষমা কৰিছিল, সেইজনে, মুকলি পথাৰত ফুলা এপাহি ফুলৰ দৰে পবিত্র, এই সক ছোৱালীটিক বিমুখ কৰিব বুলি তুমি ভাবা নেকি ? লিজিয়া ! তোমাকো মই কওঁ,— যাক তুমি হৃদয়ত ঠাই দিছা, তেওঁৰ চকুৱে যিমান দিনলৈকে সত্যৰ পোহৰ নেদেখে, সিমান দিনলৈকে, তুমি তেওঁৰ পৰা আঁতৰি থাকিবা, যাতে তোমাক তেওঁ পাপৰ পথলৈ টানি নিব নোৱাৰে । তেওঁৰ বাবে, প্রভুৰ চৰণত প্রার্থনা জনাবা । নিশ্চয়কৈ জানিবা, তোমাৰ প্রেম দোষণীয় নহয় । যিমান দিন প্রলোভনৰ পৰা আঁতৰি থাকিবা, সিমান দিন তোমাৰ আচৰণ সজ হৈ থাকিব । নাকান্দিবা, অসুখী নহবা । মই তোমাক ইয়াকে কওঁ,— ত্রাণকৰ্ত্তাৰ মৰম স্নেহৰপৰা তুমি বঞ্চিত হ'ব নোৱাৰা । তোমাৰ প্রার্থনা তেওঁ শুনিব, আৰু কষ্টৰ দিনবোৰৰ শেষত, আনন্দই দেখা দিব ।"

পুণৰ তেওঁ, লিজিয়াৰ মূৰত হাত দুখন থৈ, আশীৰ্ব্বাদ কৰিলে ; তেওঁৰ মুখ, স্বৰ্গীয় সুখত উদ্ভাসিত হৈ উঠিল ।

"হয়; প্রভুৰ দয়াৰ কথা নুবুজি, মই পাপ কৰিছো ।" ক্রিচ্‌পাচে কলে, "পিচে, মই ভাবিছিলো পাৰ্থিৱ প্রেমক অন্তৰত ঠাই দি, তেওঁ খৃষ্টক অস্বীকাৰ কৰিছে ।"

এই কথাৰ উত্তৰত, পিটাৰে কলে, "মই তিনিবাৰ অস্বীকাৰ কৰিছিলো তেওঁক । তথাপিও তেওঁ মোক ক্ষমা কৰিছিল, আৰু তেওঁৰ নিৰীহ শিষ্য দলক প্রতিপাল কৰিবলৈ, মোক অনুমতি প্রদান কৰিছিল ।"

"তদুপৰি," ক্রিচপাচে কলে, "ভিনিকিয়াচ সম্ভ্রান্ত বংশীয় মানুহ,— এজন অগষ্টান তেওঁ ।"

"সবাতোকৈ কঠিন হৃদয়কো খৃষ্টই কোমল কৰিব পাৰে ।" পিটাৰে উত্তৰ দিলে ।

অৱশেষত, ইমান সময় নীৰৱে থকা, টাৰ্‌চাচৰ পলেও কথাত যোগ দিলে ।

"মই খৃষ্টৰ দাসসকলক উৎপীড়ন কৰিছিলো আৰু তেওঁলোকক মৃত্যুৰ হাতত তুলি দিছিলো । ষ্টিফেনক শিল দলিয়াই হত্যা কৰাৰ সময়ত, যিটো

মানুহ, যাক কহঁতৰ কাপোৰ কানিৰ বথীয়া হৈ আছিল, সেইটোও মইয়ে আছিলো। আগতে মই, পৰম সত্যক পৃথিবীৰ বুকৰপৰা সাৰি পেলাই দিবলৈ চেষ্টা কৰিছিলো। কিন্তু পতিত পাবন প্ৰভুৱে, পূৰ্ব্বেই স্থিৰ কৰি থৈছিল, মোৰ হতুৱাই, গোটেই পৃথিবীতে তেওঁ সত্য ধৰ্ম্ম প্ৰচাৰ কৰাব। ইতিমধ্যে মই, জুদিয়া, গ্ৰীচ, আৰু তাৰ ওচৰৰ দ্বীপবোৰত, সত্যধৰ্ম্মৰ বীজ সিচিলো। বন্দী অৱস্থাত থকা কালত, এই নাৰকী ঠাইখনতো, মই ধৰ্ম্ম প্ৰচাৰ কৰিছো। এতিয়া পথ প্ৰদৰ্শক পিটাৰে মোক তেওঁৰ কাষলৈ মাতি আনিছে। সেয়েহে, মই পুণৰ আহিছো, এই শিলাময় ভূমিত সত্যৰ বীজ ছটিয়াবলৈ। প্ৰভুৰ ইচ্ছাত, তেওঁৰ আশীৰ্ব্বাদত, এই ঠাই উৰ্ব্বৰা হওক আৰু পৰিশ্ৰমৰ ফলেৰে পূৰ্ণ হওক।"

ইয়াকে কৈ, তেওঁ থিয় দিলে। মুহূৰ্ত্তৰ ভিতৰতে, কুঁজা পিঠিখনেৰে সৈতে ক্ষুদ্ৰকায় মানুহজনৰ প্ৰকৃত ৰূপ, ক্ৰিচ্পাচৰ চকুত পৰিল। এওঁৱেই এদিন দৈত্যৰ দৰে পৃথিবীৰ ভেটি কঁপাই তুলিব। সকলো ঠাইৰ, সকলো জাতিৰ মানুহৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিব।

॥ ৬ ॥

পেট্ৰোনিয়াচে ভিনিকিয়াচলৈ লেখা পত্ৰলিপি—

মৰমৰ বন্ধু! মই তোমাক মিনতি কৰিছো, চিঠি লেখোতে, স্বল্পভাষী লেচিদিমোনিয়ান্ অৰ্থাৎ স্পাৰ্টানসকলক, অথবা জুলিয়াচ চিজাৰক অনুকৰণ নকৰিবা। বেচ, জুলিয়াচ চিজাৰক অনুকৰণ কৰি, যদি লেখিব পাৰিলাহেঁতেন, 'মই আহিলো, দেখিলো, জয় কৰিলো,' তেতিয়া হলে তোমাৰ সংক্ষিপ্ততা সাৰ্থক হলহেঁতেন। কিন্তু তোমাৰ চিঠিয়ে ইয়াকে মাথোন জনাইছে, 'মই আহিলো, দেখিলো, পলাই গলো।' যিবিলাক অদ্ভুত ঘটনাৰ সন্মুখীন হৈছা, সেইবিলাকৰ বিশদ বিৱৰণ দিয়া হলে ভাল আছিল। হিবাৰ্নিয়াৰ গড়ৰ ভিতৰত, কেলিডোনিয়ান্ কুকুৰ এটাই, কুকুৰনেছিয়া বাঘ এটাক, যিমান সহজে টেটু চেপি মাৰিব পাৰে, লিজিয়ানটোৱে সিমান সহজে, ক্ৰোটোক মাৰি পেলালে বুলি, তোমাৰ চিঠিত পঢ়ি থাকোতে, নিজৰ চকু দুটাকে বিশ্বাস কৰিবলৈ টান পাইছিলো। মানুহটোৰ সঁচাকৈয়ে মূল্য আছে! চিজাৰৰ মুখ্য প্ৰীতিৰ-পাত্ৰ

হ'ব পৰা ক্ষমতা, তাৰ নিজৰ হাতত্তে আছে। যোৱলৈ উলটি যোৱাৰ পাচত, মই তাৰ লগত মিলিবলৈ চেষ্টা কৰিম আৰু তাৰ প্ৰকৃত প্ৰতিমূৰ্ত্তি এটাও নিৰ্ম্মাণ কৰাম। এনেকুৱা হলে মই যেতিয়া ক'ম যে, এই মূৰ্ত্তিটো, আচল মানুহ এজনৰে মূৰ্ত্তি, তেতিয়া কৌতূহলত পি, মৰি যোৱা যেন হ'ব।

ইটালী আৰু গ্ৰীচত, ব্যায়ামবীৰৰ প্ৰশংসনীয় দেহশ্ৰী ক্ৰমান্বয়ে বিৰল হৈ পৰিছে। প্ৰাচ্য দেশতো নাইয়েই; জাৰ্মানবিলাকৰ মাংস-পেশীবোৰ মেদবহুল শৰীৰৰ মাজত হেৰাই গৈছে। সিহঁতৰ শৰীৰহে প্ৰকাণ্ড, শক্তি হ'লে নাই। তুমি চেষ্টা কৰি উলিয়াবাচোন, এই লিজিয়ানটোৰেই একমাত্ৰ ব্যতিক্ৰম নে সিহঁতৰ দেশত এনে মানুহ আৰু আছে। কাৰণ, যদি তোমাক বা মোক ক্ৰীড়া পৰিচালনাৰ ভাৰ দিয়া হয়, তেন্তে শ্ৰেষ্ঠ ব্যায়ামবীৰ ক'ত বিচাৰিলে পোৱা যাব, জানি থোৱা ভাল হ'ব।

তুমি তাৰ গধুৰ হাতৰ চেপাৰ পৰা সাৰি গলা বুলি জানিলো। তাৰ বাবে, প্ৰাচ্য আৰু পাশ্চাত্যৰ সকলো দেৱতাকে কৃতজ্ঞতা জনাইছো। তুমি সম্ভ্ৰান্ত ঘৰৰ; তদুপৰি প্ৰধান বিচাৰপতি বা ৰাজপ্ৰতিনিধিৰে সৈতে একে থাপৰ মানুহ বাবে হয়তো তুমি ৰক্ষা পৰিলা। যিবিলাক অভিযানৰ তুমি নায়ক হৈ পৰিছা, সেইবিলাকৰ কথা শুনি, মই বিচ্যুত্তি খাইছো। যি কবৰ স্থানত, তুমি খৃষ্টিয়ানবিলাকক লগ পাইছিলা, সেই কবৰ স্থানৰ বিৱৰণ, খৃষ্টিয়ানহঁতৰ কথা কাণ্ড, তোমাৰ প্ৰতি সিহঁতৰ আচৰণ, লিজিয়াৰ নতুন পলায়ন, আৰু সকলোৰে শেষত, তোমাৰ সংক্ষিপ্ত লিপিৰ প্ৰতিটো শাৰীতে থকা বিমৰ্ষ আৰু অস্থিৰ ভাব— এই আটাইবোৰ কথাই, মোক বিমোৰত পেলাইছে। তুমি মোলৈ বহলাই সকলো লেখিবা। ইয়াৰ বহুতো কথা মই বুজিব পৰা নাই। সঁচাকৈয়ে কৈছো, মই খৃষ্টিয়ানহঁতৰ, তোমাৰ বা লিজিয়াৰ কথা-কাণ্ড একো ধৰিব পৰা নাই। নিজৰ কথাৰ বাহিৰে, আন একোতে মন নিদিয়া, মোৰ দৰে মানুহ এটাই, ইমান কৌতূহলেৰে তোমাক প্ৰশ্ন কৰাৰ বাবে, আচৰিত নহ'বা। ইয়াৰ কাৰণ হ'ল, এই ঘটনাবোৰৰ সৃষ্টিত, কিছু দূৰ মোৰো হাত আছে। এইবোৰে আংশিকভাৱে মোৰো মন স্পৰ্শ কৰিছে। তুমি যিমান সোনকালে পাৰা, মোলৈ লেখিবা। কাৰণ, আমাৰ আকৌ কেতিয়াকৈ দেখা হয়, সঠিক কব নোৱাৰো। ইছাৰিৰ পাচত সিছাৰিকৈ ৰলি থকা, বসন্তৰ বতাহৰ দৰে, এনেকুৱাৰ বাচৰ মূৰত, এটাৰ পাচত এটা পৰিকল্পনা খেলায়েই আছে। বৰ্ত্তমান শুনি, মেনেন্ডেন্টাম্ৰত

আছে। ইয়াৰ পাচত, প্ৰথমে ৰোমত নোলোমাই যি গ্ৰীচলৈ যাবলৈ মন মেলিছে ; টাইগেলিনাচে অৱশ্যে তাক, উলটি যাবলৈ উপদেশ দিছে,—যেনে তেনে অলপ দিনৰ বাবে হলেও। নহলে তাৰ অনুপস্থিতিৰ বাবে, (প্ৰকৃততে খেল ধেমালি আৰু খাদ্য সামগ্ৰীৰ পৰা বঞ্চিত হৈ) হতাশ হোৱা প্ৰজাই বিদ্ৰোহ কৰিব পাৰে। শেষত কেনে সিদ্ধান্ত লয় কব নোৱাৰো। যদি একিয়ালৈ যোৱা নহয়, তেন্তে মিছৰলৈ যোৱা কথাও ওলাব পাৰে। ইয়ালৈ আহি আমাৰ লগ লাগিবলৈ তোমাক টানি অনুৰোধ জনালো। কাৰণ, মই ভাবো যে, ভ্ৰমণ আৰু আমি দিব পৰা আমোদ প্ৰমোদে, তোমাৰ বৰ্ত্তমান মানসিক অশান্তিত ঔষধৰ দৰে কাম কৰিব।

অৱশ্যে আমাক, এই ঠাইত নাপাবও পাৰা। তেতিয়া হলে, তুমি ৰোমত নাথাকি, তোমাৰ চিচিলিত থকা, কোনোবা জমিদাৰীলৈ গৈ গা টঙাই অহাই ভাল। পিচৰ চিঠিত, তোমাৰ সকলো কথা জনাবা। তোমাক মই আন একো শুভাকাঙ্ক্ষা নজনাই, মাত্ৰ ইয়াকে জনাওঁ,—তুমি যেন হেৰোৱা স্বাস্থ্য ঘূৰাই পোৱা। পোলাক্সৰ শপত খাই কৈছো, তোমাক কি ধৰণৰ শুভেচ্ছা জনোৱা উচিত মই নাজানো।

এই চিঠিৰ উত্তৰ দিবৰ মন নগল, ভিনিকিয়াচৰ। উত্তৰ দি লাভ নাই,—তাৰদ্বাৰা, কোনো কথা পৰিষ্কাৰ নহয়। কোনো সিদ্ধান্তও নোলায়। পেট্ৰোনিয়াচে এটা কথাও নুবুজিব। ঘটনাচক্ৰই, দুই বন্ধুক পৃথক কৰি পেলাইছে।

যুবক বিচাৰপতিজন, টাইবাৰৰ সিপাৰৰ ঠাই এৰি, কেৰিণিত থকা নিজৰ ৰম্য অট্টালিকালৈ যোৱাৰ সময়তো, দুৰ্ব্বল অৱস্থাত আছিল। প্ৰথমে গৈ, আগৰ বিলাসী, আৰামপূৰ্ণ দিন কটাই, তেওঁৰ বেচ ভাল লাগিছিল। কিন্তু ভোগ বিলাসৰ মাজতো, তেওঁৰ মনলৈ আহিল, ইমানদিনে যিবিলাক বস্তুৱে তেওঁৰ মন আকৃষ্ট কৰিব পাৰিছিল, এতিয়া সেইবোৰ তেওঁৰ জীৱনত অৰ্থহীন হৈ পৰিছে। তেওঁ প্ৰাণেৰে অনুভৱ কৰিলে, ইমানদিনে তেওঁৰ আত্মা আৰু জীৱন-গতিৰ মাজত যি বান্ধোন আছিল, সি স্থলকি গৈছে। জোৰা লগাবলৈ, কোনো গাঁথনি প্ৰস্তুত হোৱা নাই। বেনেভেন্‌টাম আৰু একিয়ালৈ গৈ, মূৰ্খামিৰ ক্লেশ-ভাৰ বহন কৰি, উদণ্ড, উচ্ছৃঙ্খল জীৱন কটোৱাৰ ভাবটোৱে, তেওঁৰ মনলৈ বিতৃষ্ণা আনিলে।

"এইবোৰৰ মাজত সোমায় কিয় ?" তেওঁ ভাবিলে, "ইয়াৰ পৰা কি লাভ হব মোৰ ? জীৱনত প্ৰথমবাৰলৈ তেওঁৰ বোধগম্য হল,—পেট্ৰোনিয়াচৰ

কথা বতৰা, উদ্যম, তেজোদীপ্ত আচৰণ, তেওঁৰ অমূল্য চিন্তাধাৰা আৰু তেওঁৰ বহুা, বহুা কথাবোৰে, মন ভাল লগাব বুলি, এতিয়া আৰু নিঃসন্দেহে কৰ পৰা নাযায়।

আনহাতে, সঙ্গীবিহীন, অকলশৰীয়া অৱস্থাই, তেওঁক ভাবাক্ৰান্ত কৰি তুলিলে। তেওঁৰ আটাইবোৰ বন্ধু, চিজাৰৰ লগত বেনেভেন্‌টামত আছেগৈ। মাজে, মাজে,—তেওঁৰ মনলৈ আহিল, যিবিলাক কথাৰে তেওঁৰ অন্তৰ পূৰ্ণ হৈ আছে, তাৰ কিছু অংশ, কোনোবা এজনক জনাব পৰা হলেও, বহুত সকাহ পালেহেঁতেন,—কথাবোৰ বিবেচনা কৰি চাই, ভালদৰে জুকিয়াই লৈ, তেওঁ বুজিবলৈ চেষ্টা কৰিলেহেঁতেন। সেইদেখি, শেষত তেওঁ, পেট্ৰোনিয়াচৰ চিঠিৰ উত্তৰ দিবলৈ মন কৰিলে। চিঠিখন পঠিওৱাৰ কথা মনলৈ ননাকৈ, তেওঁ মাত্ৰ এইদৰে লেখি থলে :

"তুমি দীঘলীয়াকৈ লেখিবলৈ কোৱাত, মই এই চিঠি লেখিলো। পিচে, এইদৰে লেখি, মই মোৰ কথাখিনি স্পষ্টকৈ বুজাব পাৰিম জানো ? মই নিজেই একো বুজা নাই। সকলো সাঁথৰ যেন লাগিছে। মই খৃষ্টিয়ানসকলৰ লগত কটোৱা দিনবোৰৰ কথা, তোমাক জনাইছিলো। শত্ৰুৰ লগত (মোক আৰু চিলোক শত্ৰুজ্ঞান কৰাৰ অধিকাৰ সিঁহতৰ আছিল) সিঁহতে কেনে ব্যৱহাৰ কৰে, মোক কেনেকৈ মৰমেৰে শুশ্ৰূষা কৰিছিল, আৰু লিজিয়া কিদৰে অন্তৰ্দ্ধান হল,—এই আটাইবোৰ কথা, তোমালৈ লেখিছিলো। নহয়, মোৰ বন্ধু,—মই শাসক শ্ৰেণীৰ মানুহৰ সন্তান বুলি, সিঁহতে মোক এৰি দিয়া নাই। সিঁহতৰ বাবে, এনে বিবেচনাৰ অস্তিত্বই নাই। তদুপৰি, মোক ক্ষমা কৰাৰ দৰে, সিঁহতে চিলোকো ক্ষমা কৰিছিল। অথচ, মই নিজেই জোৰ দি কৈছিলো, তাক হত্যা কৰি, বাগিচাত পুতি থবলৈ।

"অৱশ্যে মই এই কথাও জনাইছো যে, মই মোৰ নিজৰ ঘৰত, নিজৰ মানুহ আৰু পৰিয়ালৰ মাজত, ৰোগ শয্যাত পৰি থকা হলে, নিশ্চয় বেচি আৰাম পালোহেঁতেন। কিন্তু এইদৰে দেহে কেহে লাগি কৰা যত্ন কেতিয়াও নাপালোহেঁতেন। লিজিয়া মোৰ ভনী বা পত্নী হোৱা হলেও ইয়াতকৈ বেচি আন্তৰিকভাবে মোক সেৱা-শুশ্ৰূষা কৰিব নোৱাৰিলেহেঁতেন। কেইবাবাৰো মোৰ মনলৈ আহিছিল, এনে উৎকণ্ঠা,—যত্ন আৰু সেৱা শুশ্ৰূষা প্ৰেমৰ অনুপ্ৰেৰণাৰ বাবাহে সম্ভৱপৰ। বহুবাৰ মই, তেওঁৰ মুখ আৰু চকুত, প্ৰেমৰ আভাসকে

দেখিছিলো। যেতিয়া এই কথা ধৰিব পাৰিছিলো, তেতিয়া, সেই সাধাৰণ মানুহ-বোৰৰ মাজত, বন্ধা আৰু খোৱা কোঠাৰ দৰে ব্যৱহাৰ কৰা, সেই জীর্ণ কোঠাটোত থাকিয়েই মই অবর্ণনীয় সুখ পাইছিলো। তুমি বিশ্বাস কৰিবানে এই কথা? নহয়, মই কেতিয়াও লিজিয়াক আওকণীয়া মনোভাব দেখুউৱা নাছিলো। অথচ, মোৰ অজ্ঞাতে, এইজনী ছোৱালীয়ে, মিৰিয়াম নামৰ বিধবা জনীৰ ঘৰ এৰি গুচি গল, আৰু মই মূৰে-কপালে হাত থৈ দিনৰ পাচত দিন কটালো,—নিজকে বাৰে, বাৰে প্ৰশ্ন কৰিলো—কিয় তেওঁ এই কাম কৰিলে? তোমাক জনাইছিলো নে নাই জানো—মই তেওঁক, অলাচইতৰ তালৈ গুচি যাবলৈকো কৈছিলো। কিন্তু এতিয়া আৰু ই সম্ভৱপৰ নহয়। কাৰণ অলাচইত, চিচিলিলৈ গলগৈ। অৱশ্যে এনে কামলৈ আগবঢ়াও ঠিক নহলহেঁতেন। দাসবোৰৰ মুখত, এঘৰৰ পৰা ইঘৰলৈ সহজে খবৰ বিয়পে; যথা সময়ত এই খবৰ, আনকি ৰাজ প্ৰাসাদলৈকো গলহেঁতেন। তেতিয়া চিজাৰে তেওঁক পুণৰ ধৰাই নিয়ালেহেঁতেন। যি, কি নহওক, তেওঁ গুচি যোৱাৰ বহু পূর্ব্বে, মই তেওঁক বুজাই কৈছিলো যে, মই আৰু কোনো দিন তেওঁক বিপদত নেপেলাওঁ। মোৰ মনৰ পৰা, হিংসাৰ ভাব আঁতৰি গৈছে। মই এই কথাও কৈছিলো, যে, মই প্ৰেম আঁতৰাই পেলাব নোৱাৰিম, আৰু তেওঁৰ অবিহনে, জীয়াই থাকিবও নোৱাৰো। গতিকে, তেওঁক পত্নীৰূপে পালেহে মই সুখী হব পাৰিম। তথাপিও, লিজিয়া মোৰ ওচৰৰ পৰা পলাই গল। কিয় হ'ল এনেকুৱা? তেওঁৰ আৰু কোনো বিপদৰ ভয় নাছিল। মোক ভাল নাপালে, অগ্ৰাহ্য কৰি চলিব পাৰিলেহেঁতেন।

তাৰ পৰা অহাৰ আগদিনা, মই এজন আচৰিত ধৰণৰ মানুহক লগ পাইছিলো। তেওঁৰ নাম, টাৰচাচৰ পল। তেওঁ মোক, খৃষ্ট আৰু তেওঁৰ মতসমূহৰ কথা কৈছিল। এই মানুহজনৰ কথাবোৰ, ইমান শক্তিপূর্ণ যে, কৈ যোৱাৰ লগে, লগে, প্ৰতিটো শব্দই, গোটেই পৃথিবীখনকে যেন জোকাৰ মাৰি দিয়ে। লিজিয়া পলাই যোৱাৰ পাচতো, এইজন মানুহেই মোক দেখা দি কৈছিল,—'ভগৱানে যেতিয়া জ্যোতিৰ দিশৰ ফালে আপোনাৰ চকু মুকলি কৰিব, আৰু মোৰ চকুৰ পৰ্দা যিদৰে এদিন তেওঁ খুলি দিছিল, সেইদৰে আপোনাৰ চকুৰ পৰ্দাও খুলি দিব, তেতিয়াহে আপুনি উপলব্ধি কৰিব যে, লিজিয়াই এই কাম যুক্তি সঙ্গতভাৱে কৰিছে। হয়তো, তেতিয়া আপুনি তাইক পুণৰ বিচাৰি পাব।' এই শব্দবোৰ ভেদ কৰি দৈৱবাণীৰ দৰে, মোৰ কাণত বাজি আছিল। কেতিয়াবা

ইয়াৰ অৰ্থ, অলপ, অচৰপ ধৰিব পৰাৰ দৰে লাগে। সমস্ত জগতকে ভাল পালেও, খৃষ্টিয়ানসকলে, আমাৰ জীৱনধাৰা, ৰীতি, আমাৰ দেৱতাসকলক, আৰু আমাৰ দোষবোৰ সহ্য কৰিব নোৱাৰে। সেইবাবেই, লিজিয়া পলাই গল,— মোৰ সান্নিধ্যৰ পৰা।

"হয়তো, তুমি কবা যে, পলাই নগৈ, তেওঁ মোক বাদ দি চলিব পাৰিলে-হেঁতেন। কিন্তু, তেওঁ মোক ভাল পায় বুলি ভবা কথাটোৱেই যদি সত্য হয়? এই ক্ষেত্ৰত, তেওঁ প্ৰেমৰ পৰা আঁতৰি পলাইছে। এই কথা মনলৈ আহিলেই, মোৰ ইচ্ছা হয়, প্ৰতি ঘৰৰ দুৱাৰ মুখলৈ, দাস পঠিয়াই কোৱাও,—'তুমি উলটি আহা।' তেওঁৰ ধৰ্ম্ম বিশ্বাসতো মই, কেতিয়াও হাত নিদিলোহেঁতেন। এট্ৰিয়াম্ কক্ষত, মই খৃষ্টৰ পূজাৰ বেদীকে সজাই থলোহেঁতেন। এজন দেৱতা বেচি হোৱাত কি ক্ষতি আছে? কিয় মই খৃষ্টক দেৱতাজ্ঞান নকৰিম? আমাৰ পুৰণি দেৱতাসকলৰ ওপৰত, মোৰ জানো কিবা আস্থা আছে? মই নিঃসন্দেহে জানো, খৃষ্টিয়ানসকলে মিছা কথা নকয়। তেওঁলোকে কোৱা শুনিছো, তেওঁলোকৰ দেৱতা, মৃত্যুৰ পাচতো, সোশৰীৰে জাগি উঠিছিল। মানুহ হোৱা হলে, এইদৰে মৃত্যুৰ পাচত, পুণৰ উঠিব নোৱাৰিলেহেঁতেন।

টাৰ চাচৰ পল নামৰ মানুহজন, ৰোমৰ নাগৰিক যদিও, ইহুদী সম্প্ৰদায়ৰ মানুহ। পুৰণি হিব্ৰো কাহিনীবোৰৰ লগত, তেওঁ পৰিচিত। তেওঁ মোক, এই কথাও কৈছিল যে, খৃষ্ট জন্ম হোৱাৰ এহেজাৰ বছৰ আগতে, সাধুসকলে, তেওঁৰ আবিৰ্ভাৱৰ বিষয়ে ভৱিষ্যত বাণী কৰিছিল। এইবোৰ অলৌকিক কথা। কিন্তু কেউদিশে আমাক আচৰিত কথা কাণ্ডই আগুৰি ধৰা নাই জানো? মানুহে জানো এতিয়া টায়ানাৰ এপোলোনিয়াচৰ কথা কবলৈ এৰিছে? পলে কৈছে, ভগৱান বহুত নহয়, মাত্ৰ এজন। এই কথাত যুক্তি আছে বুলি ভাবো। চেনেকাবো এইয়ে মত যেন লাগে,—তেওঁৰ পূৰ্ব্ববৰ্ত্তী বহুতো চিন্তাশীল ব্যক্তিৰ দৰে। খৃষ্ট পৃথিবীলৈ আহিছিল, মানুহৰ মুক্তিৰ বাবে। তেওঁ ক্ৰচত মৃত্যু বৰণ কৰিছিল, আৰু মৃত্যুৰ পাচত, তেওঁৰ পুণৰুত্থান ঘটিছিল,—এইবোৰ কথা ধ্ৰুব সত্য। বিৰুদ্ধ মত এটা, আঁকোৱাগোজালিকৈ ধৰি থকাৰ কোনো অৰ্থ নাই। চেৰেই-পিচ্ বা আন যিকোনো দেৱতাৰ কাৰণে যদি বেদী সাজিব পাৰো, তেন্তে এই দেৱতাজনৰ বাবে, কিয় নোৱাৰিম? পঁচাকৈয়ে অন্যান্য দেৱতাক অস্বীকাৰ কৰিবলৈ, মই প্ৰস্তুত যেন দেখো। কাৰণ যি কোনো যুক্তিপূৰ্ণ মনৰ মানুহে,

তেওঁলোকক বিশ্বাস কৰিব খুজিব। কিন্তু খৃষ্টিয়ানে কেৱল বিশ্বাস কৰিলে ক্ষান্ত হোৱা নাই; তেওঁলোকৰ মতে, খৃষ্টক অকল উপাসনা কৰিলেই নহয়, তেওঁৰ শিক্ষাও মানি চলিব লাগিব। কোনোবা এজনক সাগৰৰ পাৰলৈ নি, খোজ কাঢ়ি সাগৰ পাৰ হবলৈ কোৱাৰ দৰে কথা! মই যদি খৃষ্টৰ ধৰ্মমত কাৰ্য্যেৰে সম্পন্ন কৰিম বুলি প্ৰতিজ্ঞা কৰো, তেন্তে খৃষ্টিয়ানসকলে বুজিব, এনে প্ৰতিজ্ঞা মিছা। এই বিষয়ত, পলেও অকণো লুক-ঢাক কৰা নাই।"

"তুমি জানাই, মই লিজিয়াক কিমান ভাল পাওঁ! তেওঁৰ কাৰণে কৰিব' নোৱাৰা কাম, মোৰ একোৱেই নাই। কিন্তু তেওঁ বৰকৈ ধৰিলেও, মই চোৰাক্-টে বা ভিচুভিয়াচক কান্ধত তুলি লব নোৱাৰিম,—থ্ৰাচিমেনি হ্ৰদটোক হাতৰ তলুৱাত লব নোৱাৰো, অথবা মোৰ ক'লা চকু, তেওঁৰ দৰে নীলা কৰি পেলাব নোৱাৰো।

মই দাৰ্শনিক নহওঁ। কিন্তু তুমি কেতিয়াবা মোক মূৰ্খ বুলি ভাবিলেও, সিমান মূৰ্খ নহওঁ মই। এটা কথা কওঁ শুনা,—খৃষ্টিয়ানে কি ভাবে জীৱন কটায়, মই নাজানো। কিন্তু মই ভালদৰে জানো যে, তেওঁলোকৰ অনুশাসন য'ত আৰম্ভ, তাতে, ৰোমাণৰ সৰ্ব্বশ্ৰেষ্ঠত্ব, বিজেতা আৰু বিজিতৰ মাজৰ পাৰ্থক্য, ধনী, দুখীয়াৰ মাজৰ প্ৰভেদ, প্ৰভু আৰু ক্ৰীত দাসৰ মাজত থকা ৰীতি সন্মত ব্যৱহাৰ, ৰাজ্যশাসন,—ৰোম,—চিজাৰ, অধিকাৰৰ দাবি, জীৱনধাৰা, আৰু সমস্ত জগতৰ নিয়ম, কানুন—সকলোৰে শেষ বুলি কব'পাৰি। সকলোৰে ঠাইত, তেওঁলোকে প্ৰতিষ্ঠা কৰিছে, খৃষ্টক, তেওঁৰ দয়া-ধৰ্ম্মক,—যি বিষয়ে আমি অজ্ঞ; আৰু প্ৰেমক বান্ধোনক,—যি প্ৰেম-ভাব, সৰ্ব্ব সাধাৰণ লোকৰ প্ৰকৃতি বিৰুদ্ধ। বিশেষকৈ, ৰোমান প্ৰকৃতিৰ লগত খাপ নোখোৱা বস্তু ই। মই মুক্তকণ্ঠে জনাওঁ,—গোটেই ৰোম বা ৰোমান সাম্ৰাজ্যতকৈ, মোৰ বাবে লিজিয়া বেচি আকৰ্ষণীয়। গোটেই পৃথিবী ধূলিসাৎ হৈ যাওক,—মাত্ৰ তেওঁ মোৰ ঘৰত নিৰাপদে, নিৰ্ব্বিঘ্নে থাকক! মোৰ মনৰ অৱস্থা কেনে হৈ উঠিছে, বুজিছা নিশ্চয়। কিন্তু মোৰ কথা ইয়াতে শেষ হোৱা নাই। খৃষ্টিয়ানৰ লগত একমত বুলি, অকল মুখেৰে কলেই নহব, মতসমূহ পালন কৰি চলিবও লাগিব। কিন্তু তেওঁলোকৰ আচাৰ, ব্যৱহাৰৰ প্ৰতি বিদ্ৰোহাত্মক মনোভাব লোৱা, কিবা এটা ভাব, মোৰ প্ৰকৃতিৰ মাজত সোমাই আছে। যিমানবাৰ মোৰ কণ্ঠত, এই ধৰ্মমতৰ প্ৰশংসা ফুটাই তুলিব খোজো, যিমানে ভাবো যে, এই ধৰ্ম্মৰ শিক্ষাৰ লগত, বা ভাৱধাৰাৰে সৈতে সঙ্গতি ৰাখি চলিবলৈ ভাল লাগিব—সিমানে মোৰ যুক্তি আৰু বুদ্ধিয়ে মুক্ত

জাড়ি উঠি অনায় যে কেৱল মাত্ৰ লিজিয়াক পোৱাৰ অভিপ্ৰায়েৰে, মই এইদৰে ভাবিছো। এই বহল পৃথিৱীখনত, মোৰ বাবে ইয়াতকৈ বিতৃষ্ণাৰ বস্তু একোৱে হব নোৱাৰে। আচৰিত কথা, টাৰ্‌চাচৰ পলে, মোৰ এই ভাবটো, ধৰিব পাৰিছে। তেওঁৰ কথা, তোমাক আগতে জনাইছো। দেখিলে চহা যেন লগা, নিম্ন কুলৰ পুৰোহিত যদিও, এই কথাটো, বৃদ্ধ পিটাৰেও বুজি পাইছে। এওঁ হ'ল এই সম্প্ৰদায়ৰ সৰ্ব্বশ্ৰেষ্ঠ পুৰুষ। স্বয়ং খৃষ্টৰ সঙ্গী আছিল তেওঁ। তুমি জানানে, এওঁলোকে কি কৰিছে? মোৰ বাবে এওঁলোকে প্ৰাৰ্থনা জনায়, যাতে মই জীৱনত সাৰ বস্তু লাভ কৰিব পাৰো। তেওঁলোকৰ ভাষাত, এই সাৰ বস্তুৰ অৰ্থ হল, ভগৱানৰ অনুগ্ৰহ লাভ কৰা। কিন্তু প্ৰকৃততে, মই কেৱল অশান্তিহে ভোগ কৰিছো। লিজিয়াৰ স্মৃতিয়ে মোক দহি নিছে।

"তোমাক মই জনোৱা নাছিলো জানো যে, তেওঁ মোৰ ওচৰৰ পৰা, মনে, মনে পলাই গল? যোৱাৰ আগতে, মোৰ কাৰণে থৈ গৈছে,—বাকচৰ কাঠেৰে সজা, এটা সৰু ক্ৰচ চিন। সাৰ পাই উঠি, বিচনাৰ কাষত, মই এই ক্ৰচটো পাইছিলো। এতিয়া এইটো, মোৰ গৃহ দেৱতাৰ মন্দিৰত আছে। কিন্তু মই ব্যাখ্যা কৰিব নোৱাৰো কিবা এটা কাৰণে—যেতিয়াই মই ইয়াৰ কাষলৈ যাওঁ, তেতিয়াই মোৰ মনলৈ, আশ্চৰ্য্যৰ আৰু সম্ভ্ৰমৰ ভাব আহে, —যেন, ইয়াত কিবা ঐশ্বৰিক শক্তিহে লুকাই আছে।

লিজিয়াৰ হাতৰ সৃষ্টি বুলিয়েই মই ক্ৰচটো ভাল পাওঁ; লগতে তাক মই ঘৃণাও কৰো, —ইয়ে মোৰ লগত তেওঁৰ বিচ্ছেদ ঘটোৱাৰ বাবে। কেতিয়াবা সঁচাকৈয়ে মোৰ মনলৈ আহে, এই বস্তুটোত নিশ্চয় কিবা যাদু আছে। দেখাত সাধাৰণ মানুহবীয়া যেন লাগিলেও, প্ৰধান ধৰ্ম্মযাজক পিটাৰ নিশ্চয় এপোলোনিয়াচ্ অথবা তেওঁৰ পূৰ্ব্ববৰ্ত্তী ভৱিষ্যত বক্তাতকৈ শ্ৰেষ্ঠ পুৰুষ। প্ৰকৃততে, লিজিয়া, পম্পোনিয়া, আৰু লগতে মোকো, তেওঁ কিবা মন্ত্ৰহে কৰিলে যেন লাগে।

খৃষ্টিয়ানসকলৰ তাৰপৰা উলটি যেতিয়া ঘৰ পালোহি, তেতিয়া মোৰ বাবে কোনেও অপেক্ষা কৰি থকা নাছিল। সকলোৱে ভাবিছিল, মই বেনেভেন্‌টামলৈ গলোগৈ। গোটেইখন ঘৰ, বিশৃঙ্খল হৈ আছিল, আৰু দাসবিলাকে মোৰ ট্ৰাইক্লিনিয়ামত, ভোজ যেন পাতি সুৰাপানত মত্ত হৈ আছিল। অতৰ্কিতে, অভাৱনীয় ভাৱে মই গৈ সিঁহতৰ আগত ওলালো।

—মৃত্যু কাল উপস্থিত হোৱা হলেও, সিহঁতে ইমান ভয় নাখালেহেঁতেন। মোৰ উপস্থিতি, সেইখিনি সময়ত, সিহঁতৰ বাবে, মৃত্যুতকৈও বেচি ভয়ঙ্কৰ আৰু আকস্মিক আছিল। আটাইবোৰে মোৰ ভৰিত লুটি খাই পৰিছিল। ভয়তে কিছুমানে চেতনা হেৰুৱাইছিল। ভেতিয়া মই কি কৰিলো, অনুমান কৰা। প্ৰথমতে মই, দুইত পুৰি বঙা কৰা লো আৰু লাঠি আনিবলৈ হুকুম দিয়াৰ কথা ভাবিছিলো। কিন্তু লগে, লগে, এক প্ৰকাৰ লজ্জাই মোক এই কামৰ পৰা নিবৃত্ত কৰিলে। তুমি বিশ্বাস কৰিবানে নকৰা, নাজানো, —এই হতভাগাহঁতৰ প্ৰতি, মোৰ পুত্ৰৌৰ ভাব উপজিছিল। ইহঁতৰ ভিতৰত, এতিয়াও কিছুমান বুঢ়া মানুহ আছে, যিবোৰক, মোৰ ককাদেউতা, মাৰ্কাচ ভিনিকিয়াচে ৰাইন নদীৰ পাৰৰ পৰা আনিছিল। মই তাৰপৰা ওলাই গৈ, পঢা কোঠাত দুৱাৰ মাৰি সোমাই থাকিলো। তাত বহি থাকোঁতে, আৰু বেচি আচৰিত ভাব কিছুমান মোৰ মনলৈ আহিছিল। —মই ইমান দিন, ইহঁতৰ লগত যেনে ব্যৱহাৰ কৰি আহিছো, ভৱিষ্যতে তেনে ব্যৱহাৰ কেতিয়াও নকৰো, —মোৰ দৰে সিহঁতো মানুহ। দুটা দিন, দাসহঁতে প্ৰচণ্ড ভয়ত কটালে। কাৰণ, সিহঁতে ভাবিছিল, — ভালদৰে এসেকা কেনেকৈ দিব পাৰি, তাৰ ব্যৱস্থা কৰিবলৈহে মই দিন পিচুৱাইছো। কিন্তু মই সিহঁতক কোনো শাস্তি নিদিলো। নিদিয়াৰ কাৰণ কেৱল এইয়ে যে, শাস্তি দিব নোৱাৰো বুলি, মই মনে প্ৰাণে, অনুভৱ কৰিছিলো। তৃতীয় দিনা, সিহঁত আটাইবিলাকক একেলগে মাতি আনি কৈছিলো, 'মই তহঁতক ক্ষমা কৰিছো। তহঁতে যি ভুল কৰিলি, তাক শুধৰাবলৈ, দেহে, কেহে কামত লাগি যা।' এইকথা শুনি, সিহঁত আঠু-কাঢ়ি বহি পৰিল, আৰু মোক, 'প্ৰভু' আৰু 'পিতা' বুলি সম্বোধন কৰি, হাত মেলি কাষলৈ আহি কান্দিবলৈ ধৰিলে। মই,— মই লজ্জা সহকাৰে জনাওঁ,— মইও বিচলিত হৈ পৰিছিলো। ঠিক সেই মুহূৰ্ত্তত, মোৰ ভাব হৈছিল,—শ্ৰীময়ী লিজিয়া আহি মোৰ কাষত থিয় দিছে আৰু সজল চকুৰে চাই, মোক ধন্যবাদ জনাইছে। মোৰ চকু দুটাও লোতকেৰে পূৰ্ণ হৈছিল। এতিয়া কৃতজ্ঞতাই দাসহঁতক, কামত যিমান উদগণি দিছে, আগতে ত্ৰাসৰ প্ৰচণ্ডতাই সিহঁতক সিমান উদগণি কোনোদিন দিয়া নাছিল। সিহঁতে যে কেৱল, ধৰা বন্ধা কাম-খিনিকে কৰিছে, এনে নহয়। আটাইতকৈ কোনে, মোৰ ইচ্ছা, অনিচ্ছাৰ কথা বেচি ভালদৰে বুজিব পাৰে, এই কথা লৈও, সিহঁতৰ মাজত যেন প্ৰতিযোগিতা

চলিছে। মই তোমাক এই কথা জনোৱাৰ কাৰণ নথকা নহয়। এদিন মই, ধৰ্ম্মযাজক পলক কৈছিলো,—'মদৰ পিপা এটাৰ চটীয়া কাঠবোৰৰ বান্ধ এবাই গলে, যেনেকৈ পিপাটো ভাঙি টুকুৰা টুকুৰ হব, ঠিক তেনেকৈ এই ধৰ্ম্মমতে পৃথিবীৰ নিয়মৰ বান্ধ ভাঙি, গোটেই পৃথিবীকে খণ্ড, বিখণ্ড কৰি পেলাব।' তেতিয়া তেওঁ উত্তৰ দিছিল, 'ভয়তকৈ প্ৰেম, শক্তিশালী বাক্যোন।' মই এতিয়া বুজিছো যে, কিছুমান ক্ষেত্ৰত, তেওঁৰ বাণী সত্য হ'ব পাৰে।"

"মই উলটি অহা শুনি, যিবিলাক মানুহে মোক সন্মান জনাবলৈ আহিছিল, সেইবিলাকৰ আগত ওলাওঁতেও, মই একেদৰে আত্ম দমন কৰিছিলো। তুমি জানা, এই নিঃকিন মানুহবোৰৰ আগত মই কোনোদিনে কৃপণালি দেখুউৱা নাই। মোৰ পিতৃয়ে ইহঁতৰ লগত বেয়া ব্যৱহাৰ কৰিছিল, আৰু মইও তাওঁৰ দীঘল হৈছো, তেওঁৰ প্ৰচলিত ৰীতিৰ মাজতে। কিন্তু এইবাৰ সিহঁতৰ ফটা চিটা কাপোৰ আৰু অনাহাৰত শুকাই যোৱা মুখবোৰে, মোৰ মনত এক প্ৰকাৰ পুত্ৰৰ ভাব জগাই তুলিছিল। মই সিহঁতক খাবলৈ দিছিলো। নহয়, তাতোকৈ বেচি কৰিছিলো। ইহঁতৰ কিছুমানৰ লগত, মই কথা বতৰা পাতিছিলো, নাম ধৰি মাতিছিলো, আৰু কিছুমানক ঘৈণীয়েক আৰু লৰা ছোৱালীৰ কথা সুধিছিলো। লগতে মন কৰিছিলো, সিহঁতৰ চকুপানী ওলাই আহিব খুজিছে। এনে অৱস্থাত, অনুভৱ কৰিছিলো, লিজিয়াই যেন মোলৈকে চাই আছে,— যেন তেওঁৰো মন আনন্দেৰে ভৰি উঠিছে! মোৰ মনে, ভাৱসাম্য হেৰুৱাবলৈ ধৰিছে নে, প্ৰেমে মোৰ সকলো যুক্তি ঢাকি ধৰিছে, কব নোৱাৰো। মই মাত্ৰ উপলব্ধি কৰিছো,—দূৰৰ পৰা লিজিয়াৰ চকুৰ দৃষ্টি, মোৰ ওপৰতে নিবদ্ধ হৈ আছে বুলি, মই সদায় ভাবিম। যি কামে তেওঁৰ মনত দুখ দিব বা বিৰক্তি জন্মাব, তেনে কাম কৰাৰ সাহস মোৰ আৰু নাই।

"হয় কেয়াচ! মোৰ আত্মাত বিদ্ৰোহ জাগি উঠিছে। কোনো, কোনো সময়ত, এই কথাই মোক সুখ দিয়ে। কিন্তু কিছুমান সময়ত, কথাটো ভাবি, মনত কষ্ট পাওঁ। কাৰণ, এনেবোৰ সময়ত, মোৰ মনত ভয় সোমায়,—আগৰ সাহস আৰু কৰ্ম্মশক্তি সঁচাকৈয়ে হেৰুৱালো বুলি। সভাত বহি, বিচাৰ কাৰ্য্য চলাবলৈ, দিনে, দিনে অপাৰগ হৈ আহিছো। ভোজ মেলতো কোনো অংশ গ্ৰহণ কৰিব নোৱাৰিম, আৰু বিশেষকৈ, যুদ্ধত নামিব নোৱাৰিম বুলি, মোৰ মনত ভয় সোমাইছে। নিশ্চয় মোৰ চাৰিওফালে, কিবা যাদু মন্ত্ৰৰ ক্ৰিয়া

চলিছে। কিবা কথাত যদি, সিগিদিয়া, পপিয়া, ক্রিচ্‌পিনিলা আৰু আমাৰ সভ্যত বিবাহ বিচ্ছেদত লিপ্ত থকা অন্যান্য নাৰীৰে সৈতে, লিজিয়াৰ মিল থাকিল-হেঁতেন, যদি তেওঁ, সিঁহতৰ দৰেই লজ্জাহীনা, নিৰ্দয়া আৰু ব্যভিচাৰিণী হল-হেঁতেন, মই কেতিয়াও তেওঁক ইমান ভাল নাপালোহেঁতেন। যি বিষয়ত, তেওঁ আৰু মই বেলেগ, তাৰ বাবেই মই তেওঁক ভাল পাওঁ। এই কথা বিবেচনা কৰি চালে বুজিবা, কি ভাবে মই নিজকে সম্পূৰ্ণৰূপে হেৰুৱাবলৈ ধৰিছো।

"মই ৰোম এৰি, তোমাৰ ভালৈ যাবলৈ ইচ্ছা নকৰো। প্ৰথম কাৰণ হল, অগষ্টানসকলৰ সঙ্গ মোৰ অসহ্য হ'ব। দ্বিতীয়তে, মই লিজিয়াৰ কাষতে আছো বুলি ভাবি থকাৰ মাজতে, মোৰ সকলো অস্থিৰতাই আৰু নিৰাশাই, শান্তিৰ পথ বিচাৰি পায়। প্ৰকাচৰ পৰা, (তেওঁ মোৰ লগত দেখা কৰিবলৈ আহিব বুলি কথা দিছিল,) বা টাৰচাচৰ পলৰ লগত কথা পাতি, লিজিয়াৰ বিষয়ে কিছু জানিবও পাৰো। এৰা, মই ৰোম এৰি কলৈকো নাযাওঁ,— যদি তুমি মোক মিছৰৰ শাসনকৰ্ত্তাৰ পদ দিয়া, তথাপিও নাযাওঁ। মই কাৰু-শিল্পী এজন নিযুক্ত কৰিছো, গুলোৰ সমাধিৰ ওপৰত, স্মৃতিস্তম্ভ নিৰ্ম্মাণ কৰিবলৈ। মুহূৰ্ত্তৰ উত্তেজনাত মই এই মানুহটোক হত্যা কৰিছিলো। পাচত মোৰ মনত পৰিছিল, সি মোক, কোলাত লৈ ফুৰিছিল, আৰু মোক, প্ৰথমে সিয়ে শিকাই-ছিল, কেনেকৈ ধনুৰ গুণ টানিব লাগে। মই কব নোৱাৰো, কিয় তাৰ স্মৃতিয়ে মোক ইমান অশান্তি দিছে! অনুতাপ আৰু শোকেৰে ভৰা এই স্মৃতি! মই এই চিঠিত লেখা কথাই, যদি তোমাক আচৰিত কৰি তোলে, তেন্তে মই তোমাক জাতি কওঁ, মই নিজেও, নিজৰ কথাত আচৰিত হৈছো। অথচ, মই যি লেখিছো, সকলো সত্য।"

॥ ৭ ॥

এই চিঠিৰ উত্তৰ, ভিনিকিয়াচে নাপালে। চিজাৰে সভাসদসকলক, ৰোমলৈ উলটিবলৈ আদেশ দিয়ে বুলি, প্ৰতি দিনে অপেক্ষা কৰি থকাৰ বাবে, পেট্ৰোনিয়াচে উত্তৰ নিদিলে। ইতিমধ্যে, চিজাৰ ৰোমলৈ অহাৰ বাতৰি, গোটেইখন নগৰতে প্ৰচাৰ হ'ল। বাৰ্ষিক ক্ৰীড়া উৎসৱ, আৰু ওচ্‌টিয়ামৰ ভড়ালত খুন্দ খাই থকা,

তেল আৰু শস্য বিতৰণৰ আশাত বৈ থকা বাইজ, আনন্দত উল্লাসিত হৈ উঠিল। নিৰোৰ মুক্তদাস হেলিয়াচে চিনেটক জনালেহি, যে, প্ৰভুৰ আগমনলৈ, আৰু সৰহ দিন নাই। সভাসদবৰ্গেৰে সৈতে, নিৰো সাগৰেৰে আহি, মিচেনামত উপস্থিত হ'ল। লৰালৰি নকৰি, তেওঁ সাগৰৰ পাৰৰ বহুতো চহৰত ৰ'ল,—বিশ্ৰামৰ বাবে, আৰু ৰঙ্গমঞ্চত দেখা দিবৰ বাবে। নিয়পোলিচ্‌ নামৰ ঠাইত, বাইজৰ সভাত গীত গাবৰ কাৰণে, তেওঁ গোটেই দিন কটালে। মনে, মনে, তেওঁ চিন্তা কৰি চালে, বসন্তৰ আগমনলৈ বাট চাই, নিয়াপোলিচত দিন কটালে কেনে হয়। মৃদু পদক্ষেপেৰে, আনবাৰতকৈ সোনকালে, বসন্ত আহিবলৈ ধৰিছে।

ভিনিকিয়াচ এতিয়াও নিজৰ ঘৰতে সোমাই আছে। মাজে, সময়ে, প্ৰকাচৰ লগত, দেখা কৰাৰ বাহিৰে তেওঁ আন কাকো দেখা কৰা নাই। লিজিয়াৰ বিষয়ে, কথা পতাৰ সুযোগ ওলোৱাৰ বাবে, প্ৰকাচৰ আগমণ তেওঁৰ কাৰণে অতি মূল্যবান হ'ল। অৱশ্যে লিজিয়াই ক'ত আশ্ৰয় লৈছে প্ৰকাচে নাজানিছিল। কিন্তু সম্ভ্ৰান্ত যুৱকক তেওঁ এই বুলি আশ্বাস দিছিল যে, গুৰু স্থানীয় খৃষ্টিয়ান-সকলে, তেওঁক সাৱধানে ৰক্ষা কৰিছে।

এদিন ভিনিকিয়াচৰ ম্ৰিয়মান অৱস্থা দেখি, বিগলিত হৈ, প্ৰকাচে তেওঁক জনালে,—পাৰ্থিৱ প্ৰেমক অন্তৰত ঠাই দিয়াৰ বাবে, লিজিয়াক ক্ৰিচ্‌পাচে তিৰস্কাৰ কৰাত, ধৰ্ম্মাচাৰ্য্য পিটাৰে কিদৰে, তেওঁক দোষাৰোপ কৰিছিল। এই কথা শুনি, ভিনিকিয়াচ আবেগত শেতা পৰি গল। এটা কথা তেওঁৰ মনত বাৰে, বাৰে উদয় হৈছিল,—লিজিয়া তেওঁৰ প্ৰতি উদাসীন নহয়। তথাপিও তেওঁ সদায় সন্দেহ আৰু অনিশ্চয়তাৰ সাগৰত ককবকাই আছিল। এতিয়া প্ৰথম বাৰলৈ, তেওঁৰ আশা আৰু বাসনা সত্য বুলি জানিব পাৰিলে,—এজন বেলেগ মানুহৰ পৰা। অন্তৰঙ্গ বন্ধু নহলেও, এজন খৃষ্টিয়ানৰ মুখত, তেওঁ এই কথা শুনিলে।

খৃষ্টক সন্মান জনাবলৈ, তেওঁ সাজু হৈ আছিল। লিজিয়াই তেওঁক অন্তৰত ঠাই দিছে বুলি জনাৰ পাচত, শেষৰ বাধাখিনিও আঁতৰি গল। দীক্ষা আন গ্ৰহণ কৰিবলৈ, প্ৰকাচে তেওঁক, একান্ত অনুৰোধ জনালে যদিও, তাৰদ্বাৰা লিজিয়াক লাভ কৰিব পাৰিব বুলি নিশ্চয়তা দিবলৈ সাহ নকৰিলে। বৰং এই চিকিৎসক-

জনে সদায় এই কথাকে কলে যে, দীক্ষা স্নান, পবিত্রচিত্তে,—খ্ৰীষ্টৰ প্ৰতি প্ৰেম-ভাৱতহে গ্ৰহণ কৰিব লাগে। পাৰ্থিৱ লাভৰ কথা আগত ৰাখি, গ্ৰহণ কৰা অনুচিত। "প্ৰথমে অন্তৰখন হ'ব লাগিব, খ্ৰীষ্টিয়ানৰ অন্তৰ,"—এইষাৰ কথা তেওঁ প্ৰায়ে কৈছিল। যিকোনো বাধাই, ভিনিকিয়াচৰ ক্ৰোধাগ্নি তৎক্ষণাৎ জ্বলাই তুলিব পাৰে যদিও, শেষত তেওঁও হৃদয়ঙ্গম কৰিলে যে, খ্ৰীষ্টিয়ান এজনে, যি ভাৱে কৰবলৈ বাধ্য, ঠিক সেই ভাৱেহে প্ৰকাচে কথাটো উত্থাপন কৰিছে।

টাৰচাচৰ পলৰ লগত, আকৌ এবাৰ দেখা কৰাৰ বাসনা প্ৰায়ে জাগি উঠিছিল,—ভিনিকিয়াচৰ মনত। কাৰণ, পলৰ কথাই তেওঁৰ প্ৰাণত আলোড়ন তুলিছিল আৰু বেচি ধৰণে তেওঁক আকৰ্ষণ কৰিছিল—পলৰ ব্যক্তিত্বই। কিন্তু তেওঁ এৰিবিচিয়ামলৈ গুচি গল। প্ৰকাচেও নাহে, নাহে, আহিবলৈ এৰি দিলে। গতিকে, শেষত, ভিনিকিয়াচ একেবাৰে অকলশৰীয়া হৈ পৰিল। তেওঁ চুবুৰা আৰু টাইবাৰৰ সিপাৰৰ, ঘৰবোৰৰ আশে, পাশে, আৰু সৰু সুৰা পথবোৰত ঘূৰি ফুৰিবলৈ ধৰিলে,—দূৰৰপৰা হলেও, লিজিয়াক এবাৰ চকামকাকৈ দেখিবলৈ পোৱাৰ আশাত। এই আশাও যেতিয়া বিফল হ'ল, তেতিয়া, ক্লান্তি আৰু অৱসাদে তেওঁক আৱৰি ধৰিলে অৱশেষত, এনে এটা ক্ষণ আহি উপস্থিত হল, যি ক্ষণত, পাৰৰপৰা হইকি গৈ, পুণৰ পাৰত্তে আহি আঘাত কৰা, ঢৌ এটাৰ শক্তিৰে, পুণৰ উলটি আহিল তেওঁৰ পূৰ্ব্বৰ স্বভাৱ। আচম্বিতে তেওঁৰ মনত খুন্দিয়ালে, দুখ কঢ়িয়াই অনা সৰলেৰে, প্ৰাণ অতীষ্ঠ কৰি, কিন্তু তেওঁ মূৰ্খৰ চিনাকি দিছে? তাতকৈ, জীৱনে তেওঁক যিখিনি দিব পাৰে, তাকে সাৱটি লৈ, উপভোগ কৰাই শ্ৰেয়ঃ। গতিকে, তেওঁ প্ৰতিজ্ঞা কৰিলে, লিজিয়াক পাহৰি পেলাবলৈ। যিকোনো উপায়েৰে, উপভোগৰ জীৱনলৈ উলটি গৈ, আমোদ প্ৰমোদত তেওঁ দিন কটাব,—লিজিয়াৰ কথা আৰু নাভাবে। তথাপিও, তেওঁৰ মনৰ গোপন কোণত, অনুভূতি জাগি ৰ'ল,—এই মনোভাব, তেওঁৰ বন্ধন মুক্তিৰ শেষ প্ৰচেষ্টা। সহজ আৰু মুক্ত জীৱনৰ চাকনৈয়াত, চিৰাচৰিত ৰীতি আগ্ৰহেৰে, যেতিয়া তেওঁ জাপ দি পৰিল, তেতিয়াও, এই কথাটো, তেওঁৰ মনত জাগি ৰ'ল।

এই জীৱনে তেওঁৰ প্ৰাণত উদ্দীপনা জগাই তুলিলে। পীৰৰ [illegible] আৰু মুক্ততাত হৈ থকা জনসৱন, এতিয়া কী [illegible]। [illegible] আশাৰে অপেক্ষা কৰি থকা নগৰবাসীয়ে, তেওঁক লৰালো প্ৰকাৰে [illegible]

অভ্যৰ্থনা জনোৱাৰ প্ৰভৃতি চলাইছে। নাচে, নাচে, বসন্ত আগমন হ'ল। আলবান পাহাৰৰ শিখৰত থকা বৰফবোৰ, আফ্ৰিকাৰ পৰা অহা বতাহৰ স্পৰ্শত গলিবলৈ আৰম্ভ কৰিলে। ফুলনিৰ গছবোৰ, ফুলনবা ভাৰোৱাকৈ ফুলেৰে উপচি পৰিল। ফ'ৰাম বা হাটখোলাবিলাক, আৰু কেম্পাচ্ মাৰ্চিয়াচ্ নামৰ মুকলি খেল পথাৰখন, ৰদ লবলৈ ওলাই অহা মানুহেৰে ভৰি পৰিল। জনবহুল এপিয়ান পথটো, আড়ম্বৰপূৰ্ণ ৰথৰ শব্দেৰে মুখৰিত হৈ উঠিল। ইতি-মধ্যে, আলবান পাহাৰৰ ফালে, মানুহৰ বিলাসী ভ্ৰমণ আৰম্ভ হ'ল। সুন্দৰী নাৰীসকলে, লেভিনিয়ামত জুনোক, বা এৰিচিয়াত ডায়েনাক, উপাসনা কৰিবলৈ যোৱাৰ অজুহাত দেখুৱাই, গাড়ী চলাই আহিবলৈ ধৰিলে,—উত্তেজনা, নৱ সুখ, অভিযানৰ আনন্দ, অথবা উপভোগৰ অন্বেষণত।

এদিন এই সুসজ্জিত ৰথবোৰৰ মাজত, ভিনিকিয়াচে দেখিলে, পেট্ৰোনিয়াচৰ ৰক্ষিতা, ক্ৰাইচোথিমিচৰ সুদৃশ্য ৰথখন। চাৰিটা ঘোঁৰাই টনা এইখন ৰথৰ আগে, আগে, দুটা মলোচিয়ান কুকুৰ লৈ আছিল। ডেকা লৰা, আৰু চিনেটৰ বুঢ়া সদস্যৰ মিহলি দল এটাই, ৰথখনক কেউফালে বেৰি ধৰি খোজ দিছিল। নগৰত নিজৰ নিজৰ কামত আৱদ্ধ হৈ থকাৰ পাচত, এতিয়া অৱসৰ বিনোদনৰ অৰ্থে, আটাইবোৰ ওলাই আহিছে। ৰথ টনা, কচিকান্ ঘোঁৰা চাৰিটাক, ক্ৰাইচোথিমিচে নিজে চলাই আনিছে। মানুহবোৰলৈ চাই, চাই, মাজে, মাজে তাই, হাঁহি একোটা মাৰিছে, আৰু মাজে, মাজে, হাতত থকা সোণখটোৱা মাৰি ভালেৰে, সিংহৰ গাত, টোকৰ একোটাও মাৰিছে। কিন্তু ভিনিকিয়াচক দেখি, তাই লেকাম টানি, গাড়ীখন ৰখালে আৰু তাইৰ কাষত বহিবলৈ মাতিলে। তাৰ পাচত তেওঁক নি, তাই নিজৰ ঘৰ পোৱালেগৈ। ৰাতিলৈ নিশা চলি থকা ভোজ মেল এখনত যোগ দিবলৈ, তেওঁক তাই নিজৰ লগত ৰাখিলে। নানা কৌশলেৰে তাই তেওঁক, ইমান বেচিকৈ মদ খুৱালে যে, পাচত তেওঁ নিজৰ ঘৰলৈ কেনেকৈ আহিল, কবই নোৱাৰিলে। শেষত তেওঁৰ মনত পৰিল,—ক্ৰাইচোথিমিচে তেওঁক লিজিয়াৰ কথা সুধিছিল। তেতিয়া মাতাল অৱস্থাত থকাতে তাইৰ কাণে ফোচা মাৰি লৈ, কেলাৰ্ নিয়াৰ্ ঘৰৰ পিছফালে এটাকে, তেওঁ আইৰ মুখত কেনেকৈ মাৰ্ লোধাইছিল। কথাটো মনত পৰাৰ পাচত, তেওঁৰ খঙটো আকৌ উঠি আহিল। অৱশেষ চিলনিয়াই ক্ৰাইচোথিমিচৰ ঘৰৰ খোৱাৰ কথা পাহৰিলে, আৰু এপিয়ান পথেদি, গাড়ীৰে উঠি ঘূৰিলে, তেওঁক সুখৰ মাতিলে।

নিশাৰ আহাৰৰ বাবেও, তাই তেওঁৰ ঘৰত থাকিল। তাই খোলাখুলিকৈ জনালে যে, বহুদিনৰপৰা, অকল পেট্রোনিয়াচেই তাইক আমনি লগোৱা নাই, বীণ বাদকটোকো তাই দেখিব নোৱাৰা হৈ আহিছে। এতিয়া তাইৰ মন সম্পূর্ণৰূপে বন্ধন মুক্ত। ইয়াৰ পাচত, আঠ দিন ধৰি, সিহঁত দুয়োকে বাহিৰত একেলগে দেখা গল। কিন্তু এই সম্পর্ক, বেচি দিন থকাৰ লক্ষণ দেখা নগল। মদৰ পিয়লাৰে কোব খোৱাৰ পাচত. লিজিয়াৰ নাম তাই একেবাৰে লোৱা নাছিল। কিন্তু ভিনিকিয়াচে লিজিয়াক মনৰপৰা আঁতৰাব নোৱাৰিলে। সদায় তেওঁ অনুভৱ কৰিলে, লিজিয়াৰ চকু দুটিয়ে, তেওঁলৈকে চাই আছে,—তাই যেন মনত কষ্ট পাইছে! ইয়াকে ভাবি, তেওঁ মনত দুখ পালে আৰু তাৰ বাবে, নিজৰ ওপৰতে খং উঠিল। তাৰ পাচত, তেওঁ দুজনী চিৰিয়ান গাভৰু, ঘৰলৈ আনিলে। এই কথাত, ক্রাইচোথিমিচে ঈর্ষাৰ ভাব দেখুউৱাত, কোনো অৱতাৰণা নকৰাকৈ, তেওঁ তাইক পোণপটীয়াকৈ জনাই দিলে, তেওঁলোকৰ মাজৰ সকলো সম্পর্ক ইমানতে শেষ!

তথাপিও, তেওঁৰ জীৱনৰ গতিৰ কোনো পৰিৱৰ্ত্তন নঘটিল। উচ্ছৃঙ্খল জীৱন প্রবাহত, তেওঁ গা এৰি দিলে। লিজিয়াৰ স্মৃতিৰ উৎপীড়নক নির্ব্বাসন দিবলৈকে যেন তেওঁ এনে উপায় অবলম্বন কৰিলে। ইয়াৰ পাচত, তেওঁ বুজি উঠিল যে, এই খৃষ্টিয়ান কন্যাই হ'ল, তেওঁৰ জীৱনৰ সৎ অসৎ সকলো কর্ম্মৰ একমাত্র কাৰণ; তাইৰ অবিহনে, তেওঁৰ জীৱন স্বাদহীন। সম্ভ্রান্ত ঘৰৰ মানুহ তেওঁ,—নিজৰ ভাল লগা প্রতিটো কথাকে, ন্যায় সঙ্গত বুলি ভবা স্বভাৱ তেওঁৰ। তেওঁও ভাবি আচৰিত হ'ল যে, প্রমদা বিলাসে তেওঁৰ মনত বিতৃষ্ণাহে জগাই তুলিছে,—উপভোগৰ লগে, লগে আহিছে, অনুশোচনা। চিন্তাৰ উলটি অহাৰ পাচতো, তেওঁৰ মনৰ জড়তা আঁতৰি নগল। পেট্রোনিয়াচে খোলা পঠিয়াই, মতাৰ পাচতহে, তেওঁ মোমায়েকৰ লগত দেখা কৰিবলৈ গল।

পেট্রোনিয়াচে আনন্দ-অভিবাদন জনোৱাৰ পাচতো, প্রথমে বন্ধুৰ প্রশ্নবোৰৰ উত্তৰ দিবলৈ, তেওঁ ইচ্ছা কৰা নাছিল। কিন্তু শেষত, ইমান দিন মনৰ মাজত সংগোপনে ৰখা, তেওঁৰ অনুভূতি আৰু চিন্তাধাৰাই, প্রকাশৰ পথ বিচাৰি পালে। দিনবোৰ ঘটনাই, তেওঁৰ মন ওলট পালট কৰি পেলালে, সেইবোৰ আগতকৈ বাহুল্যভাৱে, অজস্র শব্দেৰে তেওঁ বর্ণনা কৰি গল। অতিশয় দুখেৰে তেওঁ জনালে, যে, যি বিশৃঙ্খল মানসিক অৱস্থাৰ মাজত, তেওঁ বুৰ গৈ আছে, সি যে কেৱল, তেওঁৰ মনৰ শান্তিকে কাঢ়ি নিছে, এনে নহয়, বৰঞ্চ প্রকৃত স্বাস্থ্যৰ

কৰি, ভাল, বেয়াৰ মাজৰ পাৰ্থক্য ধৰিব পৰা ক্ষমতা, বা ভাল বস্তুক প্ৰশংসা কৰিব পৰা তেওঁৰ মনৰ স্বাভাৱিক গুণো নোহোৱা কৰি পেলাইছে। একোৱে তেওঁক আকৰ্ষণ নকৰে, — একোকে ভাল নালাগে তেওঁৰ। সঁচাকৈয়ে, কি কৰিব লাগে বা কি সিদ্ধান্ত লোৱা উচিত, তেওঁ একো কব পৰা নাই। একেটা সময়তে, তেওঁ খৃষ্টক, শ্ৰদ্ধা আৰু অৱমাননা কৰিবলৈকো প্ৰস্তুত। খৃষ্টৰ ধৰ্মমতৰ মাহাত্ম্যৰ বিষয়ে সজাগ হলেও, তাৰপৰা আঁতৰি পলোৱাৰ অদম্য ইচ্ছাক তেওঁ দমাব পৰা নাই। তদুপৰি তেওঁ ইয়াকো জানে যে, লিজিয়াক পাবলৈ সমৰ্থ হলেও, তাইক তেওঁ সম্পূৰ্ণৰূপে নাপায়। কাৰণ, খৃষ্টও তাইৰ প্ৰেমৰ অংশীদাৰ। মুঠৰ ওপৰত, তেওঁ জীয়াই থাকিও, জীয়াই থকা নাই, — আশাহীন, ভৱিষ্যতহীন আৰু সুখ স্পৃহাহীন জীৱন তেওঁৰ। আন্ধাৰে তেওঁক আৱৰি ধৰিছে। এই অন্ধকাৰৰ পৰা ওলাই যোৱাৰ পথ বিচাৰি, তেওঁ হাবাথুৰি খাইছে।

পেট্ৰোনিয়াচে মন কৰিলে, ভিনিকিয়াচৰ মুখখন কিমান সলনি হৈছে। তেওঁ লক্ষ্য কৰিলে, আন্ধাৰৰ মাজত পথ বিচৰাৰ দৰে, বেনেকৈ তেওঁ, হাত দুখন আগলৈ আনি থাকে। এইবোৰ মনোযোগেৰে চাই, তেওঁ চিন্তাত পৰিল। হঠাৎ এবাৰ থিয় হৈ, তেওঁ বন্ধুৰ কাষলৈ গৈ, কাণৰ পিচ ফালৰ চুলিখিনিত, হাত ফুৰাই কলে, "তুমি জানানে, তোমাৰ কুমচটাত, পকা চুলিয়ে দেখা দিছে।"

"দিব পাৰে।" ভিনিকিয়াচে উত্তৰ দিলে, "গোটেই মূৰটো বগা হৈ গলেও, আচৰিত নহওঁ।"

অলপ সময় দুয়ো নীৰৱ। আগতে দুই এবাৰ, পেট্ৰোনিয়াচৰ মনলৈ আহিছিল,—জীৱন সম্বন্ধে গভীৰ চিন্তা। কিন্তু তেওঁৰ আৰু তেওঁৰ বন্ধুৰ জীৱন, দেখাত সুখী বা অসুখী যিয়েই নহওক, ভিতৰি, ভিতৰি, সদায়ে আছিল, চিন্তাশূন্য। মুঠৰ ওপৰত, যিদৰে বজ্ৰপাত বা ভূমিকম্পই, মন্দিৰ এটা ভাঙি পেলাব পাৰে, সেইদৰে দুৰ্ভাগ্যইও জীৱনলৈ ভাঙন আনে। ছন্দ, সুষমা, পৱিত্ৰতা আৰু সৰলভাৱে পৰিপূৰ্ণ জীৱনতো যদি দুৰ্ভাগ্যই দেখা দিয়েহি, তেন্তে সিও ভঙ্গমুখী নহৈ নোৱাৰে। হয়, ভিনিকিয়াচৰ কথাৰ অন্তৰালত আৰু কিবা আছে। জীৱনত প্ৰথম বাৰলৈ, পেট্ৰোনিয়াচ, কিছুমান যৌক্তিক সাঁথৰৰ সন্মুখীন হ'ল,— যিবোৰ সাঁথৰ ভাঙিবলৈ আগতে কোনেও প্ৰয়াস কৰা নাই। সাঁথৰবোৰৰ গুৰুত্ব উপলব্ধি কৰাৰ দক্ষতা থাকিলেও, এইবোৰৰ উত্তৰ তেওঁৰ বুদ্ধিৰ

চুকি নাপালে। বহু সময় নীৰৱে থকাৰ পাচত, তেওঁ কলে, "এইবোৰ নিশ্চয় কিবা যাদু মন্ত্ৰৰ প্ৰক্ৰিয়া।"

"মোৰ মনতো, একে কথাকে খেলাইছে।" ভিনিকিয়াচে উত্তৰ দিলে, "মই সময়ত এইবোৰ ভেদি বাজি যেন লাগিছিল।"

"তেন্তে, চেৰেইপিচৰ পুৰোহিতসকলৰ ওচৰলৈ গলে কেনে হয়? নিশ্চয় এওঁলোকৰ ভিতৰতো, কিছুমান ঠগ আছে, — সকলো পুৰোহিতৰ ভিতৰত, থাকে। তথাপিও, অতি অদ্ভুত কথাৰ ভেদ ভাঙিব পৰা, সাধু মানুহো এওঁলোকৰ ভিতৰতে পোৱা যায় বুলিও জানো।"

পেট্ৰোনিয়াচে দৃঢ়ভাবে বা আশ্বাসেৰে কথাখিনি কোৱা নাছিল। কথা কৈ থাকোঁতে, মনে, মনে তেওঁ অনুভৱ কৰিছিল, যে, সকলো মিছা আৰু হাঁহি উঠা কথা।

ভিনিকিয়াচে ভ্ৰূকুঞ্চিত কৰি কলে, "এৰা, ভেদি বাজি! মই জানো, যাদুকৰে পিশাচী শক্তি প্ৰয়োগ কৰে, আৰু তাৰদ্বাৰা লাভৱান হয়। কিছুমান যাদুকৰে এনে শক্তিৰ সহায়ত, নিজৰ শত্ৰুৰ অনিষ্ট সাধন কৰে। কিন্তু খৃষ্টিয়ানসকলে, দৰিদ্ৰতাৰ মাজত জীৱন কটায় আৰু শত্ৰুক তেওঁলোকে ক্ষমা কৰে। হয়, তেওঁলোকে নম্ৰতা, ধৰ্ম্ম আৰু দয়াৰ কথা প্ৰচাৰ কৰে। গতিকে যাদুমন্ত্ৰ, তেওঁলোকৰ কি উপকাৰত আহিব? কিহৰ বাবে মন্ত্ৰ শক্তিৰ ব্যৱহাৰ কৰিব?"

বুজিবে চুকি নোপোৱা কথাত, পেট্ৰোনিয়াচ বিৰক্ত হৈ গল। বন্ধুৰ মত মানি লবলৈ, তেওঁ অনিচ্ছুক। গতিকে কিবা এটা উত্তৰ দিব লাগে বুলিয়ে এনেয়ে কৈ থলে, "এই সম্প্ৰদায়টো ৰহস্যৰ ভঁড়াল।" তাৰ পাচত কলে, "চাইপ্ৰাচৰ পেইফোচ্ দেৱীৰ শপত খাই কওঁ, —এই সম্প্ৰদায়ৰ মানুহৰ মূল কথা হ'ল, জীৱনলৈ সুখ মাতি অনা। তুমি এনে ধৰণৰ সভ্যতা আৰু ধৰ্ম্মক শ্ৰদ্ধা কৰিব পাৰা। মই হলে কওঁ, ইহঁত সাংঘাতিক মানুহ। মৃত্যু আৰু ৰোগ, দুয়োৰে জীৱনৰ শত্ৰু, সেইদৰে, ইহঁতো হ'ল, জীৱনৰ শত্ৰু। মৃত্যু আৰু ৰোগৰ আহুৰ্তাৰ এনেয়ে যথেষ্ট হৈছে, খৃষ্টিয়ানহঁতে তাৰ ৰঙণি নোযোগালেও হ'ব। জীৱনৰ বেয়াৰ ভাগটোলৈ মন কৰাচোন। আমাৰ চিকাৰ আছে, চাইপেভিয়াচ আছে—চিকাৰৰ কবিতা আছে। ইয়াৰ উপৰিও, আছে ৰোম নগৰ, ইত্যাদি। এনেবোৰ মানুহে ওপৰত মন্ত্ৰ [illegible]

আসন লৈ বহা মুক্ত দাসো আছে। কেইবৰ শপত! এইমেই অপেক্ষা নহয়নে? খৃষ্টিয়ান সম্প্ৰদায়টো অতি মাৰাত্মক। ইহঁত অভিশপ্ত নহে নোৱাৰে। হতাশাক বিসৰ্জন দি, জীৱনৰ সজ ব্যৱহাৰ কৰিবলৈ, তুমি কিবা চেষ্টা কৰিছানে?"

"হয়, মই চেষ্টা কৰিছিলো।"

পেট্ৰোনিয়াচে হাঁহিবলৈ ধৰিলে। "হেৰা বিশ্বাসঘাতক!" তেওঁ কলে, "ধৰ্মৰ নিয়ঁপোৱাত দাসবিলাক থৰতকীয়া। তুমি ক্ৰাইচোথিমিচক মোৰ হাতভৰপৰা কাঢ়ি নিব খুজিছা, নহয়নে?"

মুখত বিৰক্তিৰ ভাব লৈ, ভিনিকিয়াচে মূৰ দুপিয়ালে।

'যি কি নহওক, মই তোমাক ধন্যবাদ দিছো।" পেট্ৰোনিয়াচে কলে, "প্ৰকৃততে মুকুতা লগোৱা ধুনীয়া পাদুকা এযোৰ, মই তাইলৈ পঠিয়াব খুজিছিলো। মোৰ প্ৰেমৰ ভাষাত, ইয়াৰ অৰ্থ হল, 'তুমি যাবগৈ পাৰা'। মই তোমাৰ ওচৰত দুগুণে কৃতজ্ঞ। প্ৰথমতঃ, ইউনিচক নিবলৈ অমাত্তি হোৱাৰ বাবে। দ্বিতীয়তঃ, মোক ক্ৰাইচোথিমিচৰ কৱলৰ পৰা ৰক্ষা কৰাৰ বাবে। মোৰ কথা শুনা। তোমাৰ সন্মুখত এতিয়া এনে এটা মানুহ দেখিছা,—যি বাতিপুৱা সোনকালে উঠি গা-পা ধুই, খাই, বই উঠি, ক্ৰাইচোথিমিচৰ খৰ পাইছিলগৈ,—তাইক উপভোগ কৰিবৰ বাবে। সেই একেটা মানুহেই, ব্যঙ্গ ৰচনা লেখিছিল, আৰু মাজে, মাজে, আনকি, গদ্য ৰচনাৰ লগত পদ্যৰ সানমিহলি কৰি, অভিনৱ কিবা এটা কৰিছিল। তথাপিও, সকলো সময়তে, সেই মানুহটোৰ জীৱন, চিন্তাৰ জীৱনৰ দৰে আমনি লগা আছিল। প্ৰায়ে সি, অসুখী ভাবৰোৰক, কি দৰে মনৰপৰা আঁতৰাব পাৰি, তাকে ভাবি পাৰ নাপাইছিল। কিয় এনে হৈছিল? কাৰণ, হাতৰ কাষতে থকা সম্পদ নেওচি, সি বহুদূৰলৈ তাক বিচাৰি গৈছিল। সুন্দৰী নাৰীৰ মূল্য আছে; কিন্তু দৈহিক সৌন্দৰ্য্যৰ উপৰিও, সেই নাৰীৰ অন্তৰত যদি, মৰম, শ্ৰদ্ধা, ভক্তি—সকলো উজাৰ কৰি, এজনক দিব পৰা গুণো থাকে, তেন্তে তাই অমূল্য হৈ উঠে। এনে এটি নাৰীক ভেৰ্‌চিজৰ ধনেৰে কিনি লব নোৱাৰি। (চিচিলিৰ ৰোমান শাসক ভেৰ্‌চিয়ে বেতিয়ক মাইজক শোষণ কৰি আৰু মন্দিৰ বোৰ লুটি ধন আত্মসাৎ কৰিছিল) গতিকে, মই নিজকে কোৱা কথা হল এনে,—এটা পিয়লা, মুখৰ মুখাকে পূৰ্ণ কৰাৰ দৰে, মই মোৰ জীৱনৰ আয়টো, সুখৰ মদিৰাৰে পূৰ্ণ কৰিব খোজো। যেতিয়ালৈকে মোৰ হাত দুখন নিজীৱ হৈ নপৰে, মোৰ ওঁঠ শেতা পৰি নাযায়, তেতিয়ালৈকে মই, সুখৰ মদিৰাকে পান কৰি থাকিবলৈ বিচাৰো। তাৰ পাচত যি হব হৈ থাকিব। এইটো মই তোমাক জনাইছোঁ—এইটো নতুন দৰ্শনৰ কথা।"

"তুমিতো সদায় ইয়াকে কৈ আছিছা। নতুনত্ব একো নাই।"

"এতিয়া দৃঢ়ভাবে জনাইছো। কাৰ্য্যক্ৰমো ৰচনা কৰিছো, সুনিৰ্দ্দিষ্ট ভাৱে। আগতে সেইটো কৰা নাছিলো।"

ইয়াকে কৈ, পেট্ৰোনিয়াচে ইউনিচক মাতি পঠালে। মিচিকিয়া হাঁহি মাৰি, সোমাই আহিল,—শুভ্ৰ বসনেৰে সজ্জিতা ইউনিচ। তাইৰ সোণবৰণীয়া চুলিবোৰ জিলিকি উঠিল। পেট্ৰোনিয়াচে তাইৰ ফালে হাত দুখন মেলি দি কলে, "আহা।"

তাই তেওঁৰ কাষলৈ লৰি আহিল, আৰু তেওঁৰ আঠুৰ ওপৰত বহি, নিজৰ মূৰটো তেওঁৰ বুকুৰ ওপৰত থলে। তাইৰ গাল দুখন ৰঙা পৰি উঠিল আৰু চকু দুটা বাষ্পাচ্ছন্ন হৈ আহিল। এই যুগল মূৰ্ত্তি যেন, প্ৰেম আৰু সুখৰ অপূৰ্ব্ব অভিব্যক্তি। পেট্ৰোনিয়াচে হাত মেলি, পাত্ৰ এটাৰ পৰা, ভায়োলেট ফুল কিছুমান লৈ, ইউনিচৰ মূৰত, বুকত আৰু কাপোৰৰ ওপৰত ছটিয়াই দিলে। তাৰ পাচত, তাইৰ কান্ধ দুটা অনাবৃত কৰি কলে, "এনে এটি অমূল্য ভাণ্ডাৰত লুকাই থকা প্ৰেম বিচাৰি পোৱা', মোৰ দৰে মানুহেই সুখী। কেতিয়াবা নিজকে দেৱ-দেৱীৰ যুগল মূৰ্ত্তি যেন লাগে। তাইলৈ চোৱা। প্ৰেক্সিটেলিজ্, মাইৰো, স্কোপাচ্ বা লাইচিপ্পাচৰ দৰে ভাস্কৰ বা শিল্পীয়ে, ইয়াতকৈ বেচি নিখুঁত, বেচি উৎকৃষ্ট সৌন্দৰ্য্যৰ ৰেখা, কল্পনা কৰিছিল নে কেতিয়াবা? পেৰোচ্ বা পেণ্টেলিকাচত থকা, মাৰ্ব্বলৰ মূৰ্ত্তি সুন্দৰ হ'ব পাৰে। কিন্তু তাইৰ দেহৰ উত্তপ্ততা, বৰ্ণমাধুৰী আৰু আনন্দদায়িনী গুণ তাত নাই।"

ইউনিচৰ ডিঙি আৰু কান্ধৰ ওপৰেদি, তেওঁ ওঁঠ দুটা বুলাই নিলে। আনন্দত তাইৰ গাত শিহৰণ উঠিল, চকুৰ পতা কঁপি উঠিল। পেট্ৰোনিয়াচে পুণৰ ভিনিকিয়াচলৈ চালে।

"এতিয়া তোমাৰ গোমোঠা খৃষ্টিয়ানইতৰ কথা ভাবাচোন। ইউনিচৰ তুলনাত সিইত কিমান নগণ্য, মন কৰা। যদি তুমি পাৰ্থক্য ধৰিব নোৱাৰা, তেন্তে যোৱা, সিইতৰ লগত থাকাগৈ। কিন্তু যি দৃশ্য এতিয়া দেখিলা, সেই দৃশ্যই অন্ততঃ তোমাক, আৰোগ্য কৰা উচিত আছিল।"

কোঠা ভৰি থকা ভায়োলেট ফুলৰ গোন্ধ, ভিনিকিয়াচৰ নাকত লাগিল। লিজিয়াৰ কান্ধৰ ওপৰেদি, এইদৰে ওঁঠ দুটা বুলাই দিব পৰা হলে, তেওঁ কিমান সুখী হ'লহেঁতেন! কথাটো ভবাৰ লগে লগে, তেওঁৰ মুখ সেতা পৰি উঠিল। পবিত্ৰতাক কলুষিত কৰি, লাজুক কৰা এনে সুখৰ বিনিময়ত, তেওঁ কোনোটো

পৃথিবীকে ধ্বংস হবলৈ, বংমনেৰে এৰি দিলেহেঁতেন। অভ্যাসবশতঃ, ভিনিকিয়াচৰ মনৰ কথা ভতালিকে বুজি পাই, পেট্ৰোনিয়াচে জানিলে যে, এই সময়ত্তো তেওঁ একমাত্ৰ লিজিয়াৰ বাহিৰে, আন কাৰো কথা ভবা নাই।

"ইউনিচ, মোৰ দেৱী!" পেট্ৰোনিয়াচে ইউনিচক সম্বোধন কৰি কলে, "আমাৰ পুৱাৰ আহাৰ প্ৰস্তুত কৰিবলৈ কোৱাগৈ। ফুলৰ মালাবোৰো অনাবা।"

ভিনিকিয়াচলৈ চাই তেওঁ কলে, "মই এই ছোৱালীজনীক দাসত্বৰপৰা মুক্ত কৰিব খুজিছিলো। তাই কি উত্তৰ দিলে জানানে? 'আপোনাৰ দাসী হৈ থাকিবলৈ পালে, মই চিজাৰৰ পত্নী হবলৈকো নাযাওঁ।' ইয়াৰ পাচত, তাই নজনাকৈয়ে, মই তাইক দাসত্বৰপৰা মুক্তি দিলো। বিচাৰালয়ৰ অনুষ্ঠানত, তাইৰ উপস্থিতি নোহোৱাকৈয়ে, তাইক মুক্তি দি, বিচাৰকে মোক অনুগ্ৰহ দেখুৱালে। তাই নাজানে যে, এতিয়া তাই মুক্ত; সেইদৰে এই কথাও তাই নাজানে যে, মোৰ মৃত্যুৰ পাচত, এই অট্টালিকা ও তায়ে পাব। মূল্যবান পাথৰ কেইটামানৰ বাহিৰে, মোৰ যিমান বস্তু, অলঙ্কাৰাদি আছে, সকলো তাইৰ হ'ব।"

তেওঁ থিয় হল, আৰু তাৰ পাচত, কোঠাটোৰ ইফালে, সিফালে, খোজ দিবলৈ ধৰিলে।

"প্ৰেমে মানুহৰ জীৱনলৈ, কম বেচি পৰিমাণে, পৰিবৰ্ত্তন আনে—" তেওঁ কবলৈ ধৰিলে, "মোৰ পৰিবৰ্ত্তন হৈছে, এনে ধৰণে,—আগতে মই ভাৰ্‌বেনাৰ গোন্ধ ভাল পাইছিলো। কিন্তু ইউনিচে ভায়োলেট বেচি ভাল পায় কাৰণে, মই আন আটাইবোৰ নিৰ্য্যাসতকৈ, ভায়োলেটৰ নিৰ্য্যাস, শ্ৰেষ্ঠ বুলি গ্ৰহণ কৰিবলৈ, নিজকে বাধ্য কৰিছো।"

ভিনিকিয়াচৰ সন্মুখত বৈ, তেওঁ সুধিলে, "তোমাৰ কি ভাল লাগে? তুমি এতিয়াও জটামাংসীৰ গোন্ধক ভাল পোৱানে?"

"অনুগ্ৰহ কৰি, মোক আৰু আমনি নিদিবা।" যুৱকে উত্তৰ দিলে।

"মই ইউনিচক তোমাৰ চকুৰ আগলৈ আনি, তাইৰ বিষয়ে জনাৰ খোজাৰ কাৰণ হ'ল,—মোৰ মনেৰে, তুমিও হয়তো, হাতৰ কাষতে থকা বস্তুলৈ পিঠি দি, বহু দূৰত বিচাৰি ফুৰিছা। হয়তো, তোমাৰ পৰিচাৰিকাবিলাকৰ মাজতে, বিশ্বাসী, সৰল হৃদয়ৰ কোনোবাই, তোমাৰ বাবে, কম্পিত বক্ষে, প্ৰতীক্ষা কৰি আছে। তোমাৰ ক্ষত স্থানত, ইয়াকে ঔষধৰূপে প্ৰয়োগ কৰা। তুমি কৈছা, লিজিয়াই তোমাক ভাল পায়। হয়তো ঠিকেই। কিন্তু যি প্ৰেমে নিজকে

অস্বীকাৰ কৰে, সি কেনে ধৰণৰ প্ৰেম? ইয়াৰ বাবা বুজা নাযায়নে যে, এই প্ৰেমতকৈ শক্তিমান আৰু কিবা আছে, তাইৰ মনত? নহয়, মৰমৰ বন্ধু! লিজিয়া কেতিয়াও ইউনিচৰ দৰে হ'ব নোৱাৰে।"

"জীৱনৰ প্ৰতিটো কথাই, মোক সমানে কষ্ট দিছে," ভিনিকিয়াচে উত্তৰ দিলে; "তুমি ইউনিচৰ কান্ধ দুটা চুমাৰে ওপচাই দিয়া দেখি, মোৰ মনলৈ আহিছিল, লিজিয়াই এইদৰে, নিজৰ কান্ধ দুটা মুকলি কৰি মোক দেখুউৱা হলে, জীৱন সাৰ্থক হলহেঁতেন। কিন্তু এই ভাবটোৱে মোৰ মনত, একপ্ৰকাৰ ভয়ৰো আঘাত দিলে,—যেন মই ভেষ্টাৰ মন্দিৰৰ চিৰকুমাৰী সেৱিকাকহে, অথবা এগৰাকী দেৱীকহে কলুষিত কৰিবলৈ আগবাঢ়িছো। নহয়, লিজিয়া ইউনিচ নহয়,—হ'ব নোৱাৰে। কিন্তু তোমাৰ চকুত ধৰা পৰা পাৰ্থক্য, আৰু মোৰ চকুত ধৰা পৰা পাৰ্থক্য যেন একে নহয়। প্ৰেমে তোমাৰ ঘ্ৰাণ শক্তিৰ পৰিবৰ্ত্তন আনিছে, অৰ্থাৎ ভাৰবেনাতকৈ, ভায়োলেটৰ গোন্ধ বেচি ভাল লগাইছে। কিন্তু মোৰ ক্ষেত্ৰত, প্ৰেমে মোৰ আত্মাৰেই, পৰিবৰ্ত্তন ঘটাইছে। বাসনা, উদ্বেগ, আৰু অশান্তিৰে, মোৰ মন ভৰি থাকিলেও, লিজিয়া অন্য নাৰীৰ দৰে হোৱাটো মই নিবিচাৰো।"

পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে।

"তেন্তে আত্মসংযম কৰি, তোমাৰ এঁকো ক্ষতি হোৱা নাই। যি কি নহওক, সকলো কথাই, মোৰ বোধশক্তিৰ বাহিৰত।"

এই কথাৰ উত্তৰ তৎক্ষণাৎ দিলে,—ভিনিকিয়াচে। "হয়, হয়। আমি দুয়ো এতিয়া আৰু কোনেও কাকো নবুজো।"

অলপ সময় দুয়ো নীৰৱ।

"জগতৰ আটাইবোৰ খৃষ্টিয়ানক, নৰকে গ্ৰাস কৰক!" পেট্ৰোনিয়াচে হঠাৎ চিঞৰি দিলে, "সিহঁতে তোমাৰ জীৱনলৈ, দুখৰ বাহিৰে একো অনা নাই। লগতে, তোমাৰ জীৱন—উপভোগৰ স্পৃহাও শেষ কৰি পেলাইছে। হয়, সিহঁতৰ গোটেই দলটোকে নৰকে গিলি খাওক। সিহঁতৰ মত হিতকৰ বুলি ভাবি, তুমি ভুল কৰিছা। আনন্দ, সৌন্দৰ্য্য, প্ৰেম, আৰু শক্তি প্ৰদায়ক বস্তুহে হিতকৰ বুলি জানিবা। কিন্তু খৃষ্টিয়ানহঁতে এইবোৰ মানুহৰ বৃথা অন্বেষণ বুলি প্ৰমাণ কৰিব খোজে। সিহঁতক সাধু বুলি ভাবিও, তুমি ভুল কৰিছা। আমি যদি মোৰ বিৰুদ্ধে, ভাল কৰো, তেন্তে তাৰ বিনিময়ত কি কৰিব? আৰু, তেওঁ

সৎ, অসৎ,—আটাইকে যদি একে চকুৰে চোৱা, তেন্তে মানুহ কিয় ভাল হ'বলৈ যাব ?"

"নহয়, সমান চকুৰে চোৱা নাই, তেওঁলোকে। খৃষ্টিয়ান ধৰ্ম্মই কৈছে, সৎ কৰ্ম্মৰ ফল, ভৱিষ্যত জীৱনত আৰম্ভ হয়,—যি জীৱন অনন্ত।"

"এইবোৰ বিবেচনাৰ মাজত, মই নোসোমাওঁ। কাৰণ, পৰকাল যেতিয়া আহিব, তেতিয়াহে আমি তাৰ অস্তিত্বৰ প্ৰমাণ পাম,—মৰিহে, তাৰবাবে এই চকু দুটা নথকাকৈয়ে, প্ৰমাণ পাব পাৰি। ইতিমধ্যে এই মানুহবোৰে, নিজকে পূৰ্ণ প্ৰতিপন্ন কৰিছে। ভৱিষ্যত জীৱন বুলি কিবা আছে জানো, সিহঁতৰ ?"

"তেওঁলোকৰ মতে, মৃত্যুৰ পাচতহে, প্ৰকৃত জীৱনৰ আৰম্ভণি !"

"ৰাতি অহাৰ লগে, লগে, দিনৰ আৰম্ভণি বুলি কোৱাৰ দৰে কথা ! তুমি এতিয়াও লিজিয়াক ধৰি আনিব খোজানে ?"

"নহয়, মই বেয়া কাম কৰি, প্ৰেমৰ প্ৰতিদান নিদিওঁ। এনে কাম নকৰোঁ বুলি, মই প্ৰতিজ্ঞা কৰিছো।"

"তেন্তে, তুমি খৃষ্টিয়ান মত গ্ৰহণ কৰিবলৈ বিচাৰিছা ?"

"গ্ৰহণ কৰিব পৰা হ'লে, ভাল পালোহেঁতেন। কিন্তু মোৰ সমগ্ৰ প্ৰকৃতি ইয়াৰ বিৰোধী।"

"শেষত কওঁ, তুমি লিজিয়াক, কেতিয়াবাকৈ পাহৰিব পাৰিবানে ?"

"নোৱাৰো।"

"তেন্তে দেশ ভ্ৰমণ কৰিবলৈ ওলোৱা।"

এনেতে, কেইটামান দাস আহি, ৰাতিপুৱাৰ আহাৰ প্ৰস্তুত বুলি জনালে। ট্ৰাইক্লিনিয়াম্ কক্ষলৈ যাওঁতে পেট্ৰোনিয়াচে কলে, "সঁচা, ইতিমধ্যে তুমি, 'পৃথিৱীৰ একাংশ দেখিছাই। কিন্তু পথত নিজ ইচ্ছাৰে ক'তো নৰৈ, এটা নিৰ্দ্দিষ্ট লক্ষ্যৰ ফালে, উৰ্দ্ধশ্বাসে দৌৰি থাকিবলৈ বাধ্য হোৱা, এজন সৈনিকৰ চকুৰেহে দেখিছা। গতিকে, আমাৰ লগত একিয়ালৈ ব'লা। চিজাৰে এই অভিযানৰ কল্পনা, এতিয়াটৈলৈকে পৰিত্যাগ কৰা নাই। সি বাটে, বাটে, বৈ গীত গাই, [illegible] লোটাৰ, আৰু মন্দিৰবোৰ লুটি লৈ, গৈ থাকিব। অৱশেষত ইহঁতে বিজয় গৌৰৱেৰে উভতিব। বেকাৰ্ আৰু এলেহুৱাবোৰ বিশিষ্ট [illegible] নিজকে সজাই সি [illegible] বহি থাব। [illegible] হুবি পাৰিব, আৰু লগত যাব, [illegible] [illegible] চাৰণগীত, [illegible] [illegible]।"

ইউনিচক কাষত লৈ, কোমল-বহল আসন এখনত তেওঁ হাত ভৰি মেলি আৰাম কৰি বহিল, আৰু তেওঁৰ মূৰত এনিমোন ফুলৰ মালা পিন্ধাবলৈ, দাস এটা আগবাঢ়ি আহিল।

"কৰ্‌বিউলোৰ তলত কাম কৰোঁতে, তুমি কি, কি দেখিলা?" তেওঁ সুধিলে, "একো দেখা নাই? তুমি গ্ৰীক মন্দিৰ চাবলৈ গৈছিলানে? এটাৰ পাচত এটা, পথ প্ৰদৰ্শক নিযুক্ত কৰি, পূৰা দুবছৰ, মই এই মন্দিৰবোৰ চাই ফুৰিছিলো। তুমি ৰোডচ্ দ্বীপলৈ গৈছানে,—য'ত আকাশলম্বা প্ৰকাণ্ড মূৰ্ত্তি, থিয় কৰাই থোৱা আছে? ফোকিচৰ পেনোপিয়াচত থকা মাটি দেখিছানে,—যি মাটিৰে, প্ৰোমিথিয়ুচে মানুহৰ আকৃতি গঢ়িছিল? স্পাৰ্টাত, লীডাই পৰা কণীটো চাইছিলানে? এথেন্সত ধোঁৱাৰ খুৰাৰে তৈয়াৰী, প্ৰসিদ্ধ চাৰ্‌মাটিয়ান বক্ষ-বৰ্ম, কেনেকুৱা মন কৰিছিলানে? ইউবোয়িয়াত তুমি এগেমেম্‌ননৰ জাহাজ, বা হেলেনৰ বাওঁ স্তনৰ আহিৰে সজা পিয়লাটো চাইছিলানে? আলেকজেন্দ্ৰিয়া, মেম্‌ফিচ্ আৰু পিৰামিড সমূহ দেখিছানে? ওচিৰিচৰ বেজাৰত কান্দি কান্দি আইচিচে নিজৰ মূৰৰপৰা চিঙি পেলোৱা চুলিডাল চাইছিলানে? মেম্‌ননৰ ঝিননি শুনিছিলানে? হয়, পৃথিৱীখন সুবিশাল; তাৰ কেন্দ্ৰ ইয়াত নাই। মই চিজাৰৰ লগত যাম। কিন্তু উলটি আহোঁতে, তাৰ লগ এৰিম। মই প্ৰথমে চাইপ্ৰাচ দ্বীপলৈ যাত্ৰা কৰিম। কাৰণ তুমি সমূখত দেখা মোৰ এই স্বৰ্ণকেশিনী প্ৰিয়াই, ইচ্ছা কৰাৰ বাবে, পেইফোচৰ দেৱীৰ থানত, আমি দুয়ো একেলগে এযুৰি কপৌ চৰাই অৰ্পণ কৰিম। মই ইয়াকো জনাওঁ, ইউনিচে যি কাম কৰিবলৈ ভাল পায়, সি নিশ্চয় হ'ব লাগিব।"

"কিন্তু মই আপোনাৰ দাসী," ইউনিচে বাধা দি কলে। পেট্ৰোনিয়াচে তাইৰ মূৰটো বুকলৈ টানি আনি, হাঁহি কলে, "তেন্তে মই দাসীবো দাস। মো'ৰ দেৱী! ভৰিৰপৰা মূৰলৈকে, তুমি গোটেইজনী মানুহ, মোৰ শ্ৰদ্ধা আৰু প্ৰেমৰ পাত্ৰী।"

তাৰ পাচত, তেওঁ ভিনিকিয়াচক কলে, "তুমিও ব'লা চাইপ্ৰাচলৈ। কিন্তু তাৰ আগতে চিজাৰক এবাৰ দেখা কৰিব লাগিব। মনত ৰাখিবা, বৰ্ত্তমানৰ এই সঙ্কটপূৰ্ণ সময়ত ইমান দিন চিজাৰক সম্মান জনাবলৈ নোযোৱাটো দুৰ্ভাগ্য-জনক। টাইগেলিনাচে এই কথাটোতে পাকচক্ৰ লগাই, তোমাৰ অনিষ্ট কৰিব পাৰে। তোমালৈ ব্যক্তিগত ভাবে তাৰ ঈৰ্ষা নাই সঁচা, কিন্তু মোৰ দুলি, সি

তোমাক ভালো নাপায়,—যিহেতু তুমি মোৰ ভাগিন। যি, কি নহওক, তুমি অসুস্থ আছিলা বুলিয়ে কম। সেইদৰে, নিৰোৱে যদি তোমাক, লিজিয়া সম্বন্ধে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰে, তাৰ উত্তৰ কি দিবা, তাকো আলোচনা কৰি, আগতে ঠিক কৰিব লাগিব। আটাইতকৈ ভাল হ'ব,—তুমি যদি কাম চুটা জোকাৰ মাৰি, এনেয়ে কৈ দিয়া যে, আমনি লাগি নোযোৱাটোকে তাইক তুমি ৰাখিছিলা। নিৰোৱে কথাটো বুজিব। লগতে ইয়াকো কব পাৰা,—অসুখৰ কাৰণে, তুমি ঘৰতে বন্দী হৈ আছিলা, আৰু তেওঁৰ গীত শুনিবলৈ, নিয়াপোলিচলৈ যাব নোৱাৰি, হতাশাৰ ভৰত, তোমাৰ জ্বৰটোও বাঢি গৈছিল। —এতিয়া শীঘ্ৰে তেওঁৰ গান শুনিবলৈ পোৱাৰ আশাত, তোমাক কম সময়ৰ ভিতৰতে আৰোগ্য কৰিছে। কথাবোৰ অতিৰঞ্জিত কৰি কবলৈ, দ্বিধা নকৰিবা। টাইগেলিনাচে জনাই দিছে,—চিজাৰৰ মনোৰঞ্জনৰ বাবে, সি হেনো বৃহৎ আয়োজন কৰিছে,—ই হ'ব অভূতপূৰ্ব্ব, অসাধাৰণ, আৰু অতি চমকপ্ৰদ ব্যৱস্থা। কিন্তু মই হলে, তাৰ কথাত, মোৰ বিৰুদ্ধে ফান্দ পতাৰহে গোন্ধ পাইছো। তোমাৰ বৰ্ত্তমান মানসিক অৱস্থাৰ বাবেও, মই শঙ্কিত হৈ পৰিছো।"

"শুনিলে আচৰিত নহবানে যে, জগতত এতিয়াও কিছুমান মানুহ আছে, যি চিজাৰক ভয় নকৰে, আৰু শান্তিৰ ভাব লৈ, জীৱন কটায়,—যেন চিজাৰৰ অস্তিত্বই নাই?" ভিনিকিয়াচে কলে।

"তুমি খৃষ্টিয়ানইতৰ কথা কৈছা, নহয়?"

"হয়, একমাত্ৰ তেওঁলোকেই হল, এনে মানুহ। আমাৰ জীৱননো কি, অবিৰাম ভয়ৰ নিষ্পেষণৰ বাহিৰে?'

"তোমাৰ খৃষ্টিয়ানবোৰ সৈতে, বাক সন্ধি স্থাপনকে কৰিলো। সিইতে চিজাৰক ভয় নকৰে, এইবাবেই যে, চিজাৰে সিইতৰ অস্তিত্ব গমেই পোৱা নাই। মুঠতে সি একো কৰই নোৱাৰে। তুকান পাত এখিলাই, তাৰ যিমান খিনি দৃষ্টি আকৰ্ষণ কৰিব পাৰে, খৃষ্টিয়ানইতেও, সিমানখিনি দৃষ্টিকে আকৰ্ষণ কৰিছে। মই পুনৰ তোমাক কওঁ,—সিইত মূৰ্খ। তুমি নিজেও কথাটো চকুজাকৈ থকা নাই। যদি তোমাৰ প্ৰকৃতিয়ে, সিইতৰ ধৰ্ম্মমত মানি চলাৰ বিৰুদ্ধে বিদ্ৰোহ কৰে, তেন্তে জানিবা,—তুমি সিইতক, সকলো প্ৰকাৰে মূৰ্খ বুলিয়ে ভাবিছা। তুমি সম্পূৰ্ণ বেলেগ সাঁচত গঢ়া মানুহ। সিইতৰ কথা আৰু নকবা। সিইতৰ [illegible] মৃত্যুকৰেও মনলৈ নানিবা। আমি জানো, কেনেকৈ জীয়াই থাকিব লাগে,

আৰু কেনেকৈ মৰিব লাগে। কিন্তু সিহঁতে জানে কি? জানেনে কিবা?"

এই কথাবোৰে, ভিনিকিয়াচৰ মনত, এনেভাৱে বেখাপাত কৰিলে যে, যৰবৈল উলটি অহাৰ পাচত, তেওঁ ভাবিবলৈ ধৰিলে, হয়তো খৃষ্টিয়ানৰ সাধুতা, আৰু দয়াই, তেওঁলোকৰ মনৰ দুৰ্ব্বলতাকে প্ৰমাণ কৰিছে। তেওঁৰ ধাৰণা হল, যি বিলাক মানুহ শক্তিশালী, আৰু যাৰ অন্তৰত, বিপৰীত গুণসমূহৰ সমাবেশ ঘটিছে, সেই মানুহে, ইমান সহজে, শত্ৰুক ক্ষমা কৰিব নোৱাৰে।

নিঃসন্দেহে কব পাৰি,—ভিনিকিয়াচৰ প্ৰাণত,– তেওঁৰ ৰোমান আত্মাত, এই কাৰণতে, খৃষ্টিয়ান মতৰ বিৰুদ্ধে বিদ্ৰোহ জাগি উঠিছে। "আমি জানো, কেনেকৈ জীয়াই থাকিব লাগে, আৰু কেনেকৈ মৰিব লাগে।" পেট্ৰোনিয়াচে কৈছে। আৰু তেওঁলোকে কেৱল জানে, ক্ষমা কৰিব। ইয়াৰ কাৰণ এইটোৱে নহয় জানো, যে, তেওঁলোকে প্ৰকৃত প্ৰেম বা ঘৃণা কি বস্তু, বুজিকে পোৱা নাই?

॥ ৮ ॥

চিজাৰৰ মুঠেই ইচ্ছা নাছিল,– ৰোমলৈ উলটি আহিবলৈ। কেইটামান দিন পাৰ হৈ যোৱাৰ পাচতে, তেওঁ পুণৰ একিয়ালৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। নগৰত ৰাজ আজ্ঞা প্ৰচাৰ কৰি, জনোৱা হল যে, চিজাৰ অলপ দিনৰ কাৰণেহে যাব, আৰু সেই সময়ছোৱাত, ৰাজহুৱা কামৰ কোনো ক্ষতি নহয়। তাৰ পাচত, ভিনিকিয়াচ আৰু আন কেইবাজনো অগষ্টানক লগত লৈ, চিজাৰ কেপিটোললৈ আহিল। তেওঁৰ উদ্দেশ্য আছিল, আগতে হৈ যোৱা অভিযানৰ সাফল্যৰ বাবে, দেৱতাসকললৈ বলি আগবঢ়াই, কৃতজ্ঞতা জনোৱা। পিচদিনা পুৱা, ভেষ্টা দেৱীৰ থান দৰ্শন কৰিবলৈ যোৱাৰ পাচত ঘটা এটা ঘটনাই, তেওঁৰ ভৱিষ্যত কাৰ্য্যসূচীৰ আমূল পৰিবৰ্ত্তন কৰিলে। নিৰোৱে দেৱতাসকলক বিশ্বাস নকৰিলেও, ভয় হলে কৰিছিল যথেষ্ট,– বিশেষকৈ, ৰহস্যময়ী ভেষ্টা দেৱীক। এই গৰাকী দেৱী আৰু তেওঁৰ পবিত্ৰ অগ্নিৰ দৰ্শন লাভ কৰাৰ লগে, লগে, তেওঁৰ গাৰ নোম শিয়ঁৰি উঠিল। তেওঁৰ মুখৰ ভাব সলনি হল, খুঁতৰিটো ওলমি পৰিল, গোটেই গাত কঁপনি উঠিল, আৰু তেওঁৰ ঠিক পাচতে থিয় হৈ থকা

তিনিকিয়াচৰ বাহুৰ মাজত, তেওঁ সংজ্ঞাহীন হৈ ঢলি পৰিল। তৎক্ষণাৎ সম্রাটক, মন্দিৰৰপৰা বাহিৰলৈ কঢিয়াই আনি, ৰাজপ্ৰাসাদলৈ লৈ যোৱা হ'ল। দিনটোৰ বাকী সময়ছোৱা, তেওঁ শয্যাগত হৈ কটালে। তাৰ পাচত, উপস্থিত সকলোকে আচৰিত কৰি দি, তেওঁ ঘোষণা কৰিলে যে, তেওঁ যাত্ৰাৰ দিন পিছুৱাই পেলাইছে; কাৰণ দেৱীয়ে তেওঁক গোপনে সংকেত দি, লৰালৰি নকৰিবলৈ কৈছে। এঘণ্টাৰ ভিতৰতে, ৰাইজৰ আগত ঘোষণা কৰা হ'ল যে, নাগৰিকসকলৰ নিৰাশ মুখ-বোৰ দেখি, পিতৃস্নেহৰ দ্বাৰা পৰিচালিত প্ৰজাপালক চিজাৰে, তেওঁলোকৰ সুখ, দুখৰ অংশীদাৰ হৈ, তেওঁলোকৰ লগতে থাকিবলৈ মন কৰিছে। এই সংকল্প শুনি, উৎফুল্ল হৈ, (ক্ৰীড়া উৎসৱ আৰু লগতে শস্য বিতৰণ হোৱাৰ আশাত,) দলে, দলে ৰাইজ আহি গোটা পেলেটিনা প্ৰৱেশদ্বাৰৰ সন্মুখত গোট খালে, আৰু দেৱতা স্বৰূপ চিজাৰৰ গুণকীৰ্ত্তন কৰিবলৈ ধৰিলে। অৱশ্যে চিজাৰ তেতিয়া অগষ্টানসকলৰ লগত, পাশা খেলত ব্যস্ত আছিল।

"হয়, এই যাত্ৰা পিচলৈ নিয়াৰ প্ৰয়োজন বোধ কৰিলো।" চিজাৰে কলে, "যদি সাধুসকলৰ ভৱিষ্যতবাণী সত্য হয়, তেন্তে, মিচৰ আৰু প্ৰাচ্য দেশসমূহৰ ওপৰতো মই সাৰ্ব্বভৌম নৃপতি হম। মই একিয়াবো সম্রাট। কোৰিন্থ যোজকত, সোমাবলৈকো মই ইচ্ছা কৰিছো। মোৰ আৰু এটা ইচ্ছা হ'ল, মিচৰত এটা কীৰ্ত্তিস্তম্ভ নিৰ্ম্মাণ কৰা, যাতে তাৰ তুলনাত, পিৰামিডবোৰ, পুতলা যেন দেখা যায়। বৰ্ত্তমান মেম্ফিয়ান্ মৰুভূমিৰ কাষে মুখ কৰি থকা, স্ফিংচ্‌টোতকৈ সাত গুণ ডাঙৰ স্ফিংচ্ এটা সজাবলৈ মই স্থিৰ কৰিছো। এই নতুন স্ফিংচ্‌টোৰ আকৃতি হব, মোৰ দৰে, যাতে ভৱিষ্যতৰ শ, শ, বছৰলৈ, মানুহে মোৰ নাম মনত ৰাখে।"

"কিন্তু তাৰ পূৰ্ব্বেই, আপুনি নিজৰ কবিতাৰদ্বাৰা, কীৰ্ত্তিমন্ত হৈছেই। এই কীৰ্ত্তি, কিওপ্‌চৰ পিৰামিডতকৈ সাতগুণ,—নহয়,—তিনি সাত গুণ শ্ৰেয়ঃ।" পেট্ৰোনিয়াচে কলে।

"আৰু মোৰ গীত?" নিৰোৱে প্ৰশ্ন কৰিলে।

"মেমননৰ মূৰ্ত্তিৰদৰে এটা মূৰ্ত্তি যদি গঢ়িব পৰা গলহেঁতেন, বেলি ওলোৱাৰ লগে, লগে, আপোনাৰ কণ্ঠস্বৰ শুনাব পৰা, আপোনাৰ মাতেৰে গীত গাব পৰা, পৰমাশ্চৰ্য্য শক্তি যদি, তাত আৰোপ কৰিব পৰা গলহেঁতেন! এইটো সম্ভৱ হোৱা হলে, মিচৰৰ সীমা চুই থকা সাগৰবোৰ, হাজাৰ, হাজাৰ, শতাব্দী-

লৈকে, পৃথিবীৰ চাৰিওফালৰ পৰা যাত্ৰী কৰিয়াই অনা তাহাঁতেৰে ভৰি থাকিল-হৈছেন,—সেই গীত শুনিবৰ কাৰণে। শত সহস্ৰ জনতা, আনন্দত আত্মহাৰা হলহৈছেন, সেই গীত শুনি।"

"হায়! হায়!" নিৰোৱে দুখ কৰি কলে, "এনে কাম সমাধা কৰিব পৰা শক্তি, কাৰ আছে?"

"আন নহলেও, আপোনাৰ প্ৰতিনিধিসকলে চলাই নিয়া, কোৱাড্ৰিগা (গাড়ী) এখনৰ শিলামূৰ্ত্তি এটাকে সজাব পাৰে।"

"ঠিক কৈছা। মই এনে এদল মাহুহৰ মূৰ্ত্তি সজাম।"

"মানৱ জাতিলৈ কি অপূৰ্ব্ব দান!"

"মিছৰত মই লুনা দেৱীক বিয়া কৰাম বুলি ঠিক কৰিছো। তেওঁ বিধবা; তাৰ পাচত মইও এজন দেৱতা হৈ যাম।"

"হয়, তেৱা হৈ জিলিকি থাকিবলৈ, আমাক আপুনি কিছুমান সুদৰ্শনা ৰমণীও দিব। তেতিয়া আমি, এটা নতুন নক্ষত্ৰপুঞ্জ সৃষ্টি কৰিম,—যাৰ নাম হ'ব, নিৰো নক্ষত্ৰপুঞ্জ। ভাইটেলিয়াচৰ লগত আপুনি নীল নদীক বিয়া দিব, যাতে তেওঁ, জলহস্তীৰ জন্ম দিব পাৰে। টাইগেলিনাচৰ বিয়া পাতিব, মৰুভূমিৰ লগত,—যাতে তেওঁ শিয়ালৰ ৰজা হৈ থাকিব পাৰে।"

"আৰু মই—মই কি হ'ম?" ভেটিনিয়াচে সুধিলে।

"এপিচ্ বৃষভৰ আশীৰ্ব্বাদ পৰক, আপোনাৰ শিৰত। আপুনি আমাক বেনেভেন্টামত ইমান উৎকৃষ্ট খেল দেখুৱালে, যে, মই কেতিয়াও আপোনাৰ অশুভ কামনা কৰিব নোৱাৰো। শিক্ষকচৰ কাৰণে, আপুনি এযোৰ জোতা সাজিব। কাৰণ বৰ্ষাৰ ৰাতিবোৰত, তেওঁৰ ভৰি দুখন চেচা পৰি যাব পাৰে। তদুপৰি, মন্দিৰলৈ সোমাই যোৱা পথৰ দাঁতিত, শাৰী পাতি থকা প্ৰকাণ্ড মূৰ্ত্তিবোৰক পিন্ধাবলৈকো আপুনি জোতা সাজিব। এৰা, মিছৰত প্ৰতিজন মাহুহে, যোগ্যতা অনুসৰি, কাৰ্য্যক্ষেত্ৰত নামিব। উদাহৰণ স্বৰূপে কওঁ, ডমিটিয়াচ্ এফাৰ হ'ক ধন ভঁৰালী,—কাৰণ তেওঁৰ সাধুতাৰ কথা, সৰ্ব্বজন বিদিত, চিজাৰে পুণৰ মিছৰৰ সপোন দেখিছে বুলি জানি আনন্দিত হৈছো। পিচে বহুদিনলৈ যাত্ৰা স্থগিত ৰখাতহে, বেয়া পাইছো।"

"তোমাৰ নশ্বৰ দৰ্শনেন্দ্ৰিয় অন্ধ বাবে, তেৱাঁ দেৱীৰ দৰ্শন নাপালা। কাৰণ, দেৱীয়ে কেতিয়াও, অশুচি মাহুহক দেখা নিদিয়ে। মই যেতিয়া তেওঁৰ মন্দিৰত থিয় হৈ আছিলো, তেতিয়া তেওঁ, মোৰ ওচৰলৈ আহি, কাণে, কাণে, কলে,

'তোমাৰ যাত্ৰা পিচলৈ নিয়া।' ঘটনাটো ইমান অতৰ্কিতে ঘটিল যে, ভয়ত মোৰ অষ্ঠ কণ্ঠ শুকাই গল। অথচ, সেই সময়ত মোক, প্ৰকাশ্যে ৰক্ষা কৰাৰ বাবে, মই দেৱতাসকলক কৃতজ্ঞতাহে জনাব লাগিছিল।"

"আপোনাৰ ত্ৰাসৰ ভাগ আমি আটায়ে লৈছিলো।" টাইগেলিনাচে কলে, "ভেষ্টাৰ মন্দিৰৰ ব্ৰতচাৰিণী সেৱিকা, কব্ৰিয়াও মূৰ্চ্ছা গৈছিল।"

"কব্ৰিয়া ?" নিৰোৱে কলে, "ইস ! তেওঁৰ ডিঙিটো যে ইমান বগা ! একেবাৰে বৰফ যেন !"

"হয়, দেৱতা সদৃশ চিজাৰক দেখি, তেওঁৰ মুখ, লাজতে ৰঙা পৰি উঠিছিল।"

"হয়, মইও লক্ষ্য কৰিছিলো। চিৰকুমাৰী ব্ৰতধাৰিণীৰ বাবে, কথাটো আচৰিত। প্ৰতি গৰাকী কুমাৰী ছোৱালীৰ গাত, দেৱীৰ অংশ আছে। তদুপৰি কব্ৰিয়াৰ ৰূপো আছে।"

অলপপৰ ভাবি, নিৰোৱে পুণৰ কলে, "মোক বোৱাচোন, মানুহে ভেষ্টা-দেৱীৰ সমান, আন কাকো ভয় নকৰে কিয় ? সৰ্ব্বশ্ৰেষ্ঠ পূজাৰী হৈও, মই তেওঁক দেখিলে ভয় খাই যাওঁ। মোৰ মাত্ৰ মনত আছে যে, মই অজ্ঞান হৈ পৰি যাব খুজিছিলো। কোনোবা এজনে নধৰা হলে, মই মাটিত বাগৰি পৰিলো-হেঁতেন। কোনে ধৰিছিল মোক ?"

"মইয়ে ধৰিছিলো।" ভিনিকিয়াচে উত্তৰ দিলে।

"আঃ ! মাৰ্চৰ কঠিন পুত্ৰ, তুমি ? তুমি বেনেভেনটামলৈ নগলা কিয় ? তুমি অসুস্থ বুলি শুনিছিলো। সঁচাকৈয়ে, তোমাৰ বহুত সলনি হৈছে। মই এই কথাও শুনিছিলো যে, ক্ৰোটোৱে তোমাক হত্যা কৰিব খুজিছিল। সচাঁনে কথাটো ?"

"হয়, সি মোৰ হাত এখন ভাঙি দিছিল। পিচে মই তাক বগৰাই দিলো।"

"তোমাৰ ভঙা হাতেৰেই নে ?"

"নহয়। ক্ৰোটোতকৈ বলী, বৰ্ব্বৰ মানুহ এটাৰ সহায়ত।"

নিৰো আচৰিত হৈ গল।

"ক্ৰোটোতকৈ বলী ?" তেওঁ সুধিলে, "নিশ্চয় তুমি ধেমালি কৰি কৈছা, নহয়নে ? গাৰ বলত, ক্ৰোটোৰ লগত ফেৰ মাৰিব পৰা, কোনো নাছিল। বৰ্ত্তমান আটাইতকৈ বলী মানুহটো হ'ল, ইথিওপিয়াৰ টাইকাচ।"

"যি কি নহওক, মই ঠিকেই কৈছো, চিজাৰ। এই মানুহটোৱে কি কৰিব পাৰে, মই নিজ চকুৰে দেখিছো।"

"এই আচৰিত প্ৰাণীটো থাকে ক'ত? সি 'নেমোৰা উদ্য নব বজা' হোৱা নাই জানো?"

"মই কব নোৱাৰো চিজাৰ। মই আৰু তাক দেখাই নাই।"

"সি কোন জাতিৰ মানুহ, তাকো নাজানানে?"

"মোৰ হাতখন ভঙা আছিল। তাক প্ৰশ্ন কৰাৰ কথা মনলৈ নাহিল।"

"তেন্তে যোৱা, মানুহটোক বিচাৰাগৈ।"

"এই কাম, মই হাতত লম।" এইখিনিতে টাইগেলিনাচে টপৰাই মাত লগালে। কিন্তু নিৰোৱে ভিনিকিয়াচৰ লগতহে কথা পাতিবলৈ ধৰিলে।

"মন্দিৰত মোক ৰক্ষা কৰাৰ কাৰণে, তোমাক ধন্যবাদ জনাইছো। নহলে পৰি গৈ, মুৰত দুখ পালোহেঁতেন। এসময়ত, তুমি মোৰ প্ৰিয় সঙ্গী আছিলা। কিন্তু, কৰ্বিউলোৰ তলত, যুদ্ধক্ষেত্ৰত নমাৰ পাচৰ পৰা, তুমি একেবাৰে অচিনাকি বৰ্ব্বৰ মানুহৰ দৰে হৈ গলা। মই তোমাক লগেই নোপোৱা হলো।"

অলপ বৈ, নিৰোৱে আকৌ কলে, "সেই ক্ষীণ নিতম্বধাৰিণী ৰমণী ক'ত আছে,- যাক তুমি খুব ভাল পাইছিলা, আৰু যাক, তোমাৰ উপভোগৰ বাবে, মই অলাচৰ ঘৰৰপৰা বিশেষকৈ অনাইছিলো?"

প্ৰশ্নটো অশ্লীল যেন লগাত, ভিনিকিয়াচে উত্তৰ দিবলৈ টান পালে। কিন্তু পেট্ৰোনিয়াচে তেওঁক সহায় কৰিলে।

"মই শপত খাই কৈছো, প্ৰভু, ভিনিকিয়াচে তাইক একেবাৰে পাহৰিলে। আপুনি বুজিছেই, কথাটো কি। তেওঁক শুধি চাওকচোন, কিমানবোৰ ছোৱালীৰ লগত তেওঁ প্ৰেম কৰিছে! মই বুকুত হাত দি কব পাৰো, তেওঁ তাৰ লেখ দিব নোৱাৰিব। ভিনিকিয়াচ বংশ, বণুৱাৰ বংশ যদিও, যুঁজৰ কুকুৰা হিচাবেহে বেচি পটু। তেওঁলোকৰ প্ৰত্যেকেই, চোতাল ভৰি থকা, মাইকী কুকুৰাৰ জাক একোটাহে বিচাৰে। এগ্ৰিপা হ্ৰদৰ কাষত, টাইগেলিনাচে আপোনাৰ সন্মানৰ বাবে, যি ভোজৰ আয়োজন কৰিছে, তালৈ এওঁক নিমন্ত্ৰণ নকৰি, শাস্তি দিয়ক।"

"নহয়, মই এনে কাম নকৰো। টাইগেলিনাচৰ ওপৰত, মোৰ আস্থা আছে। ভিনিকিয়াচৰ বাবে, মাইকী কুকুৰাৰ জাক এটা যোগাৰ কৰি ৰাখিব বুলি আশা কৰিছো।"

"য'ত স্বয়ং প্ৰেমৰ দেৱতা উপস্থিত থাকিব, তাত, ৰূপময়ী শ্ৰেষ্ঠ দেৱীসকল নাথাকি পাৰিবনে ?" টাইগেলিনাচে জনালে।

নিৰোৱে এই কথাটৈ কাণ নিদিলে।

"সকলো আমনিলগা হৈ আহিছে, মোৰ কাৰণে," তেওঁ কলে, "মই ৰোমত থাকিবলৈ বেয়া পাওঁ। অথচ, দেৱীয়ে মোক, ইয়াতে থাকিবলৈ, আদেশ দিছে। নহয়, মই এণ্টিয়ামলৈকে যামগৈ, ইয়াৰ এই ঠেক ঘৰবোৰ, দেখি থাকিলে, উশাহ বন্ধ হৈ আহিব খোজে। দালানবোৰবো দেখিছো, জৰাজীৰ্ণ অৱস্থা। অপৰিষ্কাৰ, সঙ্কীৰ্ণ বাট পথবোৰৰ কথা বাদেই দিছো। আনকি, মোৰ উদ্যানবোৰতো, নগৰৰ দূষিত বায়ু সোমাবলৈ ধৰিছে। উস! ভূমিকম্প এটাতে যদি ৰোমখন ধ্বংস হৈ গলহেঁতেন! যদি কোনোবা ক্ৰুদ্ধ দেৱতাই, নগৰখন ভাঙি চূৰমাৰ কৰি, মাটিৰ লগত মিলাই দিলেহেঁতেন! তেতিয়া মই দেখুৱাই দিলোহেঁতেন,—জগতত সৰ্ব্বশ্ৰেষ্ঠ স্থান পাব পৰা, নগৰ এখন, কিদৰে নিৰ্ম্মাণ কৰিব পাৰি,—যি নগৰ, মোৰ ৰাজ্যৰ ৰাজধানী!"

"চিজাৰ!" টাইগেলিনাচে কলে, "আপুনি কৈছে, যদি কোনোবা ক্ৰুদ্ধ দেৱতাই নগৰখন ভাঙি চূৰমাৰ কৰে!"

"হয়, পিচে ?"

"কিন্তু আপুনি নিজেই জানো দেৱতা নহয় ?"

নিৰোৱে ক্লান্তভাৱে, কান্ধ দুটা, জোকাৰ মাৰি উত্তৰ দিলে, "আগতে চাম, তুমি এগ্ৰিপা হ্ৰদৰ পাৰত, আমাৰ তৃপ্তিৰ বাবে, কেনে ধৰণৰ আয়োজন কৰা। তাৰ পাচত, মই এণ্টিয়ামলৈ যাম। তোমালোক হলা, অলপতে সন্তুষ্ট হোৱা মানুহ। তোমালোকে কি বুজিবা, মোৰ অসীম তৃষ্ণাৰ কথা ?"

ইয়াকে কৈ, তেওঁ চকুৰ পতা তললৈ নমালে,—বিশ্ৰাম বিচৰাৰ ইঙ্গিত দি। কথাটো বুজি পাই, অগষ্টানসকলে, এজন, এজনকৈ বিদায় ললে। পেট্ৰোনিয়াচো ভিনিকিয়াচৰ পিচে, পিচে, কোঠাৰ পৰা ওলাই গল।

"তেন্তে তোমাক ভোজলৈ নিমন্ত্ৰণ কৰিলেই।" তেওঁ কলে, "ৰাজ্য স্থগিত ৰাখি, এতিয়া এহেনোবাৰ্বাচে তোৰ সলনি, আগতকৈও কদৰ্য্য কাম কিছু-মান কৰি দেখুৱাব। ইমান দিনে, যৰৰ চাৰি বেৰৰ মাজতহে কৰিছিল, এতিয়া নগৰৰ পাপ-পঙ্কত বুৰ গৈ, উপভোগ কৰিব। জহনামে যক দি! কিন্তু আমি গোটেই জগতখনকে দমন কৰিছো যেতিয়া; সকলো প্ৰকাৰৰ প্ৰমোদ, বিলাস

কৰাৰ অধিকাৰ আমাৰ আছে। অৰ্কাচ! তুমি সচাঁকৈয়ে ধুনীয়া যুৱক। তোমাৰ প্ৰতি মোৰ দুৰ্ব্বলতা থকাৰ, ইও অন্যতম কাৰণ। এফেচাচৰ ডায়েনাৰ শপত! তুমি যদি তোমাৰ ভ্ৰুযুগলৰ সুন্দৰ ভাঁজ, আৰু পুৰণি কুইৰাইট্ বংশৰ তেজ থকা, তোমাৰ দৈহিক গঠনৰ প্ৰতি সচেতন হ'লাহেঁতেন! তোমাৰ ওচৰত, আমাৰ নিচিনা বোৰক. মুক্তদাস যেনহে দেখি। সেই বৰ্ব্বৰ ধৰ্ম্মমতত লাগি নথকা হলে, লিজিয়া এতিয়া তোমাৰ অটালিকাত থাকিলেহেঁতেন। তুমি পুনৰ মোৰ আগত, প্ৰমাণ কৰিব খুজিবা, এই খৃষ্টিয়ানইত জীৱন উপভোগৰ, আৰু মানৱজাতিৰ শত্ৰু নহয় বুলি। সঁচা, সিইঁতে তোমাক ভাল ব্যৱহাৰ কৰিলে। এইটো তুমি স্বীকাৰ নকৰি নোৱাৰা। কিন্তু তুমি নহৈ, মই হোৱা হলে, সিইঁতক ঘিণ কৰিলোহেঁতেন। আৰু য'তে পোৱা যায় তাতে, ভোগৰ সম্ভাৰ বিচাৰি ললোহেঁতেন। মই আকৌ এবাৰ কওঁ,—তুমি সুন্দৰ, আৰু ৰোম গৰম হৈ আছে,—স্বামীপৰিত্যক্তা নাৰীৰে।"

"মাত্ৰ এটা কথাত মই আচৰিত হওঁ," ভিনিকিয়াচে উত্তৰ দিলে, "এনে জীৱনে কিয় তোমাৰ মনলৈ ঘৃণাৰ ভাব অনা নাই?"

"কোনে কলে, অনা নাই বুলি? কিমানবোৰ আমনিলগা দিন পাৰ হৈ গৈছে। অৱশ্যে, মই এতিয়া, তোমাৰ দৰে যুৱক নহওঁ। পিচে, মোৰ কিছুমান বিষয়ত ৰূপ আছে; তোমাৰ সেইবোৰ নাই। মই কিতাপ পঢ়ি ভাল পাওঁ, তুমি ভাল নোপোৱা। মই কবিতা ভাল পাওঁ, কিন্তু তোমাৰ বাবে সি ক্লান্তিকৰ। মই জালিকটা ধুনীয়া পাত্ৰ, মূল্যৱান পাথৰ, আৰু এনে ধৰণৰ সকলো সুন্দৰ বস্তু ভাল পাওঁ,—যিবোৰ তুমি কেৰাহিকৈও নোচোৱা। তদুপৰি মোৰ মূত্ৰাশয় ৰোগৰ কথা মই নাভাবোৱেই, তুমিহে ভাবা। শেষত, মোৰ ইউনিচ আছে। তাইৰ লগত শাৰী পূৰাব পৰা, কোনো নাই তোমাৰ। শিল্পক মই আদৰ কৰো, কিন্তু তোমাৰ প্ৰাণত শিল্প, সৌন্দৰ্য্যৰ প্ৰতি আসক্তি নাই। মই জানো, জীৱনত যিখিনি পাইছো, তাতকৈ বেচি আৰু একো নাপাওঁ। কিন্তু তোমাৰ সন্মুখত, এতিয়াও আছে, নতুন আৱিষ্কাৰৰ সম্ভাৱনা। যদি মৃত্যু আহি, আচম্বিতে তোমাৰ দুৱাৰত আঘাত কৰে, তোমাৰ যিমানেই সাহস নাথাকক, নোপোৱাৰ বেদনা নাথাকক, তথাপিও, তুমি আচৰিত হৈ ভাবিবা, পৃথিৱীখন ইমান সোনকালে এৰি যাব লগা হ'ল কিয়? কিন্তু মই, সেই অনিবাৰ্য্য পৰিণতি মানি লম, এই প্ৰত্যয় লৈ, যে, পৃথিৱীত এনে কোনো বস্তু

নাই, যাৰ আস্বাদ লবলৈ, মই যত্ন কৰা নাই। কোনো বিষয়তে মোৰ লবালৰি নাই, গাফিলিও নাই। মই মাত্ৰ কামনা কৰো, জীৱনটো শেষলৈকে আনন্দত কটাবলৈ। স্কেপ্‌টিক্‌সকলৰ জীৱন আনন্দময়; মোৰ ধাৰণাত, ষ্টোইক সকল মূৰ্খ হলেও, তেওঁলোকৰ দৰ্শনে, মানুহক মিতাচাৰী হবলৈ শিকায়। কিন্তু, তোমাৰ খৃষ্টিয়ানইঁতে, এই দুঃখময় জগতখনৰ ওপৰত, অধিক দুখ আৰু অন্ধকাৰ জাপি দিছে। বিমৰ্ষভাব হল, প্ৰকৃতিৰ মাজত দেখা দিয়া ভাৱৰীয়া বতৰৰ দৰে। মই এইমাত্ৰ কি গম পালো, কব পাৰানে? টাইগেলিনাচে যি উৎসৱৰ আয়োজন কৰিছে, তাৰ কাৰণে, এগ্ৰিপা হ্ৰদৰ পাৰত কিছুমান বেশ্যালয় পতা হ'ব। সেইবোৰ পূৰ্ণ হ'ব, ৰোমৰ কেতবোৰ শ্ৰেষ্ঠ পৰিয়ালৰ ৰমণীৰ দ্বাৰা। তাত, তোমাক তৃপ্তি দিব পৰা, কোনোবা সুন্দৰীক লগ নোপোৱাকৈ নাথাকা। ইয়াৰ উপৰিও তাত কিছুমান কুমাৰী ছোৱালীও থাকিব। সিহঁতে পৰীৰ সাজ পিন্ধি, মানুহৰ আগত দেখা দিব। ৰোমান সাম্ৰাজ্য, এতিয়াও চলি আছে, এইদৰে। বতৰ বেচ গৰম হৈ আহিছে; দক্ষিণৰ পৰা বোৱা বতাহে, বতৰ মনোৰম কৰি তুলিছে। গতিকে, উৎসৱৰ বিশেষ আকৰ্ষণ,—নগ্ন নাৰী দেহৰ চৰ্ম্ম, এই বতাহত কোচ খাই, খহটা হৈ নপৰে। এই উৎসৱত, এনে কোনো ৰমণী থাকিব নোৱাৰে, যি তোমাক, অৱহেলাৰে ঠেলি পঠিয়াব পাৰিব। হেৰা মোৰ নাৰ্চিচাচ! এজনীয়েও নোৱাৰে,—ভেষ্টাৰ মন্দিৰৰ ব্ৰতচাৰিণী কুমাৰীয়েও নোৱাৰে।"

ভিনিকিয়াচে দুয়োখন হাতেৰে, নিজৰ কপালত হেঁচা দি ধৰিলে।

"হায়! মই যদি ব্যতিক্ৰম নহলোহেঁতেন!"

"তোমাৰ মুখত, কিয় এই কথা ওলাইছে? ই যদি খৃষ্টিয়ানৰ দোষ নহয়, তেন্তে কাৰ দোষ? যি মানুহৰ ধৰ্ম্মৰ প্ৰতীক, এটা ক্ৰচ মাত্ৰ, সেই মানুহে, জগতত কি কৰিব? মোৰ কথা শুনা। সৌন্দৰ্য্য আৰু জ্ঞানৰ জন্মদাত্ৰী হ'ল গ্ৰীচ, আৰু ৰোম হল শক্তিৰ জন্মদাত্ৰী। আমাৰ বাবে, শক্তিয়েই হল, সৰ্ব্ব প্ৰধান সম্পদ। কিন্তু খৃষ্টিয়ানে, কিহৰ জন্ম দিব পাৰে বুলি ভাবা? তুমি যদি জানা, মোক কোৱা। পোলাক্সৰ শপত! এই সমস্যা সমাধান কৰাটো মোৰ বাবে অসাধ্য।"

ভিনিকিয়াচৰ কান্ধ দুটা জোকাৰ খাই উঠিল।

"তাৰমানে এইয়ে যে, মই কেনেবাকৈ খৃষ্টিয়ান হৈ যাওঁ বুলি তোমাৰ ভয়।"

"নহয়, তুমি নিজৰ জীৱনটো নষ্ট কৰি পেলোৱা বুলিহে, মোৰ ভয় হৈছে। তুমি যদি 'গ্ৰীচ' হ'ব নোৱাৰা, তেন্তে 'ৰোম' হোৱা। অৰ্থাৎ শাসন কৰা,

আৰু জীৱন উপভোগ কৰা। আমাৰ বেয়া কামবোৰৰ মাজতো, অলপ নহয় অলপ, বোধগম্য কিবা এটা আছে। তাৰ কাৰণ হল,—অন্ততঃ আমাৰ ধাৰণা খিলাক স্পষ্ট। গ্ৰীকবিলাকক, বান্দৰৰ দৰে অনুকৰণ কৰাৰ বাবে, এহেনোবাৰ্-বাচক মই ঘিণ কৰো। সি যদি নিজকে ৰোমান বুলি কলেহেঁতেন, তেন্তে বুজিলোহেঁতেন,—তাৰ উচ্ছৃঙ্খল অমিতাচাৰী স্বভাৱৰ কাৰণ কি। তুমি মোক প্ৰতিজ্ঞা কৰি কোৱা,—ঘৰলৈ গৈ, যদি কোনোবা খৃষ্টিয়ান তোমাৰ কাৰণে বৈ থকা দেখা, তেতিয়া তুমি তাৰ জিভাখন, টানি উলিয়াই পেলাবা। যদি ঘটনাচক্ৰত, সেই খৃষ্টিয়ানটো, গ্লকাচেই হয়, তেন্তে তোমাৰ আচৰণ দেখি, সি তিলমানো আচৰিত নহয়। বাৰু, এতিয়া বিদায়! এগ্ৰিপা হ্ৰদৰ পাৰত, আমাৰ পুণৰ দেখা হ'ব।"

॥ ৯

এগ্ৰিপা হ্ৰদৰ চাৰিওফালৰ জাৱণিবোৰত, গাৰক্ষী সৈন্যবোৰক সাজু কৰি ৰখা হল, যাতে চিজাৰ আৰু তেওঁৰ অতিথিবৃন্দক, কৌতুহলী জনতাই, একো আমনি দিব নোৱাৰে। কাৰণ, বাহিৰত ৰবকৈ ওলাইছিল যে, ঐশ্বৰ্য্য, সৌন্দৰ্য্য আৰু বুদ্ধিত শ্ৰেষ্ঠ ব্যক্তিসকল সমবেত হ'ব, এই উৎসৱত। এনে এটা উৎসৱ, নগৰত আগতে কেতিয়াও হোৱা নাছিল। টাইগেলিনাচৰ প্ৰধান উদ্দেশ্য আছিল, নিৰোৰ একিয়া যাত্ৰা বন্ধ কৰা, আৰু ইতিপূৰ্ব্বে, ৰোমৰ চিজাৰৰ সম্মানাৰ্থে যিমানবিলাক ভোজৰ আয়োজন হৈছিল, আটাইবোৰকে চেৰ পেলাই, বিশেষ ধৰণৰ ব্যৱস্থা কৰা। এই উদ্দেশ্যকে লৈ, তেওঁ, নিয়াপোলিচলৈ যাওঁতে, আৰু বেনেভেন্টামত থাকোঁতেও, তেওঁৰ কৰ্ম্মচাৰীবোৰক আদেশ দিছিল,—পৃথিবীৰ বহু দূৰৰ ঠাইত, চুক, কোণে, তন্ন, তন্নকৈ বিচাৰি, নানা বিধৰ জন্তু, আপুৰুগীয়া মাছ, চৰাই, গছ গছনি আদি সংগ্ৰহ কৰি লৈ আহিবলৈ। উৎসৱৰ শোভা বৰ্দ্ধন কৰিবলৈ, ফুলজালি কটা পাত্ৰ, আৰু নানান ৰকমৰ সাজ, সৰঞ্জাম আহিল। এই উৎসৱতে, প্ৰদেশবোৰৰ পৰা আদায় কৰা সকলো ৰাজহ ব্যয় কৰা হ'ল। কিন্তু ৰাজ অনুগ্ৰহ লাভ কৰা জনে, এই কথালৈ মাতাবিলেও চলে। দিনক দিনে, টাইগেলিনাচৰ প্ৰতিপত্তি বাঢ়ি গৈছিল। হয়তো, আন

অগষ্টানত্তকৈ, তেওঁ নিৰোৰ বেচি প্ৰিয়পাত্ৰ নহয়। কিন্তু, কিছুমান কৌশল অৱলম্বন কৰি, তেওঁ দিনে, দিনে, সম্ৰাটৰ অতি ওচৰ চাপি আহিছিল। তেওঁতকৈ, আচাৰ, ব্যৱহাৰ, বুদ্ধি, আৰু কৌতুকপূৰ্ণ কথাত শ্ৰেষ্ঠ পেট্ৰোনিয়াচে চিজাৰৰ মনত ৰং লগাই কথা ক'ব বেচি ভালদৰে জানে। কিন্তু দুৰ্ভাগ্যবশতঃ বেচি জনাৰ বাবে, তেওঁ প্ৰভুৰ মনত, ঈৰ্ষাৰ ভাবহে জগাই তোলে। তদুপৰি, সকলো সময়তে, সমালোচনা-কাতৰ হৈ থকা চিজাৰে, তেওঁক অস্ত্ৰ এপাটৰ দৰে, নিজ ইচ্ছামতে চলাবলৈ পোৱা হলে, ভাল পালেহেঁতেন। কিন্তু পেট্ৰোনিয়াচ, অস্ত্ৰৰ দৰে চলা মানুহ নহয়। নিৰোৰ আত্মশ্লাঘাৰ ওপৰত কপাঘাত কৰিবলৈ, তেওঁৰ 'ৰূপ-লাৱণ্যৰ বিচাৰক' উপাধিয়েই যথেষ্ট। কাৰণ, এনে এটা নাম পোৱাৰ অধিকাৰ, চিজাৰৰহে থাকিব লাগিছিল। টাইগেলিনাচে জানে, তেওঁৰ নিজৰ গাত বহুতো গুণৰ অভাৱ। সেই অভাৱ পূৰাবলৈ, তেওঁ কৌশলৰ আশ্ৰয় লৈছিল। তেওঁৰ কৌশলৰো অভাৱ নাছিল। তেওঁ জানিছিল যে, পেট্ৰোনিয়াচ, আৰু লুচানকে আদি কৰি, বংশ মৰ্য্যাদা, দক্ষতা, বা জ্ঞানত শ্ৰেষ্ঠ, যি কোনো মানুহৰ লগত, তেওঁ প্ৰতিযোগিতা চলাব নোৱাৰে। গতিকে, নীচ গোলামৰ দৰে খাটি, অভূতপূৰ্ব্ব বিলাস প্ৰাচুৰ্য্যৰ প্ৰদৰ্শন কৰি, সকলোকে চমক লগাই দিবলৈ তেওঁ বদ্ধ পৰিকৰ হ'ল।

এই উদ্দেশ্য লৈ, তেওঁ ভোজৰ মেজবোৰ, সোণখটোৱা কাঠেৰে তৈয়াৰী, এখন প্ৰকাণ্ড ভুৰৰ ওপৰত, ধুনীয়াকৈ সজালে। লোহিত সাগৰ, আৰু ভাৰত মহাসাগৰৰ পৰা অনোৱা, চকুত চমক লগা শামুকৰ খোলাৰে, এই ভুৰৰ চাৰিও দাতি সজ্জিত হ'ল। মুক্তাৰ দ্যুতি, আৰু ৰামধেনুৰ সাতো ৰঙেৰে ৰঞ্জিত, এই খোলাবোৰে, ভুৰখন দেখিবলৈ অতি চমৎকাৰ কৰি তুলিলে। খেজুৰ গছ, পদুম বন, আৰু ফুলেৰে উপচি পৰা গোলাপ পুলিৰে, ভুৰৰ পাৰ ভৰি উঠিল। তাৰ মাজে, মাজে, সুগন্ধি পানীৰ নিজৰা, দেৱ দেৱীৰ মূৰ্ত্তি আৰু সোণ, ৰূপৰ সজাত থোৱা, বহুৰঙী ধুনীয়া চৰাইবোৰৰ জিলিকি থাকিল। ভুৰখনৰ সোঁ মাজত, আঁৰ বেৰ নথকা, এখন প্ৰকাণ্ড বজৰা সজা হ'ল, যাতে উৎসৱত মত্তলীয়া দলটোৰ দৃশ্য, চকুৰ আঁৰ নহয়। এই বজৰাখনৰ খুটাবোৰ ৰূপৰ, আৰু চালখন, চিৰিয়া দেশৰ কমলা বৰ্ণৰ সামগ্ৰীৰে তৈয়াৰী।

ৰভাৰ ভিতৰত, আমন্ত্ৰিতসকলৰ কাৰণে সজাই থোৱা মেজবোৰ, সূৰ্য্যৰ ৰশ্মিৰ দৰে, জিলিকিবলৈ ধৰিলে। আলেকজেণ্ড্ৰিয়াৰ আইনাৰ পাত্ৰ, স্ফটিক,

আৰু নানাবিধ বহুমূলীয়া পাথৰেৰে সজা থাল আদিৰে মেজবোৰ সুসজ্জিত হ'ল। এই আটাইবোৰ সামগ্ৰী, ইটালীৰ নানা ঠাই, গ্ৰীচ আৰু এচিয়া মাইনৰৰ পৰা অনা হৈছে। ভূৰথন, গছ গছনি, ফুল, পাতেৰে এনে ভাৱে সজালে যে, দেখিবলৈ ফুলনিৰে ভৰা দ্বীপ এটা যেন হৈ উঠিল। সোণালী আৰু কজলা ৰঙৰ জৰীৰে, ভূৰথন, নাওঁ কিছুমানত বান্ধি ৰখা হ'ল। মাছ, ৰাজহাঁহ, সমুদ্ৰৰ হাঁহ বা ফ্লেমিংগো চৰাইৰ আকৃতিৰে সজা, এই নাওঁবোৰৰ ওপৰত, হাতে, হাতে ৰঙীণ বঠা লৈ বহিল, কিছুমান নগ্ন নাৰী আৰু পুৰুষ। এই নাৰৰীয়াদলৰ দৈহিক গঠন, অতি আকৰ্ষণীয়, কেশ-বিন্যাস, প্ৰাচ্য দেশৰ আহিৰ,— কিছুমানে চুলিত গাঁথি একোটা দি, বা খোপা বান্ধি, সোণালী জালেৰে ঢাকি লৈছে। পপিয়া আৰু অগষ্টান সকলৰে সৈতে, চিজাৰ আহি ভূৰথনত উঠি, কজলা ৰঙৰ ৰভাৰ তলত আসন গ্ৰহণ কৰাৰ লগে, লগে, বঠাবোৰে পানীত আঘাত কৰিবলৈ ধৰিলে, সোণালী জৰীবোৰত টান পৰিল আৰু নাওঁবোৰ, আগলৈ উফৰি যোৱাদি গল। দৃশ্যটো সঁচাকৈয়ে আকৰ্ষণীয় হৈ উঠিল। ভোজনকাৰী সকলৰে সৈতে, মেজথন আৰু গোঁটেই পাথনিটো, হ্ৰদৰ চাৰিওফালে, চক্ৰাকাৰে ঘুৰিবলৈ ধৰিলে। তাৰ পাচত, বীণা আৰু অন্যান্য তাঁৰ বাদ্য বজাই থকা, সুন্দৰী নাৰীৰে পূৰ্ণ নাওঁ কিছুমান আহি, ভূৰখন বেৰি ধৰিলে। এওঁলোকৰ গোলাপ ফুল সদৃশ দেহৰ ছবি, নীলা আকাশৰ পটভূমিত উজ্জ্বল হৈ উঠিল। গভীৰ জলাশয়তো প্ৰতিবিম্বিত হল, সোণালী ৰঙৰ বীণাৰে সৈতে, তেওঁলোকৰ অনুপম চিত্ৰ। আকাশৰ নীলা, আৰু নিজ, নিজ প্ৰতিবিম্বৰ বুকত যেন সকলোৱে অস্তিত্ব হেৰুৱাই পেলালে। নানা ৰঙলৈ ৰূপান্তৰিত হোৱা, মায়াভৰা একোপাহ ফুলৰ দৰে সকলো উদ্ভাসিত হৈ উঠিল।

হ্ৰদৰ পাৰত থকা জাৱণি, আৰু সেই বিশেষ দিনৰ কাৰণে নিৰ্ম্মাণ কৰা আচৰিত ধৰণৰ ঘৰবোৰৰ পৰা, সঙ্গীতৰ সুৰ আহিবলৈ ধৰিলে। বনভূমি, আৰু আশে, পাশে থকা ঠাইবোৰ, সুৰৰ মদিৰাৰে পূৰ্ণ হল। বহুদূৰলৈকে, শিঙা আৰু বেণুৰ শব্দৰ প্ৰতিধ্বনি উঠিল। পপিয়া আৰু পাইথাগোৰাচৰ মাজত আসন লৈ বহা, চিজাৰো বিস্ময়াভিভূত হল। নাওঁবোৰৰ মাজে, মাজে যেতিয়া, সেউজীয়া ৰঙৰ জাল মেৰিয়াই, জলকুঁৱৰী সাজি কিছুমান কুমাৰী ছোৱালী ওলাবলৈ ধৰিলে, তেতিয়া, সকলোৱে আশ্চৰ্য্যপূৰ্ণ দৃষ্টি নিক্ষেপ কৰিলে। নিৰোৱে টাইগেলিনাচক প্ৰশংসা নকৰি নোৱাৰিলে, কিন্তু প্ৰশংসাৰ বাণী উচ্চাৰণ কৰি থাকোতেও অভ্যাসবশতঃ পেট্ৰোনিয়াচৰ চকুলৈ চালে, —'ৰূপ-লাৱণ্যৰ বিচাৰকৰ'

অভিমত সঠিকভাৱে জানিবৰ কাৰণে। দেখা গল, এনেবোৰ দৃশ্যক যেন, পেট্ৰোনিয়াচে বিশেষ মূল্য দিয়া নাই। অৱশেষত নিৰোৰ পোণপটীয়া প্ৰশ্নৰ উত্তৰত তেওঁ কলে, "প্ৰভু, মোৰ মনেৰে, দহ হাজাৰ নগ্ন কুমাৰী কন্যাই আমাৰ ইন্দ্ৰিয়ানুভূতিক যিমান প্ৰমোদিত কৰিব, এজনী নগ্ন যুৱতীয়ে তাতকৈ বেচি কৰিব!"

অৱশ্যে চিজাৰে এই ভাসমান ভোজন কক্ষটো দেখি বৰ আমোদ পাইছিল। ইয়াত অভিনৱত্ব নিশ্চয় আছে। ভোজন বিলাসী বুলি নাম থকা, এপিচিয়ান এজনৰ উদ্ভাৱনী শক্তি বা সামৰ্থ্যক লাজত পেলাব পৰাকৈ, অতি উপাদেয় আহাৰ পৰিবেশন কৰা হল। উৎকৃষ্ট সুৰাও আহিল, হাজাৰ ৰকমৰ। দেখা হলে, আনকি ওথোৱেও (যাৰ ঘৰত, ভিন, ভিন, চাৰিকুৰি বিধ সুৰা পৰিবেশন কৰাৰ ৰীতি আছে)— অপমানত মৃতপ্ৰায় হৈ, মেজৰ তলত মুখ লুকুৱালেহেঁতেন। অতিথিসকলৰ মাজত, ভিনিকিয়াচ জাকত জিলিকা হৈ পৰিল। আগতে তেওঁৰ মুখত আৰু ব্যক্তিত্বত, কাৰ্য্যক্ষম সৈনিকৰ সাঁচ স্পষ্ট দেখা গৈছিল, কিন্তু এতিয়া নিৰাশা আৰু শাৰীৰিক কষ্টই, তেওঁৰ মুখৰ ভাব বেচি মাৰ্জ্জিত কৰিছে,— এজন ভাস্কৰৰ সুন্দৰ হাতৰ স্পৰ্শত যেন, তেওঁৰ মুখশ্ৰী আকৰ্ষণীয় হৈ উঠিছে। তদুপৰি, তেওঁৰ পূৰ্ব্বৰ তাম বৰণো এতিয়া নাই। নিউমিদিয়াৰ মাৰ্ব্বলৰ দৰে মসৃণ, তেওঁৰ গাৰ ৰঙ, উজ্জ্বল সোণৰ দৰে হৈ পৰিছে। তেওঁৰ আয়ত চকুৰ দৃষ্টিত প্ৰকাশ পাইছে, বিমৰ্ষ ভাব। তেওঁৰ দৈহিক গঠন এতিয়াও দৃঢ় আৰু বলিষ্ঠ। বৰ্ম্ম পিন্ধাৰ উপযোগী, তেওঁৰ গাৰ এই গঠন। তেওঁৰ উন্নত মস্তকৰ গৰ্ব্বিত ভঙ্গীও একেদৰে আছে। পেট্ৰোনিয়াচে অভিজ্ঞ ব্যক্তিৰ দৰেই কৈছিল, ভিনিকিয়াচৰ হাতত পৰিলে, অগষ্টান সকলৰ ভিতৰত, কোনো নাৰীয়ে আত্মসমৰ্পণ নকৰাকৈ নোৱাৰে। উপস্থিত প্ৰতি গৰাকী নাৰীৰ দৃষ্টিয়ে যেন ভিনিকিয়াচকে বিচাৰিলে। আনকি পপিয়া আৰু ভেষ্টা মন্দিৰৰ চিৰকুমাৰী, ব্ৰতচাৰিণী সেৱিকা ৰুব্ৰিয়াইও, ভিনিকিয়াচৰ বলিষ্ঠ, মনোৰম দেহৰ পৰা দৃষ্টি ঘূৰাই আনিব নোৱাৰিলে। অৱশ্যো, চিজাৰৰ বিশেষ আগ্ৰহৰ কাৰণেহে, ৰুব্ৰিয়া ভোজ মেলত উপস্থিত হৈছেহি।

হিম শীতল সুৰা পান কৰি, ভোজনকাৰী সকলে হৃদয় আৰু মস্তিষ্কত, কন্ধেৰ ভিতৰতে, উত্তেজনাৰ উত্তাপ অনুভৱ কৰিলে। মুহূৰ্ত্তে, মুহূৰ্ত্তে, কাকতি-

ফৰিং অথবা জিয়াঁ পোকৰ আকৃতিৰে নিৰ্ম্মাণ কৰা নতুন, নতুন নাওঁ কিছুমান, হাবিৰে ঢাক খাই থকা, হ্ৰদৰ পাৰৰ পৰা, ওলাবলৈ ধৰিলে। এই নাওঁবোৰত, বন্ধা সোণালী জৰীবোৰৰ মূৰত, ভাৰত আৰু আফ্ৰিকা দেশীয় চৰাই কিছুমানে, ডেউকা কোবাই ধপ্‌ধপাবলৈ ধৰিলে। ইতিমধ্যে বেলিটো আকাশৰ বুকত, বহুদূৰ আগবাঢ়িল। বসন্তৰ এই সুন্দৰ দিনটো, বেচ গৰম হৈ উঠিল। ভূৰখন, বঠাৰ চেৰে, চেৰে, ধীৰ গতিত ঘূৰিবলৈ ধৰিলে। অতিথিবৃন্দৰে সৈতে, গোটেই গাঁথনিটো, লাহে, লাহে সন্মুখৰ ফালে ভাঁহি গৈ থাকোঁতে, হ্ৰদৰ চাৰিওফালে থকা, গছৰ পাত এটিও বতাহত লৰা নাছিল। ক্ৰমান্বয়ে নিবোৰ অতিথিসকল, বেচি উন্মত্ত আৰু মুখৰ হৈ উঠিল। ইতিমধ্যে তেওঁলোকে প্ৰথমতে বহা নিৰ্দ্দিষ্ট আসন এৰি, আন ঠাইত বহিছে। চিজাৰেই প্ৰথমে থিয় হৈ, কত্ৰিয়াৰ ওচৰত বহি থকা ভিনিকিয়াচক উঠাই, সেই ঠাইত নিজে বহি, আহিঁ দেখুৱাই দিলে। তাৰ পাচত সম্ৰাটে কাণে, কাণে কথা কবলৈ ধৰিলে,—ভেষ্টা মন্দিৰৰ শুচিব্ৰতা কুমাৰীৰ লগত। এতিয়া ভিনিকিয়াচ আৰু পপিয়া, একেবাৰে ওচৰাওচৰি হ'ল। পপিয়াই তৎক্ষণাত নিজৰ বাহু এটা ভিনিকিয়াচৰ ফালে আগবঢ়াই দি, কাপোৰৰ গাঁথিটো টান কৰি দিবলৈ অনুৰোধ কৰিলে। গাঁথিটো টান কৰি দিওঁতে, বিচাৰপতি জনৰ হাতখন অলপ কঁপি উঠিল। কথাটো গম পাই, পপিয়াই তেওঁৰ কাষলৈ হালি গৈ, প্ৰশস্ত আখি পল্লৱ নত কৰি, ভ্ৰূচকুত অলপ দ্বিধাৰ ভাব দেখুৱাই, অনিচ্ছাৰ ভঙ্গীত, সোণালী কেশদামেৰে পূৰ্ণ মস্তক সঞ্চালন কৰিলে।

এই সময়তে, প্ৰকাণ্ড অগ্নিপিণ্ডৰ দৰে বেলিটো, গছবোৰৰ আঁৰত, লাহে, লাহে অস্ত গৈছে। প্ৰায় সকলো আলহীয়েই এতিয়া পানোন্মত্ত হৈ উঠিছে, আৰু ভূৰখন চক্ৰাকাৰে পাৰৰ ফালে গতি কৰিছে। সিপাৰৰ গছ আৰু ফুল-বোৰৰ মাজত, জুমে, জুমে মানুহ কিছুমানে বন দেৱতাৰ দৰে সাজি, বাঁহী, বনৰ দেৱতাই বজোৱা পেপা, খঞ্জৰী আদি নানা বাদ্য বজাবলৈ ধৰিলে। পৰী আৰু বনদেৱীৰ বেশত, যুৱতী সকলে, চঞ্চল খোজেৰে অহা যোৱা কৰি থাকিল। গধূলিৰ আগমণত, সম্ভ্ৰমপূৰ্ণ ধ্বনিৰে, লুনা দেৱীক প্ৰণাম জনোৱা হ'ল, আৰু চকুৰ পচাৰতে, বনভূমি সহস্ৰ বন্তিৰে আলোকিত হ'ল। পাৰত থকা, নব নিৰ্ম্মিত ভৱনবোৰত পোহৰ চমকি উঠিল। এই প্ৰমোদ ভৱনৰ ওপৰৰ খোলা ঠাইবোৰত, ৰোমৰ উচ্চ বংশৰ মানুহৰ পত্নী আৰু কন্যা সকলৰ নগ্ন দেহৰ গৰ্বিত ৰূপৰ প্ৰদৰ্শন হবলৈ ধৰিলে। ইঙ্গিতেৰে, আৰু কথাৰে, ইহঁতে আমন্ত্ৰণ জনালে,—

চিজাৰৰ প্ৰিয় সঙ্গীসকলক। অৱশেষত, ভূৰখন আহি পাৰত লাগিল। আৱৰ্ণিৰ মাজেদি নৰি গৈ, চিজাৰ আৰু অগষ্টান সকলে, সেই ঘৰবোৰ বেৰি ধৰিলে। তব আৰু উদ্যান কুটীৰবোৰো, মানুহেৰে ভৰি পৰিল। প্ৰতিজন মানুহেই এতিয়া উন্মত্ত। এই সময়ত, চিজাৰৰ খবৰ কোনেও নাৰাখিলে। কোনজন চিনেটৰ সভ্য, কোন সৈনিক, কোন প্ৰৱঞ্চক, বা কোনজন গায়ক, তাৰো কোনো বিচাৰ নাথাকিল। বন দেৱতা আৰু ফন দেৱতা বেশীইতে, ছিৰিছিৰি মাৰি, পৰীইতক খেদি গল। দৃশ্যটো যাতে আন্ধাৰত ডুব যায়, সেই উদ্দেশ্যে, সিহঁতে নিজৰ হাতে, হাতে থকা আইভি লতাৰে মেৰিওৱা দণ্ডেৰে চাকিবোৰ ভাঙি দিলে। ইতিমধ্যে, চাৰিওফালে থকা জোপোহাবোৰৰ কেইটামানত চাকিৰ পোহৰ নোহোৱা হল, আৰু এইবোৰৰ পৰা, তীক্ষ্ণ চিঞৰ, হাঁহি, অস্ফুট স্বৰ আৰু ফোঁপনি শুনা গল।

চিজাৰৰ ৰাজ প্ৰাসাদত হোৱাৰ দৰে মাতাল হৈ উঠা নাছিল, ভিনিকিয়াচ। তথাপিও, তেওঁৰ কেউফালে ঘটিবলৈ ধৰা উন্মত্ত লীলাই, কন্তেকৰ বাবে হলেও, তেওঁৰ মনৰপৰা, লিজিয়াৰ স্মৃতি মোহাৰি পেলালে। তেওঁৰ ধমনীত, উপভোগৰ উত্তাপ জাগি উঠিল, আৰু জপিয়াই গৈ, আৱৰ্ণিত সোমাই, তেওঁ সঙ্গীবৃন্দৰ লগ লাগিল। নিজৰ ৰুচি অনুযায়ী, বনৰ পৰী এজনী পাবলৈ, তেওঁ চাৰিও-ফালে বিচাৰিবলৈ ধৰিলে। মুহূৰ্ত্তে, মুহূৰ্ত্তে, দেৱীৰ বেশেৰে প্ৰমদাসকল দলে, দলে, তেওঁৰ কাষেদি পাৰ হৈ গল। বনদেৱতা, চিনেটৰ সভ্য, ফন দেৱতা আৰু নাইট সকলক ইহঁতে আকৰ্ষণ কৰি, পাচে, পাচে টানি নিলে। অৱশেষত ভিনিকিয়াচে দেখিলে, শোভাযাত্ৰা কৰি অহা, কুমাৰী ছোৱালীৰ দল এটা। ডায়েনাৰ দৰে সাজ পিন্ধা কোনোবা এজনীয়ে, এই শোভাযাত্ৰাৰ নেতৃত্ব কৰিছে। দেৱীৰ সাজেৰে সজ্জিতা এই ছোৱালীজনীক ওচৰৰপৰা চাবলৈ, সিহঁত যোৱাৰ ফালে লৰ মাৰি গৈ, ভিনিকিয়াচে হঠাৎ অনুভৱ কৰিলে, তেওঁৰ প্ৰাণৰ স্পন্দন যেন বন্ধ হৈ যাব খুজিছে। মুহূৰ্ত্তৰ বাবে, এই ডায়েনাৰ মাজত তেওঁ দেখিলে, সোণালী ক্ৰচ হাতত লৈ থকা, স্বয়ং লিজিয়াৰে ৰূপ! দলটোৱে তেওঁক বেৰি ধৰি, আনন্দ মনেৰে নাচিবলৈ ধৰিলে। তাৰ পাচত, পিচে, পিচে, খেদি যাবলৈ উত্তে-জিত কৰি, ত্ৰস্তা বনহৰিণীৰ দৰে সিহঁত পলাই গল। এই ডায়েনাক এতিয়া আৰু লিজিয়া বুলি কব নোৱাৰি,—লিজিয়াৰ দৰেও নহয়। তেওঁ য'তে আছিল, তাতে ৰ'ল। প্ৰগাঢ় অনুভূতিয়ে তেওঁক স্তব্ধ কৰি দিলে।

হঠাৎ তেওঁৰ মনত প্ৰবল ইচ্ছা জাগি উঠিল,—প্ৰেয়সীৰ কাষত থাকিবলৈ ঃ তেওঁৰ মানত, তাই আগতকৈও বেচি পবিত্ৰ হৈ উঠিল। এই নীচ, বন্য ব্যভিচাৰৰ পটভূমিত, তাই তেওঁৰ যিমান মৰমৰ হৈ উঠিল, আগতে যেন কোনো দিনে সিমান হোৱা নাছিল। অলপ সময়ৰ আগতে, তেওঁ মাল্য শোভিত সুৰা-পাত্ৰ এটা নিঃশেষে পান কৰিব খুজিছিল। কিন্তু এতিয়া, তেওঁৰ মনলৈ আহিল,—কেৱল বিৰক্তি আৰু ঘৃণা। লজ্জা আৰু ধিক্কাৰত, তেওঁৰ কণ্ঠৰোধ হৈ, নিশ্বাস বন্ধ হোৱাৰ উপক্ৰম হল। আকাশৰ তৰাও যেন, কোনোবা ফালে অন্তৰ্দ্ধান হল!

হয়, এই আন্ধাৰ, কদৰ্য্য জাৰণিথনৰ পৰা, তেওঁ পলাই গুচি যাব! দহ খোজমান গৈয়ে তেওঁ দেখিলে, ওৰণিৰে মুখ ঢকা, এজনী নাৰী! তেওঁৰ কান্ধত দুয়োখন হাত থৈ, আকণ্ঠ উদগ্ৰীৱ স্বৰে, তাই কাণে, কাণে, কলে, "মই তোমাক ভাল পাওঁ। আঁহা, আমাক কোনেও নেদেখে। শীঘ্ৰে! শীঘ্ৰে!"

ভিনিকিয়াচৰ অৱস্থা, সপোনৰ পৰা সাৰ পাই উঠাৰ দৰে।

"কোন তুমি?" তেওঁ সুধিলে।

ৰমণীয়ে তেওঁৰ গাৰ আৰু ওচৰ চাপি গৈ, পুণৰ কলে, "সোনকালে! সোনকালে! চোৱা, আমি দুয়ো ইয়াত একেবাৰে অকলশৰীয়া। মই তোমাক ভাল পাওঁ! মই তোমাক ভাল পাওঁ!"

"আকৌ সুধিছো, কোৱা, তুমি কোন।"

"অনুমান কৰা।"

ভিনিকিয়াচৰ কণ্ঠ আলিঙ্গন কৰি, ওৰণিৰ আঁৰতে, ৰমণীয়ে নিজৰ ওঁঠ, তেওঁৰ ওঁঠত সজোৰে লগাই দিলে।

"এইয়া অভিসাৰৰ,—উপভোগৰ নিশা!" তাই কলে, "আজি নিশা, নিয়মৰ বান্ধ নাই। মোক তোমাৰ ওচৰলৈ টানি লোৱা।"

তাইৰ ওঁঠৰ স্পৰ্শই, তেওঁৰ বিৰক্তি বঢ়াই তুলিলে। তেওঁৰ চিন্তা, ভাবনা আৰু তেওঁৰ হৃদয়, এতিয়া আন ঠাইত আবদ্ধ। গোটেই পৃথিবীতে, লিজিয়াক বাহিৰে, আন কোনো নাৰী নাই, তেওঁৰ বাবে। অৱগুণ্ঠিতা ছায়া মূৰ্ত্তিক তেওঁ ঠেলি আতঁৰাই দিলে।

"তুমি যেয়ে নোহোৱা লাগিলে, মোৰ কথা শুনা। মোৰ হৃদয় আন এঠাইত বন্দী। তোমাৰ প্ৰেম আলিঙ্গনলৈ মোৰ স্পৃহা নাই।"

ছাঁয়া মূৰ্ত্তিয়ে তেওঁৰ ওচৰলৈ গৈ কলে, "ওৰণি গুচাই দিয়া।" লগে, লগে, কাষৰ মাৰ্টল গছৰ মাজৰপৰা, এটা শব্দ উঠিল। অদ্ভুত, জিঘাংসু হাঁহি এটা মাৰি, ছাঁয়া মূৰ্ত্তি আঁতৰি পলাল।

ইয়াৰ পাচত অহা মানুহজন পেট্ৰোনিয়াচ। "মই সকলো দেখিছো, আৰু সকলো শুনিছো।" তেওঁ কলে।

"তেন্তে যাওঁ বলা।" ভিনিকিয়াচে উত্তৰ দিলে।

জলমলাই থকা, বিশেষত্বপূৰ্ণ বিলাস ভৱন, ওৰনি জোপোহা বন আৰু অশ্বাৰোহী প্ৰহৰীৰ ঘেৰটো পাৰ হৈ, তেওঁলোক তত্তালিকে আহি, অপেক্ষাৰত দোলা কেইখনৰ কাষত বৈ গল।

"মই তোমাৰ লগতে ঘৰলৈ যাম।" পেট্ৰোনিয়াচে কলে। দুয়ো একে-লগে দোলা এখনত উঠিল। ভিনিকিয়াচৰ ঘৰৰ এট্ৰিয়াম কক্ষত ভৰি দিয়াৰ আগলৈকে, কোনেও এটা কথাও নকলে। ভিতৰলৈ সোমাওঁতে, পেট্ৰোনিয়াচে সুধিলে, "সেই গৰাকী কোন জানানে?"

"কত্ৰিয়া?"

"নহয়।"

"কোন তেন্তে?"

পেট্ৰোনিয়াচে মাততো সৰু কৰি বলে, "সঁচা, ভেষ্টাদেৱীৰ পবিত্ৰ অগ্নি কলুষিত হৈছে। কাৰণ, কত্ৰিয়াই চিজাৰৰ লগত শুইছিল। কিন্তু তোমাক প্ৰেম নিবেদন কৰিবলৈ অহা গৰাকী হ'ল— মাততো আৰু সৰু কৰি, তেওঁ কলে, "স্বয়ং অগষ্টা পপিয়া!"

অলপপৰ দুয়ো নীৰৱ।

পেট্ৰোনিয়াচে পুণৰ কলে, "কত্ৰিয়াৰ প্ৰতি চিজাৰৰ উন্মত্ত কামনাৰ কথা, পপিয়াই নজনাকৈ থকা নাই। খুব সম্ভৱ, তাইৰ মনত প্ৰতিশোধৰ ভাবে ঠাই লৈছিল। মই ইচ্ছা কৰিয়ে তোমালোকক বাধা দিছিলো। কাৰণ, অগষ্টাক চিনি পোৱাৰ পাচতো, তুমি তাইক বিমুখ কৰি পঠোৱা হলে, তোমাৰ সৰ্ব্ব-নাশ হলহেঁতেন, লগতে লিজিয়াৰ আৰু হয়তো মোৰো।"

"উস!" ভিনিকিয়াচে হঠাৎ চিঞৰ মাৰি কলে, "ৰোম, চিজাৰ, উৎসৱ, অগষ্টা, টাইগেলিনাচ—তোমালোকৰ আটাইবিলাকে মোক তিক্ত কৈছা লগাই

দিছে,—মোৰ উশাহ বন্ধ কৰিছে! এনে জীৱন মই নিবিচাৰো। এই জীৱনক লৈ, মই নোৱাৰিম থাকিব! কেতিয়াও নোৱাৰো মই! তুমি বুজিছানে মোৰ কথা?"

"হয়, মই বুজিছো। তোমাৰ মস্তিষ্কৰ বিকৃতি ঘটিছে! তুমি নিজৰ শ্ৰেষ্ঠ বিবেচনা শক্তি, আৰু পৰিমিত আচৰণ নিষ্ক্ৰিয় কৰি পেলাইছা।"

"এই জগতত মই একমাত্ৰ লিজিয়াক ভাল পাওঁ।"

"পিচে?"

"গতিকে আন কাৰো ভাল পোৱাৰে মোৰ স্পৃহা নাই। এই জীৱনলৈ,—তোমালোকৰ ভোজ উৎসৱবোৰলৈ, তোমালোকৰ ব্যভিচাৰবোৰলৈ আৰু তোমালোকৰ পাপ কৰ্ম্মলৈ,—মোৰ অকণো হাবিয়াস নাই।"

"তোমাৰ হ'ল কি? তুমিও খৃষ্টিয়ান হৈ গলা নেকি?"

যুৱকে হাতৰ মাজত নিজৰ মূৰটো চেপা মাৰি ধৰি, হতাশভাৱে চিঞৰি উঠিল, "নাই হোৱা এতিয়ালৈকে। হায়! নাই হোৱা এতিয়াও!"

॥ ১০ ॥

ঘৰলৈ উলটি যাওঁতে, অস্বস্তিৰ ভাবত, পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে। এই মাত্ৰ তেওঁৰ মনত উদয় হল,—ভিনিকিয়াচ আৰু তেওঁৰ মনৰ কথা, আৰু কোনো দিনেই একে নহয়।

ইমানদিনে যুৱক সৈনিকজনৰ ওপৰত, পেট্ৰোনিয়াচে প্ৰভাৱ বিস্তাৰ কৰি আছিল। প্ৰতিটো বিষয়তে, তেৱেঁই আছিল ভিনিকিয়াচৰ আহি স্বৰূপ। ভিনিকিয়াচক, কিবা কাম হাতত লোৱাত, বা এৰি অহাত সহায় কৰিবলৈ, পেট্ৰোনিয়াচৰ মুখৰ দুই এষাৰ, বিদ্ৰুপপূৰ্ণ মন্তব্যই যথেষ্ট আছিল। বৰ্ত্তমান এই প্ৰভাৱৰ সমাপ্তি ঘটিছে। পেট্ৰোনিয়াচেও বুজি উঠিছে যে, বিবিলাক উপায় আগতে ফলপ্ৰদ বুলি প্ৰমাণিত হৈছিল, সেইবিলাকৰ এতিয়া কোনো কাম নাই। অভিজ্ঞ সন্দেহবাদী তেওঁ। গতিকে তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে, এই মনৰ দুৱাৰৰ চাবি তেওঁৰ হাতত আৰু নাই।

ভিনিকিয়াচৰ প্ৰতি অগষ্টাৰ ই সাময়িক দুৰ্ব্বলতা নহৈ প্ৰগাঢ় অনুৰাগ বুলি যদি ধৰি লোৱা হয়, তেন্তে এই দুটা পৰিণতিৰ ভিতৰত এটা নিশ্চয় ঘটিব—সি যদি তাইক বাধা দিবলৈ অক্ষম হয়, তেন্তে তাৰ নিজৰ জীৱনলৈ ভাবিব নোৱাৰা দুৰ্ভাগ্য আনিব, আৰু যদি তাইক অৱজ্ঞা কৰি আঁতৰাই পঠিয়ায়, তেন্তে তাৰ সৰ্ব্বনাশ নিশ্চিত। তাৰ বৰ্ত্তমান মানসিক অৱস্থালৈ চাই, পিচৰটো হোৱাই সম্ভৱ। সেয়ে যদি হয়, অগষ্টাৰ অসন্তুষ্টিয়ে তেওঁলোকৰ আটাইকেইজনকে বিপদত পেলাব। তেতিয়া টাইগেলিনাচেও পপিয়াৰ কৃপা লাভ কৰিব।

সকলো দিশৰ পৰা মন কৰিলে, ঘটনাৰ গতি, বেয়াৰ ফাললৈ ঢাল খাব যেন্‌েই লাগে। পেট্ৰোনিয়াচৰ মনোবল আছে,-মৃত্যুলৈ তেওঁৰ ভয় নাই। তথাপিও, দেখা দেখিকৈ পপিয়াৰ অপ্ৰীতি ভাজন হোৱাৰ কোনো অৰ্থ নাই। ভাবি, চিন্তি, তেওঁ ইয়াকে স্থিৰ কৰিলে যে, সাৰি যোৱাৰ আটাইতকৈ উত্তম উপায় হ'ল, ভিনিকিয়াচক দেশ ভ্ৰমণলৈ পঠিওৱা। যুৱক বিচাৰপতিজন পুণৰ অসুস্থ হৈ পৰিছে বুলি, তেওঁ সৰ্ব্বলোকতে উলিয়াই দিব। এই উপায়েৰে, তেওঁ নিজৰ আৰু ভিনিকিয়াচৰ বিপদ আঁতৰাব। সম্ভৱতঃ, পপিয়াই সঠিক নজানে, ভিনিকিয়াচে তাইক চিনি পাইছিল নে নাই। হৈ যোৱা ঘটনাই, তাইৰ আত্ম-প্ৰীতিত বেচি আঘাত দিয়া নাই যেন লাগে। কিন্তু ভৱিষ্যতৰ বাবে সাৱধান হোৱা ভাল। আন কথা বাদ দি, পেট্ৰোনিয়াচে চিন্তা কৰিলে, কিদৰে হাতত যথেষ্ট সময় ৰখা যায়। তেওঁ জানে, চিজাৰ যদি এবিয়ালৈ যায়, শিল্প কলা বিষয়ত অজ্ঞ, টাইগেলিনাচে সম্ৰাটৰ প্ৰিয়পাত্ৰ হিচাবে, মুখ্য স্থান লাভ কৰিবলৈ অক্ষম হ'ব।

পেট্ৰোনিয়াচৰ মনলৈ এনে এটা ধাৰণাও আহিল যে, যদি কেনেবাকৈ চিজাৰৰ হতুৱাই, খৃষ্টিয়ানইতক, ৰোমৰ পৰা বহিষ্কাৰ কৰিবলৈ, আদেশ জাৰি কৰাব পৰা যায়, তেতিয়া স্বধৰ্ম্মীইতৰ লগত, লিজিয়াও ৰোম এৰি গুচি যাব আৰু ভিনিকিয়াচে তাইক অনুসৰণ কৰিব। এই ক্ষেত্ৰত, তেওঁক ভ্ৰমণ কৰিবলৈ উদগনি দিয়াৰ প্ৰয়োজনেই নহব। এই উপায়টো নিশ্চয় অসম্ভৱ নহয়। ক্লডিয়াচে আটাইবিলাক ইহুদীকে উলিয়াই পঠিওৱা, সৰহ দিন হোৱা নাই। অৱশ্যে, তেতিয়া খৃষ্টিয়ানৰ প্ৰতি ঘৃণাৰ ভাব পোষণ কৰা ইহুদীবোৰে, দেশত অশান্তিৰ সৃষ্টি কৰিছিল। সম্ৰাট ক্লডিয়াচে, এই দুটা সম্প্ৰদায়ৰ ভিতৰত কোনটো ইহুদী আৰু কোনটো খৃষ্টিয়ান একো নাজানিছিল।

গতিকে, ঠিক সেই একে দৰে, নিৰোৱে খৃষ্টিয়ানইতক উলিয়াই পঠিয়াব নোৱাৰিব কিয় ? তাকে কৰিব পাৰিলে, ৰোমবাসীক বহুত খিনি সকাহ দিয়া হ'ব। ভাসমান ভোজ উৎসৱ হৈ যোৱাৰ পিচৰে পৰা, পেট্রোনিয়াচে প্ৰতি দিন নিৰোৰ লগত সাক্ষাত কৰিলে,—কেতিয়াবা ৰাজপ্ৰাসাদত, আৰু কেতিয়াবা আন ঠাইত। গতিকে, এনে এটা ধাৰণা, সম্ৰাটৰ মূৰত সুমুৱাই দিয়াটো, লৰাৰ খেমালিৰ নিচিনা সহজ,—বিশেষকৈ, যিহেতু মৃত্যু আৰু ধ্বংসৰ আচনি, নিৰোৱে কেতিয়াও নামঞ্জুৰ নকৰে। এই আচনি, এনেদৰে কাৰ্য্যকৰী কৰা যায়: পেট্রোনিয়াচে নিজৰ ঘৰত ভোজ পাতি, চিজাৰক নিমন্ত্ৰণ কৰিব আৰু তাতে তেওঁক উচটাই দি, এই আজ্ঞা প্ৰচাৰ কৰাব। তদুপৰি, পেট্রোনিয়াচে অনুমান কৰাৰে' যথেষ্ট কাৰণ আছে যে, চিজাৰে এই কামৰ ভাৰ তেওঁৰ ওপৰতে অৰ্পণ কৰিব। তেতিয়া তেওঁ, ভিনিকিয়াচৰ প্ৰেয়সী লিজিয়াক, যথোচিত আদৰ, সন্মান পূৰ্ব্বক, বেণ্টাইৰ নিচিনা কোনোবা ঠাইলৈ পঠিয়াই দিব। তাত ভিনিকিয়াচৰ সৈতে মিলিত হৈ পৰস্পৰে কাম-লিপ্সা চৰিতাৰ্থ কৰিব পাৰিব আৰু নিজকে খৃষ্টিয়ান বুলিও জনাব।

অৱশেষত, স্বয়ং চিজাৰৰ মুখতে, পেট্রোনিয়াচে শুনিবলৈ পালে যে, তিনি দিনৰ ভিতৰতে, সকলো এন্টিয়ামলৈ যাব লাগিব। পিচদিনা এই বাতৰি লৈ তেওঁ ভাগিনিয়েকৰ ওচৰ পালেগৈ।

তেতিয়া ভিনিকিয়াচে, সেইদিনা পুৱাই, চিজাৰৰ মুক্ত দাস এটাই, তেওঁলৈ অনা, নিমন্ত্ৰিতৰ তালিকা এখন, পেট্রোনিয়াচক দেখুৱালে।

"ইয়াত মোৰ নামো আছে," যুৱকে কলে, "আৰু তোমাৰ নামো আছে; ঘৰলৈ উলটি গৈ হয়তো ঠিক এনেকুৱা এখন তালিকাকে দেখিবা।"

"নিমন্ত্ৰিত অতিথিসকলৰ নামৰ মাজত, নিজৰ নামটো নেদেখা হলে, জানিলোহেঁতেন,—যিকোনো মুহূৰ্ত্ততে, মোৰ মৃত্যুদণ্ডৰ আজ্ঞা আহিব পাৰে। কিন্তু একিয়া অভিযান সমাপ্ত নোহোৱা পৰ্য্যন্ত এই আজ্ঞা পোৱাৰ, আশা নকৰো। কাৰণ তাত মই নিৰোৰ উপকাৰত আহিম।" পেট্রোনিয়াচে জনালে।

তাৰ পাচত, তালিকাখন, চকু ফুৰাই চাই কলে, "ঘৰ আহি পাইছোহে মাথোন, আকৌ এন্টিয়ামলৈ যাবৰ হলেই। পিচে, হবলগীয়াটো হ'বই। এনে ধৰণৰ নিমন্ত্ৰণৰ অৰ্থ হল,—আদেশ জাৰি।"

"যদি কোনোবাই অমান্য কৰে ?"

"তেতিয়া ভেঙ, আন ধৰণৰ নিমন্ত্ৰণ পাবা,—বহু দূৰলৈ ভ্ৰমণৰ নিমন্ত্ৰণ,- য'ৰপৰা উলটি আহিব নোৱাৰি। তুমি কিহৰ বাবে, মোৰ উপদেশ নললা? সময় থাকোঁতেই, ৰোম এৰি নগলা কিয়? এতিয়া এন্টিয়ামলৈ যোৱাৰ বাহিৰে, তোমাৰ অন্য উপায় নাই।"

"হয়, এতিয়া এন্টিয়ামলৈ যোৱাৰ বাহিৰে, মোৰ আন গতি নাই। তুমি নিজে জানো, মুজা নাই, আমি কেনেকুৱা এটা সময়ত জীয়াই আছো? হত-ভাগা গোলাম আমি!"

"তুমি আজিহে কথাটো আৱিষ্কাৰ কৰিলা নেকি?"

"নহয়। কিন্তু চোৱা, তুমি মোক প্ৰমাণ কৰি দেখুৱাব খুজিছিলা যে, খৃষ্টিয়ান ধৰ্ম্ম হ'ল, জীৱন উপভোগৰ শত্ৰু। ই মানুহক শৃঙ্খলাবদ্ধ কৰিছে। কিন্তু আমি এতিয়া যি শিকলিৰ ভাৰ বৈছো, তাতকৈ গধুৰ শিকলি আছে জানো কিবা? তুমি এই কথাও কৈছিলা যে, গ্ৰীচ হল, সৌন্দৰ্য্য আৰু জ্ঞানৰ জন্মদাত্ৰী, আৰু শক্তিৰ জন্মদাত্ৰী হ'ল ৰোম। কিন্তু আমাৰ শক্তি কত?"

"এই কথা, চিলোক সুধিবা। এতিয়া দাৰ্শনিক সজাৰ স্পৃহা মোৰ নাই। হাৰ্কিউলিজৰ শপত! সময়ৰ সৃষ্টিকৰ্ত্তা মই নহওঁ, আৰু এনে সময়ৰ কাৰণে, মই দায়ী নহওঁ। তাতকৈ আহা, আমি এন্টিয়ামৰ কথাকে পাতো। মনত ৰাখিবা, ভয়ানক বিপদে তোমাৰ পিচ লৈছে। এই ঠাইলৈ যোৱাতকৈ, আনকি, ক্ৰোটো বা উৰচাচৰ লগত হতাহতি যুঁজ কৰাও, তোমাৰ পক্ষে ভাল হলহেঁতেন।"

ভিনিকিয়াচে আওকণীয়া ভাৱ দেখুৱাৰ ভঙ্গী কৰিলে।

"বিপদ?" ভেঙ চিঞৰি কলে, "কিয় প্ৰতি মুহূৰ্ত্তত জানো আমি মৃত্যুৰ আন্ধাৰৰ মাজত, হাত খেপিয়াই পথ বিচাৰি থকা নাই? প্ৰতি মুহূৰ্ত্তত আন্ধাৰৰ আঁৰত, কিছুমান মূৰ খহি পৰা নাইনে?"

"তেন্তে শুনা, মই এখন ধূৰ্ত্ত লোকৰ তালিকা দিওঁ। টাইবেৰিয়াচ, কেলিগুলা, ক্লডিয়াচ্ আৰু নিৰোৰ দিনতো, আশী, নব্বৈ বছৰ বয়সলৈকে যি সকল জীয়াই আছিল, তাৰ তালিকা। ডমিটিয়াচ্ একাৰলৈ মন কৰা। চোৰ যদিও, সি শান্তিৰে বুঢ়া কালত ভৰি দিছেহি।"

"তাৰ কাৰণ হল,—" ভিনিকিয়াচে কথাবাৰ আধা কোৱাকৈ এৰি, নিৰোৰ অতিথিসকলৰ নামবোৰ, মনহি চাবলৈ ধৰিলে।

"টাইগেলিনাচ, ভেটিনিয়াচ্, চেক্সটাচ্, আফ্রিকানাচ্, একুইলিনাচ্, বেগুলাচ্, চুলিয়াচ্, বেক্কলিয়াচ্, এপ্‌বিয়াচ্, মাব্‌চেলাচ্ ইত্যাদি ইত্যাদি। একেবাৰে দুৰ্দান্ত লম্পটৰ দল এটা। ইহঁতেই হেনো জগতৰ শাসক। তাতকৈ সিহঁতে, কোনোবা মিছৰীয় বা চিৰিয়ান বিগ্ৰহ হাতত লৈ, প্ৰধান নগৰখোৰৰ মাজেদি, জুনজুনকৈ ঘুণ্টা বজাই ঘূৰি ফুৰি, ভৱিষ্যত বক্তা বোলাব পাৰিলেহেঁতেন, বা বাজীকৰ হৈ, জীৱন কটাব পাৰিলেহেঁতেন। সিহঁতৰ পক্ষে এইয়ে উচিত কাম,—নহয় জানো ?"

"ঠিকেই। ইহঁতে শিক্ষিত বান্দৰ, মতলবী কুকুৰ, আৰু বংশীবাদক গাধৰ প্ৰদৰ্শনী এখনো পাতিব পাৰে দেখোন। এতিয়া আমি গুৰুত্বপূৰ্ণ কথালৈ আহোঁ। পেট্ৰোনিয়াচ্‌ত মই খবৰ দিয়াইছিলো, তুমি অসুস্থ বুলি। কিন্তু এইখন তালিকাত, তোমাৰ নাম থকাৰপৰা অনুমান কৰিব পাৰি যে, কোনোবা এজনে, বা এজনীয়ে, নিজ প্ৰভাৱৰ বলত, তোমাৰ নামটো অন্তৰ্ভুক্ত কৰিছে। কিন্তু এই নামটোত, নিৰোৱে গুৰুত্ব আৰোপ নকৰে; কাৰণ তাৰ চকুত, তুমি এজন সৈনিক মাত্ৰ। তোমাৰ লগত, খেল পথাৰৰ দৌৰৰ কথাহে পাতিব পাৰি। কবিতা বা গানলৈ, তোমাৰ দৰে মানুহে, কেৰেপকে নকৰে বুলি, সি বেচকৈ জানে। তোমাৰ নাম, তালিকাভুক্ত কৰাত, নিশ্চয় পপিয়াৰ হাত আছে। ইয়াৰপৰা বুজা যায়, তোমাৰ প্ৰতি তাইৰ আসক্তি, সাময়িক উত্তেজনা নহয়। তাই তোমাক সম্পূৰ্ণৰূপে জয় কৰিব খুজিছে।"

"তেন্তে তাইক সাহসী বুলি কব লাগিব।"

"হয়, তাই নিশ্চয় সাহসী। উদ্ধাৰ পাব নোৱাৰাকৈ, তাই নিজৰ ধ্বংস মাতি আনিব পাৰে। ভেনাচে যেন তাইৰ মনত, যিমান শীঘ্ৰে সম্ভৱ, সিমান শীঘ্ৰে, নতুন প্ৰেমৰ উদ্দীপনা জগাই তোলে। কিন্তু তাই তোমাক কামনা কৰে বাবে, তুমি সাৱধান হ'ব লাগে। তাইৰ লগত থাকি, এহেনোবাৰ্‌বাচৰ আমুৱাই গৈছে। এতিয়া কত্ৰিয়া আৰু পাইথাগোৰাচক বিচাৰে সি। কিন্তু কথাটোত অপমান বোধ কৰি, তোমাৰ ওপৰত সি অতি সাংঘাতিক ৰকমৰ প্ৰতিশোধ লব পাৰে।"

"সেই জাৰণিখনত যেতিয়া তাই মোক লগ পাইছিল, তেতিয়া মোৰ ধাৰণাৰো অতীত আছিল, তাই কোন। তুমি সকলো শুনিছিলা; শতিকে জানা, মই তাইক কি কৈছিলো। মই কৈছিলো, মই আন এগৰাকীক ভাল পাওঁ, আৰু তাইলৈ মোৰ আসক্তি নাই।"

“নৰকম দেৱতাসকলৰ নাম লৈ, তোমাক মিনতি কৰিছো,—খৃষ্টিয়ানৰ তোমাৰ সকলো যুক্তি কাটি নিয়াৰ পাচতো, যদি অৱশিষ্ট কিবা আছে, তেন্তে তাক যেন হেৰুৱাই নেপেলোৱা। জীৱন যদি তিক্ততাৰে ভৰি উঠিছে, তেন্তে এই মুহূৰ্ত্ততে শিৰ কাটি পেলোৱা বা তৰোৱালৰ ওপৰত জাপ দি দিয়া। কাৰণ, পপিয়াৰ ওচৰত যদি অপৰাধী হোৱা, ইয়াতকৈ বহুত বেয়া ধৰণে তোমাৰ প্ৰাণ শেষ হব। এসময়ত তোমাৰ লগত কথা পাতি, আনন্দ পাইছিলো। আচল বিপদ কোন খিনিত? তুমি নিজকে ধ্বংস কৰিব খুজিছা। কিন্তু কিয়? পপিয়াক সন্তুষ্ট কৰিও, লিজিয়াক ভাল পাই থাকিব নোৱাৰি জানো? বাধা কোনখিনিত? তদুপৰি মনত ৰাখিবা, পপিয়াই লিজিয়াক, পেলেটাইনত দেখিছিল। পত্নিকে তাই অতি সহজে ধৰিব পাৰিব, কোনজনী ছোৱালীৰ কাৰণে, তুমি ৰাজ-ৰাণীৰ প্ৰেমক উপেক্ষা কৰিছা। এই ক্ষেত্ৰত অগষ্টাই লিজিয়াক, মাটিৰ তলৰ পৰা হলেও, বিচৰাই উলিয়াব, আৰু তুমি নিজৰ লগতে, লিজিয়াৰো সৰ্ব্বনাশ ঘটাবা। বুজিছানে কথাটো?”

ভিনিকিয়াচে আন কথা ভাবি আছিল।

“মই তেওঁৰ লগত দেখা কৰিবই লাগিব।”

“কাৰ লগত? লিজিয়াৰ?”

“হয়, লিজিয়াৰ লগত।”

“তাই ক'ত আছে, কব পাৰানে?”

“নোৱাৰো।”

“তেন্তে তুমি পুৰণ, পুৰণি কবৰখানা, আৰু টাইবাৰৰ সিপাৰৰ ঘৰবোৰত, অনুসন্ধান চলাবা নেকি?

‘কব নোৱাৰো। যেনে, তেনে, তেওঁক লগ পাবই লাগিব।”

“বেচ। খৃষ্টিয়ান হলেও, তাই হয়তো তোমাতকৈ বেচি যুক্তিপূৰ্ণ। যদি তাই, তোমাৰ ধ্বংস মাতি আনিব নোখোজে, তেন্তে নিশ্চয়, তাইৰ আচৰণো যুক্তি সঙ্গত হব।”

ভিনিকিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে।

“তেওঁ মোক, উৰ্চাচৰ হাতৰপৰা ৰক্ষা কৰিছিল।”

“সেয়ে যদি হয়, মই কোৱা কথাটো শীঘ্ৰে মানি লোৱা। কাৰণ এহে-নোবাৰ্বাচ ধাৰকৈ সময় দিব নাই। মৃত্যুদণ্ডৰ আজ্ঞা ইয়াতো পাব পাৰা,—খ্ৰিষ্টিয়ানতো পাব পাৰা।”

কিন্তু ভিনিকিয়াচে একো শুনা নাছিল। তেওঁ মাত্র ভাবি আছিল, লিজিয়াৰ লগত কেনেকৈ দেখা কৰিব পাৰি।

পিচদিনা এটা বেলেগ ঘটনাই, পৰিস্থিতিটো যেন অলপ লঘু কৰি পেলালে। চিলো আহি হঠাৎ উপস্থিত হ'ল।

দেখা গল,—সি লঘোণে, ভোকে, বৰ দুৰৱস্থাত আছে। ভিতৰলৈ সোমাই আহোঁতে, দাসইতে তাক বাধা দিয়া নাছিল। কাৰণ, দিনতে হওক বা নিশাই হওক, সকলো সময়তে তাক সোমাবলৈ দিবলৈ আদেশ দিয়া আছিল। পোণে, পোণে, এট্রিয়ামলৈ সোমাই আহি, ভিনিকিয়াচৰ সন্মুখত থিয় হৈ, সি কলে, "দেৱতাসকলে আপোনাক অমৰত্ব দান কৰক। দেৱতাসকলৰ লৈগে, আপুনিও জগত-সাম্রাজ্য ভোগ কৰক!"

প্ৰথমতে ভিনিকিয়াচৰ ইচ্ছা হৈছিল, তাক দুৱাৰেদি বাহিৰলৈ দলি মাৰি পঠিয়াবলৈ। কিন্তু সি, লিজিয়াৰ বিষয়ে জানিব পাৰে বুলি ভবাৰ লগে, লগে, কৌতুহল উপস্থিত হোৱাত, ঘৃণাৰ ভাব আঁতৰি গল।

"অ, তই আহিছ? কেনে চলিছে, তোৰ এতিয়া?"

"অতি বেয়াভাৱে! হে জুপিটাৰ নন্দন!" চিলোৱে উত্তৰ দিলে, "সত্য আৰু ধৰ্মৰ কোনো মূল্যই নাই, বৰ্ত্তমান জগতত। সাধু এজনে এতিয়া, সপ্তাহ-টোত মাত্র এদিন, কচাইখানালৈ গৈ, ভেড়াৰ মূৰ এটা নিজৰ বুকুৰীয়া পজালৈ আনি, তাক চকুৰ পানীৰে তিয়াই বহি থাকিব পাৰিলেও, নিজকে ভাগ্যৱান বুলি ভাবি লব। হে প্ৰভু! আপুনি মোক যিখিনি দিছিল, আটাইখিনি, এট্রাক্-টাচৰ দোকানত, কিতাপ কিনিয়েই শেষ কৰিলো। তাৰ উপৰিও, মোক আটা-ইয়ে লুটি, সৰ্ব্বনাশ কৰিলে। যি জনী তিৰোতাই, মোৰ নীতি বচনবোৰ টুকি ৰাখিছিল, তাইও পলাল। আপোনাৰ দয়াৰ দানৰ অৱশিষ্ট যি আছিল, তাকো নিলে তাই। মই অতি দুৰ্ভগীয়া প্ৰভু! আপোনাৰ ওচৰলৈ নাহি, আৰু কাৰ ওচৰলৈ যাম? আপোনাক মই ভাল পাওঁ, পূজা কৰো, আৰু আপোনাৰ নিমি-ত্তেই মই, জীৱন বিপন্ন কৰিছিলো।"

"তই কি বিচাৰি আহিছ আৰু কি সংবাদ আনিছ?"

"হে বা-আল দেৱতা! মই আপোনাৰ অনুগ্ৰহ বিচাৰি আহিছো। লগত আনিছো, মোৰ দুৰৱস্থাৰ ৰূপ, মোৰ চকুপানী, মোৰ স্নেহ, আৰু কিছু সংবাদো। আপোনাৰ প্ৰতি শ্ৰদ্ধাৰ ভাবে, মোক উদগনি দিছে,—এই বাতৰি গোটাবলৈ। আপোনাৰ মনত থাকিব পায়,—এদিন মই আপোনাক কৈছিলো যে, ক্ৰেমন্টচৰ

কমৰ বেষ্টনীৰ-পৰা, এডাল সূতা আনি, মই পেট্ৰোনিয়াচ নেৰৰ দাসী এজনীক দিছিলো। তাই কেনে চলিছে, মই খবৰ কৰিবলৈ গৈছিলো। প্ৰভু, আপুনি সেই ঘৰৰ সকলো কথাই জানে; গতিকে ইউনিচে বৰ্ত্তমান কেনে আসন পাইছে, সেই কথা নজনাকৈ থকা নাই। এনেকুৱা সূতা আৰু এডাল আছে মোৰ। আপোনাক দিবৰ কাৰণেই ৰাখিছো প্ৰভু!"

ভিনিকিয়াচৰ কপালৰ গাঁথি, থুপ খাই অহা দেখি, গ্ৰীকটো বৈ গল। কথা বিষম দেখি, সি লৰালৰিকৈ এক উশাহে কলে, "তাৰমানে প্ৰভু, লিজিয়া দেৱী ক'ত আছে, মই জানো। মই আপোনাক ঘৰটো আৰু বাটটোও দেখুৱাই দিম।"

"ক'ত আছে তেওঁ?"

"লিনাচ নামৰ এজন বয়োবৃদ্ধ খৃষ্টিয়ান যাজকৰ লগত। তেওঁৰ লগত উৰচাচো আছে, আৰু আগৰ দৰে সি, ডেমাচৰ কল ঘৰত কাম কৰি আছে। সি ৰাতি কামলৈ যায়। যদি সেইখিনি সময়তে, ঘৰটো বেৰি লোৱা যায়, তেন্তে তাৰ লগত মুখামুখি হব নালাগে। লিনাচ বুঢ়া মানুহ; তাত আৰু দুজনী বুঢ়ীহে আছে।"

"তই কেনেকৈ জানিলি?"

"হে প্ৰভু! আপোনাৰ মনত আছে যে, এদিন মই, খৃষ্টিয়ানৰ হাতত পৰিছিলো। সিহঁতে মোক নামাৰি এৰি দিলে। তাৰ বাবে, মোৰ প্ৰাণ কৃতজ্ঞতাৰে ভৰি আছে বুলি কলে, আপুনি আচৰিত নহয় যেন। মই পূৰণি যুগৰ মানুহ; এতিয়াতকৈ মোৰ দিনত, মানুহৰ মনবোৰ বেচি ভাল আছিল। মই মনতে এইদৰে গুণাগঁথা কৰিলো: মোৰ আগৰ বন্ধু, আৰু উপকাৰী সকলক, অৱহেলা কৰা অনুচিত। তেওঁলোকৰ কি হ'ল, খবৰ নকৰো কিয়? প্ৰভু, প্ৰথমে আপোনাৰ কথাই মোৰ মনলৈ আহিল। আমাৰ আগৰ অভিযান, ধ্যান-বান হৈছিল। কিন্তু কৰ্‌চুনাৰ পুত্ৰই, এই কথা ধীৰ ভাবে গ্ৰহণ কৰিবনে? নিশ্চয় নকৰে। গতিকে মই আপোনাৰ বিজয় পথৰ সন্ধান ললো। ঘৰটো অৰুন্ধতী । আজি নিশাই, এগৰাকী মহীয়সী কুঁৱৰীক, আপোনাৰ ঘৰৰ চাৰি বেৰৰ মাজত নুমুৱাব পৰা বা নোৱাৰা কথাটো, এতিয়া একমাত্ৰ আপোনাৰ ইচ্ছাৰ ওপৰতে নিৰ্ভৰ কৰিছে। যদি সফলতা লাভ হয়, তেন্তে পাহৰি নাযাব, এই ক্ষেত্ৰত; মোৰ পিতৃৰ এই দুখীয়া অভুক্ত পুত্ৰৰ অৱদান কিমান!"

ভিনিকিয়াচৰ মূৰলৈ, তেজ উঠি আহিল। আকৌ এবাৰ প্ৰলোভনে তেওঁৰ কলিজা কঁপাই তুলিলে। হয়, কামটো অসাধ্য নহয়। এইবাৰ নিজকে বচাই, সকলো কৰিব লাগিব। লিজিয়া এবাৰ যদি তেওঁৰ বক্ষিতা হৈ যায়, তেন্তে চিৰদিন একে অৱস্থাতে নাথাকি কৰিব কি? সকলো ধৰ্ম্মশিক্ষা উচ্ছন্নে যাওক! খৃষ্টিয়ানৰ দয়া, মৰম আৰু বিমৰ্ষ নৈতিকতাৰ লগত, তেওঁৰ কি সম্বন্ধ? আটাইবোৰ মনৰ পৰা জোকাৰি পেলোৱাৰ, এইয়ে উপযুক্ত সময় নহয়নে? জীৱনটো নতুনকৈ আৰম্ভ কৰি, পৃথিবীৰ আন মানুহে, যি দৰে চলে, সেইদৰে চলাৰ, এইয়ে আচল সময় নহয় জানো? লিজিয়াই নিজৰ জীৱনৰ নতুন অৱস্থাৰ লগত, তেওঁৰ ধৰ্ম্মমতৰ সমিলমিল ঘটাবলৈ চেষ্টা কৰি, পাচত কি কৰিব, সেইটো সিমান ভাবিবলগীয়া কথা নহয়। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল,—সেই নিশাই, লিজিয়াক আনিবলৈ যাব নে নাযায়। এখন নতুন জগতৰ আৰেষ্টনীৰ মাজত, বিলাসীতা আৰু প্ৰাচুৰ্য্যপূৰ্ণ জীৱন উপভোগৰ মাজত বুৰ গৈ, সৰ্ব্বোতো ভাৱে ধৰ্ম্মৰ অনুশাসন মানি চলিবলৈ, তাই সক্ষম হয়নে নহয়, সেইটো পিচৰ কথা।

সকলো আজি নিশাৰ ভিতৰতে হৈ যাব পাৰে। মাত্ৰ চিলোক ৰাখি থৈ, কি কৰিব লাগিব আদেশ দিলেই হৈ গল। তাৰ পাচত? তাৰ পাচত, অসীম সুখ!

"ইমান দিন মই কি ভাবে কটালো?" ভিনিকিয়াচে নিজকে সুধিলে, "অবিৰাম যন্ত্ৰণা, অপূৰ্ণ কামনা আৰু উত্তৰলৈ অপেক্ষা কৰা অজেথ প্ৰশ্নৰ অত্যাচাৰ সহ্য কৰি। কিন্তু এতিয়া সকলো আঁতৰি যাব, সকলোৰে সমাপ্তি ঘটিব।"

এইটোও সঁচা,—আৰু কোনোদিন কেতিয়াও, লিজিয়াৰ বিৰুদ্ধাচৰণ নকৰে বুলি, তেওঁ এদিন প্ৰতিজ্ঞা কৰিছিল। কিন্তু কাৰ নামত শপত খাইছিল তেওঁ? দেৱতাৰ নামত শপত খোৱা নাছিল; কাৰণ, তেওঁৰ এতিয়া আৰু দেৱতাৰ ওপৰত বিশ্বাস নাই। খ্ৰীষ্টৰ ওপৰতো এতিয়ালৈকে তেওঁৰ বিশ্বাস জন্মা নাই; গতিকে তেওঁ খৃষ্টৰ শপত খোৱা নাছিল। কিবা কাৰণত, লিজিয়াই যদি বেয়া পায় তেন্তে তেওঁ তাইক বিয়া কৰাব আৰু সকলো দুখ, আৰু ভি মচি পেলাব। হয়, এই পন্থাকে তেওঁ অপৰিহাৰ্য্য বুলি থিৰ কৰিলে। কাৰণ তাইৰ বাবেই যে তেওঁ জীয়াই আছে।

তাৰ পাচত তেওঁ মনত পেলালে, সেই দিনটোলৈ,—যিদিনা ক্ৰোটোৰে দৈহে গৈ, তেওঁ তাইৰ আশ্ৰয় স্থানত সোমাইছিল। তেওঁ মনতে দেখিলে, উৰচাচৰ

বজ্ৰ মূৰ্ত্তি তেওঁৰ মুখৰ ওপৰলৈ উঠা। তাৰ পাচৰ ঘটনাও স্পষ্ট হৈ তেওঁৰ মনত দেখা দিলে। পুণৰ তেওঁ দেখিলে, বোগশয্যাৰ কাষত বৈ থকা লিজিয়াক। দাসীৰ দৰে সাজ পিন্ধিলেও, স্নেহশীলা, দেৱী প্ৰতিমাৰ দৰেই আছিল, সেই মুখৰ ভাব। অজ্ঞাতসাৰে তেওঁৰ দৃষ্টি গল, গৃহ দেৱতাৰ মন্দিৰলৈ। গাঁথনি যোৱাৰ আগতে, তাই তেওঁৰ বাবে থৈ যোৱা, সৰু ক্ৰচটোলৈ এবাৰ চালে। নতুন এটা আক্ৰমণেৰে তেওঁ ইয়াৰ যাব ভজিব নেকি? দাসীক নিয়াৰ দৰে, তাইক তেওঁ, চুলিত ধৰি, শোৱা কোঠালৈ নিব নেকি? এনে কাম কৰাৰ কথা কেনেকৈ ভাবিব পাৰিলে? তাইক তেওঁ, অকল কামনাৰ চকুৰেই চোৱা নাই। তেওঁ তাইক ভাল পায়,—তাই আন কাৰো দৰে নহয় বাবে ভাল পায়। হঠাৎ তেওঁৰ প্ৰাণত অনুভূতি জাগি উঠিল,—তাইক তেওঁ, নিজৰ ঘৰত পোৱাই যথেষ্ট নহয়,—তাইক বাহুৰ মাজত সুমুৱাই লোৱাই সকলো নহয়। হয়, তেওঁৰ প্ৰেমে, ইয়াতকৈ বেচি বিচাৰে। তাইৰ মনটো পাবলৈ আকাঙ্ক্ষা কৰে তেওঁ। তাই স্বইচ্ছাৰে আহি, তেওঁৰ ঘৰত ভৰি দিয়া হলে, এই ঘৰ ধন্য হলহেঁতেন। পবিত্ৰ হলহেঁতেন,—সেই দিনটো,—সেই ক্ষণ! তেওঁৰ গোটেই জীৱন ধন্য হলহেঁতেন। পৰম্পৰৰ এই সুখ হলহেঁতেন,—সমুদ্ৰৰ দৰে অসীম,—সূৰ্য্যৰ কিৰণৰ দৰে জ্যোতিৰ্ম্ময়। কিন্তু গাৰ বলেৰে, তাইক লৈ অহাৰ অৰ্থ হল, সেই সুখক হত্যা কৰা, আৰু জগতে, জীৱনৰ সবাতোকৈ প্ৰিয়,—সবাতোকৈ মূল্যৱান বুলি ভবা সম্পদক নষ্ট কৰি, পঙ্কিল আৰু ঘৃণনীয় কৰি তোলা।

এই ভাব অহা মাত্ৰকে, তেওঁৰ মন আতঙ্কত শিয়ঁৰি উঠিল। তেওঁ চিলোলৈ এবাৰ চালে। সি তেওঁক, সাৱধানে নিৰীক্ষণ কৰি আছিল, মাজে, মাজে, নিজৰ মূৰত হাত ফুৰাইছিল আৰু অশান্ত ভাৱে উচপিচাই আছিল। আগতে কৰা পাপ কৰ্ম্মৰ সঙ্গী, এই মানুহটোলৈ, ভিনিকিয়াচৰ খুব ঘিণ লাগি গল। বিষাক্ত সাপক টঙনিয়াই মাৰি পেলোৱাৰ দৰে, এই মানুহটোকো মাৰি শেষ কৰি থব পাৰিলে, তেওঁ যেন তৃপ্ত হলহেঁতেন। তেওঁৰ দৰে প্ৰকৃতিৰ মানুহে; কোনো কথাতে, কেতিয়াও সংযত আচৰণ কৰিব নোৱাৰে। ৰোমাণৰ প্ৰকৃতিগত সংযমহীন ভয়ঙ্কৰ মনোবেগেৰে, তেওঁ গৰ্জ্জি উঠিল। "তোৰ উপদেশ মই নামানো। কিন্তু প্ৰাপ্য পুৰস্কাৰ নোলোৱাকৈ তই যাব নোৱাৰ। গতিকে মোৰ ঘৰৰ দণ্ড দিয়া কোঠাত, তোক তিনিশটা কোৰ দিয়াইছে এতিয়া।"

চিলো মৰা মানুহৰ দৰে শেতা হৈ গল। কিন্তু ভিনিকিয়াচৰ সুন্দৰ মুখত, ক্ৰোধৰ শীতল কঠোৰতা মূৰ্ত্ত হৈ উঠিল। গ্ৰীকটোৱে তেওঁৰ আগত আঁঠু কাঢ়ি,

গছটো হুঁতাজ কৰি, ভঙা, ভঙা মাতেৰে আৰ্তনাদ কৰি কলে, "কি কৰিলে, হে পাৰশ্যৰ সম্রাট? কি কাম কৰিলে, হে দয়াৰ পিৰামিড? হে অসীম কৃপাৰ প্ৰতীক! কি কৰিলে? মোকনো কিয় এনে ব্যৱহাৰ কৰিলে? মই বুঢ়া মানুহ, তাতে অভুক্ত আৰু দুঃখী। তদুপৰি মই আপোনাৰ কাৰণে কিমান খাটিছো! এইদৰেহে আপুনি কৃতজ্ঞতা দেখুৱাব?"

"হয়, তই যিদৰে খৃষ্টিয়ানৰ প্ৰতি কৃতজ্ঞতা দেখুৱাইছ, ঠিক সেইদৰে।" কঠিন মাতেৰে কথাষাৰ কৈ, তেওঁ অনুচৰ এটাক মাতিলে। ভয়ত কঁপি, কঁপি, চিলোৱে, ভিতাৰ্ণতিৰ আঠু দুটাত খামোচ মাৰি ধৰিলে। মৃত্যুৰ দৰে পাণ্ডুৰ হৈ উঠিল, তাৰ মুখমণ্ডল।

"হে প্ৰভু! হে প্ৰভু! মই বুঢ়া মানুহ। মোক পঞ্চাশটা বেত দিয়াওক, ত্ৰিনিশটা নিদিয়াব। পঞ্চাশটাই আটি যাব! নহলে এশ দিয়াওক,—ত্ৰিনিশ নহয়। দয়া কৰক! দয়া কৰক!"

ভিনিকিয়াচে তাক ঠেলা মাৰি দি, চিঞৰি, চিঞৰি, হুকুম দিলে। চকুৰ পচাৰতে; দুটা প্ৰকাণ্ড চাণ্ডালে গ্ৰীকটোৰ মূৰত, যি কেইডাল চুলি আছিল, তাতে ধৰি, মূৰটো তাৰ গাৰ ফটা কাপোৰেৰে মেৰিয়াই, দণ্ড দিয়া ঠাইলৈ তাক চোঁচোৰাই লৈ গল।

"খৃষ্টৰ দোহাই!" চিলোৱে পুণৰ চিঞৰিলে। ভিনিকিয়াচ কোঠাত অকলে বহি থাকিল। এইমাত্ৰ দিয়া আদেশটোৱে, তেওঁৰ মনলৈ, উত্তেজনাৰ লগতে, নতুন চেতনাও আনিলে। মনৰ বিশৃংখল, টুকুৰাটুকুৰ ভাববোৰ, শৃংখলাবদ্ধ কৰিবলৈ, তেওঁ আকৌ এবাৰ চেষ্টা কৰিলে। নিজৰ কামনাক জয় কৰিবলৈ সমৰ্থ হৈ, তেওঁ সকাহ পালে, আৰু মনতে নতুন উদ্দীপনা লাভ কৰিলে। তেওঁৰ মনত উদয় হল,—চিলোৰ কু অভিসন্ধিলৈ পিঠি দি, তেওঁ লিজিয়াৰ দৰে, ধৰ্মৰ পথত অগ্ৰসৰ হৈছে। তাৰ ফল হয়তো তেওঁ কেতিয়াবা পাব। চিলোক অন্যায় ব্যৱহাৰ কৰা কথাটো, এই সময়ত তেওঁৰ মনলৈ নাহিল। যি কাৰণত এতিয়া তাক প্ৰহাৰ কৰিবলৈ তেওঁ হুকুম দিলে, সেই একে কাৰণতে, আগতে সি তেওঁৰ পৰা পুৰস্কাৰ পাইছিল। এতিয়াও তেওঁৰ প্ৰকৃতি, হাড়ে হিমজুৰে ৰোমান হৈয়ে আছে। গতিকে আনৰ দুখ অন্তৰ কৰা, বা চিলোৰ দৰে হতভগীয়া এটাক মূল্য দিয়াৰ প্ৰবৃত্তি তেওঁৰ থাকিব নোৱাৰে। চিলোৰ বিষয়ে, তেওঁ মাত্ৰ এইদৰে ভাবিলে—বিশ্বাসঘাতক এটাক শাস্তি দি, তেওঁ একো বেয়া কাম কৰা নাই। তেওঁৰ মন, পুণৰ লিজিয়াৰ ওচৰলৈকে উৰিল।

"তয় নোৱাৰে," ভেঙ্ঠ নিজৰ মনতে কলে, "মই তোমাৰ ভাল কৰ্ম্মৰ প্ৰতিদান, অসৎ কৰ্ম্মৰে নিদিওঁ কেতিয়াও। পাচত তুমি বেতিয়া জানিবা, তোমাক আক্ৰমণ কৰিবলৈ উচটাই দিয়া মানুহটো কি ভাবে লাঞ্ছিত হ'ল, কিদৰে তাক মই শাস্তি দিলো, তেতিয়া তুমি, মোৰ আগত কৃতজ্ঞতা প্ৰকাশ কৰিবা।" তথাপিও, ভেঙ্ঠ নিজকে প্ৰশ্ন নকৰি নোৱাৰিলে,— চিলোৰ প্ৰতি কৰা এই ব্যৱহাৰত, লিজিয়াই জানো সমৰ্থন জনালেহেঁতেন? ভেঙ্ঠৰ ধৰ্ম্মই, ক্ষমাৰ বিধান দিয়া নাইনে? প্ৰতিশোধ লোৱাৰ যথেষ্ট কাৰণ থকা সত্ত্বেও, এই দুৰ্ভগীয়া মানুহটোক, খৃষ্টিয়ানসকলে ক্ষমা কৰিছিল। যি কাৰণত, ভিনিকিয়াচে তাক শাস্তি দিছে, তাতকৈ গুৰুতৰ আছিল, সেইবোৰ কাৰণ। চিলোৱে "খৃষ্টৰ দোহাই," বুলি চিঞৰ মৰা শুনি, মনত ভেঙ্ঠৰ দকৈ সাঁচ বহিল। এইদৰে আগতে এবাৰ চিঞৰি, সি লিজিয়ানটোৰ হাতৰ পৰা মুক্তি পাইছিল। কথাটো আচৰিতে ভেঙ্ঠৰ মনত পৰি গল। লগে, লগে, তাৰ শাস্তি বেহাই দিবলৈ, ভেঙ্ঠ স্থিৰ কৰিলে। এই উদ্দেশ্যে, কৰ্ম্মচাৰীটোক মতাব খোজোতেই, সি নিজে আহি কলেহি, "হে প্ৰভু! বুঢ়াটো অজ্ঞান হৈ পৰি গল। সি কিজানি মৰিয়ে গল। বেত চলায়ে থাকিম নে?"

"নালাগে। তাৰ জ্ঞান উলটি আহিলে, মোৰ ওচৰলৈ পঠিয়াই দিবি।"

কৰ্ম্মচাৰীটো পৰ্দ্দাৰ আঁৰত অদৃশ্য হ'ল। বুঢ়া গ্ৰীকটোৰ জ্ঞান ঘূৰাই অনা নিশ্চয় কষ্টসাধ্য হৈছিল। বৈ, বৈ, ভিনিকিয়াচৰ ধৈৰ্য্যচ্যুতি ঘটাব উপক্ৰম হওঁতেই, চিলোক লৈ, দাস কেইটামান সোমাই আহিল। হাতৰ ইঙ্গিতেৰে যাবলৈ কোৱাত সিহঁত গুচি গল।

চিলোক কাগজ এখিলাৰ দৰে বগা দেখা গৈছে। কাৰুকাৰ্য্যখচিত এট্ৰিয়ামৰ মজিয়াৰ ওপৰত তাৰ ভৰিয়েদি তেজৰ দীঘলীয়া ধাৰা কিছুমান বৈ পৰিল। সি আঁঠু কাঢ়ি কেঁকাবলৈ ধৰিলে।

"হে প্ৰভু! আপোনাক ধন্যবাদ। আপুনি মোক পুত্ৰো কৰিছে। আপুনি মহৎ!"

"কুকুৰ!" ভিনিকিয়াচে কদ্ৰমূৰ্ত্তি ধৰি কলে, "মনত ৰাখিবি, মোক জীৱন ঘূৰাই দিয়াৰ বাবে যাৰ ওচৰত মই ঋণী, সেই খৃষ্টৰ বাবেহে, মই তোক ক্ষমা কৰিলো।"

"হে প্ৰভু! সেই খৃষ্টৰ সেৱা মইও কৰিম। হয়, আপোনাৰ আৰু খৃষ্টৰো।"

"মনে মনে থাক। শুন, প্ৰথমে থিয় হ। তই মোৰ লগত গৈ, লিজিয়া থকা ঘৰটো দেখুৱাই দিব লাগিব।"

"কিন্তু প্ৰভু! মই অনাহাৰত কষ্ট পাইছো। মই আপোনাৰ লগত যাম, প্ৰভু। হয়, মই আপোনাৰ লগত যাম। কিন্তু এতিয়া মোৰ গাত অকণো বল নাই। আপোনাৰ পোহনীয়া কুকুৰৰ থালৰ এৰেহাখিনিকে মোক খাবলৈ দিয়ক। তাৰ পাচত মই আপোনাৰ লগত যাম।"

ভিনিকিয়াচে তাক খাবলৈ দিবলৈ, আদেশ দিলে। তাক সন্তুষ্ট কৰিবৰ বাবে, সোণৰ মুদ্ৰা এটা আৰু ঢিলা চোলা এটাও দিলে। কিন্তু ভোকত, আৰু বেতৰ কোবৰ যন্ত্ৰণাত, খোজ কাটি যোৱাৰ শক্তি নহল, তাৰ। ভিনিকিয়াচে খাবলৈ দিয়াৰ পাচতো, সি খোজ কাঢ়িবলৈ চেষ্টা কৰি বিফল হল। তাৰ মনত ভয়ো হ'ল,— ভিনিকিয়াচে তাৰ শাৰীৰিক দুৰ্ব্বলতাক, গোৱঁাৰামি বুলি ধৰে যদি, কি হব। তথাপিও সি গাটো লৰাবকে নোৱাৰিলে।

"গা টঙাবলৈ, মোক অলপ মদ পিবলৈ দিয়ক।" কঁপনিত তাৰ দাঁতে দাঁতে লাগিল। "তেতিয়াহে মই যাব পাৰিম। হয়, মেগ্না গ্ৰেচিয়ালৈ যাব লগা হলেও যাম, আপোনাৰ লগত।"

অৱশেষত সি গাত অলপ বল পালে। দুয়ো ওলাই গল। বাট যথেষ্ট দীঘল; কাৰণ টাইবাৰৰ সিপাৰে থকা, সৰহ ভাগ খৃষ্টিয়ান বাসিন্দাৰ দৰে, লিনাচো মিৰিয়ামৰ ঘৰৰ কাষতে থাকে। শেষত চিলোৱে ভিনিকিয়াচক, এটা অকলশৰীয়া সৰু ঘৰ দেখুৱাই দিলে। ঘৰটোৰ চাৰিওফালে, আইভি লতাৰে আগুৰা দেৱাল।

"প্ৰভু, এইখনেই ঠাই।" সি কলে।

"বেচ" ভিনিকিয়াচে জনালে, "এতিয়া যাগৈ। কিন্তু তাৰ আগতে শুনি ল। মোৰ বাবে খাটি দিয়া কথাটো, তই পাহৰি পেলাব লাগিব। তই পাহৰি যাব লাগিব, মিৰিয়াম, পিটাৰ আৰু গ্লকাচ ক'ত থাকে। শেষত তই পাহৰিব লাগিব, এই ঘৰটোৰ কথা আৰু সৰ্ব্ব সাধাৰণ খৃষ্টিয়ানৰ কথাও। প্ৰতি মাহতে এবাৰ আহি, তই মোৰ মুক্ত দাস, ডেমাচক লগ ধৰিবি। সি তোক দুটাকৈ সোণৰ মোহৰ দি থাকিব। কিন্তু আনহাতে যদি তই খৃষ্টিয়ান সকলৰ ওপৰত চোৰাংচোৱাগিৰি আৰম্ভ কৰ, তেতিয়া হলে, মই তোক মৰিয়াই মাৰিম, বা মাৰি পেলাবলৈ নগৰ ৰক্ষকৰ হাতত সোধাই দিম।"

চিলোৱে মূৰ দোঁৱাই কলে, "আপুনি আদেশ কৰা মতে, মই সকলো পাহৰি যাম।"

কিন্তু বাটৰ এচুকেদি ঘূৰি, ভিনিকিয়াচ অদৃশ্য হৈ পৰা মাত্ৰকে, সি তেওঁৰ কালে হাতৰ মুঠি টোৰাঁই চিঞৰি কলে, "এইটো আৰু আটাই কেই-গৰাকী ফিউৰীৰ নামত শপত খাই কৈছো,— মই নাপাহৰো,— নাপাহৰো কেতিয়াও।"

তাৰ পাচত সি সংজ্ঞা হেৰুৱাই পৰি গল।

॥ ১১ ॥

মিৰিয়াম্ থকা ঘৰটোলৈকে, ভিনিকিয়াচে পোণে, পোণে খোজ দিলে। দুৱাৰ মুখতে নাজাৰাচৰ লগত তেওঁৰ মুখামুখি হ'ল। ল'ৰাটোৱে ভদ্ৰভাৱে অভিবাদন জনালে যদিও, যুৱক বিচাৰপতিক দেখি, তাৰ মুখত অশান্ত ভাব ফুটি উঠিল। ভিতৰত মিৰিয়াম, পিটাৰ, প্ৰকাচ, ক্ৰিচ্পাচ আৰু টাৰচাচৰ পলো আছিল। পল অলপতে ক্ৰেজেলা নামৰ ঠাই এখনৰ পৰা উলটি আহিছে।

ভিনিকিয়াচ সোমাই অহাত সকলোৱে আচৰিত হৈ চালে।

"মই আপোনালোকক নমস্কাৰ জনাইছো," যুৱকে কলে, "যি খৃষ্টক আপোনালোকে উপাসনা কৰে, সেই খৃষ্টৰ নাম লৈ, মই সকলোকে অভিবাদন জনাইছো।"

"যুগ, যুগ ধৰি, তেওঁৰ নামৰ মহিমা উজ্জল হৈ থাকক।" তেওঁলোকে উত্তৰ দিলে।

"আপোনালোকৰ বহুতো গুণ গৰিমাৰ কথা মই জানো," ভিনিকিয়াচে কলে, "আপোনালোকৰ হৃদয়ৰ মাহাত্ম্যৰ প্ৰমাণ মই পাইছো। সেইবাবে, এতিয়া মই বন্ধু ভাবে ইয়ালৈ আহিছো।"

"বন্ধু ভাবে আমিও আপোনাক অভ্যৰ্থনা জনাম।" পিটাৰে উত্তৰ দিলে, "হে মহোদয়! আসন গ্ৰহণ কৰক, আৰু আমাৰ লগতে কিবা অলপ খাওক। আপুনি আমাৰ অতিথি।"

"ভাল কথা! কিন্তু প্ৰথমে মোৰ বক্তব্য শুনক।" পিটাৰ আৰু টাৰচাচৰ পল! মই নিজৰ সাধুতাৰ চিনাকি দিওঁ শুনক। লিখিবা ক'ত আছে, মই

জানো। এইমাত্র মই, লিমাচৰ ঘৰৰ বাহিৰত থিয় দি আছিলো। ঘৰটো ইয়াৰ পৰা বেচি দূৰ নহয়। চিজাৰে লিজিয়াৰ ওপৰত, মোক কর্তৃত্ব প্রদান কৰিছে। এতিয়াও তেওঁৰ ওপৰত মোৰ অধিকাৰ আছে। তদুপৰি, মোৰ বিভিন্ন অট্টালিকাত মুঠতে পাঁচশ মান দাসো আছে। গতিকে তেওঁৰ বাসস্থান বিচাৰি লৈ, তেওঁক গাৰ বলেৰে ধৰি লৈ যোৱা, মোৰ পক্ষে নিচেই সহজ। কিন্তু মই এনে কাম কৰা নাই আৰু এনে পথ লোৱাও মোৰ ইচ্ছা নহয়।”

“পৰম প্রভুৰ অনুগ্রহে আপোনাৰ মন উজ্জ্বল কৰক, আৰু হৃদয় পবিত্র কৰক।”

“আপোনালোকক আগতে লগ নোপোৱা হলে, মই লিজিয়াক বলেৰে ধৰি লৈ গলোহেঁতেন। কিন্তু আপোনালোকৰ গুণ বাখিৰে, আপোনালোকৰ ধর্ম্মমতে, মোৰ আত্মাৰ পৰিবর্ত্তন ঘটাইছে। হিংসাৰ আশ্রয় নলবলৈ, মই আৰু সাহ নকৰো, —যদিও মই এই ধৰ্ম্ম গ্রহণ কৰা নাই। মই আপোনালোকৰ ওচৰত মিনতি কৰিছো,— তেওঁক পত্নী হিচাবে মোৰ হাতত দিয়ক। তাৰ বিনিময়ত, মই তেওঁৰ ধর্ম্মত হাত নিদি, বৰং নিজেও তাক বুজিবলৈ চেষ্টাহে কৰিম। মই শপত খাই কৈছো, আপোনালোকৰ, - যি হেতু আপোনালোকেই তেওঁৰ পিতৃ, মাতৃ স্বৰূপ।”

কথাখিনি কৈ থাকোঁতে, তেওঁৰ শিৰ উন্নত আছিল, —কণ্ঠস্বৰত আছিল, সত্যৰ দৃঢ়তা। তথাপিও তেওঁ বিচলিত হৈ পৰিছিল; কমৰ বেষ্টনীৰ ওপৰেদি আঠুৰ তললৈকে পৰা, চিলা বৰ্ণাৰ তলত, তেওঁৰ আঠু দুটা কঁপি আছিল।

অলপ সময় সকলো নীৰৱ। শেষত, অবাঞ্ছনীয় উত্তৰৰ হাত সাৰিবলৈ, তেওঁ পুণৰ কলে, “বাধাবিঘিনিকৰ কথা মই নজনা নহওঁ। কিন্তু লিজিয়া মোৰ চকুৰ মণি! মই খৃষ্টিয়ান নহওঁ যদিও, আপোনালোকৰ বা খৃষ্টৰ, শত্রুতা নকৰো কেতিয়াও। মই নহৈ, আন এজন হোৱা হলে, কলে হেঁতেন,— ‘মোক দীক্ষাদান কৰাওক।’ কিন্তু আপোনালোকক মই একমাত্র এই অনুৰোধ জনাইছো, ‘মোক পোহৰৰ পথ দেখুৱাওক’। খৃষ্টৰ পুণৰুত্থানত মই বিশ্বাস কৰো। তাৰ কাৰণ হ’ল —সত্য পথত চলা সকলে, আৰু তেওঁৰ মৃত্যুৰ পাচতো, তেওঁক নিজ চকুৰে দেখা সকলে, এই কথাৰ সত্যতা প্রমাণ কৰিছে। মই ইয়াকো বিশ্বাস কৰো যে, আপোনালোকৰ ধৰ্ম্মই, সততা, ন্যায়পৰায়ণতা, আৰু দয়াৰ জন্ম দিছে। আন মানুহে মিছাতে আপোনালোকক নানা ভাৱে দোষাৰোপ কৰে। এই কথাৰ প্রমাণ, মই নিজ অভিজ্ঞতাৰ পৰা পাইছো। কিন্তু এই

ধৰ্ম্মৰ বিষয়ে, মই অলপহে জানো। মই মাত্ৰ আপোনালোকৰ কাৰ্য্যাৱলীৰ পৰা, আপোনালোকৰ লগত হোৱা কথোপকথন, আৰু লিজিয়াৰ পৰা, কিছু জানিবলৈ সক্ষম হৈছো। যি কি নহওক, আপোনালোকৰ ধৰ্ম্মৰ প্ৰভাৱত মোৰ মনৰ পৰিবৰ্ত্তন ঘটিছে। আগতে মই, লোহ দণ্ডেৰে লণ্ডৱাইতক শাসন কৰিছিলো, এতিয়া সিহঁতক মই পুতৌ কৰো। আগতে মই, আমোদ প্ৰমোদত, গা ঢালি দিছিলো। কিন্তু এতিয়া মই এগ্ৰিপা হ্ৰদৰ কাষৰপৰা, বিতৃষ্ণা আৰু ঘৃণাৰে আঁতৰি পলাবলৈ সক্ষম হৈছো। আগতে হিংসাত্মক মনোবৃত্তিক মই প্ৰশ্ৰয় দিছিলো, এতিয়া মই তাক বিসৰ্জ্জন দিছো। মূঠৰ ওপৰত, ব্যভিচাৰী উৎসৱ, সুৰা, গান, বাদ্য, গোলাপৰ মালা আদি, চিজাৰৰ ৰাজপ্ৰাসাদত সচৰাচৰ প্ৰচলিত হোৱা ভোগৰ সামগ্ৰীবোৰে, মোক বিৰক্তি লগাইছে। পৰ্ব্বতৰ শিখৰৰ বৰফবোৰৰ দৰে লিজিয়া নিষ্কলুষ বুলি মই ভাবো, আৰু সেইবাবেই তেওঁক মই ইমান ভাল পাওঁ। আপোনালোকৰ ধৰ্ম্মই তেওঁক এই দৰে গঢ়ি তুলিছে বুলি যেতিয়া ভাবো, তেতিয়া আপোনালোকৰ শিক্ষালৈ মোৰ ধাউতি হয় আৰু এই বিষয়ে বেচি জানিবৰ মন যায়। এই ধৰ্ম্মৰ কথা মই নুবুজো। আপোনালোকৰ মতৰ লগত, খাপ খুৱাব, বা আপোনালোকৰ শিক্ষা মূৰ পাতি গ্ৰহণ কৰিব পৰাকৈ, নিজ প্ৰকৃতি গঢ়ি তুলিব পাৰোনে নোৱাৰো, কব পৰা নাই। সেইবাবে, অনিশ্চয়তা আৰু মানসিক যন্ত্ৰণাই, মোক জুৰুলা কৰি পেলাইছে।"

তেওঁৰ কপালত, বেদনাৰ ৰেখা ফুটি উঠিল ; গাল দুখন ৰঙা পৰি গল। তেওঁৰ কথাবোৰ খৰ হৈ আহিল,—মনৰ আবেগো লাহে লাহে ঘনীভূত হ'ল।

"আপোনালোকে বুজিছেই, মোৰ মনৰ অৱস্থা কেনে হৈছে। এহাতে মই প্ৰেমৰ যন্ত্ৰণাত, আৰু আনহাতে, সন্দেহৰ জুইত জ্বলি পুৰি মৰিছো। মই শুনিবলৈ পাইছো, আপোনালোকৰ ধৰ্ম্মতে, পাৰ্থিৱ জীৱনৰ সুখ, আনন্দ আদি মানবীয় অনুভূতিক, —মানুহৰ আইন, বা ৰোমান সাম্ৰাজ্যকো লেখত নলগীয়া বস্তু বুলি নধৰে। এই কথা সঁচানে? আপোনালোকক বলিয়া বুলি কোৱাও মই শুনিছো। আপোনালোকে পাৰ্থিৱ প্ৰেমক, আনন্দ উপভোগক বা সুখৰ স্পৃহাক, পাপ আখ্যা দিয়ে নেকি? আপোনালোক জীৱনৰ শত্ৰু নেকি? লিজিয়াক মই ত্যাগেই কৰিব লাগিব নেকি? আপোনালোকে কি সত্য প্ৰচাৰ কৰিছে? আপোনালোকৰ কাৰ্য্যাৱলী আৰু কথাবোৰ, স্ফটিকৰ ধাৰা যেন নিৰ্ম্মল। কিন্তু তাৰ অন্তৰালত কি আছে? আকৌ শুনা যায়, খ্ৰীচে জ্ঞান আৰু সৌন্দৰ্য্যৰ জন্ম দিছে, —ৰোম শক্তিৰ জন্মদাত্ৰী। কিন্তু প্ৰকৃতপক্ষে, খ্ৰীচ আৰু ৰোমৰ

অৱদান কি ? আপোনালোকে কি দিছে জগতক ? যদি আপোনালোকৰ গৃহ মন্দিৰত আনৰ চাকি জ্বলি আছে, তেন্তে মই মিনতি কৰিছো – কদ্ধ দুৱাৰ মুকলি কৰি, সেই চাকিৰ পোহৰ মোকো দিয়ক।”

উত্তৰত পিটাৰে জনালে, “আমি জগতক দান দিছো, প্ৰেম।”

টাৰ্চাচৰ পলে যোগ দিলে, “মানুহ আৰু দেৱদূতৰ ভাষাৰে কথা কৈও, যদি মই উদাৰ নহওঁ, তেন্তে মই বাজি থকা পিতলৰ বস্তু বা টিঙটিঙাই থকা খুটিতাল এযোৰত হে পৰিণত হম।”

বয়োবৃদ্ধ ধৰ্ম্মগুৰুজনৰ হৃদয় বিগলিত হল, —সন্ত্ৰাত বন্দী হৈ থকা, চৰাই এটাৰ দৰে, বেলিৰ পোহৰ পাবলৈ ছটফটাই থকা, ব্যথিত আত্মাৰ নিবেদন শুনি। ভিনিকিয়াচৰ ফালে হাত দুখন মেলি দি, তেওঁ কলে, “আঘাত কৰা দুৱাৰত। সি আপোনাআপুনি তোমাৰ বাবে মুকলি হ’ব। প্ৰভুৰ কৃপা বৰ্ষণ হওক, তোমাৰ শিৰত। পতিত পাৱনৰ নামত, মই এতিয়া তোমাক, তোমাৰ আত্মাক, আৰু তোমাৰ প্ৰেমক আশীৰ্ব্বাদ জনালো।”

আশীষ বচন শুনি, ভিনিকিয়াচ, পিটাৰৰ কাষলৈ লৰি গল। অলপ দিনৰ আগলৈকে, যিজন কুইৰাইট বংশীয় যুৱকে, বিদেশী মানুহক, মানুহ বুলি গণ্য নকৰিছিল, সেইজনেই এতিয়া, গেলিলিৰ এই বৃদ্ধৰ হাত দুখন খামোচ মাৰি ধৰিলে, আৰু অসীম কৃতজ্ঞতাৰে, সেই হাতত নিজৰ ওঁঠেৰে স্পৰ্শ কৰিলে।

পিটাৰ আনন্দৰ সাগৰত উটি গল, যেতিয়া তেওঁ বুজিলে যে, তেওঁৰ জালত বন্দী হবলৈ, এটি আত্মা নিচেই ওচৰ চাপি আহিছে। সমবেত ভক্তদলে ধ্বনি তুলিলে, “যিজন ঈশ্বৰ সকলোৰে উৰ্দ্ধত আছে, তেওঁৰ অপাৰ মহিমা।”

ভিনিকিয়াচে উদ্ভাসিত মুখখন ওপৰলৈ তুলি কলে, “মই বুজিছো, সুখ যোৱা বস্তুটো, আপোনালোকৰ ভিতৰতো আছে। কাৰণ, এতিয়া মই নিজে পৰিতৃপ্তি লাভ কৰিছো। সকলো বিষয়তে, আপোনালোকে মোৰ সংশয় ছেদ কৰিব বুলি নিশ্চয়কৈ জানিছো। পিচে ৰোমত মোৰ সময় নহব। কাৰণ, অতি শীঘ্ৰে, চিজাৰ এন্টিয়ামলৈ যাব, আৰু তেওঁৰ লগত যাবলৈ, মই আদেশ পাইছো, আপোনালোকে জানেই, আদেশ অমান্য কৰা মানেই হল, মৃত্যুদণ্ড। যদি যেয়া মাপায়, তেন্তে মোৰ লগত বলক, আৰু আপোনালোকৰ শুভ্ৰ ধৰ্ম্মৰ কথা, মোক বুজাই কওক। এন্টিয়ামত আপোনালোকৰ কোনো বিপদ নাই। ভিৰৰ মাজত অদৃশ্য হৈ, আপোনালোকে আনকি, চিজাৰৰ ঘৰবাৰীতো সত্যৰ

বাণী প্ৰচাৰ কৰিব পাৰিব। মই শুনিছো, এক্তি খৃষ্টিয়ান, আৰু বজাৰ গা ৰক্ষী সেনাৰ মাজতো খৃষ্টিয়ান আছে। পিটাৰ! নগৰৰ দুৱাৰ মুখত, নৈলিকইতে, আপোনাৰ সম্মুখত, আঠু লোৱা, মই নিজ চকুৰে দেখিছো। এতিয়ামত্ত মোৰ গ্ৰাম্য ভৱন আছে। সেই ঠাইতে, চিজাৰৰ চকুৰ আঁৰত, আমি মিলিত হৈ, আপোনাৰ শিক্ষাৰ কথা শুনিব পাৰিম। প্ৰকাচে মোক জনাইছিল, এটি আত্মাক জয় কৰিবলৈ, আপোনালোক পৃথিবীৰ এমূৰৰ পৰা সিমূৰলৈ যাবলৈকো সাজু হৈ থাকে। জগতৰ উপকাৰ সাধন কৰিবলৈ আপোনালোক, সুদূৰ জুদিয়াৰ পৰা আহিছে। এতিয়া মোৰ বাবে এইখিনি কৰক। মোৰ আত্মাক পতনৰ মুখত যেন এৰি নিদিয়ে!"

সমবেত আটাইবিলাকে, তেওঁলোকৰ ধৰ্ম্মমতে লাভ কৰা, এই বিজয়ৰ মূল্য উপলব্ধি কৰি আনন্দিত হ'ল। ৰোমৰ অতি প্ৰাচীন বংশৰ মানুহ এজনক,—এজন অগষ্টানক, এই ধৰ্ম্মত দীক্ষিত কৰিলে, মূৰ্ত্তিপূজাৰ জগতখনত যে আলোড়ন উঠিব, এই কথা, তেওঁলোকে নভবাকৈ নাথাকিল। এটি মাত্ৰ আত্মাক জয় কৰিবলৈ, তেওঁলোক পৃথিবীৰ সিমূৰলৈকে যাবলৈ প্ৰস্তুত, আৰু তেওঁলোকে ইয়াকে কৰি আছে। প্ৰভুৰ মহাপ্ৰয়াণৰ পাচৰে পৰা, তেওঁলোকে এই কামতে নিজকে উৎসৰ্গা কৰিছে। খৃষ্টিয়ান সম্প্ৰদায়ৰ সৰ্ব্বশ্ৰেষ্ঠ যাজক পিটাৰে ৰাজধানী এৰি যাব নোৱাৰে। কিন্তু টাৰচাচৰ পলে, অলপতে এৰিচিয়াম্‌ আৰু ক্ৰেজেলাত ভ্ৰমণ কৰি আহিছে। পূবৰ দেশবোৰৰ মাজেদি, এটা দীঘলীয়া যাত্ৰা আৰম্ভ কৰাৰ কথাও তেওঁ ভাবিছে। গীৰ্জ্জা সমূহ দৰ্শন কৰি, তাত নতুন উদ্দীপনা জগাই তোলাই তেওঁৰ উদ্দেশ্য। যুবক বিচাৰপতিৰ লগত, এস্টিয়ামলৈ যাবলৈ, তেওঁ সন্মত হল। তাৰ পাচত তেওঁ সাগৰেদি গ্ৰীচলৈ যাবগৈ।

পিটাৰ যাব নোৱাৰাত, ভিনিকিয়াচে মনতে বৰ দুখ পালে। কাৰণ, তেওঁ পিটাৰক অন্তৰেৰে সৈতে ভাল পাইছিল। তথাপিও তেওঁ ধৰ্ম্মাচাৰ্য্যক সন্তুষ্টচিত্তে ধন্যবাদ জনালে আৰু তেওঁৰ ওচৰত শেষবাৰলৈ এটি অনুৰোধো জনালে, "মই জানো, লিজিয়া ক'ত আছে। মোৰ আত্মাই খৃষ্টধৰ্ম্মত দীক্ষা লোৱাৰ পাচত, নিয়ম অনুসৰি, মই নিজে গৈ, তেওঁক মোৰ পত্নী হবলৈ, অনুৰোধ জনাব পাৰিম। কিন্তু এতিয়াই তেওঁৰ লগত দেখা কৰিবলৈ, মই আপোনাৰ অনুমতি ভিক্ষা কৰিছো। হে গুৰু! আপোনালোকৰ এজনক লগত লৈ, মই তেওঁক, বিয়াৰ প্ৰস্তাৱ জনাবলৈ যাব খুজিছো। এতিয়ামত্ত মই কিমান দিন থাকিব লাগে, কব নোৱাৰো। চিজাৰৰ হাতত, কোনো মানুহৰে, "কাইলৈ"ৰ জীৱনৰ থিৰতা নাই।

গতিকে যোৱাৰ আগতে, মোক, লিজিয়াৰ লগত দেখা কৰিবলৈ দিয়ক। তেওঁ ইয়াতে আছে বুলি জানি, মোৰ প্ৰাণে তৃপ্তি লাভ কৰক। মই কৰা অন্যায়-বোৰ, তেওঁ পাহৰিব পাৰিবনে নোৱাৰে তাৰো নিশ্চয়তা নাই। তেওঁ মোৰ সুখ, দুখৰ লগৰী হ'বলৈ, ইচ্ছুক হয় নে নহয়, তাকো জানিব পাৰিম।"

পিটাৰে মৰমেৰে হাঁহিলে। "পুত্ৰ! তোমাৰ যুক্তিপূৰ্ণ কথাত, তোমাৰ সুখৰ পথত, কোনে বাধা দিব পাৰিব?" তেওঁ উত্তৰ দিলে।

ভিনিকিয়াচে পুণৰ তেওঁৰ হাতত চুমা খাবলৈ, তললৈ মূৰ কৰিলে। মনৰ উচ্ছ্বাস তেওঁ এতিয়ালৈকে দমাব পৰা যাই। ধৰ্ম্মগুৰুৱে তেওঁৰ সৌঁহাতখন, যুৱকৰ মূৰত থৈ কলে, "যোৱা, চিজাৰলৈ ভয় নকৰিবা। সঁচাকৈয়ে কৈছো, চিজাৰে তোমাৰ মূৰৰ চুলি এডালো ছিঙিব নোৱাৰে।"

তাৰ পাচত তেওঁ লিজিয়াক মাতি আনিবলৈ, মিৰিয়ামক পঠালে, আৰু আগন্তুকৰ নাম তাইক জনাবলৈ মানা কৰিলে।

দূৰত্ব বেচি নহয়। শীঘ্ৰে তাত থকা সকলোৱে দেখিলে, সৰু বাগিচাখনৰ মাৰ্‌টল গছৰ মাজেদি, মিৰিয়ামে লিজিয়াক হাতত ধৰি লৈ আহিছে।

ভিনিকিয়াচে লৰ মাৰি তাইৰ কাষলৈ যাব খুজিলে। কিন্তু প্ৰিয়াৰ মুখ দৰ্শনে, তেওঁৰ শৰীৰ অৱশ কৰি তুলিলে। সুখৰ অনুভূতিত তেওঁ স্তব্ধ হৈ ৰৈ থাকিল। প্ৰাণৰ স্পন্দন বাঢ়ি গল, বুকুখন ফাটি যাব খুজিলে। পাৰ্থিয়ান সেনাবোৰৰ শৰৰ সোঁ, সোঁ শব্দ প্ৰথমবাৰ শুনোঁতে, তেওঁৰ মন যিমান অস্থিৰ হৈছিল, এতিয়া তাতকৈ শতগুণে বেচি অস্থিৰ হ'ল।

তেওঁৰ সন্মুখত উপস্থিত হল, লিজিয়া! তাইৰ প্ৰশ্ন ভৰা দৃষ্টিত, আৰ্শ্চৰ্য্য আৰু আতঙ্কৰ ভাবে ভুমুকি মাৰিলে। ক্ষণে, ক্ষণে, সেতা আৰু ৰঙা পৰি উঠিল, তাইৰ মুখ। কিন্তু তাই কেউদিশে প্ৰফুল্লময়, স্নেহপূৰ্ণ দৃষ্টিহে দেখিবলৈ পালে।

পিটাৰে কাষলৈ আহি কলে, "লিজিয়া! এওঁক তুমি চিৰদিন ভাল পাই থাকিবানে?"

অলপ সময়ৰ বাবে, নীৰৱতাৰ আৱৰণে, সকলোৰে মন আৱৰি ধৰিলে। নিজৰ দোষ স্বীকাৰ কৰিবলৈ বাধ্য হোৱাৰ আগ মুহূৰ্ত্তত, কেঁচুৱিৰ যোজা শিশু এটিৰ ওঁঠত যি দৰে কঁপনি উঠে, সেইদৰে তাইৰ ওঁঠদুটা কঁপি উঠিল।

"উত্তৰ দিয়া লিজিয়া!" ধৰ্ম্মগুৰুৱে মৰমেৰে কলে।

পিটাৰৰ ভৰি চুই, বিনীত কণ্ঠে, ভয়ে, ভয়ে, অস্পষ্ট মাতেৰে তাই কলে, "হয়।"

ইতিমধ্যে ভিনিকিয়াচেও, তাইৰ কাষতে আঠু কাঢ়িলে। পিটাৰে দুয়োৰো মূৰত হাত থৈ কলে, "আমাৰ প্ৰভুৰ নাম লৈ, তেওঁৰ মহিমা উপলব্ধি কৰি, দুয়ো দুয়োকে ভাল পাই থাকিবা। তোমালোকৰ প্ৰেমত পাপ নাই।"

॥ ১২ ॥

সৰু বাগিচাখনত বহি, ভিনিকিয়াচে লিজিয়াক জনালে, —অলপ আগতে, ধৰ্মযাজকসকলৰ আগত স্বীকাৰ কৰা কথাবোৰ। অন্তৰ ভেদি ওলাই অহা স্বৰেৰে, তেওঁ নিজৰ মানসিক অশান্তিৰ কথা ব্যক্ত কৰিলে, আৰু মিৰিয়ামৰ ঘৰ এৰি যোৱাৰ পাচত, তেওঁৰ কিমান সলনি হল, —তেওঁৰ জীৱন কিমান বিষাদপূৰ্ণ হৈ উঠিল, —সকলো সবিস্তাৰে বৰ্ণনা কৰিলে। তেওঁ জনালে, অলাচৰ ঘৰত, প্ৰথম দৰ্শনতে, তেওঁ তাইক ভাল পাইছিল। তাইক পেলেটাইনত আৰু ওচ ট্ৰিয়ানামতো তেওঁৰ অতি আপোন যেন লাগিছিল। তাৰ পাচত, ৰোগ শয্যাৰ কাষত দেখোতে, আৰু তেওঁক এৰি থৈ যোৱাৰ পাচতো, তাইক তেওঁ একেদৰে ভাল পাই আহিছে। চিলোৱে তাইৰ আশ্ৰয় স্থানৰ সন্ধান পোৱাৰ পাচত, গাৰ বলেৰে তাইক ধৰি আনিবলৈ উপদেশ দিয়াৰ কথা জনাই তেওঁ কলে— এই কথা শুনি, তেওঁ গ্ৰীকটোক কি দৰে শাস্তি দিছিল। ধৰ্মগুৰু সকলৰ মুখত, সত্য ধৰ্মৰ কথা শুনাৰ পাচতহে, তাইৰ পাণি গ্ৰহণ কৰিবলৈ সংকল্প কৰাৰ কথাটোও, তেওঁ তাইক জনালে। লগতে সেই ক্ষণটোক ধন্যবাদ জনালে, --যি ক্ষণত, এনে প্ৰেৰণাই তেওঁৰ মনত ঠাই লৈছিল। এই প্ৰেৰণাৰ শক্তিয়ে, দুয়োকো পুণৰ একেলগ কৰিলে। তেওঁৰ কাষৰ পৰা, এতিয়া আৰু তাই পলাই নাযায়।

"কিন্তু মই তোমাৰ ওচৰৰ পৰাতো পলাই যোৱা নাছিলো ?" লিজিয়াই কলে।

"তেন্তে কাৰ ওচৰৰ পৰা ?"

পাতল নীলা চকুদুটাৰে তেওঁৰ চকুলৈ চাই, তাই তললৈ মূৰ কৰি উত্তৰ দিলে, "তুমি জানা, মই কিয় গুচি গৈছিলো।"

আনন্দৰ আতিশয্যত, ভিনিকিয়াচৰ উশাহ বন্ধ হৈ আহিল। অন্তৰৰ ভাবৰাশিক তেওঁ সুন্দৰভাৱে প্ৰকাশ কৰিব নোৱাৰিলে। তেওঁ নিজেই বুজিব পৰা নাই, তেওঁৰ মনৰ অৱস্থা। মাত্ৰ তেওঁ জানে, তাই তেওঁৰ জীৱনলৈ আনিছে, নতুন সৌন্দৰ্য্য! এতিয়া প্ৰাণহীন মূৰ্ত্তি নহয় তাই, জীৱন্ত প্ৰতিমা! তেওঁ তাইক জনালে, পলাই গুচি যোৱাৰ পাচত, তাইক তেওঁ আগতকৈও বেচি ভাল পাইছিল। খকৰা জীৱনত, তেওঁ তাইক সদায় পবিত্ৰ জ্ঞান কৰিব। এই কথা শুনাৰ পাচত, লিজিয়াৰ জীৱনৰ পাত্ৰ যেন মাধুৰীৰে পূৰ্ণ হল।

নীৰৱে তেওঁ তাইৰ হাত এখন তুলি ললে, আৰু তাই মৰমেৰে চালে, তেওঁৰ মুখলৈ। তাইক যে তেওঁ সচাঁকৈয়ে পুণৰ পাইছে, আৰু তাইৰ কাষতে বহি আছে, এই বিষয়ে নিশ্চিত হবলৈকে যেন, তেওঁ তাইক দুবাৰ নাম ধৰি মাতিলে। শেষত তেওঁ, তাইৰ মনৰ সন্তেদ পাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তাই স্বীকাৰ কৰিলে, অলাচৰ ঘৰত থাকোঁতেও, তাই তেওঁক ভাল পাইছিল। ৰাজপ্ৰাসাদৰ পৰা, তেওঁ তাইক পুণৰ তালৈকে পঠিয়াই দিয়া হলে, তাই তেওঁক প্ৰকাশ্যে ভাল পোৱাৰ কথা জনাই, অলাচইতৰ ২ং মাৰ নিয়াবলৈকো চেষ্টা কৰিলোহেঁতেন।

"মই শপত খাই কৈছো," ভিনিকিয়াচে জনালে, "মই কেতিয়াও ভবা নাছিলো, তোমাক ঘৰৰপৰা আঁতৰাই অনাৰ কথা। কেতিয়াবা পেট্ৰোনিয়াচৰ মুখত শুনিবলৈ পাবা, তেওঁৰ আগত, তোমাক ভাল পোৱাৰ কথা, কিদৰে মই স্বীকাৰ কৰিছিলো আৰু তোমাক পত্নীৰূপে পাবলৈ আশা কৰাৰ কথাও প্ৰকাশ কৰিছিলো। তেওঁক মই কৈছিলো, "তেওঁ আহি, মোৰ দুৱাৰ মুখত, কুকুৰ-নেছিয়া বাঘৰ তেল সানক আৰু ভুংশালত মোৰ কাষতে আসন লৈ বহক। কিন্তু তেওঁ বিদ্ৰুপৰ হাহি মাৰিছিল আৰু তোমাক চক্ৰাধীন বন্দীস্বৰূপে, দাবি কৰি, চিজাৰৰ হতুৱাই অনাই, মোৰ ঘৰলৈ পঠিওৱাৰ ব্যৱস্থা কৰিছিল। মনৰ যন্ত্ৰণাত কতবাৰ যে তেওঁক মই অভিশাপ দিছিলো! হয়তো ভালৰ কাৰণেই হৈছিল সকলো। নহলে মই, খৃষ্টিয়ানসকলক কেতিয়াও চিনি নাপালোহেঁতেন বা তোমাকো বুজি নাপালোহেঁতেন।"

"তুমি বিশ্বাস কৰা, মাৰ্কাচ!" লিজিয়াই উত্তৰ দিলে, "খৃষ্টই তোমাক, মোৰ ওচৰলৈ আনিলে।"

এইখিনি সময়ত, দুয়ো আইভি নিকুঞ্জ পাৰ হৈ, সেই ঠাই ভোথৰ পালেহি,—

য'ত উৰচাচে ক্ৰোটোক মূচৰি মাৰি, ভিনিকিয়াচৰ ওপৰত জপিয়াই পৰিছিল।

"তুমি বাধা নিদিয়া হলে, এই ঠাইতে মোৰ প্ৰাণ শেষ হলহেঁতেন।" ভিনিকিয়াচে কলে।

"মিনতি কৰিছো, এই কথা মোক মনত পেলাই নিদিবা।" তাই কলে, "উৰচাচৰ ওপৰতো যেন আখেজ নোলোৱা।"

"তোমাক যিটো মানুহে ৰক্ষা কৰি আছে, তাৰ ওপৰত মই প্ৰতিহিংসাৰ ভাব লব পাৰোনে? সি দাস হোৱা হলে, তাক তত্‌ক্ষণিকে মুক্তি দিলোহেঁতেন।"

"সি দাস হোৱা হলে, অলাচইতে তাক কেতিয়াবাই মুক্তি দিলেহেঁতেন।"

"তোমাক অলাচ্চ্‌তৰ তালৈ ঘূৰাই নিবলৈ মই ইচ্ছা কৰিছিলো। মনত আছেনে তোমাৰ? তুমি কৈছিলা, চিজাৰে কথাটো গম পালে, তেওঁলোকৰ ওপৰত পোটক তুলিব। বেচ, এতিয়া তোমাৰ যেতিয়াই মন যায়, তেওঁলোকক দেখা কৰিবলৈ যাব পাৰিবা। যেতিয়া তুমি মোৰ পত্নী হবা, তেতিয়া চিজাৰে যদি কেতিয়াবা সোধে, 'তোমাৰ হাতত দিয়া চৰ্ত্তাধীন বন্দী জনী ক'ত আছে'? তেতিয়া মই কম, 'মই তেওঁক বিয়া কৰালো আৰু মোৰ অনুমতি লৈ তেওঁ অলাচ্চ্‌তৰ ঘৰলৈ গৈছে।"

অলপ ৰৈ, তেওঁ আকৌ কবলৈ ধৰিলে, "চিজাৰ এন্টিয়ামত সদায় দিন নাথাকে। কাৰণ, একিয়ালৈ যাবলৈ, তেওঁ অস্থিৰ হৈ আছে। তদুপৰি, তেওঁক অভিবাদন জনাবলৈ, প্ৰতিদিন যাবলৈ, মই বাধ্য নহওঁ। পিতিকে, যেতিয়াই টাৰ্চাচৰ পলে মোক ধৰ্ম্মজ্ঞান দিয়া শেষ কৰিব, তেতিয়াই মই, দীক্ষা স্নান গ্ৰহণ কৰিম। তাৰ পাচত ৰোমলৈ গৈ, অলাচইতৰ বন্ধুত্ব লাভ কৰাৰ ইচ্ছা আছে। এদিন নহয় এদিন, তেওঁলোক পুনৰ ৰোমলৈ আহিব। হয়, তেতিয়া সকলো বাধা আঁতৰি যাব আৰু তোমাক পত্নী ৰূপে লাভ কৰি, মোৰ ঘৰৰ জুইশালৰ কাষত বহুৱাব পাৰিম। মোৰ মৰমী,—মোৰ প্ৰিয়া তুমি!"

লিজিয়াই তাৰ উজ্জ্বল চকুযুৰিৰে, তেওঁৰ চকুলৈ চাই কলে, "হয় আৰু মই তোমাক কম: 'তুমি যলৈকে যোৱা, মইও তালৈকে যাম।'"

জুপুৰীটোৰ দুৱাৰ মুখত থকা, চাইপ্ৰাচ গছ এজোপাৰ তলত বৈ, লিজিয়াই গছৰ গাত আঁউজিলে।

কম্পিতকণ্ঠে, ভিনিকিয়াচে কলে, "মোৰ অনুৰোধ, উৰচাচক অলাচৰ ঘৰলৈ পঠিয়াই, তোমাৰ সকলোৰ ওৰণা বস্ত্ৰ আৰু আচবাব পত্ৰ যি আছে, সকলো

অনাই মোৰ ভালৈ পঠিয়াবা।”

এপাহি গোলাপৰ দৰে,—উষাৰ ৰক্তিম আভা সানি লোৱাৰ দৰে,—তাইৰ গাল তুখন ৰঙা পৰি উঠিল।

“প্ৰচলিত ৰীতিয়ে আন ধৰণৰ নিৰ্দেশহে দিয়ে। কিন্তু—”

“হয় মই জানো। কইনাৰ সখীয়েকে এইবোৰ বস্তু লৈ, কইনাৰ পিচে, পিচে যোৱাহে ৰীতি। তথাপিও, মোৰ বাবে, তুমি এই কাম কৰা। মই মোৰ এষ্টিয়ামত থকা ঘৰলৈ, আটাইবোৰ লৈ যাম। এই বস্তুবোৰে সদায় মোক, তোমাৰ কথা সোঁৱৰাই থাকিব।”

নিগ্ৰৰ হাতত্বখন সাৱটি লৈ তেওঁ পুণৰ কলে, “মোৰ বাবে এই কাম কৰা, মোৰ প্ৰিয়া! মোৰ প্ৰতিমা! পম্পোনিয়া সোনকালে উলটি আহিবও পাৰে।”

“এই বিষয়ে, পম্পোনিয়াৰ যি ইচ্ছা, সেয়ে হ’ব।” ‘কইনাৰ সখীয়েক’ বোলা কথাষাৰে তাইৰ গালত লাজৰ ৰাঙলী আভা দুগুণে চৰালে।

পুণৰ দুয়ো নীৰৱে ৰল। অনুভূতিৰ প্ৰগাঢ়তাই দ্বুয়োৰো কণ্ঠৰোধ কৰিলে। চাইপ্ৰাচ গছত আঁউজি থকা, লিজিয়াৰ সুন্দৰ শুভ্ৰ মূৰ্ত্তি, আন্ধাৰৰ বুকত এপাহি ফুলৰ দৰে জিলিকি উঠিল। তাইৰ দৃষ্টি নত,—ডিঙিটো উশাহৰ লগে, লগে, উঠা, নমা কৰি আছে। ভিনিকিয়াচৰ দেহ আবেগত কঁপি আছে, মুখ শেতা পৰি গৈছে। দ্বুপৰীয়াৰ নিস্তব্ধতাত পৰস্পৰে নিজৰ বুকুৰ স্পন্দন স্পষ্ট শুনিবলৈ পাইছে। দুয়োৰো স্বপ্নিল চেতনাৰ প্ৰভাৱতে যেন, চাইপ্ৰাচ গছ, মাৰ্‌টল গুল্ম আৰু নিকুঞ্জ কুটীৰেৰে সৈতে, গোটেই বাগিচাখন, প্ৰেমৰ নন্দন বনলৈ ৰূপান্তৰিত হৈছে।

অলপ পাচতে মিৰিয়াম আহি, দুৱাৰ মুখত থিয় হল আৰু দুয়োকে দুপৰীয়াৰ আহাৰ খাবলৈ ভিতৰলৈ মাতিলে। দুয়ো আহি, ধৰ্ম্মযাজক দুজনৰ মাজত বহিল। তেওঁলোকক দেখি, যাজক দুজনৰ মুখ আনন্দত উদ্ভাসিত হৈ উঠিল। কাৰণ এওঁলোক দুয়োৰো মিলনৰ ফলত, খৃষ্ট ধৰ্ম্মই, বংশানুক্ৰমে, বিস্তৃতি লাভ কৰিব।

পিটাৰে আশীৰ্ব্বাদ জনাই, ৰুটি ভাঙি, সকলোকে দিলে। আটাইৰে মনত শান্তিৰ গভীৰতা। অপৰিসীম সুখেৰে, গোটেই পৰিবেশ পূৰ্ণ হ’ল।

“এতিয়া ভাবি চোৱা,” ভিনিকিয়াচলৈ চাই, পলে কলে, “আমি জীৱন-আনন্দৰ শত্ৰু হয় নে নহয়।”

ভিনিকিয়াচে উত্তৰ দিলে, “আপোনালোকৰ মাজত এতিয়া মই যি সুখ পাইছো, সেই সুখ কোনো দিন পোৱা নাছিলো।”

॥ ১৩ ॥

সেই একে দিনাই, পধূলি পৰত, ফ'ৰামৰ মাজেদি, ঘৰলৈ উলটি যাওঁতে, ভিনিকিয়াচে দেখিলে, পেট্ৰোনিয়াচৰ সোণ খটোৱা দোলাখন, আঁঠোটা বিথেই-নিয়ান্ ভাৰীয়ে, ভাইকাচ্ টাচ্‌কাচ্ পথেদি কঢ়িয়াই লৈ গৈছে। হাতৰ ভঙ্গীৰে সিইতক ৰখাই, তেওঁ দোলাখনৰ আঁৰকাপোৰৰ ওচৰলৈ আহিল।

"তুমি যেন অতি শুভ সপোন দেখা। মই ইয়াকে কামনা কৰিলোঁ।" পেট্ৰোনিয়াচক টোপনিয়াই থকা দেখি, ভিনিকিয়াচে আনন্দ মনেৰে চিঞৰি কলে।

"অ' তুমি দেখোন!" মোমায়েকে কলে, "হয়, মই টোপনিয়াই আছো। কাৰণ গোটেই নিশা মই পেলেটাইনত আছিলো। এতিয়া মই, এন্টিয়ামত মন ভাল লগাবৰ বাবে, বস্তু এটা কিনি নিবলৈ আহিলো। খবৰ বাতৰি কেনে?"

"তুমি কিতাপৰ দোকানত ঘূৰি ফুৰিছা, নহয়নে?" ভিনিকিয়াচে সুধিলে।

"হয়, মই মোৰ নিজৰ পুথিভঁৰালটো ওলট পালট কৰিব খোজা নাই। মিওচোনিয়াচ্ আৰু চেনেকাই, অলপতে নতুন কিতাপ উলিয়াইছে বুলি শুনিছো। মই 'পাৰ্চিয়াচ্' খনো বিচাৰি ফুৰিছো। ভাৰ্জিলৰ 'এক্‌লোগচ্'খনো মোক লাগে। সেইখন মোৰ ঘৰত নাই। ইমান ভাগৰ লাগিছে মোৰ! হাতে লেখা কিতাপ বোৰ চুঙাৰ ভিতৰৰপৰা টানি উলিয়াওতে, উলিয়াওতে হাত বিষাই গৈছে। কাৰণ কি জানানে? কিতাপৰ দোকানত সোমালে, কি আছে সকলো চাবৰ মন যায়। এভিৰেনাচৰ দোকান, এগ্ৰিলেটাম্ পথত থকা এট্ৰাক্‌টাচৰ দোকান, আৰু ভাইকাচ্ চেন্দেলেৰিয়াচ্ পথত থকা চোচাই আদি এখনো পুস্তক প্ৰতিষ্ঠান বাদ পৰা নাই। হে কেষ্টৰ! ইমান যে টোপনি ধৰিছে মোৰ!"

"তুমি পেলেটাইনলৈ গৈছিলা নহয়, খবৰ বাতৰি কেনে কোৱাচোন। দোলাখন আৰু কিতাপৰ বাকচবোৰ, ঘৰলৈ পঠিয়াই দিয়া। মোৰ তালৈ বলা। আমি এণ্টিয়াম্ যাত্ৰাৰ কথা, আৰু এটা বেলেগ কথাও আলোচনা কৰিম।"

"বাৰু," দোলাৰপৰা নামি, পেট্ৰোনিয়াচে কলে, "আমি পৰশিলৈ এণ্টিয়ামলৈ যাওঁঁা হ'ব। গতিকে তুমি নিশ্চয় সাজু হব লাগিব। জলফাই তেলত মটৰ মাহ বাছি খাই, আৰু শকত ভিজিটো কাপোৰেৰে মেৰিয়াই লৈও, এহেনো-বাৰ্বাচৰ মাত ভঙা ভাল হোৱা নাই। গতিকে সি এইবাৰ যাবই। যাত্ৰা পিচলৈ নিয়াৰ কথা আৰু নাভাৰে। এতিয়া সি ৰোমক, আৰু নগৰতে যি বতাহত উশাহ লৈছে, সেই বতাহকো শাও শপনি দি আছে। নগৰখন পুৰি

পেলাবলৈ বা ভাঙি মৰিয়ম কৰিবলৈ পালেই যেন, সি তৃপ্তি পাব। সাগৰৰ বতাহ লবলৈ, সি ব্যাকুল হৈ পৰিছে। সি বাৰে, বাৰে কৈছে,—নগৰৰ ঠেক পথবোৰৰপৰা বতাহে যি দুৰ্গন্ধ কঢ়িয়াই আনিছে, সেই দুৰ্গন্ধই এদিন তাক নি মৰিশালী পোৱাবহি। আজি বোমৰ প্ৰতিটো মন্দিৰতে, সি বলিদান দিয়াইছে,—তাৰ কণ্ঠস্বৰৰ উন্নতি কামনা কৰি। তাৰ ভঙা মাতটো যদি শীঘ্ৰে ভাল হৈ নুঠে, তেন্তে বোম আৰু বিশেষকৈ চিনেটৰ অৱস্থা কাহিল হব।”

“হয়, তেতিয়া তাৰ একিয়ালৈ যোৱাৰ ইচ্ছা আৰু নাথাকিব।”

“তুমি ভাবা নেকি, আমাৰ চিজাৰৰ সঁচাকৈয়ে কিবা অসাধাৰণ গুণ আছে বুলি? অলিম্পিক খেলত সি, কবিৰূপে অৱতীৰ্ণ হৈ, তাৰ ‘অগ্নিদগ্ধ ট্ৰয়’ নামৰ কবিতা গাই শুনাব। তদুপৰি, ৰথচালক, সঙ্গীতজ্ঞ, মল্লবীৰ আৰু আনকি, নৃত্য শিল্পীৰূপেও দেখা দিব সি। প্ৰতিটো বিষয়তে, সি জয়মালা লাভ কৰিব। বান্দৰটোৰ মাত ভাগিছে কিয় জানানে? কালি ৰাতি সি, ‘লীডা’ৰ ভাও দি, আমাৰ বন্ধু পেৰিচক চেৰ পেলাবলৈ চেষ্টা কৰিছিল। তাকে কৰোতে, ঘামি-জামি হাৰাশাস্তি হৈ, শেষত তাৰ পানী লাগি গল। তাৰ গাটো, ঠিক পানীৰ পৰা তুলি অনা, বামী মাছ এটাৰ দৰে হৈছিল। তিতি জুৰুলি জুপুৰি হৈ, গাটো ঘামত আঠা আঠা হোৱাৰ পাচতো সি ভাও দিয়েই আছিল। মুহুৰ্ত্তে, মুহুৰ্ত্তে, সি মুখ্য সলনি কৰিছিল, লাটুম এটাৰ দৰে পাক ঘূৰণি খাইছিল, আৰু মদাহী নাবিক এটাৰ দৰে, হাতৰ ভঙ্গী দেখুৱায়েই আছিল। শেষত তাৰ, জন্তুৰ দৰে প্ৰকাণ্ড পেটটো আৰু বসন্তৰ দাগ থকা ভৰিকেইটা দেখি, দেখি এনে ঘিণ লাগিছিল, কি ক’ম! আজি পোন্ধৰ দিন ধৰি, পেৰিচে তাক শিকায়েই আছে। এহেনোবাৰবাচক তুমি, ‘লীডা’ অথবা ‘ৰাজহংস দেৱতাৰ’ ৰূপত কল্পনা কৰিব পাৰিবানে? ৰাজহংসটিনো কি চাবা! হক তেওঁ। কবলৈ কথাকে ওলাইছে কিছু। কিন্তু এইয়ে যথেষ্ট নহয়। তাৰ এই মূক অভিনয়, ৰাইজক দেখুৱাব খুজিছে,—প্ৰথমে এন্টিয়ামত, আৰু তাৰ পাচত ৰোমত!”

“ৰাইজৰ আগত গীত গাই, আগতে সি যথেষ্ট বদনাম কৰিছে। ৰোমৰ চিজাৰে, মঞ্চত অভিনয় দেখুউৱাটো, একেবাৰে না-ভূত, না-শ্ৰুত কথা। ৰোমে এইটো কেতিয়াও সহ্য নকৰে।”

“হেৰা মোৰ সাধু বন্ধু! ৰোমে যি কোনো কথাকে সহ্য কৰিব। চিনেটে ‘দেশৰ পিতাৱলৈ’ শলাগৰ শৰাই আগবঢ়াব। ৰাইজে ৰহুৱা এটাক

শাসকৰূপে পাই গৌৰৱ অনুভৱ কৰিছে।"

"এৰা, ইমান তললৈ নামিব লাগেনে ?"

পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি কলে, "তুমি এভিয়া, লিজিয়া আৰু খৃষ্টিয়ানৰ ধ্যানত মগ্ন হৈ, জগত সংসাৰ পাহৰি, যৰতে সোমাই আছা। গভিৰ, বেই দিনমানৰ আগৰ ঘটনা নজনাটো, তোমাৰ পক্ষে একো আচৰিত নহয়। নিৰোৱে বাইজৰ আগতে, দেখাদেখিকৈ পাইথাগোৰাচক বিয়া কৰালে,—নিজে যুৱতী কইনাৰ সাজ পিন্ধি ! ইয়াক চূড়ান্ত মূৰ্খামি বুলিব পাৰি, কি বুলিব পাৰি ? যি কি নহওক পুৰোহিতসকল উপস্থিত আছিল, আৰু তেওঁলোকে, 'ধৰ্ম্মতঃ' দুয়োৰো মিলন ঘটালে। মই নিজে এই বিবাহ অনুষ্ঠানত উপস্থিত আছিলো। বহুত কথাই মোৰ সহ্য হয়। তথাপিও, মোৰ মনত লাগিছিল যে, এনেকুৱা ক্ৰিয়া কাণ্ড দেখি দেৱতাসকলে,—যদি সঁচাকৈয়ে দেৱতা আছে,—কিবা অশুভ সঙ্কেত দিয়া উচিত আছিল। চিজাৰে অৱশ্যে দেৱতা বিশ্বাস নকৰে। এনে সন্দেহবাদী হোৱাৰ নিশ্চয় কিবা কাৰণ আছে।"

"তেন্তে সি, একাধাৰে প্ৰধান পুৰোহিত, দেৱতা আৰু নাস্তিকো।"

"ঠিক কৈছা।" পেট্ৰোনিয়াচে হাঁহি কলে, "সুন্দৰ ত্ৰিমূৰ্ত্তি ! কি যে এখন জগত !"

"চিজাৰ যেনে, তাৰ জগতো তেনে। কিন্তু ই স্থায়ী নহয়।"

এইদৰে কথা পাতি আহি, দুয়ো ভিনিকিয়াচৰ ঘৰ পালেহি। ভিনিকিয়াচে প্ৰফুল্লচিত্তে গধূলিৰ আহাৰ পৰিবেশন কৰিবলৈ আদেশ দিলে।

"হয়, জগতখনৰ পুণৰ্গঠন বাঞ্ছনীয়, নব জন্মৰ প্ৰয়োজন !" তেওঁ জনালে।

"কিন্তু এই কাম, আমি কৰিব নোৱাৰো।" পেট্ৰোনিয়াচে উত্তৰ দিলে। "এটা কাৰণ হল, এহেনোবাৰ্‌বাচৰ শাসনৰ তলত, মানুহ হল, এটা পখিলাৰ নিচিনা। যিমান দিনলৈকে, ৰাজ অনুগ্ৰহৰ ৰশ্মিয়ে তাৰ গাত খেলা কৰিব, সিমান দিনলৈ সি জীয়াই থাকিব, আৰু ৰাজ অনুগ্ৰহৰ পৰা বঞ্চিত হোৱাৰ পাচৰ উশাহটোতে তাৰ মৰণ মিলিব। মাইয়াৰ পুত্ৰৰ শপত ! কেতিয়াবা মই নিজকে প্ৰশ্ন কৰো, লুচিয়াচ চেটাৰ্‌নিনাচৰ নিচিনা মানুহ এটা কিদৰে, টাইবেৰিয়াচ্, কেলিগুলা আৰু ক্লডিয়াচৰ দৰে সম্ৰাটৰ হাতৰ পৰা সাৰি গল ? ব্যাক, থাকক এইবোৰ কথা। ইউনিচক আনিবলৈ তোমাৰ দোলাখনকে পঠিয়াও নে ? মোৰ টোপনি, কৰবালৈ গল। এভিয়া অলপ বং ধেমালি কৰিবৰহে মন গৈছে।

ভোজনৰ আনন্দ বৃদ্ধি কৰিবলৈ, এজন বীণ বাদক অনোৱা! তাৰ পাচত, আমি এণ্টিয়ামৰ কথা পাতিম। মোতকৈ তুমিহে, এইবোৰলৈ বেচি মন দিব লাগিছিল।"

ভিনিকিয়াচে ইউনিচক আনিবলৈ আদেশ দিলে। পেট্ৰোনিয়াচক তেওঁ জনালে, এণ্টিয়াম্ যাত্ৰাৰ কথা পাতি, মূৰৰ বিষ তোলা তেওঁৰ উদ্দেশ্য নহয়।

"জগতৰ সীমা পেলেটাইনতে শেষ হোৱা নাই।" তেওঁ কলে, "যাৰ অন্তৰত ভিন ভাবৰ ক্ৰিয়া চলি আছে, অন্ততঃ তেওঁলোকৰ বাবে।"

তেওঁ ইমান অৱহেলাৰ ভাবত কথাষাৰ কলে আৰু ইমান উপলুঙা দেখুৱালে যে, পেট্ৰোনিয়াচে তেওঁৰ মূখলৈ চাই নোকোৱাকৈ নোৱাৰিলে, "তোমাৰ মূৰত কি সোমাইছে? ডিঙিত 'বুলা' (ৰোমান শিশুৱে পিন্ধা ধাতুৰ গহনা) পিন্ধি থাকোঁতে যেনেকুৱা আচৰণ কৰিছিলা, এতিয়াও ঠিক তেনেকুৱাই কৰিছা দেখোন।"

"তাৰ কাৰণ হল মই সুখী।" ভিনিকিয়াচে উত্তৰ দিলে। "তাকে জনাবলৈ, মই তোমাক ঘৰলৈ মাতি আনিছো।"

"কথাটো কি?"

"ই এনে এটা বস্তু, যাক মই, গোটেই ৰোমান সাম্ৰাজ্যৰ লগতো সলাব নোৱাৰো।"

ওখ আসন এখনত বহি, হাত দুখনেৰে নিজৰ মূৰটোত পিচফালে ভেজা দি ধৰি, মুখ উজ্জ্বল কৰি তেওঁ কবলৈ ধৰিলে, "আমি অলাচ্ প্লচিয়াচক দেখা কৰিবলৈ যোৱা দিনটো, তোমাৰ মনত আছেনে? তাত তুমি মানুহীৰ লগত এগৰাকী দেৱী প্ৰতিমাক লগ পাইছিলা। তুমি নিজেই তেওঁৰ নাম দিছিলা, 'অৰোৰা' আৰু 'বসন্ত'। সকলো কুমাৰী ছোৱালী আৰু দেৱীতকৈ মনোৰমা, অনুপমা, সেই 'চাইকি'লৈ মনত পৰিছেনে তোমাৰ?"

"কি ভাষাত কথা কৈছা তুমি? নিশ্চয় তুমি লিজিয়াকে বুজাইছা!"

"হয়, এতিয়া তেওঁ মোৰ বাগদত্তা।"

"সঁচাকৈয়ে?"

পেট্ৰোনিয়াচে আৰু কিবা কোৱাৰ আগতে, ভিনিকিয়াচে আসনৰ পৰা জপিয়াই নামি, ঘৰৰ ভড়ালীক মতালে।

"আটাইবোৰ দাসকে ইয়ালৈ মাতি আনা।" তেওঁ কৰ্ম্মচাৰী জনক কলে, "কোনো বাদ নপৰাকৈ, প্ৰত্যেকটোকে এতিয়াই মাতি আনা।"

"তাই তোমাৰ বাগদত্তা ?" পেট্ৰোনিয়াচে পুণৰাবৃত্তি কৰিলে। আশ্চৰ্য্যৰ ভাব তেওঁৰ মনৰ পৰা নোযাওঁতেই, প্ৰকাণ্ড এট্ৰিয়াম্ কক্ষটো, দাসেৰে ভৰি পৰিল।

ভিনিকিয়াচে মুখ্য মুক্ত দাস, ডেমাচলৈ উলটি চালে।

"ইয়াৰ ভিতৰত যিবোৰে মোক একুৰি বছৰ সেৱা কৰিছ, সেইবোৰে কাইলৈ ৰাতিপুৱাই, বিচাৰকৰ তালৈ গৈ, মুক্তিৰ আদেশ লৈ আহিবি। বাকী আটাইবোৰে, তিনিটাকৈ সোণৰ মোহৰ আৰু এসপ্তাহৰ বাবে, দুগুণ ৰচদপাতি পাবি। গাৱঁৰ দণ্ডালয়বোৰলৈ, বাতৰি পঠাব লাগিব, সকলো শাস্তি ৰেহাই দিবলৈ, হাত, ভৰিৰ শিকলি খুলি দিবলৈ, আৰু বন্দীইতক যিমান দুৰ সম্ভৱ, সুখাদ্য বিলাই দিবলৈ। আজিৰ দিনটো, মোৰ সুখৰ দিন! মোৰ ঘৰত আনন্দ বিৰাজ কৰক,—এইয়ে মোৰ ইচ্ছা।"

কথা শুনি, আটাইৰে মাত হৰিল। সিহঁতে যেন, নিজৰ কাণ দুখনকে বিশ্বাস কৰিব পৰা নাই। তাৰ পাচত, আটাইবিলাকে হাত দাঙি চিঞৰি উঠিল, "হে মোৰ প্ৰভু! মোৰ ঈশ্বৰ!"

হাতৰ ইঙ্গিতেৰে, ভিনিকিয়াচে সকলোকে যাবলৈ কলে। প্ৰভুক প্ৰত্যেকে ধন্যবাদ জনাই, ভৰিত দীঘল দি পৰিব খুজিছিল। আদেশ পাই, সিহঁতে আনন্দত নাচি, নাচি, আঁতৰি গল। তলৰপৰা ওপৰলৈকে গোটেই ঘৰটোত আনন্দৰ কোলাহল উঠিল।

"কাইলৈ মই, আটাইবোৰকে বাগিচালৈ মাতি নি, প্ৰত্যেককে, বালিত নিজৰ প্ৰিয় চিন আঁকিবলৈ কম। যিবিলাকে মাছ আঁকিব, সেইবিলাকক লিজিয়াই নিজ হাতে মুক্ত কৰিব।"

বহুত দিন একোৱে আচৰিত কৰিব নোৱাৰা অৱস্থাত থকা পেট্ৰোনিয়াচ, এইবাৰ সজাগ হৈ উঠিল।

"মাছ ?" তেওঁ কলে, "অ' এতিয়া মোৰ মনত পৰিছে, চিলোৱে কোৱা কথা,-এইটোৱেই খৃষ্টিয়ানৰ প্ৰতীক চিন।"

তাৰ পাচত, ভিনিকিয়াচলৈ হাত এখন আগবঢ়াই দি কলে, "মানুহে বিহুত সুখ পাবলৈ বিচাৰে, কেৱল তাতেহে সুখ থাকে, তেওঁৰ বাবে। ফ্লোৰা দেৱীয়ে যেন তোমাৰ পথত ফুল ছটিয়াই থয়, সুদীৰ্ঘ ভৱিষ্যতৰ দিনবোৰত। তুমি নিজে যি বাঞ্ছা কৰা, মইও তোমাৰ বাবে, সেই সকলোখিনিকে বাঞ্ছা কৰো।"

"তোমাক ধন্যবাদ জনাইছো। মই ভাবিছিলো, তুমি মোক দোষাৰোপ

কৰিবা, যদিও দোষ উলিওৱা হ'ল, তোমাৰ সময়ৰ অপব্যৱহাৰৰ বাহিৰে একো নহ'লহেঁতেন।"

"মই দোষ দিম তোমাক? হবই নোৱাৰে, এনে কথা। আনহাতে মই কওঁ,—তুমি বেচ কাম কৰিলা!"

"ইয়াকে বোলে, সুবিধা বুজি, লুটি বাগৰ মৰা।" ভিনিকিয়াচে কলে "পেম্পোনিয়াৰ ঘৰ এৰি আহি থাকোঁতে, নাইত মোক কি কৈছিলা, পাহৰিলা নেকি?"

"নাই পাহৰা। কিন্তু মই মত সলনি কৰিছো। মৰমৰ বন্ধু, বোমত সকলো সলনি হৈ থাকে। গিৰীয়েকবোৰে ঘৈণীয়েক সলনি কৰে, আৰু ঘৈণীয়েকহঁতেও গিৰীয়েক সলাই থাকে। তেন্তে মইনো মত সলনি নকৰিম কিয়? এজনী ৰাজ-বংশৰ কন্যা বুলি শুনি, নিৰোৱে তেওঁক বিয়া কৰাব খুজিছিলেই, অলপতেহে থাকি গল। তাকে কৰা হ'লে সি, মান-সন্মান থকা পত্নী এগৰাকীকে পালে-হেঁতেন। আমিও পালোহেঁতেন, শ্ৰদ্ধাৰ উপযুক্তা অগষ্টা এগৰাকী। সাগৰ তলিত অকলে বিচৰণ কৰা, প্ৰোটিয়ুচৰ শপত! প্ৰতিটো বিষয়তে, মই মত সলাবলৈ সাজু, প্ৰয়োজন আৰু সুবিধা বুজি। ইতিহাসলৈ আঙুলিয়াই, এজিক পুৰণি ট্ৰয় নগৰৰ ৰাজবংশত ওপজা বুলি কোৱা হৈছিল; পিচে লিজিয়াক ৰাজকুলত জন্ম গ্ৰহণ কৰা বুলি কোৱা কথাত, অন্ততঃ বেচি নিশ্চয়তা আছে। যি, কি নহওক, এণ্টিয়ামত তুমি, পপিয়াৰপৰা সাৱধান হবা। কাৰণ তাই প্ৰতিহিংসাপৰায়ণা তিৰোতা।"

"তাইলৈ মই কেৰেপকে নকৰো। তোমাক ইয়াকে কওঁ,—এণ্টিয়ামত আনকি মোৰ মূৰৰ চুলি এডালো নসৰে।"

"তুমি যদি মোক দ্বিতীয়বাৰ আচৰিত কৰিব খুজিছা, তেন্তে জানিবা, ই তোমাৰ ভুল ধাৰণা। পিচে, তুমিনো এই নিশ্চয়তা পালা ক'ত?"

"ধৰ্ম্মাচাৰ্য্য পিটাৰৰ পৰা।"

"অ' তেন্তে ধৰ্ম্মযাজক পিটাৰেহে, তোমাৰ মনত কথাটো সুমুৱাই দিলে। বেচ, ইয়াত যুক্তি, তৰ্কৰ ঠাই নাই। তথাপিও, মই অলপ সাৱধানতা অৱলম্বন কৰাৰ কথা কৈছো। কাৰণ, পিটাৰৰ ভৱিষ্যতবাণী নফলিয়াবও পাৰে। যদি নফলিয়ায়, তেন্তে তেওঁ তোমাৰ বিশ্বাস হেৰুৱাব আৰু তেওঁৰ স্বাৰ্থ সিদ্ধিতো বাধা পৰিব।"

"তোমাৰ যি ইচ্ছা কৰা। কিন্তু মোৰ বিশ্বাস আছে, তেওঁৰ ওপৰত। তেওঁক লৈ ঠাট্টা মস্কৰা কৰি, মোক নিৰাশ কৰিবলৈ চেষ্টা কৰা মিছা।"

"আৰু এটা কথা,—তুমি সঁচাকৈয়ে খৃষ্টিয়ান হৈ পৰা নেকি ?"

"নাই হোৱা এতিয়াও। কিন্তু টাৰচাচৰ পল, এটিয়ামলৈ মোৰ লগত যাব আৰু খৃষ্টৰ ধৰ্ম্মমত, মোক ব্যাখ্যা কৰি শুনাব। তাৰ পাচত মই দীক্ষা স্নান গ্ৰহণ কৰিম। মই বুজি উঠিছো, তুমি কোৱাৰ দৰে, খৃষ্টিয়ানসকল জীৱনৰ আনন্দৰ শত্ৰু নহয়।"

"সেয়ে যদি হয়, তোমাৰ আৰু লিজিয়াৰ কাৰণে কথাটো অতি উত্তম।"

তাৰ পাচত পেট্ৰোনিয়াচে, কান্ধ দুটা জোকাৰ মাৰি, নিজকে কোৱাৰ দৰে কলে, "মানুহক খৃষ্টিয়ান কৰাৰ কৌশল, উলিওৱাত, এই মানুহবোৰৰ আচৰিত ক্ষমতা! তদুপৰি, এই সম্প্ৰদায়টোৱে, ঠাল, ঠেঙুলি বঢ়াই গৈয়ে আছে।"

"হয়," ভিনিকিয়াচে কলে, "ৰোমত হাজাৰে, হাজাৰে খৃষ্টিয়ান আছে। ইটালী, গ্ৰীচ আৰু এচিয়াৰ অন্যান্য ঠাইতো আছে অসংখ্য খৃষ্টিয়ান। আমাৰ সৈনাদলৰ মাজত আৰু সম্ৰাটৰ গাৰক্ষী সেনাৰ মাজতো, বহুত খৃষ্টিয়ান আছে। কিছুমান আনকি, চিজাৰৰ ৰাজপ্ৰাসাদতে আছে। দাস আৰু স্বাধীন নাগৰিক ধনী আৰু দুখীয়া, উচ্চ আৰু নীচ, সমাজৰ সকলো স্তৰতে, খৃষ্টধৰ্ম্মী লোক আছে। তুমি জানানে, কৰ্ণেলিয়াচ্ পৰিয়ালতো খৃষ্টিয়ান আছে আৰু পম্পোনিয়া গ্ৰেচিনাও খৃষ্টিয়ান ? হয়তো অক্তেভিয়াও খৃষ্টিয়ান আছিল। এক্তিও যে খৃষ্টিয়ান, তাত কোনো সন্দেহ নাই। হয়, গোটেই বিশ্বজুৰি আছে, এই ধৰ্ম্ম। কাৰণ এই ধৰ্ম্মইহে, পৃথিৱীখন নতুনকৈ গঢ়িব পাৰিব। তুমি এইদৰে কান্ধ জোকাৰি নেদেখুৱাবা-চোন। কোনে জানে, এমাহ বা এবছৰ পাৰ নৌহওঁতেই, তুমিও খৃষ্টিয়ান হৈ নাযাবা বুলি ?"

"মই ?" পেট্ৰোনিয়াচে জনালে, "নহওঁ। লেটোনাৰ পুত্ৰৰ শপত খাই কৈছো, মই কেতিয়াও এই ধৰ্ম্ম নলওঁ,—ইয়াত সত্য, জ্ঞান, মানবীয় আৰু সৰগীয় গুণ যিমানে নাথাকক লাগিলে। এই ধৰ্ম্ম লবলৈ হলে, মই যথেষ্ট কষ্ট কৰিব লাগিব। এতিয়া কষ্ট কৰাৰ ইচ্ছা মোৰ সমূলি নাই। জীৱনে মোক যিখিনি দিছে, তাক এৰি পেলোৱাৰ প্ৰবৃত্তিও মোৰ নাই। তোমাৰ আগ্ৰহশীল উৎসাহী মন এটা আছে। গতিকে, তুমি সদায়, ক'ৰ পানী কলৈ যায়, চাই থাকিব পাৰিবা। কিন্তু মই ? মই ভাল পাওঁ, অমূল্য বস্তু, দামী পাথৰত কটা মূৰ্ত্তি, জালি কটা দুদৃশ্য পাত্ৰ। তাৰ বাহিৰেও, মোৰ ইউনিচ আছে। মই স্বৰ্গ আছে বুলি বিশ্বাস নকৰো। এই পৃথিৱীকে সাৰটি ধৰি থাকিবলৈ মই বাঞ্ছা কৰো, আৰু চেষ্টা কৰো, ইয়াতে

সদায় উন্নতিৰ পথত আগবাঢ়ি যাবলৈ। যেতিয়ালৈকে নিয়তিৰ শৰত ধৰাশায়ী নহওঁ, বা চিৰাৰে মোক, গাৰ শিৰ কটাই তেজ বোৱাবলৈ আদেশ নিদিয়ে, তেতিয়ালৈকে, এই পৃথিবীৰ মাটিকে মই আকোৱালি ধৰি থাকিম। ফুল আৰু এটা আৰামপূৰ্ণ ভোজন কৰ্ক্কলৈ মোৰ দুৰ্ব্বলতা অতি বেচি। আমাৰ দেৱতা সকললৈকো মোৰ কিবা এটা মৰম সোমাইছে। উপমা আৰু অলঙ্কাৰ শাস্ত্ৰৰ আহিলা বুলিয়েই হয়তো। মই একিয়া নামৰ ঠাইখনো ভাল পাওঁ। এতিয়া মই, তালৈকে যাবলৈ ওলাইছো,—বসন্তৰ দাগ থকা, শকত, নোদোকা চৰণ দুটিৰে সৈতে, অসাধাৰণ ধীসম্পন্ন, দেৱতা সদৃশ, আৰু মহিমতীয়া, চিজাৰ অগষ্টাচ্ হাৰ্কিউলিজ এহেনোবাৰ্বাচ্ নিৰোৰ সঙ্গী হৈ।”

পেট্ৰোনিয়াচৰ দৰে মানুহ এজনে গেলিলিৰ মাছমৰীয়াৰপৰা, ধৰ্ম্ম শিক্ষা গ্ৰহণ কৰিব? কথাটো এনেয়ে এবাৰ ভাবিয়েই তেওঁ সশব্দে হাঁহি দিলে। তাৰ পাচত, তেওঁ নিম্নস্বৰে আবৃত্তি কৰিলে:

“মইও মোৰ তৰোৱালক সেউজা মাৰ্টলৰ মালা পিন্ধাম, হাৰ্মোদিয়াচ্ আৰু এৰিষ্টোজিটনৰ দৰে।”

তাৰ পাচত, হঠাৎ বৈ গল তেওঁ। কাৰণ, গৃহৰক্ষীজনে ইউনিচ অহাৰ খবৰ দিছিল।

ক্ষন্তেক পাচতে, নিশাৰ আহাৰ পৰিবেশন আৰম্ভ হল; বীণ বাদকে কেইটামান গীতৰ সুৰ বজাই শুনোৱাৰ পাচত, ভিনিকিয়াচে চিলোৰ কথা পেট্ৰোনিয়াচক শুনালে। কথাখিনি শুনাৰ পাচত পেট্ৰোনিয়াচে টোপনিয়াই, টোপনিয়াই নিজৰ কপালখন দুহাতেৰে চেপি ধৰি কলে; “কথাটো ভালেই আছিল। কাৰণ তাৰ উদ্দেশ্যটো ভাল। মই হোৱা হলে, চিলোক পাঁচোটা সোণৰ মোহৰহে দিলোহেঁতেন। তুমি তাক প্ৰহাৰ কৰিবলৈ আদেশ দিছিলা যেতিয়া, তাক মাৰি, মাৰি একেবাৰে শেষ কৰি থোৱা হলেই ভাল আছিল। কাৰণ, ভৱিষ্যতে চিনেটে তাক যে সন্মান নেদেখুৱাব, কোনে কব পাৰে? এতিয়া মুচীৰ লৰা ভেটিনিয়াচক সন্মান দেখুৱা নাই জানো? বাৰু থক, এইবোৰ কথা! এতিয়া বিদায়হে ললো।” মালা দুধাৰ মেজৰ ওপৰত থৈ, পেট্ৰোনিয়াচ আৰু ইউনিচ ওলাই গল। তাৰ পাচত, ভিনিকিয়াচে পঢ়া কোঠাত সোমাই, লিজিয়ালৈ চিঠি এখন লেখিলে:

“হে পৰম পবিত্ৰা! মই আশাকৰো কাইলৈ তুই উঠি, এই চিঠি পোৱাৰ পাচত, তোমাৰ শুভদিন আৰম্ভ হ'ব। যদিও কেইক্ষন্তমান থোৱাৰ পাচতে,

তোমাৰ লগত মোৰ দেখা হোৱাৰ কথা আছে, তথাপিও এই চিঠি নেলেখাকৈ থাকিব নোৱাৰিলো। দুদিনৰ ভিতৰতে, চিজাৰ এণ্টিয়ামলৈ যাব। হায়! তেওঁৰ লগত যোৱাৰ বাহিৰে মোৰ আন গতি নাই। মই তোমাক আগতে জনাইছো, আদেশ অমান্য কৰিলে, প্ৰাণ হেৰুৱাব লাগিব। এতিয়া মৰিবলৈ মোৰ সাহস নাই। তথাপিও, তুমি যদি থাকিবলৈ কোৱা, মই থাকিম। মাত্ৰ তোমাৰ মুখৰ এষাৰ কথা লাগে। তাৰ পাচত, মৃত্যুদণ্ড খাণ্ডবাই পেলোৱাৰ ভাৰ লব, পেট্ৰোনিয়াচে। আজিৰ দিনটো, মোৰ বাবে আনন্দৰ দিন। সেই কাৰণে মই মোৰ আটাইবোৰ দাসকে পুৰস্কাৰ দিছো। একুৰি বছৰ বা তাতকৈ বেচি দিন মোক সেৱা শুশ্ৰূষা কৰা দাসকেইটা বিচাৰকৰ ভালৈ মুক্তিৰ আদেশ আনিবলৈ কাইলৈ যাব। হে প্ৰিয়া! মই জানো, এই কথাত তোমাৰো সন্মতি আছে; কাৰণ ই তোমাৰ ধৰ্ম্মমতৰ অনুকূল ব্যৱস্থা। প্ৰকৃততে, একমাত্ৰ তোমাৰ বাবেই, মই এই কাম কৰিছো। দাসবিলাককো মই জনাই দিম,—সিহঁতৰ মুক্তিৰ কাৰণ একমাত্ৰ তুমি,—যাতে সিহঁতে তোমাৰ নাম দশোদিশে প্ৰচাৰ কৰে।

আনহাতে, মই নিজে দাস হবলৈকে কামনা কৰিছো! হয়, সুখৰ দাস, তোমাৰ দাস, যি দাসত্বৰপৰা মই কোনোদিন মুক্তি নিবিচাৰো। এহেনো-বাৰ্‌বাচৰ এণ্টিয়াম্ অভিযানক মই অভিশাপ দি আছো। পিচে, পেট্ৰোনিয়াচৰ দৰে মনীষী নোহোৱাৰ বাবে, মই নিজকে শতগুণে ভাগ্যবান বুলি ভাবিছো। হোৱা হলে, মোক একিয়ালৈকো যাবলৈ বাধ্য কৰিলেহেঁতেন। যি কি নহওক, তোমাৰ স্মৃতিয়ে বিচ্ছেদৰ দিন কেইটা মধুৰ কৰি তুলিব। অকণমান সুকণ্ঠা পালেই, জাপ মাৰি ঘোঁৰাত উঠি, চেকুৰাই গৈ বোমত উপস্থিত হম। তোমাক দেখিলে মোৰ চকুৱে তৃপ্তি পাব, তোমাৰ মাত শুনিলে মোৰ কাণদুখন তৃপ্ত হ'ব। কেতিয়াবা যদি নিজে যাব নোৱাৰো, দাসৰ হাতত তোমালৈ চিঠি দিম। তোমাৰ শুভ সংবাদ কঢ়িয়াই আনিবলৈ তাক নিৰ্দ্দেশ দি পঠোৱা হ'ব।

মই তোমাক অন্তৰেৰে সৈতে অভিবাদন জনাইছো, হে মোৰ প্ৰিয়া! তোমাৰ চৰণত মই আশ্ৰয় লৈছো। মই তোমাক দেৱীৰ আসন দিয়াৰ বাবে থং নকৰিবা। তুমি নিষেধ কৰা যদি, মই মানি লম। কিন্তু আজি মই তোমাক আন ধৰণে সম্বোধন কৰিবলৈ অক্ষম। তোমাৰ ভৱিষ্যত গৃহৰ দুৱাৰ ডলিৰপৰা মই তোমাক বন্দনা কৰিছো। হে দেৱী! সৰ্ব্বান্তঃকৰণে, মই তোমাৰ শুভাকাঙ্ক্ষী।"

॥ ১৪ ॥

ৰোমত প্ৰচাৰ হল যে, চিজাৰে এণ্টিয়ামলৈ যাওঁতে, বাটত অচ্‌টিয়াতো সোমাব। তাত তেওঁ, অলপতে আলেকজেণ্ড্ৰিয়াৰ পৰা শস্য কঢ়িয়াই অনা, পৃথিৱীৰ সৰ্ব্ব বৃহৎ জাহাজখন পৰিদৰ্শন কৰিব। তাৰ পৰা ভায়া লিট্ৰোবেলিচ্ পথেদি, তেওঁ এণ্টিয়ামলৈ যাত্ৰা কৰিব। কিছুদিনৰ আগতে, এই কাৰ্য্যসূচী জনোৱা হল। ৰোমৰ কৌতুহলী জনতাৰ এটা দল, আগতে গৈ, অচ্‌টিয়াত উপস্থিত হ'ল। এই সুবৃহৎ দলটোত, পৃথিৱীৰ সকলো জাতিৰে মানুহ আছিল।

ভ্ৰমণ কালত, নিজে ভাল পোৱা সকলো বস্তুকে লগত নিয়াটো চিজাৰৰ অভ্যাস আছিল। কোনো এখন ঠাইত, সিমানেই কম সময় নৰওক কিয়, তৎক্ষণাৎ সুন্দৰ মূৰ্ত্তি, আৰু কাৰুকাৰ্য্যখচিত পাথৰৰ বিভিন্ন বস্তুবোৰ য'ত যেনেকৈ থাকিব লাগে, সেইদৰে সজাই থোৱাৰ ব্যৱস্থা কৰি, গোটেই পৰিবেশটোলৈ তেওঁ পৰিচিত ভাব এটা অনাং লয়। এই ভ্ৰমণবোৰত, তেওঁৰ লগত, অনুচৰৰ দল এটা যায়, সৈন্যদলৰ দৰে। গাৰক্ষী সেনাৰ উপৰিও, সম্ৰাটৰ প্ৰিয় পাত্ৰ অগষ্টানৰ দলটোও যায়, নিজ, নিজ অনুচৰ বৰ্গৰে সৈতে।

নিৰ্দিষ্ট দিনটোত, ধলপুৱাতে, কেম্পানিয়াৰপৰা পঁাচশ জনী মাইকী গাধ লৈ, গৰখীয়াবোৰ এণ্টিয়ামত উপস্থিত হলহি, যাতে পিচদিনাৰে পৰা পপিয়াই গাধৰ গাখীৰেৰে নিয়মিত ভাৱে গা ধুব পাৰে। এহেজাৰ কাণ লৰাই, ধূলি উৰুৱাই গৈ থকা জন্তুবোৰ দেখি, চাবুকৰ শব্দ আৰু ৰখীয়াইতৰ বন্য চিঞৰ শুনি, বাটকৰাইতৰ বেচ ৰং লাগিল।

গাধবোৰ যোৱাৰ পাচত, যুৱক সেৱাদল এটা, গোটেই পথটোতে ভৰি পৰিল। সিহঁতে বাটটো ভালদৰে সাৰি, তাত ফুল আৰু সৰলগছৰ পাত ছটিয়ালে। ৰাতিপুৱাৰ সময় আগবঢ়াৰ লগে, লগে, মানুহৰ ভিৰ বাঢ়ি আহিল। কিছুমানে লগত নিজৰ গোটেই পৰিয়ালটোকে আনিছে। চিৰিজ দেৱীৰ নতুন মন্দিৰ সাজিবলৈ, গোটাই থোৱা শিলবোৰৰ ওপৰতে, থোৱা বস্ত থৈ, সিহঁতে খোৱা পিয়াত লাগিল। কিছুমানে জুম বান্ধি সম্ৰাটৰ যাত্ৰাৰ কাহিনী, —অলপতে হ'ব লগীয়া তেওঁৰ সমুদ্ৰ ভ্ৰমণৰ কথা, আৰু সচৰাচৰ হৈ থকা তেওঁৰ ভ্ৰমণ সমুহৰ সবিশেষ বৰ্ণনা দিবলৈ ধৰিলে। তাকে শুনি, কেইজন মান নাবিক আৰু অভিজ্ঞ সৈনিকে, বিদেশত বণ কৰিবলৈ যাওঁতে, শুনা কিছুমান আচৰিত ঠাইৰ কথা কবলৈ আৰম্ভ কৰিলে, য'ত কোনো ৰোমানৰে, ভৰিৰ খোজ

পৰা নাই। কোনোদিন এপিয়ান পথ এৰি দূৰলৈ নোযোৱা নাগৰিকবিলাকে আচৰিত হৈ ভেবা লাগি ভাবত আৰু আৱৰৰ আচৰিত কাহিনী শুনিবলৈ ধৰিলে। বৃটীছ দ্বীপপুঞ্জৰ কোনোবা এটা দ্বীপত, ব্ৰায়েৰিউচে শুই থকা শনি দেৱতাক শিকলিৰে বান্ধি পেলোৱা গল্প, বহুদূৰৰ উত্তৰ দিশত থকা দেশবোৰৰ বৰ্ণনা, গোট মাৰি বৰফ হোৱা সাগৰৰ কথা, আৰু বেলিটো যেতিয়া মহাসাগৰ এখনৰ পানীত ডুব যায়, তেতিয়া কিদৰে সেই মহাসাগৰত গৰ্জ্জন উঠে, —ইত্যাদি নানান বিষয়ে সিহঁতে আলোচনা কৰা শুনিবলৈ পালে। আটাইৰে মাজত প্ৰচাৰো হল যে, 'তষ্টিয়া' নামৰ প্ৰথাত জাহাজখনত, দুবছৰলৈকে খাই থাকিব পৰা শস্য আহিছে। লগতে চাৰিশমান মানুহ আৰু গ্ৰীষ্ম কালত ক্ৰীড়া প্ৰদৰ্শন কৰিবৰ বাবে, ভয়ঙ্কৰ বনৰীয়া জন্তু কিছুমানো অনা হৈছে। আটাইয়ে চিজাৰৰ যশ কীৰ্ত্তন কৰিবলৈ ধৰিলে, কাৰণ চিজাৰে নিজৰ প্ৰজাক আহাৰ যোগোৱাৰ লগতে, আনন্দৰ খোৰাক যোগোৱাৰো ব্যৱস্থা কৰিছে।

অলপ পাচত, পাৰ হৈ গল, —নিউমিদিয়ান্ অশ্বাৰোহীৰ দল এটা। ইহঁত সম্ৰাটৰ গাৰক্ষী সেনা। বুকুত পিন্ধা সোণালী বৰ্ম্মৰ ৰঙৰ প্ৰতিফলনত, হইঁতৰ ক'লা মুখবোৰ জিলিকি উঠিছে। হাতত লোৱা বৰ্শাবোৰৰ জোঙা আগবোৰ, জুইৰ ফিৰিঙটিৰ দৰে চকমকাই আছে। এই দলটোৱে শোভাযাত্ৰাক নেতৃত্ব কৰিছে।

তাৰ পাচত আহিল, কজলা, ৰঙা আৰু নীলা ৰঙৰ তম্বু আৰু ৰভাৰ সৰঞ্জাম বোজাই কৰি অনা অসংখ্য যানবাহন। তাৰে কিছুমান সৰঞ্জাম বৰফৰ দৰে বগা, মিহি, ৰেচমী সূতাৰে তৈয়াৰী। প্ৰাচ্য দেশৰ পৰা অনা দলিচা, টেঙা জাতীয় মূল্যৱান কাঠেৰে সজা ফলি সমূহ, কাৰুকাৰ্য্যপূৰ্ণ প্ৰস্তৰ খণ্ড, বান্ধনি ঘৰৰ সঁজুলি, উত্তৰ, পূব, পশ্চিম কেউদিশৰ পৰা অনা চৰাইৰে ভৰি থকা সজা, (এই চৰাইবোৰৰ জিভা বা মূৰৰ ঘিঁউৰে প্ৰস্তুত কৰা আহাৰ, চিজাৰৰ ভোজৰ মেজত পৰিবেশন কৰা হয়) মদৰ পিপা, আৰু ফল মূলৰ খাওবোৰ, দ'ম খাই গৈছে, এই গাড়ীবিলাকত। যিবোৰ বস্তু, ঘঁহনি খাই, বা ভাঙি নষ্ট হব পাৰে, সেইবোৰ দাসইঁতে কঢ়িয়াই নিছে। সিহঁতৰ দীঘল শাৰী একোটাইতে, আইনাৰ পাত্ৰ, আৰু কোৰিন্থীয়ান ব্ৰঞ্জেৰে তৈয়াৰী মূৰ্ত্তিবোৰ লৈ গৈছে। কিছুমান দাসক জালিকটা এট্ৰাচ্কান্ পাত্ৰ, কিছুমানক গ্ৰীচ দেশীয় পাত্ৰ, কিছুমানক সোণ, ৰূপৰ পাত্ৰ, বা আলেকজেণ্ড্ৰিয়াৰ আইনাৰ পাত্ৰ, নিবলৈ নিযুক্ত কৰা হৈছে।

ইহঁতৰ লগে, লগে গৈছে সম্ৰাটৰ গাৰক্ষী পদাতিক বা অশ্বাৰোহী সেনা। তদুপৰি বন্দুৰাবোৰৰ প্ৰতিটো দলকে পৰিচালনা কৰা, কৰ্ম্মচাৰী একোজন গৈছে, হাতত লো বা সীহৰ গধুৰ চাবুক একোডাল লৈ। সৰহ ভাগ বন্দুৰাই, নিজৰ বোজা-বোৰ, ইমান সাৱধানে, ইমান গুৰুত্বপূৰ্ণ ভাব লৈ, কঢ়িয়াই নিছে যে, সিহঁতক ধৰ্ম্ম ভাবাপন্ন পবিত্ৰ, গহীন, শোভাযাত্ৰাকাৰী এদলৰ দৰে দেখা গৈছে। এই সাদৃশ্যটো, আৰু বেচি প্ৰকট হৈ উঠিল, যেতিয়া চিজাৰৰ, ৰাজকীয় বাদ্যযন্ত্ৰ-বোৰ আনি, প্ৰচৰ চপোৱা হল। তাৰ ভিতৰত আছে, বীণ, গ্ৰীক বীণা, হিব্ৰো আৰু মিছৰীয় তাঁৰ বাদ্য, চেটাৰ, বাঁহী, ম'হৰ শিঙৰ দীঘল পেঁপা, তাল—ইত্যাদি। তাম, সোণ আৰু মূল্যৱান পাথৰেৰে সজা সুদৃশ্য বাদ্যযন্ত্ৰবোৰ ৰদৰ পোহৰত জিলিকিবলৈ ধৰিলে। এয়া যেন বেকাচ আৰু এপেলো দেৱতাৰ পৃথিৱী ভ্ৰমণৰে আয়োজন!

ইয়াৰ পাচত আহিল, কিছুমান ধুনীয়া ৰথ; নানাৰূপে অলঙ্কৃত, এই ৰথবোৰত উঠি আহিছে, পুৰুষ আৰু নাৰী, উভয় দলৰে নৃত্য শিল্পী আৰু সুদক্ষ ব্যায়ামবীৰ। আটাইৰে হাতে, হাতে একোডাল দণ্ড। এইবোৰৰ পিচত আহিল, কিছুমান অতিৰিক্ত দাস, দাসী! ইহঁতৰ কোনো কাম নাই। ইহঁত অকণ, অকণ, ধুনীয়া শিশু। গ্ৰীচ আৰু এচিয়া মাইনৰৰ পৰা, বাছি, বাছি অনা, এইবোৰ শিশুক, অনুষ্ঠানৰ শোভাবৰ্দ্ধনৰ বাবে অনা হৈছে। কিছুমানে দীঘল চুলিৰে খোপা বান্ধি, ওপৰত সোণালী জাল মেৰিয়াই লৈছে, যেন একোটি কিউপিদ্ দেৱতাহে। সিহঁতৰ অতি ধুনীয়া মুখমণ্ডল, ৰঙৰ ডাঠ প্ৰলেপ সানি ঢাকি পেলোৱা হৈছে, যাতে সিহঁতৰ কোমল মসৃণ ছালবোৰ, কেম্পানিয়াৰ পৰা বলা ৰতাহত নষ্ট নহয়।

তাৰ পাচত আহিল, ৰজাৰ গা ৰক্ষী সৈন্য আৰু চিকাম্ব্ৰিয়ান্ শ্বেতাঙ্গ সৈন্যৰ মিহলি দল এটা। চিকাম্ব্ৰিয়ান্হঁতৰ ভৰিৰ খোজ গধুৰ, চকু নীলা আৰু গাবোৰ নোমাল। এই মিহলি দলটোৰ ভাব, ভঙ্গীত নিজ শক্তিৰ গৌৰৱ প্ৰকাশ পাইছে যি শক্তি, সিহঁতে আনকি, চিজাৰৰ বিৰুদ্ধেও, পৰিচালনা কৰিব পাৰে। ইহঁতৰ আগে, আগে, কঢ়িয়াই নিয়া হৈছে, ঈগল চৰাই অঁকা জাতীয় পতাকা, বাণীবদ্ধ ফলি, ৰোমান আৰু জাৰ্ম্মান দেৱতাৰ মূৰ্ত্তি আৰু চিজাৰৰ মূৰ্ত্তি। যোদ্ধাবিলাকে পিন্ধা জন্তুৰ ছাল আৰু অস্ত্ৰশস্ত্ৰৰ তলেদি ওলাই থকা, ৰদে পোৰা অঙ্গ প্ৰত্যঙ্গবোৰৰ আকৃতি ভয়ানক। ইহঁতে কঢ়িয়াই নিয়া অস্ত্ৰবোৰো, অসম্ভৱ

গধুৰ। যন্ত্ৰৰ দৰে কঠিন অঙ্গ প্ৰত্যঙ্গৰ সহায়ত, ইইঁতে যুদ্ধ ক্ষেত্ৰত, এনেবোৰ গধুৰ অস্ত্ৰ পৰিচালনা কৰে। ভুখি, ভুখি খোজ পেলাই, গহীন ভাবে গৈ, সিহঁতে মেদিনী কঁপাই তুলিলে। এই সেনাবোৰৰ ভিতৰত বহুতে প্ৰথমে হাতত শিকলি লৈ বোমলৈ আঁহিছিল। কিন্তু এতিয়া ইহঁতেই বাটত ভৰি থকা সৰ্ব্বসাধাৰণ জনতালৈ ঘৃণাৰ দৃষ্টি নিক্ষেপ কৰিলে। সম্ৰাটৰ লগত যোৱা এইবোৰ বন্দুৱাৰ সংখ্যা সৰহ নহয়। কাৰণ নিৰাপত্তাৰক্ষী সৈন্যৰ বুজন অংশ এটাক নগৰ ৰক্ষাত নিয়োগ কৰা হৈছে, ৰাইজক দমাই ৰাখিবৰ কাৰণে।

ইয়াৰ পাচত দেখা গল, শিকলিৰে বন্ধা বাঘ আৰু সিংহৰ দল। সিবোৰ ৰথত সাঙুৰি দিবৰ বাবে, ইইতক সাজু কৰি ৰখা হৈছে; কাৰণ, যি কোনো সময়তে সম্ৰাটৰ, তাৰোনিচাচক অনুকৰণ কৰাৰ ইচ্ছা, জাগি উঠিব পাৰে। আৰব ৰথীয়াই ধৰি থকা, জন্তুৰন্ধা লোৰৰ শিকলিবোৰ, ফুলৰ মালাৰে ইমান বেচিকৈ মেৰিওৱা হৈছে যে, সেইবোৰক একোডাল, ওলমি থকা মালাৰ দৰেই দেখা গৈছে। আটাইবোৰ জন্তুকে দক্ষ শিকাৰুৰ দ্বাৰা শিকোৱা হৈছে। সেউজীয়া চকুবোৰ অকণ, অকণ, মেলি, সিহঁতে টোপনিয়াই, টোপনিয়াই বাটকৰালৈ চাইছে। মাজে, সময়ে, দুই এটাই, দৈত্যাকাৰ মুৰ একোটাহঁত ওপৰলৈ তুলি, নাকেৰে ঘৰ্ ঘৰ্ শব্দ কৰি, দীঘলীয়া উশাহ লৈ, মানুহবোৰৰ গোন্ধ ললে আৰু কাঁইটীয়া জিভাৰে থুঁতৰি চেলেকিবলৈ ধৰিলে।

অৱশেষত আহিল, ৰঙা ঘৰীয়া যানবাহন আৰু দোলাবিলাক, গাৰক্ষী সেনাৰ আন এটা বিভাগ, (ইটালীৰ স্বেচ্ছাসেৱক কিছুমানৰ বাহিৰে, ইয়াত আন ঠাইৰ লোক নাই) অতিশয় সুসজ্জিত এদল দাস, যুৱকসকল আৰু স্বয়ং চিজাৰ।

দৰ্শক সকলৰ মাজত, ধৰ্ম্মাচাৰ্য্য পিটাৰো আছিল; তেওঁ আহিছিল, সম্ৰাটক দূৰৰ পৰা এবাৰ চাই লবলৈ। তেওঁৰ লগত লিজিয়াও আছিল। তাইৰ মুখ সম্পূৰ্ণ ওৰণিৰে ঢকা; লগত উৰচাচো আছিছে। তাৰ ভুযাহুৰ শক্তিয়ে হল, ছোৱালীজনীৰ পৰম আশ্ৰয়। এই শক্তিৰ লগত, মুখামুখি হোৱাৰ সাহস, কাৰো নাই। নতুন মন্দিৰটো সাজিবৰ বাবে ৰখা শিল এছটা লৈ, সি পিটাৰৰ ওচৰলৈ গল। এই প্ৰকাণ্ড শিল ছটাৰ ওপৰত উঠি, পিটাৰে শোভা-যাত্ৰা ভালদৰে চাব পাৰিব। উৰাচাচে বেছিয়া, সাগৰৰ ঢৌ ফালি আগবঢ়া জাহাজ এখনৰ দৰে, জনস্ৰোতৰ মাজেদি বাট উলিয়াই গৈছিল, তেতিয়া

জনতাৰ মাজত, প্ৰথমে মৃদু প্ৰতিবাদৰ ধ্বনি উঠিছিল। কিন্তু যেতিয়া সি, চাৰিটা বলী মানুহেও লৰাব নোৱাৰা শিল এছটা কাৰো সহায় নোলোৱাকৈ ওপৰলৈ দাঙি ললে, তেতিয়া মানুহবোৰে প্ৰশংসাৰ ধ্বনি তুলিলে।

ছটা ইহুমিয়ান্ ঘোঁৰাই টনা, খোলা ৰথ এখনত, চিজাৰ আহি পালেহি। কেইটামান দৈত্যাকাৰ বাওনা মানুহৰ বাহিৰে, লগত আৰু কোনো নাই। এম্ৰিথিষ্ট পাথৰৰ ৰঙৰ টোগাৰ তলত, তেওঁ বগা কুৰ্ত্তা পিন্ধিছে। টোগাৰ নীলাভ ৰঙে, চিজাৰৰ মুখৰ জেউতি চৰাইছে। নিয়াপোলিচৰ পৰা অহাৰ পাচত, তেওঁ বেচ শকত হৈছে। থুঁতৰিও দুটা যেন হৈ পৰিছে। ওঁঠহুটা ইমান ওফন্দিছে যে, মুখখন, ঠিক নাকৰ ফুটাৰ তলতে থকাৰ দৰে দেখি। প্ৰকাণ্ড ডিঙিটো, এখন কাপোৰেৰে মেৰিয়াই লৈছে। মাজে মাজে শকত হাত এখনেৰে তেওঁ কাপোৰখন ঠিক কৰি লৈছে। হাতৰ কব্জাৰ পৰা আঙুলিলৈকে, এসোপা ৰঙা নোম, — ঠাইয়ে, ঠাইয়ে থুপ খাই থকা, ৰঙা নোমবোৰ, তেজৰ ছিটিকনিৰ দৰে দেখা গৈছে। এই নোমবোৰ গুচাই পেলাবলৈ, তেওঁ সাহ কৰা নাই। কাৰণ, তেওঁক কোনোবাই হেনো কৈছে যে, এইবোৰ গুচালে, তেওঁৰ আঙুলি কঁপিব আৰু বীণ বজাব নোৱাৰিব। তেওঁৰ মুখত অপৰিসীম অহঙ্কাৰৰ ছাব, চকুত ক্লান্তি আৰু শক্তিহীনতাৰ চিন। গোটেই মানুহজন কুৰূপ আৰু অতি ভয়ঙ্কৰ।

কিছুমানে সচাঁকৈয়ে চিঞৰিলে, "স্বাগতম! দেৱতা চিজাৰ! স্বাগতম! অতুলনীয় এপোলো, স্বাগতম! এপোলোনন্দন!" এইবোৰ ধ্বনিয়ে, চিজাৰৰ মুখত হাঁহি বিৰিঙালে। কিছুমানে আকৌ নিজৰ ভৱিষ্যতলৈ অকণো ভয় নকৰি, সমবেত প্ৰশংসা ধ্বনিক বিকৃত কৰি চিঞৰিলে, "তামড়ৰীয়া! তামড়ৰীয়া! তোৰ জুইৰ নিচিনা ৰঙা গোঁফ কোছাৰে, বোমত জুই লগাৰ বুলি ভয় কৰ নেকি?" পিচে এইবোৰ চিঞৰে, চিজাৰৰ বেচি থং তুলিব নোৱাৰিলে; গোঁফ কোছা তেওঁ, জুপিটাৰ কেপিটোলিনাচ, মন্দিৰত অৰ্পণ কৰি আহিছে কাৰণে এতিয়া তেওঁৰ গোঁফ নাই। কিন্তু দুৰ্ভাগ্যবশতঃ আৰু কিছুমান মানুহে, শিলৰ দ'ম আৰু মন্দিৰৰ আঁৰত লুকাই চিঞৰিলে, "মাতৃহন্তা"! ওৰেচ্টিজ! অক্টেভিয়া ক'ত? কজলা বসন ত্যাগ কৰ।" নিবোৰ পিচে পিচে অহা পপিয়াক সিহঁতে এইদৰে সম্বোধন কৰি চিঞৰিলে, "পীত— কেশিনী!" এই নামে সাধাৰণতে, ৰাজপথৰ দেহোপজীৱিনীক বুজায়। নিৰোৰ তীক্ষ্ণ কাণ

দুখনে যেতিয়া এনে ধৰণৰ অপমানজনক কথা শুনিলে, তেতিয়া তেওঁ এটা চকুত মৰকত মণিৰ বিশু চকু লগাই, চাবলৈ ধৰিলে,— যেন দোষী কেইটাক ধৰা পেলাই চিনাক্ত কৰি থবহে খুজিছে।

এই দৃশ্য, ধৰ্ম্মাচাৰ্য্যৰ চকুত স্পষ্ট ভাবে পৰিল। দুজন পুৰুষৰ দৃষ্টি বিনিময় ঘটিল। জগতৰ এজন অধিনায়ক, কষ্টেকৰ বাবে আন এজন অধিনায়কৰ দৃষ্টি গোচৰ হ'ল। ৰক্তৰ বিভীষিকা দেখুৱাই, এজন, জগতৰ পৰা চিৰদিনলৈ অন্তৰ্দ্ধান হ'ব। ইজন হ'ল খহটা উলৰ চোলা পিন্ধি থকা, দেখাত নিচেই সাধাৰণ মানুহ। কিন্তু এইজনেই শতাব্দীৰ পাচত শতাব্দী ধৰি, সমস্ত জগতৰ ওপৰত, আৰু বিশেষকৈ, এইখন নগৰৰ ওপৰত, প্ৰভুত্ব বিস্তাৰ কৰি, অমৰত্ব লাভ কৰিব।

সম্মুখৰ পথেদি, চিজাৰ আগবাঢ়ি গল। তেওঁৰ ঠিক পাচতে আহিল, আঁঠোটা আফ্ৰিকান ভাৰীয়ে কঢ়িয়াই অনা, অগষ্টা পপিয়াৰ সুদৃশ্য দোলা। যি পপিয়াক ৰাইজে ঘৃণা আৰু অৱজ্ঞা কৰে, সেই পপিয়া আহিল, সম্ৰাটে পিন্ধাৰ দৰে কজলা ৰঙৰ সাজ পিন্ধি। তেওঁৰ মুখত প্ৰসাধনৰ প্ৰলেপ! স্থিৰ হৈ বহি তেওঁ কিবা ভাবি আছে। পিচে, পিচে, শোভাযাত্ৰা কৰি আহিছে, তেওঁৰ নিজস্ব দৰবাৰৰ স্ত্ৰী, পুৰুষৰ দল। সাজপাৰ, প্ৰসাধনৰ বস্তু আদি কঢ়িয়াই অনা এপাৰী ৰথো আহিছে।

মধ্যাহ্ন পাৰ হৈ যোৱাৰ পাচত, চিজাৰৰ অন্তৰঙ্গ দলৰ সমদল যাত্ৰা আৰম্ভ হল। অনুচৰ বৰ্গৰে সৈতে, আড়ম্বৰেৰে শাৰী পাতি গৈ থকা অগষ্টানসকলক, পাক খুলি, খুলি গৈ থকা, এডাল চিকমিকিয়া সাপ যেন লাগিল। পেট্ৰোনিয়াচে নিজৰ প্ৰিয় দাস এটাৰ লগত দোলাত বহি গৈছে। পাৰ হৈ যাওঁতে, জনতাই বন্ধু ভাবত তেওঁৰ মুখলৈ চাই হাঁহিলে। টাইগেলিনাচে ৰথৰ ওপৰত পোণ হৈ থিয় দি যাবলৈ ধৰিলে, যাতে মাজে, মাজে ভিৰি মেলি আগলৈ চাই বুজিব পাৰে, চিজাৰে তেওঁক বিচাৰিছে নেকি। লিচিনিয়াচ্ পিচোক দেখি, ৰাইজে হৰ্ষধ্বনি তুলি নমস্কাৰ জনালে। ভাইটেলিয়াচক দেখা মাত্ৰকে, উচ্চ হাঁহিৰ ৰোল তুলিলে, আৰু ভেটিনিয়াচক, চিঁচিঁয়া মাতেৰে বিদ্ৰুপ কৰি, চিঞৰিলে। লিচিনিয়াচ আৰু লেকানিয়াচ্ নামৰ উচ্চ পদস্থ বিষয়া দুজনলৈ সিহঁতে অৱজ্ঞাৰ ভাব দেখুৱালে, কিন্তু অজ্ঞাত কাৰণত, জনতাৰ প্ৰিয়পাত্ৰ হোৱা, টিউলিয়াচ্ চেনেচিওক, সিহঁতে সম্ভ্ৰমেৰে অভিবাদন জনালে; জগতে

ভেচ্টিনাচেও এই সম্মান পালে। এইবাৰ সভাসদৰ সংখ্যা বহুত বেচি ; আনকি ভোমিটিয়াচ এফাৰ, আৰু জৰাজীৰ্ণ লুচিয়াচ্ চেটাৰ্নিনাচো বাদ পৰা নাই। ভেচ্পাচিয়ান আৰু তেওঁৰ পুতেককো দেখা গল। যুবক নাৰ্ভা আৰু লুচান,-এন্নিয়াচ্ গেলো আৰু কুইন টিয়ানাচ্ একেলগে আছিল। কিছুমান ধুন পেচ মৰা, অসতী, কুখ্যাত তিৰোতাও আহিবলৈ ধৰিলে। ইয়াৰ পাচত, ঘোঁৰাত উঠি অহা দলটো, ইমান জকমকাই যাবলৈ ধৰিলে যে, সূৰ্য্যৰ কিৰণো যেন, তাৰ মাজতে আবদ্ধ হল। পেটত ভোকৰ যন্ত্ৰণা লৈ, থকা, বহুত ডাল দৰিদ্ৰলোক আছিল, বাইজৰ মাজত। আড়ম্বৰপূৰ্ণ দৃশ্যবোৰে, এই হতভগীয়াইতৰ মনৰ হেপাহ দুগুণে জলাই তুলিলে। সমগ্ৰ বিশ্বৰ ৰাণী, ৰোমৰ অপৰাজেয় শক্তিৰ কথা ভাবি, সিহঁত গপত ওফন্দি উঠিল।

সমদলটোৰ একেবাৰে সিটো মূৰত আছিল ভিনিকিয়াচ। লিজিয়া আৰু যাজকক দেখিয়েই তেওঁ ৰথৰপৰা জাপ মাৰি নামিল। এই ঠাইত, এওঁলোকক লগ পাব বুলি, তেওঁ অকণো ভৰা নাছিল।

“মোৰ লিজিয়া! তুমি তেন্তে আহিছা!” তেওঁ উৎফুল্ল হৈ কলে, “তোমাক কি বুলি ধন্যবাদ দিম? ভগৱানে মোক ইয়াতকৈ শুভ লক্ষণ একো দেখুৱাব নোৱাৰে। তোমাৰ ওপৰত, তেওঁৰ আশীষ বৰ্ষণ হওক। মই এতিয়া বিদায় লব লাগিব,—কিন্তু বেচি সময়ৰ কাৰণে নহয়। বাটত যাওঁতে, মোৰ ব্যৱহাৰৰ কাৰণে, পাৰ্থিয়ান ঘোঁৰা, এটাৰ পাচত এটাকৈ লৈ থাকিব, যাতে ৰোমলৈ উলটি নোযোৱা পৰ্য্যন্ত, জিৰনিৰ প্ৰতিটো দিনত, ঘোঁৰা চেকুৰাই গৈ, তোমাৰ লগত দেখা কৰি থাকিব পাৰো। এতিয়া বিদায়! পুণৰ দেখা হ'ব আমাৰ!”

‘পুণৰ দেখা নোহোৱালৈকে,—মাৰ্কাচ!” লিজিয়াই পুণৰাবৃত্তি কৰিলে। “খ্ৰীষ্ট তোমাৰ সাৰথি হওক আৰু পলৰ ধৰ্ম্মবাণী তোমাৰ অন্তৰে গ্ৰহণ কৰক।”

“মোৰ প্ৰিয়া, তুমি কোৱাৰ দৰেই সকলো হওক। মোৰ অনুচৰবৰ্গৰে সৈতে, পলে খোজ কাঢ়ি যাবলৈ ইচ্ছা কৰিছে। এতিয়া তেওঁ এইখিনি পাই-ছেহি ; তেওঁৱেই হ'ব, মোৰ গুৰু আৰু পথৰ সঙ্গীও। মৰমী, এতিয়া তোমাৰ ওৰণিখন অলপ গুচাই দিয়া, যাতে যোৱাৰ আগতে, তোমাৰ ধুনীয়া মুখখন, এবাৰ চাই লব পাৰো। কিয় এইদৰে লুকাই আছিছা?”

ওৰণিখন পিচফালে পেলাই, উজ্জ্বল এখনি মুখ আৰু মনোৰম চকুযুৰি উলিয়াই, তাই তেওঁক সুধিলে, “মই সঁচাকৈয়ে ধুনীয়ানে?” এজনী সৰু ছোৱা-লীৰ দৰে, উৎফুল্ল হৈ, তাই হাঁহিলে।

ভিনিকিয়াচে পৰম উল্লাসেৰে তাইৰ মুখলৈ চাই উত্তৰ দিলে, "হয়, তুমি ইমান ধুনীয়া যে, মোৰ চকুৱে, এই ৰূপৰ বাহিৰে, আমৰণ আন একোকে চাবলৈ কামনা নকৰে।" তাৰ পাচত, মানুহবিলাকক আচৰিত কৰি দি, প্ৰখ্যাত অশষ্টান জনে, এজনী সাধাৰণ ছোৱালীৰ হাতত ওঁঠেৰে স্পৰ্শ কৰিলে।

"বিদায়!"

পিচ মুহূৰ্ত্ততে, তেওঁ গৈ বহু দূৰ পালে। ৰজাৰ অনুচৰবৰ্গ এতিয়া আগবাঢ়ি গৈ আছে। ক্ৰচ চিনটো মনতে আঁকি, ধৰ্ম্ম যাজক পিটাৰে, যুৱকক আশীৰ্ব্বাদ দি, পিচে, পিচে যাবলৈ ধৰিলে।

অলপ পাচতে, ডেমাচ্ আৰু ডুয়োৰো এচৰ চাপিল। উৰচাচে এইজন মালিকৰ তলত, কল ঘৰত কাম কৰে। যাজকৰ হাতত চুমা খাই, ডেমাচে নিজৰ ঘৰলৈ, তেওঁলোকক নিমন্ত্ৰণ জনালে। তাৰ ঘৰটো, ৰাষ্ট্ৰীয় বিপনিৰ কাষতে।

ডেমাচৰ ঘৰতে জিৰাই, শঁতাই, খাই-বই উঠি, আবেলিপৰত, লিজিয়া আৰু পিটাৰে, টাইবাৰৰ সিপাৰৰ ঘৰলৈ যাত্ৰা কৰিলে। নৈখন, পম্ভাচ্ এমিলিয়ানাচ দলঙেদি পাৰ হবলৈ, ঠিক কৰি, তেওঁলোক ক্লিভাচ্ পাব্লিকাচ্ পথেদি গল। এই পথটো, এভেন্টাইন্ পাহাৰৰ সোঁ মাজেদি গৈ, ডায়েনা আৰু মাৰ্কিউৰীৰ মন্দিৰ দুটাক পৃথক কৰিছে। সেই উচ্চতাৰ পৰা, ধৰ্ম্মজ্ঞ পুৰুষজনে আশে, পাশে থকা, অট্টালিকাবোৰ আৰু দূৰৰ ঠাইবোৰ চাবলৈ ধৰিলে। যি নগৰত তেওঁ ভগৱানৰ বাণী প্ৰচাৰ কৰিছে, সেই নগৰ কিমান বিশাল,—কিমান শক্তিশালী! তেওঁ বহু দেশ ভ্ৰমিছে, বহুতো ঠাইত ৰোমান সৈন্য বাহিনী দেখি আহিছে। কিন্তু সেইবোৰ, ৰোমান শক্তিৰ খণ্ডিত ৰূপ মাথোন। আজি প্ৰথম বাৰলৈ তেওঁ দেখিলে, চিজাৰৰ মাজেৰে প্ৰকট হোৱা, ৰোমান শক্তিৰ অখণ্ড ৰূপ। পাপ-পঙ্কিল, অথচ অপৰাজেয় এই নগৰ! প্ৰেতাত্মাৰ দল ঘূৰি ফুৰে,—মাতৃ হত্যা, ভ্ৰাতৃহত্যা আৰু পত্নীহত্যা এই চিজাৰৰ পিচে, পিচে। তেওঁৰ সভা সদৰ দৰে, এইবোৰৰো সীমা সংখ্যা নাই। এই ইন্দ্ৰিয়াসক্ত বহুৱাটোৱে, প্ৰতিটো বিভাগতে, তিনি হাজাৰৰ পৰা ছহেজাৰলৈকে সৈন্য থকা ত্ৰিশটা সৈন্য বিভাগৰ গৰাকী হৈ, গোটেই জগতকে আধিপত্য চলাইছে। সোণালী আৰু ৰঙা সাজ পিন্ধা, এই সভাসদ বৃন্দৰ ভৱিষ্যত, সদায় অনিশ্চয়তাৰে ভৰা,—অথচ ইহঁতো ৰাজতুল্য প্ৰতাপী। ধৰ্ম্মাচাৰ্য্যৰ মনত ধাৰণা হল,—ইহঁত আটাইবোৰে মিলি,

অধৰ্ম আৰু দুষ্কৰ্মৰ নৰককুণ্ড পাতিছে। তেওঁৰ সবল মনটো, আতঙ্কত শিয়ঁৰি উঠিল,—যেতিয়া ভাবিলে যে, তেজ আৰু চকুলো বোৱাই, ধ্বংসলীলা চলাই থকা, এই পিশাচটোৰ হাতত, ভগৱানে জগতখন এৰি দিছে,—নিজ ইচ্ছামতে ভাঙি, গঢ়ি, পদ দলিত কৰি, ওলট-পালট বা শেষ কৰি থবৰ কাৰণে।

"হে প্ৰভু!" পিটাৰে আত্মহাৰা হৈ চিঞৰি কলে। "এই নগৰীৰ কাৰণে মই কি কৰিম,—যলৈ তুমি মোক পঠাইছিলা? সকলো সাগৰ, সকলো মহাদেশ ইয়াৰ পদানত। ইয়াৰ হাতত আছে, জগতৰ আটাইবোৰ পশু আৰু জলচৰ প্ৰাণী। সকলো ৰাজ্য আৰু নগৰ, ইয়াৰ হাতৰ মুঠিত। ত্ৰিশটা সেনাবিভাগে ইয়াক আগুৰি ধৰি আছে। হে প্ৰভু! মই দুৰ্বল পাৰৰ সামান্য মাছমৰীয়া মাত্ৰ। কি কৰিব পাৰো মই? কি দৰে অনাচাৰ দমন কৰিম?"

তেওঁৰ অব্যক্ত প্ৰাৰ্থনাত বাধা দি, লিজিয়াই কলে, "নগৰখনত জুই লগাৰ দৰে দেখা গৈছে।"

সঁচাকৈয়ে, আজিৰ এই সূৰ্য্যাস্তই অভূতপূৰ্ব্ব দৃশ্যৰ সৃষ্টি কৰিছে।

লিজিয়া আৰু ধৰ্ম্মযাজক, যি ঠাইত থিয় দি আছিল, সেই ঠাইৰপৰা, চাৰিওফালৰ দৃশ্য চকুত পৰে। সোঁফালে আছে, চাৰ্কাচ মেক্সিমাচ্; তাৰ ওপৰত, পেলেটাইনৰ ওখ, চাপৰ, শাৰী, শাৰী, ৰাজ প্ৰাসাদ। ৰাজ প্ৰাসাদৰ মুখামুখিকৈ থকা, ফোৰাম্ বোৱেৰিয়াম্ আৰু ভেলাব্ৰামৰ সিপাৰে, কেপিটোল পাহাৰৰ সৰ্ব্বোচ্চ শৃঙ্গত, জুপিটাৰৰ মন্দিৰ। প্ৰতিটো মন্দিৰৰে প্ৰাচীৰ, স্তম্ভ আৰু চূড়া, কজলা আৰু সোণালী কিৰণত বুৰ গৈছে; আৰু সেই ঠাইৰপৰা যিমান দূৰলৈকে দেখা যায়, সিমান দূৰলৈ, নৈখনতো যেন তেজৰ সোঁত বৈ আছে। ধীৰে, ধীৰে, বেলিটো যেতিয়া পাহাৰৰ সিপাৰে তললৈ নামি গল, তেতিয়া ৰশ্মিমালাও অধিক ৰক্তাভ হৈ আহিল। চাৰিওফালে যেন একুৰা জুইহে জ্বলিছে। ক্ৰমান্বয়ে, জুইৰ দৰে ৰঙা ৰশ্মি বহুদূৰলৈ বিয়পি পৰিল। ৰোমৰ ৰাকী পাহাৰ কেইটা আৰু চাৰিওফালে থকা, সকলো ঠাই যেন জুইয়ে গ্ৰাস কৰিছে।

"হয়, নগৰখনত জুই লগাৰ দৰে দেখা গৈছে।" লিজিয়াই আকৌ কলে।

পিটাৰে এখন হাতেৰে চকুহুটা অলপ আঁৰ কৰি, দূৰলৈ চাই কলে, "হয়তো ভগৱানৰ ক্ৰোধাগ্নি বৰ্ষণ হৈছে, নগৰখনৰ ওপৰত।"

। ১৫ ।

লিজিয়ালৈ দিয়া ভিনিকিয়াচৰ পত্ৰলিপি—

"হে প্ৰিয়া ! ফ্লেগোনিয়াচ্‌ নামৰ দাস এটাৰ হাতত, এই চিঠি পঠাইছো। সি খৃষ্টিয়ান. গতিকে তুমিয়ে তাক দাসত্বৰপৰা মুক্ত কৰিবা। সি আমাৰ পৰিয়ালৰ এটা বুঢ়া দাস। সেইবাবে মই তাক বিশ্বাস কৰি, দূত হিচাবে নিযুক্ত কৰিছো। এই চিঠি মই লৰেণ্টামৰ পৰা দিছো। অতিপাত গৰম পৰাৰ বাবে, আমি এই ঠাইত জিৰণি লৈছো। ইয়াত ওথোৰ এটা মনোৰম প্ৰমোদ ভৱন আছে। সেইটো তেওঁ পপিয়াক দান কৰিছিল। ওথোৰ লগত, তাইৰ বহুত দিনৰ আগতে বিবাহ বিচ্ছেদ হৈছে। কিন্তু সুবিধাৰ কাৰণে, তাই এতিয়াও ওথোৰে দিয়া উপহাৰ নিজৰ নামত ৰাখিছে। ৰাজ দৰবাৰ পৰিবেষ্টিত কৰি থকা নাৰীবৃন্দ, আৰু তোমাৰ কথা, যেতিয়া মই চিন্তা কৰি চাওঁ, তেতিয়া মোৰ মনত জাগি উঠে, ডিউকেলিয়নে ছটিয়াই দিয়া শিলগুটিৰ পৰা, মাত্ৰ এজাতি মানুহৰে সৃষ্টি হোৱা নাছিল। স্ফটিকৰ টুকুৰাৰ পৰা সৃষ্টি হোৱা শ্ৰেণীটো, নিশ্চয় পৃথক আছিল,—তুমি সেই শ্ৰেণীৰে অন্তৰ্গত। মই তোমাক প্ৰাণভৰি ভাল পাওঁ, তোমাৰ গুণমুগ্ধ মই। কেনেবাকৈ তোমাৰ কথাৰে গোটেই চিঠি ভৰাই পেলাও বুলি, মই লৰালৰিকৈ, আমাৰ যাত্ৰাৰ এটা বিবৰণ দিবলৈ চেষ্টা কৰিলো।

পপিয়াৰ আগৰজন গিৰীয়েকে উপহাৰ দিয়া প্ৰমোদ ভৱনত, চিজাৰ এতিয়া আলহী হৈ আছে। তেওঁৰ অভ্যৰ্থনাৰ বাবে, তাই তলে, তলে, অতি আড়ম্বৰপূৰ্ণ আয়োজন কৰিছিল। মাত্ৰ কেইজনমান অগষ্টান নিমন্ত্ৰিত হৈছিল। তাৰ ভিতৰত, পেট্ৰোনিয়াচ আৰু মইও আছিলো। ভোজৰ পাচত, আমি সোণ খটোৱা নাওত উঠি, সাগৰত ফুৰিছিলো। হে শুচিস্মিতা! তোমাৰ চকুৰ নীলাৰ দৰেই আছিল, সাগৰৰ ৰঙ। আমি নিজে নাওঁ বাইছিলো। উচ্চ বংশৰ, উচ্চ পদবিৰ বিষয়াই এইদৰে খাটনি ধৰাৰ বাবে, পপিয়া গপত ওফন্দি গৈছিল। চিজাৰে কজলা সাজ পিন্ধি, ৰাজকীয় নাৱৰ গুৰি ধৰি, সমুদ্ৰৰ উদ্দেশ্যে, প্ৰাৰ্থনা গীত গাইছিল। গীতটো আগনিশা, ডিওডোৰাচ্‌ আৰু তেওঁ, দুয়ো মিলি ৰচনা কৰিছিল। নাৱত বোৱা শোভাযাত্ৰীৰ দলত, ভাৰতীয় দাস কিছুমানো আছিল। ইহঁতে সাগৰৰ শামুকৰ খোলাত, বঢ়িয়াকৈ সুৰ দি বজাব জানে। আমাৰ চাৰিওকালে ডলফিনবোৰে সাগৰত বুৰ মাৰি গৈ আছিল। এমৃফিট্ৰাইটৰ গুহাৰ

পৰা, সিহঁতক সঙ্গীতৰ স্বৰে, বাহিৰলৈ টানি আনিছে বুলি, সকলোৱে কৈছিল। মই,—মই বাৰু কি কৰিছিলো বুলি ভাবা? মই মনৰ মাজত তোমাকে চিন্তা কৰি আছিলো। তোমাৰ বিৰহত দীৰ্ঘনিশ্বাস পেলাইছিলো। সেই সাগৰ, তাৰ নীলাবোৰ আৰু সেই সঙ্গীত কাঢ়িয়াই নি তোমাক উপহাৰ দিবলৈ, মোৰ মনত অত্যুগ্ৰ বাসনা জাগি উঠিছিল। কোৰাচোন মোৰ অগষ্টা! ৰোমৰ পৰা বহুদূৰলৈ গৈ, কোনোবা সাগৰৰ পাৰত, থাকিব খোজানে কেতিয়াবা? চিচিলিত মোৰ এখন জমিদাৰী আছে। তাত আছে, বাদাম গছেৰে ভৰা উপবন। বসন্তত গছবোৰ গোলাপী ৰঙৰ পুষ্প সম্ভাৰেৰে পূৰ্ণ হয়। পুখুৰীৰ পাৰত থকা গছৰ ডালবোৰ পানীত লাগিছেগৈ। এই ঠাইতে তুমি আৰু মই ৰহি প্ৰাণৰ কথা পাতিম। পলে মোক শিকাব খোজা ধৰ্ম্মতৰো চৰ্চ্চা কৰিম। ইতিমধ্যে মই বুজি উঠিছো, এই ধৰ্ম্মটো প্ৰেম আৰু পাৰ্থিৱ সুখৰ প্ৰতিবন্ধক নহয়। এই প্ৰস্তাৱত তোমাৰ সমৰ্থন আছেনে? তোমাৰ মধুৰ ওঁঠ দুটিৰ পৰা ওলোৱা কথা জানিবলৈ পোৱাৰ আগতে, মই ৰাজ-নৌকাত ঘটা কাহিনী এটা লৰালৰিকৈ জনাব খুজিছো।

পাৰৰ পৰা কিছুদূৰ যোৱাৰ পাচত, আমি এখন পাল দেখিবলৈ পালো। তৎক্ষণাৎ আমাৰ ভিতৰত আলোচনা চলিল, এই পালখন মাছমৰীয়াৰ নাৱৰ, নে, অষ্টিয়াৰ পৰা অহা জাহাজখনৰ। মই সেইখন মাছমৰীয়াৰ নাৱৰ পাল বুলি কলো। তেতিয়া পপিয়াই কলে, মোৰ দৃষ্টি শক্তি বৰ চোকা। তাৰ পাচত, ওৰণিৰে মুখ ঢাকি, তাই মোক সুধিলে, এই বেশত, তাইক মই চিনিব পাৰিছোনে নাই। মই উত্তৰ দিবলৈ নৌপাওঁতেই, পেট্ৰোনিয়াচে কলে যে, আকাশৰ ওপৰেদি গৈ থকা তাৰৰে, বেলিটোকো ঢাকি ধৰে। পপিয়াই আমোদ পোৱা যেন দেখুৱালে যদিও, উত্তৰ এটা নিদিয়াকৈ নাথাকিল। তাই কলে, মোৰ দৰে তীক্ষ্ণ দৃষ্টিক একমাত্ৰ প্ৰেমেহে অন্ধ কৰিব পাৰে। তাৰ পাচত, তাই ৰাজদৰবাৰৰ বিভিন্ন নাৰীৰ কথা মোক সুধিলে। তাইৰ উদ্দেশ্য আছিল, মোৰ প্ৰেয়সীৰ নামটো আৱিষ্কাৰ কৰা। মই শান্তভাৱে তাইৰ প্ৰশ্নৰ উত্তৰ দি গৈছিলো। অৱশেষত, তাই তোমাৰ নাম উলিয়ালে, আৰু লগে, লগে, ওৰণি গুচাই মুখ দেখুৱালে। তাইৰ চকুত আছিল, হিংসুক আৰু কৌতুহলী দৃষ্টি। এই মুহূৰ্ত্ততে, পেট্ৰোনিয়াচে নাওখন, তল, ওপৰ কৰি লৰাবলৈ ধৰিলে। এইবাৰে, মই সদায় তেওঁৰ ওচৰত কৃতজ্ঞ থাকিম। মোৰ কথাটো তল পৰি গল,—সকলোৱে নাওঁখনলৈ মন দিলে। তোমাৰ সম্বন্ধে বিদ্বেষ বা বিদ্ৰুপপূৰ্ণ এটা শব্দও মোৰ কাণত পৰা হলে, সেই ঘৃণনীয় চৰিত্ৰৰ তিৰোতাজনীৰ মুৰত, বেচকৈ একোৰ দিবলৈ,

বঠাপাতকে দাঙি লৈ যোৱাৰ নলোৱাইছেন। এগ্ৰিপা হৃদয় পাৰত, তাইক লগ পোৱাৰ কথা, তোমাক কৈছিলো। হয়তো মনত আছে।

মোৰ কাৰণে চিন্তা কৰি, পেট্ৰোনিয়াচ বৰ অস্থিৰ হৈ পৰিছে। তেওঁ মোক আকৌ কৈছে, অগষ্টাৰ অহঙ্কাৰক, জোকাই লোৱা অনুচিত। কিন্তু মোক তেওঁ এতিয়া আৰু বুজি নাপায়: তেওঁ নাজানে যে, তোমাৰ বাহিৰে, আন ক'তো মই সুখ, সৌন্দৰ্য্য আৰু প্ৰেম নিবিচাৰো। তেওঁ জনা নাই যে, পপিয়াই মোৰ মনত কেৱল ঘৃণা ওপজায়। সঁচাকৈয়ে, তুমি মোৰ আত্মাৰ পৰিবৰ্ত্তন ঘটাইছা। এই পৰিবৰ্ত্তন ইমান প্ৰকট হৈ উঠিছে যে, আগৰ জীৱনলৈ মই আৰু কেতিয়াও উলটি যাব নোৱাৰিম। কিন্তু ইয়াত মোৰ কিবা অঘটন ঘটে বুলি, ভয় নাথাকিবা। পপিয়াই মোক ভাল নাপায়,—কাকো ভাল পাব নোৱাৰে তাই। চিজাৰৰ ওপৰত বিতৃষ্ণা জন্মাৰ বাবে, তাইৰ কি কৰো, কি নকৰো অৱস্থা হৈছে। অৱশ্যে চিজাৰৰ ওপৰত এতিয়াও তাইৰ প্ৰভাৱ আছে। চিজাৰে তাইক চম্ভালিব পৰা নাই কাৰণে, তাইৰ চকুৰ আগতে, বিনা দ্বিধাই ব্যভিচাৰ চলাইছে।

পিটাৰে মোক কৈছিল,—মই চিজাৰলৈ ভয় কৰিব নালাগে; এতিয়ামত মোৰ মূৰৰ চুলি এডালো নসৰে। এই কথাষাৰে তোমাক আশ্বস্ত কৰিব। মই তেওঁক বিশ্বাস কৰো। মোৰ অন্তৰৰ গভীৰ কোণৰপৰা, কোনোবাই বাৰে, বাৰে কৈছে,—তেওঁৰ প্ৰতিটো কথা সত্যত পৰিণত হ'ব। যিহেতু তেওঁ আমাৰ প্ৰেমক আশীৰ্ব্বাদ দিছে, সেই দেখি মই ভাবো, চিজাৰ অথবা নৰকৰ সকলো শক্তি, অথবা স্বয়ং নিয়তিয়েও, আমাৰ বিচ্ছেদ ঘটাব নোৱাৰে। এই অনুভূতিয়ে মোক ইমান সুখী কৰিছে! মই যেন সেই স্বৰ্গতে বাস কৰিছো কেৱল যি ঠাইত, পৰিপূৰ্ণ বিশ্ৰাম আৰু আনন্দ লাভ কৰিব পাৰি। হয়তো মই স্বৰ্গ আৰু নিৱৃত্তি সম্বন্ধে কোৱা কথাই, তোমাৰ খৃষ্টিয়ান অনুভূতিক আঘাত কৰিছে। সেয়ে যদি হয়, মোক ক্ষমা কৰিবা। কাৰণ, ই মোৰ ইচ্ছাকৃত অপৰাধ নহয়। এতিয়াও দীক্ষা স্নানৰ প্ৰভাৱত, মোৰ অন্তৰ শুদ্ধ হোৱা নাই। মোৰ হৃদয়ৰ শুদা পাত্ৰটো, টাৰ্‌চাচৰ পলে, অলপ দিনৰ ভিতৰতে, বিশ্বাসৰ পবিত্ৰতাৰে পূৰ্ণ কৰিব। এই ধৰ্ম্ম, মোৰ বাবে, আৰু বেছি আকৰ্ষণীয় হৈ উঠিছে এই বাবেই যে, ই তোমাৰ ধৰ্ম্ম।

হয়, এতিয়ামত মই পলৰ কথাবোৰ, দিনে, নিশাই মনদি শুনিম। আমাৰ যাত্ৰাৰ আৰম্ভণিৰে পৰা, মোৰ অনুচৰ, বৰ্গৰ ওপৰত, তেওঁ ইমান বেছি প্ৰভাৱ

বিস্তাৰ কৰিছে যে, সিহঁতে তেওঁৰ কাষৰ পৰা আঁতৰিবই খোজা নাই। সিহঁতৰ বাবে, তেওঁ কেৱল ৰহস্যপূৰ্ণ ঘটনাৰ সৃষ্টিকৰ্ত্তাই নহয়, এজন মহা মানৱো। কালি মই. তেওঁৰ মুখত আনন্দৰ আভাস দেখি সুধিছিলো, কি কথাই তেওঁক আনন্দ দিছে। তেওঁ উত্তৰ দিছিল, 'মই সত্তাৰ বীজ সিচিছো।' পলমোৰ লগতে আছে বুলি জানি, তেওঁৰ লগত দেখা কৰিবলৈ, পেট্ৰোনিয়াচ ব্যগ্ৰ হৈ আছে। গালোৰ মুখত, পলৰ বিষয়ে শুনিবলৈ পাই, চেনেকাইও এনে আগ্ৰহ প্ৰকাশ কৰিছে। কিন্তু মোৰ লিজিয়া! এতিয়া তৰাবোৰ নিষ্প্ৰভ হৈ আহিছে, প্ৰভাতী শুকতৰা উজ্জ্বল হৈ উঠিছে। শীঘ্ৰে, সাগৰৰ ঢৌবোৰত, উষাই হেঙুলী বোল সানিব। কেউদিশে সকলো এতিয়া নিদ্ৰামগ্ন। তোমাৰ কথাকে চিন্তি, একমাত্ৰ মইহে সাৰে আছো। মই তোমাক ভাল পাওঁ,—প্ৰাণেৰে ভাল পাওঁ। উষাক আহ্বান জনোৱাৰ মুহূৰ্ত্ততে, তোমাকো মই অভিবাদন জনালো। হে প্ৰেয়সী! হে মোৰ বাগদত্তা!

॥ ১৬ ॥

লিজিয়ালৈ ভিনিকিয়াচৰ চিঠি —

মৰমী! তুমি কেতিয়াবা, অলাচ পৰিয়ালৰ লগত, এন্টিয়ামলৈ আহিছিলানে? যদি অহা নাই, তেন্তে মই অতি আনন্দেৰে তোমাক এই নগৰৰ কথা জনাম। লৰেন্টামৰপৰা আৰম্ভ কৰি, গোটেইটো উপকূল, প্ৰমোদ ভৱনেৰে পূৰ্ণ। শাৰী, শাৰী, ৰাজপ্ৰাসাদ আৰু সুদৃশ্য তোৰণদ্বাৰবোৰে, এন্টিয়াম নগৰখন চকুত লগা কৰিছে। মোৰ বিলাস ভৱনটো সাগৰৰ পাৰতে অৱস্থিত, পিচফালে জলফাই আৰু চাইপ্ৰাচ গছেৰে পূৰ্ণ উদ্যান আছে। এই ভৱন, এদিন তোমাৰো হ'ব বুলি যেতিয়া ভাবো, তেতিয়া ইয়াৰ মাৰ্ব্বল পাথৰবোৰো যেন আৰু বেচি শুভ্ৰ সুন্দৰ হৈ জিলিকি উঠে, উদ্যানবোৰ অধিক মনোৰম হৈ পৰে আৰু সাগৰখনো বেচি ধুনীয়া নীলা হৈ যায়। অ' লিজিয়া! প্ৰেমৰ মাজত জীয়াই থকাৰ সুখৰ তুলনা নাই। মোৰ গৃহৰক্ষী, বুঢ়া মেনিক্লেচে, মাৰ্টলৰ তলত থকা ঘাঁহনি ডৰাত, আইৰিচ ফুল ৰুইছে। ফুলখিনিয়ে মোক, অলাচৰ ঘৰখনলৈ মনত পেলায়। মনত পৰে, তাত থকা ইম্‌প্লুভিয়াম্‌টো আৰু উদ্যানখন,- য'ত এসময়ত, মই তোমাৰ কাষত বহিছিলো। আইৰিচ ফুলবোৰে, তোমাকো

সোঁৱৰাই দিব, সক কালৰ ঘৰখনৰ কথা। গতিকে এণ্টিয়াম্ আৰু মোৰ এই বিলাস ভৱন তোমাৰ নিশ্চয় ভাল লাগিব।

আমি আহি এই ঠাইত উপস্থিত হোৱাৰ পিচৰে পৰা, আহাৰৰ সময়ত, পলৰ লগত মোৰ দীঘলীয়া আলোচনা চলি আছে। প্ৰথমে আমি, তোমাৰ কথাকে পাতিছিলো। তাৰ পাচত, তেওঁ মোক, ধৰ্মৰ কথা বুজাইছিল। পেট্ৰোনিয়াচৰ ভাষাৰে আত্ম প্ৰকাশ কৰিব পৰা হলেও, হয়তো মই তোমাক, কোনো দিনেই বুজাব নোৱাৰিম, সেই ক্ষণত মোৰ প্ৰাণৰ অনুভূতি আৰু আত্মাৰ অভিজ্ঞতাৰ স্তৰ আৰু ৰূপ কেনে আছিল।

মোক কোৱাচোন, জগতত একে সময়তে, ধৰ্মাচাৰ্য্য পিটাৰ, টাৰচাচৰ পল, আৰু চিজাৰৰ দৰে মানুহ থকাটো কিদৰে সম্ভৱ হল? এই প্ৰশ্ন সোধাৰ কাৰণ এইয়ে যে, পলৰ বচন শুনাৰ পাচত, সন্ধিয়াৰ বাকীখিনি সময়, মই নিৰোৰ প্ৰাসাদত কটাওঁ। প্ৰথমতে তেওঁ আমাক, 'অগ্নিদগ্ধ ট্ৰয়' নামৰ স্বৰচিত কবিতা গাই শুনালে। তাৰ পাচত, আক্ষেপ কৰিবলৈ ধৰিলে,—জুই জ্বলি থকা নগৰৰ এখনৰ দৃশ্য, এতিয়ালৈকে দেখা নাই বাবে। কবলৈ গলে, তেওঁ প্ৰায়েমক ঈৰ্ষা কৰা যেনেই লাগিল। তেতিয়া টাইগেলিনাচে কৈছিল, 'আপোনাৰ মুখৰ এষাৰ কথাতে, মই নিজে, হাতত জোৰবাতি লৈ ওলাম, আৰু কাইলৈ, উষাৰ পূৰ্ব্বে আপুনি অগ্নিদগ্ধ এণ্টিয়াম দেখিবলৈ পাব। কিন্তু চিজাৰে তেওঁক মূৰ্খ বুলি ধৰি লৈ এই কথালৈ আওকাণ কৰিলে। 'এই কাম যদি কৰা', তেওঁ কলে, তেন্তে সাগৰৰ বতাহ সেৱন কৰিবলৈ, মই কলৈ যাম? দেৱতাৰ দান, মোৰ এই কণ্ঠস্বৰৰ উৎকৰ্ষ সাধন কৰিবলৈ কোন ঠাইলৈ যাম? এটা জাতিয়ে আজি, বিনীত প্ৰাৰ্থনা জনাইছে মোৰ কণ্ঠ সুধা পান কৰি সুখী হবলৈ। ৰোমে যে মোৰ অনিষ্ট কৰিছে, তাৰ প্ৰমাণ পোৱা নাই নে? চুবুৰা আৰু এচকুইলিন পৰ্ব্বতপৰা নিৰ্গত হোৱা, উশাহ বন্ধ কৰা গোন্ধত, মোৰ মাত ভঙা নাই জানো? তদুপৰি অগ্নিদগ্ধ এণ্টিয়ামে, অগ্নিদগ্ধ ৰোমৰ সমান বেদনাময় আৰু জকমকীয়া দৃশ্যৰ সৃষ্টি কৰিব পাৰিবানে? এই কথাত, মোৰ বাহিৰে সকলোৱে উচ্ছ্বাস প্ৰকাশ কৰিছিল। তাৰ পাচত, নিৰোৱে ঘোষণা কৰিলে, তেওঁৰ 'ট্ৰয়' কবিতাই, হোমাৰৰ কবিতাক আন্ধাৰত ডুবাই দিব। তাৰ পাচত, নিজকে আমোদিত কৰাৰ দৰে তেওঁ কবলৈ ধৰিলে,—'ৰোম নগৰ যদি নতুনকৈ নিৰ্ম্মাণ কৰা যায়, তেন্তে ই হব এটা অপূৰ্ব্ব সুন্দৰ সৃষ্টি! ভবিষ্যত বংশধৰ সকলে, তেওঁৰ যশস্যা, শতমুখে গাই থাকিব।

তাকে শুনি, তেওঁৰ মাতাল অতিথিবৃন্দই চিঞৰি কলে, "তাকে কৰক ! তাকে কৰক ! হে চিজাৰ !' কিন্তু তেওঁ উত্তৰ দিছিল, এইদৰে,—'এই উদ্দেশ্য সাধনত, মোক লাগিব, তোমালোক আটাইবোৰতকৈ বেচি বিশ্বাসী, বেচি অনুৰক্ত বন্ধু !" প্ৰথমে এইবোৰ কথাত, মই অতিশয় অস্বস্তি অনুভৱ কৰিছিলো। হে প্ৰেয়সী ! তুমি ৰোমত থকাৰ বাবে, মোৰ মনলৈ অশান্তি আহিছিল। কিন্তু এতিয়া, এই কথা ভাবি, নিজৰে হাঁহি উঠিছে। কাৰণ, যিমানে মূৰ্খ নহওক, চিজাৰ আৰু তেওঁৰ অগষ্টানসকলে, এনেকুৱা মূৰ্খামি কৰিবলৈ, কেতিয়াও আগ নাবাঢ়ে প্ৰেয়সীৰ অনিষ্ট হোৱাৰ আশঙ্কাই, মানুহক কিমান দুৰ্ব্বল কৰে, বুজিব পাৰিছা নে ? লিনাচৰ ঘৰটো, ইমান সৰু পথৰ কাষত, নথকা হলেই ভাল আছিল ! অৱশ্যে পেলেটাইনৰ অট্টালিকাবিলাকো তোমাৰ উপযুক্ত বাসস্থান নহয় যেন লাগে মোৰ। মোৰ একান্ত ইচ্ছা, তুমি যেন, নিজৰ অভ্যাস অনুসৰি, সুন্দৰভাৱে স্বচ্ছন্দে থাকিব পাৰা। এইবাবেই মই অনুৰোধ কৰিছো, মোৰ লিজিয়া ! তুমি অলাচইতৰ ঘৰলৈ উলটি যোৱা। অৱশ্যে চিজাৰ যদি কেনেবাকৈ ৰোমলৈ সোনকালে উলটি যায়, তেতিয়া দাসবোৰৰ মুখত, খবৰটো প্ৰচাৰ হৈ, চিজাৰৰ কাণত পৰিব। কিন্তু এনে সম্ভাৱনা নাই। এন্টিয়ামত তেওঁ বহুত দিন থাকিব। বহুত দিনৰ পাচত তেওঁ যতিয়া ৰোমলৈ উলটি যাব, তেতিয়া মানুহে লিজিয়াৰ ৰাজকুঁৱৰীৰ কথা কবলৈ এৰি দিব। এতিয়াৰ দৰে, তাতো, লিনাচ আৰু উৰচাচ তোমাৰ লগত থাকিব পাৰিব। মই ইয়াকো আশা কৰিছো যে, এই-বাৰ চিজাৰে ৰোম দেখাৰ পূৰ্ব্বে, তুমি কেৰিণিত তোমাৰ নিজৰ ঘৰত থাকিবা হৈগ। মোৰ ঘৰৰ দুৱাৰডলি, তুমি যিদিনা প্ৰথমে পাৰ হবা, সেই দিন আৰু সেই ক্ষণ চিৰদিনলৈ ধন্য হ'ব। যি খৃষ্টক বুজি পাবৰ বাবে মই শিক্ষা গ্ৰহণ কৰিছো, সেই খৃষ্টই, যদি মোক এই বৰ দিয়ে, তেন্তে তেওঁৰ নামৰ মহিমা উজ্জ্বল হব, মোৰ প্ৰাণত। হয়, মই তেওঁৰ সেৱা কৰিম, আৰু তেওঁৰ বাবে, জীৱন ত্যাগ কৰিবলৈ প্ৰস্তুত হৈ থাকিম। মোৰ মনৰ কথা, ভালদৰে প্ৰকাশ কৰিব পৰা নাই। তুমি আৰু মই, একেলগে তেওঁৰ সেৱাত ব্ৰতী হ'ম,—যিমান দিনলৈ, আমাৰ জীৱন সূত্ৰ ছিন্ন নহয়, সিমান দিনলৈ।

মই তোমাক ভাল পাওঁ। অন্তৰেৰে সৈতে, মই তোমাৰ শুভ কামনা কৰিলো।

॥ ১৭ ॥

উৰচাচে নাদৰ পৰা পানী তুলিছে। দীঘল জৰি এডাৰেৰে বন্ধা, চুনদীয়া লোটাযোৰ পানীৰে নমাই, সি গুণগুনাই, লিজিয়াৰ গীত এফাঁকি গাইছে। আনন্দত উদ্ভাসিত, তাৰ চকু দুটা, লিনাচৰ বাগিচাৰ চাইপ্ৰাচ গছৰ তলত বহি থকা, লিজিয় আৰু ভিনিকিয়াচৰ ওপৰত নিবদ্ধ। সন্ধিয়াৰ শান্ত পৰিবেশৰ মাজত ধীৰে, ধীৰে, আকাশৰ ৰঙ, হেঙুলীয়া হৈ আহিছে। দুয়ো হাতত ধৰাধৰিকৈ কথা পাতি আছে।

"চিজাৰক নজনোৱাকৈ, এটিয়াম এৰি অহাৰ বাবে, তোমাৰ একো অনিষ্ট নহয় বুলি নিশ্চয়কৈ জানানে?" লিজিয়াই সুধিলে।

"জানো, মোৰ লিজিয়া।" ভিনিকিয়াচে উত্তৰ দিলে। "চিজাৰে ঘোষণা কৰিছে যে, তেওঁ দুটা দিন, বিশ্ৰাম লৈ, টাপিনোচৰ লগত কটাব,—কিছুমান নতুন গীত ৰচিবৰ কাৰণে। তোমাৰ কাষত থাকি, তোমাৰ মুখ চাই সময় কটাব পাৰিছো যেতিয়া, চিজাৰলৈ মোৰ কি ভয়? তুমি মোৰ প্ৰেয়সী,—মোৰ প্ৰেয়সী তুমি।"

"মই জানিছিলো, তুমি আহিবা। মোৰ ইচ্ছা অনুসৰি, উৰচাচ, দুবাৰ কেৰিনিলৈ গৈছিল, তোমাৰ বাতৰি আনিবলৈ। মোৰ কাণ্ড দেখি, লিনাচ্ আৰু উৰচাচেও হাঁহিছিল।"

সঁচাকৈয়ে, প্ৰেমাস্পদৰ বাবে তাই প্ৰতীক্ষা কৰি আছিল। কাৰণ, সচৰাচৰ পিন্ধি থকা, ক'লা কাপোৰৰ সলনি, আজি তাই মিহি, পাতল, বগা কাপোৰ এসাজ পিন্ধিছে। ৰৰফৰ মাজেদি ওলাই থকা, এপাহি প্ৰিমৰোজ ফুলৰ দৰে, তাইৰ কান্ধ দুটা আৰু মুখখন ওলাই আছে। চুলিত পিন্ধিছে, কেইপাহমান গোলাপী ৰঙৰ এনিমোন ফুল।

ভিনিকিয়াচে প্ৰেয়সীৰ হাতত ওঁঠৰ স্পৰ্শ লগালে। পুষ্পিত হৰ্ষণ গছৰ মাজত থকা, শিলৰ আসনত দুয়ো বহিল।

"কিমান নিজান এই ঠাই! পৃথিৱীখন কিমান ধুনীয়া!" ভিনিকিয়াচে মৃদু কণ্ঠে কলে, "জীৱনত আগতে কোনোদিন এনে সুখ পোৱা নাছিলো। কোৱাচোন লিজিয়া, কিয় এনে হল? আমাৰ প্ৰেমৰ দৰে প্ৰেম থাকিব পাৰে বুলি, কোনো দিন ভবা নাছিলো। ধমনীৰ উত্তাপ,— উন্মত্ত, চঞ্চল ক্ষণবাসনাকে প্ৰেম আখ্যা দিয়া হয় বুলি মোৰ ধাৰণা আছিল। কিন্তু এতিয়া মই বুজিছো,

প্ৰতিটো ৰক্ত বিন্দুৰে, প্ৰতিটো নিশ্বাসেৰে, মানুহে ভাল পাব পাৰে। প্ৰেমে মানুহক দান কৰে, অফুৰন্ত, মধুৰ বিশ্ৰাম,— যি অৱস্থাত প্ৰেমিকৰ মনত ভাব হয়, তেওঁক যেন কোনোবাই শুৱাই থৈছে, পৰিপূৰ্ণ শান্তিৰ আবৰণৰ মাজত,— তেওঁৰ দুচকুলৈ যেন নামি আহিছে, গভীৰ প্ৰশান্তি, যাক একমাত্ৰ মৃত্যুৱেহে দিব পাৰে। সঁচাকৈয়ে এতিয়াহে মই বুজি উঠিছো, কিয় তোমাক আৰু পম্পোনিয়া গ্ৰেচিনাক দেখিলে, ইমান চিন্তাশূন্য আৰু বিপদমুক্ত যেন লাগে। এই সুখ খৃষ্টৰে দান।”

যুৱকৰ কান্ধৰ ওপৰত, মৰম সনা মুখখন থৈ, তাই মৃদু কণ্ঠে কলে, “মাৰ্কাচ! মোৰ প্ৰিয়!” তাতকৈ বেচি আৰু একো কব নোৱাৰিলে তাই। প্ৰেমৰ গভীৰতা উপলব্ধি কৰি, নিজৰ অধিকাৰ সম্বন্ধে নিশ্চিত হৈ, সুখ আৰু কৃতজ্ঞতাত তাইৰ চকু সজল হৈ উঠিল। ভিনিকিয়াচে তাইক আৰু বেচি ওচৰলৈ টানি নিলে।

“লিজিয়া!” তেওঁ কলে, “যি ক্ষণত মই প্ৰথম খৃষ্টৰ নাম শুনিছিলো, সেই ক্ষণ সচাঁকৈয়ে ধন্য।”

তাই উত্তৰ দিলে, মৃদুকণ্ঠে,— “মাৰ্কাচ! তোমাক ভাল পাওঁ মই।”

অলপ সময় দুয়ো নীৰৱ। আকাশত জোন উঠিল; অমল ধৱল কিৰণত বিধৌত হল, গোটেই উদ্যান। অৱশেষত ভিনিকিয়াচে কবলৈ ধৰিলে, “মই জানো, আজি তোমাৰ ঘৰত ভৰি দি প্ৰথমে যেতিয়া মই তোমাৰ মৰমী হাতত চুমা খাইছিলো, তেতিয়া তোমাৰ চকুত কি প্ৰশ্ন জাগি উঠিছিল। তুমি কব খুজিছিলা, ‘মোৰ পবিত্ৰ ধৰ্ম্ম শিক্ষাই, এতিয়া তোমাৰ আত্মা পূৰ্ণ কৰিছেনে? তোমাৰ দীক্ষা স্নান সম্পন্ন হলনে? মৰমী! মোৰ দীক্ষাস্নান হোৱা নাই এতিয়াও। কাৰণ, পলে মোক কৈছে, ‘যদিও মই তোমাৰ মনত প্ৰত্যয় জন্মাব পাৰিছো যে, ভগৱান এই পৃথিবীলৈ আহিছিল, আৰু মানুহৰ মুক্তিৰ কাৰণে, তেওঁ ক্ৰচত প্ৰাণ আহুতি দিছিল, তথাপিও, পিটাৰেহে তোমাক দীক্ষাদানেৰে শুদ্ধ কৰিব পাৰিব; কাৰণ, তেওঁৱেই প্ৰথমে তোমাক আশীৰ্ব্বাদ দিছিল।’ তদুপৰি হে প্ৰিয়া! মই বাঞ্ছা কৰো, মোৰ দীক্ষা স্নানত যাতে তুমি সহায় কৰা, আৰু পম্পোনিয়া গ্ৰেচিনা মোৰ ধৰ্ম্মমাতা হয়। এইবোৰ কাৰণতে, মোৰ দীক্ষাস্নান হৈ উঠা নাই,— যদিও মই আমাৰ ত্ৰাণকৰ্ত্তাক আৰু তেওঁৰ শান্তিময় বাণীক, বিশ্বাসেৰে সৈতে মনত থাপন কৰিছো। ভগৱান খৃষ্ট পৃথিবীলৈ আহিছিল বুলি তেওঁৰ শিষ্য পিটাৰৰ মুখত শুনাৰ পাচত, মই কেনেকৈ অবিশ্বাস কৰিম?

মৃত্যুৰ পাচত, তেওঁ পলৰ সন্মুখত দেখা দিছিল। এই কথা, পলে নিজ মুখেৰে কোৱাৰ পাচত, মই অবিশ্বাস কৰিব পাৰো জানো ? যিজন মহান পুৰুষৰ মৃত্যুৰ পাচত পুণৰুত্থান ঘটিছিল, যাক মৃত্যুৰ পাচতো সশৰীৰে নগৰৰ মাজত, হ্রদৰ পাৰত, মানুহে দেখিছিল, আৰু স্বৰ্গাৰোহণ কালতো যাক মানুহে দেখিবলৈ পাইছিল, তেওঁক ভগৱান বুলি মই মানিব পাৰোনে ? যি সকলে তেওঁৰ দিব্য ৰূপ দৰ্শন কৰিছিল, তেওঁলোক অসত্য কথা মুখলৈ আনিব পৰা মানুহ নহয়। মই ওচ্ট্রিয়ানামত পিটাৰৰ বাণী শুনাৰ পাচৰে পৰা, সকলো বিশ্বাস কৰিছো। কিন্তু প্ৰথমে তোমাৰ ধৰ্ম্মমতৰ প্ৰতি মোৰ মনত শঙ্কাৰ ভাব জাগি উঠিছিল। কাৰণ, মই ভাবিছিলো, ই তোমাৰ আৰু মোৰ মাজত, বিচ্ছেদ ঘটাব, আৰু ইয়াৰ মাজত পাৰ্থিব বিষয়ক জ্ঞান, সৌন্দৰ্য্য, সুখ,— কোনো-টোৱে নাই। কিন্তু এতিয়া ইয়াৰ তাৎপৰ্য্য বুজাৰ পাচত, যদি মই, জগতত অসত্যৰ ঠাইত সত্যৰ ৰাজত্ব কামনা নকৰো, ঘৃণাৰ ঠাইত প্ৰেমৰ উৎকৰ্ষতা নিবিচাৰো, অসৎ কাৰ্য্য আৰু কথালৈ পিঠি দি, সততালৈ হাত নেমেলো, বিশ্বাস-ঘাতকতাৰ ঠাইত আনুগত্যলৈ হেঁপাহ নকৰো, তেন্তে মোৰ মনুষ্যত্ব থাকিল ক'ত ? ন্যায় বিচৰা মানুহ বহুতো আছে। সুবিচাৰ লাগে মানুহক। একমাত্ৰ তোমাৰ ধৰ্ম্মমতে, মানুহক ন্যায়ৰ পথ দেখুৱাব পাৰে। ই মানুহৰ হৃদয়ত পবিত্ৰতা আৰু বিশ্বাস স্থাপন কৰে, পম্পোনিয়া আৰু তোমাৰ হৃদয়ত যিদৰে স্থাপন কৰিছে। ইয়াৰ উপৰিও ভগৱান খৃষ্টই, আমাক অনন্ত জীৱন আৰু অসীম শান্তিৰ প্ৰতিশ্ৰুতি দিছে। ইয়াতকৈ উৎকৃষ্ট, আৰু কিবা কামনা কৰিব পাৰোনে আমি ? চেনেকাক যদি সোধা যায়, অমিতাচাৰী, উচ্ছৃঙ্খল জীৱনে, মানুহক বেচি আনন্দ দিয়ে যদিও, তেওঁ কিয় সকলোকে মিতাচাৰী আৰু নিষ্ঠাবান হবলৈ উপদেশ দিয়ে, তেন্তে তেওঁ কোনো যুক্তিপূৰ্ণ উত্তৰ দিব নোৱাৰিব। কিন্তু মই কব পাৰো, কি বাবে ধৰ্ম্মনিষ্ঠ হোৱা উচিত। সততা আৰু প্ৰেমৰ উৎস, স্বয়ং খৃষ্ট। যেতিয়া মৃত্যুৱে মোৰ চুচকু জপাই ধৰিব, মোৰ নশ্বৰ দেহৰ অৱসান ঘটিব, তেতিয়াও মই পুণৰ্বাৰ জীৱন লাভ কৰিম, লাভ কৰিম অমৃতময় সুখ। নিজকে,—হে ৰমণী, তোমাকো লাভ কৰিম, অনন্তকাললৈ। এই ধৰ্ম্মমত যে চিৰ পবিত্ৰ— এই ধৰ্ম্মমত যে আন সকলো ধৰ্ম্মমতকৈ শ্ৰেষ্ঠ, এই কথা মোৰ যুক্তিয়ে জনাই দিছে আৰু মোৰ হৃদয়ৰ সংজাত প্ৰবৃত্তিয়ে, মোৰ অনুভূতিয়ে, সত্য বুলি হৃষ্টচিত্তে মানি লৈছে। যুক্তি আৰু অনুভূতি এই দুটা মানৱীয় শক্তিক, কিহে বাধা দিব ?''

লীলা চকুযুৰিবে, প্ৰেমাস্পদৰ মুখলৈ আগ্ৰহেৰে চাই, চাই, লিজিয়াই একান্ত মনেৰে শুনি আছিল। জোনৰ পোহৰত, তাইৰ চকুযুৰি ৰহস্যময়, শিশিৰ সিক্ত এপাহি ফুলৰ দৰে দেখা গৈছিল।

"হয় মাৰ্কাচ! সকলো কথা সত্য।" তেওঁৰ কান্ধৰ ওচৰলৈ মূৰটো নি, তাই কলে।

দুয়ো এতিয়া পৰিপূৰ্ণ, সীমাহীন সুখৰ অধিকাৰী। দুয়ো বুজি উঠিছে, তেওঁলোকৰ প্ৰেমতকৈও শ্ৰেষ্ঠ শক্তি এটাই, দুয়োকো অচ্ছেদ্য বান্ধোনেৰে বান্ধি পেলাইছে। শান্তি সৌন্দৰ্য্যৰে পূৰ্ণ, অজেয় এই শক্তিৰ প্ৰভাৱত, তেওঁলোকৰ প্ৰেমে অমৰত্ব লাভ কৰিব।

অলপ সময়ৰ নীৰৱতাৰ পাচত, ভিনিকিয়াচে আবেগত ভাঙি পৰা কম্পিত কণ্ঠে জনালে, 'তুমি হবা মোৰ আত্মাৰো আত্মা—সৰ্ব্ব শ্ৰেষ্ঠ ধন। আমাৰ দুটি হৃদয়ৰ স্পন্দন এক হ'ব। হে মোৰ প্ৰেয়সী! আমি একেলগে থাকি, একেলগে বন্দনা কৰিম, শান্ত-সুন্দৰ, পতিত পাৱন প্ৰভুৰ চৰণ। আমি জানো, মৃত্যুৰ পাচতো আমি সাৰ পাই উঠিম,—জ্যোতিৰ ৰাজ্যত,—সুখ স্বপ্নৰপৰা সাৰ পাই উঠাৰ দৰে। মই কল্পনাই কৰিব নোৱাৰো এনে সুখ; তুমি মাত্ৰ এবাৰ কথা মোক কোৱা,—লগে, লগে, আমি দুয়ো গুচি যাম, এই ঠাইৰ চাৰি সীমাৰপৰা আঁতৰত ঘৰ কৰিবলৈ।"

প্ৰেমাস্পদৰ কান্ধত মূৰটো থৈ, তাই উত্তৰ দিলে, "হয় মাৰ্কাচ! তুমি মোক চিচিলিৰ কথা কৈছিলা। অলাচইতেও বুঢ়া কালভোখৰ চিচিলিত কটাবলৈ মন কৰিছে।"

"হয় প্ৰিয়া! আমাৰ জমিদাৰী দুখন প্ৰায় লগালগি। চিচিলিৰ সাগৰৰ পাৰত, এখন মনোৰম ঠাই আছে। তাৰ জলবায়ু মৃদু আৰু নিশাবোৰো ৰোমতকৈ বেচি শান্তিপূৰ্ণ। তাত জীৱন আৰু সুখ যেন একেডালি সূতাৰে গঁথা।"

দুয়ো নীৰৱে ভাবিবলৈ ধৰিলে, ভৱিষ্যতৰ কথা। তাইক তেওঁ বুকুৰ কাষলৈ টানি নিলে। নগৰৰ এই অঞ্চলত, কেৱল দৰিদ্ৰ শ্ৰমিক শ্ৰেণীৰ মানুহ থাকে। এতিয়া সকলো শুই আছে।

"মই পম্পোনিয়াৰ লগত দেখা কৰিব পাৰিমনে?" তাই সুধিলে।

"হয়, মোৰ লিজিয়া! আমি তেওঁক আমাৰ গ্ৰাম্য নিবাসলৈ নিমন্ত্ৰণ কৰিম আৰু তেওঁৰ ভালৈকো গৈ থাকিম। ধৰ্ম্মাচাৰ্য্য পিটাৰ আমাৰ লগত

গলে সুখী হম। এতিয়া বয়স আৰু ক্লান্তিত, তেওঁ ভাগি পৰিছে। আমাৰ লগত দেখা কৰিবলৈ, পলো আহিব। তেওঁ অলাচ্ প্ৰতিয়াচক, খৃষ্ট ধৰ্মত দীক্ষিত কৰিব। ৰোমান সৈন্যই উপনিবেশ পতাৰ দৰে, আমিও এখন উপ-নিবেশ পাতিম। ই হ'ব খৃষ্টিয়ানৰ উপনিবেশ।"

"মই তোমাক ভাল পাওঁ, মাৰ্কাচ।" ইয়াৰ বাহিৰে আৰু এষাৰো কথা নোলাল, লিজিয়াৰ মুখত।

পুণৰ ভিনিকিয়াচে তাইৰ হাতত চুমা খালে। অলপ সময়, দুয়োৰো হৃদয় স্পন্দনৰ বাহিৰে, আৰু একো শুনা নগল। বতাহো এতিয়া স্তব্ধ হৈছে; নিৰ্জনতাৰ মাজত, চাইপ্ৰাচ গছবোৰ নিঃশব্দে ৰৈ আছে।

হঠাৎ নিস্তব্ধতা ভঙ্গ কৰি, গভীৰ গৰ্জ্জন ধ্বনি আহিবলৈ ধৰিলে,—যেন ধৰিত্ৰীৰ গৰ্ভৰপৰা ফাটি ওলাইছে গুৰু গম্ভীৰ নিনাদ। লিজিয়া ভয়ত কঁপি উঠিল।

"পিঞ্জৰাবদ্ধ সিংহৰ গৰ্জ্জন।" ভিনিকিয়াচে কলে।

অলপ সময় দুয়ো মনে, মনে শুনি থাকিল। প্ৰথম শব্দটোৰ উত্তৰ দিছে, দ্বিতীয় এটাই, তাৰ পাচত তৃতীয়টোৱে। শেষত একেলগে কুৰিটামান সিংহই গৰ্জ্জন কৰিবলৈ ধৰিলে। মাজে, সময়ে, হাজাৰে, হাজাৰে সিংহ, ক্ৰীড়া মঞ্চবিলাকত, বন্দী কৰি ৰখা হয়। প্ৰায়ে নিশা, ইহঁতে বেজাৰ মনেৰে লোহৰ বেৰৰ ফাঁকেদি মুখ সুমুৱাই, চিঞৰিবলৈ ধৰে। আজি নিশাও ইহঁতে, মৰুভূমিৰ মুক্ত জীৱনৰ বাবে বলিয়া হৈ, নিস্তব্ধ নিশাটো অশান্ত গৰ্জ্জনেৰে পূৰ্ণ কৰিছে। এই শব্দৰ প্ৰতিধ্বনি, উঠিছে,—নগৰৰ এমূৰৰপৰা সিমূৰলৈ। অকাৰণ আতঙ্কত, লিজিয়াৰ বুকু কঁপিবলৈ ধৰিলে।

ভিনিকিয়াচে তাইক বাহুৰ মাজত সাবটি ধৰিলে।

"ভয় নকৰিবা প্ৰিয়া!" তেওঁ কলে, "শীঘ্ৰে খেল আৰম্ভ হ'ব কাৰণে, পিঞ্জৰাবোৰ জন্তুৰে ভৰাই পেলোৱা হৈছে।"

দুয়ো গৈ, লিনাচৰ কুটীৰত সোমাল, তেতিয়া জন্তুবিলাকৰ গৰ্জ্জন ক্ৰমান্বয়ে বেচি হৈ আহিল।

॥ ১৮ ॥

এন্টিয়ামত চিজাৰৰ প্ৰিয়পাত্ৰ হ'বলৈ, প্ৰতিযোগিতা চলোৱা, সকলো অগষ্টানকে পেট্ৰোনিয়াচে পৰাস্ত কৰিবলৈ আৰম্ভ কৰিলে। ৰোমত থাকোঁতে, বিপদজনক বুলি অনুমান কৰা ব্যক্তিক, প্ৰয়োজন অনুসাৰে দমন কৰি, তেওঁ-লোকৰ ধন সম্পদ আত্মসাৎ কৰা কাৰ্য্যত, ৰাজনীতি পৰিচালনাত, আড়ম্বৰ-পূৰ্ণ অনুষ্ঠানৰ উদ্ভাৱনাত, অথবা চিজাৰৰ পাশৱিক প্ৰবৃত্তি পূৰ্ণ কৰাত, টাই-গেলিনাচ আছিল অপৰিহাৰ্য্য। কিন্তু এন্টিয়ামত, চিজাৰে চেষ্টা কৰিছে, গ্ৰীক-সকলক অনুকৰণ কৰিবলৈ। ৰাতিপুৱাৰ পৰা গধুলিলৈকে, কবিতা আবৃত্তি, ৰচনা শৈলী, সঙ্গীত, মঞ্চাভিনয়, আদি সুকুমাৰ কলাৰ চৰ্চ্চাত, তেওঁ সময় কটাবলৈ ধৰিলে। ইয়াৰ উপৰিও, গ্ৰীকসকলে উৎকৰ্ষ মানসিকতাৰ দ্বাৰা, যিবোৰ সৌন্দৰ্য্য-সম্ভাৰেৰে মানৱ জীৱন অলঙ্কৃত কৰিছে, সেই আটাইবোৰৰে আলোচনাও কৰিলে। টাইগেলিনাচ্ আৰু অন্যান্য অগষ্টানসকলৰ তুলনাত, পেট্ৰোনিয়াচৰ জ্ঞান, বুদ্ধিয়েই যে কেৱল উন্নত, এনে নহয়,—ব্যুৎপত্তি, বাক-পটুতা, আৰু সূক্ষ্ম মানসিক গুণতো তেওঁ শ্ৰেষ্ঠ। গতিকে এনে পৰিবেশৰ মাজত তেওঁ জয়যুক্ত নহৈ নোৱাৰে। চিজাৰে তেওঁৰ সঙ্গ বিচাৰিলে, তেওঁৰ লগত নানা বিধ আলোচনা কৰিলে, উপদেশ গ্ৰহণ কৰিলে, আৰু লগতে তেওঁক অভি-নন্দনো জনালে। সভাসদসকলে ভাবি ললে, এতিয়াৰপৰা, পেট্ৰোনিয়াচৰ ভাগ্য আকাশৰ তৰা নিশ্চয় উচ্চস্থানত স্থিৰ হৈ ৰ'ব। যিসকলে আগতে, এই বিলাসী সুন্দৰ মানুহজনৰ লগত, ভালদৰে মিলিছিল, এতিয়া তেওঁলোকেও, তেওঁৰ সান্নিধ্য বিচাৰিলে। লগতে, সহৃদয় বন্ধুৰ দৰে ব্যৱহাৰো কৰিলে তেওঁৰ লগত। পূৰ্ব্ব শত্ৰুৰ তোষামোদ বাক্য শুনি, পেট্ৰোনিয়াচে বিদ্ৰূপৰ হাঁহি মাৰিলে। স্বভাৱতে তেওঁ এনেকুৱা; প্ৰতিটো কথাতে সদায় ভালখো ভালটো বিচাৰে। গতিকে তেওঁ কেতিয়াও প্ৰতিহিংসা লব পৰা, অথবা, সঙ্গীসকলৰ সৰ্ব্বনাশ কৰিবলৈ, ক্ষমতা প্ৰয়োগ কৰিব পৰা বিধৰ মানুহ নহয়। এনে এজন মানুহৰ ওপৰত চিজাৰৰ অনুগ্ৰহৰ দৃষ্টি পৰাত, কেইজনমান ব্যক্তিয়ে সঁচাকৈয়ে সন্তোষ পালে। আনকি, টাইগেলিনাচক, ক্ষমতাচ্যুত কৰাৰ সুবিধাও, পেট্ৰোনিয়াচে সময়ে, সময়ে, পাইছিল। তেওঁ পিচে, টাইগেলিনাচক, ব্যঙ্গোক্তিৰে থকা সৰকা কৰিবলৈহে বেচি ভাল পাইছিল, আৰু এই মানুহজনৰ অজ্ঞতা আৰু অশালীনতা;

সুকলোৰে আগত প্ৰকাশ কৰি দিছিল। সম্পূৰ্ণ তেৰমাহ সময়, ৰোমত মৃত্যুদণ্ড সংঘটিত নোহোৱাকৈ পাৰ হোৱাৰ কাৰণে, চিনেটেও ধীৰুকৈ উশাহ ললে। মাৰ্জ্জিত ৰুচিয়ে, চিজাৰ আৰু তেওঁৰ প্ৰিয়পাত্ৰৰ, ব্যভিচাৰ আৰু লম্পটালিত বাধা দিছে বুলি, ৰোম আৰু এন্টিয়ামত প্ৰচাৰ হ'ল। প্ৰতিজন মানুহে, ভাবি সুখ পালে যে, তেওঁ এজন সুৰুচিসম্পন্ন চিজাৰৰ অধীনত বাস কৰিছে,—টাইগেলিনাচৰ মধ্যস্থতাত, পাশৱিক প্ৰবৃত্তি চৰিতাৰ্থ কৰা, নীচ সম্ৰাটৰ এজনৰ প্ৰজা হৈ থকা নাই এতিয়া।

স্বভাৱ সুলভ অৱহেলাৰ কাৰণে, পেট্ৰোনিয়াচে ওথ আসন লাভ কৰিও, তাত বিশেষ গুৰুত্ব নিদিলে। আগৰ দৰে তেওঁ আনবোৰৰ সান্নিধ্যৰপৰা আঁতৰি থাকি, সন্দিগ্ধ মনোভাৱ দেখুৱালে। সঙ্গীসকলৰ মনলৈ প্ৰায়ে আহিল,—তেওঁ যেন তেওঁলোক আটাইকে,—চিজাৰক আৰু গোটেই জগতকে, বিদ্ৰূপ কৰি হাঁহিছে। মাজে, সময়ে, তেওঁ আনকি নিৰোকো, মুখৰ আগতে সমালোচনা কৰিবলৈ সাহ কৰিলে; কিন্তু ঠিক যেতিয়া বুজি পায় যে, তেওঁৰ নিজৰ অৱস্থা বেজাৰ ফালে ঢাল খাইছে, তেতিয়া ততালিকে তেওঁ, সমালোচনাৰ অৰ্থ সলনি কৰি ইমান সুন্দৰকৈ সজাই, পৰাই কয় যে, শেষত ওলোটাহে ইয়াৰ দ্বাৰা তেওঁৰ নিজৰ উপকাৰ সাধন হে হয়, আৰু পুণৰ তেওঁৰ ভাগ্যৰ আসন অলৰ অচৰ হৈ ৰয়।

চিজাৰে এদিন তেওঁৰ অন্তৰঙ্গ বন্ধুসকলক, ট্ৰয় নগৰৰ বিষয়ে লেখা স্বৰচিত কবিতা এফাঁকি পঢ়ি শুনালে। পঢ়ি শেষ কৰাৰ পাচত, প্ৰশংসাৰ ধ্বনি যেতিয়া মাৰ গল, তেতিয়া সম্ৰাটৰ প্ৰশ্নসূচক দৃষ্টিৰ উত্তৰত, পেট্ৰোনিয়াচে মন্তব্য কৰিলে, "এইবোৰ জুইত দলিয়াই দিয়াই ভাল।"

কথাষাৰ কাণত পৰাৰ পাচত সকলো থৰ লাগি গল, আৰু ভয়ত, আটাইৰে কলিজা শুকাল। এনে মন্তব্য, নিৰোৰে সঁচাকৈয়ে কাৰো মুখত কেতিয়াও শুনা নাছিল। টাইগেলিনাচক বেচ উৎফুল্ল দেখা গল। ভিনিকিয়াচৰ মুখ, কেহঁ-বাজ বটা যেন হল। তেওঁ ভাবিলে, পেট্ৰোনিয়াচে কোনো দিনে মাতাল হোৱা নাই যদিও, আজি নিশ্চয় মাত্ৰাধিক পান কৰিছে।

"ইয়াত বেয়া কি শুনিলা?" নিৰোৰে মিঠা মুখেৰে সুধিলেও, অহংকাৰীৰ আত্মগৌৰৱত, অপমানৰ আঘাত লাগি, মাতটো কঁপি উঠিল।

কাৰণ তৈ থকা সকলকে শুনাই পেট্ৰোনিয়াচে উত্তৰ দিলে, "এওঁলোকক বিশ্বাস নকৰিব ; এওঁলোকে একো নুবুজে। আপুনি মোক সুধিছে, আপোনাৰ কবিতা মই কোনখিনিত বেয়া পাইছো। আপুনি যদি সঁচা কথাটো শুনিব খোজে, তেন্তে কওঁ শুনক। এই কবিতা ভাৰ্জিল, ওভিদ আৰু হোৰাচেও যদি লেখিলেহেঁতেন, তেন্তে ভাল হৈছে বুলি মন্তব্য দিলোহেঁতেন। কিন্তু আপোনাৰ দৰে কবিৰ, যোগ্য, এই কবিতা নহয়। আপোনাৰ দৰে কবিয়ে এনেকুৱা কবিতা লেখা অনুচিত। ইয়াত আপুনি যি অগ্নিকাণ্ডৰ বৰ্ণনা দিছে, সি স্বাভাৱিক হোৱা নাই,—কৰ, পাৰি, জুইকুৰা জ্বলাই নাই, ভালকৈ। আপোনাৰ কবিতাৰ 'জুইকুৰাত' যথোচিত উত্তাপ নাই। লুচানৰ তোৰামোদ বাক্যলৈ কাণ নিদিব। এই কবিতা লুচানে লেখা হলে, তেওঁক মই প্ৰতিভাশালী বুলিলোহেঁতেন। কিন্তু, চিজাৰ, আপোনাৰ দৰে কবিৰ যোগ্য নহয়, এই ৰচনা! কাৰণ লুচানৰ দৰে কবিতকৈ, আপুনি বহুগুণে শ্ৰেষ্ঠ। বিজনৰ ওপৰত, দেৱতাসকলৰ অনুগ্ৰহ বৰ্ষণ হৈছে, বিজন সৰ্বগুণী, তেনে এজনৰ পৰা, উৎকৃষ্ট সম্পদ দাবি কৰাৰ অধিকাৰ সকলোৰে আছে। আপুনি আলস্যক সৈতে পা এৰি দিছে। আপুনি ভোজনত পাৰ্য্যন্ত, দিবা নিদ্ৰাত সময় কটায়। অথচ, সেইখিনি সময়ত, স্থিৰভাৱে কামত লাগি থকাহে আপোনাৰ উচিত। সেইবাবে; মই আপোনাক খোলাখুলিকৈ কওঁ,—ইয়াতকৈ ভাল লেখক। কাৰণ মই জানো, আপোনাৰ সৃষ্টি প্ৰতিভা ইমান বেচি যে, বাহৰ গ্ৰাসত, চন্দ্ৰ, সূৰ্য্য যি দৰে চাক খাই পৰে, ঠিক সেইদৰে, আপোনাৰ ৰচনাই আন সকলো ৰচনাকে চাক খুৱাই পেলাব।"

নিজৰ কথাত যেন কোনো গুৰুত্ব আৰোপ কৰা নাই, এনে এটা ভাৱত, পেট্ৰোনিয়াচে কথাখিনি কলে। একেটা উশাহতে, তেওঁ চিজাৰক, বিদ্ৰুপো কৰিলে, শুধৰালেও। তথাপিও, নিৰোৰ চকুদুটা, আনন্দ অশ্ৰুৰে পূৰ্ণ হোৱাহে দেখা গল।

"সঁচা, দেৱতাসকলে মোক, কিছুমান গুণ দিছে।" তেওঁ কলে, "কিন্তু তাতোকৈ, শ্ৰেষ্ঠ দান দিছে মোক— কবিতা বিষয়ত সত্যক জান থকা; এজন বন্ধুক দিছে,—একমাত্ৰ বিজনে জানে, সত্য কথা কি দৰে প্ৰকাশ্যে কনাব লাগে।"

ইয়াকে কৈ চিজাৰে, তেওঁৰ বহা লোকসকলে তথা হাতে এখন, কেইটামানো ৰথবাতি জলি থকা সোণালী কলম বাৰ কাচত এটাৰ কাষে, "আফ্ৰদাইট"

দিলে। স্বৰ্ণমণ্ডিত এই ৰাজ কাছত জেল্‌ফিৰণবা দুটি আৰু সাৰঙ্গীৰ অংশবিশেষ। কবিতাত অগ্নিসংযোগ কৰিব খুজিলে, নিৰোৱে। পেট্ৰোনিয়াছে তেওঁলোকক বাধা দি কলে, “নহয়। নহয়! আপোনাৰ উপযুক্ত ৰচনা হোৱা নাই যদিও, ই মানৱ জাতিৰ সম্পদ। অনুগ্ৰহ কৰি, মোক এইখিনি দান কৰক।”

“থাক, মই নিজে দিয়া তোমাকেই গঢ়া, গঢ়ুঁৱা এটাত ভৰাই, এইখিনি তোমালৈ পঠিয়াম।” পেট্ৰোনিয়াছক আলিঙ্গন কৰি, নিৰোৱে কলে, “হয়, তোমাৰ কথাই ঠিক। মোৰ ‘ট্ৰয়’ দুই ভাগি, ভাগি জ্বলিছে,—মই ভাবিছিলো হোমাৰৰ সমকক্ষ হব পৰাটোৱেই মোৰ বাবে যথেষ্ট। শঙ্কায় কিবা এটা অনিশ্চয়তাই মোক বাধা দি আছে। যি, কি নহওক, তুমি এতিয়া মোৰ চকু মুকলি কৰিছা। কিন্তু জানানে, তুমি যি দোষৰ বাবে, মোক তিৰস্কাৰ কৰিছা, সেই দোষ, কিহৰ বাবে হৈছে? ভাস্কৰে যেতিয়া দেৱতাৰ মূৰ্ত্তি গঢ়ে, তেতিয়া তেওঁ কিবা আহি বিচাৰি লয়। কিন্তু এনে আহি, মোৰ সন্মুখলৈ অহা নাই, —মই অগ্নিদগ্ধ নগৰ এখন আজিলৈকে দেখা নাই।”

“মহান শিল্পীয়ে সেই দৃশ্য, মনৰ চকুৰে চাই অঙ্কণ কৰে, আপুনি যি দৰে কৰিছে।”

অলপপৰ চিন্তা কৰি চাই, নিৰোৱে কলে, “মোক এটা প্ৰশ্নৰ উত্তৰ দিয়া, পেট্ৰোনিয়াচ। ট্ৰয় অগ্নিদগ্ধ হোৱাৰ বাবে, তোমাৰ দুখ লাগেনে?”

“কিয় দুখ লাগিব? ভেনাচৰ বক্ৰপদী স্বামীৰ শপত! হৰই মোৰাবে এনে কথা। প্ৰমিথিয়ুচে মানৱজাতিক জুই উপহাৰ নিদিয়া হলে, প্ৰীয়ামক আৰু মেনেলাউচক গ্ৰীকবিলাকে গ্ৰামেৰ বিৰুদ্ধে যুদ্ধ নকৰা হলে, ট্ৰয় নগৰী অগ্নিদগ্ধ নহলেহেঁতেন। আৰু তেতিয়া জুই বোলা বস্তু এটা নথকা হলে, এস্কাইলাচে তেওঁৰ “প্ৰমিথিয়ুচ” ৰচনা নেলেখিলেহেঁতেন। যুদ্ধৰ সমাপ্তি হলে, হোমাৰেও ‘ইলিয়াদ’ ৰচনা নকৰিলেহেঁতেন কেতিয়াও। মই ‘প্ৰমিথিয়ুচ’ আৰু ‘ইলিয়াদক’ নিজান মূল্য দিওঁ, নাক জগত এখনক নিয়ান মূল্য নিদিওঁ। এবা, তলইৰন, অপবিক্ৰাৰ, নীচ মানুহ থকা ঠাই ওতো হ’ব পাৰে,—যত খুব বেচি এতিয়া কোনোবা অভিশপ্ত থাকক এজন থাকিলেহেঁতেন,—মহানীয় পৰিষদৰ বক্তৃতা আৰু তাৰ আপত্তিৰ ভৰি, ভৰি, অসৰ আৰু বিৰক্তিত আঢ়া মৰা হৈ।”

“তোমাৰ কথাত যেচ যুক্তি আছে,” তিজানে কলে, “কবিতা আৰু সংগীতৰ বাবে কলাৰ বাবে, সকলো ত্যাগ কৰাৰ অধিকাৰ মানুহৰ আছে, আৰু ই

মানুহৰ কৰ্ত্তব্যও। হোমাৰক 'ইলিয়াদৰ' বিষয় বস্তু যোগান ধৰা, একিয়ান-সকল কিমান সুখী। নিজৰ দেশ দগ্ধ হোৱা দৃশ্য দেখিবলৈ পোৱা, প্ৰায়েমলৈ মোৰ হিংসাই লাগে। মই,- মই, কোনোদিন জলি থকা নগৰ এখনৰ দৃশ্য উপভোগ কৰা নাই।"

অলপ সময় সকলো নীৰৱে থকাৰ পাচত, টাইগেলিনাচে মাত লগালে, "চিজাৰ ! মই আপোনাক কৈছিলো, যদি আপুনি আজ্ঞা কৰে, মই এন্টিয়ামখন জ্বলাই দিম। এইবোৰ গ্ৰাম্যনিবাস আৰু ৰাজপ্ৰাসাদ হেৰুৱালে যদি আপোনাৰ মনত কষ্ট হয়, তেন্তে মই অষ্টিয়াৰ জাহাজবোৰতে জুই লগাই দিম। নহলে, আলবান পাহাৰৰ ওপৰত, এখন কাঠেৰে সজা নগৰ কৰিম; তাত প্ৰথমে আপুনিয়ে হাতত জোৰ বাতি লৈ, অগ্নিসংযোগ কৰিব। আপোনাৰ এনে ইচ্ছা আছেনে, প্ৰভু ?"

নিৰোৱে মানুহজনৰ মুখলৈ, অতিশয় বিতৃষ্ণাৰ দৃষ্টিৰে চালে।

"তুমি ভাবা নেকি যে, মই কাঠৰ জুপুৰীত জুই লগা চাবলৈ ইচ্ছা কৰো ? টাইগেলিনাচ, তোমাৰ মগজুৰ উৰ্ব্বৰতা নোহোৱা হৈছে। মই বুজিছো, মোৰ প্ৰতিভা আৰু মোৰ 'ট্ৰয়াদ' কবিতা অতি নগণ্য বুলিয়ে তোমাৰ ধাৰণা। কাৰণ, তুমি ভাবা,- মোৰ কাব্য প্ৰতিভা আৰু মই নতুনকৈ লেখিব খোজা 'ট্ৰয়াদ' খন, ইয়াতকৈ ডাঙৰ ত্যাগ বিচৰাৰ উপযুক্ত নহয়।"

টাইগেলিনাচ শেতা পৰি গল। নিৰোৱে কথাৰ ধাৰা সলনি কৰিবলৈকে যেন কলে, "গৰমকালি আহিবৰ হ'ল। এই সময়ত, ৰোম নিশ্চয় মাৰি মৰকেৰে ভৰি পৰিছে। তথাপিও হায়। আমি গৰমৰ দিনৰ ক্ৰীড়া অনুষ্ঠানৰ বাবে, তালৈ উলটি যাব লাগিব।"

টাইগেলিনাচে হঠাতে এবাৰ কলে, "চিজাৰ ! আনবোৰ অগষ্টানক বিদায় দিয়াৰ পাচত, ভিতৰুৱা আলোচনাৰ বাবে, আপোনাৰ ওচৰত মোক অকলে থাকিবলৈ অনুমতি দিয়ক।"

এঘন্টামানৰ পাচত, ৰাজকীয় বাসভৱনৰ পৰা, ভিনিকিয়াচ আৰু পেট্ৰোনিয়াচ একেলগে ওলাই উলটিল।

"উস ! তুমি আজি মোক, বৰ ভয় খুৱালা।" ভিনিকিয়াচে কলে, "মই ভাবিছিলো, তুমি মাতাল হৈছে, এনে কথা কৈছা। উহাৰ পাৰ হোৱাবাকৈ তুমি নিজৰ সৰ্ব্বনাশ মাতি আনিলা বুলিয়েই ধৰি লৈছিলো। তুমি পাহৰি নাযাবা, এনে কথাৰ মৰ্ম হল, মৃত্যুৰ লগত খেলা কৰা।"

"মোৰ ক্রীড়ামঞ্চ চিজাৰৰ ৰাজভৱনতে অৱস্থিত।" পেট্রোনিয়াচে অন্যাংৰধানভাৱে জনালে, "সেই মঞ্চত মই দেখুৱাব খোজো, শক্তিমান, হৃষ্টপুষ্ট মল্লবীৰৰ খেল। আন একো নহ'লেও, আজিৰ গধূলিটোৱে চিজাৰৰ ওপৰত মোৰ প্ৰভাৱ বিস্তাৰ কৰিলে। সি তাৰ কবিতা সোণা, এটা ধুনীয়া সঙ্কৰাত ভৰাই, মোলৈ উপহাৰ পঠিয়াব। কবিতাবোৰ যিমান কুৰুচিপূৰ্ণ, সঙ্কৰাটো হ'ব, সিমান সুশ্ৰী। মোৰ চিকিৎসকক কম, সেইটো ঔষধৰ টেমা কৰিবলৈ। আজি গধূলি মোৰ উদ্দেশ্য আছিল, টাইগেলিনাচক উচটনি দিয়া, যাতে সি নিজৰ মূৰ্খামিবোৰ প্ৰকাশ কৰি দিয়ে। মোক অনুকৰণ কৰিবলৈ চেষ্টা কৰে সি। এনে ভেৰাকুটিৰ ফলত, তাৰ অৱস্থা কি হ'বগৈ পাৰে, সেইটো মোৰ মনৰ চকুৰ আগত ভাঁহি উঠে। মই ইচ্ছা কৰিলে, এতিয়াই তাৰ সৰ্ব্বনাশ কৰিব পাৰো, আৰু তাৰ ঠাইত, নিৰাপত্তাৰক্ষী সেনাৰ অধিনায়ক হৈ যাব পাৰো। ইয়াকে কৰিলে মই এহেনোবাৰ্‌বাচক হাতৰ মুঠিত ৰাখিব পাৰিম। কিন্তু ইমান আহকাল চপাই লব নোখোজো মই। তাতকৈ চিজাৰৰ কবিতাৰ লগৰী হৈ, এতিয়া যিদৰে আছো, সেইদৰেই থাকিম।"

"আচৰিত ক্ষমতা তোমাৰ! কটু সমালোচনা এটাকো, তুমি তোষামোদলৈ পৰিবৰ্ত্তন কৰিব পাৰা। পিচে সেই কবিতা, ইমানেই বেয়া নে? তাৰ ওপৰত মন্তব্য দিব পৰা মানুহ নহওঁ মই।"

"তাৰ আনবোৰ কবিতাতকৈ, এইবোৰ বেয়া হোৱা নাই। কবলৈ গলে, লুচানৰ অকল কনিষ্ঠ আঙুলিতে যিমান গুণ আছে, চিজাৰৰ গোটেই গাতে সিমান নাই। কবিতা আৰু সঙ্গীতৰ প্ৰতি অসীম প্ৰীতিৰ উপৰিও, চিজাৰৰ গাত অদ্ভুত বস্তু বহুত আছে। দুদিন পাচত, সি এক্ৰোদাইটীৰ উদ্দেশ্যে গোৱা গীত, আমি শুনিবলৈ পাম। এতিয়া গীতটোত সি, শেষ ধাৰ্বলৈ চকু ফুৰাইছে। শ্ৰোতা হ'ম আমি চাৰিজন,— তুমি, মই, টিউলিয়াচ্ চেনেচিও, আৰু যুৱক নাৰ্ভা। তাৰ কবিতা সম্বন্ধে, মই তোমাক আগো কোৱা আছিলো যে, তোজৰ পাচত, ভাইটেলিয়াচে ক্লেমিংগো চৰাইৰ পাখি, যি কামত লগায়, মইও সেই সোণা পতি, সেই কামটোকে কৰো? তথাপিও তাৰ কবিতা একেবাৰে নিকৃষ্ট বুলিব নোৱাৰি। মাজে, মাজে, দুই একাঁকি প্ৰাঞ্জল কবিতাও নথকা নহয়। উদাহৰণ স্বৰূপে কব পাৰি, হেকিউবাৰ বিলনিৰ বৰ্ণনাত, মাতৃ হৃদয়ৰ বেদনা ফুটি উঠিছে আৰু চিজাৰৰ ভাষাৰ গতিও, কেনেবাকৈ সাৱলীল হৈ উঠিছে।

হয়তো এভিটো চৰণ, যৰ কুচিৰে লেখি শেষ কৰিছে। কেডিয়াৰা তাৰ কথা ভাবি, মোৰ দুখ লাগে। হে পোলাক্স! কি অদ্ভুত গুণৰ মিশ্ৰণ এই মানুহটো! সম্ৰাট কেলিগুলা আছিল অসৎ আৰু দুৰ্দান্ত স্বভাৱৰ,— কিন্তু নিৰো হ'ল, সাক্ষাত পিশাচ।"

"তাৰ মৃত্যুৰ কিমান দূৰলৈ দিপাৰ?" ভিনিকিয়াচে সুধিলে।

"কোনেও কব নোৱাৰে। সমূলি ধৰিব নোৱাৰি। এনে ঘটনাও ঘটিব পাৰে, যি বিষয়ে শুনি, ভৱিষ্যত বংশধৰসকল, আতঙ্কত শিয়ঁৰি উঠিব। তাৰ মানে সি হৈ পৰিব, মনোযোগ আকৰ্ষণ কৰিব পৰা, এটা পদাৰ্থ। মাজে মাজে যদিও মই, মৰুভূমিত থকা জুপিটাৰ এমনৰ দৰে, সকলোতে বিৰক্তি অনুভৱ কৰো, তথাপিও মই জানো, আন এজন চিজাৰৰ অধীনত, মোৰ অৱস্থা শতগুণে বেয়া হ'ব। তোমাৰ জুদিয়াৰ পল হ'ল, বাকপটু মানুহ। মই এই কথা স্বীকাৰ নকৰি নোৱাৰো। এনেকুৱা কিছুমানে যদি, এই ধৰ্ম প্ৰচাৰ কৰাত লাগি যায়, তেন্তে আমাৰ দেৱতাসকলে, তেওঁলোকৰ লাগি চাই থাকিব। মই এই কথাও স্বীকাৰ কৰো যে, চিজাৰ খৃষ্টিয়ান হোৱা হলে, আমি আটাইবোৰে শান্তিৰে তব পাবিলো-হেঁতেন। কিন্তু তোমাৰ টাৰচাচৰ সাধুজনে, জীৱনৰ দিক নিৰ্ণয় কৰি, উপদেশ আগবঢ়ালেও, এই কথা পাহৰি গৈছে যে, মোৰ পক্ষে জীয়াই থকাৰ প্ৰধান আকৰ্ষণেই হ'ল, অনিশ্চয়তা। যিজনে পাশা নেখেলে, তেওঁ কেতিয়াও, সম্পত্তি নেহেৰুৱায়; কিন্তু মানুহে পাশা খেলেই। মই জানো, নাইট আৰু চিনেটৰ সভ্যৰ পুত্ৰ কেইজনমানে, স্বইচ্ছাৰে মাল খুঁজাৰু হৰলৈ গৈছে। তুমি কৈছা, মই মৃত্যুৰ লগত খেল খেলিছো। কথাটো সঁচা। তাৰ কাৰণ হল, খেলখনত মই আমোদ পাইছো। চেনেকাৰ বাগাড়ম্বৰে মোক কষ্টেকতে তিতা, কেহা লগাই দিয়াৰ দৰে, তোমাৰ খৃষ্টিয়ান ধৰ্মইও মোক তিতা কেহা লগাব। পল্লে কিছাকৈকে বক্তৃতা শুনালে মোক। তেওঁ বুজা উচিত আছিল যে, মই যি সঁচত গঢ় লৈছো, সেই সঁচত গঢ়ি উঠা, কোনো মানুহেই, তেওঁৰ বাণী সত্য বুলি মানি লোৱা সহজ নহয়। অৱশ্যে তোমাৰ কথা সুকীয়া। তোমাৰ মনোবৃত্তিয়ে খৃষ্টিয়ানৰ সংক্ৰামক ৰোগৰ দৰে বিশেষ কৰিব পাৰে, অথবা আৱৰণক গ্ৰহণো কৰিব পাৰে। তোমাৰ মনৰ গতি ৰহস্যময়। খৃষ্টিয়ানক মত শুক বুলি মানি লোৱা কথাটোতে মই আচৰিত হৈ যাওঁ। আমাৰ ভৱিষ্যতৰ পথ কিহে ৰুদ্ধ কৰিছে, আমি বুজা নাই,— আমাৰ ভৱিষ জগতে, পৃথিৱীখন আৰু, কিহি কৈছে,— আমাৰ এখন

আগতে, ধ্বংস হৈ আছে, যহতো সম্পদ। বেচ এই আটাইবোৰ কথা জানি [illegible]। কিন্তু আমি জানো, কি দৰে মৰিব লাগে। জীৱন নিৰানন্দময় কৰি, অৰু পূৰ্ব্বে মৃত্যুৰ দাস হোৱাৰ প্ৰয়োজনীয় সাহস, এতিয়াও আমাৰ হোৱা নাই। জীয়াই থকাৰ আনন্দৰ মাজতে, জীৱনৰ সাৰ্থকতা। আমাৰ জীৱনধাৰাত সুখ নাই বুলি, এসময়ত তুমি নিজেও অনুভৱ কৰা নাছিলা। আৰ্মেনিয়াত যেতিয়া যুদ্ধত ব্যস্ত আছিলা, তেতিয়াও তোমাৰ মনত প্ৰবল বাসনা জাগি উঠিছিল, যোধনে ঘূৰি আহি, উপভোগৰ সোঁতত গা এৰি দিবলৈ।"

"হয়। কিন্তু এতিয়া এইবোৰৰ পৰা আঁতৰি থকাৰ বাসনাহে জাগি উঠিছে, মোৰ মনত।"

"অ', তাৰ কাৰণ হল, টাইবাৰৰ সিপাৰে থকা, এজনী খৃষ্টিয়ান কুমাৰীক তুমি ভাল পোৱা। মই অকণো আচৰিত হোৱা নাই। মোক কি কথাই আচৰিত কৰিছে জানানে? তোমাৰ মতে, যদিও এই ধৰ্ম'ই হ'ল, সকলো সুখৰ ভঁড়াল, যদিও তোমাৰ প্ৰেমে অতি শীঘ্ৰে পূৰ্ণতা লাভ কৰিব, তথাপিও, তোমাৰ মুখৰ পৰা বিমৰ্ষ ভাব আঁতৰা নাই। পম্পোনিয়া গ্ৰেচিনাকো সদায় বিমৰ্ষ দেখা যায়। তুমি যেতিয়াৰে পৰা খৃষ্টান হোৱাৰ সঙ্কল্প ললা, তেতিয়াৰে পৰা, তোমাৰ মুখৰ হাঁহিও আনকি মাৰ গল। ৰোম এৰি অহাৰ সময়তকৈও, ৰোমৰ পৰা ইয়ালৈ ঘূৰি অহাৰ পাচত, তোমাক বেচি মন মৰা দেখা গৈছে। যদি তোমাৰ আত্ম সন্তুষ্টিৰ আৰু খৃষ্টিয়ান সঙ্গীসকলক ভাল পোৱাৰ নমুনা এইয়ে, তেন্তে মই বেকাচৰ বেচমী কেশ চুই শপত খাই কওঁ,— মই তোমাৰ পথৰ পথিক হ'ব নোখোজো।"

"সেইটো বেলেগ কথা।" ভিনিকিয়াচে উত্তৰ দিলে, "অৰণ্যে বেকাচৰ বেচমী চুলি স্পৰ্শ নকৰি, মই মোৰ পিতাৰ আত্মাৰ শপত খাই কওঁ, মই এতিয়া যি সুখ পাইছো, সেই সুখ, আগতে তিলমানো পোৱা নাছিলো। কিন্তু বিৰহ সদায়ে যন্ত্ৰণাময়। আচৰিত কথা কি জানানে, যেতিয়া মই লিজিয়াৰ পৰা আঁতৰত থাকো, তেতিয়া মোৰ মনলৈ আহে, কিবা দুৰ্ভাগ্য যেন সন্মুখত ৰৈ আছে। এই দুৰ্ভাগ্য কি হব পাৰে, বা ই কোন ফালৰ পৰা আহিব পাৰে, নাজানো। তথাপিও মই যেন তাৰ পূৰ্ব্বাভাস পাইছো,— ধুমুহা অহাৰ আগতে কিবা পোৱা যায়, ঠিক সেইদৰে।"

"তোমাক এইটোৰ এৰি যাবলৈ অনুমতি লাগে যদি, দুদিনৰ ভিতৰতে আনি দিম। [illegible] দিন থাকিবলৈ ইচ্ছা কৰা, [illegible] দিন, লিজিয়াৰ ওচৰত

থাকিব পাৰিবা। পণিয়া এন্তিয়া আগন্তকে শান্ত হৈছে ; তাইৰ পৰা তোমাৰ বা লিজিয়াৰ কোনো বিপদ নাই। মূঠৰ ওপৰত, মই জনাত, বিপদ আৰু নাহে।"

"আজি তাই মোক আকৌ সুধিছিল, বোমত মোৰ কি কাম আছিল, আৰু মই কিয় গোপনে যাত্রা কৰিছিলো।"

"হয়তো তাই, তোমাৰ ওপৰত চকু ৰাখিবলৈ, মানুহ লগাইছে। কিন্তু বর্তমান মই, তাইৰ লগত লেন দেন কৰি চাম।"

ভিনিকিয়াচে অলপ বৈ কলে, "পলে আমাক শিক্ষা দিছে, ভগবানে যদিও মাজে সময়ে, বিপদৰ আগজাননী দিয়ে, তথাপিও এনে পূর্ব্বানুভৱৰ কাৰণে অস্থিৰ হব নালাগে। এদিন নিশা,— আজি নিশাৰ দৰে সেই নিশাও নিস্তব্ধ আছিল,— লিজিয়া আৰু মই ওচৰাওচৰিকৈ বহি, ভৱিষ্যতৰ কথা পাতি আছিলো। আমি যে কিমান সুখত, কিমান শান্তিত আছিলো, তাক মই ভাষাৰে বর্ণাব নোৱাৰো। হঠাৎ সিংহবোৰে গর্জিবলৈ আৰম্ভ কৰিলে। বোমত যদিও, ই এটা সাধাৰণ ঘটনা, তথাপিও, সেই মুহূর্ত্তৰে পৰা, মোৰ মনৰ শান্তি নোহোৱা হল। মোৰ মনলৈ আহিল, ই দুর্ভাগ্যৰ আগজাননী। এই ধাৰণাৰ বিৰুদ্ধে যুঁজিবলৈ চেষ্টা কৰিছো, কিন্তু মুঠেই কৃতকার্য্য হোৱা নাই। তুমি নিজে জানা, মই সহজে ভয় নাখাওঁ। তথাপিও, মোৰ মনটোৱে কৈছে, কিবা এটা ভয়ানক দুর্ঘটনাৰ পৰা, লিজিয়াই যেন উদ্ধাৰ পাবলৈ চেষ্টা কৰিছে। লগে, লগে, মোৰ বুকুখন বিষাই আছে, চিন্তাত, অশান্তিত। মানুহে শুনিলে কব, সিংহবিলাকে কিবা অঘটন ঘটাব বুলি, মোৰ মনত ভয় সোমাইছে। যন্ত্রণাত মই জ্বেই, পুৰি মৰিছো। অনুগ্রহ কৰি, তুমি মোক বোমলৈ উলটি যোৱাৰ অনুমতি আনি দিয়া। নহলে মই, অনুমতি নোলোৱাকৈ যাবলৈ লাগিব।"

পেট্রোনিয়াচে জোৰেৰে হাঁহি দিলে। "এতিয়ালৈকে বিচাৰ পতিৰ পুত্রক আৰু তেওঁৰ পত্নীক, ক্রীড়ামঞ্চত সিংহৰ মুখলৈ, দলিয়াই দিয়াৰ কাহিনী শুনাৰ দিন অহা নাই, আমাৰ। তোমালোকৰ মৰণ আন ধৰণে ঘটিব পাৰে, কিন্তু এই দৰে নঘটে। পিচে সিংহই গর্জ্জন কৰিছিল বুলিলো কেনেকৈ কবা ? জার্মেনিৰ পৰা অনা, ভয়ানক ষাড়বোৰেও ঠিক একেদৰে গর্জ্জন কৰে। মই হলে, যি কোনো ধৰণৰে নহওক, পূর্ব্বানুভৱক সদায় হাঁহি উৰুৱাই দিওঁ। কালিৰ নিশাটোও নিজান, নিস্তব্ধ আছিল। তাকে, তাকে পণীয়া হৰা খহি পৰা

দেখিছিলো। এইবোৰ দেখি, দুই এজনৰ মনলৈ, আগৰ ভাব আহিছিল। কিন্তু মই নিজকে এইদৰে কৈছিলো, "এই তৰোৱালৰ মাজত মোৰ ভাগ্য তথাও যদি আছে, আন নহলেও, তাক আটায়ে মনোযোগেৰে চাব।"

অলপপৰ নীৰৱে থাকি, তেওঁ পুনৰ কলে, "তহঁতৰি, তোমাৰ এই টুই যদি সচাঁকৈয়ে মৃত্যুৰ পাচতো, সশৰীৰে আহি, পুনৰ দেখা দিছিল, তেন্তে তেৱেঁই তোমাক মৃত্যুৰ মুখৰপৰা ৰক্ষা কৰিব,— যিজনে নিজকে মৃত্যুহীন বুলি জনাইছিল, তেওঁ এই কাৰ্য্যো পাৰিব।"

"হয়, তেওঁ পাৰিব।" নক্ষত্ৰখচিত উজ্জ্বল আকাশলৈ চাই, চাই, ভিনিকিয়াচে কলে।

॥ ১৯ ॥

চাইপ্ৰাচৰ দেৱীৰ উদ্দেশ্যে, নিৰোৱে বীণ বজাই, প্ৰাৰ্থনা গীত গাইছে। গীতৰ ভাষা আৰু সুৰ, তেওঁৰ নিজৰ। সেইদিনা তেওঁৰ মাতটোও ভৱলা। তেওঁৰ সঙ্গীতে যে তেওঁৰ শ্ৰোতা সকলক মুগ্ধ কৰিছে, তাত তেওঁৰ অকণো সন্দেহ নাই। বিশ্বাসৰ দৃঢ়তাই, তেওঁৰ মনত ইমান উৎসাহ আৰু তৃপ্তি দিলে যে, তেওঁক দৈৱশক্তিৰ দ্বাৰা অনুপ্ৰাণিত হোৱাৰ দৰে দেখা গল। অৱশেষত, সত্য অনুভূতিৰ প্ৰভাৱত, তেওঁৰ মুখত শান্ত ভাব পৰিলক্ষিত হ'ল। হয়তো প্ৰথম বাৰলৈ, শ্ৰোতাসকলৰ প্ৰশংসা শুনাৰ আগ্ৰহ নজন্মিল তেওঁৰ মনত। কেই মুহূৰ্ত্তমান, বীণখনতে হাত দুখন থৈ, তললৈ মুৰ কৰি, তেওঁ বহি থাকিল। তাৰ পাচত ওপৰলৈ মুৰ তুলি, তেওঁ কৰলৈ ধৰিলে, "মই ভাগৰি পৰিছো। মোক নিৰ্ম্মল বতাহ লাগে। এতিয়া বীণত সুৰ বান্ধিব লাগিব।" পুনৰ তেওঁ পাটৰ চাদৰ এখনেৰে ডিঙিটো মেৰিয়াই ললে।

"মোৰ লগত আঁহা।" পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচক উদ্দেশ্য কৰি, তেওঁ কলে। কোঠাটোৰ আনটো মূৰত, দুয়ো বহি আছিল।

"ভিনিকিয়াচ, তোমাৰ হাতখন আগবঢ়াই দিয়া মোক। মোৰ গাৰ বল কমি আহিছে। পেট্ৰোনিয়াচে মোৰ সঙ্গীতৰ কথা কব লাগিব।"

তেওঁলোক ৰাজভৱনৰ ওপৰ মহলাৰ খোলা ঠাইলৈ গল। কুকুৰ-খেদু ছটিয়াই খোৱা, এই ঠাই এলাবাষ্টাৰ নামৰ একবিধ চূণশিলেৰে নিৰ্ম্মিত।

"ইয়াতে মুকলি বতাহ লব পাৰিম।" নিৰোৱে কলে, "মোৰ মন অশান্ত হৈ উঠিছে,—যদিও মই জানো যে, এই মাত্ৰ তোমালোকক যি গীত গাই শুনালো, সেই গীত, ৰাইজক শুনোৱাৰ উপযুক্ত হৈছে, আৰু ই মোক, যি জয় গৌৰৱ প্ৰদান কৰিব, তেনেকুৱা গৌৰৱ, আগতে কোনো ৰোমানে লাভ কৰা নাই।"

"ইয়াতে হওক, ৰোমতে হওক, বা একিয়াতে হওক, ৰাইজৰ আগত নিজৰ গুণ প্ৰকাশ কৰাৰ যোগ্যতা আপোনাৰ সদায়ে আছে। সৰ্ব্বান্তঃকৰণে মই, আপোনাৰ স্তুতি কৰো, হে স্বৰ্গদেৱ!" পেট্ৰোনিয়াচে উত্তৰ দিলে।

"মই জানো, তুমি তোষামোদ কৰাত নাই, আৰু টিউলিয়াচ্ চেনেচিওৰ দৰে, তুমিও মুখে, পেটে এক। কিন্তু তেওঁতকৈ, তোমাৰ জ্ঞান বেচি। সত্যিকৈ মোক কোৱা, এই গীতৰ বিষয়ে তুমি কি ভাবা।"

"মই যেতিয়া কবিতা শুনো, আপোনাক যেতিয়া খেল মাটিত ৰথ চলোৱা দেখো, কাৰু শিল্পীৰ অনুপম সৃষ্টি,—কোনোবা মন্দিৰৰ কাৰুকাৰ্য্য যেতিয়া চকুত পৰে, আৰু যেতিয়া এখন অপূৰ্ব্ব সুন্দৰ চিত্ৰাঙ্কণ দেখিবলৈ পাওঁ, তেতিয়া মই অনুভৱ কৰো, চকুৰ দৃষ্টিৰ মাজেদি, ৰূপৰ মায়াই মোৰ হৃদয় স্পৰ্শ কৰিছে। মোৰ মুগ্ধ দৃষ্টিয়ে জনাই দিয়ে, নিগূঢ় সৌন্দৰ্য্যৰ প্ৰতিটো কণা, মোৰ চকুত ধৰা পৰিছে আৰু তাক মই মৰ্মে, মৰ্মে, উপলব্ধি কৰিছো। কিন্তু যেতিয়া মই গীত শুনো,—বিশেষকৈ, আপুনি গোৱা গীত,—তেতিয়া মোৰ সন্মুখত মুকলি হয়, নতুন সৌন্দৰ্য্য, নতুন আনন্দে ভৰা, এখন সম্পূৰ্ণ জগত। তাৰ মায়ানাভিৰাম ৰূপৰ পিচে, পিচে ধাৱিত হয়, মোৰ প্ৰাণ। উপলব্ধিৰ আনন্দক, আকোৱালি লবলৈ নৌপাওঁতেই, নতুন সৌন্দৰ্য্য ৰাশিয়ে, চকুৰ আগত দেখা দিয়েহি। ইটাৰ পাচত সিটাইকৈ, চকুৰ আগলৈ আহি থাকে, সৌন্দৰ্য্যৰ ঢৌ,—অনন্ত বুকুৰপৰা, অবিৰাম গতিত আহি থকা, সাগৰৰ ঢৌৰ দৰে। সেইদৰে, মই কওঁ,—সঙ্গীত, মহাসাগৰৰ দৰে। এপাৰে থিয় দি, আমি বহুদূৰলৈ চাই থাকো,—কিন্তু ধৰিব নোৱাৰো, সিপাৰৰ তাৰ সীমা কত।"

তিনিও মুকলি ঠাইখিনিত, কেই মুহূৰ্ত্তমান নীৰৱে খোজ কাঢ়ি ফুৰিলে। দূৰৰপৰাই ভাহি আহি পৰা, কোনোবা কচু খেতু সকলৰ, কিছুমান [illegible]।

"তুমি মোৰ অন্তৰৰ ভাৱ-ৰাশিক, ভাষাকে ৰূপ দিয়া।" অৱশেষত চিজাৰে কলে, "যেইকাৰণে মই সদায় কওঁ,—তোমাত মোক বুজিব পৰা মানুহ, একমাত্ৰ তুমি। হয়, সঙ্গীতৰ বিষয়ে, মই নিজেও ঠিক এইদৰে অনুভৱ কৰো। যেতিয়া মই যন্ত্ৰ সঙ্গীত বজাওঁ বা গীত গাওঁ, তেতিয়া মই, এনে কিছুমান বস্তু চকুৰ আগত দেখো;—যিবোৰ এতিয়ালৈকে মোৰ সাম্রাজ্যত বা গোটেই বিশ্বতে বিৰল বুলি, মোৰ ধাৰণা। যদিও মই গোটেই জগতৰ অধিপতি চিজাৰ, যদিও মোৰ ক্ষমতা অসীম, তথাপিও, সঙ্গীতে মোৰ চকুৰ আগতে মুকলি কৰে, চিজাৰে ঢুকি নোপোৱা দেশ, কোনো দিনে ছুবুৱা সাগৰ আৰু অনাস্বাদিত পুলক ৰাশি; মই অনুভৱ কৰো, দেৱতাসকল যেন কাষতে আছেহি। মোৰ চকুৰ আগত ভাঁহি উঠে, দেৱভূমি অলিম্পাচ,—তাৰ উচ্চ শিখৰৰ পৰা অহা এছাটি বতাহ বৈ যায়, মোৰ কাষেদি। মোৰ চাৰিওফালে, গোটেই পৃথিৱী যেন, কঁপি উঠে। তদুপৰি—" এইখিনিতে আশ্চৰ্য্যৰ ভাবত, চিজাৰৰ মাত কঁপি উঠে,—"মই যেন নিজকে দেখিবলৈ পাওঁ, এটা ক্ষুদ্ৰ ধূলিকণাত পৰিণত হোৱা। অথচ, মইয়ে চিজাৰ, আৰু দেৱতাও মইয়ে। তোমালোকে বিশ্বাস কৰিবানে?"

"হয়, একমাত্ৰ শ্ৰেষ্ঠ শিল্পীয়েহে, সৌন্দৰ্য্যৰ অতুলনীয় মহিমাৰ সন্মুখত, নিজকে ক্ষুদ্ৰ জ্ঞান কৰে।"

"আজিৰ নিশাটো, বিশ্বাসৰ কথা প্ৰকাশ কৰাৰ নিশা। মই তোমালোকৰ আগত, মনৰ কথা খুলি কম। তোমালোকে মোক অন্ধ বা বলিয়া বুলি ভাবা নেকি? তোমালোকে ভাবা নেকি যে, ৰোমৰ প্ৰাচীৰ বোৰত, মোৰ বিষয়ে অপমান সূচক কথা লেখা হয় বুলি মই নাজানো? মোক মাতৃহন্তা, পত্নীহন্তা বোলা কথা? টাইজেলিনাচে মোৰ শত্ৰু নিধন কৰিবৰ বাবে, কেইখনমান মৃত্যুদণ্ডৰ আদেশ পত্ৰ মোৰ হাতৰপৰা নিয়াৰ কাৰণতে, মানুহে মোক, পিশাচ আৰু ঘাতক আখ্যা দিছে বুলি, মই নাজানো নেকি? হয়, মৰমৰ বন্ধু! মানুহে মোক পিশাচ বুলি কয়, আৰু মই এই কথা জানো। মোৰ নিষ্ঠুৰতাৰ কথা, ইমানবোৰ চিঠিকে বিয়পি পৰিছে যে, যেতিয়াবা মই নিজকে প্ৰশ্ন কৰিবলৈ বাধ্য হওঁ,—মই নিষ্ঠুৰনে? মানুহে এই কথা বুজুৰে যে, মানুহ এজনৰ কামবোৰ নিষ্ঠুৰ হলেও মানুহজন নিজে নিষ্ঠুৰ নহবও পাৰে। কোনেও বিশ্বাস নকৰিব, মৰমৰ বন্ধু,—আনকি তোমালোকেও বিশ্বাস কৰিবলৈ টান পাবা যে, কিছুমান মুহূৰ্ত্তত, সঙ্গীতে যেতিয়া মোক [illegible] দিয়ে, তেতিয়া নিজকে, [illegible] মোৰ [illegible] এটাক [illegible]

দৰে, নিৰীহ যেন লাগে। আকাশত জিলিকি থকা নক্ষত্ৰবোৰৰ শপত খাই কৈছো, এই কথা। মই অকপটচিত্তে জনাইছো, তোমালোকক। হয়, মোৰ হৃদয়ৰ তলিত যি সভতা লুকাই আছে, তাৰ কথা মানুহে নাজানে। সঙ্গীতে যেতিয়া মোৰ হিয়াৰ দুৱাৰ খুকলি কৰে, তেতিয়া মই আপোনমনে যিবোৰ অমূল্য সম্পদ আবিষ্কাৰ কৰো—যি ভাবৰ ঢউত উটি যাওঁ, তাৰ কথাও কোনেও নাজানে।”

“একমাত্ৰ মই, আপোনাক যিদৰে বুজিছো, সেইদৰে আনেও যদি বুজিলে হয়তেন!” পেট্ৰোনিয়াচে কলে, “আপোনাৰ প্ৰকৃত গুণৰাশিক প্ৰশংসা কৰিবলৈ ৰোমৰ মানুহে, কোনোদিন নিশিকিলে।”

চিজাৰে ভিনিকিয়াচৰ বাহুত আগতকৈও বেচি ভৰ দি, আঁউজিলে,—যেন অবিচাৰৰ ভৰত ভুৰি যাবলৈহে ধৰিছে! তাৰ পাচত, আকৌ আৰম্ভ কৰিলে, “টাইগেলিনাচে মোক কৈছে,—ভিওভোৰাচ্ আৰু টাৰ্পনোচে মোতকৈ ভাল বীণা বজায় বুলি, চিনেটত কোৰাৰেলা চলিছে। তুমি সদায় সঁচা কথা কোৱা বুলি জানো। মোক অকপটভাৱে জনোৱাচোন, তেওঁলোকে মোতকৈ ভাল বজায় নে, মোৰ সমানে ভাল বজায়?”

“ভাল নবজায় কেতিয়াও। তেওঁলোকতকৈ আপোনাৰ হাতৰ স্পৰ্শ, বহু-গুণে কোমল আৰু মধুৰ। বজোৱাৰ ধৰণটোও বহুত ওখ থাপৰ। আপোনাৰ মাজত মানুহে শিল্পীসত্বা আৱিষ্কাৰ কৰিব পাৰে। কিন্তু তেওঁলোকক দক্ষ কাৰি-কৰৰ বাহিৰে, একো আখ্যা দিব নোৱাৰি। তেওঁলোকৰ সঙ্গীত যেতিয়ালৈকে শুনে, তেতিয়ালৈকে মানুহে আপোনাৰ সঙ্গীতৰ প্ৰকৃত মূল্যাঙ্কণ কৰিব নোৱাৰে।”

“সেয়ে যদি হয়, তেন্তে সিঁহত জীয়াই থাকিব। কিন্তু সিঁহতে কোনোদিন নাজানিব, তুমি সিঁহতক কিমান উপকাৰ কৰিলা। কিবা এটা চেলু উলিয়াই সিঁহতক মৃত্যুদণ্ড দিয়া হলে, সেই ঠাই পুৰাবলৈ, আন মানুহ বিচাৰিব লগা হবহেঁতেন।”

“তেতিয়া মানুহে আপোনাৰ কথা এইদৰে কলেহেঁতেন,—‘নিৰোৱে সঙ্গীত কলা ইমান বেচি ভাল পায় যে, সাম্ৰাজ্যৰ সকলো সঙ্গীতজ্ঞকে, কলা মাৰ পোৱাৰ অনুপযুক্ত বুলিয়েই নিৰ্মূল কৰি পেলাইছে।’ হে স্বৰ্গৰ দেৱতা! অনুপ-যুক্ত হলেও, তাক ধ্বংস নকৰিব।”

“তুমি আৰু টাইগেলিনাচ কিমান বেলেগ!” নিৰোৱে উত্তৰ দিলে, “কিন্তু চোৱা, মই প্ৰতিটো কথাকে শিল্পীৰ চকুৰে চাওঁ। যিহেতু, সঙ্গীতে মোক,

ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা অনন্তৰ ৰূপ মুকলি কৰি দেখুৱায়, সেইদৰে মই দেৱতাসকলৰ ওচৰত, প্ৰতিজ্ঞাবদ্ধ হৈছো, সেই অনন্তক বিচাৰি যাবলৈ। কিন্তু স্বৰ্গৰাজ্য অলিম্পিয়াত ভৰি দিবলৈ অনুমতি পাবলৈ হলে, দেৱতাক সন্তুষ্ট কৰিবলৈ, কিবা অসাধ্য সাধন কৰিব নালাগিবনে? মোক মানুহে বলিয়া বুলি ঠাট্টা-তামাচা কৰে। কিন্তু নহয়, মই বলিয়া নহওঁ। মই মাত্ৰ বিচাৰিছো,"—কথাষাৰ আধা কোৱাকৈ এৰি, পেট্ৰোনিয়াচৰ কাণৰ ওচৰলৈ ওঁঠ দুটা নি, ইমান নিম্নস্বৰে কিবা কলে যে, ভিনিকিয়াচে একো শুনিলে।

"অজান জগতৰ দুৱাৰ মুখত, মানুহে অৰ্পণ কৰিব পৰা, আটাইতকৈ শ্ৰেষ্ঠ উৎসৰ্গা আগবঢ়াবলৈ মই কামনা কৰিছো। মোৰ মাতৃ, মোৰ পত্নী,—দুয়ো এই একেটা উদ্দেশ্যৰ বলি হৈছিল। কিন্তু এই উৎসৰ্গাই, যথেষ্ট নহয়। স্বৰ্গৰ দুৱাৰেদি প্ৰবেশ কৰিবলৈ অনুমতি পাবলৈ,—দৈৱবাণী সফল কৰিবলৈ, ইয়াতকৈ পবিত্ৰ বস্তু উচৰ্গা কৰিব লাগিব।"

"কি কৰিব খুজিছে আপুনি?"

"তোমালোকে দেখিবলৈ পাবা,—পাবাই। তোমালোকে ভবাতকৈ সোনকালে দেখিবা। ইতিমধ্যে জানি থোৱা,—নিৰো দুজন আছে। এজনক সকলো মানুহে চিনি পায় আৰু ইজন হ'ল শিল্পী নিৰো,—যাক কেৱল তুমিহে চিনি পোৱা,—যি মাৰ্চ দেৱতাৰ দৰে হত্যাকাণ্ড চলায়, আৰু সময়ে, সময়ে, বেকাচ দেৱতাৰ দৰে, উন্মত্ত, উদণ্ড হৈ কাম কৰে। তাৰ একমাত্ৰ কাৰণ হল, মানুহৰ নীচতা আৰু দম্ভালি দেখি, তেওঁৰ মন ঘৃণাৰে উপচি পৰে, আৰু সেইবোৰ মানুহৰ অস্তিত্ব বিলোপ হোৱা উচিত বুলি, তেওঁ বিবেচনা কৰে। মই পৃথিৱীৰ পৰা বিদায় লোৱাৰ পাচত, মানুহ একেবাৰে ৰসাতললৈ যাব। কোনেও নাজানে,—আনকি তুমিও নাজানা, মোৰ মাজত, কেনে এজন শিল্পী লুকাই আছে। মাজে, সময়ে, চাইপ্ৰাচ গছ এজোপাৰ দৰে, মোৰ আত্মা, হৈ পৰে শোকৰ প্ৰতীক স্বৰূপ। যিকোনো মানুহৰ পক্ষে, ই সঁচাকৈয়ে গুৰু ভাৰ। সৰ্ব্বশ্ৰেষ্ঠ ক্ষমতা আৰু সৰ্ব্বশ্ৰেষ্ঠ গুণৰ ভাৰ বহন কৰা জানো, মুখৰ কথা?"

"মই অন্তৰেৰে সৈতে আপোনাৰ দুখত সহানুভূতি জনাইছো, চিজাৰ! এই সহানুভূতিৰ অংশীদাৰ, সসাগৰা পৃথিৱী। ভিনিকিয়াচৰতো কথাই নাই। তেওঁৰ অন্তৰাত্মাই আপোনাক পূজা কৰে।"

"হয়, তেওঁ মোৰ চিৰদিনে মৰমৰ পাত্ৰ।" নিৰ্জ্জনাৰে কলে, "যদিও তেওঁ খ্রিষ্টান দেৱীৰ সেৱক নহয়,—মার্চ দেৱতাৰহে সেৱক।"

"সকলোতকৈ তেওঁ এক্রোদাইটীৰহে সেৱক।" পেট্রোনিয়াচে যোগ দিলে। আচম্বিতে তেওঁৰ মনত খেলালে,—ভাণিনিয়েকৰ সমস্যাবোৰৰ অন্ত পেলোৱাৰ, এয়ে স্বৰ্ণ সুযোগ।

"ট্ৰয়লাচে ক্ৰেচিদাক যিমান ভাল পাইছিল, ভিনিকিয়াচেও এজনী ছোৱালীক সিমানে ভাল পায়।" তেওঁ জনালে, "হে প্রভু! আপুনি তেওঁক বোমলৈ উলটি যাবলৈ, অনুমতি দিয়ক; নহলে আমাৰ চকুৰ আগতে, তেওঁ শুকাই, খীনাই মৰি-যাব। আপুনি বোধকৰো নাজানে যে, লিজিয়ানবিলাকৰ যুদ্ধ চৰ্ত্তাধীন বন্দী যিজনী ছোৱালীক আপুনি তেওঁৰ হাতত দিছিল, তাইক আকৌ পোৱা গৈছে। বোম এৰি, ভিনিকিয়াচ এন্টিয়ামলৈ আহোঁতে, তাইক, কোনোবা লিনাচ নামৰ মানুহ এজনৰ তত্ত্বাৱধানত থৈ আহিছে। মই এই কথা, আপোনাক জনোৱা নাছিলো; কাৰণ, প্রার্থনা গীত ৰচনাত, আপুনি ব্যস্ত আছিল। আন যিকোনো কথাতকৈ, তাৰ গুৰুত্ব অধিক। ভিনিকিয়াচে তাইক, ৰক্ষিতা কৰিব খুজিছিল। কিন্তু লুক্ৰেচিয়াৰ দৰে ধাৰ্ম্মিকা বুলি তাই প্রমাণ দিয়াত, গুণ-মুগ্ধ ভিনিকিয়াচে, প্রেমত পৰি, তাইক বিয়া কৰাব খুজিছে। তাইৰ ৰাজকুলত জন্ম; গতিকে তাইক বিয়া কৰালে, ভিনিকিয়াচৰ সন্মান হানি নহয়। তেওঁ বীৰ যোদ্ধা। গতিকে নিজ সম্রাটৰ আদেশলৈ অপেক্ষা কৰি, তেওঁ দুখৰ হুমুনিয়াহ পেলাই দিন কটাইছে।"

"সম্রাটে যোদ্ধাসকলক পত্নী বাছি নিদিয়ে। মোৰ আজ্ঞা বিচৰাৰ প্রয়োজন কি তেওঁৰ?"

"হে প্রভু! এই কথা মই আগতে জনাইছো,—তেওঁ আপোনাৰ একান্ত ভক্ত।"

"তেন্তে মই এই বিয়াত মত দিছো। তাই বেচ ধুনীয়া,—মাত্র তাইৰ নিতম্বহে বৰ ক্ষীণ। এসময়ত অগষ্টা পপিয়াই মোক তাইৰ কথা লগাইছিল। ৰাজপ্রাসাদৰ বাগিচাত, আমাৰ সন্তানৰ ওপৰত, কিবা যাদু-মন্ত্র কৰিলে বুলি, তাইক দোষাৰোপ কৰা শুনিবলৈ পাইছিলো।"

"কিন্তু সেই সময়তে মই টাইগেলিনাচক বুজাই দিছিলো যে, কুমাৰী দেৱ-দেৱীক স্পর্শ কৰিব নোৱাৰে। টাইগেলিনাচে বিদ্রোপ কৰি, উত্তৰ দিছিল, 'এই কথা সত্য'। আপোনাৰ মনত নাই জানো?"

"হয়, মোৰ মনত পৰিছে।" ভিনিকিয়াচলৈ ঘূৰি চাই চিলাৱে সুধিলে, "পেট্ৰোনিয়াচে কোৱাৰ দৰে, তুমি তাইক ইমানেই বেছি ভাল পোৱানে?"

"হয় প্ৰভু।"

"তেন্তে তোমাক কাইলৈকে ঘোমলৈ যাবলৈ অনুমতি দিছো। তাইক বিয়া কৰোৱাগৈ। বিয়াৰ আঙঠি নিপিন্ধাইকৈ, তুমি যেন মোৰ আগত উপস্থিত নোহোৱা।"

"অন্তৰেৰে সৈতে আপোনাক মই ধন্যবাদ জনাইছো, প্ৰভু!"

"সুখী অৱস্থাটো নিশ্চয় অতি মধুৰ।" চিজাৰে কলে, "হায়! মইও যদি, এনেকৈ চিন্তাশূন্য হ'ব পাৰিলোহেঁতেন!"

"আপুনি আমাক আশীৰ্ব্বাদ কৰক! হে পবিত্ৰপ্ৰাণ!" পেট্ৰোনিয়াচে কলে, "আপোনাৰ ইচ্ছা, অগষ্টাৰ উপস্থিতিত প্ৰকাশ কৰক। এনে এজনী ছোৱালীক বিয়া কৰাবলৈ, ভিনিকিয়াচে কেতিয়াও সাহ নকৰে,—যাৰ ওপৰত, অগষ্টাৰ বেয়া ভাব আছে। কিন্তু প্ৰভু, আপুনি সকলো বাধা দূৰ কৰিব পাৰে,—ই আপোনাৰে আদেশ বুলি, যদি তেওঁক জনাই দিয়ে।"

"তোমাক বা ভিনিকিয়াচক, মই সকলো দিবলৈ প্ৰস্তুত।" চিজাৰে কলে।

তাৰ পাচত তেওঁ ৰাজ ভৱনৰ ভিতৰলৈ গল। কৃতকাৰ্য্যতাত উৎফুল্ল হৈ দুয়ো সম্ৰাটৰ পিচে, পিচে গৈ থাকিল।

এট্ৰিয়াম কক্ষত, তেওঁলোকে, টিউলিয়াচ্ চেনেচিও, আৰু যুৱক নাৰ্ভাক লগ পালে। অগষ্টাৰ মনোৰঞ্জন কৰি, দুয়ো নানান কথা পাতি আছিল। তাতে ৰহি, টাৰ্পনোচ্ আৰু ডিওডোৰাচে, চিথাৰে নামৰ তঁাৰ বাদ্যত সুৰ বান্ধিছিল। ভিতৰত সোমাই, চিজাৰ, মুক্তাজনক শামুকৰ খোলাৰে অলঙ্কৃত টুল এখনত বহিল, আৰু সৰু গ্ৰীক লৰা এটাক, কাণে, কাণে, কিবা কৈ পঠিয়াই দিলে।

অলপ সময়ৰ ভিতৰতে, সোণৰ টেমা এটা হাতত লৈ, লৰাটো উলটি আহিল। টেমাটোৰ পৰা, ডাঙৰ, ডাঙৰ, গোলত মণিৰ বহুমূলীয়া মালা এধাৰ উলিয়াই, চিজাৰে কলে, "এনে এটি নিশাতে, তিডিত পিন্ধাৰ উপযুক্ত এই ৰত্নহাৰ!"

"হয়, উষাৰ আগমনৰ পূৰ্ব্বাভাস দিয়া দ্যুতিৰে পূৰ্ণ এই ৰত্নমালা।" পপিয়াই যোগ দিলে,—এইয়া তেওঁৰ বাবেই অনা উপহাৰ বুলি, নিশ্চিত থাকঁালৈ।

এক মুহূর্ত্তমান চিলোৰে, গোলাপী ৰঙৰ পাথৰবোৰত, আলফুলকৈ হাত বুলালে। তাৰ পাচত, হঠাৎ তেওঁ ভিনিকিয়াচলৈ চাই কলে, "ভিনিকিয়াচ্ লিজিয়া দেশৰ ৰাজকুঁৱৰীক বিয়া কৰাবলৈ, মই তোমাক আদেশ দিলো। মোৰ নাম কৈ, এই বত্নমালা উপহাৰ দিবা তাইক।"

ক্ৰোধত অজ্ঞান হৈ, পপিয়াই কঠিন দৃষ্টিৰে, এবাৰ চিজাৰলৈ, আৰু এবাৰ ভিনিকিয়াচলৈ চালে; শেষত পেট্ৰোনিয়াচৰ ওপৰত, সেই দৃষ্টি নিবদ্ধ হল। পেট্ৰোনিয়াচে একোকে মন নকৰাৰ দৰে দেখুৱাই, অলপ আগলৈ হাউলি, বীণ এখনৰ গঠন ভঙ্গী পৰীক্ষা কৰি চোৱাৰ দৰে, হাত ফুৰাই চাবলৈ ধৰিলে।

বত্নৰ হাৰডালৰ বাবে, চিজাৰক কৃতজ্ঞতা জনাই, ভিনিকিয়াচ্, পেট্ৰোনিয়াচৰ ওচৰ চাপিল।

"আজি নিশা, তুমি মোৰ বাবে যি কৰিলা, তাৰ বাবে, কিদৰে তোমাক মই কৃতজ্ঞতা জনাম?" তেওঁ কলে।

"ইউটাৰ্পী দেৱীলৈ, এযোৰ ৰাজহাঁহ আগকৰি, চিজাৰৰ সঙ্গীতৰ প্ৰশংসাত পঞ্চমুখ হৈ, আৰু পূৰ্ব্বানুভৱক মনৰ পৰা আঁতৰাই,— কিদৰে জনাবা, বুজিলা নে এতিয়া? মই আশা কৰো, সিংহৰ গৰ্জ্জনে, তোমাৰ বা তোমাৰ লিজিয়া দেশৰ লিলি ফুল পাহিৰ, টোপনিত আৰু যেন কেতিয়াও ব্যাঘাত নজন্মায়।"

"নিশ্চয়!" ভিনিকিয়াচে কলে, "এতিয়াহে মই চিন্তাৰ হাত সাৰিলো।"

"তেন্তে ফৰচুনা দেৱী প্ৰসন্ন হওক, তোমাৰ ওপৰত। পিচে অলপ ৰোৱা। চিজাৰে আকৌ হাতত বীণা লৈছে। উশাহ বন্ধ কৰি, মনোযোগেৰে শুনা, আৰু বিমান পাৰা, অশ্ৰু নিজৰা, বোৱাই দিয়া।"

নিৰোৱে হাতত বীণা লৈ, থিয় দি, ওপৰলৈ চকু তুলি চাইছে। কোঠাটোৰ ভিতৰত এতিয়া, সকলো আলোচনা শেষ হল। পাথৰলৈ ৰূপান্তৰিত হোৱাৰ দৰে, শ্ৰোতাবৃন্দ স্তব্ধ হৈ ৰ'ল। চিজাৰৰ লগত, সঙ্গত কৰিবলৈ সাজু হোৱা, টাৰ্পনোচ্ আৰু ডিওডোৰাচে মুৰ জোকাৰি এবাৰ চিজাৰলৈ চালে, আৰু এবাৰ পৰস্পৰে ইঙ্গিতেৰে জনালে, গীতৰ প্ৰথম স্বৰত হাত দিয়াৰ সময় হৈছে।

এনেতে হঠাৎ বাহিৰৰ চোতালত কোলাহল, আৰু হুলস্থুল শুনা গল। সন্মুখৰ আঁৰ কাপোৰ আঁতৰাই দিয়াৰ পাচত, দুৱাৰ মুখত, সম্ৰাটৰ মুক্তদাস ফাওঁ উপস্থিত হ'ল। পিচে, পিচে লেকানিয়াচ্ নামৰ বিষয়া এজনো আহিল।

নিৰোৱে ভ্ৰূকুঞ্চিত কৰিলে।

"ক্ষমা কৰিব, হে স্বৰ্গৰ দেৱতা !" কাণৰে ফোঁপাই, ফোঁপাই কলে, "বোমত জুই লাগিছে। প্ৰায় গোটেই নগৰেই এতিয়া জুইত জাহ গৈছে।"

উপস্থিত আটাইবোৰ, জাপ মাৰি উঠিল। বীণখন থৈ, নিৰোৱে চিঞৰি কলে, "হে দেৱতাসকল ! তেন্তে অৱশেষত, মই জ্বলি থকা নগৰ এখন চাবলৈ পাম। মোৰ 'ট্ৰয়াদ' খনো এতিয়া শেষ কৰিব পাৰিম।"

তাৰ পাচত, বিষয়াজনৰ কাণে চাই কলে, "মই যদি তৎক্ষণাৎ এই ঠাই এৰি উলটি যাওঁ, ঠিক সময়ত গৈ, জুইৰ দৃশ্য দেখিবলৈ পাম নে ?"

"হে প্ৰভু," কাগজ এখিলাৰ দৰে শেতা পৰি উঠা বিষয়াজনে কলে, "নগৰখন এতিয়া জুইৰ সাগৰত পৰিণত হৈছে। ধোঁৱাৰ মাজত, নগৰবাসীৰ উশাহ বন্ধ হৈছে উশাহ লব নোৱাৰি, সিহঁত মাটিত বাগৰি পৰিছে; পতঙ্গৰ দৰে জুইত জাপ দিছে। ৰোম শেষ হৈ গল, হে প্ৰভু।"

নিস্তব্ধতা ভঙ্গ কৰি, ভিনিকিয়াচে আৰ্ত্তনাদ কৰি উঠিল, "হায় ! হায় ! হায় ! মোৰ কি দশা হ'ল !"

টোগাখন দলি মাৰি পেলাই, যুৱক উন্মাদৰ দৰে ৰাজ ভৱনৰ পৰা ওলাই গল।

নিৰোৱে মূৰৰ ওপৰলৈ দুই হাত তুলি চিঞৰিলে, "হায় ! হায় ! প্ৰায়েমৰ পবিত্ৰ নগৰীত পৰিণত হ'ল ৰোম !"

(দ্বিতীয় খণ্ড সমাপ্ত)

তৃতীয় খণ্ড

॥ ১ ॥

ভিনিঝিয়াচে ততাতৈয়াকৈ কেইটামান দাসক আগে, আগে, যাবলৈ কৈ, এন্টিয়ামৰ আন্ধাৰ পথেদি, লৰেন্টাম্ অভিমুখে, বিজুলী বেগেৰে ঘোঁৰা চেকুৰালে। ভয়ানক বাতৰিটোৱে তেওঁক একপ্ৰকাৰ উন্মাদ কৰি পেলাইছে। ঘোঁৰা চেকুৰাই গৈ থাকোঁতে, তেওঁৰ মনলৈ আহিল, দুৰ্ভাগ্যই তেওঁৰ পিচ লৈছে আৰু তেওঁৰ কাণে, কাণে, "ৰোমত জুই লাগিছে," বুলি চিঞৰি, চিঞৰি কৈ, ঘোঁৰাৰ গাত কোব মাৰি, ঘোঁৰাৰে সৈতে তেওঁক অগ্নিকুণ্ডৰ মাজলৈ, টানি নিবলৈ ধৰিছে। তেওঁ গৈয়েই থাকিল; তেওঁৰ উদং মূৰটো হাউলি গৈ, ঘোঁৰাৰ গলধনত লাগো, লাগো হল। তেওঁৰ গাত, মাত্ৰ এটা কুৰ্ত্তা, তেওঁৰ চকুৱে বাধা বিঘিনিলৈ আওকাণ কৰিলে, বা সন্মুখত কি আছে, তালৈ নাভাবি কেৱল গৈয়ে থাকিল।

তেওঁৰ ইদোমিয়ান্ ঘোঁৰাটো, কাড় এপাতৰ দৰে সোঁ, সোঁকৈ চেকুৰি যাবলৈ ধৰিলে। ঠাইয়ে ঠাইয়ে খুৰাৰ শব্দত কুকুৰবোৰ সাৰ পাই উঠি, ছাঁয়া মূৰ্ত্তি পাৰ হৈ যোৱা পথলৈ চাই, জোৰেৰে ভুকিবলৈ ধৰিলে। তাৰ পাচত সিহঁতে জোনটোলৈ চাই, চাই, বিকট চিঞৰ মাৰিলে। তেওঁৰ লগে, লগে অহা দাসহঁতৰ ঘোঁৰাবোৰ, কেতিয়াবাই পিচ পৰি গল। গতিকে সুপ্ত নগৰী, লৰেন্টামৰ মাজেদি, আৰ্দিয়া অভিমুখে তেওঁ অকলে গৈ থাকিল। এৰিচিয়া, বোভিলা আৰু উল্লিনাম্ নামৰ ঠাইত, ঘোঁৰা সলনি কৰাৰ ব্যৱস্থা আছিল। আৰ্দিয়াৰ সিপাৰে, উত্তৰ পূব আকাশত, উজ্জল ৰঙা পোহৰ এটা দেখা যেন লাগিল তেওঁৰ। সম্ভৱত: ই উষাৰ পূৰ্ব্বাভাস। কাৰণ, জুলাই মাহৰ নিশাৰ বহুতো সময়, নিশ্চয় কৰ নোৱাৰাকৈয়ে পাৰ হল। কিন্তু ভিনিকিয়াচে ক্ৰোধ আৰু হতাশাৰ চিঞৰ দমাব নোৱাৰিলে। তেওঁৰ অনুমান হল, এই পোহৰ দাবানলৰে প্ৰতিফলন। লেকানিয়াচে, 'নগৰখন জুইৰ সাগৰত পৰিণত হৈছে' বুলি কোৱা তেওঁৰ মনত পৰিল। মুহূৰ্ত্তৰ বাবে তেওঁৰ ভাব হল, তেওঁ সচাঁকৈয়ে পগলা হৈ যাব। লিজিয়াক বচোৱাৰ সকলো আশা,— আনকি ৰোম নগৰ পুৰি

ছাই হৈ যোৱাৰ পূৰ্ব্বে, নগৰৰ চুৰাৰ মুখ, দেখিবলৈ পোৱাৰ আশাও যেন, এতিয়া তেওঁৰ মনৰপৰা হেৰাই গল। তেওঁৰ ভাবৰোৰ, এজাক ক'লা অমঙ্গলীয়া চৰাইৰ দৰে আগে, আগে, উৰি গৈ থাকিল। নগৰৰ কোন অংশত জুই লাগিছে, তেওঁ নাজানে; তেওঁ ভাবি ললে, জুইকুৰা টাইবাৰৰ সিপাৰৰ অঞ্চলতে লাগিছে। কাৰণ, তাৰ ঘৰবোৰ, থেপা-থেপি, চোতালবোৰ কাঠৰ দ'মেৰে ভৰা, আৰু তাত থকা, দাস কিনা, বেচা কৰা ছালিবোৰৰ ভাগি পৰো, পৰো অৱস্থাত আছে।

ৰোমত অগ্নিকাণ্ড হোৱা, এটা সচৰাচৰ হৈ থকা ঘটনা। নানা দেশৰ মানুহৰ ভিৰ থকা ঠাইবোৰত, এনে সময়ত লুট-পাত আৰু হিংসাত্মক কাণ্ডও প্ৰায়ে চলে। নৈৰ সিপাৰে থকা চোহদবোৰ, এই মানুহবিলাকৰ প্ৰধান ঘাটি। হঠাৎ ভিনিকিয়াচৰ মনত পৰিল, উৰচাচলৈ,— তাৰ অসীম বাহুবললৈ। কিন্তু প্ৰকাণ্ড অগ্নিকাণ্ডৰ ধ্বংস লীলাৰ সন্মুখত, সি বা আন, যি কোনো মানুহে, বা দৈত্য এটাইও জানো, কিবা কৰিব পাৰিব? বহু বছৰ ধৰি, কিম্বদন্তি চলি আহিছে যে, সহস্ৰ, সহস্ৰ দাসে, স্পাৰ্টাকাচৰ দিন উলটি অহাৰ সপোন দেখিছে, আৰু সিহঁতক নিষ্পেষণ কৰা প্ৰভুসকলৰ বিৰুদ্ধে অস্ত্ৰ লবলৈ, সুযোগলৈ অপেক্ষা কৰি আছে। লগতে সিহঁতে, গোটেই নগৰ আক্ৰমণ কৰাৰ সুযোগ নোলোৱাকৈ নাথাকে। এতিয়া নিশ্চয় সেই সুযোগ আহি উপস্থিত হৈছে। তেন্তে হত্যাকাণ্ড আৰু গৃহযুদ্ধৰ দৃশ্যও, জুইৰ লেলিহান শিখাৰ মাজত দেখা নাযাবনে?

ভিনিকিয়াচৰ পুণৰ মনত পৰিল, — চিজাৰে নগৰ দাহ কৰা বিষয় লৈ, অদ্ভুত ভাবে বাদানুবাদ কৰা কথা। হয়, চিজাৰেই নিশ্চয় আদেশ দিছে, ৰোমত জুই দিবলৈ। তেওঁৰ বাহিৰে, আন কোনেও, ইমান পাপ কাম কৰিবলৈ সাহ নকৰে। সেইদৰে, টাইগেলিনাচৰ দৰে মানুহক হে, এনে কামত নিযুক্ত কৰিব পাৰি। যদি চিজাৰৰ আদেশতে, ৰোম পুৰি শেষ হবলৈ ধৰিছে, তেন্তে কোনে ভাটি কৰ পাৰিব যে, সেই একেটা আদেশতে, ৰজাৰ গাৰ্ড্ডী সৈন্যদলে, হাতত তৰোৱাল লৈ, জনতাৰ বিৰুদ্ধে যুঁজিবলৈ নোলাব বুলি? গৃহদাহ অপৰাধ, দাসৰ বিদ্ৰোহ, হত্যাকাণ্ড, কল্পনাতীত বিশৃঙ্খলা, উন্মত্ততা, আদি প্ৰতিটো ধ্বংসাত্মক পৈশাচিক ক্ৰিয়া অবাধে চলিব। এই আটাইবিলাকৰ মাজত লিজিয়া! তেওঁৰ লিজিয়া!

এবিচিয়া পাৰ্ব্বতীয়া পথৰ মাজেদি জন্তুটোৱে উৰ্দ্ধশ্বাসে দৌৰি গৈ থাকোঁতে, পৰিশ্ৰান্ত হৈ, ঘোঁৰাটোৱে ফেনেৰে গাঁতিত আগবাঢ়িল। ঘোঁৰাৰ মোমত, আঙুলি পকাই ধৰি, ধুঁৱা হৈ

বহি যোৱা, ভিনিকিয়াচে, খঙৰ কোবত, ঘোঁৰাৰ ডিঙিত কামোৰ মাৰি দিব খুজিলে। হঠাৎ তেওঁৰ দৰেই, মৰো-জীউ-সোঁআধিকৈ ঘোঁৰা চেকুৰাই যোৱা আন এজন অশ্বাৰোহী, ধুমুহাৰ দৰে তেওঁৰ কাষেদি পাৰ হৈ, চিঞৰ মাৰি কৈ গল, "ৰোম শেষ হল!" ছুটা ঘোঁৰাৰ খুৰাৰ ভয়ঙ্কৰ শব্দত বুজা নগল, মানুহজনে আৰু কি কলে। ভিনিকিয়াচে শুনিলে, আৰু এটা মাত্ৰ শব্দ,—"হে দেৱতা-সকল!" যি কি নহওঁক, এই শব্দটোৱে, তেওঁৰ চেতনা ঘূৰাই আনিলে। "দেৱতাসকল!" তেওঁ ওপৰলৈ মূৰ দাঙিলে। আকাশৰ ফালে দুই হাত তুলি, তেওঁ প্ৰাৰ্থনা জনালে:

"যি সকল দেৱতাৰ থান জুইত জাহ যাবলৈ ধৰিছে, তেওঁলোকৰ সহায় ভিক্ষা মই কৰা নাই। হে প্ৰভু! একমাত্ৰ তোমাৰ শৰণাগত মই। তুমি যন্ত্ৰণা ভোগ কৰিছিলা, একমাত্ৰ তুমিহে দয়াশীল,— একমাত্ৰ তুমিয়ে বুজা মানুহৰ বেদনাৰ স্বৰূপ। মৰতত তুমি অৱতীৰ্ণ হৈছিলা, দয়া ধৰ্ম্মৰ শিক্ষা দিবৰ কাৰণে। এতিয়া আমাৰ প্ৰতি কৃপা দৃষ্টি কৰা তুমি! পিটাৰ আৰু পলে, তোমাৰ স্বৰূপ যিদৰে ব্যক্ত কৰিছিল, তুমি যদি তেনেকুৱাই, তেন্তে তুমি মোৰ লিজিয়াক ৰক্ষা কৰা। তুমি তেওঁক কোলাত তুলি, জুইৰ বহু ওপৰলৈ দাঙি ধৰা। এই কাম তোমাৰ বাহিৰে কোনেও কৰিব নোৱাৰে। মাত্ৰ মোৰ এই প্ৰাৰ্থনা পূৰ্ণ কৰা; মোৰ গাৰ তেজেৰে তাৰ প্ৰতিদান দিম। মোৰ বাবে নকৰিলেও, তেওঁৰ বাবে কৰা এই কাম। তেওঁ তোমাক ভাল পায়,— তোমাৰ ওপৰতে তেওঁৰ সম্পূৰ্ণ ভৰসা। সঁচা, মৃত্যুৰ পাচতো, জীৱন আৰু সুখ আছে বুলি, তুমি প্ৰতিশ্ৰুতি দিছা। মৃত্যুৰ পাচতো, তেওঁ সুখৰ ৰাজ্যতে থাকিবলৈ পাব। কিন্তু এতিয়াই তেওঁ কিয় প্ৰাণ হেৰুৱাব? জীয়াই থাকিবলৈ দিয়া তেওঁক। তুমি ইচ্ছা কৰিলেই সকলো হয়!"

এইখিনিতে ভিনিকিয়াচ বৈ গল। তেওঁ অনুভৱ কৰিলে, —আদেশ দিয়াৰ নিচিনাকৈ, কথা কৈ, প্ৰভুৰ চৰণত, তেওঁ দোষহে লগাইছে। ঘোঁৰাৰ পিঠিত জোৰেৰে চাবুক মাৰি, অলপ দূৰ গৈ, তেওঁ দেখিলে, জোনৰ পোহৰত জিলিকি থকা, এৰিচিয়াৰ শুভ্ৰ প্ৰাচীৰ। ইয়াৰ পৰা ৰোমলৈ, সমানে আধা বাট আছে। ভয়ঙ্কৰ গতিৰে, তেওঁ মাৰ্কিউৰীৰ মন্দিৰৰ কাষৰ হাবিডৰা, পাৰ হৈ গল। নগৰখন তাৰ নিচেই কাষতে। পাৰ হৈ যাওঁতে, তেওঁ দেখিলে,— মন্দিৰত অস্বাভাবিক ধৰণে, মানুহৰ অহা যোৱা চলিছে। খবৰটো এই ঠাইৰ মানুহে,

পাইছে বুলি, তেওঁ বুজিলে। জোৰবাতিৰ পোহৰত, তেওঁ দেখিলে, দলে, দলে, মানুহবোৰ মন্দিৰ অভিমুখে যোৱা পথেৰে গৈ আছে। দেৱতাৰ আশ্ৰয়ত, নিৰাপত্তা লাভ কৰাৰ ইচ্ছা সকলোৰে। ৰাজপথেদি যোৱা দলটো, অশ্বাৰোহী-জনৰ অধীৰ, দুৰন্ত গতিৰ সন্মুখৰ পৰা নবালবিকৈ আঁতৰিল। কেউদিশে তেওঁ চিঞৰ শুনিলে, "ৰোমত জুই জ্বলিছে। গোটেই নগৰ জুইত জাহ গল। হে দেৱতাসকল! ৰক্ষা কৰা!"

ঘোঁৰা সজনি কৰা ব্যৱস্থা থকা চৰাইখানাৰ সন্মুখত, ভিনিকিয়াচে যেতিয়া লেকাম টানি, ঘোঁৰাটো ৰখালে, তেতিয়া সি, উজুতি খাই, পৰো, পৰো হৈ, কোনোমতে ৰৈ গল। আদেশ পালন কৰিবলৈ, দাসইত লৰি আহিল। কিন্তু বজাৰ গাৰক্ষী অশ্বাৰোহী সেনা কিছুমানক দেখিবলৈ পাই, ভিনিকিয়াচ নবালবিকৈ সিহঁতৰ কাষ চাপিল। সিহঁতে বাতৰি দিবলৈ, এন্টিয়ামৰ ফালে ঘোঁৰা চেকুৰাৰ বুলি তেওঁ বুজিব পাৰিলে। থৰথৰকৈ আহি তেওঁ সুধিলে, "নগৰৰ কোন ঠাইত জুই জ্বলিছে?"

"আপুনি কোন?" দহোটা সেনাৰ নায়ক এজনে ওলোটাই প্ৰশ্ন কৰিলে।

"ভিনিকিয়াচ, সেনা বিভাগৰ বিচাৰপতি আৰু এজন অগষ্টান। তোমাৰ জীৱনৰ মূল্য আছে বুলি যদি ভাবা তেন্তে, শীঘ্ৰে উত্তৰ দিয়া।"

"প্ৰভু! বৃহৎ এম্ফিথিয়েট্ৰৰ কাষৰ হালিবোৰতে, প্ৰথমে জুই লাগে। আমি তাৰপৰা অহাৰ সময়ত, জুইকুৰা বাঢ়ি গৈ, গৈ, নগৰৰ সোঁমাজ পাইছিল।"

"টাইবাৰৰ সিপাৰৰ ঠাই?"

"তালৈ জুইকুৰা বিয়পা নাই। কিন্তু ৰোমৰ নতুন নতুন-অঞ্চলত ক্ৰমান্বয়ে জুই লাগিবলৈ ধৰিছে। জুইৰ এই ভয়ানক গতি ৰোধ কৰিব পৰা নাই, কোনেও।"

এনে সময়তে, ভিনিকিয়াচৰ কাৰণে, এটা নতুন ঘোঁৰা অনা হল, আৰু তেওঁ ততালিকে উঠি ললে।

তেওঁৰ যাত্ৰা এতিয়া আৰম্ভ হৰ, আলবানাম অভিমুখে। আল্‌বালঙ্গা আৰু তাৰ মনোৰম হ্ৰদটো, গৈ থাকোঁতে তেওঁৰ সোঁ ফালে পৰিব। এৰিচিয়া পাৰ হোৱাৰ পাচত, বাটটো ক্ৰমে, থিয় হৈ, ওপৰলৈ উঠি গৈছে কাৰণে, দিগন্ত ৰেখা ঢাক খাইছে। কিন্তু ভিনিকিয়াচে জানে, বাটটোৰ সৰ্ব্বোচ্চ অংশত উপস্থিত হলে, তেওঁ বোভিলা আৰু এল্বানাম, আৰু লগতে ৰোমখনো দেখিবলৈ

পাৰ। বোম্ভিলা আৰু অগ্নিনামত, তেওঁ পুণৰ ঘোঁৰা মলাব। বাটটোৰ সৰ্ব্বোচ্চ অংশৰ পিচফালে থকা, আলবানাৰ্ নামৰ ঠাইখনৰ ভলেদি যোৱা, এশিয়ান পথৰ দুয়ো কাষে, সুবিস্তৃত কেম্পানিয়া সমতল ভূমি।

"সেইখিনি ঠাইৰপৰা, মই জুইকুৰা চাই, চাই, গৈ থাকিব পাৰিম।" ঘোঁৰাৰ গাত চাবুক মাৰি, তেওঁ আপোন মনে কলে।

আটাইতকৈ ওখ ঠাইখিনি পোৱাৰ আগতেই তেওঁৰ মুখৰ ওপৰত, বতাহৰ বা লাগিবলৈ ধৰিলে আৰু নাকত ধোঁৱাৰ গোন্ধ লাগিল। থিয় বাটটোৰ মূৰত, জুইৰ ক্ষীণ পোহৰো দেখা গল।

"সেয়া জুইৰ পোহৰ।" তেওঁ মুখৰ ভিতৰতে কলে।

লাহে, লাহে, নিশা শেষ হৈ, উষাৰ আবিৰ্ভাব হল; চাৰিও কাষৰ পাহাৰ-বোৰত, গোলাপী আৰু সোণালী আভা বিয়পি পৰিল। লাহে, লাহে, সূৰ্য্যো-দয় হল। এই আভা, জুইৰে প্ৰতিফলন বুলি ভুল হোৱাও অসম্ভৱ নহয়। ভিনিকিয়াচে, গাৰ সকলো শক্তিৰে, বাটটোৰ সৰ্ব্বোচ্চ অংশলৈ উঠিবলৈ ধৰিলে। সেই ঠাইত উপস্থিত হৈ, তেওঁ এনে এটা দৃশ্য দেখিবলৈ পালে,—গোটেই উপত্যকা, ধোঁৱাৰে ঢাক খাই পৰিছে। নগৰসমূহ, গড়খাবৈ, ঘৰ, গছ গছনি, আদি সকলো, চিতাৰ ধোঁৱাৰ মাজত, অদৃশ্য হৈ পৰিছে। এই ধূসৰ আচ্ছা-দনৰ, বহুদূৰৰ এটা মূৰত, সাভোটা পাহাৰৰ ওপৰত অৱস্থিত, নগৰখন জুইয়ে দংশি নিছে।

কিন্তু জুইকুৰা জন্তুৰ দৰে ওখ হৈ, ওপৰলৈ উঠা নাই। অকলশৰীয়াকৈ, ওঁতৰত থকা অট্টালিকাত জুই লাগিলে, যেনেকুৱা দেখা যায়, তেনেকুৱা নহয়। জুইকুৰা বহল আৰু দীঘলীয়া হৈ বিয়পি পৰিছে। তাৰ ওপৰত ধূম্ৰ-কুণ্ডলী ঘন হৈ, অত্যুচ্চ প্ৰাচীৰৰ আকাৰ লৈছে। ধোঁৱাবোৰ, মাজে, মাজে বগচুৱা আৰু মাজে, মাজে, ক'লা হৈ, কুণ্ডলীকৃত ঘন বাষ্পৰ ঢৌ তুলি, ওপৰলৈ উঠি গৈ আছে। মাজে, মাজে, এই প্ৰকাণ্ড ধোঁৱাৰ প্ৰাচীৰে, জুইকুৰা কিছু পৰিমাণে, ঢাকি ধৰি, তাক এডাল দীঘলীয়া ফিটাৰ ৰূপ দিছে। তাৰ পাচত, এই ধূসৰ আৱৰণৰ নিম্নাংশ, প্ৰজ্বলিত হৈ, তাৰ ঘনীভূত স্তৰবোৰ জলন্ত সমুদ্ৰ তৰঙ্গত পৰিণত কৰিছে। জুইৰ সুদূৰ বিস্তৃত ৰেখা, আৰু ধোঁৱাৰ প্ৰাচীৰে, এপাৰী হাবিৰ দৰে দিগন্ত ঢাকি পেলাইছে। পশ্চিমে জেনাইন্ পাহাৰ শ্ৰেণী অদৃশ্য হৈ গৈছে।

প্ৰথমে এই দৃশ্য যেতিয়া চকুত পৰিল, তেতিয়া ভিনিকিয়াচৰ মনত উদয় হ'ল,— কেৱল ৰোমেই নহয়, গোটেই বিশ্ব, অগ্নিগৰ্ভত লীন হৈছে। এই ধোঁৱা আৰু অগ্নি সমুদ্ৰৰ গ্ৰাসৰ পৰা, কোনো জীৱিত প্ৰাণী ৰক্ষা পাব নোৱাৰে। প্ৰতি মুহূৰ্ত্তত, নগৰৰ পৰা বৈ অহা বতাহৰ গতি তীব্ৰ হৈ উঠিছে, আৰু অবিৰাম চলিছে, ছাইৰ বৰ্ষণ। এতিয়া তালৈকে ৰাতি পুৱাইছে। আলবানাচ্ হ্ৰদৰ পাৰত থকা, পাহাৰ শ্ৰেণীৰ ওপৰত, বেলিটো দেখা গৈছে। পুৱাৰ ৰশ্মিৰ উজ্জলতা, জলন্ত নগৰীৰ পৰা অহা ঘন বাষ্প পুঞ্জই, ম্লান কৰি তুলিছে। আল্‌বানামৰ ফালে নামি গৈ থাকোঁতে, ক্ৰমে উগ্ৰ হৈ অহা ধোঁৱাৰ জালে, ভিনিকিয়াচৰ নাকত জনজনাই ধৰিলে। আল্‌বানামৰ সকলো বাসিন্দা, এতিয়া ৰাজপথলৈ ওলাই আহিছে। আতংকত শিঁয়ৰি উঠি, আটায়ে মাত্ৰ এটা কথাকে চিন্তা কৰিছে,—ৰোমৰ অৱস্থা কি হৈছে? এই ঠাইতো উশাহ লোৱা কঠিন হৈ উঠিছে।

ভিনিকিয়াচে বাস্তৱ অৱস্থাৰ মাজলৈ মনটো টানি আনি, ভাবিলে,—নগৰ-খনৰ প্ৰাচিৰটো চুকলৈ, জুই বিয়পিব নোৱাৰে। ই অসম্ভৱ। উত্তৰৰ পৰা বতাহ বোৱাৰ কাৰণে, ধোঁৱা এইফালে আহিছে। নগৰৰ বহুদূৰৰ, টাইবাৰৰ সিপাৰলৈ, হয়তো জুইকুৰা যোৱা নাই। কাৰণ মাজত, নৈখন আছে। জেনি-কিউলিন্ প্ৰৱেশদ্বাৰ পাৰ হলেই বিপদ নাই। সকলো নাগৰিক জুইত পুৰি মৰাটো সম্ভৱ নহয়। মুক্ত নগৰ এখন জয় কৰাৰ পাচত, যেতিয়া নৰহত্যা, আৰু অগ্নিকাণ্ড সমানে চলে, তেতিয়াও, নাগৰিকৰ ভিতৰত কিছুমান সদায় সাৰি যায়। তেন্তে লিজিয়াৰ মৃত্যু হ'ল বুলি কিয় ধৰি লম? তদুপৰি, মৃত্যুঞ্জয়ী ভগৱানে তেওঁক ৰক্ষা কৰি আছে। পুণৰ তেওঁ খৃষ্টৰ চৰণত, মিনতি জনাই, প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। আগৰ অভ্যাস অনুসৰি, তেওঁ খৃষ্টৰ নামত বলি উচৰ্গা কৰিবলৈ সঙ্কল্প কৰিলে।

আল্‌বানামৰ প্ৰায় সকলো মানুহে, গছৰ ওপৰত, বা ঘৰৰ মূধচত উঠি, জুই চাইছে। ঠাইখন পাৰ হৈ যোৱাৰ পাচত, ভিনিকিয়াচৰ মনৰ অৱস্থা স্থিৰ হৈ আহিল। লিনাচ আৰু ধৰ্ম্মাচাৰ্য্য পিটাৰেও, লিজিয়াৰ লগত আছিল,—লগত ঈশ্বৰতো আছেই। পিটাৰে তেওঁৰ প্ৰেমক আশীৰ্ব্বাদ কৰি, প্ৰেমৰ প্ৰতীক তেওঁৰ হাতত সমৰ্পণ কৰিবলৈ সন্মত হোৱাৰ পাচত, তেওঁ অভিভূত হৈ, [illegible] লগাইছে। [illegible] সম্পূৰ্ণ অনিদ্ৰাৰ পাচত, [illegible]

মন লৈ, ভয়ঙ্কৰ গতিৰে, অশ্বচালনা কৰি, ভিনিকিয়াচৰ চিন্তা শক্তি লোপ হৈছিল ; তেওঁ যি কোনো ঘটনা ঘটিব পাৰে বুলি ধৰি লৈছিল। এতিয়া মন স্থিৰ কৰি, তেওঁ ভাবিলে, পিটাৰে ক্ৰচ চিন আঁকি, মন্ত্ৰ মাতি জুইকুৰা, খাঁতৰাই পঠিয়াব, আৰু সঙ্গীবৃন্দৰে সৈতে, জুইৰ তুখন বেৰৰ মাজেদি, তেওঁ নিৰ্ব্বিঘ্নে খোজ কাঢ়ি গুচি যাব। তদুপৰি পিটাৰে ভৱিষ্যতৰ কথা কব পাৰে। এই দুৰ্ঘটনাৰ বিষয়ে, তেওঁ আগতে জানে বুলি নিঃসন্দেহে কব পাৰি। খৃষ্টিয়ান সকলক, আৰু লগতে লিজিয়াকো নগৰৰ বাহিৰলৈ নিবলৈ, তেওঁ নিশ্চয় আগ-জাননী পাইছে। লিজিয়াক তেওঁ নিজৰ ছোৱালীৰ দৰে ভাল পায়। প্ৰতি মূহূৰ্ত্তে, ভিনিকিয়াচৰ মনৰ আশা বাঢ়ি গল। তেওঁলোক যদি পলাই আহিছে, তেন্তে বোভিলাতে তেওঁলোকক লগ পাব পাৰে, নহলে বাটত ক'ৰবাত লগ পাব। এতিয়া কেম্পানিয়া সমতল ভূমিৰ ওপৰেদি, ধোৱাঁবোৰ ক্ৰমে ডাঠ হৈ, বিয়পি পৰিছে। লিজিয়াৰ মৰম লগা মুখখনে, তেওঁক ধোৱাঁৰ মাজৰপৰা, চাই থকা যেন লাগিল। গৈ থাকোঁতে বাটত, নগৰৰপৰা আলবান পাহাৰ অভিমূখে আহি থকা মানুহবোৰ দেখি, তেওঁৰ মনৰ আশা, পূৰ্ণ হোৱাৰ সম্ভাৱনা দৃঢ়তৰ হল। এই মানুহবোৰে, জুইৰ কবলৰপৰা ৰক্ষা পোৱাৰ পাচত, ধোৱাঁৰ পৰা সাৰিবৰ মনেৰে, পাহাৰৰ ফালে গৈ আছে। প্ৰকৃত পক্ষে, অগ্নিনাম পোৱাৰ আগতেই তেওঁ ঘোঁৰাৰ গতি লেহেম কৰিব লগা হৈছিল,—পথটো ক্ৰমান্বয়ে জন বহুল হৈ অহাৰ কাৰণে। ঘৰৰ বস্তু বাহানি পিঠিত বোজা বান্ধি লৈ অহা, পথিকৰ বাহিৰেও, কিছুমান মালবাহী ঘোঁৰা, আৰু গাধও তেওঁ দেখিবলৈ পালে। ৰথ আৰু দোলা কিছুমানো আহি আছিল। অগ্নিনামত, বাস্তুহাৰা লোকৰ ভিৰ ইমান বেচি যে, বাটেদি সহজে আগবঢ়া, টান হৈ আহিল। নগৰৰ প্ৰধান চাৰি আলিত, পদ পথবোৰত, মন্দিৰৰ স্তম্ভবোৰৰ তলত, অসংখ্য মানুহৰ ভিৰ। অ'ত ত'ত কিছুমানে, তম্বু তৰি, নিজ পৰিয়ালক আশ্ৰয় দিছে। কিন্তু সৰহ ভাগেই, মুকলি ঠাইত গোট খাইছে। সিহঁতে মাজে, মাজে, হিয়া ঢাকুৰি কান্দিছে, মাজে, মাজে, দেৱতাসকলৰ সহায় মাগিছে, আৰু নিজৰ অদৃষ্টক শাও দিছে। এনে হাঁহাকাৰৰ মাজত, সংবাদ আহৰণ কৰা টান বিষয়। ভিনিকিয়াচৰ প্ৰশ্নৰ উত্তৰত, কিছুমানে একো নকলে, আৰু কিছুমানে ভয়ানক আতঙ্কৰ চাৱনিৰে তেওঁলৈ চাই, হুঙ্কাৰ দি উঠিল, "নগৰ নিশ্চয় ধ্বংস হ'ব, আৰু লগতে পৃথিবীখনো।" মুহূৰ্ত্তে, মুহূৰ্ত্তে আহি থকা, নাৰী, পুৰুষ আৰু শিশুৰ

নতুন, নতুন দলবোৰে, বিশৃংখলা আৰু হুলস্থূল বঢ়াই তুলিলে। তিৰৰ মাজত হেৰাই যোৱা, নতুন যাত্ৰী কিছুমানে, নগৰীয়াবোৰক বিচাৰি হতাশ হৈ, চিঞৰিবলৈ ধৰিলে। কিছুমানে মুৰ গুজিবলৈ ঠাই বিচাৰি, নিজৰ তিতৰতে হতাহতি যুঁজ আৰম্ভ কৰিলে। চহা, গৰখীয়া, আৰু অৰ্দ্ধ সভ্য খেতিয়কদলে, খবৰ আনিবৰ বাবে, অথবা লুটপাত কৰাৰ উদ্দেশ্যে, নগৰলৈ খাপলি মেলিলে। বিশৃঙ্খল অৱস্থা এটা, চুৰি, ডকাইতিৰ বাবে, সদায় সুবিধাজনক। দাস-বিলাকেও মাল যুঁজাকৰ লগ লাগি, মানুহৰ ঘৰ ভাঙি, সোমাই, লুটপাত আৰম্ভ কৰিলে। গৃহস্থক ৰক্ষা কৰিবলৈ, লৰ মাৰি অহা, সেনাবোৰৰ লগত সিঁহতে যুঁজিবলৈ ধৰিলে। বেটেভিয়ান্ দাসেৰে পৰিবেষ্টিত হৈ অহা, জুনিয়াচ্ নামৰ চিনেটৰ সদস্য এজনৰপৰা, ভিনিকিয়াচে অগ্নিকাণ্ডৰ ইতিবৃত্ত প্ৰথমবাৰলৈ ভালদৰে শুনিলে। মানুহজনক এটা চৰাইখানাৰ ওচৰত তেওঁ লগ পাইছিল। বৃহৎ এম্ফিথিয়েটাৰৰ কাষতে, প্ৰথমে জুই লাগিছিল,—ৰাজপ্ৰাসাদ আৰু চিলিয়ান্ পাহাৰৰ কাষৰ ঠাইত। সেই ঠাইৰপৰা, জুইকুৰা অদ্ভুত ক্ষিপ্ৰতাৰে বিস্তাৰিত হৈছিল, আৰু অৱশেষত, নগৰৰ মাজভাগৰ গোটেইখিনি ঠাই, গ্ৰাস কৰি লৈছিল। ব্ৰেন্নাচৰ দিন পাৰ হোৱাৰ পাচত, এনে ভয়ঙ্কৰ দুৰ্যোগ, ৰোমত কেতিয়াও ঘটা নাই।

"খেল মাটি গোটেইখন পুৰি ছাই হ'ল।" জুনিয়াচে কলে, "তাৰ চাৰিও-কালে থকা, দোকান আৰু মানুহৰ ঘৰবিলাকো শেষ হল। এভেনটাইন্ আৰু চিলিয়ান্ পাহাৰত থকা ঘৰবোৰতো জুই লাগিছে। পেলেটাইন্ পাহাৰৰ চাৰিওফালে বিয়পি গৈ, জুই এতিয়ামানে কেৰিণি পাইছেগৈ।"

এই ঠাইতে, কিছুদিনৰ আগতে, জুনিয়াচে নানা ৰকমৰ শিল্প সামগ্ৰীৰে ভৰা, এটা অতি মনোৰম বিলাস ভৱন লাভ কৰি, পৰম আনন্দ পাইছিল। এমুঠি ধূলি হাতত লৈ, নিজৰ মূৰত ছটিয়াই, তেওঁ আৰ্ত্তনাদ কৰি উঠিল।

ভিনিকিয়াচে তেওঁক, কান্ধত ধৰি জোকাৰি দিলে।

"মোৰ প্ৰমোদ ভৱনো, কেৰিণিৰ কাষতে।" তেওঁ কলে," যি হেতু সকলো জাহ গৈছে, সেই কুঞ্জভৱনো লগতে জাহ যাওক।"

তাৰ পাচত, তেওঁৰ উপদেশ অনুসৰি, লিজিয়া অলাচৰ অষ্ট্ৰালিকালৈ গল বুলি ভাবি তেওঁ জুনিয়াচক সুধিলে, "আইকাচ্ পেট্ৰিচিয়াচৰ অৱস্থা কেনে?"

"তাতো জুই লাগিছে।" ইজনে কলে।

"টাইবামৰ সিপাৰে একা ?"

জুনিয়াচে আচৰিত হৈ চালে। "তাৰ কথা কিয় লাগে ?" তেওঁ ওলোটাই সুধিলে।

"কাৰণ মোমৰ সকলো ঠাইতকৈ এই ঠাই, মোৰ বাবে বেচি মূল্যবান।" ভিনিকিয়াচৰ কণ্ঠত অস্থিৰ উন্মাদনা।

"তেন্তে আপুনি, সেই ঠাই পাবলৈ হলে, তায়া পৰ্টুওচা পথেদি হে যাব লাগিব। নহলে, এভেন্‌টাইনৰ চাৰিওফালে জলি থকা জুইয়ে উশাহ বন্ধ কৰি দিব। টাইবাৰৰ সিপাৰে কি হৈছে, মই কব নোৱাৰো ; কিন্তু মই গুচি অহাৰ সময়ত, জুই তালৈ বিয়পা নাছিল বুলি ভাবো। বৰ্ত্তমান তাত জুই লাগিছেনে নাই, দেৱতাসকলেহে জানে।"

কেই মুহূৰ্ত্তমান ইতস্ততঃ কৰি, জুনিয়াচে অৱশেষত সত্য কথা প্ৰকাশ কৰিবলৈ থিৰ কৰি, সৰু মাতেৰে কবলৈ ধৰিলে,

"মই জানো, আপুনি বিশ্বাসঘাতকতা নকৰে। গতিকে মই আপোনাক জনাই থওঁ যে,—এই অগ্নিকাণ্ড সাধাৰণ ঘটনা নহয়। খেল মাচিত প্ৰথমে জুই লাগোতে, সহায় কৰিবলৈ, কাকো যাবলৈ দিয়া হোৱা নাছিল, আৰু যেতিয়া তাৰ চাৰিওফালৰ দালানবোৰতো জুই লাগিছিল, তেতিয়া হেজাৰ কণ্ঠৰ চিৎকাৰ মই নিজকাণে, শুনিবলৈ পাইছিলো : যি মানুহে জুই নুমুৱাব, তাক বধ কৰা হব। তদুপৰি কিছুমান মানুহে, নগৰৰ মাজেদি লৰি গৈ, জোৰ বাতি জ্বলিয়াই-ছিল, ঘৰৰ ভিতৰলৈ। মানুহবোৰেও বিদ্ৰোহৰ ভাবত চিঞৰি কৈছিল যে, নগৰখনত পৰিকল্পিতভাবে জুই দিয়া হৈছে। ইয়াতকৈ বেচি আৰু কব নোৱাৰো। নগৰখনৰ আৰু আমাৰ আটাইৰে, পোৰা কপাল! হায়! হায়! সৰ্গৰৰ চাৰি-ফেৰৰ মাজত কি ঘটিছে; তাক মানুহৰ ভাষাৰে প্ৰকাশ কৰা নাযায়। নগৰ-বাসীয়ে, হয় অগ্নিকুণ্ডত প্ৰাণ হেৰুৱাইছে, নহয়, ছলস্থূলৰ মাজত, হেঁচাৰে, নিচেৰ ভিৰি কাটিছে—।"

পুণৰ তেওঁ, হাহাকাৰ কৰি, চিঞৰি উঠিল। ভিনিকিয়াচে পুণৰ এপিয়ান্ পথেদি, ঘোঁৰা চেকুৰাই দিলে।

অলপ পৈতা এটাই, নগৰৰ চিন নাইকিয়া কৰিছে। উত্তাপ অসহ হৈ উঠিছে, নহয় জনতাৰ গৰ্জনেও, জুইৰ গৰ্জ্জন তল পেলাব পৰা নাই—।"

ৰোমত উপস্থিত হোৱাটো যেনে কষ্টকৰ, তাত প্ৰৱেশ কৰাটো ততোধিক কষ্টকৰ। সেইবাবে, অৱস্থাটো ভালদৰে বুজি লবৰ কাৰণে, তিনিকিয়াচ কিছু সময় ৰৈ থাকিল। এপিয়ান্ পথৰ দুয়োকাষৰ ঘৰ, পথাৰ, বাগিচা আদি সকলোতে মানুহবোৰে শিবিৰ পাতি আছে। বাটৰ কাষত থকা, মাৰ্চ দেৱতাৰ মন্দিৰত, মানুহে নিশা বলপূৰ্ব্বক সোমাই আশ্ৰয় লব খুজিছিল। সমাধি ক্ষেত্ৰত সোমাই, মানুহবোৰে ডাঙৰ সমাধি মন্দিৰবোৰত ঠাই লবলৈ, বলিয়াৰ দৰে যুঁজিছে। ৰাজ্যৰ প্ৰাচীৰৰ তলত এতিয়া, যি দৃশ্য আৰু কাণ্ড-কাৰখানা চলিবলৈ, ধৰিছে, তাৰ তুলনাত, অগ্নিনামৰ বিশৃঙ্খলা আৰু উন্মত্ততা, যেন একোৱেই নহয়।

এতিয়া সকলো একাকাৰ হৈ পৰিছে,—আইনজ্ঞৰ গাম্ভীৰ্য্য, ৰাজবিষয়াৰ কৰ্ত্তৃত্ব, পৰিয়ালৰ বান্ধোন, উচ্চ, নীচ, ভেদা-ভেদ আদি কোনো কথা, এতিয়া কৰ্ত্তব্যৰ বিষয় নহয়। দাসবোৰে, স্বাধীন নাগৰিকক লাঠিৰে কোবাইছে। ৰাষ্ট্ৰীয় বিপণিৰ পৰা মদ চুৰ কৰি খাই, মাতলামি কৰা মাল যুঁজাৰু জাকে, অলি গলিবোৰত সোমাই, আতঙ্কৰ সৃষ্টি কৰিছে,—উচ্চ বংশৰ মানুহক আক্ৰমণ, আৰু লুটপাত কৰি। দাস বেচা ছালিবোৰলৈ, বিক্ৰীৰ বাবে আনি থোৱা, বৰ্ব্বৰ জাতিৰ দাস কিছুমান, পলাই গুচি গৈছে। সিহঁতৰ বাবে, নগৰত অগ্নিকাণ্ড ঘটাৰ অৰ্থ হল, দাসত্বৰ শেষ, আৰু প্ৰতিহিংসাৰ আৰম্ভণি। নাগৰিক সকলৰ ভিতৰত থকা কিছুমান সন্মানিত ব্যক্তিয়ে যেতিয়া, হতাশাৰে ওপৰলৈ হাত দাঙি, দেৱতাৰ সহায় ভিক্ষা কৰিলে, তেতিয়া, পলাই অহা এই বৰ্ব্বৰহঁতে, পুৰুষসকলক লুট-পাত আৰু নাৰীসকলক উৎপীড়ন কৰিবলৈ ধৰিলে। গোলামী, খাটি কাল কটোৱা, দাসহঁতৰ একাংশও, ইহঁতৰ লগ লাগিল। এই হতভাগা-হঁতৰ গাত, এডোখৰ লেঙুটিৰ বাহিৰে, একো নাই। ইহঁতক দিনৰ ভাগত আলিবাটত দেখাই নগৈছিল। ৰোমত ইহঁতৰ অস্তিত্বৰ কথা, কোনেও নাজানেই বুলি কব পাৰি। এচিয়া, আফ্ৰিকা, গ্ৰীচ, থ্ৰেচিয়া, জাৰ্মানি, আৰু বৃটেইনৰ পৰা অহা, এই দলটোৱে, বহুকালৰ দাসত্বৰ যন্ত্ৰণাৰ প্ৰতিশোধ লবলৈ, গুলাই আহি পৃথিৱীৰ সকলো কথিত ভাষাৰ মাধ্যমেৰে, ক্ৰোধৰ উন্মত্ততা প্ৰকাশ কৰিলে। তিনিকিয়াচে, অস্ত্ৰ শক্তিৰে নগৰ অধিকাৰ কৰা দৃশ্য, বহুতো দেখিছে।

কিন্তু, এই হতাশাপূৰ্ণ উচ্ছৃংখলতা, পাশবিক আনন্দ, বিভ্ৰম, প্ৰলাপ, আৰু লম্প-টালিৰ লগত, একোৰে তুলনা নাই। এনে এটা অৱস্থাৰ মাজতে, সাতোটা শৈল শিখৰত অৱস্থিত,—পৃথিৱীৰ অধিশ্বৰী ৰোম নগৰী অগ্নি-দগ্ধ হবলৈ ধৰিছে।

যুৱক বিচাৰপতিজন, এপিয়ান্ প্ৰৱেশ দুৱাৰলৈকে কোনোমতে আগুৱাই গল। কিন্তু সেইখিনি পায়েই বুজিলে যে, গোটা কাপেনাইদি, নগৰৰ ভিতৰত সোমোৱা অসম্ভৱ; কাৰণ, তাত যে অকল, জনতাৰে ভিৰ বেচি, এনে নহয়, দাবানলৰ লেলিহান জিভাইও, এই প্ৰৱেশ দুৱাৰৰ পিচফাললৈকে, বায়ুমণ্ডল স্পৰ্শ কৰিছে। তদুপৰি, টাইবাৰ নদীৰ ইটো পাৰ পাবলৈ হলে, তেওঁ পন্‌চ্‌চুৰ্‌লিচিয়াচৰ ফালে যাব লাগিব, তাৰমানে, এভেন্‌টাইন্ পাহাৰ পাৰ হব লাগিব। সি এতিয়া অগ্নিকুণ্ডত বুৰ গৈ আছে। মুঠতে সেই দিশে যোৱাৰ প্ৰশ্নই নুঠে।

এনে অৱস্থাত, ভিনিকিয়াচৰ, অহিনামলৈ যোৱা পথেদি উলটি যোৱাৰ বাহিৰে, আন উপায় নাই। তাৰ পাচত তেওঁ, এপিয়ান্ পথ ত্যাগ কৰি, নগৰৰ নিম্নাংশইদি নৈখন পাৰ হৈ, ভায়া পর্টুওচা পথ পাবগৈ লাগিব। এই পথেদি গোনে, গোনে গলে, সিপাৰৰ কুটীৰত সোমাবগৈ পাৰিব। কিন্তু এই কামো, সিমান উজু নহয়। কাৰণ, এপিয়ান্ পথত বিশৃঙ্খলাৰ পৰাক্ৰম বাঢ়ি যাবলৈ ধৰিছে। জনতাৰ প্ৰকাণ্ড ভিৰৰ মাজেদি, হাতত তৰোৱাল লৈ, আগবাঢ়িব লাগিব। কিন্তু তেওঁৰ হাতত, কোনো প্ৰকাৰৰ অস্ত্ৰ নাই এতিয়া। মাৰ্কিউৰীৰ মন্দিৰৰ নিজৰাৰ কাষতে, তেওঁ সেনাধ্যক্ষ এজনক দেখি, চিনি পালে। আৰক্ষী সেনা কিছুমানৰ দলপতি হৈ, সেনাধ্যক্ষজনে, মন্দিৰৰ চৌহদৰ প্ৰৱেশ দ্বাৰ পহৰা দি আছিল। ভিনিকিয়াচে এই মানুহজনক, তেওঁৰ লগে, লগে, যাবলৈ আদেশ দিলে। সেনা বিভাগৰ বিচাৰপতি, আৰু অগষ্টান একনৰ আদেশ অমান্য কৰিবলৈ, তেওঁ সাহ নকৰিলে। ভিনিকিয়াচে সেনা পৰিচালনা কৰি, ভিৰ ফালি, ভয়ঙ্কৰ গতিৰে আগবাঢ়িল। ওচৰ চুবুৰীয়াক মৰমৰ চকুৰে চাবলৈ, পলে কোৱা কথা পাহৰি, মানুহৰ মাজেদি তেওঁ, ইমান জোৰেৰে আগবাঢ়িল যে, যিবোৰ মানুহ এনে এটা অৱস্থাৰ বাবে সাজু নাছিল, তেওঁলোক বাটৰ পৰা উফৰি গল। তেওঁৰ মূৰত, পিচফালৰ পৰা শিলগুটি, আৰু লগতে, গালি শপনি বৰ্ষণ হল। কিন্তু এইবোৰলৈ তেওঁ ভ্ৰূক্ষেপ নকৰিলে। এই সময়ত তেওঁৰ একমাত্ৰ চিন্তা হ'ল, অলপ আহল বহল ঠাই এডোখৰ কিদৰে পাব

পাৰি। কিন্তু যিমানদূৰ চেষ্টা কৰা সম্ভৱপৰ, সিমানলৈকে চেষ্টা কৰিছে, আগ বাঢ়িব পৰা গল। যিবিলাকে আলিবাটতে শিবিৰ পাতিবলৈ ধৰিছিল, তেওঁলোকে বাট এৰি দিব নুখুজিলে। চিজাৰ আৰু তেওঁৰ গাৰ্ব্বী সেনাক, সিহঁতে অতি বেয়াকৈ, শাও শপনি দিবলৈ ধৰিলে। কোনো, কোনো সময়ত, জনতা ভয়ঙ্কৰ ভাৱে নিষ্ঠুৰ, আৰু হিংস্ৰ হৈ পৰিল। কিছুমানে চৈঁচুকালি চিঞৰি, বক্তৃতা দিবলৈ ধৰিলে,—চিজাৰক গৃহদাহ অপৰাধত দোষী সাব্যস্ত কৰিলে, ৰোমান বিলাকৰ ধৈৰ্য্যৰ কথা কৈ লাগ বান্ধ নোহোৱাকৈ বকিলে, আৰু আটাইবোৰকে অকামিলা খোদ বুলি চিঞৰি কৈ, নিৰো আৰু পপিয়াক টাইবাৰত উটুৱাই দিবলৈ প্ৰতিজ্ঞা কৰিলে। "চং দি ফুৰা বহুৰা," "মাতৃহন্তা" আদি শব্দৰ গৰ্জ্জন উঠিল, কেউদিশে। এতিয়া জনতাৰ এই তীব্ৰ ক্ৰোধাগ্নিক, প্ৰকৃত বিদ্ৰোহত পৰিণত কৰিবলৈ, কেৱল মাত্ৰ এজন নেতাৰ আৱশ্যক!

বহু সময় যুঁজি, বাকচ পত্ৰ, মূল্যবান আচ্‌বাব, পাকঘৰৰ সৰঞ্জাম, বিচনা, ৰথ, ঠেলাগাড়ী আদি অতিক্ৰম কৰি, অৱশেষত ভিনিকিয়াচে, সেনাদলেৰে সৈতে, ভিৰ পাৰহৈ, মুকলি ঠাই অলপ পালেহি। তাৰ পাচত, তেওঁ বহুতো পথ পাৰ হৈ, গৈ থাকোঁতে, কিছুসংখ্যক প্ৰমোদকুঞ্জ, বাগিচা, সমাধিস্থান, আৰু মন্দিৰ এৰি গল। অৱশেষত তেওঁ যি ঠাই পালেহি, তাৰ নাম ভাইকাচ্ আলেকজেন্ড্ৰি,—ইয়াৰ কাষতে টাইবাৰ নৈ। ইয়াত মানুহৰ হুলস্থূল বেচি নহয়, আৰু জুইৰ ধোঁৱাও অলপ পাতল। পলাই অহা মানুহ কিছুমানৰ মুখত, তেওঁ শুনিলে যে, এতিয়ালৈকে টাইবাৰৰ সিপাৰে, দুই এটা পথত হে জুই লাগিছে। অৱশ্যে সেই ঠাইৰ কোনোৱা অংশ, ভয়াবহ অগ্নি-কাণ্ডৰ পৰা, অৱশেষত সাৰি যাব বুলি, নিঃসন্দেহে কব নোৱাৰি। কাৰণ, মানুহ কিছুমানে, ইচ্ছাপূৰ্ব্বক জুই কুৰাত ইন্ধন যোগাইছে, আৰু জুই নুমুৱাত বাধা দিছে। দাহকইতে, গৰাকীৰ আদেশ মতে সকলো কৰা হৈছে বুলি, অজুহাত দেখুৱাইছে। যুৱক বিচাৰপতিজনৰ, এইবাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে, চিজাৰে নগৰখন দাহ কৰিবলৈ আদেশ দিছিল। গতিকে জনতাই প্ৰতিশোধ লবলৈ চিৎকাৰ কৰা ন্যায়সঙ্গত বুলি, তেওঁ ভাবিলে।—মিথ্ৰিদেট্‌চ্ বা ৰোমৰ ঘোৰ শত্ৰুৱেও, ইয়াতকৈ বেচি কিবা কৰিব পাৰিছিলনে? ভিনিকিয়াচে থিৰাংকৈ বুজিলে যে, নিৰোৰ শেষ সময় উপস্থিত হৈছে। নগৰখন শেষ হোৱাৰ লগে, লগে মানুহবোৰে নিশ্চয় এই মহাপাতকী, বহুৰা, পিশাচকো শেষ কৰি পেলাব। কুপিত

জনতাক পৰিচালনা কৰিবলৈ, কোনোবা কষ্ট সহিষ্ণু নেতাৰ যদি আৱিৰ্ভাৱ ঘটে, তেন্তে, কেইমুহূৰ্ত্তমানৰ ভিতৰতে ঘটনাৰ পৰিসমাপ্তি হ'ব। সেই ঠাইত থিয় দি থাকোঁতে, ভিনিকিয়াচৰ মনৰ মাজেদি পাৰ হৈ গল, কিছুমান দুৰ্দ্দান্ত সাহসিক ভাৱ,—প্ৰতিহিংসাপূৰ্ণ আচনি। বিচাৰকৰ বংশ বুলি, গোটেই ৰোমে তেওঁৰ বংশ পৰম্পৰাৰ কথা জানে। উন্মত্ত জনতাক লাগে মাত্ৰ এটা নাম,—নেতা এজনৰ নাম হলেই হল। পেডানিয়াচ্ চিকান্দাচৰ অধীনত থকা, চাৰিশ দাসক মৃত্যুদণ্ড দিয়া কথা লৈ, আগতে এবাৰ গোটেই নগৰতে, বিদ্ৰোহ আৰু গৃহ যুদ্ধৰ উপক্ৰম হৈছিল। ৰোমৰ অস্তিত্বৰ আঁঠোটা শতাব্দীৰ ভিতৰত ঘটা সকলো দুৰ্ঘটনা আৰু দুৰ্গতিক চেৰ পেলোৱা এই দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত, আজি বিশেষ কিবা নঘটাকৈ থাকিবনে?

"যিজন মানুহে, জুইবাইচ্ বংশৰ মানুহবিলাকক অস্ত্ৰ ধৰিবলৈ আহ্বান জনাব, তেওঁ নিৰোক পদচ্যুত কৰি, কজলা ৰঙৰ-ৰাজবসন পৰিধান কৰিব,—ই ধ্ৰুৱ সত্য।" ভিনিকিয়াচে নিজকে কলে।

তেন্তে তেওঁ,—ভিনিকিয়াচে নিজে সেই মানুহজনৰ ঠাই নলয় কিয়? নগৰৰ অগষ্টান সকলতকৈ, তেওঁ বেচি উদ্যমী, বেচি সাহসী, আৰু কম বয়সীয়াও। সঁচা, নিৰোৰ অধীনত, ত্ৰিশটা বৃহৎ সেনাবিভাগ আছে। সাম্ৰাজ্যৰ সীমান্তত শিবিৰ পাতি থকা, এই বিশাল সৈন্য বাহিনীয়ে, আৰু তাৰ অধিনায়ক দলে, ৰোম আৰু তাৰ মন্দিৰ সমূহ, অগ্নিদগ্ধ হোৱাৰ বাতৰি পাই জানো, জাগি নুঠিব? সেয়ে যদি হয়, তেওঁ,—ভিনিকিয়াচ নিশ্চয় চিজাৰ হ'ব পাৰিব। অগষ্টানসকলৰ মাজত, ইতিমধ্যে গোপন আলোচনা চলিছেই যে, এজন সাধুৱে হেনো ওথোৱে কজলা বসন পিন্ধিবলৈ পাব বুলি, ভৱিষ্যতবাণী কৰিছে। কিন্তু তেওঁও, ওথোৰ সমানে উপযুক্ত নহয় জানো? হয়তো, খৃষ্ট নিজেই, আহিব ঐশ্বৰিক শক্তিৰে তেওঁক সহায় কৰিবলৈ। এই মুহূৰ্ত্তত, খৃষ্টই তেওঁৰ মনত, উদ্দীপনা জগাই তুলিছে নেকি?

"লিজিয়াৰ এনে বিপদ, আৰু মোৰ ভয়ঙ্কৰ মানসিক অশান্তিৰ বাবে, নিৰোৰ ওপৰত মই কিদৰে প্ৰতিশোধ লম?" যুৱকে মনতে ভাবিলে, 'মই সকলোতে, সত্য আৰু ন্যায়ৰ ৰাজত্ব চলাম, আৰু ইউফ্ৰেটিচৰ পৰা আৰম্ভ কৰি, বৃটেইনৰ কুঁৱলীৰে ঢকা সমুদ্ৰতীৰলৈকে, খৃষ্টৰ বাণী, সৰ্ব্বত্ৰ প্ৰচাৰ কৰাম; আৰু লগতে, মোৰ লিজিয়াক, কজলা সাজ পিন্ধাই, সসাগৰা পৃথিৱীৰ অধিশ্বৰী কৰিম।"

কিন্তু, অগ্নি থকা ঘৰ এটাৰ পৰা, ধাৰাসাৰে ফিৰিঙতি বৰষাৰ দৰে, তেওঁৰ উত্তপ্ত মস্তিষ্কৰ পৰা, ওলোৱা, এই ভাববোৰ, ফিৰিঙতি ওফৰাৰ দৰে, উফৰি যাবলৈ সৰহপৰ নালাগিল। সকলোতকৈ আগতে লিজিয়াক ৰক্ষা কৰা দৰকাৰ। এতিয়া তেওঁ, ধ্বংসলীলা ওচৰৰ পৰা দেখিবলৈ পালে, আৰু এই দৃশ্যই, তেওঁৰ মনত ত্ৰাসৰ সৃষ্টি কৰিলে। অগ্নি আৰু ধোঁৱাৰ সাগৰৰ সন্মুখত বৈ, ধৰ্ম্মগুৰু পিটাৰে লিজিয়াক ৰক্ষা কৰিব পাৰিব বুলি, আগতে যি নিশ্চয়তা, তেওঁৰ মনলৈ আহিছিল, এতিয়া বাধ্য হৈ, তাক পৰিত্যাগ কৰিলে। এইবাৰ তেওঁ, ভায়া পৰ্টুওচা পথেদি আগ বাঢ়িল। এই পথ পোণে, পোণে, টাইবাৰৰ সিপাৰলৈকে গৈছে। প্ৰৱেশ দুৱাৰত উপস্থিত হৈ, তেওঁৰ মন শান্ত হল। আগতে পলাই অহা মানুহৰ মুখত, শুনা কথা, ইয়াতো শুনিলে তেওঁ। এই ঠাইৰ সৰহ ভাগেই এতিয়ালৈকে জুইৰ পৰা মুক্ত হৈ আছে; কিন্তু দুই এঠাইত, জুইকুৰা নৈৰ ওপৰেদি পাৰ হোৱা, দেখা গৈছে।

গোটেই অঞ্চল, ধোঁৱাৰে ভৰি আছে, জনতাৰ মাজেদি বাট উলিয়াই যোৱাও, এই ঠাইত বেচিহে মস্কিল। কাৰণ, হাতত বেচি সময় পাই, ইয়াৰ মানুহবোৰে, সৰহ মাল বচাব পৰা গভিকে, কঢ়িয়াই অনা বস্তুও সৰহ। এই মাল বস্তুবোৰে, ঠাইয়ে, ঠাইয়ে, ভায়া পৰ্টুওচা পথটো, একেবাৰে বন্ধ কৰি পেলাইছে। নওমাচিয়া অগষ্টা পথৰ দাঁতিত, নানান ধৰণৰ বস্তুৰ অসংখ্য দ'মবোৰ, আকাৰত বাঢ়ি গৈ আছে। বেচি ঘন ধোঁৱাৰে আৱৰি থকা, সৰু পথবোৰেদি, যাতায়ত কৰা অসম্ভৱ। ইয়াৰ বাসিন্দাবোৰ সকলো ফালৰপৰা পলাবলৈ ধৰিছে। কেতিয়াবা একো ভোখৰ ঠেক ঠাইত, দুজন পলৰীয়াৰ খুন্দা-খুন্দি লগাত, মাৰপিটো হৈছে। মানুহবোৰে নিজৰ ভিতৰতে চিঞৰবাখৰ কৰি যুদ্ধ কৰিছে; গোলমালৰ মাজত, পৰিয়ালৰ, মানুহবোৰ, পৃথক হৈ পৰিছে, হতাশভাৱে মাতৃসকলে নিজৰ লৰা-ছোৱালীক চিঞৰি মাতিছে। জুইৰ আৰু বেচি ওচৰত থকা ঠাইত হোৱা ঘটনা, কল্পনা কৰি ভিনিকিয়াচৰ মন আতঙ্কত শিয়ঁৰি উঠিল। আৰ্ত্তনাদ আৰু হুলস্থুলৰ মাজত, পথ প্ৰদৰ্শক বিচাৰি পোৱা অসম্ভৱ। অনুৰোধ জনালেও, শুনোতা নাই।

প্ৰতি মুহূৰ্ত্তে, নতুন, নতুন ধোঁৱাৰ চাকনৈয়া ইটো পাৰৰ পৰা বাগৰি আহিছে। ঘন ধোঁৱাবোৰে মাটিৰ ওপৰেদি গৈ, কেউদিশ অন্ধকাৰ কৰি, ঘৰ

দুৱাৰ, মানুহ আৰু সকলো বস্তু ছাটি ধৰিলে। অৱশেষত, অগ্নিকাণ্ডৰ লগতে বলা বতাহ এছাটিয়ে, ধোৱঁাবোৰ সিচৰতি কৰি পঠালে। গতিকে, ভিনিকিয়াচে লিনাচৰ ঘৰৰ কাষৰ পথটো, চিনি পাই আগবাঢ়ি গল। জুলাই মাহৰ গৰম অসহ্য হৈ উঠিছে। ধোৱঁাই চকুত ধৰাত, উশাহ বন্ধ হোৱাৰ অৱস্থা হ'ল তেওঁৰ। যিবিলাকে, জুইকুৰা নৈখন পাৰ হৈ আহিব নোৱাৰে বুলি, আশা কৰি এতিয়ালৈকে ঘৰখনকে খামোচ মাৰি ধৰি আছিল, তেওঁলোকে এতিয়া ঘৰ এৰি ওলাই আহিবলৈ আৰম্ভ কৰিছে। ভিনিকিয়াচৰ লগে লগে অহা, গাৰক্ষী সেনাবোৰ, পিচ পৰি গল। গোলমালৰ মাজত, ঘোৰঁাটোৱে মূৰত কোনোবা এজনৰ পীৰা, হাতুৰীৰ কোব খাই, পিচ ঠেঙত ভেজাদি, বৈ গল আৰু চালকৰ শাসনলৈ কেৰেপকে নকৰিলে। বহুমূলীয়া কুৰ্ত্তা পিন্ধি অহা অগষ্টানজনৰ দেখিয়ে চিনি পাই, জনতাই চিঞৰিবলৈ ধৰিলে, "নিৰো আৰু তাৰ লগৰ ঘৰ জ্বলোৱা পাপীইতক, মাৰি পেলাওক!" সিইঁতে শয়ে শয়ে অস্ত্র টোৱঁালে, ভিনিবিয়াচৰ গালৈ। ঘোঁৰাটোৱে ভয় খাই, চেকুৰিবলৈ আৰম্ভ কৰিলে। যুৱক বিচাৰপতিজন আক্রমণ-কাৰীৰ হাতৰ পৰা সাৰি গল। তাৰ পাচত, নতুনকৈ অহা ধোৱঁাৰ ঢৌৱে, বাটটো একেবাৰে ঢাকি পেলালে। ঘোঁৰাত উঠি আগবঢা অসম্ভৱ বুলি ভাবি, ভিনিকিয়াচে ঘোঁৰাৰ পৰা নামি, পোনে, পোনে যাবলৈ আৰম্ভ কৰিলে। দেৱালৰ কাষে, কাষে খেপিয়াই বাট বিচাৰি, তেওঁ গৈ থাকিল। যেতিয়া চুৰ মূৰকৈ পলাই অহা মানুহবোৰে বাট ভেটি ধৰিলে, তেতিয়া বাধ্য হৈ, তেওঁ বাটে বাটে বৈ যাবলৈ ধৰিলে। সকলো চেষ্টা নিস্ফল হব বুলিও, তেওঁৰ মনলৈ আহিল। খুব সম্ভৱ, লিজিয়া নগৰত নাই, হয়তো তেওঁ পলাই গৈছে! এই বিশৃঙ্খলাৰ মাজত, যুৱতী এগৰাকীক উদ্ধাৰ কৰাতকৈ, সাগৰৰ পাৰত বেজী এটা বিচাৰি পোৱাও সহজ। কিন্তু জীৱন বিপন্ন কৰিও, তেওঁ লিনাচৰ ঘৰ পাব লাগিব। সময়ে সময়ে তেওঁ অকণমান বৈ, চকু মোহাৰিলে। কুৰ্ত্তাটোৰ পৰা এডোখৰ কাপোৰ ছিডি লৈ, নাক আৰু মুখত, সোপা দি ধৰিলে। তাৰ পাচত পুণৰ আগবাঢ়িল। যিমানেই নৈৰ ওচৰ চাপি আহিল, সিমানেই গৰম অসহ্য হৈ পৰিল। তেওঁ জানে যে প্রথমে বৃহৎ ক্রীড়াভৱনৰ কাষতে জুই লাগিছিল। গতিকে তেওঁ ভাবি ললে যে, খেল মাটি আৰু তাৰ কাষত থকা ক'ৰাম্ বোৱেৰিয়াম্ আৰু ভেলাব্রামৰ ধ্বংস স্তুপৰ পৰা নিশ্চয় জুইৰ তাপ আহিছে। ভিনিকিয়াচে শেষত, বিজন পলৰীয়া লগ পালে, তেওঁ আছিল, লাখুটিত ভৰ দি অহা, এজন বুঢা মানুহ। পাৰহৈ যাওঁতে, বুঢাই সম্ভ্রান্ত যুৱক জনক চিঞৰি

কৈ গল, "পন্‌চ্ চেস্‌টিয়াচৰ কাষলৈ নাযাবা। গোটেই দ্বীপটোতে জুই জ্বলিছে।" অৱস্থা যে সঁচাকৈয়ে অতি শোকলগা, এতিয়া আৰু তাত অকণো ভুল নাই। লিনাচৰ ঘৰৰ কাষত থকা, ইহুদীইতৰ ঘৰৰ ফালে ঘূৰি যাওঁতে, যুৱক বিচাৰপতিৰ চকুত পৰিল, ধোৱাঁৰ ডাৱৰ ফালি ওলোৱা, জুইৰ শিখাবোৰ। গোটেই দ্বীপটোতে যে কেৱল জুই লাগিছে এনে নহয়, টাইবাৰৰ সিপাৰৰ অঞ্চলতো লাগিছে। পথৰ ইটো মূৰত,—য'ত লিজিয়া থাকে, তাতো জুই।

ভিনিকিয়াচৰ এই খিনিতে মনত পৰিল যে, লিনাচৰ ঘৰৰ চাৰিওফালে, এখন বাগিচা আছে আৰু বাগিচাৰ পিচফালে, টাইবাৰৰ পাৰত, এডোখৰ সৰু মুকলি ঠাই আছে। এই চিন্তাই তেওঁৰ মনত সাহস যোগালে, কাৰণ সেই ঠাইতে, জুইকুৰা বাধা প্ৰাপ্ত হ'ব পাৰে। এই আশা লৈ, তেওঁ পুণৰ লৰিবলৈ আৰম্ভ কৰিলে। প্ৰতি ছাটি বতাহে তেওঁৰ উশাহ বন্ধ কৰিলে। বতাহে কেৱল ধোঁৱাকে কঢ়িয়াই অনা নাই, লগত হাজাৰে, হাজাৰে ফিৰিঙটিও উৰুৱাই আনিছে। যিকোনো মুহূৰ্ত্তে, এই ফিৰিঙটিৰ কাৰণে, জুইকুৰা পথৰ ইটো মূৰলৈ বিয়পি, তেওঁৰ পলায়নৰ পথ বন্ধ কৰিব পাৰে।

অৱশেষত, তেওঁ ধোৱাঁৰ আৱৰণৰ মাজেদি লিনাচৰ বাগিচাৰ চাইপ্ৰাচ গছবোৰ, দেখিবলৈ পালে। মুকলি ঠাইডোখৰৰ সিফালৰ ঘৰবোৰ ইতিমধ্যে, কাঠৰ দ'মত জুই জ্বলাৰ দৰে জ্বলিবলৈ ধৰিছে। কিন্তু লিনাচৰ সৰু পজাটো, এতিয়াও জুইৰ পৰা মুক্ত হৈ আছে। ভিনিকিয়াচে কৃতজ্ঞভাৱে ওপৰলৈ চালে, আৰু তাৰ পাচত, লিনাচৰ দুৱাৰ মুখলৈ, উধাতু খাই লৰ মাৰিলে। শৰীৰ দেই পুৰি যোৱাতৈ, এতিয়া তেওঁৰ ভয় নাই। দুৱাৰখন আধামেলা; তেওঁ ঠেলা এটা মাৰি দুৱাৰখন ভালদৰে মেলি, ঘৰৰ চোহদৰ ভিতৰলৈ লৰ মাৰিলে।

বাগিচাত জন-প্ৰাণী কাকো দেখা নগল। ঠাইখন এৰাবাৰী যেন হৈ আছে।

"ধোৱাঁ আৰু তাপত, সকলো 'হয়তো সংজ্ঞাহীন হৈ পৰি আছে।" যুৱকে মনতে ভাবিলে।

তেওঁ ডাঙৰকৈ মাতিলে,

"লিজিয়া! লিজিয়া!"

সকলো নিস্তব্ধ। সেই অকলশৰীয়া ঠাইত, একো-শুনা নগল,—বহুদূৰৰ অগ্নিগৰ্জ্জনৰ বাহিৰে।

"লিজিয়া"।

আগতে এবাৰ এই বাগিচাত ৰহি থাকোঁতে, তেওঁ যি আৰ্ত্তনাদ শুনিছিল, সেই আৰ্ত্তনাদ পুণৰ শুনিবলৈ পালে। ওচৰৰ ঘাঁপটোত আস্কলেপিয়াচ্ দেৱতাৰ মন্দিৰৰ কাষত থকা, জন্তুৰ গৰালটো, জুই কুৰাই স্পৰ্শৰ কৰিছেহি। তাত আবদ্ধ হৈ থকা বন্য জন্তুবোৰে, গৰ্জ্জন কৰিছে। ভিনিকিয়াচৰ মূৰৰ পৰা ভৰিলৈকে কঁপনি উঠিল। দ্বিতীয় বাৰলৈ, লিজিয়াৰ চিন্তাত নিমগ্ন, তেওঁৰ মনটোৱে জনালে, এই ভয়ঙ্কৰ শব্দ, দুৰ্ভাগ্যৰে প্ৰতিধ্বনি। কিন্তু খন্তেকৰ ভিতৰতে, এই ভাব আতঁৰি গল। বনৰীয়া জন্তুৰ গৰ্জ্জনতকৈও ভয়ঙ্কৰ, জুইৰ গৰ্জ্জনে, ততালিকে তেওঁৰ মনৰ পৰা; আন সকলো চিন্তা আঁতৰাই পেলালে। লিজিয়াই তেওঁৰ মাতত সহাৰি দিয়া নাই। কিন্তু তেওঁ, ঘৰৰ ভিতৰতে থাকিবও পাৰে। হয়তো ধোৱাঁত উশাহ বন্ধ হৈছে; নহলে, সংজ্ঞাহীন অৱস্থাত পৰি আছে। ঘৰটোৰ ভিতৰলৈ জপি গৈ, তেওঁ দেখিলে, সৰু আগ চ'ৰাটো পৰিত্যক্ত অৱস্থাত আছে। শোৱাকোঠালৈ যোৱা দুৱাৰৰ কাষলৈ, খেপিয়াই, খেপিয়াই গৈ ভিতৰত চাকি এটা জ্বলি থকা দেখিবলৈ পালে। ওচৰলৈ গৈ চালে, গৃহ দেৱতাৰ মন্দিৰত, এডাল ক্ৰচৰ বাহিৰে, আন একো নাই। চাকিটো তাৰ তলতে জ্বলি আছে। নতুন ধৰ্ম্মত দীক্ষিত হব খোজা যুৱকৰ মনেদি, বিজুলী সঞ্চাৰে ভাব পাৰ হৈ গল,— হয়, ক্ৰচ ডালেই তেওঁক পোহৰ দেখুৱাই, লিজিয়াক বিচাৰি পোৱাত সহায় কৰিব। চাকিটো হাতত লৈ, তেওঁ সৰমাৰি শোৱাকোঠালিত সোমাই, প্ৰথম কোঠাটোৰ পৰ্দ্দা আতঁৰাই, চাকিটো ওপৰলৈ তুলি ধৰি চাৰিও ফালে ভাল দৰে চালে।

ভিতৰত কোনো নাই। এইটো যে লিজিয়াৰে শোৱা কোঠা তাত অকণো সন্দেহ নাই। কাৰণ বেৰত থকা খুটিবোৰত তাইৰ কাপোৰ কিছুমান ওলমি আছে। বিচনাত তাইৰ কেপিটিয়াম্ (অন্তৰ্বাস) এটা পৰি আছে। ভিনিকিয়াচে সেইটো হাতত লৈ চুমা খালে। তাৰ পাচত চোলাটো, কান্ধত পেলাই লৈ, আকৌ বিচাৰিবলৈ ধৰিলে। ঘৰটো ইমান সৰু যে, তেওঁ কম সময়ৰ ভিতৰতে, সকলো তন্ন, তন্নকৈ চালে। কিন্তু কোনো ক'তো নাই। সেই অঞ্চলৰ আন বাসিন্দাবোৰৰ দৰেই, লিজিয়া, লিনাচ আৰু উৰচাচ্ পলাই গৈছে, নিৰাপদ ঠাইত আশ্ৰয় বিচাৰি।

"তেন্তে মই নগৰৰ প্ৰৱেশ দুৱাৰবোৰৰ বাহিৰত থকা, জনতাৰ মাজত, তেওঁলোকক বিচাৰি যাব লাগিব। যুৱকে ভাবিলে। ভায়া পৰ্টুৱেচা পথত, তেওঁলোকক লগ নোপোৱাৰ বাবে, ভিনিকিয়াচ্ আচৰিত নহল অকণো। নিশ্চয়

ভেটিকান পাহাৰ মুৱাহৈ, তেওঁলোক গুলাই গৈছে। মুঠৰ ওপৰত, এতিয়া তেওঁলোক জুইৰ পৰা আতঁৰত আছে।"

"প্ৰথমে এই ঠাইৰ পৰা, মই ভালে কুশলে ওলাই যাব লাগিব।" ভিনিকিয়াচে নিজৰ মনতে কলে, "তাৰ পাচত তোমিটিয়া উদ্যান পাবহৈ, এগ্ৰিপা উদ্যান পাবগৈ লাগিব। আশে পাশে ক'ৰবাত লগ পাম তেওঁলোকক। চেৰাইন্ পাহাৰৰ পৰা, বতাহ মাৰি আছে। গতিকে তাত ধোঁৱাই বৰকৈ নধৰে।"

প্ৰকৃততে এতিয়া এনে এটা সময় আহি দেখা দিছে,— যি সময়ত ভিনিকিয়াচে সকলোতকৈ আগতে, নিজৰ নিৰাপত্তাৰ চিন্তা নকৰি নোৱাৰে। কাৰণ, দ্বীপটোৰ পৰা আহি থকা জুইৰ চোবোৰ, এতিয়া ক্ষিপ্ৰ গতিৰে ওচৰ পাইছেহি। ধোৱাঁৰ চাকনৈয়াৰ মাজত, সৰু পথটোৰে যোৱা অসম্ভৱ হৈ উঠিছে। বিটো চাকিয়ে ঘৰৰ ভিতৰত পোহৰ দি আছিল, সেই চাকিটো, হঠাতে অহা এছাটি বতাহত, নুমাই গল। গতিকে ভিনিকিয়াচে, লৰ মাৰি বাটলৈ ওলাই গৈ, আগতে এৰি অহা, ভায়া পৰ্টুওচা পথত উপস্থিত হবলৈ, যথাসাধ্য চেষ্টা কৰিলে। গৈ থাকোঁতে জুইয়ে তেওঁক, পিচে, পিচে খেদি গল। মাজে সময়ে তেওঁক, ধোৱাবোৰে আবৰি ধৰিলে, মাজে, মাজে ফিৰিঙটিবোৰ আহি তেওঁৰ চুলিত, ডিঙিত, আৰু কাপোৰত ভৰি পৰিল। তেওঁ পিন্ধা কুৰ্ত্তাটো, ঠায়ে ঠায়ে পুৰি গৈ, ধোৱঁাবলৈ ধৰিলে। কিন্তু তালৈ তেওঁৰ ভ্ৰূক্ষেপ নাই। এতিয়া তেওঁৰ একমাত্ৰ লক্ষ্য হ'ল, উশাহ নিশাহ বন্ধহৈ যোৱাৰ পূৰ্ব্বে, কি দৰে ঠাইডোখৰৰ পৰা ওলাব পাৰি। ধোৱঁা আৰু ছাই আহি, তেওঁৰ মুখত সোমাল। তেওঁৰ ডিঙি, আৰু শ্বাসযন্ত্ৰ যেন, জ্বলি পুৰি যাব খুজিছে। তেওঁৰ মুৰলৈ তেজ উঠি আহিল। মাজে, মাজে সকলো বস্তু তেওঁ ৰঙা যেন দেখিবলৈ ধৰিলে। আনকি, ধোৱাবোৰো ৰঙা দেখিলে।

"জুইয়ে নিশ্চয় মোক শেষ কৰি পেলাব।" তেওঁ ভাবিলে "সকলো কষ্ট শেষ কৰি, মৰিযোৱাই ভাল।"

লৰি যোৱাৰ বাবে তেওঁৰ অত্যন্ত ভাগৰ লাগিল। তেওঁৰ মুৰ, ডিঙি আৰু কান্ধ দুটা, ঘামত তিতি যোৱাত উতলা পানীয়ে চালথন পুৰি নিয়াৰ দৰে অৱস্থা হ'ল। মনৰ মাজত, লিজিয়াৰ নাম সঘনে লৈ, তাইৰ চোলাটোৰে মুখখন ঢাকি নোযোৱা হলে, তেওঁ নিশ্চয় মনৰ বল হেৰুৱাই পেলালেহেঁতেন। লাহে লাহে সন্মুখৰ পথ চিনি পোৱা টান হৈ আহিল ; তেওঁ প্ৰায় সজ্ঞাহীনৰ দৰে হৈছিল। তেওঁৰ একমাত্ৰ চিন্তা, কেনেকৈ পলাই সাৰিব পাৰে। মুকলি ঠাই এখনত তেওঁৰ

বাবে অপেক্ষা কৰি, লিজিয়া নামৰ ধিজনী ছোৱালী বৈ আছে, তাইক ধৰ্ম্মগুৰু পলে তেওঁৰ হাতত সমৰ্পন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কথাটো বাৰে, বাৰে তেওঁৰ মনলৈ আহিল। হঠাৎ নিশ্চয়তাৰ অনুভূতি, অদ্ভুত ভাৱে জাগি উঠিল, তেওঁৰ মনত। ই হ'ল, প্ৰলাপ বকা অৱস্থাত, যন্ত্ৰণাপূৰ্ণ মনৰ দৃষ্টিৰ মাজলৈ অহা নিশ্চয়তা,— তেওঁ তাইক পুণৰ দেখা পাব, তাইক বিয়া কৰাব, আৰু লগে, লগে তেওঁৰ মৃত্যুও ঘটিব!

মাতালৰ দৰে তেওঁ, লৰি গৈ থাকিল। ভৰিৰ অৱস্থা থৰক বৰক হৈ, বাটৰ একাষৰ পৰা, ইকাষলৈ যাবলৈ ধৰিলে, তেওঁৰ ভৰি দুটা। বিশাল নগৰী, যি কুৰা ভয়ঙ্কৰ ধুঁইত সিজি আছিল, তাত হঠাতে পৰিবৰ্ত্তন দেখা গ'ল। যি ঠাইত ধুঁই উমি, উমি জ্বলিছিল, তাত দাউ, দাউকৈ জ্বলিবলৈ আৰম্ভ কৰিলে। বতাহে ধোৱাঁৰ নতুন চাকনৈয়া সাজিবলৈ এৰিলে আৰু ঠেক বাটবোৰত, যি ধোৱা গোট খাইছিল, সেইবোৰ, গৰম বতাহৰ বামাৰলিত তৎক্ষণাৎ উৰি গল। লগে, লগে উৰি আহিল, হাজাৰ, হাজাৰ স্ফুলিঙ্গ। অগ্নি স্ৰোত মূৰত লৈ লৰি গৈ থাকিল, ভিনিকিয়াচ। তেওঁৰ একমাত্ৰ সান্ত্বনা হ'ল, আগতকৈ তেওঁ ভালদৰে দেখিছে, আৰু বাটৰ প্ৰায় শেষো পাইছেহি। তেওঁৰ মনলৈ নতুন শক্তি আহিল, চুক এটাইদি ঘূৰি গৈ, তেওঁ সৰু বাট এটা পালেহি। এই বাটটো, ভায়া পৰ্টুওচা পথ আৰু কেম্পাচ্ কোডেটেনাচ্ খেলা পথাৰত লাগি-ছেগৈ। ইয়ালৈ ফিৰিঙটি বেচিকৈ অহা নাই। তেওঁ বুজিলে, এবাৰ কেনেবাকৈ ভায়া পৰ্টুওচাত ভৰি দিব পাৰিলেই, তেওঁ ৰক্ষা পৰিব।

কিন্তু ঠেক পথটোৰ শেষৰ ফালে একেবাৰে অন্ধকাৰ। "সেয়া যদি ধোঁৱাই হয়, মই কেতিয়াও নিৰাপদে পাৰ হব নোৱাৰিম।" তেওঁ মনতে ভাবিলে। নিজৰ সকলো শক্তি একত্ৰিত কৰি, জলি জলি গা পুৰি থকা কুৰ্ত্তাটো দলিয়াই পেলাই তেওঁ আগলৈ লৰ মাৰিলে। লিজিয়াৰ চোলাটোৰে মূৰ আৰু মুখ ঢাকি, উদং গাৰে, তেওঁ যাবলৈ ধৰিলে। ওচৰ চাপি তেওঁ দেখিলে, যাক তেওঁ ধোৱাঁ বুলি অনুমান কৰিছিল, সি আচলতে ধোৱাঁ নহয়—ধূলিৰ ভাৱৰহে। তাৰ মাজৰ পৰা, মানুহৰ মাত, আৰু চিঞৰ বাখৰৰ শব্দ আহিছে।

"ডকাইতৰ দল!" তেওঁ নিজকে কলে।

তথাপিও, তেওঁ শব্দ অনুসৰণ কৰি, গৈয়ে থাকিল। যি কি নহওক, তাত তেওঁক সহায় কৰিবলৈ, কোনোবা ওলাবও পাৰে। এই আশাৰে, তেওঁ সাধ্য

অনুসৰি, মানুহবোৰক চিঞৰি মাতিলে। কিন্তু এয়া তেওঁৰ শেষ চেষ্টা! চকুৰ সন্মুখত দেখা ৰক্তিম আৱৰণ, আৰু বেচি ৰক্তিম হৈ উঠিল, উশাহ নিশাহ বন্ধ হৈ, তেওঁ মাটিত দীঘল দি পৰিল।

কিন্তু তেওঁৰ মাত কোনোবাই শুনিছিল, অথবা দূৰৰ পৰা তেওঁক কোনো-বাই দেখিছিল। হাতত পানীৰ লোটা লৈ, দুজন মানুহ তেওঁৰ কাষে ৰবি আহিল। আজোৰ মাৰি লোটা এটা হাতত লৈ, তেওঁ আধাখিনি পি খালে।

"মই আপোনাক ধন্যবাদ জনালো।" তেওঁ কলে,—"অনুগ্ৰহ কৰি, মোক ধৰি তুলি দিয়ক। মই অকলে যাবগৈ পাৰিম।"

ইজন মানুহে, যুৱক বিচাৰপতি জনৰ মুখত পানী দিলে, আৰু দুয়ো ধৰি মেলি, তেওঁক লগৰ মানুহবোৰৰ ওচৰলৈ লৈ গল। তেওঁক বেৰি ধৰি, ইবিলাক মানুহে সুধিলে, বেচিকৈ দুখ পোৱাৰ বাবে, তেওঁ খোজ কাঢ়িব পৰা নাই নেকি! এনে সহায় আৰু আদৰ দেখি, ভিনিকিয়াচ আচৰিত হ'ল।

"আপোনালোকনো কোন?", তেওঁ সুধিলে—।

"জুইকুৰা যাতে ভায়া পৰ্টুওচা পাবগৈ নোৱাৰে, তাৰে চেষ্টা কৰি, আমি ঘৰবোৰ ভাঙি দিছো।" বয়ুৱা এটাই জনালে।

"আপোনালোকে মোক ইমান সহায় কৰাৰ বাবে, অশেষ ধন্যবাদ জনাইছো।"

"ওচৰ চুবুৰীয়াক সহায় কৰাই আমাৰ ধৰ্ম।" সকলোৱে সমস্বৰে উত্তৰ দিলে।

ৰাতি পুৱাৰে পৰা, যুঁজ বাগৰ, লুট পাত কৰা ভয়ানক মানুহক, লগ পাই থকাৰ পাচত, এনে মানুহৰ সান্নিধ্যলৈ আহি,—ভিনিকিয়াচে মনোযোগেৰে চাৰিও ফালে আটাইৰে মুখলৈ চাই কলে,—

"খৃষ্টই নিজে পুৰস্কৃত কৰক, আপোনাসকলক।"

"তেওঁৰ নাম উজ্জল হওক!" আটাইবোৰে চিঞৰি কলে।

"লিনাচ—?"

কোনো উত্তৰ নাপালে তেওঁ! ভাবাবেগত তেওঁ মূৰ্চ্ছিত হৈ পৰিল। বহুসময় ধৰি কৰা চেষ্টা, ক্লান্তি, আৰু যন্ত্ৰণাত, তেওঁ অৱশ হৈ পৰিছিল। জ্ঞান পোৱাৰ পাচত, তেওঁ দেখিলে, কেম্পাচ্ কোডেটেনাচৰ ভিতৰত থকা, এখন উদ্যানত, তেওঁ শুই আছে। বহুত নাৰী আৰু পুৰুষ, তেওঁৰ ওচৰত ৰৈ আছে। জ্ঞান পোৱাৰ লগে, লগে, তেওঁৰ প্ৰথম প্ৰশ্ন হ'ল,—

"লিনাচ্ ক'ত আছে?"

অলপ পৰ কোনো উত্তৰ পোৱা নগল। তাৰ পাচত, ভিনিকিয়াচৰ চিনাকি মাত এবাৰ কাণত পৰিল,—

"পোর্টা নোমেন্টানা দুৱাৰেদি, তেওঁ ওলাই গুচি গৈছে। দুদিনৰ আগতে তেওঁ ওচ ট্রিয়ানাম্ অভিমুখে যাত্রা কৰিছে। হে পাৰশ্যৰ সম্রাট! আপোনাৰ শান্তি হওক।"

চিলোক দেখি আচৰিত হৈ, ভিনিকিয়াচ উঠিব খুজি, আকৌ পৰি গ'ল।

গ্রীকটোৱে কৰলৈ ধৰিলে, "ইতিমধ্যে আপোনাৰ প্রমোদ ভৱন কিজানি ছাই হৈ গল। কেৰিণিৰ গোটেই খনতে জুই জলিছিল। তথাপিও, আপুনি সদায়, ক্রিচাচৰ দৰেই, ধনবান হৈ থাকিব। কি লোমহর্ষক কাণ্ড! বহুতদিন আগতে, খৃষ্টিয়ানসকলে ভৱিষ্যত বাণী কৰিছিল যে, নগৰখন জুইত জাহ যাব। হে চেৰেইপিচ্ নন্দন! জুপিটাৰ নন্দিনীৰে সৈতে, লিনাচ ওচ্ট্রিয়ানামত আছে। উস্! ৰোমলৈ কি দুর্ভাগ্য আহিল!"

ভিনিকিয়াচে অনুভৱ কৰিলে, পুনৰ যেন তেওঁৰ শক্তি শেষ হৈ আহিছে।

"তেওঁলোকক তই দেখিছিলিনে?" তেওঁ সুধিলে।

"হয় প্রভু! শুভ সংবাদ দি, আপোনাৰ স্নেহৰ ঋণ শুজিব পৰা বাবে, খৃষ্টক আৰু আন সকলো দেৱতাক, ধন্যবাদ দিছো। হে পবিত্র ওচিৰিচ্। মই আপোনাৰ দয়াৰ প্রতিদান দিবলৈ, সংকল্প কৰিছো। যি জুয়ে, নগৰখন শেষ কৰি পেলাইছে, সেই জুইৰ শপত খাই কৈছো, মই এই কাম কৰিম!"

বাহিৰত গধূলিৰ ছাঁ নামি আহিছে; কিন্তু বাগিচাৰ ভিতৰখন, পোহৰ হৈ আছে,—জুইকুৰা এই মাত্র নতুনকৈ জ্বলি উঠাৰ বাবে। কেৱল দুই এঠাইতে নহয়, নগৰখনত দীঘলে, প্রস্থে সমানে, জুই জ্বলিছে। নভোমণ্ডলৰ অভ্যন্তৰ পর্যন্ত, ৰক্তিম হৈ উঠিছে। বাতিৰ ক'লা ছাঁবোৰো যেন, তেজৰ ৰঙেৰে বোলোৱা।

॥ ৩ ॥

অগ্নিদগ্ধ নগৰৰ পৰা, প্রতিফলিত হোৱা পোহৰত, দিগন্ত বিয়পি গোটেই আকাশৰ ৰং, কমলা হৈ উঠিছে। পূর্ণ চন্দ্র উদয় হোৱাৰ পাচত, তাক অত্যুজ্জ্বল, তামৰ কাঁহী এখনৰ দৰে, দেখা গল। শত সহস্র ৰঙচুৰা তৰাই, আকাশত দেখা দিলে। পৃথিৱীখন আকাশতকৈ বেচি আলোকিত হোৱাত, নোহোৱা নোপজা নৈশ দৃশ্যৰ সৃষ্টি হ'ল। ৰোমৰ পৰা অহা পোহৰত, কেম্পানিয়া,

উপত্যকা জিলিকি উঠিল। তেজৰ দৰে ৰঙা পোহৰত, বহু দূৰৰ পাহাৰ শ্ৰেণী, অট্টালিকা, গ্ৰাম্য নিকুঞ্জ, আৰু মন্দিৰবোৰ স্পষ্ট হৈ দেখা দিলে। ভৈয়ামৰ ঠাইবোৰলৈ, পানী কঢ়িয়াই নিয়া, জল সৰবৰাহ নলীৰ উচ্চাংশৰ, প্ৰতিটো নলীৰ আশে; পাশে বহুতো মানুহ গোট খালে। আশ্ৰয়ৰ বাবেই হওক, বা নগৰৰ দৃশ্য চাবলৈ সুবিধাজনক ঠাই বুলিয়ে হওক, মানুহবোৰ তাত গোট খাইছে। ইতিমধ্যে, প্ৰলয়াগ্নিয়ে নগৰখনৰ এটাৰ পাচত এটা অংশ, দংশি নিবলৈ ধৰিলে। কোনোৱা দাহকে যে, এই দৰে জুই কুৰাত ইন্ধন যোগাই আছে, তাত কোনো সন্দেহ থাকিব নোৱাৰে। প্ৰতিটো মুহূৰ্ত্ততে, নতুন, নতুন অগ্নিকাণ্ড ঘটিছে, আনকি, য'ত প্ৰথমে জুই লাগিছিল, তাৰপৰা বহু দূৰৰ ঠাইতো, নতুনকৈ আকৌ লাগিছে। যিবোৰ টিলাৰ ওপৰত নগৰখন অৱস্থিত, সেইবোৰৰ পৰা, সাগৰৰ ঢৌৰ দৰে নামি আহিবলৈ ধৰিলে, অগ্নিস্ৰোত। পাঁচ, ছয়, মহলা অট্টালিকাৰে ভৰি থকা সমান ঠাই, দোকান, হাটবজাৰ, কাঠৰ ভক্তাৰে সজা আমামান ৰঙ্গমঞ্চৰে পূৰ্ণ ৰাজপথ, আৰু কাঠ, তেল, শস্য আথবোট, মাটিকঠাল আদি সঞ্চয় কৰি থোৱা গুদামবোৰৰ মাজেদি, প্ৰলয়ঙ্কৰী অগ্নিস্ৰোত বাগৰি গল। এই দৰে, দাহ্য পদাৰ্থৰ ভৰাঁলৰ দ্বাৰা পুষ্ট হৈ, ধুপ্ ধাপ্ শব্দেৰে, জুইকুৰা আগবাঢ়ি গৈ থাকিল। যিবিলাক মানুহ, নগৰৰ বাহিৰত শিবিৰ পাতি আছিল, অথবা জলসৰবৰাহৰ নলীৰ কাষত ঠাই লৈছিল, তেওঁলোকে, জুইৰ ৰং দেখিয়ে বুজিব পাৰিলে, কি বস্তু জ্বলিছে।

মাজে সময়ে, একোছাটি ৰতাহত, হাজাৰে, হাজাৰে জ্বলন্ত আথবোট আৰু কাঠ বাদাম, অগ্নি গৰ্ভৰপৰা সোঁ-সোঁৱাই ওপৰলৈ উঠি, হঠাৎ ফাটিবলৈ ধৰিলে। আকাশত, এজাক ডগ্‌মগাই জ্বলি থকা পখিলা, উৰি যোৱাৰ দৰে দেখা গল। মাজে, মাজে বতাহে, এই জ্বলন্ত খোলাবোৰ, উৰুৱাই নিয়াত, নগৰৰ অন্যান্য ঠাইত, অগ্নিবৰ্ষণ হবলৈ ধৰিলে। আনকি, নগৰৰ বাহিৰত থকা পথাৰ, আৰু জল সৰবৰাহৰ নলীবোৰো, অণ্ঠাৰে উপচি পৰিল। সহায়হীন অৱস্থা এটাই, আতঙ্ক বঢ়াই তুলিলে; ক্ষণে, ক্ষণে বিভ্ৰান্তিকৰ অৱস্থা অতি শোচনীয় হৈ আহিল। প্ৰতিখন নগৰ দুৱাৰেদি, বাসিন্দাবোৰ পলাই যাবলৈ ধৰিলে। নগৰৰ উপকণ্ঠত, আৰু অন্যান্য সৰু চহৰত বাস কৰা মানুহ, আৰু কেম্পানিয়া সমভূমিত থকা অৰ্দ্ধসভ্য খেতিয়ক, আৰু গৰখীয়া শ্ৰেণীৰ মানুহবোৰে, নগৰ অভিমুখে জাক পাতি লৰি আহিবলৈ ধৰিলে। সিঁহঁতৰ আশা,

লুট-পাত কৰি লাভবান হোৱা। আনটো আকৰ্ষণ হ'ল, দগ্ধ নগৰীৰ দৃশ্য চোৱা!

জলি, পুৰি শেষ হবলৈ ধৰা, এথন নগৰৰ দৃশ্যই সৰ্ব্বসাধাৰণ মানুহক, বিশেষভাবে আকৃষ্ট কৰাত, হত্যাকাণ্ড আদিত বাধা পৰিল। পৃথিৱীজুৰি, ৰোমান সাম্রাজ্যৰ অধীনত, প্ৰায় পঞ্চাশটা সুবিশাল সেনা বিভাগ আছে বুলি পাহৰি গৈ, সহস্ৰাধিক দাসে, কেৱল বাট চাই আছে, বিদ্ৰোহৰ সঙ্কেত ধ্বনিলৈ, আৰু এজন নেতাৰ আবিৰ্ভাৱলৈ। কিন্তু দুৰ্ভাগ্যবশতঃ, আৰু এজন স্পাৰ্টাকাচ্ ওলোৱাৰ সম্ভাৱনা দেখা নগল প্ৰতিখন নগৰ তুৰাৰত ভয়াবহ উৰা বাতৰিহে প্ৰচাৰ হবলৈ ধৰিলে। কিছুমানে কলে, জুপিটাৰৰ আদেশত, অগ্নিদেৱতা ভলকানে, নৰকৰ অগ্নি মুকলি কৰিছে; কিছুমানে মত প্ৰকাশ কৰিলে, কত্ৰিয়াৰ সতীত্ব নষ্ট হোৱাৰ বাবে, ভেষ্টাদেৱীয়ে প্ৰতিশোধ লৈছে। কোনো কোনোৱে ঘোষণা কৰিলে যে, চুবুৰাৰ পৰা অহা দুৰ্গন্ধত অতীষ্ঠ হৈ, চিজাৰে নগৰত জুই দিয়াইছে, আৰু নিৰোনিয়া নামৰ নতুন নগৰ এখন সৃষ্টি কৰাৰ অভিপ্ৰায়েৰে, ঠাই খালী কৰা হৈছে। আন এটা উৰা বাতৰি হল, চিজাৰ উন্মাদ হৈ গল। গাৰক্ষী সেনা আৰু মল্লবীৰইতক, তেওঁ নিজে লগাই দিছে, প্ৰজাৰ ওপৰত আক্ৰমণ চলাবলৈ। গতিকে তুৰন্তে সমূহীয়া হত্যাকাণ্ড চলিব। কিছুমানে আকৌ, ইষ্ট দেৱতাৰ নামত শপত খাই কবলৈ ধৰিলে—এনেহেনোবাৰবাচে জন্তুশালৰ সকলো জন্তু উলিয়াই দিয়াইছে। নোমত জুই লগা সিংহ, ভয়ত পগলা হোৱা হাতী, আৰু শ-শ, মানুহক গচকি পিঠা কৰা বনৰীয়া ষাড় গৰুৱে, নগৰৰ ৰাজপথবোৰ ভৰি পৰিছে। অৱশ্যে এইবোৰ কথাত, অলপ নহয় অলপ সত্যতাও আছে। কাৰণ, কেইবাটাও জন্তুশালৰ হাতীয়ে, জুইৰ পৰা ৰক্ষা পাবলৈ, গড়াল ভাঙি বাহিৰলৈ ওলাইছে, আৰু মুক্ত হৈ, ইহঁতে ভয়তে জাঙুল খাই, কেউপিনে মহটিয়াই নিছে।

এফালে কেপিটোল পাহাৰ আৰু আনফালে কুইৰিনেল, ভিমিনেল, আৰু এচ্কুইলিন্ পাহাৰৰ মাজভাগত, একে সময়তে, বহুত ঠাই জলিছে। পেলেটাইন আৰু জনবহুল চিলিয়াচ্ পাহাৰৰ মাজ ভাগতো একে সময়তে বহুত ঠাইত জুই লাগি, এনে এটা অৱস্থাৰ সৃষ্টি কৰিছে যে, মানুহবোৰ বিকালেই পলাই যায়, সেই কালেই, জুইৰ একোখন প্ৰাচীৰে আগভেটি ধৰে। যিবোৰ নাগৰিকে, বজাৰ, চাৰিআলি অথবা, লিউচিনা, টেৰা, চিলভিয়া, জুনো আদি দেৱদেৱীৰ

মন্দিৰৰ চৌহদত, কিম্বা, ক্লিভাচ্ ভিৰ বিয়াচ্ পথ আৰু প্ৰাচীন প্ৰবেশ দ্বাৰ এচ্‌কুইলিনাৰ মাজ ভাগত আশ্ৰয় লৈছিল, তেওঁলোকক জুইয়ে চাৰিও ফালে বেৰি ধৰি, পুৰি শেষ কৰি পেলালে। নগৰৰ সোঁ মাজত থকা, পৰিয়াল বিলাকৰ ভিতৰত, এজনো জুইৰ মুখৰ পৰা সাৰি নগল।

কিছুমানে, দেৱতাৰ কৃপা ভিক্ষা কৰি, প্ৰাৰ্থনা জনালে, কিছুমানে আকৌ এই ভয়ঙ্কৰ দুৰ্ঘটনাৰ বাবে, দেৱতাসকলকে দোষাৰোপ কৰিবলৈ ধৰিলে। বৃদ্ধসকলে, মুক্তিদাতা জুপিটাৰৰ মন্দিৰৰ ফালে, দুয়ো হাত মেলি, চিঞৰি উঠিল, "মুক্তিদাতা তোমাৰ নাম! ভেস্তে তোমাৰ পূজাৰ বেদী, আৰু তোমাৰ এই নগৰ, ৰক্ষা কৰা।" বিশেষকৈ জনতাৰ খং উঠিল, ৰোমৰ প্ৰাচীন দেৱ-দেৱীৰ ওপৰত। জন বিশ্বাসমতে, নগৰ ৰক্ষাৰ ভাৰ, বিশেষকৈ এওঁলোকৰ হাতত। কিন্তু এতিয়া এওঁলোকে নিজকে অকৰ্ম্মণ্য বুলি চিনাকি দিলে। জুইৰ মাজৰ পৰা, আচৰিত ভাৱে উদ্ধাৰ কৰা, আইচিচ্ দেৱীৰ মূৰ্ত্তি লৈ, শোভাযাত্ৰা আৰম্ভ কৰা, মিছৰীয় পুৰোহিতৰ দল এটা, ভায়াএচিনেৰিয়া পথত যেতিয়া উপস্থিত হল, তেতিয়া, সকলো মানুহ গৈ, শোভাযাত্ৰাৰ ৰথৰ পাচ ল'লে। প্ৰতি-হিংসাৰ ভাবত, সিহঁতে ৰথখন এপিয়ান্ পথলৈকে চোচোৰাই টানি নিলে আৰু বিগ্ৰহ নি, মাৰ্চৰ মন্দিৰত ভৰাই থবলৈ, ঠিক কৰিলে। পুৰোহিতৰ দলটোৱে বাধা দিয়াত, মানুহবোৰে, আটাইবোৰকে বেচকৈ এপিটন দিলে। কিছুমান ঠাইত, ৰাইজে চেৰেইপিচ্, বা-আল, জেহোভা আদিক, প্ৰাৰ্থনা জনোৱা দেখা গল।

দুই এঠাইত, অবাল-বৃদ্ধ-বনিতাই সুৰ লগাই, প্ৰাৰ্থনা কৰিছে। গীতবোৰ গহীন ভাবৰ, আৰু আচৰিত ধৰণৰ। গীতৰ মূল কথা অস্পষ্ট যদিও, "চোৱা ক্ৰোধান্বিত বিচাৰক উপস্থিত" বুলি গোৱা ষোৰা ফাঁকি, স্পষ্ট শুনা গৈছে।

কিন্তু হতাশৰে চকুলো, প্ৰাৰ্থনা, কদৰ্থনা, কোনোটোৱেই ৰক্ষা নকৰিলে। এই ভয়াবহ বিপৰ্য্যয়ৰ হাত সৰা, মানুহৰ অসাধ্য,—নিয়তিৰ দৰেই অপৰিবৰ্ত্তনীয় -এই অৱস্থা। ক্ৰীড়া ভৱনৰ আশে, পাশে থকা, শন, ৰচী আৰু আল্‌কাত্‌ৰাৰ গুদামবোৰত, দপ্‌দপকৈ জুই জলিবলৈ ধৰিলে। কেবা ঘন্টা ধৰি, নগৰৰ সেই গোটেই অঞ্চল, আৰু তাৰ পিচফালে থকা, কেম্পাচ্ মাৰ্চিয়াচ্ নামৰ খেল পথাৰখন, চকুত ছাট মাৰি ধৰা ৰঙা পোহৰত, জিলিকিবলৈ ধৰিলে। দৰ্শক বৃন্দৰ, ভয়ত মূৰ্চ্ছা যোৱাৰ অৱস্থা হ'ল। এই সৰ্ব্বনাশী বিপৰ্য্যয়ত, দিন আৰু

বাতি একাকাৰ হৈ উঠিছে বুলি, আটায়ে বিশ্বাস কৰিলে। জুই নহয়, যেনিবা যেনিৰ হে পোহৰ! ইয়াৰ ঠিক পাচতে, সকলো ৰঙ চাক খুৱাই, ভেলৰ দৰে ৰঙা একুৰা জুই, দপকৈ জ্বলি উঠিল আৰু একেবাৰে সমানে জ্বলিবলৈ ধৰিলে। শেষত এই অগ্নি সমুদ্ৰৰ পৰা, জলন্ত বস্তুৰ প্ৰকাণ্ড প্ৰস্ৰৱন আৰু স্তম্ভৰ, উদ্গীৰণ হবলৈ ধৰিলে। ওপৰলৈ গৈ থাকোঁতে, এইবোৰ ফাটি, চকৰি বা পাখি একোছাৰ আকৃতি লৈ, উৰিবলৈ ধৰিলে; তাৰ পাচত, বতাহত ভাঙি, ছিঙি, সোনালী সূতা বা দীঘলীয়া অগ্নিৰেখাত পৰিণত হৈ, গাওঁবোৰৰ ওপৰেদি, বহুদূৰৰ আলবান পাহাৰৰ ফালে উৰি গল। প্ৰতি মুহূৰ্ত্তে, নিশাৰ জুইৰ প্ৰকোপ বাঢ়িবলৈ ধৰিলে। জুইৰ পোহৰে যে কেৱল, বায়ু মণ্ডলকে ভৰাই তুলিলে, এনে নহয়, তাৰ লেলিহান শিখা, সৰ্ব্বত্ৰ বিস্তৃত হ'ল। প্ৰলয়ঙ্কৰী অগ্নিতৰঙ্গ, টাইবাৰ নৈৰ ওপৰেদিও বাগৰি যাবলৈ ধৰিলে। ওখ ঠাইবোৰ, আক্ৰমণ কৰি গ্ৰাস কৰাৰ পাচত, জুইকুৰা তৈয়ামলৈ নামি গল। বতাহৰ বুকত, ক্ৰন্দন ধ্বনি উঠিল; ধ্বংসাত্মক জলন্ত ধুমুহাৰ উন্মত্ত তাণ্ডৱ লীলাই, উপত্যকা সমূহ নিঃচিহ্ন কৰি পেলালে।

॥ ৪ ॥

মেক্ৰিনাচ্ নামৰ তাতী এজনৰ ঘৰলৈ, ভিনিকিয়াচক কঢ়িয়াই নিয়া হ'ল। মানুহজনে ভিনিকিয়াচক ধুৱাই পখলাই, কাপোৰ-কানি পিন্ধাই দিলে, আৰু জোৰ কৰি, কিবা অলপ খুৱালে। গাত অলপ বল পাই, যুৱক বিচাৰ-পতিজনে, লিজিয়াক পুণৰ বিচাৰি যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। এই কথা শুনি, খৃষ্টিয়ান তাতীজনে চিলোৰ কথাৰ সত্যতা প্ৰমাণ কৰি, জনালে যে, লিনাচ আৰু আৰ্চবিচপ ক্লিমেণ্ট, ওচট্ৰিয়ানামলৈ গ'ল; তাত পিটাৰে, কিছু-মান নতুন মানুহক দীক্ষাদান কৰাৰ। মেক্ৰিনাচে ইয়াকো জনালে যে, লিনাচে, গেয়াচ্ নামৰ মানুহ এজনক, তেওঁৰ ঘৰৰ তদাৰক লবলৈ, দুদিন আগতে নিযুক্ত কৰি থৈ গৈছে বুলি, সেই অঞ্চলৰ খৃষ্টিয়ান সকলে জানে।

ভিনিকিয়াচে নিজৰ মনতে কলে, "তাৰ মানে, জুই লগাৰ সময়ত, লিজিয়া বা উৰচাচ, কোনো সেই ঘৰত নাছিল। লিনাচৰ লগত; দুয়ো ওচট্ৰিয়ানামলৈ গৈছিল। টাইবাৰৰ সিপাৰৰ পৰা, ওচট্ৰিয়ানামৰ কাষৰ পোৰ্টা লোৰেন্টানালৈ

এই দীঘলীয়া বাট, একেদিনাই গৈ উলটি অহাটো, বৃদ্ধৰ পক্ষে অসম্ভৱ। পতিকে নগৰৰ প্ৰাচীৰৰ বাহিৰত থকা, কোনোবা স্বধৰ্মীৰ ঘৰত, তেওঁ নিশ্চয় আশ্ৰয় লৈছে, আৰু লিজিয়াইতেও তেওঁৰ লগ এৰা নাই।"

সকলো ঘটনাৰ মাজত, ভিনিকিয়াচে খৃষ্টৰ দয়া, আৰু অনুগ্ৰহৰ নিদৰ্শন দেখিবলৈ পালে। ওচ্‌ট্ৰিয়ানামত, তেওঁ লিনাচ, লিজিয়া, আৰু পিটাৰক, পুণৰ লগ পাব, আৰু আটাইবোৰকে, বহুদূৰৰ কোনোবা ঠাইলৈ লৈ যাব। হয়তো চিচিলিত থকা, তেওঁৰ নিজৰ জমিদাৰীলৈকে নিব। কেইদিনমানৰ পাচত, ৰোমৰ অৱশেষ থাকিব, এদ'ম ছাঁই মাত্ৰ। বিদ্ৰোহী জনতাৰ সন্মুখীন হৈ, বিপদ চপাই লোৱাৰ কি প্ৰয়োজন? তাতকৈ, কেইটামান বিশ্বাসী দাসৰ সৈতে, পাৰ হৈ গৈ, খৃষ্টৰ আশ্ৰয়ত আৰু পিটাৰৰ আশীৰ্ব্বাদত, শান্তিৰে দিন কটোৱাহে ভাল।

ভায়া ট্ৰায়াম্‌ফেলিচ্ পথেদি, নৈৰ কাষে, কাষে, গৈ থাকিলে, পনচ্ এমিলিয়ানাচত উপস্থিত হব পাৰি। তাৰ পাচত, পিন্‌চিয়ান্ পাহাৰৰ কাষেদি কেম্পাচ্ মাৰ্চিয়াচ ক্ৰীড়া ক্ষেত্ৰ আৰু পম্পে, লুচুলাচ্ আৰু চেলাই উদ্যান পাৰ হৈ গৈ, ভায়া নোমেন্‌টানা পথত উপনীত হবলৈ একো টান নহয়। এইটোৱেই আটাইতকৈ চমু পথ যদিও, মেক্‌ৰিনাচ্ আৰু চিলোৱে, আন এটা পথেদিহে যাবলৈ উপদেশ দিলে। কাৰণ, জুইকুৰা গৈ এতিয়ালৈকে নগৰৰ সেই অঞ্চল নাপালেও, তাৰ দোকান-পোহাৰ বাট পথ আটাইবোৰতে, বন্ন বস্তুৰে সৈতে অহা মানুহৰ হেঁচা ঠেলাত উশাহ বন্ধ হৈ যাব। সেইবাবে চিলোৱে, কেম্পাচ্ ভেটিকেনাচ্ খেল পথাৰৰ পোর্টা ফ্লেমিনিয়েন্‌চিচ্ হুৱাৰলৈকে গৈ, সেই ফালেদি নৈখন পাৰ হৈ, একিলিয়াচৰ বাগিচাবোৰৰ পিচ ফালেদি গৈ নগৰৰ প্ৰাচীৰৰ বাহিৰত থকা পথ ধৰি, পোৰ্টা চেলেৰিয়া প্ৰৱেশদ্বাৰ অভিমুখে যোৱাৰ প্ৰস্তাৱ দিলে।

অলপপৰ ইতস্ততঃ কৰি, শেষত ভিনিকিয়াচ্, এই পথেদি যাবলৈ সন্মত হ'ল। মেক্‌ৰিনাচ ঘৰ ৰখীয়া হৈ থাকিব লগা হোৱাত, যাব নোৱাৰিলে। লগৰীয়া দুজনৰ বাবে, দি খচ্চৰ দুটা যোগাৰ কৰি দিলে। পাচত তাতে, লিজিয়াও উঠি আহিব পাৰিব বুলি, দুয়ো ঠিক কৰি ললে। মেক্‌ৰিনাচে, খচ্চৰ দুটাৰ লগত, দাস এটাও দিব খুজিলে। ভিনিকিয়াচে ধন্যবাদ জনাই, দাস লিবলৈ অস্বীকাৰ কৰিলে। তেওঁ মনতে থিৰ কৰিলে যে, বাটত প্ৰথমে,

যিদল গা-বক্ষী সেনাৰ মুখা-মুখি হব, আগৰবাৰৰ দৰে সিহঁতকে তেওঁ, লগত নিব পাৰিব।

কন্তেকৰ ভিতৰতে, দুয়ো বাওনা হল; তেওঁলোকে জেনিকিউলিন্ পাহাৰলৈ যোৱা পথ ধৰি, তায়া ট্ৰায়াম্‌ফেলিচ্ অভিমুখে যাত্ৰা কৰিলে। ইয়াৰ কাষৰ মুকলি ঠাইবোৰতো, মানুহবোৰে শিবিৰ পাতিছেহি। কিন্তু ইয়াত মানুহৰ মাজেদি বাট উলিয়াই আগবাঢ়িবলৈ, সহজ হ'ল। কাৰণ, সৰহভাগ বাসিন্দাই, তায়া পৰ্টুওচাইদি সাগৰৰ ফালে পলাবলৈ ধৰিছে।

পোৰ্টা চেপ্‌টিমা দুৱাৰেদি পাৰহৈ, ভিনিকিয়াচ আৰু চিলোৱে, নৈৰ কাষে, কাষে, ডোমিটিয়ানৰ ধুনীয়া বাগিচাবোৰ পাৰ হৈ যাবলৈ ধৰিলে। বাগিচাৰ প্ৰকাণ্ড চাইপ্ৰাচ্ গছবোৰ, অস্তমিত সূৰ্য্যৰ পোহৰত ৰাঙলী হোৱাৰ দৰে, জুইৰ পোহৰত ৰাঙলী হৈ উঠিছে। পথৰ বাধা বিঘিনি ক্ৰমে আঁতৰি গল। চহৰ অভিমুখে দলপাতি লৰি যোৱা কৃষকৰ বিৰুদ্ধ সোঁতৰ লগত, কাচিতহে ঠেলা, হেঁচা কৰিব লগা হৈছিল। ভিনিকিয়াচে খচ্চৰটো চেকুৰাই নিলে। পিচে, পিচে গৈ থকা চিলোৱে, আপোনমনে বকিবলৈ আৰম্ভ কৰিলে,—

"এতিয়া আমি, জুইকুৰাক পিচ পেলাই গৈ আছো। যেনিবা জুইৰ সেকহে লৈছো পিঠিত। এই পথত, নিশা ইমান পোহৰ, কোনো দিন দেখা নাছিলো। হে জিউচ্! তুমি যদি জুই যুযুৱাবৰ কাৰণে বানপানীৰ সৃষ্টি নকৰা, তেন্তে বুজিব লাগিব, ৰোমলৈ তোমাৰ মৰম নাই, অথচ এই নগৰৰ সন্মুখত, গ্ৰীচ আৰু সমগ্ৰ জগতে, মূৰ দোঁৱাইছে। এতিয়া কিন্তু, ইয়ালৈ অহা যি কোনো গ্ৰীকে, নগৰৰ ছাইবোৰত, উৰহী পুৰি খাব পাৰিব। কোনে ভাবিব পাৰিছিল এই কথা? এতিয়াৰে পৰা, ৰোম নগৰৰ, বা ৰোমৰ বৰমুৰীয়াৰ দিন উকলিল। ধ্বংসস্তুপবোৰ যেতিয়া চেঁচা হৈ পৰিব, তেতিয়া ইচ্ছা কৰিলে, আটায়ে তাৰ মাজে, মাজে নিৰ্ভয়ে সুহুৰিয়াই ঘূৰি ফুৰিব পাৰিব। হে অমৰ দেৱতাসকল! যিখন নগৰে এদিন, বিশ্ব শাসন কৰিছিল, তাৰ ধ্বংসাৱশেষৰ মাজে মাজে সুহুৰিয়াই ফুৰিবলৈ পোৱা কথাটো ভাবিবলৈ, কেনেবা লাগে দেখোন! কোনোবা গ্ৰীক বা কোনোবা বৰ্ব্বৰে, কেতিয়াবা কল্পনা কৰিছিল নে কথাটো? অথচ, এতিয়া গ্ৰীক আৰু বৰ্ব্বৰ, দুয়োবিধৰ লোকে, ইয়াত ইচ্ছামতে সুহুৰিয়াই ফুৰিব পাৰিব। ছাই, ছাইয়েই,—গৰখীয়াই জলোৱা

জুইৰ ছাঁইয়ে হওক, বা প্ৰখ্যাত নগৰ এখনৰ পোৰা ছাইয়ে হওক! বতাহে সকলো জুইতে সমানে ইন্ধন যোগায়।”

কথা কৈ থাকোঁতে, সি বাৰে, বাৰে উলটি, জুইকুৰা চাবলৈ ধৰিলে। এটা হিংস্ৰ আনন্দৰ ভাবত, সি জুইৰ ঢৌবোৰলৈ, লক্ষ্য কৰিলে। তাৰ পাচত পুণৰ আৰম্ভ কৰিলে :

“হয় হয়! একেবাৰে দপ্‌দপাই জ্বলিছে নগৰখন। অতি শীঘ্ৰে ই পৃথিবীৰ বুকুৰ পৰা, নিঃচিহ্ন হৈ যাব। তেতিয়া জগতখনে কালৈ পঠিয়াব, শইচ, তেল আৰু শকত ধনৰ টোপোলাবোৰ? ৰোমৰ বুকু চেপি, কোনে সোণ আৰু চকুপানী উলিয়াব? মাৰ্ব্বল পাথৰ নোপোৰে সঁচা, কিন্তু, জুইয়ে তাকো ফালি, টুকুৰা টুকুৰ কৰিব পাৰে। কেপিটোল আৰু পেলেটাইনো, এতিয়া ধ্বংসৰ মুখত! হে জিউচ! ৰোম আছিল ভেৰা ৰখীয়া, আৰু অন্যান্য জাতি হ'ল, ভেৰাৰ পাল। ভেৰা ৰখীয়াৰ ভোক লাগিলে, সি তাৰ ভেৰাৰ দলৰে এটাৰ ডিঙি কাটি খাব। হে দেৱতা সকলৰ পিতৃ! তোমালৈ সি, ৰোম সোপাহে আগবঢ়াব। কিন্তু হে বজ্ৰৰ অধিপতি! এতিয়া হাতত কটাৰী লব কোনে? ভেড়া ৰখীয়াৰ জোঙাল এছাৰি দাল, তুমি এতিয়া কাৰ হাতত অৰ্পণ কৰিবা? ৰোমখন জ্বলি পুৰি শেষ হ'ল। হে পিতা! ঠিক যেন বজ্ৰৰ ঘাৰাহে, তুমি জুই লগাই দিছা।”

“বেগাই! বেগাই!” ভিনিকিয়াচে চিঞৰিলে,—‘তাত কি কৰিছ?”

“ৰোমৰ বাবে চকুপানী টুকিছো, প্ৰভু!” চিলোৱে উত্তৰ দিলে।

“কি মহিমা মণ্ডিত নগৰ আছিল এইখন।” অলপপৰ দুয়ো, নীৰবে গৈ থাকিল। জুইৰ গৰ্জ্জন আহি, দুয়োৰে কাণত পৰিল। লগতে শুনিলে, নিশাৰ আকাশেদি উৰি যোৱা, অসংখ্য চৰাইৰ ডোকাৰ শব্দ। হয়তো, ৰোমৰ প্ৰমোদ নিকুঞ্জৰ চাৰিওফালে,—বা নগৰৰ উপকণ্ঠত, জাক পাতি ভৰি থকা পাৰবোৰে, সাগৰৰ পাৰৰ পৰা, বা ওচৰে পাজৰে থকা, ওখ ঠাইৰ পৰা অহা চৰাইবোৰৰ দৰে, জুইৰ অদ্ভুত ভগ্‌মগীয়া পোহৰক, সূৰ্য্যৰ ৰশ্মি বুলি ভুল কৰি, কণা মুণা হৈ, পোণ ছাটে জুইৰ ফাললৈকে উৰা মাৰিছে।

প্ৰথমে ভিনিকিয়াচেই নিস্তব্ধতা ভঙ্গ কৰিলে।

“জুই লাগোতে, তই ক'ত আছিলি?”

"মই মোৰ বন্ধু, ইউৰিচিয়াচৰ তালৈকে বুলি ওলাইছিলো। বৃহৎ-ক্রীড়া ভৱনৰ কাষতে তাৰ দোকানখন। ঠিক যি মুহূর্ত্ত, খৃষ্টৰ বাণী স্মৰণ কৰি, মই চিন্তা মগ্ন হৈ আছিলো, ঠিক সেই মুহূর্ত্তে শুনিলো, "জুই!" বুলি কোনোবাই চিঞৰি উঠা। যেতিয়া গোটেই খেল মাটিতে জুই জ্বলি, আনফালে বিয়পিবলৈ, ধৰিলে, তেতিয়াহে মই, নিজৰ ছালখন বচোৱাৰ প্রয়োজন অনুভৱ কৰিলো।"

"ঘৰ বিলাকলৈ, জোৰ বাতি মাৰি পঠিওৱা মানুহ চকুত পৰিছিলনে তোৰ ?"

"হে ইনিয়েচৰ নাতি! কি যে দেখা নাই মই! জনতাৰ মাজেদি, তৰোবালেৰে বাট উলিয়াই যোৱা, মানুহো দেখিলো, সিহঁতে চাৰিওফালে যুঁজ কৰি, মানুহৰ পেট ফালি, ভৰিৰে গচকি পাৰ হৈছিল। এইবোৰ, আপুনি নিজ চকুৰে দেখা হলে, ভাবিলেহেঁতেন যে, কোনোবা অসভ্য জাতিৰ মানুহে নগৰ আক্রমণ কৰি, অধিকাৰ কৰিছে, আৰু নগৰত হত্যাকাণ্ড চলাইছে। মোৰ কেউপিনে বহুত মানুহে আর্ত্তনাদ কৰিছিল, কিন্তু আনন্দত অট্টহাস্য কৰা মানুহো আছিল তাত। প্রভু, এই জগতত এনে কিছুমান মানুহ আছে, যিবিলাকে, আপোনালোকৰ মৰমৰ শাসনৰ শৃঙ্খলবোৰৰ শলাগ লব নোখোজে। অথবা, যিবিলাক আইনৰ দ্বাৰা আপোনালোকে ন্যায়সঙ্গত ভাৱে, সকলো বস্তুকে নিজৰ ব্যৱহাৰত লগাই আছে, সেই আইনৰ প্রতিও সিহঁতৰ শ্রদ্ধা নাই। মানুহে কোনোদিন নিজৰ ইচ্ছাক, দেৱতাৰ ইচ্ছা আৰু শাসনৰ ওচৰত, সেও মনাবলৈ শিকা নাই।"

ভিনিকিয়াচ নিজ চিন্তাত ইমান মগ্ন হৈ আছিল যে, এই মন্তব্যত নিহিত থকা ব্যঙ্গ ভাবলৈ, মন নকৰিলে। আগতে চিলোক, বহুবাৰ নানা কথা সুধি উলিয়াইও ক্ষান্ত নহৈ, পুণৰ তালৈ উলটি চাই, সুধিলে—।

"তেন্তে তই নিজ চকুৰে, তেওঁলোকক ওচৰ্ট্রিয়ানামত দেখিছিলি ?"

"হয়, হে ভেনাচ-নন্দন! মই নিজ চকুৰে দেখিছিলো। মই ক্রুৰবীগৰাকীক, সাধু লিজিয়ানটোক, সন্ত লিনাচক আৰু-আৰু-ধর্ম্মগুৰু পিটাৰকো দেখিছিলো।"

"জুই লগাৰ আগতে?"

"হে মিথ্ৰা! জুই লগাৰ আগতে দেখিছিলো।" তথাপিও চিলোৰ কথাত, ভিনিকিয়াচৰ সন্দেহ থাকি গল। খচ্চৰটো ৰথাই, তেওঁ এই বুঢ়া গ্ৰীকটোলৈ অমঙ্গল সূচক দৃষ্টি নিক্ষেপ কৰি প্ৰশ্ন কৰিলে, "তাত তই কি কৰিছিলি?"

এই প্ৰশ্নই, চিলোক বিবুদ্ধিত পেলালে। আন বহুতৰ দৰে, সিও ভাবি লৈছিল যে, ৰোমৰ ধ্বংসই, ৰোমান শক্তিৰ আৰু সাম্ৰাজ্যৰো ওৰ পেলাব। এই মুহূৰ্ত্তত, ভিনিকিয়াচৰ হাতত, সি অকলে পৰিছে। হঠাৎ তাৰ মনত উদয় হল,—ভিনিকিয়াচে ভয়ঙ্কৰ ভীতি প্ৰদৰ্শন কৰি, তাক, খৃষ্টিয়ানৰ ওপৰত, বিশেষকৈ লিজিয়া আৰু লিনাচৰ ওপৰত, চোৰাংচোৱাগিৰি কৰিবলৈ, নিৰ্দেশ দিয়া কৰা কথা।

"হে প্ৰভু", সি জনালে, "আপুনি কিয় কোনোপধ্যে বিশ্বাস নকৰে যে, মই তেওঁলোকক ভাল পাওঁ? কথাটো এনেকুৱা: মই নিজে আধা আধি খৃষ্টান, গতিকে ওচৰ্ ট্ৰিয়ানামলৈ গৈছিলো। বহুত দিনৰ আগতে, পিৰোৱে মোক শিকাইছিল, দৰ্শনতকৈ ধৰ্ম্ম শ্ৰেষ্ঠ। সেইবাবে, মই সদায় ধাৰ্মিক লোকৰ লগ লওঁ। তদুপৰি, হে প্ৰভু! মই দুখীয়া মানুহ। হে জুপিটাৰ! আপুনি যেতিয়া এন্টিয়ামত আছিল, মই তেতিয়া খাবলৈ নাপাই, কিতাপ পঢ়ি, পঢ়িয়ে মৰিবলৈ ধৰিছিলো। সেইবাবে মই ওচৰ্ ট্ৰিয়ানামৰ চাৰিবেৰৰ মাজত আশ্ৰয় লৈছিলো; খৃষ্টিয়ানসকল দুখীয়া যদিও, তেওঁলোকে যিমান ভিক্ষা দিয়ে, ৰোমৰ গোটেই-ৰোৰ অধিবাসীয়ে দিয়া ভিক্ষা গোট খুৱালেও, সিমানখিনি নহয়।"

এই উত্তৰটো মিছা বুলি, ভিনিকিয়াচে ভাবিব নোৱাৰিলে। তাৰ পাচত, আগতকৈ অলপ নৰম হৈ সুধিলে,

"তেন্তে তই নাজান, এই কেইদিন লিনাচ্ কাৰ ঘৰত আছে?"

গ্ৰীকটোৱে উত্তৰ দিলে, "হে প্ৰভু! কৌতূহল প্ৰকাশ কৰাৰ বাবে, এবাৰ আপুনি মোক শাস্তি দিছিল। আপুনি নিষ্ঠুৰভাবে শাস্তি দিছিল মোক।"

ভিনিকিয়াচে একো নকলে। তুয়ো বাবলৈ ধৰিলে।

"হে প্ৰভু!" চিলোৱে কবলৈ ধৰিলে, "মোৰ সহায় নহলে, আপুনি কুঁৱৰীক আৰু কেতিয়াও বিচাৰি নাপায়। আপুনি যদি তেওঁক পায়, দুখত পৰা সাধু এজনক যেন নাপাহৰে, এয়ে মিনতি।"

"যদি বিচাৰি পাওঁ, তেন্তে মই তোক এমেৰিওলাম কাষত এটা ঘৰ, আৰু এখন আঙুৰৰ বাগিচা দান কৰিম।" ভিনিকিয়াচে জনালে।

"মই আপোনাক ধন্যবাদ জনাওঁ। হে হাৰকিউলিজ্! একেবাৰে দ্ৰাক্ষা কুঞ্জৰে সৈতে! পুনঃ পুনঃ ধন্যবাদ! হয়, হয়, ঘৰৰ নগতে লগা এখন আঙুৰৰ বাগিচা!"

এই সময়ত, দুয়ো ভেটিকান পাহাৰৰ পৰা নামিবলৈ ধৰিছিল। গোটেই অঞ্চল, জুইৰ ৰঙীণ পোহৰত জিলিকি উঠিছে। নওমাচিয়া পাৰ হৈ, তেওঁলোক সোঁফালে ঘূৰিল। কেম্পাচ্ মাৰ্চিয়াচ্ খেল পথাৰ পাৰ হৈ গলে নৈৰ ওচৰ পাবগৈ। তাৰ পাচত, নৈখন পাৰ হৈ পোৰ্টা ফ্লেমিনিয়েন্চিচ্ প্ৰবেশ দ্বাৰ অভিমুখে যাত্ৰা কৰিব। হঠাৎ চিলো বৈ গ'ল।

"হে প্ৰভু!" সি কলে, "কথা এটা মনলৈ আহিছে।"

"কি?"

"কওঁ শুনক। এতিয়ালৈকে খৃষ্টিয়ানৰ বিৰুদ্ধে, কোনো আইন জাৰি হোৱা নাই। কিন্তু ইহুদীবিলাকে নগৰ ৰক্ষকক এই মৰ্ম্মে সংবাদ দিছে যে, খৃষ্টিয়ানবিলাকে শিশুৰ ডিঙি কাটে, গাধৰ উপাসনা কৰে আৰু চিনেটে মানি নোলোৱা ধৰ্ম্ম প্ৰচাৰ কৰে। ইহুদীইতে খৃষ্টিয়ানবিলাকক হত্যা কৰিবলৈ ধৰিছে, আৰু তেওঁলোকৰ ঘৰলৈ ইমান জোৰেৰে শিল দলিয়াবলৈ ধৰিছে যে, তেওঁলোক বাধ্য হৈ, আক্ৰমণকাৰীৰ হাতৰপৰা সাৰিবলৈ, আন ঠাইলৈ পলাইছে।"

"আচল কথালৈ আহ।"

"কথা হ'ল কি, ইহুদীবিলাকৰ উপাসনাৰ ঠাই, টাইবাৰৰ সিপাৰে, মুকলি ভাৱে আছে, অথচ খৃষ্টিয়ানসকলে গোপনে প্ৰাৰ্থনা সভা পাতিব লগা হৈছে। নগৰৰ বাহিৰৰ ভঙা ছিঙা ঘৰত, তেওঁলোক গোট খায়। আনকি বালিৰ খাদবোৰলৈ যাবলৈকো বাধ্য হৈছে। এতিয়া টাইবাৰৰ সিপাৰৰ খৃষ্টিয়ানসকলে, শিলৰ খাদবোৰ বাছি লৈছে,—য'ৰ পৰা, নিৰোৰ ক্ৰীড়াভৱন, আৰু জেনিকিউলিন্ আৰু ভেটিকান পাহাৰৰ মাজত, নৈৰ পাৰত থকা অট্টালিকাবোৰ নিৰ্ম্মাণ কৰিবলৈ, আহিলাপাতি কঢ়িয়াই অনা হৈছিল। গোটেই নগৰতে জুই লগাৰ বাবে, খৃষ্টিয়ানসকল প্ৰাৰ্থনাত নিমগ্ন হ'ব। মাটিৰ তলত থকা মিলন ক্ষেত্ৰত, আমি বহুতকে লগ পাম। গতিকে মই আপোনাক, এনেবোৰ ঠাইত সোমাই চাবলৈ কওঁ। আমি নিজ পথৰ পৰা বেচি দূৰলৈ আঁতৰিবও নালাগে।"

"কিন্তু, তই মোক কৈছিলি যে, লিনাচ ওচট্ৰিয়ানামলৈ গল।" ভিনিকিয়াচে অধৈৰ্য্য হৈ চিঞৰিলে।

"আপুনি এমেৰিওলাত মোক এটা ঘৰ আৰু এখন আঙুৰৰ বাগিচা দিব বুলি প্ৰতিশ্ৰুতি দিছে।" চিলোৱে উত্তৰ দিলে, "গতিকে ছোৱালীজনীক পোৱাৰ সম্ভাৱনা থকা সকলো ঠাইতে বিচৰাই মোৰ ইচ্ছা। আমি নিশ্চয় তেওঁক, কোনোবা এটা খাদত পাম,—প্ৰাৰ্থনাৰত অৱস্থাত। কেনেবাকৈ নাপালেও, সেই দলটোৰ কথা অন্ততঃ আনৰ মুখত শুনিবলৈ পাম।"

"আগবাঢ়!" ভিনিকিয়াচে চমু উত্তৰ দিলে। তৎক্ষণাৎ চিলো বাওঁফালে ঘূৰিল। কিছু সময় পাহাৰটোৰে জুইকুৰা চকুৰ আঁৰ কৰি ধৰিলে। চাৰিওফালে থকা ওখ ঠাইবোৰ, জুইৰ পোহৰত উজ্জ্বল হৈ আছিল। কিন্তু এতিয়া, পাহাৰৰ দাঁতিৰ আন্ধাৰৰ মাজেদি, দুয়ো আগবাঢ়িবলৈ ধৰিলে। খেল মাটিৰ কাষেদি গৈ, দুয়ো আকৌ বাওঁফালে ঘূৰি, এটা ঠেক বাট পালেহি। ঠাইডোখৰ একেবাৰে আন্ধাৰ। কিন্তু অলপ পাচতে, ভিনিকিয়াচে, আন্ধাৰৰ মাজৰ পৰা কঁপি কঁপি অহা, শাৰী শাৰী চাকিৰ পোহৰ দেখিবলৈ পালে।

"সেয়া তেওঁলোক!" চিলোৱে চিঞৰি কলে।

"সঁচা," ইজনে উত্তৰ দিলে, "মই গীত শুনিবলৈ পাইছো।"

কথাটো মিছা নহয়। অকোঁৱা, পকোঁৱা পথত থকা, আন্ধাৰ ঠাই এখনৰ পৰা, প্ৰাৰ্থনাৰ সুৰ উটি আহিছে। তাৰ অলপ পাচতে, চাকিবোৰ অদৃশ্য হৈ পৰিল। কিন্তু কাষৰ পথবোৰেদি, নতুন নতুন দল কিছুমান আহিবলৈ ধৰিছে। ততালিকে, ভিনিকিয়াচ আৰু চিলোক, মানুহবোৰে আৱৰি ধৰিলে। খচ্চৰৰ পিঠিৰ পৰা নামি, চিলোৱে, কাষে কাষে গৈ থকা সৰু লৰা এটাক, হাত বাউল দি মাতিলে।

"মই খৃষ্টিয়ান পুৰোহিত।" সি কলে, "মই এজন বিচপ। আমাৰ খচ্চৰ দুটা চাবা। মই তোমাক আশীৰ্বাদ দিম, আৰু লগতে, সকলো পাপৰ পৰা তোমাক মুক্ত কৰিম।"

মুহূৰ্তৰ ভিতৰতে, দুয়ো মাটিৰ তললৈ যোৱা পথ পালেগৈ, আৰু চাকিৰ টিমিক্ টামাক্ পোহৰত, সুৰঙ্গ এটাইদি গৈ, আহল বহল খাদ এটাত উপস্থিত হ'ল। সুৰঙ্গতকৈ ইয়াত পোহৰ বেচি; চাকি আৰু মমবাতিৰ উপৰিও, ইয়াত কিছুমান জোৰ বাতিও জলোৱা হৈছে। ভিনিকিয়াচে দেখিলে, এদল মানুহে ইয়াত, আঠুকাঢ়ি প্ৰাৰ্থনা কৰি আছে। কিন্তু তাৰ মাজত, লিজিয়া, লিনাচ্ বা ধৰ্মগুৰু পিটাৰ, এজনো নাই। কিছুমানৰ মুখত ভয় আৰু আশঙ্কা; আৰু

কিছুমানৰ মুখত আশাৰ ভাব দেখা গৈছে। ওপৰলৈ চোৱা চকুবোৰৰ বগা অংশত, জোৰ বাতিৰ পোহৰ পৰিছে, চক মাটিৰ দৰে বগা কপালবোৰত, মুকুতাৰ শাৰীৰ দৰে, ঘামৰ বিন্দু জিলিকি উঠিছে। কিছুমানে প্ৰাৰ্থনা গীত গাইছে, কিছুমানে উত্তেজিতভাৱে, ক্ষণে, ক্ষণে যীশুৰ নাম লৈছে, আৰু কিছুমানে, নিজৰ বুকত চপৰিয়াই বিনাইছে। তৎক্ষণাৎ কিবা অলৌকিক কাণ্ড ঘটাবলৈকে যেন, সকলোৱে আশা কৰিছে।

হঠাৎ গীত বন্ধ হ'ল। প্ৰকাণ্ড শিল এছটা খান্দি নিয়াৰ ফলত সৃষ্টি হোৱা খোৰোঙ এটাত, ক্ৰিচ্‌পাচক দেখা গল। ঠাইডোখৰ সমবেত জনতাৰ মূৰৰ ওপৰত। ক্ৰিচ্‌পাচৰ চকু সোমোৱা, আৰু মুখ শেতা। সান্ত্বনা আৰু আশাৰ বাণী বিচাৰি, সকলো মানুহে, তেওঁৰ মুখলৈ চাবলৈ ধৰিলে। কিন্তু জনতাৰ সন্মুখত ক্ৰচ চিন আঁকি, তেওঁ ক্ৰোধত চিঞৰি উঠিল—,

"তোমালোকে নিজৰ পাপৰ বাবে, অনুতাপ কৰা। এতিয়া সময় উপস্থিত হৈছে। বিলাসিতা আৰু পাপেৰে পূৰ্ণ নগৰীত,—এই নতুন বেবিলনত, ভগৱানে সৰ্ব্বগ্ৰাসী অগ্নি মেলি দিছে। প্ৰভুৰ বিচাৰৰ সময় উপস্থিত! ক্ৰোধ আৰু ধ্বংস-লীলাৰ সময় উপস্থিত! প্ৰভুৱে তেওঁৰ পুণৰাগমনৰ কথা পূৰ্ব্বতে জনাইছিল। তোমালোকে অলপতে তেওঁক দেখিবলৈ পাবা। কিন্তু প্ৰভু এইবাৰ নিৰীহ ৰূপত অৱতীৰ্ণ নহয় —তোমালোকৰ পাপ খণ্ডন কৰিবৰ বাবে। ন্যায় বিচাৰ কৰিবৰ বাবেহে তেওঁৰ আবিৰ্ভাৱ হব,—ভয়ানক বিচাৰকৰ ৰূপত। পাপী আৰু অবিশ্বাসীৰ দলবোৰক, তেওঁ নৰক কুণ্ডত নিক্ষেপ কৰিব। সিহঁতৰ বাবে, তেওঁৰ কোনো দয়া নাই। হে যীশু! তোমাক মই দেখিবলৈ পাইছো। ইতিমধ্যে, তৰাবোৰ খহি পৰিছে, সূৰ্য্যৰ পোহৰ নাইকিয়া হৈছে, পৃথিবীত ফঁাট মেলিছে, আৰু সমাধিৰ পৰা মৃত ব্যক্তি জাগি উঠিছে। হে প্ৰভু! তোমাৰ আগমনৰ শিঙা বাজি উঠিছে। দেৱদূতৰ দ্বাৰা পৰিবেষ্টিত হৈ, বজ্ৰ নিনাদে তুমি আহিছা। হে যীশু! মই তোমাক দেখিবলৈ পাইছো,—মই শুনিছো, তোমাৰ আগমনৰ ধ্বনি।"

মূৰটো ওপৰলৈ তুলি বক্তাজনে, বহু উৰ্দ্ধত থকা ভয়ঙ্কৰ দৃশ্যলৈ চোৱাৰ দৰে চাবলৈ ধৰিলে,—অনিমেষ দৃষ্টিৰে। হঠাৎ ভয়ঙ্কৰ বিস্ফোৰণৰ শব্দ উঠিল; তাৰ পাচত দ্বিতীয় আৰু তৃতীয়বাৰ হোৱা ভয়ঙ্কৰ শব্দত, গুহাটো কঁপিবলৈ ধৰিলে। এই সময়ত, নগৰীত, শাৰীয়ে শাৰীয়ে অগ্নিদগ্ধ হোৱা অট্টালিকা খহি খহি পৰিছে, টুকুৰা টুকুৰ হৈ। কিন্তু সৰহ ভাগ খুটিখানে থিৰি ললে, এই শব্দবোৰ,

ভয়ঙ্কৰ বিচাৰৰ দিন অহাৰ, সঙ্কেত ধ্বনিয়েই নিশ্চয়। প্ৰভুলৈ ভয় কৰি, সন্মিলিত জনতাৰ বুকু কঁপিবলৈ ধৰিলে। বহুতে বাৰে বাৰে, উচ্চাৰণ কৰিলে,—"আমাৰ বিচাৰৰ কাল উপস্থিত! পৰম সত্য, এতিয়া আমাৰ সন্মুখ পাইছোঁহি।"

পৃথিৱীখনৰ ভেটি কঁপি উঠিব, আৰু তাৰ গভীৰ ফাটবোৰেদি, নৰকৰ জুই ওলাই আহি, পাপীবোৰৰ ওপৰত জপিয়াই পৰিব বুলি বিশ্বাস কৰি, কিছুমানে হাতৰ মাজত মুখ লুকুৱালে। আন বিলাকে চিঞৰিলে, "হে যীশু! আমাক কৃপা কৰা। হে পতিত পাৱন! তোমাৰ কৃপা প্ৰদৰ্শন কৰা!" কিছুমানে প্ৰকাশ্যে নিজৰ পাপ স্বীকাৰ কৰিলে, কিছুমানে ওচৰত থকাবোৰক, আকোৱালি ধৰিলে, যাতে ভয়ঙ্কৰ সময় আহি উপস্থিত হলে, বন্ধুৰ স্নেহপূৰ্ণ হৃদয়ৰ স্পন্দন অনুভৱ কৰিব পাৰে। একে সময়তে, কিছুমানৰ মুখত প্ৰকাশ পালে, ভয়হীন, স্বৰ্গীয় সুখৰ ভাব। কোনেও নুবুজা ভাষাৰে, এই মানুহবোৰে আনন্দৰ, আৰু পৰিপূৰ্ণ সুখৰ ভাব, ফুটাই তুলিলে। গুহাৰ আন্ধাৰ কোণৰ পৰা, কোনোবা এজনে চিঞৰা শুনা গল, "যিবোৰে ইমান দিন চকু মুদি শুই আছিলা, এতিয়া জাগি উঠা।"

পুণৰ সকলো মাতকে চেৰ পেলাই, ক্ৰিচ্পাচৰ কণ্ঠ বাজি উঠিল,—

"তোমালোকে নিজৰ পাৰ্থিব সম্বল ত্যাগ কৰা। পৃথিবীখন এতিয়া কোচ খাই, কাগজৰ মুৰা এটাৰ দৰে হ'ব। তোমালোকে পাৰ্থিব প্ৰেম ত্যাগ কৰা। কাৰণ যিবিলাকে, নিজৰ ভিবোতা আৰু লৰাছোৱালীক, তেওঁতকৈ বেচি ভাল পায়, সেইবিলাকৰ সৰ্ব্বনাশ ঘটিব। যিবিলাকে ঈশ্বৰৰ সৃষ্টিক, স্ৰষ্টাতকৈ ভাল বুলি বাছি লয়, সেইবিলাকক মই ধিক্কাৰ দিওঁ। ধন-সম্পদ, আৰু আড়ম্বৰক, ধিক্কাৰ দিওঁ। ইন্দ্ৰিয়াসক্তক শতবাৰ ধিক্কাৰ! হায়! হায়! নাৰী, পুৰুষ আৰু শিশুৰ কি গতি হ'ব।"

এইবাৰ, আগতকৈও গভীৰ বিস্ফোৰণৰ শব্দত, গুহাটো কঁপি উঠিল। তৎক্ষণাৎ গোটেইবোৰ মানুহে, তললৈ মুখ কৰি, মাটিত শুই পৰিল। সিহঁতে নিজৰ হাত-বোৰ সাৰুটি ভূত প্ৰেত আৰ্তবোৰাৰ ইঙ্গিত সূচক ভঙ্গী কৰিলে। নিঃশব্দতাৰ মাজত সকলোৱে "যীশু! যীশু! যীশু!" বুলি ঘন, ঘনকৈ, উশাহ লবলৈ ধৰিলে। অ'ত, ত'ত দুই এটা শিশুৱে, কান্দিলে। তাৰ পাচত, হঠাৎ শান্ত, কোমল, মাত এষাৰ শুনা গল, "তোমালোকৰ শান্তি হওক!" এইয়া ধৰ্ম্মগুৰু পিটাৰ, তেওঁ এইমাত্ৰ সোমাইছেহি।

বথীয়া অহা দেখিলে, বিদ্যুতে এৱন ভেৰাৰ আতঙ্ক নোহোৱা হৈ যায়, ঠিক সেইদৰে, পিটাৰক দেখি, সকলোৰে—মনৰ ভয় আঁতৰি গল। সকলোৱে থিয় দিলে, আৰু বিবোৰ মানুহ, পিটাৰৰ নিচেই ওচৰত আছিল, সিহঁতে তেওঁৰ আঠুত সাৱটি ধৰিলে। পৰিত্ৰাণ পাবলৈ, দেৱদূতৰ পাখিৰ আঁৰত আশ্ৰয় লোৱাৰ দৰে সিহঁতে পিটাৰৰ আশ্ৰয় ললে। চিন্তাক্লিষ্ট জনতাৰ মুখৰ ওপৰলৈ, দুই বাহু প্ৰসাৰিত কৰি, তেওঁ কবলৈ ধৰিলে, "তোমালোকৰ মনত কিহৰ বাবে ইমান ত্ৰাস? কিবা এটা ঘটাৰ পূৰ্ব্বে, কি ঘটিব, কেতিয়া ঘটিব, কোনোবাই কব পাৰিবনে? সঁচা এই কথা,—যিথন বেবিলনে, জগতক আজি ভয়ানক ব্যভিচাৰৰ সুৰাৰে উন্মত্ত কৰিছে, সেই বেবিলনক, ভগৱানে অগ্নি দহনেৰে দণ্ড বিহিছে। কিন্তু যি সকলক দীক্ষা স্নানে পৱিত্ৰ কৰিছে, যাক নিৰীহ প্ৰভুৱে পাপৰ পৰা উদ্ধাৰ কৰিছে, তেওঁলোকৰ প্ৰতি প্ৰভু প্ৰসন্ন হৈ, কৃপা বিস্তাৰ কৰিব। যদি অন্তিমকাল উপস্থিত হয়, তেওঁৰ নামকে লৈ, তোমালোকে মৃত্যু বৰণ কৰিবা। শান্তি হওক সকলোৰে!"

ক্রিচ্‌পাচৰ অভিশাপ বৰ্ষণ হোৱাৰ পাচতে, পিটাৰৰ এই আহ্বানে, জনতাৰ প্ৰাণত শান্তিৰ প্ৰলেপ বুলাই দিলে। প্ৰভুৰ প্ৰতি ভয়ৰ ভাবৰ ঠাইত, প্ৰেমৰ ভাবে, সকলোৰে হৃদয় পূৰ্ণ কৰিলে। কেউদিশৰ পৰা, চিঞৰ শুনা গল, "হে প্ৰভু! আমি তোমাৰ শৰণাগত।" যি সকল ভক্ত, পিটাৰৰ নিচেই কাষতে আছিল, তেওঁলোকে, তেওঁৰ পদ তলত আঠুকাঢ়ি জনালে, "দুখৰ সময়ত আমাক ত্যাগ নকৰিব, প্ৰভু!"

ভিনিকিয়াচেও, ধৰ্ম্মগুৰুৰ কাপোৰৰ আগত খামোচ মাৰি ধৰি, তললৈ মুখ কৰি জনালে, "হে পিতা! মোক সহায় কৰক! জুইৰ মাজেদি, হুলস্থুলৰ মাজেদি গৈ, মই সকলো ঠাইতে, লিজিয়াক বিচাৰিছো। কিন্তু ক'তো বিচাৰি পোৱা নাই। মই সৰ্ব্বান্তঃকৰণে বিশ্বাস কৰো, একমাত্ৰ আপুনিয়ে তেওঁক উদ্ধাৰ কৰি আনি, মোৰ হাতত দিব পাৰিব।"

গুৰুৱে ভিনিকিয়াচৰ মুখত হাত থৈ কলে, "মাত্ৰ বিশ্বাস নেহেৰুৱাবা, মোৰ পাচে, পাচে, আঁহা।"

॥ ৫ ॥

এস্তিয়াৰৈলৈকে নগৰখন জ্বলিয়ে আছে। গ্ৰীক ক্ৰীড়াভৱন ধ্বংস স্তূপত পৰিণত হ'ল। বতাহে দিক সলনি কৰি, সাগৰৰ ফালে ববলৈ আৰম্ভ কৰিছে। লাহে, লাহে তাৰ গতিও প্ৰচণ্ড হৈ আহিল। চিলিয়ান, ভিমিনেলিয়ান আৰু এচ্কুইলিন, পাহাৰত বতাহে, জুই, ফিৰিঙতি আৰু জ্বলন্ত ছাইবে, আক্ৰমণ চলালে।

নগৰখন ৰক্ষা কৰাৰ বাবেও কিছুমান চেষ্টা চলোৱা হ'ল। জুই লগাৰ তিনিদিনৰ পাচত, টাইগেলিনাচ্ এন্টিয়ামৰ পৰা উলটি আহিল, আৰু এচ্কুইলিন পাহাৰত থকা, কেইশাৰীমান ঘৰ ভাঙি দিবলৈ হুকুম দিলে, যাতে জুইৰ অগ্ৰগতি বন্ধ কৰি, পলমকৈ হলেও, নগৰৰ অৱশিষ্ট সামান্য অংশ, ৰক্ষা কৰা যায়।

দ্বিতীয় দিন শেষ হোৱাৰ আগতে, দুৰ্ভিক্ষই দেখা দিলে। শস্যাদি সংগ্ৰহ কৰি থোৱা, প্ৰকাণ্ড খাদ্য ভাণ্ডাৰ পুৰি শেষ হ'ল। নতুনকৈ খাদ্য সংগ্ৰহ কৰি ৰখা কথাটো, কোনেও ভবা নাছিল। টাইগেলিনাচ আহি পোৱাৰ আগলৈকে খাদ্য সামগ্ৰী শীঘ্ৰে পঠিয়াবলৈ অষ্টিয়ালৈ আদেশ পঠোৱা হোৱা নাছিল। ইতিমধ্যে ৰাইজে, বিদ্ৰোহী মনোভাব লবলৈ ধৰিলে। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে, টাইগেলিনাচৰ একোৱা এগ্নিয়াৰ বাসভৱনলৈ, দলে, দলে, ভিৰোতা মানুহে আহি, বিক্ষোভ প্ৰদৰ্শন কৰিলে, "আমাক ৰুটি, আৰু থাকিবলৈ ঠাই দিয়ক!" ভায়া চেলেৰিয়া আৰু ভায়া নোমেন্টানা পথৰ মাজত থকা প্ৰধান শিবিৰৰ পৰা, গাৰক্ষী সেনা আহি, বৃথাই চেষ্টা কৰিলে, আইন আৰু শৃঙ্খলা ৰক্ষা কৰিবলৈ। সিহঁত, অস্ত্ৰধাৰী জনতাৰ প্ৰতিৰোধৰ সন্মুখীন হ'ল। পিচত থকা অস্ত্ৰবিহীন জনতাই, চিঞৰিবলৈ ধৰিলে, "এই কুৰা জুই আগত ৰাখি, আমাৰ ডিঙি কাটহিচোন চাওঁ।" সকলো ঠাইতে, চিজাৰৰ ওপৰত অভিশাপ বৰ্ষণ হ'ল। অগষ্টান আৰু গা-ৰক্ষী সেনাকো সিহঁতে পাৰেমানে শাও শপনি দিবলৈ ধৰিলে। প্ৰহৰে, প্ৰহৰে অশান্তি বাঢ়ি গ'ল।

নিশা টাইগেলিনাচে ৰেভিয়া, নগৰ বেৰি থকা জুইকুৰাৰ কথা ভাবিলে, ভেতিয়া, শত্ৰুৰ ছাউনীত জ্বলা জুই একুৰা দেখাৰ দৰে লাগিল তেওঁৰ।

নিশা খাদ্যবস্তু প্ৰথমে অহা মাত্ৰকে, এভেন্টাইন পাহাৰৰ কাষত থকা, ৰাষ্ট্ৰীয় বিপণিৰ প্ৰধান দুৱাৰবোৰ ভাঙি, জনতা সোমাই গল, আৰু ইচ্ছামতে

বস্ত হস্তগত কৰিবলৈ ধৰিলে। জুইৰ পোহৰত, সিহঁতে খোৱা বস্তুৰ কাৰণে পৰস্পৰে যুঁজিবলৈ আৰম্ভ কৰিলে। ফলত বহুত বস্ত গচকত পিঠা হ'ল। ময়দাৰ বস্তাৰ মুখ, কাটি খোলাৰ বাবে, ক্লুচাচ্ আৰু জার্ম্মেনিকাচৰ বিজয় তোৰণৰ পৰা খাদ্য ভাণ্ডাৰলৈকে বিস্তৃত, সুবৃহৎ মুকলি ঠাইখন, ময়দাৰে বগা হৈ পৰিল, যেন বৰফহে পৰিছে। যেতিয়া সৈন্যবোৰে, মানুহবোৰক অস্ত্ৰেৰে আক্ৰমণ কৰি, ভৰাঁলবোৰ ঘেৰি ললে, তেতিয়াহে এই দুখলগা অৱস্থাৰ অৱসান ঘটিল।

ব্ৰেন্নাচৰ অধীনত গল বিলাকে ৰোম আক্ৰমণ কৰাৰ পাচত, ৰোমৰ এনে শোকলগা অৱস্থা, কোনো দিনে হোৱা নাছিল। আনকি, সেই সময়তো, কেপিটোল পাহাৰত, কোনো হানি, বিঘিনি ঘটা নাছিল। কিন্তু এতিয়া ভয়াবহ অগ্নিয়ে, সেই ঠাইকে কেন্দ্ৰ কৰি, গোটেই নগৰত প্ৰলয় কাণ্ড ঘটাইছে। ৰাতি বতাহে যেতিয়া, জুইৰ প্ৰাচীৰখন অলপ আতঁৰাই দিয়ে, তেতিয়া দেখা যায় উচ্চ স্থানত প্ৰতিষ্ঠিত জুপিটাৰৰ মন্দিৰৰ স্তম্ভমালা, জুইত পুৰি ৰঙা হৈ গৈছে।

চিজাৰৰ আদেশমতে, এচিয়া আৰু আফ্ৰিকাৰ প্ৰদেশবোৰৰ পৰা, ধন, সোণ, উদণ্ডাই আনি, ৰোমৰ প্ৰজাৰ মাজত ভাগ কৰি দিয়া হ'ব বুলি, কেউদিশে বার্ত্তা প্ৰচাৰ হ'ল। তেতিয়া প্ৰতিজন মানুহে, পুণৰ নিজৰ ঘৰ দুৱাৰ সাজি লব পাৰিব। লগতে এই কথাও প্ৰচাৰ হল যে, পাহাৰৰ ওপৰৰ পৰা জলসৰবৰাহৰ নলীয়েদি অহা পানীত, বিহ দিয়া হৈছে; কাৰণ চিজাৰে গোটেই নগৰ, আৰু তাৰ মানুহকো, নির্ম্মূল কৰিব খুজিছে। তেওঁ গ্ৰীচ্ বা ইজিপ্তলৈ গুচি যাব, আৰু গোটেই বিশ্ব শাসন কৰিব। এনে উৰা বাতৰিবোৰ, অদ্ভুত ক্ষিপ্ৰতাৰে বিয়পিবলৈ ধৰিলে। পৃথিবীখন জুয়ে এদিন ধ্বংস কৰি পেলাব বুলি, খৃষ্টিয়ানসকলৰ মাজত যি বিশ্বাস আছিল, সি সত্যত পৰিণত হ'ল যেন লগাৰ বাবে, মূৰ্ত্তি উপাসকৰ ভিতৰৰ বহুতে, নতুনকৈ খৃষ্ট ধৰ্ম্ম গ্ৰহণ কৰিলে।

একাংশ নগৰবাসীৰ সহায়ত, সেনাবোৰে এচ্কুইলিন, আৰু চিলিয়ান্ পাহাৰত আৰু টাইবাৰৰ সিপাৰত থকা ঘৰবোৰ ভাঙিবলৈ ধৰিলে। ফলত তাৰ সৰহ অংশ ৰক্ষা পৰিল। কিন্তু বহু শতাব্দী ধৰি, বিজয় অভিযান কৰি লুটি অনা, যিবোৰ বহুমূলীয়া সম্পদ, নগৰখনত সঞ্চিত হৈ আছিল, সেই আটাইবোৰ জুইত জাহ গল। অমূল্য শিল্প সম্পদ, মন্দিৰ, আৰু প্ৰাচীন ৰোমৰ

ঐতিহাসিক গৌৰৱপূৰ্ণ এটা যুগৰ, বহুতো বহুমূলীয়া স্মৃতি চিহ্ন, নিৰ্মূল হৈ গল।

চিজাৰলৈ প্ৰেৰণ কৰা প্ৰতিখন চিঠিতে, টাইগেলিনাচে সম্ৰাটক বিনতি জনালে, উন্মত্ত প্ৰজাক দৰ্শন দি, শান্ত কৰিবৰ বাবে, তেওঁ যেন ৰোমলৈ উলটি আহে। কিন্তু যি দিনা জুইকুৰা, ডোমাচ ট্ৰেন্‌জিটোৰিয়াৰ ওপৰলৈকে উঠিল, সেই দিনাহে নিৰোৱে যাত্ৰা আৰম্ভ কৰিলে। জুইৰ ধ্বংসাত্মক শক্তিয়ে, চৰম সীমা পোৱাৰ মুহূৰ্ত্তত, নগৰত উপস্থিত হৈ, ধ্বংসলীলা উপভোগ কৰাৰ মানসেৰে, তেওঁ ইচ্ছা কৰি বাটে, বাটে, ৰৈ আহিছিল।

এতিয়া জুইকুৰাই, ভায়া নোমেন্‌টানা আক্ৰমণ কৰিলে। তাৰ পাচত, গতি সলনি কৰি, ভায়া লাটা, আৰু টাইবাৰৰ ফালে বতাহ বৰলৈ ধৰাত কেপিটোল পাহাৰৰ চাৰিওফালে, জুয়ে বেৰি ধৰিলে। ফ'ৰাম বোৰেৰিয়াম্‌ জুইত জাহ গল। প্ৰথমে জুই লাগোতে, যিবোৰ ঠাই ধ্বংসৰ মুখৰ পৰা সাৰি আছিল, এতিয়া সেই আটাইবোৰ, ধ্বংসস্তুপত পৰিণত হ'ল। আনকি, পেলেটাইন্‌ পাহাৰতো জুই লগাৰ সম্ভাৱনা ঘটিল। টাইগেলিনাচে নিৰাপত্তা ৰক্ষী সেনা আটাইবোৰকে মতাই আনি, সাজু কৰি ৰাখিলে। তেওঁ চিজাৰৰ ওচৰলৈ, এটাৰ পাচত এটাকৈ কটকী পঠাই, খবৰ দিয়ালে যে, জুই পুণৰ বাঢ়ি গৈছে। গতিকে তেওঁ আহি, জ্বলন্ত দৃশ্যৰ জক্‌মকীয়া শোভা দৰ্শন কৰিব পাৰিব। ইতিমধ্যে, চিজাৰো নগৰ অভিমুখে যোৱা পথত উপনীত হৈছিল যদিও, ৰাতিহে, তেওঁ নগৰত ভৰি দিবলৈ ইচ্ছা কৰিলে। কাৰণ, সেই সময়তহে, দগ্ধ নগৰীৰ দৃশ্য, অপূৰ্ব সুন্দৰ হৈ উঠিব। এইবাৰে, তেওঁ একোৱা আল্‌বানাৰ ওচৰত, অলপ সময় ৰ'ল। তাৰ পাচত, অভিনেতা আলিটুৰাচক, তেওঁৰ শিবিৰত উপস্থিত থাকিবলৈ আদেশ দিলে। অভিনেতা জনৰ সহায়ত শোকাবহ ঘটনা প্ৰকাশৰ উপযোগী ভঙ্গিমা আয়ত্ব কৰিবলৈ চেষ্টা কৰি, তেওঁ চকুৰ ভঙ্গীকে আদি কৰি, নানান ৰকমৰ অঙ্গী ভঙ্গীৰ,আখৰা দিবলৈ ধৰিলে। লগতে আলোচনা কৰিলে, "ইতা পৰ্ব্বতটৈকেও বেচি স্থিৰ যেন লগা, পবিত্ৰ নগৰী মোৰ।" বুলি কওঁতে, তেওঁ স্বৰ্গৰ উদ্দেশ্যে, দুয়োহাত ওপৰলৈ তুলিব নে, এখন হাতত বীণা লৈ, বীণাখন ওচৰতে হাতৰ পৰা সুলকি পৰিবলৈ দি, ইখন হাত ওপৰলৈ তুলিব! এই দুৰ্যোগৰ পটভূমিত তেওঁ নতুনকৈ লেখা কবিতাটোত মাজে, মাজে দেৱতাসকলক সম্বোধন কৰি কিছুমান একলী ভাষাৰ

কট্‌ক্তি, যোগ দিবনে নিদিয়ে, এই কথা পেট্ৰোনিয়াচক সুধি চালে। বলাৰ পবিত্ৰ অনুভূতিৰ দিশলৈ লক্ষ্য কৰিলে, স্বদেশ হেৰুউৱা ব্যক্তিৰ মুখত, এনে কট্‌ক্তি স্বতঃস্ফূৰ্ত নহ'বনে?

অৱশেষত মাজনিশা নগৰৰ প্ৰাচীৰ তেওঁ দেখিবলৈ পালে। তেওঁ আৰু তেওঁৰ সভাসদবৰ্গ, চিনেটৰ সভ্য, নাইট, মুক্তদাস, দাস, নাৰী আৰু শিশুৰ দলটো, নগৰৰ ওচৰ চাপি আহিল। যোল্ল হাজাৰ নিৰাপত্তা ৰক্ষী সৈন্য গোটেই বাটটোতে, যুদ্ধৰ প্ৰস্তুতিৰে, সম্ৰাটৰ যাত্ৰাপথৰ ৰক্ষক ৰূপে, সাজু হৈ থাকিল। সমদল যাত্ৰী সকললৈ লক্ষ্য কৰি, মানুহবোৰে চিঞৰিলে, সুহুৰিয়ালে, আৰু যিমান পাৰে, শাও শপনি বৰষিবলৈ ধৰিলে। কিন্তু আক্ৰমণাত্মক মনোভাব দেখুৱাবলৈ, কোনেও সাহ নকৰিলে। কিছুমানে একো হেৰুউৱা নাছিল, কাৰণ হেৰুৱাবলৈ সিহঁতৰ একোটোৱে নাছিল। এই শ্ৰেণীৰ মানুহবোৰে এতিয়া, সৰহ পৰিমাণে তেল, শস্য, কানি-কাপোৰ, টকা পইচা আদি, বিতৰণ হ'ব বুলি আশা কৰি, চিজাৰৰ উদ্দেশ্যে স্তুতিবাক্য উচ্চাৰণ কৰিলে। কিন্তু, ফেঁচাৰ দৰে চিঞৰা কৰ্কশ স্বৰ, আৰু প্ৰশংসাৰ ধ্বনি, আটাইবোৰকে তল পেলাই, টাইগেলিনাচৰ নিৰ্দ্দেশত, শিঙা, পেপা আদি বাদ্যৰ কলৰব উঠিল। পোৰ্টা ওচ্‌টিয়েন্‌চিচ্ পাৰ হোৱাৰ পাচত, নিৰোৱে অলপপৰ ৰৈ, আবৃত্তিৰ সুৰ তুলিলে,

"হে অঘৰী প্ৰজাৰ আশ্ৰয়বিহীন সম্ৰাট! আজি নিশা, তোমাৰ দুৰ্ভগীয়া মস্তকে ক'ত ঠাই পাব?"

তাৰ পাচত, ক্লিভাচ ডেলফিনি পাৰ হৈ তেওঁ, বিশেষ যত্নেৰে সজা খট্‌খটিয়েদি, এপিয়ান্ পাহাৰৰ ওপৰত অৱস্থিত, জলসৰবৰাহ নলীৰ কাষলৈ উঠি গ'ল। তেওঁৰ লগতে অগষ্টান্‌সকল আৰু বীণা আৰু জিথাৰ হাতত লৈ নৃত্য-গীত পৰিবেশনকাৰীসকলো উঠি গ'ল— এই সুবিধাজনক ঠাইলৈ।

নিৰোৰ মুখৰপৰা, এই মুহূৰ্তত, কি মহান উক্তি নিঃসৃত হয়, তাৰ অপেক্ষাত সকলো শ্বাসৰুদ্ধ হৈ গ'ল। নিস্তব্ধে থিয় হৈ ৰ'ল নিৰো,—তেওঁৰ মুখত গহীন দুখৰ ভাব, কান্ধৰ ওপৰত কজলা বসন, আৰু তেওঁৰ চকুৰ দুটি অগ্নিৰ ক্ৰোধ মূৰ্ত্তিৰ ওপৰত নিবদ্ধ। অৱশেষত, যেতিয়া টাৰ্পনোচে তেওঁৰ হাতত বীণাখন তুলি দিলে, তেতিয়া তেওঁ জুইৰ পোহৰত ৰঙা হৈ পৰা

আকাশলৈ, চকু তুলিলে। যেন উৰ্দ্ধলোকৰ পৰা অহা অনুপ্ৰেৰণাই, তেওঁৰ প্ৰাণত, কাব্যিক ভাব জগাই তুলিব!

কাৰুকাৰ্য্যপূৰ্ণ জলসৰবৰাহৰ সুউচ্চ গোলাকাৰ স্তম্ভৰ উপৰিভাগত, নিৰো থিয় দি থাকিল; বঙা উজ্জল পোহৰত, মানুহবোৰে তেওঁক, দূৰৰ পৰাই দেখিবলৈ পালে। তলত ভেতিয়া, বঙ্কিম বহ্নিৰ সৰ্পিল গতি, আৰু ফেঁাচ ফেঁাচ কৰ, কৰ শব্দ। আকাশৰ বুকুত ভগমগাই জ্বলি উঠিছে,— শুচি, অশুচি, সকলো ঘৰৰ অৱশিষ্ট অংশ। জ্বলি উঠিছে,— ইভেনদাৰে সজোৱা হাৰকিউলিজৰ মন্দিৰ, জুপিটাৰ ষ্টেটোৰ মন্দিৰ, চাৰ্ভিয়াচ্ টিউলিয়াচৰো আগৰ লুনাৰ মন্দিৰ, নুমা পম্পিলিয়াচৰ প্ৰাসাদ, ৰোমৰ মানুহৰ গৃহদেৱী ভেষ্টাৰ থান, আদি পুৰণি স্মৃতি বিজড়িত, সকলো ঠাই। জুইৰ আঁৰ কাপোৰৰ ফঁাকে, ফঁাকে মাজে সময়ে কেপি-টোল পাহাৰো চকুত পৰিছে। ৰোমৰ গোটেই অতীত, জুইত জাহ যাবলৈ ধৰিছে। এই অৱস্থাৰ সন্মুখত চিজাৰে, বিয়োগান্ত নাটকৰ নায়কৰ মুখা পিন্ধি, হাতত বীণা লৈ থিয় দিছে! জুয়ে গ্ৰাস কৰি পেলোৱা, দেশ মাতৃকাৰ শোক লগা অৱস্থাই, তেওঁক বিচলিত কৰা নাই অকণো। তেওঁৰ এতিয়া একমাত্ৰ চিন্তা হল, এই চমকপ্ৰদ দুৰ্যোগৰ উপযোগী কৰি, কেনে ধৰণৰ উক্তি, আৰু অঙ্গী-ভঙ্গীৰে নিজৰ কলা নৈপুণ্য প্ৰকাশ কৰিব।

এই নগৰীক, এইবোৰ মানুহক, তেওঁ ঘৃণাৰ চকুৰে চাইছিল। তেওঁ মাত্ৰ ভাল পায়, নিজে ৰচা কবিতা আৰু গীত। অৱশেষত, প্ৰকৃত শোকৰ ছবি এখন দেখিবলৈ পাই, তেওঁ পুলকিত হৈ উঠিছিল। ইয়াতকৈ বেছি আৰু কি কামনা কৰিব পাৰে? পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ নগৰী ৰোম, অগ্নিগৰ্ভত লীন হবলৈ ধৰিছে, আৰু তেওঁ হাতত সোণ খটোৱা বীণা লৈ, জলসৰবৰাহ স্থলীৰ গোলা-কাৰ স্তম্ভৰ ওপৰত, অভিনয়ৰ ভঙ্গীত থিয় দিছে! চাৰিওফালৰ মানুহৰ চকুত পৰিছে, কজলা বসনধাৰী এই কৰুণ মূৰ্ত্তি! বহুত তলত আন্ধাৰৰ মাজত অশান্ত, সৰ্ব্বস্বান্ত জনতাৰ ভিৰ। ক্ৰোধ আৰু হতাশাত সিহঁতে মুখৰ ভিতৰতে কি বকিছে, তালৈ কাণ দিয়ে কোনে? বহু যুগ পাৰ হৈ যাব,—সময়ৰ গৰ্ভত সহস্ৰ বছৰ লীন হ'ব। বহু শতাব্দী ধৰি মানুহে এই কবিৰ জয়গান গাব, যিজনে সেই নিশা গাই-ছিল, অগ্নিগৰ্ভত লীন হোৱা ট্ৰয় নগৰৰ কৰুণ গীত!! তেওঁৰ তুলনাত হোমাৰ কোন কুটা? কোপোলা বীণ বজোৱা এপোলোও তেওঁৰ ওচৰ চাপিব পাৰিব জানো? চিজাৰৰ অহঙ্কাৰে জনাব খুজিছে, তেৱেঁই সেই কবি!

চিঙাবে হাত দুখন ওপৰলৈ ভুলিলে। তাৰ পাচত, বীণৰ তাঁৰত হাত বুলাই গালে,— প্ৰায়েমে কোৱা কথাখিনি,—

"হে মোৰ পিতৃপুৰুষৰ স্থান! মোৰ হৃদয়ৰ অতিকে আপোন শৈশৱৰ ওমলা ঠাই!"

মুকলি ঠাইত, জুইৰ কৰ, কৰ শব্দ, আৰু প্ৰজাবৃন্দৰ অস্ফুট ধ্বনিৰ মাজত তেওঁৰ মাতটো, অদ্ভুত ধৰণে দুৰ্ব্বল শুনা গ'ল। বীণৰ তাঁৰৰ বেসুৰা শব্দ, ক্ষুদ্র পতঙ্গ এটাৰ গুঞ্জনৰ দৰে বাজি উঠিল। যিকি নহওক, চিঙাবে গীত জুৰিবলৈ ধৰাৰ লগে লগে চিনেটৰ সকলো সভ্য, কৰ্ম্মচাৰী, আৰু তাত উপস্থিত থকা অগষ্টানে, তেওঁৰ সম্মুখত, তললৈ মূৰ কৰিলে আৰু নীৰৱে, আনন্দচিত্তে, শুনাৰ দৰে ভাব দেখুৱালে। বহু সময় তেওঁ, গীত গায়ে থাকিল। লাহে, লাহে গীতৰ সুৰে কৰুণ ভাব প্ৰকাশ কৰিলে। অৱশেষত, উশাহ চুটি হৈ অহাত যেতিয়া তেওঁ গীত বন্ধ কৰিবলৈ বাধ্য হল, তেতিয়াহে গায়কৰ দলটোৱে গীতৰ বাকী অংশ গাই শেষ কৰিলে। তাৰ পাচত আলিটুবাচে শিকোৱাৰ দৰে ভঙ্গী কৰি, নিৰোৱে বিয়োগান্ত নাটকৰ নায়কৰ সাজ পিন্ধি, পুণৰ বীণৰ তাঁৰত ঝঙ্কাৰ দি, গীত গোৱাত মগ্ন হৈ পৰিল।

গীতটো শেষ হোৱাৰ পাচত, তেওঁ সেই ঠাইতে বহি নতুন গীত ৰচনাত প্ৰবৃত্ত হ'ল। চকুৰ আগত দেখা, জ্বলন্ত দৃশ্যৰ সহায় লৈ, অতিকৈ সুন্দৰ উপমা ভাবি উলিয়াবলৈ, তেওঁ চেষ্টা কৰিলে। লাহে, লাহে তেওঁৰ মুখৰ ভাব সলনি হল। জন্মভূমিৰ ধ্বংসাৱস্থাই, তেওঁৰ মন অকণো বিচলিত কৰা নাই; কিন্তু নিজৰ কবিতাৰ কৰুণ ভাববোৰ আকণ্ঠ পান কৰি তেওঁৰ চকুদুটা সঁচাকৈয়ে সজল হৈ উঠিল; অৱশেষত তেওঁ বীণখন হাতৰপৰা এৰি দিলে। কাঁহ পৰি জীণ যোৱাৰ দৰে, বীণৰ ঝন্ ঝন্ শব্দ উঠি, জীণ গ'ল। পুণৰ, শোকৰ বসন গাত মেৰিয়াই লৈ, তেওঁ স্থিৰ হৈ থিয় দি থাকিল—পাষাণ মূৰ্ত্তিৰ দৰে! ৰাজপ্ৰাসাদৰ প্ৰাঙ্গন শোভা কৰা, শোকাভিভূতা নাইয়োবীৰ প্ৰস্তৰ মূৰ্ত্তিৰ দৰে দেখা গল তেওঁক।

অৱশেষত প্ৰশংসাৰ বৰ্ষণে, নিস্তব্ধতা ভঙ্গ কৰিলে। কিন্তু তলত থকা সমবেত জনতাই, ফেঁচাৰ চিঞৰৰ জাউৰি তুলি, তেওঁৰ অভিনয়ৰ প্ৰত্যুত্তৰ দিলে। বাইজৰ ভিতৰত, কাৰো অকণো সন্দেহ নাথাকিল যে, চিঙাৰৰ আদেশতে নগৰত জুই দিয়া হৈছে, যাতে তেওঁ দৃশ্যটো উপভোগ কৰি, স্বৰচিত গীত

গাৰ পাৰে। শত সহস্ৰ কণ্ঠৰ চিৎকাৰ, আৰু কোলাহল শুনি, নিৰোৱে, নিষ্ঠুৰ আৰু অন্যায় ব্যৱহাৰ পোৱা, মানুহ এজনৰ দৰে, কৰুণভাৱে হাঁহি, অগষ্টান সকললৈ চাই কলে,—

"চোৱা, কুইৰাইট্‌সকলে কিদৰে মোক প্ৰশংসা কৰিছে, আৰু কি ভাৱে মোৰ কবিতাৰ প্ৰতি আগ্ৰহ দেখুৱাইছে।"

"এনে দুৰ্দান্ত ইহঁত!" ভেটিনিয়াচে উত্তৰ দিলে,—"নিৰাপত্তাৰক্ষী সেনা-দলক আদেশ দিয়ক, ইহঁতক আক্ৰমণ কৰিবলৈ।"

এই কথা শুনি, নিৰোৱে টাইগেলিনাচৰ ফালে চালে।

"সেনাইতৰ প্ৰভুভক্তিত আস্থা ৰাখিব পাৰোনে?"

"হয়, স্বৰ্গদেউ ঈশ্বৰ!" সেনাধিনায়ক টাইগেলিনাচে উত্তৰ দিলে।

কিন্তু পেট্ৰোনিয়াচে, বিৰক্তিত কান্ধ দুটা জোকাৰ মাৰি দিলে।

"আপুনি সিহঁতৰ আনুগত্যত আস্থা ৰাখিব পাৰে," তেওঁ মন্তব্য কৰিলে,—"কিন্তু এই মানুহবোৰৰ সংখ্যা কিমান, তাৰ নিশ্চয়তা কোনেও দিব নোৱাৰে। য'তে আছে, তাতে থাকক। কাৰণ, এই ঠাই, আপোনাৰ বাবে, আটাইতকৈ বেচি নিৰাপদ। যেনে, তেনে, মানুহবোৰক সন্তুষ্ট কৰিব লাগিব।"

চেনেকাইও তাকে কলে; বিভাগীয় শাসনকৰ্ত্তা,—লিচিনিয়াচেও একে মত দিলে। তলত বিক্ষোভে লাহে, লাহে ৰুদ্ৰ মূৰ্ত্তি ধৰিলে। মানুহবোৰে, শিল, তম্বুৰ খুটা, এচকীয়া গাড়ী আৰু ৰথৰ ভঙা কাঠ, আৰু হাতৰ কাষত পোৱা, পুৰণা লোৰ হাতিয়াৰ লৈ, আক্ৰমণ কৰিবলৈ সাজু হৈছে। অলপ পাচতে, সেনা বিভাগৰ কৰ্ম্মচাৰী কেইজনমানে আহি জনালে যে, জনতাৰ হেঁচাত, নিৰা-পত্তাৰক্ষী সেনা তিষ্ঠিব পৰা নাই। আক্ৰমণ কৰিবলৈ আদেশ নোপোৱাৰ বাবে, সিহঁতৰ অৱস্থা গুৰুতৰ হৈছে।

"হে অমৰ দেৱতাসকল!" নিৰোৱে চিঞৰি কলে, "উস! কেনে এটা নিশা! মোৰ একাষে একুৰা-জুই, আৰু একাষে জনতাৰ উন্মত্ত সোঁত!"

ইয়াকে কৈ, সন্মুখ বিপদক উৎকৃষ্ট ভাষাৰে বৰ্ণনা দিবলৈ, তেওঁ ভাষা বিচাৰিলে। কিন্তু নিজৰ চাৰিওফালে কেৱল পাণ্ডুৰ মুখ, আৰু চিন্তাক্লিষ্ট চাৱনি দেখি, শেষত তেওঁৰো ভয় লাগিল।

"মোৰ ক'লা কাপোৰ, সাজ আৰু শিৰস্ত্ৰাণ আনা।" তেওঁ আদেশ দিলে, "অৱশেষত সকলোৱে সমাধি ঘটাবলৈ, বুকুত কাচিব লাগিব নেকি?"

"হে প্ৰভু!" টাইগেলিনাচে অস্বস্তিৰে কলে, "শক্তি অনুসৰি মই, সকলো চেষ্টা কৰিছো। কিন্তু বিপদ বাঢ়ি গৈছে। সিইতক কিবা কওক, প্ৰভু! আপোনাৰ প্ৰজাৰ আগত কথা কওঁক, আৰু কিবা কিবি দিবলৈ, প্ৰতিশ্ৰুতি দিয়ক।"

"কি? চিঞৰে কথা কব, ইতৰ মানুহৰ আগত? মোৰ হৈ আন কোনো-বাই কওঁক। কোনে হাতত লব, এই ভাৰ?"

"মই লম।" পেট্ৰোনিয়াচে শান্ত স্বৰে জনালে।

"ভেস্তে বন্ধু! তাকে কৰা। সকলো বিপদতে, তুমিয়ে মোৰ সকলোতকৈ ডাঙৰ সহায়। মানুহবোৰৰ ওচৰলৈ যোৱা, আৰু বহুত বস্তু দান কৰিবলৈ, প্ৰতিশ্ৰুতি দিয়াগৈ।"

পেট্ৰোনিয়াচে, ওচৰত থিয় দি থকা সকলৈলে চালে। তেওঁৰ মুখত অসাৱ-ধান ব্যঙ্গাত্মক ভাৱ।

"যি সকল চিনেটৰ সভ্য ইয়াত আছে, তেওঁলোক যেন, মোৰ পিচে, পিচে আহে। পিচো, চেনেচিও, আৰু নাৰ্ভাও আহক।" তেওঁ কলে।

তাৰ পাচত জলসৰবৰাহ নলীৰ ওখ ঠাইৰ পৰা তেওঁ খটখটিয়েদি নামি গল। তেওঁ যিবিলাকৰ নাম কৈছিল, সেই আটাইবোৰে প্ৰথমতে, অলপ "নাযাওঁ, নাযাওঁ" কৰিছিল যদিও, পেট্ৰোনিয়াচৰ মুখৰ নিৰ্বিকাৰ ভাব দেখি নামি যাবলৈ সাহ কৰিলে।

অলপ সময় তলত থিয় দি বৈ থকাৰ পাচত পেট্ৰোনিয়াচে তেওঁৰ বগা ঘোঁৰাটো অনাই, উঠি ললে। সঙ্গী কেইজনৰ সৈতে তেওঁ, সম্ৰাটৰ নিৰাপত্তা-ৰক্ষী সেনা বাহিনীৰ ব্যূহ ভেদ কৰি, আৰ্ত্তনাদ কৰি থকা জনতাৰ মাজলৈ, সোমাই গ'ল। তেওঁ কোনো অস্ত্ৰ-শস্ত্ৰ, লগত নিয়া নাছিল। তেওঁৰ হাতত আছিল, সচৰাচৰ ব্যৱহাৰ কৰা, হাতীদাঁতৰ সৰু লাখুটি এডাল। জনতাৰ গভীৰতাৰ মাজলৈ, তেওঁ জোৰেৰে ঘোঁৰাটো চলাই লৈ গল। জুইৰ পোহৰত, তেওঁৰ চাৰিওফালে দেখা গল, হাতত অস্ত্ৰ লোৱা মানুহ, ভেজৰ দৰে বঙা চকু, ঘৰ্মাসিক্ত আৰু গালি পাৰি ফেনাই থকা মুখবোৰ। সম্ভ্ৰান্ত মানুহ কেইজনৰ সৰু দলটোক, বিশৃঙ্খল জনতাই হেঁচা মাৰি ধৰিলে। ধুমুহাৰ মাজৰ মহাসাগৰৰ দৰে, গৰ্জনমুখৰ জনতাৰ বিশৃঙ্খল ভয়াবহ ৰূপ, দূৰৰপৰা দেখা গৈছিল।

হুলস্থুল বাঢ়ি গৈ, অৱশেষত সাগৰৰ গৰ্জ্জনত পৰিণত হ'ল। এইবোৰ যেন, মানুহৰ মুখৰ পৰা ওলোৱা শব্দ নহয়। বাঢ়ি, জোং, ওখোন আৰু তৰোৱালবোৰ, পেট্রোনিয়াচৰ মুখৰ কেউফালে ঘূৰিবলৈ ধৰিলে। ভয়ানক হাত কেইখনমানে, তেওঁক আৰু তেওঁৰ ঘোঁৰাৰ লেকামডাল, ধৰি লবলৈ চেষ্টা কৰিলে। তথাপিও তেওঁ শান্তভাৱে, বিতৃষ্ণাৰ মনোভাব লৈ, আগবাঢ়ি গল।

মাজে সময়ে, জনতাৰ মাজত বেচি সাহসী যেন লগা মানুহক, তেওঁ লাঠিটি ভালেৰে খুন্দিয়াই গল,— যেন শান্তিপূৰ্ণ নাগৰিকৰ মাজেদি যাবলৈহে পথ উলিয়াইছে! তেওঁৰ এই শান্ত, নিৰ্লিপ্ত আচৰণে, জনতাৰ মনত সাঁচ নবহুৱাকৈ নাথাকিল। অৱশেষত, মানুহবোৰে তেওঁৰ নাম ধৰি চিঞৰিলে, আৰু সমস্বৰে জনালে—, "এইয়া পেট্রোনিয়াচ! ৰূপ কলাৰ নিৰ্দ্দেশক! হয়,—এইয়া পেট্রোনিয়াচ।"

কেউদিশে তেওঁৰ নাম ধ্বনিত হৈ উঠাৰ পাচত, মানুহবোৰৰ মুখত হিংস্ৰ ভাব, কমি আহিল আৰু শাও শপনিৰ ভাষাও সংযত হল।

বঙা পাৰিৰ টোগাখনৰ ভাজ এটা ওপৰলৈ তুলি বতাহত উৰুৱাই তেওঁ সঙ্কেত দিলে,—এতিয়া তেওঁৰ বক্তব্য জনোৱাৰ সময়।

"মনে, মনে থাকক। মনে, মনে থাকক!" বহুতো কণ্ঠৰ শব্দ উঠিল। তৎক্ষণাৎ সকলো নিস্তব্ধ হ'ল। ঘোঁৰাৰ পিঠিত পোনহৈ বহি, পেট্রোনিয়াচে উচ্চস্বৰে, স্পষ্ট ভাষাৰে জনালে, –

"নাগৰিক সকল! মই কোৱা কথা, যি সকলে স্পষ্ট শুনিবলৈ পায়, তেওঁলোকে যেন, ওচৰে পাজৰে থকা সকলক, পুনৰাবৃত্তি কৰি শুনাই দিয়ে! "ইয়াত উপস্থিত থকা সকলে যেন, ক্ৰীড়া মঞ্চৰ জন্তুৰ দৰে আচৰণ নকৰি, মানুহৰ দৰে আচৰণ কৰে।"

জনতাই উচ্চকণ্ঠে সম্মতি প্ৰকাশ কৰিলে।

"তেন্তে শুনক! নগৰখন নতুনকৈ নিৰ্ম্মাণ কৰা হব। ইতিমধ্যে, লুচুলাচ মিচিনাচ, চিজাৰ, আৰু এগ্ৰিপিনাৰ বাগিচা কেইখন, আপোনালোকৰ ব্যৱহাৰৰ কাৰণে মুকলি কৰি দিয়া হব। কাইলৈ আপোনালোকৰ মাজত, শস্য, মদ আৰু তেল বিতৰণ কৰা হব, যাতে প্ৰতিজন মানুহে, পেট ভৰাই খাবলৈ পায়। এই বিতৰণ চলিয়েই থাকিব। তদুপৰি, চিজাৰে আপোনালোকৰ বাবে, এনে কিছুমান ক্ৰীড়া প্ৰদৰ্শন মুকলি কৰিব, যিবোৰ এতিয়ালৈকে জগতত কোনেও দেখা নাই। খেল চলি থাকোঁতে, আপোনালোকক ভোজ দিয়া হব,

আৰু চিজাৰে মুক্তহস্তে আপোনালোকক দানো কৰিব—বহুত বস্তু। গতিকে জুই লগাৰ আগতে, আপোনালোক যিমান চহকী আছিল, এতিয়া তাতোকৈ চহকীহে হব।"

উত্তৰত, জনতাৰ মাজত, মৃদু গুঞ্জন শুনা গল। পানীলৈ শিল এটা দলিয়াই দিলে, যিদৰে বুৰবুৰণি ক্ৰমে বাঢ়ি যায়, সেই দৰে গুণ গুণনি বাঢ়ি গৈ থাকিল। যিবিলাক, পেট্ৰোনিয়াচৰ একেবাৰে ওচৰত আছিল, সিহঁতে, তেওঁ কোৱা কথা দূৰত থকাবোৰক জনালে। অ'ৰ, ত'ৰ পৰা অহা, ক্ৰোধৰ বা সম্মতিসূচক চিঞৰবোৰ, সোনকালে মাৰ গৈ, সমস্বৰে চিৎকাৰ উঠিল,—

"কটি আৰু ভাৰ লগতে, খেল মাটিত ক্ৰীড়া মহোৎসৱ।"

ইতিমধ্যে, শুভ্ৰ টোগা পৰিহিত পেট্ৰোনিয়াচ ঘোঁৰাৰ পিঠিত থিৰ হৈ বহি ললে। সকলো দিশৰ পৰা, উচ্চকণ্ঠৰ ধ্বনি উঠিল। কিন্তু চিজাৰৰ দূতে, তেতিয়ালৈকে বিদায় নোলোৱাত, মানুহবোৰে বুজিলে, তেওঁৰ আৰু কিবা কবলৈ আছে।

হাত জোকাৰি, স্তব্ধ হৈ শুনিবলৈ ইঙ্গিত দি, পেট্ৰোনিয়াচে চিঞৰি কলে—"আপোনালোকক কটি আৰু খেল প্ৰদৰ্শনৰ প্ৰতিশ্ৰুতি দিয়াৰ বাবে, চিজাৰৰ যশগীত গাওঁক! তেওঁ আপোনালোকৰ, খোৱা, পিন্ধাৰ ভাৰ লৈছে। হে মহান ৰাইজ! এতিয়া সকলোৱে জিৰণি লবলৈ যাওক। ৰাতি পুৱাবলৈ আৰু সৰহ সময় নাই।"

এইদৰে কৈয়ে, তেওঁ ঘোঁৰাটো ঘূৰাই লৈ, আগভেটি ধৰা সকলক, লাখুটিৰে মূৰত, বা মুখত, মৃদু আঘাত কৰি, বাট উলিয়াই, ধীৰে, ধীৰে নিৰাপত্তাৰক্ষী বাহিনীৰ কাষলৈ উলটিল।

জলসৰবৰাহ স্থলীৰ উচ্চাংশত ঠাই লোৱা সকলে, 'কটি আৰু ক্ৰীড়া মহোৎসৱ!' বুলি চিঞৰা শুনিছিল যদিও, একো বুজিব পৰা নাছিল। ইও ৰাইজৰ ক্ৰোধ আৰু উন্মত্ততাৰ উদ্গীৰণ বুলিয়েই, তেওঁলোকে ধৰি লৈছিল। প্ৰকৃততে কোনেও ভবা নাছিল যে, পেট্ৰোনিয়াচক সোশৰীৰে উলটি অহা দেখিবলৈ পাব। খট্‌খটিয়েদি তেওঁক উঠি অহা দেখিয়ে, চিজাৰ লৰ মাৰি গৈ, তেওঁৰ ওচৰ পালে।

"তলত কি ঘটিছে?" তেওঁ সুধিলে, "মানুহবোৰে নিজৰ ভিতৰতে যুঁজিছে নেকি?"

পেট্ৰোনিয়াচে দীঘলকৈ উশাহ ললে। "পোলাক্সৰ শপত!" তেওঁ চিঞৰিলে "মানুহবোৰৰ ঘামৰ অকটা গোন্ধত, মৰিবলৈ ধৰিছিলো। মোক আৰোগ্যকাৰী কিবা দিয়ক, নহ'লে মই মূৰ্চ্ছা যাম এতিয়াই!"

এইবাৰ তেওঁ চিজাৰলৈ উলটি চালে। "মই সিহঁতক শস্য মদ আৰু তেল দিয়াৰ লগতে, খেল ধেমালি প্ৰদৰ্শনৰ, আৰু বাগিছাবোৰত ঠাই দিয়াৰ প্ৰতিশ্ৰুতি দি আছিলো। গতিকে সিহঁতে, পুনৰ আপোনাৰ স্তুতি গীত গাইছে, আৰু আপোনাক সন্মান জনাবলৈ, সিহঁতৰ ফটা ওঁঠবোৰ কষ্টৰে মেল খাইছে। হে অমৰ দেৱতাসকল! ইয়াৰ অসহ্য সিহঁতৰ গাৰ ভেকেটা গোন্ধবোৰ।"

"নিৰাপত্তাৰক্ষী বাহিনী সম্পূৰ্ণ সাজু আছিল।" টাইগেলিনাচে মাত লগালে।

"পেট্ৰোনিয়াচে মানুহবোৰক সন্তুষ্ট কৰিবলৈ নোযোৱা হ'লে, হুলস্থুল লগাই থকা মথাক চিৰদিনলৈ নিমাত কৰিব পৰা গলহঁতেন। হে চিজাৰ! কি দুখৰ বিষয়! আপুনি সৈন্য বল প্ৰয়োগ কৰিবলৈ, মোক অনুমতি নিদিলে!"

পেট্ৰোনিয়াচে মুহূৰ্তলৈ তেওঁলৈ চাই, কান্ধ দুটা জোকাৰ মাৰি দিলে।

"আপোনাৰ ক্ষতি একো হোৱা নাই! বোধকৰো কাইলৈ মানে, বল প্ৰয়োগ কৰিব পাৰিব।"

"নহয়, নহয়!" চিজাৰে কলে, "মই আটাইকেইখন উদ্যান মুকলি কৰাম, আৰু শস্যও বিলাই দিয়াম। পেট্ৰোনিয়াচ্! তোমাক ধন্যবাদ দিছো। হয় মই প্ৰজা বৃন্দক খেল উপভোগৰ সুবিধা দিম, আৰু ইয়াত তোমালোকক শুনোৱা গীতটোও, বাইজৰ আগত গাই শুনাম।" ইয়াকে কৈ পেট্ৰোনিয়াচৰ কান্ধত হাত এখন থৈ, অলপ বৈ, তেওঁ সুধিলে, "সচাঁকৈ কোৱাচোন, আজি নিশা মোক কেনেকুৱা দেখা গৈছে?"

"আপোনাক দেখা গৈছে,—এই দৃশ্য দৰ্শন কৰাৰ উপযুক্ত ব্যক্তি যেন, আৰু দৃশ্যটোও হৈছে, একেবাৰে আপোনাৰে যোগ্য।" তাৰ পাচত, দুইকুৱাৰ ফালে চাই, পেট্ৰোনিয়াচে কলে, "আহক আমি সকলোৱে আকৌ এবাৰ নগৰখনৰ কথা মনতে ভাবো, আৰু প্ৰাচীন ৰোমক বিদায় জনাওঁ!"

॥ ৬ ॥

ধৰ্ম্মগুৰুৰ কথাই, খৃষ্টিয়ান সকলৰ মনত বিশ্বাস ঘূৰাই আনিলে; এজন, এজনকৈ, তেওঁলোকে গহ্বৰটোৰ ভিতৰৰ পৰা ওলাই, নিজৰ অস্থায়ী বাসস্থানলৈ গল। কিছুমান আনকি, টাইবাৰৰ সিপাৰলৈকো গল। কাৰণ, তেতিয়া কেউ দিশে প্ৰচাৰ হৈছিল যে, বতাহৰ গতি পৰিৱৰ্ত্তন হৈ নৈৰ ফালে প্ৰৱাহিত হোৱাত, জুইকুৰা বাঢ়ি যোৱা নাই।

ভিনিকিয়াচ আৰু চিলোৱে সৈতে, পিটাৰ গুহা ত্যাগ কৰি, ওলাই গল। ওলাই যাওঁতে, মানুহবোৰে পিটাৰৰ হাতত চুমা খাবলৈ, আগুৱাই আহিল। মাকৰীয়ে নিজৰ লৰা ছোৱালীক, তেওঁৰ ওচৰলৈ দাঙি নিলে। অন্ধকাৰ সুৰঙ্গ পথত, আন কিছুমান তিৰোতা আঁঠু কাঢ়ি থাকিল, আৰু চাকিবোৰ ওপৰলৈ তুলি ধৰি, তেওঁৰ আশীৰ্ব্বাদ ভিক্ষা কৰিলে। কিছুমানে প্ৰাৰ্থনা গীত গাই, গাই, তেওঁৰ পিচে পিচে, গল। এই সময়টো, অনুৰোধ জনোৱাৰ উপযোগী সময় নহয়। সুৰঙ্গ পথটোতকৈ, বেচি মুকলি ঠাই এডোখৰ পোৱাৰ পাচত; সেই ঠাইৰ পৰা ভালদৰে দৃষ্টি গোচৰ হোৱা, অগ্নি-দগ্ধ ৰোম নগৰীলৈ চাই, ধৰ্ম্মগুৰুৱে তিনিবাৰ ক্ৰচ চিন আঁকিলে, আৰু তাৰ পাচত, ভিনিকিয়াচলৈ উলটি চাই কলে, "ভয় নকৰিবা। আমি লিজিয়া, লিনাচ আৰু তেওঁলোকৰ বিশ্বাসী ভৃত্যক, খাদৰ বস্তুৱাৰ জুপুৰী এটাতে পামগৈ। সেই ঠাই বেচি দূৰ নহয়। খৃষ্টই তাইক, তোমাৰ হাতত সমৰ্পণ কৰিছে। তেৱেঁই তোমাৰ বাবে, তাইক ৰক্ষা কৰি আছে।"

এই কথা শুনি, ভিনিকিয়াচ ইমান অভিভূত হ'ল যে, তেওঁ গুৰুৰ ভৰিত প্ৰায় মূৰ্চ্ছিত হৈ পৰিল। গুৰুৰ আঁঠু দুটাত ধৰি, মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰি, তেওঁ স্তব্ধ হৈ থাকিল। কিন্তু যুৱকৰ কৃতজ্ঞতা, আৰু ভক্তিলৈ মন নকৰি, গুৰুৱে মাত্ৰ ইয়াকে কলে, "নহয়, মোৰ ওচৰত আঁঠু নলবা। খৃষ্টৰ পদত শৰণ লোৱা।"

"আপোনালোকৰ ভগৱান কিমান মহান! কিন্তু আমাৰ বাবে বৈ থকা, খচ্চৰ কিটাক কি কৰিম, তাকেহে ভাবিছো।" পিচ ফালৰপৰা চিলোৱে মাত লগালে।

"উঠা, মোৰ পিচে, পিচে আহা।" যুৱকৰ হাতত ধৰি, পিটাৰে কলে।

চিলোৱে আকৌ কলে, "হে প্ৰভু! আমালৈ বৈ থকা খচ্চৰ কিটাক কি কৰিম? খোজ কাঢ়ি যোৱাতকৈ, এই সন্মানিত গুৰুজনে দেখোন তাঁৰে এটাত উঠি যাব পাৰে।"

"তই খচ্চৰ দুটা লৈ মেক্‌বিনাচৰ ঘৰলৈ যাবগৈ পাৰ।" অৱশেষত ভিনিকিয়াচে আদেশ দিলে।

"হে প্ৰভু! মই যদি এমেৰিওলাৰ ঘৰটোৰ কথা আপোনাক সোঁৱৰাই দিওঁ, তাৰ বাবে যেন মোক ক্ষমা কৰে। বৰ্ত্তমানৰ এই ভয়ঙ্কৰ পৰিস্থিতিত, এনেকুৱা সৰু কথা এটা সহজে পাহৰি পেলোৱা যায়।"

"তই ঘৰটো পাবি।"

'হে ক্ষমা পম্পিলিয়াচৰ নাতি! মই ঠিক জানো যে, মই পাম। যিহেতু এতিয়া এই মহাপ্ৰভুৱ ধৰ্মগুৰুজন, আপোনাৰ অঙ্গীকাৰৰ সাক্ষী স্বৰূপ হৈছে, সেইবাবে মই বুজিছো যে, মোক আঙুৰৰ বাগিচা এখনৰ অংশ দিম বুলি কোৱা কথাষাৰ, আপোনাক মনত পেলাই নিদিলেও হ'ব। আপোনাৰ শান্তি হওঁক হে প্ৰভু মই পুনৰ আপোনাৰ লগত দেখা কৰিম। শান্তিৰে থাকক!"

"শান্তি হওক তোৰো।"

সোঁফালে ঘূৰি, বালিৰ পাহাৰবোৰৰ ফালে, তেওঁলোক যাবলৈ ধৰিলে। বৈ থাকোঁতে, ভিনিকিয়াচে পিটাৰক কলে, "প্ৰভু, মই মিনতি জনাইছো মোক-দীক্ষা স্নান দিয়ক। এতিয়াহে মই নিজকে খৃষ্টৰ প্ৰকৃত সেৱক বুলিব পাৰিম,— যাক মই অন্তৰেৰে সৈতে ভক্তি কৰো। মোক শীঘ্ৰে দিয়ক দীক্ষাস্নান, মোৰ আত্মা, তাৰ বাবে প্ৰস্তুত বুলি অনুভৱ কৰিছো। খৃষ্টই মোক যিহকে আদেশ কৰে, মই তাকে কৰিম। মই জানো, আপুনি মোক পথৰ সন্ধান দিব।"

"তুমি নিজ ভাতৃক যিদৰে ভালপোৱা, সেইদৰে সমগ্ৰ মানৱ জাতিক ভাল পাব লাগিব।" গুৰুৱে উত্তৰ দিলে, "একমাত্ৰ প্ৰেমৰ দ্বাৰাহে, তুমি খৃষ্টৰ সেৱা কৰিব পাৰিবা।"

"হয়, মই বুজিছো, মই অনুভৱ কৰিছো। আগতে মই ৰোমৰ দেৱতা সকলক বিশ্বাস কৰিছিলো। কিন্তু কেতিয়াও কাকো ভাল পোৱা নাছিলো। এইজনা ঈশ্বৰৰ বাবে, মই জীৱন উৎসৰ্গা কৰিম।"

"তেওঁ তোমাক আশীৰ্ব্বাদ দিব, তোমাক আৰু তোমাৰ পৰিয়ালৰ সকলো মানুহকে।" গুৰুৱে কলে।

থাদৰ বস্তবাৰ জুপুৰীটো, প্ৰকৃততে এক প্ৰকাৰ গুহাই। জুপুৰীটো, এচলীয়া শিল এছটাত খোৰোঙ কাটি সজা হৈছে; মাটিৰে লিপা ইকৰাৰ বেৰ এখনে ঘৰটো আগুৰি আছে। দুৱাৰখন বন্ধ আছিল তাত থকা ফুটা এটাই খিৰিকীৰ কাম কৰিছিল। ফুটাটোৰেদি জুইৰ পোহৰত, ভিতৰখন দেখা গল। দুয়ো ওচৰ চাপি যাওঁতে, এটা প্ৰকাণ্ড আকৃতিৰ মানুহে, থিয় হৈ, তেওঁলোকক পৰিচয় সুধিলে।

"আমি খৃষ্টৰ সেৱক," পিটাৰে জনালে, "তোমাৰ শান্তি হওক, আৰ্-ষান!"

তৎক্ষণাৎ ওলাই আহি, উৰচাচে গুৰুৰ আগত মূৰ দোঁৱালে। তাৰ পাচত ভিনিকিয়াচক চিনি পাই, নিজৰ দৈত্যাকাৰ হাতৰ মুঠিৰে, তেওঁৰ হাতখন ধৰি নিজৰ ওঁঠত লগালে।

"আপুনিও, হে প্ৰভু!" সি চিঞৰি কলে, "আপোনাক দেখি, কেনিনাই যি আনন্দ লাভ কৰিব, তাৰ বাবে, নিৰীহ প্ৰভুক শতবাৰ নমস্কাৰ জনাইছো।"

তেওঁলোক ভিতৰলৈ সোমাই গল। কণ্ন লিনাচ খেৰৰ বিচনা এখনত শুই আছে; তেওঁৰ দেহ শুকাই খিণাই গৈছে, কপালখন হাতীৰ দাঁতৰ দৰে ঈষত হালধীয়া হৈছে। জুইশালৰ কাষত, লিজিয়াও বহি আছে। তাইৰ হাতত, এজোটা সৰু মাছ। গধূলিৰ আহাৰৰ বাবে মাছ অনা হৈছে বুলি বুজা গল। মাছবোৰ জৰীডালৰ পৰা, এৰুৱাত ব্যস্ত আছিল তাই। ভিনিকিয়াচ সোমাই যাওঁতে, তাই তেওঁক উৰচাচ্ বুলি ধৰি লৈ, নিজৰ কামতে লাগি থাকিল, লৰচৰ নকৰাকৈ। ভিনিকিয়াচে তাইৰ ওচৰলৈ গৈ, নাম ধৰি মাতিলে, আৰু তাইৰ উদ্দেশ্যে দুই বাহু প্ৰসাৰিত কৰিলে। তত্কালিকে তাই থিয় হল, তাইৰ মুখত আনন্দ আৰু আশ্চৰ্য্য ভাবৰ বিজুলী খেলি গল। আতঙ্কত বহুত দিন কটোৱাৰ পাচত, নিজৰ পিতৃ বা মাতৃক, পুণৰ দেখিবলৈ পোৱা শিশু এটিৰ দৰে, মুখেৰে মাতিব নোৱাৰি, তাই যুৱকৰ বাহুৰ মাজলৈ জাপ মাৰিলে। তেওঁ তাইক সজোৰে বুকুত সাৱটি ধৰিলে। তাৰ পাচত, তাইৰ মূৰটো আকোঁৱালি লৈ, চকু আৰু কপাল চুমাৰে ভৰাই দিলে।

অৱশেষত, তেওঁ তাইক জনালে, এণ্টিয়ামৰ পৰা আহি, কি দৰে ৰোম পালেহি, লিনাচৰ ঘৰত তাইক কিদৰে বিচাৰিলে, আৰু ধৰ্মগুৰুৰ মুখত, তাইৰ কথা শুনিবলৈ পোৱাৰ আগলৈকে, কিমান মনোকষ্ট ভুগিলে।

"এতিয়া মই তোমাক পুণৰ বিচাৰি পাইছো। তোমাক মই ইয়াত এৰি নাথাওঁ। তোমাক আৰু লগত থকা সকলোকে মই ৰক্ষা কৰিম। মৰমী, তোমালোক মোৰ লগত এণ্টিয়ামলৈ যাবানে? তাৰ পৰা আমি, চিচিলিলৈ যামগৈ। মোৰ জমিদাৰী, মোৰ ঘৰবাৰী সকলো তোমালোকৰ। চিচিলিত আমি অলাচ পৰিয়ালকো বিচাৰি উলিয়াম। তোমাক মই পম্পোনিয়াৰ হাতত দিম, আৰু তেওঁ নিজে. তোমাক মোৰ হাতত সমৰ্পণ কৰিব। মৰমী, তুমি এতিয়া আৰু মোলৈ ভয় নকৰা, নহয়? সচাঁ, এতিয়াও মই দীক্ষাস্নান লাভ কৰা নাই। কিন্তু, পিটাৰেও মোক সমৰ্থন কৰি কব নে, মই তেওঁৰ হাতেৰে দীক্ষা স্নান গ্ৰহণ কৰিবলৈ অতিশয় ইচ্ছুক। তুমি আৰু ইয়াত থকা আটাইবোৰে মোৰ কথা বিশ্বাস কৰা যেন।"

কথাখিনি শুনি থাকোঁতে, লিজিয়াৰ মুখ উজ্জ্বল হৈ উঠিল। চিচিলিলৈ গলে, দুয়োৰো জীৱনৰ নতুন সুখৰ অধ্যায় মুকলি হ'ব। ভিনিকিয়াচে তাইক অকলে নিব খোজা হলে, হয়তো এই প্ৰলোভনক, তাই উলংঘা কৰিলেহেঁতেন। কাৰণ, লিনাচ আৰু গুৰুদেৱক এৰি যাবলৈ, তাই ইচ্ছা নকৰে। কিন্তু তেওঁ জনাইছে, "মোৰ লগত সকলো আহাঁ, মোৰ জমিদাৰী, আৰু ঘৰ বাৰী, সকলো তোমালোকৰে।"

তেওঁৰ হাতত চুমা খাবলৈ তাই তললৈ মূৰ কৰিলে। তাৰ পিচত কলে, "তোমাৰ ঘৰ, মোৰো ঘৰ হব।"

বিবাহ প্ৰতিজ্ঞাত নিয়মিত ভাবে, উচ্চাৰণ কৰা কথা কেইটা, আপোনা আপুনি, মুখৰ পৰা ওলাই অহাত, বিয়োৰত পৰাৰ দৰে তাইৰ মুখ ৰঙা পৰি উঠিল। দুইৰ কাষত তাই থৰ লাগি ৰ'ল।

ভিনিকিয়াচে পিটাৰলৈ চাই কলে, "চিজাৰৰ আদেশত, ৰোম এতিয়া জলি পুৰি শেষ হৈছে। প্ৰজাৰ ভিড়ি কাঢ়িবলৈ, সৈন্যবোৰক নলগাব বুলি কোনে কব পাৰে? অগ্নিকাণ্ডৰ পাচত, আন দুৰ্ঘটনা নঘটিব বুলিয়েনো কোনে কব পাৰে? গৃহ যুদ্ধ, দুৰ্ভিক্ষ, অৰাজকতা, হত্যাকাণ্ড সকলো ঘটিব পাৰে। গতিকে, আপোনালোক লুকাই থাকক। লগতে লিজিয়াকো লুকুৱাই থওক। দুৰ্যোগ শেষ

নোহোৱালৈকে, আপোনালোকে চিচিলিত শান্তিৰে থাকিব পাৰিব। তাৰ পাচত, মহান ধৰ্ম্মৰ বীজ ছটিয়াবৰ বাবে, ইয়ালৈ উলটি আহিব।"

ঠিক এই মুহূৰ্ত্ততে, ভিনিকিয়াচৰ আশঙ্কাক সমৰ্থন জনাবলৈকে যেন, ভেটিকান, পাহাৰৰ ফালৰ পৰা, ক্ৰোধ আৰু ভয়ৰ উন্মত্ত চিৎকাৰ আহিবলৈ ধৰিলে। লগে, লগে, থাদৰ বন্দুৰাটো উধাতু খাই লৰি আহি, জুপুৰীত সোমাল আৰু দুৱাৰখন বন্ধ কৰি চিঞৰিলে :

"নিৰোৰ খেল মাটিৰ কাষত হত্যাকাণ্ড চলিছে। দাস আৰু মালযুজাৰুইতে নাগৰিকক আক্ৰমণ কৰিছে।"

"কি কলে, শুনিছে, নহয়।" ভিনিকিয়াচে জনালে।

"সকলো দিশ সম্পূৰ্ণ হৈছে," গুৰুৱে কলে। "এতিয়া যি দুৰ্যোগ উপস্থিত হ'ব, সি, সাগৰৰ দৰে অতলস্পৰ্শী, আৰু সীমাহীন হৈ উঠিব।" লিজিয়ালৈ আঙুলিয়াই দেখুৱাই, তেওঁ ভিনিকিয়াচক বলে, "এই ছোৱালীটিক তুমি লৈ যোৱা, ঈশ্বৰে তাইক তোমাৰ হাতত অৰ্পণ কৰিছে। তাইক তুমি ৰক্ষা কৰা। লিনাচ এতিয়া ৰোগশয্যাত। উৰচাচৰে সৈতে, তেওঁ তোমালোকৰ পাচে, পাচে যাব।"

ভিনিকিয়াচৰ প্ৰাণত, একে সময়তে দুটা ভাব জাগি উঠিছিল,—গুৰুভক্তি আৰু প্ৰেমিকৰ উদগ্ৰীৱ বাসনা। গতিকে তেওঁ চিঞৰি কলে, "প্ৰভু, মই শপত খাই কৈছো, আপোনাক মৰিবলৈ মই ইয়াত এৰি যাব নোৱাৰো।"

"তুমি যি সঙ্কল্প কৰিছা, তাৰ বাবে ভগৱানে তোমাৰ মঙ্গল কৰক।" পিটাৰে উত্তৰ দিলে, "কিন্তু তুমি নাজানা জানো, গেলিলিৰ সাগৰৰ পাৰত, খৃষ্টই মোক তিনিবাৰ কৈছিল, "মোৰ শিষ্যসকলক পালন কৰিবা।" তোমাক কোনেও মোৰ ভাৰ লবলৈ কোৱা নাছিল যদিও, তুমি মোক ইয়াত মৰিবলৈ এৰি যাব নোখোজা ; তেন্তে বিপদকালত শিষ্যসকলক মই কেনেকৈ এৰি যাম ? যেতিয়া সাগৰৰ বুকত ধুমুহা উঠিছিল, আৰু আমি ভয়ত কঁপি আছিলো, তেতিয়া তেওঁ আমাক এৰি যোৱা নাছিল। তেন্তে, তেওঁৰ দাস হৈ, মই কেনেকৈ তেওঁৰ,—মোৰ প্ৰভুৰ আৰ্হি নোলোৱাকৈ পাৰিম ?"

এনেতে, লিনাচে শুকান মুখখন তুলি কলে, "হে খৃষ্টৰ প্ৰতিনিধি! আপোনাৰ আৰ্হি নোলোৱাকৈ মইও জানো থাকিব পাৰিম ?

নিজৰ ভাব সমূহৰ লগত যুঁজ কৰি থকা ভিনিকিয়াচে কপালত হাত বুলাবলৈ ধৰিলে। হঠাৎ তেওঁ উৎসাহী ৰোমান সৈনিক এজনৰ দৰে, লিজিয়াৰ হাতত খামোচ মাৰি ধৰি, কম্পিত স্বৰে জনালে,—

"মোৰ কথা শুনক, পিটাৰ, লিজিয়া আৰু লিনাচ! মই এই মাত্র যি কথা কলো, সি হ'ল, মানুহৰ মনৰ যুক্তিয়ে নির্দ্দেশ দিয়া কথা। কিন্তু আপোনালোকৰ মনে, একমাত্র ত্রাণকর্ত্তাৰ কথাতহে সঁহাৰি জনায়। হয়, মই নিজৰ ভুল, ভালদৰে বুজাই নাছিলো। কাৰণ মোৰ চকুৰ আৱৰণ, এতিয়াও খহি পৰা নাই, আৰু মোৰ আগৰ স্বভাৱো এতিয়ালৈকে সম্পূর্ণ লোপ পোৱা নাই। যি কি নহওক, মই খৃষ্টক ভাল পাওঁ, আৰু তেওঁৰে দাস হোৱাৰ কামনা কৰো। মই এতিয়া আপোনালোকৰ আগত আঁঠু কাঢ়ি শপত খাই কওঁ, মইও মহৎ প্রেমৰ শিক্ষা সম্পূর্ণ মানি চলিম, আৰু বিপদৰ সময়ত ভাতৃসকলক এৰি নাযাওঁ। এই কথাৰ লগত, মোৰ নিজৰ জীৱনতকৈও মূল্যৱান সম্পদ এটিৰ সম্বন্ধ আছে যদিও, মই মোৰ সংকল্প ৰক্ষা কৰিম।"

ইয়াকে কৈ, তেওঁ আঁঠুকাঢ়ি বহি পৰিল আৰু হাতদুখন ওপৰলৈ তুলি উদাত্ত স্বৰে জনালে,—

"হে খৃষ্ট! শেষত তোমাক বুজিবলৈ সমর্থ হৈছোনে মই? তোমাৰ দাস হোৱাৰ উপযুক্ত হৈছোনে?"

তেওঁৰ হাত দুখন কঁপিবলৈ ধৰিলে, চকু সজল আৰু উজ্জ্বল হৈ উঠিল! তেওঁৰ শৰীৰ ৰোমাঞ্চিত হ'ল—, প্রেম আৰু বিশ্বাসৰ ভৰত। পিটাৰে হাতত মাটিৰ পাত্র এটা লৈ, যুৱকৰ কাষলৈ আহি, পবিত্র বাণী উচ্চাৰণ কৰিলে,—

"মই তোমাক দীক্ষা দান কৰিলো,—পৰম পিতা, পুত্র আৰু পবিত্র আত্মাক স্মৰণ কৰি। তথাস্তু!"

তাৰ পাচত, তাত থকা সকলোৰ প্রাণ, ধর্ম্মভাৱত পুলকিত হৈ উঠিল। সকলোৱে অনুভৱ কৰিলে, জুপুৰীটো যেন ৰহস্যৰ দ্যুতিৰে, আলোকিত হৈছে। স্বৰ্গীয় সুৰৰ মূর্চ্ছনা উঠিছে! ওপৰলৈ চাই, তেওঁলোকে যেন দেখিলে, গুহাৰ ওপৰত থকা পাহাৰবোৰৰ ফাঁকেদি, স্বর্গৰপৰা দেৱদূত নামি আহিছে, শাৰীয়ে, শাৰীয়ে। হয়, উর্দ্ধলোকৰ শীর্ষবিন্দুত, তেওঁলোকে দেখিলে, এডাল ক্রচ্ আৰু ক্রচবিদ্ধ দুখনি হাতৰ আশীষ বর্ষণ।

বাহিৰৰ পৰা শব্দ আহি, তেওঁলোকৰ কাণত পৰিল। মানুহবোৰে নিজৰ ভিতৰতে খুঁজ কৰিছে।

॥ ৭ ॥

পূৰ্ব্বতে ডোমিচিয়ান্ আৰু এগ্ৰিপিনাৰ অধিকাৰত থকা, ৰাজকীয় আড়ম্বৰপূৰ্ণ বাগিচাবিলাকত, কেম্পাচ্ মাৰ্চিয়াচত, পম্পে, চেলাই আৰু মিচিনাচৰ বাগিচাতো, বাইজে শিবিৰ পাতিলে। উদ্যান বিলাকত থকা ঘৰবোৰৰ আগছালিত, টেনিচ খেলা ঠাইবোৰত, গ্ৰীষ্ম কালীন বিলাস কুঞ্জত, আৰু অলপ দিনৰ আগলৈকে নানা দেশৰ পৰা অনা প্ৰাণী সংৰক্ষণ কৰি থোৱা ছালিবোৰৰ তলত, মানুহবোৰে বাসস্থান পাতিলে। ম'ৰা চৰাই, ফ্লেমিংগো, ৰাজহাঁহ, অষ্ট্ৰিচ, হৰিণা, এন্টেলোপ, গেজেল বোড়িয়াৰ আদি বহুবিধ প্ৰাণী, মানুহৰ কটাৰীৰ আঘাতত, মৰি শেষ হ'ল। অষ্টিয়াৰ পৰা ইমান বেছি পৰিমাণে খাদ্যবস্তু আহিবলৈ ধৰিলে যে, মালবাহী নাও কেইখন, নৌকলীয়াকৈ যোৰা লগালে, টাইবাৰ নৈ পাৰ হব পৰা, দলং এখনেই হবগৈ। এইবোৰত অহা শস্যৰ দামো অতি কম হ'ল,—যিটো একেবাৰে নোহোৱা-নোপজা কথা। তদুপৰি, তৃথীয়া শ্ৰেণীৰ মানুহক, সকলো বস্তু বিনামূল্যে দিয়া হ'ল। মদ, তেল আৰু চেষ্টনাটৰ সংগ্ৰহ, অপৰ্য্যাপ্ত হৈ উঠিল; পৰ্ব্বতীয়া ঠাইবোৰৰ পৰা, প্ৰতিদিনে গৰু, ছাগলী, ভেৰা আদি আহিবলৈ ধৰিলে। টাইবাৰৰ সিপাৰে থকা, অভাৱগ্ৰস্ত পৰিয়ালবোৰে, ভুই লগাৰ আগভকৈ, এতিয়া বেছি ভালদৰে চলিব পৰা হ'ল। নিশ্চিত দুৰ্ভিক্ষৰ হাত সৰা গল। কিন্তু চুৰি, ডকাইতি, আদি দুৰ্দ্দশাৰ হাত সৰা সহজ নহল। মানুহবিলাকৰ গৃহহীন অৱস্থাই, চোৰ, ডকাইতক সুবিধাও দিলে। সুবিধা পোৱাৰ আন এটা কাৰণ হল, সিহঁতে চিজাৰক যশ-গীতেৰে পোত খুৱাই দিছিল, আৰু য'তে যেতিয়াই চিজাৰক দেখিবলৈ পায়, তেতিয়াই টেটুফালি জয়ধ্বনি দিবলৈ ধৰে। গতিকে সিহঁতক শাস্তি দিবলৈ, সাহ কৰিব কোনে? পৰিস্থিতিয়ে নগৰ পৰিচালনাৰ কাম বন্ধ কৰি দিয়াত, আৰু শান্তি, শৃঙ্খলা ৰক্ষাৰ কামত, সেনা বাহিনীও যথেষ্ট নথকাত, প্ৰতিটো নিশাতে হাই কাজিয়া, হত্যাকাণ্ড, নাৰী ধৰ্ষণ, বলাৎকাৰ আদি ঘটিবলৈ ধৰিলে। বিশেষকৈ, কেম্পানিয়াৰ পৰা অহা চৰাই, গৰু ছাগলীৰ পালবোৰক, পোটা মিউজিওমৰ আশে পাশে, সচৰাচৰ য'ত কিছুসময়ৰ বাবে জিৰণি দিয়া হয়, তাত মানুহবোৰৰ ভিতৰত যুঁজ বাগৰ চলিবলৈ ধৰিলে। ফলত, শ-শ মানুহৰ প্ৰাণ হেৰুৱালে। সমাধিস্থ কৰিবলৈ নিনিয়া মৰাশবে টাইবাৰৰ দুয়োপাৰ ভৰি পৰিল। তাৰ

কলত, সংক্ৰামক ৰোগ বঢ়োৱা দুৰ্গন্ধে, বায়ুমণ্ডল দূষিত হল, আৰু মানুহৰ স্বাস্থ্যৰ অৱনতি ঘটিল। দুৰ্ব্বল মনৰ মানুহে, ভৱিষ্যতবাণী কৰিলে যে, দুৰ্গন্ধ ক্ৰমে বাঢ়ি গৈ, শেষত প্লেগ্ বেমাৰৰ সৃষ্টি কৰিব।

ছ'দিন জ্বলি থকাৰ পাছত, জুইকুৰা গৈ এচ্কুইলিন পাহাৰৰ ওপৰত থকা মুকলি ঠাই পালেগৈ, আৰু লাহে লাহে দুমাবলৈ ধৰিলে। কিন্তু ছাই আৰু ভস্মিভূত দ্ৰব্য সমূহ, ইমান বেচি ৰঙা হৈ জিলিকি থাকিল যে, বিপদ শেষ হ'ল বুলি, ৰাইজে বিশ্বাসকেই নকৰিলে। সঁচাকৈয়ে, সপ্তম নিশা, টাইগেলিনাচৰ ঘৰ কিছুমানত, জুই পুণৰ জ্বলি উঠিল। কিন্তু দাহ্য বস্তু একো নথকাত, বেচিপৰ নজ্বলিল।

অ'ত, ত'ত, ডেই পুৰি যোৱা ঘৰবোৰ ভাঙি মাটিত পৰিল, আৰু তাৰ পৰা ফিৰিঙতি আৰু শিখা ওলাবলৈ ধৰিলে। দুই এবাৰ ভমকৈ জ্বলি উঠাৰ পাচত, মাটিত পৰি সমান হোৱাৰ লগে, লগে, ঘৰবোৰৰ ধ্বংসাৱশেষ, শীঘ্ৰে চেঁচা আৰু ক'লা পৰি আহিল। আন্ধাৰ হোৱাৰ পাচত ছাই আৰু অঙঠাবোৰৰ ওপৰত, নীলা পোহৰ বিৰিঙি উঠিল। জুয়ে মুকলি কৰি উলিওৱা, একোখন বহল, নিজান ঠাইৰ ওপৰত, ছাইবোৰ সিঁচৰিত হৈ ৰ'ল। ৰোম নগৰৰ অন্তৰ্গত, চৈধ্যটা অঞ্চলৰ ভিতৰত, দহোটাই ছাঁই হৈ গ'ল। যি চাৰিটা বাকী থাকিল, তাৰ ভিতৰত, টাইবাৰৰ সিপাৰৰ অঞ্চলটোও এটা। অৱশেষত যেতিয়া পুৰি চূণৰ দৰে বগা হোৱা, বিশাল ধ্বংশ স্তূপবোৰ নিষ্প্ৰভ হৈ গল, তেতিয়া, এচকুইলিন পাহাৰ আৰু নৈখনৰ মাজৰ অঞ্চলটো নিস্তব্ধতা, অন্ধকাৰ, আৰু মৃত্যুৰ বিভীষিকাপূৰ্ণ বিশাল প্ৰান্তৰত পৰিণত হ'ল। মাত্ৰ, ঘৰৰ ভিতৰৰ পৰা, যিবোৰ দীঘল, দীঘল চুঙাৰে বাহিৰলৈ ধোঁৱা ওলাইছিল, সেইবোৰ, সমাধি স্তম্ভৰ দৰে শাৰী পাতি ৰ'ল।

এই স্তম্ভবোৰৰ চাৰিওফালে, দিনত কিছুমান মলিন মুখ দেখা গল; দুৰ্ভগীয়াইতে ছাইৰ মাজত, মৰমৰ দুই এপদ বস্তু বিচাৰি ফুৰে। কিছুমানে বিচাৰিলে অতি আপোনজনৰ অস্থি আৰু স্মৃতিচিহ্ন! পৰিত্যক্ত, বিশাল ধ্বংসলীলাৰ ছাই-স্তূপৰ মাজত, নিশা কেৱল কুকুৰৰ ভুকভুকনি শুনা গল।

টিজেলিনৰ বদান্যতাই, ৰাইজক একেবাৰে চেঁচা কৰি পেলাবিলে। চোৰ আৰু নিৰ্ব্বাহ দলবোৰহে প্ৰকৃততে সন্তুষ্ট হল। এই দলৰ মানুহে, এতিয়া পেটপূৰাই খোৱা পিয়া কৰিব পাৰিলে, আৰু অবাধে লুণ্ঠন কাৰ্য্যো চলাব পৰা হ'ল।

আনবোৰে স্নেহৰ পাত্ৰ বহুতকে হেৰুৱালে ; যিবোৰে সকলো হেৰুৱালে, সিহঁতক মুকলি ৰম্য উদ্যানত থকাৰ সুবিধা, শস্যবিতৰণ, অথবা চিজাৰে প্ৰতিশ্ৰুতি দিয়া ক্ৰীড়া মহোৎসৱ, আৰু পুৰস্কাৰৰ লোভে, অকণো সুখী কৰিব নোৱাৰিলে।

গতিকে, সভাসদহঁতৰ নিৰ্লজ্জ তোষামোদৰ লগত, টাইগেলিনাচৰ ছুৰা দিয়া কথাবোৰ যুক্ত হোৱাৰ পাচতো, নিৰোৰ বুদ্ধিবলৈ বাকী নাথাকিল যে, ৰাইজৰ লগত, সম্ভ্ৰান্ত শ্ৰেণী আৰু চিনেটৰ সভ্যৰ যুঁজ অনিবাৰ্য্য। এই যুদ্ধত, নিষ্ঠুৰতাই চৰম সীমা পাবগৈ। এই সংঘৰ্ষৰ শেষত, ৰাইজেই যে মীমাংসাদাতা হবগৈ, তাতো সন্দেহ নাই। অগষ্টানসকলৰ মনলৈ স্বস্তিৰ ভাব কোনোপধ্যে নাহিল। এচিয়া মাইনৰৰ পৰা, নতুন সৈন্য অনাৰ সপোন দেখিবলৈ ধৰিলে টাইগেলিনাচে। অপমান পালেও, সদায় হাঁহি, হাঁহি থাকিব পৰা ভেটিনিয়াচৰো হাঁহি মাৰ গল, আনকি, ভাইটেলিয়াচেও খোৱা বোৱা এৰিলে। সন্মুখত দেখা দিয়া বিপদৰ হাত সৰাৰ উত্তম উপায় কি হ'ব পাৰে, তাৰে সমূহীয়া আলোচনা চলিবলৈ ধৰিলে। গোপন কৰিব খুজিলেও, এটা কথা দেখ দেখকৈ ওলাই আছে যে, যদিহে বিদ্ৰোহে সফলতা লাভ কৰে, আৰু চিজাৰ সিংহাসনচ্যুত হয়, তেতিয়া একমাত্ৰ পেট্ৰোনিয়াচৰ বাহিৰে, তেওঁলোকৰ এজনো সাৰি নাযায়। টাইগেলিনাচে ডামিটিয়াচ এফাৰৰ লগত আলোচনা কৰিলে, আনকি, চেনেকাকো, (যাক তেওঁ সদায় ঘিণ কৰি আহিছে,) আলোচনাত ভাগ দিলে আৰু তেওঁৰ পৰামৰ্শ বিচাৰিলে। পপিয়াইও নিঃসন্দেহে জানে যে, নিৰোৰ পতনৰ লগে, লগে, তেওঁৰো মৃত্যুদণ্ড হব। গতিকে তেওঁ, নিজৰ অন্তৰঙ্গ বন্ধু, আৰু হিব্ৰো পণ্ডিতৰ সৈতে, অন্তঃপুৰত থাকিবলৈ ললে। পপিয়াই ইহুদী ধৰ্ম্ম বহুত দিনৰ আগতেই লৈছিল। নিৰোৱে নিজে কিছুমান উপায়, বুদ্ধি আৱিষ্কাৰ কৰিলে,—সকলো নৃশংস আৰু প্ৰায় অসম্ভৱ ৰকমৰ।

অৱশেষত, টাইবেৰিয়াচৰ প্ৰাসাদত এখন আলোচনা সভা বহিল। এই অট্টালিকাটো, কেনেবাকৈ জুইৰ পৰা ৰক্ষা পৰিছিল। পেট্ৰোনিয়াচে নিৰোক উপদেশ দিলে, আসন্ন বিপদৰ হাত সাৰিবলৈ, প্ৰথমতে গ্ৰীচলৈ আৰু তাৰ পাচত, মিছৰ আৰু এচিয়া মাইনৰলৈ গুচি যাবলৈ। এই অভিযানৰ আঁচনি বহুত দিনৰ আগতে লোৱা হৈছিল। এতিয়া আৰু পলম কৰি লাভ নাই। চিজাৰে কথাটোত বেচ আগ্ৰহ প্ৰকাশ কৰিলে। কিন্তু চেনেকাই বাধা দি মন্তব্য কৰিলে,

"যোৱাটো সহজ হব। কিন্তু উলটি আহি, ঘৰ সোমোৱাহে সিমান সহজ নহব।"

"উলটি আহিবলৈ?" পেট্ৰোনিয়াচে চিঞৰি কলে, "কিয়, প্ৰয়োজন হলে, আমি এচিয়াত থকা সৈন্যবাহিনী লগত লৈ আহিম, আৰু সৈন্যদলৰ আগে, আগে, আহি থাকিম।"

"মোৰো সেয়ে ইচ্ছা।" নিৰোৱে মত দিলে।

আকৌ এবাৰ, পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব লগা হল, পেট্ৰোনিয়াচেই।

"মোৰ কথা শুনক, চিজাৰ।" টাইগেলিনাচে মাত লগালে, "পেট্ৰোনিয়াচৰ আচনিয়ে, আমাৰ সকলোৰে বিপদ মাতি আনিব। আপুনি গৈ, অচ্‌টিয়া পোৱাৰ আগতেই গৃহ-যুদ্ধ আৰম্ভ হৈ যাব। কোনে জানে, অগষ্টাচৰ বংশৰ লগত ওচৰ সম্বন্ধ থকা, কোনোবা এজনক, ৰোমৰ অধীশ্বৰ বুলি ঘোষণা নকৰিব বুলি ?"

"বেচ্, বেচ," নিৰোৱে কলে. "আমি এনে উৎসাহেৰে কামত লাগিম, যাতে অগষ্টাচৰ সম্বন্ধীয়া কাকো ৰজৰত দিবলৈকো পোৱা নাযায়। এতিয়া ইহঁতৰ বেচি মানুহ জীয়াই থকা নাই। জীয়াই থকা কেইটাকো, সহজে সিফলীয়া কৰিব পৰা যাব।"

"হয়, অতি সহজে, নিঃসন্দেহে। কিন্তু আৰু মানুহ আছে,—যিবিলাকে বিপদৰ সৃষ্টি কৰিব পাৰে। কালি মোৰ সেনাবিলাকে, মানুহৰ ভুমৰ মাজত কোৱা মেলা কৰা শুনিছিল যে, থেচিয়াচৰ নিচিনা মানুহকহে, সম্রাট পতা উচিত।"

নিৰোৱে ওঁঠ কামুৰিলে।

"সদায় অসুখী, অকৃতজ্ঞ, ইতৰ মানুহ এইবোৰ!" তেওঁ চিঞৰি কলে, "এতিয়া সিহঁতে অপৰ্য্যাপ্ত শস্য পাইছে, আৰু পিঠা পুৰিবলৈ, খৰম ছাইও যথেষ্ট পাইছে। ইয়াতকৈ আৰু কি পাবলৈ বিচাৰে সিহঁতে ?"

"সিহঁতে প্ৰতিশোধ লব খুজিছে।" টাইগেলিনাচে উত্তৰ দিলে।

কোনেও একো নকলে, একমাত্ৰ চিজাৰ উঠিল, হাত এখন ওপৰলৈ তুলিলে, আৰু হঠাতে এফাঁকি কবিতা গাই দিলে—

"হৃদয়ত সিহঁতৰ প্ৰতিশোধৰ ক্ষুধা,
প্ৰতিশোধেও বিচাৰে আহুতি!"

তাৰ পাচত সকলো পাহৰি, তেওঁ দীপ্ত কণ্ঠে চিঞৰি উঠিল, "কালি আৰু এভাল কলম মোক দিয়া। মই এইফাঁকি কবিতা, লেখি ৰাখো। দুচানে কোনো দিন লেখিব পৰা নাই, এনেকুৱা কবিতা। তোমালোকে মন কৰিলানে, কিমান সোনকালে, এই কবিতা মোৰ মনলৈ আহিল ?"

"হয়, হে অনুপম কবি !" আটায়ে সমস্বৰে চিঞৰিলে।

নিৰোৱে তভালিকে মনলৈ অহা কবিতা ফাঁকি লেখি থলে; তাৰ পাচত, ইফালে, সিফালে খোজ দি, উপস্থিত সকলোৰে মুখলৈ কেৰাহিকৈ চাই কলে, "হয়, প্ৰতিশোধে বিচাৰে আহুতি, অৰ্থাৎ বলিৰ পুৰস্কাৰ ! বাৰু, ভেটি-নিয়াচে নগৰত জুই দিছিল বুলি প্ৰচাৰ কৰি, তেওঁক বাইজৰ ক্ৰোধৰ বলিৰূপে আগবঢ়ালে কেনে হয় ?"

"হে প্ৰভু ! এনে সন্মান পাবলৈ, মই কোন কুটা ?" ভেটিনিয়াচে চিঞৰ মাৰি দিলে।

"ঠিকেই। আমাক বেচি গুৰুত্বপূৰ্ণ ব্যক্তি এজন লাগে। ভাইটেলিয়াচ বলি হওক।"

ভাইটেলিয়াচে ইহাৰ দৰে কৰিলে যদিও ভয়তে শেঁতা পৰি উঠিল।

বাধা দি তেওঁ কলে, "মোৰ গাত থকা চৰ্বিৰে, আৰু, একুৱা জুই জলিবহে।"

যি কি নহওক, চিজাৰে এনে এজনক আহুতি দিবলৈ বিচাৰিলে, যাৰ বাবা, বাইজৰ ক্ৰোধৰ উপশম ঘটিব। এনে আহুতি তেওঁ সঁচাকৈয়ে পালেও।

"টাইগেলিনাচ, তুমিয়েই জুই দিছিলা ৰোমত।" তেওঁ জনালে। উপস্থিত আটাইবোৰ, ভয়ত শিয়ৰি উঠিল। অৱশেষত, সকলোৱে বুজি পালে যে, চিজাৰে ধেমালি কৰা নাই। এতিয়া কিবা ঘটনা ঘটাৰ সম্ভাৱনাৰে গধুৰ হৈ উঠিল সময়টো।

কথাষাৰ শুনা মাত্ৰকে, কামুৰিবলৈ ধৰা কুকুৰ এটাৰ দৰে টাইগেলিনাচৰ মুখ বিভৎস হৈ উঠিল।

"মই ৰোমত জুই দিছিলো।" তেওঁ এটা এটাকৈ শব্দকেইটা উচ্চাৰণ কৰিলে, "আপোনাৰ আদেশত।"

মুহূৰ্তৰ বাবে, দুজন প্ৰতিদ্বন্দ্বী পৰস্পৰৰ চকুলৈ চাই, থিয় দি ৰ'ল; আগচ'ৰাৰ নিস্তব্ধতাৰ মাজত, মাখিৰ ভোঁ, ভোঁ শব্দ বাজি উঠিল।

"টাইগেলিনাচ", অৱশেষত নিৰোৱে প্ৰশ্ন কৰিলে, "তুমি মোক ভাল পোৱানে ?"

"প্ৰভু, আপুনি জানে, মই আপোনাক ভাল পাওঁ।"

"তেন্তে মোৰ বাবে আত্মবলি দিয়া !"

"দেৱতা চিজাৰ !" টাইগেলিনাচে উত্তৰ দিলে, "যি মদিৰা পান কৰিবলৈ, মোৰ ওঁঠ দুটা অপাৰগ, সেই মদিৰা, সেই লোভনীয় বস্তু, কিয় মোৰ ওঁঠৰ আগত ধৰিছে ? মানুহবোৰ জলি আছে ; বিদ্ৰোহ আসন্ন। নগৰতে নিৰাপত্তা-ৰক্ষী সেনাও জাগি উঠিছে, কামনা কৰে কিয় ?"

টাইগেলিনাচ হল, নিৰাপত্তাৰক্ষী সেনাৰ অধিনায়ক ; গতিকে তেওঁৰ কথাত, ভীতি প্ৰদৰ্শনৰ সুৰ স্পষ্ট। নিৰোৱে কথাটো বুজি পালে, তেওঁৰ মুখ শেতা পৰি গল ।

এনে সময়তে আহিল, চিজাৰৰ মুক্ত দাস ইপাফ্ৰোডাইট। সি টাইগেলি-নাচক, এটা বাতৰি দিবলৈ আহিছে,— দেৱী অগষ্টাই তেওঁক লগ পাব খুজিছে । তেওঁৰ ওচৰলৈ কিছুমান মানুহ আহিছে ; সিহঁতে ৰক্ষীবাহিনীৰ অধিনায়কক দেখা কৰিব খোজে ।

চিজাৰৰ আগত মূৰ দোঁৱাই, টাইগেলিনাচ নিশ্চিন্ত মনেৰে ওলাই গল। যি মুহূৰ্ত্তত, তেওঁক আক্ৰমণ কৰা হৈছিল, ঠিক সেই মুহূৰ্ত্ততে, তেওঁ চিজাৰক বেচকৈ এপালি দিলে, আৰু চিজাৰে নিজকে কাপুৰুষ বুলি প্ৰমাণ কৰিলে।

অলপ সময় নিৰোৱে একো নামাতিলে। তাৰ পাচত পাৰিষদবৰ্গই, তেওঁৰ মুখৰ এবাৰ কথালৈকে বাট চাই আছে বুলি বুজিব পাৰি, তেওঁ কলে, "মই গাথীৰ খুৱাই সাপ পুহিছিলো।"

পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে। যেন বুজাব খুজিলে, এনেকুৱা এটা সাপ মাৰিবলৈ বিশেষ কষ্ট কৰিব নালাগে।

"কথা কোৱা, আৰু মোক উপদেশ দিয়া।" নিৰোৱে চিঞৰিলে, "একমাত্ৰ তুমিয়ে মোৰ বিশ্বাসৰ পাত্ৰ ; কাৰণ আনতকৈ তোমাৰ বোধশক্তি বেচি, আৰু মই জানো যে, তুমি মোক ভাল পোৱা।"

পেট্ৰোনিয়াচৰ জিভাৰ আগলৈ আহি গৈছিল, এবাৰ কথা ! 'আপোনাৰ নিৰাপত্তাৰক্ষী বাহিনীৰ অধিনায়ক মোক শাতক। তেন্তিয়া মই টাইগেলিনাচক বাহিৰৰ হাতত লোধাই দিম আৰু চৌৰিকল কণ্ঠীৰ ভিতৰতে, নাগৰিক সকলক

সন্তুষ্ট কৰিম।' কিন্তু তেওঁৰ জন্মগত এলেহুৱা স্বভাবে বাধা দি উঠিল। অধিনায়ক হলে, চিজাৰৰ ৰক্ষণাবেক্ষণৰ ভাৰ লোৱাৰ উপৰিও, হাজাৰটা বাজহুৱা কামৰ লেঠা মূৰ পাতি লব লাগিব। তাৰ দ্বাৰা তেওঁৰ কি লাভ ? তাতকৈ কিতাপ পঢ়ি, ফুলদানি, মূৰ্ত্তি আদি কাৰু শিল্পৰ ক'লা কৌশল, আৰু পৱিত্ৰপ্ৰাণা ইউনিচৰ দেহ উপভোগ কৰি, দিন কটোৱাই শ্ৰেয়।

সেই বাবে, তেওঁ মাত্ৰ ইয়াকে কলে, "মোৰ উপদেশ, আপুনি গ্ৰীচলৈ যাত্ৰা কৰক।"

"উস্ !" নিৰোৱে নিৰাশ হৈ চিঞৰিলে, "তাতকৈ ভাল ব্যৱস্থা আশা কৰিছিলো। চিনেটে মোক ঘিণ কৰে। মই গুচি গলে, আন কাৰোবাক শাসক নাপাতিব বুলি, কোনে জোৰ দি কব পাৰিব ? এসময়ত মানুহবোৰক মই বিশ্বাস কৰিব পাৰিছিলো। কিন্তু এতিয়া সিহঁত বিৰোধী হৈ উঠিছে। নৰকৰ শপত ! সেই চিনেট, আৰু এই মানুহবোৰৰ আটাইবোৰ মূৰ শেষ হৈ, যদি এটা মাত্ৰ থাকিলহেঁতেন !"

"মোক এষাৰ কবলৈ অনুমতি দিয়ক প্ৰভু ! ৰোমৰ চিন ৰাখিবলৈ হ'লে কিছুমান ৰোমানকো জীয়াই ৰাখিব লাগিব।" পেট্ৰোনিয়াচে হাঁহি এটা মাৰি কলে।

নিৰো বিৰক্ত হ'ল।

"ৰোম বা ৰোমানৰ কথাত মূৰ ঘমোৱা, দৰকাৰ কি মোৰ ?" তেওঁ কলে, "গ্ৰীচৰ মানুহে মোৰ কথা নেপেলায়। কিন্তু ইয়াত চাৰিওফালে কি দেখিছো ? কেৱল বিশ্বাসঘাতকতা ! যি হয় হৈ থাকক বুলি, সকলোৱে মোক এৰি দিছে। আনকি তুমিও বিশ্বাসঘাতকতা কৰিবলৈ প্ৰস্তুত হৈছা। হয়, মই বুজি পাইছো, মই বুজিছো। তুমি এতিয়াও বুজা নাই, মোৰ দৰে শিল্পী এজনক পৰিত্যাগ কৰাৰ বাবে, উত্তৰ পুৰুষে তোমাক কি দৰে দোষাৰোপ কৰিব !"

হঠাৎ তেওঁ হাতেৰে কপাল চপৰিয়ালে।

"সঁচা," তেওঁ চিঞৰি উঠিল, "এনে দুশ্চিন্তাৰ মাজত থাকি, মই মাজে মাজে পাহৰি যাওঁ, মোৰ আপোন সত্তাক।"

তেওঁ পেট্ৰোনিয়াচলৈ চালে। মুখৰ অস্থিৰ ভাৱ যেন অলপ কমি গল।

"পেট্ৰোনিয়াচ," তেওঁ কবলৈ ধৰিলে, "মানুহবোৰ গুমৰি আছে। কিন্তু যদি মই হাতত বীণা লৈ, কেম্পাচ্ মাৰ্চিয়াচলৈ গৈ, জুই জ্বলি থাকোঁতে, তোমা-

লোকক গাই শুনোৱা প্ৰাৰ্থনা গীতটো, মানুহবোৰক শুনাওঁ, তেন্তে, অগ্নিয়ে ইতৰ প্ৰাণীক মুহি পেলোৱাৰ দৰে, মইও সিহঁতক গীতেৰে মুহি পেলাব নোৱাৰিমনে ? তুমি কি ভাবা ?"

টিউলিয়াচ্ চেনেচিও অস্থিৰ হৈ আছিল, এন্টিয়ামৰ পৰা অনা দাসী কেইজনীৰ ওচৰলৈ যাবলৈ। তেওঁ টপৰাই মাত লগালে, "নিঃসন্দেহে চিজাৰ। যদিহে সিহঁতে আপোনাক আৰম্ভ কৰিবলৈ দিয়ে !"

"অ,' তেন্তে বলা, গ্ৰীচলৈকে যাওঁ।" চিজাৰে অস্থিৰভাৱে চিঞৰিলে।

এনে সময়তে, টাইগেলিনাচৰ লৈতে, পপিয়া আহি উপস্থিত।

কেপিটোল পাহাৰৰ ওপৰলৈ বগাই উঠা এজন বিজয়ী সেনা নায়কতকৈও, বেচি গৰ্ব্বিত দেখা গল,—টাইগেলিনাচক। চিজাৰৰ সম্মুখত থিয় দি, ধীৰে ধীৰে স্পষ্ট, অথচ তীখাত শব্দ কৰাৰ দৰে টিঙটিঙিয়া মাতেৰে, তেওঁ কবলৈ ধৰিলে, "মোৰ কথা শুনক চিজাৰ। মই এটা বুদ্ধি পাঙিছো। ৰাইজৰ মনত প্ৰতিহিংসাৰ পিয়াহ,—সিহঁতে বলি বিচাৰিছে। হাজাৰে, হাজাৰে, মানুহক সিহঁতে বলি দিব খুজিছে। আপুনি বাক খৃষ্টৰ কথা শুনিছেনে,—যাক পন্টিয়াচ্ পাইলেটে ক্ৰচত দিছিল ? খৃষ্টিয়ান বিলাক কোন, আপুনি জানেনে ? মই আপোনাক কোৱা নাছিলোনে, সিহঁতৰ পাপ, আৰু অসৎ পন্থাৰ কথা ? পৃথিবীখন জুইয়ে নাশ কৰিব বুলি, সিহঁতৰ ভৱিষ্যত বক্তাইতে কোৱা কথা, আপোনাক জনোৱা নাছিলোনে ? বেচ্, আমাৰ ৰাইজে, এই খৃষ্টিয়ানইঁতক ঘিণ আৰু সন্দেহ কৰে। কোনেও সিহঁতক, আমাৰ মন্দিৰবোৰলৈ যোৱা দেখা নাই; কাৰণ, আমাৰ দেৱতাসকলক সিহঁতে ভূত, প্ৰেত যেন দেখে। খেল মাটিতো সিহঁতক কোনো দিন দেখা নাযায়। কাৰণ, সিহঁতে ৰথ চলোৱা প্ৰতিযোগিতাক তুচ্ছজ্ঞান কৰে। আজিলৈকে কোনো খৃষ্টিয়ানে দুই হাত তুলি, আপোনাক জয় ধ্বনি দিয়া নাই; কোনো খৃষ্টিয়ানে আপোনাক দেৱতাৰ সন্তান বুলি জ্ঞান কৰি, আপোনাৰ ঐশ্বৰিক উৎপত্তিৰ কথা, মুখেৰে স্বীকাৰ কৰা নাই। সিহঁত মানৱ জাতিৰ শত্ৰু, সিহঁত এই নগৰৰ শত্ৰু; আৰু সিহঁত আপোনাৰো শত্ৰু। মানুহবোৰে আপোনাৰ বিৰুদ্ধে কথা কৈছে। অথচ আপুনি মোক আদেশ দিয়া নাছিল, ৰোমত জুই দিবলৈ,—মইও দিয়া নাছিলো জুই। এতিয়া সিহঁতৰ প্ৰতিশোধৰ ক্ষুধা জাগি উঠিছে। গতিকে এই ক্ষুধা

নিবাৰণ কৰা হওক। মানুহবোৰ অস্থিৰ হৈ আছে,—ক্ৰীড়া আৰু বজ্ৰপাত দৰ্শন কৰিবলৈ। সিঁহতৰ কামনা পূৰ্ণ হওক। সিঁহতে সন্দেহ কৰিছে আপোনাক,— এই সন্দেহ দূৰ হওক।"

টাইগেলিনাচে কথা কৈ থাকোঁতে, ভাৱৰীয়া এজনৰ দৰে, সম্ৰাটৰ মুখৰ ভাব ভঙ্গী, সঘনে সলনি হবলৈ ধৰিলে। ক্ৰোধ, হতাশা পুতৌ আৰু অসন্তুষ্টিৰ ভাববোৰ এটাৰ পাচত এটাকৈ, প্ৰকাশ পাবলৈ ধৰিলে। তাৰ পাচত, হঠাতে এবাৰ পোন হৈ ৰহি, চিজাৰে হাত দুখন ওপৰলৈ তুলিলে, আৰু সেই ভঙ্গীতে স্তব্ধ হৈ ৰ'ল। অৱশেষত বিয়োগান্ত নাটকৰ অভিনেতা এজনৰ দৰে কলে,—

"হে জিউচ্. এপোলো, হীৰা, এথেনি, পেৰচিফোনী আৰু অমৰ দেৱতা সকল! উস্! কিয় আমাক ৰক্ষা নকৰিলা? এই ধৰ্ম্মান্ধইঁতক, দুৰ্ভগীয়া নগৰখনে কি অগৰ লগালে,—যাৰ বাবে, সিঁহতে জুই লগাই পুৰি থলে, এই নগৰ?"

"সিঁহত মানুহ জাতিৰ শক্ৰ আৰু আপোনাৰো শক্ৰ।" পপিয়াই যোগ দিলে।

এই কথা শুনা মাত্ৰকে, সমবেত কণ্ঠৰ চিৎকাৰ উঠিল, "বিচাৰ! বিচাৰ! গৃহদাহকইঁতক শাস্তি দিয়ক। দেৱতাসকলেও প্ৰতিশোধৰ দাবি কৰিছে।"

নিৰো ৰহি পৰিল, আৰু নিঃশব্দে তললৈ মূৰ কৰি থাকিল, খৃষ্টিয়ানইঁতৰ জঘন্য কাৰ্য্যত, হতবাক হোৱাৰ দৰে। শেষত তেওঁ, ওপৰলৈ হাত তুলি, পুণৰ চিঞৰি উঠিল,—

"এই পাপৰ উপযোগী শাস্তি কি হ'ব পাৰে? দেৱতাসকলে মোক প্ৰেৰণা দিব, আৰু টাৰ্‌টাৰাচৰ ক্ষমতা হাতত লৈ, মই মোৰ দুখীয়া প্ৰজাক এনে যন্ত্ৰণাৰ দৃশ্য দেখুৱাম যে, বহু শতাব্দী ধৰি, ৰোমানসকলে মোৰ কথা, কৃতজ্ঞতাৰে স্মৰণ কৰিব।"

বিজুলীসঞ্চাৰে পেট্ৰোনিয়াচৰ মনৰ মাজেদি এটা ভাব পাৰ হৈ গল,— লিজিয়া আৰু ভিনিকিয়াচ, আসন্ন বিপদৰ মুখত! দুয়োকো তেওঁ ভাল পায়। তেওঁ নিজে, সেই ধৰ্ম্মমত মানি নললেও সিঁহত যে নিৰ্দ্দোষী, এই কথা তেওঁ ভালদৰে জানে। তেওঁ বুজিলে, অতি শীঘ্ৰে কিছুমান আসুৰিক কাণ্ড ঘটিব, এনে পাশৱিক বজ্ৰপাতৰ দৃশ্য. শিল্পীৰ দৃষ্টিত অতিশয় ঘৃণনীয়। আটাইতকৈ গুৰুতৰ চিন্তা হ'ল, "যেনে তেনে, ভিনিকিয়াচক আৰু হোৱালীজনীক ৰক্ষাৰ

লাগিব। কাৰণ, যদি তাই মৰি যায়, সি পগলা হৈ যাব।” এই ভাবটোৱে আন সকলো ভাবকে তল পেলালে। পেট্ৰোনিয়াচে জানে যে, এই কামত হাত দিলে, বিপদ অৱশ্যম্ভাৱী। তথাপিও হাত নিদিয়াকৈ নোৱাৰিলে তেওঁ।

চিজাৰ বা অগষ্টানসকলৰ অদ্ভুত মতবোৰক, সমালোচনা বা ব্যঙ্গ কৰোতে অভ্যাসবশতঃ তেওঁ যি অসাৱধান নিৰ্লিপ্ততা অৱলম্বন কৰি চলি আহিছে, ঠিক তেনে এটা ভাবত, তেওঁ কবলৈ আৰম্ভ কৰিলে, “তেন্তে আপোনালোকে বলি কিছুমান যোগাৰ কৰিলে! বেচ! এতিয়া আপোনালোকে সিহঁতক, অপ-ৰাধীৰ সাজ পিন্ধাই, ক্ৰীড়া মঞ্চলৈ পঠিয়াওক। কিন্তু মোৰো অলপ কব লগীয়া আছে। আপোনালোকৰ কৰ্ত্তৃত্বৰ ক্ষমতা আছে, আপোনালোকৰ পিচত আছে নিৰাপত্তাৰক্ষী সেনা, আৰু আপোনালোক অসীম শক্তিৰ অধিকাৰী। সেই-বাবে, আপোনালোক সত্যৰ পথত চলক। এই কথা কোনেও মানি নলয়। তাৰ বাবে ৰাইজক দোষ দিয়ক, যদি তাকে কৰি ভাল পায়। কিন্তু নিজ বিবেকক ফাঁকি নিদিব। খৃষ্টিয়ানহঁতক ৰাইজৰ হাতত সোধাই দি শাস্তি দিয়াওক। কিন্তু অন্ততঃ এইখিনি কবলৈ সাহ কৰক যে, সিহঁতে ৰোমত জুই দিয়া নাছিল। বিক! মোক আপোনালোকে ‘ৰূপ-লাৱণ্যৰ বিচাৰক’ বুলি কয়। বেচ, বেচ! সেই ক্ষমতাৰ বলতে, মই জনাওঁ, এই শোকাবহ, নৃশংস ঘটনা, মই মুঠেও সহ্য নকৰো। এইবোৰে মোক, মনত পেলাই দিয়ে, পোটা এচিনেৰিয়াৰ দাস কিনা, বেচা কৰা ঠাইত হোৱা, ভাওনাবোৰলৈ, য'ত অভিনেতাহঁতে, বাটে, বাটে, খিতিঙালি কৰি ঘূৰি ফুৰা মাস্তৃবোৰক, আমোদ দিবৰ বাবে, ৰজা আৰু দেৱতাৰ ভাও দিয়ে, আৰু ভেকোভাওনা শেষ হোৱাৰ পাচত, টেঙা মদ এটুপি বেচকৈ ধৰি, তজবজীয়া হৈ যায় গৈ, অথবা মাতাল হৈ, আনৰ কিল-চৰ খাই ফুৰে। যদি কিবা হ'ব খোজে, তেন্তে প্ৰকৃত নৃপতি আৰু দেৱতা হওক। মই পুণৰ কওঁ, আপোনাসকল এনে হোৱাৰ উপযুক্ত হৈ আছে। চিজাৰ, আপুনি আমাক কৈছে, উত্তৰ পুৰুষৰ কথা! কিন্তু তালৈদৰে ভাবি চাওক, উত্তৰ পুৰুষে আপো-নাক কি ভাবে বিচাৰ কৰিব! সিহঁতে কব পাৰে, ক্লাইও দেৱীৰ শপত! পৃথি-বীৰ অধিপতি হৈ, দেৱতা হৈ, নিৰোৱে ৰোম পুৰি, ধূলিসাৎ কৰিছিল। কাৰণ, অলিম্পাচত জিউচ যিমান শক্তিশালী, পৃথিবীত তেওঁ সিমান শক্তিশালী আছিল।' সিহঁতে এইদৰেও কব পাৰে, ‘কবি নিৰোৱে, কবিতা হমানেই বেচি ভাল

পাইছিল যে, কবিতা ৰচনাৰ বেদীত, নিজৰ দেশকে আহুতি দিছিল। পৃথিবীৰ আৰম্ভণিৰে পৰা এতিয়ালৈকে, এনে কাম কোনেও কৰা নাই, কোনেও এনে কাম কৰা কথা ভাবিব নোৱাৰে।' হয়, কলা বিদ্যাৰ অধিষ্ঠাত্ৰী ন গৰাকী দেৱীৰ নামত, মই মিনতি জনাওঁ, সেই গৌৰৱৰ পৰা বঞ্চিত নহব। এই গৌৰৱৰ কাহিনী, যুগ, যুগ ধৰি কীৰ্ত্তন কৰি, মানুহে আপোনাক স্মৰণ কৰিব। আপোনাৰ তুলনাত প্ৰায়েম, এগেমেম্‌নন্ বা-একিলিজ্, কিমান নিকৃষ্ট হৈ পৰিব! দেৱতাসকলো আপোনাৰ সমকক্ষ হ'ব নোৱাৰে। ৰোম পুৰি ছাৰখাৰ কৰাটো, ভাল কাম নে বেয়া কাম, সেইটো বিচাৰৰ বিষয় নহয়। আচলতে, ই এটা মহৎ কামেই, আৰু অসাধাৰণত্বও আছে, এই কামত। তদুপৰি মই শপত খাই কওঁ যে, বাইজে আপোনাৰ বিৰুদ্ধে একো নকৰে। নিজ ক্ষমতাৰে সাহস গোটাই লওক। যি কাম আপোনাৰ যোগ্য নহয় তাৰ পৰা বিৰত থাকক! কাৰণ, উত্তৰ পুৰুষে কব পাৰে, 'নিৰোৱে ৰোম জ্বলাই দিছিল। কিন্তু ভীৰু কবি এজনৰ দৰে, তেওঁ এই মহৎ কামক অস্বীকাৰ কৰিলে আৰু কাপুৰুষৰ দৰে, নিৰীহ মানুহ কিছুমানক, দোষী সাব্যস্ত কৰিলে।' এই কথাটোলৈহে আপুনি ভয় কৰিব লাগে।"

মৰণত শৰণ লৈ, তেওঁ যি উপায় উদ্ভাৱন কৰিলে, সি যদি নিষ্ফল হয়, তেন্তে তাৰ পৰিণতি কি হ'ব সেই সম্বন্ধে, তেওঁৰ মনত কোনো সন্দেহ নাই। কিন্তু তেওঁ হল, অদৃষ্টৰ, আৰু অভাৱনীয় ঘটনাৰ খেল চাই, ভাল পোৱা মানুহ!

"হাতীৰ দাঁত এবাৰ ওলালে আৰু নোসোমায়।" তেওঁ নিজৰ মনতে কলে, "এতিয়া চাম, এই বান্দৰটোৰ মনত, কোনটো কথা ডাঙৰ, নিজৰ গা বচোৱাটো নে, 'গৌৰৱলৈ' হাউতিটো।" অৱশ্যে, পেট্ৰোনিয়াচে নজনাকৈ থকা নাছিল যে, ভয় বোলা বস্তুটোৰে, আন সকলো কথা তল পেলাই, মূৰ দাঙি উঠিব।

নিস্তব্ধতা লাহে, লাহে, অসহনীয় হৈ উঠিল। নিৰোৱে ওঠ দুটা কোচ খুৱাই, নাকৰ ওচৰলৈ নিলে, এই মুখভঙ্গী কিংকৰ্ত্তব্য বিমোৰ অৱস্থাৰ চিন।

"হে প্ৰভু," টাইগেলিনাচে চিঞৰি কলে, "যি ঠাইত প্ৰাণৰ সংশয় থকা ভয়ঙ্কৰ বিপদৰ মাজত আপোনাক থাকিবলৈ নেৰানেপেৰাকৈ ধৰা হৈছে, য'ত আপোনাক ভীৰু চিঞাৰ, কাপুৰুষ কবি, গৃহদাহক, আৰু ভাৱৰীয়া বুলি কোৱা শুনিবলৈ পাইছো, সেই ঠাই পৰিত্যাগ কৰিবলৈ, মোক অনুমতি দিয়ক। ইমানকৈ বেচি কটু কথা, মোৰ কাণ দুখনে, ক'তো শুনা নাই, শুনিব নোৱাৰেও।"

"মই ডুবিলো।" পেট্রোনিয়াচে মনতে কলে।

তথাপিও টাইগেলিনাচলৈ উলটি চাই, মানুহটোৰ নীচতাক ঘৃণাৰ চকুৰে চোৱাৰ ভাবেৰে, তেওঁ ফুটাই কলে, "টাইগেলিনাচ, আপোনাক,—আপোনাকহে মই ভাবৰীয়া বোলো। আপুনি প্ৰকৃত ভাবৰীয়া! আনকি এই মুহূৰ্ত্তো!"

"আপোনাৰ অপমানজনক কথাবোৰ শুনিবলৈ, ইচ্ছা নকৰাৰ বাবেই নেকি?"

"নহয়, আপুনি চিজাৰক অতিকৈ ভাল পোৱা যেন দেখুৱাইছে, অথচ, অলপ আগতে, নিৰাপত্তাৰক্ষী সেনাৰ কথা কৈ, চিজাৰক ভয়ো দেখুৱাইছিল। এই ইঙ্গিত, আমি আটাইয়ে বুজি পাইছিলো,- স্বয়ং চিজাৰেও মুবুজাকৈ থকা নাছিল।"

পেট্রোনিয়াচে, ইমান শক্তিশালী অস্ত্ৰ নিক্ষেপ কৰিব পাৰিব বুলি, টাইগেলিনাচে সপোনতো ভবা নাছিল। মানুহটো একেবাৰে শেঁতা পৰি গল, আৰু মুখৰ মাতো হৰিল! কিন্তু প্ৰতিপক্ষৰ বিৰুদ্ধে যুজঁা, 'ৰূপ-কলাৰ নিৰ্দেশকৰ' অদৃষ্টত, এইয়ে শেষ বিজয়। কাৰণ, পপিয়াই লগে, লগে, চিঞৰি কলে, "প্ৰভু, আন মানুহক, এনে এটা উদ্ভট কল্পনা, লৈ থাকিবলৈ, কিয় দিছে? আপোনাৰ আগত, এনে কথা কবলৈ, কিয় সাহ দিছে?"

"হয়, অপমানকাৰীৰ শাস্তি হওক!" ভাইটেলিয়াচে যোগ দিলে।

পুণৰ নিৰোৱে ওঁঠ কোচালে, পেট্রোনিয়াচলৈ চাই কথা কওঁতে, তেওঁৰ চকু দুটা, জিৰবিৰাই উঠিল,

"তোমাৰ প্ৰতি সদায় মিত্ৰ ভাব দেখুৱাৰ বেচ এইদৰেহে দিলা!"

"যদি মোৰ ভুল হৈছে, তাক প্ৰমাণ কৰি দেখুৱাওক।" পেট্রোনিয়াচে উত্তৰ দিলে, "তথাপিও নিশ্চয়কৈ জানিব যে, আপোনাক ভাল পোৱাৰ বাবেহে, এই কথা কৈছিলো।"

"অপমানকাৰীৰ শাস্তি হওক!" ভাইটেলিয়াচে পুণৰ চিঞৰিলে। লগে লগে সমবেত কণ্ঠই, তাত যোগ দিলে।

পেট্রোনিয়াচৰ ওচৰৰ পৰা এতিয়া সকলো আঁতৰি গল। আনকি ৰাজসভাৰ পুৰণা বন্ধু, টিউলিয়াচ্ চেনেচিও, আৰু অলপ আগলৈকে তেওঁৰ অন্তৰঙ্গ বন্ধু হৈ থকা, যুৱক নাৰ্ভাও আঁতৰি গল। গতিকে, আগচ'ৰাৰ বাওঁফালৰ এটা চুকত, 'ৰূপকলাৰ নিৰ্দেশক'ক আটায়ে অকলশৰীয়া কৰিলে। টোগাৰ ভাঁজবোৰ

এনেয়ে এবাৰ ঠিক কৰি লৈ, তেওঁ মিচিকিয়াই হাঁহিলে, আৰু চিজাৰেনো কি কয়, বা কি কৰে, তাৰলৈকে অপেক্ষা কৰিলে।

চিজাৰে মাত্ৰ ইয়াকে জনালে, "তেওঁক শাস্তি দিবলৈ, আটাইয়ে মোক ধৰিছে; কিন্তু তেওঁ মোৰ সঙ্গী, আৰু মোৰ বন্ধু। যদিও তেওঁ মোৰ মনত আঘাত দিছে, তথাপিও মই তেওঁক জনাওঁ যে,—মোৰ অন্তৰত, বন্ধুৰ প্ৰতি ক্ষমাৰ বাহিৰে, আন একো ভাব নাই।"

"মই হাৰি গলো, মই ডুবিলো!" পেট্ৰোনিয়াচে মনতে ভাবিলে।

চিজাৰে আসন এৰি থিয় দিলে, আৰু ইমানতে সভা ভঙ্গ হ'ল।

॥ ৮ ॥

পেট্ৰোনিয়াচ ঘৰলৈ উলটিল। নিৰো আৰু টাইগেলিনাচ লৈ, পপিয়াৰ বাসস্থানৰ আগচ'ৰাত সোমাল। তাত তেওঁলোকৰ বাবে অপেক্ষা কৰি থকা, মানুহবিলাকৰ লগত, সেনাধিনায়ক টাইগেলিনাচৰ, অলপ আগতে সাক্ষাত ঘটিছে। টাইবাৰৰ সিপাৰৰ ঠাইৰ পৰা দুজন ইহুদী ধৰ্ম্মগুৰু আহিছে,—তেওঁলোকৰ গাত ধৰ্ম্মীয় সাজ পাৰ। লগত এজন ডেকা লেখাকও লৈ আহিছে। চিলোও তেওঁলোকৰ লগ লাগিছে। চিজাৰক দেখা মাত্ৰকে, ধৰ্ম্মগুৰু দুজনৰ মুখত, মানসিক অশান্তিৰ ভাব পৰিস্ফুট হৈ উঠিল। হাত দুখন কান্ধৰ সমানলৈ তুলি, তেওঁলোকে হাতৰ মাজত মুখ লুকুৱালে।

"সম্ৰাটৰো সম্ৰাট, ৰাজাধিৰাজক অভিনন্দন জনালো"। বয়সস্থজনে কলে, "হে জগত সাম্ৰাজ্যৰ অধিপতি, আৰু ভগৱানৰ বাছনিত উঠা জাতিৰ ৰক্ষা কৰ্ত্তা! আপোনাক অভিবাদন জনাইছো। হে মানৱ কেশৰী! আপোনাক নমস্কাৰ জনাইছো। আপোনাৰ শাসন দক্ষতা, সূৰ্য্যৰ কিৰণৰ দৰে। আপুনি লেবাননৰ পদ্ম ক্লাঠৰ দৰে গুণসম্পন্ন, প্ৰবাহমান নিজৰাৰ পানীৰ দৰে নিৰ্ম্মল, আৰু জেৰিকোৰ তাল গছৰ দৰে উচ্চ! আপোনাক শত নমস্কাৰ।"

"কিন্তু আপুনি মোক দেৱকুলোত্তৰ বুলি নকলে দেখোন।" চিজাৰে কলে।

ধৰ্ম্মগুৰু দুজন আৰু বেচি শেঙা পৰি গল। বয়সস্থজনে পুণৰ কলে, "হে প্ৰভু! আপোনাৰ কথা আঙুৰ আৰু দুনি জলৰ দৰে সোৱাদ। কাৰণ, জেহো-

ভাই আপোনাৰ অন্তৰ মহান কৰি সৃষ্টি কৰিছে। আপোনাৰ পিতাকৰ আগৰ সম্রাট, কেয়াচ্ যদিও নিষ্ঠুৰ আৰু অত্যাচাৰী আছিল, তথাপিও, আমাৰ সজাতী-দলটোৱে, তেওঁক দেৱতা বুলি মনা নাছিল! কাৰণ জন্মত পিচ হৌহকা মানুহ নাছিল তেওঁলোক। মহান আইনৰ বিৰোধিতা কৰাতকৈ, মৃত্যু বৰণ কৰা শ্রেষ্ঠ বুলি তেওঁলোকে ভাবিছিল।"

"কেলিগুলাই সিহঁতক, সিংহৰ মুখলৈ দলিয়াই দিয়াইছিল নহয় নে?"

"নহয় প্রভু! কেয়াচ্ চিজাৰে, মহান জেহোভাৰ ক্রোধলৈ ভয় কৰিছিল।"

ইয়াকে কৈ, গুৰু দুজনে ওপৰলৈ মূৰ দাঙিলে; কাৰণ জেহোভাৰ ভয় লগা নামটোৱে, তেওঁলোকৰ মনত সাহস যোগালে। উপাস্য দেৱতাৰ শক্তিত, সম্পূর্ণ বিশ্বাস ৰাখি, তেওঁলোকে নিৰোলৈ বেচি সাহসেৰে চালে।

"মই শুনিবলৈ পাইছো, ৰোমত জুই লগাৰ বাবে, আপোনালোকে খৃষ্টিয়ানক দোষী কৰিছে।" চিজাৰে কলে।

"নহয় প্রভু, আমি সিহঁতক মানুহ জাতিৰ, ৰোমৰ আৰু আপোনাৰ শত্রু বুলিহে দোষাৰোপ কৰিছো। সিহঁতে বহুত দিনৰ আগৰে পৰা, এই নগৰৰ লগতে, গোটেই পৃথিৱীতে জুই লগাই দিব বুলি ভয় দেখুৱাই আছিল। পাচৰ কথা-খিনি, এই মানুহজনে আপোনাক জনাব। এই মানুহজনে মিছা কথা কৈ, কেতিয়াও নিজৰ ওঁঠ দুটা কলঙ্কিত নকৰে। কাৰণ, তেওঁৰ গাৰ শিৰে, শিৰে, বৈ আছে সং জাতিৰ ৰক্ত।"

নিৰোৱে চিলোলৈ চালে।

"তুমি কোন?" তেওঁ সুধিলে।

"মই আপোনাৰ বিশ্বাসী ভৃত্য। হে ওচিৰিচ! মই এটা দুখীয়া ষ্টৌইক দার্শনিক।"

"মই ষ্টৌইকবোৰক ঘিণ কৰো।" নিৰোৱে মন্তব্য কৰিলে। "মই থে্চি-য়াচক, মিওচোনিয়াচক, আৰু কৰণুটাচক সমানে ঘিণ কৰো। সিহঁতে শিল্প-কলাক, যি ধৰণে অৱজ্ঞা কৰি কথা কয়, শুনিলে বিৰক্তি ওপজে। লগতে, সিহঁতৰ অভদ্র ব্যৱহাৰ, আৰু ইচ্ছাকৃত ত্যাগ আৰু দুখৰ জীৱনে, মোৰ মনত ঘৃণা ওপজায়।"

"হে প্রভু!" চিলোৱে ততালিকে উত্তৰ দিলে, "মই প্রয়োজন বুজিহে ষ্টৌইক হওঁ। মোৰ দর্শনক গোলাপৰ মালাৰে বৰণ কৰি সন্মুখত সুৰাৰ পাত্র থৈ

চাওক, কি হয়! হে জ্যোতিষ্মান! তেতিয়া মোৰ দৰ্শনে এনেক্ৰেয়ণৰ যশগীত এনেদৰে গাবলৈ ধৰিব যে, এপিকিউৰিয়ান আটাইবোৰ স্তম্ভিত হৈ যাব।"

'জ্যোতিষ্মান' সম্বোধনে, নিৰোক উৎফুল্ল কৰি তুলিলে। সন্তুষ্টিৰ হাঁহি মাৰি তেওঁ কলে, "তুমি মোক বেচ আমোদ দিছা।"

"সচাঁকৈয়ে, অতি চমৎকাৰ মানুহ।" টাইগেলিনাচে মাত লগালে, "হয়, একেবাৰে সোণৰ চপৰা যেন।"

"আপোনাৰ বদান্যতাখিনি সোণেৰে ওজন কৰক প্ৰভু!" চিলোৱে উত্তৰ দিলে, "নহলে প্ৰশংসাৰ পুৰস্কাৰ বতাহে উৰুৱাই নিব।"

"তোমাৰ ওজন, ভাইটেলিয়াচৰ সমান হব নোৱাৰে।" নিৰোৱে কলে।

"নহয়, হে ধনুৰ্দ্ধাৰী দেৱতা। মোৰ আত্মা, সীহেৰে তৈয়াৰী নহয়।"

"মই বুজিছো, তোমাৰ আইনে মোক দেৱতাজ্ঞান কৰিবলৈ, নিষেধ কৰা নাই।"

"হে অমৰ দেৱতা। আপোনাৰ ইচ্ছাই হ'ল মোৰ আইন। খৃষ্টিয়ানসকলে এই আইন কলুষিত কৰিছে, সেইবাবে সিহঁতক মই ঘিণ কৰো।"

"খৃষ্টিয়ানৰ বিষয়ে কি জানা?"

"মোক চকুপানী টুকিবলৈ অনুমতি দিবনে প্ৰভু?"

"নালাগে, চকুপানীয়ে মোক ঘিণ লগায়।"

"আপোনাৰ কথা সত্য, ধ্ৰুব সত্য। যি কেইটা চকুৱে এবাৰ আপোনাৰ দৰ্শন লাভ কৰিছে, সেই কেইটাৰ পৰা, কোনোদিন চকুপানী ওলাব নোৱাৰে, ওলোৱা অনুচিত। হে প্ৰভু! শত্ৰুৰ হাতৰ পৰা, ৰক্ষা পোৱাৰ উপায় বিচাৰি, আপোনাৰ ওচৰলৈ আহিছো।"

"কোৱা, কৈ দিয়া, খৃষ্টিয়ানসকলৰ কথা!" পপিয়াই অধৈৰ্য্য হৈ কলে।

"হে আইচিচ! আপোনাৰ আদেশমতে সকলো হব।" চিলোৱে উত্তৰ দিলে, "যুৱা বয়সৰ পৰাই, মই দৰ্শন শাস্ত্ৰত আত্মনিয়োগ কৰিছিলো। সত্যৰ অন্বেষণ কৰিয়ে, মই কাল কটালো। সত্য বিচাৰিলো, পুৰণি মনীষীসকলৰ মাজত, এথেন্সৰ একাডেমীত, আৰু আলেকজেন্দ্ৰিয়াৰ চেৰেইপিচৰ মন্দিৰত। তাৰ পাচত, খৃষ্টিয়ানসকলৰ কথা যেতিয়া শুনিলো, তেতিয়া এটা নতুন দাৰ্শনিক পন্থাৰ সন্ধান পালো বুলি ভাবি, সিহঁতৰ মাজত, অলপ নহয় অলপ, সত্যৰ কথা আবিষ্কাৰ কৰা যাব বুলি, ধৰি ললো। দুৰ্ভাগ্যক্ৰমে, মই সিহঁতৰ সংস্ৰ-

হলৈ যাব লগা হল। গ্ৰহৰ দোষত, প্ৰথমে মই, যিটো খৃষ্টিয়ানৰ ওচৰ চাপিলো সি হল, নিয়াপোলিচৰ এটা চিকিৎসক,—তাৰ নাম গ্লকাচ। তাৰ মুখৰ পৰা, মই জানিব পাৰিলো যে, খৃষ্টিয়ানইতে, কোনোবা খৃষ্টক উপাসনা কৰে। এই খৃষ্টৰে প্ৰতিজ্ঞা আছিল, সমস্ত মানব জাতিক নিৰ্ম্মূল কৰা। পৃথিবীৰ সকলো নগৰৰ অস্তিত্ব বিলোপ কৰি, একমাত্ৰ খৃষ্টিয়ানক, তেওঁ জীয়াই ৰাখিব, যদিহে এই ধ্বংসলীলাত, খৃষ্টিয়ানে হাত দিয়ে। প্ৰভু, এই বাবেই সিইতে, ডিউকেলিয়নৰ সতি-সন্ততিক ধ্বংস কৰে, নিজৰাবোৰত বিহ ঢালে, আৰু যেতিয়া সিইত সভাত গোট খায়, তেতিয়া আটাইবোৰে মিলি, ৰোম আৰু ৰোমৰ দেৱ মন্দিৰবোৰৰ কুৎসা ৰটনা কৰে। খৃষ্টক ক্ৰুচত দি বধ কৰা হৈছিল। কিন্তু তেওঁ ভক্তসকলক কথা দিছিল যে, যি দিনা ৰোম ধ্বংস প্ৰাপ্ত হব, সেইদিনা, তেওঁ পৃথিবীলৈ উলটি আহিব, আৰু সিইতৰ হাতত, জগত সাম্ৰাজ্য অৰ্পণ কৰিব।"

"গতিকে, এতিয়া কাৰো বুজিবলৈ বাকী নাথাকে, কি বাবে ৰোম নগৰ পুৰি শেষ কৰা হৈছে।" টাইগেলিনাচে যোগ দিলে।

"হে প্ৰভু, ইতিমধ্যে বহুতে জানিছে, আচল কাৰণ কি।" চিলোৱে উত্তৰ দিলে, "উদ্যান সমূহত, আৰু কেম্পাচ্ মাৰ্চিয়াচত ঘূৰি ফুৰাটো, মোৰ অভ্যাসত পৰিণত হৈছে। শিক্ষা প্ৰচাৰ কৰাই, মোৰ উদ্দেশ্য। এতিয়া যদি, আপুনি মোৰ কথা শুনিব খোজে, তেন্তে মই জনাওঁ,—কিহৰ বাবে, মোৰ মনত প্ৰতিহিংসা জাগি উঠিছে। আৰম্ভণিতে, গ্লকাচ নামৰ বৈদ্যটোৱে, মোক সাৱধান কৰি, জনাই দিয়া নাছিল যে, খৃষ্টিয়ান ধৰ্ম্মই, মানব জাতিক ধ্বংস কৰিবলৈ শিকায়। আনহাতে, সি মোক প্ৰায়ে কৈছিল যে, খৃষ্ট এজন সৎ দেৱতা, আৰু এই ধৰ্ম্মৰ গুৰিতে আছে, প্ৰেম। এই শিক্ষা, মোৰ ভাব প্ৰৱণ মনটোৱে, গ্ৰহণ নকৰাকৈ নোৱাৰিলে। মই গ্লকাচক ভাল পাইছিলো; তাৰ ওপৰত মোৰ, সম্পূৰ্ণ আস্থা আছিল। মোৰ প্ৰতি পৰাহ আহাৰৰ, প্ৰতিটো পইচাৰ, ভাগ দিছিলো তাক। কিন্তু, আপুনি ভাবিব পাৰিবনে, কিদৰে সি মোক, ইয়াৰ প্ৰতিদান দিলে? নিয়াপোলিচৰ পৰা ৰোমলৈ আহোঁতে সি মোক ছুৰীৰে আঘাত কৰিছিল, মোৰ তিৰোতাজনীক বেচি দিছিল, মোৰ বেৰেনিচক, মোৰ সুন্দৰী, যুৱতী ভাৰ্য্যাক। বেচিছিল কাক জানেনে? এটা দাস বেপাৰীক। হায়! চোফোক্লিজে যদি মোৰ ইতিহাস জানিলেহেঁতেন! কিন্তু কি কৈছো মই? যি জনে এতিয়া মোৰ কথা শুনি আছে, তেওঁ দেখোন চোফোক্লিজতকৈও শ্ৰেষ্ঠ।"

"বেচেৰা দুখীয়া মানুহটো !" পপিয়াই সমবেদনা জনালে।

"হে দেৱী। যিটো মানুহে, এতিয়া এক্রোডাইটীৰ দৰ্শন লাভ কৰিছে, সি আৰু কেতিয়াও দুখীয়া নহয়। ময়ে সেই মানুহটো ! ৰোমলৈ আহি, মই খৃষ্টিয়ানৰ যুৱতীসকলৰ ওচৰ চাপিবলৈ, চেষ্টা কৰিছিলো, প্ৰকাচে কৰা অন্যায়ৰ বিচাৰ প্ৰাৰ্থনা কৰিবৰ বাবে। মই ভাবিছিলো, মোৰ ভাৰ্য্যাক ঘূৰাই দিবলৈ, তেওঁলোকে তাক বাধা কৰিব। এই বাবে মই, এজন ভাঙৰ যাজক, পলৰ লগত চিনাকি হৈছিলো। (এওঁক ইগাৰ কাৰাগাৰত থোৱা হৈছিল ; পাচত তেওঁক মুক্তি দিছিল।) জেবেদিৰ পুত্ৰ, লিনাচ্, ক্লিটাচ্, আৰু বহুতবে লগত, মোৰ চিনা পৰিচয় আছিল। দুই লগাৰ আগতে, এই মানুহবোৰ ক'ত আছিল, মই জানো। সিহঁত ক'ত লগ খাইছিল, তাকো কব পাৰো। ভেটিকান পাহাৰৰ তলত থকা, এটা কবৰ স্থান, আৰু পোৰ্ট নোমেন্টানাৰ বাহিৰত থকা, আন এখন সমাধিক্ষেত্ৰ, মই আঙুলিয়াই দেখুৱাব পাৰো,—য'ত সিহঁতে, নিজৰ ঘৃণনীয় ক্ৰিয়া কাণ্ড চলাই থাকে। তাতে মই, ধৰ্ম্ম গুৰু পিটাৰক দেখিছিলো। তাতে মই প্ৰকাচকো লগ পাইছিলো, শিশুৰ ডিঙি কাটি থকা অৱস্থাত, যাতে গুৰুৱে, দীক্ষিতবোৰৰ মূৰত সিহঁতৰ তেজ ছটিয়াই দিব পাৰে। তাতে মই, পম্পোনিয়া গ্ৰেচিনাৰ তোলনীয়া জীয়েক লিজিয়াই, দখালি মাৰি কোন্দা শুনিছিলো যে, যদিও তাই এটা শিশুৰো তেজ লগত আনিব নোৱাৰিলে, তথাপিও, সক অগষ্টাৰ ওপৰত, যাদু মন্ত্ৰ চলাবলৈ, সুবিধা পাই আহিছে। হে পবিত্ৰ ওচিৰিচ ! হে আইচিচ ! আপোনালোকৰে শিশু কন্যা আছিল তেওঁ !"

"কথাবাৰ মন কৰিলেনে চিজাৰ ?" পপিয়াই কলে।

"ইও সম্ভৱনে ?" নিৰোৱে চিঞৰি কলে।

"মোৰ প্ৰতি কৰা অন্যায় আচৰণ, মই ক্ষমা কৰিব পাৰো।" চিলোৱে কবলৈ ধৰিলে, "কিন্তু এই কথা শুনি, মানুহজনীৰ বুকুত ছুৰী মাৰিব খুজিছিলো। মহামী ভিনিকিয়াচে বাধা দিয়াৰ বাবেহে, নোৱাৰিলো। নকলেও হ'ব, তেওঁ লিজিয়ান গাভৰুজনীক ভাল পায়।"

"ভিনিকিয়াচে ? কিন্তু তেওঁৰ ওচৰৰ পৰা, তাই পলাই গৈছিল !"

"হয়, তাই পলাই গৈছিল, কিন্তু তেওঁ তাইক বিচাৰি ফুৰিছিল। তাইক নাপালে, তেওঁ জীয়াই থাকিব নোৱাৰে কাৰণে। কিবা অলপ লাভৰ আশাত, মইও তাইক বিচাৰি উলিওৱাত, সহায় কৰিছিলো। তাই থকা ঘৰটো, মইয়ে তেওঁক

আঙুলিয়াই দেখুৱাইছিলো। টাইবাৰৰ সিপাৰে থকা খৃষ্টিয়ানৰ লগত আছিল তাই। সেই ঘৰটোলৈ, দুয়ো একেলগে গৈছিলো! মহান ভিনিকিয়াচে, নিজৰ নিৰাপত্তাৰ বাবে, আপোনাৰ মল্লবীৰ ক্ৰোটোক টকা দি, লগত নিছিল। কিন্তু উৰচাচ্ নামৰ লিজিয়ান দাস এটাই, ক্ৰোটোক ভিঙি চেপি মাৰি পেলালে। হে প্ৰভু! এই মানুহটোৰ গাত ভয়ানক শক্তি। পপিফুলৰ ঠাৰি ছিঙাৰ দৰে, এই মানুহটোৱে, বাঙ্‌ গৰুৰ ডিঙি ছিঙি থব পাৰে। এই বাবেই, অলাচ আৰু পম্পোনিয়াই তাক ভাল পাইছিল।"

"হে হাৰকিউলিজ।" নিৰোৱে চিঞৰ মাৰি দিলে, "যিটো মানুহে ক্ৰোটোক ভিঙি চেপি মাৰিব পাৰে, তাৰ প্ৰতিমূৰ্ত্তি ফ'ৰামত থোৱাৰ উপযুক্ত। কিন্তু তুমি নোহোৱা নোপজা কথাৰ বকলা মেলিছা; বুজিছানে বৃদ্ধ? ভিনিকিয়াচে ক্ৰোটোক ছুৰী মাৰি হত্যা কৰিছিল।"

"দেৱতাৰ আগত মানুহে ইমান মিছা কথা কয় নে? মই নিজ চকুৰে দেখিছো, উৰচাচৰ বজ্ৰ মুষ্টিৰ মাজত, ক্ৰোটোৰ হাড় গুৰি হোৱা। ভিনিকিয়াচকো সি মাটিত দলিমাৰি পঠিয়াইছিল। লিজিয়ান গাভৰুৱে বাধা নিদিয়া হলে, তেওঁকো শেষ কৰি থলে হেতেঁন। ইয়াৰ পাচত, বহুত দিন ভিনিকিয়াচ ৰোগ শয্যাত পৰি আছিল; খৃষ্টিয়ানবোৰে তেওঁক সেৱা শুশ্ৰূষা কৰিছিল। সিহঁতৰ আশা আছিল, ছোৱালীজনীক তেওঁ ভাল পায় যেতিয়া, নিজেও এদিন খৃষ্টিয়ান হৈ যাব। ঠিকেই, এতিয়া তেওঁ খৃষ্টিয়ান হল।"

"ভিনিকিয়াচ?"

"হয়।"

"পেট্ৰোনিয়াচো নেকি?" টাইগেলিনাচে কেঁপাই জোপাই সুধিলে।

চিলোৱে কোচমোচ খাই, হাত মোহাৰি মোহাৰি কলে, "হে প্ৰভু! আপোনাৰ তীক্ষ্ণ বোধশক্তিক, নশলাগি নোৱাৰো। বেচ ই অসম্ভৱ নহয়। অসম্ভৱ নহয়!"

"এতিয়া বুজা গৈছে, কিয় তেওঁ খৃষ্টিয়ানৰ হকে মাত মাতিছিল।"

নিৰোৱে সশব্দে হাঁহিলে।

"পেট্ৰোনিয়াচ খৃষ্টিয়ান? জীৱন উপভোগৰ, আনন্দৰ, বিলাসৰ শত্ৰু পেট্ৰোনিয়াচ? মূৰ্খৰ দৰে, এনেকুৱা গল্প বিশ্বাস কৰিবলৈ, মোক নকবা। মই তোমাক সম্পূৰ্ণ অবিশ্বাস কৰিবলৈ বাধ্য হয়।"

"অন্ততঃ মহান ভিনিকিয়াচ খৃষ্টিয়ান হৈছে। আপোনাৰ দেহৰপৰা বিচ্ছুৰিত হোৱা, ৰশ্মিৰ শপত খাই কওঁ, এই কথা সঁচা। অসত্য হল মহাপাপ, এই পাপক মই 'ঘিমান ঘিণ কৰো, আন একোকে সিমান ঘিণ নকৰো। পম্পোনিয়াও খৃষ্টিয়ান, সক অলাচ্, লিজিয়া আৰু ভিনিকিয়াচো। ভিনিকিয়াচক মই, সেৱা শুশ্ৰূষা ভালদৰে কৰিছিলো; কিন্তু গ্লকাচক সন্তুষ্ট কৰিবলৈকে, তেওঁ মোক বেত দিয়াইছিল। শুশ্ৰূষা কৰাৰ বেচ্, মই এইদৰেহে পাইছিলো। মই বুঢ়া মানুহ, তাতে সেই সময়ত, অসুস্থ আৰু অভুক্ত আছিলো। নৰকৰ শপত খাই কৈছো, এই কথা কেতিয়াও নাপাহৰো মই। হে প্ৰভু! খৃষ্টিয়ানৰ হাতত মই ভোগ কৰা অন্যায়ৰ, যদি পোতক তুলিবৰ সুবিধা দিয়ায়, তেন্তে মই, ধৰ্মগুৰু পিটাৰ, লিনাচ্, ক্লিটাচ্, গ্লকাচ্, ক্ৰিচপাচ্ আদি খৃষ্টিয়ানৰ মুৰব্বীইঁতক আৰু লগতে, লিজিয়া আৰু উৰচাচকো আপোনাৰ হাতত শোধাই দিম। তদুপৰি মই শয়ে, শয়ে, হাজাৰে, হাজাৰে, খৃষ্টিয়ানক আঙুলিয়াই দেখুৱাম। সিইঁতে প্ৰাৰ্থনা কৰা ঘৰ আৰু কবৰ স্থানবোৰো, দেখুৱাই দিম। এই মানুহবোৰক ৰাখিবলৈ, আপোনাৰ আটাইবোৰ কাৰাগাৰতো ঠাইয়ে নাটিব। যন্ত্ৰণা ভোগ কৰিও, মই মোৰ দৰ্শনৰ মাজতে সান্ত্বনা পাইছিলো। অনুগ্ৰহ দান কৰাৰ ক্ষমতা, আপোনাৰ আছে। এতিয়াৰ পৰা যেন, মই আপোনাৰ অনুগ্ৰহ লাভ কৰো, আৰু শান্তি পাওঁ। মই বৃদ্ধ, জীৱনত মই কোনোদিনে আনন্দ উপভোগ কৰা নাই। এতিয়া মোক অলপ আনন্দ উপভোগ কৰিবলৈ সুবিধা দিয়ক।"

"তেন্তে তুমি, ভৰা কঁাহী এখন আগত লৈ, হৈাইক সাজিব খোজা?" নিৰোৱে কলে।

"যি আপোনাৰ সেৱাত আত্ম নিয়োগ কৰে, সি নিজ কৰ্ম্মৰ গুণত, খোৱা থালখন ভৰাই লব পাৰে।"

"একেবাৰে সত্য কথা। হে দাৰ্শনিক!"

শপিয়াই প্ৰতিজ্ঞা কৰি থৈছিল, হাতৰ মুঠিৰপৰা তেওঁৰ শত্ৰুক এৰি নিদিবলৈ। সচাঁ, ভিনিকিয়াচৰ প্ৰতি তেওঁৰ যি সাময়িক আসক্তি জন্মিছিল, তাৰ মূলতে আছিল, বিদ্বেষ, ক্ৰোধ আৰু আহত অহঙ্কাৰ। সম্ভ্ৰান্ত যুৱকজনে শীতল, নিৰ্ব্বিকাৰ ভাব দেখুৱাই, তেওঁক প্ৰত্যাখ্যান কৰাৰ ক্ষোভ, কোনোদিনে মাৰ যোৱা নাছিল। তেওঁৰ ঠাইত, আন এজনী তিৰোতাক, শ্ৰেষ্ঠত্ব প্ৰদান কৰিবলৈ যে যুৱকে সাহস কৰিলে, সেয়ে হল তেওঁৰ গুৰুতৰ অপৰাধ। এই অপমানৰ

প্রতিশোধ লোৱা উচিত বুলি, পপিয়াই থিৰ কৰিছিল। উত্তৰ কালৰ বেশ্যৰপৰা অহা, সদা প্ৰস্ফুটিত ফুল এপাহিৰ দৰে মনোৰমা লিভিয়াক, প্ৰথমবাৰ দেখিয়েই তেওঁৰ মনলৈ আতঙ্ক, আৰু ঘৃণাৰ ভাব আহিছিল। লিভিয়াৰ নিতম্ব-দেশ ক্ষীণ বুলি কৈ, পেট্ৰোনিয়াচে চিজাৰৰ চকুত ধূলি দিব পাৰে; কিন্তু তেওঁক, পপিয়াক ফাঁকি দিব নোৱাৰে। মুহূৰ্তৰ ভিতৰতে, তেওঁ বুজি উঠিছিল যে, লিভিয়াই একমাত্ৰ ৰোমৰ নাৰী, যি তেওঁৰে সৈতে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে আৰু সৌন্দৰ্য্যৰ প্ৰতিযোগিতাত বিজয়িনীও হব পাৰে।

"হে প্ৰভু! সন্তানৰ মৃত্যুৰ প্ৰতিশোধ লওক।" পপিয়াই জনালে।

"হয়, শীঘ্ৰে লওক!" চিলোৱে চিঞৰি কলে, "সোনকাল কৰক, নহলে ভিনিকিয়াচে লুকুৱাবলৈ সময় পাব। জুই লগাৰ পাচত সিহঁতে কোনটো ঘৰত আশ্ৰয় লৈছে, মই দেখুৱাই দিম।"

"বেচ, মই তোমাৰ লগত, দহজন মানুহ দিম," টাইগেলিনাচে কলে, "এতিয়াই তৎক্ষণাৎ যোৱা।"

"কিন্তু প্ৰভু, উৰচাচৰ হাতত ক্ৰোটো কিদৰে মৰিল, মই হে দেখিছিলো। আপুনি দেখা নাই। আপুনি মোৰ লগত, পঞ্চাশটা মানুহ দিলেও, মই মাত্ৰ দূৰৰ পৰাহে, ঘৰটো আঙুলিয়াই দেখুৱাম। তদুপৰি, ভিনিকিয়াচক যদি বন্দী নকৰে, মোৰ ফালে আপদ পৰিব।"

টাইগেলিনাচে নিৰোলৈ চালে।

"মোমায়েক, ভাগিনিয়েকক একেলগে শেষ কৰি থোৱাই, উত্তম নহয়নে?" তেওঁ পৰামৰ্শ দিলে।

নিৰোৱে কেই মুহূৰ্ত্তমান চিন্তা কৰি চালে।

"নহব," অৱশেষত তেওঁ জনালে। "এতিয়া নহয়। আমি বাহিৰৰ মনত, কেতিয়াও বিশ্বাস জন্মাব নোৱাৰিম যে, পেট্ৰোনিয়াচ, ভিনিকিয়াচ, বা পম্পোনিয়া গ্ৰেচিনাই, ৰোমত জুই দিছিল। এওঁলোক যিবোৰ অট্টালিকাত থাকে, সেইবোৰ ইমান উৎকৃষ্ট যে, তাক এনেদৰে নষ্ট কৰাৰ কথা, তেওঁলোকে ভাবিব নোৱাৰে। তেওঁলোকৰ সময় আহিব, ঠিকেই। কিন্তু বৰ্ত্তমান আমি, আন বলি বিচাৰিব লাগিব।"

"হে প্ৰভু, মোৰ নিৰাপত্তাৰ বাবে, কিছুমান সেনা লগত দিয়ক।" চিলোৱে পুণৰ মিনতি জনালে।

"টাইগেলিনাচে সেইটো চাব।" নিৰোৱে উত্তৰ দিলে।

"বর্ত্তমান তুমি, মোৰ লগতে থাকিব পাৰিবা।" সেনাধিনায়কে কলে।

আনন্দত উদ্ভাসিত হৈ উঠিল, চিলোৰ মুখ।

"তেন্তে মই, গোটেই দলটোকে আপোনাৰ হাতত গটাই দিম।" সি ভঙা, ভঙা মাতেৰে কলে, "মাত্র সোনকাল কৰক! সোনকাল কৰক! সোনকাল!"

॥ ৯ ॥

চিজাৰৰ দৰবাৰৰ পৰা ওলাই আহি, পেট্রোনিয়াচে কেৰিণিৰ ওচৰত থকা নিজৰ অট্টালিকালৈ দোলাখন কঢ়িয়াই নিবলৈ, ভাৰীহঁতক আদেশ দিলে। সৌভাগ্যবশতঃ তেওঁৰ অট্টালিকাৰ তিনিফালে, গছ-গছনিৰে ভৰা উদ্যান, আৰু সন্মুখৰ ফালে, ফ'ৰাম চিচিলেনাম্ নামৰ সৰু হাটখোলা এখন থকাৰ বাবে ঠাইখন জুইৰ গ্ৰাহৰপৰা সাৰি গৈছিল। এই বাবেই, আন অগষ্টানসকলে তেওঁক ভাগ্যৱান বুলি কৈছিল; তদুপৰি, বহু কালৰ আগৰে পৰা, তেওঁ ভাগ্যদেৱীৰ বৰপুত্ৰ বুলি জনাজাত আছিল। চিজাৰে তেওঁৰ প্ৰতি ক্ৰমান্বয়ে বেচি বন্ধুত্বৰ ভাব প্ৰদৰ্শন কৰিবলৈ ধৰাত, তেওঁৰ এই খ্যাতি নিগাজী হৈ পৰিছিল কিন্তু ভাগ্যদেৱীৰ প্ৰিয় সন্তানে আজি, দেৱীৰ চঞ্চলতাৰ কথা মনলৈ আনিবলৈ বাধ্য হৈছে। গ্ৰীকসকলৰ, মহাকালৰ দেৱতা, ক্ৰোনোচৰ লগত এই ভাগ্যদেৱীৰ সাদৃশ্য আছে বুলি, তেওঁৰ মনত উদয় হল। ক্ৰোনোচে নিজৰ সন্তানক গিলি পেলোৱাৰ দৰে, ভাগ্যদেৱীয়ে হয়তো এতিয়া, তেওঁকো গিলি পেলাব খুজিছে।

তেওঁ থাকোঁতে তেওঁ ভাবিলে, "মণি মুক্তা, এট্ৰাচ্কান পাত্ৰ, আলেকজেন্দ্ৰিয়ান্ আইনা আৰু কেৰিন্থীয়ান ব্ৰঞ্জৰ কাৰু শিল্পৰে পূৰ্ণ, মোৰ অট্টালিকাটো পুৰি যোৱা হলে, নিৰোৱ ক্ৰোধ কিছু শাম কাটিলেহেঁতেন। হে পোলাক্স! মই দেখোন, নিৰাপত্তাৰক্ষী বাহিনীৰ অধিনায়কেই হলোহেঁতেন, অলপ চেষ্টা কৰা হলে! তেতিয়া মই বাইজৰ আগত খোলাখুলিকৈ টাইগেলিনাচক অপমান কৰিলোহেঁতেন, গৃহদাহক বুলি কৈ। সচাঁকৈয়ে সি গৃহদাহ কৰিছে।

হয়, মই তাক দোষীৰ সাজ পিন্ধাই, বাইজৰ হাতত শোধাই দিলোহেঁতেন, আৰু খৃষ্টিয়ানসকলৰ বিপদ আঁতৰাই, নগৰখন পুণৰ নিৰ্ম্মাণ কৰালোহেঁতেন! ইয়াকে কৰা হলে, সাধুলোকৰ সমৃদ্ধি লাভৰ, নতুন যুগৰ সূচনা নহলহেঁতেন নে? অন্ততঃ ভিনিকিয়াচৰ স্বাৰ্থৰ বাবে, এই কামত বাধা হৈ হাজ দিলোহেঁতেন! পাচত এই কাম, মোৰ বাবে অত্যাধিক যেন লাগিলে, ভিনিকিয়াচৰ হাতত সকলো দায়িত্ব, জাপি দিলোহেঁতেন, আৰু নিৰোৱেও নিশ্চয় কোনো আপত্তি নেদেখুৱালেহেঁতেন। ভিনিকিয়াচে, নিৰাপত্তাৰক্ষী বাহিনীৰ প্ৰতিটো সেনাকে, আনকি চিজাৰকো যদি, নতুন ধৰ্ম্মত দীক্ষিত কৰায়, তাৰদ্বাৰা মোৰ জানো কিবা ক্ষতি হ'ব? ইস! নিৰো ধাৰ্ম্মিক, নিৰো সৎ আৰু দয়ালু হৈ যায় যদি, কি অদ্ভুত কথা হব!"

চিৰকলীয়া অসাৱধান ভাব লৈ, পেট্ৰোনিয়াচে মিচিকিয়াই হাঁহিলে। কিন্তু পিচ মুহূৰ্ত্ততে, তেওঁৰ মুখৰ ভাব, সলনি হ'ল। তেওঁ যেন পুণৰ শুনিবলৈ পালে। এক্টিয়ামত টাৰচাচৰ পলে কোৱা কথা, "তোমালোকে আমাক জীৱনৰ শত্ৰু বুলি কোৱা। কিন্তু মোঁক এই কথা কোৱাচোন, পেট্ৰোনিয়াচ! চিজাৰ খৃষ্টিয়ান হোৱা হলে, আমাৰ উপদেশ মানি চলা হলে, জীৱনলৈ বেচি নিৰাপত্তা, আৰু শান্তি নাহিলহেঁতেন নে?"

"কেইৰৰ শপত খাই কব পাৰো", পেট্ৰোনিয়াচে মনতে ভাবিলে, "ইয়াত যিমানে বেচি খৃষ্টিয়ানৰ মুণ্ডপাত ঘটিব, পলে সিমানে বেচি মানুহক খৃষ্টিয়ান কৰিব। চিজাৰে হয়তো, মোক শিৰ কটাই তেজ উলিয়াই মৰিবলৈ, আদেশ দি পঠাব। এনেদৰে শেষ হবলৈ পালে বেয়া নহয়। সচাঁ, ইউনিচৰ বাবে, মোৰ দুখ লাগিব আৰু মোৰ বহুমূলীয়া পাথৰৰ পান পাত্ৰটো এৰি যাবলৈকো বেয়া লাগিব। কিন্তু, ইউনিচ এতিয়া মুক্ত, আৰু সুন্দৰ পাত্ৰটো, মোৰ লগতে সমাধিস্থ হ'ব। মুঠৰ ওপৰত, এহেনোবাৰবাচে এইটো নাপায় কেতিয়াও। ভিনিকিয়াচক এৰি যাবলৈকো দুখ লাগিব। কিছুদিনৰ আগৰপৰা, সময়বোৰে মোক আগৰ দৰে বিৰক্তি নলগোৱা হৈছিল। কিন্তু অদৃষ্টৰ হাতত নিজকে সমৰ্পণ কৰিবলৈ, মই এতিয়া প্ৰস্তুত। সচাঁকৈয়ে সুন্দৰ এই বিশ্ব। নিকৃষ্ট কেৱল মানুহহে। পৃথিবীত জীয়াই থকাৰ সাৰ্থকতা আৰু নাই। যি জনে কিদৰে জীয়াই থাকিব লাগে, সেই কথা জানে, তেওঁ কিদৰে মৰিব লাগে

সেই কথাও জনা উচিত। অগষ্টান হলেও, মই এই কথা কব পাৰো যে, মোৰ লগৰ নীচ মানুহবোৰতকৈ, মই বেচি সুন্দৰভাৱে জীৱন কটাইছিলো।"

তেওঁৰ কান্ধ দুটা জোকাৰ খাই উঠিল।

"এতিয়া সিহঁতে হয়তো ভাবিছে, মোৰ আঠুৰ কঁপনি উঠিছে, আৰু ভয়ত মোৰ মুখৰ চুলি, ডাল ডাল হৈছে। বেচ, প্ৰথমতে মই ভায়োলেটৰ সুগন্ধি পানীৰে, গাটো ধুই লও; তাৰ পাচত মোৰ স্বৰ্ণকেশিনী মনোৰমাক মতাই পঠিয়াম। মৰম লগা হাত দুখনেৰে, তাই মোৰ গাত, সুগন্ধি অঙ্গৰাগ সানি দিব। তাৰ পাচত, এস্থেমিয়চে, নতুনকৈ এপোলোৰ উদ্দেশ্যে লেখা প্ৰাৰ্থনা গীতি শুনিম, দুয়ো একেলগে বহি। মই জানো আগতে ক'ৰবাত কোৱা নাছিলো, 'মৃত্যুৱে নিৰন্তৰ আমাৰ কথাকে মনত ৰাখিছে, গতিকে আমি কিয় মৃত্যুৰ চিন্তা কৰিম ?' তথাপিও, সিপুৰীত মুকলি পথাৰত বিচৰণ কৰা কথাটো কল্পনা নহয়, সত্য, বুলি কোনোবাই আবিষ্কাৰ কৰা হলে, কিমান ভাল লাগিল হেঁতেন! ইউনিচ তাত মোৰ লগৰী হলহেঁতেন; আমি দুয়ো এচ ফোদিল ফুল ছটিয়াই থোৱা, স্বৰ্গৰ পথাৰখনত, একেলগে ঘূৰি ফুৰিলোহেঁতেন! তাৰ সমাজখন, নিশ্চয় ইয়াৰ দৰে বিশৃঙ্খল নহয়; ইয়াত কেৱল, শঠ, প্ৰৱঞ্চক, অমাৰ্জিত, নাৰকীহঁতৰ ৰাজত্ব চলিছে। এজন নালাগে, দহজন 'ৰূপ কলাৰ নিৰ্দেশকে'ও ইহঁতক মানুহ কৰিব নোৱাৰে। পেৰচিফোনীৰ শপত! দেখি, দেখি, অসহ্য লাগি গৈছে।"

তেওঁ আৰু তেওঁৰ সঙ্গী অগষ্টানসকলৰ মাজৰ পাৰ্থক্য ধৰিব পাৰি, তেওঁ নিজে আচৰিত হৈ গল। সকলোকে তেওঁ ভালদৰে জানে; বহুদিন ধৰি, তেওঁ সম্ভ্ৰান্ত সমাজখনৰ প্ৰকৃত মূল্যাঙ্কণ কৰিছে! কিন্তু এতিয়া তেওঁৰ মনত উদয় হল, তেওঁ আটাইবোৰৰ পৰা বহু দূৰলৈ আঁতৰি গৈছে, অৱজ্ঞা আৰু ঘৃণাই তেওঁক আতৰাই নিছে। সঁচাকৈয়ে তেওঁৰ আৰু একো দেখিবলৈ বাকী নাই। যথেষ্ট দেখিলে তেওঁ।

তাৰ পাচত তেওঁ নিজৰ বৰ্ত্তমান অৱস্থাটোৰ কথা চিন্তা কৰিবলৈ ধৰিলে। তেওঁ ভালদৰে বুজিলে যে, বিপদ এতিয়াও একেবাৰে আসন্ন হৈ উঠা নাই। নিৰোৱে বন্ধুত্ব আৰু ক্ষমা সম্বন্ধে যে বৰ, বৰ কথা কৈ শুনোৱাৰ সুবিধা ললে, তাৰ দ্বাৰাই বুজা যায় যে, বৰ্ত্তমান ভাৰ হাত ভৰি বন্ধা। গতিকে সি আৰু

বেচি চেল্‌ উলিয়াবলৈ বিচাৰিব। চেল্‌ বিচাৰি পোৱাৰ আগতে, যথেষ্ট সময় পাব হব।

"তাৰ প্ৰথম কাম হব," পেট্ৰোনিয়াচে গুণাগৰ্থা কৰিলে, "মানুহবোৰক খেল দেখুৱাই, আনন্দ দিয়া। খেলৰ আহিলা হ'ব খৃষ্টিয়ানসকল। এই দফা শেষ হৈ যোৱাৰ পাচতহে, সি মোৰ কথা ভাবিব। গতিকে, এতিয়া মোৰ দুৰ্ভাৱনাৰ কোনো প্ৰয়োজন নাই বা মোৰ জীৱনধাৰা সলনি কৰাৰো অৰ্থ নাই। যিজন মানুহ আসন্ন বিপদৰ সন্মুখীন হৈছে, তেওঁ হ'ল ভিনিকিয়াচ।"

এতিয়া তেওঁৰ সকলো চিন্তাৰ কেন্দ্ৰ হ'ল ভিনিকিয়াচ। ভাগিনিয়েকক যেনে, তেনে, ৰক্ষা কৰিবলৈ তেওঁ বদ্ধ পৰিকৰ হ'ল। ছাই আৰু ধ্বংসস্তুপৰ মাজেদি যিমান বেগেৰে যোৱা সম্ভৱ, সিমান বেগেৰে দাসইতে তেওঁক কেৰিবিণৰ মাজেদি দোলাত কঢ়িয়াই নিছিল যদিও, তেওঁ অধৈৰ্য্য হৈ চিঞৰিলে, আৰু বেগেতে নিবলৈ, যাতে সোনকালে ঘৰ পায় গৈ। ভুই লগাৰ পাচৰে পৰা, ভিনি-কিয়াচ্‌ মোমায়েকৰ লগতে আছিল। ভাগ্যক্ৰমে পেট্ৰোনিয়াচ আহি তেওঁক ঘৰতে লগ পালে।

"আজি লিজিয়াক চাবলৈ গৈছিলানে?" তেওঁ লৰালৰিকৈ সুধিলে।

"অলপ আগতে আহিছো, তেওঁৰ তাৰ পৰা।"

"তেন্তে মোৰ কথা শুনা। আৰু অকণো সময় নষ্ট নকৰি, ইয়াৰপৰা গুচি যোৱা। আজি চিজাৰৰ প্ৰাসাদত হোৱা এখন মেলত সিদ্ধান্ত লোৱা হৈছে, ৰোমত জুই দিয়াৰ অপৰাধ, খৃষ্টিয়ানইতৰ ওপৰত জাপি দিয়া হ'ব। এই সিদ্ধা-ন্তৰ ফলত, খৃষ্টিয়ানসকলৰ ওপৰত, উৎপীড়ন আৰু অমানুষিক অত্যাচাৰ চলিব। যিকোনো মুহূৰ্ত্তত, হয়, ই আৰম্ভ হ'ব। লিজিয়াক লগত লৈ, তুমি সোনকালে পলাই যোৱা। আল্পচৰ বহুদূৰৰ সীমালৈ বা আফ্ৰিকালৈ যোৱাগৈ। এক মূহূ-ৰ্ত্তও পলম নকৰিবা; মোৰ ঘৰতকৈ, টাইবাৰৰ সিপাৰৰ অঞ্চল পেলেটাইনৰ বেচি ওচৰত।"

যোদ্ধা ভিনিকিয়াচ, বেচি কথা কৈ সময় নষ্ট কৰা মানুহ নহয়। কপালৰ গাঁথি খোপা কৰি, তেওঁ কথাবোৰ শুনিলে; কিন্তু বুকৰ কঁপনি গুঠিল তেওঁৰ। তেওঁৰ দৰে স্বভাৱৰ মানুহৰ সহজাত প্ৰবৃত্তি হ'ল, শত্ৰুক তৎক্ষণাৎ আক্ৰমণ কৰা।

"মই নিশ্চয় যাম।" তেওঁ কলে।

"আৰু এটা কথা। লগত এটা ধন সোণৰ টোপোলা, অস্ত্ৰ শস্ত্ৰ আৰু এমুঠি খৃষ্টিয়ানো নিবা। প্ৰয়োজন হলে, গাৰ বলেৰে তাইক উদ্ধাৰ কৰিবা।"

কিন্তু ইতিমধ্যে ভিনিকিয়াচ গৈ আগচ'ৰাৰ দুৱাৰডলি পালেগৈ।

"দাসৰ হতুৱাই মোলৈ বাতৰি পঠিয়াবা।" পেট্ৰোনিয়াচে পিচফালৰ পৰা চিঞৰিলে।

চিন্তামগ্নভাবে অকলে, অকলে তেওঁ আগচ'ৰাৰ স্তম্ভমালাৰ মাজে মাজে, খোজ চলাবলৈ ধৰিলে। তেওঁ জানে যে, জুই দুমাই যোৱাৰ পাচত, লিনাচ আৰু লিজিয়া আগৰ ঠাইলৈ উলটি আহিছে। টাইবাৰৰ সিপাৰৰ কিছুমান ঠাইৰ লগত সিহঁতৰ ঘৰো, জুইৰ পৰা সাৰি গৈছিল। এই অৱস্থা শুভপ্ৰদ নহয়। কাৰণ বাহিৰৰ মাজত লুকাই থকা হলেও, টাইগেলিনাচে সিহঁতক সহজে ধৰা পেলাব নোৱাৰিলেহেঁতেন। কিন্তু পেপেটাইনত কোনোবাই সিহঁতৰ আশ্ৰয় স্থানৰ সন্ধান দিব পাৰে বুলি, পেট্ৰোনিয়াচে ভাবিব পৰা নাছিল। গতিকে ভিনিকিয়াচে নিৰাপত্তাৰক্ষী বাহিনীক সহজে পিচ পেলাই যাব বুলি তেওঁৰ বিশ্বাস। তদুপৰি তেওঁ ধাৰণা কৰি লৈছিল যে, টাইগেলিনাচে কিমান বেচি সংখ্যক খৃষ্টিয়ানক জাল পেলায় ধৰা যায় তালৈহে মন কৰিব। গোটেই ৰোমতে এং জালখন মেলি ধৰিবৰ বাবে, তাৰ তলত থকা, নিৰাপত্তাৰক্ষী সেনাক তিনিটা সৰু সৰু ভাগত ভাগ কৰিবলৈ বাধ্য হ'ব সি।

"সি যদি মাত্ৰ বাৰটা মানুহ পঠিয়ায়, লিজিয়ান দৈত্যটোৰ হাতত সিহঁতৰ হাড় গুৰি হ'ব। তদুপৰি উৰচাচে ভিনিকিয়াচৰো সহায় পাব।" পেট্ৰোনিয়াচে ভাবিলে।

তেওঁৰ মনলৈ বিশ্বাস আহিল। এইটো সচা যে, অস্ত্ৰধাৰী নিৰাপত্তাৰক্ষী সেনাক বাধা দিয়াৰ অৰ্থ হল, চিজাৰৰ লগত যুদ্ধ কৰা। পেট্ৰোনিয়াচে জানে যে, যদি ভিনিকিয়াচ চিজাৰৰ হিংসাৰ বলি নহয়, তেন্তে নিশ্চয় তেৱেঁ বলি হ'ব। এই কথাত তেওঁ অকণো গুৰুত্ব নিদিলে। বৰং চিজাৰ আৰু টাইগেলিনাচৰ অভিসন্ধি বিফল কৰিব পাৰিছে বুলি ভাবি, তেওঁ মনতে ৰং পালে। ভিনিকিয়াচক ধনে, জনে সহায় কৰিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ। এণ্টিয়ামত থাকোতে, টাৰচাচৰ পলে, পেট্ৰোনিয়াচৰ সৰহ ভাগ দাসকে খৃষ্ট ধৰ্মত দীক্ষিত কৰিছিল। গতিকে এগৰাকী খৃষ্টিয়ান নাৰীক ৰক্ষা কৰাৰ ক্ষেত্ৰত সিহঁতৰ সদিচ্ছা আৰু আগ্ৰহ নিশ্চয় থাকিব।

ইউনিচ সোমাই অহাত, তেওঁৰ চিন্তাধাৰাত বাধা পৰিল। তাইক দেখা মাত্ৰকে, তেওঁ চিজাৰৰ কথা পাহৰি গল। নিজৰ অপমানৰ কথা, অসৎ অগ-ষ্টানইতৰ কথা, খৃষ্টিয়ানৰ ওপৰত হ'ব খোজা উৎপীড়নৰ কথা, আৰু আনকি লিজিয়া আৰু ভিনিকিয়াচৰ চিন্তাও তেওঁৰ মনৰ পৰা আঁতৰি গল। সকলো পাহৰি মাত্ৰ বিচাৰিলে,—অপূৰ্ব্ব সুন্দৰ গঠনভঙ্গী দেখি পুলকিত হোৱা কলাকাৰৰ দৃষ্টিৰে, ইউনিচৰ সৌন্দৰ্য্য পান কৰিবলৈ। একমাত্ৰ দৈহিক সৌন্দৰ্য্যৰ মাজতে প্ৰেম জীয়াই থাকে বুলি অনুভৱ কৰা প্ৰেমিকৰ দৃষ্টিৰে চাই তেওঁ দেখিলে, মিহি মচ্‌লিন কাপোৰৰ মাজেদি, তাইৰ দেহ জিলিকি উঠিছে, এপাহি গোলাপ ফুলৰ দৰে অনুপম সৌন্দৰ্য্যৰ অধিকাৰিণী ইউনিচ যেন মানৱী নহয়, এগৰাকী দেৱী! যিজন পুৰুষক তাই অপৰিসীম শ্ৰদ্ধা আৰু ভক্তি কৰে, তেওঁৰ মুগ্ধ দৃষ্টিলৈ মন কৰি, মৰম আকলুৱা সৰল শিশু এটিৰ দৰে, তাই লাজত ৰঙা পৰি উঠিল।

"কি কব খুজিছা, মোৰ চেৰিচ্?" দুই বাহু প্ৰসাৰিত কৰি, তেওঁ প্ৰশ্ন কৰিলে। সেই বাহুৰ ওপৰত সোণালী চুলিৰে ভৰা মূৰটো থৈ, তাই উত্তৰ দিলে, "গায়ক কেইজনৰে সৈতে, এন্থেমিয়চ্ আহিছে আৰু আপুনি আজি তেওঁ-লোকৰ গীত শুনিবনে নুশুনে জানিবলৈ বিচাৰিছে।"

"ৰচ্, তেওঁক ৰবলৈ কোৱা। আহাৰৰ সময়ত, আমাক তেওঁ এপোলোৰ উদ্দেশ্যে গোৱা গীত শুনাব। পেইফোচৰ বনভূমিৰ শপত। তুমি জানৰ দৰে পাতল কাপোৰ পিন্ধা দেখি, কি মনলৈ আহিছে জানানে? মোৰ ওচৰলৈ যেন স্বৰ্গীয় সাজ পিন্ধি, স্বয়ং এফ্ৰোডাইটী আহিছে।"

"মোৰ প্ৰভু!" ইউনিচে আবেগত চিঞৰি দিলে।

"আহা মোক সাৱটি ধৰা আৰু তোমাৰ ওঠৰ স্পৰ্শ মোক দিয়া। তুমি মোক ভাল পোৱানে?"

"মই জিউচকো ইমান বেচি ভাল পাব নোৱাৰিম।" পেট্ৰোনিয়াচৰ অধৰ স্পৰ্শত, তাইৰ গোটেই শৰীৰ কঁপি উঠিল।

"কিন্তু যদি লোৱা, যদি আমাৰ এদিন বিচ্ছেদ ঘটে?"

ইউনিচে যন্ত্ৰণাপূৰ্ণ দৃষ্টিৰে তেওঁৰ চকুলৈ চালে।

"হে প্ৰভু, কি মানে কৰিছে আপুনি?" তাই প্ৰশ্ন কৰিলে—।

"একো নাভাবিবা। ভয় নাখাবা, সোনকালে মোৰ সুদীৰ্ঘ যাত্ৰা আৰম্ভ হ'ব পাৰে।"

"তেন্তে মোকো লগত নিব!" প্ৰসঙ্গ সলনি কৰিবলৈ, পেট্ৰোনিয়াচে সুধিলে,—

"ফুলনিৰ ঘাঁহনিৰ মাজত এতিয়া এচ্‌কোভিলচ্ ফুল ফুলিছেনে?"

"নাই ফুলা। ভুই ন্গাৰ পাচত চাইপ্ৰাচ গছবোৰ আৰু ঘাঁহনি ভৰা হালধীয়া পৰিছে। মাৰ্‌টল গছৰ পাত সৰিছে। ফুলনিখন মৃতপ্ৰায়।"

"ওঁ, নগৰখনেই মৃতপ্ৰায়। অলপতে ই সমাধিক্ষেত্ৰত পৰিণত হ'ব। খৃষ্টিয়ানৰ বিৰুদ্ধে ৰাজ আজ্ঞা প্ৰচাৰিত হ'ব, সিহঁতক উৎপীড়ন কৰিব। হাজাৰে হাজাৰে, খৃষ্টিয়ান বধ কৰা হ'ব।"

"খৃষ্টিয়ানক শাস্তি দিয়ে কিয়? তেওঁলোক সৎ আৰু শান্তি প্ৰিয় লোক।"

"একমাত্ৰ এই কাৰণটোৱেই যথেষ্ট।"

"তেন্তে বলক, আমি সাগৰৰ পাৰলৈ যাওঁ। দেৱতা সদৃশ আপোনাৰ পবিত্ৰ চকুযুৰিয়ে, ৰক্তপাতৰ দৃশ্য চাই থাকিব নোৱাৰিব।"

"এতিয়া মই গা ধুম। ভিতৰলৈ বলা, মোৰ কান্ধ দুটাত আতৰ সানি দিবা। চাইপ্ৰিচ দেৱীৰ কমৰ বেষ্টনীৰ শপত! আজিৰ দৰে মনোৰমা তোমাক কোনোদিনে দেখা নাই। মুক্তাজনক শামুকৰ খোলাৰে, তোমাৰ বাবে স্নান পাত্ৰ নিৰ্ম্মাণ কৰাম আৰু তাৰ মাজত তোমাক দেখা যাব—স্ফটিকৰ দৰে জল ৰাশিত থকা এটি মুক্তাৰ দৰে। স্বৰ্ণকেশিনী প্ৰতিমা মোৰ! আহিবানে মোৰ লগত?" দুয়ো হলে ওৰেচিয়াম্ কক্ষলৈ গল।

এঘন্টামানৰ পাচত, মূৰত গোলাপৰ মালা পিন্ধি, চকুত অঞ্জন সানি, ধুনীয়া সাজেৰে সাজি, দুয়ো আহি বহিল, সোণখটোৱা মেজৰ কাষত। কিউপিদৰ দৰে সাজ পিন্ধা দাসবোৰে খোৱা বস্তু পৰিবেশন কৰিবলৈ ধৰিলে। আইভিলতাৰে মেৰিওৱা শাল পাত্ৰৰ পৰা মদিৰা পান কৰি, এপোলোৰ উদ্দেশ্যে গোৱা প্ৰাৰ্থনা গীতি শুনিবলৈ ধৰিলে। গায়ক এন্থেমিয়চৰ সঙ্গী বাদকবৃন্দই, গীতৰ সুৰে, সুৰে, বীণা বজালে। এই প্ৰমোদ ভৱনৰ চাৰিওফালে, নগৰৰ ধ্বংসস্তূপৰ মাজত থকা চিম্‌নিবোৰেদি, বতাহে এতিয়াও দগ্ধ নগৰীৰ ওপৰত ছাইবোৰ কেউফালে ছটিয়াই আছে। কিন্তু পেট্ৰোনিয়াচ বা তেওঁৰ প্ৰেয়সীয়ে

আন কোনো কথা মনলৈ অনা নাই। তেওঁ আৰু তাই সুখী ; যি প্ৰেমে তেওঁ-লোকৰ জীৱনলৈ পৰিৱৰ্ত্তন আনি, তাক এটি স্বৰ্গীয় সপোনলৈ ৰূপান্তৰিত কৰিলে, সেই প্ৰেমৰ বাহিৰে, আন একোৱে অস্তিত্ব নাই তেওঁলোকৰ বাবে।

গীতটো শেষ হৈ আহোঁতে, এট্ৰিয়াম্ কক্ষৰ বন্দী দাসটো সোমাই আহিল।

"প্ৰভু," আতঙ্কত কঁপি উঠা মাতেৰে সি জনালে, "বাটচ'ৰাৰ মুখত এদল সেনাৰে সৈতে, এজন সেনাধ্যক্ষ ৰৈ আছে। চিজাৰৰ নামত, তেওঁ আপোনাক কিবা কব খোজে।"

গায়কৰ দলটোৱে গীত বাদ্য এৰি ৰৈ গল ; উপস্থিত সকলোৰে মন অশান্ত হৈ উঠিল। চিজাৰে বন্ধুৰ লগত আদান প্ৰদান কৰোতে নিৰাপত্তাৰক্ষী সেনা নপঠিয়ায়। এনেবোৰ ক্ষেত্ৰত, সৈনিকৰ আগমনে অমঙ্গল সূচায়। একমাত্ৰ পেট্ৰোনিয়াচে কোনো উদ্বেগ প্ৰকাশ নকৰিলে। উপৰ্য্যুপৰি নিমন্ত্ৰণ পাই, অতীষ্ঠ হোৱা মানুহ এজনৰ দৰে, তেওঁ কলে, "উস্! মোক সুখেৰে এসাজ খাবলৈকো নিদিয়ে! বাৰু, সেনাধ্যক্ষক আহিবলৈ কোৱা।"

দাসটো পৰ্দ্দাৰ আঁৰত অদৃশ্য হৈ যোৱাৰ পাচত, গধুৰ খোজৰ দুপ্‌দাপ্ শব্দ শুনা গল আৰু সৈনিকে পিন্ধা তীখাৰ বৰ্ম্ম আৰু টুপী পিন্ধি, পেট্ৰোনিয়াচৰ পৰিচিত সেনাধ্যক্ষ এপাৰ সোমাই আহিল।

"হে প্ৰভু," তেওঁ জনালে, "মই চিজাৰৰ বাৰ্ত্তা কঢ়িয়াই আনিছো।"

পেট্ৰোনিয়াচে কথাষাৰ গাত নলগাৰ দৰে দেখুৱাই, নিজৰ বগা হাতখন আগবঢ়াই দিলে। চিজাৰে প্ৰেৰণ কৰা কজিলিপি হাতত লৈ, এবাৰ চকু ফুৰাই চাই, তেওঁ সম্পূৰ্ণ নিৰ্ব্বিকাৰভাৱে সেইখন ইউনিচক দি কলে,

"আজি নিশা, চিজাৰে ট্ৰয় নগৰৰ পতন সম্বন্ধে এটা নতুনকৈ লেখা গীত গাই শুনাব। তেওঁ তালৈকে মোক নিমন্ত্ৰণ কৰিছে।"

"আপোনাক এই বৰ্ত্তা দিবলৈ মোক আদেশ কৰাত, মই আজ্ঞা পালন কৰিছো।" সেনাধ্যক্ষই জনালে।

"হয়, ইয়াৰ উত্তৰ দিবলৈ একো নাই। কিন্তু সেনাপতি, আমাৰ লগত এটুপি পানীয় সেৱন কৰিবলৈ সময় হবনে তোমাৰ ?"

"মই আপোনাক ধন্যবাদ জনালো প্ৰভু। আপোনাৰ স্বাস্থ্যৰ উন্নতিৰ কামনা কৰি, নিশ্চয় এপিয়লা আনন্দেৰে পান কৰিম। কিন্তু মই বেচি সময় থাকিব নোৱাৰিম। কাৰণ, মোৰ ওপৰত আৰু বহুত কামৰ ভাৰ দিছে।"

"দাসৰ হাতত বাৰ্ত্তা নপঠাই তোমাৰ হাতত পঠিয়াইছে কিয় ?"

"মই নাজানো, প্ৰভু ! দৈবাৎ এই ঠাইত মোৰ আন এটা কামো আছিল।"

"মই জানো," পেট্ৰোনিয়াচে কলে, "তাৰ মানে খৃষ্টিয়ান সম্বন্ধে—"

"হয় প্ৰভু।"

"হুলস্থুলটো বহু আগৰে পৰা আৰম্ভ হৈছে নেকি ?"

"আমাৰ সেনাৰ বেইটামান ভাগ, দুপৰীয়াৰ আগতে, টাইবাৰৰ সিপাৰৰ অঞ্চললৈ পঠিওৱা হৈছে।"

সেনাধ্যক্ষই মাৰ্চ দেৱতাৰ নামত কেইটোপালমান সুৰা মজিয়াত ছটিয়াই দিলে।

"দেৱতাসকলে আপোনাৰ মনৰ সকলো কামনা সিদ্ধি কৰক, প্ৰভু!" শেষত তেওঁ জনালে।

"পান পাত্ৰটো তোমাক দিলো লৈ যোৱা।" পেট্ৰোনিয়াচে কলে। তাৰ পাচত, তেওঁ এন্থিমিয়চক ইঙ্গিতেৰে জনালে, এপোলোৰ বন্দনা পুণৰ গাবলৈ।

"এহেনোবাৰ্বাচে মোক আৰু ভিনিকিয়াচক লৈ খেল আৰম্ভ কৰিছে।" গীত বাদ্য আৰম্ভ হওঁতে, তেওঁ ভাবিবলৈ ধৰিলে, "বাক মই তাৰ ফন্দী ধৰিব পাৰিছো। সাধাৰণ নিমন্ত্ৰণী এখন সেনাধ্যক্ষৰ হাতত পঠিয়াই, সি মোক ভয় খুৱাব খুজিছে। আজি নিশা সি মানুহটোক সুধিব, মই তাৰ নিমন্ত্ৰণ লিপি কি ভাবে গ্ৰহণ কৰিলো। পিচে, হেৰ নীচ, নিষ্ঠুৰ বহুৱা! বুজিছনে ? মই তোক, তই বিচৰা আনন্দৰ খোৰাক নোযোগাওঁ। ই হব নোৱাৰে, নোৱাৰে, নোৱাৰে কেতিয়াও। অদৃষ্টৰ হাতৰ পৰা সাৰিব নোৱাৰো বুলি মই জানো। কিন্তু তই যদি ভাবিছ, তোৰ ভয়ত, মোৰ চকুত কাতৰ ভাব ফুটি উঠিব আৰু মোৰ মুখত তই ভীতি বা অপমানৰ বেদনা দেখিবলৈ পাবি, তেন্তে তোৰ মহা ভুল হব।"

"চিজাৰে লেখিছে, 'ইচ্ছা কৰা যদি আহিবা।'" ইউনিচে কলে "প্ৰভু, আপুনি যাবো জানো ?"

"কথাটোৱে মোক বেচ আমোদ দিছে।" পেট্ৰোনিয়াচে কলে, "ভাবিছো, তাৰ সেই কবিতা সোপাও আনকি মোৰ সহ্য হৈ যাব। গতিকে মই নিমন্ত্ৰণ ৰক্ষা কৰিম। তাতে ভিনিকিয়াচো অনুপস্থিত থাকিব।"

আহাৰ শেষ কৰি, তেওঁ কেশবিন্যাসকাৰী দাসহঁতক আৰু টোগাত ভাঁজ দি পিন্ধাই দিয়া পৰিচাৰকহঁতক, মতাই আনিলে আৰু ভাল দৰে সাজ সজ্জা কৰি ওলাই যাবলৈ প্ৰস্তুত হ'ল। এৰটামানৰ পাচত, তেওঁ দোলাত উঠি, পেলেটাইনলৈ যাত্ৰা কৰিলে। এজন দেৱতাৰ দৰে সুন্দৰ দেখা গল তেওঁক। তেতিয়া বেলি পৰাৰ সময়। শান্ত, স্নিগ্ধ গধূলিৰ ছাঁ ধীৰে, ধীৰে নামি আহিল। জোনৰ পোহৰ ইমান উজ্জ্বল হৈ উঠিল যে, দোলাৰ আগে আগে হাতত বন্তি লৈ যোৱা দাসহঁতে বন্তি নুমুৱাই দিলে।

গোটা নগৰৰ বাটপথবোৰত, মাতালবোৰ দলে, দলে ঘূৰি ফুৰিছে। সিহঁতৰ মূৰত আইভি আৰু হানিচাকলৰ মালা। চিজাৰৰ উদ্যানবোৰৰ পৰা সিহঁতে কিছুমান মাৰ্টল আৰু লৰেলৰ ডাল ছিঙি আনি, হাতত লৈ ফুৰিছে! অপৰ্য্যাপ্ত শস্য লাভ কৰি সিহঁত আনন্দত নাচি ফুৰিছে; তাতে এতিয়া অভূতপূৰ্ব্ব ক্ৰীড়া উপভোগৰ সম্ভাৱনাই, সিহঁতক উত্ৰাৱল কৰি তুলিছে।

ঠায়ে ঠায়ে কিছুমানে গীত গাইছে। এই গীতত ধ্বনিত হৈছে, ঈশ্বৰ প্ৰদত্ত অধিকাৰ আৰু প্ৰেমৰ মাহাত্ম্য। অলপ দূৰত আনন্দত মতলীয়া এটা দলে, জোনৰ ফটফটীয়া পোহৰত নাচি আছে। বাটত যাওঁতে, দাসবোৰে কেইবাবাৰো "মহান পেট্ৰোনিয়াচৰ দোলা যাবলৈ বাট এৰি দিয়ক," বুলি চিঞৰিব লগা হৈছিল। প্ৰতিবাৰতে মানুহবোৰে সিহঁতৰ প্ৰিয় অগষ্টান জনৰ জয়ধ্বনি দি, বাট এৰি দিছিল।

পেট্ৰোনিয়াচে এতিয়াও আশা কৰিছে, ভিনিকিয়াচে নিৰাপত্তাৰক্ষী সেনাক পিচ পেলাই থৈ, লিজিয়াৰে সৈতে, নিৰাপদ ঠাইলৈ যাবগৈ। সেয়ে নহলেও, অন্ততঃ তাইক উদ্ধাৰ কৰিব পাৰিব, সিহঁতৰ কবলৰপৰা। কিন্তু এই বিষয়ে নিশ্চিত হ'ব পৰা হলে ভাল আছিল, কাৰণ তেওঁ জানে, তেওঁক নানান ধৰণৰ প্ৰশ্ন কৰা হ'ব, আৰু সেইবোৰৰ উত্তৰ আগৰে পৰা সাজু কৰি ৰাখিব লাগিব।

টাইবেৰিয়াচৰ ৰাজপ্ৰাসাদলৈ আহি তেওঁ দেখিলে, আগচ'ৰাটো অগষ্টানেৰে ভৰি আছে। কেইদিনমানৰ আগলৈকে, তেওঁৰ বন্ধু হৈ থকা, এই অগষ্টানসকলে, সেই ঠাইলৈ তেওঁকো নিমন্ত্ৰণ কৰা হৈছে বুলি বুজি পাই, আচৰিত হ'ল। তথাপিও তেওঁলোকে পেট্ৰোনিয়াচৰ পৰা আঁতৰি ৰহিল। সচৰাচৰ দেখিবলৈ পোৱা অসতৰ্ক ভাব, আৰু সহজ ভঙ্গীৰে, সুদৰ্শন পেট্ৰোনিয়াচ

আগবাঢ়ি গল, ভেওঁলোকৰ মাজলৈ। অদৃষ্টক যেন তেওঁ হাতৰ মুঠিত বান্ধিছে, এনে এটা ভঙ্গী পৰিস্ফুট হৈ উঠিছে, তেওঁৰ মুখত। গতিকে উপস্থিত ব্যাক্তি-সকলৰ কিছুমানৰ মনলৈ অনুশোচনা আহিল,—তেওঁক ইমান সোনকালে অৱজ্ঞা আৰু অৱহেলা দেখুউৱাৰ বাবে।

চিজাৰে অৱশ্যে তেওঁক নেদেখাৰ ভাও জুৰি, তেওঁৰ অভিবাদনলৈ আওকাণ কৰিলে আৰু অন্তৰঙ্গসকলৰ লগত কথা পাতি থাকিল।

টাইগেলিনাচে পেট্রোনিয়াচক দেখি, আগবাঢ়ি আহি কলে—

"শুভ সন্ধ্যা! 'হে ৰূপকলাৰ নির্দেশক'! আপুনি এতিয়াও নিশ্চিত নে যে, খৃষ্টিয়ানে ৰোমত জুই দিয়া নাছিল?"

মুকুন্দাস এটাক কান্ধত চপৰিওৱাৰ দৰে, পেট্রোনিয়াচে মানুহজনৰ কান্ধত চপৰিয়াই কলে—

"এই বিষয়ে আপুনি যিমান জানে, মইও সিমানেই জানো।"

"কিন্তু আপোনাৰ তীক্ষ্ণ বুদ্ধিৰ লগত, মই ফেৰ মাৰিব পাৰোনে?"

"অর্থাৎ আপুনি জ্ঞানী মানুহ। মোৰ লগত ফেৰ মাৰিব খোজা হলে, চিজাৰে ট্ৰয় নগৰৰ পতন সম্বন্ধে লেখা, নতুন কবিতাটো শুনোৱাৰ পাচত, আপোনাক মৰা চৰাইৰ দৰে কেঁকেঁৱা মাত উলিয়াবলৈ নিদি, তাৰ এটা সমালোচনা আগবঢ়াবলৈ বাধ্য কৰিলেহেঁতেন। আপোনাৰ সমালোচনা যে অদ্ভুত কিবা এটা হলহেঁতেন, তাক নকলেও হ'ব।"

টাইগেলিনাচে ওঁঠ কামুৰিলে। চিজাৰে তেওঁৰ 'ট্ৰয়াদ' কবিতাৰ পিচৰ অংশ আবৃত্তি কৰিবলৈ, সেই নিশাটোকে বাছি লোৱাৰ বাবে, তেওঁ অকণো ভাল পোৱা নাছিল। কাৰণ, এই ক্ষেত্ৰত পেট্রোনিয়াচে পুণৰ অনুকূল পৰিবেশ আৰু সুবিধা লাভ কৰিব; এনে বিষয়ত, তেওঁ সদায় অদ্বিতীয়। সচাঁকৈয়ে, কবিতা পাঠ কৰা গোটেইখিনি সময়তে, অভ্যাসবশতঃ নিৰোৰ চকুৰ দৃষ্টি, পেট্রোনিয়াচৰ মুখলৈ বাৰে, বাৰে উলটি যাবলৈ ধৰিলে। পেট্রোনিয়াচৰ মুখৰ ভাবত মতামত প্ৰকাশ পাব বুলিয়েই তেওঁৰ আশা।

পেট্রোনিয়াচেও চেলাউৰি দাঙি কবিতা শুনিবলৈ ধৰিলে; মাজে, মাজে তেওঁ গলাখিলে, আৰু মাজে, মাজে কাণ থিয় কৰি শুনাৰ দৰে দেখুৱালে,—যেন কোনোৱা এখিনি ঠিকমতে শুনিছেনে নাই নিজৰে সন্দেহ। তাৰ পাচত তেওঁ

কেইটামান স্তবক ভাল হৈছে বুলি শলাগিলে ; কিছুমান অংশ সমালোচকৰ দৃষ্টিৰে চাই, ভাল, বেয়া মন্তব্য কৰিলে। দুই এঠাইত, সংশোধন কৰিব লাগে বুলি আঙুলিয়াই দেখুৱালে। কেই ফাঁকিমান নতুনকৈ, বেচি সুন্দৰকৈ লেখাৰ কথাও দোহাৰিলে। নিৰোৱে নিজেও জানে যে, আন অগষ্টান সকলে, স্বাৰ্থসিদ্ধিৰ বাবে অতিৰঞ্জিতভাৱে তেওঁৰ কবিতাৰ যশ কীৰ্ত্তন কৰে। কিন্তু কবিতা আৰু কাব্যৰ প্ৰতি পেট্ৰোনিয়াচৰ বিশেষ ৰাপ আছে, সুকুমাৰ কলাৰ বিচক্ষণ বিচাৰক তেওঁ। এনে এজন বিচাৰকে যেতিয়া কবিতা এটা ভাল বুলি মন্তব্য কৰে, তেতিয়া ই সঁচাকৈয়ে প্ৰশংসনীয় হৈছে বুলি নিশ্চিত হোৱা যায়। সেই বাবে, চিজাৰে, পূৰ্বৰ্ণি অভ্যাস অনুসৰি, লাহে লাহে পেট্ৰোনিয়াচৰ লগত, দুই এটা কথা আলোচনা কৰিলে আৰু নিজৰ বিৰুদ্ধ মতো প্ৰকাশ কৰিলে। অৱশেষত, পেট্ৰোনিয়াচে, কিছুমান শব্দৰ ব্যৱহাৰ কৰা সম্মত হোৱা নাই বুলি বাদানুবাদ কৰাত, চিজাৰে কলে, "শেষৰ পংক্তিত দেখিবলৈ পাবা কিয় মই এনে শব্দ ৰীতি গ্ৰহণ কৰিছো।"

"আঃ!" পেট্ৰোনিয়াচে মনতে ভাবিলে, "তেন্তে শেষৰ পংক্তি লেখালৈকে মোক জীয়াই থাকিবলৈ দিব!"

নিৰোৰ কথা শুনি, কেইজনমান সভাসদে মনতে গুণা গঁথা কৰিলে, "হায়! পেট্ৰোনিয়াচে পুনৰ ৰাজ অনুগ্ৰহ লাভ কৰাৰ উপায় উলিয়াব। হয়তো ছলনা কৰি, টাইগেলিনাচকো ওফৰাই দিব!"

পুনৰ তেওঁলোক পেট্ৰোনিয়াচৰ প্ৰতি অমায়িক আৰু নম্ৰ হৈ পৰিল। কিন্তু গধূলিৰ এই উৎসৱৰ সামৰনিহে সুখপ্ৰদ নহল। পেট্ৰোনিয়াচে বিদায় লৈ যাব খোজোতেই, নিৰোৱে হিংস্ৰ আনন্দৰ ভাবত প্ৰশ্ন কৰিলে,—

"পিচে ভিনিকিয়াচ নাহিল দেখোন। কিয়বা?"

পেট্ৰোনিয়াচে সঠিক নাজানে, ভিনিকিয়াচ আৰু লিজিয়া, নগৰৰ বাহিৰ হৈ গ'ল নে নাই। গল বুলি জনা হলে তেওঁ হয়তো কলেহেঁতেন—

"আপোনাৰ আদেশ অনুসৰি, তেওঁ আজি বিয়া কৰালে আৰু ৰোম এৰি গলগৈ।" গতিকে নিৰোৰ আচৰিত হাঁহিটো দেখি, তেওঁ বৰ্ত্তমান ইয়াকে কোৱা উচিত বুলি বিবেচনা কৰি কলে, "আপোনাৰ নিমন্ত্ৰণ লিপি পাওঁতে, তেওঁ ঘৰত নাছিল।"

"তেন্তে অনুগ্রহ কৰি, তেওঁক খবৰ দিবা, আৰু কবা যে, তেওঁক ইয়াত দেখিবলৈ পালে, মই সুখী হম।" নিৰোৱে উত্তৰ দিলে—"মোৰ নাম কৈ তেওঁক ক্ৰীড়া ভৱনত উপস্থিত থাকিবলৈ কবা। কাৰণ এইবোৰ খেলত, খৃষ্টিয়ান বিলাকে বিশেষভাৱে অংশ গ্ৰহণ কৰিব।"

লিজিয়াৰ কথা ভাবি, পেট্ৰোনিয়াচৰ মনটোৱে হাহাকাৰ কৰি উঠিল। দোলাত উঠিয়েই তেওঁ ভাৰীইতক আদেশ দিলে, যিমান বেগেতে যোৱা সম্ভৱ, সিমান বেগেতে খোজ দিবলৈ। দুৰ্ভাগ্যবশতঃ এই আদেশ কাৰ্য্যকৰী কৰা টান হ'ল। কাৰণ টাইবেৰিয়াচৰ প্ৰাসাদৰ সন্মুখত, কিছুমান মানুহ একগোট হৈ চিঞৰিবলৈ ধৰিছে। আগতে লগ পোৱা দলটোৰ দৰে, ইহঁতো মাতাল যদিও ইহঁতক নাচ গানত মত্ত হোৱা দেখা নগল। ইহঁতৰ চিঞৰত ক্ৰোধৰ উন্মাদনা। পেট্ৰোনিয়াচৰ কাণলৈ যিবোৰ শব্দ আহিল, প্ৰথমে সেইবোৰ তেওঁ বুজি পোৱা নাছিল। লাহে, লাহে চিঞৰবোৰ আগতকৈ ডাঙৰ আৰু স্পষ্ট হৈ আহিল। অৱশেষত আকাশ, পাতাল ভেদি, ভয়ঙ্কৰ নিনাদ উঠিল,

"খৃষ্টিয়ানক সিংহৰ মুখলৈ—"

সভাসদসকলৰ ধুনীয়া দোলাবোৰ যেতিয়া উন্মত্ত জনতাৰ মাজেদি সৰ্বাক পাৰ হবলৈ ধৰিলে, তেতিয়া ধ্বংসপ্ৰাপ্ত নগৰৰ চুক, কোণবোৰৰ পৰা দুৰ্বৃত্তৰ নতুন, নতুন দল ওলায়েই থাকিল। মানুহৰ মুখে, মুখে, বাতৰি প্ৰচাৰ হ'ল, খৃষ্টিয়ানক লৈ কৰা হুলস্থুলটো, দুপৰীয়াৰ আগতে আৰম্ভ হৈছে। ইতিমধ্যে, গৃহদাহক নামেৰে অভিহিত খৃষ্টিয়ানৰ নূতন অংশ এটা, ধৰা পেলোৱা হৈছে। পুৰণি নতুন, সকলো পথতে, আৱৰ্জনাৰে উপাহ বন্ধ কৰিব খোজা অলি-গলি-বোৰত, পেলেটাইন অঞ্চলত, মূঠৰ ওপৰত, গোটেইখন নগৰতে, এনে চিঞৰ-বোৰ উঠা, নমা কৰি থাকিল। মুহূৰ্ত্তে মুহূৰ্ত্তে, তাৰ ভয়াবহতা বৃদ্ধি পাবলৈ ধৰিলে।

"নীচ,—অতি নীচ এই মানুহবোৰ।" পেট্ৰোনিয়াচে নিজৰ মনতে কলে, "ৰজা যেনে, প্ৰজাও তেনে,—একেবাৰে সোণত সুৱগা।" লগে, লগে আন এটা ভাবো আহিল তেওঁৰ মনলৈ। ৰোম সাম্ৰাজ্য সৰহ দিন টিকি নাথাকে। সচাঁ, ৰোম এতিয়া জগতৰ ৰাণী,—কিন্তু ইয়াত লুকাই আছে, বিষাক্ত ৰোগ। ৰোমৰ বুকুৰ পৰা নিৰ্গত হৈছে, মৰাশৰ গোন্ধ। তেওঁৰ লগৰ অগষ্টানসকলে, প্ৰায়ে এই কথাৰ আলোচনা কৰিছে। কিন্তু ইয়াৰ আগতে, কোনোদিন

পেট্রোনিয়াচে, ইমান দৃঢ়ভাবে উপলব্ধি কৰা নাছিল যে, দলে, দলে, শৃঙ্খলবদ্ধ পৰাজিত জাতিৰ মানুহক পিচত লৈ, গৰ্ব্বেৰে শোভাযাত্রা কৰি গৈ থকা, পুষ্প-মাল্য শোভিত, জয়যুক্ত ৰোমৰ ৰথখন, এতিয়া দ্রুত গতিৰে অন্ধকাৰৰ অতল গৰ্ভলৈ নামি গৈ আছে। মনৰ চকুৰে চাই তেওঁ দেখিলে, ৰোমৰ এই শোভা যাত্রা মূৰ্খামি আৰু বহুৱালিৰ আড়ম্বৰপূৰ্ণ প্রদৰ্শনহে মাথোন।

এই শোভাযাত্রা আগবাঢ়িছে, নিৰোৰ পৃষ্ঠপোষকতাত। কোনোবা দিনা নিৰো অন্তৰ্দ্ধান হৈ গলেও, তেওঁৰ ঠাই যিজনে লব, সেই জানো হ'ব, সেই একেই বা তাতোকৈ অধম। এনে এটা জাতি আৰু এনে প্রকৃতিৰ সম্ভ্রান্ত শ্রেণীৰ মানুহ য'ত আছে, তাত কোনোবা ভিন স্বভাৱৰ লোকে শাসনভাৰ লোৱাটো, অসম্ভৱ কথা। অদ্ভুত নাৰকীয় দৃশ্যৰ অৱতাৰণা হবলৈ সৰহ দিন নাই। এইবাৰ আগতকৈ বেচি নীচ, ঘৃণনীয়, পৈশাচিক কাণ্ড ঘটিব। কিন্তু আসুৰিক উৎসৱ সদায় চলি থাকিব নোৱাৰে। এদিন নহয় এদিন, সকলোৰে অন্ত পৰিব। আন নহলেও, ক্লান্তি আৰু অত্যাধিক অৱসাদৰ বাবেই, মানুহে এইবোৰ চাই থাকিব নোৱাৰিব।

এই ভয়ঙ্কৰ পৰিস্থিতিৰ কথা ভাবি, পেট্রোনিয়াচৰো মন ক্লান্ত হৈ পৰিল। "মৃত্যুৰ দেৱতা, নিদ্রাৰ দেৱতাতকৈ দেখাত কোনো গুণে হীন নহয়। দুয়োৰো ডেউকা আছে!" তেওঁ নিজকে কলে।

"মহান ভিনিকিয়াচ উলটি আহিলনে?" নিজৰ ঘৰত ভৰি দিয়ে, তেওঁ সুধিলে।

"হয়, এই মাত্র আহিছে।" দাসটোৱে জনালে।

"তেন্তে তেওঁ তাইক উদ্ধাৰ কৰিব নোৱাৰিলে।" পেট্রোনিয়াচে মনতে ভাবিলে।

টোগাখন খুলি থৈ, তেওঁ ততালিকে আগচ'বালৈ আহিল। তিনিটা খুৰা থকা টুল এখনত, ভিনিকিয়াচ বহি আছে, চাতৰ মাজত মূৰ সুমুৱাই। তেওঁৰ কিলাকুটি দুটা আঁঠুৰ ওপৰত। খোজৰ শব্দ শুনি তেওঁ মূৰ দাঙি চালে। তেওঁৰ চেহেৰা মৃত প্রায়, মাত্র চকু দুটাহে যেন জীয়াই আছে।

"তাৰমানে তোমাৰ বহুত পলম হৈ গল।" পেট্রোনিয়াচে কলে।"

"হয়, দুপৰীয়াৰ আগতেই, তেওঁক লৈ গল।"

অলপ সময় দুয়ো নীৰৱ।

"তাইক দেখিলানে নাই ?"

"দেখিলো।"

"ক'ত ?"

"মেমাৰ্টাইন্ কাৰাগাৰত !"

পেট্ৰোনিয়াচ চক খাই উঠিল। তাৰ পাচত, পুণৰ প্ৰশ্ন সূচক দৃষ্টি নিক্ষেপ কৰিলে।

"নহয়," ভিনিকিয়াচে জনালে, "তেওঁক এতিয়াও পোতাশাললৈ নিয়া নাই। এতিয়ালৈকে আচল বন্দীশালতো নিক্ষেপ কৰা নাই। শকত ধনৰ টোপোলা পাই, বন্দীপালে তেওঁক নিজৰ কোঠাটো এৰি দিছে, শুৱলৈ। উৰচাচ দুৱাৰ মুখতে শোৱে। সি সকলো সময়তে, তেওঁৰ ৰখীয়া হৈ আছে।"

"তাইক বন্দী কৰোতে, উৰচাচে কিয় একো কৰিব নোৱাৰিলে ?"

"কাৰণ, কমেও পঞ্চাশটা সেনাধ্যক্ষ পঠিওৱা হৈছিল। তদুপৰি চিলনাচে তাক এই কামত বাধা দিছিল।"

"চিলনাচৰ খবৰ কি ?"

"মৰো, মৰো অৱস্থাত। তেওঁক অকলে থৈ ইবোৰক লৈ গল।"

"তুমি কি কৰিব খুজিছা ?"

"তেওঁক ৰক্ষা কৰিম, অথবা মইও লগতে প্ৰাণ এৰিম। মইও খৃষ্টিয়ান।"

ভিনিকিয়াচে শান্তভাৱে কথাখিনি কোৱাৰ দৰে শুনা গল। কিন্তু তেওঁৰ কণ্ঠত, হিয়া ভগা যন্ত্ৰণাৰ, এনে এটা সুৰ ফুটি উঠিল যে, পেট্ৰোনিয়াচৰ অন্তৰাত্মা বেদনাৰে পূৰ্ণ হ'ল।

"মই বুজিছো, তোমাৰ মনৰ অৱস্থা কেনে হৈছে।" তেওঁ কলে, "কিন্তু তাইক কি দৰে ৰক্ষা কৰিম বুলি ভাবিছা ?"

"মই ৰখীয়া কেইটাক ঘেচকৈ ভেটী খুৱাইছো। প্ৰথম কথা হ'ল, তেওঁৰ ওপৰত যেন কোনো অত্যাচাৰ চলোৱা নহয় ; দ্বিতীয়তে তেওঁ পলাই যোৱাত কোনেও যাতে বাধা নিদিয়ে।"

"কেতিয়া পলাব ?"

"সিহঁতে মোক কলে, লিজিয়াক এতিয়াই মোৰ হাতত দিলে, সিহঁতক দায়ী কৰা হ'ব। কিন্তু কাৰাগাৰৰ পৰা যেতিয়া বন্দীহঁতক উলিয়াই নিয়া

হ'ব, তেতিয়া তেওঁক মোৰ হাতত দিব। এইটো এটা অসম্ভৱ ব্যৱস্থা। কিন্তু তাৰ আগতেই লিজিয়া আৰু মই তোমাৰ সহায়ত ৰক্ষা পাব পাৰো। কাৰণ, তুমি চিজাৰৰ বন্ধু, চিজাৰেই তেওঁক মোৰ হাতত সমৰ্পণ কৰিছিল। গতিকে তুমি চিজাৰৰ ওচৰলৈ যোৱা আৰু এতিয়াই আমাক ৰক্ষা কৰা।"

একো উত্তৰ নিদি, পেট্ৰোনিয়াচে দাস এটাক মাতি, দুসাজ ক'লা কাপোৰ, আৰু কেইখনমান তৰোৱাল আনিবলৈ, আদেশ দিলে।

তাৰ পাচত, ভিনিকিয়াচলৈ চাই কলে, "গৈ থাকোতে, মই তোমাৰ কথাৰ উত্তৰ দিম। ক'লা কাপোৰ পিন্ধি, তৰোৱাল হাতত লৈ, এতিয়া আমি বন্দীশাললৈ যাওঁ বলা। বন্দীপাল কেইটাক তুমি, এশহাজাৰ, দুশ, পাঁচশ, হাজাৰ, —নহয়, অযুত, লাখ, নিযুত, যিমান পাৰা, চেচ্টাৰটি দিবাগৈ,—তাৰ পৰা তাইক উলিয়াই আনিবৰ বাবে। ইয়াকে নকৰিলে, সকলো বহুত পলম হৈ যাব।"

"তেন্তে বলা।" ভিনিকিয়াচে কলে।

পিচ মুহূৰ্ত্তত দুয়ো ৰাজ পথত ভৰি দিলে।

"এতিয়া শুনা," পেট্ৰোনিয়াচে কলে, "কালিৰে পৰা, ৰাজ সভাত মোক অপদস্থ কৰা হৈছে। মোৰ বৰ্ত্তমানটোও এতিয়া সৰু সূতা এডালত ওলমি আছে। গতিকে চিজাৰৰ পৰা একো আশা নকৰো। বেচি সাংঘাতিক কথা হ'ল এয়ে যে, মই কিবা আবেদন কৰিলেও, সি এতিয়া ঠিক ওলোটাটোহে কৰিব। নহলেনো লিজিয়াক পলুৱাই নিবলৈ, বা পাব বলেৰে তাইক উদ্ধাৰ কৰিবলৈ, ক'মনে তোমাক? তুমি এই কামত সফল হোৱা হলে, চিজাৰৰ ক্ৰোধ যে, মোৰ ওপৰতে পৰিলহেঁতেন, সেই কথা দেখদেখকৈ ওলাই আছে। এতিয়া এনে এটা অৱস্থা আহিছে যে, তোমাৰ কাৰণে সি কিবা কৰিলেও, মোৰ কাৰণে একো নকৰে। গতিকে, চিজাৰৰ কথা ভবাৰ প্ৰয়োজন নাই। তোমাৰ একমাত্ৰ পন্থা হল,—লিজিয়াক বন্দীশালৰ পৰা উলিয়াই আনি, তাইক পলুৱাই লৈ যোৱা। সেয়ে যদি নহয়, তেতিয়া আন ধৰণে উপায় উলিয়াব লাগিব। মনত ৰাখিবা, একমাত্ৰ ধৰ্ম্মৰ ভিত্তিত, তাইক কাৰাগাৰত ভৰোৱা নাই। তোমালোক দুয়ো, পপিয়াৰ প্ৰতিহিংসাৰ বলি। নগৰীয়াবোৰক কাৰাগাৰলৈ নিয়াৰ পূৰ্ব্বেই, লিজিয়াক যে ধৰি নিলে, তাৰ ব্যাখ্যা কি দৰে দিবা? ৰবমুৰীয়াসকলক তাই ৰক্ষা,

ঘৰটো, কোনে আঙুলিয়াই দেখুৱালে ? মই কওঁ শুনা—বহুত দিনৰ আগৰে পৰা তাইৰ ওপৰত চোৰাংচোৱাগিৰি কৰা হৈছে। তুমি তাইক উদ্ধাৰ কৰিবলৈ চেষ্টা কৰা কথাটো জনাজাত হোৱাৰ পূৰ্ব্বে যদি তুমি তাইক উলিয়াই লৈ যাব নোৱাৰা, তেন্তে তোমাৰ আৰু তাইৰ অৱস্থা সংকটজনক হব। তাইক উদ্ধাৰ কৰাৰ ক্ষীণ আশাও যদি নোহোৱা হয়, তেন্তে তোমাৰ অন্তৰ ভাগি যাব। সেইবাবে, মই তোমাক জনাইছো, সময় থাকোতে যদি কিবা কৰিব পাৰা কৰা।"

"হয়, মই বুজি পাইছো।" ভিনিকিয়াচে হতাশ মনেৰে কলে।

এতিয়া বহুত ৰাতি হৈছে। ৰাজপথত জনপ্ৰাণী কেও নাই। হঠাৎ এটা মাতাল মাল যুঁজাক আহি, তেওঁলোকৰ কথাত বাধা দিলে। সি বিপৰীত ফালৰ পৰা আহি, তেওঁলোকৰ কাষেদি পাৰ হওঁতে, হঠাৎ উজুতি খাই, পেট্ৰোনিয়াচৰ বাহুৰ ওপৰতে বাগৰি পৰিল। তাৰ উশাহ, নিশাহত, মদৰ ভেকেটা গোন্ধ ওলাবলৈ ধৰিলে। ঘেৰঘেৰীয়া মাতেৰে সি চিঞৰ মাৰি দিলে, "সিংহৰ মুখলৈ খৃষ্টিয়ানক !"

"মাৰ্ মিলো," পেট্ৰোনিয়াচে ধীৰ ভাৱে কলে, "তই ঘৰলৈ যাব খুজিছ, যাগৈ। মই ভাল কথাকে কৈছো।"

মদাহীটোৱে পেট্ৰোনিয়াচৰ হাতত খামোচ মাৰি ধৰিলে—,

"আপুনিও চিঞৰক,—সিংহৰ মুখলৈ খৃষ্টিয়ানক !" সি কলে, "নহলে মই আপোনাৰ মুৰ ভাঙি দিম।"

এই চিঞৰ শুনি, শুনি, পেট্ৰোনিয়াচৰ মন কিবা হৈ আছিল। পেলে-টাইনৰ পৰা উলটি অহাৰ পিচৰে পৰা, এই শব্দ কেইটাই তেওঁৰ বুকত হেঁচা ধৰিছিল আৰু কাণত বিহ ঢালি আছিল। গতিকে যেতিয়া তেওঁ মালযুঁজাৰ-টোৰ প্ৰকাণ্ড মুষ্টি, নিজৰ মূৰৰ ওপৰলৈ উঠা দেখিলে, তেতিয়া তেওঁ সহ্য কৰি থাকিব নোৱাৰিলে।

"বন্ধু" তেওঁ কলে, "তোৰ মুখৰ ভেকেটা গোন্ধত মোৰ বমি আহিব খুজিছে।"

লগত অনা শেলপাত, তেওঁ মানুহটোৰ বুকত দকৈ বহুৱাই দিলে। তাৰ পাচত ভিনিকিয়াচৰ বাহুত ধৰি, কথা কোৱাত লাগিল,—যেন একোৱে হোৱা নাই।

"খৃষ্টিয়ানবোৰে যিবোৰ খেলত ভাগ ল'ব, তাত তোমাক উপস্থিত থাকিবলৈ কৈছে, চিজাৰে। তাৰ অৰ্থ বুজিছাই নহয়। অৰ্থাৎ সি আৰু তাৰ অন্তৰঙ্গইতে. তোমাৰ মানসিক যন্ত্ৰণাৰ দৃশ্য উপভোগ কৰিব খুজিছে। তোমাক আৰু মোক, এতিয়ালৈকে ফাটেকলৈ নিনিয়াৰ কাৰণ একেটাই। যদি ভতালিকে লিজিয়াক উদ্ধাৰ কৰিব নোৱাৰা তেন্তে এক্তিৰ সহায় লোৱা। তোমাৰ হৈ, তেওঁ কিবা এপাৰ কৰ পাৰিব। কিন্তু তেওঁ কিবা কৰিব পাৰিব বুলি মনে নধৰে। হয়তো, তোমাৰ চিচিলিৰ জমিদাৰীয়ে টাইগেলিনাচক ভুলাব পাৰিব। চেষ্টা কৰি চাবা।"

"পৃথিবীত মোৰ যি আছে, সকলো আগবঢ়াম।" ভিনিকিয়াচে উত্তৰ দিলে।

মেমাৰ্টাইন কাৰাগাৰ ফ'ৰামৰ কাষতে। কেৰিণিৰ পৰা ফ'ৰামলৈ বেচি দূৰ নহয়। তেওঁলোক আহি, সেই ঠাই পাওঁতে, ৰাতি পুৱাই আহিল। আন্ধাৰৰ মাজৰ পৰা, অট্টালিকাৰ আকাৰবোৰ ধৰা পৰিছে। হঠাৎ পেট্ৰোনিয়াচ এঠাইত ৰৈ গল।

"নিৰাপত্তাৰক্ষী সেনা!" তেওঁ চিঞৰি উঠিল, "আমাৰ বহুত পলম হৈ গল।"

সচাঁকৈয়ে কাৰাগাৰৰ চাৰিওফালে, দুশাৰী সেনাই বেৰি ধৰিছে। দিনৰ প্ৰথম পোহৰত, সিইঁতৰ টুপী আৰু যাঠীৰ আগবোৰ ৰূপৰ দৰে জিলিকিছে।

"একো নাভাবিবা। আহাঁ আমি গৈ থাকো।" ভিনিকিয়াচে কলে।

পেট্ৰোনিয়াচৰ স্মৰণ শক্তি অতি প্ৰখৰ, তেওঁ যে অকল সেনাবিভাগৰ কৰ্ম্মচাৰীইঁতকে চিনি পায় এনে নহয়, নিৰাপত্তাৰক্ষী বাহিনীৰ প্ৰায় আটাইবোৰ মানুহকে জানে। বেৰি থকা সেনাবোৰৰ আগত ৰৈ তেওঁ এজন বিভাগীয় সেনাপতিক ঠাঁৰে চিয়ঁৰে ওচৰলৈ মাতিলে।

"কি হৈছে নিগাৰ?" তেওঁ সুধিলে, "ফাটেকৰ চাৰিওফালে প্ৰহৰী কিয় ৰাখিছা?"

"মহান পেট্ৰোনিয়াচ! আমাৰ অধিনায়কে ভয় কৰিছে, গৃহদাহকইঁতক কোনোবাই মোকোলাই নিয়ে বুলি।"

"তেন্তে ইয়াত কাকো সোমাবলৈ নিদিবলৈ হুকুম দিছে নেকি?" ভিনিকিয়াচে কলে।

"নাই দিয়া প্ৰভু! সিহঁতক বন্ধুবোৰে দেখা কৰিবহি বুলি আশা কৰিছো। তেতিয়া আমি আৰু কিছুমানক ফান্দত পেলাই ধৰিব পাৰিম।"

"তেন্তে মোক সোমাবলৈ দিয়া।" ভিনিকিয়াচে কলে। তাৰ পাচত, পেট্ৰোনিয়াচৰ হাতত চেপি ধৰি পুণৰ কলে, "তুমি গৈ এক্তিৰ লগত দেখা কৰা। মই তোমাৰ লগত পিচত আকৌ দেখা কৰিম। তেওঁ কি উত্তৰ দিলে, তোমাৰ পৰা শুনিম গৈ।"

"সেয়ে হওক।" পেট্ৰোনিয়াচ মান্তি হ'ল।

এনে সময়তে, সেই প্ৰকাণ্ড প্ৰাচীৰৰ ভিতৰৰ পৰা, পোতাশালৰ আন্ধাৰৰ মাজৰ পৰা, গীতৰ ধ্বনি আহিবলৈ ধৰিলে। প্ৰথমতে শব্দবোৰ ক্ষীণভাৱে আহিছিল; তাৰ পাচত পুৰুষ, নাৰী আৰু শিশুৰ মিলিত কণ্ঠৰ ধ্বনিৰে, প্ৰাৰ্থনাৰ সুৰ ধীৰে, ধীৰে উচ্চতৰ হ'ল। শান্ত উষাৰ পবিত্ৰ মুহূৰ্ত্তত, গোটেই বন্দীশাল যেন বীণাৰ শব্দেৰে মুখৰিত হৈ উঠিল। এই সুৰত বেদনা বা নিৰাশা কোনোটোৱে নাই। তাৰ ঠাইত মুখৰিত হৈ উঠিছে, সামূহিক আনন্দ আৰু জয়ৰ ধ্বনি! সেনাবোৰে আচৰিত হৈ, হঠাতে সিটোৰ মুখলৈ চাবলৈ ধৰিলে। লাহে, লাহে পুৱাৰ আকাশত গোলাপী আৰু সোণালী ৰং বিৰিঙি উঠিল—।

॥ ১০ ॥

বিশাল নগৰীৰ পথ সমূহত, অবিৰাম চিঞৰ শুনা গ'ল, "খৃষ্টিয়ানক সিংহৰ মুখলৈ!" এতিয়া আৰু কাৰো মনত সন্দেহ নাই যে, অগ্নিকাণ্ডৰ গুৰিতে খৃষ্টিয়ানেই আছিল। অৱশ্যে কথাটোত সন্দেহ প্ৰকাশ কৰিবলৈ, কোনেৰ ইচ্ছা নকৰিলে। কাৰণ খৃষ্টিয়ানৰ শাস্তি বিধানৰ দৃশ্য আটাইবোৰে একেলগে বহি চোৱাৰ সুবিধা ওলাইছে। একে সময়তে, নগৰৰ মানুহৰ বিশ্বাস জন্মিল যে, দেৱতাসকল ৰুষ্ট হোৱাৰ ফলতহে, দুই কুৰাই এনে ভয়াবহ প্ৰলয়ঙ্কৰী ৰূপ ধৰিছিল। গতিকে, পাপ খণ্ডনৰ অৰ্থে, প্ৰতিটো মন্দিৰতে বলি দানৰ বিধান দিয়া হল। মঙ্গলভীৰ ভৱিষ্যত বাণীত থকা অনুসৰি, চিনেটে আইন জাৰি কৰিলে যে, ভলকান্, চিৰিজ, প্ৰোচেৰ্‌পিন আদি দেৱ দেৱীৰ উদ্দেশ্যে সমূহীয়া

প্রার্থনা জনাব লাগিব। বয়সস্থা নাৰীসকলে, জুনো দেৱীলৈকো উচর্গা আগ বঢ়ালে। তেওঁলোকে সমদল যাত্ৰা আৰম্ভ কৰিলে—সাগৰৰ পাৰলৈ। বিগ্ৰহৰ গাত ছটিয়াবৰ বাবে সকলোৱে সাগৰৰ পানী আনিবলৈ ধৰিলে। মূৰ্ত্তিৰ ওপৰত গোটেই ৰোম নগৰীয়ে এতিয়া, পাপ খণ্ডন কৰি পবিত্ৰ হবলৈ, লৰা ধপৰা কৰিবলৈ ধৰিলে; অমৰ দেৱতা সকলৈ উচর্গা আগবঢ়োৱা হ'ল, আৰু কাতৰ ভাবে ক্ষমা প্ৰাৰ্থনা জনোৱা হ'ল।

ধ্বংস স্তূপৰ মাজত, নতুন, নতুন পথৰ আচনি আৰম্ভ হ'ল। নগতে নতুন অট্টালিকা, ৰাজপ্ৰাসাদ আৰু মন্দিৰৰ ভেটি স্থাপন কৰা হ'ল। কাঠেৰে সাজিবলৈ লোৱা প্ৰকাণ্ড ক্ৰীড়া ভৱনবোৰৰ কাম দ্ৰুত গতিৰে আগবাঢ়িল। কাৰণ, তাত খৃষ্টিয়ান বধ পৰ্ব্ব অনুষ্ঠিত হব। টাইবেৰিয়াচৰ ৰাজপ্ৰাসাদত হোৱা বৈঠক, শেষ হোৱা মাত্ৰকে প্ৰাদেশিক শাসন কৰ্ত্তাসকলৈ আদেশ পঠোৱা হ'ল, যাতে তেওঁলোকে যিমান পাৰে সিমান বনৰীয়া জন্তু ৰোমলৈ পঠিয়ায়। টাইগেলিনাচে ইটালীৰ প্ৰতিখন নগৰৰে পিঞ্জৰাবোৰ খালী কৰাই, জন্তুবোৰ অনাবলৈ ধৰিলে। ইয়াৰ উপৰিও গোটেইবোৰ প্ৰজাকে জন্তু সংগ্ৰহৰ কামত লগালে। এচিয়াৰ পৰা আহিল হাতী আৰু বাঘ। নীল নদীৰ পৰা ঘৰিয়াল আৰু জলহস্তী, এটলাচ পাহাৰ অঞ্চলৰ পৰা সিংহ, পিৰে-নিজ পৰ্ব্বতৰ পৰা কুকুৰনেচিয়া বাঘ আৰু ভালুক, হিবাৰনিয়াৰ পৰা ভয়ঙ্কৰ কুকুৰ, এপিৰাচৰ পৰা প্ৰকাণ্ড বনৰীয়া চিকাৰী কুকুৰ আৰু জাৰ্মেনিৰ পৰা ম'হ আৰু বনৰীয়া ষাড় গৰু অনা হ'ল। চিন্তাৰৰ লক্ষ্য হ'ল, অগ্নি কাণ্ডৰ স্মৃতি, ৰক্ত-স্ৰোতেৰে মচি, গোটেই নগৰীকে হত্যাৰ মত্তভাৱে মাতাল কৰি তোলা। ইমান বৃহদাকাৰৰ হত্যাকাণ্ড, জগতত কেতিয়াও কোনো দিনে অনুষ্ঠিত হোৱা নাছিল বুলিব পাৰি।

আয়োজনবোৰে ৰক্তপিপাসা বঢ়াই তোলাত, নাইজে শান্তিৰক্ষক আৰু আৰক্ষীসেনাবোৰক মানুহ বিচাৰি ধৰি অনাত, সহায় কৰিলে। মানুহ ধৰা কামত অসুবিধা অকণো নাছিল। কাৰণ, আন মানুহৰ লগতে, উদ্যানবোৰত এতিয়াও খৃষ্টিয়ানসকলে শিবিৰ পাতি বাস কৰিছে। তেওঁলোকে নিজৰ ধৰ্ম্ম বিশ্বাস উচ্চ কণ্ঠে জ্ঞাপন কৰাত বন্দী কৰিবলৈ সুবিধা হৈছিল। সৈন্যবোৰে ধৰোঁতে, তেওঁলোকে প্ৰাৰ্থনা গীত গাই, গাই, অকনো বাধা নিদিয়াকৈ আঠু-কাঢ়ি আত্মসমৰ্পন কৰিলে। এনে শান্ত ভাবে, জনতাক বিক্ষুব্ধ কৰি তুলিলে;

খৃষ্টিয়ানৰ নিৰ্ব্বিকাৰ আচৰণক, সিইঁতে ঘোৰতৰ অপৰাধত অপৰাধীৰ উন্মাদ আচৰণ বুলি, ভুল কৰিলে। ইয়াৰ ফলত মাজে, মাজে, সিইঁতে বন্দীইঁতক সেনাবোৰৰ হাতৰ পৰা, টানি আজুৰি আনি, মাৰি টুকুৰাটুকুৰ কৰিলে, তিৰোতাবোৰক চুলিত ধৰি টানি, কাৰাগাৰলৈ নিলে, আৰু শিশুবোৰক শিলেৰে আঘাত মাৰি পঠিয়ালে। ভগা ঘৰ, চিম্‌নি, আৰু গুহাবোৰতো অনুসন্ধান কাৰ্য্য চলিল। নিশা আনন্দোৎসৱৰ জুইৰ পোহৰত, ভোজ আৰু বেকাচ পূজাৰ উন্মাদ নৃত্য, বন্দীশালবোৰৰ সন্মুখত হঠাতে দেখা গল। সিংহৰ গৰ্জ্জনৰ বিকট শব্দই সকলোকে ভয় পেলাই দিলে। কাৰাগাৰ সমূহত বন্দীবোৰ নধৰা হৈ আছিল যদিও, প্ৰতিদিনে ইতৰ মানুহবোৰে, আৰু নিৰাপত্তাৰক্ষী সেনাই, নতুন নতুন বলি গোটাই থাকিল। "সিংহৰ মুখলৈ খৃষ্টিয়ানক! সিংহৰ মুখলৈ খৃষ্টিয়ানক!" এই এটা মাত্ৰ কথা সিইঁতৰ মুখত। আন কথা কোৱাৰ ক্ষমতা যেন, সিইঁতে হেৰুৱাই পেলাইছে। উশাহ নিশাহ বন্ধ কৰা গৰমৰ সেইবোৰ দিনৰ আৰু নিশাৰ বতাহ ভৰি উঠিছিল,—ৰক্তস্পৃহা আৰু উন্মত্ততাৰ বিষ বাষ্পৰে।

আনহাতে, এই সীমাহীন নৃশংসতাই খৃষ্টিয়ান সকলৰ মনলৈ আনিলে,—আত্মাহুতিৰ অসীম কামনা। তেওঁলোকে স্বেচ্ছাই মৃত্যুৰ মুখলৈ আগবাঢ়িলে। তেওঁলোকে মৃত্যুকে বিচাৰি যাব খুজিলে। সন্মানিত গুৰুসকলৰ কটকটীয়া আদেশক সন্মান দেখুৱাবৰ বাবেহে, তেওঁলোকে এই বাসনা দমন কৰিব লগা হ'ল। খৃষ্টিয়ানসকলে নগৰৰ প্ৰাচীৰৰ বাহিৰত, এপিয়ান পথৰ কাষৰ মাটিৰ তলত থকা সমাধিক্ষেত্ৰবোৰত, আৰু নতুনকৈ ধৰ্ম্মত দীক্ষিত হোৱা সম্ৰান্ত পৰিয়ালৰ অধীনত থকা, দ্ৰাক্ষা কুঞ্জবোৰতহে একত্ৰিত হ'ব পাৰিব,—ইয়াৰ বাহিৰে আন ঠাইত লগ লাগিব নোৱাৰে। এয়ে হল, গুৰুসকলৰ আদেশ। উচ্চ বংশৰ খৃষ্টিয়ান এজনকো বন্দী কৰা হোৱা নাছিল। অৱশ্যে, পেলেটাইনত জনাজাত হৈছিল যে, ফ্লেভিয়াচ, দোমিচিলা, পম্পোনিয়া গ্ৰেচিনা, কৰ্ণেলিয়াচ পুদেন্‌চ আৰু ভিনিকিয়াচো খৃষ্টধৰ্ম্মী। চিজাৰে জানে যে, এই সম্ৰান্ত শ্ৰেণীৰ মানুহবোৰে ৰোমত অগ্নিকাণ্ড ঘটাইছিল বুলি ক'লে, সৰ্ব্বসাধাৰণ মানুহে কেতিয়াও বিশ্বাস নকৰে। গতিকে, এওঁলোকক পাচেপৰে শাস্তি দিবলৈ, স্থিৰ কৰা হ'ল। কিছুমানে অৱশ্যে ভাবি ললে যে, এক্তিৰ প্ৰভাৱত, তেওঁলোক ৰক্ষা পৰিছে। কিন্তু এইটো ভুল। ভিনিকিয়াচৰ ওচৰৰ পৰা আহি, পেট্ৰোনিয়াচে

এক্তিক দেখা কৰিছিল সচা। কিন্তু লিজিয়াক সহায় আৰু ৰক্ষা কৰিবলৈ কাকুতি মিনতি জনোৱাৰ পাচত, বেচেৰী এক্তিৰ পৰা, তেওঁ চকুৰ পানীৰ বাহিৰে আন একোকে নাপালে। পপিয়া আৰু চিজাৰৰ চকুৰ আঁৰত থকাৰ বাবেহে, এক্তি তাত টিকি থাকিব পাৰিছিল। যি, কি নহওক, তেওঁ বন্দীশাললৈ গৈ, লিজিয়াৰ লগত দেখা কৰিছিল, আৰু তাইৰ বাবে সাজ-পোছাক আৰু খোৱা বস্তুও নিছিল। এই কাৰ্য্যই বন্দীপালহঁতৰ মনত, যথেষ্ট ৰেখাপাত কৰিছিল।

পেট্ৰোনিয়াচে পাহৰিব পৰা নাছিল যে, লিজিয়াক অলাচৰ অট্টালিকাৰ পৰা [illegible] কৰি আঁতৰাই নিবলৈ, তেওঁ লোৱা দুর্ভাগ্যজনক আচৰণৰ বাবেহে, তাই এতিয়া বন্দীশালত কাল কটাইছে। গতিকে, তাইক মুক্তি দিয়াবলৈ, তেওঁ যিমান পাৰে চেষ্টা কৰিলে। কেইদিনমানৰ ভিতৰতে, তেওঁ চেনেকা, ডোমিটিয়াচ্ এফাৰ, ক্রিচ্পিনিলা, (পপিয়াক তাইৰ জৰিয়তে লগ পোৱাৰ আশাত), টাপনোচ, ডিওডোৰাচ্, পাইথাগোৰাচ্, আলিটুৰাচ্, আৰু পেৰিচক লগ ধৰিলে। শেষৰ এই তিনিজনৰ বাবে, চিজাৰৰ অদেয় একো নাই। ক্রাইচোথেমিচৰ জৰিয়তে, তেওঁ ভেটিনিয়াচৰো সহায় বিচাৰিছিল। কাৰণ, তাই বৰ্ত্তমান, ভেটিনিয়াচৰ ৰক্ষিতা। আন আটাইবোৰকে যিদৰে ভাব-ভেটী, উপঢৌকন আৰু বহুত ধন-সোণ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল, সেইদৰে ভেটিনিয়াচকো দিলে। কিন্তু তেওঁৰ সকলো চেষ্টা বিফল হ'ল। ভবিষ্যতলৈ সন্দেহৰ চকুৰে চোৱা চেনেকাই, বিতংভাৱে তেওঁক জনালে যে, খৃষ্টিয়ানে ৰোমত জুই নলগালেও, সিহঁতক পুৰিয়ে পোৰাই শেষ কৰা হোৱাই ভাল। ভবিষ্যতৰ নিৰাপত্তাৰ খাতিৰত, ৰাষ্ট্ৰৰ স্বাৰ্থত, সিহঁতৰ মৃত্যুপাত হোৱাই উচিত। টাপনোচ্ আৰু ডিওডোৰাচে পেট্ৰোনিয়াচৰ পৰা ধনাবত ললে, আৰু একোটো নকৰিলে। হুফালে, ভেটিনিয়াচে আকৌ চিজাৰক লগালে যে, তেওঁক দুর্নীতিত লিপ্ত কৰাৰ খোজা হৈছে। একমাত্ৰ আলিটুৰাচেহে লিজিয়াৰ হৈ, এবাৰ মাত মাতিবলৈ সাহ কৰিলে। এই মানুহজনে আগতে খৃষ্টিয়ানক মুঠেই সহ্য কৰিব নোৱাৰিছিল যদিও, এতিয়া সিহঁতৰ প্ৰতি, তেওঁৰ পুতো জন্মিল! এই কামত হস্তক্ষেপ কৰি, তেওঁ ইয়াকে উত্তৰ পালে:

"তুমি ভাবা নেকি যে, মোৰ মন ব্রুটাছতকৈ কম শক্তিশালী? ৰোমৰ

নিৰাপত্তাৰ বাবে, ক্ৰুটাছে আনকি নিজৰ লৰা-ছোৱালীকো সাৰি যাবলৈ দিয়া নাছিল। তুমি নাজানানে এই কথা?"

কথাষাৰ পেট্ৰোনিয়াচৰ কাণত পৰাৰ লগে লগে, তেওঁ চিঞৰি উঠিল:

"যিহেতু চিজাৰে এতিয়া নিজকে ক্ৰুটাচৰ লগত তুলনা কৰিছে, সেইবাবে সকলো শেষ বুলি বুজিলো।"

এতিয়ালৈকে দাম্ভিক বুলি জনাজাত, ভিনিকিয়াচৰ দৰে মানুহেও আনকি লিজিয়াৰ প্ৰতি অগষ্টান সকলৰ সহানুভূতি আদায় কৰিবলৈ, যৎপৰোনাস্তি চেষ্টা কৰিলে। ভাইটেলিয়াচৰ জৰিয়তে, তেওঁ টাইগেলিনাচলৈ বাৰ্ত্তা পঠিয়াই জনালে, লিজিয়াৰ মুক্তিৰ বিনিময়ত, তেওঁ সকলো দিব, আনকি, চিচিলিত থকা জমিদাৰীও তেওঁক দান কৰিব। কিন্তু অধিনায়কজনে পপিয়াৰ কৃপা দৃষ্টিলৈ বেচি আগ্ৰহান্বিত হৈ, প্ৰস্তাৱিত উপঢৌকন লবলৈ অস্বীকাৰ কৰিলে। যদিও ভিনিকিয়াচে জানে যে, চিজাৰৰ ওচৰলৈ নিজে গৈ লাভ নাই, বা তেওঁৰ ভৰিত পৰিলেও একো নাপায়, তথাপিও এই সম্বন্ধেও, পেট্ৰোনিয়াচৰ লগত তেওঁ কথা পাতিলে।

"সি যদি বিমুখ হয়, কি হ'ব?" পেট্ৰোনিয়াচে সুধিলে, "যদি সি বিদ্ৰূপ কৰি উত্তৰ দিয়ে, অথবা জঘন্যতম্ ভীতি প্ৰদৰ্শন কৰি, পঠিয়াই দিয়ে, তেতে কি কৰিবা?"

শোক আৰু ক্ৰোধত, ভিনিকিয়াচৰ শৰীৰ কঁপি উঠিল।

"এতিয়া বুজিছা, মই কিয় এই চেষ্টা নকৰিবলৈ তোমাক উপদেশ দিছো। ইয়াৰ দ্বাৰা লিজিয়াক উদ্ধাৰ কৰাৰ শেষ আশাও বিনষ্ট হ'ব।" পেট্ৰোনিয়াচে কলে।

ভিনিকিয়াচে ক্ৰোধৰ উন্মাদনা দমন কৰি, নিজৰ মুখত হাত বুলাই কলে,

"নহয়! নহয় মই খৃষ্টিয়ান!"

"পিচে, তুমি কথাটো কেতিয়াবা পাহৰি যাবা, এতিয়া যি দৰে পাহৰিছিলা! নিজকে ধ্বংস কৰিবলৈ তোমাৰ অধিকাৰ আছে, কিন্তু তাইক ধ্বংস কৰাৰ অধিকাৰ তোমাৰ নাই। চেজানাচ্ ছুহিতালৈ মনত পেলোৱা। মৃত্যুৰ মুখলৈ নিয়াৰ আগতে, তাইৰ ওপৰত কি বিভৎস উৎপীড়ন চলিছিল, ভাবি চোৱা।"

॥ ১১ ॥

এইদৰে সকলো চেষ্টা নিষ্ফল হ'ল। ভিনিকিয়াচে আনকি, চিজাৰ আৰু পপিয়াৰ মুক্ত দাস আৰু গোলামবোৰৰ ওচৰতো সেও মানি, সিহঁতৰ সহায় ভিক্ষা কৰিলে। সিহঁতৰ সজ স্বভাবৰ শলাগ লৈ, মূল্যবান উপহাৰ দিলে, আৰু বহুত কিবা কিবি দিবলৈ, প্ৰতিশ্ৰুতিও কৰিলে। অৱশেষত তেওঁ বুজিলে যে,—ইহঁতে তেওঁক কেৱল প্ৰবঞ্চনাহে কৰিছে। এইবোৰ কৰি থকাতকৈ, লিজিয়াৰ জীৱন বিপন্ন হোৱা কথাত অবিচলিত আৰু নিৰ্লিপ্ত ভাব প্ৰদৰ্শন কৰি দেখুউৱাহে, তেওঁৰ পক্ষে উত্তম পন্থা। পেট্ৰোনিয়াচেও এই সিদ্ধান্তকে ললে।

দিনৰ পাচত দিন পাৰ হ'ল। ক্ৰীড়া ভৱনবোৰ এতিয়া, সকলো প্ৰকাৰে প্ৰস্তুত কৰা হ'ল আৰু ৰাতিপুৱাৰ ক্ৰীড়া প্ৰদৰ্শনৰ বাবে, টিকেট বিতৰণ চলিবলৈ ধৰিলে। কিন্তু এতিয়া যি সংখ্যক অপৰাধী সংগৃহীত হৈছে, সি অভূতপূৰ্ব। গতিকে, ৰাতিপুৱাৰ খেল, বহুত দিন, বহুত সপ্তাহ বা কেইবা মাহো ধৰি চলিব পাৰে। ইতিমধ্যে, ৰবমুৰীয়া সকল যথেষ্ট বিপাঙত পৰিছে, ইমানবোৰ খৃষ্টিয়ানক কাৰাগাৰত ভৰোৱাৰ উপায় চিন্তা কৰি। কয়দীৰে ঠাহ খাই থকা কাৰাগাৰবোৰত, জ্বৰৰ প্ৰকোপ বাঢ়িবলৈ ধৰিলে। দাসৰ ক্ৰমে আচুতীয়াকৈ বৰ্থা, মৰা পোতা খালবোৰ মুখলৈকে ভৰি উঠিল। গতিকে নগৰত, মহামাৰী বিয়পাৰ ভয়ত, সোনকালে কাম শেষ কৰাৰ সিদ্ধান্ত লোৱা হ'ল।

এইবোৰ বাতৰি গৈ যেতিয়া ভিনিকিয়াচৰ কাণত পৰিল, তেতিয়া তেওঁৰ মনৰ পৰা, শেষ আশাৰ বেঙনিও আঁতৰি গল। তেওঁৰ মুখ মণ্ডলত শূণ্যতাৰ ভাব প্ৰকট হৈ উঠিল। ৰোমৰ গৃহদেৱতাৰ মন্দিৰত অঁকা মুখাবোৰৰ দৰেই ক'লা পৰিল, তেওঁৰ মুখ। কোনোবাই কিবা ধলে, তেওঁ যন্ত্ৰবৎ নিজৰ মূৰটো ওপৰলৈ তোলে, আৰু অৰ্থহীন দৃষ্টিৰে বক্তাৰ মুখলৈ চাই থাকে। তেওঁৰ নিশাৰ কিছুসময় পাৰ হৈছিল, উৰচাচৰ লগত, লিজিয়া থকা খুপৰীটোৰ দুৱাৰ মুখত। তাৰ পৰা উলটি আহি, পেট্ৰোনিয়াচৰ ঘৰৰ আগচ'ৰাত খোজ চলাই থাকোঁতে, তেওঁৰ নিশাবোৰ পাৰ হৈ গৈছিল। দাসবোৰে প্ৰায়ে তেওঁক দেখিছিল,—হাত দুখন ওপৰলৈ তুলি, আঁঠুকাঢ়ি থকা অৱস্থাত। কেতিয়াবা দেখিছিল, তললৈ মূৰ কৰি চিট হৈ মাটিত পৰি থকা। এনেবোৰ সময়ত, তেওঁ খৃষ্টক প্ৰাৰ্থনা জনাইছিল, কাতৰ ভাবে। কাৰণ, খৃষ্টই হ'ল তেওঁৰ শেষ আৰু

একমাত্র আশা। এতিয়া কিবা অলৌকিক ঘটনাইহে, লিজিয়াক বক্ষা কবিব পাবিব। মাটিত মুখ দি পবি থাকোঁতে, তেওঁ খৃষ্টৰ চৰণত বাবে বাবে নিবেদন জনালে, যেন অলৌকিক কিবা এটা ঘটি যায়।

এনে অৱস্থাতো তেওঁ সুস্থিৰ মনেৰে ভাবিব পাবিলে যে, তেওঁৰ প্ৰাৰ্থনাতকৈ, পিটাৰৰ প্ৰাৰ্থনাহে বেচি ফলদায়ক হব। পিটাৰেই লিজিয়াক, তেওঁৰ হাতত দিয়াৰ প্ৰতিশ্ৰুতি দিছিল, তেওঁক দীক্ষা স্নান কৰাইছিল, আৰু অলৌকিক ক্ৰিয়া সম্পন্ন কৰাৰ ক্ষমতাও তেওঁৰে আছে। গতিকে তেওঁক এই বিপদত উদ্ধাৰ আৰু সহায় কৰোঁতা, পিটাৰৰ বাহিৰে আন কোনো নাই।

ইয়াকে ভাবি, তেওঁ থাকত কাম কৰা বস্তুবাটোক বিচাৰি উলিয়ালে। এই মানুহটোৰ পৰা, তেওঁ জানিব পাবিলে যে, পোৰ্টা চেলেৰিয়াৰ বাহিৰত থকা. কৰ্ণেলিয়াচ পুদেন্‌চৰ আঙুৰৰ বাগিছাত, খৃষ্টিয়ানসকলৰ এখন সভা বহিব। গতিকে বস্তুবাটো আৰু তেওঁ, নিশা হোৱাতেই বাট চালে। তাৰ পাচত নগৰৰ প্ৰাচীৰৰ বাহিৰলৈ ওলাল। কাঁইটীয়া লতাৰে ভৰি থকা কিছুমান লুঙলুঙীয়া বাট পাৰ হৈ, অৱশেষত দুয়ো পুদেন্‌চৰ চোহদটো পালেগৈ। বাহিৰা ঘৰ এটাত ভৰি দিয়েই, ভিনিকিয়াচে আঠু কাঢ়ি থকা, বাৰজনমান মানুহ দেখিবলৈ পালে। এই এমুঠি খৃষ্টিয়ান কিবা প্ৰকাৰে ধৰা নপৰাকৈ থাকিল। এই মানুহবোৰে, স্তুতি গীত গাই আছে। মাজে, মাজে, নাৰী পুৰুষৰ সন্মিলিত কণ্ঠত ঘোষিত হৈছে এফাঁকি গীত;—'হে খৃষ্ট! আমাক কৃপা কৰা।'

বেৰত গজাল মাৰি লগাই থোৱা ক্ৰুচচিনৰ তলত, পিটাৰেও আঠুকাঢ়ি প্ৰাৰ্থনা কৰিছে। শুভ্ৰ কেশ আৰু প্ৰসাৰিত হাত দেখিয়ে, ভিনিকিয়াচে দূৰৰ পৰাই তেওঁক চিনি পালে। যুৱকৰ মনলৈ বাসনা আহিল, যেন মানুহৰ জুমৰ মাজেদি গৈ, ধৰ্ম্মগুৰুৰ পদত দীঘল দি পৰি, চিঞৰি উঠে, "মোক সহায় কৰক!" কিন্তু প্ৰাৰ্থনাৰ ভক্তিপূৰ্ণ ভাবে, হঠাতে তেওঁক শক্তিহীন কৰি তোলাত, দুৱাৰ মুখতে আঠু কাঢ়ি প্ৰাণৰ কাতৰে তেওঁ জনালে, "হে খৃষ্ট! মোক কৃপা কৰা।"

খৃষ্টৰ পুনৰ আবিৰ্ভাৱ ঘটিব বুলি, খৃষ্টিয়ান সকলে যি সপোন দেখি আছে, সেই সপোন নিঠকত পৰিণত হব বুলি, ভক্তবৃন্দই অন্তৰেৰে বিশ্বাস কৰিছে। পুনৰ পৃথিবীলৈ আহি, খৃষ্টই দুষ্কৃতি বিনাশ কৰি নিৰোক ওকবাৰ আৰু বিশ্বত নিজৰ শাসন প্ৰবৰ্ত্তন কৰিব। সমবেত ভক্তবৃন্দই, কাণ থিয় কৰি ওপৰলৈ চাই চাই, কম্পিত স্বৰে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। কহুৱাৰ পজাটৰ মাজেদি, যি

আনন্দানুভূতিয়ে ভিনিকিয়াচৰ অন্তৰ প্লাৱিত কৰিছিল, সেই একেই অনুভূতিয়ে তেওঁৰ হৃদয় আপ্লুত কৰি তুলিলে। তেওঁৰ অনুভূতিত জাগি উঠিল,—হঠাৎ স্বৰ্গৰ দ্বাৰ মুকলি হ'ব, বসুমতী কঁপি উঠিব, দয়ালু অথচ ভীষণ কপত, খৃষ্ট নামি আহিব, পোহৰৰ সোঁতৰ মাজেদি, তেওঁৰ পাদ পদ্মত জিলিকি থাকিব আকাশৰ তৰা-বোৰ। তাৰ পাচত, তেওঁ ধাৰ্ম্মিক সকলক নিজ হাতেৰে তুলি ধৰিব, আৰু উৎপীড়নকাৰীইঁতক অন্ধকাৰলৈ নিক্ষেপ কৰিব।

হাতৰ মাজত মুখ লুকুৱাই, ভিনিকিয়াচ সংজ্ঞাহীনৰ দৰে হ'ল। তেওঁৰ চাৰিওফালে এতিয়া নিস্তব্ধতা বিৰাজ কৰিছে। প্ৰাৰ্থনাৰ কাতৰ স্বৰ হঠাতে বন্ধ হৈ গল। তেওঁৰ চেতনাত জাগি উঠিল, অলৌকিক ঘটনা যেন এতিয়াই ঘটিব! চকু মেলাহাৰি উঠিয়ে তেওঁ দেখিব নিশ্চয় দেখিব, তেওঁৰ চকুত ছাট মাৰি ধৰা স্বৰ্গীয় জ্যোতি, আৰু শুনিব, সকলো মানুহৰ হৃদয়ত কঁপনি তোলা এটা মাত!

কিন্তু নিস্তব্ধতা একেদৰে ৰ'ল। তাৰ মাজত মাত্ৰ শুনা গল,—এগৰাকী নাৰীৰ হিয়াভগা উচুপনি।

ভিনিকিয়াচে মুৰ দাঙি, ভয়াৰ্ত্ত, উৎসুক দৃষ্টিৰে সন্মুখলৈ চালে।

ৰহস্যময় যি জ্যোতি দেখিব বুলি ভাবিছিল, তাৰ ঠাইত তেওঁ দেখিলে, গুহাটোৰ ভিতৰত জ্বলি থকা কেইডালমান মমবাতিৰ ক্ষীণ, কম্পিত পোহৰ আৰু ঘৰৰ মুধচৰ ফাঁকেদি সোমাই অহা, জোনৰ ৰশ্মিৰেখা। নিস্তব্ধতা ইমান গাঢ় হৈ উঠিল যে, নাহিৰত বৈ চাই থকা মানুহবোৰৰ, ক্ষীণ উশাহৰ শব্দও শুনা গল।

অৱশেষত, পিটাৰ থিয় হল আৰু সমবেত জনতালৈ চাই কলে,

"ভাতৃসকল! তোমালোকে অন্তৰত ত্ৰাণকৰ্ত্তাক উপলব্ধি কৰা আৰু অশ্ৰুজল নিবেদন কৰা, তেওঁৰ চৰণত!"

ভক্তবৃন্দৰ মাজৰ পৰা, মাত এটা আহি কাণত পৰিল, তিক্ততা আৰু সীমাহীন বেদনাৰ!

"মই বিধবা। মোৰ লৰাটোৱেই আছিল মোৰ আশ্ৰয়। হে প্ৰভু! মোক তাৰ কাষলৈ নিয়া।"

পুণৰ সকলো নিস্তব্ধ হ'ল। আঠুকাঢ়ি থকা ভক্তবৃন্দৰ সন্মুখত থিয় দি থকা পিটাৰক, শক্তিহীনতা আৰু জীৰ্ণতাৰ প্ৰতীক যেন দেখা গল। আন

এটা কাতৰ কণ্ঠস্বৰ বাজি উঠিল, "চাউদাংহঁতে মোৰ ছোৱালী কেইজনীক বলাৎকাৰ আৰু উৎপীড়ন কৰিলে। খুষ্টই সকলো হবলৈ দিলে।"

তৃতীয় স্বৰৰ বিলাপ ধ্বনি উঠিল, "লৰা-ছোৱালী কেইটাৰে সৈতে মই নিঃসহায় হলো। মই মৰিলে ইহঁতক কোনে চাব?"

চতুৰ্থ মাত শুনা গল।

"লিনাচক এৰি দিয়া হৈছিল। কিন্তু এতিয়া সিহঁতে তেওঁক ধৰি নি শাস্তি দিছে।"

পঞ্চম কণ্ঠই জনালে, "আমি যদি উলটি যাওঁ, সেনাবোৰে আমাক ধৰি নিব। ক'ত লুকাম? কোনে আমাক ৰক্ষা কৰিব?"

বেদনাৰ্ত্ত স্বৰবোৰ এটি এটিকৈ, শান্ত নিশাৰ বতাহত উটি গল। ইতিমধ্যে বয়োবৃদ্ধ মাছমৰীয়াজনৰ (পিটাৰৰ) চকু মুদ খাই আছিল। শোকাৰ্ত্ত আৰু বিভীষিকাগ্ৰস্ত জনতাৰ ৰোদনৰ সম্মুখত নত হৈ পৰিল, পলিত কেশী ধৰ্ম্ম গুৰুৰ মস্তক। পূণৰ বাহিৰত বৈ থকা সকলৰ কম্পিত নিশ্বাসৰ বাহিৰে, আৰু একো শুনা নগল।

ভিনিকিয়াচ তৎক্ষণাৎ উঠিল। তেওঁৰ ইচ্ছা হ'ল, জনতাৰ মাজেদি বাট উলিয়াই গৈ, ধৰ্ম্মগুৰুৰ চৰণত সহায় ভিক্ষা কৰিবলৈ। হঠাৎ তেওঁ যেন দেখিলে, সম্মুখত অন্ধকাৰৰ অতল গৰ্ত্ত মুকলি হৈছে। গুৰুৱে নিজৰ দুৰ্ব্বলতা স্বীকাৰ কৰিবলৈ উদ্যত হৈছে নেকি? তেওঁ মানি লব খুজিছে নেকি যে, নাজাৰাথৰ যীশুতকৈ ৰোমৰ চিজাৰ বেচি প্ৰতাপী? সেয়ে যদি হয়, তেন্তে অৱশিষ্ট শেষ আশা অন্ধকাৰে গ্ৰাস কৰাৰ লগতে, গ্ৰাস কৰি পেলাব তেওঁক, লিজিয়াক, তেওঁৰ খৃষ্ট প্ৰেমক, ধৰ্ম্ম বিশ্বাসক, আৰু যাৰ কাৰণে তেওঁ জীয়াই আছে, সেই সকলোবোৰকে। ইয়াৰ পিচত, মৃত্যু আৰু অসীম অন্ধকাৰৰ বাহিৰে, একো নাথাকে।

অৱশেষত পিটাৰে কথা কবলৈ আৰম্ভ কৰিলে। প্ৰথমে তেওঁৰ কণ্ঠৰ কন্ধস্বৰ ক্ষীণ হৈ ওলাল।

"মোৰ সন্তান সকল! গল্‌গোথাত প্ৰভুক ক্ৰচত বিন্ধোৱা দৃশ্য, মই নিজ চকুৰে দেখিছিলো। মোৰ এই কাণ দুখনেৰে শুনিছিলো, চাউদাংহঁতৰ হাতুৰীৰ শব্দ! যিবিলাকে ক্ৰচণ্ডাল দাঙি ধৰি, মানৱ পুত্ৰৰ মৃত্যুৰ দৃশ্য, ৰাইজক দেখুৱাইছিল, সেই বিলাককো মই দেখিছিলো। যিটো মাহুহে প্ৰভুৰ

দেহৰ একাষৰত বিয়াইছিল, তাকো মই দেখিছিলো আৰু মৃত্যু আহি উপস্থিত হোৱা সময়তো মই মানৱ পুত্ৰৰ দৰ্শন লাভ কৰিছিলো। সকলো শেষ হৈ যোৱাৰ পাচত, যেতিয়া মই উলটি গৈছিলো, তেতিয়াও তোমালোকৰ দৰে যন্ত্ৰণাত কান্দি উঠিছিলো, "হাঁয় ! হাঁয় ! প্ৰভু ! নিজে ঈশ্বৰ হৈ, কিয় তুমি এই যন্ত্ৰণা দূৰ পাৰি নলা ? মৃত্যু বৰণ কৰিলা কিয় ? তোমাৰ ৰাজ্য স্থাপন হ'ব বুলি বিশ্বাস কৰা সকলৰ, একমাত্ৰ আশাও কিয় বিনাশ কৰিলা ?" কিন্তু তৃতীয় দিনা আমাৰ প্ৰভু, আমাৰ একমাত্ৰ গৰাকী, আমাৰ মালিক, মৃত্যুৰ পৰা সাৰ পাই উঠিল। জ্যোতিৰ্ম্ময় জগত, পিতৃৰ কাষলৈ উলটি যোৱাৰ আগলৈকে, তেওঁ আমাৰ লগতে থাকিল। আমাৰ বিশ্বাস, দুৰ্ব্বল আছিল বুলি বুজিব পাৰিছিলো। প্ৰভুৱে আমাৰ হৃদয়ৰ শক্তি বৃদ্ধি কৰিলে, তাৰ পাচৰে পৰা মই সত্য ধৰ্ম্মৰ বীজ সিঁচিবলৈ আৰম্ভ কৰিলো !"

প্ৰথমে যি গৰাকী নাৰীয়ে, বিলাপ কৰিছিল, তেওঁলৈ চাই পিটাৰে দৃঢ়-ভাৱে কলে, "তুমি কিয় আপত্তি জনাইছা ? ভগৱানে নিজেই, যন্ত্ৰণা আৰু মৃত্যুৰ হাত সৰা নাছিল ; তথাপিও তুমি বিচাৰা, যন্ত্ৰণাৰ পৰা তেওঁ তোমাক মুক্ত কৰিব লাগে ! অবিশ্বাসীৰ দল ! তেওঁৰ বাণী বুজি পোৱা নাইনে তোমালোকে ? পাৰ্থিব জীৱনৰ কথা জানো তেওঁ আমাক কৈছিল ? নাই কোৱা। আমাৰ মাজলৈ আহি তেওঁ ইয়াকে জনাইছিল : 'মোক অনুকৰণ কৰা। ভগৱানে তোমালোকক কাষ চপাই লব।' তথাপিও, তোমালোকে পৃথিৱীখনকে দুই হাতে আকোৱালি লৈ. 'হে প্ৰভু, ৰক্ষা কৰা' বুলি চিঞৰি থাকা। ভগৱানৰ চকুত, মই মাত্ৰ এমুঠি ধুলি। কিন্তু তোমালোকৰ চকুত, মই তেওঁৰ ধৰ্ম্ম প্ৰচাৰক, ধৰ্ম্মবক্তা আৰু পুৰোহিত। তেওঁৰে নাম লৈ, তোমা-লোকৰ আগত, ধৰ্ম্মৰ বাণী প্ৰচাৰ কৰিছো মই। তোমালোকৰ সন্মুখত মৃত্যু নাই, আছে প্ৰকৃত জীৱন; দুখ নাই, স্থায়ী আনন্দ আছে; বন্ধন নাই, অনুশাসন আছে। হে বিধবা ! ভগৱানৰ ধৰ্ম্মবক্তা হিচাবে, মই তোমাক জনাওঁ, তোমাৰ পুত্ৰৰ মৃত্যু নঘটে, অনন্ত জীৱনৰ গৌৰৱ য'ত আছে, তাত তেওঁ পুণৰ জন্ম ল'ব। তেওঁ, তোমাৰ বাবে অপেক্ষা কৰি থকা দেখিবলৈ পাবা তাত। বিজন পিতৃৰ কন্যাসকলক, চাউদাংইতে উৎপীড়ন কৰিলে, তেওঁক মই ইয়াকে প্ৰতিশ্ৰুতি দিওঁ যে, এদিন তেওঁ দেখিবলৈ পাব, তেওঁৰ কন্যা-সকল হেৰ্‌মোণৰ লিলি ফুলতকৈও বেছি শুভ্ৰ, বেচি পবিত্ৰ জগত বিৰাজ কৰিছে।

যি সকলে আপোনজনৰ মৃত্যু দেখিব, যি সকল পদদলিত, দুখীয়া আৰু তৃষ্ণাৰ্ত, যি সকল মৰণৰ মুখলৈ আগবাঢ়ি আছে, মই সেইসকলক খৃষ্টৰ নামত ইয়াকে জনাওঁ যে, তেওঁলোকে নিদ্ৰিত অৱস্থাৰ শেষত, স্বপ্নময় আনন্দৰ বাজ্যলৈ, অন্ধকাৰ অতিক্ৰম কৰি, ভগৱানৰ জ্যোতিৰ্ময়ী উষাৰ পোহৰলৈ, গতি কৰিব। সেইবাবে, খৃষ্টৰ নাম লৈ, মই প্ৰাৰ্থনা জনাওঁ, যাতে তোমালোকৰ চকুৰ আৱৰণ খহি পৰে আৰু বিশ্বাসৰ জ্যোতিয়ে হৃদয় প্লাবিত কৰে।"

ইয়াকে কৈ, গুৰুৱে হাত এখন দাঙিলে, আদেশ দিয়াৰ ভঙ্গীৰে। লগে লগে, উপস্থিত সকলো মানুহে, শিৰাই শিৰাই, নতুন তেজৰ সঞ্চাৰ অনুভৱ কৰিলে। অভ্যান্তৰলৈকে তেওঁলোকৰ দেহ ৰোমাঞ্চিত হৈ উঠিল। তেওঁলোকৰ আগত, এতিয়া যেন, এজন দুৰ্ব্বল বৃদ্ধ থিয় দি থকা নাই। তাৰ ঠাইত, এনে এজন পুৰুষ তেওঁলোকে দেখিবলৈ পাইছে, যি সকলোৰে আত্মাবোৰ, ধূলিৰ পৃথিৱীৰ দুৰ্ব্বলতাৰ মাজৰ পৰা আজুৰি আনি, বহুদূৰৰ কোনোবা উৰ্দ্ধ-লোকলৈ প্ৰেৰণ কৰিছে। পিচঁাৰে পুণৰ আৰম্ভ কৰিলে, "তোমালোকে দুখৰ-লোতক বোৱাই, সত্যৰ বীজ সিঁচি দিয়া, হৰ্ষিত চিত্তে তাৰ ফল ভোগ কৰিবা। পৈশাচিক শক্তিৰ আগত, কিয় ভয়তে কঁপি থাকিবা? এই পৃথিৱীৰ উৰ্দ্ধত, ৰোমৰ উৰ্দ্ধত, সকলো নগৰ আৰু প্ৰাচীৰৰ ঊৰ্দ্ধত, পৰম প্ৰভু আছে, তোমালোকৰ অন্তৰতো আছে তেওঁ। তোমালোকৰ চকুলো পাথৰে শুহি পেলাব, তোমালোকৰ তেজ বালিত মিহলি হ'ব, তোমালোকৰ মৃত দেহেৰে খালবোৰ ভৰি যাব, তথাপিও মই তোমালোকক দৃঢ়তাৰে জনাওঁ, সকলোৰে শেষত, জয়যুক্ত হ'বা তোমালোকেই। পাপ, উৎপীড়ন, আৰু অহঙ্কাৰ ভৰা এই নগৰ আক্ৰমণ কৰিবলৈ, পৰম প্ৰভু আগবাঢ়ি আহিছে; তোমালোক হৰা তেওঁৰে সেনা। তেওঁ যিদৰে যন্ত্ৰণা ভুগি, ৰক্তক্ষয় কৰি, পৃথিৱীক পাপৰ পৰা মুক্ত কৰিছিল, সেইদৰে তোমালোকেও যাতে, যন্ত্ৰণা আৰু ৰক্তক্ষয়ৰ বিনিময়ত, পঙ্কিলতাৰ গৰ্ভত লীন যাবলৈ ধৰা এই ঠাইখনক উদ্ধাৰ কৰা, এয়ে তেওঁৰ ইচ্ছা। মোৰ মুখেদি এই কথা, তেৱেঁই ঘোষণা কৰিছে।"

ধৰ্ম্মবক্তাই হাতদুখন আৰু চকুৰ দৃষ্টি, ওপৰলৈ তুলি, স্থিৰ হৈ ৰ'ল। সকলোৱে অন্তৰত অনুভৱ কৰিলে, নশ্বৰ দৃষ্টিৰে যিজনক তেওঁলোকে দেখা নাই, তেওঁ এতিয়া পিটাৰৰ চকুত প্ৰকট হৈ উঠিছে। বহু সময় তেওঁ অভিভূতৰ দৰে, ওপৰলৈ চাই থাকিল। অৱশেষত কলে, "হে প্ৰভু! তুমি ইয়াতে আছা!

তুমি মোক পথ দেখুৱাইছা। হে খৃষ্ট! জেৰুজালেমত নহয়, এই চয়তানৰ ৰাজ্যত, তুমি তোমাৰ আসন প্ৰতিষ্ঠা কৰিব খুজিছা। এই নগৰত, অশ্ৰুজল আৰু ৰক্তেৰে সিক্ত, তোমাৰ প্ৰাৰ্থনা গৃহ নিৰ্ম্মাণ হোৱাটোকে বিচাৰিছা তুমি! এই নগৰত, য'ত নিৰোৰ শাসন চলিছে, তাতে এদিন উত্থান ঘটিব, তোমাৰ অনন্ত ৰাজ্য! প্ৰাণৰ ভয়ত আৰ্ত্তনাদ কৰি উঠা, তোমাৰ সেৱক সকলৰ অস্থিৰ ওপৰতে নিৰ্ম্মিত হব, পবিত্ৰ চিয়ন (জেৰুজালেম) নগৰী। এই নগৰলৈ তুমি আদেশ পঠিয়াইছা,— মোৰ আত্মাই, তোমাৰ প্ৰাৰ্থনা গৃহত আৰু পৃথিৱীৰ সকলো জাতিৰে ওপৰত শাসন চলাব। হয়, ভগ্ন হৃদয়ত, একাগ্ৰতা লাভৰ শক্তি, তুমিয়ে দিবা। হয়, তোমাৰ নিৰীহ শিষ্যক, যুগ যুগ ধৰি জীয়াই ৰাখিবলৈ, মোক আদেশ দিছা তুমি। বিজয়ৰ পথত অগ্ৰসৰ হবলৈ, তুমিয়ে আমাক উদগনি দিছা। হে প্ৰভু! তোমাৰ মহিমা, তোমাৰ গৌৰৱ কীৰ্ত্তন কৰো, আমি। হে প্ৰভু! তোমাৰেই জয়! তোমাৰেই জয়।" পিটাৰে কথা কৈ থাকোতে, গ্ৰীষ্ম কালৰ জোনৰ ধৱল জ্যোতিৰে, গোটেইটো ঘৰ উদ্ভাসিত হৈ উঠিল।

প্ৰগাঢ় আনন্দৰ মাজত সমাহিত হোৱা অৱস্থাৰ পৰা সাৰ পাই উঠি, পিটাৰে যেতিয়া ভক্তবৃন্দলৈ চালে, তেতিয়া স্বৰ্গীয় অনুপ্ৰেৰণাৰ জ্যোতি চক্ৰই যেন, তেওঁৰ উন্নত শিৰ, জ্যোতিৰ্ম্ময় কৰি তুলিলে।

"ভগবানে তোমালোকৰ মনৰ সংশয় দূৰ কৰিব। আগবাঢ়ি যোৱা, আৰু তেওঁৰ নাম লৈ, জয়যুক্ত হোৱা।" তেওঁ উদাত্তকণ্ঠে ঘোষণা কৰিলে।

ইতিমধ্যে, তেওঁ উপলব্ধি কৰিছে, তেওঁলোক জয় যুক্ত হ'ব। তেওঁ জানিছে, এই মানুহবোৰৰ তেজ, আৰু চকুৰ পানীৰ পৰা কিহৰ সৃষ্টি হ'ব! কিন্তু যেতিয়া, শিষ্য সকলৰ মূৰত ক্ৰুচচিন আঁকিবলৈ ধৰিলে, তেতিয়া তেওঁৰ কণ্ঠস্বৰ আবেগত কঁপি উঠিল।

"মোৰ সন্তান সকল। তোমালোকক মই আশীৰ্ব্বাদ কৰিছো। তোমালোকৰ যন্ত্ৰণাৰ মাজত, মৃত্যুৰ মাজত, অনন্ত কালৰ বাবে, মোৰ আশীৰ্ব্বাদ বল।"

তেওঁক কেউফালে বেৰি ধৰি, মানুহবোৰে সমস্বৰে জনালে, "হে প্ৰভু! আমি প্ৰস্তুত। কিন্তু আপুনি নিজকে বচাই ৰাখক; কাৰণ আপুনিয়ে আমাৰ পৰম প্ৰভুৰ পবিত্ৰ প্ৰতিনিধি।"

আশীর্ব্বাদ লবলৈ তেওঁৰ কাষ চাপি অহা প্ৰতিজনৰে মূৰত তেওঁ হাত থলে। ই যেন, দূৰ ভ্ৰমণলৈ ওলোৱা সন্তানৰ পৰা, পিতৃৰ বিদায় লোৱা দৃশ্য। তাৰ পাচত, সকলোৱে সেই ঠাই পৰিত্যাগ কৰিলে। হিংস্ৰ পশু শক্তিৰে সৈতে, আত্ম শক্তিৰ সংগ্ৰামৰ কামনা, ঘনীভূত হৈ উঠিল, সকলোৰে প্ৰাণত!

ধৰ্ম্মগুৰুৰে সৈতে, কৰ্ণেলিয়াচ পুদেনচৰ দাস নেৰেয়াচো গল। ৰাজ্য কৃষৰ মাজেদি যোৱা গোপন পথেদি, সি বৃদ্ধক বাট দেখুৱাই লৈ গল। জোনাক নিশাৰ উজ্জ্বল পোহৰত, ভিনিকিয়াচো তেওঁলোকৰ পিচে পিচে গৈ থাকিল। নেৰেয়াচৰ জুপুৰীটো পোৱাৰ পাচত, তেওঁ ধৰ্ম্মগুৰুৰ পদত দীঘল দি পৰিল।

পিটাৰে তেওঁক চিনি পাই সুধিলে, "মোৰ পুত্ৰ! কি লাগে তোমাক?"

কিন্তু ইতিপূৰ্ব্বে সভাত ভিনিকিয়াচে যি কথা শুনিলে, তাৰ পাচত কোনো অনুৰোধ জনাবলৈ সাহ নকৰিলে। গুৰুৰ পদত সাবটি ধৰি, নিজৰ মূৰটো লগাই, তেওঁ ধাৰাসাৰে চকুপানী টুকি নীৰৱে, নিঃশব্দে, দয়া ভিক্ষা কৰিলে।

"হয়, মই জানো। তোমাৰ প্ৰেমৰ পাত্ৰীক, সিহঁতে কাঢ়ি নিছে। তাইৰ বাবে প্ৰাৰ্থনা জনোৱা।"

"প্ৰভু!" বৃদ্ধৰ ভৰিত আৰু জোৰেৰে সাবটি ধৰি, ভিনিকিয়াচে আৰ্ত্তনাদ কৰি জনালে, "প্ৰভু! মই ক্ষুদ্ৰাতিক্ষুদ্ৰ অধম জীৱ। কিন্তু আপুনি—আপুনি হ'ল, স্বয়ং খৃষ্টৰ লগত পৰিচিত ব্যক্তি! মোৰ হৈ আপুনি তেওঁৰ চৰণত প্ৰাৰ্থনা জনাওক।"

এনে মৰ্ম্মান্তিক বেদনা দেখি পিটাৰৰ মন বিগলিত হ'ল। তেওঁৰ মনত পৰিল, আৰু এটা দিনলৈ,—যিদিনা ক্ৰিচ পাচৰ কথা শুনি, ব্যাকুল হৈ আহি, লিজিয়াই তেওঁৰ ভৰিত পৰি, ক্ষমা ভিক্ষা কৰিছিল। তেওঁৰ মনত পৰিল, কি দৰে তাইক তুলি ধৰি তেওঁ সান্ত্বনা দিছিল।

সেইদৰে এতিয়া তেওঁ ভিনিকিয়াচক তুলি ধৰিলে।

"মোৰ পুত্ৰ!" তেওঁ কলে, "মই তাইৰ বাবে, নিশ্চয় প্ৰাৰ্থনা জনাম। যাৰ মনৰ সংশয় দূৰ হোৱা নাই, তেওঁলোকৰ সংশয় দূৰ কৰিবলৈ, মই যি কথা কলো, তাকো চিন্তা কৰি চাবা। ভগৱানে নিজেই ক্ৰচত যন্ত্ৰণা ভোগ কৰিছিল। পাহৰি নাযাবা যে, এই জীৱনৰ অৱসান ঘটাৰ পাচত, আৰু এটা জীৱন আৰম্ভ হ'ব—সেয়ে হ'ল অনন্ত জীৱন!"

"মই জানো পিতা!" ভিনিকিয়াচে কোঁপাই জোপাই কলে। তেওঁৰ ওঁঠ

দুটা নিস্তেজ হৈ পৰিল। "কিন্তু মই সহিব নোৱাৰো,—সহিব নোৱাৰো, মই! যদি ৰক্ত দানেই দিব লাগে, তেন্তে খৃষ্টই মোৰ ৰক্ত গ্ৰহণ কৰক, তেওঁৰ নহয়। মই যোদ্ধা! তেওঁ মোক দুগুণ, তিনিগুণ শাস্তি দিয়ক, মাত্ৰ তেওঁক মৃত্যুৰ পৰা ৰক্ষা কৰক! লিজিয়াক যদি মুক্ত কৰে, মই সকলো দুখ পাতি লম, —সকলো সহ্য কৰিম। তেওঁ এতিয়াও এটি শিশুৰ দৰে; প্ৰভু! খৃষ্ট চিজাৰতকৈও বেচি শক্তিশালী, সেই কথা মই দৃঢ়ভাবে, অতি দৃঢ়ভাবে, জানো। আপুনি নিজেও লিজিয়াক ভাল পায়। আপুনি আমাক আশীৰ্ব্বাদ কৰিছিল। তেওঁ নিৰপৰাধ শিশু! তেওঁ—"

পুণৰ ভিনিকিয়াচে ভৰিলৈ দূৰ কৰি, পিটাৰৰ আঠুত মুখখন জোৰেৰে লগাই দিলে।

"হে প্ৰভু! আপুনি খৃষ্টক জানিছিল। আপুনি জানে তেওঁক। তেওঁ আপোনাৰ কথা শুনিব। লিজিয়াৰ বাবে প্ৰাৰ্থনা কৰক।"

ধৰ্মগুৰুৱে চকুদুটা মুদি, বহুত সময়, একাগ্ৰচিত্তে প্ৰাৰ্থনা জনালে। আকাশৰ বুকুত বাৰে বাৰে চমকি উঠা পোহৰত, ভিনিকিয়াচে পিটাৰৰ ওঁঠ দুটা লক্ষ্য কৰি থাকিল। সেই ওঁঠত যেন তেওঁ জীৱন, মৰণৰ বাণী শুনিলে। নিস্তব্ধ ঠাইত, দ্ৰাক্ষাকুঞ্জৰ মাজত, বটা চৰাই জাকে চিঞৰিবলৈ ধৰিলে, আৰু তায়া চালাৰিয়াৰ পৰা, কল কাৰখানাৰ ক্ষীণ শব্দ আহিল।

"ভিনিকিয়াচ!" গুৰুৱে সুধিলে "তোমাৰ মনত বিশ্বাস আছেনে।"

"আছে প্ৰভু! নথকা হলে কিয় আহিম ইয়ালৈ?"

"তেন্তে শেষলৈকে বিশ্বাস ৰাখিবা। কাৰণ, বিশ্বাসৰ শক্তিৰে পৰ্ব্বতো ঠেলিব পাৰি। তুমি এই ছোৱালীজনীক, চাউদাণ্ডৰ তৰোৱালৰ আগত, কিম্বা সিংহৰ দাঁতৰ ওচৰত দেখিলেও, বিশ্বাস নেহেৰুৱাবা। কাৰণ, খৃষ্টই তাইক ৰক্ষা কৰিব পাৰিব। দৃঢ় বিশ্বাসেৰে তেওঁক প্ৰাৰ্থনা জনাবা। তোমাৰ লগতে মইও প্ৰাৰ্থনা কৰি থাকিম।"

তাৰ পাচত উৰ্দ্ধলোকলৈ চাই, তেওঁ চিঞৰি উঠিল, "হে কৃপাৰ সাগৰ খৃষ্ট! এই দুঃখীজনলৈ কৃপা দৃষ্টি কৰা! তেওঁৰ তাপিত প্ৰাণত সান্ত্বনা দিয়া। হে দয়াময়! তুমি তোমাৰ পিতৃক প্ৰাৰ্থনা জনাইছিলা, ক্লেশৰ তিক্ত পাত্ৰ, তোমাৰ ওঁঠৰ পৰা আঁতৰাই নিবলৈ! এতিয়া সেই পাত্ৰ, তোমাৰ দাসৰ ওঁঠৰ পৰা আঁতৰাই নিয়া!

তথাত।" ভিনিকিয়াচেও অনন্ত নক্ষত্ৰৰ ফালে হাত দুখন মেলি, কাতৰ কণ্ঠে জনালে,

"হে খৃষ্ট! মই তোমাৰ! তেওঁৰ সলনি মোক লৈ যোৱা।"

পূৱাকাশত তেতিয়া ম্লান পোহৰে দেখা দিছে।

॥ ১২ ॥

গুৰুৰ পৰা বিদায় লৈ, ভিনিকিয়াচ, মেমাৰ-টাইন্ কাৰাগাৰলৈ আহিল। সেনাবোৰে তাঁত পাল পাতি পহৰা দি আছিল। তেওঁক দেখিলেই সিহঁতে চিনি পায়, আৰু ভিতৰলৈ যোৱাত বাধা নিদিয়ে। কিন্তু এইবাৰ সিহঁতে বাট এৰি নিদিলে। সেনাধ্যক্ষৰ লগত তেওঁ মুখামুখি হ'ল।

"মহান বিচাৰ পতি!" তেওঁ জনালে, "মোক ক্ষমা কৰিব। আজি আমাক আদেশ দিয়া হৈছে, যাতে কাকো সোমাবলৈ দিয়া নহয়।"

"তোমালোকে তেন্তে আদেশ পালাহঁক!" শেতা পৰি উঠিল ভিনিকিয়াচ।

সৈনিকে তেওঁলৈ মৰমেৰে চাই কলে, "হয়। চিজাৰৰ আদেশ পাইছো প্ৰভু! কাৰাগাৰত বহুত মানুহৰ বেমাৰ হৈছে। হয়তো বৰমূৰীয়া সকলে ভয় কৰিছে, দেখা কৰিবলৈ অহা মানুহে গাত ৰোগ লৈ ওলাই আহি, সকলোতে বিয়পায় বুলি।"

"আদেশটো অকল আজিৰ বাবেহে বুলি কোৱা নাছিলা জানো?"

"দুপৰীয়া আমি আজৰি পাম।"

ভিনিকিয়াচে একো নামাতি, লোৰ দৰে টান হৈ লাগি ধৰা টুপীটো, নিজৰ মূৰৰ পৰা খুলি থলে। সৈনিকে এইবাৰ ওচৰলৈ আহি, নিম্নস্বৰে জনালে, "প্ৰভু! নিৰ্ভয়ে থাকক। বন্দীশাল আৰু উৰচাচ তেওঁৰ লগত আছে।"

ইয়াকে কৈ, সৈনিকজনে আগলৈ আহি, অলপ হাউলি, গলদেশীয় দীঘল তৰোৱালৰ আগেৰে, এছটা শিলত মাছৰ ছবি আঁকিলে।

ভিনিকিয়াচে প্ৰশ্ন সূচক দৃষ্টিৰে তেওঁলৈ চালে।

"কিন্তু তথাপিও তুমি ৰজাৰ গা-ৰক্ষী সেনা?"

"হয়, যেতিয়ালৈকে মোকো তালৈ নিয়া নহয়!" সৈনিকজনে বন্দীশাললৈ আঙুলিয়াই দেখুৱালে।

"মইও খৃষ্টৰ সেৱক।"

"তেওঁৰ নাম চিৰদিন জয়যুক্ত হওক। হয়, প্ৰভু, মই সকলো জানো। মই আপোনাক বন্দীশালৰ ভিতৰলৈ যাবলৈ দিব নোৱাৰো। কিন্তু, আপুনি যদি কিবা চিঠি পত্ৰ দিব খোজে, মই বন্দীশালৰ হতুৱাই দিয়াব পাৰিম।"

"ভাই! তোমাক ধন্যবাদ দিছো।"

সৈনিকৰ হাত এখনত তেওঁ চেপি ধৰিলে। অলপ পাচতে তেওঁ সেই ঠাই এৰি গুচি গল। বেলিৰ পোহৰত কাৰাগাৰৰ বেৰবোৰ জিলিকি উঠিল। পুনৰ উজ্জ্বল ৰূপে, ভিনিকিয়াচৰ প্ৰাণলৈ বিশ্বাস ঘূৰাই আনিলে। এই খৃষ্টান সৈনিকজনে, আকৌ এবাৰ তেওঁক, খৃষ্টৰ অসীম শক্তিৰ কথাকে জনালে। অলপপৰ তেওঁ একেথিৰে গোলাপী ৰঙৰ ডাৱৰবোৰলৈ চালে। ডাৱৰবোৰ কেপিটোল পাহাৰ আৰু জুপিটাৰ ষ্টেটোৰ মন্দিৰৰ ওপৰেদি উটি গৈ আছে।

"হে প্ৰভু! যদিও আজি মই তেওঁক দেখা নাই, তথাপিও তোমাৰ কৃপাৰ ওপৰত মই আস্থা ৰাখিছো।" ভিনিকিয়াচে নিজৰ মনতে কলে।

উলটি আহি, তেওঁ পেট্ৰোনিয়াচক ঘৰতে লগ পালে। পেট্ৰোনিয়াচৰ চিৰকালৰ অভ্যাস হ'ল, ৰাতিক দিন কৰা। তেওঁ এই মাত্ৰ আহি ঘৰ সোমাইছে। গা পা ধুই উঠি, শুবলৈ যোৱাৰ আগতে, তেওঁ গোটেই গাত ভালদৰে তেল মালিচ কৰাই লৈছে।

"মই বাতৰি গোটাই আনিছো, তোমাৰ বাবে।" তেওঁ যুৱকক কলে। "মই আজি টিগেলিয়াচ্ চেনেচিওক দেখা কৰিবলৈ গৈছিলো। সেই সময়ত তেওঁ চিজাৰৰ তাৰ পৰা আহিছিল। সিহঁত কফিয়াচক লগত লৈ অহাৰ দুৰ্ভাগ্যজনক ধাৰণা, অগষ্টাৰ মূৰত কিয় সোমাইছিল, কব নোৱাৰো। হয়তো, লৰাটোৰ ৰূপে, চিজাৰৰ হৃদয় স্পৰ্শ কৰিব বুলি তাই আশা কৰিছিল। যি, কি নহওক, চিজাৰে কিবা পঢ়ি থাকোঁতে, ভেচ্পাচিয়ানৰ এসময়ত যিদৰে টোপনি আহিছিল, ঠিক সেইদৰে, লৰাটোৰ টোপনি আহিছিল। তাকে দেখি, খঙত অগ্নিশৰ্ম্মা হৈ, এহেনোবাৰ্বাচে তাৰ মূৰলৈ, গধুৰ পাত্ৰ এটা দলি মাৰি পঠিয়ালে। লৰাটো সাংঘাতিক ৰকমে জখম হৈছে। পপিয়া মূৰ্চ্ছিত হৈ পৰি গৈছিল। ভাত খকা আটাইবোৰে, চিজাৰে কোৱা কথা এবাৰ শুনিলে, "আৰু কিমান গৰ্ভপাত কৰাম?" তুমি জানাই, ইয়াৰ অৰ্থ হ'ল, মৃত্যুদণ্ড আৰু কিমান দি থাকিম!"

"ভগৱানৰ বিচাৰ আৰম্ভ হৈছে, পপিয়াৰ ওপৰত।" ভিনিকিয়াচে কলে, "কিন্তু মোক এই কথা কিয় কৈছা?"

"কাৰণ, নিজৰ দুৰ্ভাগ্য আহি উপস্থিত হোৱা বাবে, তাই তোমাৰ ওপৰত প্ৰতিশোধ লোৱাৰ ভাব, এৰি দিব পাৰে। এনে অৱস্থাত, তাইক সহজে হাত কৰা যাব। আজি নিশা, মই তাইৰ লগত দেখা কৰি, কথা পাতিম।"

"পেট্ৰোনিয়াচ, তোমাক ধন্যবাদ। তুমি সচাঁকৈয়ে শুভ সংবাদ আনিছা।"

"এতিয়া গা-পা ধুই, বিশ্ৰাম লোৱা। তোমাৰ ওঁঠদুটা নীলা হৈ পৰিছে! তুমি এতিয়া আগৰ মানুহটোৰ ছাঁ যেন হৈছা।"

"পুৱাৰ খেল কেতিয়াৰ পৰা আৰম্ভ হ'ব, শুনিছানে কিবা ?" ভিনিকিয়াচে সুধিলে।

"দহদিনৰ ভিতৰতে। কিন্তু মেমাৰটাইন্ বন্দীশালত, হাত দিয়াৰ আগতে আনবোৰ বন্দীশাল খালী কৰা হ'ব। গতিকে পৰিস্থিতি একেবাৰে হতাশ-জনক বুলি কব নোৱাৰি এতিয়াও।"

কিন্তু পেট্ৰোনিয়াচৰ যেন নিজৰ কথাতে বিশ্বাস নাই! যি মুহূৰ্ত্তত, আলি-টুৰাচৰ অনুৰোধৰ উত্তৰত, চিজাৰে নিজকে ব্ৰুটাচৰ লগত তুলনা কৰি, ব্ৰুটাছে কোৱাৰ দৰে কথা কৈছিল, সেই মুহূৰ্ত্তৰ পৰাই, লিজিয়া সম্পূৰ্ণৰূপে হেৰাই গল বুলি, বুজা গৈছিল। ভিনিকিয়াচৰ প্ৰতি অনুকম্পাৰ ভাবত, পেট্ৰোনিয়াচে, চেনেচিওৰ তাত সংগ্ৰহ কৰা, আন এটা বাতৰি গোপন কৰিলে। চিজাৰ আৰু টাইগেলিনাচে, আটাইতকৈ ধুনীয়া খৃষ্টিয়ান কুমাৰী কেইজনীমান বাছি লৈ, নিজে আৰু বন্ধুবৰ্গই উপভোগ কৰাৰ সিদ্ধান্ত লৈছে। খেল অনুষ্ঠিত হোৱাৰ দিনা, বাকী থকা কুমাৰীইতক, আৰক্ষী সেনা আৰু বনৰীয়া জন্তু ৰখীয়াইতক বিলাই দিয়াৰ কথা আছে। তেওঁ জানে যে, লিজিয়াৰ অবিহনে ভিনিকিয়াচ জীয়াই নাথাকে। গতিকে, তেওঁ যুৱকৰ মনত সাহস যোগাবলৈ চেষ্টা কৰিলে। তেওঁৰ মাৰ্জ্জিত, শিল্পী মনটো অনুকম্পাৰে ভৰি উঠিল। তেওঁৰ মত হ'ল, ভিনিকিয়াচ যদি মৰিবই লাগে, তেন্তে ভাল ভাবে মৰক। নিদ্ৰাহাৰা, যন্ত্ৰণাক্লিষ্ট অৱস্থাত মৰিব নালাগে।

"আজি মই অগষ্টাক এইদৰে কম্লৈ," পেট্ৰোনিয়াচে জনালে। "ভিনি-কিয়াচৰ মুখলৈ চাই, লিজিয়াক ৰক্ষা কৰক। মই আপোনাৰ কফিয়াচক ৰক্ষা কৰিম।" মই ভাবো, ইয়াৰ ফল, আমি আশা কৰাৰ দৰেই হ'ব। কথা এষাৰ উচিত সময়ত, এহেনোৱাৰবাচক কলে, কেতিয়াবা ৰক্ষা পাব পাৰি, কেতিয়াবা মৰা পৰা যায়। যি কি নহওক, এইটো উপায় লগে, অন্ততঃ হাতত কিছুসময় পাম আমি।"

"ধন্যবাদ জনালো তোমাক।" ভিনিকিয়াচে কলে।

"তুমি যদি ভালদৰে আহাৰ কৰা আৰু বিশ্ৰাম লোৱা, তেতিয়াহে মোক প্ৰকৃততে ধন্যবাদ জনোৱা হ'ব। এখেনিৰ শপত! আনকি বিপদ কালত, ওভিচুয়াচেও খাবলৈ আৰু শুবলৈ পাহৰা নাছিল। তুমি হয়তো গোটেই নিশা, বন্দীশালতে কটালা,—নহয়নে?"

"নাই কটোৱা। আজি পুৱা ভাত সোমাব খোজোঁতে, শুনিবলৈ পালো যে, তাত কাকো সোমাবলৈ নিদিবলৈ, আদেশ দিয়া হৈছে। এই আদেশ অকল আজিৰ বাবেহে, নে খেল অনুষ্ঠিত হোৱা দিনলৈকে বলবৎ থাকিব, এই সম্বন্ধে নিশ্চিত ভাবে জানিবলৈ, চেষ্টা কৰা।"

"এই কথা সঠিক ভাবে আজিয়ে জানিম। বেলিটো ভুলক্ৰমে, চিমিৰিয়ান দেশলৈ নামি গলেও, মই এতিয়া বিশ্ৰাম লম। তুমিও তাকে কৰা।"

দুয়ো দুফালে আঁতৰি গল। লিজিয়ালৈ চিঠি লেখিবৰ বাবে, ভিনিকিয়াচ পঢ়া কোঠাত সোমাল। এই চিঠিখন তেওঁ নিজে আনি, খৃষ্টিয়ান সেনাধ্যক্ষক দিলেহি। সৈনিক জনে ততালিকে চিঠিখন লৈ, বন্দীশালৰ ভিতৰলৈ গৈ, পুণৰ ঘূৰাই আহিল।

"লিজিয়া কুঁৱৰীয়ে আপোনাক অভিবাদন জনাইছে। আপোনাৰ চিঠিৰ উত্তৰ মই আজিয়ে আনি দিম।"

ভিনিকিয়াচে ঘৰলৈ উলটি যাবলৈ ইচ্ছা নকৰিলে। কাৰাগাৰৰ সীমাত থকা শিল এছটাৰ ওপৰত বহি, চিঠিখনলৈ বাট চাই থাকিল। এতিয়া বেলিটো মুৰৰ ওপৰলৈ উঠিছে; দলে দলে মানুহবোৰ ক্লিভাচ্ আৰ্জেন্টেৰিয়াচ্ পথেদি, ফ'ৰামলৈ যাবলৈ ধৰিছে। খুচুৰা বস্তুৰ বেপাৰীবিলাকে, চিঞৰি চিঞৰি বস্তুৰ দাম জনাইছে, সৰবজান বিলাকে বাটকৰাক নিজৰ শক্তিৰ কথা নিবেদন কৰিছে, নাগৰিক সকলে ধীৰ ভাবে খোজ দিছে, বক্তৃতা মণ্ডপ অভিমুখে। চলিত দিনৰ বক্তাৰ বক্তৃতা শুনিবৰ বাবে, অথবা, ইজনে, সিজনক, ভূপত খবৰ দিবৰ বাবে, তেওঁলোক নিৰ্দ্দিষ্ট ঠাইলৈ আগবাঢ়িছে। গৰম বেচি হৈ অহাত, এনেয়ে ঘূৰি ফুৰি ফুৰা মানুহবোৰে, দলে দলে আহি মন্দিৰৰ প্ৰাঙ্গনত জিৰণি লৈছে। পাৰচৰাইবোৰে জাকে জাকে, মন্দিৰৰ পৰা ওলাই, ধপ্ ধপাই ভেউকা কোবাই, উৰা মাৰিছে। সিহঁতৰ বগা পাখিবোৰ, সূৰ্য্যৰ পোহৰত, আকাশৰ নীলাৰ বুকুত, চিকমিকাই উঠিছে।

ৰ'দৰ তাপ, গৰম আৰু মানুহৰ হাই উকমিত, ভিনিকিয়াচৰ দেহ ক্লান্ত হৈ পৰিল। তেওঁৰ চকু জাপ খাই আহিল। অৱশেষত, তেওঁৰ কাষতে, 'মোৰা' খেলি থকা, সক লৰা কিছুমানৰ চিঞৰ বাখৰ আৰু সেনাবোৰৰ নিয়ন্ত্ৰিত পদ শব্দ শুনি শুনি তেওঁৰ টোপনি আহিল। মাজে মাজে সাৰ পাই, তেওঁ বন্দীশালৰ ফালে চাবলৈ ধৰিলে। তাৰ পাচত, বহু সময় কান্দি কান্দি ভাগৰি পৰা শিশু এটিৰ দৰে, দীঘলকৈ হুমুনিয়াহ পেলাই, শিল ছটাৰ ওখ অংশত মূৰটো থৈ, তেওঁ সঁচাকৈয়ে গভীৰ নিদ্ৰাত মগ্ন হ'ল।

অলপ পাচতে, সপোন দেখিলে তেওঁ। নিশা তেওঁ যেন, লিজিয়াক অচিনাকি আন্ধাৰ বনৰ মাজেদি, কঢ়িয়াই নিছে। আগে আগে, হাতত চাকি লৈ, পম্পোনিয়া গৈ আছে। তাৰ পাচত, পেট্ৰোনিয়াচৰ দৰে মাত এটাই বহুদূৰৰ পৰা চিঞৰি কৈছে, "উলটি যোৱা উলটি যোৱা!" কিন্তু সেই স্বৰলৈ আওকাণ কৰি তেওঁ পম্পোনিয়াৰ পিচে পিচে আহি এটা কুটীৰ পালেহি। কুটীৰৰ দুৱাৰ মুখত, পিটাৰ থিয় দি আছিল। ভেতিয়া ভিনিকিয়াচে, লিজিয়াক দেখুৱাই, গুৰুদেৱক জনালে, 'প্ৰভু, আমি এই মাত্ৰ ক্ৰীড়াভৱনৰ পৰা আহিছো। কিন্তু এওঁক জগাব পৰা নাই। আপুনি তেওঁৰ নিদ্ৰা ভঙ্গ কৰক।' কিন্তু পিটাৰে উত্তৰ দিলে, 'খ্ৰীষ্ট নিজে আহি, তাইৰ টোপনি ভাঙি দিব।'

তাৰ পাচত, সপোনৰ ছবিবোৰ খেলি মেলি হৈ গল। তেওঁ এইবাৰ দেখিলে, নিৰো আৰু পপিয়াক। পপিয়াই, মূৰত আঘাত পোৱা অকণমান ৰুফিয়াচক কোলাত লৈ আছে; সুস্বাদু আহাৰ্য্যৰে ভৰা মেজবিলাকত, টাইগেলিনাচে ছাঁই ছটিয়াই দিছে, ভাইটেলিয়াচে আটাই সোপা খোৱা বস্তু, গোগ্ৰাসে গিলিছে আৰু লগতে, আন অগষ্টানৰ দল এটাও, ভোজনেৰে বহিছে। এই মেলত, তেওঁ নিজেও বহিছে, লিজিয়াৰ কাষত। কিন্তু মেজ বিলাকৰ মাজে মাজে, সিংহবোৰ চৰি ফুৰিছে, চিকাৰ বিচাৰি। সিহঁতৰ পিঙ্গল কেশৰবোৰৰ পৰা, টপ্‌টপকৈ তেজৰ টোপাল সৰি পৰিছে। লিজিয়াই ভয়তে আতুৰ হৈ জনাইছে, তাৰ পৰা তাইক লৈ যাবলৈ। কিন্তু তেওঁৰ দেহলৈ ইমান বেচি জড়তা আহিছে যে, তেওঁ নিজৰ হাতখনকে দাঙিব পৰা নাই। অৱশেষত, সপোনবোৰ আৰু বেচি বিশৃঙ্খল হৈ আহিল আৰু অন্ধকাৰৰ গৰ্ভত সকলো ছবি মচ খাই গল।

বেলিৰ তাপৰ লগতে, সেই ঠাইৰ কাষত হঠাৎ হাই উকমিও বাঢ়ি অহাত, ভিনিকিয়াচ গভীৰ নিদ্ৰাৰ পৰা সাৰ পালে। চকু মোহাৰিয়ে তেওঁ দেখিলে,

ৰাজপথত অগণন জনতা। হালধীয়া কুৰ্ত্তা পিন্ধা দুজন কটকীয়ে চিঞৰ বাখৰ কৰি, চৰ কিল মাৰি মানুহবোৰক খেদাইছে। চাৰিটা প্ৰকাণ্ড মিছৰীয় দাসে কঢ়িয়াই অনা জকমকীয়া দোলা এখন পাৰ হৈ যাবলৈ, সিঁহঁতে বাট উলিয়াই দিছে।

এই দোলাখনত, শুভ্ৰ সাজ পৰিহিত মানুহ এজন বহি গৈছে। তলৰ চাই মানুহজনে, পেপিৰাচৰ নুৰা এটাত মনোনিবেশ কৰিছে। কিন্তু মুখখন ঢাক খাই থকা নাই।

"সম্ৰাট অগষ্টানক পথ এৰি দিয়ক।" কটকীহঁতে চিঞৰিলে। কিন্তু মানুহবোৰে বাটটো এনেদৰে বন্ধ কৰিছে যে, কেইমুহূৰ্ত্তমানৰ বাবে, দোলাখন ৰ'ব লগা হ'ল। ফলত অগষ্টানজনে, পেপিৰাচৰ নুৰাটো হাতৰ পৰা এৰি দি মূৰটো বাহিৰলৈ উলিয়াই চিঞৰি কলে, "দুৰাচাৰহঁতক বাটৰ পৰা খেদা। অতি শীঘ্ৰে! অতি শীঘ্ৰে খেদা ইহঁতক।"

হঠাৎ মানুহজনৰ চকু, ভিনিকিয়াচৰ ওপৰত পৰিল। লগে, লগে, তেওঁ পেপিৰাচৰ নুৰাটো চকুৰ আগলৈ তুলি ললে। ইফালে ভিনিকিয়াচেও, এভিয়াৰেলকে সপোনকে দেখি আছে বুলি ভাবি, নিজৰ মুখৰ ওপৰেদি, হাতখন বুলাই ললে।

কাৰণ, দোলাত বহি গৈছে, ছিলো চিলোনিদচ্। কটকীহঁতে পথ মুকলি কৰি দিলে, মিছৰীয় দোলাভাৰীহঁত যাবলৈ প্ৰস্তুত হ'ল। নিমিষতে বহুতো নুবুজা কথা বুজিবলৈ, সক্ষম হোৱা যুৱক বিচাৰপতিয়ে, দোলাৰ কাষলৈ আহি কলে,—"স্বাগতম্ চিলো।"

"হে যুৱক!" গ্ৰীকটোৱে উচ্চ শিৰ তুলি উত্তৰ দিলে। সি নিজৰ মুখলৈ এটা শান্ত ভাব আনিবলৈ চেষ্টা কৰিলে। কিন্তু তাৰ অন্তৰ অশান্ত হৈ উঠিল।

"যুৱক, মই আপোনাক নমস্কাৰ জনাইছো। কিন্তু মোক আপুনি নৰখাব। মই এতিয়া লৰালৰিকৈ গৈ, বন্ধু পেট্ৰোনিয়াচক লগ ধৰিব লাগিব!"

ভিনিকিয়াচে দোলাৰ কাষত আঁউজি, চিলোৰ ওচৰলৈ হাউলি গৈ, তাৰ চকুৱে চকুৱে চাই কন্ধ কণ্ঠে কলে, "তই লিজিয়াক বেচি দিলি!"

"বিশাল মেমননৰ শপত!" মানুহটোৱে আতঙ্কত চিঞৰ মাৰি দিলে। কিন্তু ভিনিকিয়াচৰ চকুত, হিংস্ৰ ভাব লেশমাত্ৰ নাই। বুঢ়া গ্ৰীকটোৱে, শীঘ্ৰে নিজৰ ভয় দমাই পেলালে। সি ভাবি চালে, এতিয়া চিজাৰ আৰু টাইগেলিনাচ্ তাৰ ৰক্ষক। (যি দুই শক্তিৰ আগত সকলো কম্পমান) বলিষ্ঠ দাসৰ দ্বাৰা পৰিবেষ্টিত সি। এতিয়া ইয়াত ভিনিকিয়াচ নামৰ যিজন মানুহ

থিয় দি আছে, তেওঁ অস্ত্ৰহীন, তেওঁৰ মুখ সোমাই গৈছে, দুখ-যন্ত্ৰণাত তেওঁৰ শৰীৰ বেঁকা হৈ পৰিছে।

ইয়াকে ভাবি, সি পুণৰ বুকু ফিন্দাই, যাবলৈ সাজু হ'ল। ঘূৰণীয়া, তেজ বঙা চকুহাল ভিনিকিয়াচৰ ওপৰত থৈ সি ভোৰভোৰালে, "আৰু আপুনি, যি সময়ত মোৰ ভোকত প্ৰাণ যোৱাৰ দৰে অৱস্থা, সেই সময়তে মোক বেতৰ কোব খুৱাইছিল।"

অলপ সময় দুয়ো নীৰৱ। তাৰ পাচত, ভিনিকিয়াচে চেপা মাতেৰে পুণৰ কলে, "মোৰ অন্যায় হৈছিল, চিলো।"

গ্ৰীকটোৱে গৰ্ব্বেৰে ওপৰলৈ মুখ তুলিলে। বিৰক্ত হৈ, টিলিকি মাৰি, সি ৰৰলোকৰ দস্ত দেখুৱাই, সকলোৱে শুনাকৈ কলে, "বন্ধু! যদি মোক কিবা অনুৰোধ জনাব লগীয়া আছে, তেন্তে, এচ্‌কুইলিন পথত থকা, মোৰ বাস ভৱনলৈ পুৱাবেলা আহিবা। এই সময়তে গা-পা ধুই উঠি, মই মোৰ বন্ধুবৰ্গক, আৰু আশ্ৰিত সকলক দেখা কৰো।"

দোলা কান্ধত লবলৈ, সি মিছৰীয়া দাসহঁতক ইঙ্গিত কৰিলে। কটকীহঁতে কেউফালে দণ্ড ঘূৰাই, চিঞৰিবলৈ ধৰিলে, "মহান চিলো চিলোনিদচৰ দোলা যাবলৈ পথ এৰি দিয়ক! যাবলৈ দিয়ক, দিয়ক, যাবলৈ দিয়ক।"

। ১৩ ।

লিজিয়াই লৰালৰিকৈ দীঘলীয়া পত্ৰ লেখি, ভিনিকিয়াচৰ পৰা চিৰ বিদায় ললে। তাই এতিয়া জানে যে, কাৰাগাৰলৈ আন মানুহ আৰু আহিব নোৱাৰে। গতিকে, তেওঁ তাইক ক্ৰীড়া-মঞ্চতহে দেখিবলৈ পাব। তাই মিনতি জনালে, নিৰ্দ্ধাৰিত দিনত তেওঁ যেন তালৈ আহে, যাতে তাইৰ চকুৱে শেষবাৰৰ কাৰণে প্ৰিয় মুখ দৰ্শন কৰিব পাৰে। চিঠিত সকলো ব্যক্ত কৰি, শেষত তাই জনালে, "খ্ৰীষ্টই মোক এতিয়াই মুক্তি দিয়ে নে, মৃত্যুৰ জৰিয়তে মুক্তি দিয়ে, সেই কথা ভবাৰ প্ৰয়োজন নাই। মূৰ্ত্তিৰ ওপৰত, ধৰ্ম্মগুৰুৰ প্ৰতিশ্ৰুতিৰ মাধ্যমেৰে মই কেতিয়াবাই তোমাৰ হলো। তেওঁ মোক তোমাৰ হাতত অৰ্পণ কৰিছে।"

তাৰ পাচত জনালে, ভিনিকিয়াচে যেন তাইৰ বাবে দুখ নকৰে, শোকত ম্ৰিয়মান নহয়। মৃত্যুৱে বাক্‌দানৰ সতা বন্ধন ছেদ কৰিব নোৱাৰে। এটি সৰল

শিশুৰ দৰে, তাই তেওঁক এইদৰে নিশ্চয়তা দিলে, ক্ৰীতা মণ্ডত, দেহ যন্ত্ৰণাৰ অৱসান ঘটাৰ পাচত, তাই খৃষ্টক জনাব, তাইৰ ভাবী স্বামী, তাইৰ মাৰ্কাচক্ বোমত অকলে এৰি আহিছে। তেওঁ মনে, প্ৰাণে তাইক পাবলৈ ইচ্ছা কৰিছে। তেন্তিয়া খৃষ্টই তাইৰ আত্মাক, মূহুৰ্ত্তলৈ হলেও, তেওঁৰ কাষলৈ পঠিয়াই দিব। তাই তেন্তিয়া প্ৰিয়তমক বুজাই দিব, তাই জীয়াই আছে, যন্ত্ৰণাৰ কথা আৰু তাইৰ মনত নাই। তাই সুখী।

সঁচা কৈয়ে চিঠিখনে কেৱল, সুখ আৰু আশাৰ বাণীকে বহন কৰিছে। পাৰ্থিৱ বাসনাৰ কথা, এটা মাত্ৰ ইয়াত প্ৰকাশ পাইছে। ভিনিকিয়াচে যেন, তাইৰ মৃত দেহ ক্ৰীড়ামঞ্চ সংলগ্ন গাঁতৰ পৰা তুলি নিয়ে আৰু পত্নীৰ মৰ্য্যাদাৰে, তাইক এনে এটা নিৰ্দ্দিষ্ট কবৰত সমাধিস্থ কৰে, যাৰ ওচৰত তেওঁৰ নিজৰো শান্তিৰ সমাধি ৰচিত হব, ভৱিষ্যতৰ কোনোবা এদিন।

ভগ্ন হৃদয়েৰে, তেওঁ চিঠিখন পঢ়ি শেষ কৰিলে। তথাপিও, বন্য জন্তুৰ মুখত লিজিয়াৰ মৃত্যু ঘটিব, অথবা, খৃষ্টই তাইক পুনৰ্ৰো নকৰে বুলি ভাবিবলৈ, তেওঁ অতি টান পালে, কোনোপধ্যে ভাবিব নোৱাৰিলে, এই কথা! যবলৈ উলটি গৈ, তেওঁ এই দৰে উত্তৰ দিলে; প্ৰতিদিন তেওঁ গৈ, পোতাশালৰ প্ৰাচীৰৰ তলত, থিয় দি বৈ থাকিব। খৃষ্টই সেই প্ৰাচীৰ ভাঙি পেলোৱা দেখিবলৈ পাব তেওঁ! এয়ে তেওঁৰ প্ৰাণৰ অত্যুগ্ৰ বাসনা। তেওঁ দৃঢ়তাৰে জনালে আনকি ক্ৰীড়া ক্ষেত্ৰতো, খৃষ্টই তাইক ৰক্ষা কৰিব পাৰে। মহান গুৰুজনাই এই বাবে প্ৰাৰ্থনা জনাইছে। গতিকে তাই উদ্ধাৰ পাব, অতি শীঘ্ৰে।

এই চিঠি, খৃষ্টধৰ্ম্মাৱলম্বী সৈনিকজনে যথা স্থানত দিয়াৰ ব্যৱস্থা কৰিলে। পিচদিনা পুৱা, ভিনিকিয়াচ যেতিয়া বন্দীশালৰ দুৱাৰত উপস্থিত হ'ল, তেতিয়া সৈনিকজনে নিজৰ শৰীৰৰ পৰা ওলাই আহি, তেওঁক লগ ধৰি কলে,

"প্ৰভু, মোৰ কথা শুনক। বিজন খৃষ্টই, আপোনাৰ প্ৰাণৰ সহ্য শক্তিৰ পৰীক্ষা কৰিছে, সেইজনে আপোনাক অনুগ্ৰহো দেখুৱাইছে। যোৱা নিশা, চিজাৰ আৰু টাইগেলিনাচৰ মুক্তদাস কেইটামানে কাৰাগাৰত সোমাই, প্ৰভুসকলৰ উপভোগৰ বাবে, খৃষ্টিয়ান কুমাৰী বিচাৰি আহিছিল। সিহঁতে আপোনাৰ বাগদত্তা কুঁৱৰীৰ কথা সুধিছিল। কিন্তু যি ৰোগত, পোতাশালত বহুতো বন্দীৰ মৃত্যু ঘটিছে, ভগৱানে তেওঁক সেই ৰোগকে দিলে। গতিকে, সিহঁতে তেওঁক নিব নোৱাৰিলে। গধূলি পৰত অজ্ঞান হৈ পৰি আছিল তেওঁ! যিটো

যোগে তেওঁক উৎপীড়নৰ পৰা ৰক্ষা কৰিলে, সেইটো যোগে তেওঁক মৃত্যুৰ পৰাও ৰক্ষা কৰিব! এই বাবে, ত্ৰাণকৰ্ত্তাক কৃতজ্ঞতা জনাওঁ।"

ভিনিকিয়াচে পৰো, পৰো হৈ সৈনিকৰ হাত এথনত খামোচ মাৰি ধৰি ৰৈ গল। সৈনিকে কৰলৈ ধৰিলে, "ভগৱানক ধন্যবাদ জনাওক। এই মানুহ-কেইটাই, সঁচাকৈয়ে লিজিয়াক ধৰি নিব খুজিছিল আৰু তেওঁক বহুত কিবা কিবি সুধিছিল। তাৰ পাচত, যেতিয়া দেখিলে যে, তেওঁ কগ্না, তেতিয়া তেওঁক সিহঁতে এৰি দিলে। হয়তো এতিয়া তেওঁক আপোনাৰ হাতলৈকে পঠিয়াব। তাৰ পাচত খৃষ্টই তেওঁৰ স্বাস্থ্য পুণৰ ঘূৰাই দিব।"

"সেনাপতি! তুমি ঠিক কথা কৈছা। খৃষ্টই তেওঁক লজ্জাৰ পৰা মুক্ত কৰিছে, তেৱেঁই মৃত্যুৰ পৰাও ৰক্ষা কৰিব তেওঁক।" ভিনিকিয়াচে কোমল সুৰেৰে জনালে।

সন্ধিয়া পৰলৈকে তেওঁ বন্দীশালাৰ প্ৰাচীৰৰ কাষতে থাকিল। তাৰ পাচত, ঘৰলৈ উলটি আহি, লগুৱাইতক আদেশ দিলে, লিনাচক বিচাৰি আনি, গাঁৱত থকা, তেওঁৰ বাসভৱনলৈ নিবলৈ। পেট্ৰোনিয়াচে আৰু অলপ অগ্ৰসৰ হবলৈ চেষ্টা কৰিছে। তেওঁ আগতে এবাৰ অগষ্টাৰ লগত দেখা কৰি আহিছে। দ্বিতীয়বাৰ তেওঁ একে উদ্দেশ্যে যাত্ৰা কৰিলে। অকণমান কফিয়াচৰ বিচনাৰ কাষত, তেওঁ পপিয়াক লগ পালে। শিশুটিয়ে ভ্ৰম বকি আছিল, কাৰণ তাৰ মূৰটো ফাটি গৈছিল। পপিয়া নিজৰ দুখত ইমান ম্ৰিয়মান হৈ আছিল যে, প্ৰথমে তেওঁ লিজিয়া আৰু ভিনিকিয়াচ সম্বন্ধে কোনো কথাই শুনিব খুজিলে। পেট্ৰোনিয়াচে তেতিয়া এইদৰে ভয় খুৱাই কলে, "আপুনি এজনা নতুন আৰু অজ্ঞাত দেৱতাৰ ওচৰত অপৰাধ লগাইছে।" তেওঁ ক'লে "শুনা যায়, আপুনি ইহুদী বিলাকৰ জেহোভাক আৰাধনা কৰে। কিন্তু খৃষ্টিয়ানসকলে জাঠি কৈছে যে, খৃষ্ট জেহোভাৰ পুত্ৰ। গতিকে আপুনি নিজকে প্ৰশ্ন কৰক, পিতৃৰ ক্ৰোধে আপোনাক স্পৰ্শ কৰিব নে নকৰে। দুজন দেৱতাই একেলগে আপোনাৰ ওপৰত প্ৰতিহিংসা লব খুজিছে বুলি কলে মিছা কোৱা হবনে? আপোনাৰ আচৰণৰ ওপৰতে, অকণমান কফিয়াচৰ জীৱন নিৰ্ভৰ কৰা নাইনে?"

"মই কি কৰা উচিত বুলি ভাবে?"

"ক্ৰুদ্ধ দেৱতাসকলক সন্তুষ্ট কৰক।"

"কি দৰে?"

"লিজিয়া অসুস্থ। চিজাৰ আৰু টাইগেলিনাচৰ ওপৰত, আপোনাৰ প্ৰভাৱ বিস্তাৰ কৰি, তাইক ভিনিকিয়াচৰ হাতত গটাই দিয়ক।"

"আপুনি ভাবে নেকি, মোৰ হাতত এনে ক্ষমতা আছে বুলি?" পপিয়াই হতাশভাৱে কলে।

"বেচ, এই ক্ষমতা নাথাকিলেও, আপোনাৰ আন এটা ক্ষমতা আছে। লিজিয়াৰ যদি আৰোগ্য লাভ হয়, তেন্তে ক্ৰীড়া ক্ষেত্ৰত তাইৰ মৃত্যু অনিবাৰ্য্য। গতিকে আপুনি ভেস্টা দেৱীৰ মন্দিৰলৈ গৈ আবেদন জনাওক, বন্দীহতক মৃত্যু দণ্ডৰ বাবে উলিয়াই নিয়াৰ সময়ত, মন্দিৰৰ মুখ্য কুমাৰী গৰাকী যেন পোৰ্ত্তা-শালৰ কাষত থাকে, আৰু লিজিয়াক মুক্তি দিবলৈ, টানি আদেশ জাৰি কৰে। কুমাৰী গৰাকীয়ে আপোনাৰ এই অনুৰোধ কেতিয়াও প্ৰত্যাখ্যান নকৰে।"

"কিন্তু যদি লিজিয়াৰ জ্বৰত মৃত্যু ঘটে?"

"খৃষ্টিয়ান সকলে দৃঢ়ভাৱে জনায় যে, খৃষ্টই শীঘ্ৰে শাস্তি বিধান কৰে যদিও, তেওঁ ন্যায়পৰায়ণ। গতিকে সদিচ্ছাৰ দ্বাৰাও আপুনি তেওঁক সন্তুষ্ট কৰিব পাৰে।"

"প্ৰথমে তেওঁ মোক চিন দেখুৱাওক, যে তেওঁ কফিয়াচক ৰক্ষা কৰিব।

পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে। "মই খৃষ্টৰ দূত হৈ ইয়ালৈ অহা নাই।" তেওঁ কলে, "মাত্ৰ মই আপোনাক ইয়াকে কবলৈ আহিছো, ৰোমানেই হওক বা আন দেশৰ দেৱতাই হওক, সকলোৰে লগত ভাল হৈ থকাটোৱে উত্তম পন্থা।"

"মই ভেষ্টা মন্দিৰলৈ যাম।" পপিয়াই ভঙা ভঙা মাতেৰে কলে।

পেট্ৰোনিয়াচে দীঘলকৈ উশাহ টানিলে।

"অন্তত: অকণমান কিবা এটা লাভ হৈছে।" তেওঁ মনতে ভাবিলে। ঘৰলৈ উলটি আহি, তেওঁ ভিনিকিয়াচক কলে, "তোমাৰ ভগৱানক মিনতি জনোৱা, লিজিয়া যেন বন্দীশালত নমৰে। কাৰণ তাই জীয়াই থাকিলে, ভেষ্টাৰ মুখ্য কুমাৰীয়ে নিজে তাইক মুক্তি দিয়াব। এই আবেদন জনাবলৈ অগষ্টা নিজে গৈছে।"

জ্বৰত চুলঢুলীয়া হৈ পৰা চকুদুটা ওপৰলৈ তুলি, ভিনিকিয়াচে উত্তৰ দিলে, "খৃষ্টই তেওঁক উদ্ধাৰ কৰিব।"

কফিয়াচক ৰক্ষা কৰিবলৈ, বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো দেৱতালৈ, শই শই বলি আগবঢ়াবলৈ সাজু হৈ থকা অগষ্টা পপিয়াই, সেই গধূলিয়ে ক'ষাবত থকা, ভেষ্টা

মন্দিৰলৈ যাত্ৰা কৰিলে। পৰ্পিয়াৰ সক কালৰ ধাত্ৰী, বৃদ্ধা চিল্‌ভিয়াই শিশুটিক নিজৰ তত্ত্বাৱধানত ৰাখিলে।

দুৰ্ভাগ্যক্ৰমে, পেলেটাইনত শিশুটিৰ অদৃষ্ট থিৰ কৰা হৈ গৈছিল। ৰাজপ্ৰাসাদৰ প্ৰধান দুৱাৰেদি সাম্ৰাজ্ঞীৰ দোলা যেতিয়া পাৰ হৈ গল, তেতিয়া চিজাৰৰ দুটা মুক্ত দাস আহি, অকণমান কফিন্নাচৰ শোৱা কোঠাত সোমাল। এটাই বুঢ়ী চিল্‌ভিয়াক ধৰি, মুখত জোৰেৰে সোপা দিলে, ইটোৱে স্ফিংচ্‌ৰ ব্ৰঞ্জৰ মূৰ্ত্তি এটা হাতত লৈ, তাৰে বুঢ়ীৰ মূৰত প্ৰচণ্ড মাৰ সোধালে।

. শিশুটিয়ে একো বুজি নাপাই, চকু আধা মেলি, মানুহ কেইটাক চিনিবলৈ যত্ন কৰাৰ দৰে, সিহঁতৰ মুখলৈ চাই হাঁহিলে। মৃতা বুঢ়ী ধাত্ৰীজনীৰ কঁকালৰ পেটীডাল খুলি আনি, হত্যাকাৰীইতে সেইডাল শিশুটোৰ ডিঙিত মেৰিয়াই, টানকৈ চেপি ৰাখিলে। লৰাটোৱে "মা! মা!" বুলি চিঞৰ মাৰিয়ে শেষ নিশ্বাস পেলালে।

তাৰ পাচত, সিহঁতে শটো দোলা এটাৰে মেৰিয়াই লৈ অষ্টিয়া অভিমুখে ঘোঁৰা চেকুৱাই গল, আৰু সেই ঠাইত, তাক সাগৰলৈ দলি মাৰি পঠিয়ালে।

পপিয়াই মুখ্যা কুমাৰীক ভেটা মন্দিৰত লগ নাপালে। আন কুমাৰী সকলৰ সৈতে, তেওঁ ভেটিনিয়াচক দেখা কৰিবলৈ গৈছিল। পেলেটাইনলৈ উলটি আহি, শিশু পুত্ৰৰ শুদা বিচনাখন আৰু চিল্‌ভিয়াৰ ঠেৰেঙা লাগি পৰি থকা শটো দেখা মাত্ৰকে, তেওঁ ধাচ্ কৰে পৰি মূৰ্চ্ছা গল। জ্ঞান পোৱাৰ পিচত তেওঁ ইনাই বিনাই কান্দিবলৈ ধৰিলে। তেওঁৰ উন্মাদ আৰ্ত্তনাদত, গোটেই ৰাজপ্ৰাসাদ কঁপি উঠিল, সেই গোটেইটো নিশা আৰু পিচদিনা পুৱাও।

তৃতীয় দিনা, চিজাৰে তেওঁক আদেশ দিলে, এখন ভোজমেলত যোগ দিবলৈ। কজলা সাজ পিন্ধি, তেওঁ সম্ৰাটৰ আদেশ পালন কৰিলে আৰু উৎসৱৰ গোটেই-খিনি সময় শিলা মূৰ্ত্তিৰ দৰে বহি কটাই দিলে। ৰেচমী চুলিৰে শোভিতা মূক প্ৰস্তৰ মূৰ্ত্তিৰ দৰে বহি থকা পপিয়াৰ এই ৰূপ, মৃত্যুৰ দূতৰ দৰে অমঙ্গলীয়া অথচ অদ্ভুত সুন্দৰ।

॥ ১৪ ॥

ক্লেভিয়ান্ সম্ৰাট সকলে সুবিশাল 'কোলেচিয়াম্' সভাৰ আগতে, ৰোমৰ সৰহভাগ ক্ৰীড়াভৱন কাঠেৰে নিৰ্ম্মিত আছিল। প্ৰায় সৰহভাগ ক্ৰীড়াভৱন

আগতে হৈ যোৱা অগ্নিকাণ্ডত ধ্বংস হৈছিল। প্ৰজাসকলক খেল দেখুৱাবলৈ প্ৰতিশ্ৰুতি দিয়া সম্ৰাট নিৰোৱে, কিছুমান নতুন খেলাঘৰ সাজিবলৈ আদেশ দিলে। তাৰ ভিতৰত এটা অতি ডাঙৰকৈ সাজিবলৈ আচনি লোৱা হ'ল। ইয়াৰ বাবে, এচ্‌কুইলাইন পৰ্ব্বতৰ নামনিৰ পৰা, প্ৰকাণ্ড গছবোৰ কাটি অনা হ'ল। এই বৃহৎ ক্ৰীড়া ভৱনৰ নিৰ্মাণ কাৰ্য্যত, হাজাৰে হাজাৰে, মিস্ত্ৰীক দিনে নিশাই লগোৱা হ'ল। ইয়াৰ আচনি প্ৰস্তুতকাৰক হল, বিখ্যাত স্থাপত্যকলাবিদ চিভিৰাচ্ আৰু চেলাৰ। নিৰ্ম্মাণ কাৰ্য্য অবিৰাম গতিত চলি থাকিল। ইয়াত সাজি থকা স্তম্ভবোৰৰ আচৰিত কাৰুকাৰ্য্যৰ কথা কেউফালে বিয়পি পৰিল। এই বোৰত, ব্ৰঞ্জত, এম্বাৰ, হাতীদাঁতত, মুক্তাজনক শামুক, কাছৰ চলং আদিৰে কাৰুকাৰ্য্য খোদিত হ'ব বুলি জনা গল। তদুপৰি, পাহাৰৰ পৰা নমাই অনা, হিম শীতল পানীৰ নলাও তাত নিৰ্ম্মাণ কৰা হ'ব। এই নলাবোৰ, মানুহ বহা আসনবোৰৰ, তলেদি যাব, যাতে ঘৰটোৰ এমূৰৰ পৰা সিমূৰলৈকে, আৰাম-দায়ক উত্তাপ অব্যাহত থাকে। বেলিৰ তাপৰ পৰা ৰক্ষা পাবলৈ, গোটেই ঘৰৰ ওপৰত, কজলা ৰঙৰ বৃহৎ চন্দ্ৰতাপ আৰি দিয়া হ'ব। আসনৰ শাৰীবোৰৰ মাজে মাজে আৰবদেশীয় গন্ধদ্ৰব্য ছটিয়াই থাকিবৰ বাবে, কৰ্ম্মচাৰী নিযুক্ত থাকিব। দৰ্শক সকলৰ ওৰত, কুঙ্কুম আৰু ভাৰবেনাৰ নিৰ্য্যাস ছটিয়াবৰ বাবে, বিশেষ ধৰণৰ যন্ত্ৰকৌশল অৱলম্বন কৰা হ'ব।

পুনৰাৰ ক্ৰীড়া প্ৰদৰ্শনৰ আৰম্ভণিৰ দিন উপস্থিত হ'ল। দোকমোকালিতে মানুহবোৰ দলে দলে আহি, ক্ৰীড়া ভৱনৰ দুৱাৰ মুকলি হোৱালৈ বাট চাই থাকিল। সিংহৰ গৰ্জ্জন, নাহৰ ফুটুকী বাঘৰ গোঁজৰণি আৰু কুকুৰৰ ভৌ-ভৌৱনি শুনি, সকলো উৎফুল্ল হৈ উঠিল। এই জন্তুবোৰক দুদিন অনাহাৰে ৰখা হৈছে। এতিয়া তেজ বৈ থকা মাংসৰ টুকুৰা কিছুমান, সিহঁতৰ গড়ালৰ আগত ওলোমাই থোৱা হল, যাতে খং আৰু ভোকত সিহঁত ভয়ঙ্কৰ হৈ উঠে। জন্তুৰ কাণ তাল মাৰি ধৰা চিঞৰত, বাহিৰত বৈ থকা মানুহবোৰৰ কথোপকথন মাজে মাজে স্তব্ধ হ'ল।

সেই দোকমোকালিতে, কাষৰ ঘৰৰ পৰা, খৃষ্টিয়ান সকলৰ প্ৰাৰ্থনাৰ গভীৰ শান্তিময় সুৰ ভাহি আহিবলৈ ধৰিলে। মানুহবোৰে আচৰিত হৈ শুনিলে, এই গীত। "খৃষ্টিয়ানহঁতে গাইছে, খৃষ্টিয়ানহঁতে।" সিহঁতে বাৰে বাৰে কবলৈ ধৰিলে। নিশাৰ ভিতৰতে বহু সংখ্যক খৃষ্টিয়ানক ক্ৰীড়া ক্ষেত্ৰলৈ স্থানান্তৰিত কৰা হৈছিল। প্ৰতিবাৰতে একেখন কাৰাগাৰৰ পৰা মানুহ নিয়া নাই। আগতে

ঠিক কথা মতে, বিভিন্ন কাৰাগাৰৰ পৰা নি, বন্দীইতক তাত গোটোৱা হৈছিল। পুৰুষ, নাৰী আৰু শিশুৰ কণ্ঠত মুখৰিত হোৱা পুৰাৰ প্ৰাৰ্থনা গীতৰ ধ্বনিয়ে জনাই দিছে, তেওঁলোকৰ সংখ্যা কিমান বেচি। দৰ্শকসকলে ঘোষণা কৰিলে যে ইমানবোৰ মানুহক দাঁতেৰে ফালি ছিৰি টুকুৰাটুকুৰ কৰিবলৈ হলে, জন্তুবোৰ নিশ্চয় ভাগৰি পৰিব আৰু শেষ কৰাৰ আগতেই, সন্তুষ্ট হৈ বৈ যাব। কিছুমানে জোৰ দি কলে যে ইমানবোৰ বলি ক্ৰীড়া মঞ্চত, উপস্থিত হলে, মানুহবোৰে ভালদৰে মনদি, চাবই নোৱাৰিব। কোনেও মনৰ সুখেৰে দৃশ্যৰ প্ৰতিটো খুতিনাতি উপভোগ কৰিব নোৱাৰিব। প্ৰবেশ দ্বাৰ সমূহ মুকলি কৰাৰ সময় যিমানে কাষ চাপি আহিল, সিমানে মানুহবোৰৰ গা সাতখন আঁঠখন কৰিবলৈ ধৰিলে। সিহঁতে নিজৰ ভিতৰতে, ক্ৰীডা বিষয়ক নানান আলোচনাত লিপ্ত হল। ঠায়ে ঠায়ে মানুহবোৰে জুম পাতি, সিংহ আৰু বাঘৰ ভিতৰত, কোন-টোৱে কিমান দক্ষতাৰে বলিবোৰক ফালি টুকুৰাটুকুৰ কৰিব, তাৰে তুলনা মূলকভাবে বিচাৰ কৰি কোনোটোৱে সিংহক আৰু কোনোৱে বাঘক তাৰিফ কৰিবলৈ ধৰিলে। এই কথা লৈ সিহঁতে পৰস্পৰে বাজি ধৰিলে। ইয়াৰ উপৰিও খৃষ্টিয়ানইঁতৰ আগতে যিবিলাক মল্লবীৰে মঞ্চত ক্ৰীড়া প্ৰদৰ্শন কৰিব, সেই-বিলাকৰ বিষয়েও সিহঁতে আলোচনা কৰিবলৈ ধৰিলে। কিছুমানে চেম্‌নাইট বা গলবোৰক, কিছুমানে থ্ৰেচিয়ানবোৰক আৰু কিছুমানে, জাল হাতত লৈ খেল দেখুউৱা দলটোক শলাগিবলৈ ধৰিলে। কিছুমানে মিৰ্‌মিলনবোৰক সমৰ্থন কৰিলে। ৰাতি পুৱাৰ সময় যেতিয়া আগবাঢ়িল, তেতিয়া এই যুজাৰু বিলাকৰ কেইটামান দলে প্ৰশিক্ষকক আগত লৈ, মঞ্চলৈ যাত্ৰা কৰিলে। কিন্তু প্ৰয়োজনৰ আগতে যাতে ভাগৰি নপৰে, তালৈ লক্ষ্য ৰাখি, সিহঁতে হাতত অস্ত্ৰ নোলোৱাকৈ শোভাযাত্ৰা কৰি আহিবলৈ ধৰিলে। আটাইবোৰ সম্পূৰ্ণ উলঙ্গ, সিহঁতৰ মূৰত ফুলৰ মালা, আৰু হাতত সেউজীয়া পাত থকা একোটাইত গছৰ ডাল। সৰহ ভাগেই যুৱক, দেখিবলৈ ধুনীয়া আৰু প্ৰাণোচ্ছল। ৰাতিপুৱাৰ বেলিৰ পোহৰত সিহঁতক চমকপ্ৰদ দেখা গল; সিহঁতৰ তেল-পিচল বলিষ্ঠ দেহবোৰ চিকমিকাবলৈ ধৰিলে, প্ৰতিটো দেহেই যেন একোটা গ্ৰেনাইট্ পাথৰ। দেহশ্ৰীক প্ৰশংসা কৰিবলৈ সদা সৰ্ব্বদাই প্ৰস্তুত হৈ থকা জনতাই জয়ধ্বনি দিবলৈ ধৰিলে। সকলোৱে জনা নামবোৰ সিহঁতে চিঞৰি চিঞৰি মাতিলে। "আঁহা ফাৰ্ণিয়াচ্!" "আঁহা লিও!" "আঁহা মেক্সিমাচ্!" "ডায়োমেদিচ্ আঁহা।" গাভৰু ছোৱালীবোৰে সিহঁতলৈ প্ৰেমপূৰ্ণ দৃষ্টিৰে চালে। সিহঁতেও ধুনীয়া ছোৱালী কেইজনীলৈ আকুল দৃষ্টিৰে

চালে। সিহঁতৰ মনত যেন, কোনো চিন্তা ভাবনা নাই। ছোৱালীবোৰলৈ চাই সিহঁতে চিঞৰিবলৈ ধৰিলে আৰু চুমা খোৱাৰ ভঙ্গী কৰি জনালে, "মৃত্যুৱে গ্ৰহণ কৰাৰ পূৰ্ব্বে তোমালোকে আমাক গ্ৰহণ কৰা।" অৱশেষত আটাইবোৰ মল্লবীৰ মঞ্চৰ দুৱাৰেদি পাৰ হৈ গল। পাচত এই দুৱাৰেদি আহি এজন এজনকৈহে মঞ্চত দেখা দিব।

মুহূৰ্ত্তে, মুহূৰ্ত্তে নতুন দৃশ্যই, জনতাক আকৰ্ষণ কৰিবলৈ ধৰিলে। মল্লবীৰ-ইতৰ পাচতে আহিল আন এটা দল। ইহঁতৰ নাম মেচ্ টিগোফোৰি। ইহঁতৰ কাম হ'ল যুজাৰুইতক, প্ৰতিদ্বন্দ্বিতা চলাই থাকিবলৈ, কোবাই কিলাই বাধ্য কৰা। ইয়াৰ পাচত খচ্চৰৰ দলবোৰ পাৰ হবলৈ ধৰিলে। মৰাশবোৰ দলিয়াই পেলাবলৈ নিৰ্ম্মাণ কৰা খালবোৰৰ কাষলৈ খচ্চৰে টনা কফিন ভৰ্ত্তি গাড়ীবোৰ যাবলৈ ধৰিলে। এই দৃশ্যই মানুহবোৰক বিশেষ আনন্দ দিলে। কাৰণ কফিনৰ সংখ্যা দেখি সিহঁতে বুজিলে যে খেলখন ব্যাপকভাৱে অনুষ্ঠিত হ'ব। কফিন নিয়া গাড়ীবোৰৰ পিচে পিচে আহিল, 'কেইৰণ' বা মাৰ্কিউৰিৰ দৰে সাজ পিন্ধা কিছুমান কৰ্ম্মচাৰী। ইহঁতৰ কাম হ'ল আহত বিলাকক ভুৰন্তে আঁতৰাই নিয়া। ইয়াৰ পাচত আৰু কিছুমান মানুহ আহিল। ইহঁতক নিযুক্ত কৰা হৈছে, চিজাৰৰ আলহীসকলক, আগবঢ়াই নি নিৰ্দ্দিষ্ট ঠাইত বহুৱাই দিয়া আৰু ক্ৰীড়া ভৱনত শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰা কামত। দৰ্শক সকলক খাদ্য আৰু পানীয় যোগান ধৰিবলৈ, দাস কিছুমান নিযুক্ত থাকিল। সম্ৰাটৰ নিৰাপত্তাৰ বাবে, ক্ৰীড়া ভৱনত প্ৰস্তুত কৰি ৰখা সেনাদলো নিৰ্দ্দিষ্ট ঠাইত বৈ থাকিল। তাৰ পাচত বাহিৰৰ কাৰণে প্ৰৱেশ দ্বাৰ মুকলি হ'ল। দৰ্শকবোৰে দলে দলে আহি ভিতৰত সোমাবলৈ ঠেলা, হেঁচা কৰিলে। দৰ্শক ইমান বেচি হ'ল যে এজন এজনকৈ সৰকি ভিতৰত সোমাবলৈ কেইবা ঘন্টাও সময় লাগিল। দুৱাৰ খোলাৰ শব্দ শুনি, আৰু একে সময়তে ইমানবোৰ মানুহৰ গোন্ধ পাই পিঞ্জৰা বন্ধ জন্তুবোৰে উত্তেজিত হৈ আগতকৈও বেচি জোৰেৰে চিঞৰিবলৈ ধৰিলে। দৰ্শক সকলে নিজ নিজ আসনত বহাৰ আগতে ধুমুহাৰ বুকুত সাগৰৰ গৰ্জনৰ দৰে শব্দ উঠিল।

ইতিমধ্যে গাৰ্ৰুীৰে সৈতে, ৰোমৰ নিৰাপত্তাৰক্ষীসেনাৰ অধিনায়কজন উপস্থিত হল; তাৰ পাচত চিনেটৰ সদস্য, মুখ্য বিচাৰপতি, উচ্চ আৰু নিম্ন শ্ৰেণীৰ সাধাৰণ বিচাৰপতি, ৰাজ প্ৰাসাদৰ কৰ্ম্মনিয়ন্তা, নিৰাপত্তা বিভাগৰ বিষয়াসকল সম্ভ্ৰান্ত ব্যক্তিসকল আৰু ৰূপৱতী নাৰীসকলৰ দোলাবোৰ আহিল। লোণ পানী

চৰোৱা দোলা আৰু তাত অহা ৰমণীবৃন্দৰ নানাৰঙী সাজ, কাণত পিন্ধা অলঙ্কাৰ, মণি-মুক্তা আৰু চৰাইৰ পাখিৰ সুশোভন সাজ-সজ্জা, বিচাৰকৰ অনুচৰে হাতত লোৱা কুঠাৰ আদি সকলোতে, সূৰ্য্যৰ ৰশ্মি প্ৰতিফলিত হ'ল আৰু সহস্ৰ ৰঙৰ তিৰবিৰণি উঠিল।

ক্ৰীড়াভৱনৰ বিভিন্ন স্থানৰ পৰা, এই সৰ্ব্বশ্ৰেষ্ঠ পদবিধাৰী সকলক জনতাই সমস্বৰে অভিবাদন জনালে। ইয়াৰ পাচত আছিল, নিৰাপত্তাৰক্ষী বাহিনীৰ সভ্য-সৱা দলবোৰ ; বিভিন্ন মন্দিৰৰ পুৰোহিতসকল বহুত পিচতহে আছিল। এওঁলোকৰ পিচে পিচে, ভেষ্টা মন্দিৰৰ কুমাৰীসকল, দোলাত উঠি আছিল। হাতত কুঠাৰ লোৱা অনুচৰবৃন্দ দোলাৰ আগে আগে গ'ল।

দৃশ্য আৰম্ভ হোৱাৰ আগতে, যি প্ৰস্তুতিৰ প্ৰয়োজন, সকলো সম্পূৰ্ণ হ'ল। এতিয়া মাত্ৰ চিজাৰৰ উপস্থিতিলৈ সকলোৱে বাট চাই আছে। কেনেবাকৈ মানুহবোৰ অধৈৰ্য্য হৈ উঠে বুলি চিজাৰে ততালিকে আহি দেখা দিলেহি ; ৰাইজৰ অনুগ্ৰহ লাভৰ বাসনাও যথেষ্ট আছিল, চিজাৰৰ মনত! লগত আহিল পপিয়া আৰু আন অগষ্টান সকল। অগষ্টান সকলৰ ভিতৰত পেট্ৰোনিয়াচ আৰু ভিনিকিয়াচো আছে। দুয়ো একেখন দোলাতে উঠি আহিছে।

ক্ৰীডা ভৱনত সচৰাচৰ কাম কৰা অনুচৰ আৰু লগুৱা আটাইবোৰকে ভিনিকিয়াচে উপঢৌকণ দি থৈছিল, আৰু ব্যৱস্থা আছিল যে, বন্যজন্তুৰ ৰখীয়া-ইতে লিজিয়াক, মাটিৰ তলত থকা পথৰ কোনোবা এঠাইত, ৰাতিলৈকে গোপনে লুকুৱাই থব। তাৰ পাচত তাইক, যুৱক বিচাৰপতিজনৰ ভিতৰুৱা কৰ্ম্মচাৰী এজনৰ হাতত দিব আৰু কৰ্ম্মচাৰীজনে তৎক্ষণাৎ তাইক ঘোঁৰাত তুলি লৈ, আলবান্ পাহাৰলৈ যাত্ৰা কৰিব। পেট্ৰোনিয়াচে এই গোপন ব্যৱস্থাৰ কথা জানে। ভিনিকিয়াচক তেৱেঁই উপদেশ দিছিল, ক্ৰীড়া ভৱনত সকলোৰে সন্মুখত উপস্থিত থাকিবলৈ আৰু পাচত, নিযুক্ত কৰা সেনাৰ সহায়ত, তাৰ পৰা পলাই যাবলৈ। তেওঁ নিজে কাৰাগাৰলৈ গৈ লিজিয়াক বন্দীপালইতৰ আগত চিনাক্ত কৰি দিয়াৰ কথাও আছিল, যাতে কোনো ভুলৰ সম্ভাৱনা নাথাকে।

কথাৰতে কামো হ'ল। বন্দীপালইতে সক দুৱাৰ এখন মুকলি কৰি দিয়াৰ পাচত, চাইৰাচ্ নামৰ বন্দীপালটোৱে খৃষ্টিয়ান সকল থকা ঠাইলৈ, ভিনিকিয়াচক আগবঢ়াই লৈ যাওঁতে জনালে, "প্ৰভু! আপুনি যাক বিচাৰিছে, তেওঁক পাবান নাপায় নাজানো। আমি লিজিয়া নামৰ যুৱতী এগৰাকীৰ কথা শোধোতে

কোনেও একো কৰ নোৱাৰিলে। অৱশ্যে এইটোও হ'ব পাৰে যে, বন্দীহঁতে আমাক সম্পূৰ্ণ বিশ্বাস নকৰে।"

ইয়াকে কৈ চাইবাচে দুৱাৰ এখন খুলি দিলে। আহলবহল, চাপৰ আৰু এন্ধাৰ কোঠা এটাত, দুয়ো ভৰি দিলে। ক্ৰীড়ামঞ্চ আৰু এই কোঠাটোৰ মাজত, কাঠৰ টুকুৰাৰে সজা যিখন বেৰ আছে, সেই বেৰখনৰ ফাঁকেদি, অকণ অকণ পোহৰ আহিছে। প্ৰথমে তিনিকিয়াচে একো মনিবই পৰা নাছিল। কোঠাটোত তেওঁ কিছুমান মানুহৰ গুণগুণনি শুনিলে, কিন্তু একো বুজি নাপালে। ক্ৰীড়া ভৱনৰ পৰা অহা কোলাহল বেচি হৈছিল। অলপ পাচতে, অন্ধকাৰ পৰিবেশৰে সৈতে তেওঁৰ চকুদুটা অভ্যস্ত হৈ পৰিল। সন্মুখত দেখিলে, কুকুৰনেছিয়া বাঘ আৰু ভালুকৰ আকাৰৰ, দেখিলেই ভুখলগা কিছুমান মানুহ। বন্য জন্তুৰ ছাল, চিলাই কৰি পিন্ধাই দিয়া হৈছে, দুৰ্ভগীয়াহঁতৰ গাত। কিছুমানে থিয় হৈ আৰু কিছুমানে আঠুকাঢ়ি, প্ৰাৰ্থনা কৰি আছে। জন্তুৰ নোমৰ ওপৰেদি একোছা দীঘল চুলি, সিঁচৰতি হৈ গাত পৰি থকালৈকে তিৰোতা মানুহ বুলি বুজা গৈছে। মাইকী কুকুৰনেছিয়া বাঘৰ দৰে লগা মাতৃৰ কোলাত, সেই একেই নোমাল কেচুৱা। কিন্তু জন্তুৰ ছালৰ আঁৰত, স্পষ্ট একোখন মানুহৰ মুখ দেখা গৈছে। উত্তেজনাত সিহঁতৰ চকুবোৰ তিৰবিৰাই আছে। সৰহ ভাগ মানুহৰ মনত যেন অদৃষ্টৰ হাতত নিজকে এৰি দিয়াৰ ভাব। এটা দৃঢ় বিশ্বাসক মনত ঠাই দি, ইহঁত ইমান নিৰ্ব্বিকাৰ হৈ উঠিছে। লিজিয়াৰ কথা তেওঁ বহুতকে সুধিলে, কিন্তু কোনো উত্তৰ নাপালে। হঠাৎ টোপনিৰ পৰা সাৰ পাই উঠা মানুহৰ দৰে, সিহঁতে তিনিকিয়াচলৈ চালে। কিছুমানে, নিজৰ ওঁঠত আঙুলি দি, ফিচিকিয়াই হাঁহিলে। কিছুমানে, অস্পষ্ট পোহৰ বিৰিঙি অহা বেৰখনলৈ আঙুলিয়াই দেখুৱালে। একমাত্ৰ শিশুবোৰেহে, উচুপি উচুপি কান্দিছে, বন্য জন্তুৰ চিঞৰ শুনি, আৰু মাক বাপেকক জন্তুৰ আকৃতিত দেখিবলৈ পাই।

চাইবাচৰ কাষে, কাষে খোজ দি, তিনিকিয়াচে মুখবোৰ পৰীক্ষা কৰি চাবলৈ ধৰিলে। ভালদৰে ওচৰৰ পৰা জুমি চাই, তেওঁ সিহঁতক নানা কথা সুধিলে। উশাহ, নিশাহ বন্ধ হৈ, অচেতন অৱস্থাত পৰি থকা মানুহৰ গাত, তেওঁ মাজে, মাজে, উজুতি খালে। হঠাৎ এবাৰ চিনাকি মাত এষাৰ শুনি, তেওঁ ৰৈ গল। লাহে, লাহে মানুহৰ মাজেদি বাট উলিয়াই, তেওঁ বক্তাজনৰ ওচৰ চাপিল। আহি থাকোঁতে, বেলিৰ এচেৰেঙা পোহৰ পৰাত মানুহজনৰ মুখটো দেখা গল।

গাত কুকুৰমেছিয়া বাঘৰ ছাল থকা সত্বেও, ভিনিকিয়াচে তেওঁক ক্রিচপাচ্ বুলি চিনিব পাৰিলে। কষ্টত শুকাই, ক্ষীণাই গৈছে যদিও, তেওঁৰ মনৰ উগ্রতা একেদৰে আছে।

"পাপৰ বাবে অনুতাপ কৰা সকলোৱে।" তেওঁ ঘোষণা কৰিছে, "সময় উপস্থিত হৈছে। মই সঁচাকৈয়ে কৈছো, যিজন মানুহে ভাবিছে যে আত্মাহুতি দি মুক্তি লাভ কৰিব, তেওঁ অধিক পাপৰ ভাগী হৈ, অনির্ব্বাণ অগ্নিকুণ্ডত পতিত হ'ব। প্রতিটো পাপকামে, প্রভুৰ যন্ত্রণাৰ পুণৰ উদ্রেক কৰে। যি যন্ত্রণা, তোমালোকৰ সন্মুখত দেখা দিছেহি, সেই যন্ত্রণা, ত্রাণকৰ্ত্তাই ভোগা যন্ত্র-ণাৰে সৈতে, একে বুলি ভাবি লৈছা কিয়? ন্যায়পৰায়ণ আৰু অন্যায়কাৰীৰ আজি একেদৰে মৃত্যু ঘটিব। কিন্তু প্রভুৱে নিজৰ প্রিয়জনক নিশ্চয় চিনি ল'ব। ৰসাতললৈ যাবা তোমালোক। সিংহৰ দাঁতে তোমালোকৰ মঙহহে নষ্ট কৰিব, পাপ নষ্ট নকৰে। ভগৱানৰ ওচৰত দিবলগীয়া কৈফিয়তো মচ খুৱাব। ক্রচত প্রাণ বিসৰ্জ্জন দি, তেওঁ সকলোকে কৃপাৰ দৃষ্টিৰে চালে। এতিয়াৰ পৰা, তেওঁক তোমালোকে পৰম বিচাৰক বুলি জানি থবা। যি সকলে ভাবি লৈছে যে, যন্ত্রণা ভোগৰ দ্বাৰা পাপ মোচন হ'ব, তেওঁলোকে ভগৱানৰ বিচাৰক অৱমাননা কৰিছে বুলি জানিবা। এনে মানুহৰ বাবে, নৰকৰ পথ সুগম হ'ব। ভয়ঙ্কৰ বিচাৰকৰ মুখামুখি হবলৈ, আৰু বেচি পৰ নাই। পতিকে পাপৰ বাবে, অনুতাপ কৰা। তোমালোকৰ সন্মুখত নৰক বৈ আছে। এই বিচাৰকে ন্যায়পৰায়ণ জনকো বৰ বেচি অনুগ্রহ দেখুৱাব বুলি কব নোৱাৰি, ই বোৰৰ কথা বাদেই দিছো।"

ভিনিকিয়াচৰ গোটেই গা আতঙ্কত শিয়ঁৰি উঠিল। খৃষ্টৰ কৃপাৰ ওপৰতে তেওঁৰ সকলো ভৰসা। এতিয়া তেওঁ শুনিলে, ক্রীড়া মঞ্চত মৃত্যু হোৱাৰ পাচতো, কৃপা লাভ কৰা নাযাব। কিন্তু বিজুলী সঞ্চাৰে আন এটা ভাব তেওঁৰ মনৰ মাজেদি পাৰ হৈ গল। মৃত্যুৰ মুখলৈ আগবঢ়াসকলক ধৰ্ম্মগুৰু পিটাৰে, সম্পূর্ণ ভিন্ন ধৰণে বুজনি দিছিল। একেটা সময়তে, গোড়া ক্রিচ্পাচৰ ভয়ঙ্কৰ ভাবুকি, তমসাচ্ছন্ন পৰিবেশ, আসন্ন মৃত্যুদণ্ড, আৰু মৃত্যুৰ সাজ পিন্ধি থকা বলিবোৰৰ অৱস্থা দেখি, ভিনিকিয়াচে প্রাণত প্রচণ্ড আঘাত পালে। তেওঁ অংশ লোৱা, আটাইতকৈ ভীষণ ৰক্ত স্রোতৰ ৰণাঙ্গনতকৈও বেচি বিভীষিকাময়, আৰু হাজাৰ গুণে নিষ্ঠুৰ, এই পৰিবেশ। তাৰ পাচত তেওঁৰ মনত পৰিল, যি কোনো মুহূর্ত্তে, লোৱৰ জগনা মুকলি হৈ যাব পাৰে। ইয়াকে ভাবি, তেওঁ চিঞিয়া

আৰু উৰচাচক ভাণ্ডৰকৈ মাতিলে। তেওঁলোক যদি ইয়াত নাই চিনাকি কোনো লোকে সন্নিধান দিব, এয়ে তেওঁৰ আশা।

সঁচাকৈয়ে ভালুকৰ ছাল পিন্ধি থকা মানুহ এজনে তেওঁৰ চোগাত ধৰি টানি কলে, "প্ৰভু, তেওঁলোকক কাৰাগাৰতে এৰি অহা হৈছে। একেবাৰে শেষত মোক ইয়ালৈ আনিছে। কুঁৱৰী গৰাকী অসুস্থ হৈ বিচনাত পৰি থকা দেখি আহিছো।"

"তুমি কোন ?" ভিনিকিয়াচে সুধিলে।

"মই খাদত কাম কৰা মানুহ। মোৰ পজাতে, ধৰ্ম্মগুৰু পিটাৰে আপোনাক দীক্ষাস্নান কৰাইছিল। মই তিনিদিন কাৰাগাৰত আছিলো। আজি মই মৰিম।"

ভিনিকিয়াচে দীঘলকৈ উশাহ টানিলে।

"আপোনাৰ মনত পৰিছেনে প্ৰভু," বন্দীবাটোৱে কবলৈ ধৰিলে, "কৰ্ণেলিয়াচৰ আঙুৰৰ খেতিৰ মাজেদি মই আপোনাক বাট দেখুৱাই লৈ গৈছিলো। তেতিয়া গুৰুৱে, তাত থকা বাহিৰা ঘৰ এটাত, আমাক ধৰ্ম্মৰ কথা বুজাইছিল।"

"হয়, মোৰ মনত আছে।" ভিনিকিয়াচে উত্তৰ দিলে।

"মোক কাৰাগাৰত ভৰোৱাৰ আগদিনা গধূলি, মই আকৌ এবাৰ তেওঁক লগ পাইছিলো। তেওঁ মোক আশীৰ্ব্বাদ দি কৈছিল যে, মৃত্যুৰ মুখত পৰা সকলক আশীৰ্ব্বাদ দিবৰ বাবে, তেওঁ ক্ৰীড়া ভৱনত উপস্থিত থাকিব। মৃত্যু কালত যেন, তেওঁৰ দৰ্শন লাভ কৰো, তেওঁ ক্ৰচ চিন আঁকা চকুত পৰে, ইয়াকে সদায় প্ৰাৰ্থনা কৰি আছো। তেতিয়া মোৰ বাবে মৃত্যু সহজ হৈ উঠিব। প্ৰভু, মই মিনতি কৰিছো তেওঁ এতিয়া ক'ত আছে, আপুনি যদি জানে মোক কওক।"

ভিনিকিয়াচে মাতটো সৰু কৰি কলে, "তেওঁ দাসৰ বেশত, পেট্ৰোনিয়াচৰ অনুচৰবৰ্গৰ লগত আছে। তেওঁলোক কোনখিনি ঠাইত বহিছে, কব নোৱাৰো। মই যেতিয়া পুণৰ তাত বহিম গৈ, তেতিয়া তেওঁলোকক বিচাৰিম। মঞ্চত সোমায়ে তুমি মোৰ ফালে চাবা। মই থিয় হৈ, পিটাৰ আৰু তেওঁৰ সঙ্গীসকলৰ ফালে মুৰটো ঘূৰাম। তেতিয়া তুমি নিজ চকুৰে তেওঁক দেখিবলৈ পাবা।"

"প্ৰভু! আপোনাক ধন্যবাদ জনাইছো। আপোনাৰ শান্তি হওক।"

"ত্ৰাণকৰ্ত্তাই তোমাক কৃপা কৰক।"

"তথাস্তু!"

ভিনিকিয়াচ বন্দীশাল ত্যাগ কৰি, পুণৰ ক্ৰীড়া ক্ষেত্ৰলৈ গল। অগষ্টান সকলৰ মাজত, পেট্ৰোনিয়াচৰ কাষতে তেওঁ বহিল।

"তাই তাত আছেনে?" পেট্ৰোনিয়াচে সুধিলে।

"নাই। এতিয়াও তেওঁ কাৰাগাৰতে আছে।"

"শুনা, মোৰ মূৰত আন এটা বুদ্ধি খেলাইছে। কিন্তু শুনি থাকোঁতে তুমি নিগিদিয়াৰ ফালে চাই থাকিবা—যাতে আমি তাইৰ মস্তক সজ্জাৰ বিষয়ে কৈছো বুলি মানুহে ভাবে। টাইগেলিনাচ্ আৰু চিলোৱে আমাক লক্ষ্য কৰি আছে। শুনা মোৰ কথা! আজি নিশা, লিজিয়াক, কফিনত ভৰাই মৰা মানুহৰ দৰে আঁতৰাই লোৱাবা। পিচৰখিনি বুজিছাই নহয়।"

"হয়।" ভিনিকিয়াচে লগে লগে উত্তৰ দিলে।

টিউলিয়াচ্ চেনেচিওই এইখিনিতে কথোপকথনত বাধা দি, তেওঁলোকৰ ফালে অলপ হাউলি গৈ সুধিলে, "আপোনালোকে জানেনে, খৃষ্টিয়ানইতক অস্ত্ৰ লবলৈ দিয়া হবনে নহয়?"

"আমি নাজানো।" পেট্ৰোনিয়াচে কলে।

"মই হলে কওঁ, অস্ত্ৰ হাতত দিয়াই ভাল।" চেনেচিওই কলে, 'নহলে ক্ৰীড়া মঞ্চ কচাইখানাত পৰিণত হ'ব। ইমান ধুনীয়া এই অট্টালিকা!"

সচাঁকৈয়ে, কেউফালৰ দৃশ্য অতি চমকপ্ৰদ। তলৰ আসনবোৰত শুভ্ৰ টোগা পৰিহিত স্বনামধন্য ব্যক্তিসকল বহিছে সেইবোৰ আসন, বৰফেৰে ঢাকখাই থকাৰ দৰে দেখা গৈছে। ইয়াৰ ওপৰ থাপত, সোণখটোৱা পিৰালিত চিজাৰ বহিছে। তেওঁৰ শকত ডিঙিত এধাৰ হীৰাৰ মালা আৰু মূৰত সোণৰ মুকুট। তেওঁৰ ওচৰত অগষ্টা বহিছে, ভীষণ ধুনীয়া, অমঙ্গলীয়া ৰূপ লৈ। ভেষ্টা মন্দিৰৰ চিৰ কুমাৰীবৃন্দ, উচ্চপদস্থ বিষয়া, ৰমকজমক সাজ পিন্ধা চিনেটৰ সভ্য, অস্ত্ৰ শস্ত্ৰৰে চিকমিকাই থকা সেনাবিভাগৰ অধ্যক্ষ, আদি ৰোমৰ শক্তি আৰু বিলাসিতাৰ প্ৰতীক সকল, অলপ দূৰত বহিছে। এওঁলোকৰ পিচৰ শাৰীত বহিছে নাইটসকল। থাপে, থাপে, ওখ চাপৰকৈ সজোৱা, শাৰী, শাৰী, আসনত বহা মানুহৰ মূৰবোৰ সাগৰৰ ঢৌৰদৰে দেখা গৈছে। গণ্য মান্য ব্যক্তি সকলৰ মূৰৰ পিচফালে থকা স্তম্ভবোৰ, গোলাপ, লিলি আদি ফুল আৰু আইভি আদি বিবিধ লতা, আৰু আঙুৰৰ পাতৰ মালাৰে মেৰিয়াই, সজোৱা হৈছে। সকলো ঠাইতে মানুহবোৰে ডাঙৰকৈ কথা পাতিছে, প্ৰশ্ন সুধিছে, গান গাইছে, চতুৰ ৰসাল কথাত, 'বাহ, 'বাহ' দিছে, এশাৰীৰ পৰা আন এশাৰীলৈ, হাঁহিৰ খলকনি তুলি গিৰ্জনি

মাৰি হাঁহিছে, আৰু দৃশ্য সোনকালে আৰম্ভ কৰিব লাগে বুলি দপ দপাই ভৰি মাৰিবলৈ ধৰিছে। ভৰি মৰা শব্দ মেঘৰ গৰ্জনৰ দৰে চলি থাকিল, এক মুহূৰ্তও বন্ধ নোহোৱাকৈ। অৱশেষত, নিৰাপত্তাৰক্ষী সেনাৰ অধিনায়কজনে তাক জমকপূৰ্ণ পালি প্ৰহৰী লগত লৈ, মঞ্চৰ চাৰিওকালে ঘূৰি তালদৰে চাই ললে আৰু তাৰ পাচত, চাদৰ এখন মাটিত দলিয়াই, আৰম্ভণিৰ সঙ্কেত দিলে। তাৰ উত্তৰত কেউফালৰ পৰা চিঞৰ আহিল, "আ-আহ্‌!" প্ৰকাণ্ড ক্ৰীড়া ভৱনৰ প্ৰতিটো কোণৰ পৰা হাজাৰ হাজাৰ কণ্ঠৰ ধ্বনি নিনাদিত হ'ল।

সাধাৰণতে, বন্যজন্তু কিছুমান খেদি লৈ যোৱাৰ দৃশ্যৰে মঞ্চৰ খেল আৰম্ভ হয়। এই খেলত উত্তৰ আৰু দক্ষিণৰ বৰ্বৰ জাতি কিছুমানে বিশেষ পাৰদৰ্শিতা দেখুৱায়। কিন্তু আজি প্ৰথমতে দেখুউৱা হ'ল অন্ধ যুঁজ। মল্লবীৰহঁতে, চকু ঢাক খাই থকাকৈ বৰ্ম'ৰ দৰে টুপী পিন্ধি, অন্ধ হৈ যুঁজ দেখুৱাবলৈ ওলাই আহিল। এনেকুৱা বাৰজনমান মল্লক আছি, শূন্যতে তৰোৱাল ঘূৰাবলৈ ধৰিলে। মেচ টিগোফোৰিহঁতে সিহঁতক দীঘল কাটাৰে খুচি, পৰস্পৰৰ লগত ফেৰ পাতি যুঁজিবলৈ নিৰ্দ্দেশ দিলে। দৰ্শক সকলৰ ভিতৰৰ সুসজ্জিত দলটোৱে, এনে নীচ প্ৰদৰ্শনক হেয়জ্ঞান কৰিলে। কিন্তু সাধাৰণ ৰাইজে, মাল যুদ্ধাকহঁতৰ অদ্ভুত চাল চলন চাই, বৰ আমোদ পালে। যেতিয়াই দুটা যুঁজাৰু আহি পিঠিয়ে পিঠিয়ে লাগেহি, আটাইবোৰে গিৰ্জনি মাৰি হাঁহিবলৈ ধৰে। লগতে সোঁফালে বা বাওঁফালে বুলি চিঞৰি নিৰ্দ্দেশ দিয়ে। সিহঁতে যুজাৰুহঁতক মিছাকৈ নিৰ্দ্দেশ দি, ঠগিবও খোজে। যুঁজাৰুহঁতৰ দুই এবাৰে, যেতিয়া মুখামুখি হবলৈ সমৰ্থ হয়, তেতিয়া যুঁজখন ভয়াবহ হৈ উঠে। বেচি উত্তেজিত হৈ পৰা যুঁজাৰু কেইটাই, ঢালবোৰ দলি মাৰি দি, ইটোৱে সিটোৰ বাওঁহাতত খামুচি ধৰি, সোঁহাতেৰে ভয়াবহ মৰণ সংগ্ৰাম আৰম্ভ কৰিলে। যুজত ধৰাশায়ী হোৱা বিলাকে দৰ্শকৰ কৃপা ভিক্ষা কৰি, ওপৰলৈ আঙুলি টোৱালে। কিন্তু আহত যোদ্ধাৰ মৃত্যু বিচৰাটোৱেই চিৰাচৰিত ৰীতি। বিশেষকৈ অন্ধ যুঁজাৰুৰ ক্ষেত্ৰত। কাৰণ মুখ ঢকা থাকে বাবে, দৰ্শকে সিহঁতক চিনিব নোৱাৰে। লাহে, লাহে, যুজাৰুৰ সংখ্যা কমি আহি, শেষত দুটা থাকিল গৈ। ইহঁত দুটাক পৰস্পৰৰ ওচৰ চপাই অনা হল; মুখামুখি হোৱাৰ পাচত, দুয়োটা বালিত বাগৰি পৰিল আৰু ইটোৱে সিটোৰ বুকত ছুৰী বহুৱাই, প্ৰাণ এৰিলে। তাৰ পাচত, মঞ্চত কাম কৰা লগুৱাইতে, শ কেইটা আঁতৰাই নিলে আৰু গ্ৰীক যুৱক কেইটা মান আহি, মঞ্চৰ ওপৰখন ভালদৰে পৰীক্ষা কৰি চাই, তেজৰ দাগবোৰ বালিৰে ঢাকি পেলালে। শেষত তাৰ ওপৰত, সুগন্ধি কুঙ্কুম ছটিওৱা হল।

ইয়াৰ পাচত আৰম্ভ হল, গুৰুতৰ মালযুঁজৰ প্ৰদৰ্শন। এনেবোৰ যুঁজে, আড়ম্বৰপূৰ্ণ উচ্চ শ্ৰেণী আৰু সৰ্ব্ব সাধাৰণ প্ৰজাক সমানে উত্তেজিত কৰি তোলে। এনে যুঁজ চাই থকাৰ সময় ছোৱাত, সম্ভ্ৰান্ত যুবকসকলে প্ৰায়ে বাজি ধৰে আৰু কেতিয়াবা শেষৰ চেস্‌টাৰটিয়াচ্‌টোলৈকে হাৰি যায়। খেল আৰম্ভ হোৱাৰ লগে লগে চাৰিওফালৰ দৰ্শক সকলক, লেখা ফলি যোগোৱা হয়, যাতে তেওঁলোকৰ প্ৰত্যেকে, নিজৰ প্ৰিয় যুঁজাৰুৰ নাম লেখি, কিমান মূল্যৰ বাজি ধৰে জনাব পাৰে। আগতে মঞ্চত যুঁজ দেখুৱাই জয়ী হোৱা অভিজ্ঞ মল্লবীৰে আটাইতকৈ সৰহ পৃষ্ঠপোষকতা লাভ কৰে। কিন্তু কিছুমান জুৱাৰীয়ে নতুন আৰু অচিনাকি যুঁজাৰুৰ ওপৰতো যথেষ্ট মূল্যৰ বাজি ধৰে, বহুত লাভৰ আশা কৰি। চিজাৰে নিজেও বাজি ধৰে, আৰু লগতে পুৰোহিত, ভেষ্টাৰ কুমাৰীবৃন্দ, চিনেটৰ সভ্য, নাইট আৰু সৰ্ব্বসাধাৰণ মানুহবো গা উঠে। সাধাৰণ শ্ৰেণীৰ মানুহবোৰে সৰ্ব্বস্বান্ত হৈ, শেষত বস্তুৰ লগতে ব্যক্তিগত স্বাধীনতাকো বাজিৰ ভিতৰুৱা কৰি পেলায়।

শিঙাৰ কৰ্কশ শব্দ বাজি উঠাৰ পাচত, সমবেত জনতাৰ মাজত গভীৰ উদ্বেগপূৰ্ণ নিস্তব্ধতা বিৰাজ কৰিলে। হাজাৰ, হাজাৰ চকুৰ দৃষ্টি নিবদ্ধ হল, প্ৰকাণ্ড এখন দুৱাৰৰ ওপৰত। বৈতৰণী পাৰ কৰোৱা নাৱঁৰীয়া কেইৰণৰ দৰে সাজ পিন্ধা মানুহ এটাই, দুৱাৰৰ ওচৰলৈ গৈ, গভীৰ নিস্তব্ধতা ভঙ্গ কৰি হাতুৰীৰে দুৱাৰত তিনিটা কোব মাৰিলে, দুৱাৰৰ আঁৰত লুকাই থকা মানুহ কেইটাক, মৃত্যুৰ আহ্বান জনোৱাৰ দৰে। দুৱাৰৰ পটা দুটা ধীৰে ধীৰে মুকলি হল আৰু ভিতৰে আন্ধাৰ কোণৰ পৰা, চাকিৰ পোহৰত উজ্জ্বল হৈ থকা মঞ্চলৈ, শাৰীপাতি আহিল এদল মৃত্যুমুখী যুঁজাৰু বা গ্লেডিয়েইটৰ।

থ্ৰেচিয়ান্, মিৰ্‌মিলন, চেম্‌নাইট, আৰু গল, এই আটাইবোৰ জাতিৰ যুঁজাৰুবোৰৰ পঁচিশ জনীয়া পৃথক পৃথক দলবোৰে, গধুৰ অস্ত্ৰ শস্ত্ৰৰে সজ্জিত হৈ, সৈনিকৰ দৰে খোজ দিবলৈ ধৰিলে। তাৰ পাচত আহিল জাল যোদ্ধাইত। ইহঁতৰ এখন হাতত জাল একোখন আৰু ইখন হাতত একোডাল ত্ৰিশূল। ইহঁতক ‘ৰেটিয়াৰি’ বোলা হয়। তৎক্ষণাত কিছুমান আসনৰ পৰা, হাত চাপৰিৰ জাউৰি উঠিল। ক্ৰমান্বয়ে ই অবিৰাম হৰ্ষধ্বনিৰ বিপুল গৰ্জ্জনত পৰিণত হল। ওপৰৰ পৰা তললৈকে, প্ৰতিটো শাৰীতে কেৱল দেখা গল, উত্তপ্ত মুখমণ্ডল উত্তেজিত ভঙ্গী আৰু বহলকৈ মেলা মুখ কিছুমান। লাগি নিছিগাকৈ সমানে সমানে খোজ পেলাই, মল্লবীৰইতে গোটেইটো মঞ্চতে ঘূৰি ফুৰিবলৈ ধৰিলে। সিহঁতৰ অস্ত্ৰ আৰু বহুমূলীয়া বৰ্ম্মবোৰ, চিকমিকাই উঠিল। শেষত সকলো

আছিল, সম্রাট বহা ঠাইৰ আগত বৈ গল, শান্ত, গৰ্ব্বিত, চমকপ্ৰদ এজন সৈনিকৰ দৰে। শিঙাৰ তীক্ষ্ণ কৰ্কশ ধ্বনি পুণৰ উঠিল আৰু সকলো কোলাহল মাৰ গল। মূৰ আৰু চকু ওপৰলৈ তুলি, সোঁহাতৰোৰ চিঙাৰৰ কালে আগবঢ়াই দি, মূৰ্জাকইতে সুৰ লগাই গালে, "হে আদেশ কৰ্ত্তা চিজাৰ! মৃত্যুৰ মুখত থিয় দি, আমি আপোনাক অভিবাদন জনাইছো!"

তাৰ পাচত, চকুৰ পচাৰতে সিইত বেলেগ বেলেগ হৈ গল, আৰু মৰুৰ একাষত বৈ থাকিল। ইয়াত এদলে আন দলক আক্ৰমণ কৰা নিয়ম, কিন্তু তাৰ আগতে, আটাইতকৈ নামজলা মালইতে, দুটা দুটাকৈ মুখামুখি হৈ, একালনি যুঁজ দেখুৱায়। এনে যুঁজত, ব্যক্তিগত সাহস আৰু কৌশল প্ৰদৰ্শন কৰাৰ সুবিধা বেচি। গল জাতিৰ দলটোৰ পৰা লেনিও ওলাই আহিল। মঞ্চত সততে খেল চাই থকা সকলে তাক আগৰ বহুতো যুজত জয়ী মল্লবীৰ বুলি, ভালদৰে জানে। মূৰত প্ৰকাণ্ড টুপীৰ বৰ্ম্ম আৰু শক্তিশালী দেহ বেষ্টিত লৌহ বৰ্ম্মৰে মানুহটোক, মঞ্চৰ বালিৰ ওপৰত পৰা ৰশ্মিৰ মাজত, প্ৰকাণ্ড উজ্জল পতঙ্গ এটাৰ দৰে দেখা গল। তাৰ মুখামুখি হবলৈ অগ্ৰসৰ হ'ল, সমানে নাম থকা, জাল যোদ্ধা কেলেণ্ডিও।

দৰ্শকসকলৰ মাজত বাজিৰ মূল্য প্ৰচাৰিত হবলৈ ধৰিলে:

"গলটোত পাঁচশ চেচ্‌টাৰটি!"

'কেলেণ্ডিওৰ ওপৰত ধৰিছো পাঁচশ!"

"হাৰকিউলিজৰ শপত! এহেজাৰ,—"

"দুহেজাৰ!"

মঞ্চৰ মাজ ভাগলৈ আহি, গলটো পিচ হুঁহকি গল আৰু তৰোৱাল পোণ কৰি ধৰি তললৈ মূৰ কৰি, মূৰ আৰু মুখমণ্ডল ঢাকি পিন্ধা টুপীৰ ফুটাৰ মাজেদি প্ৰতিদ্বন্দীক নিৰীক্ষণ কৰিবলৈ ধৰিলে। কেলেণ্ডিওৰ শৰীৰ পাতল আৰু প্ৰায় উলঙ্গ। অকণমান এডোখৰ লেঙুটিৰে তাক শিলত কটা মূৰ্ত্তি এটাৰ দৰে লাগিল। বিশাল দেহৰ প্ৰতিদ্বন্দীৰ চাৰিওকালে সি ঘূৰিবলৈ ধৰিলে। জালখন হাতত লৈ, ত্ৰিশূলডাল এবাৰ ওপৰলৈ, আৰু এবাৰ তললৈ কৰি, লয়-জালে ঘূৰি, ঘূৰি কেলেণ্ডিওই গাবলৈ ধৰিলে, সচৰাচৰ গোৱা গীত এফাঁকি:

"মই তোমাক বিচৰা নাই,
মই মাছ ধৰিবহে খুজিছো,
হে গল, তুমি ওচৰৰ পৰা
পলাইছা কিয় ?"

পলোৱা দুৰৈৰ কথা,—গলটোৱে নিজৰ ঠাইতে বৈ, ইমান কৌশলেৰে গা লৰাই আছে যে, সকলো সময়তে শত্ৰুক সি মুখা-মুখিকৈ দেখিছে। তাৰ শৰীৰ আৰু দৈত্যাকাৰ মূৰটোৱে যেন, এতিয়াই ভয়ঙ্কৰ কিবা এটা কৰি পেলোৱাৰ ইঙ্গিত দিছে। লোহাবৃত এই প্ৰকাণ্ড দেহৰ পৰা যেন, বজ্ৰৰ শক্তি নিৰ্গত হ'ব।

জাল যোদ্ধাটোৱেও, জপিয়াই জপিয়াই, হঠাৎ এবাৰ ওচৰলৈ আহে, আৰু এবাৰ দূৰলৈ আঁতৰে। অবিৰাম গতিত, তাৰ এই কৌশল চলি থাকিল। লগে লগে, সি ত্ৰিশূলডাল ইমান বেগেৰে ঘূৰাবলৈ ধৰিলে যে, তাক চকুৰে মনিব নোৱাৰা হ'ল। কেইবা বাৰো ত্ৰিশূলৰ জোঙ কেইডালে ঢালত কোব মাৰিছিল যদিও, গলটো অকণো পাচ হুঁহকি নগল। এইদৰে সি তাৰ প্ৰচণ্ড শক্তিৰ পৰিচয় দিলে। ত্ৰিশূলডালৰ ওপৰত চকু নিদি, সি তাৰ সকলো মনোযোগ জালখনৰ ওপৰত দিলে। অমঙ্গলীয়া চৰাই এটাৰ দৰে, জালখন তাৰ মূৰৰ চাৰিওফালে ধপ্ধপাই উৰি আছিল। মল্লবীৰহঁতে পৰস্পৰৰ আক্ৰমণ প্ৰতিৰোধ কৰি থকা অপূৰ্ব্ব কৌশল, দৰ্শক সকলে ৰুদ্ধশ্বাসে, অনিমেষ দৃষ্টিৰে চাই থাকিল। অৱশেষত লেনিওই চল চাই এবাৰ প্ৰতিদ্বন্দীৰ কাষে চোচা ললে; গালৈ দণ্ডা তৰোৱালৰ তলেদি জপিয়াই সৰকি, ঘূৰি গৈ, বাহু পোণ কৰি, কেলেজ্ঞিওই পুণৰ জালখন মাৰি পঠিয়ালে। গলটোৱে মুখখন ঘূৰাই, ঢালখনেৰে, জালখন ধৰি লৈ, প্ৰতিদ্বন্দী যি দৰে আতৰি গৈছিল, ঠিক সেইদৰে পিচলৈ জাপ মাৰি আতৰি গল। দৰ্শকসকলে প্ৰশংসাৰ জাউৰি তুলিলে আৰু নতুনকৈ বাজি ধৰাত লাগিল। ইমান পৰে কক্ৰিয়াৰ লগত কথাত মগ্ন হৈ, খেলুলৈ মন নিদিয়া চিজাৰেও এইবাৰ মঞ্চলৈ মূৰ দাঙি চালে।

মাললহঁতে পুণৰ যুঁজিবলৈ ধৰিলে। সিহঁতে ইমান কৌশল, ইমান নিখুঁত দেহ সঞ্চালন প্ৰদৰ্শন কৰিলে যে, মাজে সময়ে সকলোৱে মনতে নহাকৈ নাথাকিল যে, হঁইতে জীৱন, মৰণৰ কথা বাদ দি, কেৱল নিজ নিজ দক্ষতা প্ৰদৰ্শনৰ সুযোগ গ্ৰহণ কৰিছে। তুবাৰ লেনিওই জালখনৰ আক্ৰমণৰ পৰা নিজকে

ৰক্ষা কৰিলে। তাৰ পাচত সি মৰুৰ পৰা হুঁহকি বাবলৈ ধৰিলে। ইয়াকে দেখি, তাৰ ওপৰত বাজি ধৰা দৰ্শকৰ দলটোৱে, চিঞৰিবলৈ ধৰিলে, "আক্ৰমণ কৰা।" সি ভাগৰি নপৰাটোকে বিচাৰিছে সিঁহতে। মালটোৱেও সিঁহতৰ আদেশ মানি, পুণৰ আক্ৰমণ কৰিলে। হঠাৎ জাল যোদ্ধাটোৰ বাহুৰ পৰা ধাৰা-সাৰে তেজ বৰলৈ ধৰিলে আৰু জালখন হাতৰ পৰা পৰি গল। লেনিওই গাৰ সমস্ত শক্তিৰে আগলৈ জপিয়াই, শেষ আঘাত কৰিবলৈ উদ্যত হ'ল; একেটা সময়তে, জাল চলাবলৈ অক্ষম বুজি তাও ধৰা কেলেণ্ডিওই, গাটো একাবে বেঁকা কৰি, তৰোৱালৰ আগৰ পৰা নিজকে বচাই, প্ৰতিদ্বন্দীৰ আঠুৰ মাজেদি, ত্ৰিশূলডাল পাৰ কৰি, তাক মাটিত বগৰাই দিলে। প্ৰতিদ্বন্দীটোৱে উঠিবলৈ চেষ্টা কৰিলে; কিন্তু মুহূৰ্তৰ ভিতৰতে, মাৰাত্মক জালখনে তাৰ গোটেই গা মেৰিয়াই ধৰিলে। যিমানে সি গা লৰালে, সিমানে তাৰ হাত ভৰি বেচিকৈ জালখনত মেৰ খাই ধৰিলে। অৱশেষত ত্ৰিশূলৰ এটা খোচত সি মাটিৰ লগত বিদ্ধ থাকে।

ধৰাশায়ী মালটোৱে, প্ৰাণপণ চেষ্টাৰে, এটা বাহুত ভৰ দি, ধলং পলং কৈ গাটো দাঙিলে আৰু উঠিবলৈ চেষ্টা কৰিলে। কিন্তু সকলো চেষ্টা বিফলে গল। যিখন অক্ষম হাতৰ পৰা তাৰ তৰোৱাল পৰি গৈছিল, সেইখন হাতকে সি পুণৰ মুৰৰ কাষলৈ দাঙিলে। তাৰ পাচত মুখ ঠেকেচা খাই বাগৰি পৰিল। ত্ৰিশূলডালেৰে, কেলেণ্ডিওই তাৰ ডিঙিটো মাটিত বিন্ধাই থলে! তাৰ পাচত ত্ৰিশূলৰ দণ্ডডালৰ ওপৰত হাত দুখন ভেজা দি থিয় হৈ, চিজাৰ বহা আসনৰ ফালে সি মুখ ঘূৰালে।

জনতাৰ গৰ্জনে, গোটেই ক্ৰীড়াভৱন কঁপাই তুলিলে। কেলেণ্ডিওৰ ওপ-ৰত বাজি ধৰা সকলৰ বাবে, এই মুহূৰ্তত সি চিজাৰতকৈও শ্ৰেষ্ঠ। এইবাবে লেনিওৰ প্ৰতি শত্ৰুভাবো সিঁহতৰ মনৰ পৰা আঁতৰিল। কাৰণ ৰক্তাহুতি দি, সি সিঁহতৰ ধনৰ যোনা পূৰ কৰিলে। সৰ্ব্বসাধাৰণ প্ৰজাৰ মনত, দৃশ্যটোৱে মিশ্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। প্ৰতিটো শাৰীত বহা দৰ্শকে পৰাভূত যোদ্ধাক কৃপা কৰিবলৈ আৰু বধ কৰিবলৈ, সমানে ইঙ্গিত দেখুৱালে। জাল যোদ্ধা-টোৱে কেৱল চিজাৰ আৰু ভেষ্টাৰ কুমাৰীসকল বহা ঠাইলৈ চাবলৈ ধৰিলে। তেওঁলোকৰ সিদ্ধান্তই সকলো।

দুৰ্ভাগ্যবশতঃ নিৰোৰে লেনিওক ভাল নাপাইছিল। কাৰণ, অলপ দিনৰ আগতে, অৰ্থাৎ অগ্নিকাণ্ড ঘটাৰ পূৰ্ব্বে এই মালটোৰ ওপৰত বাজি ধৰি, জিকিব নোৱাৰি, তেওঁ লিচিনিয়াচক বহুতো ধন দিব লগা হৈছিল। গতিকে এতিয়া তেওঁ, বহি থকা ঠাইৰ তলেদি হাতখন উলিয়াই বুঢ়া আঙুলিটো তললৈ টোঁৱালে। তৎক্ষণাৎ ভেষ্টা মন্দিৰৰ পবিত্ৰ কুমাৰী সকলেও তাকে কৰিলে। কেলেণ্ডিওই গলটোৰ বুকত এটা আঠু দি, থাপৰ পৰা ছুৰী এখন উলিয়াই, প্ৰতিদ্বন্দীৰ গাৰ বৰ্ম্ম ভিঙিলৈকে মুকলি কৰি, তিনিকোণীয়া ছুৰীখন গুৰিলৈকে সুমুৱাই দিলে। লগে, লগে কিছুমানে চিঞৰিলে, "বেচকৈ বহুৱাইছে।" ছুৰীৰ আঘাতত মৰিবলৈ ধৰা বলদ গৰু এটাৰ দৰে, লেনিওৰ গাটো দুই এবাৰ জিকাৰ খাই উঠিল আৰু বালিত ভৰি মাৰিবলৈ ধৰিলে সি। তাৰ পাচত এটা বাগৰ মাৰি, থৰ লাগি পৰি থাকিল। মাৰ্কিউৰীৰ দৰে সাজ পিন্ধি ওলোৱা কৰ্ম্ম-চাৰীটোৰ আৰু প্ৰয়োজন নহল, তপত লোৰে খুচি, মানুহটো জী আছেনে মৰিল, পৰীক্ষা কৰি চোৱা।

তৎক্ষণাৎ শ'টো আঁতৰাই নিয়া হ'ল আৰু আন মাল আহি, দ্বৈত সংগ্ৰামত লিপ্ত হ'ল। তাৰ পাচত, দলীয় যুঁজ চলিল। এই যুঁজত জনতাই মুখে, মনেচিতে, অংশ ললে। সিহঁতে চিঞৰিলে, গৰ্জ্জি উঠিল, সুহুৰিয়ালে, হাত চাপৰি মাৰিলে, হাঁহিৰ খলকনি তুলিলে, যুজাৰুহঁতক উচটাই দিলে; মুঠৰ ওপৰত সকলো আত্মহাৰা হৈ পৰিল। মল্লবীৰহঁত দুটা দলত বিভক্ত হৈ উন্মত্ত হৈ উঠিল; বুকুৱে বুকুৱে চেপাচেপি, আৰু দেহে, দেহে মৰণ আলিঙ্গনত আবদ্ধ হ'ল সিহঁত। প্ৰকাণ্ড অঙ্গ প্ৰত্যঙ্গৰ জোৰাবোৰ কৰকৰাই উঠিল, বক্ষস্থল আৰু উদৰত তৰোৱালৰ কোব পৰিল। শেতা ওঠৰ মাজেদি ধাৰাসাৰে ওলোৱা ৰক্ত বমিৰ বিভৎস দৃশ্যৰ অৱতাৰণা হ'ল। শেষৰ ফালে, কিছুমান নতুনকৈ অহা যুঁজাৰু ইমান বিভত হৈ পৰিল যে, সিহঁতে যুঁজৰ ঠাইৰ পৰা আঁতৰি, ইফালে সিফালে পলাবলৈ ধৰিলে। মেচ্‌টিগোকোৰিয়ে সিহঁতক গধুৰ চমভাবে কোবাই, যুঁজৰ থলিলৈ খেদি নিলে। প্ৰতি মুহূৰ্ত্তে, উলঙ্গ অথবা ভীথাৰে আবৃত নতুন, নতুন মৃত যুঁজাৰুৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। বালিৰ ওপৰত সিচৰতি হৈ পৰা শ'বোৰ আঁতৰৰ পৰা একোছা কাড়ৰ দৰে জিলিকি-বলৈ ধৰিলে। যেতিয়া মৰাশৰ ওপৰেদি, জীৱিত যুঁজাৰু কেইটাই যুঁজিবলৈ ধৰিলে, তেতিয়া পৰি থকা অস্ত্ৰ, শস্ত্ৰ আৰু ভীথাৰ চাকবোৰ জন্‌জনাই উঠিল।

ভঙা তৰোৱালে ভৰি কাটি নিয়াত, কিছুমান মাটিত বাগৰি পৰিল। মৃত্যুৰ পৈশাচিক লীলাই, জনতাক উন্মাদ কৰি তুলিলে। সিহঁতে তেজৰ গোন্ধ ললে, ৰক্তপাতৰ দৃশ্যাই সিহঁতৰ চকুত তৃপ্তি দিলে, সিহঁতৰ শ্বাস যন্ত্ৰই আনন্দেৰে ঘ্ৰাণ ললে, শোণিতৰ।

অৱশেষত, পৰাভূত দলৰ শেষৰ যোদ্ধাটোলৈকে সকলো মৰা পৰিল। মাত্ৰ কেইটামান আহত যুজাৰুৱে, মঞ্চৰ মাজ ভাগত আঁঠু কাঢ়ি, অথবা থলং-পলংকৈ ঘূৰি, ৰাইজৰ ফালে হাত আগবঢ়াই কৃপা মাগিলে। জয় লাভ কৰা দলক জলফাই পাতৰ মালা আৰু পল্লবিত ডাল হাতত দি সম্মান দেখুউৱা হ'ল। ইয়াৰ পাচত, বিৰতিৰ সময় আহিল। অসীম শক্তিশালী চিজাৰৰ আদেশত, এইখিনি সময়ত সমূহীয়া ভোজৰ আয়োজন হ'ল। ধূনাৰ দানিত অঙঠা ভৰাই আনি, তাত সুগন্ধি ধূনা ছটিওৱা হ'ল। লগুৱাইঁতে জনতাৰ গাত সুগন্ধি ভায়োলেট আৰু কুঙ্কুম ছটিয়ালে। সিজোৱা মাংস, পিঠাপনা, জলফাই আদি ফল মূল আটাইবে মাজতে বিলোৱা হ'ল। সকলো ৰাইজে, কথাৰ মহলা মাৰি, চিজাৰৰ প্ৰশংসাত পঞ্চমুখ হৈ, উদৰ পূৰালে। সিহঁতে উচ্চকণ্ঠে চিজাৰৰ জয়ধ্বনি দি আগতৈ আৰু বেচি দানশীল হবলৈ উদগনি দিলে। আশা কৰাৰ লগে, লগে সুফলো পালে আটাইয়ে। ভোক, পিয়াহ গুচাৰ পাচতে সিহঁতে দেখিলে, থাও থাও উপঢৌকন লৈ, শই, শই দাস আহিবলৈ ধৰিছে। কিউ-পিদৰ সাজ পিন্ধা গ্ৰীক যুৱক কিছুমানে, থাওবোৰত হাত ভৰাই, নানাবিধ বস্তু উলিয়াই, দৰ্শকৰ মাজলৈ দলিয়াই দি থাকিল। তাৰ পাচত, চিঠি খেলৰ টিকেট বিলোৱা হল আৰু মানুহবোৰৰ মাজত, হেতা ওপৰা লাগি, কাজিয়া হবলৈ ধৰিলে। সিহঁতে হেঁচা ঠেলা কৰি, ইটোৱে সিটোৰ গচকত পৰিল; কিছুমানে সহায় বিচাৰি চিঞৰিলে। আসনৰ শাৰীবোৰৰ ওপৰেদি জপিয়াই পাৰ হৈ যাওঁতে, ভয়ঙ্কৰ ঠেলা হেঁচাৰ মাজত পৰি, বহুতৰে উশাহ নিশাহ বন্ধ হ'ল। চিঠি খেলত জিকিলে, বাগিচাৰ সৈতে দাস, ঘৰ, চমৎকাৰ সাজপাৰ, বহুমূলীয়া জন্তু আদি লাভ হ'ব। এই আশাই, সকলোকে বলিয়া কৰিলে। জন্তু লাভ কৰিলে, সিহঁতে তাক ক্ৰীড়া ক্ষেত্ৰতে বেচি দিব পাৰিব। বিশৃঙ্খলা বাঢ়ি অহাত, নিৰাপত্তাৰক্ষী বাহিনীয়ে অৱশেষত হস্তক্ষেপ কৰিবলৈ বাধ্য হ'ল; কাৰণ প্ৰতিবাৰ টিকেট বিলোৱাৰ পাচতে, হাত ভৰি ভঙা মানুহক কঢ়িয়াই নিব লগা হয় আৰু ভিৰৰ মাজত কিছুমানে প্ৰাণো এৰে গচকত পৰি।

ধনীসকলে অৱশ্যে এনে টিকেটৰ বাবে, হেস্তা ওপৰা নলগায়। ইফালে চিলোৱেও, অগষ্টাস সকলক ভাল তামাচা দেখুৱালে। আন যিকোনো মানুহৰ দৰে, অবিচলিত ভাবে, যুদ্ধ আৰু ৰক্তপাতৰ দৃশ্য চাব পাৰে বুলি, বাইৰক দেখুৱাবলৈ বৃথা চেষ্টা কৰি, সি হাঁহিয়াতৰ পাত্ৰ হৈ পৰিল। মিছাকৈয়ে এই দুৰ্ভগীয়া মানুহটোৱে কপালৰ গাঁথি খোপা কৰি, ওঁঠ কামুৰি, হাতৰ তলুৱাত নখৰ খোচ খোৱাকৈ হাতৰ মুঠি টান কৰি, দৃশ্যবোৰ সহ্য কৰিবলৈ চেষ্টা কৰিছিল। তাৰ গ্ৰীক প্ৰকৃতিৰ লগত, নিজৰ ভীকতাৰ সংমিশ্ৰণ ঘটাত, শান্ত ভাবে সি এইবোৰ চাই থাকিব পৰা নাছিল। তাৰ মুখ শেতা হৈ পৰিছিল আৰু কঁপালত বিন্দু, বিন্দু, ঘামৰ কণিকাই দেখা দিছিল। অৱশেষত তাৰ চকু তললৈ নামিল, দাঁত কৰকৰাই উঠিল, আৰু মৰা মানুহৰ দৰে ওঁঠ শেতা পৰি গল। সি নিজৰ আসনত ঢলি পৰিল, হাত ভৰি কোচখাই গল আৰু গাটো বাৰে, বাৰে জিকাৰ খাই উঠিল।

দৃশ্যৰ প্ৰথম অংশৰ সমাপ্তি ঘটাৰ পাচত, মানুহবোৰে আসন ত্যাগ কৰি বাহিৰলৈ ওলাই, হাত ভৰি পোণাই, কথা পাতিবলৈ ধৰিলে।

"কি হে গ্ৰীক ?" চিলোৰ ডাড়ি কোচাত ধৰি, ভেটিনিয়াচে কলে,—

"ছাল বাকলি বখলিয়াই পেলোৱা দৃশ্য, তোমাৰ বাবে ইমানেই অসহনীয়নে ?"

বাকী থকা হালধীয়া দাঁত দুটা উলিয়াই, চিলোৱে অদ্ভুত হাঁহি এটা মাৰিলে।

"মোৰ পিতা মুচী নাছিল," সি উত্তৰ দিলে। "চামৰা তৈয়াৰ কৰা শিক্ষা মোক জানো দিছিল কোনোবাই ?"

"বাহ্! বাহ! বেচ উত্তৰ দিলে কিন্তু!" বহুতে একেলগে কলে—। কিছুমানে ঠাট্টা মস্কৰা কৰাত লাগিল।

"অলপ ধতুৰা হোৱাৰ কাৰণে তাক ছুঁবিৰ নোৱাৰি।" চেনেচিওই চিঞৰিলে।

"মূৰত গাহৰিৰ গোবৰ আছে কাৰণে তোমাকো জানো ছুঁবিব পাৰি ?" চিলোৱে মুখে, মুখে উত্তৰ দিলে।

"চিলো, তুমি এতিয়াও মল্লবীৰ হৈ ক্ৰীড়া মঞ্চত ভাল খেল দেখুৱাব পাৰিবা। অৱশ্যে তোমাৰ হাতত এখন—অ' ঠিক,—এখন জাল থাকিব লাগিব।"

"মোৰ জালত, তোমাক, ভেকেটা গোজোৱা মন্ত এটা ধৰাৰ দৰে, ধৰিব পাৰিম।"

"খৃষ্টিয়ানহঁতক কি কৰিবা ?" লিগুৰিয়াৰ কেচ্‌টাচে সুধিলে—।

"বনৰীয়া কুকুৰ হৈ, সিহঁতক এসেকা দিব নোখোজানে ?"

"তোৰ ভায়েৰ হোৱাতকৈ মই কুকুৰ হবলৈ বেচি ভাল পাম ।"

"মিণ্ডচিয়াৰ কুঠীয়া ! গলিনে ইয়াৰ পৰা ?"

"লিগুৰিয়াৰ খচ্চৰ ! যা ইয়াৰ পৰা ।"

"তাৰমানে তোৰ পিঠি খজুৱাইছে । খজুৱতি মাৰিবলৈ মোক নকৰি বুইছ ।"

"নিজৰ গাটোকে খজুৱা । ছালৰ পৰা খৰ নোহোৱা হলে, তোৰ গাত আটাইতকৈ ভাল বস্তু যিখিনি আছে, সেইখিনিকে হেৰুৱাবি ।"

এইদৰে ঠাট্টা মস্কৰা চলি থাকিল । চিলোৱে চুঙা চাই সোপাদি বাইজৰ মাজত হাঁহিৰ ৰোল তুলিলে । মাজে, মাজে চিজাৰেও হাত চাপৰি মাৰি চিঞৰিলে, "বাহ । বাহ !" লগে লগে মুখ চুপতি মৰাইতো বেচি উৎসাহিত হ'ল । অৱশেষত পেট্ৰোনিয়াচ আহিল, গ্ৰীক্‌টোৰ ওচৰলৈ । হাতীৰ দাঁতৰ পাতল লাখুটি এডালেৰে চিলোৰ কান্ধত টোকৰ মাৰি তেওঁ ধীৰ ভাৱে কলে,—

"ৰেচ, ৰেচ, হেৰা দাৰ্শনিক ! পিচে তুমি বৰ ডাঙৰ ভুল কৰি পেলালা । দেৱতা সকলে তোমাক সাজিছে, জেপ সুৰুকিবৰ বাবে । কিন্তু তুমি দৈত্যৰ ৰূপ ধৰিব খুজিছা । এইবাৰে কওঁ,—শেষলৈকে তাও দিব নোৱাৰিবা তুমি !"

বুঢ়া মানুহটোৱে, হালধীয়া চকু দুটাৰে তেওঁলৈ চালে ; কিন্তু ততালিকে তাৰ জিভাৰ আগলৈ কোনো উত্তৰ নাহিল । অৱশেষত সি কষ্টেৰে উচ্চাৰণ কৰিলে—

"হয়, মই শেষলৈকে তাও দিম ।"

এনে সময়তে, পেপা, শিঙা আদিৰ ভয়ঙ্কৰ নিনাদে বিৰতি শেষ হোৱাৰ জাননী দিলে । আটাইবোৰ সোমাবলৈ ধৰিলে । চিনেটৰ সভ্য আৰু সম্ৰান্ত বংশীয় সকলৰ মাজত, নিজ, নিজ আসনৰ সন্ধান চলিল । লাহে, লাহে, উথল মাথল নাইকিয়া হ'ল আৰু ক্ৰীড়া ভৱনত সম্পূৰ্ণ নিস্তব্ধতা বিৰাজ কৰিলে । ইতিমধ্যে কিছুমান লগুৱা মৰুলৈ আহিল আৰু পূৰ্ব্বৰ খেলত গোট মাৰি জমা হোৱা, তেজৰ চেকুৰাবোৰ আৰু দ'ম বান্ধি থোৱা বালিবোৰ জবকাৰে সমান কৰি পেলালে ।

এইবাৰ খৃষ্টিয়ান সকলৰ পাল । মানুহবোৰে নতুন ধৰণৰ আমোদ লাভ কৰাৰ আশা কৰিলে । বলিহঁতে কেনে আচৰণ দেখুৱাব, কোনেও অনুমান কৰিব

নোৱাৰিলে। হয়তো অভূতপূৰ্ব্ব দৃশ্যৰ অৱতাৰণা ঘটিব। সকলো দিশতে দৰ্শক সকলৰ মুখত শত্ৰুতাৰ ভাব ফুটি উঠিল। কাৰণ, এইবাৰ যিবোৰক বলি দিয়া হ'ব, সিহঁত এলাপেচা মানুহ নহয়। সিহঁতে ৰোম আৰু তাৰ পুৰণি সম্পদ পুৰি ছাৰখাৰ কৰিছে। সিহঁতে শিশুৰ তেজ পিয়ে, নিজবাত বিহ ঢালে, সিহঁতে মানুহ জাতিক অভিশাপ দিয়ে,—নাম নজনা বহুতো পাপত লিপ্ত থাকে, সিহঁত!

জনতাৰ ঘৃণাই ইমান ভয়াবহ ৰূপ ললে যে, আটাইতকৈ ভয়ঙ্কৰ শাস্তিকো সিহঁতে যেন যথেষ্ট বুলি মানি লব নোৱাৰিব। সিহঁতৰ একমাত্ৰ ভয় হ'ল,—প্ৰাণদণ্ড পোৱা পাপীষ্ঠহঁতে যি যন্ত্ৰণা পাব, সেই যন্ত্ৰণা সিহঁতৰ পূৰ্ব্বৰ দুষ্কৰ্ম্মৰ জোখাৰে হবনে নহয়।

এতিয়া বেলি মূৰৰ ওপৰলৈ উঠিছে। কজলা বৰণৰ চন্দ্ৰাতাপৰ মাজেদি, বেলিৰ ৰশ্মি আহি, ক্ৰীড়া ক্ষেত্ৰ প্লাবিত কৰিলে। ৰক্ত-ৰাগ বালিৰ ওপৰত বিয়পি পৰিল আৰু ক্ৰীড়া মঞ্চ অদ্ভুত ভাৱে জিলিকিবলৈ ধৰিলে। সেই জ্যোতি, সেইবোৰ মুখ আৰু অলপ পাচতে মানুহৰ যন্ত্ৰণা আৰু পশুৰ উন্মত্ততাৰে ভৰি উঠিব লগীয়া সেই মঞ্চ ভয়াবহ হৈ উঠিল,— আতঙ্ক আৰু মৃত্যুৰ ঘন ছাঁৰে আবৃত হ'ল, গোটেই পৰিবেশ! জনতাৰ মনৰ ঘৃণাভৰা— মৌন ভাব গাঢ়তৰ হ'ল। ক্ৰীড়া ক্ষেত্ৰত সচৰাচৰ প্ৰফুল্ল হৈ থকা বাইজক এই বাৰেই প্ৰথম ৰুক্ষ-ভাবত দেখা গ'ল। পুলৌৰ লেশ মাত্ৰ চিন নাই কাৰো মুখত।

সেনাধিনায়কে সঙ্কেত দিলে; লগে, লগে কেইৰণৰ বেশ লোৱা বুঢা মানুহ-টোৱে মঞ্চলৈ ধীৰে, ধীৰে আহি, পৰিবেশৰ গধুৰ নিস্তব্ধতা ভঙ্গ কৰি, ভাঁৰৰ দুৱাৰ খনত, হাতুৰীৰে তিনিটা টোকৰ মাৰিলে।

গোটেই ক্ৰীড়া ভৱনতে গুন গুন শব্দ উঠিল,—'খৃষ্টিয়ান। খৃষ্টিয়ান' লোকৰ কণ্ঠৰ ঘোৰ ঘেৰণি উঠিল। ছো-ৰবৰ মাটিৰ তলেদি যোৱা পথৰ পৰা, যেচ্‌টিগোফোৰিয়ে সচৰাচৰ চিঞৰাৰ দৰে চিঞৰ মাৰি কলে, "মঞ্চলৈ!" চকুৰ পচাৰতে, বিৰাট মঞ্চটো, হাবিৰ মাজৰ পৰা ওলোৱা জন্তুৰ আকৃতিৰ অসংখ্য মানুহেৰে ভৰি পৰিল। আটাইবোৰে চঞ্চল, ক্ষিপ্ৰ গতিৰে মঞ্চৰ মাজ ভাগলৈ লৰি আহিল, আৰু তাৰ পাচত, এজনৰ পিচফালে এজনকৈ শাৰী পাতি, আঠু-কাঢ়ি হাতবোৰ ওপৰলৈ তুলিলে।

ইয়াকে দেখি বাইজে ভাবিলে, যে ইহঁতে কৃপা ভিক্ষা মাগিছে। এনে ভীৰুতা দেখি, সিহঁত ক্ৰোধত উত্তাৰূল হৈ উঠিল আৰু মাটিত ভৰি মাৰি,

সুহুৰিয়াই, তলা বটল আৰু মুখেৰে কামোৰা হাড়, মঞ্চলৈ দলিয়াবলৈ ধৰিলে। লগে, লগে, চিঞৰিলে, “বনৰীয়া জন্তু! বনৰীয়া জন্তু মেলি দিয়ক!”

কিন্তু হঠাৎ অভাৱনীয় ঘটনা ঘটিল। জন্তুৰ ছাল পিন্ধা মানুহবোৰৰ মাজৰ পৰা, গীতৰ ধ্বনি উঠিল। ৰোমৰ ক্ৰীড়াভৱনত, প্ৰথম বাৰলৈ শুনা গ'ল, প্ৰাৰ্থনা গীত,—“হে খৃষ্ট! শাসন কৰা! বলি সকলে চন্দ্ৰতাপৰ ফালে চকু তুলি, গীত গাই থাকোঁতে, দৰ্শক বিলাকে, ইটোৱে সিটোৰ চকুলৈ চাবলৈ ধৰিলে। বলি সকলৰ শেতা মুখবোৰত, অনুপ্ৰেৰণাৰ ভাব প্ৰস্ফুটিত হৈ উঠিছে। অৱশেষত, সৰ্ব্বসাধাৰণ মানুহেও বুজিলে যে, খৃষ্টিয়ানইতে কৃপাভিক্ষা মগা নাই; সন্মুখত সিহঁতে, ক্ৰীড়া ভৱন, দৰ্শক মণ্ডলী, চিনেটৰ সভা অথবা চিজাৰ কাকো দেখা নাই। প্ৰাৰ্থনাৰ শব্দ লাহে, লাহে, ডাঙৰ হৈ আহিল। অৱশেষত ওপৰৰ পৰা তললৈ, আৰু এমূৰৰ পৰা সিমূৰলৈ ভৰি থকা অগণন দৰ্শকৰ শাৰীৰ পৰা, ইজনে সিজনক প্ৰশ্ন কৰিলে,— “কোন এই খৃষ্ট, যাৰ নাম মৰণমুখী মানুহৰ মুখত ধ্বনিত হৈছে?”

তাৰ পাচত, আন এখন লোৰৰ দুৱাৰৰ ঘৰ ঘৰণি উঠিল; জপিয়াই, জপিয়াই, মঞ্চলৈ সোমাই আহিল, বনৰীয়া চিকাৰী কুকুৰৰ এটা দল; পেলো-পোনেচাচৰ পৰা অনা হালধীয়া প্ৰকাণ্ড মোলোচিয়ান্ কুকুৰ, পিৰেনিজৰ আঁচ আঁচ থকা কুকুৰ, আৰু হিবাৰনিয়াৰ পৰা অনা, কুকুৰনেছিয়া বাঘৰ দৰে কুকুৰ আহিল, ভয়ঙ্কৰ ৰূপ ধৰি। ইচ্ছাপূৰ্ব্বক, ইহঁতক অৰ্দ্ধাহাৰে ৰখা হৈছে; পতিকে ইহঁতৰ চকু, তেজৰ দৰে ৰঙা। বন্যজন্তুৰ চিৎকাৰ আৰু গোঁজৰণিত, গোটেই ক্ৰীড়া ভৱন কঁপি উঠিল। খৃষ্টিয়ান সকলে প্ৰাৰ্থনা শেষ কৰি, শিলৰ দৰে অলৰ-অচৰ হৈ, আঠুকাঢ়ি, সমস্বৰে গাই আছে, “খৃষ্ট! হে খৃষ্ট!”

জন্তুৰ ছালৰ আঁৰত, মানুহৰ গাৰ গোন্ধ পাইও, কুকুৰমথাই বলিসকলৰ এনে শান্ত ভাব দেখি, আচৰিত হোৱাদি হৈ, প্ৰথমে আক্ৰমণ কৰিব নুখুজিলে। কিছুমানে আনকি, বেৰৰ ওপৰেদি জপিয়াবলৈ চেষ্টা কৰিলে, কিছুমানে ভুক্-ভুকাই, মঞ্চৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে,—যেন অদৃশ্য চিকাৰ হে বিচাৰিছে। এনে কাণ্ড দেখি, দৰ্শক বিলাকৰ আমনি লাগি গল। হাজাৰ কণ্ঠই কৰ্কশ ভাৱে চিঞৰিবলৈ ধৰিলে; কিছুমানে বনৰীয়া জন্তুৰ গৰ্জ্জন অনুকৰণ কৰিলে, কিছুমানে কুকুৰৰ দৰে ভুকিলে আৰু কিছুমানে, নানান অকথ্য ভাষাৰে জন্তু-বোৰক গালি পাৰিবলৈ ধৰিলে। গোটেই ক্ৰীড়া ভৱনত হুলস্থুলৰ সৃষ্টি হল।

অৱশেষত পগলা হৈ উঠা কুকুৰ জাকে আঠুঁ কাঢ়ি থকা খৃষ্টিয়ান সকলৰ ফালে চোচা ললে। প্ৰথমতে একো নকৰি, মুখেৰে কট্-প্-, কট্-প্- শব্দ কৰি, সিহঁত পিচহুঁহকি আছিল। অৱশেষত এটা ডাঙৰ মোলোচিয়ান্ কুকুৰে, এজনী তিৰোতাৰ কান্ধত, তাৰ দাঁত আৰু নখ বহুৱাই দিলে। তাই মাটিত বাগৰি পৰিল। ইয়াৰ পাচত, কুৰিটামানকৈও বেছি কুকুৰ, মানুহৰ জুমৰ মাজলৈ জপিয়াই সোমাল, ভঙা বেৰৰ ফাঁকেদি সোমোৱাৰ দৰে। ইয়াকে দেখি, দৰ্শক বাইজে চিঞৰিবলৈ এৰিলে আৰু বেছি মনোযোগেৰে চাই থাকিল। এতিয়াও জন্তুবোৰৰ গৰ্জ্জন আৰু খেঙখেঙণি তল পেলাই, নাৰী, পুৰুষে গোৱা প্ৰাৰ্থনাৰ সুৰ, কৰুণ ভাবে বাজি উঠিছে, "খৃষ্ট! হে খৃষ্ট!"

অলপ পাচতে, গোটেই মঞ্চ, কুকুৰৰ অত্যাচাৰ আৰু মানুহৰ গোঁগোঁৱনি, ধৰফৰণি আৰু কেঁকনিৰে ভৰি উঠিল। কুকুৰবোৰে অঙ্গ, প্ৰত্যঙ্গবোৰ এটা, এটাকৈ টানি আজুৰি নিলে। ছিগা-ভগা দেহবোৰৰ পৰা, তেজৰ নৈ বৰলৈ ধৰিলে। আৰব দেশীয় আতৰ ছটিয়াই থোৱা ক্ৰীড়া ভৱন এতিয়া, ৰক্ত, মাংস আৰু নাড়ীভুঁৰৰ অকটা গোন্ধেৰে ভৰি গল।

অৱশেষত, অ'ত, ত'ত আঠুকাঢ়ি থকা, দুই এজন হে বাকী থাকিল। কুকুৰবোৰ পেঙেৰি দি, জাকে, জাকে তেওঁলোকৰ ওপৰতো জপিয়াই পৰিল!

যি সময়ত, খৃষ্টিয়ান সকল আহি মঞ্চত সোমাইছিল, ঠিক সেই সময়তে, ভিনিকিয়াচে আগৰ প্ৰতিশ্ৰুতি অনুসৰি, থিয় হৈ, মূৰটো, ধৰ্ম্মগুৰু পিটাৰ বহি থকা ফাললৈ ঘূৰাই, থাদৰ বহুৱাটোক ইঙ্গিতেৰে জনাইছিল, গুৰুদেৱ ক'ত বহি আছে। পেট্ৰোনিয়াচৰ অনুচৰ বৰ্গৰ মাজত পিটাৰ লুকাই আছিল। ভিনিকিয়াচে তাৰ পাচত পুণৰ নিজৰ ঠাইত বহি, লৰচৰ নকৰাকৈ, ভয়ঙ্কৰ দৃশ্যটো চাই আছিল। তেওঁৰ মুখখন মৃতকৰ দৰে হৈছিল আৰু চকু সজল হৈ পৰিছিল। প্ৰথমে তেওঁৰ মনলৈ আহিছিল, বহুৱাই হয়তো ভুল কৰিছে, এই হতভগীয়া দলৰ মাজত, লিজিয়াও থাকিব পাৰে। ভৱাৰ লগে লগে তেওঁৰ গোটেই গা অসাৰ হৈ পৰিছিল। কিন্তু যেতিয়া তেওঁ শুনিলে, "খৃষ্ট! হে খৃষ্ট!" বুলি কোৱা কাতৰ আহ্বান, যেতিয়া দেখিলে, অসংখ্য মৃত্যুমুখী বলিয়ে, নিজ ধৰ্ম্মক প্ৰকাশ্যে স্বীকাৰ কৰি, ঈশ্বৰৰ মহিমা কীৰ্ত্তন কৰিছে, তেতিয়া তেওঁৰ প্ৰাণত বেলেগ ভাৱ জাগি উঠিল। অতি ভয়ঙ্কৰ যন্ত্ৰণাৰ দৰে অসহনীয় হলেও, এই ভাবক তেওঁ চেপি ৰাখিব নোৱাৰিলে। আচম্বিতে

তেওঁৰ মনলৈ আহিল, স্বয়ং খৃষ্টকো মৃত্যুদণ্ড দিয়া হৈছিল। তেওঁৰে নাম লৈ, এতিয়া হাজাৰ জনৰ মৃত্যু ঘটিছে। পানীৰ দৰে তেজৰ সোঁত বৈছে, ইয়াৰ লগত আৰু কেইটোপাল মান লগ খালে, কোনো ক্ষতি নাই। এনে অৱস্থাত, স্বাৰ্থান্ধহৈ, দয়াৰ বাবে প্ৰাৰ্থনা জনোৱাটোহে প্ৰকৃত পাপ। মঞ্চত অনুষ্ঠিত হোৱা হত্যাকাণ্ডৰ মাজৰ পৰা, এই ভাব আহি, তেওঁৰ মনত ঠাই ললে। প্ৰতিজন বলিৰ মৃত্যুৰ আৰ্ত্তস্বৰে, এই ভাব তেওঁৰ মনৰ মাজত সঞ্চাৰ কৰিলে আৰু তেজৰ গোন্ধ আহি যেতিয়া নাকত লাগিল, তেতিয়া এই ভাবটোৱে সম্পূৰ্ণৰূপে তেওঁৰ মন অধিকাৰ কৰি ললে। তথাপিও, তেওঁ প্ৰাৰ্থনা নকৰাকৈ নোৱাৰিলে, - তেওঁৰ শুকান ওঁঠ দুটা কঁপি উঠিল: "হে খৃষ্ট! হে খৃষ্ট! তোমাৰ ধৰ্ম্ম ৰক্ষাইও তেওঁৰ বাবে প্ৰাৰ্থনা কৰিছে।" অৱশেষত তেওঁ চেতনা হেৰুৱালে আৰু চাৰিও ফালে কি ঘটিছে, কব নোৱাৰা হৈ গল। এই অৱস্থাত, তেওঁ যেন দেখিলে, জোঁৱাৰ উঠাৰ দৰে, ৰক্তৰ পৰ্ব্বত প্ৰমাণ ঢৌ উঠিছে? ক্ৰীড়া ভৱনৰ চাৰিও ফালে তেজ, আৰু গোটেই ৰোম নিমগ্ন হৈছে, ৰক্ত প্লাৱনত। কুকুৰৰ ভুক ভুকনি, জনতাৰ কোলাহল আৰু অগটান সকলে, "চিলো মূৰ্চ্ছা গ'ল" বুলি চিঞৰ মৰাও, তেওঁ শুনিলে।

"চিলো অজ্ঞান হৈ পৰি গৈছে" গ্ৰীকটোৰ ফালে উলটি চাই, পেট্ৰোনিয়াচে পুণৰ কলে। সচাঁকৈয়ে মৰা মানুহৰ দৰে শেতা হৈ, মানুহটোৱে পিচলৈ মূৰটো পেলাই, মুখ মেলি ৰহি আছে।

এনে সময়তে, আগৰ দৰে বনৰীয়া জন্তুৰ ছাল পিন্ধা, কিছুমান নতুন বলিক মঞ্চলৈ খেদি অনা হ'ল। ইহঁতেও আগৰবোৰৰ দৰে আঠু কাঢ়িলে। কিন্তু ভাগৰি পৰা কুকুৰজাকে, নতুন বলিবোৰক টুকুৰাটুকুৰ কৰিবলৈ আগ নাবাঢ়িল। কিছুমানে ওচৰতে পোৱাবোৰৰ ওপৰত জাপ দিলে। কিন্তু বেছি ভাগেই শুই পৰিল আৰু ৰক্তাক্ত মুখ দাঙি, খুব জোৰে, জোৰে উশাহ লৈ, ফোঁপাবলৈ ধৰিলে।

তাকে দেখি, ৰক্তপিপাসু জনতা জাগি উঠিল, আৰু সম্পূৰ্ণ অপ্ৰকৃতিস্থৰ দৰে কেৰকেৰীয়া মাতেৰে চিঞৰিবলৈ ধৰিলে, "সিংহ! সিংহ! সিংহ মেলি দিয়ক!"

সিংহবোৰ পিচদিনাৰ খেলৰ বাবে, আচুতীয়াকৈ ৰখা হৈছিল; কিন্তু ক্ৰীড়া মঞ্চত, প্ৰদৰ্শন কৰা দৃশ্যৰ ক্ষেত্ৰত, ৰাইজে নিজৰ ইচ্ছা সকলোৰে ওপৰত, আনকি চিজাৰৰ ওপৰতো আৰোপ কৰিব পাৰে। দাম্ভিক আৰু অদ্ভূত

খাম-খেয়ালিপূর্ণ কেলিগুলা নামৰ বিজন সম্রাট আছিল, তেওঁহে বাইজৰ বিৰুদ্ধে বাবলৈ সাহ কৰিছিল আৰু বাইজৰ মূৰত টাঙোন মাৰি, নিজৰ ইচ্ছা পূৰ্ণ কৰিছিল। কিন্তু মাজে, সময়ে আনকি এইজন সম্রাটো, বাইজৰ বশ হৈছিল, ক্ৰীড়া সংক্রান্ত বিষয়ত। নিবোৰ বাবে, প্ৰশংসা বোলা বস্তুটো, অতিশয় মূল্যবান। গতিকে তেওঁ বাইজৰ বিৰুদ্ধে নগৈছিল। বিশেষকৈ, এইবাৰ জুইৰ গ্ৰাসত ৰাজধানী হেৰুউৱা কুপিত জনতাক সন্তুষ্ট কৰিবলৈ, তেওঁ যিমান পাৰে সিমান চেষ্টা কৰিছে। ইয়াৰ বাবে, তেওঁ খৃষ্টিয়ানৰ ওপৰত উৎপীড়ণ চলাইছে, আৰু দুষ্কৰ্মৰ বাবে সিঁহতৰ মূৰতে সকলো দোষ জাপি দিছে।

গতিকে তেওঁ সিংহৰ গড়াল মুকলি কৰি দিবলৈ, সঙ্কেত দিলে; তাকে দেখি জনতা তৎক্ষণাৎ শান্ত হৈ পৰিল।

সিংহ বন্দীকৰি থোৱা লোৰৰ পিঞ্জৰাৰ দুৱাৰ মুকলি হোৱাৰ কৰ্কশ শব্দ আহিল। বিশাল জন্তুবোৰক দেখিয়েই কুকুৰবোৰে উশাহ নিশাহ বন্ধ কৰি, বিনাবলৈ ধৰিলে আৰু মঞ্চৰ ইটো মূৰলৈ লৰ মাৰিলে। পিঙ্গল বৰ্ণৰ প্ৰকাণ্ড গা আৰু লেদলেদকৈ গধুৰ অথবা মূৰ একোটাইতেৰে যেতিয়া সিঁহত এটা এটাকৈ আহি থাকিল, তেতিয়া কুকুৰবোৰ ভয়ত চেপা খাই ব'ল। চিঞাৰেও ক্লান্ত মুখখন, সিঁহতৰ কাণে ধৰালে আৰু ভালকৈ চাবৰ বাবে পান্নাৰ এচকুৱা বিত চকুপাট চকুৰ আগলৈ নিলে। অগষ্টানসকলে সিংহবোৰক চাই চাই বৰ্ণা-নিবলৈ ধৰিলে। জনতাই সিংহৰ সংখ্যা, আঙুলিত গণি চালে, আৰু আঠুঁ-কাঢ়ি থকা খৃষ্টিয়ানইঁতৰ প্ৰতিক্ৰিয়ালৈ আগ্ৰহেৰে লক্ষ্য কৰিবলৈ ধৰিলে। সিঁহতে এতিয়াও বাৰে বাৰে কৈ আছে, "হে খৃষ্ট, তুমি আমাৰ! তুমি আমাৰ!" দৰ্শকবিলাকৰ বহুতৰে বাবে দুৰ্বোধ্য, এবাৰ বাণী! আটাইৰে বাবে বিৰক্তি-কৰো।

সিংহবোৰক অনাহাৰে ৰখা হৈছিল যদিও, বলিবোৰক আক্ৰমণ কৰিবলৈ, সিঁহতে লৰা ধপৰা নকৰিলে। বালিৰ ওপৰত চিকমিকাই থকা ৰঙা পোহৰে চকুত ছাঁটমাৰি ধৰাত, সিঁহতে চকু পিৰিকিয়াবলৈ ধৰিলে। কিছুমানে পিঙ্গল বৰ্ণৰ অঙ্গ প্ৰত্যঙ্গবোৰ দীঘলকৈ মেলি, এঙামুৰি দিলে, আৰু কিছুমানে, মুখ মেলি হামিয়ালে, যেন ইচ্ছা কৰিয়ে, নিজৰ চোকা দাঁতবোৰ দেখুৱাই দিছে। মঞ্চত এতিয়াও সিঁচৰতি হৈ থকা মানুহৰ দেহৰ অংশবোৰৰ গন্ধ ওলাই থকা, তেজৰ গোন্ধে সিঁহতক লাহে লাহে, মতলীয়া কৰি তুলিলে। সিঁহতৰ গতি-

ৰিৰি, চঞ্চল আৰু উত্তেজিত হৈ পৰিল। সিহঁতৰ গাৰ নোম থিয় হল আৰু নাকেৰে ফোঁচ্ ফোঁচ্ শব্দ ওলাবলৈ ধৰিলে। হঠাৎ সিহঁতৰ এটাই, তিৰোতা এজনীৰ শ এটাৰ ওপৰত জপিয়াই পৰিল। আগ ঠেং দুটা শটোৰ ওপৰত থৈ, জন্তুটোৱে, বথলিয়াই নিয়া শালখনত গোটমাৰি থকা তেজবোৰ, কাঁইটীয়া জিভা-খনেৰে চেলেকিবলৈ ধৰিলে। একে সময়তে আন এটাই, হৰিণাৰ ছালেৰে মেৰিওৱা কেচুৱা এটা হাতত লৈ থকা, খৃষ্টিয়ান এজনৰ ওচৰ চাপিল। কেচুৱাটোৱে উচুপি, উচুপি কান্দি, দেউতাকৰ গাত সাৱটি ধৰি কঁপিবলৈ ধৰিলে। দেউতাকেও অলপ সময়ৰ বাবে হলেও, তাৰ প্ৰাণ ৰক্ষা কৰাৰ অভিপ্ৰায়েৰে, তাৰ অকণমান হাতদুখন নিজৰ ডিঙিৰ পৰা একৰাই দিলে আৰু পিচত থকা লগৰীয়াইতৰ হাতলৈ, পোণাটোক পঠিয়াই দিব খুজিলে। কিন্তু শিশুটিৰ চিঞৰৰ বাধৰ আৰু টনা আজোৰা দেখি, সিংহটো অতীষ্ঠ হৈ উঠিল, আৰু অলপ সময় তীক্ষ্ণ গৰ্জ্জন তুলি, হাতোৰাৰে থপৰিয়াই তাক মাৰি চেপেটা কৰি পেলালে। তাৰ পাচত, প্ৰকাণ্ড মুখখন মেলি, বাপেকৰ মূৰটো মুখত ভৰাই, কামুৰি টুকুৰা-টুকুৰ কৰিবলৈ ধৰিলে।

ইয়াৰ পাচত, আটাইবোৰ সিংহ লৰি আহি, জুম বান্ধি থকা খৃষ্টিয়ানসকলৰ ওপৰত জপিয়াই পৰিল। কিছুমান তিৰোতাই, ভয়ত চিঞৰিবলৈ ধৰিলে; কিন্তু দৰ্শকৰ উল্লাসিত প্ৰশংসাৰ ধ্বনিয়ে, সকলো চিঞৰ তল পেলালে। তাল-দৰে চাবৰ কাৰণে, দৰ্শকসকল থিয় দিয়াত হাই উকমিৰ মাজত, প্ৰশংসাৰ ধ্বনিও তল পৰিল। সঁচাকৈয়ে গাৰ নোম শিয়ঁৰি উঠা দৃশ্য এইবোৰ! মুখ গহ্বৰত সম্পূৰ্ণ অদৃশ্য হৈ পৰা মূৰ, একে কামোৰতে ছিঙি নিয়া স্তন, হৃদযন্ত্ৰ আৰু শ্বাসযন্ত্ৰ বাহিৰলৈ ওলাই অহা, বিভৎস দৃশ্য এইবোৰ। ভয়ঙ্কৰ দাঁতেৰে, কৰ, কৰ, কৈ হাড় চোবোৱা শব্দ, সকলোকালে শুনা গল। কিছুমান সিংহই বলিবোৰক গাত বা পিঠিত কামোৰ মাৰি ধৰি, মঞ্চৰ চাৰিওকালে পগলাৰ দৰে জপিয়াই, ঘূৰি ফুৰিবলৈ ধৰিলে,—যেন চিকাৰবোৰ আৰামেৰে ভক্ষণ কৰিবলৈ নিজান ঠাই এডোখৰহে বিচাৰিছে। কিছুমানে নিজৰ ভিতৰতে যুঁজিবলৈ ধৰিলে; পিচৰ ঠেঙত থিয় দি, সিহঁতে মালযুঁজ আৰম্ভ কৰি দিলে আৰু গোটেই ক্ৰীড়াভৱন, গৰ্জ্জনত কঁপাই তুলিলে। দৰ্শক সকলে নিজৰ আসন এৰি, থিয় হল আৰু দৃশ্যবোৰ ভালদৰে উপভোগ কৰিবৰ বাবে, তলৰ শাৰীলৈ নামি গল। ফলত, বহুত মানুহ, গচকত পিঠা হ'ল। কিছুসময়ৰ বাবে, এনে

এটা পৰিস্থিতিৰ সৃষ্টি হ'ল যেন,–উন্মত্ত জনতাৰ গোঁত মঞ্চৰ ওপৰত বাগৰি পৰিব, আৰু সিংহবোৰে সৈতে মিলি, সিহঁতেও খৃষ্টিয়ান সকলক কামুৰি ছিড়ি টুকুৰাটুকুৰ কৰিব। কোনো, কোনো সময়ত, এনে কিছুমান চিঞৰ শুনা গল, যাক মানুহৰ চিঞৰ বুলিব নোৱাৰি। তাৰ পাচত শুনা গল বগসাৰ ধ্বনি! লগে, লগে গৰ্জ্জন, গেঙেৰি, কৰ্‌কৰাই হাড় ভঙাৰ শব্দ আৰু কুকুৰৰ বিকট আৰাৱ শুনা গল। শেষত একমাত্ৰ ৰ'ল,—মানুহৰ যন্ত্ৰণা কাতৰ মাত।

চিজাৰে চকুৰ আগলৈ মৰকতৰ বিত চকুপাট নি, দৃশ্যটো মন দি চালে কিন্তু পেট্ৰোনিয়াচৰ মুখত দেখা গল, অসীম ঘৃণা আৰু বিৰক্তিৰ প্ৰকাশ। ইফালে চিলোকো ক্ৰীড়াভৱনৰ পৰা, বহুত আগতেই অঁতৰাই নিয়া হৈছিল। বাৰে, বাৰে, বন্দীশালৰপৰা নতুন বলি ওলাবলৈ ধৰিলে, বধ্য ভূমিলৈ। আটাইতকৈ ওখ শাৰীত বহি থকা পিটাৰে, ওপৰৰ পৰা সিহঁতলৈ চাই থাকিল। তেওঁক কোনেও দেখা নাই, কাৰণ সকলোৰে দৃষ্টি মঞ্চৰ ওপৰত। অৱশেষত তেওঁ থিয় দিলে, আৰু কৰ্ণেলিয়াচৰ আঙুৰৰ বাগিচাত, যি দৰে মৃত্যুমুখী সকলক, অনন্ত জীৱনৰ প্ৰতিশ্ৰুতি দি, আশীৰ্ব্বাদ দিছিল, সেইদৰে, বন্যজন্তুৰ মুখত পৰি জীয়াতু ভোগা সকলক, তেওঁ এতিয়া ক্ৰুচচিন টোৰে আশীৰ্ব্বাদ দিলে, তেওঁ আশীৰ্ব্বাদ দিলে সিহঁতৰ শোণিতক আৰু সিহঁতৰ যন্ত্ৰণাক। আকৃতিহীন হৈ, দ'মথাই থকা শৰোৰক, আৰু ৰক্ত বঞ্চিত মঞ্চৰ পৰা, উৰ্দ্ধলোকলৈ যাত্ৰা কৰা, বিদেহী আত্মাক তেওঁ আশীষ বৰ্ষণ কৰিলে। আশীৰ্ব্বাদ কৰি থাকোঁতে, কিছুমান শিষ্যই চকু তুলি চালে; সিহঁতৰ মুখ মণ্ডল জ্যোতিৰ্ম্ময় হৈ উঠিল। মৃৰৰ বহু ওপৰত ক্ৰুচ চিন দেখিবলৈ পাই, সিহঁতে মিচিকিয়াই হাঁহিলে। কিন্তু পিটাৰৰ হিয়া ভাগি গল।

"হে প্ৰভু!" তেওঁ প্ৰাৰ্থনা কৰিলে. "তোমাৰ ইচ্ছাই পূৰ্ণ হওক। তোমাৰ মহিমা কীৰ্ত্তন কৰি, পৰম সত্যক আকোৱালি লৈ, মোৰ নিৰীহ শিষ্য দলে আজি মৃত্যু বৰণ কৰিছে। তুমি মোক কৈছিলা, 'মোৰ শিষ্যবৰ্গক প্ৰতিপালন কৰি জীয়াই ৰাখিবা।" হে প্ৰভু, চোৱা, মই সিহঁতক পুণৰ তোমাকে গটাই দিছো। সিহঁতক ওচৰ চপাই লোৱা, সিহঁতক নিজৰ কৰি লোৱা, সিহঁতৰ ক্ষত নিৰাময় কৰা, সিহঁতৰ যন্ত্ৰণাৰ উপশম ঘটোৱা আৰু স্বৰ্গলোকত, সিহঁতক এনে সুখ, এনে শান্তি দিয়া যাতে, তাৰ তুলনাত, পৃথিৱীত ভোগ কৰি যোৱাৰ যন্ত্ৰণা একোৱেই নহয়।"

হঠাৎ চিজাৰৰ কিবা এটা জক উঠিল; ৰোমত কোনোদিনে নোহোৱা কাণ্ড এটা দেখুৱাই, নাম কৰাৰ ইচ্ছা, প্ৰবল হৈ উঠিল, তেওঁৰ মনত। তেওঁ সেনাধিনায়কৰ কাণে, কাণে কিবা কলে। বিষয়াজনে নিজৰ ঠাই এৰি, ততালিকে বন্দীশালৰ ফালে, গল। পুনৰ লোহ কপাট মুকলি কৰি, নানান তৰহৰ অদ্ভুত বৈচিত্ৰ্যপূৰ্ণ জন্তু মঞ্চত মেলি দিয়া দেখি, ৰাইজে তবধ মানিলে। ইউক্ৰেটিচৰ বাঘ, নিউমিদিয়াৰ নাহৰ ফুটুকী বাঘ, ভালুক, কুকুৰ নেছিয়া বাঘ, ঘোঙ আৰু শিয়ালবোৰ দলে, দলে সোমাবলৈ ধৰিলে। সটাকৈয়ে গোটেই মঞ্চ এৰিভয়া, অঁাচ, অঁাচ থকা, ফুটুকা, ফুটুক,—হালধীয়া, বাদামী আৰু হৰিণাৰ দৰে মুগা বৰণীয়া জন্তুৰ চলন্ত দেহেৰে ভৰি পৰিল। বিশাল, ভয়াবহ, জীৱন্ত চাকনৈয়াৰ অদ্ভুত দৃশ্যৰ অৱতাৰণা ঘটিল! মাত্ৰা চেৰাই যোৱা কাণ্ড! জন্তু-বোৰৰ গৰ্জন, চিৎকাৰ আৰু গেঙেৰিৰ মাজত শুনা গল, বিদ্ধুমান ভয়াৰ্ত্ত নাৰী দৰ্শকৰ উন্মাদ অট্টহাস্য। শেষত, ইহঁতৰ স্নায়ুমণ্ডলী একেবাৰে ভাগি পৰিল। প্ৰতিজন দৰ্শকৰে অসহ্য লাগিল, সিহঁতৰ মুখ ক'লা পৰিল, গাত কঁপনি উঠিল। বহুতে সমস্বৰে চিঞৰিলে, "যথেষ্ট হৈছে আৰু নালাগে।"

জন্তুবোৰক মঞ্চলৈ খেদাই অনা সিমান উজু, তাৰ পৰা উলিয়াই নিয়া সিমান উজু নহয়। কিন্তু চিজাৰে এটা কৌশল, উলিয়াই, জন্তুবোৰক খেদি দিয়াৰ লগতে ৰাইজকো নতুন আমোদ দিয়াৰ ব্যৱস্থা কৰিলে। অহা যোৱা কৰা প্ৰতিটো পথত, আৰু আসনৰ শাৰীবোৰৰ মাজত, নিউমিদিয়াৰ নিগ্ৰোদলে হাতত ধনু-কাড় লৈ চাই থাকিল; সিহঁতৰ চুলিত চৰাইৰ পাখি আৰু কাণত কাণ বালা। তৎক্ষণাৎ সকলোৱে বুজিলে, এতিয়া কি ঘটিব। কাড়ী দলক সমৰ্থন কৰি, আটাইবোৰে চিঞৰি অভিবাদন জনালে। সিহঁতে মকৰ বেষৰ কাষলৈ আহি, ধনুত কাড় লগাই, জোৰেৰে গুণ টানি, জন্তুবোৰলৈ টোৱাই, কাড় নিক্ষেপ কৰিবলৈ ধৰিলে। সটাকৈয়ে এটা অভূতপূৰ্ব্ব দৃশ্যৰ অৱতাৰণা হ'ল। আবলুচ্ কাঠৰ দৰে ক'লা আৰু সুগঠিত গাবোৰ পিচলৈ বেঁকা কৰি, ধনুত টঙ্কাৰ দি অবিৰাম ভাৱে কাড় বৰষি থকা মানুহবোৰ, সটাকৈয়ে চাবলগীয়া হৈছিল। ধনুৰ গুণৰ টন্ টন্ শব্দ আৰু পাখিলগা কাড়ৰ সোঁ, সোঁ শব্দেৰে সৈতে, জন্তুৰ চিৎকাৰ আৰু দৰ্শকৰ জয়ধ্বনি মিলিত হ'ল। কুকুৰ নেছিয়া বাঘ, নাহৰ ফুটুকী বাঘ, ভালুক আৰু যি কেইজন মানুহ মঞ্চত জীৱিত অৱস্থাত আছিল, আটাইবোৰ ওচৰাওচৰিকৈ বাগৰি পৰিল। কাড়ৰ খোচ

খাই দুখ পোৱা দুই, এটা সিংহই, যেন ওলাই থকা কোৱাৰী যেজি, উৰি অহা কাড়বোৰ কামুৰি ছিঙি পেলাবলৈ, কেউফালে মুখ ঘূৰালে। যন্ত্ৰণাৰ তীক্ষ্ণ ক্ৰন্দন, কেউদিশে মুখৰিত হ'ল। সক জন্তুবোৰে ভয়ত তত হেৰুৱাই কণাৰ দৰে মঞ্চৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে। মুখেৰে বেৰত খুন্দিয়াই, কিছুমানে বেৰখনৰ লগতে যুঁজিব খুজিলে। কাড়ৰ অবিৰাম বৰ্ষণ লাহে, লাহে বাঢ়িবলৈ ধৰিলে। অৱশেষত, মঞ্চৰ ওপৰত জীয়াই থকা, সকলো প্ৰাণীয়ে মৰণ যন্ত্ৰণাত বাগৰি ছটফটাবলৈ ধৰিলে—।

ইয়াৰ পাচত, শই, শই দাস আহি মঞ্চত সোমাল। ডাঙৰ হেঁতা, সোতা, ঠেলাগাড়ী, নাড়ীভুক গোটাই ভৰাই নিবৰ কাৰণে খাণ্ড আৰু বালিৰ বস্তা আদি সকলো সৰঞ্জাম আনি, সিহঁত কামত ব্যস্ত হৈ পৰিল। চকুৰ পচাৰতে, শবোৰ আঁতৰোৱা হ'ল। তেজ আৰু মল মূত্ৰাদি খান্দি, বালিৰ লগত মিলাই চিন চাব নোহোৱা কৰিলে। গোটেই মঞ্চতে এতৰপ নতুন বালি ডাঠকৈ ছটি-য়াই দিয়া হ'ল। ইয়াৰ পাচত কিউপিদৰ বেশেৰে কিছুমান লওৰা আহি, চাৰিওফালে গোলাপ আৰু লিলি ফুলৰ পাহি ছটিয়ালে। শেষত ধুনাৰ দানিত নতুনকৈ ধুনা দিয়া হ'ল। বেলি পৰি অহাৰ সময় হোৱাত, চন্দ্ৰতাপখনো কোচাই পেলোৱা হ'ল।

তাকে দেখি মানুহবোৰে আচৰিত হৈ ইটোৱে, সিটোৰ মুখলৈ চালে। সিহঁতে নিজকে সুধিলে, আজিৰ দিনটোত আৰু কি নতুন দৃশ্য দেখিবলৈ পাব! কিন্তু এইবাৰৰ দৃশ্যৰ কথা, কোনেও কল্পনাই কৰা নাছিল। অলপ আগতে নিজৰ ঠাই এৰি ওলাই যোৱা চিজাৰে, হঠাৎ আহি, ফুলৰ পাপৰিৰে ভৰা মঞ্চত দেখা দিলে। তেওঁৰ গাত কজলা বঙৰ সাজ আৰু মূৰত সোণৰ মুকুট। পিচে, পিচে আহিল, বাৰজন বাদ্যকৰ, প্ৰত্যেকৰে হাতত একোখন বীণা। কপৰ বীণা হাতত লৈ গহীন খোজেৰে আহি, নিৰোৱে সুবৃহৎ মঞ্চৰ মাজত থিয় দিলে। দৰ্শকৰ আগত কেইবাবাৰো মূৰ দোঁৱাই, তেওঁ উৰ্দ্ধলোকলৈ চকু তুলিলে। এক মুহূৰ্তমান একেটা ভঙ্গীতে তেওঁ স্তব্ধ হৈ ৰ'ল, যেন স্বৰ্গীয় অনুপ্ৰেৰণাৰ বাবে অপেক্ষা কৰিছে। তাৰ পাচত, বীণাৰ তাঁৰত হাত বুলাই, তেওঁ গীত জুৰিলে :

"হে লেটোনা পুত্ৰ (এপোলো)
জ্যোতিৰ্ময় দেৱতা!

হে টেনেডচ্, ক্রিচোচ্ আৰু কিওচৰ পতি!
তোমাৰ দ্বাৰা সুৰক্ষিত, পৰম পবিত্ৰ
ইলিয়ন্ নগৰীক;
তুমিয়ে জানো অৰ্পণ কৰা নাই, আৰ্‌গাইভ
শত্ৰুদলৰ আক্ৰমণৰ মুখত?
তোমাৰ আৰাধনাত জ্বলা নাছিল নে,
পবিত্ৰ মন্দিৰত অনিৰ্ব্বাণ দীপ?
তেন্তে কিয় সেই মন্দিৰ
বলুষিত হৈছিল, ট্ৰয় বাসীৰ বক্তেৰে?
বৃদ্ধলোকে ব্যাকুলভাবে হাত মেলি,
প্ৰাৰ্থনা জনালে তোমাক,
হে ৰূপালী ধনুৰ্দ্ধৰ!
শক্তিৰ আধাৰ!
হিয়া ভগা গোপন অন্তৰৰ
বেদনাৰ চকুলোৰে চৰণ ধুৱাই,
মাতৃসকলে চুলি ছিঙি মিনতি জনালে,
শিশু সন্তানৰ জীৱন ৰক্ষাৰ বাবে,
এই ক্ৰন্দনে পাৰিলেহেঁতেন পাষাণ গলাব!
কিন্তু হে নিষ্ঠুৰ! তোমাৰ সেৱকৰ অন্তৰ বেদনালৈ,
কাণ দিলা জানো তুমি?
হে স্মিন্‌থিয়ান্?
তুমি প্ৰমাণ দিলা,
পাষাণতকৈও কঠিন বুলি!"

লাহে, লাহে গীতটো, দুখ বেদনাৰ ভাব প্ৰকাশক, কৰুণ ৰসত সিক্ত, শোক সঙ্গীতলৈ ৰূপান্তৰিত হ'ল। ক্ৰীড়া ভৱনত সম্পূৰ্ণ নিস্তব্ধতা বিৰাজ কৰিলে। অলপ পাচত স্বয়ং চিজাৰেই শোকাভিভূত হৈ, গাবলৈ ধৰিলে,

"তোমাৰ স্বৰ্গীয় বীণাৰ
সুমধুৰ লয়েও নোৱাৰিলে তল পেলাব,

সিদিনাৰ শোকৰ বিননি।
যদিও তোমাৰ গীতৰ কাকন্যাই,
শিশিৰ সিক্ত ফুলৰ দৰে
নয়ন সিক্ত কৰে।
দুখ বেদনাৰ দিনৰ স্মৃতি
মোহাৰিব পাৰিবনে কোনোবাই?
অগ্নিৰ ধ্বংসলীলা, ছাই আৰু ধূলিময়
সেই দিনৰ স্মৃতি?
হে স্নিন্থিয়ান! হে জ্যোতিষ্মান!
এই মহা সঙ্কট কালত,
তুমিনো লুকালা ক'ত?"

এইখিনিতে চিজাৰৰ মাত কঁপি উঠিল। চকু সজল হ'ল। ভেষ্টা মন্দিৰৰ কুমাৰীসকলেও চকুলো টুকিলে। মুহূৰ্তলৈ সকলো স্তব্ধ হৈ ৰ'ল। তাৰ পাচত, বহুসময়লৈ অবিৰাম গতিত যশগীতৰ ধুমুহা বলৈ ধৰিলে। সকলো শব্দ ভেদ কৰি, ঠেলা গাড়ীবোৰৰ কিৰ্‌কিৰ্‌ শব্দ উঠিল। এইবোৰ গাড়ীতে, খৃষ্টিয়ান পুৰুষ, নাৰী আৰু শিশুৰ ৰক্তাক্ত দেহাৱশেষ, বাহিৰত দমাই থোৱা ঠাইৰ পৰা কঢ়িয়াই নিয়া হৈছে, গাতত পুতিবৰ কাৰণে।

ইমান সময়ে, ধৰ্ম্মযাজক পিটাৰে নিজৰ কম্পিত, বৃদ্ধ মস্তক হাতৰ মাজত হেঁচি ধৰি, আত্মাৰ যন্ত্ৰণাত চিঞৰি আছিল, "হে প্ৰভু! হে প্ৰভু! তেন্তে তুমি জগতৰ শাসন ভাৰ, কাৰ হাতত অৰ্পণ কৰি গলা? এই নগৰত, কেতিয়া স্থাপন হ'ব, তোমাৰ ৰাজধানী?"

॥ ১৫ ॥

বেলি মাৰ যোৱাৰ পাচত, গধূলিৰ ছাঁ যেতিয়া নামি আহিল, তেতিয়া, ক্ৰীড়াভৱনৰ খেলো শেষ হ'ল। জনতা প্ৰৱেশ পথেদি ৰাজপথলৈ ওলাল। অৰুণ অগষ্টান সকলেহে, জনস্ৰোত কমালৈ বাট চাই ৰৈ থাকিল। তাৰ পাচত, তেওঁলোকে নিজৰ আসন এৰি, দল পাতি গৈ সম্ৰাট বহা ঠাইৰ চাৰিওফালে গোট খালে। চিৰাচৰিত নিয়মত, প্ৰশংসাৰ বাণী শ্ৰৱণ কৰিবলৈ, চিজাৰো তালৈ উলটি আহিছিল। যদিও বাইজে প্ৰশংসা নকৰাকৈ থকা নাছিল, তথা-

পিও, নিৰোক অসন্তুষ্টিৰ ভাব লৈ থকা দেখা গল। কাৰণ তেওঁ আশা কৰিছিল, প্ৰজাবিলাকে অভূতপূৰ্ব্ব উদ্দীপনা প্ৰকাশ কৰিব, আশা কৰিছিল, যশস্যা গীতিৰ উন্মাদনাত গোটেইখন তোলপাৰ লাগিব। অশ্বটানসকলে মিছাকৈয়ে উচ্চকণ্ঠে শলাগিলে, মিছাকৈয়ে ভেষ্টা মন্দিৰৰ কুমাৰীসকলে তেওঁৰ পবিত্ৰ হাতত চুমা খালে, মিছাকৈয়ে ব্ৰতচাৰিণী কত্ৰিয়াই তেওঁৰ বুকুখনৰ নিচেই কাষত নিজৰ সোণালী মস্তক নত কৰি, অভিনন্দন জনালে। নাই, তেওঁ সন্তুষ্ট হোৱা নাই। বিশেষকৈ, পেট্ৰোনিয়াচৰ মৌনতাই তেওঁক বিৰক্ত কৰিলে। সেই মুহূৰ্ত্তত পেট্ৰো-নিয়াচৰ মুখৰ পৰা এটা মাত্ৰ শব্দ, অৰ্থাৎ প্ৰশংসাৰ এটা মাত্ৰ শব্দ শুনা হলে, নিৰো কৃতাৰ্থ হলহেঁতেন। প্ৰাৰ্থনা গীতৰ গুণাগুণ পেট্ৰোনিয়াচৰ মুখত শুনিবলৈ নাপাই, অৱশেষত ব'ব নোৱাৰি, নিজেই তেওঁক ইঙ্গিত দিলে, এধাৰ কবলৈ।

"তুমি কিয় একো নোকোৱা?"

"কাৰণ প্ৰকাশ কৰিবলৈ ভাষা নাই মোৰ।" পেট্ৰোনিয়াচে শীতলভাৱে জনালে।

"আপুনি এইবাৰ সকলোকে চেৰ পেলালে।"

"মোৰো সেয়ে মত। কিন্তু এই মানুহবোৰে,—"

"এনেকুৱা বিজতৰীয়া ইতৰ মানুহে কবিতাৰ বিচাৰ কৰাৰ আশা কৰে কেনেকৈ?"

"তেন্তে তুমিও লক্ষ্য কৰিছিলা, মই যিভাৱে প্ৰশংসা পাব লাগিছিল, সেইভাৱে পোৱা নাই।"

"সময় উপযোগী নহল বাবে।"

"কিয় নহল?"

"কাৰণ, তেজৰ গোন্ধত উশাহ নিশাহ বন্ধ হোৱা মুহূৰ্ত্তত, কাণদুখনৰ শ্ৰেষ্ঠ ব্যৱহাৰ হোৱা সম্ভৱ নহয়।"

নিৰোৱে হাতখন মুঠি মাৰি কৈ উঠিল, "উঃ! এই খৃষ্টিয়ানবোৰ! সিহঁতে বোমত জুই দিয়েই ক্ষান্ত হোৱা নাই। এতিয়া মোকো আক্ৰমণ কৰিব খুজিছে! সিহঁতক দিবলৈ আৰু কি শাস্তি উলিয়াব পাৰি?"

পেট্ৰোনিয়াচে বুজিলে, কথা বিষম। অলপ আগলৈ হাউলি, তেওঁ লাহেকৈ কলে, "আপোনাৰ গীত অপূৰ্ব্ব সুন্দৰ হৈছিল। কিন্তু এটা কথা মই মন কৰিছো, কব পাৰোনে? গীতৰ তৃতীয় পংক্তিৰ চতুৰ্থ শাৰীটো খোকোজা লগা হৈছে।"

অতি নিকৃষ্ট পাপত লিপ্ত হৈ, ধৰা পৰাৰ দৰে হল, নিৰোৰ মুখৰ অৱস্থা। লাজত তেওঁৰ মুখে কজলা বৰ্ণ ধৰিলে। আতঙ্কত চাৰিওফালে চাই, তেওঁ ফুচ্‌ফুচাই কলে, "তুমি, তুমি সকলো মন কৰা। মই বুজিছো, তুমি কি কৈছা। মই শেষৰ শাৰী নতুনকৈ লেখিম। আৰু কোনোবাই কথাটো ধৰিব পাৰিছে-নেকি? তুমি নিশ্চয়কৈ জানানে, আৰু কোনেও মন কৰা নাই বুলি? যি কি নহওক, মই তোমাক মিনতি কৰিছো, দেৱতাসকলৰ শপত দিছো, আৰু কাকো যেন কথাটো নোকোৱা। নজনাবা, নোৱাৰা জনাব, যদিহে নিজৰ জীৱনৰ মূল্য বুজা।"

পেট্ৰোনিয়াচে কপাল কোচালে, আৰু নিৰ্ব্বিকাৰ, ভাগৰুৱা মনৰ ভাব, অকুণ্ঠ-ভাৱে প্ৰকাশ কৰি কলে, "স্বৰ্গদেউ ঈশ্বৰ! যদি মই আপোনাক অসন্তোষ দিছো, তেন্তে মোক ততালিকে মৃত্যুদণ্ড দিয়ক। কিন্তু অনুগ্ৰহ কৰি মোক মৃত্যুভয় দেখুৱাই নাথাকিব। মৃত্যুলৈ ভয় কৰা মানুহ নহওঁ মই!" তেওঁ পোণে, পোণে নিৰোৰ মুখলৈ চালে।

"তুমি এনে ভাব মনলৈকে নানিবা।" শেষত চিঞৰে ক'লে "মই তোমাক কিমান ভাল পাওঁ, সেই কথা তুমি জানা।"

"এইটো এটা অশুভ লক্ষণ।" পেট্ৰোনিয়াচে মনতে ভাবিলে।

"তদুপৰি," চিঞৰে কবলৈ ধৰিলে, "আজি তোমাক নৈশ ভোজলৈ নিমন্ত্ৰণ কৰাৰো ইচ্ছা আছিল। কিন্তু তাতকৈ, আজি ঘৰৰ ভিতৰত সোমাই, সোমাই কবিতাটোৰ সেই আপদীয়া শাৰীটো নতুনকৈ ৰচনা কৰাহে ভাল হ'ব। তাকে নকৰিলে, তোমাৰ বাহিৰেও, আন কোনোবাই ভুলটো ধৰিব পাৰে। হয়তো চেনেকাই, অথবা চিকানদাচ্ কেৰিনাচে। পিচে মই দুয়োটাকে শীঘ্ৰে শেষ কৰি থম বুলি ভাবিয়েই থৈছো।"

ইয়াকে কৈ, তেওঁ চেনেকাক ওচৰলৈ মতাই আনি জনালে যে, অলপ দিনৰ ভিতৰতে, এক্ৰাটাচ্ আৰু চিকানদাচ্ কেৰিনাচৰে সৈতে, তেওঁক দেশ ভ্ৰমণৰ বাবে পঠোৱা হ'ব। তেওঁলোকে, বিভিন্ন নগৰ, গাওঁ আৰু সুপ্ৰসিদ্ধ মন্দিৰবোৰৰ পৰা, অৰ্থ সংগ্ৰহ কৰি আনিব লাগিব। চেনেকাই বুজিলে, ই লুণ্ঠন, পাপ, আৰু উৎপীড়নৰ অভিযানৰ বাহিৰে আন একো নহয়। তেওঁ স্পষ্টভাৱে অস্বীকাৰ কৰিলে যাবলৈ।

"নহয় প্ৰভু," তেওঁ কলে, "মই গাওঁৰ ঘৰলৈ গৈ এতিয়া মৃত্যুৰ বাবেহে অপেক্ষা কৰিব লাগে। মই বুঢ়া হলো, মোৰ স্নায়ুবোৰ দুৰ্ব্বল হৈ আছিছে।"

কিন্তু প্ৰকৃততে কবলৈ গলে, স্নায়বিক দুৰ্ব্বলতা তেওঁৰ থাকিব নোৱাৰে, কাৰণ তেওঁ আইবেৰীয়াৰ মানুহ। চিলোৰ দৰে মানুহতকৈ, তেওঁৰ স্নায়বিক শক্তি এতিয়াও বেচি। তেওঁৰ স্বাস্থ্যহে পৰি আছিছে। শুকাই, খীনাই, তেওঁ আগৰ ছাঁটো যেন হৈছেগৈ। মূৰৰ চুলি পকি বগা হৈ পৰিছে।

নিৰোৱে বৃদ্ধলৈ চাই ভাবিলে, যি কি নহওক এই মানুহটোৱে সৰহ দিনলৈ মস্কিল নঘটায়।

"বেচ," তেওঁ কলে, "আপুনি অসুস্থ গতিকে মই আপোনাক দীঘলীয়া ভ্ৰমণৰ কষ্টলৈ নপঠাওঁ। মই আপোনাক ভাল পাওঁ বাবে, নিজৰ ওচৰতে সদায় ৰাখিব খোজো। গতিকে আপুনি ঘৰৰ ভিতৰতে সোমাই থাকিব আৰু কেতিয়াও বাহিৰলৈ নোলাব।"

তাৰ পাচত, উচ্চকণ্ঠে হাঁহি, তেওঁ পুণৰ কলে, "যদি মই এক্ৰাটাছ্ আৰু কেৰিণাচক অকলে পঠিয়াই দিওঁ, তেন্তে ভেড়া ধৰিবলৈ দুটা কুকুৰনেছিয়া বাঘ পঠিওৱাৰ দৰে হ'ব। ইহঁতৰ মুৰব্বী হিচাবে, মই কাক পঠিয়াব পাৰো?"

"হে প্ৰভু! মোক পঠিয়াওক।" ডোমিটিয়াচ্ এফাৰে কলে।

"হব নোৱাৰে," চিজাৰে উত্তৰ দিলে, "ৰোমৰ ওপৰত মাৰ্কিউৰি দেৱতাৰ অভিশাপ মই নিবিচাৰো। তোমাৰ শঠতা আৰু উচ্ছৃঙ্খলিয়ে দেৱতাসকলক নিশ্চয় বিৰক্ত কৰি তুলিব। মই কোনোবা ষ্টোইক দাৰ্শনিকহে বিচাৰিছো, পঠিয়াবলৈ। চেনেকা আৰু মোৰ নতুন বন্ধু চিলোহে ঠিক হলহেঁতেন।"

ইয়াকে কৈ, তেওঁ চাৰিওফালে চাই সুধিলে, "চিলো বোলা দাৰ্শনিকটোৰ খবৰ কি?"

অলপপৰ মুৰ্কলি বতাহলৈ ওলাই গা টঙাই, চিলোৱে যথা সময়ত ক্ৰীড়া ভৱনলৈ উলটি গৈ, এপোলোৰ উদ্দেশ্যে নিবেদন কৰা প্ৰাৰ্থনা গীতটো শুনিছিল। এতিয়া সি চিজাৰৰ কাষলৈ আহি জনালে, "মই ইয়াতে আছো, হে চন্দ্ৰ, সূৰ্য্যৰ জ্যোতিৰ্ম্ময় বংশধৰ! মই অসুস্থ হৈ পৰিছিলো; কিন্তু আপোনাৰ সঙ্গীতে মোক সুস্থ কৰি তুলিলে।"

"তেন্তে মই তোমাক একিয়ান্সকলৰ ওচৰলৈ পঠিয়াম।" চিজাৰে কলে, "হয়তো তেওঁলোকৰ প্ৰতিটো মন্দিৰৰ ধন সম্পদৰ পৰিমাণ, তুমি চেচ্টাৰ-টিয়াচলৈকে হিচাব কৰি উলিয়াব পাৰিবা।"

"হে জিউচ্! আপুনি কোৱা মতে কাম হওক।" চিলোৱে উত্তৰ দিলে, "আপুনি চাব, দেৱতাসকলে আপোনাক ইমান বেচি অৰ্থ সম্পদ দান কৰিব যে, আজিলৈকে তেওঁলোকে কোনো মানুহকে সিমান দিয়া নাই।"

"উত্তম কথা। কিন্তু তোমাক খেল চোৱাৰ পৰা বঞ্চিত কৰিবলৈ, মই খুব বেয়া পাম।"

"হে, বা-আ'ল দেৱতা!" চিলোৱে আৰম্ভ কৰিলে; কিন্তু পিচৰ কথাখিনি অগষ্টানসকলৰ হাঁহিত বুৰ গল। সম্রাটৰ মনৰ প্ৰফুল্লতা পুণৰ উলটি অহাত, তেওঁলোকে সকাহ পোৱাদি পাইছিল।

"হয় প্ৰভু," তেওঁলোকে কলে, "এই নিৰ্ভীক গ্ৰীকটোক খেল চোৱাৰ পৰা বঞ্চিত নকৰিব।"

"হে প্ৰভু," চিলোৱে উত্তৰ দিলে, "আন নহলেও, এই দুৰাচাৰইতক মোৰ চকুৰ আগৰপৰা আঁতৰাই পঠিয়াওক। কেপিটোলৰ এই ৰাজহাঁহবোৰক বাহলৈ কওক। ইহঁত আটাইমখাৰে মগজু উলিয়াই একেলগ কৰিলে, ওক গছৰ গুটিৰ খোল এটাও নভৰে। হে ফিবাচৰ প্ৰথম সন্তান! আপোনাৰ সন্মানাৰ্থে, এটি গ্ৰীক প্ৰাৰ্থনা গীত ৰচনা কৰিবৰ মন গৈছে। এই বাবে মই কবিতাৰ অধিষ্ঠাত্ৰী দেৱীৰ মন্দিৰত কিছুদিন থাকিব খোজো, দেৱীৰ প্ৰসাদ লাভ কৰিবৰ বাবে।"

"নহয়, নহয়," চিজাৰে চিঞৰি কলে, "খেলৰ বাকী অংশ যাতে চাব লগা নহয়, তাৰ বাবে এই ফন্দী! হ'ব নোৱাৰে চিলো, হ'ব নোৱাৰে।"

"হে প্ৰভু, মই শপত খাই কৈছো, প্ৰাৰ্থনা গীত ৰচনাৰ সুখ উপভোগ কৰিব খোজো মই।"

"তেন্তে তুমি ৰাতি লেখিবা। ফিবাচৰ ভনীয়েক, ডায়েনাৰ অনুপ্ৰেৰণাকে বিচাৰা।"

চিলোৱে মুৰ দোঁৱালে, আৰু লগতে, হাঁহি থকা অগষ্টানবোৰলৈ অগ্নি দৃষ্টি নিক্ষেপ কৰিলে। সম্রাটে এইবাৰ চেনেচিও আৰু চুলিয়াচ্ নেকজিনাচলৈ উলটি চাই কলে, "আজিৰ ক্ৰীড়া প্ৰদৰ্শনৰ বাবে আচুতীয়াকৈ থোৱা খৃষ্টিয়ান-বোৰৰ ভিতৰত, মাত্ৰ আধাখিনিহে কামত লাগিল নেকি?"

ক্ৰীড়া বিষয়ত পটু, বৃদ্ধ একুইলাচ্ ৰেগুলাচে অলপ চিন্তা কৰি চাই কলে, "যিবোৰ দৃশ্যত, অস্ত্ৰহীন অপটু মানুহে অংশ লয়, সেইবোৰ শেষ হবলৈ বহুত সময় লাগে। এনে দৃশ্যৰ আকৰ্ষণীয়তাও কম।"

"তেন্তে," চিজাৰে কলে, "পাচত মই ইইতৰ হাতত অস্ত্র দিম।"

ইয়াকে শুনি, কুসংস্কাৰপূর্ণ ভেচ্‌টিনাচে হঠাৎ তাৰ বাজ্যৰ পৰা সাৰ পাই উঠি, বহস্যৰ ভাবত সুধিলে, "আপোনালোকে মন কৰিছেনে, মৃত্যুৰ আগ মুহূর্ত্তত, এই খৃষ্টিয়ানবিলাকে যেন কিবা অদৃশ্য বস্তু দেখিবলৈ পায়! সিহঁতে উৰ্দ্ধলৈ দৃষ্টি ৰাখি, যন্ত্রণাহীন মৃত্যু বৰণ কৰে। সিহঁতে যে কিবা দেখে, সেই কথা মই নিশ্চয়কৈ জানিছো।"

কথা কৈ থাকোঁতে, তেওঁ ক্রীড়াভৱনৰ ওপৰত থকা ফাঁকেদি চাই পঠিয়ালে। নিশাৰ অগনন নক্ষত্রই তাত চন্দ্রতাপ তৰি দিছে। সঙ্গীবৃন্দই উচ্চ হাঁহিৰে প্রত্যুত্তৰ দিলে, আৰু লগতে খৃষ্টিয়ানসকলৰ দিবা স্বপ্ন সম্বন্ধে, নীচ মন্তব্য কৰিবলৈ ধৰিলে। এইবাৰ চিজাৰে, হাতত জোৰ বাতি লৈ থকা দাস কেইটাক ইঙ্গিতেৰে মাতিলে। তাৰ পাচত, ভেষ্টা মন্দিৰৰ দেৱদাসী, চিনেটৰ সভ্য, অগষ্টান আৰু অন্যান্য ৰাজ কৰ্মচাৰীবৰ্গৰে সৈতে, তেওঁ ক্রীড়া-ভৱন ত্যাগ কৰিলে।

নিশাটো অমল মৃদু কিৰণেৰে ভৰা। ক্রীড়াভৱনৰ বাহিৰত এদল মানুহে চিজাৰ ওলাই যোৱা চাবলৈ ৰৈ আছে; কিন্তু সকলো বিমর্ষ আৰু নির্ব্বাক। চিজাৰক দেখি, শীতলভাৱে জয়ধ্বনি দি, সকলো পুণৰ নিমাত হল।' স্পোলিয়াৰিয়াম'ৰ পৰা (মৰাশ দমাই থোৱা ঠাই) তেজেৰে ৰাঙলী খৃষ্টিয়ানৰ দেহাৱশেষ ভৰাই নিয়া গাড়ীবোৰ, এতিয়াও লানি নিছিগাকৈ আহি আছে।

পেট্রোনিয়াচ আৰু ভিনিকিয়াচে নীৰৱে ঘৰলৈ যাত্রা কৰিলে। যেতিয়া নিজৰ ঘৰৰ চৌহদৰ ওচৰ পালেহি, তেতিয়াহে পেট্রোনিয়াচৰ মুখত কথা ওলাল।

"মই তোমাক কোৱা কথা ভাবি চাইছানে?"

"হয়," ভিনিকিয়াচে উত্তৰ দিলে।

"তুমি জানিছানে, চিজাৰ আৰু টাইগেলিনাচৰ দৰে পৰাক্রমী শত্রু থকা সত্ত্বেও, লিজিয়াক ৰক্ষা কৰিবলৈ, মইও এতিয়া জীৱন মৰণ পণ কৰিছো। মই ভাবো সংগ্রামত মই জয়ী হ'ব, এই খেলত মই জিকিমেই,—জীৱন দি হলেও জিকিম। মোৰ উদ্দেশ্য নিশ্চয় সফল হ'ব।"

"খৃষ্টই তোমাৰ শ্রীবৃদ্ধি কৰক।"

"বাৰু চাবা, সঁচানে মিছা।"

কথা পাতি আহি থাকে তেই দোলা চোহদত ব'লহি। দুয়ো নমাৰ লগে, লগে এটা ক'লা মূর্ত্তি ওচৰ চাপি আহিল।

"এইয়া মহান ভিনিকিয়াচ হয় নে ?" মূর্ত্তিটোৱে সুধিলে।

"হয়" বিচাৰপতিজনে কলে, "তোমাক কি লাগে ?"

"মই মিৰিয়ামৰ পুতেক নাজাৰাচ। মই লিজিয়াৰ সংবাদ লৈ, বন্দীশালৰ পৰা আহিছো।"

যুবকৰ বাহুত গোটেই গাৰ ভৰ দি, জোৰৰ পোহৰত একেথিৰে তালৈ চাই, মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰি, ভিনিকিয়াচ বৈ গল। কিন্তু নাজাৰাচে বুজিলে, বিচাৰপতিৰ ওঁঠৰ আগলৈ আহি কঁপি কঁপি বৈ যোৱা, প্ৰশ্নটো কি।

"হয়, তেওঁ জীয়াই আছে।" সি কলে, "উৰচাচে মোক জনাইছে যে, ভুল বকি থকা অৱস্থাত, ভগৱানক প্ৰাৰ্থনা কৰোতে, তেওঁ প্ৰায়ে আপোনাৰ নাম উচ্চাৰণ কৰে।"

"খৃষ্টৰ জয় হওক।" ভিনিকিয়াচে কলে, "এক মাত্ৰ তেওঁহে লিজিয়াক উদ্ধাৰ কৰি, মোৰ হাতত দিব পাৰিব।"

তাৰ পাচত, তেওঁ নাজাৰাচক পড়া কোঠালৈ লৈ গল। পেট্ৰোনিয়াচো আহি তাত লগ থালে।

"ৰোগটোৱে তেওঁক উৎপীড়নৰ পৰা ৰক্ষা কৰিলে।" নাজাৰাচে কবলৈ ধৰিলে, "গাত বেমাৰ লাগে বুলি, দুৰ্বৃত্তইত ভয়তে আঁতৰিল। উৰচাচ আৰু গ্লকাচ বৈদ্যই, তেওঁক দিনে, নিশাই, শুশ্ৰূষা কৰি আছে।"

"বন্দীপাল আগৰ কেইটাই আছে নেকি ?"

"হয় প্ৰভু! তেওঁ এতিয়াও সিইত থকা কোঠাটোতে আছে। পোতাশালত থকা খ্ৰীষ্ট সকলৰ ভিতৰত, এজনো জীয়াই থকা নাই, আটাইবোৰৰে জ্বৰত বা উশাহ, নিশাহ বন্ধ হৈ, মৃত্যু ঘটিছে।"

"তুমি কোন ?" এইখিনিতে পেট্ৰোনিয়াচে প্ৰশ্ন কৰিলে।

"মোক মহান ভিনিকিয়াচে ভালদৰে চিনি পায়।" যুবকে উত্তৰ দিলে, "যি গৰাকী বিধবাৰ লগত লিজিয়া আগতে আছিল, মই তেওঁৰে লৰা।"

"তুমি খৃষ্টিয়ান নহয় জানো ?"

যুবকে লজ্জিতভাৱে ভিনিকিয়াচলৈ চালে। কিন্তু তেওঁক প্ৰাৰ্থনাৰত যেন দেখি, মূৰ তুলি উত্তৰ দিলে,

"হয়।"

"তেন্তে তুমি কি কৌশলেৰে বন্দীশাললৈ গলা ?"

"মৰাশ আতঁৰাই নিয়া কাম লৈ সোমালোঁ। ভ্ৰাতৃসকলক সহায় কৰা, আৰু তেওঁলোকৰ বাতৰি লোৱাৰ উদ্দেশ্যে।"

পেট্ৰোনিয়াচে যুৱকৰ সুন্দৰ মুখ, নীলা চকু, আৰু ডাঠ ক'লা চুলিখিনি লক্ষ্য কৰি সুধিলে, "বন্ধু ! তুমি কোন দেশৰ পৰা আহিছা ?"

"প্ৰভু, মই গেলিলিৰ মানুহ।"

"লিজিয়াক মুক্ত কৰিব খোজানে তুমি ?"

"হয়, মোৰ জীৱন দি হলেও, তেওঁক মুক্ত কৰিব খোজোঁ।"

"তেন্তে," ভিনিকিয়াচে মাত লগালে, "বন্দীপালইতক কোৱা গৈ তেওঁৰ মৃত্যু হৈছে বুলি। তেওঁক কফিনত শুৱাই দি, তুমি নিজে কিছুমান মানুহ বিচাৰি আনি, ৰাতিৰ ভিতৰতে কফিনটো উলিয়াই নিয়াৰ ব্যৱস্থা কৰা। মৰাশ পোতা গাঁতবোৰৰ ওচৰত, তুমি, দোলা লৈ অপেক্ষা কৰি থকা আন কিছুমান মানুহ দেখিবলৈ পাবা। ইইতৰ হাতত তুমি কফিনটো দি দিবা। তাৰ পাচত, প্ৰতিটো বন্দীপালকে মোৰ হৈ কবা যে, সিহঁতৰ জেপ মই স্বৰ্ণ মুদ্ৰাৰে ভৰাই দিম।"

কথা কৈ থাকোঁতে, ভিনিকিয়াচৰ মুখত কিছুদিনৰ আগৰপৰা সততে প্ৰকট হোৱা জড়তাৰ ভাব, সম্পূৰ্ণ লোপ পালে। তেওঁৰ প্ৰাণলৈ সৈনিকৰ উদ্দীপনা পুনৰ উলটি আহিল। আশাৰ ৰেঙণিয়ে তেওঁৰ অন্তৰ পোহৰ কৰিলে।

নাজাৰাচে হাত দুখন ওপৰলৈ তুলি চিঞৰি কলে, "খৃষ্টই তেওঁৰ স্বাস্থ্য ঘূৰাই দিয়ক। তেওঁ নিশ্চয় মুক্ত হব।"

"বন্দীপালইতে কথাটো ভাল পাবনে ?" পেট্ৰোনিয়াচে সুধিলে।

"পাব।" ভিনিকিয়াচে উত্তৰ দিলে, "ইতিমধ্যে সিহঁতে তেওঁক পলাবলৈ সুবিধা দিব খুজিছেই। মৰাশ বুলি উলিয়াই পঠিয়ালে, সিহঁতৰ কাম উজু হ'ব।"

"জ্বৰত লো গাত লগাই, মৰানে জীয়া পৰীক্ষা কৰা মানুহ এটা আছে সঁচা," নাজাৰাচে কলে, "কিন্তু কেইটামান চেচ্‌টাৰছি পালেই সি মুখত জ্বৰত লো নলগায়। এভোথৰ সোণ পালেতো কথাই নাই। তেতিয়া সি গাত জ্বৰত লো নলগাই, ওপৰৰ ঢাকনি থলত হে লগাব।"

"ডাক ক'বা", ভিনিকিয়াচে কলে, "এনোনা লোণ পাব সি। কিন্তু পিচব কামখিনিব কাৰণে, বিশ্বাসযোগ্য মানুহ পাবানে ?"

"হয়। বিচাৰিলে, নিজৰ লবা ভিৰোতা বেচিবলৈ প্ৰস্তুত থকা, মানুহো পোৱা যায়। এবাৰ ভেটা থাই থলে, যাকে আনি ভিতৰত সুমুৱাব খোজা তাকে সোমাবলৈ দিব।"

"সেয়ে যদি হয়, তোমাৰ মানুহ কেইটাৰ লগত মোকো সাঙুৰিব নোৱাৰিবানে?" ভিনিকিয়াচে কলে। কিন্তু পেট্ৰোনিয়াচে বাধা দিলে। কাৰণ, ৰজাৰ নিৰাপত্তাৰক্ষী সেনাই, ভিনিকিয়াচক চিনি পাব। তেতিয়া সকলো পণ্ড হ'ব।

"তুমি বন্দীশালৰ বা কবৰ দিয়া ঠাইৰ ওচৰ নাচাপিবা।" তেওঁ কলে, "প্ৰতিটো মানুহকে, বিশেষকৈ চিজাৰ আৰু টাইগেলিনাচক জনাব লাগিব যে, তাইৰ মৃত্যু হ'ল। নহলে ইহঁতে তৎক্ষণাৎ তাইক পুনৰ বিচাৰি হুলস্থুল লগাই দিব। সন্দেহ দূৰ কৰাৰ একমাত্ৰ উপায় হ'ল, আমি নিজে ৰোমত থাকি, তাইক আলবান্ পাহাৰলৈ আঁতৰাই পঠিওৱা। দুই এক সপ্তাহৰ পাচত, তুমিও বেমাৰ পৰি নিৰোৰ চিকিৎসকজনক মতাই আনিবা। তেওঁ তোমাকো পাহাৰলৈকে যাবলৈ কৈ ব্যৱস্থাপত্ৰ দিব। তাত তুমি তাইৰ লগ লাগিবাপে। তেতিয়া—"

এইখিনিতে পেট্ৰোনিয়াচে অলপ বৈ ভাবিলে। তাৰ পাচত প্ৰসঙ্গটো শেষ কৰাৰ দৰে মুখভঙ্গী কৰি কলে, "বাক, তেতিয়ালৈ হয়তো সময়ে ভিন ৰূপ লব।"

"খ্ৰীষ্ট যেন তেওঁক কৃপা কৰে।" ভিনিকিয়াচে কলে, "তেওঁ অসুস্থ ; গতিকে আঁতৰাই নিয়াৰ সময় ছোৱাতে সকলো শেষ হ'ব পাৰে।"

"প্ৰথম অৱস্থাত, আমি তাইক ওচৰতে ক'ৰবাত লুকুৱাই থম। নিৰ্মল বতাহে, তাইক আৰোগ্য কৰিব। আলবান্ পাহাৰত তোমাৰ এনে কোনো খেতিয়ক বায়ত নাইনে, যাক তুমি বিশ্বাস কৰিব পাৰা ?"

"হয়, আছে।" ভিনিকিয়াচে উত্তৰ দিলে, "কোৰিওলা নামৰ পাহাৰী ঠাইৰ কাষত, এটা মানুহ আছে। সৰুতে সি মোক কোলাত লৈছিল, এতিয়াও মোক অতি আপোন জ্ঞান কৰে।"

পেট্ৰোনিয়াচে ফলি এখন আগবঢ়াই দি কলে, "এই মানুহটোলৈ লেখা। আৰু কাইলৈ তাক ইয়ালৈ আহিবলৈ কোৱা। মই কটকীৰ হাতত চিঠিখন পঠিয়াই দিম।"

কেইমিনিটমানৰ ভিতৰতে, এজন কটকীয়ে যোঁৰা চেকুৰাই কোৰিওলালৈ যাত্ৰা কৰিলে।

যোৱাৰ আগতে নাজাৰাচে ভিনিকিয়াচক একাষলৈ মাতি নি মনে, মনে কলে, "আমাৰ এই ব্যৱস্থাৰ কথা, মই কাকো নজনাওঁ, আনকি মাকো নকওঁ। কিন্তু ক্ৰীড়া ভৱনৰ পৰা ধৰ্ম্মগুৰু পিটাৰ আমাৰ তালৈ যোৱাৰ কথা আছে। আমাৰ আচনিখন তেওঁক গোপনে জনাবলৈ ইচ্ছা কৰিছো।"

"তুমি নিৰ্ভয়ে সকলো কৰ পাৰা।" ভিনিকিয়াচে উত্তৰ দিলে। "পেট্ৰোনিয়াচৰ দাসবোৰৰ লগত গুৰুদেৱ ক্ৰীড়াভৱনত বহি আছে। মই নিজে তোমাৰ লগত যাম।"

ঢিলা চোলা এটা গাত সুমুৱাই, তেওঁ নাজাৰাচৰ লগত ওলাই গল।

অকলশৰীয়া হৈ পেট্ৰোনিয়াচে দীঘলকৈ উশাহ ললে।

"আহ্‌! এহেনোবাৰ্‌বাচ্‌।" তেওঁ আপোন মনে কলে, "প্ৰেমিকৰ যন্ত্ৰণা চাই, তই চকুৰ তৃপ্তি সাধন কৰিব খুজিছ, নহয়নে? অগষ্টা! তই প্ৰথমে হিংসাত জ্বলি, পুৰি মৰিছিলি, এই ছোৱালীজনীৰ ৰূপ দেখি। এতিয়া তই তাইক জীয়াই জীয়াই খাব খুজিছ, তোৰ কফিয়াচ্‌ মৰি গল কাৰণে। আৰু টাইগেলিনাচ! তই তাইক ধ্বংস কৰিব খুজিছ, মোৰ ওপৰত পোতক তুলিবলৈ, নহয়নে? বেচ, মই তোক আৰু প্ৰত্যেককে জনাই থলো, তাই ক্ৰীড়া মঞ্চত দেখা নিদিয়ে। তহঁত আটাইমথাৰ হাতৰপৰা, মই তাইক ইমান বঢ়িয়াকৈ কাঢ়ি নিম যে, তহঁতৰ সকলো অভিসন্ধি পণ্ড হ'ব। পাচত, তহঁতক যেতিয়াই দেখিম, তেতিয়াই কম, 'ঐ মূৰ্খৰ দল! টিঙিলঙিলাই থাক। পেট্ৰোনিয়াচৰ কৌশলত, তহঁত গোট গৰু হলি।"

নিজৰ আচনিত নিজে সন্তুষ্টি লাভ কৰি, তেওঁ ভোজন কক্ষত সোমাল। ইউনিচৰ লগত একেলগে বহি, আহাৰ খাই থাকোঁতে, পাঠক এজনে তেওঁলোকক থিওক্ৰিটাচৰ কবিতা গাই শুনালে। বাহিৰত বতাহে চোৰাক্টাম্‌ পৰ্ব্বতৰ শিখৰৰ পৰা, ডাৱৰ উৰুৱাই আনিছে। ধুমুহাৰ আগজাননী দি, কলীয়া মেঘে আকাশ ছাটি ধৰিছে। গ্ৰীষ্মৰ এই নিশাই বিপদ কঢ়িয়াই আনিব। মাজে, মাজে, ৰোমৰ সাতোটা পাহাৰত মেঘৰ গৰ্জ্জন মুখৰিত হ'ল। ঘৰৰ ভিতৰত, পেট্ৰোনিয়াচ আৰু ইউনিচে, ওচৰাওচৰিকৈ আঁউজি বহি, বিশ্ৰাম কৰিছে আৰু গ্ৰীচ দেশৰ ভোবিয়ান সকলৰ গীতিময় ভাষাৰ, গৰখীয়াৰ প্ৰেমগীত শুনিছে।

অৱশেষত মনৰ শান্তিৰে ছয়ো উঠিল, আৰু নিশাৰ জিৰণিৰ বাবে প্ৰস্তুত হ'ল। লগে লগে দাস এটাই জনালেহি, ভিনিকিয়াচ উলটি আহিছে। পেট্ৰোনিয়াচে লৰালৰিকৈ তেওঁক লগ ধৰিলে।

"বাৰু, নতুন কিবা ঘটিল নেকি? নাজাৰাচ্ বন্দীশাললৈ গলনে?"

"হয়," সেমেকা চুলিৰ ওপৰেদি হাত বুলাই, ভিনিকিয়াচে উত্তৰ দিলে, "সি বন্দীপালইঁতৰ লগত কথা পাতিবলৈ গল, আৰু মই পিটাৰক দেখা কৰিলো। তেওঁ মোক প্ৰাৰ্থনা কৰি থাকিবলৈ কলে আৰু লগতে ইয়াকো জনালে যে, সকলো শুভ হ'ব বুলি, এতিয়াও বিশ্বাস ৰাখিব লাগে।"

"খুব ভাল কথা! আশা কৰাৰ দৰে যদি সকলো হয়গৈ, আমি কাইলৈ নিশাই তাইক আঁতৰাব পাৰিম।"

"হয়, কাইলৈ ৰাতিপুৱাই মানুহ লগত লৈ, খেভিয়কটো এইখিনি পাবহি।"

"এতিয়া যোৱা জিৰণি লোৱাগৈ।"

ভিনিকিয়াচে শোৱাকোঠাত সোমায়েই আঠুকাঢি প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

নিচেই পুৱাতে, নিগাৰ নামৰ খেভিয়কটো কোৰিওলাৰ পৰা আহি পালেহি। বেচি সাৱধানতা অৱলম্বন কৰি, সি তাৰ দাস চাৰিটাক, চুবুৰাৰ চৰাইখানা এটাত থৈ আহিছিল। অৱশ্যে সিইঁত বৃটেইনৰ পৰা অহা বিশ্বাসযোগ্য ব্যক্তি; সিইঁতৰ লগত আছে, খচ্চৰ কেইটা আৰু এখন দোলা।

প্ৰভুক দেখা মাত্ৰকে, খেভিয়কৰ মন বিচলিত হৈ উঠিল। প্ৰভুৰ হাতত আৰু চকুত চুমা খাই, সি সুধিলে, "দেউতা, আপোনাৰ গা বেয়া নেকি? শোক, দুখত আপোনাৰ মুখ মলিন হৈ পৰিছে। প্ৰথমে দেখি, আপোনাক চিনিবই পৰা নাছিলো।"

মানুহটোক ভিতৰলৈ মাতি নি, ভিনিকিয়াচে মনৰ গোপন কথা ব্যক্ত কৰিলে।

"তেন্তে ছোৱালীটি খৃষ্টিয়ান!" ভিনিকিয়াচলৈ স্থিৰ দৃষ্টিৰে চাই, সি চিঞৰি কলে।

"হয়," বিচাৰপতিয়ে জনালে, "মই নিজেও খৃষ্টিয়ান।" আনন্দৰ লোতক চিকমিকাই উঠিল, নিগাৰৰ চকুত।

"হে খৃষ্ট! তোমাক ধন্যবাদ!" সি কলে, "যিজন মানুহক মই জগতৰ সকলোতকৈ ভাল পাওঁ, সেইজনৰ চকুৰ অন্ধ আৱৰণ খুলি দিয়াৰ বাবে, তোমাক শত, শত ধন্যবাদ।"

নাজাৰাচক লগত লৈ, পেট্ৰোনিয়াচো তালৈ আহিল।

"তোমালৈ ভাল খবৰ আনিছো।" তেওঁ দূৰৰ পৰা ভিনিকিয়াচক চিঞৰি কলে, "সঁচাকৈয়ে ভাল খবৰ। প্ৰথম কথা, গ্লকাচ বৈদ্যাই ভাঠি কৈছে যে, লিজিয়া বাচিব। বন্দীশালত হোৱা যিটো ৰোগত তাই ভুগিছে, সেই ৰোগত শ, শ বন্দী মৃত্যুমুখত পৰিছে, পোতাশালত আৰু অন্যান্য ঠাইতো। দ্বিতীয় কথা হ'ল, বন্দীশালৰ ৰক্ষক আৰু মৰাশ পৰীক্ষকটোক ভেটী খুৱাই কিনি পেলোৱা হৈছে। এটিচ্ নামৰ সাহায্যকাৰীটোকো হাত কৰা হৈছে।"

"তদুপৰি কফিনটোত আমি কিছুমান ফুটা কৰিছো।" নাজাৰাচে জনালে, "নিৰাপত্তাৰক্ষী সেনাবোৰৰ মাজেদি পাৰ হৈ যাওঁতে, তেওঁ যদি কেঁকাবলৈ ধৰে বা আন কিবা কয়, তেতিয়াহে মস্কিল হ'ব। এতিয়া একমাত্ৰ ভয় এইটোৱেই। কিন্তু, গ্লকাচে তেওঁক টোপনি অহা ঔষধ খুৱাই দিব। কফিনৰ ঢাকনিখনত গজাল মৰা নহয়, যাতে অতি সহজে কফিনৰ মুখ খুলি, আপুনি তেওঁক নিজৰ দোলাত তুলিব পাৰে আৰু আমি তাৰ ঠাইত, এবস্তা বালি ভৰাই বন্ধ কৰি থব পাৰো।"

"বন্দীশালৰ পৰা আৰু কোনোবা মাহুহে মৰাশ আঁতৰোৱাৰ কথা আছে নেকি?" পেট্ৰোনিয়াচে সুধিলে।

"হয় আছে," নাজাৰাচে কলে, "নিশাৰ ভিতৰতে একুৰিমান মানুহ মৰিছে; আজি গধূলিৰ ভিতৰতে আৰু কিছুমান শেষ হ'ব। কফিনৰ শাৰী-বোৰ কঢ়িয়াই নিওঁতে আমিও পিচে পিচে যাব লাগিব। ই ধৰাবন্ধা নিয়ম। কিন্তু আমি ইচ্ছা কৰিয়েই পাচ পৰি গৈ, অকলশৰীয়া হম। অৰ্থাৎ আমি যেতিয়া আলিবাটৰ চুকটো পামহি, তেতিয়া মোৰ লগৰীয়াটোৱে এনেদৰে খোৰাবলৈ আৰম্ভ কৰিব যে, আমি দেখা দেখিকৈ পিচ পৰিম। ইতিমধ্যে আপুনি লিবি-টিনাৰ সৰু মন্দিৰটোৰ কাষত, আমাৰ বাবে অপেক্ষা কৰি থাকিব। ভগৱানে যেন ৰাতিটো অন্ধকাৰ কৰি ৰাখে।"

"ভগৱানে আমাক বাট দেখুৱাব।" নিগাৰে কলে, "যোৱানিশা বেচ জোনাক আছিল, কিন্তু হঠাতে ধুমুহা আহিল। আজি নিশাও আকাশত তৰাৰ নাই; কিন্তু বতৰটো গোমাই আছে। প্ৰকৃততে এতিয়া প্ৰতিটো নিশাতে বৰষুণ দি, আন্ধাৰ নমাব পাৰে।"

"তুমি হাতত জোৰবাতি নোলোৱাকৈ যাবা নেকি?" ভিনিকিয়াচে সুধিলে।

"এই শৱযাত্ৰীবোৰৰ আগে, আগে যোৱাবোৰেহে হাতত জোৰবাতি নিয়ে। যি কি নহওঁক, আন্ধাৰ হোৱাৰ লগে, লগে লিবিটিনাৰ মন্দিৰৰ কাষত বৈ থাকিব; অৱশ্যে দোভাগ নিশাৰ অলপ আগতেহে, আমি মৰাশবোৰ উলিয়াই নিওঁ।" নাজাৰাচে জনালে।

এক মুহূৰ্ত্তমান কাৰো মুখত কথা নোলাল; ভিনিকিয়াচৰ দ্ৰুত শ্বাস, নিশ্বা-সৰ শব্দইহে নিস্তব্ধতা ভঙ্গ কৰিলে।

অৱশেষত পেট্ৰোনিয়াচে তেওঁৰ কালে উলটি চাই কলে, "কালি মই ভাবি-ছিলো আমি দুয়ো ঘৰত থকাই উত্তম। কিন্তু এতিয়া দেখিছো, ই অসম্ভৱ।"

"হয়, হয়" ভিনিকিয়াচে উত্তৰ দিলে, "অন্ততঃ মই তাত থাকিব লাগিব। মোৰ বাহিঁৰে কোনেও তেওঁক কফিনৰ পৰা উলিয়াব নোৱাৰে।"

"ইয়াৰ পৰা গৈ, কোৰিওলা পোৱাৰ পাচত, সকলো দায়িত্ব মোৰ!" নিগাৰে যোগ দিলে।

কথোপকথন ইমানতে শেষ হ'ল। নিগাৰ চৰাইখানাত থকা নিজৰ মানুহ কেইটাৰ ওচৰলৈ গল। চোলাৰ জেপত এমোনা সোণ লৈ, নাজাৰাচো বন্দী-শাললৈ উলটিল। ভিনিকিয়াচৰ বাবে, এটা উত্তপ্ত, অপেক্ষাৰত দিন আৰম্ভ হ'ল।

"সকলো ভালে, ভালে হৈ যাব।" পেট্ৰোনিয়াচে তেওঁক জনালে, "ইয়াতকৈ আৰু ভাল ব্যৱস্থা হ'ব নোৱাৰে। কিছুদিনলৈ তুমি শোকৰ ভাও দিব লাগিব সঁচা; ক'লা সাজ পিন্ধি ফুৰিলেও, খেল চোৱাত বাধা নাই। ঠিক কথা! তোমাক সকলোৱে তাত দেখিব লাগিব। আটাইবোৰ ব্যৱস্থা ইমান ঠিকে ঠাকে হৈছে যে, কোনো অঘটনৰ সম্ভাৱনা নাই। তোমাৰ খেতিয়কটোৰ সম্বন্ধে, চিন্তা কৰিবলগীয়া নাইতো?"

"সি খৃষ্টিয়ান!" ভিনিকিয়াচে উত্তৰ দিলে।

পেট্ৰোনিয়াচে আচৰিত হৈ চালে; তাৰ পাচত, কান্ধ দুটা জোকাৰ খুৱাই, নিজকে কোৱাৰ দৰে কলে,

"পোলাক্সৰ শপত! সকলো বাধা নেওঁচি, সম্প্ৰদায়টো কেনেকৈ বাঢ়ি গৈছে! ই মানুহৰ মনত ইমান দৃঢ়কৈ শিপাইছে! আন মানুহে, এনে ভয়ঙ্কৰ যন্ত্ৰণাৰ মাজত কাল কটাব লগা হোৱা হলে, তৎক্ষণাৎ ৰোমান, গ্ৰীক, মিচ্-ৰীয় যিকোনো উপাস্য দেৱতাকে পৰিত্যাগ কৰিলেহেঁতেন। সঁচাকৈয়ে অদ্ভুত!

হে পোলাক্স! আমাৰ দেৱতাসকলে পৃথিবীৰ মানুহক ইচ্ছামতে বৰ দিব পাৰে বুলি ভবা হলে, মই প্ৰতিজন দেৱতাক ছটাকৈ, আৰু ভুপিটাৰ কেপিটোলিনাচক বাৰটা বগা ষাড় গৰু, বলিদান দিবলৈ প্ৰতিজ্ঞা কৰিলোহেঁতেন। তোমালোকৰ এই খৃষ্টলৈকো মুক্তহস্তে দান আগবঢ়োৱা!"

"কেৱল সঙ্কল্পই কৰা নাই, তেওঁৰ চৰণত নিজৰ আত্মাকো নিবেদন কৰিছোঁ।"

ইয়াৰ পাচত, পেট্ৰোনিয়াচ শোৱা কোঠাত সোমাল। ভিনিকিয়াচ ওলাই গল, ভেটিকান্ পাহাৰৰ নামনিত থকা থাদৰ বহুবাটোৰ জুপুৰীলৈ, য'ত গুৰুৱে তেওঁক দীক্ষাস্নান দিছিল। তেওঁৰ মনলৈ ভাব আহিল, এই জুপুৰীটোত প্ৰাৰ্থনা কৰিলে, খৃষ্টই মনদি শুনিব, আন ঠাইত কৰিলে, সেইদৰে নুশুনে। জুপুৰীটোৰ মজিয়াত দীঘল দি পৰি, তেওঁ নিজৰ বেদনাইভ আত্মা, প্ৰভুৰ চৰণত নিবেদন কৰি, কাকুতি কৰিবলৈ ধৰিলে। আত্মনিবেদনৰ চোটত তেওঁ ইমান নিমগ্ন হ'ল যে, তেওঁ ক'ত আছে পাহৰি গল, আৰু চাৰিওফালে কি ঘটিছে, তালৈকো মন নিদিলে। যেতিয়া আবেলি হলহি তেতিয়াহে তেওঁ নিৰোৰ ক্ৰীড়া ভৱনৰ শিঙাৰ শব্দত চক খাই থিয় দিলে, আৰু জুপুৰীৰ পৰা ওলাই গল। গৰম বেচি হৈ আহিছে; পিতলৰ বাদ্যৰ শব্দই, মাজে, মাজে নিস্তব্ধতা ভঙ্গ কৰিছে। নিস্তব্ধতাৰ বুকুত অবিৰাম বাজি আছে, ঝিলিৰ একসুৰীয়া তান। নগৰৰ ওপৰত, আকাশ এতিয়াও নীলা, কিন্তু দিগন্তৰ কাষত, চেবাইন পৰ্ব্বতৰ ফালে ক'লা মেঘে ছাটি ধৰিছে।

ঘৰলৈ আহি, ভিনিকিয়াচে দেখিলে, পেট্ৰোনিয়াচে তেওঁলৈকে অপেক্ষা কৰি আগচ'ৰাত বৈ আছে।

"মই এইমাত্ৰ পেলেটাইনৰ পৰা আহিছো।" তেওঁ জনালে, "তাত মুখ দেখুউৱাৰ উদ্দেশ্য আছে। তদুপৰি, পাশাখেল এখনতো ভাগ লৈ আহিছো। আজি নিশা, এনিচিয়াচে এটা ভোজ দিয়াৰ কথা আছে, আৰু মই আটাইকে জনাই আহিছো যে, আমি দুয়ো তাত উপস্থিত থাকিম। কিন্তু মাজ ৰাতিৰ পাচতহে দেখা দিম। কাৰণ, প্ৰথমে মই অলপ শুই লব লাগিব। সচাঁকৈয়ে মই উৎসৱত ভাগ লম, আৰু তোমাকো তাকে কৰিবলৈ কওঁ।"

"নিগাৰ বা নাজাৰাচৰ কোনো খবৰ নাই নেকি?" ভিনিকিয়াচে সুধিলে।

"নাই। মাজ ৰাতি নোহোৱালৈকে সিহঁতক দেখিবলৈ নাপাওঁ। কাইলৈ ক্ৰচবিদ্ধ খৃষ্টিয়ানৰ প্ৰদৰ্শনী পাতিব। কিন্তু বৰষুণ দিলে, হয়তো বাধা পৰিব।"

ভিনিকিয়াচৰ বাহুত ধৰি তেওঁ কলে, "তুমি তাইক ক্ৰচত দিয়া নেদেখা, দেখিবা কোৰিওলাত। কেষ্টৰৰ শপত! এবাৰ উদ্ধাৰ কৰাৰ পাচত, রোমৰ সকলো মূল্যৱান বস্তুৰ বিনিময়তো মই তাইক পুণৰ আনৰ হাতত নিদিওঁ।"

নিশা দৰা পিটা বৰষুণ হ'ল। বেলিৰ তাপত ভেইপুৰি যোৱা পথবোৰৰ পৰা ভাপ ওলাবলৈ ধৰিলে। মাজে, মাজে বতৰ মুকলি হ'ল আৰু কেতিয়াবা হঠাৎ বৰষুণ দিবলৈ ধৰিলে।

"খৰ কৰা।" অৱশেষত ভিনিকিয়াচে কলে, "ধুমুহা অহা যেন দেখিলে হয়তো, মৰাশবোৰ সোনকালে উলিয়াব।"

"হয়! আমাৰ ওলাবৰ হ'ল।" পেট্ৰোনিয়াচে কলে। মুৰ ঢাকি পিন্ধা গলদেশীয় ঢিলা সাজেৰে, দুয়ো বাগিচাৰ দুৱাৰেদি চৌহদৰ পৰা ওলাল। পেট্ৰোনিয়াচে হাতত মিত-দা এখনো ললে। ধুমুহাৰ কাৰণে, ৰাজপথ জনশূন্য। মাজে, মাজে বিজুলীৰ চমকনিত, নতুনকৈ সজা বা এতিয়াও সাজি থকা ঘৰ কিছুমান, চকামকাকৈ দেখা গল। অৱশেষত তেওঁলোকে লিবিটিনাৰ সৰু মন্দিৰৰ ওখ ভেটিটো দেখিবলৈ পালে। নামনিত কিছুমান খচ্চৰ আৰু ঘোঁৰাও দেখা গল।

"নিগাৰ! ভিনিকিয়াচে লাহেকৈ মাতিলে। "প্ৰভু, মই ইয়াতে আছো।" বৰষুণৰ ধুৰঁলি-কুৰঁলি আৱৰণৰ মাজৰ পৰা উত্তৰ আহিল।

"সকলো প্ৰস্তুত নে?"

"হয় মোৰ দেউতা! আপুনি টিপটোৰ তলত আশ্ৰয় লওক, নহলে তিতি জুকলি জুপুৰি হ'ব। উস্! কি ধুমুহা! শিলো পৰিব এতিয়া।"

সচাঁকৈয়ে শিল বৰষুণ আৰম্ভ হ'ল; বতৰটো হঠাৎ চেচা হৈ আহিল। মানুহকেইজনে চেপা মাতেৰে কথা পাতিবলৈ ধৰিলে। "আমাক কোনোবাই দেখিলেও সন্দেহ নকৰে। ধুমুহাৰ পৰা সাৰিবলৈ, ইয়াত আশ্ৰয় লৈছো বুলি ভাবিব। পিচে মৰাশ নিয়া কাম কাইলৈ কৰিবলৈ থয় বুলিহে ভয় লাগিছে।" নিগাৰে কলে।

"নহয়, শিল বৰষুণ বেচিপৰ নাথাকে।" পেট্ৰোনিয়াচে কলে।

"তদুপৰি প্ৰয়োজন হলে, আমি পুৱালৈকে অপেক্ষা কৰিম।"

কান খিয় কৰি, তেওঁলোক বৈ থাকিল। ইতিমধ্যে শিলপৰা বন্ধ হ'ল; আৰু লগে, লগে ধাৰাসাৰে বৰষুণ পৰিবলৈ ধৰিলে। মাজে, মাজে বতাহ বেচি হ'ল আৰু মৰাশ পেলোৱা গাঁত বোৰৰ পৰা, ভয়ানক দুৰ্গন্ধ আহিবলৈ ধৰিলে। কাৰণ, শবোৰৰ ওপৰত পাতলকৈ মাটি ছটিওৱা হয়।

হঠাৎ নিগাৰে কৈ উঠিল,

"কুৱঁলিৰ মাজেদি, পোহৰ দেখা গৈছে। হয়, এটা দুটা চাকি। জোৰ বাতি নিশ্চয়।"

তাৰ পাচত নিজৰ মানুহ কেইটালৈ চাই কলে, "খচ্চৰ কেইটা চাইচিতি লৈ সাজু হোৱা।"

"হয়, সিহঁত আহিছে।" পেট্ৰোনিয়াচে কলে।

পোহৰ ধীৰে, ধীৰে স্পষ্ট হৈ আহিল; বতাহত কঁপি থকা জোৰ বাতিবোৰ. অৱশেষত ভালদৰে দেখা গল। নিগাৰে ক্ৰচচিন আঁকি প্ৰাৰ্থনা কৰিলে।

মন্দিৰৰ ওচৰ পোৱাৰ পাচত, শৱযাত্ৰীৰ দলটো অলপ ৰ'ল। পেট্ৰোনিয়াচ, ভিনিকিয়াচ আৰু খেতিয়কটো মন্দিৰৰ ভেটিৰ ছাঁৰ মাজত, টেপাখাই লুকাই থাকিল। শবহনকাৰীহঁতে নাক আৰু মুখত কাপোৰ বান্ধি, সোপা লবলৈহে বৈছিল। গাঁতবোৰৰ কাষত দুৰ্গন্ধত থাকিব নোৱাৰা হ'ব বুলি, সিহঁত আগতে সাৱধান হৈছিল। পুণৰ চাঙীবোৰ কঢ়িয়াই, সিহঁত যাবলৈ ধৰিলে। সৰু মন্দিৰটোৰ সন্মুখত, এটা কফিন বৈ গল।

ভিনিকিয়াচ একে জাপে ওলাই আহিল। পেট্ৰোনিয়াচ, নিগাৰ আৰু দোলাবে সৈতে বৃটীছ দাস চাৰিটাও পিচে, পিচে গল। হঁায়! আন্ধাৰৰ মাজৰ পৰা নাজাৰাচৰ কৰুণ কণ্ঠ বাজি উঠিল, "প্ৰভু, উৰচাচৰে সৈতে তেওঁক এচ্‌-কুইলিন্ জেললৈ স্থানান্তৰ কৰা হৈছে। আমি আন এটা শৱহে কঢ়িয়াই আনিছো। বাতি দুপৰ হোৱাৰ পূৰ্ব্বেই, তেওঁক মেমাৰ্‌টাইনৰ পৰা লৈ গল।"

ঘৰলৈ উলটি অহাৰ পাচত, পেট্ৰোনিয়াচৰ মুখ, নিশাৰ আন্ধাৰৰ দৰে ক'লা পৰিল। ভিনিকিয়াচক সান্ত্বনা দিবলৈ তেওঁ অকণো চেষ্টা নকৰিলে। কাৰণ, তেওঁ জানে, এচ্‌কুইলিন জেলৰ-অন্ধকূপৰ পৰা, তাইক উদ্ধাৰ কৰা অসম্ভৱ। তেওঁ ইয়াকে বুজিলে যে, লিজিয়াৰ যাতে জ্বৰত মৃত্যু নহয়, তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। দুৰাদৃষ্টৰ মুখলৈ ঠেলিবৰ বাবে, সিহঁতে তাইক সাৱধানে ৰাখিছে। লিজিয়া আৰু ভিনিকিয়াচৰ কথা ভাবি, তেওঁৰ অন্তৰাত্মা ব্যথিত হৈ উঠিল।

তদুপৰি তেওঁ ভাবিলে, জীৱনত এইবাৰেই প্ৰথম, তেওঁৰ পৰাজয় ঘটিল। প্ৰথম বাৰলৈ, নিজে হাতত লোৱা সকলো কাম বিফল হ'ল।

"ভাগ্যদেৱীয়ে মোক পৰিত্যাগ কৰিছে।" তেওঁ নিজকে কলে, আৰু ভিনিকিয়াচৰ মুখলৈ চাই থাকিল। ভিনিকিয়াচে স্থিৰ ভাৱে তেওঁলৈ চাই আছে, তেওঁৰ চকুৰ মণিবোৰ ডাঙৰ হৈ পৰিছে। "তোমাৰ কি হ'ল ?" মোমায়েকে সুধিলে। "তোমাৰ গাত বেমাৰ লাগিল নেকি ?"

ভিনিকিয়াচে অচিনাকি মাতেৰে উত্তৰ দিলে, "মই এতিয়াও বিশ্বাস কৰিছো, খৃষ্টই তেওঁক উদ্ধাৰ কৰি, মোৰ হাতত দিব।"

নগৰৰ ওপৰেদি বোৱা ধুমুহা, শেষ হৈ আহিল।

॥ ১৬ ॥

তিনিদিন সমানে একেৰাহে বৰষুণ দিবলৈ ধৰিলে ; লগে লগে, ধুমুহা আৰু শিলাবৃষ্টিও হ'ল। গ্ৰীষ্ম কালত ৰোমত ই নাভূত নাশ্ৰুত কথা। দিনে নিশাই, সমানে, শিলাবৃষ্টিয়ে নগৰখন খুন্দিবলৈ ধৰিলে, ইও এক অভূতপূৰ্ব ঘটনা। গতিকে ক্ৰীড়া প্ৰদৰ্শনত যথেষ্ট বাধা পৰিল। মানুহবোৰ শঙ্কিত হৈ উঠিল আৰু আওঁৰৰ খেতিৰ সৰ্ব্বনাশ ঘটিব বুলি প্ৰমাদ গণিলে। তাৰ পাচত যেতিয়া বজ্ৰপাতৰ ফলত চিৰিজ দেৱীৰ মূৰ্ত্তিটো এলদা ত্ৰঞ্জত পৰিণত হ'ল, তেতিয়া জুপিটাৰ কেপিটোলিনাচৰ মন্দিৰত বলি দিবলৈ চিজাৰে আদেশ পঠিয়ালে। উত্তৰত, চিৰিজৰ পুৰোহিত বৰ্গই জনালে যে, নগৰখনৰ ওপৰত দেৱতাৰ শাওপাত পৰিছে, খৃষ্টিয়ানবোৰক শাস্তি দিয়াত পলম কৰাৰ বাবে। ইয়াকে শুনি ৰাইজে দাবি জনাই বাজাজ্ঞা আদায় কৰি ললে, বতৰ যিয়েই নহওক, ক্ৰীড়া প্ৰদৰ্শন চলি থাকিবই। এনে সময়তে, বতৰো মুকলি হ'ল। হাজাৰে, হাজাৰে দৰ্শক আহি, ক্ৰীড়া ভৱন পূৰ্ণ কৰিলে। ভেষ্টা মন্দিৰৰ কুমাৰীসকল, আৰু সভাসদ বৰ্গৰে সৈতে চিজাৰো উপস্থিত হ'ল।

খৃষ্টিয়ান সকলৰ নিজৰ ভিতৰতে যুদ্ধ লগাই চোৱা দৃশ্যৰে, এইবাৰৰ খেল আৰম্ভ হোৱাৰ কথা। এই উদ্দেশ্যে, তেওঁলোকক মল্লবীৰৰ সাজ পিন্ধাই উলিওৱা হ'ল। আক্ৰমণৰ বাবে, আৰু আত্মৰক্ষাৰ বাবে, বেলেগ, বেলেগ অস্ত্ৰ দিয়া হ'ল, ব্যৱসায়ী যুঁজাৰুৰ দৰে। কিন্তু সকলোৱে ভুল ধাৰণা কৰিছে। খৃষ্টিয়ান সকলে জাল, ত্ৰিশূল, যাঠী আৰু তৰোৱাল বালিত দলিয়াই, লৰি গৈ, পৰস্পৰে

আলিঙ্গন কৰিলে, আৰু নিজ অদৃষ্টৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ, এজনে ইজনক বুজনি দিবলৈ ধৰিলে। ইয়াকে দেখি, দৰ্শকৰ ক্ৰোধ আৰু আস্ফালনৰ সীমা নোহোৱা হৈ পৰিল। কিছুমানে খৃষ্টিয়ান সকলক ভীৰু, কাপুৰুষ বুলি তিৰস্কাৰ কৰিলে; কিছুমানে ঘোষণা কৰিলে, দৰ্শকবোৰক সিহঁতে ঘৃণা আৰু হিংসা কৰে বাবে, ইচ্ছা কৰিয়ে যুঁজ নকৰিলে। সাহসী যোদ্ধাৰ খেল চাই, সদায় আনন্দ পোৱা দৰ্শক বৃন্দক, সেই আনন্দৰ পৰা সিহঁতে বঞ্চিত কৰিবলৈ কৌশল কৰিছে। অৱশেষত চিজাৰৰ আদেশত, আচল মাল যুঁজাৰু কিছুমান আহি, তেওঁলোকৰ ওপৰত জপিয়াই পৰিল আৰু মৰুত আঁঠুকাঢ়ি থকা অৱস্থাতে সকলোকে কাটি, মাৰি শেষ কৰিলে।

মৃত দেহবোৰ উলিয়াই নিয়াৰ লগে, লগে এলানি পৌৰাণিক চিত্ৰাভিনয় আৰম্ভ হ'ল। ইয়াৰ আবিষ্কাৰক স্বয়ং চিজাৰ। এঝুৰা সঁচা সচি জুইৰ মাজত, ইটা পাহাৰত হাৰ্‌কিউলিজৰ মৃত্যু হোৱা দৃশ্যও, ইয়াৰে এটা। ইয়াত হাৰ্‌-কিউলিজৰ ভাও লবলৈ, উৰচাচক দিব বুলি ভাবি, ভিনিৰ্কিয়াচৰ গা শিয়ঁৰি উঠিল। কিন্তু লিজিয়াৰ বিশ্বাসী সেৱকৰ পাল এতিয়াও অহা নাই। আন এজন খৃষ্টিয়ানকহে, হাৰ্‌কিউলিজৰ ভাও লবলৈ দি, অগ্নিদগ্ধ কৰা হ'ল। খেলত উপস্থিত থাকিবলৈ, চিজাৰে চিলোক বাধ্য কৰিছিল। আদেশ পালন কৰি বহি থকা চিলোৱে, পৰিচিত ব্যক্তি কিছুমানক দৃশ্য পটত অংশ লোৱা দেখিলে। ভিভেলাচ্ আৰু আইকেৰাচৰ মৃত্যুৰ দৃশ্য দেখুউৱা হৈছিল। ভিভেলাচৰ ভাও দিবলৈ বাচি লোৱা হৈছিল, বয়োবৃদ্ধ ইউৰিচিয়াচক, এসময়ত যিটো মানুহে, চিলোক মানুহ চিন আঁকি দেখুৱাইছিল। আইকেৰাচৰ ভাৱত আছিল, ইউৰিচিয়াচৰ পুতেক কোৱাটাচ্। বিশেষ ধৰণৰ কল কৌশল অবলম্বন কৰি, দুয়োকো অতি উচ্চ ঠাইলৈ তুলি, তললৈ বগৰাই দিয়া হৈছিল। কোৱাটাচ্ আহি, বজা বহা ঠাইৰ ইমান ওচৰতে পৰিল যে, সেই ঠাই আবৰি থকা জালিকটা বেৰৰ ওপৰত, বালিৰ তেজৰ ছিটিকনি পৰিল। কজলা বঙৰ পৰ্দাৰ দাঁতিতো লাগিল, সেই তেজৰ দাগ। চিলোৱে পৰি যোৱা অৱস্থাটো দেখা নাছিল, কাৰণ তেতিয়া সি চকু মুদি দিছিল। কিন্তু যেতিয়া ধপচ্‌কৈ পৰাৰ শব্দ শুনি, নিজৰ নিচেই ওচৰতে তেজ পৰিছে বুলি জানিলে, তেতিয়া সি প্ৰায় মূৰ্চ্ছা যোৱাৰ দৰে হ'ল। এটাৰ পাচত এটাকৈ, চিত্ৰপটৰ অৱতাৰণা ঘটিল। বৰৰীয়া জন্তুৰ ছাল পিন্ধা, মাল কিছুমানে, কুমাৰী ছোৱালীৰ ওপৰত চলোৱা উৎপীড়ন আৰু অত্যাচাৰৰ বিভৎস দৃশ্যাই, দৰ্শক বৃন্দক বিশেষকৈ আমোদ দিলে। এই প্ৰদৰ্শনত, খৃষ্টিয়ান কুমাৰী

সকল, চিবেলী আৰু চিৰিজ মন্দিৰৰ পুৰোহিতনীৰ সাজত ওলাইছিল। কিছুমান ওলাইছিল, ভেনেয়াচ নন্দিনীৰ ৰূপত। কিছুমানক ডাৰ্চ আৰু পেচিফিৰ ৰূপত সজোৱা হৈছিল। অৱশেষত, কিছুমান কোমল বয়সীয়া ছোৱালীক, বনৰীয়া ঘোঁৰাই ফালি, ছিৰি, টুকুৰাটুকুৰ কৰা দৃশ্য দেখুউৱা হ'ল। চিজাৰৰ এই নতুন আৱিষ্কাৰ সমূহে, জনতাৰ উচ্চ প্ৰশংসা লাভ কৰিলে। এনে স্বীকৃতিত গৰ্ব অনুভৱ কৰি, গৌৰৱান্বিত চিজাৰে, চকুৰ আগৰ পৰা, মৰকতৰ বিভচকুপাত আনকি এবাৰলৈও আঁতৰাই নিনিলে।

ইয়াৰ পাচত, আৰম্ভ হ'ল, ৰোমৰ প্ৰাগ্‌ঐতিহাসিক যুগৰ চিত্ৰপট। প্ৰথমেই পোৰা মঙহৰ অসহনীয় গোন্ধ গোটেই ক্ৰীড়া ভৱনতে বিয়পি পৰিল। এই দৃশ্যত দেখা গল, দগ্‌ধমগীয়া অঙঠাৰ পাত্ৰত হাত দি থকা, মিউচিয়াচ্‌ স্কিভোলা নামৰ মানুহ এজনক। ভাৱৰীয়া খৃষ্টিয়ান বলিৰ মুখত, যন্ত্ৰণাৰ এটি শব্দও ফুটি উঠা নাই; ওপৰলৈ চকু তুলি, তেওঁ থিয় দি আছে, তেওঁৰ ক'লা পৰা ওঁঠৰ মাজেদি প্ৰাৰ্থনাৰ মৃদু শব্দ ওলাইছে। চিজাৰে বুঢ়া আঙুলি তললৈ কৰি, মৃত্যুদণ্ড দিয়াৰ লগে লগে মানুহ জনক একে কোবে হত্যা কৰি, শটো নিৰ্দ্দিষ্ট ঠাইলৈ আঁতৰাই নিয়া হ'ল। তাৰ পাচত, দুপৰীয়াৰ বিৰতি ঘোষণা কৰা হ'ল।

ভেষ্টাৰ কুমাৰী আৰু অগষ্টান সকলেৰে পৰিবেষ্টিত হৈ, চিজাৰে ক্ৰীড়া ভৱন ত্যাগ কৰি কজলা ৰঙৰ সুবৃহৎ-ৰভা ঘৰৰ ভিতৰত সোমাল। সেই ঠাইতে, তেওঁ আৰু তেওঁৰ আলহী সকলৰ বাবে, প্ৰচুৰ আহাৰ্য্যৰ ব্যৱস্থা কৰা হৈছিল। দৰ্শক সকলৰ সৰহ ভাগেই চিজাৰক অনুকৰণ কৰিলে। বাহিৰলৈ দলপাতি ওলাই, হাত ভৰি পোনাই, সিহঁতে গোগ্ৰাসে খাবলৈ আৰম্ভ কৰিলে। চিজাৰৰ আদেশ অনুসৰি, দাস বোৰে কাকো বাদ নিদিয়াকৈ, সকলোকে সমানে খোৱা বস্তু যাচিলে। সম্ৰাটৰ ৰভাতলিৰ কেউফালে, ৰং বেৰঙৰ সাজ পিন্ধা মানুহবোৰে জুম পাতিলে, যেন একোখন ছবিহে। কিছুমানে নিজ, নিজ আসন এৰি, ক্ৰীড়া মঞ্চলৈ গল আৰু তেজৰ চেকুৰাবে ভৰি থকা বালিবোৰ খুচৰি চাই, আগতে হৈ যোৱা দৃশ্যটোৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে আৰু পাচত কি দেখুউৱা হ'ব, সেইবিষয়ে নিজৰ জ্ঞান প্ৰকাশ কৰিলে। অৱশেষত যথা সময়ত এই জ্ঞানী পুৰুষসকল তাৰ পৰা আঁতৰিল; আৰু আনবিলাকৰ দৰে, খোৱা পিয়াত লাগিল। এতিয়া মঞ্চত মাত্ৰ কেইটামান মানুহহে থিয় দি ৰ'ল, ইহঁতৰ মনত কোনো কৌতুহল নাই। যি সকল বলিয়ে ইয়াৰ পাচত মঞ্চত দেখা দিবহি, তেওঁলোকৰ প্ৰতি দয়াৰ ভাব উদ্ৰেক হৈছিল, ইহঁতৰ মনত। কিন্তু ক্ৰীড়া ভৱনৰ

ভিতৰত থকা ঠেক বাটলৈ উলটি অহাৰ পাচত, সিহঁতে এই ভাৰ লুকুৱাই পেলালে।

ইয়াৰ পাচত, ক্ৰীড়া মঞ্চ অৱকিয়াই পেলোৱা হ'ল। এতিয়া আৰম্ভ হ'ল গাঁত খন্দা কাম। এই গাঁতবোৰৰ আটাইতকৈ আগত থকা শাৰীটো, সম্ৰাট বহা ঠাইৰ পৰা কেইখোজমানহে অাঁতৰত। বাহিৰত দৰ্শকবোৰৰ চিঞৰ-বাখৰ, উল্লাস আৰু প্ৰশংসাৰ জাউৰি! ভিতৰত কিছুমান বগুৱাই দেহে কেহে খাটিছে, নতুন বিধৰ যন্ত্ৰণাৰ দৃশ্যৰ বাবে, মঞ্চ সজ্জাৰ কামত। হঠাৎ অন্ধকূপৰ দুৱাৰ মুকলি হ'ল,— প্ৰতিটো পথেদি, দলে, দলে ওলাই আহিল, খৃষ্টিয়ান বলি। সিহঁত সম্পূৰ্ণ উলঙ্গ, আৰু সিহঁতৰ কান্ধত ক্ৰচৰ ভাৰ।

এতিয়া মঞ্চৰ বালিৰ ওপৰত বিৰদি বাট পাবলৈ নোহোৱা হ'ল। বৃদ্ধ নাৰী, আৰু পুৰুষ একেলগে আগবাঢ়িল, কাঠৰ বোজা কঢ়িয়াই, সিহঁতৰ পিঠিবোৰ কুজা হৈ পৰিছে। ওচৰত দেখা গল, ভাটী বয়সীয়া পুৰুষ সকলক আৰু দীঘল চুলিৰে, উলঙ্গদেহ ঢাকিবলৈ চেষ্টা কৰা, নাৰীসকলক। যুৱকৰ দলো আহিল, আনকি কম বয়সীয়া লৰা-ছোৱালীও বাদ নপৰিল। ক্ৰচবোৰ ফুলৰ মালাৰে মেৰিওৱা, আৰু বলি সকলৰ গাতো ফুলৰ মালা। বহুৱা কিছুমানে, দোষীবোৰক কোবাই, কিলাই, প্ৰত্যেককে বাধ্য কৰিছে, খান্দি থোৱা গাঁতত নিজ, নিজ ক্ৰচ ঠিকমতে থিয় কৰাই থবলৈ। যিবোৰ মানুহক আগতে সিংহ আৰু আন আন হিংস্ৰ জন্তুৰ মুখলৈ দলিয়াব পৰা নগল, সেইবোৰক এইদৰে বধ কৰিবলৈ অনা হৈছে।

এতিয়া কৃষ্ণকায় দাস কিছুমানে, বলিবোৰক ধৰি আনি ক্ৰচৰ ওপৰত থিয় কৰাই, যিমান খৰকৈ পাৰে, সিমান খৰকৈ সিহঁতৰ হাতবোৰ, গজাল মাৰি ক্ৰচত বহুৱাই দিলে। কাৰণ, দৰ্শকসকল, নিজ নিজ আসনত বহিবলৈ উলটি অহাৰ সময়ত, সকলো প্ৰস্তুত থকা দৰকাৰ। গতিকে, গোটেইটো ক্ৰীড়া ভৱন হাতুৰীৰ কোবত জনজনাবলৈ ধৰিলে। প্ৰতিধ্বনি গৈ, চিজাৰ বহি থকা ৰভাতলি পালেগৈ, তাত তেওঁ ভেষ্টাৰ কুমাৰী আৰু নিজৰ বন্ধুবৰ্গক আপ্যায়ন কৰাত ব্যস্ত আছিল। সেই ঠাইত সুৰাপান চলিছিল, চিলোক ঠাট্টা মস্কৰা কৰা হৈছিল, আৰু ভেষ্টা মন্দিৰৰ ব্ৰতচাৰিণী সকলৰ কাণে, কাণে, কথা কৈ চুপতি মৰা হৈছিল। একে সময়তে, মঞ্চৰ ওপৰত, খৃষ্টিয়ানবিলাকৰ হাত আৰু ভৰিত গজাল মৰা কাম চলি আছে। ক্ৰচবোৰ থিয় কৰাই থোৱা গাঁতবোৰ, মাটি দি পূৰাওঁতে, লাহনীৰ খুটুং-খাটাং শব্দ উঠিছে।

বলিবিলাকৰ ভিতৰত, ক্রিচ্ পাচো আছিল, সিংহৰ মুখবপৰা তেওঁ কেনে-বাকৈ সাৰি গল। মৃত্যুৰ বাবে সদায় প্রস্তুত থকা মানুহজনে, সময় উপস্থিত হ'ল বুলি জানি, অকণো দুখ নকৰিলে। তেওঁৰ উকাৰত আইভি পাতৰ মালা, মূৰত গোলাপ ফুলৰ কিৰীটি, শুকান, ক্ষীণ দেহ সম্পূর্ণ উলঙ্গ। অনির্বাণ অগ্নি শিখাৰ দৰে, তেওঁৰ চকুযুৰি জিব্ৰিবাই আছে। চকুত জলি উঠিছে, প্রাণৰ অফুৰন্ত শক্তি। মুখত প্রকট হৈ উঠিছে, ধর্মোন্মত্ত ভাব। তেওঁৰ হৃদয়ৰো পৰিবৰ্ত্তন হোৱা নাই। বন্দীশালত জন্তুৰ ছাল পিন্ধি থকা ভ্ৰাতৃবৰ্গক তেওঁ যি দৰে, ভগবানৰ ক্রোধৰ কথা কৈ, আতঙ্কিত কৰি তুলিছিল, ঠিক সেই-দৰে এতিয়াও সিহঁতক সান্ত্বনা দিবলৈ অকণো চেষ্টা নকৰি, তৰ্জ্জন, গৰ্জ্জনহে কৰিবলৈ ধৰিলে :

"ত্ৰাণকৰ্ত্তাক ধন্যবাদ দিয়া, কাৰণ তেওঁক যিদৰে মৃত্যুদণ্ড দিয়া হৈছিল, তোমালোককো সেইদৰে মৃত্যুদণ্ড দিবলৈ তেঁৱেই আজ্ঞা কৰিছে। দৈবাৎ এনে মৃত্যু লাভ কৰাৰ বাবে, তোমালোকৰ পাপৰ কিছু অংশ ক্ষয় হ'ব। তথাপিও, তেওঁৰ ওচৰত, তোমালোক ভয়তে কঁপি থাকিবাগৈ। কাৰণ, বিচাৰ নিশ্চয় হ'ব। অসৎ পথত চলাবোৰক, সাধু আৰু ন্যায়পৰায়ণ সকলৰ পৰা পৃথক কৰা হ'ব।" হাতুৰীৰ শব্দৰ লগে, লগে তেওঁ এইদৰে কবলৈ ধৰিলে। ক্রমান্বয়ে গোটেই মঞ্চত ক্ৰচবিদ্ধ খৃষ্টিয়ানেৰে পূর্ণ হ'ল। বিবিলাক বলিয়ে এতিয়াও, যন্ত্রণা দিবলৈ প্রস্তুত কৰা সৰঞ্জামৰ কাষত থিয় দি আছিল, সেইবোৰলৈ চাই ক্রিচপাচে কবলৈ ধৰিলে :

"মই স্বৰ্গৰ দুৱাৰ মুকলি হোৱা দেখিছো, লগতে দেখিছো মুখ মেলি বৈ থকা নৰক! মোৰ জীৱনৰ কৃত কৰ্ম্মৰ বাবে, ত্ৰাণকৰ্ত্তাৰ আগত কি কৈফিয়ৎ দিম, সেই কথা জানো মই নিজে কব পাৰো? যদিও মোৰ বিশ্বাস আছে, যদিও মই দুষ্কৰ্মক ঘিণ কৰো, তথাপিও জানো পাৰিম? মই মৃত্যুলৈ ভয় কৰা নাই! ভয় কৰো, সিপুৰীৰ নতুন জীৱনটোলৈ! শাস্তিলৈ ভয় নকৰো, ভয় কৰো, প্রভুৰ বিচাৰলৈ। কাৰণ প্রভুৰ ক্রোধ বৰ্ষণৰ সময় উপস্থিত হৈছে।"

হঠাৎ মঞ্চৰ ওচৰৰ বেঞ্চ এখনৰ পৰা, ধীৰ, গম্ভীৰ গভীৰ স্বৰ এটি আহিল :

"ক্রোধবর্ষণৰ সময় অহা নাই, আহিছে দয়াবর্ষণৰ সময়, মুক্তিৰ আনন্দৰ সময়। মই তোমালোকক জনাওঁ, খৃষ্টই সকলোকে আকোৱালি লব, সান্ত্বনা

দিব, আক তেওঁৰ সোঁহাতে বহুৱাই ল'ব, মনত বিশ্বাস ৰাখা, সঁচাকৈয়ে তোমালোকৰ সন্মুখত স্বৰ্গৰ দুৱাৰ মুকলি হৈছে!"

এই কণ্ঠস্বৰৰ দিশলৈ প্ৰতিজন মানুহৰ চকু গল। আনকি ক্ৰচত ওলমি যন্ত্ৰণা ভোগ কৰি থকা সকলেও, নিজৰ পাতুৰ, যন্ত্ৰণাক্লিষ্ট মুখবোৰ তুলি, বক্তাৰ মুখলৈ চালে। মঞ্চৰ বেৰৰ কাষলৈ আহি, ভিতৰত থকা সকলক তেওঁ ক্ৰচ চিন আঁকি, আশীৰ্ব্বাদ কৰিলে। ক্ৰিচপাচে বক্তাজনলৈ লক্ষ্য কৰি, খণ্ডত হাত এখন মাৰি পঠিয়ালে, যেন চকুৰ দৃষ্টিৰে তেওঁক ভস্মঃহ কৰিব! তাৰ পাচত মানুহজনক চিনিব পাৰি, তৎক্ষণাৎ হাত নমালে আক আঠুদুটা ভাঁজ কৰি, কন্ধ কণ্ঠে জনালে "খৃষ্টৰ প্ৰিয় শিষ্য পল!"

তাৰ পাচত, মঞ্চৰ বন্দুৱা দলক আচৰিত কৰি দি, ক্ৰুচবিদ্ধ নোহোৱা-সকলে, মঞ্চৰ ওপৰত আঠু কাঢ়িলে। পলে ক্ৰিচপাচলৈ চাই ক'লে :

"এওঁলোকক ভয় খুৱাবা, ক্ৰিচপাচ্! আজি সকলো গৈ, স্বৰ্গত একেলগে থাকিবাগৈ। তুমি কিয় ভাবিছা, সিপুৰীত এওঁলোকে দোষৰ শাস্তি পাব বুলি? দোষী কৰিব কোনে? মানৱ জাতিক পৰিত্ৰাণ কৰিবলৈ, যিজনে নিজৰ একমাত্ৰ পুত্ৰক উৎসৰ্গা কৰিছিল, সেইজনৰ চকুত, এওঁলোক অপৰাধী হ'বনে? খৃষ্ট ধৰ্ম্মৰ মত মানি লোৱাৰ বাবে, যিসকলে মৃত্যুৰ মুখলৈ আগবাঢ়িছে সেই সকল খৃষ্টৰ চকুত অপৰাধী হ'বনে? এওঁলোকৰ মুক্তিৰ বাবে, নিজ ধৰ্ম্মমতৰ বাবে, যিজনে প্ৰাণ দিছিল সেইজনৰ চকুত? যিজনে এওঁলোকক ভাল পায়, সেইজনেই দোষী সাব্যস্ত কৰিবনে? ভগৱানৰ মনোনীত ব্যক্তিৰ মূৰত দোষ জাপি দিব পাৰিবনে কোনোবাই? এওঁলোকৰ তেজক অভিশপ্ত বুলি কোনে কব?"

"মই অসৎ ব্যক্তিক ঘিণ কৰো।" বুঢ়া ক্ৰিচপাচে জনালে।

"ঘৃণা পৰিহাৰ কৰি, খৃষ্টই ওচৰ চুবুৰীয়াৰ প্ৰতি প্ৰেমৰ ভাব প্ৰতিষ্ঠা কৰিছে। কাৰণ, তেওঁৰ ধৰ্ম্ম হ'ল, প্ৰেমৰ, ঘৃণাৰ নহয়।"

"মৃত্যুৰ মুখত থিয় দিও মই পাপ কৰিছো।" ক্ৰিচপাচে নিজৰ বুকু চপৰিয়াই হাঁহাকাৰ কৰি উঠিল।

এনে সময়তে, ধৰ্ম্মগুৰুৰ ওচৰ চাপি, এজন সৈনিকে সুধিলে, "দোষীহঁতক বক্তৃতা শুনাবলৈ আহিছা, তুমিনো কোন?"

"এজন ৰোমান নাগৰিক।" পলে ধীৰ ভাবে জনালে।

তাৰপাচত পুনৰ ক্ৰিচপাচলৈ চাই, তেওঁ কলে,— "ভয় নাই, কাৰণ আজিৰ

দিনটো হ'ল, কৃপা লাভৰ দিন। গতিকে হে ভগৱানৰ বিশ্বাসী ভৃত্য! শান্তিৰে মৃত্যুক আকোৱালি লোৱা।"

এইবাৰ দুটা নিগ্রো আহি, ক্রিচ্‌পাচক ক্রচত থিয় কৰাই দিলে।

"ভ্রাতৃ সকল! মোৰ বাবে প্রার্থনা কৰা।" শেষ কথা ওলাল, তেওঁৰ মুখৰ পৰা। তেওঁৰ মুখৰ কঠোৰ ভাব আঁতৰি গ'ল। মূর্তি সদৃশ স্থিৰ, তেওঁৰ মুখমণ্ডলত নম্র শান্তভাব প্রকাশ পালে। স্বইচ্ছাৰে তেওঁ ক্রচৰ কালে হাত দুখন মেলি দি, ঘাতকইতক কামত সহায় কৰিলে। তাৰ পাচত, ওপৰলৈ চাই, একাগ্রচিত্তে প্রার্থনাত মগ্ন হ'ল। তেওঁ যেন কোনো কষ্টই অনুভৱ কৰা নাই! আনকি যেতিয়া তেওঁৰ হাতত গজাল মৰা হ'ল, তেতিয়াও তেওঁ ভয়ত কোচ খাই নগল, যন্ত্রণাত মুখ বিকৃত নহল অকণো। তেওঁৰ ভৰিত গজাল মৰা হ'ল আৰু ক্রচডাল ওপৰলৈ তুলি, তাৰ তলত মাটি দি, পোণ কৰি বহুউৱা হ'ল কিন্তু তেওঁৰ যেন ভ্রূক্ষেপেই নাই। তেওঁ প্রার্থনা কৰিয়েই থাকিল। মাত্র যেতিয়া নির্লজ্জ চিৎকাৰ আৰু হাঁহি খিকিন্দালি কৰি, মানুহবোৰে ঘৰৰ ভিতৰত সোমাবলৈ আৰম্ভ কৰিলে, তেতিয়াহে বৃদ্ধৰ মুখত ভ্রূকুটিৰ চিন দেখা গ'ল, যেন অপবিত্র এদল মানুহে, তেওঁৰ মৃত্যুৰ শান্তি, নিস্তব্ধতা, আৰু মধুৰতা নষ্ট কৰিবলৈ অহাত, তেওঁৰ খং উঠিছে।

এতিয়া গোটেইখন মঞ্চই গছ-গছনিৰে পূর্ণ হাবি এখনৰ দৰে দেখা গ'ল। এই হাবিৰ প্রতি জোপা গছতে একোটাইত মানুহৰ দেহ ওলোমাই থোৱা হৈছে। ক্রচৰ আকৃতিৰ গছ আৰু ক্রচবিদ্ধ মানুহৰ মূৰবোৰত, বদৰ পোহৰ জিলিকি উঠিছে; চমকা, চমক সোণালী ৰশ্মিৰে ভৰা মঞ্চৰ মজিয়াখন, বন কৰা কাপোৰ এখনৰ দৰে দেখা গৈছে। ক'লা ছাঁৰ সমুদ্রৰ মাজত, পোহৰৰ টুকুৰাবোৰ ভিৰ্‌বিৰাই আছে। বলিহঁতৰ ধীৰ মৃত্যু যন্ত্রণাৰ দৃশ্যাই, দর্শকক আনন্দৰ খোৰাক যোগাইছে। ক্রচৰ এই হাবিখন ইমান ঘন হৈছে যে, বহুৱা-হঁতে গছবোৰৰ মাজেদি, কোনোমতেহে পাৰ হ'ব পাৰিছে। একেবাৰে সম্মুখৰ শাৰীত, বিশেষকৈ নাৰী সকলক, আৰু সর্ব্বপ্রধান বলি হিচাবে, ক্রিচ্‌পাচক ওলোমাই থৈ, দৃশ্যটো আঁটাইবৰ বাবে, দেখনিয়াৰ কৰা হৈছে। সম্রাট বহা ঠাইৰ মুখামুখিকৈ, প্রকাণ্ড ক্রচ্ এটাত ক্রিচ্‌পাচ্ ওলমি আছে। ক্রচৰ তল-ভাগ, হৰ্ণগছৰ কাঁইটীয়া মালাৰে সজোৱা হৈছে।

এতিয়ালৈকে এজন শহীদৰো মৃত্যু হোৱা নাই; কিন্তু প্রথমে ক্রচত দিয়া সকলৰ ভিতৰত কিছুমানে জ্ঞান হেৰুৱাইছে। তথাপিও, আর্তনাদ শুনা নাই

কোনেও। পুতৌ কামনা কৰি চিঞৰা নাই কোনেও। কিছুমানৰ মূৰ কান্ধৰ ওপৰত অথবা বুকুত বাগৰি পৰিছে, ভেঔলোকক যেন, গভীৰ টোপনিয়ে হেঁচা মাৰি ধৰিছে। কিছুমানক ধ্যান মগ্ন অৱস্থাত দেখা গৈছে; কিছুমানে উৰ্দ্ধলোকলৈ চকু তুলি, দুৰ্ব্বলভাৱে ওঁঠ লৰাইছে। ক্ৰুচৰ এই ভয়াবহ অৱগ্যাই, প্ৰসাৰিত অজৰ চিত্ৰই আৰু মৃত্যুৰ নিৰ্মম নিস্তব্ধতাই, জনতাৰ আনন্দ কোলাহল হঠাৎ স্তব্ধ কৰি দিলে। ঠেৰেঙা লগা, সঙ্কোচিত উলঙ্গ নাৰীদেহে জনতাৰ কামোন্মাদনা জগাই তুলিব নোৱাৰিলে। প্ৰচলিত নিয়ম অনুসৰি, কোনজন বলিৰ আগতে, কোনজনৰ মৃত্যু ঘটিব, এই কথালৈ কোনেও বাজি নধৰিলে। আনকি, দৃশ্যটোৱে চিজাৰকো অৱসাদগ্ৰস্ত কৰি পেলোৱা যেন দেখা গ'ল। প্ৰকাণ্ড মূৰৰ তলত থকা শকত ডিঙিটোত মেৰ খাই থকা বস্তুমালাধাৰ, ক্লান্ত ভাৱে পকাই, পকাই তেওঁ বহি আছে।

হঠাৎ ক্ৰিচ্‌পাচে চকুমেলি, নিৰোক দেখিবলৈ পালে। তৎক্ষণাৎ তেওঁৰ মুখত এনে এটা বুজিব নোৱাৰা ভাব ফুটি ওলাল, চকুৰ পৰা এনে এটা ভয়াবহ জ্যোতি ওলাবলৈ ধৰিলে যে অগষ্টান সকলে নিজৰ ভিতৰতে ফুচফুচাই কিবা কৈ, মানুহজনলৈ আঙুলিয়াই দেখুৱাবলৈ আৰম্ভ কৰিলে। অৱশেষত চিজাৰৰো দৃষ্টি আকৰ্ষণ কৰাত, ধীৰে ধীৰে তেওঁ বিতচকুপাত চকুৰ আগলৈ নিলে। অদ্ভুত নিস্তব্ধতাৰ মাজত, আটায়ে থৰ লাগি ক্ৰিচ্‌পাচক চাবলৈ ধৰিলে। মানুহজনে নিজৰ সৌহাতখন ক্ৰুচৰ পৰা এৰুৱাবলৈ বৃথা চেষ্টা কৰিছে।

অৱশেষত বুকু ওফোন্দাই, প্ৰাণপণে গা দাঙিবলৈ চেষ্টা কৰি, তেওঁ চিঞৰি উঠিল:

"ধিক! মাতৃহন্তা!"

প্ৰজাৰ সন্মুখত এইদৰে লাঞ্ছিত হৈ, চিজাৰে কপাল কোচালে। মৰকতৰ বিতচকু হাতৰ পৰা পৰি গ'ল। ক্ৰমান্বয়ে ভয়ঙ্কৰ, ভীষণ ৰূপ ধৰা ক্ৰিচ্‌পাচৰ কণ্ঠস্বৰ, ক্ৰীড়া ভৱনত ঠেকা খাই, জনজনাই উঠিল:

"ধিক! মাতৃহন্তা! ধিক! ভ্ৰাতৃহন্তা! ধিক খৃষ্ট বিৰোধী পশু! তোৰ ভৰিৰ তলত নৰকৰ দুৱাৰ মুকলি হৈছে; মৃত্যুৱে হাতমেলি আহিছে, তোক ধৰিবলৈ, তোৰ দেহ গ্ৰাস কৰিবলৈ কবৰে মুখ মেলিছে! ধিক! হেৰ জীৱন্ত শ! তয়ে তোক টেটু চেপি মাৰিব। অনন্ত নৰক ভোগ হ'ব তোৰ!"

দেখিলে ভয়লগা ক্ষীণ আৰু দীঘল অঙ্গ-প্ৰত্যঙ্গৰে মানুহজনক জীৱন্ত কঙ্কাল যেন লাগিল। সম্ৰাট বহা ঠাইৰ ওচৰতে, বৃদ্ধই বগা ডাঢ়ি কোছা জোকাৰিবলৈ ধৰিলে; তেওঁৰ মূৰত পিন্ধোৱা গোলাপৰ মালাৰ পৰা, পাপৰি বোৰ সৰি, সম্ৰাট বহা মজিয়াত সিঁচৰতি হৈ পৰিল।

"নৰকলৈ যা হত্যাকাৰী!" তেওঁ তৃতীয়বাৰ চিঞৰিলে, "তোৰ অন্তিমকাল চমু চাপি আহিছে!"

তাৰ পাচত, শেষ বাৰলৈ, মৰো জীওঁকৈ, নিজৰ সোঁহাতখন, ক্ৰচৰ পৰা এক্ৰাই আনিবলৈ, চেষ্টা কৰিলে, যাতে চিজাৰৰ আগলৈ হাতখন মাৰি পঠিয়াব পাৰে। মুহূৰ্ত্তৰ বাবে, সকলোৰে ভাব হ'ল, তেওঁ কৃতকাৰ্য্য হ'ব। কিন্তু হঠাতে তেওঁৰ সম্ফীত বাহুদ্বয়, আপোনা আপুনি ঢিলা হৈ পৰিল, দেহ দুৰ্ব্বল হ'ল, মূৰটো বুকুৰ ওপৰত ঢলি পৰিল, আৰু তেওঁৰ অমৰ আত্মাই নশ্বৰ দেহ ত্যাগ কৰিলে।

ক্ৰচৰ অৰণ্যত, এতিয়া দুৰ্ব্বল শৰীৰ সকল অনন্ত নিদ্ৰাত মগ্ন।

॥ ১৭ ॥

"হে প্ৰভু," চিলোৱে কলে, "সাগৰখন জলফাইৰ তেজৰ দৰে দেখা গৈছে, ঢৌবোৰে জিৰণি লৈছে। আমি হেলাচলৈ যাওঁ আহক। হেলাচত আপোনাক এপোলোৰদৰে শ্ৰদ্ধা জনাব। তাত আপোনাক মুকুট পিন্ধাই, বিজয়ৰ শোভা-যাত্ৰা কৰি আগবঢ়াই লৈ যাব। তাৰ মানুহে আপোনাক দেৱতাজ্ঞান কৰি অভিনন্দন জনাব। দেৱতা সকলেও আপোনাক তেওঁলোকৰ সমকক্ষ বুলি জ্ঞান কৰি, অতিথিৰূপে আদৰণি জনাব। আনহাতে ইয়াত প্ৰভু,—"

সি আৰু একো কব নোৱাৰিলে; কাৰণ তাৰ তলৰ ওঁঠটো ইমান বেচিকৈ কঁপিবলৈ ধৰিলে যে, তাৰ কথাবোৰ অস্পষ্ট কিছুমান শব্দত পৰিণত হ'ল।

"হয়, খেল শেষ হোৱা মাত্ৰকে, আমি যাত্ৰা আৰম্ভ কৰিম।" নিৰোৱে উত্তৰ দিলে, "কিন্তু ইতিমধ্যে কিছুমান মানুহে কবলৈ আৰম্ভ কৰিছেই যে, খৃষ্টিয়ানবোৰ নিৰ্দ্দোষী। যদি মই এতিয়াই যাওঁগৈ, তৎক্ষণাৎ প্ৰতিজন মানুহে

সেই কথাকে পুণৰাবৃত্তি কৰিব। কিন্তু কিহৰ কাৰণে তোৰ ইমান ভয় হৈছে, হেৰ, পচা বুঢ়া, কাঠফুলা ?"

খেমেলীয়া স্বৰত, সেও কথা কৈছাৰ কলে যদিও, গ্ৰীকটোক পৰীক্ষা নিৰীক্ষা কৰাৰ ধৰণটোতে, তেওঁৰ নিজৰ মনৰো দুশ্চিন্তাবোৰ প্ৰকাশ পালে। প্ৰকৃততে ক্ৰিচ্‌পাচৰ কথাখিনিয়ে তেওঁক অতিশয় আতঙ্কিত কৰি তুলিছিল। ৰাজপ্ৰাসাদলৈ উলটি যোৱাৰ পাচতো, ক্ৰোধ, লাজ আৰু ভয়ে, তেওঁৰ চকুৰ টোপনি কাঢ়ি নিছিল।

অন্ধ বিশ্বাসেৰে ভৰা, ভেচ্‌টিনাচে চাৰিওফালে চকু ফুৰাই, ৰহস্যপূৰ্ণ সুৰত জনালে, "প্ৰভু, বুঢ়াৰ কথা শুনিছিলনে? এই খৃষ্টিয়ানবোৰৰ গাত অদ্ভুত কিবা এটা আছে। যিকোনো অৱস্থাতে যেন সিহঁতৰ দেৱতাই সিহঁতক সহজ মৃত্যু দান কৰি আছে। সেই দেৱতাই, ইহঁতৰ মৃত্যুৰ বাবে, প্ৰতিশোধ নলব বুলি কোনোবাই কব পাৰিবনে ?"

"মোৰ কোনো দোষ নাই," চিজাৰে শুতালিকে কলে, "টাইগেলিনাচে ক্ৰীড়া পৰিচালনা কৰিছে।"

"হয় মইয়েই কৰিছো।"

টাইগেলিনাচে স্বীকাৰ কৰিলে, "গোটেই পৃথিবীৰ খৃষ্টিয়ানক মই বুঢ়া আঙুলি দেখুৱাম। ভেচ্‌টিনাচটো অন্ধবিশ্বাসৰ মোনা এটা ; আৰু আপোনাৰ এই সিংহৰ দৰে সাহসী গ্ৰীকটো আকৌ, কুকুৰা এজনীয়ে পাখি জোকাৰি খেদা মাৰি অহা দেখিলেও ভয়তে পেপুৱা লাগিব।"

"বেচ", নিৰোৱে কলে, "কিন্তু ভৱিষ্যতে তুমি এই খৃষ্টিয়ানবোৰৰ জিভা কটাই পেলাবা, নহলে সিহঁতৰ মুখত টানকৈ সোপা দিয়াবা।"

"হয়, মই জুই দি সিহঁতৰ মুখ বন্ধ কৰিম প্ৰভু!"

"হায়। মোৰ কি হ'ব!" চিলোৱে আৰ্ত্তনাদ কৰিলে।

টাইগেলিনাচৰ দন্তালিত আশ্বস্ত হৈ, এইবাৰ চিজাৰে জোৰেৰে হাঁহি দিলে। বুঢ়া গ্ৰীকটোলৈ দেখুৱাই তেওঁ কলে,

"একিলিজৰ বংশধৰৰ সাহশিত কি চাবা!"

সঁচাকৈয়ে চিলোৰ অৱস্থা অতি শোক লগা হৈছিল। তাৰ যি কেইডাল চুলি পকিবলৈ বাকী আছিল, সেইকেইডাল এতিয়া সম্পূৰ্ণ বগা হল। তাৰ মুখ মণ্ডলত দুশ্চিন্তাৰ ছাপ ক্ৰমে প্ৰকট হৈ উঠিছে। আনকি উদ্ভ্ৰান্ত আচৰণৰ বাবে, মাজে সময়ে তাক বাহ্যজ্ঞানশূন্যৰ দৰে দেখা গৈছিল। তাক কিবা

সুধিলে, প্ৰায়ে উত্তৰ দিব নোৱাৰে; মাজে মাজে, খণ্ডত মূৰ্চ্ছা যোৱাৰো অৱস্থা হয়। তেতিয়া তাৰ উত্তৰবোৰ ইমান অমাৰ্জিত হৈ উঠে যে, অগষ্টান বোৰে তাৰ আৰু খং স্তুতুলিবলৈকে চেষ্টা কৰিলে।

এবাৰ জকি-পকি উঠি, সি এইদৰে চিঞৰিবলৈ ধৰিলে, "তহঁতে মোক যি কৰ কৰিবি। কিন্তু মই মৰি গলেও খেল চাবলৈ নাযাওঁ।" কালৈকো কেৰেপ নকৰাৰ দৰে দেখুৱাই সি তিনি টিকিলি মাৰিলে।

নিৰোৱে অলপপৰ তালৈ চাই থাকিল; তাৰপাচত, টাইগেলিনাচক উদ্দেশ্য কৰি কলে, "চাবা, ঘাতে বাগিছা বোৰত, চিলোৱে মোৰ কাষে কাষে খোজ দিয়ে। তাৰ মনত আমাৰ জোৰবাতিবোৰে কেনে প্ৰতিক্ৰিয়া কৰে, মই চাব খুজিছোঁ।"

চিজাৰৰ কথাৰ ভীতিপূৰ্ণ সুৰে চিলোক কঁপাবলৈ ধৰিলে।

"হে প্ৰভু," সি কলে, আপোনাৰ লগত গলেও, মই একো দেখিবলৈ নাপাম। ৰাতি চকুৰে নমনো মই।"

"অ', তাত যথেষ্ট পোহৰ থাকিব।" চিজাৰে অমঙ্গলীয়া হাঁহি মাৰি জনালে, "দিনৰ পোহৰৰ দৰে হব।"

তাৰপাচত তেওঁ অগষ্টান সকলৈ উলটি চালে, আৰু খেলৰ শেষত যি ৰথ দৌৰ অনুষ্ঠিত হ'ব, সেই সম্বন্ধে আলোচনা কৰিবলৈ ধৰিলে।

পেট্ৰোনিয়াচে চিলোৰ কাষলৈ আহি, তাৰ বাহুত ধৰি কলে,

"মই কৈছিলোঁৱেই নহয়, শেষলৈকে ভাও দিব নোৱাৰিবা বুলি।"

মানুহটোৱে উত্তৰ দিলে, "তাকে কৰিবলৈ হলে, মই বেচকৈ মদ খাই লব লাগিব।"

ইয়াকে কৈ, সি সুৰাৰ পাত্ৰ এটালৈ, কঁপি থকা হাতখন মেলিলে; কিন্তু পাত্ৰটো ওঁঠৰ কাষলৈ নিয়াৰ শক্তি তাৰ নহল। ভেচ্‌টিনাচে তাৰ হাতৰ পৰা পাত্ৰটো লৈ, কৌতুহল আৰু আশঙ্কা মিহলি ভাব মুখলৈ আনি, তাৰ ওচৰলৈ হাউলি গৈ সুধিলে, "উগ্ৰচণ্ডা দেৱীসকলে তোমাক খেদি আহিছে নেকি?"

বুঢ়াটোৱে মুখখন মেলি, প্ৰশ্নকৰ্ত্তালৈ চালে, যেন প্ৰশ্নটো সি বুজিবই পৰা নাই। তাৰ পাচত, সি চকু টিপিয়াবলৈ ধৰিলে।

ভেচ্‌টিনাচে প্ৰশ্নৰ পুণৰাবৃত্তি কৰিলে।

"নাই অহা।" চিলোৱে উত্তৰ দিলে, "কিন্তু মই চকুৰ আগত সকলো এন্ধাৰ দেখিছোঁ।"

"এন্ধাৰ নে? দেৱতাসকলে তোমাক দয়া কৰক। তুমি কি কৈছা? এন্ধাৰ?"

"হয়, অতি ভয়ানক দুৰ্ভেদ্য অন্ধকাৰ। এই আন্ধাৰৰ মাজৰ পৰা, কিবা এটা মোৰ ফালে আগুৱাই আহি আছে। কিয় জানো, সেই বস্তুটোলৈ মোৰ ভয় লাগিছে।"

"যাদুমন্ত্ৰত মই বিশ্বাস কৰো। এতিয়া তুমি কিবা বেয়া সপোন দেখিছা নেকি?"

"নাই দেখা। মোৰ টোপনি সমূলি নাহে। এই মানুহবোৰৰ যন্ত্ৰণাৰ কথা ভাবি, ভাবি, মই শুব নোৱাৰা হৈছো।"

"তেন্তে সিহঁতৰ কাৰণে তোমাৰ দুখ লাগিছে?"

"নাই লগা! কিন্তু কিহৰ বাবে ইমান তেজৰ নৈ বোৱাইছে? ক্ৰচত দিয়া সেই মানুহটোৰ কথা শুনিছিল নহয়? আমাৰ সন্মুখত নৰক বৈ আছে।"

"হয়, সেই মানুহটোৰ কথাবোৰ নিশ্চয় শুনিছো।" ভেচ্‌টিনাচে সক সকৈ মুখৰ ভিতৰতে কলে, "কিন্তু এই মানুহবোৰ গৃহদাহক।"

"নহয়। এই কথা মিছা।"

"মানৱ জাতিৰ শত্ৰু।"

"সেইটোও মিছা।"

"নিজৰাবোৰত বিহ ঢালে সিহঁতে।"

"মিছা, মিছা!"

"শিশুবোৰক ধৰি খায়।"

"মিছা, মিছা! মই একেবাৰে ঠিক কথা কৈছো, আপোনাক!"

"কি?" ভেচ্‌টিনাচে আঁচৰিত হৈ সুধিলে, "টাইগেলিনাচৰ হাতত তুমিয়ে সিহঁতক ধৰাই দি, এতিয়া এইদৰে কোৱা?"

"হয়, কাৰণ মোক আন্ধাৰে আৱৰি ধৰিছে, আৰু মৃত্যু মোৰ কাষলৈ আগবাঢ়ি আহিছে। কেতিয়াবা নিজকে মৰা মানুহ যেন লাগে। আপোনা-লোককো মৃত ব্যক্তিৰ দৰে লাগে।"

"নহয়, খৃষ্টিয়ানইতহে মৃত, আমি দেখোন জীয়াই আছো। পিচে মোক কোৱাচোন, মৰাৰ সময়ত, সিহঁতে কি দেখে?"

"সিহঁতে খৃষ্টক দেখে।"

"সিহঁতৰ দেৱতাক, তাৰ মানে ?" ভেচ্ টিনাচে সুধিলে, "সেইজন শক্তি-শালী দেৱতা নেকি ?"

চিলোৱে গুলোটাই প্ৰশ্ন কৰিলে,— "বাগিছাবিলাকত কেনেকুৱা জোৰ বাঢ়ি অনাৰ ? চিজাৰে কি কৈছিল, শুনিছিলনে ?"

"হয়, শুনিছিলো, আৰু মই জানোও। খৃষ্টিয়ানবিলাকক, দোষীৰ সাজ পিন্ধাই, তেল সনা খুটাত বান্ধি, জ্বলাই দিয়া হ'ব। নগৰখনলৈ নতুন বিপদ পঠিয়াই, সিহঁতৰ দেৱতাই যেন প্ৰতিশোধ নলয়! 'চেমাক্সি' নামৰ এই শাস্তি অতি ভয়ানক। অতি যন্ত্ৰণাদায়ক।"

"যি, কি নহওক, আনধৰণৰ শাস্তি চোৱাতকৈ, মই এই শাস্তিকে চাম। কাৰণ ইয়াত ৰক্তপাত নঘটে। অনুগ্ৰহ কৰি, দাস এটাক আদেশ কৰক, এই পিয়লাটো মোৰ ওঁঠৰ কাষত ধৰিবলৈ। মোৰ বৰ পিয়াহ লাগিছে, অথচ বৃদ্ধাৱস্থাৰ বাবে, মোৰ হাত ইমান কঁপিছে যে মদখিনি পেলাইছোহে।"

……চিলোৰ লগৰীয়াইতেও খৃষ্টিয়ানৰ কথাকে আলোচনা কৰি আছে। বুঢ়া ডোমিটিয়াচ্ এফাৰে সিহঁতক অকণো ভাল বোলা নাই।

"সিহঁতৰ সংখ্যা ইমান বেচি যে, সিহঁতে গৃহযুদ্ধ এখনকে লগাব পাৰিলে-হেঁতেন।" তেওঁ কলে, "ইফালে সিহঁতে মক্ষত অস্ত্ৰ লৈ, আত্মৰক্ষা কৰিবলৈও অমান্তি হ'ল। বিশ্বাস কৰিবনে কোনোবাই ? তাৰ ঠাইত ভেড়াৰ দৰে মৰি-বলৈহে ধৰিলে।"

"তাকে নকৰি, আন কিবা কৰকচোন চাওঁ। টাইগেলিনাচে ভীষণ মাতেৰে জনালে।

"আপোনাৰ ভুল হৈছে, "পেট্ৰোনিয়াচে মাত লগালে "সিহঁত অস্ত্ৰহীন নহয়।"

"কি অস্ত্ৰ বা সেইয়া ?"

"সুদৃঢ় মনোবল।"

"ই তেন্তে নতুন ধৰণৰ অস্ত্ৰ।"

"হ'ব পাৰে। কিন্তু সিহঁত সাধাৰণ কয়দীৰ দৰে মৰিছে বুলি কব পাৰি-বনে ? নাই মৰা। সিহঁত এনে ভাৱে মৰিছে যেন, বিবিলাকে সিহঁতক দোষী সাব্যস্ত কৰিছে, মৃত্যুদণ্ড দিছে, সেইবোৰহে প্ৰকৃত দোষী। এই ক্ষেত্ৰত মই আমাৰ আৰু সৰ্ব্বসাধাৰণ ৰোমান নাগৰিকৰ কথা কৈছো।"

"কি অৰ্থহীন কথা!" টাইগেলিনাচে চিঞৰি কলে।

"অধামুৰ্খৰ যুৱৰাজ এওঁ!" পেট্ৰোনিয়াচে মন্তব্য কৰিলে।

তাত উপস্থিত থকা কিছুমানৰ মনত, পেট্ৰোনিয়াচৰ কথাৰ সত্যতাই আঘাত দিয়াত, আচৰিতভাৱে, এজনে ইজনৰ মুখলৈ চাবলৈ ধৰিলে। তাৰে পুণৰাবৃত্তি কৰি এজনে কলে, "কথাটো সঁচা। এই খৃষ্টিয়ানইতে মৃত্যুক যি ভাৱে বৰণ কৰিছে, তাৰ মাজত অসাধাৰণত্ব নোহোৱা নহয়।"

"মই হলে ঠিক জানো, মৃত্যুৰ সময়ত সিহঁতে নিজ দেৱতাক দৰ্শন কৰে।" ভেচ্‌টিনাচে জনালে।

এই কথা শুনি কেইজনমান অগষ্টানে চিঞৰিলৈ চালে।

"হেৰ বুঢা!" এওঁলোকে চিঞৰি কলে, "তুইতো সিহঁতক ভালদৰে জান। এতিয়া কচোন, কি দেখে সিহঁতে?"

গ্ৰীক্‌টোৱে সেপ ঢুকিলে আৰু অলপ আগতে গিলি থোৱা মদখিনি নিজৰ চোলাতে উকুলিয়াই দি কলে, "সিহঁতে পুনৰুত্থান হোৱা দেখিবলৈ পায়।"

তাৰ পাচত, মানুহটোৰ ইমান সাংঘাতিকভাৱে কঁপনি উঠিল যে, ওচৰত বহি থকা মানুহবোৰে, গিৰ্জনি মাৰি হাঁহিবলৈ ধৰিলে।

॥ ১৮ ॥

কিছুদিনৰ পৰা ভিনিকিয়াচে নিশাবোৰ ঘৰৰ বাহিৰত কটাইছে। পেট্ৰোনিয়াচে ভাবিলে যে, ভাগিনিয়েকে লিজিয়াক এচ্‌কুইলিন জেলৰ পৰা উলিয়াই অনাৰ চেষ্টাত আছে! কিন্তু তেওঁ এই সম্বন্ধে একো সুসুধিলে, জানোচা হাতত লোৱা কামত কিবা বিঘিনিয়েহে ঘটে! মেমাৰটাইন বন্দীশালৰ পৰা লিজিয়াক উদ্ধাৰ কৰিব নোৱাৰা দিন ধৰি নিজৰ কপালখনক তেওঁ বিশ্বাসেই নকৰা হ'ল।

ভিনিকিয়াচে চেষ্টা কৰিলে কিবা ফল ধৰিব বুলিও তেওঁৰ মনে নধৰিলে। জুই লগাৰ সময়ত, কিছুমান ঘৰ ভাঙি দিয়া হৈছিল, যাতে জুইকুৰা বেচি বিয়পিব নোৱাৰে। সেই ঘৰৰ মাটিৰ তলৰ ভঁৰালী কোঠাবোৰ লগ লগাই, মৰা-মৰিকৈ সজা কাৰাগাৰেই হ'ল এচ্‌কুইলিন্‌ বন্দীশাল। এই কাৰাগাৰ কেপিটোলত থকা পুৰণি পোতাশালৰ দৰে ভয়াবহ নহয় যদিও,

তাতকৈ শতগুণে বেচি তীক্ষ্ণ, সজাগ প্ৰহৰীৰে পৰিবেষ্টিত। লিভিয়াৰ যাতে স্বৰত মৃত্যু নহয় আৰু যাতে তাই মন্থৰ মৃত্যু যন্ত্ৰণাৰ পৰা সাৰি যাব নোৱাৰে, সেই চেষ্টাতে তাইক স্থানান্তৰ কৰি তালৈ নিয়া হৈছে বুলি পেট্ৰোনিয়াচৰ অকণো সন্দেহ নাথাকিল।

"এটা কথা ঠিক।" তেওঁ নিজকে কলে, "টিজাৰ আৰু টাইগেলিনাচে তাইক বিশেষ কিবা এটা দৃশ্যৰ বাবে, আচুতীয়াকৈ থৈছে। সকলোতকৈ বেচি নিষ্ঠুৰ, বেচি যন্ত্ৰণাপূৰ্ণ হ'ব, এই প্ৰদৰ্শন। ভিনিকিয়াচেও বৃথা চেষ্টা কৰি নিজৰ ধ্বংসহে মাতি আনিব।"

ভিনিকিয়াচেও নিজৰ চেষ্টাৰ ওপৰত আস্থা হেৰুৱাই পেলালে। একমাত্ৰ খৃষ্টইহে তাইক ৰক্ষা কৰিব পাৰিব। তেওঁৰ একমাত্ৰ বাসনা হ'ল কেনেবাকৈ কিবা উপায়েৰে হৈ, তাইৰ লগত বন্দীশালত দেখা কৰা। তেওঁ জানে যে, সকলো বিঘিনি নেওঁচি, নাজাৰাচে মৰাশ অঁতৰোৱাৰ কাম লৈ, তাত সোমাইছে। এই কথাই তেওঁৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। অৱশেষত তেওঁ নিজেও তেনেকুৱা এটা উপায়কে অৱলম্বন কৰিবলৈ থিৰ কৰিলে। শকত ধনৰ টোপোলা পাই, কবৰৰ তত্বাৱধানত থকা কৰ্ম্মচাৰীটোৱে, তেওঁকো কামত ভৰাই ললে। প্ৰতি নিশা কোনোবা মৰিছে নেকি চাবৰ কাৰণে, কাৰাগাৰ সমূহলৈ পঠিওৱা দলটোৰ অন্তৰ্ভুক্ত হ'ল ভিনিকিয়াচ। তেওঁ জানিলে, নিশাৰ অন্ধকাৰ, গাত থকা দাসৰ পোছাক, তাৰ্পিণ তেলত জুবুৰিয়াই লোৱা ফটা কানিৰে মেৰিওৱা মুৰ, বন্দীশালৰ ক্ষীণ পোহৰ, এই আটাইবোৰ মিলি তেওঁক চিনিব নোৱাৰা কৰিব। তদুপৰি, কোনোবাই জানো সপোনতো ভাবিব পাৰে যে, এজন সম্ৰান্ত বংশীয় মানুহে, প্ৰধান বিচাৰ পতিৰ পুতেক আৰু নাতিয়েকে, কাৰাগাৰ আৰু কবৰখানাৰ বিষাক্ত আবহাওৱাৰ মাজত সোমাই, কবৰ খন্দা বহুৱাৰ সাজত দেখা দিব? দৰিদ্ৰতাৰ চৰম অন্ধকাৰে বা দাসত্বৰ নিঠকুৱা অৱস্থাই যি কামলৈ মানুহক নমাব পাৰে, সেই কামত এনে এজন ব্যক্তিয়ে হাত দিব পাৰে বুলি কোনে ভাবিব?

সেনাপতি এজনে শ-কড়িওৱা বহুৱাৰ বেজবোৰ, পৰীক্ষা কৰাৰ পাচত, বন্দীশালৰ ডাঙৰ লোৰৰ দুৱাৰ মুকলি হ'ল। ভিতৰলৈ সোমায়েই ভিনিকিয়াচে অৰ্দ্ধগোলাকাৰ প্ৰকাণ্ড ঘৰ এটা দেখিবলৈ পালে; তাৰ পৰা সৰু, সৰু, অন্ধকূপৰ দৰে কোঠাবোৰলৈ যাবলৈ বাট আছে। ক্ষীণ পোহৰৰ চাকি কেইটামান জ্বলাই থোৱা হৈছে। কোঠাটো বন্দীৰে ঠাহ খাই আছে; কিছুমানে বেৰৰ

দাঁতিত দীঘল দি পৰি, শুই আছে, কিছুমানে আঁঠুৰ ওপৰত কিলাকুটিৰে ভেজা দি, হাতৰ মাজত মুখ লুকুৱাই, বহি আছে। অ'ত ত'ত, কেছুৱাবোৰ মাকৰ কোলাত টেপা খাই আছে। চাৰিওফালৰ পৰা শুনা গৈছে, কাঁহৰ শব্দ, উচুপনি, প্ৰাৰ্থনাৰ অস্পষ্ট শব্দ, গুণ-গুণাই গোৱা প্ৰাৰ্থনা গীত, আৰু বন্দী-পালহঁতৰ কৰ্কশ শাও শপনি।

চাৰিওফালে মৰাশৰ গোন্ধ আৰু জীৱিত মানুহৰ ঘামৰ অকটা গোন্ধ। আন্ধাৰৰ চুক কোণবোৰত, অস্পষ্ট মূৰ্ত্তি কিছুমান কোচ-মোচ খাই বহি আছে, সিহঁতৰ মুখ চিনা নাযায়! চাকিৰ ঢিমিক ঢামাক পোহৰত, কিছুমান বগা মুখ দেখা গৈছে,—ইহঁতৰ গালৰ হাড় ওলোৱা, চকুত জ্বৰৰ বিহ্বলতা, ওঁঠ নীলা, আৰু ঘামত তিতি থকা চুলিবোৰ, কপালত লিপিত খোৱা। এই ৰুগ্ন মানুহবোৰৰ কিছুমানে ভ্ৰম বকি চিঞৰিছে, কিছুমানে পানী বিচাৰি চিঞৰিছে, আৰু মাৰি পেলাবলৈ খাটিছে।

এইবোৰ চাই চাই, ভিনিকিয়াচৰ আঁঠু থৰক বৰক হৈ, কঁপিবলৈ ধৰিলে। এইখন নৰকত লিজিয়া আছে বুলি ভাব অহাৰ লগে লগে, তেওঁৰ মূৰৰ চুলি থিয় হ'ল, আৰু ডিঙিটো কোনোবাই চেপা মাৰি ধৰাৰ দৰে লাগিল। ক্ৰীড়া মঞ্চ, বনৰীয়া জন্তুৰ চোকা দাত, ক্ৰচ আদি যি কোনো বস্তুৰেই ভাল, গেলা, পচা মৰাশৰে ভৰা, এই ভয়াবহ কাৰাগাৰবোৰতকৈ।

"আজি কিমান মৰিল ?" মৰা পোতা গাঁতৰ অধীক্ষকে সুধিলে।

"বাৰটামান।"

কাৰাগাৰৰ শাসকে উত্তৰ দিলে, "ৰাতিপুৱালৈ আৰু বেচি মানুহ মৰিব। কাৰণ বেৰৰ কাষত থকা কিছুমানে ছিপ লৈছেই।"

মৰাৰ পাচতো, লৰা ছোৱালী বেচিপৰলৈ নিজৰ লগত ৰাখিবৰ বাবে, যিবিলাক মাকে, সিহঁতৰ শবোৰ লুকুৱাই থয়, সেই বিলাকক উধাই-মুধাই গালি পাৰিবলৈ ধৰিলে, সি। গোন্ধ ওলালেহে, এইবোৰ বিচাৰি উলিয়াব পাৰি।

"ইয়াত থকাতকৈ, কোনোবা গাঁৱৰ বন্দীশালত শাস্তি ভুগি থকা দাস হোৱা হলেই ভাল আছিল।" শেষত সি জনালে, "ইয়াত যিমথা কুকুৰৰ ৰখীয়া হৈ আছো, মৰাৰ আগতেই সিহঁত গেলিবলৈ ধৰে।"

কবৰ খানাৰ অধীক্ষকে সান্ত্বনা দি কলে, তাৰো সেই একে অৱস্থা।

ইমান পৰে লিজিয়াক বিচাৰি, ভিনিকিয়াচ হাবাথাৰি হৈছে। অৱশেষত তেওঁ ভাবিবলৈ বাধ্য হ'ল যে, লিজিয়াক জীৱিত অৱস্থাত আৰু কেতিয়াও দেখিবলৈ নাপায়। মাটিৰ তলত, বাৰটামান সৰু সৰু খুপৰী আছে। নতুনকৈ বেৰত বাট কাটি, এই খুপৰীবোৰ সংলগ্ন কৰা হৈছে। বিৰিলাকত মৰাশ আছে বুলি জানে, কৰৰ খন্দা, মানুহবোৰ সেই বোৰত সোমায়। ইমানবোৰ কষ্ট অধলে যাব বুলি, ভৰাটোৰে ভিনিকিয়াচৰ বাবে, যন্ত্ৰণাপূৰ্ণ। সৌভাগ্য-ক্ৰমে, কৰৰখানাৰ অধীক্ষকে তেওঁক সহায় কৰিলে।

"শবোৰ তৎক্ষণাৎ আঁতৰাব লাগিব", সি কলে, "যদিহে বন্দীহঁতৰ লগতে বন্দীপালিবোৰো মৰিব নোখোজে।"

"আটাইবোৰ বন্দীশালৰ বাবে, আমাৰ মুঠতে দহোটা মানুহ হে আছে।" প্ৰধান বন্দীপালে উত্তৰ দিলে, "ইয়াৰ ভিতৰত, কেইটামানে নিশ্চয় অলপ শুই লব লাগিব।"

"তেন্তে মই চাৰিটা মানুহ তোমালোকক দিম; ইহঁতে খুপৰীবোৰত আৰু মৰাশ আছেনে নাই, ঘূৰি পকি চাব।"

"সেয়ে হলে, কাইলৈ পুৱা আপুনি যাতে পিবলৈ বস্ত্ৰ পায়, তালৈ চকু দিম। কিন্তু প্ৰথমতে, প্ৰতিটো শ কাৰ্য্যালয়লৈ নিবই লাগিব। কাৰণ পুতিবলৈ দিয়াৰ আগতে, প্ৰতিটোৰে ডিঙি কাটিবলৈ আদেশ জাৰি কৰা হৈছে।"

"বেচ! তেন্তে মোলৈ অলপ মদ পঠিয়াই দিবা।"

কবৰ খানাৰ অধীক্ষকে, উল্লেখিত চাৰিজন মানুহক, সকলো বুজাই কৈ, কামলৈ পঠিয়ালে। তাৰে এজন ভিনিকিয়াচ। মৰাবোৰক চাঙীত তুলি আনিবলৈ আদেশ কৰা হ'ল।

ভিনিকিয়াচে দীঘলকৈ উশাহ টানিলে। অন্ততঃ এতিয়া তেওঁ লিজিয়াক পাব। প্ৰথম খুপৰীটোত তন্ন তন্নকৈ চাই একো নাপালে। দ্বিতীয় আৰু তৃতীয়-টোতো একো নাই। লাহে, লাহে বাতি বেচি হৈ আহিল; মৰাশবোৰ আঁতৰাই নিয়া হ'ল। খুপৰীবোৰলৈ সোমোৱা বাটটোত, বন্দীপালহঁত দীঘল দি শুই পৰিল। কান্দি, কান্দি অবশ হৈ পৰা, শিশুবোৰো এতিয়া স্তব্ধ হৈ পৰিছে। গধুৰ বুকুৰেদি কষ্টেৰে টনা উশাহৰ শব্দৰ বাহিৰে, আন কোনো শব্দ নাই; কেৱল য'ত ত'ত প্ৰাৰ্থনাৰ মৃদু গুঞ্জন উঠিছে।

হঠাৎ ভিনিকিয়াচে, আগৰ খুপৰীবোৰতকৈ ঠেক, চতুৰ্থ খুপৰীটোত তৰি দি, চাকিটো ওপৰলৈ তুলি, চক খাই উঠিল। ওপৰ ফালে থকা খিৰিকী এখনৰ কাষত, উৰচাচৰ প্ৰকাণ্ড শৰীৰটোৰ উমান পোৱাৰ দৰে লাগিল, তেওঁৰ। লৰালৰিকৈ চাকিটো গুমুৱাই, তেওঁ লিজিয়ানটোৰ কাষ চাপিল।

"এইয়া তুমি নেকি উৰচাচ?" তেওঁ সুধিলে।

দৈত্যটোৱে মূৰ দাঙি চালে।

"কোন তুমি?" সি সুধিলে।

"তুমি মোক চিনিব পৰা নাই?"

"চাকি গুমুৱাই দিলে, কেনেকৈ চিনিম?"

ভিনিকিয়াচে লিজিয়াকো দেখিলে। বেৰৰ কাষত, এটা ডাঙৰ কোটৰ ওপৰত তাই দীঘল দি পৰি আছে। মুখেৰে এটা শব্দও উচ্চাৰণ নকৰি, তেওঁ তাইৰ কাষত আঠুকাঢি বহিল। তেতিয়া উৰচাচে তেওঁক চিনিব পাৰি কলে, "খৃষ্টৰ অপাৰ কৰুণা! কিন্তু তেওঁক শুঠাব প্ৰভু!"

চকুৰ পানীৰ মাজেদি ভিনিকিয়াচে তাইৰ মুখলৈ চালে। আন্ধাৰৰ মাজতো তেওঁ দেখিলে, তাইৰ মুখ মাৰ্বলৰ দৰে শেতা, কান্ধ দুটা শুকাই গৈছে। এই দৃশ্যই, অন্তৰ বিদীৰ্ণ কৰা প্ৰেমৰ যন্ত্ৰণাৰে, তেওঁক অস্থিৰ কৰি তুলিলে। শ্ৰদ্ধা, সন্মান আৰু অনুকম্পা মিহলি হৈ, তেওঁৰ প্ৰেম সুমহান হৈ উঠিল। তললৈ মুখ কৰি তেওঁ পৰি গল— আৰু ছোৱালীটি যিটো চোলাৰ ওপৰত শুই আছিল সেই চোলাৰ দাঁতিত ওঁঠ দুটা জোৰেৰে লগাই দিলে।

বহু সময় উৰচাচে নিস্তব্ধ হৈ চাই থাকিল। তাৰ পাচত তেওঁৰ কাপোৰত খামোচ মাৰি ধৰি, সুধিলে,—

"প্ৰভু, আপুনি কি দৰে সোমাবলৈ অনুমতি পালে? তেওঁক ৰক্ষা কৰিবলৈ আহিছে নেকি?"

ভিনিকিয়াচ থিয় হ'ল।

"সেই কাম কিদৰে কৰিব পাৰি, মোক দেখুৱাই দিয়া।" তেওঁ তত্তালিকে কলে।

"মই আশা কৰিছিলো, আপুনি ইতিমধ্যে উপায় বিচাৰি পাইছে। প্ৰভু! মই একমাত্ৰ যিটো উপায় ভাবিব পাৰো,"— সি ওপৰত থকা খিৰিকীখনৰ লোহৰ মাৰি কেইডাললৈ চালে। তাৰ পাচত নিজকে কোৱাৰ দৰে কলে, "কিন্তু তাৰ পিচফালে সৈন্য ভৰি আছে"।

"এখটা আছে, নিৰাপত্তাৰক্ষী সেনা।" ভিনিকিয়াচে জনালে।

"সিইঁতৰ মাজেদি বাট উলিয়াব নোৱাৰিমনে আমি?"

"ওঁ-হোঁ!"

লিজিয়ানটোৱে চকু মোহাৰিলে। পুণৰ সি সুধিলে, "আপুনি কেনেকৈ অনুমতি পালে সোমাবলৈ?"

"মৰাশ কঢ়িওৱা বহুবাৰ বেজ পিন্ধি।" তাৰ পাচত, বিজুলী সঞ্চাৰে তেওঁৰ মনৰ মাজেদি, এটা ভাব পাৰ হৈ গল।

"ত্ৰাণ কৰ্ত্তাৰ মৰণ যন্ত্ৰণাৰ শপত!" তেওঁ কলে, "পিচে মই এটা কাম কৰিব পাৰো। এই ঠাইত মই থাকিম, আৰু লিজিয়াই এই বেজটো পিন্ধি, মূৰত এইখন কাপোৰ মেৰিয়াই, ঢিলা চোলাটোৰে গা ঢাকি, মোৰ সলনি বন্দীশালৰ পৰা ওলাই যাব পাৰিব। অধীক্ষকৰ তলত কাম কৰা বহুবাৰ ভিতৰত, কেইবাটাও ডেকা মানুহ আছে। গতিকে নিৰাপত্তাৰক্ষী সেনাই, তেওঁক চিনিব নোৱাৰিব। কেনেবাকৈ গৈ, পেট্ৰোনিয়াচৰ ঘৰ পালেই, ৰক্ষা পৰিব।"

তললৈ মূৰ কৰি, লিজিয়ানটোৱে উত্তৰ দিলে, "তেওঁ আপোনাক ভাল পায়, গতিকে এনে উপায় কেতিয়াও নলয়। তদুপৰি তেওঁ অসুস্থ? থিয় হবলৈকে শক্তি নাই তেওঁৰ। 'হে প্ৰভু, আপুনি আৰু পেট্ৰোনিয়াচেই যদি তেওঁক উদ্ধাৰ কৰিব নোৱাৰে, তেন্তে কোনে পাৰিব?"

"খৃষ্টই,-একমাত্ৰ খৃষ্টই পাৰিব।"

অলপ পৰ দুয়ো নীৰৱ। লিজিয়ানটোৰ সৰল প্ৰাণৰ তলিত, নানা ভাবে লুকা ভাকু খেলিলে। "হয় খৃষ্টই সকলোকে ৰক্ষা কৰিব পাৰে। তেওঁ সহায় নকৰাৰ অৰ্থ হ'ল, এয়ে যে, আমাৰ পাপৰ শাস্তিৰ, আৰু মৃত্যুৰ সময় আহি, উপস্থিত হৈছে।" নিজৰ মৃত্যুলৈ তাৰ সমূলি ভয় নাই; কিন্তু সি বিজনী ছোৱালীক কোলাত লৈ ভাৱৰ দীঘল কৰিলে, যাক নিজৰ জীৱন-তকৈও বেচি ভাল পায়, তেওঁৰ বাবেহে তাৰ অন্তৰৰ অন্তঃস্থলীত শোকৰ আঘাত লাগিল।

হঠাৎ লিজিয়াই চকুমেলি চাই, নিজৰ তপত হাত দুখন, ভিনিকিয়াচৰ হাতৰ ওপৰত থলে।

"আস্! মই তোমাৰ দৰ্শন লাভ কৰিলো!" তাই চিঞৰি উঠিল, "মই জানিছিলো, তুমি আহিবা!"

"হয়, মৰমী, মই আহিছো। মোৰ লিজিয়া! খ্ৰীষ্টই যেন তোমাক নিজ হাতে ৰক্ষা কৰে!"

ইয়াতকৈ সৰহ কথা, তেওঁ নকলে, তাইৰ সন্মুখত শোকত ভাঙি পৰাৰ ভয়ত।

"মই অসুস্থ, মাৰ্কাচ!" তাই কৰলৈ ধৰিলে, "ইয়াতে হওক, বা খেলৰ মঞ্চতে হওক, মোৰ মৃত্যু নিশ্চিত! মই প্ৰাৰ্থনা জনাইছিলো, মৰাৰ আগতে যেন তোমাক এবাৰ দেখিবলৈ পাওঁ! খ্ৰীষ্টই মোৰ কথা শুনিলে। তুমি আহি মোক দেখা দিলা!"

এতিয়াও ভিনিকিয়াচে কোনো কথা কব নোৱাৰিলে, মাত্ৰ তাইক বুকুত সাৱটি ধৰি থাকিল। তাই কৈ গল—

"হয়, মই জানিছিলো, তুমি আহিবা। আজি ত্ৰাণকৰ্ত্তাই আমাক অনুমতি দিব, দুয়ো দুয়োবো পৰা বিদায় লবলৈ,— এই কথাও জানো মই। মই শীঘ্ৰে তেওঁৰ কাষলৈ যাম; মই তোমাক ভাল পাওঁ মাৰ্কাচ, আৰু সদায় ভাল পাই থাকিম।"

ভিনিকিয়াচে আত্মসম্বৰণ কৰি, শোকৰ উচ্ছ্বাস দমাই, কষ্টেৰে মাতটো শান্ত কৰি কলে,

"মোৰ প্ৰিয়া, তুমি মৰিব নোৱাৰা। গুৰুৱে মোক আদেশ কৰিছে, বিশ্বাস নেহেৰুৱাবলৈ। তেওঁও তোমাৰ বাবে প্ৰাৰ্থনা কৰি থাকিব; তেওঁ স্বয়ং খৃষ্টৰে সঙ্গী, খ্ৰীষ্টই তেওঁক ভাল পাইছিল। গতিকে তেওঁক কেতিয়াও বিমুখ নকৰে। তোমাৰ মৃত্যু নিশ্চিত হোৱা হ'লে, পিটাৰে মোক কেতিয়াও আদেশ নকৰিলে-হেঁতেন, বিশ্বাস ৰাখিবলৈ। কিন্তু তেওঁ মোক কৈছিল, 'মাত্ৰ বিশ্বাস ৰাখা'! নহয় লিজিয়া, খ্ৰীষ্টই আমাক দয়া কৰিব; তেওঁ তোমাক মৰিবলৈ নিদিয়ে। এনে শোক লগা ঘটনা তেওঁ কেতিয়াও নঘটায়। ত্ৰাণকৰ্ত্তাৰ নামত শপত খাই কৈছো, পিটাৰেও তোমাৰ বাবে, তেওঁৰ চৰণত প্ৰাৰ্থনা জনাই আছে।"

দুৱাৰৰ ওপৰত ওলমি থকা একমাত্ৰ চাকিটো নুমাই গল। ওপৰৰ খিৰিকীয়েদি, জোনৰ পোহৰ আহিল। বিপৰীত ফালে এচুকত শিশু এটিয়ে শোকৰ কান্দোন জুৰি, অলপ পাচতে মনে মনে থাকিল। বাহিৰৰ পৰা নিৰাপত্তাৰক্ষী সেনাবোৰৰ মাত আহিল। অলপ সময়ৰ বাবে আজৰি পাই, বন্দীশালৰ বেৰৰ কাষত, সিহঁতে সক সুৰাকৈ জুৱা খেলিছে।

অৱশেষত লিজিয়াই উত্তৰ দিলে, "মাৰ্কাচ, খৃষ্টই নিজেই এবাৰ চকুপানী টুকি কৈছিল, 'হে মোৰ পিতা! যদি তোমাৰ ইচ্ছা হয়, তেন্তে এই দুখৰ পিয়লা মোৰ ওঁঠৰ ওচৰৰ পৰা আঁতৰাই নিয়া' কিন্তু তেওঁ এই পিয়লা নিঃশেষে পান কৰিলে। ক্ৰচত আত্মাহুতি দিলে তেওঁ। তেওঁৰ বাবে হাজাৰজনে মৃত্যু বৰণ কৰিছে। তেন্তে কিয় মই অকলে ৰক্ষা পৰিব লাগে? মইনো কি মাৰ্কাচ? পিটাৰেও আনকি জনাইছিল, তেওঁও শ্বহীদ হ'ব। তেওঁৰ তুলনাত, মই কিমান নগণ্য। নিৰাপত্তাৰক্ষীসেনাই যেতিয়া প্ৰথমে আমাক বিচাৰি আহিছিল, তেতিয়া মই মৃত্যু আৰু উৎপীড়নলৈ ভয় কৰিছিলো। কিন্তু এতিয়া মোৰ আৰু কোনো ভয় নাই। চোৱা এই বন্দীশাল কিমান ভয়াবহ! এইখন ঠাই এৰি, স্বৰ্গলৈ যাবলৈ পালে, মই কিয় আনন্দিত নহম? মনত ৰাখিবা, পৃথিবীত চিজাৰ আছে, কিন্তু স্বৰ্গত আছে, পৰিত্ৰাতা, দয়ালু কৃপাময় প্ৰভু। তাত মৃত্যু নামৰ কোনো বস্তু নাই। তুমি মোক ভাল পোৱা, গতিকে ভাবি চোৱা, তেওঁৰ কাষত থাকি, মই কিমান ভাল পাম। তুমি মোক ভাল পোৱা গতিকে মনত ৰাখিবা, এদিন স্বৰ্গধামত আমাৰ পুণৰ মিলন হ'ব।"

অলপ বৈ, তাই উশাহ ললে; তাৰ পাচত, ভিনিকিয়াচৰ হাত এখন নিজৰ ওঁঠলৈ নি কলে,

"মাৰ্কাচ!"

"কি, মৰমী!"

"তুমি মোৰ বাবে চকুপানী নুটুকিবা। সদায় মনত ৰাখিবা, স্বৰ্গত এদিন আমাৰ মিলন হ'ব। মোৰ জীৱন দীঘল নহয়, কিন্তু ভগবানে মোক দিছে, তোমাৰ অমূল্য আত্মা। খৃষ্টক যেতিয়া লগ পাম গৈ, তেতিয়া ক'ম, মোৰ পাৰ্থিৱ জীৱন শেষ হ'ল। তুমি নিজ চকুৰে মোৰ জীৱন শেষ হোৱা দেখিলা আৰু পৃথিবীত অকলশৰীয়া হৈও, তুমি তেওঁৰ ইচ্ছাকে মূৰ পাতি গ্ৰহণ কৰিলা। তেতিয়া তেওঁ আমাৰ পুণৰ মিলন ঘটাব আৰু মই সদায় তোমাক ভাল পাম আৰু লগতে থাকিম।"

পুণৰ তাই উশাহ লব নোৱাৰাৰ দৰে হ'ল। অস্ফুট মাতেৰে কথা শেষ কৰি কলে, "সেয়ে হওক, বুলি মোক প্ৰতিজ্ঞা কৰি কোৱা, মাৰ্কাচ!"

"হয়, ভগৱানৰ শপত খাই মই কলো, 'সেয়ে হওক'।"

আন্ধাৰৰ মাজতো তেওঁ দেখিলে, লিজিয়াৰ মুখ উজ্জ্বল হৈ উঠিছে। আকৌ এবাৰ তেওঁৰ হাতখন ওঁঠলৈ নি, তাই মৃদুকণ্ঠে জনালে,

"তোমাৰ পত্নী, ইমান দিনৰ পাচত এতিয়া মই তোমাৰ সহধৰ্ম্মিনী!"

বন্দীশালৰ বেৰৰ কাষত, যিবিলাক সেনাই জুৰা খেলি আছিল, সিঁহতে এতিয়া কাজিয়া কৰিবলৈ আৰম্ভ কৰিছে। কিন্তু চাৰিবেৰৰ মাজত থকা সকলে, এতিয়া কাৰাগাৰ, বন্দীপাল, আৰু সমস্ত জগত পাহৰি, মনে-প্ৰাণে মিলি, ভগবানক প্ৰাৰ্থনা জনাই, তেওঁৰ চৰণত আত্ম নিবেদন কৰিছে।

॥ ১৯ ॥

সম্পূৰ্ণ তিনিটা দিন,-দৰাচলতে কবলৈ গলে তিনিটা নিশা— তেওঁলোকৰ এই সুখত বাধা নপৰিল। মৰাবোৰক, জীয়াবোৰৰ পৰা পৃথক কৰি নিয়া যেতিয়াই শেষ হয়, তেতিয়াই ভাগকৰা বন্দীপালইতে, অহা যোৱা কৰা বাটত দীঘল দি পৰি জিৰণি লয়। সেইখিনি সময়ত, ভিনিকিয়াচ লিজিয়াৰ থুপৰী-টোত সোমায় আৰু খিৰিকীৰে চল পুৱাৰ পোহৰ আহি নোসোমোৱালৈকে নিশ্চিন্ত মনে থাকিব পাৰে।

ভিনিকিয়াচৰ বুকুত মূৰ থৈ, লিজিয়াই শুই, শুই, প্ৰেম আৰু মৃত্যুৰ কথা পাতে। সঁচাকৈয়ে এই মিলন ক্ষণত, তেওঁলোকৰ প্ৰতিটো চিন্তা, প্ৰতিটো আশা আৰু বাসনা, জীৱনৰ পৰা ক্ৰমান্বয়ে বিচ্ছিন্ন হৈ উৰ্দ্ধলোকলৈ গতি কৰে। তেওঁলোক যেন, মাটিৰ পৃথিবী বহুদূৰত এৰি থৈ, অসীম সাগৰৰ বুকুত ধীৰে, ধীৰে নাও মেলি আঁতৰি যোৱা, দুজন নাবিক,— যাৰ দৃষ্টিৰ সন্মুখৰ পৰা সমুদ্ৰৰ আৰু আকাশৰ বিশালতা অন্তৰ্হিত হৈছে। বাতিপুৱা যেতিয়া ভিনিকিয়াচে বন্দীপাল এৰি বাহিৰৰ জগতখন,— নগৰৰ বন্ধু,বান্ধৱ আৰু জীৱনৰ সৰ্ব্বসাধাৰণ বস্তুবোৰ দেখে, তেতিয়া আটাইবোৰ তেওঁৰ অলীক যেন লাগে। সকলো যেন অচিনাকি। সকলো যেন তেওঁৰ পৰা দূৰলৈ আঁতৰি গৈছে! সকলো যেন অন্তঃসাৰ-শূন্য, ক্ষণিকৰ মেলা। আনকি, যন্ত্ৰণাপূৰ্ণ, আসন্ন মৃত্যুৰ বিভিষীকাও মনৰ পৰা আঁতৰি গ'ল। তেওঁৰ মনত অনুভূতি জাগি উঠিল,— কই ভোগা জনে যদি আন ক'ৰবাত দৃষ্টি নিবদ্ধ ৰাখি, ধ্যান মগ্ন হব পাৰে, তেন্তে যন্ত্ৰণাৰ ব্যূহৰ মাজেদি পাৰ হৈ, শহীদ হোৱা তেওঁৰ বাবে, একো অসম্ভৱ নহয়। লিজিয়া আৰু ভিনিকিয়াচে দুয়ো দুয়োকো জনালে, তেওঁলোকৰ প্ৰেমৰ গভীৰতা। পৃথিবী এৰি যেতিয়া সিপুৰীলৈ যাব, তেতিয়াও তেওঁলোকৰ ভালপোৱা সুমহান হৈ

হ'ব; তেতিয়াও দুয়ো থাকিব একেলগে, একেঘৰে। মাজে, সময়ে তেওঁলোকৰ চিন্তাধাৰা যেতিয়া মাটিৰ বুকুলৈ উলটি আহে, তেতিয়া তেওঁলোকৰ এনেভাবে আলোচনা কৰে যেন, তেওঁলোক বহুদূৰলৈ যাবলৈ ওলোৱা দুজন পথিক,— যাত্ৰাৰ পূৰ্ব্বে যি প্ৰস্তুতিৰ আৱশ্যক, তাৰ কথাকে আলোচনা কৰিছে। আন সময়ত, প্ৰশান্তিৰ আৱৰণৰ মাজত দুয়ো স্তব্ধ হৈ বহি থাকে,— যেন মূল্যহীন, অকলশৰীয়া দুটি শিলা স্তম্ভ! তেওঁলোকৰ একমাত্ৰ বাসনা,— খৃষ্টই যেন দুয়োকো আঁতৰাই নিনিয়ে! মনৰ উদ্‌গ্ৰীৱ বাসনা খৃষ্টই পূৰ্ণ কৰিব বুলি, বিশ্বাস দৃঢ়তৰ হৈ অহাৰ লগে লগে তেওঁৰ প্ৰতি দুয়ো প্ৰেম-ভাবত আপ্লুত হ'ল! তেঁৱেই সেই শক্তি যি শক্তিয়ে অসীম প্ৰেম আৰু অসীম শান্তিৰ ডোলেৰে দুয়োকো বান্ধি ৰাখিব,— অনন্ত কাললৈ। ইতিমধ্যে দুয়ো নিজৰ গাৰ পৰা জোকাৰি পেলাইছে, পৃথিৱীৰ ধূলি,— নিৰ্ম্মল এটোপাল চকুৰ পানীৰ দৰে পবিত্ৰ হৈ উঠিছে, দুয়োৰো অন্তৰাত্মা। মৃত্যুৰ আন্ধাৰৰ মাজত, যন্ত্ৰণা আৰু দুঃখময় দৃশ্যৰে পৰিবেষ্টিত হৈ, বন্দীশালৰ তৃণ-শয্যাত শুইও তেওঁ-লোকৰ মনলৈ আহিল— সম্মুখত মুকলি হৈছে, স্বৰ্গৰ দুৱাৰ। নিজে মুক্তি পোৱাৰ পাচত, লিজিয়াই যেন পবিত্ৰচিত্তে প্ৰেমিকক হাতত ধৰি লৈ গৈছে,— মহাজীৱনৰ অক্ষয় উৎস অভিমুখে।

পেট্ৰোনিয়াচে বুজিব নোৱাৰিলে, ভিনিকিয়াচৰ মুখমণ্ডল কিয় অভূতপূৰ্ব্ব প্ৰশান্তিৰে পূৰ্ণ হৈ উঠিছে। মাজে, সময়ে তেওঁৰ মনলৈ আহিল— ভাগিনিয়েকে নিশ্চয় উদ্ধাৰৰ নতুন পথ আৱিষ্কাৰ কৰিছে; তেওঁক লগে লগে, নজনোৱাৰ বাবে মনতে দুখো পালে। অৱশেষত তেওঁ নমতাকৈ থাকিব নোৱাৰিলে,—

"তুমি এতিয়া একেবাৰে সলনি হৈছা। মোৰ লগত অচিনাকিৰ দৰে ব্যৱহাৰ নকৰিবা। কাৰণ, মই তোমাৰ উপকাৰত আহিবলৈকে ইচ্ছা কৰো, আৰু এনে শক্তি মোৰ নোহোৱা নহয়। নতুন কিবা পাইছা নেকি ?"

"হয়," ভিনিকিয়াচে উত্তৰ দিলে, "ই এনে এটা বস্তু, য'ত তুমি মোক একো সহায় কৰিব নোৱাৰা। লিজিয়াৰ মৃত্যুৰ পাচত, মই প্ৰকাশ্যে নিজ ধৰ্ম্ম স্বীকাৰ কৰিম আৰু তেওঁৰ অনুগামী হ'ম।"

"তেন্তে তুমি সকলো আশা পৰিত্যাগ কৰিলা ?"

"খৃষ্টই পুণৰ তেওঁক মোৰ হাতলৈ ওলোটাই দিব। তাৰ পাচত, আমাৰ আৰু কেতিয়াও বিচ্ছেদ নঘটে।"

"তাৰ বাবে তুমি তোমাৰ খৃষ্টৰ মুখলৈ চোৱাৰ আৱশ্যক নেদেখো। থানাটোচেও সেই একে কামকে কৰিব পাৰে।"

"নহয় বন্ধু! মই কি মানে কৰিছো, তুমি নুবুজিবা।"

"নুবুজো, আৰু বুজিব নোখোজোও। এই কথা আলোচনাৰ সময় নহয় এতিয়া। কিন্তু তোমাৰ মনত আছেনে, যি নিশা, আমি লিজিয়াক পোতা-শালৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলো—সেই নিশা তুমি মোক কি কৈছিলা? মই সকলো আশা হেৰুৱাই পেলাইছিলো। কিন্তু ঘৰৰ চৌহদত সোমাবলৈ ধৰোঁতে, তুমি মন্তব্য কৰিছিলা, 'যিয়েই নহওক লাগিলে, খৃষ্টই তেওঁক মোৰ হাতলৈ ওলোটাই দিব পাৰিব বুলিয়েই মোৰ বিশ্বাস।' ওলোটাই দিবহে! হয়! মই যদি পিয়লা এটা সাগৰলৈ দলিয়াই পঠিয়াওঁ, আমাৰ পুৰণি দেৱতা সকলৰ ভিতৰত কোনেও তাক বিচাৰি আনি দিব নোৱাৰে। তোমাৰ দেৱতাই যদি এই পৃথিৱীত তোমাৰ কল্যাণৰ বাবে একো নকৰি, মৃত্যুৰ পাচতহে তোমাৰ সন্তুষ্টি সাধন কৰে, তেন্তে আমাৰ পুৰণি দেৱতাসক-লতকৈ কিয় তেওঁক বেচি আদৰ দেখুৱাম? তোমাক সন্তুষ্ট কৰিবলৈ ইহঁতকৈ বেচি একো নকৰে নেকি তেওঁ? সেয়ে যদি হয়, তেওঁক কিয় শ্ৰদ্ধা ভক্তি কৰিব লাগে? মই হলে এই কথা নুবুজো।"

"অকল সেয়ে নহয়, খৃষ্টই মোকো তেওঁৰ হাতলৈ দিব, মৃত্যুৰ পাচত।" ভিনিকিয়াচে জনালে।

পেট্ৰোনিয়াচে কান্ধ দুটা জোকাৰ মাৰি দিলে।

"তুমি জানানে," তেওঁ কলে, "কাইলৈ চিজাৰৰ বাগিচাবোৰ জীৱন্ত জোৰ বাতিৰ পোহৰত জিলিকি উঠিব?"

"কাইলৈ?" ভিনিকিয়াচে পুণৰুক্তি কৰিলে।

দুখত আৰু আতঙ্কত তেওঁৰ বুকু কঁপি উঠিল। কৰৰখানাৰ অধীক্ষকৰ কাষলৈ তেওঁ তৎক্ষণাৎ গল; তেওঁৰ সেই বেজটো পুণৰ পোৱাৰ আশাত। কিন্তু তাত তেওঁৰ বাবে বৈ আছিল, নতুন হতাশা। কৰ্ম্মচাৰীটোৱে চাৰি-কোণীয়া বেজটো পুণৰ দিবলৈ অস্বীকাৰ কৰিলে।

"প্ৰভু, মোক ক্ষমা কৰিব," সি কলে, "আপোনাৰ বাবে মই যি পাৰো সকলো কৰিছো। কিন্তু মোৰ জীৱন বিপন্ন কৰিবলৈ সাহ নাই। আজি নিশা খৃষ্টিয়ানবোৰক চিজাৰৰ বাগিচালৈ পঠিওৱা হ'ব, আৰু গোটেই বন্দীশাল সৈনিক আৰু কৰ্ম্মচাৰীৰে ভৰি থাকিব। আপোনাক যদি কোনোবাই চিনি পায়, মোৰ সৰ্ব্বনাশ ঘটিব, পো-পোৱালীৰে সৈতে।"

ভিনিকিয়াচে বুজিলে, আৰু বেচিকৈ ধৰি লাভ নাই। তথাপিও তেওঁৰ মনত আশাৰ বেঙুনি বৈ গ'ল ; তেওঁ ভাবিলে, যিবোৰ সেনাই তেওঁক আগতে দেখিছে, সেইবোৰে হয়তো বেজ নোহোৱাকৈয়ে তেওঁক তালৈ যাবলৈ দিব। যেতিয়া ৰাতি হৈ আহিল, তেতিয়া, আগৰ দৰে ফটা চোলা এটা পিন্ধি মুখত কাপোৰ বান্ধি, তেওঁ বন্দীশাল অভিমুখে যাত্ৰা কৰিলে।

দুৰ্ভাগ্যক্ৰমে সেই নিশা আগতকৈও বেচি সাৱধানে বেজবোৰ পৰীক্ষা কৰি চোৱা হ'ল। সদায় কঠোৰ নিয়মত চলা, মনে প্ৰাণে চিজাৰৰ ভক্ত, সেনাধ্যক্ষ ব্ৰিভিনাচে যেতিয়া ভিনিকিয়াচক চিনি পালে, তেতিয়াহে কথা বিষম হ'ল।

কিন্তু সেই লোহবৰ্ম্ম পিন্ধা বুকতো, দুৰ্জ্জগীয়া মানুহৰ প্ৰতি পুতৌ আৰু স্নেহৰ অকণি পোহৰ লুকাই আছিল। সক চালথনত যাঠীৰ আগেৰে খুন্দিয়াই সঙ্কেত ধ্বনি নকৰি, সেনাধ্যক্ষজনে ভিনিকিয়াচক একাষে মাতি নি, কলে, "ঘৰলৈ উলটি যাওক প্ৰভু! মই আপোনাক চিনিব পাৰিছো। কথাটো ৰাষ্ট্ৰ কৰি, আপোনাৰ সৰ্ব্বনাশ কৰিব নোখোজো। মই আপোনাক ইয়াত সোমাবলৈ অনুমতি দিব নোৱাৰো। সেই বাবে, মিনতি জনাইছো, আপুনি যাওকগৈ। আপোনাক দেৱতাসকলে সান্ত্বনা দিব, ইয়াকে কামনা কৰিছো।"

"হয়, মই বুজিছো, তুমি মোক ইয়াত সোমাবলৈ দিব নোৱাৰা।" ভিনিকিয়াচে উত্তৰ দিলে, "কিন্তু মোক ইয়াত থাকিবলৈ দিয়া, যাতে যিবিলাক মানুহক নিয়া হব, সিইতক লক্ষ্য কৰিব পাৰো।"

"বেচ,। অন্ততঃ এই ব্যৱস্থাই, আদেশৰ বিৰুদ্ধাচৰণ কৰা নুবুজায়।"

গতিকে ভিনিকিয়াচ, প্ৰথমখন প্ৰৱেশ দুৱাৰৰ সন্মুখত বৈ থাকিল, বন্দীবোৰ ওলাই অহালৈ বাট চাই। অৱশেষত মাজ নিশা দুৱাৰ মুকলি হ'ল, পুৰুষ, নাৰী, শিশুৰ দল ওলাই আহিবলৈ ধৰিলে,– নিৰাপত্তাৰক্ষী সেনাৰ দ্বাৰা পৰিবেষ্টিত হৈ। ফট্ফটীয়া জোনাকত, বন্দীইতৰ মুখবোৰ চিনি পোৱা সহজ আছিল। খৃষ্টিয়ান সকলে দুজন দুজনকৈ শাৰী পাতি, দীঘলীয়া শোক লগা সমদল যাত্ৰা কৰি গৈছে ; সেনাবিলাকৰ সাজ, সৰঞ্জামৰ ঝন্ ঝন্ শব্দই নিস্তব্ধতা ভঙ্গ কৰিছে। বন্দীইতৰ সংখ্যা ইমান বেচি যে, প্ৰতিটো বন্দীশাল এইবাৰ নিশ্চয় খালী হৈছে। ইয়াৰ ভিতৰত, ভিনিকিয়াচে গ্লকাচ্ নামৰ চিকিৎসক জনক স্পষ্টভাৱে দেখিলে, তেওঁ লক্ষ্য কৰিলে যে, লিজিয়া আৰু উৰচাচ, এজনো এই মৃত্যুমুখী সমদলত নাই।

॥ ২০ ॥

এন্ধাৰ হোৱাৰ পূৰ্ব্বে, মানুহবোৰে চিজাৰৰ উদ্যান সমূহলৈ যাত্ৰা আৰম্ভ কৰিলে। মূৰত ফুলৰ মুকুট আৰু উৎসৱৰ সাজ পিন্ধি, আনন্দৰ গীত গাই, গাই, মানুহবোৰ দলে দলে ওলাল, জাকজমকীয়া নতুন দৃশ্য উপভোগ কৰিবৰ বাবে। প্ৰায় প্ৰতিটো মানুহেই, মদ খাই মাতাল হৈছে। "মানুহৰ মেজি" বুলি যেতিয়া সিহঁতে চিঞৰিবলৈ ধৰিলে, তেতিয়া ৰোমৰ সেই গোটেইটো অঞ্চলতে তাৰ প্ৰতিধ্বনি উঠিল। ইতিপূৰ্ব্বে এবাৰ খুটাত বান্ধি, জীয়াই, জীয়াই মানুহ পোৰা দৃশ্য প্ৰদৰ্শন কৰি, জনতাক তৃপ্ত কৰা হৈছিল। কিন্তু দোষীৰ সংখ্যা ইমান বেছি কেতিয়াও কোনোদিনে হোৱা নাছিল। ফাটেকৰ পৰা নগৰলৈ বিয়পি পৰা ৰোগ প্ৰতিৰোধ কৰিবৰ বাবে, খৃষ্টিয়ানৰ বৃজন অংশ এটা মাৰি শেষ কৰি, বন্দীশালবোৰ খালী কৰাৰ ব্যৱস্থা কৰিছে, চিজাৰ আৰু টাইগেলিনাচে। শেষত তাত কেইকুৰিমান মানুহহে আছিল গৈ; ইহঁতক খেলৰ সামৰণি উৎসৱলৈ আচুতীয়াকৈ ৰখা হৈছে।

উদ্যানবোৰৰ প্ৰৱেশদ্বাৰ পাৰ হৈয়ে, জনতাৰ চকু থিৰ! স্তব্ধ হৈ সিহঁতে দেখিলে, জাৰণি বোৰলৈ যোৱা আৰু মূকলি ঘাঁহনিৰ মাজেদি যোৱা, প্ৰতিটো পথত, বৃক্ষপুঞ্জৰ কাষত প্ৰতিটো পুখুৰীৰ পাৰত, আৰু ফুলনিবোৰৰ মাজে, মাজে যোৱা প্ৰতিটো পথৰ দাঁতিত, ধুনাৰ আঠাসনা খুটাত বান্ধি থোৱা খৃষ্টিয়ানবোৰ, স্পষ্ট হৈ জিলিকি আছে। ওখ ঠাইবোৰত উঠি, গছ-গছনিৰে আঁৰ কৰি নথকা ঠাইৰ পৰা চালে দেখা যায়, ফুল, আইভিলতা আৰু মাৰ্‌টল গছৰ পাতেৰে সজোৱা দেহৰ দীঘলীয়া শাৰীবোৰ। একেবাৰে ওখ ঠাইৰ পৰা আৰম্ভ কৰি, নামনিৰ খাদবোৰলৈকে বিস্তৃত হৈ থকা, এই শাৰীবোৰে ইমান বেছি ঠাই আগুৰি লৈছে যে, একেবাৰে ওপৰত থকা খুটাবোৰ, জাহাজৰ মাস্তুলৰ দৰে আৰু বহুদূৰত থকাবোৰ, ফুলেৰে শোভিত, বেকাচ দেৱতাৰ চিত্ৰ-বিচিত্ৰ দণ্ড কিছুমানৰ বিশৃঙ্খল সমাহাৰ যেন দেখা গৈছে।

শীঘ্ৰে নিশাৰ আন্ধাৰ নামি আহিল, আৰু আকাশত এটি, দুটিকৈ তৰাই দেখা দিলে। প্ৰতিটো দোষীৰ কাষত, হাতত জোৰ একোডাল লৈ, দাস একোটা থিয় দি আছে। দৃশ্য আৰম্ভণিৰ সঙ্কেত দি, যেতিয়া শিঙা বাজি উঠিল, তেতিয়া প্ৰস্তুত হৈ থকা প্ৰতিটো দাসে, খুটাৰ নিম্নাংশত জোৰডাল লগাই দিলে।

মালাৰ ভলত লুকাই থকা, তেলসনা খেৰবোৰ, হো-হোৱাই জ্বলি উঠিল। যেতিয়া বেচিকৈ জ্বলিল, তেতিয়া আইভিলতাৰ মালাবোৰ খহি পৰিল। জুই কুৰাই বলি সকলৰ ভৰি ছুলেহি। দৰ্শক বিলাক নীৰৱে থাকিল। কিন্তু বাগিছাবোৰৰ পৰা সমস্বৰে ভীষণ আৰ্ত্তনাদ উঠিল, হাজাৰ, হাজাৰ কণ্ঠৰ পৰা ওলোৱা যন্ত্ৰণাৰ করুণ কাতৰ, মিশ্রিত শব্দৰ ধ্বনি। কিন্তু বহুতো শহীদে নক্ষত্ৰখচিত আকাশলৈ চকু তুলি, খৃষ্টৰ মহিমা প্ৰকাশ কৰি, প্ৰাৰ্থনাগীত গাবলৈ ধৰিলে। গীতৰ মাজে মাজে যেতিয়া সৰু সৰু খুটাবোৰৰ পৰা, শিশুৰ হিয়াভগা কান্দোনৰ ৰোল আহিল তেতিয়া, দৰ্শকৰ ভিতৰৰ আটাইতকৈ কাঠচিত্তীয়া-মানুহটোৰো মুহূৰ্ত্তৰ বাবে মনটো বিষাই উঠিল। শিশুৰ "মা! মা!" আৰ্ত্তনাদ শুনি অতি বেচি মাতাল অৱস্থাত থকা গুন্দা আৰু ডকাইত ইতৰো গা শিয়ঁৰি উঠিল। নিৰীহ শিশুৰ মুখবোৰ যন্ত্ৰণাত বিকৃত হৈ উঠিছে, ধোঁৱাবে সিইতৰ অকণমান গাবোৰ ঢাক খাই পৰিছে। ইতিমধ্যে ধোঁৱাৰ মাজত, কিছুমান বলিৰ উশাহ, নিশাহ বন্ধ হৈ গৈছে। এডাল, এডালকৈ, গোলাপ আৰু আইভিৰ মালাবোৰ গ্ৰাস কৰি, জুইকুৰা ক্ৰমান্বয়ে ওপৰলৈ উঠিছে। প্ৰধান পথসমূহ আৰু অথালি পথালিকৈ থকা পথবোৰো, এতিয়া জুইৰ সাগৰত পৰিণত হৈছে। প্ৰতি জোপা জোপোহা গছ, প্ৰতিখন ঘাঁহনি, আৰু প্ৰতিডোখৰ ফুলবোৱা মাটি, জিলিকি উঠিছে। পুখুৰীবোৰত অগণন প্ৰতিবিম্বৰ সৃষ্টি হৈছে, কঁপি থকা পাতবোৰত, জুইয়ে গোলাপী পোহৰৰ ৰঙ সানিছে। গোটেইবোৰত যেন দিনৰ ফটফটীয়া পোহৰ। পোৰা মঙহৰ গোন্ধেৰে বাগিছাবোৰ ভৰি উঠিল, খুটাবোৰৰ মাজে, মাজে অঙঠাৰ পাত্ৰ লৈ থকা দাসবোৰে, সময়ে, সময়ে তাত গন্ধৰস আৰু বনৌষধি ছটিয়াই, গোন্ধ মাৰ নিয়াবলৈ বৃথা চেষ্টা কৰিলে। বাইজৰ প্ৰমত্ত চিৎকাৰৰ লগতে, জুই, এঠাইৰ পৰা, পুতৌৰ 'আই ঐ দেহি' মাতো শুনা গল। খুটাবোৰ বেচিকৈ জ্বলাৰ লগে লগে, চিঞৰো বেচি হৈ আহিল। ক্ৰমে খুটাবোৰ জুইয়ে আগুৰি ধৰিলে, অগ্নিশিখাই বুকু স্পৰ্শ কৰিলে; গৰম বাষ্পই চুলিবোৰ লিপিট খুৱাই ধৰিলে, আৰু ক'লাপৰা মুখবোৰ জুইয়ে আৱৰি ললে। তাৰ পাচত, বহু ওপৰলৈ উঠি, জুইকুৰাই ঘোষণা কৰিলে, পশুশক্তিৰ মুক্ত, বিজয় উৎসৱৰ বাৰ্ত্তা!

চাৰিটা বগা, খেল ঘোঁৰাই টনা, জকমকীয়া গাড়ী এখনত, চিজাৰ আহি প্ৰজাৰ মাজত উপস্থিত হ'ল। তেতিয়া দৃশ্যৰ আৰম্ভণি হৈছিল। চিজাৰৰ গাত 'সেউজীয়াদলৰ' ৰথচালকৰ সাজ। এই দলটোৰে, দুটা ৰঙৰ পোছাক পিন্ধে;

তাৰে এটাই বজাক, আৰু আনটোৱে, তেওঁৰ সভাসদ দলক বুজায়। তেওঁৰ পিচে, পিচে আৰু কিছুমান ৰথ আহিল। এইবোৰ ৰথ ৰমক জমক সাজ পিন্ধা সভাসদ, চিনেটৰ সভ্য, পুৰোহিত, হাতত সুৰাপাত্ৰ আৰু তিতিত গোলাপৰ মালা পিন্ধি উন্মত্ত চিৎকাৰ কৰি অহা, বেকাচ দেৱতাৰ উপাস, মদোন্মত্ত পূজাৰিণী, আৰু ফন আৰু বন দেৱতাৰ বেশত, বীণা, পেপা, শিঙা আদি নানা বাদ্য বজাই অহা, সঙ্গীতজ্ঞৰে ভৰি আছিছে। অন্যান্য ৰথত উঠি আহিছে, ৰোমান পৰিয়ালৰ কিছুমান গৃহিণী আৰু কুমাৰী কন্যা, আটাইবোৰ সমানে মাতাল আৰু অৰ্দ্ধউলঙ্গ। এই ৰথবোৰৰ দুয়োকাষে কিছুমান গ্ৰীক যুৱক খোজ কাঢ়ি আহি আছে; ইইতৰ কিছুমানে ৰেচমী ফিতাৰে সজোৱা ৰেকাচৰ দণ্ড ঘূৰাই ঘূৰাই আহি আছে, কিছুমানে খঞ্জৰী বজাইছে আৰু কিছুমানে ঘোঁৰাৰ খুৰাৰ আগে আগে, ফুল ছটিয়াই আহি আছে। উদ্যানৰ প্ৰধান পথ অভিমুখে, ঘোঁৰা আৰু মানুহৰ জোৰ বাত্তিৰ শাৰীবোৰৰ মাজে মাজে সমদল যাত্ৰা আগবাঢ়িল। জনতাই জয়ধ্বনি দি, তেওঁলোকক স্বাগতম্ জনালে। চিজাৰৰ ওচৰে ওচৰে গৈছে, টাইগেলিনাচ আৰু চিলো। চিলোৰ থৰক বৰক খোজ আৰু ভয়াৰ্ত্ত চাৱনি দেখি, চিজাৰে বৰ আমোদ পালে। তেওঁ ঘোঁৰাৰ গতি লেহেম কৰি আনিছিল, যাতে জলিথকা দেহবোৰ, ভালদৰে চাব পাৰে আৰু প্ৰজাৰ প্ৰশংসাধ্বনি কাণত পৰে। আগবাঢ়ি গৈ থাকোঁতে, তেওঁৰ লেকাম ধৰা দৈত্যাকাৰ হাত দুখন প্ৰসাৰিত হ'ল, বাইজক শুভ ইচ্ছা জনোৱাৰ ভঙ্গীত। তেওঁৰ মুখত আৰু অৰ্দ্ধনিমীলিত চকুত হাঁহিৰ আভাস, জনতাৰ মূৰৰ ওপৰেদি দেৱতাৰ মস্তকৰ দৰে, অথবা জলন্ত ভাস্কৰৰ দৰে জিলিকি আছে, তেওঁৰ মালাৰে শোভিত মস্তক।

মাজে, মাজে তেওঁ একোগৰাকী কুমাৰী ছোৱালীৰ কাষত বৈ চাইছে, জুইৰ তাপত চিটাচিটকৈ ফাটি যোৱা বক্ষস্থল। যন্ত্ৰণাত বিকৃত হোৱা মুখ চাবৰ বাবে, মাজে, মাজে তেওঁ একোটাইত শিশুৰ কাষত ৰৈছে। তাৰ পাচত পুণৰ আগবাঢ়ি গৈছে। পিচে, পিচে চিজ্ৰৰ বাখৰ কৰি গৈ আছে, তেওঁৰ মাতাল অনুচৰ বৰ্গ, সিহঁতৰ ভৰিৰ খোজত স্থিৰতা নাই। অলপপৰৰ মূৰে মূৰে, তেওঁ জনতাক অভিবাদন জনাইছে, আৰু সোণ খটোৱা লেকামত ভৰদি পিচলৈ আঁউজি, টাইগেলিনাচৰ লগত কথা পাতিছে। অৱশেষত, দুটা পথৰ দোমোজাত ভাঙৰ নিজৰা এটাৰ কাষত, তেওঁ ৰথ ৰখাই নামিলে আৰু সঙ্গী-বৃন্দক লগে, লগে আহিবলৈ ইঙ্গিত দি, জনতাৰ মাজলৈ সোমাই গল।

জনতাৰ জয়ধ্বনি আৰু স্তুতিবাণী পুণৰ মুখৰিত হৈ উঠিল। বেকাচৰ পূজাৰিণী, অপেষৰী, অগষ্টান, পুৰোহিত, বনদেৱতা আৰু বনদেৱতাৰ লগতে সেনাবোৰেও উন্মত্ত হৈ তেওঁক চক্ৰাকাৰে বেৰি ধৰিলে। নিজৰাৰ চাৰিওকাষে তেতিয়া নতুন কৈ এশটামান জোৰবাতি ভম্‌ভমাই জ্বলি উঠিছে; চিজাৰে আটাইবোৰ ঘূৰি পকি চাবলৈ ধৰিলে; মাজে মাজে, বৈ বলিষ্টতৰ ওপৰত মন্তব্য দিলে, আৰু চিলোক বিদ্ৰূপ কৰি কিবা কলে। মানুহটোৰ মুখখন তেতিয়া তাৰাবে বুজাব নোৱাৰা হতাশাৰে ভৰি উঠিছিল।

অৱশেষত দলটো আহি, চকুত পৰা ধৰণে দীঘল খুটা এটাৰ কাষ পালেহি। খুটাটো মাৰ্‌টল পাত, আৰু আইভিৰ মালাৰে সজোৱা। ৰক্তবৰ্ণৰ অগ্নি শিখাই বলিজনৰ আঠুস্পৰ্শ কৰিছে; তেওঁৰ মুখ চিনিব পৰা নগল। কেচা ডালবোৰত জুই লাগি, বৰকৈ ধোঁৱা ওলোৱাৰ বাবে, মুখখন ঢাক খাই পৰিছে। নিশাৰ বতাহে হঠাৎ ধোঁৱাবোৰ একালে উৰুৱাই পঠিওৱাৰ পাচত, এজন পকা ডাঢ়ীয়া বুঢ়া মানুহৰ মুখ চকুত পৰিল। দেখা মাত্ৰকে, আঘাত পোৱা সাপৰ দৰে, চিলো কোচ খাই গ'ল। তাৰ মুখেদি যি স্বৰ নিৰ্গত হ'ল, তাক মানুহৰ মাত নুবুলি, ঢোঁৱা কাউৰীৰ চিৎকাৰ বুলিব পাৰি।

"গ্লকাচ! গ্লকাচ!" সি অদ্ভুতভাবে চিঞৰি উঠিল।

জ্বলি থকা খুটাটোৰ ওপৰৰ পৰা, গ্লকাচ্‌ নামৰ চিকিৎসকজনে তললৈ, তাৰ মুখলৈ চালে। যিটো মানুহে তেওঁক প্ৰৱঞ্চনা কৰিছিল, যি তেওঁৰ পৰা তিৰোতা কাঢ়ি নিছিল, তেওঁক প্ৰলোভন দেখুৱাই লৈ গৈ, প্ৰতাৰকৰ মাজলৈ ঠেলি দিছিল আৰু খৃষ্টৰ নাম লৈ ক্ষমা লাভ কৰাৰ পাচতো, যিটো মানুহে পুণৰ তাৰ উপকাৰীক ঘাতকৰ হাতত তুলি দিছিল, সেই মানুহটোলৈ তেওঁ বেজাৰ মনেৰে চাবলৈ ধৰিলে। গ্ৰীকটোৰ মুখৰ ওপৰত গ্লকাচৰ চকু দুটা স্থিৰ হৈ ৰ'ল। মাজে, মাজে ধোঁৱা আহি চকু দুটা আঁৰ কৰি ধৰে। বতাহত ধোৱাঁ আঁতৰি গলে, চিলোৱে পুণৰ দেখিবলৈ পায়, তাৰ অন্তৰ আত্মা ভেদ কৰি, সেই দৃষ্টি স্থিৰ হৈ আছে। সি উলটি পলাই যাব খুজিলে, কিন্তু নোৱাৰিলে। প্ৰস্তৰীভূতৰ দৰে সি য'তে আছিল, তাতে থিয় দি থাকিল। এটা মাত্ৰ অনুভূতি জাগি ৰ'ল, তাৰ মনত, তাৰ দেহ মনৰ ভিতৰত কিবা এটা ভাঙি, ছিঙি গৈছে; লগতে পৃথিবীৰ সকলো অস্তিত্ব ভাঙি চুৰমাৰ হৈছে আৰু শেষ সময় পাইছেহি। চিজাৰ, চিজাৰৰ সভাসদ আৰু জনতা, তাৰ চকুৰ

আগত অস্পষ্ট হৈ উঠিছে ; তাৰ চাৰিওফালে কেৱল ভয়ঙ্কৰ, সীমাহীন, আলোক-হীনশূন্যতা বিৰাজ কৰিছে, যাৰ মাজত, এজন শহীদৰ অগ্নিময় দৃষ্টিয়ে, তাক আহ্বান জনাইছে, বিচাৰকৰ সন্মুখত উপস্থিত হবলৈ। শহীদজনে মূৰটো আৰু বেচি তললৈ কৰি, তালৈকে চাই আছে, অনিমেষ দৃষ্টিৰে। ওচৰত থকা সকলো মানুহৰ মনত জাগি উঠিল, এই দুটা মানুহৰ ভিতৰত কিবা এটা ঘটিছে। কিন্তু কোনেও তাক নাইাহিলে। কাৰণ, তাৰ মুখখন ভয়লগা হৈ উঠিছে, জুইৰ লেলিহান শিখাই যেন, তাৰহে দেহ স্পৰ্শ কৰিছে! হঠাৎ তাৰ ভৰি কঁপিবলৈ ধৰিলে ; হাতদুখন ওপৰলৈ মাৰি, ভয়াৰ্ত্ত, হৃদয় বিদাৰক চিঞৰ মাৰিলে, সি।

"মকাচ! খৃষ্টৰ নামত মোক ক্ষমা কৰা।"

চাৰিওফালৰ মানুহে কথা বন্ধ কৰিলে ; প্ৰতিটো চকুৱে খুটাটোৰ ওপৰলৈ চাবলৈ ধৰিলে। জনতাৰ গা শিয়ঁৰি উঠিল।

শহীদে ধীৰভাৱে মূৰ দুপিয়ালে ; খুটাটোৰ ওপৰৰ পৰা, ৰুদ্ধ কণ্ঠৰ যন্ত্ৰণাপূৰ্ণ স্বৰ আহিল—

"মই তোমাক ক্ষমা কৰিলো।"

বন্য জন্তুৰ দৰে চিৎকাৰ কৰি চিলো তললৈ মুখ কৰি মাটিত বাগৰি পৰিল আৰু হাতেৰে মাটি খান্দি খান্দি, নিজৰ মূৰলৈ, মুঠিয়ে মুঠিয়ে ছটিয়াবলৈ ধৰিলে। হঠাৎ জুইকুৰা দপ্‌দপাই জ্বলি উঠিল ; মকাচৰ বুকু আৰু মুখ ঢাক খাই গল, তেওঁৰ মূৰৰ পৰা, মাৰ্‌টল পাতৰ মুকুট খহি পৰিল আৰু খুটাৰ কাষত ওলো-মাই থোৱা বেচমী ফিতাবোৰ পুৰি ছাঁই হ'ল। খুটাটো এতিয়া, চকুত ছাট মাৰি ধৰা পোহৰৰ স্তম্ভত পৰিণত হ'ল।

চিলোৱে বেত্তিয়া থিয় দিলে, তেতিয়া তাৰ মুখলৈ ইমান বেচি পৰিৱৰ্ত্তন আহিল যে, অপৰিচিত সকলে সন্মুখত যেন, আন এটা মানুহহে দেখিবলৈ পালে। তাৰ চকু দুটা অসম্ভৱৰূপে জ্বলি উঠিছে, কোচ খোৱা কপালখন, আনন্দৰ আতিশয্যত উদ্ভাসিত হৈ উঠিছে। এক মুহূৰ্ত্তৰ পূৰ্বে, যিটো মানুহ দুৰ্ব্বল বৃদ্ধ আৰু কাপুৰুষ আছিল, সিয়েই এতিয়া যেন স্বৰ্গীয় অনুপ্ৰেৰণা লাভ কৰি, চিৰন্তন সত্য প্ৰকাশ কৰা ধৰ্ম্মাত্মা হৈ পৰিছে।

"কি হ'ল তাৰ? সি বলিয়া হ'ল।" বহুতো কণ্ঠৰ মৃদুগুঞ্জন উঠিল।

গুণ-গুণনি শুনিবলৈ পাই, সি জনতাৰ পিনে মুখ ঘূৰাই, নিজৰ সোঁ হাত-খন ওপৰলৈ তুলি, মৰ্ম্মভেদি তীক্ষ্ণ স্বৰেৰে চিৎকাৰ কৰি, যি কথা কলে, সেই কথা অকল অগষ্টান সকলেই নহয়, সৰ্ব্বসাধাৰণ ৰাইজেও শুনিলে:

"বোমৰ ৰাইজ। মই নিজৰ জীৱনৰ শপত খাই কৈছো, শুনক। নিৰীহ মানুহৰ মৃত্যু ঘটিছে। ই-ইহে প্ৰকৃত গৃহদাহক!" সি নিৰোলৈ আঙুলিয়াই দেখুৱালে।

এক মুহূৰ্ত্তমান সকলো নিস্তব্ধ। সভাসদ সকল শিলৰ দৰে স্তম্ভিত হৈ ৰ'ল। কঁপা হাতৰ আঙুলি টোৱাঁই চিলোৱে চিজাৰক দোষী বুলি দেখুৱায়েই থাকিল। তাৰ পাচতে মহা হুলস্থুল লাগিল। বতাহৰ প্ৰকোপত হো-হোৱাই অহা সাগৰৰ ঢৌৰ দৰে, মানুহবোৰ হুৰমুৰাই তাৰ কাষলৈ আহিল তাক ভালদৰে চাবৰ বাবে। কিছুমানে চিঞৰিলে, "ধৰ তাক!" কিছুমানে বেজাৰ কৰি কলে, "হায়! হায়! আমাক ছলনা কৰিলে।"

মুহূৰ্ত্তে মুহূৰ্ত্তে হুল-স্থূল বাঢ়িবলৈ ধৰিলে। বেকাচৰ পূজাৰিণীইঁতে ভয়তে বিকট চিঞৰ মাৰি ৰথবিলাকৰ ফালে উধাতু খাই লৰ মাৰিলে। কৰ্কশ মাত, সুহুৰি আৰু চিঞৰৰ ধুমুহাৰ মাজেদি শুনা গ'ল— "এহেনোবাৰবাচ! মাতৃ হন্তা! গৃহদাহক! হঠাৎ কিছুমান খুটা পুৰি শেষ হৈ বাগৰি পৰাত, ফিৰিঙটিৰ জোৱাৰ উঠিল। চাৰিও ফালৰ দৰ্শক বৃন্দই ভয়তে কণামুণাকৈ হুৰমুৰাই লৰি যোৱা দেখি, চিলোও লগতে গল, বাগিছাৰ আনটো মূৰলৈ।

সকলো ফালে জ্বেই পুৰি যোৱা খুটাবোৰ, পথৰ ওপৰত বাগৰি পৰিবলৈ ধৰিলে; পথবোৰ ধোৱাঁ, ফিৰিঙটি, পোৰা কাঠৰ গোন্ধ আৰু মানুহৰ চৰ্ব্বিৰ গোন্ধেৰে ভৰি উঠিল। চাকি বোৰো নুমাই গল আৰু বাগিছাবোৰ আন্ধাৰত নেদেখা হৈ পৰিল। ভয় আৰু চিন্তাত বিমূঢ় হৈ, জনতা প্ৰৱেশ দুৱাৰৰ সন্মুখত গোট খালেহি। হৈ যোৱা ঘটনাটো মুখে, মুখে বিয়পি গল, কথাই নানাৰূপ ললে। কিছুমানে কলে, "চিজাৰ মূৰ্চ্ছা গল"; কিছুমানে কলে "জুই লগোৱাৰ কথা তেওঁ স্বীকাৰ কৰিছে," কিছুমানে কলে, "তেওঁৰ ভয়ানক অসুখ হৈছে আৰু মৃতপ্ৰায় অৱস্থাত, তেওঁক ৰথত তুলি লৈ গৈছে," ঠায়ে, ঠায়ে খৃষ্টিয়ান সকলৰ প্ৰতি সমবেদনাৰ সুৰো শুনা গল: "যদি সিহঁতে ৰোমত জুই দিয়াই নাছিল, তেন্তে এনে ভাবে ৰক্তপাত ঘটোৱা হল কিয়? কিয় অন্যায় ভাৱে শাস্তি দিয়া হল? এই নিৰীহ মানুহবোৰৰ মৃত্যুৰ বাবে, দেৱতা সকলে প্ৰতিশোধ নললনে? প্ৰতিকাৰ স্বৰূপে এনে কিবা বস্তু আছেনে, যাক অৰ্পণ

কৰি, দেৱতাৰ ক্ৰোধৰ হাত সাৰিব পাৰি ?”

“এই নিৰীহ সকল” শব্দ কেইটাৰ পুণৰাবৃত্তি অবিৰাম চলিবলৈ ধৰিলে। তিৰোতাবোৰে, বন্যজন্তুৰ মুখত দিয়া, ক্ৰচত দিয়া, আৰু এই অভিশপ্ত বাগিছা-বোৰত জীয়াই জীয়াই পুৰিপেলোৱা শিশুবোৰৰ কথা মনত পেলাই, ইনাই বিনাই কান্দিলে; সিহঁতে টাইগেলিনাচ আৰু চিজাৰক পাবে মানে শাওপানি দিবলৈ ধৰিলে। হঠাতে এদল মানুহে অলপ বৈ, চিঞৰি কলে, “যন্ত্ৰণা আৰু মৃত্যুৰ সন্মুখত, এই বলিসকলক ইমান মনোবল দিয়া সেই দেৱতাজননো কোন ?” তাৰ পাচত সকলো ঘৰা-ঘৰি গল আৰু কথাবোৰ চিন্তা কৰিবলৈ ধৰিলে।

ইতিমধ্যে চিলোৱে বাগিছাবোৰত ঘূৰি ফুৰিলে; কোন ফালে গৈছে, সি নিজেই নাজানে। বাৰে বাৰে সি আধাপোৰা শবোৰত খুঁহনি খালে; কেতিয়াবা উমি উমি জ্বলি থকা শবোৰতে থামোচ মাৰি ধৰিলে। জলন্ত অগ্নি শিখাই তাক আবৰি ধৰিলে। তাৰ পাচত, এঠাইত বহি লৈ, চাৰিও-ফালে চকু ঘূৰাই চাই, একোকে দেখিবলৈ নাপালে। বাগিছাবোৰ এতিয়া সম্পূৰ্ণ অন্ধকাৰৰ গ্ৰাসত; কিন্তু গছবোৰৰ মাজেদি দুই একেবেঙা জোনৰ পোহৰ অহাত, পথবোৰ চকামকাকৈ দেখা গৈছে। ডেইপুৰি যোৱা খুঁটাবোৰ, অথালি পথালিকৈ পথবোৰত পৰি আছে। আকৃতি বিহীন পিণ্ড একোটাৰ দৰে পৰি থকা দেহবোৰৰ ওপৰতো, জোনৰ ক্ষীণ পোহৰ পৰিছে। জোনৰ পোহৰত, বুঢ়া গ্ৰীকটোৱে যেন দেখিবলৈ পালে, জলন্ত দৃষ্টিৰে চাই থকা, মকাচৰ মুখখন। যেতিয়াই সেই মুখ চকুৰ আগত দেখে, তেতিয়াই সি থিয় দিয়ে, আৰু পোহৰৰ পৰা পলাই যায়। অৱশেষত, আন্ধাৰৰ মাজৰ পৰা ওলাই আহি, সি অনুভৱ কৰিলে, বাধা দিব নোৱাৰা শক্তি এটাই তাক টানি লৈ যাবলৈ ধৰিছে, সেই নিজবাটোৰ কাষলৈ, য'ত মকাচে জীৱন বিসৰ্জ্জন দিছিল।

এই মুহূৰ্ত্তত, এখন হাতে তাৰ কান্ধ স্পৰ্শ কৰিলে।

বুঢ়া মানুহটোৱে, উলটি চাই সন্মুখত অচিনাকি মানুহ এজন দেখি, চিঞৰ মাৰি দিলে।

“কি হ'ল ? কোন তুমি ?”

“মই এজন ধৰ্মগুৰু, টাৰ্‌চাচৰ পল মই।”

"আৰু মই এটা অভিশপ্ত মানুহ। কি লাগে আপোনাক ?"

"মই তোমাক ৰক্ষা কৰিব খোজো।"

টলং পলং কৈ গৈ, চিলো গছ এজোপাৰ তলত ব'ল।

"মোৰ ক'তো ৰক্ষা নাই।" সি নিকৰুণেগচিস্তে ভনালে।

"তেন্তে তুমি নাজানা নেকি যে, খৃষ্টই ক্রুচত দিয়া চোৰটোকো ক্ষমা কৰিছিল ?"

"আপুনি নাজানে নেকি মই, মই কি কৰিলো ?"

"জানো, পিচে মই তোমাৰ কষ্টও দেখিছো, আৰু শুনিছো, তুমি সতাক কি দৰেঁ প্রকাশ কৰিলা।"

"হে মোৰ প্রভু ! মোৰ প্রভু !"

"যদি খৃষ্টৰ সেৱকে যন্ত্রণা আৰু মৃত্যুৰ মুহূর্ত্ততো তোমাক ক্ষমা কৰিব পাৰিলে, তেন্তে স্বয়ং খৃষ্টই তোমাক ক্ষমা নকৰিবনে ?"

চিলোৱে নিজৰ মুখটো দুয়ো হাতেৰে খামুচি ধৰিলে। সি যেন বলিয়া হৈ যাব !

"ক্ষমা ?" সি কলে, "ক্ষমা ? মোৰ বাবে ?"

"হয়," পলে উত্তৰ দিলে, "কাৰণ আমাৰ ভগৱান পৰম দয়ালু।"

"মোৰ বাবে ?" চিলোৱে পুণৰ আর্ত্তনাদ কৰি উঠিল।

"মোৰ বাহুত ভৰ দিয়া।" গুৰুদেৱে কলে, "আৰু মোৰ লগত বলা।"

নিজৰাৰ জিৰ্‌জিৰ্ শব্দ যি ফালৰ পৰা আহিছে, সেই ফাললৈ লক্ষ্য কৰি গৈ গৈ, তেওঁলোক দুটা পথৰ দোমোজাত ব'লহি। নিস্তব্ধ নিশা, শহীদ সকলৰ বাবে যেন নিজৰাই উচুপি উচুপি কান্দিছে।

"হয়, আমাৰ ভগৱান পৰম কৃপালু।" ধর্ম্মাচার্য্যই পুণৰ কলে।

"সাগৰৰ গর্ভলৈ শিলগুটি দলিয়াই কেতিয়াবা তাক পুৰাব পাৰিবানে ? খৃষ্টৰ দয়া সাগৰৰ দৰে অতলস্পর্শী। সাগৰৰ গর্ভই, শিলাখণ্ড গ্রাস কৰি পেলোৱাৰ দৰে, খৃষ্টৰ দয়াই মানুহৰ সকলো পাপ, সকলো দোষ গ্রাস কৰি পেলায়। খৃষ্টৰ দয়া আকাশৰ দৰে— যি আকাশৰ তলত পৰ্ব্বত, পৃথিৱীৰ মাটি, আৰু সাগৰ বিদ্যমান। ই সৰ্ব্বব্যাপি, ইয়াৰ সীমা নাই। তোমাৰ আত্মাই শুকাচৰ অৱস্থা দেখি যন্ত্রণা পাইছে ; খৃষ্টই তোমাৰ যন্ত্রণা দেখিবলৈ

পাইছে। কাইলৈ কি ঘটিব, তালৈ ভ্ৰূক্ষেপ নকৰি, তুমি চিঞৰি কৈছিলা, সি, সিয়েই গৃহদাহক! তোমাৰ এই কথা, খ্ৰীষ্টই পাহৰি নাযায়। হয়, তোমাৰ দুষ্কৰ্ম্ম, তোমাৰ প্ৰৱঞ্চনা, সকলোৰে এতিয়া অৱসান ঘটিল, তোমাৰ হৃদয়ত এতিয়া কেৱল আছে, সীমাহীন অনুতাপ। মোৰ কাষলৈ আঁহা আৰু শুনা। মইও এসময়ত প্ৰভুক ঘৃণা কৰিছিলো। এসময়ত তেওঁৰ প্ৰিয় ব্যক্তিক, উৎপীড়ন কৰিছিলো। এসময়ত মইও তেওঁক অবাঞ্ছিত বুলি জ্ঞান কৰিছিলো; তেওঁক বিশ্বাস কৰা নাছিলো। তাৰ পাচত, এদিন তেওঁ মোক দেখা দি, মোক নাম ধৰি মাতিলে। সেইদিনাৰে পৰা, তেওঁৰ বাহিৰে মই কাকো প্ৰিয় জ্ঞান কৰা নাই। গতিকে শুনা। তেৱেঁই তোমাক এই অনুতাপ দিছে, আৰু এই ভয় আৰু এই দুখো দিছে, যাতে তোমাক তেওঁৰ নিজৰ কাষলৈ নিব পাৰে। তুমি তেওঁক ঘৃণা কৰিলেও, তেওঁ সদায় তোমাক ভাল পাই আহিছে। যদিও তুমি তেওঁৰ সন্তান সকলক যন্ত্ৰণাৰ হাতলৈ তুলি দিছা, তথাপিও তেওঁ তোমাক ক্ষমা কৰি, ৰক্ষা কৰিবলৈ বিচাৰিছে।”

পলে তেওঁৰ শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি জয় কৰিলে। বন্দী এটাক সৈনিক এজনে বাট দেখুৱাই লৈ যোৱাৰ দৰে তেওঁ তাক লৈ গল।

“মোৰ লগত আঁহা।” তেওঁ কলে, “মই তোমাক তেওঁৰ সন্মুখলৈ নিম। কিহৰ বাবে মই তোমাক বিচাৰি উলিয়ালো? কাৰণ তেওঁ মোক আদেশ দিছিল, প্ৰেমৰ শক্তিৰে মানুহৰ আত্মা স্পৰ্শ কৰি, বহুতক এক কৰিবলৈ। তেওঁৰ ইচ্ছা মই নিশ্চয় পূৰ্ণ কৰিব লাগিব। তুমি মোক কৈছা, ‘মই এটা অভিশপ্ত মানুহ’, কিন্তু মই তোমাক জনাও, মাত্ৰ বিশ্বাস ৰাখা; পৰিত্ৰাণ পাবা। তুমি মোক কৈছা ‘মোৰ ক’তো ৰক্ষা নাই’ কিন্তু মই কওঁ শুনা, তেওঁ তোমাক ভাল পায়। মোলৈ চোৱা। যেতিয়া মই তেওঁক ঘৃণা কৰিছিলো, তেতিয়া মোৰ হৃদয়ত কেৱল ঘৃণাই আছিল। কিন্তু এতিয়া মই তেওঁক ঘৃণা নকৰো। পিতৃ-মাতৃক ভাল পোৱাৰ দৰে, তেওঁকো ভাল পাওঁ। তেওঁৰ প্ৰেমে ধন-সম্পদ, আড়ম্বৰৰ বাসনা, মোৰ মনৰ পৰা আতঁৰাই নিছে। একমাত্ৰ তেৱেঁই উদ্ধাৰ কৰাৰ গৰাকী। তোমাৰ স্বীকাৰোক্তি গ্ৰহণ কৰি, সকলো বিবেচনা কৰাৰ শক্তি, একমাত্ৰ তেওঁৰে আছে। তোমাৰ কষ্টলৈ তেওঁ কাণ দিব, তোমাৰ সকলো ভয় তেওঁ দূৰ কৰিব। তেওঁ তোমাক তুলি ধৰিব আৰু নিজৰ কাষত ঠাই দিব।”

জোনৰ পোহৰত নিজৰাৰ সোঁত ৰূপালী হৈ জিলিকিছে। চাৰিওকালে শান্ত নিস্তব্ধতা বিৰাজ কৰিছে; বাগিচাৰ এই অংশৰ পৰা, দাসবোৰে পোৱা খুটাবোৰৰ লগতে, শ্বহীদৰ মৃত দেহবোৰো আতঁৰাই নিছে।

চিলো আঠুকাঢ়ি বহি পৰিল। হাতৰ মাজত মুখ লুকুৱাই, বহু সময় সি একেদৰে ৰ'ল। পলে নক্ষত্ৰবোৰলৈ চাই, স্তুতি কৰিবলৈ ধৰিলে :

"হে প্ৰভু! এই পাপীজনলৈ চকু মেলি চোৱা, তাৰ অনুতাপ, তাৰ চকুলো আৰু তাৰ যন্ত্ৰণালৈ দৃষ্টিপাত কৰা। হে কৃপাৰ সাগৰ! তুমি আমাৰ পাপৰ বাবে, বক্তাহুতি দিছিলা। তোমাৰ যন্ত্ৰণা, তোমাৰ মৃত্যু আৰু তোমাৰ পুণৰুত্থানৰ নামত মিনতি জনাইছো; এই তাপিত আত্মাক ক্ষমা কৰা।"

তাৰ পাচত, তৰাবোৰলৈ চাই, ধৰ্ম্মাচাৰ্য্যই বহু সময় নীৰৱে প্ৰাৰ্থনা কৰিলে। তেওঁৰ ভৰিৰ কাষত কোচ মোচ খাই বহি থকা চিলোৱে, হঠাৎ আৰ্ত্তস্বৰে চিঞৰ মাৰিলে :

"হে খৃষ্ট! হে খৃষ্ট! মোক ক্ষমা কৰা।"

পলে নিজৰাৰ কাষলৈ গৈ, এচলু পানী লৈ, আঠুকাঢ়ি থকা দুখী মানুহটোৰ কাষলৈ আহিল।

"চিলো", তেওঁ কলে, "মই তোমাক পৰমপিতা, তেওঁৰ পুত্ৰ, আৰু পবিত্ৰ আত্মাৰ নামত দীক্ষাস্নান দান কৰিলো! তথাস্তু!"

চিলোৱে মূৰ দাঙি, হাত দুখন মেলি দিলে। জোনৰ কোমল পোহৰ আহি তাৰ বগা চুলিত, আৰু স্থিৰ, শেতা মুখৰ ওপৰত পৰিল। ধীৰে, ধীৰে, নিশা শেষ হৈ আহিল। বাগিচা বিলাকত থকা বৃহৎ পক্ষীশালা বোৰৰ পৰা, উষাক অভিবাদন জনোৱা চৰাইৰ মাত আহি, তেওঁলোকৰ কাণত পৰিল। এতিয়াও চিলোৱে একে ঠাইতে আঠুকাঢ়ি আছে, শোকৰ মূৰ্ত্তি এটাৰ দৰে।

অৱশেষত সি সুধিলে, "মৃত্যু অহাৰ আগতে, মই আৰু কি কৰা উচিত?"

পল সেই অসীম শক্তিৰ ধ্যানত মগ্ন হৈ আছিল, যি শক্তিৰ ওচৰত, গ্ৰীকটোৰ দৰে অধম জীৱইও স্বইচ্ছাৰে আত্মসমৰ্পণ কৰিব পাৰে। তন্ময়তাৰ পৰা উঠি, তেওঁ উত্তৰ দিলে,

"বিশ্বাস ৰাখিবা আৰু সত্যক প্ৰকাশ কৰিবা।"

তাৰ পাচত দুয়ো একে লগে গলগৈ। উদ্যানৰ প্ৰবেশ দুৱাৰত, ধৰ্ম্মাচাৰ্য্যই বুঢ়া মানুহটোক পুণৰ আশীষ জনালে। এই ঠাইতে দুয়ো দুয়োৰো পৰা বিদায় ললে।

চিলোৱে আগতেই জানিছিল যে, চিজাৰ আৰু টাইগেলিনাচে তাক বিচৰাব। গতিকে সি গুৰুদেৱৰ ওচৰৰ পৰা আতঁৰি গল। তাৰ ভুল হোৱা নাছিল। ঘৰলৈ আহিয়ে সি দেখিলে, তাৰ ঘৰটো, নিৰাপত্তাৰক্ষী সেনা দলে বেৰি ধৰিছে। সিহঁতে তৎক্ষণাৎ তাক ধৰি, পেলেটাইনলৈ লৈ গল।

চিজাৰে বিশ্ৰাম লৈছিল। কিন্তু টাইগেলিনাচৰ কাম এতিয়াও বাকী আছে। গ্ৰীকটোক দেখি, তেওঁ স্থিৰ অথচ ভাবুকিপূৰ্ণ মুখভঙ্গীৰে, অভিবাদন জনালে।

"তই সম্ৰাটক অপমান কৰাৰ দোষত-দোষী", তেওঁ কলে, "এই দোষৰ শাস্তিৰ পৰা তোৰ নিস্তাৰ নাই। তথাপিও কাইলৈ ক্ৰীড়া মঞ্চৰ সোঁমাজত থিয় দি, যদি তই মুক্তকণ্ঠে জনাই দিয় যে, মাতাল অৱস্থাত থকাৰ বাবে, তোৰ কাণ্ডজ্ঞান নাছিল আৰু যদি কৱ যে, খৃষ্টানহঁতেই প্ৰকৃত গৃহদাহক, তেতিয়া হলে, তোৰ শাস্তি কমি গৈ, বেতৰ কোব আৰু নিৰ্ব্বাসনত শেষ হ'ব।"

"মই নোৱাৰিম প্ৰভু," চিলোৱে শান্ত ভাৱে জনালে।

টাইগেলিনাচে দীঘল, দীঘল খোজ দি, তাৰ ওচৰ পালেহি। চেপা মাতেৰে ভীষণ মূৰ্ত্তি ধৰি, তেওঁ কলে, "কি? তই নোৱাৰ, গ্ৰীক কুকুৰ? তই মাতাল নাছিলি? যদি তই জনা নাই তোৰ কপালত কি আছে, তেন্তে চাই ল, এই ফালে।"

তেওঁ আগচ'ৰাটোৰ এচুকলৈ আঙুলিয়াই দেখুৱালে; কাঠৰ তাঙৰ বেৰ এখনৰ কাষত, চাৰিটা খ্ৰেচিয়ান দাস থিয় দি আছে। সিহঁতৰ হাতত ৰচী আৰু চেপেনা।

চিলোৱে পুণৰ কলে, "মই নোৱাৰো, প্ৰভু!"

খঙত উত্তলি আছিল যদিও, টাইগেলিনাচে নিজকে চম্ভালি লৈ কলে, "খৃষ্টিয়ানহঁত কি দৰে মৰিল দেখিছ নহয়! সিহঁতৰ নিচিনাকৈ তইও মৰিব খোজ নেকি?"

বুঢ়াটোৱে শেতা মুখখন ওপৰলৈ তুলিলে। এক মুহূৰ্ত্ত মান তাৰ ওঁঠ দুটা নীৰৱে লৰিল। তাৰ পাচত সি কলে, "মইও খৃষ্টক বিশ্বাস কৰো।"

টাইগেলিনাচে হতভম্ব হৈ তাৰ মুখলৈ চালে।

"কুকুৰ!" তেওঁ চিঞৰি কলে, "তই যে পগলা হৈ গৈছ, তাত কোনো সন্দেহ নাই।"

বুঢ়া মানুহটোৰ ওপৰত জপিয়াই পৰিল, টাইগেলিনাচ। তাৰ ডাঢ়িত ধৰি, মাটিত বগৰাই, ভৰিৰে গচকিবলৈ ধৰিলে। খঙত তেওঁৰ মুখেদি ফেন ওলাবলৈ ধৰিলে।

"তই কোৱা কথা মিছা বুলি কবি, কবি, কবি।" তেওঁ চিঞৰি উঠিল।

"মই নোৱাৰো।"

টাইগেলিনাচৰ ভৰিৰ গোৰোহাৰ চেপাত, বুঢ়াটোৰে কেঁকাই, কেঁকাই আকৌ এবাৰ কলে।

"তেন্তে ইয়াক শাস্তি দিবলৈ লৈ যা।"

থেচিয়ান কেইটাই, বুঢ়াটোক ধৰি বেঞ্চত থেকেচামাৰি বহুৱাই, ৰচীৰে বান্ধি লৈ, তাৰ শুকান কলাফুল দুটা, চেপেনাৰে চেপি শুকলা কৰিলে। তাক বান্ধি থাকোঁতে, সিঁহতৰ হাতত সি চুমাহে খালে, আৰু চকু মুদি মৰা মানুহৰ দৰে, নিশ্চল হৈ থাকিল।

কিন্তু তাৰ জীৱটো, এতিয়াও দেহৰ ভিতৰতে আছে; টাইগেলিনাচে তাৰ ওচৰলৈ হাউলি গৈ, পুণৰ "কথা ওলোটাবিনে তই?" বুলি সোধোতে, চিলোৰ বগা ওঁঠ দুটা, দুৰ্ব্বলভাৱে লৰি উঠিল আৰু ওঁঠৰ পৰা অস্পষ্ট ভাৱে দুটা শব্দ ওলাল,

"মই নোৱা—ৰো।"

টাইগেলিনাচে শাস্তি বন্ধ কৰিবলৈ ইঙ্গিত দিলে আৰু আগ চ'ৰাৰ ইফালে, সিফালে, খোজ চলাবলৈ ধৰিলে। অৱশেষত তেওঁৰ মনলৈ এটা নতুন ধাৰণা আহিল। থেচিয়ান কেইটালৈ চাই, তেওঁ কলে,

"তাৰ জিভাখন ছিঙি পেলা।"

। ২১ ।

"ওৰিওলাচ্" নামৰ নাটক এখনৰ অভিনয় ৰোমত প্ৰায়ে দেখুউৱা হয়। তাৰ বাবে ক্ৰীড়া মঞ্চ আৰু নাট্যশালাবোৰ, সাধাৰণতে দুটা তিন দৃশ্যৰ বাবে সজাই প্ৰস্তুত কৰা হয়। কিন্তু চিজাৰৰ বাগিছাবোৰত হোৱা ঘটনাৰ পাচত,

সচৰাচৰ যিদৰে মঞ্চ সজোৱা হয়, সেইদৰে নসজাই, ক্ৰচবিদ্ধ দাসৰ মৃত্যুৰ দৃশ্য দেখুৱাৰ ব্যৱস্থা হ'ল। অৱশ্যে নাটকখনত দাসটোক ভালুকে খোৱাৰ কথাহে লেখা আছে। সাধাৰণতে ভালুকৰ ভাৱত ভালুকৰ ছাল পিন্ধি মানুহ এটা ওলায়। কিন্তু এই ক্ষেত্ৰত ভালুকৰ ভাৱত, আচল ভালুকেই ওলাব বুলি থিৰ কৰা হ'ল। এই নতুন কৌশলৰ আবিষ্কাৰক স্বয়ং টাইগেলিনাচ। প্ৰথমে চিজাৰে জনালে যে, তেওঁ অভিনয় চাবলৈ নাযায়। কিন্তু পাচত প্ৰিয় সঙ্গীৰ উপদেশ-ক্ৰমে তেওঁ মত সলনি কৰিলে। অৰ্থাৎ টাইগেলিনাচে চিজাৰক বুজালে যে, বাগিছাত হোৱা ঘটনাৰ পাচত, চিজাৰে ৰাইজৰ আগত, বেচিকৈহে ওলোৱা উচিত। তদুপৰি তেওঁ নিজ প্ৰভুক আশ্বাস দি, এই কথাও কলে যে, ক্ৰচবিদ্ধ দাসটোৱে ক্ৰিচ্‌পাচৰ দৰে তেওঁক অপমান কৰিব নোৱাৰে। এনেবোৰ দৃশ্য দেখি দেখি আমনি লাগি যোৱা ৰাইজক, নতুনকৈ আকৰ্ষণ কৰিবৰ বাবে, বহুতো দামী উপহাৰ দিয়াৰ প্ৰতিশ্ৰুতিসহ, সমূহীয়া ভোজৰো আয়োজন হ'ল— ক্ৰীড়া ভৱনৰ জকমকীয়া চাকিৰ পোহৰত।

সন্ধিয়াপৰত ক্ৰীড়াভৱন মানুহেৰে ঠাহ খাই পৰিল। টাইগেলিনাচ সহ অগষ্টানৰ গোটেইটো দল আহি উপস্থিত হ'ল। দৃশ্য চোৱাৰ আগ্ৰহতকৈ, চিজাৰৰ প্ৰতি আনুগত্যৰ প্ৰমাণ দিয়াৰ আগ্ৰহ হে আটাইৰে বেচি। আগতে হৈ যোৱা ঘটনাটোৱে, তেওঁলোকক এই বিষয়ে সচেতন কৰি তুলিছে। চিলোক চোৱাৰ ইপাহো অন্যতম কাৰণ; ইতিমধ্যে চিলোৰ কথা, নগৰৰ মানুহৰ মুখে মুখে প্ৰচাৰ হৈ গৈছে। কেইজনমান সম্ৰান্ত বংশীয় মানুহে, মানৱিকতাৰ দোহাই দি, এইবোৰ অনাচাৰ বন্ধ কৰিবলৈ টাইগেলিনাচক মিনতিও জনালে।

"ইয়াৰ ফল কেনে হৈছে, মন কৰক।" বাৰ্‌কাচ্ চোৰানাচে কলে, "আপোনালোকৰ উদ্দেশ্য আছিল, ৰাইজৰ প্ৰতিহিংসাৰ কামনা পূৰ্ণ কৰা আৰু প্ৰকৃত দোষীৰ শাস্তি-বিধান কৰি, ন্যায় বিচাৰ কৰা হৈছে বুলি, গোটেই জাতিটোৰে মনত বিশ্বাস জন্মোৱা। কিন্তু আপোনালোকে সম্পূৰ্ণ ওলোটা ফলহে লাভ কৰিছে।"

"হয়, কথাটো সঁচা।" এন্‌টিচ্‌টিয়াচ্ ভেৰাচে কলে "প্ৰতিটো মানুহে এতিয়া ফুচ্‌ফুচাই কবলৈ ধৰিছে যে, খৃষ্টিয়ানবোৰ নিৰ্দ্দোষী। আপোনালোকে নিজকে চৈতৰ বুলি ভাবিলেও, আচলতে চিলোৰ কথাহে সঁচা। সি কোৱা নাছিলনে, আপোনালোকৰ মূৰত একো নাই বুলি?"

টাইগেলিনাচে ফেৰপাতি ধৰিলে।

"বাৰ্কাচ্ চোৰানাচ্! আপোনাৰ জীয়েকে নিজৰ খৃষ্টিয়ান দাসবোৰক চিজাৰৰ বিচাৰৰ সন্মুখৰ পৰা আঁতৰাই ৰাখিছে। আৰু এনটিচ্টিয়াচ ভেৰাচ্! আপোনাৰ পত্নীয়েও তাকে কৰিছে। মই শুনা নাই বুলি ভাবিছে নেকি?" টাইগেলিনাচ্ গৰ্জ্জি উঠিল।

"নহয় সঁচা!" বাৰ্কাচে ভয়ে, ভয়ে চিঞৰিলে।

"নহয়, নহয়।" ভেৰাচেও সমানে উদ্বিগ্ন হৈ কলে। "আচল কথা হ'ল, আপোনাৰে সৈতে বিবাহ বিচ্ছেদ হোৱা তিৰোতা কেইজনীয়ে মোৰ পত্নীৰ ধৰ্ম্মপৰায়ণতা সহ্য কৰিব নোৱাৰি, তেওঁৰ সৰ্ব্বনাশ ঘটাবলৈ ষড়যন্ত্ৰ কৰিছে।"

কিছুমানে চিলোকলৈ আলোচনা কৰিবলৈ ধৰিলে।

"মানুহটোক কিহে পালে?" এপ্ৰিয়াচ্ মাৰ্চেলাচে কলে, "সি নিজেই, খৃষ্টিয়ানবোৰক টাইগেলিনাচৰ হাতত ধৰাই দিছিল। ভিক্ষাৰী অৱস্থাৰ পৰা, হঠাতে সি ধনী হৈছিল। তাৰ দিনবোৰ সুখে-শান্তিৰে নিয়াব পাৰিলেহেঁতেন। মৰিবও পাৰিলেহেঁতেন বেচি ভালকৈ। মৃত্যুৰ পাচত, তাৰ সমাধিত স্মৃতি স্তম্ভও নিৰ্ম্মাণ কৰা হ'লহেঁতেন। মানুহটো নিশ্চয় পগলা হ'ল।"

"নহয়, সি পগলা হোৱা নাই। সি খৃষ্টিয়ান হ'ল।" টাইগেলিনাচে কলে।

"অসম্ভব!" ভাইটেলিয়াচে চিঞৰ মাৰি দিলে।

"মোৰ কথাই সঁচা, নহয়নে?" ভেচ্টিনাচে মাত লগালে, "মই কোৱা নাছিলোনে, এই খৃষ্টিয়ানবোৰক যিমানে নামাৰা লাগিলে, ইহঁতৰ দেৱতাক কেতিয়াও বলে নোৱাৰা। এনে এজন দেৱতাক উপলুঙা কৰা অনুচিত। কি ঘটিছে মন কৰক। মই যদিও ৰোম নগৰ পোৰা নাই, তথাপিও যদি চিজাৰে মোক অনুমতি দিয়ে, তেন্তে খৃষ্টিয়ানৰ দেৱতাৰ আগত, এশ ষাড়গৰু বলি দিবলৈ এতিয়াই ওলাম। আটাইবোৰে মোৰ উদাহৰণ লওক, মঙ্গল হ'ব।"

"মই যেতিয়া কৈছিলো, খৃষ্টিয়ানবোৰৰ অস্ত্ৰ আছে বুলি, তেতিয়া টাই-গেলিনাচে হাঁহিছিল।" পেট্ৰোনিয়াচে ক'লে, "ইয়াৰ লগত আৰু অলপ যোগ দি কওঁ, সিহঁতে অন্তৰ পাচত জয়লাভ কৰিছে।"

"কেনেকৈ? কেনেকৈ?" কুৰিটামান স্বৰ বাজি উঠিল।

"এইদৰে—যদি চিলোৰ নিচিনা মানুহ এটাইও সিহঁতৰ শক্তি ৰোধ কৰিব নোৱাৰিলে, তেন্তে পাৰিব কোনে? যদি আপোনালোকে ধৰি লৈছে যে, প্ৰতিটো

দৃশ্য ঘটাৰ পাচত, খৃষ্টিয়ানৰ সংখ্যা বঢ়াত ব্যাঘাত জন্মিছে, তেন্তে সকলো গৈ কৈছাৰ আৰু নাগৰিকৰ কাণত ধৰক, তেহে ৰাইজৰ প্ৰকৃত মনোভাব, আৰু নগৰৰ মাজত কি ঘটিছে, তাৰ উমান পাব।"

"ভাৰেনাৰ পবিত্ৰ বসনৰ শপত। কথাটো সঁচা।" ভেচ্‌টিনাচে চিঞৰি দিলে।

বাৰ্‌কাচে পেট্ৰোনিয়াচলৈ উলটি চালে।

"আপুনি কি কব খুজিছে?" তেওঁ সুধিলে।

"আপোনালোকে আৰম্ভ কৰা কথাৰ সামৰণি মাৰিছো। মই কব খুজিছো যে, ৰক্তপাত যথেষ্ট হ'ল।"

টাইগেলিনাচে বিদ্ৰুপৰ হাঁহি মাৰিলে।

"আৰু মই কওঁ," তেওঁ কলে, "আৰু অলপ, মাত্ৰ অলপ তেজ বোৱাৰ লাগিব।"

"বেচ," পেট্ৰোনিয়াচে জনালে, "আপোনাৰ ডিঙিৰ ওপৰত থকা মূৰটোৱে যদি কাম কৰা নাই, তেন্তে হাতত লোৱা লাঠিডালৰ মূৰটোকে কামত লগাওক।"

পাইথাগোৰাচক লগত লৈ, চিজাৰ আহি পোৱাত, আলোচনাত বাধা পৰিল। লগে, লগে "ওৰিওলাচ্" নাটকৰ অভিনয় আৰম্ভ হ'ল। ৰাইজৰ অভিনয় চোৱাত বেচি আগ্ৰহ নাই। কাৰণ প্ৰতিজন মানুহৰ চিন্তা ভাৱনাত, বুঢ়া গ্ৰীকটোৱেহে ঠাই পাইছে। যন্ত্ৰণা আৰু ৰক্তপাত দেখি দেখি ৰাইজ ভাগৰি পৰিছে। এতিয়া কিছুমানে সুহুৰিয়ালে, আৰু কিছুমানে ৰাজদৰবাৰৰ উদ্দেশ্যে অসন্মান জনক চিঞৰ মাৰিবলৈ আৰম্ভ কৰিলে। সিহঁতে চিঞৰি চিঞৰি দাবিও জনালে, ভালুকৰ দৃশ্যটো সোনকালে আৰম্ভ কৰিব লাগে। কাৰণ, সিহঁতৰ বাবে সেয়ে একমাত্ৰ চাবলগীয়া দৃশ্য। অপৰাধীটোক চোৱাৰ ইচ্ছা, আৰু উপহাৰ আদি লাভ কৰাৰ আশা নথকা হলে, মানুহবোৰ নাটক চাবলৈ নাথাকিলেইহেঁতেন।

অৱশেষত, আশাপূৰ্ণ হোৱাৰ সময় উপস্থিত হ'ল। প্ৰথমে মঞ্চৰ বয়বা কেইটামানে এডাল কাঠেৰে তৈয়াৰী ক্ৰচ আনিলে, ক্ৰচডাল বেচি ওখ নহয়; ভালুকটোৱে পাচঠেঙত ভৰ দি থিয় হলে, অপৰাধীজনৰ বুকু চুব পাৰিব। তাৰ পাচত, দুটা মানুহে, চিলোক একপ্ৰকাৰ চোচোৱাই আনিলে, ভৰি ভাগি

যোৱাত, মানুহটোৱে খোজ কাঢ়িব পৰা নাছিল। তাক ইমান লৰা-লৰিকৈ ক্রচত বিন্ধোৱা হ'ল যে, ধীৰে-সুস্থিৰে চাবলৈ নাপাই, অগষ্টান সকল নিৰাশ হ'ল। ক্রচডাল থিয় কৰি ধৰোঁতেহে, প্রতিজন মানুহে তাক দেখিবলৈ পালে; এই বৃদ্ধ, উলঙ্গ মানুহটোৱেই, কিছুদিনৰ আগতে দেখা চিলো বুলি, দুই এজনেহে ধৰিব পাৰিলে। টাইগেলিনাচে শাস্তি দিওৱাৰ পাচত, তাৰ মুখখন সম্পূর্ণ নিস্তেজ হৈ বগা পৰি গৈছিল। বয়সৰ বোজাৰ ছাপত বগা পৰা ডাঢ়ি কোছাত, এটা ৰঙা দাগ দেখা গৈছে; জিভাখন টানি উলিওৱাৰ ফলত ঠাই ভোখৰ ৰঙা পৰিছে।

মানুহটোৰ ছালৰ তলত প্রতিডাল হাড় গণিব পাৰি। তাৰ মুখখন দুখেৰে ভৰা যদিও শুই থকা মানুহৰ দৰে শান্ত আৰু বিশ্রামপূর্ণ। হয়তো সি ক্রচত দিয়া সেই চোৰটোৰ কথাকে ভাবিছে, যাক খৃষ্টই ক্ষমা দান দিছিল। হয়তো তাৰ অন্তৰ আত্মাই কৃপাময় ভগৱন্তক জনাইছে, "হে প্রভু! মই বিষাক্ত সাপৰ দৰে দুবাত্মা আছিলো। কিন্তু তুমি নিজেই জানা যে, গোটেই জীৱন মই ভোকাতুৰ আৰু পদদলিত আছিলো। বেডৰ কোব খাইছিলো, মানুহৰ উপলুণ্ঠাৰ পাত্র হৈছিলো। হয় প্রভু, মই দুখীয়া আৰু বৰ অসুখী আছিলো। এতিয়া ইহঁতে মোক যন্ত্রণা দিছে, ক্রচত বিন্ধাইছে। হে দয়াৰ সাগৰ! মৃত্যু কালত তুমি মোক এৰি নিদিবা।" গভীৰ শান্তিৰে পূর্ণ হৈছে, অনুতাপত দগ্ধ এই ব্যথিত আত্মা!

কোনেও হৰ্ষধ্বনি কৰা নাই। কাৰণ এই বৃদ্ধৰ মাজত ইমান শান্তি, ইমান দুর্ব্বলতা আৰু ইমান দুখৰ ভাব প্রকট হৈ উঠিছে যে, প্রতিজন মানুহে মনে মনে ভাবি আচৰিত হৈছে, মৰো মৰো অৱস্থাত থকা মানুহ এটাক ইমান যন্ত্রণা দি, ক্রচত মৰাৰ কাৰণ কি। অগষ্টান সকলৰ ভিতৰত থকা ভেচ্টিনাচে, অস্থিৰ ভাৱে ছটফটাই ঘূৰি ভয়ার্ত্ত স্বৰে মানুহৰ কাণে কাণে কবলৈ ধৰিলে, "চোৱা, এই খৃষ্টিয়ানবোৰে কিদৰে মৃত্যু বৰণ কৰে!"

ইবিলাকে অৱশ্যে, ভালুকলৈ আগ্রহেৰে বাট চাই আছিল আৰু দৃশ্যটো শেষ হৈ যোৱাটোকে মনে মনে কামনা কৰি আছে। অৱশেষত ভালুকটো ধলং পলংকৈ আহি, মঞ্চত সোমাল। ভাঙৰ মূৰটো ইফালে সিফালে ঘূৰাই, ই কেৱল তললৈকে চাই থাকিল। কি কৰিব লাগিব, তাকে ভাবিছে যেন

ই বিমোৰত পৰিছে। লাহে লাহে ক্ৰচৰ ওপৰত থকা নগ্ন দেহটো দেখিবলৈ পাই, সি ওচৰ চাপি গল আৰু গাটো থিয় কৰি, জীৱনকৈ উশাহ টানি, বলিটোক সুঙিবলৈ আৰম্ভ কৰিলে। এক মুহূৰ্তৰ পাচতে, সি আগ ঠেঙ দুটা নমাই, ক্ৰচডালৰ তলত বহি পৰিল। ভালুকৰ পশু-হৃদয়েও যেন, ওপৰত থকা দুৰ্ভগীয়া মানুহটোৰ বাবে দুখ কৰি ধীৰে ধীৰে গোঁ গোঁৱাবলৈ ধৰিলে।

তাকে দেখি, ক্ৰীড়া মঞ্চৰ কৰ্মীবৃন্দই, চিঞৰ বাখৰ কৰি, তাক জগাই তুলিবলৈ চেষ্টা কৰিলে; কিন্তু সকলো দৰ্শক নীৰৱে বহি থাকিল। ধীৰে, ধীৰে চিপোৱে মূৰ দাঙি, দৰ্শকসকলক এবাৰ চকু ফুৰাই চালে। আটাইতকৈ ওখত থকা, আসনবোৰৰ এঠাইত, তাৰ চকু বৈ গল। লগে, লগে তাৰ বুকুখন উঠা, নমা কৰিবলৈ ধৰিলে। দৰ্শক সকলে দেখি আচৰিত হ'ল, যেতিয়া তাৰ মুখ হাঁহিৰে উদ্ভাসিত হৈ উঠিল, তাৰ জীৰ্ণ কপালখন জিলিকি উঠিল, তাৰ চকুৰ দৃষ্টি উৰ্দ্ধলোকলৈ গল আৰু তাৰ গধুৰ চকুৰ পতাৰ তলত, দুটোপাল চকুলো ধীৰে ধীৰে বিৰিঙি উঠি দুগালেদি বাগৰি গল।

তাৰ পাচতে সি শেষ নিশ্বাস পেলালে।

হঠাৎ ওপৰৰ চন্দ্ৰতাপৰ কাষৰ পৰা শুনা গল, এটা সুগভীৰ উচ্চ কণ্ঠস্বৰ: "শ্বহীদে শান্তি লাভ কৰক!"

তলৰ ক্ৰীড়া ভৱনত মাত্ৰ বৈ গল, ধ্যানস্থ নীৰৱতা।

॥ ২২ ॥

চিজাৰৰ উদ্যানবোৰত প্ৰদৰ্শন কৰা দৃশ্যৰ পাচত, বন্দীশালবোৰ প্ৰায় খালী হৈ গ'ল। "প্ৰাচ্য দেশৰ অন্ধবিশ্বাসৰ বশীভূত" বুলি সন্দেহ হোৱা সকলো মানুহকে ধৰি নি, কাৰাগাৰত নিক্ষেপ কৰা হৈছিল যদিও, মানুহ ধৰা কাৰবাৰটো ক্ৰমাৎ নিস্ফল হৈ আহিছিল। শতিকে এতিয়াও বাকী-থকা কেইটামান দৃশ্য প্ৰদৰ্শনৰ বাবে, বলি গোটাই অনা কামটো যথিলৰ বিষয় হ'ল। ৰক্তপাত দেখি, দেখি বিতৃষ্ণা লগা মানুহবোৰে এনে দৃশ্য চাবলৈ আগ্ৰহ নকৰিলে। নগৰতে অপৰাধীইতৰ অদ্ভুতপূৰ্ব্ব আচৰণে, সিইতৰ মনৰ

অশান্তিৰ ভাব বঢ়াই তুলিলে। প্ৰকৃততে, কুসংস্কাৰপূৰ্ণ ভেচ্টিনাচৰ আতঙ্কই সকলোৰে মনত প্ৰতিক্ৰিয়া কৰিলে। খৃষ্টিয়ানৰ দেৱতাই কেনে ধৰণে প্ৰতিশোধ লব, এই সম্বন্ধে, ৰাইজৰ মাজত, অতি অদ্ভুত ধৰণৰ গল্প প্ৰচাৰ হবলৈ ধৰিলে। কাৰাগাৰ আক্ৰমণ কৰা সন্নিপাত জ্বৰ যেতিয়া নগৰলৈ বিয়পি পৰিল, তেতিয়া এই আতঙ্ক ঘনীভূত হৈ উঠিল। শৱযাত্ৰা সঘনে হবলৈ ধৰিলে, মৰিশালীত কবৰে নধৰা হ'ল। মানুহবোৰে সততে কবলৈ ধৰিলে, কোনেও নজনা এই দেৱতাজনক সন্তুষ্ট কৰিবলৈ, বলিদান কৰা নিতান্ত দৰকাৰ। মন্দিৰবোৰত জুপিটাৰ আৰু লিবিটিনাৰ সন্মুখত জীৱজন্তু বলি দিয়া হ'ল। কিন্তু সকলো কৰা সত্ত্বেও, টাইগেলিনাচ আৰু তেওঁৰ চিপাহী দলৰ অশেষ চেষ্টাৰ পাচতো, ৰাতবি প্ৰচাৰ হবলৈ ধৰিলে যে, নগৰখনত স্বয়ং চিজাৰেই জুই দিয়াইছিল; খৃষ্টিয়ানসকল দোষী নহয়। দিন যোৱাৰ লগে লগে এই ধাৰণা বদ্ধমূল হৈ আহিল।

এই কাৰণ বশতঃ চিজাৰ আৰু টাইগেলিনাচে কঠোৰ দমন নীতি অব্যাহত ৰাখিলে। ৰাইজক শান্ত কৰিবলৈ, পুণৰ শস্য, মদ আৰু জলফাই তেল, বিতৰণ কৰা হ'ল। নতুন আইন প্ৰচাৰ হ'ল। সেই আইনৰ এটা দফাত জনোৱা হ'ল যে, কুইৰাইট সকলৰ ধ্বংসপ্ৰাপ্ত অট্টালিকাবোৰ নতুনকৈ নিৰ্ম্মাণ কৰা হ'ব। নতুনকৈ সাজিবলৈ লোৱা পথবোৰ কিমান বহল হ'ব, আৰু জুইৰ পৰা ৰক্ষা পাবলৈ, নিৰ্ম্মাণ কাৰ্য্যত কেনে ধৰণৰ সামগ্ৰী ব্যৱহাৰ কৰা হ'ব, সেই সকলো কথা আইনত লিপিবদ্ধ হ'ল। চিনেটৰ বৈঠকবোৰত চিজাৰ নিজে উপস্থিত থাকিল। ৰাইজৰ আৰু নগৰখনৰ সমৃদ্ধিৰ চেষ্টাত, চিজাৰে চিনেটৰ দায়িত্বশীল সভ্যসকলৰ লগত, আলোচনা চলালে। কিন্তু বন্দীবোৰক কোনো পধ্যে ক্ষমা নকৰিলে। কাৰণ সকলোৰে আদিতে, "পৃথিবীৰ অধীশ্বৰে" ৰাইজক বুজাব খুজিলে যে, এনে অভূতপূৰ্ব্ব দমন নীতি, প্ৰকৃত অপৰাধীৰ ক্ষেত্ৰতহে সম্ভৱপৰ। ইহঁতৰ সপক্ষে মাত মাতোতা চিনেটত কোনো নোলাল। কাৰণ, চিজাৰক জোকাই লবলৈ কোনেও সাহ নকৰিলে। ৰাজনীতিত পাৰদৰ্শী সকলে মত প্ৰকাশ কৰিলে যে, এই নতুন ধৰ্ম্মমত যদি কাৰ্য্যত পৰিণত কৰা হয়, তেন্তে, ৰোমান সাম্ৰাজ্যৰ ভেটিয়েই চিলা হৈ পৰিব।

ভিনিকিয়াচে এতিয়া লিজিয়াক ৰক্ষা কৰাৰ সকলো আশা বিসৰ্জ্জন দিলে। জীৱনৰ সকলো সুখৰ পৰা আঁতৰত থাকি, তেওঁ খৃষ্টৰ চিন্তাত আত্মনিয়োগ কৰিলে। মৃত্যুৰ পাচত, লিজিয়াৰ লগত পুণৰ্মিলন হোৱাৰ আশাত

ক'ল তেওঁ। তাইও মৃত্যুৰ বাবেই প্ৰস্তুত হৈছে বুলি, তেওঁ ধৰিব পাৰিলে। চাৰিওফালে বাধাৰ প্ৰাচীৰে ঘেৰি থকা সত্ত্বেও, দুয়োৰো আত্মা এক হৈ উঠিছে। ভৱিষ্যত জীৱনলৈ সতৃষ্ণ নয়নে চাই চাই তেওঁ মিচিকিয়াই হাঁহিলে, যেন দুয়োৰো সন্মুখত বৈ আছে, মহৎ সুখ!

ধৰ্ম্মবিশ্বাসৰ দুৰ্নিবাৰ সোঁতে উৰচাচৰো অন্তৰ অধিকাৰ কৰিলে; ই সেই একেই প্ৰগাঢ় বিশ্বাস, যাৰ প্ৰভাৱত, নতুন ধৰ্ম্মাৱলম্বী হাজাৰ, হাজাৰ লোকে, পৃথিবীৰ আকৰ্ষণ ত্যাগ কৰি, মৃত্যুৰ সিপাৰে থকা ৰাজ্য এখনলৈ হাবিয়াস কৰে। এসময়ত লিজিয়াৰ মৃত্যুৰ কথা মনলৈ অনাটোৱেই তাৰ বাবে অসহনীয় আছিল। কিন্তু যেতিয়াৰে পৰা, ক্ৰীড়ামঞ্চ আৰু চিজাৰৰ বাগিছাত ঘটা ঘটনাবোৰ ৰিণিকি, ৰিণিকি আহি, তাৰ কাণত পৰিল, তেতিয়াৰে পৰা, মানুহৰ মনে ভাবিব পৰা, সকলো আশীৰ্ব্বাদতকৈ, মৃত্যুৱেই শ্ৰেষ্ঠ বুলি তাৰ মনত উদয় হ'ল। কেনেবাকৈ লিজিয়া এই আশীষৰ পৰা বঞ্চিত হয় বুলি, খৃষ্টক কাকুতি প্ৰাৰ্থনা জনাই, তাইৰ উদ্ধাৰৰ পথ আৰু নিবিচাৰিলে সি। ভগৱানৰ চকুত, সকলো মানুহ সমান বুলি শুনাৰ পাচতো, তাৰ সবল মনটোৱে নাভাবি নোৱাৰিলে যে, লিজিয়া দেশৰ ৰাজকুঁৱৰীয়ে, স্বৰ্গতো নিশ্চয় আনতকৈ বহুত বেচি সুখত থাকিব আৰু দিব্যধামত ত্ৰাণ কৰ্ত্তাৰ কাষতে থাকিব, তাৰ ৰাণীৰ বাবে আচুতীয়া আসন। তদুপৰি সি এই বিষয়েও নিশ্চিত হ'ল যে, খৃষ্টই তাক, উৰচাচক, আগৰদৰে লিজিয়াৰ সেৱা শুশ্ৰূষা কৰি থাকিবলৈ দিব। তাৰ মনৰ গোপন ইচ্ছা হ'ল, ত্ৰাণকৰ্ত্তা প্ৰভুৱে যিদৰে ক্ৰচত জীৱন বিসৰ্জ্জন দিছিল, সেইদৰে সিও ক্ৰচত মৃত্যুবৰণ কৰিব। ক্ৰচত মৃত্যু হোৱাটো শ্ৰেয় বুলি জানিলেও, এনে শ্ৰেষ্ঠতালৈ আশা কৰি প্ৰাৰ্থনা জনাবলৈ, সি সাহ নকৰিলে। কাৰণ, ৰোমত, ঘোৰ অপৰাধীকো ক্ৰচত দি মৰা হয়। হয়তো সি ভাবি লৈছিল যে, তাক বনৰীয়া জন্তুৰ মুখত দিয়া হ'ব; এই ভাবে তাক অতিশয় বিৰক্তি দিছিল। লৰাকালৰে পৰা সি হাবিতে ডাঙৰ হোৱা মানুহ। পূৰ্ণবয়স্ক যুৱক হোৱাৰ পূৰ্ব্বেই, অসাধাৰণ শক্তিৰ বাবে, লিজিয়ান বিলাকৰ মাজত সি প্ৰখ্যাত হৈ পৰিছিল। বনৰীয়া জন্তু চিকাৰ কৰি সি ভাল পাইছিল। এতিয়াও, পিঞ্জৰাবোৰত, বা ক্ৰীড়া ভৱনত, এনেকুৱা জন্তু দেখিবলৈ পালে, যুঁজ কৰি, সিহঁতক মাৰি ছিৰাছিৰ কৰিবৰ মন যায় তাৰ। গতিকে, তাৰ

পেটে, পেটে ভয় আছিল, ক্রীড়ামত্ত বনরীয়া জন্তুৰ মুখা-মুখি হ'লে, খৃষ্টিয়ানৰ অনুপযোগী ভাবে তাক প্ৰবোচিত কৰে বুলি।

সি তাৰ দিনবোৰ, প্ৰাৰ্থনা কৰি, লগৰ কয়দীবোৰৰ আলপৈচান ধৰি, বন্দীপালইতক সহায় কৰি আৰু তাৰ কোমল বয়সীয়া ৰাজকুঁৱৰীক সান্ত্বনা আৰু উৎসাহ দি, পাৰ কৰিবলৈ ধৰিলে। কুঁৱৰীয়ে নিজৰ মনৰ কথা, তাৰ আগত ব্যক্ত কৰি, এইদৰে দুখ কৰিছিল, জীয়াই থকা দিন কেইটাত কোনো-দিনে তাই থাবিটা নামৰ সাধ্বী গৰাকীৰ দৰে, সৎ কাম কৰিব নোৱাৰিলে। (ধৰ্মগুৰু পিটাৰে এই মহীয়সী নাৰীৰ জীৱনৰ কথা এবাৰ তাইক কৈছিল)। দৈত্যাকাৰ মানুহটোৰ ভয়াবহ শক্তিৰ বাবে, প্ৰথমতে বন্দীপালইঁতে, তাক সমীহ কৰি চলিছিল; কিন্তু তাৰ নম্ৰভাব দেখি, পাচত সিহঁত মুগ্ধ হৈ গ'ল। তাৰ শান্তিপূৰ্ণ আচৰণ দেখি, সিহঁতে প্ৰায়ে আচৰিত হৈ, তাৰ কাৰণ সুধিছিল। সি সিহঁতক জনাইছিল, মৃত্যুৰ পাচৰ জীৱনটোৰ কথা। তাৰ কথাত প্ৰকাশ পোৱা দৃঢ় বিশ্বাসে, সিহঁতক একেবাৰে আচৰিত কৰি দিছিল। কোনো দিনে বেলিৰ পোহৰ নোসোমোৱা, গহ্বৰৰ দৰে এই খুপৰীবোৰলৈ, ইমান সুখৰ ভাব আহিল কেনেকৈ? কেইবাটাও বন্দীপালৰ মনত খুন্দিয়ালে যে, সিহঁতৰ জীৱন অতি হীন, সিহঁত যি কামত নিযুক্ত হৈছে, সি অতি নিকৃষ্ট! সিহঁতৰ কিছুমানে ভাবিবলৈ ধৰিলে যে, একমাত্ৰ মৃত্যুৱেহে এই দুখময় দাসৰ জীৱনৰ সমাপ্তি ঘটাব। দুৰ্ভাগ্যবশতঃ, মৃত্যুৰ কথা ভাবোতে, সিহঁতৰ মনত নতুন ভয় সোমাল; কাৰণ, মৃত্যুৰ সিপাৰে, একোকে পোৱাৰ আশা নাই সিহঁতৰ। অথচ এই দৈত্যটো আৰু বন্দীশালৰ মাজতো এপাহি ফুলৰ দৰে ফুলি থকা, এই কুমাৰী ছোৱালীটি একেভাবে মৃত্যুৰ কাৰণে আগবাঢ়ি গৈছে যেন, মৃত্যুৰ মাজত বিভীষিকা নাই, চিৰ শান্তিময় ৰাজ্যৰ, প্ৰৱেশদ্বাৰ মুকলি কৰা মৃত্যু যেন এটি আশীৰ্ব্বাদহে।

॥ ২৩ ॥

এদিন গধূলি, স্কিভিনাচ্ নামৰ চিনেটৰ সভ্য এজনে পেট্ৰোনিয়াচক দেখা কৰিলে; মানুহজনে, ভয়ঙ্কৰ দিন কিদৰে আহিবলৈ ধৰিছে, তাকে কৈ দীঘলীয়া আলোচনা কৰিলে। চিজাৰৰ বিষয়েও, তেওঁ ইমান খোলাখুলিকৈ ক'লে যে;

তেওঁৰ লগত সহৃদয়তা থকা সত্বেও, পেট্ৰোনিয়াচে, কথাত সাৱধানতা অৱলম্বন কৰা উচিত হ'ব বুলি, মনাত থিৰ কৰিলে। কিন্তু মানুহজনে অভিযোগ কৰিয়েই থাকিল। তেওঁৰ মতে, পৃথিৱী ওলট পালট হৈছে, আটাইবোৰ পগলা হৈ গৈছে। ৰোম নগৰ দগ্ধ হোৱাতকৈও বেচি ভয়াবহ অৱস্থা এটাই, সকলো ধ্বংস কৰি পেলাব। একেটা সুৰতে তেওঁ পুণৰ জনালে যে, স্বয়ং অগষ্টান সকলেই অসন্তুষ্ট হৈছে। নিৰাপত্তাৰক্ষী বাহিনীৰ দ্বিতীয়জন অধিনায়ক, ফেনিয়াচ্ ৰুফাচে, অতি দৃঢ়তাৱে টাইগেলিনাচৰ ঘৃণনীয় কৰ্তৃত্বৰ বিৰোধিতা কৰিছে। লুচান্ আৰু বৃদ্ধ শিক্ষক চেনেকাৰ প্ৰতি নিৰোৰে কৰা আচৰণত, চেনেকাৰ মিতিৰ কুটুম আটাইবোৰ ক্ৰুদ্ধ হৈ উঠিছে। কথাই, কথাই চিনেটৰ সভাজনে ইয়াকো জনালে যে, সৰ্ব্বসাধাৰণ মানুহৰ লগতে, ফেনিয়াচ্ ৰুফাচক সমৰ্থন কৰা নিৰাপত্তাৰক্ষী সেনাও, অতীষ্ঠ হৈ উঠিছে।

"পিচে আপুনি কিয় মোক এইবোৰ কথা কৈছে?" পেট্ৰোনিয়াচে সুধিলে।

"কাৰণ চিজাৰৰ বাবে মই চিন্তিত হৈছো।" স্কিভিনাচে উত্তৰ দিলে। "মোৰে সৈতে একে নামৰ এজন আৰক্ষী সেনা আছে। তেওঁ মোৰ আত্মীয়; নিৰাপত্তাৰক্ষীৰ শিবিৰত কি ঘটিবলৈ ধৰিছে, মই তেওঁৰ পৰা গম পাইছো। আন ঠাইৰ নিচিনাকৈ, তাতো অসন্তুষ্টি বাঢ়ি গৈছে। কেলিগুলাও পগলা আছিল; তাৰ ফলত, কি হৈছিল, আমি জানো। কেচিয়াচ্ কোৰিয়াৰ হাতত তেওঁৰ মৃত্যু ঘটিছিল। অৱশ্যে এইটো এটা ভয়ঙ্কৰ অপৰাধ; ইয়াক সমৰ্থন কৰোতা, আমাৰ মাজত কোনো নোলায়। কিন্তু কোৰিয়াই যে জগতক পিশাচ এটাৰ হাতৰ পৰা মুক্ত কৰিলে, তাত কোনো ভুল নাই।"

"অৰ্থাৎ" পেট্ৰোনিয়াচে কলে, "আপোনাৰ যুক্তি হল এই মই কোৰিয়াক সমৰ্থন নকৰো; পিচে সি আছিল অদৃষ্টৰ হাতৰ পুতলা। দেৱতাসকলে যেন তাৰ দৰে আৰু কাৰোবাক পঠিয়ায়।"

স্কিভিনাচে প্ৰসঙ্গ সলনি কৰি, পিচোৰ গুণ কীৰ্ত্তন আৰম্ভ কৰিলে। পিচোৰ বংশ গৌৰব, তেওঁৰ মহত্ব, পত্নী প্ৰেম, তেওঁৰ জ্ঞান, আত্ম সংযম, আৰু সকলো নাগৰিকক আকৰ্ষণ আৰু প্ৰভাৱান্বিত কৰিব পৰা অসাধাৰণ ব্যক্তিত্বৰ উল্লেখ কৰি, মানুহজন অভিভূতৰ দৰে হ'ল।

"চিজাৰৰ লৰা ছোৱালী নাই," ষ্টিভিনাচে কলে, "গতিকে পিচোক সিংহাসনৰ উত্তৰাধিকাৰী বুলি আটায়ে ধৰি লৈছে। সিংহাসন অধিকাৰ কৰাত, তেওঁ যে কাৰো সহায় বিচাৰিব লগা নহয়, সেই কথা সকলোৱে নিঃসন্দেহে জানে। কেনিয়াচ্ কৰাচ্ তেওঁৰ ফলীয়া। এনিয়াচ্ পৰিয়ালৰ সকলো তেওঁৰ ভক্ত। প্লটিয়াচ্ লেটেৰেনাচ্ আৰু টিউলিয়াচ্ চেনেচিওই তেওঁৰ বাবে নিজৰ জীৱন উচৰ্গা কৰিব। নাটালিচ্, চুব্রিয়াচ্ ফ্লেভাচ, চাল্‌পিচিয়াচ্ এচ্পাৰ, আক্রানিয়াচ্ কুইনেটিয়ানাচ্ আৰু ভেচ্‌টিনাচো একে দলৰে।"

"ভেচ্‌টিনাচ্ লেখত লবলগীয়া মানুহ নহয়।" পেট্রোনিয়াচে মন্তব্য কৰিলে। "নিজক ছাঁটোকে বাঘটো যেন দেখে তেওঁ।"

"সঁচা, সপোন আৰু ছাঁয়া মূৰ্ত্তিৰ কথাত, তেওঁৰ গাত কঁপনি উঠে। কিন্তু প্রাদেশিক শাসনকৰ্ত্তা হোৱাৰ সাহসো তেওঁৰ আছে। খৃষ্টিয়ানবোৰক উৎপীড়ন কৰা কথাটো, তেওঁ তলে তলে ভাল নাপায়, আপুনিও এই কথাত তেওঁক সমৰ্থন নকৰি নোৱাৰে। এনে উৎপীড়ন, অত্যাচাৰৰ সমাপ্তি ঘটোৱাত, আপোনাৰো আগ্রহ আছে।"

"এই কথাত মোৰ যদি কিবা আগ্রহ আছে, সি ভিনিকিয়াচৰ স্বাৰ্থৰ লগত জড়িত। তেওঁৰ কাৰণেই মই এজনী কুমাৰীৰ জীৱন বচাব খোজো। কিন্তু যিহেতু মই ৰাজ দৰবাৰত অৰ্পদস্থ হৈছো, সেইবাবে, মোৰ এই ইচ্ছা পূৰ্ণ নহয়।"

"কি? আপুনি বুজা নাই নেকি যে, চিজাৰে পুণৰ আপোনাৰ লগত ভাল হবলৈ চেষ্টা কৰিছে? তেওঁৰ এৰিয়া অভিযানত, আপোনাৰ সহায়ৰ দৰকাৰ হ'ব।"

"লুচানে মোৰ ঠাই লব পাৰিব।"

"এহেনোবাৰ্‌বাচে তেওঁক দেখিবই নোৱাৰে; আচলতে তেওঁক হত্যা কৰিবলৈহে সিদ্ধান্ত লৈছে। নিৰোৱে এতিয়া চেলু বিচাৰিছে। সচৰাচৰ তেওঁ তাকে বিচাৰে। লুচানেও বেচকৈ বুজিছে যে, সময় ওচৰ চাপি আহিছে, লৰালৰি কৰিবৰ হ'ল।"

"হে কেষ্টৰ! কথাটো সঁচা হ'ব পাৰে। আকৌ এবাৰ সম্রাটৰ প্রিয়পাত্র হবলৈ, মই দেখোন অতি সহজ উপায় এটাকে লব পাৰো।"

"কি উপায়?"

"আপুনি এইমাত্ৰ যিখিনি কথা কলে, সকলো এহেনোবাৰ্বাচক কৈ দিলেই হৈ গ'ল।"

"কিন্তু মইনো কি কলো ?" ক্ষিভিনাচে আতঙ্কিত হৈ চিঞৰিলে।

পেট্ৰোনিয়াচে চিনেটৰ সভ্যজনৰ কান্ধত হাত এখন থলে।

"নাই কোৱা। আপুনি মাত্ৰ বুজাইছে যে, চিজাৰ পগলা হৈছে ; আপুনি পিচোক তেওঁৰ উত্তৰাধিকাৰী বুলি অনুমানহে কৰিছে, আৰু আপুনি মাত্ৰ ইয়াকে কৈছে, 'লুচানে বেচকৈ বুজিছে যে, তেওঁৰ লৰালৰি কৰিবৰ হ'ল।' কিন্তু কিহৰ বাবে ?"

তুয়ো চকুৱে চকুৱে চালে। "মই যিখিনি কলো, আপুনি কৈ নিদিয়েগৈ, নহয় জানো ?" ক্ষিভিনাচে সুধিলে।

"চ্যুইপ্ৰিচৰ নিতম্বৰ শপত ! আপুনি মোক এতিয়াও চিনা নাই ? মই আপোনাৰ কথা নকও, কাৰণ মই আপোনাৰ মুখত একো শুনা নাই। মোৰ ইচ্ছাও নাই, শুনাৰ। জীৱনটো ইমান চুটি যে, গণ্ডিৰ পথত কেনেবাকৈ মুখামুখি হোৱা, প্ৰতিটো কথালৈ মন দিয়া, সম্ভৱপৰ নহয়। মই মাত্ৰ ইয়াকে বিচাৰিছো,— আপুনি টাইগেলিনাচক শুভালিকে দেখা কৰক আৰু মোৰ লগত যিমান পৰ কথা পাতিলে, তেওঁৰ লগতো সিমান পৰ কথা পাতকগৈ। আপুনি কি কথা পাতে, তাত মোৰ কোনো আগ্ৰহ নাই।"

"কিন্তু কিয় মই কথা পাতিবলৈ যাব লাগে ?"

"কিয় ? কাৰণটো কওঁ শুনক। যদি যিকোনো মুহূৰ্ত্তত টাইগেলিনাচ্ আহি মোক কয়হি, ক্ষিভিনাচে আপোনাক দেখা কৰি গৈছে', তেতিয়া মইও যাতে কব পাৰো 'হয়, তেওঁ আপোনাকো দেখা কৰিছিল।"

ক্ষিভিনাচে নিজৰ হাতত থকা হাতীদাঁতৰ লাখুটিডাল টুকুৰাকৈ ভাঙি, চিঞৰি কলে, "এই লাখুটিডাল ভাঙি যেন উগ্ৰচণ্ডা দেৱীসকলৰ বোষৰ পৰা মুক্ত হওঁ ! হয়, মই নিশ্চয় টাইগেলিনাচক দেখা কৰিম। নাৰ্ভাৰ তালৈকো যাম। তেওঁ আজি নিশা ভোজ দিছে। আপুনিও যাব নিশ্চয়। অৱশ্যে, আমি দুই এদিনৰ ভিতৰতে ক্ৰীড়াভৱনত দেখাদেখি হ'ম। খৃষ্টিয়ানক লৈ অনুষ্ঠিত হোৱা, শেষৰ দৃশ্য প্ৰদৰ্শন হ'ব এইবাৰ। এতিয়া বিদায় হে।"

"হয়, দুদিনৰ ভিতৰতে হ'ব।" ক্ষিভিনাচ্ যোৱাৰ পাচত, পেট্ৰোনিয়াচে নিজৰ মনতে ক'লে। "আৰু এক মুহূৰ্ত্তও পলম কৰিব নোৱাৰি। এহেনোবাৰ্বাচে

একিয়াত মোৰ সহায় বিচাৰিব ; গতিকে, বন্ধুৰ দেখুৱাবলৈ, সিয়ে হয়তো প্ৰথমে আগবাঢ়িব।"

এইদৰে গুণিগাঁথি, তেওঁ এটা চৰম পন্থা লবলৈ, সিদ্ধান্ত কৰিলে।

নাৰ্ভাৰ ঘৰত হোৱা ভোজত, চিজাৰে নিজেই ঘোষণা কৰিলে যে, খোৱাৰ মেজত, পূৰ্ব্বৰ প্ৰিয়পাত্ৰ পেট্ৰোনিয়াচৰ মুখামুখিকৈ বহিব তেওঁ। আসন গ্ৰহণ কৰাৰ পাচত, চিজাৰে কলে, "মোৰ এনেহে লাগিছে যেন, মই ৰোমত কোনো কালে থকা নাই! গ্ৰীচহে যেন মোৰ প্ৰকৃত জনমভূমি।"

"এনেকৈয়ে নহওঁক, গ্ৰীচতহে আপুনি বেচি গৌৰৱৰ অধিকাৰী হ'ব।" পেট্ৰোনিয়াচে উত্তৰ দিলে।

"সঁচাকৈয়ে, মই তাকে আশা কৰো। এপোলোৱে যেন ঈৰ্ষাৰ ভাব নলয়। যদি মই জয়ৰ মালাৰে উপচি পৰো, তেন্তে তেওঁৰ নামত, এশটা ষাড়-গৰু বলি দিয়াম। এইকথা দেৱতাজনে কেতিয়াও নাপাহৰে।"

এইখিনিতে স্কিভিনাচে হোৰাচৰ কবিতা গাই শুনালে:

"চাইপ্ৰাচৰ শক্তিময়ী দেৱী, হেলেনৰ ভ্ৰাতৃৰূপে পৰিচিত উজ্জ্বল নক্ষত্ৰ দুটি আৰু বায়ুদেৱতাৰ পিতৃ যেন আপোনাৰ সঙ্গী হয়।"

"মোৰ বাবে, নিয়াপোলিচত জাহাজ ৰৈ আছে।" নিৰোৱে জনালে, "মই নিশ্চয় যাম,—হয়, কাইলৈ মানে যামগৈ।"

পেট্ৰোনিয়াচে তেওঁৰ চকুলৈ চাই থাকিল।

"সেয়ে যদি হয় প্ৰভু," তেওঁ সুধিলে, "মই এখন বিয়াৰ ভোজলৈ আপোনাক বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰণ জনাব পাৰোনে?"

"বিয়াৰ ভোজ? কাৰ বিয়া?"

"ভিনিকিয়াচ আৰু লিজিয়াৰ ৰাজকুঁৱৰীৰ বিয়া। সঁচা, এতিয়া কুঁৱৰী বন্দীশালত আছে। কিন্তু যুদ্ধৰ চৰ্ত্তাধীন বন্দী এই ছোৱালীজনীক, আইনমতে বন্দীশালত ৰাখিব নোৱাৰি। তদুপৰি, আপুনি নিজেই এই বিয়াত- সম্মতি প্ৰদান কৰিছিল। আপোনাৰ আদেশ জিউচৰ আদেশৰ দৰে। ইয়াৰ বিৰুদ্ধে কোনো আবেদন নাই। গতিকে, মই জানো যে, আপুনি তাইক মুক্তি দিব। যাৰ লগত তাইৰ বিয়া ঠিক হৈ আছে, তেওঁৰ হাতত, মই তাইক গটাই দিব পাৰিম।"

নিৰ্লিপ্ত মনোভাৱেৰে, অথচ দৃঢ়ভাৱে ঘোষণা কৰা, পেট্ৰোনিয়াচৰ কথাই, নিৰোক হতভম্ব কৰি তুলিলে। আচল কথা হ'ল,—পোনপটীয়াকৈ সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ তেওঁ সদায়ে টান পায়।

"হয়, মই জানো।" অৱশেষত দোধোৰমোধোৰত পৰাৰ দৰে চাই, চাই তেওঁ কলে, "মই তাইৰ কথা আৰু জোটোক মূচৰি মৰা, দৈত্যটোৰ কথাকে ভাবি আছিলো।"

"তেন্তে দুয়োকো ক্ষমাদান কৰিছে।" পেট্ৰোনিয়াচে ধীৰভাৱে কলে।

এইখিনিতে প্ৰভুৰ সহায়ৰ বাবে, টাইগেলিনাচ আগবাঢ়ি আহিল।

"চিজাৰৰ ইচ্ছাতে, ছোৱালীজনী বন্দীশালত আছে।" তেওঁ কলে, "পেট্ৰো-নিয়াচ! আপুনি নিজে এইমাত্ৰ ক'লে যে চিজাৰৰ আদেশৰ বিৰুদ্ধে আবেদন নাই।"

উপস্থিত আটাইয়ে লিজিয়া আৰু ভিনিকিয়াচৰ কাহিনী জানে; কিন্তু কোনেও একো নামাতিলে। বাদানুবাদৰ পৰিণতি কি হয়গৈ, তাকৈহে সকলোৱে কৌতুহলেৰে বাট চাই থাকিল।

"আন্তঃৰাষ্ট্ৰীয় আইনৰ বিষয়ত আপুনি সম্পূৰ্ণ অজ্ঞ; সেইবাবে তাইক বন্দী-শালত ৰাখিছে", পেট্ৰোনিয়াচে স্পষ্টভাৱে জনালে।

"চিজাৰৰ ইচ্ছাৰ বিৰুদ্ধে, এই কাম হৈছে। টাইগেলিনাচ্! আপুনি মূৰ্খ হলেও, এই কথা কব নোৱাৰে যে, তাই ৰোমত জুই দিছিল। ইমান মূৰ্খ নহয় কোনো। আপুনি কলেও, চিজাৰে বিশ্বাস নকৰে।"

ইতিমধ্যে নিৰোৰ মনত, উপস্থিত বুদ্ধিৰ উদয় হল, আৰু অসৎ ভাব লৈ দূৰৰ বস্তু নেদেখা চকু দুটা পিৰিকিয়াবলৈ ধৰিলে।

"পেট্ৰোনিয়াচৰ কথা ঠিক।" তেওঁ জনালে। টাইগেলিনাচে হতভম্বৰ দৰে নিৰোৰ মুখলৈ চালে।

"হয়, পেট্ৰোনিয়াচৰ কথাই ঠিক," নিৰোৱে পুণৰ কলে, "কাইলৈ দুয়োৰো বাবে, বন্দীশালৰ দুৱাৰ মুকলি হ'ব, আৰু তাৰ পিচদিনা, আমি পুণৰ ক্ৰীড়া-ভৱনত গোট খাই, বিয়াৰ ভোজৰ আলোচনা কৰিম।"

"আকৌ এবাৰ হাৰি গলো মই!" পেট্ৰোনিয়াচে মনতে কলে।

লিজিয়াৰ শেষ সময় আহিল বুলি তেওঁ ইমান বেচি নিশ্চিত হ'ল যে, পিচদিনা পুৰা বিশ্বাসী মুক্ত দাস এটাক তেওঁ শ বথা মৰৰ অধীক্ষকৰ ওচৰলৈ

পঠালে আৰু লিজিয়াৰ মৃতদেহ কিনি লোৱাৰ বন্দোবস্ত কৰিবলৈ তাক আদেশ দিলে, যাতে মৃত্যুৰ পাচত, তাইৰ শৰীৰটো ভিনিকিয়াচে বিচাৰিলে তেওঁলোকে পঠিয়াব পাৰি।

।। ২৪ ।।

নিৰোৰ দিনতে, ৰোমানবিলাকৰ মনত সৰ্ব্বপ্ৰথমে, খেলমাটিত আৰু ক্ৰীড়াভৱনত, সন্ধ্যা সময়ত, খেল উপভোগ কৰাৰ স্পৃহা জাগি উঠিছিল। বিশেষকৈ অগষ্টানসকলে এনে স্পৃহা বঢ়াই তুলিবলৈ চেষ্টা কৰিছিল। কাৰণ, এনেবোৰ অনুষ্ঠানৰ পাচত, সাধাৰণতে, ভোজৰ উপৰিও বহু নিশালৈকে উপভোগ কৰিব পৰা আন আন আমুৰিক উৎসৱৰো আয়োজন হয়। ৰক্তপাতৰ দৃশ্যই মানুহবোৰক আমনি লগাই দিছিল যদিও, শেষৰ খেল প্ৰদৰ্শন হ'ব আৰু লিজিয়াৰ এটা দৃশ্যত বধ পৰ্ব্বৰ অনুষ্ঠানত, শেষৰ খৃষ্টিয়ানইতে ভাগ লব বুলি শুনিবলৈ পাই, দৃশ্য উপভোগ কৰিবলৈ, জনতাৰ সোঁত ববলৈ ধৰিলে, ক্ৰীড়াভৱন অভিমুখে। বিশেষকৈ, অগষ্টানৰ প্ৰতিজন মানুহ আহিল; কাৰণ তেওঁলোকে জানে যে, ভিনিকিয়াচৰ মানসিক যন্ত্ৰণা উপভোগৰ কল্পনাই, চিজাৰক উদ্বুদ্ধ কৰিছে। ডেকা বিচাৰপতিজনৰ বাগদত্তাৰ বাবে, কেনে ধৰণৰ শাস্তিৰ ব্যৱস্থা হৈছে, এই বিষয়ে টাইগেলিনাচে কাকো একো জনোৱা নাছিল। অধিনায়কৰ এনে নীৰৱতাই, মানুহৰ কৌতুহল বঢ়াই তুলিছিল। যিবিলাকে আগতে প্লটিয়াচৰ ঘৰত লিজিয়াক দেখিছিল, সিহঁতে তাইৰ ৰূপৰ কাহিনী গাই, সকলোকে চমক লগাই দিলে। কিছুমানৰ একমাত্ৰ কাম হ'ল,—তাই সঁচাকৈয়ে মঞ্চত ওলাব নে নোলায়, সেই কথা লৈ বাজি ধৰা। এওঁলোকৰ সন্দেহৰ কাৰণ হ'ল এইয়ে যে, নাৰ্ভাৰ ঘৰত হোৱা ভোজমেলত, নিৰোৱে পেট্ৰোনিয়াচক যিটো উত্তৰ দিছিল, তাৰ অৰ্থ মুখে, মুখে বেলেগ হৈ পৰিছিল। কিছুমানে আনকি এইদৰেও কৈছিল যে, নিৰোৱে তাইক মুক্তি দিব; নহয়, তাইক মুক্তি দিয়েই থৈছে,—প্ৰেমাস্পদৰ হাতত অৰ্পণ কৰিবৰ বাবে। এনে অনুমানৰ কাৰণ হ'ল, তাই মুদ্ধৰ চৰ্ত্তাধীন বন্দী; আন্তঃৰাষ্ট্ৰীয় আইনমতে, তাই যি দেৱতাৰে অৰ্চ্চনা কৰিব খোজে, কৰিব পাৰে। তাৰ বাবে, তাইক কেতিয়াও শাস্তি বিহিব নোৱাৰে। দৰ্শকসকলৰ মনত এতিয়া অনিশ্চয়তা, কৌতুহল আৰু আশাৰ উদ্ৰেক হ'ল। চিজাৰে

সচৰাচৰ যি সময়ত দেখা দিয়েহি, তাতকৈ পলমকৈ আহিল। তেওঁৰ লগত টাইগেলিনাচ্ আৰু ভেটিনিয়াচৰ উপৰিও, কেচিয়াচ্ নামৰ বিৰাট আকৃতিৰ অসাধাৰণ শক্তিমন্ত সেনাধ্যক্ষ এজনো আছিল। তদুপৰি, আগতকৈ সৰহ সংখ্যক নিৰাপত্তাৰক্ষী সেনাও উপস্থিত থাকিল। সেনাধ্যক্ষৰ ঠাইত, চুব্রিয়াচ্ ফ্লেভাচ্ নামৰ সেনাবিভাগৰ বিচাৰপতি এজনক, সেনাপৰিচালক নিযুক্ত কৰা হ'ল। এই মানুহজনৰ, সম্রাটৰ প্ৰতি থকা অন্ধ আনুগত্যৰ কথা সৰ্ব্বজন বিদিত। ছল-সুলৰ সুবিধা লৈ, ভিনিকিয়াচে ৰজাৰ বিৰুদ্ধে মৰোঁ-জীউ-সোঁ-আধিকৈ কিবা অপচেষ্টা চলালে, ৰক্ষা পাবৰ বাবে, এনে ব্যৱস্থা লোৱা হৈছে বুলি, স্পষ্টভাৱে বুজা গল। ৰাইজৰ উত্তপ্ত কৌতূহলে চৰম সীমা পালেগৈ। প্ৰতিটো চকুৰ অনুসন্ধিৎসু দৃষ্টি, বাৰে বাৰে একে ফাললৈ,—দুৰ্ভগীয়া বিচাৰপতিজন বহা ঠাইলৈ, আকৰ্ষিত হ'ল। তেওঁৰ মুখ মৃতকৰ দৰে পাণ্ডুৰ হৈ উঠিছে,—কপালত ডাঙৰ, ডাঙৰ, ঘামৰ টোপালে দেখা দিছে।

পেট্ৰোনিয়াচে এতিয়ালৈকে সঠিক নাজানে, কি ঘটিব! ভাগিনিয়েকক তেওঁ মাত্ৰ ইয়াকে সুধিলে,—সন্মুখৰ কঠিন পৰীক্ষাৰ বাবে, প্ৰস্তুত আছেনে নাই আৰু দৃশ্য চাবৰ বাবে, তাত উপস্থিত থাকিবনে নাথাকে। উত্তৰত ভিনিকিয়াচে তাত থকাৰ ইচ্ছা প্ৰকাশ কৰিলে যদিও, তেওঁৰ মূৰৰ পৰা ভৰিলৈকে কঁপি উঠিল। তেওঁ অনুমান কৰিলে, পেট্ৰোনিয়াচৰ এইদৰে সোধাৰ কিবা কাৰণ আছে। বহুদিন ধৰি, যুৱকজনে অৰ্দ্ধমৃত অৱস্থাত কাল নিয়াইছে। মৃত্যুৰ দুৱাৰেদি তেওঁ প্ৰৱেশ কৰিবলৈ ধৰিছেই, আৰু লিজিয়াৰো একে অৱস্থা বুলি, তেওঁ মানি লৈছে। কাৰণ, মৃত্যুৱে মুক্তি দি, দুয়োৰো পুণ-র্মিলন ঘটাব। একমাত্ৰ এই ভাৱটোৱে মাৰাত্মক মুহূৰ্ত্ত এটাক শান্তভাৱে গ্ৰহণ কৰিবলৈ, তেওঁক সামৰ্থ দিছে। কিন্তু এতিয়া আঘাত আহি পৰিছেহি, এতিয়া তেওঁৰ চকুৰ আগত এনে এজনক বলি দিয়া হ'ব, যি তেওঁৰ প্ৰাণ-তকৈও প্ৰিয়! যি হতাশাক তেওঁ জয় কৰিছিল, সেই হতাশাই পুণৰ তেওঁক ক্ষতবিক্ষত কৰিলে; পুণৰ তেওঁৰ প্ৰাণত জাগি উঠিল,—লিজিয়াক যি কোনো উপায়েৰে উদ্ধাৰ কৰাৰ বাসনা। দোকমোকালিৰেপৰা তেওঁ ক্ৰীড়াঙ্গনৰ ভিত-ৰত থকা পোতাশালত সোমাবলৈ চেষ্টা কৰিছে, তাই সঁচাকৈয়ে তাত আছেনে নাই জানিবৰ বাবে। প্ৰতিখন দুৱাৰমুখতে, নিৰাপত্তাৰক্ষী প্ৰহৰী নিযুক্ত কৰা হৈছিল। সিহঁতৰ ওপৰত ইমান কঠোৰ আদেশ দিয়া আছিল যে,

আৰুকি যিবিলাকে তেওঁক চিনি পায়, সেইবিলাকেও তেওঁৰ প্ৰাৰ্থনালৈ, অথবা তেওঁৰ ধনসোণলৈ, মন দিবলৈ সাহ নকৰিলে। তেওঁৰ মনলৈ এতিয়া ভাব আহিল, প্ৰকৃত ঘটনাৰ সন্মুখীন হোৱাৰ পূৰ্ব্বে, যি অনিশ্চয়তাৰ অশান্তি ভোগ কৰিছে, সেয়ে তেওঁক শেষ কৰি পেলাব। তথাপিও, তেওঁৰ মনৰ তলিত গোপনে ৰ'ল,—শেষ আশাৰ ৰেঙণি,—কি জানি লিজিয়া বন্দীহঁতৰ ভিতৰত নায়েই! হয়তো তেওঁৰ আতঙ্কবোৰ মিছা? মাজে, সময়ে, এনে আশাৰ ভাবকে তেওঁ হৃদয়ত আকোৱালি ললে। কিন্তু পোতাশালৰ দুৱাৰমুখৰ পৰা খেদা খাই আহি, পুণৰ ক্ৰীড়াভৱনত নিজৰ আসনত বহোঁতে, সকলো দিশৰ পৰা অহা কৌতুহলপূৰ্ণ দৃষ্টিবোৰে, তেওঁক জনাই দিলে, অতি ভয়ঙ্কৰ কিবা এটা ঘটিব। তেতিয়া, অন্তৰৰ সমস্ত ব্যাকুলতা আৰু কাতৰতাৰে, খৃষ্টক কাকুতি, মিনতি জনোৱাৰ বাহিৰে, তেওঁৰ আৰু একোকে কৰিবলৈ নাথাকিল।

"হে প্ৰভু! তুমি—একমাত্ৰ তুমিয়ে তাইক ৰক্ষা কৰিব পাৰিবা।" কঁপি থকা হাতহুখন মোহাৰি, মোহাৰি, তেওঁ বাৰে বাৰে কবলৈ ধৰিলে, "তোমাৰ,—একমাত্ৰ তোমাৰেই এই শক্তি আছে!" তেওঁ আগতে কোনোদিন ভবা নাছিল, এই মুহূৰ্ত্তটো কিমান ভয়াবহ হ'ব পাৰে। তেওঁ অনুভৱ কৰিলে, লিজিয়াৰ যন্ত্ৰণা চাই থাকিবলৈ যদি তেওঁ বাধ্য হয়, তেওঁৰ খৃষ্ট প্ৰেম গৈ ঘৃণাত পৰিণত হ'ব, আৰু তেওঁৰ ধৰ্ম্মবিশ্বাসৰ ঠাই লব হতাশাই। যি খৃষ্টৰ চৰণত, তেওঁ আতুৰ হৈ প্ৰাৰ্থনা জনাইছে, সেই খৃষ্টৰ ওচৰত অপৰাধী হবলৈ, তেওঁৰ ভয় লাগিল। এই ভাবি, লিজিয়াক ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা নজনাই, মঞ্চলৈ টানি অনাৰ আগতে তাইক মাৰি নিবলৈ, প্ৰাৰ্থনা জনালে তেওঁ। তেওঁৰ কষ্টক্লিষ্ট প্ৰাণৰ অতল তলিৰ পৰা, ঊৰ্দ্ধলোক অভিমুখে বহুবাৰ ক্ৰন্দন ধ্বনি উঠিল: "ইয়াকো দিবলৈ অস্বীকাৰ নকৰিবা। মই বেচি একো বিচৰা নাই। হে খৃষ্ট! মোক ইয়াকে দিয়া, আৰু মই তোমাক এতিয়াতকৈ সহস্ৰগুণে ভাল পাম।" মুঠৰ ওপৰত, তেওঁৰ ভাববোৰ, খেলিমেলি হৈ গ'ল। প্ৰতিহিংসা আৰু ৰক্ত-স্পৃহা তেওঁৰ মনৰপৰা সম্পূৰ্ণ আঁতৰি গ'ল। আগতে কেতিয়াবা তেওঁৰ মনলৈ এনে এটা ভাব আহিছিল, যেন তেওঁ লৰ মাৰি গৈ, বহি থকা আসনতে, চিজাৰক আক্ৰমণ কৰি, ডিঙি মূচৰি থৈ আহে। কিন্তু পিচ মুহূৰ্ত্ততে তেওঁৰ মনলৈ আহিছিল, এনে বাসনা খৃষ্টৰ ইচ্ছা আৰু আদেশৰ বিৰোধী। মাজে, মাজে, তেওঁৰ মনটো আশাৰ কিৰণেৰে উদ্ভাসিত হবলৈ ধৰিলে। যিবিলাক

চিন্তাই তেওঁৰ প্ৰাণ ইমান আতঙ্কিত কৰি তুলিছে, সেইবোৰ এজন সৰ্ব্ব-শক্তিমানৰ দয়ালু হাতে আঁতৰাই পঠিয়াব বুলি তেওঁৰ মনলৈ বিশ্বাস আহিল। কিন্তু পিছ মুহূৰ্ত্তে, অসীম শূণ্যতাৰ বুকত, আশাৰ ভাববোৰ লীন হৈ গ'ল! যিজনে হেলাৰঙে গোটেইবোৰকে পৰাস্ত কৰি, লিজিয়াক ৰক্ষা কৰিব পাৰে,—যাক তাই পবিত্ৰ আত্মাৰ সকলো শক্তিৰে ভক্তি কৰে, তেৱেঁই তাইক পৰি-ত্যাগ কৰিছে। বাৰে বাৰে, তেওঁৰ মনলৈ আহিবলৈ ধৰিলে,—তাই তাত,—সেই অন্ধকাৰ পোতাশালত বন্দীপাল হঁতৰ পাশৱিকতাৰ অসহায় বলি হৈ আছে! কিমান দুঃখী আৰু দুৰ্ব্বল তাই! ঘৃণনীয় এই মঞ্চৰ ওপৰত, শেষ নিশ্বাস পেলাবলৈ ৰৈ আছে, তেওঁৰ লিজিয়া। তাইৰ বাবে কেনে শাস্তি আবিস্কাৰ কৰা হৈছে, তাকো আনকি তাই নাজানে।

অত্যাচ্চ পৰ্ব্বতৰ দাঁতিলৈ বাগৰি গৈ থকা মানুহ এজনে, প্ৰাণৰ ভয়ত, বিহকে আগত পায় তাতে খামোচ মাৰি ধৰাৰ দৰে, ভিনিকিয়াচেও, সৰ্ব্বশক্তি মানৰ ওপৰত বিশ্বাস ৰাখিলে, তাই উদ্ধাৰ পাব বুলি মনতে ভাবি সেই বিশ্বাসতে খামোচ মাৰি ধৰি থাকিল। এই বিশ্বাসৰ বাহিৰে, তেওঁৰ মনত এতিয়া আৰু একো নাই। পিটাৰে কৈছিল, বিশ্বাসে পৃথিবী কঁপাই তুলিব পাৰে।

এই আশাত নিমগ্ন হৈ, তেওঁ মনৰপৰা সকলো সন্দেহ আঁতৰাই পেলালে। সৰ্ব্বান্তঃকৰণে তেওঁ উচ্চাৰণ কৰিলে: "মোৰ বিশ্বাস আছে।" নিশ্চয় তেওঁ অলৌকিক কিবা এটা ঘটা দেখিবলৈ পাব,—এয়ে তেওঁৰ আশা।

জোৰেৰে টানিলে, টান ৰচী এডালো ছিগি যোৱাৰ দৰে, অন্তৰ্দ্দন্দৰ প্ৰাব-ল্যত, ভিনিকিয়াচৰ মন ভাগি ছিগি গল। তেওঁৰ মুখ, মৃতকৰ দৰে শেতা পৰিলে। হাতভৰি চেচা পৰি, জঠৰ হৈ আছিল। তেওঁ অসহায় হৈ, যি প্ৰাৰ্থনা জনাইছিল, সেই প্ৰাৰ্থনা ভগৱানে পূৰ্ণ কৰিব বুলি ভাবি, নিজৰ মৃত্যুৰ বাবেও প্ৰস্তুত হ'ল। তেওঁৰ ধাৰণা হ'ল লিজিয়াই ইতিমধ্যে নিশ্চয় প্ৰাণ হেৰু-ৱাইছে আৰু খৃষ্টই তুয়োকো একেলগে আকোৱালি ল'ব। হঠাৎ ক্ৰীড়াভৱনত থকা অগণন শুভ্ৰ টোগাৰ চিকমিকনি, শত সহস্ৰ চাকি আৰু জোৰবাতিৰ পোহৰ, তেওঁৰ চকুৰ আগৰপৰা অদৃশ্য হ'ল।

কিন্তু তেওঁৰ মূৰ্চ্ছাৰ ভাব অল্পপৰহে থাকিল। মানুহবোৰৰ উন্মত্ত চিৎ-কাৰে ততালিকে তেওঁৰ চেতনা ঘূৰাই আনিলে।

"তুমি অসুস্থ হৈ পৰিছা," পেট্ৰোনিয়াচে তেওঁক কাণে কাণে কলে, "ব'লা তোমাক ঘৰলৈ লৈ যাওঁ।" চিজাৰে কি কৈছে, তালৈ আওকাণ কৰি, যুৱক বিচাৰপতিক দুৱাৰমুখলৈ, ধৰি ধৰি লৈ যাবলৈ, তেওঁ থিয় দিলে। তেওঁৰ প্ৰাণত, সমবেদনাৰ ঢৌ উঠিল; কিন্তু যেতিয়া দেখিলে যে, নিৰোৱে চকুত মৰকতৰ বিভচকু লগাই, ধীৰভাৱে ভিনিকিয়াচৰ যন্ত্ৰণা চাই আছে, তেতিয়া তেওঁ খঙত উত্তলিবলৈ ধৰিলে। ভিনিকিয়াচৰ মুখত ঘৰিয়ালৰ চকুপানী টুকি, পাচত নিৰোৱে কেইশাৰীমান কবিতা লেখি বাইজৰ প্ৰশংসা লাভ কৰিবলৈ চেষ্টা কৰিব! এই বিষয়ে কোনো সন্দেহ নাই।

ভিন্নিকিয়াচে মূৰ জোকাৰি অসন্মতি প্ৰকাশ কৰিলে। তেওঁ এই ক্ৰীড়া-ভৱনতে প্ৰাণত্যাগ কৰিব, কিন্তু কেতিয়াও গুচি নাযায় ইয়াৰ পৰা।

ঠিক সেই মূহূৰ্ত্তে, অধিনায়কে বালিৰ ওপৰলৈ এখন ৰঙা কাপোৰ দলি মাৰি পঠালে; লগে লগে সম্ৰাট বহা ঠাইৰ বিপৰীত ফালে, দুৱাৰ খোলাৰ শব্দ উঠিল আৰু ভিতৰৰ অন্ধকূপৰ পৰা, পোহৰত জলমলাই থকা মঞ্চলৈ, উৰ-চাচ্ নামৰ লিজিয়ানটো ওলাই আহিল। প্ৰথমতে, চকুত ছাটমাৰি ধৰাৰ দৰে, সি চকু টিপিয়াবলৈ ধৰিলে। তাৰ পাচত, মঞ্চৰ সোঁমাজলৈ আগবাঢ়ি আহি, চাৰিওফালে চকু ফুৰাই বুজিবলৈ চেষ্টা কৰিলে, কিহৰ সন্মুখীন হ'ব লাগিব। অগষ্টানসকলে আৰু বেচিভাগ বাইজেই জানে যে, এই মানুহটোৱে ক্ৰোটোক মুচৰি মাৰিছিল; এশাৰীৰ পৰা আনশাৰীলৈ মানুহৰ গুণগুণনি উঠিল। অসা-ধাৰণ দেহশ্ৰীযুক্ত মল্লবীৰৰ অভাৱ নাই ৰোমত। কিন্তু ৰোমৰ নাগৰিকে এনে-কুৱা এটা দৈত্য কোনোকালে দেখা নাই। চিনেটৰ সভ্য, ভেষ্টাৰ কুমাৰীবৃন্দ, চিজাৰ, অগষ্টান আৰু সৰ্ব্বসাধাৰণ বাইজে, বিচক্ষণ বিচাৰকৰ মুগ্ধ দৃষ্টিৰে একে-থিৰে চাবলৈ ধৰিলে,—মানুহটোৰ বিশাল উৰুদ্বয়লৈ, হাৰ্কিউলিজৰ দৰে তাৰ বাহু দুটালৈ, আৰু লগালগিকৈ জঁকা এযোৰ চালৰ নিচিনা তাৰ বক্ষস্থলৈ।

মঞ্চৰ কেন্দ্ৰস্থলত, সি সম্পূৰ্ণ নিশ্চল হৈ ৰ'ল। তাৰ উলঙ্গ দেহ যেন, গ্ৰেণাইটৰ প্ৰকাণ্ড এটা মূৰ্ত্তি। তাৰ বৰ্ব্বৰ মুখমণ্ডলত, দুখৰ আৰু সতৰ্কতাৰ মিহলি ভাব। অৱশেষত, মঞ্চ এতিয়াও শুদা হৈ থকা দেখি, সি তাৰ নীলা, শিশুসুলভ চকুযোৰ ঘূৰাই এবাৰ দৰ্শকলৈ, এবাৰ চিজাৰলৈ আৰু এবাৰ কোনোবা ঘাতক ওলাই আহিব বুলি ভাবি, পোতাশালৰ পৰা ওলাই আহিব পৰা, লোৰৰ জপনাখনলৈ উলটি চালে।

মন্তলৈ ওলাই অহা মুহূৰ্ত্তত, ক্ৰচত মৰিবলৈ পাব বুলি, আশা কৰি, তাৰ হৃদয় মুহূৰ্ত্তৰ বাবে ৰোমাঞ্চিত হৈ উঠিছিল। কিন্তু যেতিয়া দেখিলে যে, ক্ৰচ বা খান্দি থোৱা গাঁত, কোনোটোৱে নাই, তেতিয়া সি বুজিলে যে, এনে অনুগ্ৰহ পোৱাৰ অনুপযুক্ত বুলি তাক ধাৰ্য্য কৰা হৈছে; সি আন বেলেগ ধৰণে, খুব সম্ভৱ বন্য জন্তুৰ চোকা দাঁতৰ আগত প্ৰাণ দিব লাগিব। তাৰ হাতত অস্ত্ৰ নাই। সি ধৈৰ্য্যেৰে মৃত্যু বৰণ কৰিবলৈ সংকল্প কৰিলে; পৰম প্ৰভুৰ সেয়ে ইচ্ছা বুলি সি জানিলে। ত্ৰাণকৰ্ত্তাক আকৌ এবাৰ প্ৰাৰ্থনা কৰাৰ মানসেৰে, সি আঠুকাঢ়ি হাতযোৰ কৰি, ক্ৰীড়াভৱনৰ চন্দ্ৰতাপৰ ফাঁকেদি জিলিকি থকা নক্ষত্ৰবোৰলৈ চাই থাকিল।

এই ভঙ্গীয়ে ৰাইজক অসন্তুষ্ট কৰি তুলিলে। ভেড়াৰ দৰে মৰি থকা মানুহ দেখি, দেখি সিহঁতৰ বিৰক্তি উপজিছিল। দৈত্যটোৱে যদি আত্মৰক্ষা কৰিব নোখোজে, তেনেহলে সকলো মিছা হ'ব। অ'ত ত'ত, দুই এটা, মুহৰি বাজি উঠিল; কিছুমানে চিঞৰিলে, মেচ্‌টিগোফোৰিৰ হতুৱাই মানুহটোক খোচাবিন্ধা কৰাৰ লাগে। কিন্তু, লাহে লাহে, সকলো নিস্তব্ধ হ'ল। কাৰণ দৈত্যটোৰ মুখামুখি হবলৈ কোনে সাহ কৰিব পাৰে? শেষত সি যুঁজিবলৈ অস্বীকাৰ কৰিবনে নকৰে, কোনে জানে?

ৰাইজে সৰহপৰ অপেক্ষা কৰিব নালাগিল। হঠাৎ লোহৰ জপনাৰ কাণ তাল মৰা শব্দ উঠিল; সম্ৰাট বহা ঠাইৰ বিপৰীত ফালৰ জপনাইদি বিজুলী বেগেৰে লৰি আহিল,—জাৰ্মানিৰ পৰা অনা, এটা দৈত্যাকাৰ বনৰীয়া ষাড়! বন্যজন্তুৰ ৰখীয়াহঁতে সমস্বৰে চিৎকাৰ কৰিলে। জন্তুটোৰ মূৰত বন্ধা আছে, এটি নগ্ন নাৰী দেহ।

"লিজিয়া! লিজিয়া!" দুই হাতেৰে নিজৰ চুলি আজুৰি ছিঙি, ভিনিকিয়াচে আৰ্ত্তনাদ কৰি উঠিল। পেটৰ মাজেদি তীক্ষ্ণ শূল এডাল সোমাই যোৱাৰ দৰে তেওঁ যন্ত্ৰণাত চাটি ফুটি কৰিবলৈ ধৰিলে। অমানৱীয় স্বৰেৰে, তেওঁ বাৰে বাৰে ৰুদ্ধশ্বাসে ভগ্নকণ্ঠে উচ্চাৰণ কৰিলে, "মোৰ বিশ্বাস আছে! বিশ্বাস আছে মোৰ। হে খৃষ্ট! অলৌকিক কিবা এটা ঘটোৱা!"

এইদৰে কৈ থাকোঁতে, পেট্ৰোনিয়াচে তেওঁৰ মূৰলৈ টোগা এখন দলি মাৰি পঠিয়ালে; কিন্তু তেওঁ একোকে গম ধৰিব নোৱাৰিলে। তেওঁ মাত্ৰ অনুভৱ কৰিলে, মৃত্যু অথবা যন্ত্ৰণাই তেওঁৰ চকুলৈ আন্ধাৰ নমাই আনিছে। সেইবাবে,

তেওঁ একো দেখা নাই,—চকু মেলি থাকিও দেখা নাই! তেওঁৰ মনত এটা মাত্ৰ অনুভূতি বৈ গল,—ভয়াবহ অন্ধকাৰে তেওঁক আৱৰি ধৰিছে! তেওঁৰ মনৰপৰা সকলো ধাৰণা অন্তৰ্হিত হ'ল। মাত্ৰ ভ্ৰম বকাৰ দৰে ওঁঠ দুটাৰে বাৰে বাৰে, উচ্চাৰণ কৰি থাকিল,—"মোৰ বিশ্বাস আছে! বিশ্বাস আছে! বিশ্বাস আছে!"

তৎক্ষণাৎ গোটেই ক্ৰীড়াঙ্গন স্তব্ধ হৈ গল। মাত্ৰ অগষ্টানসকল আসনৰ পৰা একেলগে থিয় হ'ল। মঞ্চৰ ওপৰত, না-ভূত, না-শ্ৰুত কাণ্ড ঘটিছে। বনৰীয়া ষঁাড়ৰ শিঙৰ ওপৰত, তাৰ ৰাজকুঁৱৰীক বান্ধি অনা দেখি, অলপ আগলৈকে নিৰীহভাৱে মৃত্যুলৈ অপেক্ষা কৰি থকা লিজিয়ানটোৱে, গাত জুই লাগিব খোজা মানুহৰদৰে, আগলৈ জাপমাৰি, কুঁজা হৈ, ছল চাই চাই পগলা জন্তুটোৰ ফালে বগুৱা বাই, আহি আছে।

তাৰ পাচত, প্ৰতিটো কণ্ঠৰ পৰা, অলপপৰৰ বাবে, আশ্চৰ্য্য সূচক কম্পিত ধ্বনি উঠিল; লগে, লগে সকলো স্তম্ভিত হৈ পৰিল। কাৰণ, এইবাৰ লিজিয়ানটোৱে একেজাপে জন্তুটোৰ কাষলৈ আহি তাৰ শিঙত খামুচি ধৰিছে।

"চোৱা!" ভিনিকিয়াচৰ মুখৰ পৰা, টোগাখন আজোৰ মাৰি নি, পেট্ৰোনিয়াচে ক'লে। মৰা মানুহৰ দৰে শেতা মুখখন তুলি, ভিনিকিয়াচে থিয় হৈ, বলিয়াৰ দৰে বিস্ফাৰিত দৃষ্টিৰে মঞ্চলৈ চাবলৈ ধৰিলে। সকলোৰে যেন উশাহ-নিশাহ বন্ধ হৈ গ'ল। মঞ্চৰ ওপৰেদি এতিয়া পতঙ্গ এটা উৰি যোৱা হলেও, তাৰ পাখিৰ শব্দ শুনা গলহেঁতেন। ৰোমৰ ইতিহাসত এতিয়ালৈকে এনে এটা দৃশ্যৰ অৱতাৰণা হোৱা নাই।

মানুহটোৱে জন্তুটোৰ শিঙত ধৰি লৈছে। খোপনি পোতা ভৰি দুটা, সক গঁাথিলৈকে বালিত সোমাই গৈছে, পিঠিখন ধেনুভিৰীয়া হৈ পৰিছে, দুই কান্ধৰ মাজত সোমাই তাৰ মূৰটো নেদেখা হৈ গৈছে; বাহুৰ মাংসপেশী স্ফীত হৈ, ছাল ফাটো, ফাটো অৱস্থা হৈছে। কিন্তু, বনৰীয়া ষাড়টোৰ গতি ৰোধ কৰাত, সি সম্পূৰ্ণ কৃতকাৰ্য্য হৈছে। এতিয়া জন্তুটোৰ লগত সি ইমান অলৰ অচৰ হৈ লাগি আছে যে, দৃশ্যটোৱে দৰ্শকসকলৰ চকুৰ আগত থিচিয়ুচ কিম্বা হাৰ্কিউলিজৰ অমিত বিক্ৰমৰ স্থিৰ ছবি এখন দাঙি ধৰিলে। এই অলৰ অচৰ অৱস্থাটো দুটা ভয়ঙ্কৰ শক্তিৰ টনা আজোৰাৰ ফলত সৃষ্টি হৈছে। ষাড়টোৱেও বালিত খোপনি পুতি লৈছে,—তাৰ ক'লা ওখোৰা-মোখোৰা গাটো কোচখাই, প্ৰকাণ্ড বল এটাৰ দৰে হৈছে। এই দুই প্ৰতিদ্বন্দ্বীৰ ভিতৰত,

কোন আগতে ভাগৰি পৰিব, কাৰ আগতে পতন ঘটিব, এইটোৱেই এতিয়া, যুঁজ চাই উত্তাবল হোৱা মাইজৰ বাবে, নিজৰ ধন-সম্পত্তি, বোমৰ ভাগ্য আৰু ৰোমান সাম্ৰাজ্যৰ জগত জোৱা ক্ষমতাতকৈও অধিক গুৰুত্বপূৰ্ণ কথা! হঠাতে এই লিজিয়ানটো দেৱতাৰ শাৰীলৈ উঠিল। স্বয়ং টিজাৰেও থিয় হৈ দৃশ্যটো চাবলৈ ধৰিলে। এই মানুহটোৰ শক্তিৰ কথা জানিয়েই অধিনায়ক টাইগেলিনাচে এনে খেলৰ ব্যৱস্থা কৰিছিল। তেওঁ ইতিকিং কৰি কৈছিল, "ক্ৰোটোক জয় কৰা মানুহটোৱে, আমি লগাই দিয়া বনৰীয়া বাড়টোক ওফৰাই দিয়কচোন চাওঁ।"

এতিয়া প্ৰতিটো মানুহে স্তব্ধ হৈ, দৃশ্যটো চাই থাকিল, আৰু এনে এটা ঘটনাও সত্য হ'ব পাৰে বুলি যেন, বিশ্বাসকে কৰিব নুখুজিলে। কিছুমানে ওপৰলৈ হাত দাঙি, একেটা ভঙ্গীতে স্থিৰ হৈ, থিয় দি ৰ'ল; কিছুমানৰ কপাল ঘামত তিতি গ'ল,—যেন সিহঁতে নিজেহে বাড়টোৰ লগত যুঁজ কৰিছে। বিশাল ৰঙ্গভূমিত, মাত্ৰ জ্বলি থকা দীপ শিখাৰ মৃদু কম্পন, আৰু জোৰবাতিত লগোৱা হাঁকোটাবোৰৰ ফট্‌ ফট্‌ শব্দ শুনা গৈছে। কাৰো মুখত এটা শব্দও নাই; বুকুৰ ধপধপনিয়ে বুকুভাঙি পেলোৱাৰ অৱস্থা কৰিছে। প্ৰতিজন দৰ্শকে ভাবিছে, যুদ্ধখন যেন শ, শ বছৰ ধৰি চলি থাকিব!

বহুসময় ধৰি, মানুহটো আৰু জন্তুটো, ভয়ঙ্কৰ চেষ্টাৰ মুখত নিশ্চল হৈ ৰৈ আছে, শিকলিৰে মাটিত বান্ধ খাই থকাৰ দৰে।

হঠাৎ গভীৰ কেঁকনি আৰু হেঁহেলনিৰ শব্দ আহিল, মন্দৰ পৰা। প্ৰতিটো কণ্ঠৰ পৰা চিৎকাৰ উঠিল! তাৰ পাচত সকলোৰে মুখৰ মাত হৰিল। মানুহবোৰে ভাবিলে, সিহঁতে সপোন দেখিছে! বৰ্ব্বৰ মানুহটোৰ লোহ বাহুৰ কবলত, বনৰীয়া বাড়টোৰ দৈত্যাকাৰ মূৰটো লাহে লাহে হুইকি গৈছে।

লিজিয়ানটোৰ মুখ, ডিঙি আৰু বাহু দুটা, ৰঙা পৰি উঠিছে। তাৰ পিঠিখন আগতকৈও বেচি দোঁ খাইছে, সি তাৰ অমানবীয় শক্তিৰ অৱশিষ্ট যি আছে, সকলো প্ৰয়োগ কৰিছে; সোনকালে তাৰ শক্তি ক্ষয় হ'ব বুলি বুজা গৈছে।

জন্তুটোৰ মাতটো লাহে, লাহে, বেচি কৰ্কশ, চেপা আৰু যন্ত্ৰণাপূৰ্ণ হৈ আহিল। তাৰ হেঁহেলনিৰ লগত, লিজিয়ানটোৰ উশাহৰ কেঁচ, কেঁচ, শব্দ মিলি গ'ল। ক্ৰমাম্বয়ে জন্তুটোৰ মূৰটো একেকালে বেচিকৈ হুইকি বাবলৈ ধৰিলে। অৱশেষত অকস্মাৎ তাৰ নেপুৰপৰা, ডিঙি থকা প্ৰকাণ্ড জিভা এখন ওলাই

আহিল। লগে লগে মঞ্চৰ কাষত বহা দৰ্শক সকলে, কৰকৰাই হাড় ভঙাৰ শব্দ শুনিবলৈ পালে। তিভিৰ হাড় মোটোকা খোৱাত ভাঙ্গটো খপচ্‌কৈ মাটিত বাগৰি মৰি থাকিল।

চকুৰ পচাৰতে, দৈত্যটোৱে শিঙকেইটা হাতৰ পৰা এৰি দি, ছোৱালীটিক কোলাত তুলি ললে। তাৰ পাচত, সি ঘন ঘনকৈ উশাহ লবলৈ ধৰিলে। তাৰ মুখ শেতা হৈ পৰিল, তাৰ চুলিবোৰ ঘামত লিপিট খালে, তাৰ কান্ধ আৰু বাহুৰপৰা, টোপটোপকৈ পানী পৰিবলৈ ধৰিলে। কেই মুহূৰ্ত্তমান সি সংজ্ঞাহীনৰ দৰে নিশ্চল হৈ ৰ'ল। তাৰ পাচত, চকু তুলি দৰ্শকসকললৈ চালে।

দৰ্শকসকল বলিয়াৰ দৰে হৈছে। প্ৰকাণ্ড ঘৰটোৰ বেৰবিলাক শত, সহস্ৰ কণ্ঠৰ উল্লাস ধ্বনিত, কঁপি উঠিল। ওপৰৰ শাৰীত বহা সকলে, নিজৰ আসন এৰি, তললৈ নামি, দলে দলে মঞ্চৰ কালে লৰি গ'ল, আৰু এই নতুন হাৰ্‌কিউলিজক ভালদৰে চাবৰ কাৰণে, অহা যোৱা কৰা ঠেক বাটবোৰত ঠাহ খাই পৰিল। সকলো দিশৰ পৰা, মানুহবোৰে চিঞৰি চিঞৰি দাবি জনালে, মানুহটোক ক্ষমাদান কৰিব লাগে। উন্মত্ত কণ্ঠত অবিৰাম একেখিনি কথাৰে ধ্বনি উঠিল; শীঘ্ৰে সকলো কণ্ঠস্বৰ মিলিত হৈ, বিৰাট চিৎকাৰত পৰিণত হ'ল। দৈহিক শক্তিক সকলোৰে ওপৰত স্থান দিয়া, জনতাৰ প্ৰশংসাপূৰ্ণ চকুত, দৈত্যটো আদৰ্শৱান ব্যক্তি আৰু ৰোমত সৰ্ব্বশ্ৰেষ্ঠ বুলি গণ্য হ'ল।

সি নিজেও এই কথা বুজি পালে যে, মানুহবোৰে তাৰ জীৱন দানৰ বাবে তাৰ মুক্তিৰ বাবে, দাবি জনাইছে। কিন্তু সি নিজৰ বাবে চিন্তা কৰা নাই। কেইমুহূৰ্ত্তমান, সি চাৰিওফালে চকু ঘূৰাই চালে; তাৰ পাচত, সম্ৰাট বহা মঞ্চিয়াৰ কাষ চাপিল। প্ৰসাৰিত হাতৰ মাজত ছোৱালীজনী লৈ, সি মিনতি ভৰা চকু ওপৰলৈ তুলি যেন কৰ খুজিলে, "মই এই ছোৱালীটিৰ বাবেহে ক্ষমাদান বিচাৰিছো। তেওঁ জীয়াই থাকিবই লাগিব; তেওঁৰ বাবেই মই সকলো কৰিছো।"

তৎক্ষণাৎ বাইজে তাৰ মনৰ কথা ধৰিব পাৰিলে। লিজিয়ানটোৰ প্ৰকাণ্ড দেহৰ কাষত, অকণমান শিশু এটিৰ দৰে লগা, অচেতন ছোৱালীটি দেখি, নাইট, চিনেটৰ সভ্য আৰু সৰ্ব্বসাধাৰণ বাইজৰ মনত, একে অনুভূতি জাগি উঠিল। লিজিয়ানটোৰ প্ৰভুভক্তি আৰু এইমাত্ৰ যি ভয়ঙ্কৰ বিপদৰপৰা সি তাইক ৰক্ষা কৰিলে, সেই কথা ভাবি, সকলো অভিভূত হ'ল। অচেতন অৱস্থাত থকা, দুৰ্ব্বল ধুনীয়া ছোৱালীজনীয়ে, সকলোৰে হৃদয় স্পৰ্শ কৰিলে। কিছুমানে

আনকি, এইসবেও ভাবিলে যে, এজন পিতৃয়ে নিজ কন্যাৰ কমাদানৰ বাবে, প্ৰাৰ্থনা জনাইছে। ভবাৰ লগে, লগে, সিহঁতৰ মনত পুত্ৰৌ দ্বিগুণে উথলি উঠিল। ৰক্তপাত, মৃত্যু আৰু যন্ত্ৰণাৰ চিত্ৰ, সিহঁতে যথেষ্ট দেখিলে। রুদ্ধ আবেগ জড়িত কণ্ঠে, সিহঁতে দাবি কৰিলে লিজিয়া আৰু উৰচাচক ক্ষমা কৰিব লাগে।

ইতিমধ্যে উৰচাচে, ছোৱালীজনীক হাতত লৈ, মঞ্চৰ চাৰিওফালে ঘূৰি চকু আৰু হাতমুখৰ ভঙ্গীৰে মিনতি জনাইছে তাইৰ জীৱন ভিক্ষা কৰি। হঠাৎ ভিনিকিয়াচে, আসনৰ শাৰীৰ আগত থকা বেৰখন, একেজাপে পাৰ হৈ, লিজিয়াৰ কাষলৈ উধাতু খাই লৰি গ'ল, আৰু নিজৰ টোগাখনেৰে বাগদত্তাৰ নগ্ন দেহ ঢাকি দিলে। তাৰ পাচত, গাত থকা কুৰ্ত্তাটোৰ বুকুৰ ফালে ফালি, আৰ্মেনিয়াত পোৱা অস্ত্ৰাঘাতৰ চিনবোৰ মুকলি কৰি দেখুৱাই, জনতাৰ উদ্দেশ্যে হাত দুখন মেলি, দয়া ভিক্ষা মাগিলে।

ইয়াকে দেখি, মানুহবোৰ উন্মাদ হোৱাৰ দৰে হ'ল; ক্ৰীড়াভৱনত, এনে উন্মাদনা কোনো দিনে প্ৰকাশ পোৱা নাছিল। গোটেইবোৰে মাটিত ভৰি মাৰি, চিঞৰিবলৈ ধৰিলে। ইমান পৰে যিবোৰ মাতত মিনতিৰ ভাব আছিল, সেইবোৰত এতিয়া ভয়ঙ্কৰ সুৰ বাজি উঠিল। হাজাৰ, হাজাৰ দৰ্শকে, চিজাৰৰ ফালে চাবলৈ ধৰিলে; সিহঁতে হাত-ভাত জোকাৰি, চিজাৰক খোচা দেখুৱালে। সিহঁতৰ চকুত উগ্ৰ, ক্ৰুদ্ধ ভাব চিকমিকাই উঠিল।

নিৰোৰ হৈ, নিৰোৱে ওঁঠ কামুৰিলে। ভিনিকিয়াচলৈ প্ৰকৃততে তেওঁৰ ঘৃণাৰ ভাব অকণো নাই। লিজিয়া জীয়াই থাকেনে মৰি যায়, সেই কথা, তেওঁৰ বাবে অবান্তৰ। তথাপিও, গাভৰু ছোৱালীজনীক, বনৰীয়া ষাড়টোৱে খুচি, নাড়ী-ভুৰু উলিওৱা চাবলৈ পোৱা হ'লে, তেওঁ তৃপ্তি পালেহেঁতেন,— অথবা তাইৰ দেহ বনৰীয়া জন্তুৰ দাঁতৰ মাজত টুকুৰা টুকুৰ হোৱা দৃশ্য, তেওঁৰ কাৰণে উপভোগ্য হলহেঁতেন। নিষ্ঠুৰতা আৰু কলুষিত কল্পনাৰ ক্ৰীড়াভূমি হৈ পৰা তেওঁৰ মনে এনেবোৰ দৃশ্য চাই আনন্দ পায়। অথচ, ৰাইজে এতিয়া তেওঁক বঞ্চিত কৰিব খুজিছে, এনে আনন্দ লাভৰ পৰা। তেওঁৰ শকত অগঢ়ী মুখমণ্ডলত ক্ৰোধৰ ভাব দেখা গল; আন নহলেও, তেওঁৰ দাম্ভিক প্ৰকৃতিয়ে ৰাইজৰ ইচ্ছাত সহাঁৰি জনোৱাত বাধা দিলে। লগতে স্বভাৱজাত কাপুৰুষালিয়ে তেওঁক টানি ধৰিলে, ৰাইজৰ ইচ্ছাত বাধা দিবলৈ।

গণ্ডিকে তেওঁ কেউফালে মনোযোগেৰে চাবলৈ ধৰিলে। তেওঁ আশা কৰিলে,—অন্ততঃ অগষ্টানসকলৰ মাজত, মৃত্যু দণ্ডৰ চিন দেখুৱাই বুঢ়া আঙুলি তললৈ কৰা, কোনোবা এজনক দেখিবলৈ পাব। কিন্তু পেট্ৰোনিয়াচে হাত মেলি, বুঢ়া আঙুলি ওপৰলৈ কৰিলে, আৰু চিজাৰৰ চকুৰে, চকুৰে চাই অগ্ৰাহ্য কৰাৰ ভঙ্গীৰে, মূৰ দুপিয়ালে। অন্ধ-বিশ্বাসৰ ভঁৰাল যদিও, ভেচ্‌টিনাচ্‌ অনুভূতিশূন্য নহয়। মাত্ৰ ভূত-প্ৰেতলৈহে তেওঁৰ বেচি ভয়; মানুহলৈ তেওঁৰ সমূলি ভয় নাই। তেঁৱো হাতেৰে ক্ষমাদানৰ চিনকে দেখুৱালে। তাৰ পাচত বহুতে তাকে কৰিলে। ইয়াকে দেখি, চিজাৰে চকুৰ পৰা মৰকতৰ বিতচকু আঁতৰাই, খং, আৰু ঘৃণাৰে চাবলৈ ধৰিলে। যি কোনো উপায়েৰে, পেট্ৰোনিয়াচক পৰাস্ত কৰিবলৈ ইচ্ছা কৰি, টাইগেলিনাচে প্ৰভুৰ কাষলৈ হাউলি গৈ কাণে, কাণে ক'লে, "প্ৰভু, আপুনি মানি নলব। আমাৰ পিচত নিৰাপত্তাৰক্ষী বাহিনী আছে।"

নিৰোৱে নিৰাপত্তাৰক্ষী দলৰ পৰিচালক চুব্ৰিয়াচ্‌ ফ্লেভাচ্‌ য'ত থিয় দি আছে, সেইফালে চালে। এই ভয়ানক মানুহজনে, এতিয়ালৈকে দেহে-কেহে তেওঁৰে অনুগত বুলি আটাইয়ে জানে। কিন্তু তেওঁলৈ চাই, নিৰোৱে আচৰিত দৃশ্য দেখিলে। সেনাদলৰ এই বৃদ্ধ বিচাৰকজনৰ আপচু মুখমণ্ডল, চকুৰ পানীৰে তিতি গৈছে, আৰু হাতখন ওপৰলৈ তুলি, তেওঁ ক্ৰচ চিন আঁকিছে।

ইতিমধ্যে, সমবেত ৰাইজৰ ক্ৰোধ পূৰা মাত্ৰাই প্ৰকাশ পালে। সিহঁতে অবিৰাম মাটিত ভৰি মাৰি থকাত, গোটেইটো ঘৰ ধূলিৰে ধুৱঁলি কুৱঁলি হল। তাৰ মাজৰ পৰা, শাও-শপনিৰ চিঞৰ আহিবলৈ ধৰিলে, "এহেনোবাৰ্‌বাচ্‌! মাতৃহন্তা! গৃহদাহক।" নিৰোৰ ভয় লাগি আহিল। খেলআটিত ৰাইজেই হৰ্ত্তাকৰ্ত্তা। সচা, তেওঁৰ পূৰ্ব্বৰ শাসকদলে, বিশেষকৈ কেলিগুলাই, কেইবাৰাৰো ৰাইজৰ ইচ্ছাৰ বিৰুদ্ধাচৰণ কৰিছিল। তাৰ ফলত, কিছুমান বিশৃঙ্খলা আৰু মাৰপিটৰ সম্ভাৱনা ঘটাত তেওঁলোক যথেষ্ট বিপদাপন্ন হৈছিল। কিন্তু এতিয়া নিৰো তাতোকৈ বেচি সঙ্কটত পৰিছে। প্ৰথম কথা হল,—অভিনেতা আৰু গায়ক হিচাবে, তেওঁৰ ৰাইজৰ অনুগ্ৰহ নহলেই নহয়, দ্বিতীয়তে, চিনেট আৰু সম্ভ্ৰান্ত দলৰ লগত সংঘৰ্ষৰ সূত্ৰপাত ঘটাৰ বাবে, ৰাইজ তেওঁৰ কলীয়া হোৱাটো তেওঁ বিচাৰে। শেষত, ৰোম নগৰ দগ্ধ হোৱাৰ পাচৰে পৰা শক্তিয়ে আছে

খানে, বাইজৰ নগৰত সম্ভাব ৰাখিবলৈ, তেওঁ বাধ্য হৈ পৰিছে আৰু বাইজৰ ক্ৰোধ যাতে খৃষ্টিয়ানৰ মূৰত পৰেগৈ, তাৰে চেষ্টা চলাইছে। পত্ৰিকে তেওঁ বুজিলে যে, বাধা দিবলৈ গলে বিপদ আছে। কাৰণ খেলমাটিত ৰাজদ্ৰোহৰ সৃষ্টি হলে, ততালিকে গোটেই নগৰলৈকে বিয়পি পৰিব পাৰে, আৰু ফলাফল কি হব কব নোৱাৰি।

চুব্ৰিয়াচ্‌ ক্লেভাচ্‌, সেনাপতি ভিভিনাচ্‌ আৰু সৰ্ব্বসাধাৰণ সেনালৈ চাই যেতিয়া তেওঁ কেৱল ভ্ৰূকুটি, উত্তেজিত ভাব আৰু তেওঁৰ ফালে অগ্নিময় দৃষ্টি নিক্ষেপ কৰা দেখিবলৈ পালে, তেতিয়া ক্ষমাদানৰ চিন দেখুৱাৰ বাহিৰে তেওঁৰ আন কোনো উপায় নাথাকিল।

ক্ৰীড়াভৱনৰ ওপৰৰ পৰা তললৈকে, জয়ধ্বনি উঠিল। বন্দী দুজনক যি মুহূৰ্ত্তৰ পৰা, বাইজে জীৱন দানৰ নিশ্চয়তাৰ সংবাদ দিলে, সেই মুহূৰ্ত্তৰ পৰা তেওঁলোকক ৰক্ষা কৰাৰ অধিকাৰো বাইজৰে। কোনেও,—আনকি চিজাৰেও, পুণৰ তেওঁলোকৰ ওপৰত উৎপীড়ন চলাব নোৱাৰে।

॥ ২৫ ॥

চাৰিটা বিথাইনিয়াৰ দোলাভাৰীয়ে লিজিয়াক সাৱধানে লৈ গল পেট্ৰোনিয়াচৰ চোহদৰ ফালে। দোলাখনৰ কাষে, কাষে গৈ থাকোঁতে, ভিনিকিয়াচ আৰু উৰচাচে মুখেৰে এটা শব্দও নকৰিলে; ভয়ানক উদ্বেগপূৰ্ণ দিনটোৰ পাচত, কথা পতাৰ শক্তি কাৰো নাথাকিল। ভিনিকিয়াচৰ এতিয়াও অৰ্দ্ধ অচেতনৰ দৰে অৱস্থা। তেওঁ নিজৰ মনতে কৈয়েই থাকিল,—লিজিয়া এতিয়া নিৰাপদ, কাৰাবাস বা ক্ৰীড়া মঞ্চত হোৱা মৃত্যুৱে তাইক আৰু ভয় খুৱাব নোৱাৰে। সিইতৰ দুৰ্ভাগ্যৰ ওৰ পৰিল; এতিয়া তেওঁ তাইক ঘৰলৈ লৈ গৈছে,—তাইৰে লৈতে আৰু কোনোদিন, কেতিয়াও বিচ্ছেদ নঘটে তেওঁৰ। এইবোৰ যেন সত্য নহয়,—তেওঁ যেন এটা নতুন জীৱনৰ দুৱাৰত পদাৰ্পণ কৰিছে! মাজে মাজে, তেওঁ, আঁৰকাপোৰ নথকা দোলাখনত ভেজা দি খিয় হৈ, জোনৰ পোহৰত, শুই থকা মৰমৰ মুখখন চাই, বাৰে বাৰে গুণগুণাই কয়, "এইয়া লিজিয়া! খৃষ্টই তেওঁক ৰক্ষা কৰিলে।"

তেওঁৰ এতিয়া মনত পৰিল,—মৃত বা অৰ্দ্ধমৃত অৱস্থাত থকাবোৰক, যি ঠাইত পেলাই থোৱা হয়, সেই ঠাইলৈ, উৰচাচ আৰু তেওঁ যেতিয়া লিজিয়াক কঢ়িয়াই নিছিল, তেতিয়া তাত এজন চিকিৎসকৰ লগত তেওঁলোকৰ দেখা হৈছিল। চিকিৎসকজনে নিশ্চয়কৈ কৈছিল, লিজিয়া এতিয়াও জীৱিত আৰু তাই জী থাকিব। এতিয়া এই কথাটো মনলৈ অহাত, তেওঁৰ বুকুখন অপৰিসীম আনন্দত উথলি উঠিল। মূৰ্চ্ছাৰ ভাবত ভৰি দুটা জঠৰ হৈ পৰাত, উৰচাচৰ বাহুত ভেজা দি, তেওঁ খোজ চলাবলৈ সক্ষম হ'ল। উৰচাচেও বাৰে, বাৰে নক্ষত্ৰখচিত আকাশলৈ চাই প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

নতুনকৈ নিৰ্ম্মাণ কৰা ঘৰবোৰৰ মাজে, মাজে তেওঁলোকে খৰকৈ খোজ দিলে। বগা ঘৰবোৰ জোনৰ পোহৰত, আৰু বেচি বগা হৈ জিলিকিছে। নগৰখন এতিয়া পৰিত্যক্তৰ দৰে। দুই এঠাইতহে, আইভিলতাৰ মালা পিন্ধি ঘৰৰ আগফালে জুম পাতি গীত গাই নাচি থকা মানুহ কিছুমান চকুত পৰিল। বাঁহীৰ সুৰে, সুৰে গীত গাই নাচি, ইহঁতে আনন্দ কৰিছে। ক্ৰীড়া মঞ্চৰ খেলৰ সমাপ্তিৰ লগতে শেষ হবলৈ ধৰা ছুটীৰ সময়খিনি, সিহঁতে এইদৰে উপভোগ কৰিছে। পেট্ৰোনিয়াচৰ চোতালত উপস্থিত হোৱাৰ আগে, আগে, উৰচাচে প্ৰাৰ্থনা কৰিবলৈ এৰি, লিজিয়া কেনেবাকৈ সাৰ পাই যায় বুলি, নিম্নস্বৰে জনালে :

"প্ৰভু ! একমাত্ৰ ত্ৰাণকৰ্ত্তাইহে তেওঁক মৰাৰ পৰা বচালে। বননীয়া ষাড়টোৰ শিঙৰ ওপৰত যেতিয়া মই তেওঁক দেখিলো, তেতিয়া মোক যেন কোনোবাই চিঞৰি ক'লে,—"তেওঁক ৰক্ষা কৰা।" ই যে পৰম প্ৰভুৰ আদেশ তাত কোনো সন্দেহ নাই। বন্দীশালত মোৰ শক্তি বহুত কম হৈছিল; কিন্তু সেই মুহূৰ্ত্তত তেওঁ মোক শক্তি ঘূৰাই দিলে। তেঁৱেই ৰক্তপিপাসু বাইজক আমাৰ হৈ মাত মাতিবলৈ উদগাই দিছিল। তেওঁৰ ইচ্ছা পূৰ্ণ হওক।"

"হয়, ত্ৰাণকৰ্ত্তাৰ নাম মহিমামণ্ডিত হওক।" ভিনিকিয়াচে ক'লে।

ইয়াতকৈ সৰহ আৰু একো কব নোৱাৰিলে তেওঁ। তেওঁৰ বুকত কান্দোনে সোপা দি ধৰিলে। তেওঁৰ প্ৰাণত অদম্য বাসনা জাগি উঠিল,—মাটিত মূৰ্চ্ছি খাই পৰি, ত্ৰাণকৰ্ত্তাক কৃতজ্ঞতা জনাবলৈ,—তেওঁৰ দয়াৰ অলৌকিক নিদৰ্শন দেখি।

শীঘ্রে ভেণ্ডলোক চৌহদত উপস্থিত হ'ল। দাস এটাই আগজাননী দিয়াত, ঘৰৰ আটাইবোৰ দাস দাসীয়ে আহি ভেণ্ডলোকক দেখা কৰিলে। এন্টিয়ামত থাকোতে, টাৰচাচৰ পলে, পেট্রোনিয়াচৰ ঘৰৰ প্রায়ভাগ মানুহকে খৃষ্টিয়ান ধৰ্মত দীক্ষিত কৰিছিল। গতিকে ভিনিকিয়াচৰ দুখৰ ইতিহাস আটায়ে ভালদৰে জানিছিল। নিৰোৰ নিষ্ঠুৰতাৰ পৰা মুক্তি পোৱা এই দুই প্রাণীক দেখি, সিহঁতে অতিশয় আনন্দ পালে। এই আনন্দ আৰু বেচি হৈ উঠিল, যেতিয়া থিওক্লিচ্ নামৰ চিকিৎসক এজনে মন্তব্য কৰিলে যে, লিজিয়াই গুৰুতৰ আঘাত একো পোৱা নাই। বন্দী জীৱনে যিখিনি শক্তি ক্ষয় কৰিছে, সি শীঘ্রে উলটি আহিব।

সেই নিশাই, তাই চেতনা ঘূৰাই পালে। কোৰিন্থিয়াৰ চাকিৰ পোহৰ, আৰু ভাৰবেনাৰ সুৰভিৰে পূর্ণ, ধুনীয়া শোৱা কোঠাটোত, যেতিয়া তাই সাৰ পাই উঠিল, তেতিয়া প্রথমে ধৰিবই নোৱাৰিলে, তাই ক'ত আছে, আৰু কি ঘটিল। তাইৰ মাত্র ইমানকে মনত পৰিল,— ঘাতকহঁতে, শিকলিৰে বান্ধি থোৱা বনৰীয়া ষাড়টোৰ শিঙত তাইক বান্ধি দিছিল। চাকিৰ কোমল পোহৰত, ভিনিকিয়াচৰ মুখখন নিচেই কাষতে দেখি তাই ভাবিলে, তাই এই মাটিৰ পৃথিৱীত থকা নাই; স্বৰ্গলৈ যোৱা পথৰ কোনোবাখিনিত অলপ বৈ, দুয়োৰে ক্লান্ত আৰু দুৰ্ব্বল আত্মাই বিশ্রাম লৈছে। তাইৰ মনৰ আউল লগা ভাববোৰে, এইটো স্বাভাৱিক ঘটনা বুলিয়ে ধৰি ললে। এতিয়া তাইৰ গাত বিষ নাই। ভিনিকিয়াচলৈ চাই হাঁহি, তাই কিবা সুধিবলৈ চেষ্টা কৰিলে; কিন্তু তাইৰ ওঁঠেদি অস্পষ্ট শব্দ কেইটামানহে ওলাল। ভিনিকিয়াচে তাৰ মাজত, নিজৰ নামটোৰ বাহিৰে, একো ধৰিব নোৱাৰিলে।

তাইৰ কাষতে আঠুকাঢ়ি, মৰমসনা কপালখনত হাত এখন থৈ, তেওঁ জনালে; "খৃষ্টই তোমাক ৰক্ষা কৰি, মোৰ হাতত দিলে।"

লিজিয়াৰ ওঁঠ দুটা লৰা যেন দেখা গল, কিন্তু মাত নোলাল। চকু দুটা জাপ খালে আৰু অলপ পাচতে তাইৰ গভীৰ টোপনি আহিল। থিওক্লিচে টোপনি অহাটো অতি ভাল লক্ষণ বুলি আগতে কৈছিল আৰু তাইৰ ভাল টোপনি হব বুলিও আশা কৰিছিল। ভিনিকিয়াচে কাষতে বহি, প্রার্থনা কৰিবলৈ ধৰিলে।

তেওঁৰ সমস্ত আত্মা সীমাহীন শ্ৰদ্ধা আৰু প্ৰেম-ভক্তিৰে পূৰ্ণ হ'ল। তাৰ পাচত ভাবাবেগত তেওঁ মূৰ্চ্ছিত হৈ পৰিল। থিওক্লিচ্ কেইবাবাৰো শয়ন কক্ষত সোমাল। ইউনিচেও বহুতবাৰ, দুৱাৰৰ পৰ্দা দাঙি সোণালী কেশশোভিত তাইৰ মূৰটো, সন্তৰ্পণে ভিতৰলৈ নি, ভুমুকিয়াই চালে। অৱশেষত, বাগিছাত থকা সাবেং চৰাইজাকে, পুৱাৰ আগজাননী দি, চিঞৰি উঠিল। এতিয়াও ভিনিকিয়াচ্ খৃষ্টৰ পদত দীঘল দি পৰি আছে। তেওঁ একো দেখা নাই, একো শুনাও নাই। তেওঁৰ গোটেই হৃদয় আত্মহাৰা আনন্দৰ জ্যোতিৰে, পবিত্ৰ হৈ উঠিছে। পৃথিবীত থাকিও, তেওঁ যেন স্বৰ্গলোকলৈ গতি কৰিছে!

॥ ২৬ ॥

ক্ৰীড়া মঞ্চৰপৰা লিজিয়া উদ্ধাৰ পোৱাৰ পাচত, চিজাৰক আৰু বেচি বিৰক্তি নিদিবৰ মনেৰে, আন অগষ্টানবোৰৰ সৈতে পেট্ৰোনিয়াচো, সম্ৰাটৰ লগতে, ৰাজপ্ৰাসাদলৈ গ'ল। তাত কি আলোচনা হয়, তেওঁ শুনিবলৈ ইচ্ছা কৰিলে। টাইগেলিনাচে লিজিয়াৰ বিৰুদ্ধে নতুন অভিসন্ধি উলিয়ায় নে নুলিয়ায়, এই সম্বন্ধে তেওঁ নিশ্চিত হ'ব খুজিলে। অৱশ্যে উৰচাচ আৰু তাই এতিয়া বাইজৰ ৰক্ষণাবেক্ষণত আছে। কিন্তু পেট্ৰোনিয়াচে নিৰাপত্তাৰক্ষী বাহিনীৰ এই অধিনায়কক ভালদৰে চিনি পায়। এই সৰ্ব্বশক্তিমান ৰাজবিষয়াই ছোৱালীজনীৰ প্ৰতি ইমান বেচি ঘৃণাৰ ভাব দেখুৱাইছে যে, পোনপটীয়াকৈ তাইৰ একো অনিষ্ট কৰিব নোৱাৰিলে, ভিনিকিয়াচৰ ওপৰতে হোৰ তুলিবলৈ চেষ্টা কৰিব। গতিকে পেট্ৰোনিয়াচ নিশ্চিন্ত হৈ থাকিব নোৱাৰিলে।

নিৰোৱে খুঁত বিচাৰিয়েই থাকিব। কাৰণ, ঘটনাটো যিদৰে শেষ হ'ব বুলি তেওঁ কামনা কৰিছিল, সেইদৰে নহৈ, একেবাৰে বেলেগ ধৰণে শেষ হ'ল। প্ৰথমতে তেওঁ পেট্ৰোনিয়াচৰ মুখলৈ চাবই খোজা নাছিল; পেট্ৰোনিয়াচে পিচে অকণো বিতত নহৈ, "মাৰ্জ্জিত ৰুচিৰ বিচক্ষণ বিচাৰক" নাম সাৰ্থক কৰি, চিৰাচৰিত সহজ, নম্ৰ আৰু সুন্দৰ মনোভাবেৰে সম্ৰাটৰ কাষ চাপি কলে, "প্ৰভু, এই মাত্ৰ এটা কথা মোৰ মনলৈ আহিছে। পৃথিবীৰ অধীশ্বৰৰ ইচ্ছাত, এজনী কুমাৰী ছোৱালী, বনৰীয়া ষাড়ৰ শিঙৰ পৰা, এইমাত্ৰ

উদ্ধাৰ পাই, প্ৰেমাস্পদৰ হাতত সমৰ্পিত হোৱা ঘটনাক বিষয় বস্তু কৰি লৈ, আপুনি এটা কবিতা লিখক। গ্ৰীকসকল কোমল হৃদয়ৰ মানুহ; মই নিশ্চয়কৈ জানো, তেওঁলোক এই কবিতা শুনি সুখী হ'ব।"

এই কথাত চিজাৰ সন্তুষ্ট হ'ল বুলি নিঃসন্দেহে জনা গল। বিষয় বস্তুৰ অভিনৱত্বৰ লগতে, নিজৰ উচ্চ হৃদয়ৰ গৌৰৱ কীৰ্ত্তন কৰিবলৈ, নতুন সুবিধা ওলালত, তেওঁৰ আনন্দ দুগুণে চৰিল। গতিকে পেট্ৰোনিয়াচলৈ অলপপৰ চাই তেওঁ কলে, "হয়তো তোমাৰ কথাই ঠিক। কিন্তু মোৰ হৃদয়গীতি এইদৰে গাই শুনোৱা সমীচীন হ'ব জানো?"

"আপুনি কাৰো নাম উল্লেখ কৰিব নালাগে। কি ঘটি গ'ল, তাক গোটেই নগৰবাসীয়ে জানে। এতিয়া গোটেই পৃথিবীতে বাতৰিটো বিয়পি পৰিছে।"

"তুমি ঠিক জানানে এতিয়াও মোৰ কবিতাই আদৰ পাব?"

"পোলাক্সৰ শপত! নিশ্চয় পাব।" পেট্ৰোনিয়াচে চিঞৰি কলে।

এইদৰে তেওঁ সন্তুষ্টচিত্তে বিদায় ললে। তেওঁ নিঃসন্দেহে জানে যে, নিৰোৱে গোটেই জীৱনতে বাস্তৱ ঘটনাৰ পৰাই লেখাৰ সমল গোটাইছে। গতিকে ৰচনাৰ এনে চমৎকাৰ বিষয়বস্তু নষ্ট কৰাৰ কথাত তেওঁ একেবাৰে জাপ মাৰি উঠিব। ফলত টাইগেলিনাচৰো হাত ভৰি বন্ধা অৱস্থা হ'ব।

লিজিয়া আৰু ভাগিনিয়েকক বিপদৰ মুখৰপৰা আঁতৰাই পঠোৱা কথা, তেওঁৰ মনৰপৰা কোনো সময়তে আঁতৰা নাছিল। লিজিয়াৰ স্বাস্থ্য ভাল হৈ অহাৰ লগে লগে এই কাম হাতত লব লাগিব বুলি তেওঁ থিৰ কৰিলে। পিচদিনা তেওঁ ভিনিকিয়াচক কলে, "লিজিয়াৰ সৈতে শীঘ্ৰে চিচিলিলৈ যোৱা গৈ। এটা কথাৰ কাৰণে বুজিছো যে, চিজাৰৰ পৰা তোমালোকৰ এতিয়া ভয় নাই। কিন্তু টাইগেলিনাচে তোমাক সিমান বিপদ নকৰিলেও, মোক যথেষ্ট বিপদ কৰে। গতিকে সি বিহ দিয়াৰ অভিসন্ধি কৰিবলৈকো পিচ নোহোহকে।"

ভিনিকিয়াচে হাঁহি এটা মাৰি উত্তৰ দিলে, "লিজিয়াক বনৰীয়া ষাড়ৰ শিঙত বন্ধা হৈছিল; কিন্তু খৃষ্টই তেওঁক ৰক্ষা কৰিলে।"

"তেন্তে ইচ্ছা কৰিলে, তুমি খৃষ্টৰ নামত এশ ষাড় গৰু বলি দিব পাৰা।" পেট্ৰোনিয়াচে অলপ বিৰক্তি প্ৰকাশ কৰি কলে, "মাত্ৰ দ্বিতীয়বাৰ তাইক ৰক্ষা কৰিবলৈ, তোমাৰ দেৱতাক নধৰিবা। ইউলিচ চিজে যেতিয়া আকৌ এবাৰ

অনুকূল বায়ুৰ মাজেদি মালবাহী জাহাজ চলোৱাৰ অনুগ্ৰহ বিচাৰি, ইওলাচ্ দেৱতাক মিনতি জনাবলৈ আহিছিল, তেতিয়া দেৱতাজনে তেওঁক কেনে ব্যৱহাৰ কৰিছিল, মনত পেলোৱা। একেটা কামকে দুবাৰ কৰিবলৈ, দেৱতাসকলে ভাল নাপায়।"

"খৃষ্টই যেতিয়া তেওঁৰ স্বাস্থ্য ঘূৰাই দিব, তেতিয়া মই পম্পোনিয়া গ্ৰেচিনাৰ হাতত তেওঁক গটাই দিম বুলি ভাবিছো।"

"পম্পোনিয়া গ্ৰেচিনা অসুস্থ; গতিকে এইটো জ্ঞানী মানুহৰ কামেই হব। অষ্টিয়াচ নামৰ অলাচৰ সম্বন্ধীয়া মানুহ এজনে এইমাত্ৰ খবৰটো দি গৈছে। তোমাৰ অনুপস্থিতিৰ সময়ছোৱাত, হয়তো ইয়াত এনে কিছুমান কাণ্ড ঘটিব যাৰ ফলত, তোমাৰ কথা মানুহে পাহৰি পেলাব। বৰ্ত্তমান যিবোৰ মানুহ কাৰো চকুত নপৰে, সেইবোৰেই আটাইতকৈ সুখী। ফৰচুনাই তোমাৰ মংগল কৰক! শীতকালত ৰ'দ পুৱাবলৈ আৰু গ্ৰীষ্ম কালত ছাঁ লবলৈ, তোমালৈ তেওঁ আচুতীয়াকৈ ঠাই ৰাখক।"

তাৰ পাচত ভিনিকিয়াচক সুখী অৱস্থাত এৰি, পেট্ৰোনিয়াচে লিজিয়াৰ স্বাস্থ্যৰ বিষয়ে কথা পাতিবলৈ, থিওক্লিচৰ ওচৰলৈ গ'ল। এতিয়া তাইৰ বিপদ পাৰ হ'ল। দুদিনমানৰ পাচতে, চৌহদটোৰ চাৰিওফালে থকা বাগিছাৰ ভিতৰলৈ তাইক নিয়া হ'ল। তাত বহুত সময়লৈকে তাই শুই থাকে, আৰু ভিনিকিয়াচে, অলাচৰ আগচ'ৰাত থকা, এনিমোন আৰু আইৰিচ্ ফুলৰ কথা মনত পেলাই, তাইৰ শোৱা পাটীখন এই দুবিধ ফুলেৰে ওপচাই দিয়ে। কেতিয়াবা গছৰ ছাঁত হাত ধৰাধৰিকৈ বহি, দুয়ো অতীতৰ দুখ আৰু ভয়ৰ কথা পাতে। চিজাৰে যিমান মন যায়, ৰোমত আস্ফালন কৰি পৃথিবী কপাঁই থাকক, প্ৰেমিক প্ৰেমিকাদ্বয় এতিয়া শক্তিশালী বাইজৰ ৰক্ষণাবেক্ষণত—যাৰ ক্ষমতা, চিজাৰতকৈ শতগুণে বেচি। এই আশ্ৰয়ত থাকি, তেওঁলোকে এতিয়া, চিজাৰৰ ক্ৰোধ বা বলিয়ালি কোনোটোলৈ ভয় নকৰে। তেওঁলোকক জীৱন দান বা মৃত্যুদণ্ড দিয়াৰ অধিকাৰ, কোনোটোৱে নাই চিজাৰৰ। এদিন সন্ধিয়া পৰত, দূৰত থকা পিঞ্জৰাৰ পৰা অহা বনৰীয়া জন্তুৰ গৰ্জ্জন, তেওঁলোকে শুনিবলৈ পালে। আগতে এনেবোৰ শব্দক মৃত্যুৰ আগজাননী বুলি ধৰি লৈ, ভিনিকিয়াচৰ হাত ধৰি ভয়তে চেচা পৰি গৈছিল; কিন্তু এতিয়া, এই শব্দ শুনিলে, প্ৰেমিক

প্ৰেমিকা দুয়ো এবাৰ চকুৱে চকুৱে চায়; তাৰ পাচত ওপৰলৈ পোহৰৰ দিশলৈ চকু তুলি চাই থাকে। লিজিয়া এতিয়াও দুৰ্ব্বল - অকলে খোজ কাঢ়িব পৰা হোৱা নাই। কেতিয়াবা বাগিচাৰ নিস্তব্ধ পৰিবেশৰ মাজত, তাই টোপনি যায়। ভিনিকিয়াচে সজাগ দৃষ্টিৰে তাইলৈ চাই থাকে। তাইৰ শুই থকা মুখখনলৈ চাই তেওঁ ভাবে - এইয়া অলাচৰ ঘৰত তেওঁ প্ৰথমে দেখা লিজিয়াজনী নহয়; বন্দী-জীৱন আৰু ৰোগে তাইৰ সৌন্দৰ্য্য হ্ৰাস কৰিলে। অলাচৰ তাত, আৰু পাচত মিৰিয়ামৰ ঘৰত থাকোঁতেও, তাই আছিল দেৱী প্ৰতিমাৰ দৰে অপূৰ্ব্ব সুন্দৰী। এপাহি ফুলি থকা ফুলৰ দৰে মনোৰমা আছিল তাই। কিন্তু এতিয়া তাইৰ মুখখন শুকাই গৈছে। হাত দুখন ক্ষীণাই গৈছে, জ্বৰত কষ্ট ভোগাৰ বাবে, শৰীৰৰ গঠনো বেলেগ হৈছে, ওঁঠ দুটা শেতা পৰিছে আৰু চকুৰ নীলাৰ উজ্জ্বলতাও কমি গৈছে। স্বৰ্ণকেশিনী ইউনিচে যেতিয়া তাইলৈ ফুল লৈ আহে, অথবা তাইৰ ভৰি দুটা বহুমূলীয়া কম্বলেৰে ঢাকি দিয়েহি, তেতিয়া তাইক দেখিলে চাইপ্ৰাচৰ দেৱী যেন লাগে। কলাকুশলী পেট্ৰোনিয়াচ লিজিয়ান কুঁৱৰীৰ পূৰ্ব্বৰ সৌন্দৰ্য্য বিচাৰি হতাশ হয়। মাজে, মাজে কান্ধ দুটা জোকাৰ মাৰি, নিজৰ মনতে তেওঁ কয়--মৃত্যুলোকৰ পৰা উলটি অহা, এই প্ৰেতসদৃশ ছোৱালীজনীৰ বাবে, দুখ-যন্ত্ৰণা আৰু দুশ্চিন্তাত মৃতপ্ৰায় হোৱাৰ কোনো প্ৰয়োজন নাছিল, ভিনিকিয়াচৰ। কিন্তু ভিনিকিয়াচে ইফালে তাইক এতিয়া আগতকৈও বেচি ভাল পায়। এতিয়া তাইৰ আত্মা আৰু দেহ, দুয়োটাই তেওঁৰ প্ৰিয়। শায়িত অৱস্থাত তাইক চাই থাকোঁতে তেওঁ অনুভৱ কৰে, গোটেই জগতখনেই তেওঁৰ সন্মুখত বিদ্যমান।

॥ ২৭ ॥

লিজিয়াৰ আশ্চৰ্য্যপূৰ্ণ মুক্তিৰ সংবাদ, খৃষ্টিয়ান সম্প্ৰদায়ৰ বাকী থকা লোক-সকলৰ মাজত অতি শীঘ্ৰে প্ৰচাৰিত হ'ল। তেওঁলোকে তাইক অভিনন্দন জনাবলৈ দলে দলে আহিবলৈ ধৰিলে। এইসকলৰ ভিতৰত, প্ৰথমে আহিল নাজাৰাচ্ আৰু বয়োবৃদ্ধা মিৰিয়াম। আচাৰ্য্য পিটাৰ এতিয়াও মিৰিয়ামৰ ঘৰতে লুকাই আছে। আটাইবোৰে আনন্দত অধীৰ হৈ শুনিলে, উৰচাচৰ প্ৰাণত জাগি উঠা ৰবে, কিদৰে তাক বন্য বাড়টোৰ লগত যুঁজিবলৈ আদেশ দিছিল।

শ্ৰোতাসকলে পুণৰ গোপন আশ্ৰয় স্থললৈ উলটি গৈ, নতুন আশা বুকুত বান্ধি মনতে ভাবিলে—শেষবিচাৰৰ ভয়ঙ্কৰ দিনটোত, খৃষ্ট নিজে আবিৰ্ভাৱ হোৱাৰ পূৰ্ব্বে, তেওঁলোকক পুলিয়ে পোখাই উঘাল খাবলৈ নিদিয়ে। উৎপীড়ন এতিয়া-লৈকে বন্ধ হোৱা নাই যদিও, এই আশাই তেওঁলোকৰ মনত শক্তি দিলে। সঁচাকৈয়ে, খৃষ্টিয়ানে ৰোমত জুই দিছিল বুলি, এতিয়া আৰু কোনেও বিশ্বাস নকৰে। তথাপিও, তেওঁলোকক মানৱ-জাতিৰ আৰু ৰোমান সাম্ৰাজ্যৰো শত্ৰু বুলি, যি ঘোষণা পত্ৰ ৰজাৰ ঘৰৰ পৰা প্ৰচাৰিত হৈছিল, সি এতিয়াও বলবৎ হৈ আছে।

বহুত দিনলৈকে ধৰ্ম্মাচাৰ্য্য পিটাৰে, পেট্ৰোনিয়াচৰ ঘৰলৈ আহিবলৈ সাহ কৰা নাছিল। কিন্তু এদিন গধূলি, নাজাৰাচে কলেহি-ধৰ্ম্মগুৰু তালৈ আহিবলৈ ধৰিছে। লিজিয়াই এতিয়া অলপ খোজ কাঢ়িব পৰা হৈছে। ভিনিকিয়াচ আৰু তাই একেলগে ওলাই গ'ল—গুৰুদেৱক আগবঢ়াই আনিবলৈ। লগ পায়ে, দুয়ো তেওঁৰ ভৰিত দীঘল দি পৰিল। খৃষ্টই পিটাৰৰ হাতত দি যোৱা শিষ্যসকলৰ ভিতৰত, অতি কম সংখ্যকহে এতিয়ালৈকে জীয়াই আছে। ভিনিকিয়াচ্ আৰু লিজিয়াক পুণৰ লগ পাই তেওঁ আনন্দ প্ৰকাশ কৰিলে। তেওঁক দেখিয়ে, ভিনিকিয়াচে চিঞৰি কলে, "প্ৰভু, ত্ৰাণকৰ্ত্তাই তেওঁক উদ্ধাৰ কৰি, মোৰ হাতত দিয়াৰ বাবে, মই আপোনাকো ধন্যবাদ জনাইছো।" ধৰ্ম্মাচাৰ্য্যই উত্তৰ দিলে, "তোমাৰ বিশ্বাসৰ প্ৰগাঢ়তাৰ বাবে, তেওঁ তাইক ৰক্ষা কৰিলে; তেওঁৰ নাম কীৰ্ত্তন কৰা লোক বহুতো আছে—যিবিলাকৰ মুখ এতিয়াও চিৰকাললৈ স্তব্ধ হৈ যোৱা নাই। এওঁলোকৰ আশীৰ্ব্বাদো লাভ কৰিছা তুমি।"

লিজিয়া আৰু ভিনিকিয়াচে মন কৰিলে, পিটাৰৰ চুলি পকি একেবাৰে বগা হৈ পৰিছে। তেওঁ কুঁজা হৈ পৰিছে, আৰু তেওঁৰ মুখমণ্ডলত দুখ আৰু যন্ত্ৰণাৰ ভাব, ইমান গভীৰভাৱে অঙ্কিত হৈছে যে শিষ্যসকলে ভোগ কৰা প্ৰতিটো যন্ত্ৰণা যেন, তেওঁ নিজে ভোগ কৰিছে। প্ৰতিজনৰ আত্মাহুতিও তেওঁৰে আত্মাহুতি!

ভিনিকিয়াচে শীঘ্ৰে লিজিয়াক নিয়াপোলিচলৈ লৈ যোৱাৰ কথা ভাবিছে, যাতে তাত পম্পোনিয়া গ্ৰেচিনাক লগ ধৰি, আটাইবোৰ একেলগে চিচিলিলৈ যাবপৈ পাৰে। পিটাৰকো তেওঁ সঙ্গী হবলৈ অনুৰোধ জনালে।

ধর্মগুৰুৱে ভিনিকিয়াচৰ মূৰত হাত এখন থৈ কলে, "মোৰ কাম শেষ হৈ আহিছে; একমাত্র পৰম প্রভুৰ গৃহতহে মই বিশ্রাম আৰু শান্তি লাভ কৰিম।" তাৰ পাচত, লিজিয়াক সম্বোধন কৰি তেওঁ কলে, "তোমালোক দুয়ো মোৰ কথা মনত ৰাখিবা। পিতৃয়ে নিজ সন্তানক যিদৰে ভাল পায়, মইও তোমালোকক সেইদৰে ভাল পাওঁ। এই জীৱনত যি কামকে কৰা, সদায় প্রভুৰ নাম লৈ কৰিবা।"

দুয়োৰো মূৰৰ ওপৰলৈ কঁপি থকা হাত দুখন তুলি, পিটাৰে আশীর্ব্বাদ দিলে।

কেইদিনমান যোৱাৰ পাচত, পেট্রোনিয়াচে পেলেটাইনৰ পৰা ভয়াবহ সংবাদ কঢ়িয়াই আনিলে। চিজাৰৰ কোনোবা এটা মুক্তদাস খৃষ্টিয়ান বুলি আৱিষ্কৃত হোৱাৰ পাচত, তাৰ হাতত, পিটাৰ, পল, জেমচ্, যুদ, জন আদি সন্তসকলৰ পত্র পোৱা গৈছে। এতিয়ালৈকে, টাইগেলিনাচে ধাৰণা কৰি আছিল যে, পিটাৰ জীয়াই থকা নাই, হাজাৰ হাজাৰ, খৃষ্টিয়ানৰ লগতে তেওঁৰো মৃত্যু ঘটিছে। কিন্তু এতিয়া জনা গ'ল যে, পিটাৰ আৰু নতুন ধর্ম্মৰ আনজন গুৰু জীৱিত আছে আৰু ৰোম নগৰতে দুয়ো বাস কৰিছে। গতিকে টাইগেলিনাচে যি কোনো উপায়েৰে, দুয়োকো ধৰাই আনিবলৈ, সিদ্ধান্ত লৈছে; তেওঁ ভাবিছে, এই দুজনক শেষ কৰি পেলোৱাৰ লগে লগে, এই ঘৃণনীয় সম্প্রদায়টোৰ অৱশিষ্ট যি আছে, সকলো অন্ত পৰিব। এই উদ্দেশ্যে, টাইবাৰৰ সিপাৰৰ অঞ্চলৰ প্রতিটো ঘৰতে বিচাৰিবলৈ, নিৰাপত্তাৰক্ষী সেনাদল নিযুক্ত কৰা হৈছে।

ভিনিকিয়াচে ততালিকে গৈ ধর্ম্মাচার্য্যক সাৱধান কৰি দিবলৈ, সংকল্প কৰিলে। সেইদিনাই গধূলি, উৰচাচৰ সৈতে তেওঁ মিৰিয়ামৰ কুটীৰত উপস্থিত হ'ল। তাত তেওঁলোকে দেখিলে, এমুঠি লোকেই, পিটাৰক বেৰি ধৰি আছে। তাৰ মাজত টিমোথি আৰু লিনাচকো দেখা গ'ল। নাজাৰাচে অলপো সময় ব্যয় নকৰি, উপস্থিত সকলোকে, ভেনিকিউলিন্ প্রৱেশদ্বাৰৰ পৰা এশ খোজমান দূৰত থকা, পৰিত্যক্ত খাদবোৰলৈ লৈ গ'ল। ঘাতকইতে, লিনাচৰ হাড় ভাঙি পেলাইছিল; গতিকে উৰচাচে তেওঁক কঢ়িয়াই লৈ গ'ল।

মাটিৰ তলৰ কবৰখানাত উপস্থিত হৈ, সকলোৱে নিৰাপদ অনুভৱ কৰিলে। ধর্ম্মগুৰুক ৰক্ষা কৰাৰ উত্তম উপায় কি হব পাৰে, তাৰে আলোচনা চলিল; তেওঁলোকৰ মানত, গুৰুদেৱৰ জীৱনৰ মূল্য, সকলোতকৈ বেচি।

"প্ৰভু", অৱশেষত ভিনিকিয়াচে কলে, "অনুমতি দিয়ক, কাইলৈ দোক-মোকালিতে, আপোনাক আলবান পাহাৰলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিবলৈ। আমি তাতে আপোনাৰ লগ লাগিম গৈ আৰু আটাইয়ে একেলগে এণ্টিয়ামলৈ যাত্ৰা কৰিম। সেই ঠাইতে, নিয়াপোলিচলৈ যোৱা জাহাজ বৈ থাকিব। তাৰ পৰা আমি চিচিলিলৈ যাত্ৰা কৰিম। আপুনি যিদিনা মোৰ ঘৰত পদাৰ্পণ কৰি, জুইশালৰ কাষত আসন গ্ৰহণ কৰিব, সেইদিন—সেই ক্ষণ—মোৰ বাবে চিৰ পবিত্ৰ হ'ব।"

আনবিলাকেও, ধৰ্ম্মাচাৰ্য্যক এই উপায় গ্ৰহণ কৰিবলৈ অনুনয় জনালে।

"আমি আপোনাক মিনতি জনাইছো, এই ঠাই এৰি গুচি যাওক।" সকলোৱে একবাক্যে জনালে।

"আপুনি ৰোমত থাকিব নোৱাৰে; কাৰণ আপুনিয়ে খৃষ্ট ধৰ্ম্মক জীয়াই ৰাখিব লাগিব। সেয়ে নহলে, আমাৰ আৰু আপোনাৰ মৃত্যুৰ লগে লগে সকলো শেষ হৈ যাব। আমাৰ অনুৰোধ ৰক্ষা কৰক। আমাৰ একান্ত অনুৰোধ, নিজ পিতৃয়ে সন্তানৰ কথা শুনাৰ দৰে, আমাৰ কথা শুনক।"

পিটাৰে উত্তৰ দিলে, "মোৰ সন্তানসকল! প্ৰভুৱে কাক কেতিয়া এই পৃথিবীৰ পৰা নিয়ে, কোনে জানে?"

কিন্তু তেওঁ, ৰোম এৰি যোৱাৰ কথা নকলে; কিছুদিনৰ আগৰপৰা, তেওঁৰ অন্তৰলৈ, অনিশ্চয়তাৰ ভাব আহি আছে। তেওঁৰ মন আতঙ্ক আৰু দুশ্চিন্তাৰে ভৰি উঠিছে। তেওঁৰ শিষ্যদল খানবান হৈ গ'ল, তেওঁৰ সকলো চেষ্টা বৃথা হ'ল। নগৰত জুই লগাৰ আগতে, গীৰ্জাটো আছিল—লহপহকৈ বাঢ়ি অহা এজোপা সুদৃশ্য বৃক্ষ সদৃশ। কিন্তু পশুশক্তিৰ অত্যাচাৰত, সি ধূলিসাৎ হৈ গ'ল। ধৰ্ম্মৰ বীজ সিঁচি দিয়াৰ পাচত, ফলো পাইছিল তেওঁ অপৰ্য্যাপ্ত, কিন্তু অসৎ শক্তিয়ে তাক ভৰিৰে গচকি, মোহাৰি পেলালে। মৃত্যুৰ মুখত পৰা সকলক সহায় কৰিবলৈ, স্বৰ্গৰপৰা সৈন্যদল নামি নাহিল! নাহিল! নিৰোৱে ইয়াত সগৌৰৱে ৰাজত্ব চলাইছে। প্ৰতিখন সাগৰ, প্ৰতিখন মহা-দেশৰ একচ্ছত্ৰী সম্ৰাট নিৰো, আগতকৈও বেচি প্ৰতাপী, বেচি ভয়ঙ্কৰ হৈ উঠিছে।

অকলশৰে থাকোঁতে, আগতে প্ৰায়ে ধৰ্ম্মাচাৰ্য্যই হাত দুখন ওপৰলৈ মেলি, প্ৰাণৰ কাতৰে নিবেদন জনাইছিল। "হে প্ৰভু, মই কি কৰা উচিত? ইয়াত মই কিদৰে

থাকিম ? মোৰ দৰে বুঢ়া, দুৰ্ব্বল মানুহ এজনে, ভয়াবহ অসৎ শক্তিৰ লগত কিদৰে যুঁজিম ? তুমিয়ে এই শক্তিক জগত শাসনৰ ভাৰ দি, সকলোকে পদদলিত কৰোৱা নাই জানো ?" শোকাৰ্ত্ত হৃদয়েৰে তেওঁ সৰ্ব্বশক্তিমান প্ৰভুক প্ৰাৰ্থনা কৰি, বাৰে বাৰে, জনাইছিল—"হে প্ৰভু, তুমি মোৰ হাতত অৰ্পণ কৰা নিৰীহ ভক্তৰ দল শেষ হৈ গ'ল। তোমাৰ প্ৰাৰ্থনা গৃহ এতিয়া আৰু নাই। নগৰখন ধ্বংস হৈ, শোকলগা অৱস্থা হ'ল। গতিকে তুমি মোক কি কৰিবলৈ আদেশ দিছা ? মই ইয়াতে থাকিম, নে বাকী থকা শিষ্যসকলক ইয়াৰ পৰা আঁতৰাই নিম, যাতে সাগৰ পাৰ হৈ গৈ আমি পুনৰ তোমাৰ মহিমা কীৰ্ত্তন কৰিব পাৰো ?" কিন্তু সদায় পিটাৰে ইতস্তত: কৰিছিল—ৰোম এৰি যোৱাৰ কথাত। কাৰণ, তেওঁৰ মনত সদায় বিশ্বাস আছিল যে, জীৱন্ত সত্যৰ সমাধি নঘটে, ই শাশ্বত - চিৰন্তন। একে সময়তে তেওঁৰ মনলৈ মাজে মাজে ভাব আহিছিল যে, প্ৰভুৱে নিজ শক্তিৰ স্বৰূপ দেখুৱাবলৈ যিদিনা পৃথিৱীলৈ নামি আহিব সেইদিনাহে তেওঁলোক জয়যুক্ত হ'ব। কেতিয়াবা তেওঁ এইদৰেও ভাবিছিল—তেওঁ নিজে যদি ৰোম এৰি যায়, ভক্তসকল তেওঁৰ অনুগামী হ'ব। তেতিয়া তেওঁলোকক গেলিলিৰ ছায়াময় বনভূমিলৈ—টাইবেৰিয়াচ্‌ হ্ৰদৰ শান্ত দাপোণৰ কাষলৈ, তেওঁ লৈ যাব।

কিন্তু যেতিয়াই তেওঁ এই সিদ্ধান্ত লয়, তেতিয়াই তেওঁৰ মন যন্ত্ৰণাৰে ভৰি উঠে। যি নগৰৰ মাটি ইমানবোৰ শ্বহীদৰ তেজেৰে ৰাঙলী হ'ল, য'ত ইমানবোৰ যন্ত্ৰণাক্লিষ্ট ওঁঠত সত্যৰ স্বৰূপ প্ৰকাশ পালে, সেইখন ঠাই এৰি যোৱাৰ কথা তেওঁ ভাবিবই নোৱাৰে। দুখৰ পিয়লাটো, একমাত্ৰ তেওঁ কিয় ওঁঠৰ কাষৰপৰা ঠেলি পঠিয়াব লাগে ? যদি তাকে কৰে, তেন্তে পৰম প্ৰভুৰ আগত কিদৰে কৈফিয়ৎ দিব ? 'ধৰ্ম্মৰক্ষাৰ বাবে সিহঁতে প্ৰাণত্যাগ কৰিলে। কিন্তু তুমি—তুমি পলাই গলা।' এই কথাৰ উত্তৰত তেওঁ কি ক'ব ?

দুশ্চিন্তাৰ মাজত, তেওঁৰ দিন আৰু ৰাতিবোৰ এটা, এটাকৈ পাৰ হ'ল। যিসকল খৃষ্টিয়ানক সিংহই মাৰি টুকুৰাটুকুৰ কৰিলে, যিসকলক ক্ৰচবিদ্ধ কৰা হ'ল, আৰু যিসকলক চিজাৰৰ বাগিছাত অগ্নিদগ্ধ কৰা হ'ল, সেই আটাইবোৰ এতিয়া শ্বহীদ হৈ, ত্ৰাণকৰ্ত্তাৰ বুকুত শান্তিৰে টোপনি গৈছে। কিন্তু তেওঁৰ, পিটাৰৰ চকুত টোপনি নাই ! যন্ত্ৰণা দিয়াৰ বিবিধ কৌশল উলিয়াই, ঘাতকহঁতে যিমানবোৰ যন্ত্ৰণা দিছিল, সেই আটাইবোৰতকৈ বেচি তীব্ৰ যন্ত্ৰণাত ভুগি

তেওঁ শহীদ হ'বলৈ ধৰিছে। উবাৰ জ্যোতিয়ে যেতিয়া ক্ষীণভাৱে দেখা দিয়েছি তেতিয়া তেওঁৰ তাপিত প্ৰাণৰ অন্তৰতম ঠাইৰ পৰা কাতৰ ধ্বনি উঠে :

"হে প্ৰভু ! তুমি কিয় মোক এই ঠাইলৈ আহিবলৈ আদেশ দিছিলা ? কিয় মোক আদেশ দিছিলা—পশুৰ দুৰ্গ এইটোত তোমাৰ নগৰ প্ৰতিষ্ঠা কৰিবলৈ ?"

প্ৰভুৰ দেহত্যাগৰ এই একুৰি চৈধ্য বছৰৰ ভিতৰত, ধৰ্মাচাৰ্য্যজনে এবাৰো শান্তিৰে জিৰণি লব পৰা নাই। হাতত তীৰ্থযাত্ৰীৰ টোকোন লৈ, তেওঁ গোটেই পৃথিবীতে ভ্ৰমি ফুৰিছে—শান্তিৰ বাৰ্ত্তা প্ৰচাৰ কৰি। তেওঁৰ সমস্ত শক্তি, কাম আৰু ভ্ৰমণতে ক্ষয় হৈছে। অৱশেষত যেতিয়া এদিন তেওঁ, জগত সাম্ৰাজ্যৰ ৰাজধানী, এই নগৰত প্ৰভুৰ মন্দিৰ গঢ়ি তুলিলে, তেতিয়া পশুৰ ক্ৰোধানলত, সেই মন্দিৰ পুৰি ছাৰখাৰ হৈ, মাটিৰ লগত মিলি গ'ল। এতিয়া তেওঁ পুণৰ নতুনকৈ সংগ্ৰাম চলাব লাগিব। ই যে কেনে সংগ্ৰাম, কল্পনাই কৰা নাযায়! এফালে আছে নিৰো, চিনেট, প্ৰজাবৰ্গ—আৰু লৌহ বেষ্টনীৰে গোটেই জগতকে অৱৰোধ কৰা, ৰোমান সৈন্য বাহিনী—যাৰ শক্তি কল্পনাতীত। আনফালে আছে তেওঁ—বয়স আৰু ক্লান্তিত কুঁজা হৈ পৰা, এজন বৃদ্ধ—যাৰ কম্পিত হাত দুখন, তীৰ্থযাত্ৰীৰ টোকোনডালকে তুলি লবলৈ অক্ষম। প্ৰায়ে তেওঁ নিজকে এইদৰে কয়—ৰোমৰ চিজাৰৰ লগত ফেৰ পাতিব পৰা মানুহ তেওঁ নহয়। এই কাম, খৃষ্টৰ বাহিৰে আন কোনেও নোৱাৰে।

কিন্তু এতিয়া বন্ধুসকলে আগতকৈও তেওঁক বেচি জোৰ দি ধৰিলে, "প্ৰভু ! আপুনি লুকাই থাকক। পশুৰ অত্যাচাৰৰ পৰা আমাক উদ্ধাৰ কৰক।"

অৱশেষত লিনাচে বিষ-জড়িত শৰীৰটোৰে তেওঁৰ আগত কুঁজা হৈ থিয় দি কলে, "প্ৰভু ! ত্ৰাণকৰ্ত্তাই আপোনাক কৈছিল, 'মোৰ শিষ্যসকলক পালন কৰিবা।' কিন্তু শিষ্যসকল আৰু নাই,— সকলো নিৰ্ম্মূল হবলৈ ধৰিছে। গতিকে আপুনি এনে ঠাইলৈ গুচি যাওঁক, য'ত নতুন শিষ্য গোটাব পাৰিব। এফেচাচ্, জেৰুজালেম, এন্টিয়ক আৰু আন বহুতো ঠাইত, ভগৱানৰ বাণী এতিয়াও জীৱন্ত হৈ আছে। গতিকে আপুনি কিয় ৰোমত আছে ? আপোনাৰ যদি মৃত্যু হয়, তেন্তে, পশু-শক্তিৰ বিজয় অভিযান সম্পূৰ্ণ হ'ব। সম্ৰাটনক পৰমেশ্বৰে কিমান দিন জীয়াই ৰাখে কব নোৱাৰি। ইপিনে পলো হ'ল, ৰোমান নাগৰিক। আইনমতে বিচাৰ কৰাৰ পূৰ্ব্বে, হয়তো তেওঁক মৃত্যুদণ্ড দিয়া নহয়। কিন্তু

প্ৰভু, নৰকৰ শক্তি আছি, যদি আপোনাৰ মূৰত পৰেহি, তেতিয়া ৰিৰিলাস অন্তৰাত্মা কঁপি আছে, তেওঁলোকে কব, "তেন্তে নিৰোত্তকৈ শ্ৰেষ্ঠ কোন ?" আপুনি এটি পাহাৰৰ দৰে, যাৰ ওপৰত প্ৰভুৰ মন্দিৰ স্থাপন হৈছে। শক্তিকে আমাক মৰিবলৈ এৰি দিয়ক। কিন্তু খৃষ্টৰ শত্ৰুক, তেওঁৰ প্ৰতিনিধিৰ কথা জনৰ ওপৰত বিজয় ঘোষণা কৰিবলৈ সুবিধা নিদিব। যিটো মানুহে নিৰীহ ব্যক্তিৰ ৰক্তপাত কৰালে, সেই মানুহটোক ভগৱানে যেতিয়ালৈকে ভলৈ নন-মায়, তেতিয়ালৈকে আপুনি ইয়ালৈ উলটি নাহিব।"

"হয়, হয়,।" ইবিলাকে সঁহাৰি জনালে, "চাওঁক, আমি চকুৰ পানীৰে আপোনাক মিনতি কৰিছো।"

পিটাৰৰ মুখ অশ্ৰুপূৰ্ণ হল। থিয় হৈ তেওঁ আঠুকাঢ়ি থকা শিষ্যসকলৰ মূৰৰ ওপৰলৈ হাত দুখন মেলি দি কলে,

"প্ৰভুৰ নাম ধন্য হওক। তেওঁৰ ইচ্ছাই যেন পূৰ্ণ হয়।"

॥ ২৮ ॥

পিচদিনা উষাৰ সময়তে, দুটি ক'লা মূৰ্ত্তি এপিয়ান পথেদি, কেম্পানিয়া সমতল ভূমিৰ ফালে যাবলৈ ধৰিলে। তাৰে এজন নাজাৰাচ্ আৰু ইজন পিটাৰ। যিখন নগৰত শিষ্যসকল শহীদ হল, সেই নগৰ এৰি বৈ, পিটাৰ সন্মুখৰ পথেদি গৈ আছে।

পূবৰ আকাশত তেতিয়া নীলাৰ আভাস দেখা গৈছে ; দিগন্ত বিয়পি নীলাৰেখাবোৰ ধীৰে, ধীৰে উজ্জ্বল গেৰুৱা ৰঙলৈ ৰূপান্তৰিত হ'ল। ধীৰে ধীৰে আন্ধাৰ আঁতৰি গল ; গছ, পাতৰ ৰূপালী ৰং, চহৰৰ উপকণ্ঠত থকা অট্টা-লিকাবোৰৰ মাৰ্বল পাথৰৰ শুভ্ৰজ্যোতি, আৰু গোটেইটো উপত্যকা জুৰি লৈ, ৰোম নগৰৰ ফালে নামি যোৱা জল সৰবৰাহৰ নলীবোৰৰ ওপৰত থকা, অৰ্দ্ধগোলা-কাৰ স্তম্ভবোৰৰ ধূসৰ ৰং, দৃষ্টি গোচৰ হল। গলিত সোণৰ জেউতিৰে আকাশ ভৰি উঠিল। পূবাকাশৰ ৰং উজ্জলতৰ হৈ অহাৰ লগে, লগে, আলবান্ পাহাৰৰ সৌন্দৰ্য্য ছবিৰ দৰে জিলিকি উঠিল। পাতল সোণালী ৰঙৰ মূৰ্ত্তিৰ

দৰে লগা, অপৰূপ গিৰিমালা, স্ফটিকৰ দৰে স্বচ্ছ দেখা গল। কঁপি থকা বৃক্ষ শাখাৰ ওপৰত থকা তুষাৰ কণিকাবোৰত, উষাৰ ৰূপ প্ৰতিফলিত হৈছে। কুঁবলী অঁাতৰি যোৱাৰ লগে লগে, দেখা গল,— ইতস্ততঃ বিস্তৃত দুই, এটা ঘৰ; সমাধিক্ষেত্ৰ, গাওঁ, গছ-গছনি, আৰু ধীৰে ধীৰে উজ্জ্বল বগা হৈ উঠা মন্দিৰৰ স্তম্ভবোৰ। পথ সম্পূৰ্ণ জনশূন্য; নগৰলৈ শাক-পাচলি কঢ়িয়াই অনা, কেম্পানিয়াৰ মানুহবোৰে এতিয়ালৈকে গাড়ীৰে পাৰ হৈ যোৱা নাই। পাহাৰলৈ উঠি যোৱা পথৰ শিলৰ ওপৰত, একমাত্ৰ এই দুজন যাত্ৰীৰ, বাটত পিন্ধা খৰমৰ মৃদু শব্দ উঠিল।

অৱশেষত, পাহাৰশ্ৰেণীৰ পিচফালে বেলি ওলাল আৰু ধৰ্ম্মাচাৰ্য্যৰ চকুৰ আগত, আচৰিত দৃশ্য এটা উদ্ভাসিত হৈ উঠিল। আকাশৰ বুকুলৈ উঠি নগৈ, প্ৰকাণ্ড হালধীয়া থাল এখনৰ দৰে দেখা দিয়া বেলিটো, পাহাৰ চূড়াৰ পৰা নামি, একেটা পথেদি আহি থকাৰ দৰে লাগিল তেওঁৰ!

পিটাৰে অলপ বৈ সুধিলে, “আমাৰ ফালে আহি থকা পোহৰটো দেখিছানে?”

“নাই দেখা।” নাজাৰাচে উত্তৰ দিলে, “মই একো দেখা নাই।”

পিটাৰে চকুৰ আগলৈ হাত এখন নি, পুণৰ কলে, “পোহৰৰ মাজেদি এজন মানুহ আমাৰ ফালে আহি আছে।”

কিন্তু তেওঁলোকে পদশব্দ শুনা নাই। চাৰিওফালে পৰিপূৰ্ণ নিস্তব্ধতা। নাজাৰাচে মাত্ৰ দেখিলে, — দূৰৰ গছ-গছনি কঁপি উঠিছে, যেন কোনোবা অদৃশ্য হাত এখনেহে লৰাই দিছে; আৰু সমতল ভূমিত দিনৰ পোহৰ বিস্তাৰিত হৈছে। সি আচৰিত হৈ গুৰুৰ মুখলৈ চালে।

“প্ৰভু, আপোনাৰ কি হৈছে?” শঙ্কিতভাৱে চিঞৰি উঠিল সি।

পিটাৰৰ হাতৰ লাখুটি মাটিত সৰি পৰিছে, স্তব্ধ, বিস্ফাৰিত দৃষ্টিৰে, তেওঁ সন্মুখৰ ফালে চাই আছে। তেওঁৰ মুখ আধা মেলা, মুখমণ্ডলত অতিন্দ্ৰীয় সুখ, আৰু উচ্ছ্বসিত আনন্দধাৰা প্ৰবাহমান।

হঠাতে তেওঁ আঠুঁ কাঢ়ি বহি পৰিল আৰু হাত দুখন মেলি, মৃদুকণ্ঠে উচ্চাৰণ কৰিলে, “খৃষ্ট! খৃষ্ট!” তাৰ পাচত তেওঁ মাটিত মুখখন লগাই, শুই পৰিল,— যেন অদৃশ্য পদযুগলতহে চুম্বন কৰিছে। বহু সময় কাৰো সাৰ-শব্দ নাই;

অৱশেষত, উচুপি উচুপি কন্ধকণ্ঠে খুৰুই প্ৰশ্ন কৰিলে, "হে প্ৰভু, কোনফালে যায় ?" ('ক্ক্যো ভেদিচ্, ডোমিনি ?')

পিটাৰৰ প্ৰশ্নৰ উত্তৰ নাজাৰাচে শুনিলে ; কিন্তু ধৰ্ম্মাচাৰ্য্য পিটাৰে শুনিলে, কাৰোবাৰ করুণ শান্ত স্বৰ :

"যিহেতু তুমি মোৰ ভক্তদলক এৰি থৈ গুচি আহিছা, সেইদেখি মই ৰোমলৈ যাত্ৰা কৰিছো,—দ্বিতীয়বাৰ ক্ৰচবিদ্ধ হবৰ বাবে।"

ধূলিত মুখ দি, স্তব্ধ, নিশ্চল মূৰ্ত্তি এটাৰ দৰে, পিটাৰ, মাটিত দীঘল দি পৰি থাকিল। নাজাৰাচে মনতে ভাবিলে, তেওঁ নিশ্চয় মূৰ্চ্ছিত হৈ পৰি গৈছে, অথবা প্ৰাণ হেৰুৱাইছে। এনেতে তেওঁ থিয় দিলে। কঁপা হাতেৰে, তীৰ্থ-যাত্ৰীয়ে লোৱা লাখুটিডাল তুলি লৈ, মুখেৰে এটা শব্দও নকৰি, সাতোটা পাহাৰত অৱস্থিত ৰোম অভিমুখে উলটিবলৈ সাজু হল তেওঁ।

প্ৰতিধ্বনিৰ দৰে শিষ্যজনে পুণৰাবৃত্তি কৰিলে, "হে প্ৰভু, কোনফালে যায় ?" গুৰুৱে শান্ত স্বৰে জনালে,

"ৰোমলৈ।"

দুয়ো পুণৰ উলটি আহিল, ৰোমলৈ।

পল, জন আৰু অন্যান্য ভক্তসকলে তেওঁক দেখি তবধ মানিলে ; তেওঁৰ বাবে সকলো চিন্তিত হৈ পৰিল। কাৰণ তেওঁ তাৰপৰা যোৱাৰ পাচতে, নিৰাপত্তাৰক্ষী সেনাই মিৰিয়ামৰ ঘৰ বেৰি ধৰিছিল, আৰু পিটাৰক বিচাৰি হুলস্থুল লগাইছিল। কিন্তু সকলোৰে প্ৰশ্নৰ উত্তৰত, পিটাৰে নীৰৱ আনন্দৰ ভাবত, মাত্ৰ এইদৰে কলে, "মই প্ৰভুৰ দৰ্শন লাভ কৰিলো।"

সেই সন্ধিয়াতে, তেওঁ ওচ্‌ট্ৰিয়ানামৰ সমাধি ক্ষেত্ৰলৈ গল,— ভগৱানৰ বাণী প্ৰচাৰ কৰিবলৈ। বিবিলাকে সঞ্জীৱনী জলেৰে স্নান কৰি, ধৰ্ম্ম গ্ৰহণ কৰিবলৈ ইচ্ছা কৰিলে, সেইবিলাকক তেওঁ দীক্ষাস্নান কৰালে। ইয়াৰ পাচত, তেওঁ সদায় সেই ঠাইলৈ যাবলৈ ধৰিলে আৰু তেওঁৰ অনুগামীৰ সংখ্যাও ক্ৰমাৎ বাঢ়ি আহিল। প্ৰতিজন শহীদৰ প্ৰতিটোপাল অশ্ৰুজলে, নতুন নতুন দীক্ষা গ্ৰহণকাৰীৰ সৃষ্টি কৰিলে। ক্ৰীড়া ক্ষেত্ৰত ব্যক্ত হোৱা প্ৰতিটো আৰ্ত্তস্বৰ যেন এতিয়া হাজাৰ হাজাৰ বক্ষত অনুৰণিত হল। চিজাৰে ৰক্তনদীত সাঁতুৰি আছে, ৰোম আৰু গোটেই জগতৰ মুক্তি উপাসক দল উন্মত্ত হৈ উঠিছে।

কিন্তু যিবিলাকে পাপ আৰু উন্মত্ততা দেখি অসহিষ্ণু হৈ পৰিছিল, যিবিলাক পদ-দলিত, যাৰ জীৱন কেৱল মাত্ৰ দুৰ্ভাগ্য আৰু ত্যাগৰ সমষ্টি, যিবিলাক পীড়িত যন্ত্ৰণাক্লিষ্ট সৰ্ব্বহাৰা—সেই আটাইবোৰ মানুহে, ভগৱানৰ আচৰিত কাহিনী শুনিবলৈ উধাতু খাই লৰি গল। পৃথিৱীত অৱতীৰ্ণ হৈ মানৱজাতিৰ প্ৰেমত আপ্লুত হৈছিল তেওঁ— আৰু মানৱ জাতিক পাপৰ পৰা উদ্ধাৰ কৰাৰ অৰ্থে স্বইচ্ছাৰে ক্ৰুচত জীৱন আহুতি দিছিল। সিহঁতে এনে এজন ঈশ্বৰৰ সন্ধান পালে,— যাক প্ৰেম-ভক্তিৰে লাভ কৰিব পাৰি। এই পোৱাৰ মাধ্যমেৰে, সিহঁতে এনে এটি সম্পদ লাভ কৰিলে, যি অমূল্য বস্তুৰ দৰে— যাক, এতিয়ালৈকে সংসাৰত সিহঁতে ক'তো বিচাৰি পোৱা নাই। সি হ'ল প্ৰেম-ভক্তিৰ মাজেদি লাভ কৰা অনাবিল আনন্দ,— বিশ্ব প্ৰেমত যাৰ পৰিণতি!

সেই সময়ৰে পৰা, পিটাৰে হৃদয়ঙ্গম কৰিলে যে, চিজাৰৰ গোটেইবোৰ সেনাবাহিনী লগ লাগিলেও এই জীৱন্ত সত্যক ধ্বংস কৰিব নোৱাৰে, কোনোদিন। যন্ত্ৰণাৰ চকুলো বা ৰক্তস্ৰোতৰ দ্বাৰা, ইয়াৰ সমাধি ঘটোৱা নাযায় কেতিয়াও। সত্যৰ জয়যাত্ৰা আৰম্ভ হৈছে বুলি তেওঁ ভালদৰে উপলব্ধি কৰিলে। তেওঁ বুজিলে, প্ৰভুৱে কিয় তেওঁক উলটি আহিবলৈ আদেশ দিছিল। অহংকাৰ, পাপ, ব্যভিচাৰেৰে ভৰা—ক্ষমতাৰ উচ্চ শিখৰলৈ উঠা, এই নগৰ ইতিমধ্যে খৃষ্টৰ নগৰীলৈ ৰূপান্তৰিত হৈছে। খৃষ্টৰ ৰাজধানীত পৰিণত হৈ, এই নগৰে মানুহৰ আত্মা আৰু দেহৰ ওপৰত, সমানে শাসন চলাব।

অৱশেষত, পিটাৰ আৰু পলৰ সময় উপস্থিত হ'ল। কিন্তু বন্দীশালত থাকোঁতে, সাধু মানুহবোৰাজনে দুটি আত্মাক ধৰ্ম্মৰ জালত বন্দী কৰিলে। প্ৰচেচ্‌চাচ আৰু মাৰ্টিনিয়ানাচ্ নামৰ দুজন সৈনিকেও তেওঁৰ পৰা দীক্ষা স্নান গ্ৰহণ কৰিলে। তেওঁক মেমাৰ্‌টাইন্ কাৰাগাৰত পহৰা দিছিল—এই দুজন সৈনিকে। তাৰ পাচত, তেওঁৰ আত্মোৎসৰ্গৰ সময় উপস্থিত হ'ল। চিজাৰু সেই সময়ত ৰোমত নথকাৰ বাবে, হেলিয়াচ্ আৰু পোলিথেটেচ্ নামৰ সম্ৰাটৰ মুক্তদাস দুটাই, মৃত্যুদণ্ডৰ আজ্ঞাপত্ৰত চহী কৰিলে; সম্ৰাট থুৰি নহালৈকে, ইহঁতৰ হাতত্তে ৰাজ আজ্ঞাপত্ৰত চহী দিয়াৰ ক্ষমতা অৰ্পণ কৰা হৈছিল।

প্ৰথমতে, আইনৰ বিধান মতে, সম্মানিত ধৰ্মগুৰুজনক প্ৰহাৰ কৰা হ'ল। পিচদিনা তেওঁক নগৰৰ প্ৰাচীৰৰ বাহিৰলৈ নি, ভেটিকান পাহাৰত, নিৰ্দ্ধাৰিত

ধৰণেৰে প্ৰাণদণ্ড দিবলৈ স্থিৰ কৰা হ'ল। কাৰাগাৰৰ সন্মুখত অপেক্ষা কৰি থকা জনতাৰ ভিৰ দেখি, সেনাবোৰ আচৰিত হ'ল। এজন সাধাৰণ শুবৰ মানুহৰ, বিশেষকৈ এজন বিদেশী মানুহৰ মৃত্যুৰ ক্ষণত, নিশ্চয় ইমানবোৰ মানুহ ব্যাকুল হৈ নুঠে। কিন্তু সেই ঠাইৰ পৰা আৰম্ভ হোৱা সমদলৰ, দৃশ্য চাবলৈ অহা মানুহ নাই। ই ভক্ত সকলৰ সমদল—যি সকলে, মহান ধৰ্মগুৰুজনাৰ লগত তেওঁৰ মৃত্যুদণ্ডৰ ঠাইলৈ যাবলৈ প্ৰস্তুত হৈছে।

অৱশেষত, কাৰাগাৰৰ দুৱাৰ মুকলি হ'ল; নিৰাপত্তাৰক্ষী সেনাৰে পৰিবেষ্টিত হৈ, পিটাৰ ওলাই আহিল। অষ্টিয়াত তেতিয়া বেলি মাৰ যাবলৈ ধৰিছে—দিনটো উজ্জ্বল আৰু শান্তিপূৰ্ণ।

বৃদ্ধাৱস্থাৰ বাবে, ধৰ্ম্মাচাৰ্য্যক ক্ৰুচডাল কঢ়িয়াই নিবলৈ বাধ্য কৰা নাই; হাত, ভৰিত লগোৱা শিকলি, আৰু ডিঙিত পিন্ধোৱা কাঁইটীয়া লোহ বেষ্টনীৰ পৰাও তেওঁক অব্যাহতি দিয়া হৈছে, যাতে তেওঁ খোজ কাঢ়ি যোৱাত অসুবিধা নাপায়। বৰফৰ দৰে তেওঁৰ শুভ্ৰ মস্তক দৰ্শন কৰাৰ লগে লগে, অপেক্ষাৰত খৃষ্টিয়ানসকলক শোকে খুন্দা মাৰি ধৰিলে। আটাইয়ে তেওঁক সতৃষ্ণ নয়নে চাবলৈ ধৰিলে; কিন্তু পিচ-মুহূৰ্ত্তত, তেওঁলোকৰ কান্দোন বন্ধ হ'ল। কাৰণ, যি মুখ তেওঁলোকে দেখিলে, সেই মুখ, আনন্দত উদ্ভাসিত হৈ উঠিছে। এতিয়া সকলোৱে বুজিলে—এইয়া মৃত্যুলৈ আগবঢ়োৱা বলি নহয়—এইয়া গৌৰৱেৰে অগ্ৰসৰ হোৱা এজন বিজেতা।

হয়, এইয়ে সত্য। নীৰিহ, অতি সাধাৰণ আৰু সচৰাচৰ কুঁজা হৈ খোজ কঢ়া, বুঢ়া মাছমৰীয়াজনে উচ্চ শিৰ তুলি থিয় দি আছে। সেনাবিলাককো এতিয়া তেওঁৰ তলতীয়া যেনহে দেখা গৈছে। তেওঁৰ আচৰণত এনেকুৱা ৰাজসিক গাম্ভীৰ্য্য আগতে কেতিয়াও, কোনেও দেখা নাছিল। আগবাঢ়ি যাওঁতে তেওঁক প্ৰজা আৰু অনুচৰবৰ্গেৰে পৰিবেষ্টিত সম্ৰাট এজনৰ দৰে দেখা গ'ল। হুই, এঠাইত, কোনোবাই চিঞৰি কলে, "পৰম প্ৰভুৰ সাক্ষাত লাভ কৰিবলৈ, পিটাৰে যাত্ৰা কৰিছে।" সকলোৱে পাহৰি গ'ল যে যন্ত্ৰণা আৰু মৰণে অপেক্ষা কৰি আছে, গুৰুজনাৰ বাবে।

শান্ত, পবিত্ৰ ভাৱত মগ্ন দৰ্শকবৃন্দই অনুভৱ কৰিলে-গলগোথাত ঘটা কৰুণ দৃশ্যৰ পাচত, এনে দৃশ্যৰ অৱতাৰণা কোনোদিন হোৱা নাই। সেই

শোকাবহ ঘটনাই, যিদৰে বিশ্বক পাপমুক্ত কৰিলে, সেইদৰে এই আসন্ন শোক-পূৰ্ণ ঘটনাই ৰোম নগৰক পাপৰ পৰা উদ্ধাৰ কৰিব। সকলোৱে গভীৰ নিস্তব্ধতাৰ মাজেদি আগবাঢ়িল। সমদল যাত্ৰা কৰি গৈ থকা বৃদ্ধ পুৰুষজনক দেখি ৰোমৰ বাইজে আচৰিত হৈ ৰৈ ৰৈ চালে। ভক্তসকলে তেতিয়া সিহঁতৰ কান্ধত হাত থৈ, এইদৰে কলে, "বেচ। ভালদৰে চাই লোৱা। খৃষ্টক যিজনে ভালদৰে জানিছিল, যিজনে গোটেই পৃথিবীতে প্ৰেমৰ বাণী প্ৰচাৰ কৰিলে, সেই ন্যায়শীল পুৰুষ আজি মৃত্যু পথৰ যাত্ৰী।"

ৰাজপথত, চিঞৰ বাথৰ, গোলমাল, হুলস্থুল ক'তো নাই। জিলিকি থকা বগা মন্দিৰ, আৰু নৱনিৰ্ম্মিত অট্টালিকাবোৰৰ মাজেদি, নিৰ্দ্দিষ্ট পথেদি সমদল গৈ থাকিল; ওপৰত মেঘমুক্ত গভীৰ নীলাকাশ। কাৰো মুখত কথা নাই, ক্ষণে ক্ষণে, লোৰৰ জন্‌জন্‌ শব্দ, আৰু প্ৰাৰ্থনাৰ মৃদুধ্বনি উঠিছে। পিটাৰৰ মুখৰ আনন্দৰ জ্যোতি চৰি গৈছে; কাৰণ তেওঁৰ ওচৰত দীক্ষিত হোৱা শিষ্যৰ সংখ্যা ইমান বেচি যে, সকলোকে একেবাৰতে চাই লোৱাৰ শক্তি নাই তেওঁৰ। হয়, তেওঁ নিজ কৰ্ত্তব্য সুসম্পন্ন কৰিলে; সমস্ত জীৱন জুৰি, তেওঁ যি সত্যৰ বাণী প্ৰচাৰ কৰিলে, সেই বাণীয়ে এতিয়া জোৱাৰৰ ৰূপ ধাৰণ কৰিছে—যাক একোৱে তল পেলাব নোৱাৰে—একোৱে বাধা দিব নোৱাৰে। উৰ্দ্ধলোকলৈ চকু তুলি, তেওঁ নিজৰ মনতে চিঞৰি ক'লে, "হে প্ৰভু! এই নগৰ জয় কৰিবলৈ, তুমি মোক আদেশ দিছিলা—যি নগৰে জগত শাসন কৰিছে। মই জয় কৰিলো ইয়াক। তুমি মোক আদেশ কৰিছিলা—ইয়াতে তোমাৰ ৰাজধানী পাতিবলৈ, মই তাকে কৰিলো। এতিয়া, হে প্ৰভু! এইখন তোমাৰে নগৰী! মই তোমাৰ কাষলৈ যাবলৈ আগবাঢ়িছো। মোৰ কাম সম্পূৰ্ণ হ'ল।" মন্দিৰবোৰৰ কাষেদি যাওঁতে, মন্দিৰলৈ চাই তেওঁ ক'লে, "শীঘ্ৰে আটাইবোৰ খৃষ্টৰ মন্দিৰ হ'বগৈ।" সমূহ বাইজলৈ চাই, তেওঁ ভৱিষ্যত বাণী কৰিলে, "ভৱিষ্যতে এদিন তোমালোকৰ সতি-সন্ততি আটাইবোৰ খৃষ্টৰে দাস হ'ব।" এইদৰে তেওঁ আগবাঢ়ি যাবলৈ ধৰিলে; নিজৰ বিজয় সম্বন্ধে, নিজৰ যোগ্যতা, ক্ষমতা আৰু কৰ্ম্ম মাহাত্ম্য সম্বন্ধে, তেওঁৰ মন সজাগ হৈ ৰ'ল। তেওঁ সান্ত্বনা লাভ কৰিছে; তেওঁ যে পৰম সুখ লাভ কৰিছে—এই বিষয়ে সন্দেহ নাই। তেওঁৰ বিজয় গৌৰৱক অজ্ঞাতসাৰে সমৰ্থন কৰি, সেনাবোৰে পৰ্টাচ্ ট্ৰায়াম্‌ফেলিচ্ পথেদি, নওমাচিয়া আৰু খেলমাটি অভিমুখে তেওঁক লৈ

গ'ল। টাইবাৰৰ সিপাৰে থকা ভক্তসকলেও এতিয়া, সমদলত যোগ দিবলৈ সুবিধা পালে। অৱশেষত, জনতা ইমান বিশাল হৈ উঠিল যে, সেনাধ্যক্ষজনে ভাবিবলৈ বাধ্য হ'ল তেওঁৰ ৰক্ষণা-বেক্ষণত, অনুচৰবৰ্গৰে সৈতে, এজন শ্ৰেষ্ঠ পুৰোহিতহে গৈ আছে। লগত অনা সেনাৰ সংখ্যা যথেষ্ট নোহোৱাৰ বাবে, তেওঁ আক্ষেপ কৰিবলৈ ধৰিলে। কিন্তু ক্ৰোধ বা উন্মত্ততাৰ এটা শব্দও নাই, জনতাৰ মাজত। ঘটনাৰ মাহাত্ম্য পৰিস্ফুট হৈছে প্ৰতিখন মুখত—সম্ৰমপূৰ্ণ, পবিত্ৰ ভাৱেৰে পূৰ্ণ হৈছে, প্ৰতিটো হৃদয়! ভক্ত সকলৰ ভিতৰত বহুতৰ মনত পৰিল—পৰিত্ৰাতা প্ৰভুৱে যেতিয়া দেহত্যাগ কৰিছিল, তেতিয়া পৃথিৱী ভয়ত কঁপি উঠিছিল, আৰু সমাধিৰ পৰা মৃতকসকল বাহিৰলৈ ওলাই আহিছিল। তেওঁলোকে ভাবিলে, এতিয়াও পৃথিৱী আৰু আকাশত কিছুমান চিন প্ৰকট হ'ব, -যিবোৰে গুৰুজনাৰ মৃত্যুক চিৰস্মৰণীয় কৰিব। কিছুমানে নিজৰ ভিতৰতে কোৱা মেলা কৰিলে, "হয়তো প্ৰভুৱে স্বৰ্গৰ পৰা নামি আহি, জগতৰ মানুহক বিচাৰ কৰিবলৈ, সাধু পিটাৰৰ এইটো দিনকে বাচি লব।" এনে বিশ্বাসেৰে পূৰ্ণ হৈ, তেওঁলোকে খৃষ্টৰ দয়াৰ কথা সুঁৱৰি, তেওঁৰ গুণ কীৰ্ত্তন কৰিবলৈ ধৰিলে।

সকলো দিশতে শান্তিময় নিস্তব্ধতা! ৰোমৰ সপ্ত পাহাৰে যেন ৰ'দ পুৱাই টোপনিত লালকাল দি আছে। অৱশেষত, সমদলটো, থেলমাটি আৰু ভেটিকান্ পাহাৰৰ মাজত ৰ'লহি। কিছুমান সেনাই, মাটিত গাঁত খান্দিবলৈ আৰম্ভ কৰিলে; ইবিলাকে ক্ৰচডাল মাটিত থৈ হাতত হাতুৰি লৈ, আয়োজন সম্পূৰ্ণ হোৱালৈ অপেক্ষা কৰিলে। সেই একেই নিস্তব্ধতাত নিমগ্ন হৈ জনতাই চাৰিও-ফালে আঠু কাঢ়িলে।

সূৰ্য্যৰ সোণালী প্ৰভাই, চক্ৰাকাৰে শোভা কৰিলে ধৰ্ম্মাচাৰ্য্যৰ মস্তক। নগৰৰ ফালে চাই, তেওঁ থিয় দি ৰ'ল।

তেওঁৰ ভৰিৰ কাষেদি বৈ গৈছে, টাইবাৰ নদী; নদীৰ পাৰত, বহু দূৰত কেম্পাচ্ মাৰ্চিয়াচ—তাৰ ওপৰত উচ্চ শিৰ তুলি আছে, সম্ৰাট অগষ্টাচৰ সুদৃশ্য সমাধি মন্দিৰ। নামনি অংশত নিৰোৱে নিৰ্ম্মাণ কৰোৱা প্ৰকাণ্ড স্নানাগাৰ সমূহ; তাৰ তলত আছে, পম্পেৰ দিনত সজা নাট্যশালা। এইবোৰৰ সিপাৰে, বহু অট্টালিকাৰে শোভিত এখন বিশাল নগৰ। নানা ৰকমৰ স্তম্ভমালাৰে

পৰিবেষ্টিত, এই অট্টালিকাবোৰৰ সন্মুখত থকা গম্বুজবোৰ জিলিকি আছে। ঘৰ আৰু মানুহৰ সীমা সংখ্যা নাই। বিশাল ঠাই এখন জুৰি থকা, শানি নিছিগা ঘৰবোৰত পকৰাৰ দৰে অসংখ্য মানুহ। পাপ আৰু পৰাক্রমৰ লীলাভূমি, উন্মত্ততা আৰু নিয়মানুবৰ্ত্তিতাৰ বশৱৰ্ত্তী, সমগ্র বিশ্বৰ ৰাজধানী আৰু স্বেচ্ছাচাৰিতাৰো প্রতীক—জগতৰ শাসক আৰু আইন প্রণয়নকৰ্ত্তা—এই নগৰীৰ সীমা বিনিকি বিনিকি, দেখিবলৈ পোৱা গভীৰ নীলা সমুদ্রলৈকে বিস্তৃত। অদম্য, অজেয়, সৰ্ব্বশক্তিমান, চিৰন্তন মহানগৰী—ৰোম!

নিজৰ সাম্রাজ্য নিৰীক্ষণ কৰা সম্রাট এজনৰ দৰে, সৈনিকৰ দ্বাৰা পৰিবেষ্টিত পিটাৰে, সেই ঠাইত থিয় হৈ, একান্তমনে ৰোমৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। অৱশেষত তেওঁ কলে, "তুমি মুক্তিলাভ কৰিছা! তুমি মোৰ।"

যন্ত্রণাৰ সৰঞ্জাম প্রস্তুত কৰিবলৈ গাঁত খান্দি থকা কোনো সৈনিকে, বা সেই ঠাইৰ কেউফালে আঠুকাঢ়ি থকা, ভক্তসকলৰ ভিতৰত কোনেও বুজিলে যে, তেওঁলোকৰ সন্মুখত, এই নগৰৰ প্রকৃত শাসক থিয় দি আছে; তেওঁলোকে এতিয়াও বুজা নাই যে ইয়াৰ সম্রাটসকল, ইয়াত থকা বৰ্ব্বৰৰ দলবোৰ, এটা এটাকৈ শেষ হৈ যাব। বহু যুগ পাৰ হৈ যাব; কিন্তু ৰোমত এই বৃদ্ধৰ শাসনৰ মহিমা সময়ৰ শেষ বিন্দুলৈকে অক্ষয় হৈ থাকিব।

ৰক্ত-ৰাগ-ৰঞ্জিত প্রকাণ্ড সূৰ্য্য, এতিয়া অষ্টিয়াৰ দিশলৈ নামি গৈছে, পশ্চিমৰ গোটেই আকাশ নানা ৰঙেৰে চিত্রিত হৈ উঠিছে। সেনাবিলাকে যেতিয়া পিটাৰৰ গাৰ কাপোৰ খুলিবলৈ ওচৰ চাপি আহিল, তেতিয়া তেওঁ হঠাতে পোন হৈ থিয় দিলে, আৰু প্রাৰ্থনা গাই গাই সোঁ-হাতখন ওপৰলৈ দাঙিলে। থত মত খাই, য'তে থিয় দি আছিল, ঘাতকইত তাতে ৰৈ গ'ল আৰু ভক্তবৃন্দই ৰুদ্ধশ্বাসে অপেক্ষা কৰিবলৈ ধৰিলে। পৰিপূৰ্ণ গভীৰ নিস্তব্ধতাৰ মাজত পিটাৰে, সোঁহাতৰ তৰ্জ্জনী আঙুলিটোৰে নগৰৰ, আৰু গোটেই পৃথিবীৰ ওপৰত, ক্রচচিন বিস্তাৰিত কৰি অংকন কৰিলে আৰু আত্মাহুতিৰ চৰম মুহূৰ্ত্তত, সকলোকে আশীৰ্ব্বাদ জনালে।

আশ্চৰ্য্যপূৰ্ণ সেই একেটি সন্ধিয়াতে, আন এদল সৈনিকে, ধৰ্ম্মগুৰু পলক, ওচ্‌ট্রিয়েন্‌চিচ্ পথেদি, "স্বাস্থ্যৰক্ষাৰ জলাধাৰ" নামৰ ঠাইৰ ফালে নিবলৈ ধৰিলে। তেওঁৰ পিচে পিচে শিষ্যসকলো গ'ল। চিনাকি মুখ দেখিলেই তেওঁ কথা পাতিবলৈ ৰৈ যায়। কাৰণ, ৰোমৰ নাগৰিক হিচাবে, তেওঁ লগত থোৱা

সেনাবিলাকৰ পৰা কিছুমান বিশেষ অধিকাৰ দাবি কৰি লব পাৰে। গোটা টাৰ্গিমিনা পাৰ হৈ যোৱাৰ পাচত, ক্লেভিয়াচ্ চেবিনাচ্ নামৰ বিভাগীয় শাসন-কৰ্ত্তা এজনৰ কন্যা এগৰাকীক লগ পালে তেওঁ। তাইৰ কোমল মুখখন চকুপানীৰে ভৰি থকা দেখি তেওঁ কলে, "প্ৰাটিলা! চিৰন্তন মুক্তিৰ দুহিতা তুমি। মই মিনতি কৰিছো, তুমি শান্তিৰে ঘৰলৈ উলটি যোৱা। মাত্ৰ শোক তোমাৰ চাদৰখন দি যোৱা, যাতে প্ৰভুৰ ঘৰলৈ যোৱাৰ সময়ত, সিঁহতৰ হতুৱাই চকু দুটা বন্ধাই লব পাৰো।" তাৰ পিচত দিনটোৰ পৰিশ্ৰমৰ শেষত ঘৰলৈ উলটি যোৱা কৰ্ম্মী এজনৰ দৰে তেওঁ আনন্দ মনেৰে বাবলৈ ধৰিলে। পিটাৰৰ সৈতে, মনে-প্ৰাণে এক হোৱা গতিকে পলেও, সন্ধিয়াৰ আকাশৰ নিস্তব্ধ প্ৰশান্তি অনুভৱ কৰিলে আৰু জিলিকি থকা আলবান্ পাহাৰৰ নামনিৰ সমতল ভূমিৰ ওপৰেদি চকু ফুৰালে। তেওঁ মনত পেলালে, নিজৰ ভ্ৰমণসমূহৰ কথা,—তেওঁৰ পৰিশ্ৰম আৰু তেওঁৰ কষ্টৰ কথা! যিবোৰ সংগ্ৰামত তেওঁ জয়ী হৈছিল, সেইবোৰলৈ মনত পৰিল তেওঁৰ, আৰু মনত পৰিল প্ৰতিখন মহাদেশ, আৰু প্ৰতিখন সমুদ্ৰৰ পাৰত তেওঁ নিৰ্ম্মাণ কৰা গীৰ্জাবোৰলৈ। হয়, শান্তিময় অৱসৰ তেওঁৰ প্ৰাপ্য,—তেওঁ কৰ্ত্তব্য শেষ কৰিছে। ক্ৰোধৰ উন্মাত্তক ধুমুহাই এই বীজ আৰু তেতিয়াও, কোনো দিন ধ্বংস কৰিব নোৱাৰে। সমস্ত জগতে যি যুদ্ধ ঘোষণা কৰিছিল, সেই যুদ্ধত সত্যই,—একমাত্ৰ সত্যই—সদায় জয় লাভ কৰিব বুলি, পৰিপূৰ্ণ বিশ্বাস মনত লৈ, তেওঁ ইহ জগত ত্যাগ কৰিবলৈ সাজু হৈছে। এনে উপলব্ধি মনলৈ অহাত গভীৰ শান্তিৰে তেওঁৰ হৃদয় ভৰি উঠিল।

দীঘলীয়া পথ। লাহে লাহে সন্ধ্যা নামি আহিছে। পাহাৰবোৰে এতিয়া কজ্জলা বৰণ ধাৰণ কৰিছে; পাদদেশত থকা ছাঁবোৰ, ক্ৰমে গভীৰ হৈ আহিছে। ভেৰাবোৰ দলে দলে ঘৰলৈ উলটিছে; গৃহাভিমুখী দাসবোৰে নিজৰ সাজ-সৰঞ্জাম-বোৰ কান্ধত তুলি লৈছে, আৰু বাটৰ কাষৰ ঘৰৰ সন্মুখত খেলি থকা ল'ৰা-ছোৱালীবোৰে, মাজে মাজে দলটোৰ বাট ভেটি ধৰিছে। গধূলিৰ এই দৃশ্যৰ মাজত—বৰ্ণবৰ্ণা প্ৰকৃতিৰ স্বচ্ছ, উজ্জ্বল, গভীৰ শান্তিময় ৰূপৰ অন্তৰালত, পলে উপলব্ধি কৰিলে, পৃথিৱী আৰু স্বৰ্গৰ মাজত যেন আচৰিত ভাৱে একেটি সুৰ স্পন্দিত হৈছে। এই অনুভূতিয়ে মনত ঠাই লোৱাৰ লগে লগে আনন্দত তেওঁৰ প্ৰাণ ভৰি উঠিল। বিশ্ববীণাৰ সুৰৰ লগত এটা নতুন সুৰৰ সংযোজন কৰাত

অংশ গ্ৰহণ কৰিছে, তেওঁ—যি স্বৰ অভাৱত, ইমান দিনে পৃথিবীখন আছিল, “চঙং চঙং কৈ বাজি থকা পিতলৰ বাদ্য নাইবা টিঙংটিঙাই থকা, তাল এযোৰৰ দৰে।”

তাৰ পাচত, তেওঁৰ মনত পৰিল গোটেই জীৱন কিভাবে তেওঁ প্ৰেমৰ বাৰ্ত্তা প্ৰচাৰ কৰিছিল, কিদৰে তেওঁ সদায় সকলোকে জনাইছিল যে, মানুহে দুখীয়াক সকলো দিও যদি সহায় কৰে, আৰু প্ৰতিটো ৰহস্য উদ্‌ঘাটন কৰিব পৰা শক্তিও যদি আজি লয়, তথাপিও, প্ৰেমৰ অবিহনে সকলো অন্তঃসাৰশূণ্য। এইয়ে সেই প্ৰেম—য'ত আছে ধৈৰ্য্য, নম্ৰতা, উদাৰতা,—য'ত অহঙ্কাৰৰ মত্ততা নাই—যি কাৰো দোষ নধৰে, যি সকলো সহ্য কৰে, সকলোকে বিশ্বাস কৰে, আশা নেহেৰুৱায়—যি বাধাহীন আৰু চিৰন্তন! হয়, প্ৰেমৰ শিক্ষা দান কৰিয়েই তেওঁ জীৱন অতিৰ হিত কৰিলে। তেওঁৰ অন্তৰাত্মাই জনালে, “প্ৰেমক পৰাজয় কৰিব কিহে? কি শক্তিয়ে বাধা দিব তাক? কিহে তাক শেষ কৰিব? চিজাৰৰ সৈন্য, নগৰ, সাগৰ, দেশ আৰু জনশক্তি দুগুণে বাঢ়িলেও, প্ৰেমৰ শক্তিক প্ৰতিৰোধ কৰিব পাৰিবনে?”

এইদৰে জয়যুক্ত হৈ, পল আগবাঢ়ি গল—তেওঁৰ কামৰ পুৰস্কাৰ লাভ কৰিবলৈ।

অৱশেষত, সমদলটোৱে প্ৰধান ৰাজপথ এৰি পশ্চিমৰ ফালে ঘূৰি, ঠেক বাট এটাৰে, “স্বাস্থ্যৰক্ষাৰ জলাধাৰ” অভিমুখে যাবলৈ ধৰিলে। দূৰ পৰা ঠাইখনৰ ওপৰত, সূৰ্য্যৰ গোলাপী আভা জিলিকি উঠিছে। নিজৰাৰ উৎস য'ত আছে তাৰ কাষতে সেনাধ্যক্ষই তলতীয়া মানুহবোৰক ৰখালে। ভয়ঙ্কৰ মুহূৰ্ত্ত উপস্থিত হ'ল। চকু বান্ধি লবলৈ, প্লটিনাই দিয়া চাদৰখন কাষত পেলাই দৈ, পলে শেষবাৰৰ কাৰণে, সন্ধিয়াৰ জ্যোতিলৈ চাই ললে আৰু তাৰ পাচত তেওঁ প্ৰাৰ্থনাত মগ্ন হ'ল। তেওঁৰ সময় উপস্থিত। চকুৰ আগত তেওঁ দেখিলে, অস্তাচলৰ বহুদূৰ বিস্তীৰ্ণ পথ—যি পথ, স্বৰ্গাভিমুখে গৈছে। অন্তৰৰ গভীৰ কোণৰ পৰা তেওঁ পুণৰাবৃত্তি কৰিলে, সেই বাক্য—আসন্ন মৃত্যুৰ সন্মুখত থিয় দিও, কৃতকৰ্ম্মৰ সফলতা, মনে-প্ৰাণে অনুভৱ কৰি, যি বাক্য লিপিবদ্ধ কৰি গৈছে তেওঁ:

“মই মহৎ সংগ্ৰাম কৰিলো, মই ধৰ্ম্ম অক্ষুণ্ণ ৰাখিলো, মই মোৰ জীৱন যাত্ৰা সফল কৰিলো। এতিয়া মোৰ বাবে আচুতীয়া হৈ আছে, ন্যায়পৰায়ণতাৰ অকলুষ ৰাজমুকুট।”

॥ ২৯ ॥

বোম নগৰ সদায় উত্তপ্ত অৱস্থাতে আছিল। বিশ্ব বিজয়িনী বোম এতিয়া নিজৰ ভিত্তি কটাত ব্যস্ত হৈ পৰিছে। শাসকৰ অভ্যাৰক্ত ই নষ্ট হবলৈ ধৰিছে। ধৰ্ম্মগুৰু দুজনৰ শেষ সময় উপস্থিত হোৱাৰ পূৰ্ব্বেই, পিচোৰ ষড়যন্ত্ৰ আৰম্ভ হৈছিল। ইয়াৰ পাচত, ইমান নৃশংসভাৱে উচ্চ বংশৰ মানুহবোৰৰ শিৰচ্ছেদ হবলৈ ধৰিলে যে, যিবিলাকে নিৰোক ইমান দিনে, ভোগ বিলাসৰ দেৱতা বুলি জানিছিল, সেইবিলাকে এতিয়া তেওঁক মৃত্যুৰ দেৱতাৰ বাহিৰে আন একো বুলি ভাবিব নোৱাৰিলে। নগৰখনত শোক দুখৰ ৰাজত্ব চলিল। প্ৰতিখন ঘৰৰ প্ৰতিটো হৃদয়তে ত্ৰাসৰ কপঁনি উঠিল। কিন্তু ৰাজসিক আড়ম্বৰপূৰ্ণ অট্টালিকাবোৰত থকা, স্তম্ভমালাৰে পৰিবেষ্টিত মুকলি কক্ষবোৰ চকুত পৰাকৈ, ফুলেৰে সজাই, আইভিলতাৰ মালাৰে মেৰিওৱা হ'ল। কাৰণ কোনো প্ৰকাৰৰ শোকৰ চিন প্ৰকাশ কৰা নিষেধ আছিল। প্ৰতিদিনে ৰাতিপুৱা উঠিয়ে, ইজনে সিজনক সোধে,—আজি কাৰ পাল। চিজাৰৰ ৰথৰ পিচফালে বান্ধি চোঁচোৰাই নিয়া প্ৰেতৰ সমদল যাত্ৰা, ক্ৰমান্বয়ে বৃদ্ধি পালে।

ষড়যন্ত্ৰত লিপ্ত হোৱাৰ বাবে, পিচোৰ মূৰ কটা গ'ল। তাৰ পাচত চেনেকা, লুচান, কেনিয়াচ্‌ ৰুফাচ্‌, প্লটিয়াচ লেটেৰেনাচ্‌, স্কভিযাচ স্কিভিনাচ, আফ্ৰানিয়াচ্‌ কুইনেটিয়ানাচ, টিউলিয়াচ্‌ চেনেচিও, প্ৰকুলাচ এৰাৰিকাচ, চুব্ৰিয়াচ্‌ গ্ৰেক্লাচ, চালপিচিয়াচ এচ্‌পাৰ আৰু বহুতৰে এই দশা হ'ল। ইয়াৰে কিছুমান নিজৰ দুৰ্ব্বাসনাৰ, নিজৰ ধন সম্পদ আৰু কাপুৰুষালিৰ বাবে বলি হ'ল। কিছুমান বলি হল মৰ সাহৰ বাবে। ষড়যন্ত্ৰকাৰীৰ সংখ্যালৈ ভয় কৰি, চিজাৰে নগৰৰ প্ৰাচীৰ সৈন্যৰে পৰিবেষ্টিত কৰি, গোটেই নগৰ সামৰিক আইনৰ অধীন কৰিলে। প্ৰতিদিনে সেনাধ্যক্ষইতে সন্দেহযুক্ত ব্যক্তিক মৃত্যুদণ্ড দিবলৈ নিয়ে; অপৰাধী সকলে নীচ চাটুকাৰৰ দৰে, চিজাৰলৈ স্তুতি, মিনতি কৰি চিঠি লেখি, তেওঁলোকক দিয়া প্ৰাণদণ্ডৰ বাবে ধন্যবাদ জনায় আৰু নিজৰ সম্পত্তিৰ এক অংশ চিজাৰক দান কৰি থৈ যায়,—যাতে বাকী অংশ ল'ৰা-ছোৱালীৰ বাবে সাচঁতীয়া হৈ থাকে। নিৰোৰ কাণ্ড কাৰখানাবোৰলৈ লক্ষ্য কৰিলে ধাৰণা হয়, তেওঁ যেন ইচ্ছা কৰিয়ে, সীমা চেৰাই গৈছে,—মানুহৰ নীচতা কিমানদূৰ যাব পাৰে, আৰু তেওঁৰ ৰক্তাক্ত আইন সহ্য কৰিবলৈ সিহঁতৰ ধৈৰ্য্য কিমান, তাৰ পৰীক্ষা চাবৰ বাবে।

ষড়যন্ত্ৰকাৰীবোৰৰ লগতে, তেওঁলোকৰ মিত্তিৰ-কুটুম, আৰু বন্ধু-বান্ধৱকো নিৰ্ম্মূল কৰা হল। অগ্নিকাণ্ডৰ পাচত সজা, সুদৃশ্য অট্টালিকাৰ বাসিন্দাসকলে, সদায় নিঃসন্দেহে কব পাৰিছিল যে ঘৰৰ পৰা বাহিৰলৈ ওলালেই, শৱযাত্ৰীৰ লানি নিছিগা সমদল দেখিবলৈ পাব। পম্পে, কৰ্ণেলিয়াচ্ মাৰ্টিয়ালিচ্, ফ্লেভিয়াচ্ নেপোচ্, আৰু ষ্টেটিয়াচ্ ডোমিটিয়াচে প্ৰাণ হেৰুৱালে—যথেষ্ট পৰিমাণে চিজাৰৰ অনুৰক্ত বুলি পৰিগণিত নোহোৱাৰ কাৰণে। চেনেকাৰ লগত বন্ধুত্ব আছিল বাবে, নোভিয়াচ্ প্ৰিচকাচক শেষ কৰি থোৱা হল। কফিয়াচ্ ক্ৰিচ্পাচক পানী আৰু জুলোৱা খৰি পোৱাৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল, কাৰণ আগতে তেওঁ, পপিয়াৰ স্বামী আছিল। মহান থ্ৰেচিয়াচৰ পতন ঘটিল, গুণী আৰু ধাৰ্ম্মিক হোৱাৰ বাবে। সম্ভ্ৰান্ত ঘৰৰ সন্তান বুলি বহুতে প্ৰাণ হেৰুৱালে। আনকি, পপিয়াও চিজাৰৰ সাময়িক উন্মত্ততাৰ বলি হল।

চিনেটো সেও হৈ থাকিল,—এই ভয়ানক সম্ৰাটজনৰ ওচৰত। তেওঁৰ সন্মানৰ অৰ্থে মন্দিৰ সজালে, তেওঁৰ কণ্ঠস্বৰ ভালে ৰাখিবলৈ, দেৱতাসকলক খাটিলে, তেওঁৰ প্ৰতিমূৰ্ত্তিত মালা পিন্ধালে আৰু তেওঁৰ বাবে আচুতীয়াকৈ বলি-বিধান কৰিবলৈ, পূজাৰীও নিযুক্ত কৰিলে,—যেন তেওঁওপ্ৰ কৃতত্তে এজন দেৱতাই। তদুপৰি অন্তৰত ভয়ানক আতঙ্ক লৈ, চিনেটৰ সভ্যদল পেলেটাইনলৈ গৈ, ৰজাক স্তুতি কৰি, সমস্বৰে গীত জুৰিলে, আৰু তেওঁৰ কামুকতা, পানোন্মত্ততাৰেপূৰ্ণ পুষ্পপুঞ্জ শোভিত আসুৰিক উৎসৱত ভাগ লবৰ বাবে, আগ্ৰহেৰে বাট চালে।

কিন্তু পিটাৰে তেজ আৰু চকুলোৰে তিতি থকা সীৱলু ভূমিত যি বীজ সিচিলে, সি ধীৰে ধীৰে অঙ্কুৰিত হৈ, চকুত লগাকৈ বাঢ়ি যাবলৈ ধৰিলে।

। ৩০ ।

ভিনিকিয়াচে পেট্ৰোনিয়াচলৈ লেখা পত্ৰলিপি:

মৰমৰ বন্ধু,

'আনকি ইয়াতো আমি সময়ে সময়ে জানিবলৈ পাইছো, ৰোমত কি ঘটিছে। তোমাৰ চিঠিয়ে আমাক আৰু বহুত কথা জনাইছে। তুমি সুধিছা, আমি নিৰাপদে

আছোনে নাই। তাৰ উত্তৰত মই জনাওঁ,—আমাক প্ৰতিজন মানুহেই পাহৰি পেলাইছে। এইয়ে যথেষ্ট।

ভূমধ্যসাগৰৰ আগুৱা যিখিনি মুকলি ঠাইত বহি, মই তোমালৈ এই চিঠি লেখিছো, তাৰপৰা চাই পঠিয়ালে, এখন শান্তিপূৰ্ণ উপকূল চকুত পৰে,—য'ত উৰচাচে এতিয়া পৰিষ্কাৰ পানীত জাল পেলাইছে। মোৰ কাষতে বহি, মোৰ পত্নীয়ে ৰঙা উল সূতা এনেছা হাতেৰে পকাই আছে। বাগিছাবিলাকৰ বাদাম গছৰ ছাঁত কাম কৰি থকা আমাৰ দাসবোৰে গীত গাইছে। সকলোতে শান্তি বিৰাজ কৰিছে। বন্ধু! পূৰ্ব্বৰ দুখ, যন্ত্ৰণা, আমি সকলো পাহৰিলো। তোমালোকৰ ভাগ্যদেৱীসকলে আমাৰ জীৱনৰ সূতাবোৰ শান্তিৰ শালত নিয়াৰিকৈ বৈ থকা নাই। খৃষ্টই,—আমাৰ প্ৰভু খৃষ্টইহে— তেওঁৰ আশীৰ্ব্বাদ বৰ্ষণ কৰি শান্তিৰে আমাক জীয়াই ৰাখিছে।

সঁচা, এতিয়া আমি জানো, শোক আৰু চকুলো কি বস্তু! কাৰণ আমাৰ ধৰ্ম্মই আনৰ দুখত চকুলো টুকিবলৈ শিকায়। কিন্তু এইদৰে কান্দিও যে শান্তি পোৱা যায়, সেই কথা তোমালোক অখৃষ্টিয়ানবোৰে উপলব্ধি কৰিব নোৱাৰা। আমাৰ বাবে নিৰ্দ্ধাৰিত থকা জীৱনকাল, যিদিনা শেষ হব, সেইদিনা আমাৰ স্নেহৰ পাত্ৰসকলৰ সৈতে পুণৰ মিলন ঘটিব,—যিসকলে পবিত্ৰ ধৰ্ম্মৰ বাবে আত্মবলিদান দিলে আৰু যিসকলে আত্মোৎসৰ্গৰ বাবে প্ৰস্তুত হৈ আছে।

এইদৰে মনৰ শান্তিৰে আমাৰ দিন আৰু মাহবোৰ পাৰ হৈ গৈছে; আমাৰ দাস আৰু অনুচৰ বৰ্গইও খৃষ্টক বিশ্বাস কৰে, খৃষ্টৰ আদেশ মানি, আমি সিঁহতক ভাল পাওঁ, আৰু সিঁহতেও আমাক ভাল পায়। যেতিয়া সূৰ্য্য অস্ত যায়,—জোনৰ পোহৰত যেতিয়া ঢৌবোৰ ৰূপালী হৈ উঠে,—তেতিয়া লিজিয়া আৰু মোৰ প্ৰায় মনত পৰে, পুৰণি দিনবোৰলৈ! সকলো যেন সপোন! যেতিয়াই মনত পৰে, কিদৰে এদিন মোৰ প্ৰিয়া, যন্ত্ৰণা আৰু মৃত্যুৰ একেবাৰে কাষ চাপি গৈছিল, তেতিয়া প্ৰভুৰ মহিমা কীৰ্ত্তনত, মোৰ সমগ্ৰ আত্মা নিমগ্ন হয়। একমাত্ৰ তেৱেঁ লিজিয়াক ৰক্ষা কৰি চিৰদিনৰ বাবে মোৰ হাতত সমৰ্পণ কৰিলে।

তুমিও টাৰ্চাচৰ পলক চিনি পোৱা আৰু আগতে তেওঁৰে সৈতে, দীঘলীয়া আলোচনাও কৰিছিলা। গতিকে আনতকৈ তুমি বেচি ভালদৰে বুজিবা যে, তেওঁ দিয়া শিক্ষাৰ লগত তুলনা কৰিলে, তোমালোকৰ দাৰ্শনিক আৰু বক্তাসকলৰ কথা-

বোৰ, একেবাৰে মূল্যহীন আৰু অন্তঃসাৰশূণ্য গুঞ্জন যেন লাগিব। মনত পেলোৱা, তেওঁৰ এটা প্ৰশ্ন: "চিকাৰ খৃষ্টিয়ান হোৱা হলে, তুমি জীৱনত অধিক নিৰাপত্তা— নিজৰ যি আছে তাক ৰক্ষা কৰাৰ অধিক নিশ্চয়তা, নিজকে বেচি ভয়মুক্ত—ভৱিষ্যত সম্বন্ধে বেচি আশ্বস্ত নহলাহেঁতেন নে?" তুমি মোক কৈছিলা যে, খৃষ্টিয়ানৰ সত্য, জীৱন উপভোগৰ শত্ৰু। ইয়াৰ উত্তৰত মই জনাওঁ,—এই চিঠিৰ আৰম্ভণিৰ পৰা শেষলৈকে, "মই সুখী"—মাত্ৰ এই দুটা শব্দকে বাৰে বাৰে লেখা হলেও, মই যে কি সুখত সুখী, তাৰ অতি সামান্য আভাসহে তোমাক দিব পাৰিলোহেঁতেন।

হয়তো তুমি কবা,—লিজিয়াই এই সুখৰ কাৰণ। তোমাৰ ধাৰণা নির্ভুল; কাৰণ, তেওঁৰ অমৰ আত্মাক মই ভাল পাওঁ আৰু যীশু প্ৰেমৰ মাধ্যমেৰে আমাৰ প্ৰাণ এক সূত্ৰে গঁথা। যেতিয়া যৌৱন আৰু সৌন্দৰ্য্য শেষ হব, যেতিয়া আমাৰ দেহ মৰহি শুকাই যাব, আৰু দুৱাৰত মৃত্যুৰ কৰাঘাত পৰিব, তেতিয়াও আমাৰ প্ৰেম জীয়াই থাকিব। কাৰণ আত্মা অবিনাশী। খৃষ্টধৰ্মই মোৰ জ্ঞান চকু মুকলি কৰাৰ আগতে, লিজিয়াক পাবৰ কাৰণে মই আনকি নিজৰ ঘৰতো জুই লগাই দিবলৈ প্ৰস্তুত আছিলো। কিন্তু এতিয়া মই বুজিছো, অতীতৰ সেই দিন-বোৰত, মই তেওঁক প্ৰকৃততে ভাল পোৱা নাছিলো। হয়, তাক প্ৰেমৰ সত্তাৰূপ বোলা নাযায়। কাৰণ, প্ৰেম কি বস্তু, তেতিয়ালৈকে খৃষ্টেই মোক শিকোৱা নাছিল।

হয়, একমাত্ৰ খৃষ্টই হ'ল সুখৰ চিৰন্তন উৎস, আৰু আত্মাৰ শান্তি প্ৰদায়ক। তোমালোকৰ আনন্দৰ মাজত যন্ত্ৰণা আছে, তোমালোকৰ আসুৰিক উৎসৱবোৰ ভৱিষ্যতৰ অনিশ্চয়তাৰে পূৰ্ণ আৰু তোমালোকৰ ভোজ মেলবোৰ, অন্ত্যেষ্টিক্ৰিয়াৰ ভোজৰ দৰে। আমাৰ খৃষ্টিয়ানসকলৰ জীৱনধাৰাৰ লগত, তাৰ তুলনা কৰি চোৱা-চোন। যদি ভালদৰে তুলনা কৰি চাব খোজা, তেন্তে আমাৰ থাইম্ বনেৰে পূৰ্ণ পাহাৰবোৰলৈ,—আমাৰ জলকাই গছৰ ছাঁ ভৰা শান্তি নিকেতনলৈ, আৰু আই-ভিলতাৰে শোভিত, মনোৰম উপকূলভূমিলৈ, এবাৰ আহি যোৱা। তুমি আহি দেখিবা দুটি হৃদয়ে তোমাৰ বাবে অপেক্ষা কৰি আছে,—যি তোমাক সঁচাকৈয়ে ভাল পায়। তুমি সৎ আৰু মহৎ। তোমাৰ দৰে মানুহ সুখী হোৱা উচিত। সত্য উপলব্ধি কৰিব পৰা মন এটাও আছে তোমাৰ; আমি যি সত্যক আদৰ কৰো, তুমিও হয়তো শেষত তাকে আদৰি লবা। মানুহে সত্যৰ দ্ৰোহ আচৰণ কৰিব পাৰে,—

চিজাৰ আৰু টাইগেলিনাচৰ দৰে; কিন্তু কোনো মানুহেই সত্তাক আওকাণ কৰি, জীৱন কটাব নোৱাৰে। গতিকে মোৰ অতি মৰমৰ পেট্ৰোনিয়াচ! তোমাৰ লগত সোনকালে দেখা হ'ব বুলি ভাবি, লিজিয়া আৰু মই অতিশয় আনন্দিত হৈছো। তুমি যেন সদায় ভাগ্যৱান আৰু স্বাস্থ্যৱান হোৱা। অতি শীঘ্ৰে ইয়ালৈ যেন এবাৰ আহি যোৱা।

এই চিঠিখন, পেট্ৰোনিয়াচে কিউমি নামৰ ঠাইত থাকোঁতে পাইছিল। চিজাৰৰ লগত, তেওঁ সেই ঠাইত আছিল গৈ। ভাবুকীয়া, বহুৱা আৰু ৰথ-চালকৰ ৰূপ লৈ, চিজাৰ ক্ৰমান্বয়ে অধঃপতনলৈ ঢাল খাইছিল; লজ্জাজনক, অসুস্থ আৰু নীচ ব্যভিচাৰৰ মাত্ৰাও দিনে দিনে চৰি গৈছিল। দিন যোৱাৰ লগে লগে, সুৰুচিসম্পন্ন "ৰূপলাৱণ্যৰ বিচাৰকজন", তেওঁৰ পথৰ কণ্টক বুলি বিবেচিত হৈছিল। যেতিয়া পেট্ৰোনিয়াচ নীৰৱে বহি থাকে, তেতিয়াই নিৰোৱে তাক গৰিহণা বুলি ধৰি লয়। পেট্ৰোনিয়াচে যেতিয়া কোনো কথাত হয়ভৰ দিয়ে, তেতিয়া নিৰোৰ মনলৈ আহে, তেওঁৰ স্তুতি বাক্যৰ মাজত বিদ্ৰুপ লুকাই আছে। মূঠৰ ওপৰত, এই উচ্চবংশীয় সুৰুচিপূৰ্ণ মানুহজনে চিজাৰৰ অহঙ্কাৰক জোকাই লোৱাৰ লগতে হিংসাৰ ভাবো জগাই তুলিছিল। হয়াৰ উপৰিও; পেট্ৰোনিয়াচৰ ঐশ্বৰ্য্য বিভূতি, আৰু মূল্যৱান শিল্পসম্পদ সমূহত, তেওঁৰ প্ৰভুৰ আৰু প্ৰভুৰ সৰ্ব্বশক্তিমান মন্ত্ৰীজনৰ লুভীয়া চকু বেচকৈ পৰিছিল। একিয়া-অভিযানৰ দিন ওচৰ চাপি অহাৰ বাবে, ইমান দিনে তেওঁলোক দুয়ো, পেট্ৰোনিয়াচৰ পাণ্ডিত্যক সহ্য কৰি আছিল। গ্ৰীক কলা, সংস্কৃতি বিষয়ত, তেওঁৰ ৰুচি আৰু অভিজ্ঞতা কামত আহিব বুলি তেওঁলোকে ধাৰণা কৰি লৈছিল। কিন্তু টাইগেলিনাচে চিজাৰক সাধ্য অনুসৰি বুজাবলৈকো চেষ্টা কৰিছিল যে, সুৰুচি আৰু সামৰ্থ্যত, কেৰিনাচ্ পেট্ৰোনিয়াচতকৈ শ্ৰেষ্ঠ। আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল এইয়ে যে, ক্ৰীড়া পৰিচালনা আৰু আদৰ অভ্যৰ্থনাত এইজন মানুহ সিদ্ধহস্ত। গ্ৰীচযাত্ৰা গৌৰৱপূৰ্ণ কৰি তোলাৰ যোগ্যতা আছে, তেওঁৰ। যি মুহূৰ্ত্তত চিজাৰৰ মূৰত এইকথা সোমাল, সেই মুহূৰ্ত্তৰে পৰা, পেট্ৰোনিয়াচৰ অৱস্থা সংকটপূৰ্ণ হ'ল। কিন্তু তেওঁৰ মৃত্যুদণ্ড বোমত দিলে, বিপদজনক হ'ব বুলি দুয়ো জানে। চিজাৰ আৰু টাইগেলিনাচ্ দুয়ো বহুত বিষয়ে চিন্তা কৰি চাই, এই কথা বুজি পালে। বাহিক দিন কৰিব পৰা, আমোদ-প্ৰমোদ, শিল্পকলা, আৰু প্ৰমদা-

বিলাসৰ বাহিৰে কোনো কথা নভবা, নাৰীশুলভ কোমলতাৰে ভৰা যেন লগা এই মানুহজনে, বিথাইনিয়াৰ শাসনকৰ্ত্তাৰ ভাৰ আৰু পাচত ৰোমত বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰি, আচৰিত কৰ্ত্তব্যনিষ্ঠা আৰু অসাধাৰণ উদ্যমৰ পৰিচয় দিছিল। সকলো বিষয়তে তেওঁৰ পাৰদৰ্শিতা আছে বুলি আটাইয়ে জানে; আনকি ৰক্ষী বাহিনীয়েও তেওঁক ভাল পায়। ক্ষেত্ৰ বিশেষে, পেট্ৰোনিয়াচে কেনে সিদ্ধান্ত লৈ কামত প্ৰবৃত্ত হয়, এই কথা কোনেও আগতীয়াকৈ কব নোৱাৰে। চিজাৰৰ অন্তৰঙ্গ ব্যক্তিয়ে তাৰ আগজাননী, কোনোপধ্যে পাব নোৱাৰে। প্ৰথমতে নগৰৰ-পৰা কৌশলেৰে তেওঁক আঁতৰাই নিয়াই বুদ্ধিমানৰ কাম হব। তাৰ পাচত আন ঠাইত তেওঁৰ ওপৰত আক্ৰমণ চলোৱা যাব।

গতিকে, আন অগষ্টান সকলৰ লগতে তেওঁকো কিউমি দৰ্শন কৰিবলৈ, নিমন্ত্ৰণ জনোৱা হ'ল। কিবা ফন্দী থকাৰ উমান পাইও, তেওঁ এই নিমন্ত্ৰণ ৰক্ষা কৰিলে। দেখাদেখিকৈ প্ৰতিৰোধ কৰাৰ প্ৰয়োজন নাই বুলিয়ে হয়তো, তেওঁ আপত্তি নকৰিলে। হয়তো আকৌ এবাৰ চিজাৰ আৰু অন্যান্য অগষ্টানক দেখুৱাব খুজিলে—এখন প্ৰফুল্ল, নিৰ্ব্বিকাৰ মুখ। এইদৰে টাইগেলিনাচক শেষ-ৱাৰলৈ পৰাস্ত কৰিব খুজিলে, তেওঁ।

ৰোম এৰি যোৱাৰ লগে, লগে টাইগেলিনাচে তেওঁক দোষী সাব্যস্ত কৰিলে—চিনেটৰ সভা স্কিভিনাচৰ তেওঁ বন্ধু আছিল বুলি অজুহাত দেখুৱাই। আগতে হৈ যোৱা নিষ্ফল ষড়যন্ত্ৰৰ মূলতে আছিল, এই স্কিভিনাচ্। ইয়াৰ ফলত, ৰোমত থকা পেট্ৰোনিয়াচৰ অনুচৰবৰ্গক, বন্দীশালত নিক্ষেপ কৰি তেওঁৰ প্ৰধান বাস-ভৱনৰ কেউফালে সৈন্যেৰে ঘেৰি পেলোৱা হ'ল। এই কথাত অকণো বিচলিত নহৈ, কিউমিত থকা তেওঁৰ চমৎকাৰ প্ৰমোদ ভৱনত, অগষ্টানসকলক অভ্যৰ্থনা জনাওঁতে, তেওঁ হাঁহিমুখেৰে কলে, "এহেনোবাৰ্বাচে পোনপটীয়া প্ৰশ্ন ভাল নাপায়; গতিকে, যেতিয়া মই তেওঁক সুধিম, তেৱেঁই মোৰ ঘৰৰ মানুহবোৰক ফাটেকত ভৰাইছে নেকি, তেতিয়া আপোনালোকে তেওঁৰ মুখৰ অৱস্থালৈ ভালদৰে মন কৰিব।"

তাৰ পাচত তেওঁ সকলোকে জনালে—পুণৰ দেশ ভ্ৰমণলৈ ওলোৱাৰ পূৰ্ব্বে, সঙ্গীবৃন্দক তেওঁ ভোজলৈ নিমন্ত্ৰণ কৰিব। এই উৎসৱৰ আয়োজন চলি থাকোঁতে, তেওঁ ভিনিকিয়াচৰ চিঠিখন পালে।

চিঠি পঢ়াৰ পাচত, কেইমুহূৰ্ত্তমান তেওঁ গভীৰ চিন্তাত মগ্ন হ'ল। কিন্তু তাৰ পিছতে চিন্তা দূৰ কৰি, তেওঁ সেই একে দিনাই, সন্ধিয়া পৰত, উত্তৰ দিবলৈ বহিল :

বন্ধু,

তোমাৰ সুখত মই আনন্দ লাভ কৰিছো আৰু তোমাৰ হৃদয়ৰ মাহাত্ম্যৰ শলাগ লৈছো। দুটি কপোতকপোতীয়ে আন কাৰোবাৰ কথা ভাবিব পাৰে বুলি, মই কল্পনাই কৰা নাছিলো। দূৰৰ বন্ধুৰ কথাতো বাদেই। কিন্তু পাহৰাতো দূৰৈৰ কথা, তোমালোকে চিচিলিলৈ মোক নিমন্ত্ৰণকে জনাইছা। তোমালোকৰ প্ৰতিদিনৰ আহাৰ্য্যৰ ভাগ লোৱাৰ লগতে, যি খৃষ্টই তোমালোকক অজস্ৰ আশীৰ্ব্বাদেৰে পূৰ্ণ কৰিছে বুলি জনাইছা, সেই খৃষ্টৰ সান্নিধ্য আংশিকভাৱে লাভ কৰিবলৈ, মোক নিমন্ত্ৰণ কৰিছা।

সেয়ে যদি হয়, তেওঁক সকলো প্ৰকাৰে বন্দনা কৰা। আনহাতে, মই এটা কথা লুকুৱাব নোখোজো; মই ভাবো, লিজিয়াক উদ্ধাৰ কৰাত উৰচাচৰ সম্পূৰ্ণ হাত আছিল, আৰু লগতে ৰোম বাসীয়েও এই কামত সহায় কৰিছে। কিন্তু, যিহেতু তুমি একমাত্ৰ খৃষ্টকে সহায়, সাৰথি বুলি ভাবি লৈছা, সেই বাবে মই তোমাৰ ভাবৰ বিৰোধিতা নকৰো। তোমাৰ দেৱতাজনলৈ বলিদান দিয়াত কাৰ্পণ্য নকৰিবা। মানৱজাতিৰ মংগলৰ বাবে, প্ৰমিথিয়ুচে আত্মবলিদান দিছিল, আৰু তুমি কোৱামতে, খৃষ্টও আছিল, তেনে এজন ব্যক্তি। অৱশ্যে, প্ৰমিথিয়ুচ্‌ কবিকুলৰ আবিষ্কাৰ যেনেহে লাগে। কিন্তু যিসকল বিশ্বাসযোগ্য পুৰুষ, সেইসকলে, মোক দৃঢ়তাৰে জনাইছে যে, খৃষ্টক তেওঁলোকে নিজ চকুৰে দেখিছিল, এই পৃথিৱীৰে মানুহৰ ৰূপত। মই তোমাৰ লগত একমত হৈ জনাওঁ, খৃষ্ট সৰ্ব্বশ্ৰেষ্ঠ, প্ৰত্যক্ষ দেৱতা। হয়, পলৰ প্ৰশ্নটো মোৰ বেচ মনত আছে। মই মনে-প্ৰাণে উপলব্ধি কৰিছো যে, এহেনোবাৰ্‌বাচে খৃষ্ট ধৰ্ম্মৰ আদেশ মানি চলা হলে, মই চিচিলিত তোমালোকৰ লগত দেখা কৰিবলৈ সময় পালোহেঁতেন। তাৰ সমুদ্ৰ উপকূলত, আৰু ছায়াবৃত ঠাইত একেলগে বহি, আমি দেৱতাসকলৰ বিষয়ে আৰু সত্যাসত্য সম্বন্ধে, দীঘলীয়া আলোচনাও কৰিব পাৰিলোহেঁতেন। গ্ৰীকসকলৰ পৰা পোৱা জ্ঞানৰ কথাবোৰ, ভাবি চালোহেঁতেন। কিন্তু, আজি তোমাৰ চিঠিৰ উত্তৰ চমু কৰিবলৈ বাধ্য হলো।

মাত্র দুজন দাৰ্শনিকক মই মানো। তাৰে এজন হ'ল, পিৰো আৰু আনজন এনেক্সেমেন। বাকী খিনিকল আছে, সেইসকলক মই বেচি মূল্য নিদিওঁ। তেওঁ-লোকৰ কথা তুমি ভাবিবা। গ্ৰীক আৰু ৰোমান ষ্টোইক দাৰ্শনিক সম্প্ৰদায়কো মই বিশেষ মূল্য নিদিওঁ। সত্য য'ত আছে, সেই ঠাই ইমান অগম্য যে, অলিম্পাচৰ শিখৰৰ পৰা, আনকি দেৱতাসকলেও তাক চকুৰে নমনে। তোমা-লোকৰ অলিম্পাচ বেচি উচ্চ যেন অনুমান হয়। তাৰ সৰ্ব্বোচ্চ শৃঙ্গত থিয় দি, তুমি মোক চিঞৰি কৈছা, 'ইয়ালৈ উঠি আঁহা, মই তোমাক এনে কিছুমান বস্তু দেখুৱাম, যি তোমাৰ সপোনৰো অগোচৰ।' হয়তো তুমি দেখুৱাবা। কিন্তু মোৰ উত্তৰ হব, 'মোৰ বন্ধু, মোৰ যে ভৰিয়েই নাই, উঠি যাবলৈ।' এই চিঠি পঢ়ি শেষ কৰাৰ পাচত, তুমি মোৰ কথা সঁচা বুলি জানিব পাৰিবা।

হে জ্যোতিৰ্ম্ময়ী উষাৰ ভাগ্যৱান স্বামী! তোমাৰ ধৰ্ম্মমত মোৰ বাবে নহয়। এই মত গ্ৰহণ কৰা হলে, মই মোৰ বিথাইনিয়াৰ ভাৰী কেইটাক, আৰু মিছৰীয় ৰান্ধনি কেইটাকো ভাল পাবলৈ বাধ্য হলোহেঁতেন। হয়নে নহয়? এহেনোবাৰ্‌বাচ আৰু টাইগেলিনাচকো ভাল পাব লগা হ'লহেঁতেন। শুভ্ৰকান্তিৰ গ্ৰেচ দেৱীসকলৰ শপত খাই কৈছো, মই যিমানেই ইচ্ছা নকৰো লাগিলে, ইমান দূৰলৈ কেতিয়াও নোৱাৰো যাব। ৰোমতো নিশ্চয় সহস্ৰ মানুহ আছে—যাৰ কান্ধবোৰ আপচু, ভৰিবোৰ ধনুৰ দৰে বেকা, কলাফুলবোৰ আঁভজা, চকুবোৰ টেলেকা, আৰু মুখমণ্ডল লোধোমা শকত। মই ইহঁতকো ভাল পাব পাৰো বুলি ভাবা নেকি? প্ৰয়োজনীয় মৰমখিনি, মই ক'ৰপৰা উলিয়াব, যদি অন্তৰত লেশমানো নাথাকে? যদি তোমাৰ দেৱতাই সকলোলৈকে মৰম বিলাবলৈ কয়, তেন্তে তেওঁৰ সৰ্ব্বশক্তিমান হাতেৰে, আটাইৰে বাহ্যিক ৰূপ অলপ চকুত লগা নকৰিলে কিয়? ইহঁতক কিয় ভাল আকৃতি নিদিলে? তুমি পেলেটাইনত দেখা, নাইয়োবী ছুহিতাৰ মূৰ্ত্তিৰ দৰে নাসাজিলে কিয় ইহঁতক? যিজনে সৌন্দৰ্য্য ভাল পায়, তেওঁ কুৎসিতক সহ্য কৰিব নোৱাৰে। দেৱতাক মানি চলা বা বিশ্বাস কৰা, নকৰালৈ এনে মানুহে ভ্ৰূক্ষেপ নকৰে। এনে মানুহে দেৱতাক মাত্ৰ ভালহে পাব পাৰে—ফাইডিয়াচ্‌, প্ৰেক্সিটেলিজ, স্কোপাচ্‌, মাইৰো আৰু লাইচিপ্পাচৰ দৰে শিল্পীৰ মনৰ উপচাৰেৰে।

মূঠৰ ওপৰত কবলৈ গলে, তুমি মোক যি পথেদি নিব খুজিছা, সেই পথেদি

যাবলৈ ইচ্ছা কৰা হলেও, যাব পৰা শক্তি মোৰ নাই। এনে বাসনাও নাই মোৰ। গতিকে, এই পথ গ্ৰহণৰ প্ৰশ্নই নুঠে। তোমাৰ বিশ্বাস, কোনোবা এদিন, টিম্ৰ নদীৰ সিপাৰে, কোনোবা অস্পষ্ট স্বৰ্গধামৰ আনন্দলোকত, তুমি তোমাৰ খৃষ্টক লগ পাবা। বৰ ভাল কথা। তেতিয়া তেওঁকে সুধি চাবাচোন—মোৰ বস্ত্ৰবাজি, মোৰ অপূৰ্ব্ব কাৰুকাৰ্য্যখচিত ৰঙোৱল মিৰ্ হেনিয়ান্ পাত্ৰ, মোৰ বহুমূল্যীয়া কিতাপ-পত্ৰ আৰু মোৰ স্বৰ্ণকেশিনী মনোৰমাৰে সৈতে মোক তেওঁ গ্ৰহণ কৰিলেহেঁতেন নে কোনোবা দিনা? কথাটো মনলৈ আহিলেই হাঁহি উঠি যায়। তোমাৰ টাৰ্ চাচৰ পলে মোক বুজাইছিল—গোলাপ ফুলৰ মালা, ভোজন বিলাস আৰু সকলো আমোদ-প্ৰমোদ ত্যাগ কৰা উচিত, খৃষ্টৰ নামত। স'চা, ইয়াৰ বিনিময়ত, তেওঁ মোক আন প্ৰকাৰৰ সুখৰ কথা কৈছিল পৰম আশ্বাসেৰে। কিন্তু মই তেওঁক জনাইছিলো যে, তেনে সুখ গ্ৰহণ কৰাৰ সময় অতীত হৈ গ'ল, মোৰ। তেওঁক মই কৈছিলো মোৰ চকুৱে গোলাপফুল দেখি, এতিয়াও তৃপ্তি পায় আৰু চুবুৰাত বাস কৰা, নিকৃষ্ট 'বক্ষু বিলাকৰ' গাৰ ভেকেটা গোন্ধতকৈ, ভায়োলেটৰ গোন্ধে মোক সদায় বেচি আনন্দ দিব।

এইদৰে মই মোৰ নিজৰ যুক্তিবোৰ, তোমাৰ আগত দাঙি ধৰিলো। যিহত তোমাৰ সুখ, তাত কেতিয়াও মোৰ সুখ হ'ব নোৱাৰে। অৱশ্যে আটাইতকৈ ডাঙৰ কাৰণটো, মই এই চিঠিৰ শেষলৈ থৈছো। থানাটোচে মোক মাতি আছে। তোমাৰ বাবে, জীৱনৰ ঊষাকাল আৰম্ভ হৈছে মাত্ৰ। মোৰ বাবে, এতিয়া সূৰ্য্য অস্তমিত। আন্ধাৰে মোক দ্ৰুত গতিৰে আবৰি ধৰিছে। মূঠিৰ ওপৰত কৰলৈ গলে—মৰমৰ বন্ধু, মই নিশ্চয় অতি শীঘ্ৰে সিপুৰীলৈ যাত্ৰা কৰিম।

এই বিষয়ে সৰহ কোৱা নিষ্প্ৰয়োজন। সকলোৰে শেষ পৰিণতি এনে হবলৈ বাধ্য। তুমি এহেনোবাৰ্বাচক চিনি পোৱা। গতিকে মই কি কব খুজিছো, অতি সহজে বুজিবা। টাইগেলিনাচে মোক ঠেকত পেলাইছে; তাতকৈ এইদৰে কোৱা ভাল হব—বহুবাৰ তাক মই পৰাস্ত কৰাৰ পাচত, এতিয়া মোৰ বিজয় অভিযানৰ সমাপ্তি ঘটিছে। যিদৰে জীয়াই থকাৰ বাসনা আছিল, মই ঠিক সেইদৰেই জীয়াই থাকিলো; আৰু যি ধৰণৰ মৃত্যুৱে মোক আটাইতকৈ সুখী কৰিব, সেই মৃত্যুকে বৰণ কৰি লম, মই।

ইয়াৰ বাবে, তুমি বেজাৰ নকৰিবা। কোনো দেৱতাই মোক অমৰত্বৰ প্ৰতিশ্ৰুতি দিয়া নাই। যি ঘটনা ঘটিব, সি অভাৱনীয় নহয়। কেৱল তোমাৰ দেৱতাইহে মানুহক স্থিৰভাৱে মৰণত শৰণ লবলৈ শিকায় বুলি, তুমি ভাবি লৈছা; ই তোমাৰ ভুল ধাৰণা। তুমি এই শিক্ষা পোৱাৰ বহুপূৰ্বে, আমাৰ জগতখনে জানিছিল শেষৰ পিয়লা নিঃশেষে পান কৰাৰ পাচত, বিদায়ৰ সময় উপস্থিত হয়; আন্ধাৰৰ গ্ৰাসলৈ উলটি যোৱাৰ সময় আহে। তদুপৰি, আমাৰ জগতে বহুদিনৰ আগৰ পৰাই জানে, কিদৰে অবিচলিত মনোভাৱেৰে এই কাম সমাধা কৰিব পাৰি। প্লেটোৱে কৈছে– 'ধৰ্ম্ম হ'ল সঙ্গীতৰ দৰে—জ্ঞানী মানুহৰ জীৱন সঙ্গীতময়।' সেয়ে যদি হয়, মই ধাৰ্ম্মিক হৈ জীয়াই আছিলো আৰু ধাৰ্ম্মিক হৈয়ে মৰিম।

তোমাৰ শুচিব্ৰতা পত্নীৰ ওচৰত, মই সেই একে কথাকে কৈ, বিদায় মাগিলো—যি কথাৰে, বহুদিন আগতে, মই অলাচৰ ঘৰত, তেওঁক অভিনন্দন জনাইছিলো :

"জীৱনত মই কিমান মানুহ দেখিছো তাৰ সীমা-সংখ্যা নাই; কিন্তু তোমাৰ দৰে নাৰী, মই ক'তো দেখা নাই।"

হে বন্ধু, সামৰণিত মই ইয়াকে জনাওঁ—পিৰোৱে কৈছে, মৃত্যুৰ পাচত সকলো শেষ হৈ যায়। কিন্তু সেয়ে নহৈ যদি, আমাৰ অস্তিত্বৰ কোনোবা অংশ স্থায়ী হৈ ৰয়, তেন্তে সি পখিলা হৈ, নাইবা– মিছৰীয়সকলৰ কথা যদি বিশ্বাস কৰা যায়—তেন্তে, শেন চৰাইৰ ৰূপ লৈ, মহাসাগৰৰ পাৰলৈ যাওঁতে, তোমালোকৰ ঘৰৰ কাষতে অলপ পৰ ৰ'ব।

কিন্তু আন প্ৰকাৰে তোমালোকৰ লগত দেখা কৰা, মোৰ বাবে অসম্ভৱ।

মই প্ৰাৰ্থনা জনাওঁ যেন, তোমালোকৰ বাবে চিৰচিলিখন, হেচ্‌পেৰিডিজৰ নন্দন কানন হৈ উঠে; হাৰি-বননি, প্ৰান্তৰ আৰু নিজৰাত বিচৰণ কৰা, দেৱী-সকলে যেন, তোমালোকৰ পথত সদায় ফুল ছটিয়াই থয়; তোমালোকৰ মুকলি প্ৰাঙ্গনত থকা প্ৰতিজোপা একান্থাচ্‌ গছতে যেন, পবিত্ৰ, শুভ্ৰ কপৌৱে বাঁহ লয়।

॥ ৩১ ॥

পেট্ৰোনিয়াচৰ ভুল হোৱা নাছিল। দুদিন পাচতে, তেওঁৰ চিৰ অনুৰক্ত, সকজন নাৰ্ভাই মুক্ত দাস এটাক তেওঁৰ ওচৰলৈ পঠালে চিজাৰৰ দৰবাৰৰ শেষৰ বাতৰি জনাবৰ বাবে।

পেট্ৰোনিয়াচৰ পতন ঘটাবলৈ সিদ্ধান্ত লোৱা হৈ গ'ল। তেওঁ যাতে কিউমি এৰি নাযায় আৰু তেওঁৰ ঠিকনাত পাচত যি আদেশ পঠোৱা হ'ব, তালৈ যাতে অপেক্ষা কৰে—এই আদেশ ব্যক্ত কৰিবলৈ, পিচদিনা সূৰ্য্যাপৰত, তেওঁৰ ওচৰলৈ সেনাপতি এজন পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। কেইদিনমানৰ পাচতে, আন এজন দূতে তেওঁৰ মৃত্যুদণ্ডৰ আজ্ঞা কঢ়িয়াই আনিব।

পেট্ৰোনিয়াচে আগৰদৰে শান্ত আৰু নিৰুদ্বেগ মনেৰে, সকলো কথা শুনিলে। তাৰ পাচত মুক্ত দাসটোক কলে, "যাবৰ সময়ত তোমাৰ প্ৰভুৰ বাবে, বহুমূলীয়া পাত্ৰ এটা লৈ যাবা—মই সেইটো তোমাৰ হাতত দি পঠিয়াম। তেওঁক কবা, মই অন্তৰেৰে তেওঁক ধন্যবাদ জনাইছো। কাৰণ আগজাননী দি, তেওঁ মোৰ উপকাৰ সাধন কৰিছে।"

তাৰ পাচত তেওঁ সশব্দে হাঁহি দিলে, যেন আচম্বিতে তেওঁৰ মনলৈ মজাৰ ভাব এটাহে আহিছে, আৰু তাক কাৰ্য্যত পৰিণত কৰাৰ সম্ভাৱনাত তেওঁ উৎফুল্ল হৈ উঠিছে।

সেই একেদিনাই, সন্ধিয়া সময়ত, কিউমিত থকা অগষ্টানসকলক "ৰূপ-লাৱণ্যৰ বিচাৰকৰ" ৰম্যপুৰীলৈ, ভোজৰ বাবে নিমন্ত্ৰণ জনাবলৈ, দাসহঁতে লৰা-ধপৰা লগালে। সেইদিনাৰ আবেলি সময়টো, তেওঁ পঢ়া কোঠাত সোমাই, লিখা কামত কটালে। তাৰ পাচত, স্নান পৰিচাৰকহঁতে তেওঁক গা-ধুৱাই, সাজ-পাৰ পিন্ধাই দিলে।

সম্ভ্ৰান্ত ঘৰৰ সুশোভন বেশেৰে, তেওঁ ভোজন কক্ষলৈ গৈ, ভোজৰ প্ৰস্তুতি কেনে হৈছে, তালৈ মন দিলে। তাৰ পৰা গৈ, তেওঁ বাগিছাত সোমাল; তাত গ্ৰীক ৰমণী আৰু দ্বীপবিলাকৰ পৰা অহা কুমাৰীসকলে, উৎসৱৰ বাবে, গোলাপৰ মালা গাঁথি আছিল। তেওঁৰ মুখত মলিন ভাব অকণো নাই। সচৰাচৰ হোৱা অভ্যৰ্থনাতকৈ, আজিৰ অভ্যৰ্থনা বেচি চকুত লগা হব বুলি,

তেওঁৰ ঘৰত কাম কৰা মানুহবোৰে ভালদৰে বুজিছে। কাৰণ, সিহঁতৰ ভিতৰত, যিবিলাকৰ ওপৰত তেওঁ সন্তুষ্ট, সেইবিলাকক মাত্ৰাধিকভাৱে তেওঁ পুৰস্কৃত কৰিছে। যিবিলাকৰ ওপৰত তেওঁ অসন্তুষ্ট, সিহঁতক লঘু শাস্তিহে দিছে। তদুপৰি বীণবাদক আৰু গায়কহঁতক আগন্তীয়াকৈ মুক্তহস্তে ধন দিবলৈ তেওঁ আদেশ কৰিছে।

অৱশেষত, এজোপা বীচ গছৰ তলত তেওঁ বহিল; গছৰ পাতৰ মাজেদি অহা সূৰ্য্যৰ কিৰণে, তলৰ মাটিত সক সৰু সোণালী ফুল বাছিছে। তেওঁ ইউনিচক মতাই পঠালে।

ততালিকে তাই আহি দেখা দিলেহি। শুভ্ৰ বসনা, সুৰঞ্জনাৰ কেশত, মাৰ্টলৰ কুঁহিপাত এটি জিলিকি আছে। এগৰাকী গ্ৰেচ দেৱীৰ দৰেই অপৰূপা তাই। তেওঁ তাইক কাষতে বহুৱাই ললে, আৰু আলফুলকৈ তাইৰ কপালত হাত বুলাই, চকুৰ আৰতিৰে তাইৰ ৰূপ নিৰীক্ষণ কৰিবলৈ ধৰিলে।

"ইউনিচ," বহুসময় চাই থকাৰ পাচত তেওঁ কলে, "আজি কিছুদিনৰ আগৰপৰা, তোমাৰ দাসীত্ব মোচন হৈছে বুলি জানানে?"

শান্ত, নীলা চকুযুৰিৰে তেওঁৰ চকুলৈ চাই, তাই বিনম্ৰভাৱে মূৰ জোকাৰিলে।

"মই চিৰদিন আপোনাৰ দাসী, প্ৰভু!" তাই কলে।

"কিন্তু তুমি হয়তো নাজানা যে, এই মালাগাঁথি থকা দাসীহঁত, এই প্ৰমোদভৱন, ইয়াৰ মাটি-বাৰী, জীৱ-জন্তু আৰু আন সকলো বস্তু, আজিৰ পৰা তোমাৰ হ'ল।"

তাই চক খাই উঠিল আৰু আশঙ্কাত কঁপি উঠা মাতেৰে চিঞৰি কলে, "আপুনি কিয় এইকথা কৈছে? কিয়, কিয়?"

তাৰ পাচত, পুণৰ তেওঁৰ কাষ চাপি গৈ, তেওঁৰ মুখলৈ চালে। ভয়ৰ প্ৰচণ্ড আঘাতত তাইৰ চকুৰ পতা বাৰে বাৰে মুদ খালে। তথাপিও তেওঁ হাঁহিলে, হাঁহিয়ে থাকিল।

উত্তৰত মাত্ৰ এষাৰ কথা শুনালে তেওঁ—"হয়, মই কোৱা কথা সত্য।"

তাৰ পাচত আহিল পৰিপূৰ্ণ নিস্তব্ধতা। বীচ্ গছৰ পাতবোৰ মৃদু বতাহত কঁপি উঠিল। পেট্ৰোনিয়াচে অনুভৱ কৰিলে তেওঁৰ সন্মুখত, মাৰ্ব্বলৰ মূৰ্ত্তি এটা থিয় দি আছে।

"ইউনিচ," তেওঁ কলে, "মই ধীৰ শান্তভাৱে মৃত্যুবৰণ কৰাৰ পক্ষপাতী।"

তাই দুখমনেৰে হাঁহিলে।

"মই বুজি পাইছো প্ৰভু." ইয়াৰ বাহিৰে তাই আৰু একো কব নোৱাৰিলে।

সেইদিনা দলে দলে অতিথিসকল আহিবলৈ ধৰিলে। তেওঁলোকে জানে যে, পেট্ৰোনিয়াচে দিয়া ভোজৰ তুলনাত, নিৰোৰ ৰাজপ্ৰাসাদৰ ভোজবোৰ বিৰক্তিকৰ আৰু অশালীন।

পৰিস্থিতিটো শেষলৈ যিয়েই নহওক, উপস্থিত কোনো ব্যক্তিৰে মনলৈ বিশেষ ধৰণৰ কোনো চিন্তা অহা নাছিল। সুদৰ্শন কলাবিদজন এতিয়া সম্ৰাটৰ অপ্ৰীতিভাজন হৈ, বিপদৰ কলীয়া ডাৱৰৰ মাজত সোমাই আছে বুলি আটাইয়ে জানে। এনে পৰিস্থিতিৰ উত্তৰ, আগে-পাচে যেতিয়া সঘনে হৈছিল, তেতিয়া পেট্ৰোনিয়াচে প্ৰতিবাৰতে, সাহসপূৰ্ণ কথাৰে, বা বুদ্ধি কৌশলেৰে বিপদৰ ডাৱৰ আঁতৰাব পাৰিছিল। গতিকে এইবাৰ কিবা ভয়াবহ বিপদ আহিছে বুলি, কোনেও নাভাবিলে। তেওঁৰ প্ৰফুল্লচিত্ত আৰু গাত নলগা ধৰণৰ আচৰণ দেখি, মানুহবোৰৰ আগৰ মন্তব্য দৃঢ়তৰ হ'ল। এতিয়া তেওঁৰ একমাত্ৰ কামনা হল, শান্তিৰে মৃত্যুবৰণ কৰা। তেওঁৰ প্ৰতিটো কথাকে দেৱতাৰ বাণী বুলি মানি লোৱা ইউনিচৰ মুখতো, সেই একেই শান্ত ভাব। তাইৰ চকুযুৰি তিৰবিৰাই আছে—ই যেন আনন্দৰে অভিব্যক্তি। ভোজন কক্ষৰ দুৱাৰ মুখত, যুৱতী কন্যা কেইজনীমান ৰৈ আছে; সকলোৰে চুলি ওখকৈ বন্ধা। আলহীসকল অহাৰ লগে লগে. চিৰাচৰিত ৰীতি অনুসৰি, দুৱাৰডলি পাৰ হওঁতে, প্ৰথমে সোঁ-ভৰিটো আগবঢ়াই দিবলৈ কৈ, সিহঁতে আটাইৰে মূৰত গোলাপৰ মালা পিন্ধাই, আদৰণি জনালে।

গোটেইটো ভোজনকক্ষ, ভায়োলেটৰ গোন্ধেৰে আমোল-মোলাই আছে; আলেকজেণ্ড্ৰিয়াৰ আইনাৰে তৈয়াৰী গোলকবোৰৰ পৰা নানা ৰঙৰ পোহৰ ওলাইছে। আলহী বহা আসনৰ কাষে কাষে কুমাৰী কন্যা একোজনী ৰৈ আছে—আলহীৰ ভৰিত, সুগন্ধি নিৰ্য্যাস ছটিয়াবৰ বাবে। সকলো আলহী আসনত আঁউজি বহিছে। বেৰৰ দাঁতিত শাৰী পাতি ৰৈ আছে, বীণাবাদক আৰু গায়কৰ দল। পৰিচালকজনৰ ইঙ্গিতলৈ সিহঁতে অপেক্ষা কৰি আছে। সকলোতে শান্তি-সৌন্দৰ্য্যৰ গৌৰৱময় প্ৰকাশ। গোটেইটো পৰিবেশতে বাধাহীন উল্লাস। উজ্জ্বল

আনন্দধাৰাৰে বৈ'ছে, ফুলৰ সুৰভি মিলিত হৈ, সকলো মায়াময় হৈ উঠিল। সুদৃশ্য প্ৰদীপ, নানা ৰত্নেৰে খোদিত, মূৰ্ত্তি অঁকা পাত্ৰ, বৰফৰ ওপৰত ৰখা সুদৃশ্য পান পাত্ৰ, আৰু ওখ মেজবোৰৰ শোভাই অতিথিসকলক ইমান আনন্দ দিলে যে, ফুলি থকা আপেল গছ এজোপাৰ কেউদিশে গুণ গুণাই থকা মৌ-মাখিৰ দৰে, তেওঁলোকে প্ৰশংসাৰ গুঞ্জন তুলিলে। শুনা গল মধুৰ আলাপ আৰু দুই এঠাইত প্ৰাণখোলা হাঁহি। ৰমণীৰ শুভ্ৰকান্তিৰ দেহাংশত, প্ৰীতিপূৰ্ণ হস্ত চালনাও দেখা গল, ঠাইয়ে, ঠাইয়ে।

নতুন, নতুন সংবাদ জনাই পেট্ৰোনিয়াচে অবিৰামভাৱে কথা কৈ গল। অলপতে হৈ যোৱা বিবাহ-বিচ্ছেদ, গুপ্ত প্ৰণয়, ৰথ দৌৰ,—অলপ দিনৰ ভিতৰতে শক্তিমান বুলি নাম কৰা কোনোবা মল্লবীৰ, অলপ দিনৰ আগতে প্ৰকাশ হোৱা এট্ৰাকৃটাচৰ কিতাপ, চোচাই নামৰ পুস্তক প্ৰতিষ্ঠান আদি আটাইবোৰ বিষয় সামৰি লৈ, তেওঁ এফালৰ পৰা কৈ গ'ল। তাৰ পাচত, মজিয়াত কেইটোপাল-মান সুৰা ছটিয়াই তেওঁ ঘোষণা কৰিলে, "এইয়া চাইপ্ৰাচৰ দেৱীৰ উদ্দেশ্যে তৰ্পণ কৰিলো।" ৰোমান দেৱ-দেৱী সকলৰ ভিতৰত তেৱেঁই আটাইতকৈ প্ৰাচীন আৰু শ্ৰেষ্ঠ। তেৱেঁই চিৰন্তন আৰু সৰ্ব্বশক্তিসম্পন্না বুলি তেওঁ মত প্ৰকাশ কৰিলে।

তাৰ পাচত, তেওঁৰ ইঙ্গিত পাই, বীণবাদকসকলে সুৰৰ ধ্বনি তুলিলে আৰু নবীন যুৱক যুৱতীসকলে সুৰে সুৰে গীত জুৰিলে। ইউনিচৰ জন্মভূমি কচৰ পৰা অহা নৃত্য শিল্পীদলে, নৃত্যৰ তালে তালে স্বচ্ছ মচ্লিন কাপোৰৰ মাজেদি, গোলাপ ফুলৰ দৰে মনোৰম দেহ শোভা প্ৰদৰ্শন কৰি, অতিথিসকলৰ তৃপ্তি সাধন কৰিলে। অৱশেষত, মিছৰীয় মংগলতি এজনে, স্ফটিকৰ পাত্ৰ এটাত ফুটফুটীয়া পুঠিমাছ কিছুমান লৈ, অতিথিসকলৰ সন্তোষৰ বাবে মঙ্গল চাবলৈ ধৰিলে। সকলো শেষ হোৱাৰ পাচত, পেট্ৰোনিয়াচে চিৰিয়ান গাদীখনত পোন হৈ বহি, গাত নলগা ধৰণে অসাৱধানভাৱে কবলৈ ধৰিলে, "বন্ধুসকল, ভোজন শেষ হোৱাৰ পূৰ্ব্বে, মই আপোনালোকক এটি অনুৰোধ জনাওঁ, বেয়া নাপাব। যি পাত্ৰেৰে আপোনালোকে দেৱতালৈ পানীয় অৰ্ঘ অৰ্পণ কৰি, মোৰ কুশল কামনা কৰিলে, সেই পাত্ৰটি আপোনালোকক দান কৰিলো। গ্ৰহণ কৰে যেন।"

ইয়াকে কৈ, তেওঁ পোহৰত জিলমিলাই থকা পান পাত্ৰটো তুলি ললে। ৰামধেনুৰ সাতোৰঙ প্ৰতিফলিত কৰা এই পাত্ৰটো এটা অমূল্য সম্পদ। পাত্ৰটো

হাতত লৈ তেওঁ অতিথিসকলক কলে, "মই নিজে এই পাত্ৰৰপৰা, চাইপ্ৰাচৰ ৰাণীৰ উদ্দেশ্যে পানীয় অৰ্ঘ অৰ্পণ কৰিছিলো। আজিৰ পৰা এই পাত্ৰত কোনেও ওঁঠ লগাব নোৱাৰে আৰু অন্যান্য দেৱতাক অৰ্ঘ দিওঁতেও এই মিৰ্ হেনিয়াম্ পাত্ৰটো ব্যৱহাৰ কৰিব নোৱাৰিব।"

কুস্কুম ছটিয়াই খোৱা মজিয়াৰ ওপৰত, তেওঁ পাত্ৰটো আচাৰ মাৰি ভাঙি, চূৰ্ণ-বিচূৰ্ণ কৰি পেলালে।

সকলোৰে স্তব্ধ, হতভম্ব অৱস্থাৰৈ চাই তেওঁ কলে, "বন্ধুসকল, জীৱনৰ আনন্দক পৰিপূৰ্ণৰূপে গ্ৰহণ কৰক। কাৰণ, শেষৰ দিন কেইটাত, বৃদ্ধাৱস্থাৰ দুৰ্ব্বলতাই জীৱন দুৰ্ব্বহ কৰি তুলিব। মই আপোনালোকক এটা ভাল উদাহৰণ দেখুৱাবলৈ, আৰু লগতে সৎ উপদেশ দিবলৈ মন কৰিছো। আপোনালোকে এতিয়া দেখিব, নিজৰ মুকলি ইচ্ছাৰে কিভাৱে শেষ বয়সৰ কৰুণ সঙ্গী বাৰ্দ্ধক্য আৰু দুৰ্ব্বলতালৈ, বাট চাবলৈ অস্বীকাৰ কৰা যায়।"

"আপুনি কি কৰ খুজিছে?"

"মই কৰ খুজিছো—মোৰ জীৱনৰ আদৰ্শ হ'ল আনন্দ উপভোগ কৰা, সুৰাপান কৰা, গীত শুনা, আৰু এইয়া মোৰ কাষতে বিশ্ৰাম লৈ বহি থকা প্ৰেয়সীৰ দেহৰ ধ্যান কৰা, আৰু গোলাপৰ মালা পিন্ধি চিৰদিনলৈ শুই পৰা। ইতিমধ্যে মই চিজাৰৰ ওচৰত বিদায় মাগিছো। এইয়া, বিদায় পৰত তেওঁলৈ লেখা পত্ৰ।"

কজলা বঙৰ পাদীখনৰ তলৰ পৰা, পত্ৰ লিপি উলিয়াই লৈ, তেওঁ পঢ়ি শুনালে:

"পবিত্ৰ প্ৰাণ চিজাৰ! মই জানো, আপুনি অস্থিৰভাৱে মোলৈকে বাট চাই আছে আৰু সহৃদয় বন্ধু এজনৰ দৰে, মোক বিচাৰি দিনে নিশাই হা-হুতাশ কৰি আছে। ইয়াকো জানো যে, আপুনি প্ৰসন্নচিত্তে মোক অনুগ্ৰহেৰে পূৰ্ণ কৰিব। আপুনি মোক ৰক্ষী বাহিনীৰ অধিনায়ক পাতিব, আৰু ভুমিটিয়াক থিহ দি মাৰি আপুনি যি জমিদাৰীৰ উত্তৰাধিকাৰী হৈছিল, তাত থকা খচ্চৰবোৰক প্ৰতিপাল কৰিবলৈ, টাইগেলিনাচক নিয়োগ কৰিব। দেৱতাসকলে তেওঁক এই কামৰ বাবে সৃষ্টি কৰিছে বুলিয়ে অনুমান হয়।

"কিন্তু হায়! মই আঁতৰি আহিবলৈ বাধ্য হলো। নৰকৰ শপত খাই কৈছো—আপোনাৰ মাতৃ, পত্নী, ভ্ৰাতৃ, আৰু বিশেষকৈ চেনেকাৰ প্ৰেতাত্মাৰ শপত খাই কৈছো, আপোনাৰ ওচৰলৈ উলটি যোৱা মোৰ পক্ষে অসম্ভৱ। মোৰ বন্ধু! জীৱন হ'ল ৰত্নৰ ভাণ্ডাৰ। মই ইয়াকে ভাবি সন্তুষ্টি লাভ কৰিছো যে, এই ৰত্নভাণ্ডাৰৰ পৰা, সৰ্ব্বশ্ৰেষ্ঠ ৰত্ন কিদৰে আহৰণ কৰিব পাৰি, তাক মই ভালদৰে জানিছিলো। তথাপিও মই মুক্ত কণ্ঠে জনাও যে, জীৱনত এনে কিছুমান কথা আছে, যাক মই আৰু সহ্য কৰি থাকিব নোৱাৰিম।

"মিনতি কৰি কৈছো, আপুনি যেন নাভাবে যে, আপুনি নিজ মাতৃ, পত্নী আৰু ভ্ৰাতৃক হত্যা কৰাৰ বাবে, মই ক্ষোভ প্ৰকাশ কৰিছো। নাভাবিব যে, আপুনি ৰোম নগৰ অগ্নিদগ্ধ কৰাৰ বাবে মোৰ ক্ৰোধ উথলি উঠিছে। আপোনাৰ ৰাজ্যত বাস কৰা প্ৰতিজন সাধু মানুহকে, যমপুৰীলৈ পঠিওৱাৰ নীতি ব্যস্তভাৱে পালন কৰি থকা দেখি চকখাই উঠিছো বুলিও নাভাবিব। হয়, হে ক্ৰোনোচৰ আদৰৰ নাতি! এই মৰতত আটাইৰে সমান অধিকাৰ আছে —মৃত্যু ঘটোৱাত। তদুপৰি, আপুনি ইয়াকে নকৰি আন কিবা কৰিব পাৰে বুলি কোনেও আশা নকৰে।

"কিন্তু বছৰৰ পাচত বছৰ ধৰি, আপোনাৰ গীতে মোৰ কাণত খোচা বিন্ধা কৰাত,—আপোনাৰ লোধোমা আপচু ভৰিৰ পিৰিক নৃত্যৰ (গ্ৰীক সকলৰ ৰণ নৃত্য) লম্ফ-জম্ফ দেখি থাকিব লগা হোৱাত, আপুনি ৰচনা কৰা গীতৰ সুৰ শুনিব লগা হোৱাত আৰু কবিতাৰ নামত নিকৃষ্ট বেলবেলনি শুনিব লগা হোৱাত মোৰ সহ্যৰ সীমা পাৰ হৈ গৈছে। গতিকে পূৰ্ব্বপুৰুষসকলৰ সৈতে মিলিত হোৱাৰ অদমনীয় বাসনা মোৰ প্ৰাণত জাগি উঠিছে। ৰোম বাসীয়ে কাণত সোপা দিয়ক, গোটেই বিশ্বই আপোনাক বিদ্ৰুপ কৰক! কিন্তু মই আপোনাৰ আচৰণত লজ্জিত হোৱা অৱস্থাৰ পৰা মুক্ত হব খুজিছো। লজ্জিত হোৱাৰ ইচ্ছা নকৰো মই, ইচ্ছা কৰিবলৈ মোৰ সময়ো নাই। চাৰ বেৰাচৰ ভুকভুকনি, আপোনাৰ গীতৰে সৈতে একে। কিন্তু তাৰ ভুকভুকনিয়ে মোক বেচি কষ্ট নিদিয়ে; মই কোনো দিনে তাৰ বন্ধু নাছিলো। গতিকে তাৰ কৰ্কশ মাত শুনি লজ্জিত হোৱাৰ প্ৰশ্নই নুঠে।

বিদায়! ভৱিষ্যতলৈ গীত গোৱা এৰি দিয়ক। হত্যা কৰি ভাল পালে, হত্যাকে কৰক। কিন্তু কবিতা নেলেখিব। বিমান ইচ্ছা মানুহক বিহ দিয়ক;

কিন্তু নৃত্য নকৰিব। নগৰবোৰত জুই দি ভাল পালে জুই দিয়ক; কিন্তু বীণ নবজাব। এইখোৰেই মোৰ অন্তিম ইচ্ছা আৰু অতি বন্ধুত্বপূর্ণ সদোপদেশ বুলি জানিব।

"ৰূপ-লাৱণ্যৰ বিচাৰক।"

আলহীসকল প্ৰস্তৰীভূত হৈ গ'ল। কাৰণ, তেওঁলোকে জানে যে, সাম্ৰাজ্য হেৰুৱাতকৈও নিৰোক এই চিঠিয়ে বেচি আঘাত দিব। লেখকৰ মৃত্যুদণ্ড নিশ্চিত; এনে এখন চিঠি পঢ়া শুনিবলৈ পাই, তেওঁলোকৰ শৰীৰ আতঙ্কত শিয়ঁৰি উঠিল। কিন্তু পেট্ৰোনিয়াচে সশব্দে হাঁহি দিলে, যেন আচম্বিতে সবল আনন্দৰ প্ৰবাহে তেওঁক স্পৰ্শ কৰিলে। আলহীসকলক চাৰিওফালে চকু ফুৰাই চাই তেওঁ কলে, "বন্ধুসকল! অন্তৰৰ পৰা ভয় আঁতৰাই পেলাওক। এই চিঠিৰ কথাখিনি শুনিছে বুলি কাৰো কোৱাৰ দৰকাৰ নাই। কেইৰণক মই যেতিয়া লগ পাম গৈ, তেতিয়া এই চিঠি বেচ কাষত আহিব।"

এইদৰে কৈ, তেওঁ নিজৰ চিকিৎসকজনক ইঙ্গিতেৰে মাতি হাতখন তেওঁৰ ফালে আগবঢ়াই দিলে। মুহূৰ্তৰ ভিতৰতে, পাকৈত গ্ৰীক অস্ত্ৰোপচাৰকজনে, সোণৰ বন্ধনীৰে বাহুটো আঁটি আঁটি বান্ধিলে, আৰু হাতৰ কজাৰ শিৰ এডাল কাটি দিলে। ফিৰ্ফিৰকৈ তেজবোৰ ওলাই গাদীখনত পৰিবলৈ ধৰিলে। পেট্ৰোনিয়াচৰ মূৰটো সাৱটি ধৰি, কাষতে বহি থকা ইউনিচৰ গাত, তেজৰ ছিটিকনি পৰিল। কাষলৈ হাউলি গৈ, তাই কলে, "প্ৰভু, মই আপোনাক এৰি জীয়াই থাকিম বুলি ভাবিছিল নেকি? দেৱতাসকলে মোক অমৰত্ব দিলেও, চিজাৰে সাম্ৰাজ্য দিলেও, মই সকলো এৰি, আপোনাৰ পিচে পিচে যাম।"

পেট্ৰোনিয়াচে মিচিকিয়াই হাঁহি, গাটো অলপ দাঙি, তাইৰ ওঁঠত চুমা খাই কলে, "মোৰ লগত ব'লা।" তাৰ পাচত আকৌ কলে, "মৰমী, তুমি মোক সঁচাকৈয়ে ভাল পোৱা!"

গোলাপৰ দৰে সুন্দৰ বাহু এটি তাই চিকিৎসকজনৰ ফালে আগবঢ়াই দিলে। মুহূৰ্তৰ ভিতৰতে, দুয়োৰো তেজৰ মিহলি ধাৰা বৰলৈ ধৰিলে। ক্ৰমগতিৰে দুয়োৰো ৰক্ত প্ৰবাহ এক হৈ গল।

তাৰ পাচত, পেট্ৰোনিয়াচে বাদক আৰু গায়কসকলক ইঙ্গিত কৰিলে। পুনৰ বীণাৰ ঝঙ্কাৰ আৰু গীতৰ লহৰ উঠিল। হাৰ্মোদিয়াচৰ বীৰত্বৰ কাহিনী গালে; সকলোৱে তাৰ পাচত গোৱা গীতটো কৰি এনেক্ৰেয়নে ৰচনা কৰা। ইয়াত

কৰিয়ে কৰুণস্বৰে জনাইছে,—এক্ৰোডাইটীৰ শিশুপুত্ৰক জাৰত কঁপি, কঁপি ভেওঁৰ দুৱাৰমুখত কান্দি থকা দেখি, তেওঁ তাৰ ভেটকা ডুখন শুকুৱাই, তাক মৰমেৰে সেকি পুতকি দিছিল। কিন্তু অকৃতজ্ঞ ল'ৰাটোৱে এপাট শৰ মাৰি তেওঁৰ হৃদয় ভেদ কৰিলে, যাৰ ফলত চিৰদিনলৈ সেই হৃদয়ে শান্তি হেৰুৱালে।

মৃত্যু পথযাত্ৰী দুটি প্ৰাণীয়ে এজনে ইজনক ধৰি আছে। দেৱ-দেৱীৰ দৰে অপূৰ্ব্ব সুন্দৰ দুটি মূৰ্ত্তি! পাশুৰ মুখমণ্ডল হাঁহিৰে বিৰিঙাই দুয়ো শুনি থাকিল এই প্ৰেমগীতি।

গীত শেষ হোৱাৰ পাচত পেট্ৰোনিয়াচে অতিথিসকলক আকৌ এবাৰ সুৰা আৰু উপাদেয় খাদ্যৰে আপ্যায়িত কৰিলে। তাৰ পাচত, উৎসৱ পাৰ্ব্বন আদিত সচৰাচৰ যিবোৰ বিষয়ে আলোচনা কৰা হয়, সেইবোৰ বিষয়ে কৈ যাবলৈ ধৰিলে তেওঁ। সক সুৱা আনন্দদায়ক কথাৰে, কাষত বহা সকলক তেওঁ বিমুগ্ধ কৰিলে। অৱশেষত চিকিৎসকজনক পুনৰ কাষলৈ মাতি, ফালি দিয়া শিৰজাল বান্ধি দিবলৈ কলে। কাৰণ তেওঁৰ নিদ্ৰাৰ ভাৱ আহিছে। থানাটোচ আহি চিৰদিনলৈ তেওঁক শুৱাই থোৱাৰ আগতে, তেওঁ হিপ নোচৰ হাতত নিজকে সমৰ্পণ কৰিব খুজিছে। এইবাৰ তেওঁ সংজ্ঞা হেৰুৱালে।

জ্ঞান পাই তেওঁ দেখিলে, এপাহি ফুলৰ দৰে ইউনিচ লাহেকৈ তেওঁৰ বুকুত ঢলি পৰিছে। মুমূৰ্ষুৰ বাবে আসনত পোন হৈ বহি তাইক তেওঁ ভালদৰে চাই ললে। তাৰ পাচত পুনৰ শিৰজাল মুকলি কৰালে।

গায়কবৃন্দই এনেক্ৰেয়নে ৰচা আন এটি গীত জুৰিলে। বীণৰ তাঁৰত মৃদু সুৰৰ কম্পন উঠিল, যাতে গীতৰ শব্দবোৰ তল পৰি নাযায়। পেট্ৰোনিয়াচ লাহে, লাহে বেচি শেতা পৰি আহিছে। শেষৰ ৰাগিনী যেতিয়া স্তব্ধ হৈ গল, তেতিয়া অতিথিসকললৈ চাই তেওঁ কলে, "বন্ধুসকল। আপোনালোকে নিশ্চয় মোৰ কথা সমৰ্থন কৰি কব যে, আমাৰ মৃত্যুৰ লগে লগে শেষ হৈ যাব··· ···. "

তেওঁ আৰু একো কব নোৱাৰিলে। নিজৰ সকলো শক্তিৰে তেওঁ ইউনিচক সাৱটি ধৰিলে। তাৰ পাচত তেওঁৰ মূৰটো পিচলৈ হাউলি গল।

অপূৰ্ব্ব সুন্দৰ মূৰ্ত্তিৰ দৰে লগা এই দুটি শুভ্ৰ দেহৰ সম্মুখত বহি থকা অতিথিসকলৰ প্ৰাণত, জাগি উঠিল,—এওঁলোকৰ দেহাৱসানৰ লগে লগে, ৰোমান জগতৰ শেষ সম্পদ বিলুপ্ত হল। ৰোমান সৌন্দৰ্য্য আৰু কবিতাৰ প্ৰতীক চিৰদিনলৈ হেৰাই গল।

উপসংহাৰ

পোন প্ৰথমতে ভিন্‌দেক্স আৰু গল সেনাবাহিনীৰ বিদ্ৰোহক বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। চিজাৰৰ বয়স মাত্ৰ তেৰকুৰি বছৰ; উৎপীড়নৰ বিভীষিকাৰ পৰা, পিশ্ৰে মুক্ত হোৱাৰ কথা, ভেভিয়াৰ জগতে ভাবিবই পৰা নাছিল। তদুপৰি, এইকথা কোনেও পাহৰা নাছিল যে, পূৰ্ব্বতে হোৱা দুটা বিদ্ৰোহে, ৰাজপাটৰ পৰা কাকো নমাব পৰা নাছিল। ভ্ৰুচাচে পেনোনিয়ান্ সৈন্যবাহিনীক আৰু জাৰ্ম্মানিকাচে বেনিচ্ বাহিনীক কৌশলেৰে হাত কৰি লৈছিল। গতিকে আগৰ বিদ্ৰোহে গা কৰিব নোৱাৰিছিল। তদুপৰি, নিৰোৰ উত্তৰাধিকাৰী কোনোৰা আছে জানো? তেওঁৰ ৰাজত্বকালতে স্বৰ্গদেউ অগষ্টাচৰ বংশধৰ আটাইকেইজনকে শেষ কৰি থোৱা হৈছিল। প্ৰজাসকলে নিৰোৰ প্ৰকাণ্ড মূৰ্ত্তিবোৰলৈ চাই চাই ভাবে,—হাৰ্‌কিউলিজৰ প্ৰচণ্ড শক্তিৰ প্ৰতীক হৈ তেওঁ চিৰকাল থাকিব; কোনেও তেওঁৰ শক্তি নাশ কৰিব নোৱাৰে। কিছুমানে, তেওঁ গ্ৰীচৰ পৰা উলটি অহালৈ বাট চাই আছিল। কাৰণ, তেওঁৰ অনুপস্থিতিৰ সময়ছোৱাত হেলিয়াচ্ আৰু পোলি-থেটেচ্ নামৰ যি দুটা মুক্তদাসৰ হাতত শাসন ভাৰ দিয়া হৈছিল, সিহঁতে তেওঁতকৈও বেচি ৰক্তক্ষয়ী পদ্ধতিৰে নগৰ শাসন কৰিছিল। কোনো মানুহেই নিজৰ জীৱন কিম্বা সা-সম্পত্তি সম্বন্ধে নিশ্চিন্ত হব নোৱাৰিছিল। আইন-কানুনৰ সমাধি ঘটি-ছিল,—সন্মান বা ধৰ্ম্ম বুলিবলৈ একোৱেই নাছিল। পৰিয়ালৰ মাজত থকা মিলাপ্ৰীতিৰ বান্ধোন খহি পৰিছিল। অৱস্থা ইমান বেচি সংকটপূৰ্ণ হৈ উঠিছিল যে, ৰোমান জাতিৰ ভগ্ন হৃদয়ে ক'তো অকণো আশাৰ পোহৰ দেখা নাছিল। কিন্তু চিজাৰে গ্ৰীচত লাভ কৰা অভাৱনীয়, বিজয় গৌৰৱৰ প্ৰতিধ্বনি আহি আছিল। তেওঁ লাভ কৰা হাজাৰ হাজাৰ জয়মালাৰ কথা আৰু অলেখ প্ৰতি-যোগিতাত জয়ী হোৱাৰ সংবাদ, বিৰিকি বিৰিকি আটাইবোৰ প্ৰজাৰে কাণত পৰিছিলহি। গোটেই পৃথিবীতে যেন, ৰক্তক্ষয়কাৰী, নীচ ভাৱৰীয়াৰ আসুৰিক উৎসৱ চলিছে। মানুহৰ মনত এনে ধাৰণা শিপাবলৈ ধৰিলে যে, ধৰ্ম্ম আৰু মান সন্ত্ৰমৰ স্থান চিৰদিনলৈ শেষ হৈছে। তাৰঠাইত প্ৰতিষ্ঠিত হৈছে,—নৃত্য, গীত, ব্যভিচাৰ আৰু হত্যাৰ ৰাজত্ব। চিজাৰেও মনতে ভাবিলে, ভিন্‌দেক্সৰ বিদ্ৰোহে নতুনকৈ লুণ্ঠনৰাজ চলোৱাৰ সুবিধাহে উলিয়াব; গতিকে বিদ্ৰোহৰ বাতৰি পাই, তেওঁ দুশ্চিন্তাত পৰিব ক'ত, আনন্দহে পালে।

তেওঁ একিয়া এৰি আহিবলৈ অতি অনিচ্ছুক যেন দেখি, হেলিয়াচে তেওঁলৈ বাৰ্ত্তা পঠিয়াই জনাবলৈ বাধ্য হ'ল যে, তেওঁ যদি গ্ৰীকসকলৰ লগত সৰহ দিন থাকে, তেন্তে শেষত গৈ সাম্ৰাজ্যই হেৰুৱাব লাগিব। তেতিয়াহে তেওঁ সাগৰেৰে নিয়াপোলিচলৈ যাত্ৰা কৰিলে। কিন্তু সেই ঠাই পোৱাৰ পাচতো তেওঁ পুণৰ গীত বাদ্যহে আৰম্ভ কৰিলে। বিপদ যে ঘনাই আহিছে, এই কথা তেওঁৰ মনলৈকে নাহিল। টাইগেলিনাচে বৃথাই তেওঁক বুজাবলৈ চেষ্টা কৰিলে যে এইবাৰৰ বিদ্ৰোহত-এজন নেতা আছে, আগৰ বাৰত তেনে নেতা নাছিল। এই নেতাজন একুইটানিয়াৰ ৰজাৰ বংশধৰ,—এজন প্ৰখ্যাত আৰু অভিজ্ঞ যোদ্ধা। "ইয়াত গ্ৰীকসকলে মোৰ গীতবাদ্য মন দি শুনে,"—এইয়ে আছিল নিৰোৰ উত্তৰ। "একমাত্ৰ এই এটা জাতিয়েহে জানে, গীতবাদ্য কিদৰে শুনিব লাগে। মোৰ গীত শুনাৰ যোগ্য ব্যক্তি বুলি সিহঁতে প্ৰমাণ দিব পাৰিছে।" কিন্তু যেতিয়াহে শুনিলে, ভিনদেক্সে তেওঁক কলাকাৰ হিচাবে অতি নিকৃষ্ট বুলি ঘোষণা কৰিছে, তেতিয়া তেওঁ তৎমত হেৰুৱাই ৰোমলৈ ঢাপলি মেলিলে। পেট্ৰোনিয়াচে দিয়া আঘাতৰ ক্ষত একিয়াতে কিছু পৰিমাণে শুকাই গৈছিল যদিও এতিয়া সি পুণৰ ভয়ঙ্কৰীয়া হৈ উঠিল। তেওঁৰ ব্যক্তিত্বত ইমান ডাঙৰ অপমানৰ আঘাত দিয়াৰ বাবে, চিনেটৰ প্ৰভাৱশালী সদস্যসকলৰ ওচৰত, প্ৰতিশোধ লবলৈ আবেদন নজনোৱালৈকে তেওঁ ক্ষান্ত নহল।

আহোঁতে বাটত কোনোবা এঠাইত, গল সৈন্য এটাক ৰোমান নাইট এজনে ধৰাশায়ী কৰি পেলোৱা ৰজৰ মূৰ্ত্তি এটা দেখি, তেওঁ ধৰি ললে-ই অতি মংগলসূচক চিন। সঁচাকৈয়ে সেইদিনাৰ পৰা ভিন্‌দেক্সৰ বিদ্ৰোহৰ কথা ওলালেই, তেওঁ ইতিকিং কৰা হল। সম্ৰাটে ৰোমত পদাৰ্পণ কৰা সময়ত, অভূতপূৰ্ব্ব জাকজমকতা দেখা গল। অগষ্টাচৰ বিজয় আগমনত, যিখন ৰথ ব্যৱহাৰ কৰা হৈছিল, চিজাৰেও সেইখনকে ব্যৱহাৰ কৰিলে। শোভাযাত্ৰাৰ বাবে পথ উলিয়াবলৈ, ক্ৰীড়া ভৱনৰ এটা অৰ্দ্ধগোলাকাৰ স্তম্ভ ভাঙি পেলাব লগা হ'ল। চিনেটৰ সদস্য, নাইট আৰু অসংখ্য প্ৰজাই, তেওঁক আদৰি নিলে। "স্বাগতম্ অগষ্টাচ! স্বাগতম্ হাৰ্‌কিউলিজ! স্বাগতম্ অলিম্পিয়াৰ অমৰ দেৱতা!" জয়ধ্বনিয়ে নগৰৰ প্ৰাচীৰ কঁপাই তুলিলে। সম্ৰাটৰ পিচে পিচে কিছুমানে কঢ়িয়াই আনিলে, তেওঁ লাভ কৰা জয়মাল্য; যিবিলাক নগৰত তেওঁ জয়লাভ কৰিছিল, সেইবিলাক নগৰৰ নাম লেখা নিচান কঢ়িয়াই আনিছে, আন এটা দলে। যিসকল ডাঙৰ

শিল্পীক তেওঁ পৰাজিত কৰিছিল, সেইসকলৰ নাম তালিকা লেখা, ঢাল কৰিয়াই আনিছে, বেলেগ এটা দলে। তেওঁৰ নিচিনা দেৱতা এজনৰ বিপক্ষে, কোনোবা নৰমনিচে কেতিয়াবা হাত তুলিবলৈ সাহ কৰিব বুলি ধাৰণা কৰা অসম্ভৱ আৰু ই মূৰ্খামিৰ বাহিৰে আন একো নহয়—এনে এটা ভাবে তেওঁৰ মনত ঠাই ললে। তেওঁ সচাঁকৈয়ে নিজকে অলিম্পিয়াবাসী অমৰ দেৱতা বুলি ভাবি লৈছিল। মনৰ এই ধাৰণাক শক্তিশালী কৰি তুলিলে জনতাৰ উন্মত্ত চিৎকাৰ আৰু হৰ্ষধ্বনিয়ে। এই বিজয় গৌৰৱৰ দিনটোত, কেৱল নিৰো আৰু ৰোমবাসীয়েই নহয়, গোটেই বিশ্বজগতেই ঘোৰ পগলা হৈ উঠিছে বুলি ধাৰণা কৰা একো অস্বাভাৱিক নহয়।

আনহাতে, সেই একেটা সন্ধিয়াতে, মন্দিৰৰ স্তম্ভ আৰু প্ৰাচীৰত, চিজাৰক কলঙ্কিত কৰি লেখা নানা ধৰণৰ কথা দেখা গল, জগতে প্ৰতিহিংসা আসন্ন বুলিও ভয় দেখুৱা হ'ল, আৰু শিল্পী হিচাবে নগণ্য বুলি ঠাট্টা মস্কৰাও কৰা হ'ল। তদুপৰি, এনে একোসাৰ বাণীও লিপিবদ্ধ হ'ল, –"চিজাৰে গীত গাইছে, আজি তেওঁৰ গীতে গলদেশৰ ৰামপাৰাটোক জগাই তুলিছে।' ভয়াবহ উৰা-বাত্তৰি কিছুমান মুখে মুখে প্ৰচাৰিত হ'ল আৰু সেইবোৰ প্ৰৱল হৈ উঠিল। আনকি অগষ্টান সকলো শঙ্কিত হল। ভৱিষ্যতৰ অনিশ্চয়তাৰ কথা ভাবি, তেওঁলোকে সকলো আশা পৰিত্যাগ কৰাৰ মনোভাব ললে। কিন্তু মনৰ ভাব প্ৰকাশ কৰিবলৈ সাহ নকৰিলে।

এনে এটা অৱস্থাৰ মাজতো, নিৰোৱে মঞ্চ আৰু সঙ্গীত লৈয়ে দিন কটালে। নতুন নতুন বাদ্যযন্ত্ৰৰ আবিষ্কাৰত মন দিলে আৰু পেলেটাইনত পানীৰ গতি-বেগেৰে চলাব পৰা যন্ত্ৰ স্থাপন কৰাত মনোনিবেশ কৰিলে। তেওঁৰ মনৰ গতি ইমান অদ্ভুত যে, ভৱিষ্যত কাৰ্য্যপন্থা গ্ৰহণ কৰা বা যুক্তিৰে চিন্তা কৰাৰ কথা বাদ দি, তেওঁ এতিয়াও ভাবি থাকিল যে, খেলমাটিত নতুন খেল আৰু ক্ৰীড়া মঞ্চত নতুন দৃশ্য অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিলেই, বিপদৰ হাত সাৰি যাব। পৰিস্থিতিৰ বৰ্ণনা দিবলৈ, নতুন শব্দ বাছি লোৱাৰ চেষ্টাহে চলিল তেওঁৰ মনত! ইয়াৰ বাহিৰে তেওঁৰ যে কোনো চিন্তা ভাবনা নাই, সেইকথা ভালদৰে বুজা গল। তেওঁৰ এনে আওকণীয়া মনোভাৱ দেখি, অন্তৰঙ্গ ব্যক্তিসকল দিশহাৰা হৈ উঠিল।

তেওঁৰ গতিবিধি ইমান চঞ্চল, আৰু তেওঁৰ মস্তিষ্কৰ মাজেদি পাৰ হৈ যোৱা অসংখ্য কামৰ আঁচনি ইমান সঙ্গতিবিহীন যে, নিজকে আৰু সভাসদবৰ্গক তুষ্ট কৰিবলৈকে সেইবোৰৰ অৱতাৰণা কৰা হৈছে বুলি কাৰো বুজিবলৈ বাকী নাথাকিল। তেওঁৰ উত্তপ্ত মনৰপৰা ওলোৱা বচ' বচা বাক্যবোৰো যে কেৱল মাত্ৰ আমোদ দিয়াৰ উদ্দেশ্যে ব্যৱহৃত হৈছে, সেই কথাও দুই এজনে নুবুজাকৈ নাথাকিল। কেতিয়াবা তেওঁ আসন্ন বিপদৰ পৰা পলাই সাৰিবলৈ সিদ্ধান্ত লয়। তেতিয়া তেওঁ বীণ, জিথাৰ আদি তাঁৰ বাদ্যবোৰ টোপোলা বান্ধি লবলৈ-কম বয়সীয়া পৰিচাৰিকাবিলাকৰ মাজৰ পৰা নাৰ্যোদ্ধা গোটাবলৈ, আৰু প্ৰাচ্য দেশত থকা সেনাবাহিনী ৰোমলৈ স্থানান্তৰ কৰিবলৈ আদেশ দিয়ে। কিন্তু পিচ মুহূৰ্ত্তত তেওঁ ভাবে, সৈন্যবলেৰে নহয়—গীতৰ প্ৰভাৱেৰে তেওঁ গলবিলাকৰ বিদ্ৰোহ দমাই সিহঁতক শান্ত কৰিব পাৰিব। হয়, তেওঁৰ সৈনাবাহিনীত থকা আটাইবোৰ সেনাই তেওঁক বেৰি লৈ, সজল চকুৰে চাই বিজয়গীতি গাব। সেই গীতে স্বাগতম্ জনাব,—এটি সোণালী যুগক! তেওঁৰ আৰু ৰোমৰ বাবে আহিব সেই যুগ। পুণৰ তেওঁৰ মনত ৰক্তপিপাসা জাগি উঠে। তেতিয়া তেওঁ ঘোষণা কৰে, সকলো যদি নিষ্ফল হয়, তেওঁ মিছৰৰ এক চতুৰ্থাংশৰ শাসক হৈয়ে সন্তুষ্ট থাকিব। তাৰ পাচত আকৌ এবাৰ ভৱিষ্যত বক্তাৰ কথাৰ উদ্ধৃতি দি, তেওঁ কয়, তেওঁ জেৰুজালেম্ ৰাজ্যৰ অধীশ্বৰ হ'ব। পিচ মুহূৰ্ত্তত পেটৰ দায়ত গীত গাই, সমস্ত জগত ভ্ৰমি ফুৰা তথীয়া, নিচলা গায়কৰ ৰূপত নিজকে কল্পনা কৰি তেওঁ ফেঁকুৰি কান্দি উঠে। এনে অৱস্থাত, পৃথিৱীৰ আটাইবোৰ নগৰৰ সকলো জাতিৰ মানুহে, তেওঁক সন্মান নেদেখুৱাকৈ নাথাকে,—পৃথিৱীৰ একচ্ছত্ৰী সম্ৰাট আছিল বুলি নহয়, অদ্বিতীয় চাৰণ কবি বুলিহে।

এইদৰে তেওঁ উগ্ৰমূৰ্ত্তি ধৰি যিহকে তিহকে বকিলে, গীত গালে, বাদ্য বজালে, এটা আঁচনি বা উদ্ধৃতিৰ পাচত আন এটালৈ গল। বৰ বৰ কথা; বেয়া কবিতা, আৰ্ত্তনাদ, চকুলো আৰু ৰক্ত স্পৃহাৰে গঢ়া নিজৰ জীৱনক আৰু চাৰিও-কালৰ পৃথিৱীখনক, তেওঁ যেন এটা বিৰাট কদৰ্য্য উপহাসলৈ ৰূপান্তৰিত কৰিলে। সকলো যেন উদ্ভট কল্পনা আৰু ভয়াবহতাৰ সংমিশ্ৰণত সৃষ্টি হোৱা দুঃস্বপ্ন। কিন্তু পশ্চিম দিশত ক'লা মেঘে ক্ৰমে ঘণীভূত হৈ বিস্তাৰ লাভ কৰিছিল। কাৰণ, সকলো ফালে অতিমাত্ৰা হৈছিল,—ভেকোভাৱনা শেষ হবলৈ আৰু সৰহ দিন নাছিল।

যেতিয়া চিজাৰে জানিলে যে, গাল্‌বাও জাগি উঠিছে আৰু হিস্পানিয়াই (আইবেৰিয়া) তেওঁক সহায় কৰিছে, তেতিয়া উন্মত্ত ক্ৰোধত তেওঁ সংহাৰ মূৰ্ত্তি ধাৰণ কৰিলে। খোৱা মেজৰ পিয়লা ভাঙি চুৰমাৰ কৰি গোটেই মেজখনকে বগৰালে আৰু এনে অদ্ভুত আদেশ জাৰি কৰিলে যে, হেলিয়াচ্ বা টাইগেলিনাচ্ এজনেও তাক কাৰ্য্যত পৰিণত কৰিবলৈ সাহ নকৰিলে। ৰোমত বাস কৰা প্ৰতিজন গলদেশীয় মানুহৰ ডিঙি কটা, নগৰত পুণৰ জুই দিয়া, পিজৰাত থকা বনৰীয়া জন্তু মেলি দিয়া, আলেকজেন্দ্ৰিয়ালৈ ৰাজধানী তুলি নিয়া—এইবোৰেই তেওঁৰ মানত চমৎকাৰ, আকৰ্ষণীয় আৰু সহজে সমাধা কৰিব পৰা কাৰ্য্যপন্থা। অৱশ্যে সৰ্ব্বশক্তিমান হৈ থকাৰ দিন আৰু নাই তেওঁৰ! আনকি, তেওঁৰ পাপৰ সঙ্গীসকলেও জানে, পতন অৱশ্যম্ভাৱী।

ভিন্‌দেক্সৰ মৃত্যুৰ পাচত, বিদ্ৰোহী সেনাৰ মাজত মতভেদৰ সৃষ্টি হোৱাত, চিজাৰৰ ক্ষমতা উদ্ধাৰৰ আশাই দেখা দিলে। লগে লগে নতুন নতুন উৎসৱ, বিজয়োল্লাস, আৰু মৃত্যুদণ্ডৰ ঘোষণা চলিল। কিন্তু এদিন নিশা, নিৰাপত্তাৰক্ষী বাহিনীৰ শিবিৰৰ পৰা, এজন অশ্বাৰোহী দূতে উধাতু খাই আহি, জনালে যে, নগৰৰ মাজ মজিয়াতে সেনাবিলাকে বিদ্ৰোহ কৰিছে আৰু গাল্‌বাক সম্ৰাট বুলি ঘোষণা কৰিছে।

সেই সময়ত চিজাৰ দোৰ্ঘোৰ টোপনিত একো কৰ নোৱাৰা হৈ আছিল। হঠাৎ সাৰ পাই উঠি, তেওঁ নিজৰ অস্ত্ৰধাৰী ৰখীয়াইতক কোঠাৰ দুৱাৰ মুখলৈ চিঞৰি মাতিলে। কিন্তু কোনো নাই। ৰাজপ্ৰাসাদ একেবাৰে শূণ্য। মাত্ৰ দূৰত, চুকে কোণে থকা দুই এপদ বস্তু হাতৰ কাষত পাই, দাস কিছুমানে সৰকাবলৈ আৰম্ভ কৰা দেখা গ'ল। তাৰ পাচত তেওঁৰ চকুৰ আগতে সিহঁত পলাই গ'ল। ৰাজপ্ৰাসাদৰ ইকালে সিকালে ছটফটাই ঘূৰি, আতঙ্ক আৰু হতাশাৰ আৰ্ত্তনাদেৰে চিজাৰে নিশাৰ নিস্তব্ধতা ভঙ্গ কৰিলে।

অৱশেষত, ফাও, স্পিৰাচ্, আৰু এপাফ্ৰোদাইট্ নামৰ তিনিটা মুক্তদাস আহিল—তেওঁক উদ্ধাৰ কৰিবলৈ। এক মুহূৰ্ত্তও সময় নাই। সিহঁতে তেওঁক পলাই যাবলৈ পীড়া পীড়ি কৰাৰ পাচতো তেওঁ নিজকে মিছা আশাৰে ভুলাবলৈ চেষ্টা কৰিলে। তেওঁ যদি শোকৰ সাজ পিন্ধি চিনেটত নিজৰ দুৰাৱস্থাৰ কথাবোৰ ইনাই বিনাই কয়গৈ, তাৰ সদস্যসকলে তেওঁৰ চকুপানী আৰু বাকপটুতাক প্ৰতিৰোধ কৰিব পাৰিবনে? অভিনেতাৰ সকলো দক্ষতা আকৰ্ষণীয়

গুণ, আৰু কলাকৌশল যদি আৰোপ কৰে, তেন্তে? নিশ্চয় তেওঁলোকক জয় কৰি পেলাব, নহয় জানো? তেওঁলোকৰ পৰা অন্ততঃ মিচৰৰ শাসনকৰ্ত্তাৰ বাব-টোকে আদায় কৰি লব পাৰিব। নোৱাৰিবনে বাৰু?

তেওঁক সদায় তোষামোদ কৰাৰ অভ্যাস থকাৰ বাবে, মুক্ত দাসইতে এই কথাৰ উত্তৰত পোনপটীয়াকৈ নহয় বুলিবলৈ টান পালে। কিন্তু সিহঁতে জানে যে, তেওঁ ফ'ৰাম পোৱাৰ আগতেই ৰাইজে তেওঁক মাৰিকাটি শেষ কৰি থব। গতিকে সিহঁতে তেওঁক ভয় দেখুৱাই কলে যে, তেওঁ যদি তৎক্ষণাৎ ঘোঁৰাত উঠি নলয়, তেন্তে তেওঁক নিজ কৌশল চলাবলৈ এৰি থৈ যোৱা হব। ফাওনে তাৰ গাঁৱৰ ঘৰত তেওঁক আশ্ৰয় দিবলৈ গাত ললে; তালৈ যাবলৈ হলে, নোমেন্‌টানা দুৱাৰ পাৰ হব লাগিব।

মূৰ ঢাকি ঢিলা সাজ পিন্ধি আটাইকেইজনে ৰোমৰ সীমাৰ ফালে ঘোঁৰা চেকুৰালে। ৰাতি পুৱাবলৈ তেতিয়া সৰহ পৰ নাই। ৰাজপথৰ অভূতপূৰ্ব্ব জন সমাগমে, উত্তেজনাপূৰ্ণ দিন এটাৰ কথাকে জনালে। গোটেই নগৰতে, সেনাবোৰে অকলে বা দলপাতি ঘূৰি ফুৰিছে। সৈনিক শিবিৰৰ সন্মুখত মৰাশ এটা পৰি থকা দেখি, নিৰোৰ ঘোঁৰাটোৱে উফাল মাৰি দিয়াত, তেওঁৰ মূৰৰ ঢাকনি খহি পৰিল আৰু সেই ফালেদি গৈ থকা সেনা এজনে পুৰণা সম্ৰাটৰ মুখখন চিনি পালে। কিন্তু এনেভাৱে সাক্ষাত ঘটাত মানুহজনে থতমত খাই ৰৈ, সৈনিকৰ চালাম দিলে, আগৰ অভ্যাস অনুসৰি। সেনাশিবিৰ পাৰ হৈ যোৱাৰ পাচত, তেওঁলোকে জনতাৰ গৰ্জ্জন শুনিলে—সিহঁতে গালবাক সম্ৰাট বুলি ঘোষণা কৰিছে। প্ৰথম বাৰলৈ নিৰোৱে বুজিলে, তেওঁৰ শেষ সময় উপস্থিত। ভয় আৰু অনুশোচনাত অস্থিৰ হৈ তেওঁ চকুৰ আগত এচপৰা ক'লা মেঘ দেখিলে —সেই ডাঁৱৰৰ মাজেদি, তেওঁৰ মাতৃ, পত্নী আৰু ভ্ৰাতৃৰ মুখ কেইখনে যেন, তেওঁক ভুমুকিয়াই চাইছে। তেওঁৰ দাঁতবোৰ থৰথৰকৈ কঁপিবলৈ ধৰিলে। অৱস্থাৰ এনে ভয়াবহতাৰ মাজতো, নিৰোৰ ভাৱুৰীয়া স্বভাৱটোৱে, মোহনীয় কিবা এটা বিচাৰি পালে। জগতৰ সৰ্ব্বশক্তিমান অধীশ্বৰ হৈও, সকলো হেৰুৱাই পেলোৱা অৱস্থাটো, তেওঁৰ বাবে বিয়োগান্ত নাটক এখনৰ শীৰ্ষবিন্দু। নিজৰ অভিনয় কৌশলৰ ওপৰত আস্থা ৰাখি তেওঁ শেষলৈকে মুখ্য ভাৱুৰীয়াৰ ভাও দি থাকিল। কবিতাৰ উদ্ধৃতি শুনোৱাৰ ইচ্ছাই তেওঁক উন্মত্ত কৰি তুলিলে।

সঙ্গীতত তেওঁ কোৱা কথাবোৰ মনত ৰাখিব আৰু পুৰুষানুক্রমে তাক প্রচাৰ কৰিব, এনে এটা উদ্‌ভ্রান্ত বাসনা জাগি উঠিল, তেওঁৰ মনত। মাজে সময়ে অৱশ্যে তেওঁ, সেই সময়ৰ হত্যাকৌশলত কুশলী মল্লবীৰ স্পিকুলাচকো চিঞৰি চিঞৰি মাতিলে। তাৰ পাচত তেওঁ এইদৰে চিঞৰিলে, "মোৰ আই, মোৰ পত্নী আৰু মোৰ ভাইটোৱে মোক মাতি আছে।" ইয়াৰ মাজতো, মূর্খৰ বৃথা আশাৰ ক্ষীণ পোহৰে তেওঁৰ মনৰ আকাশ বাৰে বাৰে চুই গল। তেওঁ জানে মৃত্যু কাষ চাপি আহিছে, কিন্তু তেওঁ যেন, সেইকথা বিশ্বাস কৰিব নোখোজে!

তেওঁলোকে নোমেন্‌টানা দ্বাৰ, খোলা অৱস্থাতে পালেগৈ। তাৰ পাচত, তেওঁলোকে ওচ্‌ট্রিয়ানাম্ পাৰ হৈ গল। এই ঠাইতে ধর্মাচার্য্যই, প্রচাৰ আৰু দীক্ষা দিয়াৰ কাম সমাধা কৰিছিল। দোকমোকালিতে, তেওঁলোক ফাওঁৰ ঘৰত উপস্থিত হ'ল।

সেই ঠাই পাইয়ে, মুক্ত দাস কেইটাই প্রভুৰ আগত কথা মুলুকুৱাই, খোলা-খুলিকৈ জনালে যে, তেওঁৰ মৃত্যু আসন্ন। এইবাৰ নিৰোৱে নিজৰ কবৰ খন্দালে আৰু দেহৰ ঠিক জোখ লৈ বাবে, মাটিত দীঘল দি শুই পৰিল। কিন্তু মাটিৰ চপৰাবোৰ দেখি, তেওঁৰ গা আতঙ্কত শিয়ঁৰি উঠিল। তেওঁৰ বহুৱাৰ দৰে মুখখন একেবাৰে বগা হৈ পৰিল আৰু কপালত ডাঙৰ ডাঙৰ ঘামৰ টোপালে দেখা দিলে। তেওঁ বাৰে বাৰে পাচ হুইকি গল। কম্পিত স্বৰ, যিমান পাৰে বিষাদপূর্ণ কৰি তেওঁ কলে—তেওঁৰ শেষ সময় অহা নাই এতিয়াও। অৱশেষত তেওঁ কবিতা আবৃত্তি কৰিবলৈ ধৰিলে, লাগিল নিছিগাকৈ। এইবাৰ নিজৰ দেহটো দাহ কৰিবলৈ দাবি জনাই কলে, "কিমান মহৎ শিল্পী এজনৰ জীৱনা-ৱসান ঘটিব আজি!"

বিভ্রান্তৰ দৰে বাৰে বাৰে এই কথা উচ্চাৰণ কৰি থাকোঁতে, হঠাৎ দূত এটাই আহি জনালে, "মাতৃহন্তাক প্রচলিত ৰীতি অনুসৰি দণ্ড দিয়া হ'ব বুলি চিনেটে স্থিৰ কৰিছে।"

"সেইটোনো কি?" প্রশ্ন কৰোঁতে নিৰোৰ ওঁঠ দুটা কেহৰাজ বটা যেন হল।

"অপৰাধীৰ মূৰটো, দুডাল লোৰৰ কাঁইটৰ মাজত টানকৈ সুমুৱাই লৈ, প্রহাৰ কৰি, মাৰি পেলোৱা হয় আৰু শটো টাইবাৰলৈ দলি মাৰি দিয়া হয়।" এপাফ্রোদাইটে খঙেৰে কলে।

নিৰোৱে গাৰ কাপোৰ খুলিলে।

"সময় হল," আকাশলৈ চাই তেওঁ কলে। তাৰ পাচত, আকৌ এবাৰ চিঞৰি উঠিল: "কিমান ভাণ্ডৱ শিল্পীয়ে আজি মৃত্যুবৰণ কৰিব!"

এই সময়তে পুণৰ ঘোঁৰাৰ খুৰাৰ দ্ৰুত শব্দ শুনা গ'ল। এজন সেনাপতি আৰু কিছুমান সেনা পালেহি। সিহঁত আহিছে—এহেনোবাৰ্বাচ্ নিৰোৰ মৃৰটো বিচাৰি।

"এতিয়া!" মুক্ত দাসজনে চিঞৰিলে।

নিৰোৱে ছুৰীখন নিজৰ ডিঙিলৈ নিলে; কিন্তু তেওঁৰ ভয়াতুৰ হাতে, কেতিয়াও তাক দকৈ বহুৱাবলৈ সাহ নকৰে বুলি বেচকৈ বুজা গল। সম্রাটৰ হাতৰ ওপৰত নিজৰ হাত থৈ, এপাফ্ৰোদাইটে তত্তালিকে জোৰেৰে ঠেলি, ছুৰী-খন গুৰিলৈকে বহুৱাই দিলে। মৃত্যুমুখী মানুহজনৰ চকুৰ মণি লুটি খালে। ভয়ঙ্কৰ, বিভৎস সেই চকুত, মৃত্যুৰ বিভীষিকা ফুটি উঠিল।

"মই ঘোষণা কৰিবলৈ আহিছিলো—আপোনাৰ প্ৰাণদণ্ডৰ হুকুম বাতিল কৰা হৈছে।" সেনাপতিয়ে চিঞৰি শুনালে।

"বহুত পলম হ'ল! বহুত পলম হৈ গল।" কষ্টেৰে উশাহ টনা ডিঙিৰ পৰা ঘেৰঘেৰীয়া মাত ওলাল। "আঃ! কেনে প্ৰভুভক্তি!"

পিচ মুহূৰ্ত্ততে, মৃত্যুৰ ছাঁ ঘণীভূত হল। প্ৰকাণ্ড ডিঙিটোৰ পৰা, ক'লা তেজৰ সোঁত বৈ পৰিল, বাগিচাখনৰ ফুলবোৰৰ ওপৰত। এক মুহূৰ্ত্তমান, মানুহ-জনে গোৰোহাৰে দপদপাই মাটিত মাৰিবলৈ ধৰিলে। তাৰ পাচত সকলো শেষ হল।

পিচদিনা ৰাতিপুৱা, তেওঁৰ পৰম অনুগতা এক্টিয়ে এটা মূল্যবান কাপোৰেৰে ঢাকি, সুগন্ধি দ্ৰব্য ছটিয়াই, চিতাত তুলি দাহ কৰিলে।

এইদৰে শেষ হ'ল—নিৰোৰ জীৱন—ধুমুহা, অগ্নিকাণ্ড, যুদ্ধ, মহামাৰি যিদৰে শেষ হৈ যায়—ঠিক সেইদৰে। এতিয়াৰে পৰা, ভেটিকান পাহাৰ শিখৰত থকা, সন্ত পিটাৰৰ সুদৃশ্য গীৰ্জ্জাৰ শাসন চলিব ৰোমৰ ওপৰত।

পুৰণি পোটা কাপেনা প্ৰবেশ দুৱাৰৰপৰা অলপ দূৰত, এতিয়াও দেখা যায় এখন সৰু প্ৰাৰ্থনাৰ বেদী। তাত মচ খাই যোৱা অস্পষ্ট লিপিৰে লেখা আছে:

"হে প্ৰভু, কোন ফালে যায়?"

সমাপ্ত

পৰিশিষ্ট

চমু টোকা :—

দেৱ দেৱী সকল :—

জিউচ্ বা জুপিটাৰ—গ্ৰীচৰ উত্তৰে থকা অলিম্পাচ পৰ্ব্বত শ্ৰেণী, দেৱতা সকলৰ বাসস্থান বুলি পৌৰাণিক কাহিনীত উল্লেখ কৰা হৈছে। গ্ৰীক আৰু ৰোমান পুৰাণৰ সৰ্ব্বশ্ৰেষ্ঠ দেৱতাজন হ'ল জিউচ্ বা জুপিটাৰ। তেওঁ দেৱতা সকলৰ ৰজা আৰু পিতৃ স্বৰূপ। তেওঁ বজ্ৰৰো অধিপতি। ৰোমানসকলে জুপিটাৰক ৰাষ্ট্ৰ আৰু আইন ৰক্ষাকৰ্ত্তা, (জুপিটাৰ ষ্টেট'ৰ) দেৱতাৰূপে অৰ্চ্চনা কৰিছিল। প্ৰাচীন ৰোমৰ কেপিটোলাইন পাহাৰত জুপিটাৰৰ মন্দিৰ আছিল। প্ৰাচীন মিছৰৰ মেড় ছাগলীৰ দৰে শিং থকা দেৱতা, 'জিউচ্ এমন্' বা 'জুপিটাৰ এমন্' গ্ৰীক আৰু ৰোমানসকলৰ জিউচ্ বা জুপিটাৰৰ সমপৰ্য্যায়ৰ দেৱতা। লিবিয়া মৰুভূমিত থকা জুপিটাৰ এমনৰ মন্দিৰ, ভৱিষ্যতবাণীৰ বাবে প্ৰাচীন কালত প্ৰসিদ্ধ আছিল বুলি জনা যায়।

এপোলো—ভৱিষ্যত বাণী, সঙ্গীত, পৌৰুষ-সৌন্দৰ্য্যৰ দেৱতা এপোলোক জ্যোতিৰ দেৱতাও বোলা হয়। এওঁৰ পিতৃ হ'ল দেৱৰাজ জিউচ্ আৰু মাতৃৰ নাম লেটো বা লেটোনা। গ্ৰীক পুৰাণৰ সূৰ্য্য দেৱতা ফিবাচ্ বা হিলিওচ্, এপোলো দেৱতাৰে আন দুটা নাম। এওঁক ৰোগ আৰোগ্যকাৰী দেৱতা বুলিও জনা যায়। এওঁৰ হাতত বীণা আৰু ৰূপৰ ধনু এখন থাকে। ডেল্‌ফি নামৰ ঠাইত থকা এপোলোৰ মন্দিৰ ভৱিষ্যত বাণীৰ বাবে সুপ্ৰসিদ্ধ আছিল বুলি পৌৰাণিক আখ্যানত পোৱা যায়। ট্ৰয়বাসীসকলে এইজন দেৱতাক, 'স্মিন্‌থিউচ্' বা 'স্মিন্‌থিয়ান্' আখ্যা দিছিল। প্ৰাচীন ভাস্কৰৰ হাতত জীৱন্ত ৰূপ পোৱা, সৰ্ব্বগুণ সম্পন্ন এই-জন দেৱতাক নানা নামেৰে আৰাধনা কৰা হৈছিল।

এচ্‌কিউলেহপিয়াচ্ বা আস্কলেপিয়াচ্—পৌৰাণিক আখ্যান মতে এওঁ হ'ল চিকিৎসা শাস্ত্ৰ আৰু ঔষধপাতিৰ দেৱতা। এপোলো পুত্ৰ, এইজন দেৱতাৰ মূৰ্ত্তিৰ কাষত, সাপেৰে মেৰিওৱা দণ্ড এডাল থাকে। ই চিকিৎসা বিদ্যাৰ

প্ৰতীক চিহ্ন। প্ৰাচীন গ্ৰীচৰ দক্ষিণত অৱস্থিত, এপিডাওৰাচ্ নামৰ ঠাইত, এচ্‌কিউলেইপিয়াচ্ দেৱতাৰ মন্দিৰ আছিল।

বেকাচ্ বা ডায়োনিচাচ্—গ্ৰীক আৰু ৰোমান পুৰাণৰ সুৰাৰ দেৱতা। অনুপ্ৰেৰণা আৰু উন্মত্ত উল্লাসৰ প্ৰতীক।

মাৰ্চ—ৰোমান পুৰাণত, ৰণৰ দেৱতাৰূপে অভিহিত এইজন দেৱতাক ৰোমান সকলৰ আদি পুৰুষ, ৰোমিউলাচ্ আৰু ৰিমাচৰ পিতৃ বুলি কোৱা হৈছে।

কিউপিদ্ বা এৰোচ্—ৰোমান পুৰাণৰ কিউপিদ্ আৰু গ্ৰীক পুৰাণৰ এৰোচ্ একেজন দেৱতা। দেৱতা, মানৱ আটাইৰে দেহত প্ৰেমৰ শৰ নিক্ষেপ কৰা, এইজন দেৱতাক হাতত ধনু, কাড় লৈ থকা, এটি সৰু ল'ৰা ৰূপে কল্পনা কৰা হৈছে। এওঁৰ মাতৃ স্বয়ং ভেনাচ্। পৌৰাণিক আখ্যানত থকা, কিউপিদ দেৱতা আৰু মৰ্ত্ত্যবাসিনী ৰাজকন্যা চাইকীৰ প্ৰেমগাঁথা উইলিয়ম্ মোৰিচ্, কীটচ্ আদি কবিৰ বৰ্ণনাত মূৰ্ত্ত হৈ উঠিছে।

চোম্‌নাচ্ বা হিপ্‌নোচ্- ৰোমান পুৰাণৰ চোমনাচ্ আৰু গ্ৰীক পুৰাণৰ হিপ্‌নোচ্ হ'ল শান্তিময় টোপনি আৰু সপোনৰ দেৱতা। এইজন দেৱতাক, ৰাত্ৰিৰ পুত্ৰ, আৰু মৃত্যুৰ দেৱতা থানাটোচৰ ভ্ৰাতৃৰূপে কল্পনা কৰা হৈছে।

ফন্ বা পেন্ দেৱতা—ৰোমান আৰু গ্ৰীক পুৰাণত এইজন দেৱতাক মেষপালকৰ দেৱতা বুলি কোৱা হৈছে। এওঁ পোহনীয়া জন্তু আৰু হাবি বনৰ দেৱতা আৰু মেষপালকৰ বাঁহীৰো আৱিষ্কাৰক। আৰ্‌কাদিয়া নামে ঠাইত এওঁৰ পূজা পাতল হৈছিল।

কেষ্টৰ আৰু পোলাক্স—গ্ৰীক পুৰাণৰ প্ৰখ্যাত উপ দেৱতাদ্বয়ৰ নাম। এওঁলোক জিউচৰ যমজ পুত্ৰ। এওঁলোকক ভ্ৰমণ, আতিথ্য আৰু ৰাজহুৱা ক্ৰীড়া উৎসৱৰ পৃষ্ঠপোষক বুলি কোৱা হয়। পুৰাণ প্ৰসিদ্ধ ৰূপৱতী হেলেনৰ ভ্ৰাতৃ, এই দুজন উপ দেৱতাই মিথুন বা জেমিনি নক্ষত্ৰ ৰূপে আকাশত দেখা দিয়ে।

চেৰেইপিচ্ - মিছৰীয় দেৱতা। মিছৰত থকা গ্ৰীক আৰু ৰোমান নগৰত এইজন দেৱতাৰ পূজা পাতল হৈছিল।

বা-আল- পুৰণি ফিনিচিয়ান্‌সকলৰ দেৱতা। এওঁলোক আছিল ভূমধ্য সাগৰৰ পাৰত থকা প্ৰাচীন চিৰিয়া দেশৰ মানুহ।

ওচিৰিচ্ -প্ৰাচীন মিছৰৰ সৰ্ব্ব প্ৰধান দেৱতা আছিল।

মিথ্ৰা—পুৰণি পাৰশ্যৰ দেৱতা। সূৰ্য্য বা জ্যোতিৰ দেৱতা বুলি জনা যায়। খৃঃ পূঃ এক শতিকাৰ মাজ ভাগৰ পৰা ৰোমতো এইজন দেৱতাৰ আৰাধনা হৈছিল।

মপ্‌চাচ্—ভৱিষ্যত বক্তা মপ্‌চাচ্ এপোলোৰ পুত্ৰ বুলি পৌৰাণিক আখ্যানত পোৱা যায়। মৃত্যুৰ পাচত এওঁক দেৱতাৰ শাৰীলৈ তোলা হৈছিল। প্ৰাচীন এচিয়া মাইনৰৰ চিলিচিয়া নামৰ ঠাইৰ মানুহে তেওঁক দেৱতাৰূপে অৰ্চ্চনা কৰিছিল।

মাৰ্‌কিউৰি—ৰোমান পুৰাণত, জুপিটাৰৰ পুত্ৰ মাৰ্‌কিউৰিক, বেহা বেপাৰ আৰু ধন সম্পদ লাভৰ দেৱতাৰূপে অভিহিত কৰা হৈছে।

হাৰ্মিজ্—ৰোমান সকলৰ মাৰ্‌কিউৰি দেৱতাই গ্ৰীক পুৰাণত হাৰমিজ্ নাম পাইছে। এওঁক দেৱতাসকলৰ দূত, আৰু মৃত ব্যক্তিক হেইদিজ্ বা প্ৰেত পুৰীলৈ বাট দেখুৱাই নিয়া অগ্ৰদূত বুলিও কোৱা হৈছে। বাট, পথ, আৰু বেপাৰ বাণিজ্যৰ পৃষ্ঠপোষক এইজন দেৱতা জিউচ্ আৰু মাইয়াৰ পুত্ৰ।

প্লুটো—যমপুৰী বা হেইদিজৰ ৰজা। এইজন কঠিন মনৰ দেৱতায়ো কিউপিডৰ শৰাঘাতত অস্থিৰ হৈ, ডিমিটিৰ দেৱীৰ কন্যা, প্ৰোচেৰ্পিন্ বা পেৰ্চিফোনীক হৰণ কৰি, প্ৰেত পুৰীৰ অন্ধকাৰ ৰাজ্যলৈ নি পত্নীৰূপে গ্ৰহণ কৰিছিল।

ক্ৰোনোচ্—গ্ৰীক পুৰাণত ইউৰেনাচ্ (আকাশ) আৰু জীয়াৰ (পৃথিৱীৰ) পুত্ৰ সকলক টাইটান্ নাম দিয়া হৈছে। গ্ৰীকসকলৰ মহাকালৰ দেৱতা ক্ৰোনোচো এজন টাইটান্ বা বিৰাটকায় পুৰুষ—যিজনে নিজ পিতৃক সিংহাসনচ্যুত কৰিছিল। কোনোবা এজন সন্তানৰ হাতত মৃত্যু মুখত পৰিব বুলি ভয় কৰি, ক্ৰোনোচে নিজ সন্তানসকলক জন্মৰ পাচতে ভক্ষণ কৰিছিল বুলি পৌৰাণিক আখ্যানত পোৱা যায়। কিন্তু সৎমনীয়া পুত্ৰ জিউচক মাকে লুকুৱাই থয় আৰু শেষত জিউচে নিজ পিতৃ ক্ৰোনোচক সিংহাসনচ্যুত কৰে। ৰোমান পুৰাণত ক্ৰোনোচক চেটাৰ্ণ বা শনি দেৱতা বোলা হৈছে।

প্ৰমিথিয়ুচ্—এওঁ এজন টাইটান। পৌৰাণিক আখ্যানত পোৱা যায়, মানুহৰ উপকাৰৰ বাবে এওঁ স্বৰ্গৰ পৰা জুই চুৰ কৰি নিছিল। এওঁ মাটিৰে মানুহ সাজি, স্বৰ্গৰ পৰা জুই চুৰ কৰি নি তাত জীৱদান দিছিল বুলিও আখ্যান আছে। এই অপৰাধৰ বাবে, জিউচে তেওঁক ককেচাচ পাহাৰৰ প্ৰকাণ্ড শিল এছটাত শিকলিৰে বান্ধি শাস্তি দিয়াইছিল।

ইওলাচ্—গ্ৰীক পুৰাণৰ বায়ু দেৱতা। পছাইদওন্ বা বৰুণ দেৱতাৰ পুত্ৰ।

প্ৰটিউচ্—সমুদ্ৰৰ দেৱতা।

এইপিচ্ বৃষভ—প্ৰাচীন মিছৰৰ বৃষভৰূপী দেৱতা একনৰ নাম।

এৰেবাচ্—অন্ধকাৰৰ আৰু প্ৰেত লোকৰ দেৱতা।

গ্ৰেচ্ দেৱীসকল—প্ৰফুল্লতা, উজ্জ্বলতা আৰু সৌন্দৰ্য্যৰ অধিষ্ঠাত্ৰী দেৱী তিনি-গৰাকীৰ নাম। এওঁলোক প্ৰেমৰ দেৱী ভেনাচৰ সহচৰী আৰু জিউচৰ কন্যা। এওঁলোকৰ গ্ৰীক নাম চেৰিচ্ বা কেৰিচ্।

হীৰা বা জুনো—গ্ৰীক পুৰাণৰ হীৰা আৰু ৰোমান পুৰাণৰ জুনো একে-গৰাকী দেৱী। এওঁ জিউচ্ বা জুপিটাৰৰ পত্নী। এওঁক বিবাহ আৰু নাৰীত্বৰ অধিষ্ঠাত্ৰী দেৱী বুলি কোৱা হয়।

হেচ্পেৰিদিজ্—গ্ৰীক পুৰাণত হেচ্পেৰাচ্ অৰ্থাৎ সন্ধ্যাৰ শুক্ৰতৰাৰ কন্যা সকলক হেচ্পেৰিদিজ বোলা হৈছে। সোণালী আপেল থকা নন্দন কাননৰ অধিকাৰিণী, এই কন্যাসকলক প্ৰেম আৰু সফলতাৰ প্ৰতীক বুলি ধৰা হয়।

এথিনী বা পালাচ্ এথিনী—এথেন্সৰ সৰ্ব্বপ্ৰধান দেৱী আৰু ৰক্ষাকৰ্ত্ৰী ৰূপে অভিহিত এই গৰাকী দেৱীক জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱীও বোলা হয়। এওঁ যুদ্ধৰো পৃষ্ঠপোষকতা কৰে।

ভেষ্টা—প্ৰাচীন ৰোমানসকলৰ জুইশাল আৰু গৃহৰ অধিষ্ঠাত্ৰী দেৱী। এওঁ চেটাৰ্ণ বা শনি দেৱতাৰ জীয়াৰী। ৰোমত এওঁৰ মন্দিৰৰ তত্বাৱধানত ছগৰাকী চিৰকুমাৰী সতী কন্যা নিযুক্ত আছিল। এওঁলোকেই হ'ল ভেষ্টেল ভাৰ্জিনচ্।

আইচিচ্—প্ৰাচীন মিছৰৰ চন্দ্ৰদেৱী। এওঁ ওচিৰিচ্ দেৱতাৰ পত্নী।

চিবেলী—ফ্ৰিজিয়ান্সকলৰ প্ৰধান দেৱী আছিল। প্ৰাচীন ৰোমত দেৱতা সকলৰ মাতৃৰূপে এওঁক পূজা কৰা হৈছিল। এওঁৰ অনুচৰবৰ্গক কোৰাইবেইন্টিজ্ (corybantes) বোলা হৈছিল। পাহাৰে বননিয়ে, শিঙা, তাল, ঢোল আদি বাদ্য সহ উন্মত্ত নৃত্য কৰি এওঁলোকে দেৱীক আৰাধনা কৰিছিল।

লুনা বা চেলিনী—লুনা দেৱীক প্ৰাচীন ৰোমানসকলে চন্দ্ৰ আৰু মাহ সমূহৰ দেৱীৰূপে অভিহিত কৰিছিল। এওঁৰ গ্ৰীক নাম চেলিনী।

লিবিটিনা—ৰোমান পুৰাণৰ সমাধি ক্ষেত্ৰৰ দেৱী।

অৰোৰা—ৰোমানসকলৰ ঊষা দেৱী।

ডায়েনা—প্ৰাচীন ৰোমান সকলৰ চিকাৰত লিপ্ত থকা চিৰকুমাৰী দেৱী ডায়েনাক, সতীত্বৰ প্ৰতীক বুলি ধৰা হৈছিল। এওঁ ফিবাচ্ বা এপোলোৰ ভনীয়েক। এফেচাচ্ নামৰ ঠাইত থকা প্ৰাচীন ডায়েনাৰ মন্দিৰ, পৃথিবীৰ সপ্তম আশ্চৰ্য্যৰ অন্তৰ্গত আছিল। এওঁক প্ৰাচীন মিচৰত, পেষ্ট বোলা হৈছিল।

ফৰ্চুনা—ৰোমান পুৰাণৰ ভাগ্যদেৱীৰ নাম।

ডিমিটিৰ্ বা চিৰিজ্—প্ৰাচীন গ্ৰীচৰ ডিমিটিৰ্ আৰু ৰোমৰ চিৰিজ্ দেৱী, কৃষি আৰু উৰ্ব্বৰা প্ৰকৃতিৰ দেৱী বুলি জনা যায়।

এফ্ৰোডাইটী বা ভেনাচ্—প্ৰেম আৰু স্বৰ্গীয় সৌন্দৰ্য্যৰ প্ৰতীক এই গৰাকী দেৱীক গ্ৰীক পুৰাণত এফ্ৰোডাইটী আৰু ৰোমান পুৰাণত ভেনাচ্ বা ভেনাচ্ জেনিট্ৰিক্স নামেৰে জনা যায়। চাইপ্ৰাচ দ্বীপৰ সমুদ্ৰতীৰত, সাগৰৰ ফেনৰ মাজৰ পৰা, এফ্ৰোডাইটীৰ আবিৰ্ভাব ঘটিছিল বুলি, পৌৰাণিক আখ্যানত পোৱা যায়। এইগৰাকী দেৱীক চাইপ্ৰিচ্ বা চাইপ্ৰাচৰ দেৱী বুলিও কোৱা হয়। চাইপ্ৰাচ্ দ্বীপৰ পশ্চিম উপকূলত থকা, পেইফোচ্ বনভূমিত তেওঁৰ মন্দিৰ আছিল বাবে, তেওঁক পেইফোচৰ দেৱীও বোলা হয়। দেৱভূমি অলিম্পাচলৈ যোৱাৰ পাচত, সকলো দেৱতাই তেওঁক পাবলৈ বিচাৰিছিল। এফ্ৰোডাইটীৰ অহঙ্কাৰ সহিব নোৱাৰি, দেৱৰাজ জিউচে্ তেওঁক আপচু আৰু খোৰা, অগ্নি-দেৱতা ভল্‌কানৰ লগত বিয়া দিছিল যদিও, প্ৰেমৰ দেৱীগৰাকীয়ে বিবাহ বন্ধনৰ মৰ্য্যাদা ৰক্ষা কৰা নাছিল। ৰোমানসকলৰ পূৰ্ব্বপুৰুষ ইনিয়েচৰো মাতৃ আছিল ভেনাচ্।

মাইয়া—এওঁ এট্‌লাচ্ নামৰ টাইটান্ এজনৰ জ্যেষ্ঠা কন্যা আছিল। পৌৰাণিক আখ্যানমতে এওঁ দেৱদূত হাৰ্মিজ্ দেৱতাৰ মাতৃ। মাইয়াৰে সৈতে এট্‌লাচৰ সাতগৰাকী কন্যাই আকাশত এটি নক্ষত্ৰ পুঞ্জৰ সৃষ্টি কৰিছে বুলি কোৱা হৈছে।

ফ্লোৰা—ৰোমান পুৰাণৰ ফুলৰ দেৱী।

এম্ফিট্ৰাইটী—সমুদ্ৰৰ দেৱী। এওঁ পছাইদওনৰ পত্নী।

মিউজ দেৱীসকল—কবিতা, সাহিত্য, সঙ্গীত, ইতিহাস, দৰ্শন আদি কলা বিদ্যাৰ অধিষ্ঠাত্ৰী ৯ গৰাকী দেৱীৰ নাম। এওঁলোক জিউচৰ কন্যা। ইয়াৰ ভিতৰত গীতি কবিতাৰ দেৱী গৰাকীৰ নাম ইউটাৰ্পী আৰু ইতিহাসৰ দেৱী হল ক্লাইও।

লিউচিনা—মাতৃগৰ্ভৰ পৰা সন্তানক পৃথিৱীৰ পোহৰলৈ অনা দেৱী গৰাকীৰ নাম।

টেৰা—বসুমতী দেৱীৰ নাম।

চিল্‌ভিয়া—অৰণ্যৰ দেৱী।

পাৰ্‌চী—তিনিগৰাকী ভাগ্য দেৱীৰ লেটিন নাম।

হেকেটী—একেগৰাকী দেৱীয়ে তিনিটা ৰূপ লৈ হেকেটী নাম পাইছে। পৌৰাণিক আখ্যান মতে, পৃথিৱীত এওঁ ডায়েনা, আকাশত লুনা আৰু প্ৰেত পুৰীত প্ৰোচেৰ্পিনৰ ৰূপ লৈছে। সেইবাবে এইগৰাকী দেৱীৰ মূৰো তিনিটা।

এইটী—গ্ৰীক পুৰাণ মতে এওঁ হল, মানুহ জাতিৰ মাজত পাপ আৰু অপৰাধৰ বীজ সিঁচি দিয়া তামসী দেৱী।

ফিউৰী—প্ৰতিহিংসাৰ অধিষ্ঠাত্ৰী তিনিগৰাকী উগ্ৰচণ্ডা দেৱীৰ নাম। টাইচিফোনী, এলেক্‌টও আৰু মেগিৰা—এই তিনিটা হ'ল, দেৱীসকলৰ নাম।

আখ্যান প্ৰসিদ্ধ ব্যক্তিসকল আৰু পৌৰাণিক প্ৰাক-ঐতিহাসিক সাধুকথা:—

প্ৰায়েম—গ্ৰীক উপাখ্যানমতে এওঁ ট্ৰয়ৰ শেষ ৰজা আছিল। ট্ৰয় নগৰ পতন হৈ অগ্নিদগ্ধ হোৱাৰ পাচত, একিলিজৰ পুত্ৰেকৰ হাতত তেওঁৰ মৃত্যু ঘটে।

এগেমেম্‌নন্—আৰ্গোচৰ ৰজা আৰু হেলেনৰ স্বামী মেনেলেয়াচৰ ভ্ৰাতৃ। ট্ৰয় আক্ৰমণ কালত, তেওঁ গ্ৰীক সৈন্যদলৰ অধিনায়ক আছিল।

একিলিজ—ট্ৰয় যুদ্ধৰ বিখ্যাত গ্ৰীক বীৰ।

আৰ্‌গাইভ সেনাদল—আৰ্‌গোচ্‌ নামেৰে গ্ৰীচত এখন নগৰ আছিল। সেই নগৰৰ বাসিন্দাক আৰ্‌গাইভ বোলা হৈছিল। হোমাৰে ট্ৰয় যুদ্ধৰ গ্ৰীকসকলক 'আৰ্‌গাইভ্‌ সেনাদল' বুলি কৈছে।

ইউলিচ্‌চিজ্‌—ইথাকা দ্বীপৰ ৰজা আছিল। এওঁৰ লেটিন নাম ওডিচ্‌যুচ্‌। ট্ৰয় যুদ্ধৰ বীৰ ইউলিচ্‌চিজে যুদ্ধত জয়লাভ কৰি ঘৰলৈ উলটি আহোঁতে, সমুদ্ৰৰ ৰজা পচাইডওনে তেওঁৰ পথত বাধা বিঘিনিৰ সৃষ্টি কৰি, দহ বছৰ কাল নানা ঠাইত ঘূৰাই লৈ ফুৰাইছিল। এই দুঃসাহসিক অভিযানসমূহৰ বৰ্ণনা আৰু ওডিচ্‌যুচৰ গৃহ প্ৰবেশৰ কাহিনী, হোমাৰৰ 'ওডিছী' মহাকাব্যত পোৱা যায়।

হেকিউবা—ট্ৰয়ৰ ৰজা প্ৰায়েমৰ পত্নী আৰু মহাবীৰ হেক্টৰৰ মাতৃ। হেলেনক অপহৰণ কৰি নিয়া পেৰিচো তেওঁৰ পুত্ৰ।

ট্ৰয়লাচ্ আৰু ক্ৰেচিডা—ট্ৰয় যুদ্ধৰ সময়ত, কেল্‌কাচ্ নামৰ পুৰোহিত এজনৰ কন্যা ক্ৰেচিডাক প্ৰায়েমৰ পুত্ৰ ট্ৰয়লাচে ভাল পাইছিল। ক্ৰেচিডাই প্ৰেমিকক প্ৰতাৰণা কৰাৰ কাহিনী আছে। একিলিজৰ হাতত ট্ৰয়লাচৰ মৃত্যু ঘটে।

থেৰ্‌চাইটিজ্—ট্ৰয় যুদ্ধৰ গ্ৰীক সকলৰ ভিতৰত, আটাইতকৈ কুৎসিত আৰু দেখিলে ঘিণ লগা মানুহজনৰ নাম থেৰ্‌চাইটিজ্। পিঠিত কুঁজ থকা এই কলহপ্ৰিয় মানুহজনে নেতাসকলক নিন্দা কৰি নিজৰ কু-স্বভাৱৰ পৰিচয় দিছিল।

ওৰেচ্‌টিজ্—এগেমেম্‌নন্ আৰু ক্লাইটেম্‌নেস্ত্ৰাৰ পুতেক আছিল। ট্ৰয় যুদ্ধৰ পৰা উলটি অহাৰ পাচত, ক্লাইটেম্‌নেস্ত্ৰাই এগেমেম্‌ননক হত্যা কৰিছিল। পিতৃ হত্যাৰ প্ৰতিশোধ লবলৈ, ওৰেচ্‌টিজে নিজৰ মাকক হত্যা কৰিছিল। এই পাপৰ কাৰণে, তিনিগৰাকী ফিউৰীয়ে তেওঁক বিভীষিকা দেখুৱাই খেদি লৈ ফুৰাইছিল বুলি পৌৰাণিক আখ্যানত পোৱা যায়।

ডাৰ্চে—গ্ৰীক উপাখ্যানত পোৱা যায়, থিব্‌চৰ ৰজা লাইকাচৰ পত্নী ডাৰ্চে, ৰাজসিংহাসনৰ প্ৰকৃত উত্তৰাধিকাৰী এচোপাচৰ কন্যা এন্টিওপীক, এম্ফিয়ন্ আৰু জেথোচ্ নামৰ দুজন যুৱকৰ হতুৱাই বধ কৰাবলৈ চেষ্টা কৰিছিল। ডাৰ্চে এন্টিওপীক বনৰীয়া ষাড়ৰ শিঙত বান্ধিবলৈ যুৱক দুজনক আদেশ দিছিল। ভাগ্যচক্ৰত, গৰখীয়াৰ মাজত ডাঙৰ দীঘল হোৱা, জিউচ-নন্দন এম্ফিয়ন্ আৰু জেথোচে জনা নাছিল যে, তেওঁলোকৰ মাতৃ, এন্টিওপীয়ে। ঠিক সময়তে দুয়োজন যুৱকে মাকক চিনি পালে। তেওঁলোকে তেতিয়া ডাৰ্চেক ধৰি আনি বনৰীয়া ষাড়ৰ শিঙত বান্ধি দিলে। নিষ্ঠুৰা ৰাণীগৰাকী এইদৰে মৃত্যু মুখত পৰিল।

জেথোচ্ আৰু ইটিলোচ্—অন্যায় ভাবে থিব্‌চৰ সিংহাসন কাঢ়ি লোৱা, ৰজা লাইকাচক বধ কৰি, এম্ফিয়ন্ আৰু জেথোচে থিব্‌চ নগৰৰ চাৰিওফালে সুৰক্ষিত প্ৰাচীৰ নিৰ্ম্মাণ কৰে। থিব্‌চ ৰাজ্য প্ৰকৃত উত্তৰাধিকাৰীৰ হাতলৈ যায় যদিও, তেওঁলোকৰ জীৱনো অভিশপ্ত হৈ উঠে। পৌৰাণিক আখ্যানত পোৱা যায়, জেথোচৰ পত্নী এইদনৰ দুজন সন্তান আছিল। কিন্তু এম্ফিয়নৰ পত্নী নাইয়োবীৰ ছজন পুত্ৰ সন্তান হোৱা গতিকে, এইদনৰ হিংসাত বুকু পুৰিবলৈ ধৰিলে। নাইয়োবীৰ প্ৰথম সন্তানটোক তেওঁ বধ কৰিব খুজিলে; কিন্তু

ভুলতে জেখোচৰ পত্নী এইদৰে নিজ পুত্ৰ ইটিলোচকে বধ কৰি পেলালে। এই কামৰ বাবে গোটেই জীৱন অনুতাপত দগ্ধ হৈ, চকুপানী টুকি কাল কটোৱা জেখোচৰ পত্নীয়ে, মৃত্যুৰ পাচত নাইটিঙেল চৰাই হৈ, চিৰকাল ইনাই বিনাই শোকৰ গীতকে গাই আছে। হোমাৰে 'ওডিছীত' এই কাহিনীৰ উল্লেখ কৰিছে।

নাইয়োবী—থিব্‌চৰ ৰজা এম্ফিয়নৰ পত্নী নাইয়োবীৰ জীৱনো অতি শোক-লগা। সন্তানক লৈ অহঙ্কাৰ কৰাই তাৰ কাৰণ। এপোলো আৰু আৰ্টিমিচৰ (ডায়েনাৰ) মাতৃ লেটোনাৰ লগত, নাইয়োবীয়ে নিজকে তুলনা কৰি, মাতৃ হিচাবে নিজৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰিছিল। এপোলো দেৱতা আৰু আৰ্টিমিচ্‌ দেৱীৰ এই কথা সহ্য নহল। তেওঁলোকে নাইয়োবীৰ ছজন পুত্ৰ আৰু পাঁচ গৰাকী কন্যাক হত্যা কৰি প্ৰতিশোধ ললে। সন্তানৰ শোকত নাইয়োবী প্ৰস্তৰলৈ ৰূপান্তৰিত হ'ল আৰু তেওঁৰ চকুপানীবোৰ পাহাৰৰ বুকুৰেদি নিজৰি ওলাবলৈ ধৰিলে। গতিকে নাইয়োবীক শোকৰ প্ৰতীক বুলি ধৰা হয়।

ডেনেইদিজ্‌—গ্ৰীক পুৰাণত পোৱা যায়, লিবিয়াৰ ৰজা ডেনেয়াচৰ পঞ্চাশ গৰাকী কন্যা আছিল। এওঁলোকক ডেনেইদিজ্‌ অৰ্থাৎ ডেনেয়াচ্‌-নন্দিনী বোলা হয়। মাত্ৰ এগৰাকীৰ বাহিৰে, আটাই কেইগৰাকীয়ে, পিতৃৰ আদেশ পালন কৰি বিয়াৰ নিশাই নিজৰ স্বামীসকলক হত্যা কৰিছিল। এই পাপৰ শাস্তি স্বৰূপে, তেওঁলোকে অনন্ত কাল ধৰি, প্ৰেতপুৰীত বাস কৰি, অবিৰাম ভাৱে চালনীত পানী ভৰাই আছে।

পেচিফি—এওঁ ক্ৰীতৰ ৰজা মিনোচৰ পত্নী আছিল বুলি পৌৰাণিক উপাখ্যানত পোৱা যায়। সমূদ্ৰৰ ৰজা পছাইদওনে ৰজা মিনোচলৈ, পূজাৰ বলি হিচাবে, এটা ধুনীয়া বগা ষাড়ঁগৰু পঠাইছিল। কিন্তু পেচিফিয়ে এই ষাড়টোৰ প্ৰতি আসক্ত হৈ, তাৰে সৈতে সম্ভোগত লিপ্ত হ'ল। ষাড়টোৰে সৈতে হোৱা সঙ্গমৰ ফলত এটা অদ্ভুত জন্তুৰ জন্ম হৈছিল বুলি আখ্যান আছে। এই জন্তুটোৱেই হ'ল, 'ক্ৰীতান মিনোটৰ' অৰ্থাৎ ক্ৰীত দেশৰ আধা মানুহ আৰু আধা ষাড়ঁগৰুৰ আকৃতিৰ পিশাচ।

ডিডেলাচ্‌ আৰু আইকেৰাচ্‌—ক্ৰীতান মিনোটৰৰ কাৰণে, ডিডেলাচ্‌ নামৰ দক্ষ কাৰিকৰ এজনে 'লেবিৰিন্থ' অৰ্থাৎ চক্ৰব্যূহ নিৰ্ম্মাণ কৰিছিল। ডিডেলাচ্‌ আৰু তেওঁৰ পুত্ৰ আইকেৰাচে আকাশী যানবো কল্পনা কৰিছিল বুলি জনা যায়। ৰজা মিনোচৰ অপ্ৰীতিভাজন হৈ, ক্ৰীত দ্বীপৰ পৰা উৰি পলাই যাবৰ কাৰণে,

ডিডেলাচে নিজৰ আৰু পুত্ৰেকৰ কাৰণে ডেউকা সাজিছিল। ডিডেলাচে সেই ডেউকাৰ সহায়ত সাগৰৰ ওপৰেদি উৰি গৈ, ক্ৰমে মাটিত নামিছিল। কিন্তু আইকেৰাচে ডেউকা পিন্ধি, সূৰ্য্যৰ ইমান ওচৰেদি উৰি গ'ল যে, ডেউকা দুখনৰ মম গলি গৈ সৰি পৰে আৰু তেওঁ ইজিয়ান সাগৰত পৰি প্ৰাণ হেৰুৱায়।

থিচিয়ুচ্—পৌৰাণিক আখ্যানত এওঁক দ্বিতীয় হাৰ্‌কিউলিজ্ বুলি জনা যায়। এইজন অসাধাৰণ বীৰ পুৰুষে ক্ৰীত দেশৰ 'লেবিৰিন্থ' অৰ্থাৎ চক্ৰব্যূহত সোমাই, 'ক্ৰীতান মিনোটৰক' বধ কৰাৰ পৌৰাণিক সাধু পঢ়িবলৈ পোৱা যায়।

স্ফিঙ্কচ্—গ্ৰীক পুৰাণত তিৰোতা মানুহৰ মূৰ আৰু সিংহৰ গা থকা, পাখি-লগা দৈত্যৰ নাম পোৱা যায়। ইয়াৰ নামেই স্ফিঙ্কচ্। গ্ৰীচৰ থিব্‌চ নামৰ ঠাইত, স্ফিঙ্কচে বাটকৰাক সাঁথৰ সুধিছিল আৰু উত্তৰ দিব নোৱাৰিলে মাৰি পেলাইছিল। শেষত ওডিপাচে স্ফিঙ্কচৰ সাঁথৰৰ উত্তৰ দিছিল। প্ৰাচীন মিচৰত মানুহৰ বা অন্যান্য জন্তুৰ মূৰ, আৰু সিংহৰ গা থকা, স্ফিঙ্কচৰ মূৰ্ত্তিও অঙ্কণ কৰা হৈছিল।

এট্‌লাচ্—গ্ৰীক পৌৰাণিক আখ্যানত পোৱা যায়, এট্‌লাচ্ নামৰ টাইটান বা অসুৰ এজনে জিউচৰ বিৰুদ্ধে বিদ্ৰোহ কৰাত, শাস্তি স্বৰূপে তেওঁক গোটেই বিশ্ব জগতৰ ভাৰ, মূৰত লৈ থাকিবলৈ দিয়া হয়।

কেইকাচ্—পুৰাণ প্ৰসিদ্ধ বীৰ হাৰ্‌কিউলিজৰ অসাধাৰণ বীৰত্বৰ কাহিনীত পোৱা যায়—উশাহ নিশাহৰ পৰা জুই ওলোৱা, কেইকাচ্ নামৰ ভয়ঙ্কৰ দৈত্য এটাক তেওঁ যুদ্ধত পৰাস্ত কৰি বধ কৰিছিল।

হাৰ্‌কিউলিজৰ মৃত্যু—দহোটা দুঃসাহসিক অভিযানত সফলতা লাভ কৰা, বীৰত্ব আৰু পৌৰুষ শক্তিৰ প্ৰতীক হাৰ্‌কিউলিজৰ মৃত্যুৰ দৃশ্য অতি শোকলগা। দুৰ্ভাগ্যবশতঃ শৰীৰত বিষ ক্ৰিয়া হোৱাত, তেওঁ ইমান কষ্ট পাইছিল যে, অসহ্য হৈ শেষত তেওঁ নিজে নিজৰ চিতা সাজি, তাত অনুচৰ এজনৰ হতুৱাই জুই দিয়াই, জীয়াই জীয়াই পুৰি মৰিছিল।

লীডা—এওঁ স্পাৰ্টাৰ ৰজা টিন্‌ডেৰিয়াচৰ পত্নী আছিল। দেৱৰাজ জিউচ্ তেওঁৰ প্ৰতি আসক্ত হৈ, ৰাজহংসৰ ৰূপ ধৰি, তেওঁৰ ওচৰলৈ আহিছিল। জিউচ্ আৰু লীডাৰ সঙ্গমৰ ফলত কেইৰ, পোলাক্স আৰু হেলেনৰ জন্ম হয়। ৰাজ-হাঁহৰ কণীৰ পৰা এওঁলোকৰ এইদৰে জন্ম হোৱাৰ আচৰিত কাহিনী গ্ৰীক পৌৰাণিক সাধুত পোৱা যায়।

মেম্‌নন্—গ্ৰীক পুৰাণ মতে, এওঁ ট্ৰয় যুদ্ধত মৃত্যুবৰণ কৰা এজন ইথিওপিয়াৰ ৰাজকোঁৱৰ। থিব্‌চত থকা প্ৰকাণ্ড মূৰ্ত্তি এটাক মেম্‌ননৰ প্ৰতিমূৰ্ত্তি বুলি কোৱা হৈছিল। ৰাতিপুৱা সূৰ্য্যৰ প্ৰথম কিৰণৰ স্পৰ্শত এই আচৰিত মূৰ্ত্তিটোৰ পাৰপৰা, গীতৰ সুৰ বাজি উঠিছিল বুলি প্ৰবাদ আছে।

ব্ৰায়েৰিউচ্—পৌৰাণিক আখ্যানত থকা, এশখন হাত আৰু পঞ্চাশটা মূৰৰ দৈত্য বা টাইটান এজনৰ নাম। জিউচৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ ফলত, এইজন দৈত্য, এট্‌না আগ্নেয়গিৰিত চিৰকাললৈ বন্দী হৈছিল।

ডিউকেলিয়ন—প্ৰমিথিয়ুচৰ পুত্ৰ ডিউকেলিয়নে পৃথিৱীত সৃষ্টি হোৱা প্ৰথম ৰানপানীৰ প্ৰলয় কাণ্ডৰ পাচত, নতুনকৈ মানুহ জাতি সৃষ্টি কৰাত সহায় কৰিছিল বুলি পৌৰাণিক সাধুত কোৱা হৈছে। মানুহৰ পাপৰ কাৰণে, দেৱৰাজ জিউচে মহাপ্ৰলয়ৰ সৃষ্টি কৰিছিল। গোটেই পৃথিৱী পানীত তল যোৱাৰ পাচত, ডিউকেলিয়ন আৰু তেওঁৰ পত্নী পীৰাই পাৰ্‌নেচাচ্ পাহাৰত আশ্ৰয় লৈছিল। প্ৰলয় শেষ হোৱাৰ পাচত, ডিউকেলিয়নে আইন আৰু ন্যায় বিচাৰৰ অধিষ্ঠাত্ৰী দেৱী থিমিচৰ মন্দিৰত শুনা আকাশবাণী আখৰে আখৰে পালন কৰি, পিঠিৰ ফাললৈ শিলগুটি দলিয়াই আগবাঢ়ি যাবলৈ ধৰিলে। ডিউকেলিয়নে দলিওৱা শিলগুটিৰ পৰা পুৰুষৰ আৰু পীৰাই দলিওৱাবোৰৰ পৰা নাৰীৰ সৃষ্টি হ'ল।

নিউমা পম্পিলিয়াচ্—ৰোমৰ দ্বিতীয়জন পৌৰাণিক ৰজা। প্ৰাচীন ৰোমান সকলৰ আটাইবোৰ ধৰ্ম্মীয় আচাৰ অনুষ্ঠানৰ প্ৰবৰ্ত্তক হিচাবে তেওঁ সন্মানৰ পাত্ৰ আছিল।

ইভেন্দাৰ্—ৰোমৰ পেলেটাইনত নগৰ স্থাপন কৰা, পৌৰাণিক ব্যক্তি।

টাৰ্‌টাৰাচ্—নৰকৰ (হেইডিজৰ) নিম্নাংশৰ নাম। এই ঠাইত ইউৰেনাচে নিজৰ বিদ্ৰোহী পুত্ৰ টাইটান্‌সকলক বন্দী কৰি থৈছিল। গতিকে নাৰকীয় শাস্তিৰ ঠাইক এই নামেৰে জনা যায়।

ষ্টিক্স—গ্ৰীক পুৰাণ মতে, নৰকৰ চাৰিওফালে এই নামেৰে এখন ক'লা নৈ আছে। প্ৰেতাত্মাক কেইৰন্ নামৰ নাৱৰীয়াই এই নৈ পাৰ কৰাই প্ৰেতলোকলৈ নৈ যায়।

চাৰ্‌বেৰাচ্—নৰকৰ দ্বাৰ ৰখীয়া বহু মূৰযুক্ত সাৰমেয়ৰ নাম।

নাৰ্চিচাচ্—গ্ৰীক পুৰাণৰ সাধুত এওঁক আপোন সৌন্দৰ্য্যত মুগ্ধ, এজন সুদৰ্শন যুৱক হিচাবে বৰ্ণনা কৰিছে। নিজৰা এটাৰ পানীত এদিন তেওঁ নিজৰ প্ৰতিবিম্ব

দেখি মুগ্ধ হৈ প্ৰেমত পৰে। সেই প্ৰতিবিম্বক আলিঙ্গন কৰিবলৈ গৈ বিফল হৈ, বেজাৰত শুকাই ক্ষীণাই তেওঁ প্ৰাণত্যাগ কৰে, আৰু মৃত্যুৰ পাচত একে নামৰ ফুললৈ ৰূপান্তৰিত হয়।

আইনাকুচ্ ৰজাৰ দুহিতা আইও—আইও নামৰ ৰাজ কন্যাগৰাকীক দেৱৰাজ জিউচে ভাল পাইছিল। পত্নী হীৰাৰ চকুত ধূলি দিবলৈ জিউচে তাইক চেউৰী গৰুলৈ ৰূপান্তৰিত কৰিছিল। কিন্তু হীৰাই এইকথা বুজিব পাৰি, ডাঁহ এটাৰ ৰূপ ধৰি, তাইক কামুৰি খেদি লৈ ফুৰাইছিল। অৱশেষত মিছৰৰ নীল নদীৰ পাৰলৈ আহিহে তাই ৰক্ষা পৰে আৰু মানুহৰ ৰূপ ঘূৰাই পায়। মৃত্যুৰ পাচত আইও নামৰ ৰাজকন্যাই দেৱীৰ আসন লাভ কৰি, বেঁকা শিঙীয়া চন্দ্ৰ দেৱী বা আইচিচ্ দেৱী নাম পায়। প্ৰাচীন কালত আইওৰ ভ্ৰমণ বৃত্তান্ত, জনপ্ৰিয় সাধু আছিল।

এচ্‌ফোদিল ফুল—এলিচিয়াম্ বা স্বৰ্গৰাজ্যত এইফুল সদায় ফুলি থাকে বুলি প্ৰাচীন ৰোমান আৰু গ্ৰীক সকলৰ বিশ্বাস আছিল।

ফিনিক্স—পুৰণি মিছৰৰ এটি পবিত্ৰ চৰাইৰ নাম। কিম্বদন্তি আছে যে, প্ৰতি পাঁচশ বছৰৰ মূৰে মূৰে আৰবৰ পৰা ই হিলিওপোলিচলৈ আহি, সূৰ্য্য পূজাৰ ঠাইত নিজক দাহ কৰিছিল আৰু ছাইৰ মাজৰ পৰা নতুন সৌন্দৰ্য্য লৈ পুণৰ জী উঠিছিল। গতিকে এই খগেন্দ্ৰক উদিত ভাস্কৰ আৰু অমৰত্বৰ প্ৰতীক বুলি ধৰা হয়।

চিমিৰিয়ান্ দেশ—এই নামেৰে পৃথিবীৰ একেবাৰে উত্তৰ বা পশ্চিম দিশত চিৰ অন্ধকাৰ দেশ এখন আছে বুলি হোমাৰে উল্লেখ কৰিছে।

এক্তিয়ন্—পৌৰাণিক গল্পত পোৱা যায়, এক্তিয়ন নামৰ এজন চিকাৰীয়ে গা ধুই থকা অৱস্থাত, দেৱী ডায়েনাক দেখি মুগ্ধ হৈ চাই আছিল। এই অপৰাধৰ শাস্তি স্বৰূপে দেৱীয়ে তেওঁক হৰিণালৈ ৰূপান্তৰিত কৰিছিল। তেতিয়া এক্তিয়নৰ নিজৰ চিকাৰী কুকুৰেহে তেওঁক কামুৰি মাৰি পেলালে।

অৰ্ফিয়ুচ—এওঁ এজন অসাধাৰণ শক্তিশালী থ্ৰেচিয়ান সঙ্গীতজ্ঞ আছিল। পৌৰাণিক আখ্যান মতে, এওঁ এগৰাকী মিউজ দেৱীৰ পুত্ৰ। এপোলো দেৱতাই উপহাৰ দিয়া বীণ বজাই তেওঁ পশুকো মন্ত্ৰমুগ্ধ কৰিছিল আৰু প্ৰেতলোকতো সঙ্গীতৰ প্ৰভাৱ বিস্তাৰ কৰিছিল।

ডেনেই—এওঁ আৰ্গোচৰ ৰাজকন্যা আছিল। ৰজা এক্ৰিচিয়াচে জীয়েকক বিয়া নিদি, ধাতুৰে নিৰ্ম্মিত দুৰ্গ এটাত, বন্দী কৰি থৈছিল, যাতে কোনো পুৰুষৰ লগত জীয়েকৰ সাক্ষাত নঘটে। কাৰণ ডেনেইৰ পুত্ৰৰ হাতত এক্ৰিচিয়াচৰ মৃত্যু হব বুলি, ভৱিষ্যত বাণীত জনাই থোৱা হৈছিল। কিন্তু দেৱৰাজ জিউচে সোণালী বৃষ্টি ধাৰা হৈ, দুৰ্গৰ ভিতৰতে, ডেনেইৰ দেহৰ লগত মিলিত হয় আৰু পাৰ্চিয়ুচ্ নামৰ পুত্ৰ সন্তানৰ জন্ম দিয়ে—যাৰ হাতত ঘটনাচক্ৰত অতৰ্কিতে ৰজা এক্ৰিচিয়াচৰ মৃত্যু ঘটে।

নওচিকা—হোমাৰৰ ওডিছীত পোৱা যায়, ফিয়েইচিয়া নামৰ ঠাইৰ ৰাজকন্যা নওচিকাই জাহাজ দুৰ্ঘটনাত পতিত হোৱা ওডিচ্যুচক সাগৰৰ পাৰত অসহায় অৱস্থাত দেখিবলৈ পাই, পিতাকৰ ৰাজপ্ৰাসাদলৈ মাতি নিছিল।

লুক্ৰেচিয়া—প্ৰাচীন ৰোমত টাৰ্কুইন্ নামৰ এটা ৰাজবংশৰ ৰজাই ৰাজত্ব কৰিছিল। কথিত আছে যে, টাৰ্কুইন্ ৰাজকোঁৱৰ চেক্সটাচে লুক্ৰেচিয়া নামৰ এগৰাকী সম্ভ্ৰান্ত ৰোমান মহিলাক বলপূৰ্ব্বক অপমান কৰি তেওঁৰ সতীত্ব নাশ কৰে। লুক্ৰেচিয়াই তাৰ বাবে আত্মহত্যা কৰাত, টাৰ্কুইন্ বংশ ৰোমৰ পৰা খেদা খাইছিল বুলি প্ৰবাদ আছে।

এপ্পিয়াচ্ আৰু ভাৰ্জিনিয়াচ্—খৃঃ পূঃ ৪৫১ চনত ৰোমত দহজনীয়া সদস্যৰে গঠিত যি আইন সমিতি বা 'ডিচেম্‌ভেৰ্' গঠিত হৈছিল, তাৰ সভাপতি আছিল, এপ্পিয়াচ ক্লডিয়াচ। কথিত আছে যে, এপ্পিয়াচে ভাৰ্জিনিয়াচ নামৰ সেনাপতি এজনৰ কন্যাক ৰক্ষিতা কৰিব খোজাত ভাৰ্জিনিয়াচে জীয়েকক অসৎ স্বভাৱৰ মানুহজনৰ হাতৰ পৰা ৰক্ষা কৰিব নোৱাৰি, নিজ হাতেৰে ছুৰীৰে আঘাত কৰি তাইক মাৰি পেলাইছিল। এই ঘটনাৰ বাবে, আইন সমিতিখনো ভাগি গৈছিল।

ঐতিহাসিক চৰিত্ৰ সমূহ :—

সম্ৰাট নিৰো—অগষ্টাচ, টাইবেৰিয়াচ্, কেলিগুলা, আৰু ক্লডিয়াচ,—একাদিক্ৰমে এই চাৰিজন ৰোমান সম্ৰাটৰ ৰাজত্বৰ শেষত খৃঃ ৫৪ চনৰ পৰা ৬৮ চনলৈ যিজন সম্ৰাটে ৰাজত্ব কৰিছিল তেওঁৰ নাম লুচিয়াচ্ ডোমিচিয়াচ্ এহেনোবাৰ্বাচ্ নিৰো। এওঁৰ ৰাজত্বৰ পটভূমিতে "ক্যো ভেদিচ্?" উপন্যাস ৰচিত হৈছে।

ওথো—এওঁ প্ৰথমতে নিৰোৰ ৰাজসভাৰ সদস্য আছিল। পাচত নিৰোৱে তেওঁক হিস্পানিয়াৰ (আইবেৰিয়া) লুচিটেনিয়া প্ৰদেশৰ শাসনকৰ্ত্তা কৰি ৰোমৰ পৰা আঁতৰাই পঠাইছিল। নিৰো আৰু গাল্‌বাৰ পতনৰ পাচত ৬৯ খৃঃত তেওঁ ৰোমৰ সম্ৰাট হৈছিল।

ড্ৰুচাচ্—(খৃঃ পূঃ ৩৯—খৃঃ পূঃ ৯ চনলৈ)—সম্ৰাট অগষ্টাচৰ প্ৰিয়পাত্ৰ ৰোমান সৈনিক।

জাৰ্ম্মেনিকাচ্—ৰোমান সেনাধ্যক্ষ। খৃঃ পূঃ ১৫ চনৰ পৰা খৃঃ ১৯ চনলৈকে তেওঁ ৰোমান ইতিহাসত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। এওঁ সম্ৰাট টাই-বেৰিয়াচৰ ভতিজাক আছিল। জাৰ্ম্মেনি অধিকাৰ কৰাৰ পথত অগ্ৰসৰ হওঁতেই তেওঁ সম্ৰাটৰ ঈৰ্ষাৰ বলি হৈছিল। সম্ৰাটৰ উচটনিত তেওঁক বিহ খুৱাই হত্যা কৰা হৈছিল বুলি জনা যায়।

এগ্ৰিপা—(খৃঃ পূঃ ৬৩—খৃঃ পূঃ ১২ চনলৈ)—ৰোমান সেনানায়ক। সম্ৰাট অগষ্টাচৰ জেঁৱায়েক।

চাৰ্ভিয়াচ টিউলিয়াচ্—খৃঃ পূঃ ৫৭৮ ৰ পৰা খৃঃ পূঃ ৫৩৪ চনলৈ ৰোমত ৰাজত্ব কৰা ৰজা এজনৰ নাম। তেওঁ ৰোমৰ চাৰিওফালে প্ৰাচীৰ গঢ়িছিল বুলি জনা যায়।

ক্ৰিচাচ্—খৃঃ পূঃ ছয় শতিকাৰ লিডিয়াৰ ৰজা ক্ৰিয়াচ্ ঐশ্বৰ্য্য বিভূতিৰ কাৰণে প্ৰখ্যাত আছিল।

পম্পে—(খৃঃ পূঃ ১০৬—খৃঃ পূঃ ৪৮)—ৰোমান গণতন্ত্ৰ ধ্বংসপ্ৰাপ্ত হবলৈ ধৰা কালছোৱাত ৰোমান সাম্ৰাজ্য বিস্তাৰ কৰা এজন প্ৰখ্যাত যোদ্ধা আৰু সেনাধ্যক্ষ। জুলিয়াচ চিজাৰৰ লগত হোৱা গৃহযুদ্ধত তেওঁৰ পতন ঘটে।

কিওপ্‌চ্—খৃঃ পূঃ ২৮০০ চনত মিচৰত ৰাজত্ব কৰা সম্ৰাট এজনৰ নাম। তেওঁ যিটো পিৰামিড সাজিছিল, তাক বৃহত্তম পিৰামিড (৪৮১ ফুট ওখ) বুলি জনা যায়।

স্পাৰ্টাকাচ্—খৃঃ পূঃ ৭৩ বৰ পৰা খৃঃ পূঃ ৭১ চনলৈকে ইটালীত বিদ্ৰোহ তোলা, দাস সৈন্যদলৰ থ্ৰেচিয়ান্ নেতাজনৰ নাম। গ্লেডিয়েইটৰৰ স্কুলৰপৰা পলাই গৈ, তেওঁ পলৰীয়া দাস কিছুমান গোটাই, সেনাদল গঠন কৰিছিল। ধনী জমিদাৰ সম্প্ৰদায়ৰ অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰি, এই দাস সেনা দলে

ইটালীত দুবছৰ অৱস্থৰ হত্যাকাণ্ড আৰু লুণ্ঠন ৰাজ চলাই, শেষত পৰাস্ত হৈ ক্রুচত মৃত্যুদণ্ড ভোগ কৰিছিল।

ব্রেন্নাচ আৰু মিথ্রিডেটচ—খৃঃ পূঃ ৩৯০ চনত ব্রেন্নাচ নামৰ নেতা এজনৰ অধীনত গলবিলাকে ৰোম আক্রমণ কৰি নানান অত্যাচাৰ কৰিছিল। খৃঃ পূঃ ৮৮ ৰ পৰা খৃঃ পূঃ ৬৩ চনৰ ভিতৰত ৰোমৰ লগত তিনিখন যুদ্ধ চলোৱা, পন্তাচৰ ৰজা মিথ্রিডেটচ্ এচিয়া মাইনৰত ৰোমৰ আটাইতকৈ ডাঙৰ শত্রু আছিল।

ডোৰিয়ান সকল—পূৰণি গ্রীকজাতিৰ চাৰিটা শাখাৰ ভিতৰৰ এটা শাখাৰ নাম।

ষ্টিফেন—সন্ত ষ্টিফেন্ আছিল, প্রথম খৃষ্টিয়ান শহীদ। জেৰুজালেমত তেওঁক শিল দলিয়াই হত্যা কৰা হৈছিল। (Acts VI, VII)

হাৰ্মোডিয়াচ আৰু এৰিষ্টজিটন—এই দুজন বন্ধু এথেনিয়ান যুৱক আছিল। পূৰণি গ্রীচৰ জনপ্রিয় গীতত এওঁলোকৰ যশ কীৰ্ত্তি গোৱা হৈছিল। খৃঃ পূঃ সপ্তম শতিকাত গ্রীচত টাইৰেন্ট নামৰ সম্রান্ত জমিদাৰ গোষ্ঠীৰ শাসন চলিছিল। টাইৰেন্ট হিপ্পিয়াচৰ ভ্রাতৃ হিপ্পাৰকুচে, হাৰ্মোডিয়াচৰ ভগ্নী এগৰাকীক অপমান কৰাৰ বাবে, দুয়ো বন্ধুৱে লগ লাগি, হিপ্পাৰকুচক হত্যা কৰিছিল। (খৃঃ পূঃ ৫১৪ চনত) তাৰ ফলত দুয়ো বীৰে শাসকৰ হাতত প্রাণ হেৰুৱাইছিল আৰু প্রাচীন গ্রীচত শহীদ ৰূপে সন্মানিত হৈছিল। কাৰণ এই ঘটনাৰ পাচতে, টাইৰেন্ট হিপ্পিয়াচ খেদা খাইছিল আৰু কিছু বছৰৰ পাচত, এথেন্সত গণতন্ত্র স্থাপন হৈছিল।

ডাইওক্লেচিয়ান—২৮৪ খৃঃৰ পৰা ৩০৫ খৃঃলৈ ৰাজত্ব কৰা ৰোমান সম্রাট এজনৰ নাম।

পন্টিয়াচ্ পাইলেট্—(খৃঃ ২৬—খৃঃ ৩৬)—জুদিয়াৰ ৰোমান শাসক আছিল। যীশু খৃষ্টক আদালতত বিচাৰ কৰি ক্রুচত দিবলৈ তেওঁ আদেশ দিছিল।

জেবেদী—(নিউ টেষ্টামেণ্ট)—ধৰ্ম্মাচাৰ্য্য জেমচ্ আৰু জনৰ পিতৃ আছিল।

সাহিত্যিক, কবি, দাৰ্শনিক, ৰাজনীতিবিদ, ঐতিহাসিক, শিল্পী আৰু বক্তা সকল:—

লুচান -(মাৰ্কাচ্ এনিয়াচ্ লুচানাচ্—খৃঃ ৩৯-৬৫)—সম্ৰাট নিৰোৰ দিনৰ কবি। জুলিয়াচ চিজাৰ আৰু পম্পেৰ মাজত হোৱা গৃহযুদ্ধৰ বৰ্ণনাৰে তেওঁ "ফাচেঁইলিয়া" নামৰ মহাকাব্য লেখিছিল।

চেনেকা—(খৃঃ পূঃ ৩-খৃঃ ৬৫)—ৰোমান ৰাজনীতিবিদ, দাৰ্শনিক আৰু নাট্যকাৰ।

এনেক্ৰেয়ন—(খৃঃ পূঃ ৫৬৩—খৃঃ পূঃ ৪৭৮)—গ্ৰীক গীতি কবি—বিশেষকৈ প্ৰেমৰ গীত ৰচোতা কবি হিচাপে প্ৰসিদ্ধ আছিল। "ক্যো ভেদিচ?" উপন্যাসত উল্লেখিত এনেক্ৰেয়নৰ কবিতাটো টি, মুৰ নামৰ ইংৰাজ কবিয়ে "কিউপিদচ ত্ৰিক্" নাম দি অনুবাদ কৰিছে। এনেক্ৰেয়নৰ বহুতো কবিতা লুপ্ত হল।

লুক্ৰিশ্যাচ—(খৃঃ পূঃ ৯৯—খৃঃ পূঃ ৫৫)—লেটিন দাৰ্শনিক কবি হিচাবে প্ৰখ্যাত আছিল।

হোৰেচ—(৬৫-৮ খৃঃ পূঃ)—গীতি কবিতা আৰু ব্যঙ্গ কবিতাত শীৰ্ষস্থান লাভ কৰা লেটিন কবি হোৰেচে "ওদচ", "চেটায়াৰচ্" আৰু "এপিচ্টিলচ্" নামৰ কবিতা পুথি ৰচনা কৰিছিল।

ওভিদ্—(পাব্লিয়াচ্ ওভিদিয়াচ্ নেচো-খৃঃ পূঃ ৪৩—খৃঃ ১৮ চনলৈ)—বিখ্যাত ৰোমান কবি এজনৰ নাম। "মেটামৰফোচেচ্" তেওঁৰ বিখ্যাত কবিতা পুথি।

থিওক্ৰিটাচ্—খৃঃ পূঃ তৃতীয় শতিকাৰ প্ৰথম আৰু শ্ৰেষ্ঠ, গৰখীয়া গীত বা বনগীত ৰচোতা গ্ৰীক কবি। (Pastoral Poet).

চোফোক্লিজ্—(খৃঃ পূঃ ৪৯৫—খৃ পূঃ ৪০৬ চনলৈ)—এথেনিয়ান ট্ৰেজিক কবি আৰু নাট্যকাৰ। "ওডিপাচ্ ডি কিং" নাটকৰ বাহিৰেও তেওঁ কেইবাখনো নাটক ৰচনা কৰিছিল।

এস্কিলাচ্—(খৃঃ পূঃ ৫২৫—খৃঃ পূঃ ৪৫৬)—এথেনিয়ান কবি। গ্ৰীক ট্ৰেজিক নাটকৰ জন্মদাতা বুলি জনা যায়।

মিচিনাচ—(৭৩ ?—৮ খৃঃ পূঃ)—হোৰেচ আৰু ভাৰ্জিলৰ দৰে লেখকৰ পৃষ্ঠপোষক, উদাৰ, বিদ্যানুৰাগী পুৰুষ হিচাবে প্ৰাচীন কালত সকলোৰে মুখে মুখে প্ৰচাৰিত এজন ঐশ্বৰ্য্যশালী ৰোমানৰ নাম।

ভাৰ্জিল—(খৃঃ পূঃ ৭০—খৃঃ পূঃ ১৯ চনলৈ) ৰোমান কবি। 'ইনিয়াদ' গ্ৰন্থৰ ৰচোতা ভাৰ্জিলে 'এক্লোগচ' নামৰ গৰখীয়া গীত বা খণ্ড কবিতাও ৰচনা কৰিছিল।

পাৰ্চিয়াচ্—(খৃ: ৩৪—খৃ: ৬২ চনলৈ) ৰোমান কবি আৰু ব্যঙ্গ সাহিত্যিক।

পেট্রোনিয়াচ্—সম্রাট নিৰোৰ ৰাজত্ব কালৰ, খৃষ্টীয় প্ৰথম শতিকাৰ এজন প্ৰতিভাশালী লেখক আছিল। "ক্যো ভেদিচ্?" উপন্যাসৰ এওঁ এটা আকৰ্ষণীয় চৰিত্ৰ। তেওঁ 'চেটিৰিকন্' নামেৰে এখন ব্যঙ্গাত্মক উপন্যাস লেখিছিল। এই উপন্যাসৰ যি দুটা অধ্যায় পোৱা গৈছে, তাৰ অন্তৰ্গত "The Widow of Ephesus" নামৰ ব্যঙ্গ ৰসাত্মক গল্পটো, পৃথিৱীৰ সাহিত্যত প্ৰথম চুটি গল্প বুলি কোনো কোনোৱে কয়। এই গল্পটো "The Masterpiece Library of Short Stories" selected by an international Board of Eminent Critics"ৰ Vol I অত পঢ়িবলৈ পোৱা যায়।

[illegible]—(খৃ: পূ: ৫৯—খৃ: ১৭ চনলৈ)—ৰোমান ঐতিহাসিক। ৰোম নগৰৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি খৃ: পূ: ৯ চনলৈকে ৰোমৰ বুৰঞ্জী লিখিছিল। ("এনালেচ")

চেলাষ্ট—(খৃ: পূ: ৮৬—খৃ: পূ: ৩৪)—প্ৰথম ৰোমান বুৰঞ্জীবিদ্।

প্লিনি—(খৃ: ২৩—খৃ: ৭৯ চনলৈ)—ৰোমান ঐতিহাসিক আৰু প্ৰকৃতিবিদ্।

চক্ৰেটিছ—(খৃ: পূ: ৪৬৯—খৃ: পূ: ৩৯৯ চনলৈ) —গ্ৰীক দাৰ্শনিক। সত্তা আৰু ধৰ্মৰ শিক্ষাদাতা এইজন বিশ্ববিখ্যাত দাৰ্শনিকক, এথেন্সৰ বিচাৰ সভাই যুৱকসকলক বিপথে পৰিচালিত কৰিছে বুলি দোষী সাব্যস্ত কৰি, বিহ খুৱাই প্ৰাণদণ্ড দিছিল। চক্ৰেটিছে নিজে কোনো পুথি লেখি থৈ যোৱা নাই।

প্লেটো—(খৃ: পূ: ৪২৭—খৃ: পূ: ৩৪৮) গ্ৰীক দাৰ্শনিক। চক্ৰেটিছৰ শিষ্য। এওঁৰ "ডায়লোগ্" নামৰ তত্ত্বমূলক ৰচনাত, চক্ৰেটিছ আৰু দাৰ্শনিক পাইথাগোৰাচৰ শিক্ষা আৰু মতসমূহ প্ৰকাশ পাইছে।

জেনোফোন্— (খৃ: পূ: ৪৩০—খৃ: পূ: ৩৫৫) এথেনিয়ান দাৰ্শনিক, সাহিত্যিক, ঐতিহাসিক আৰু সেনানায়ক। এওঁ চক্ৰেটিছৰ শিষ্য আছিল। চক্ৰেটিছৰ দাৰ্শনিক মত আৰু তেওঁৰ চৰিত্ৰৰ মাহাত্ম্য জেনোফোনৰ লেখনিত প্ৰকাশ পাইছে।

পেৰিপেটেটিক্— খৃ: পূ: ৩৩৫ চনত, প্লেটোৰ শিষ্য এৰিষ্টোটলে স্থাপন কৰা দাৰ্শনিক শিক্ষা কেন্দ্ৰৰ শিক্ষাৰ্থীসকলৰ নাম। এথেন্সৰ ওচৰৰ আইচিয়াম্

নামৰ ঠাইত ইফালে, সিফালে খোজ কাঢ়ি তেওঁ বক্তৃতা দিছিল। সেই কাৰণে তেওঁৰ মতাৱলম্বীসকলক "পেৰিপেটেটিক" বোলে।

ডায়োজিনিজ (এপোলোনিয়াৰ)—খৃ: পূঃ ৪৬০ চনৰ গ্ৰীক দাৰ্শনিক এজনৰ নাম। ক্ৰীত দেশৰ এপোলোনিয়া নামৰ ঠাইত জন্মলাভ কৰা, এইজন দাৰ্শনিকে প্ৰকৃতি জগতৰ তথ্য উদ্‌ঘাটন কৰিছিল। তেওঁৰ শ্ৰেষ্ঠ লেখনি হ'ল "ডি নেচুৰা" ("De Natura") নামৰ পুথি।

হেৰেক্লাইটাচ্‌—খৃ: পূ: ৫১৩ চনৰ গ্ৰীক দাৰ্শনিক। তেওঁ পদাৰ্থৰ স্বৰূপ সম্বন্ধে এখন পুথি লেখিছিল। বিভিন্ন ৰূপত প্ৰকট হোৱা জুইক, তেওঁ সকলো পদাৰ্থৰ মূল বুলি জনাইছে। তেওঁক মেটাফিজিক্সৰ প্ৰতিষ্ঠাতা বুলি কোৱা হয়।

টায়ানাৰ এপোলোনিয়াচ্‌—খৃষ্ট জন্মৰ কেইবছৰ মানৰ আগতে, এইজন গ্ৰীক দাৰ্শনিকৰ জন্ম হৈছিল। নিজকে ভৱিষ্যত দ্ৰষ্টা বুলি জনোৱা, এইজন অতিন্দ্ৰীয়বাদী সন্ন্যাসীৰ আচৰিত মানসিক শক্তি আছিল বুলি, প্ৰাচীন গ্ৰীচ আৰু ৰোমৰ মানুহে বিশ্বাস কৰিছিল।

স্কেপ্‌টিক্‌—প্ৰাচীন গ্ৰীচৰ দাৰ্শনিক সম্প্ৰদায়।

পিৰো (খৃ: পূঃ ৩৬০—খৃ: পূ: ২৭০) আৰু তেওঁৰ মতাৱলম্বী দাৰ্শনিক-সকল স্কেপ্‌টিক আছিল। তেওঁলোকে সেই যুগত প্ৰচলিত ধৰ্ম্মৰ মত বা মূল-কথাবোৰৰ সত্যতাত সন্দেহ প্ৰকাশ কৰিছিল। পিৰোৰ মতে, আত্মা, পৰলোক আদি কথাবোৰ কল্পনা মাত্ৰ। এইবোৰ চিন্তা পৰিত্যাগ কৰিলেহে জীৱনলৈ সুখ আহে। এইবোৰ কথা কোনেও জানিব নোৱাৰে; গতিকে এনে বিষয়ত মন্তব্য নিদিয়াটোৱে প্ৰকৃত জ্ঞানীৰ কাম।

পাৰ্‌মেনিডিজ—খৃ: পূ: ছয় শতিকাৰ গ্ৰীক দাৰ্শনিক। জীৱনৰ একতা আৰু অবিচ্ছিন্নতাৰ ওপৰত বিশ্বাসী আছিল। এই সম্প্ৰদায়ৰ দাৰ্শনিকক "ইলিয়াটিক্" বোলা হয়। এওঁলোকে এজন অনন্ত ঈশ্বৰক বিশ্বাস কৰিছিল,—যি জন মৰণ-শীল মানুহৰ দৰে নহয়।

চিনিক্—প্ৰাচীন গ্ৰীক দাৰ্শনিক সম্প্ৰদায়। ষ্টোইক সকলৰ পূৰ্ব্বসূৰী। খৃ: পূ: ৫ম শতিকাৰ এথেন্সৰ এন্টিচ্‌থেনিজৰ দ্বাৰা প্ৰতিষ্ঠিত। এই শ্ৰেণীৰ দাৰ্শনিকে ধন দৌলত, শিল্প কলা, আৰু আমোদ প্ৰমোদক অৱজ্ঞাৰ চকুৰে চাইছিল। বিমৰ্ষ আৰু গহীন স্বভাৱৰ এই সকল দাৰ্শনিকে ধৰ্ম্ম আৰু সহজ সৰল জীৱন-ধাৰাৰ প্ৰতি উৎসাহ প্ৰদৰ্শন কৰিছিল।

ষ্টোইক্—খৃঃ পূঃ ৩১৫ চনত চিটিয়াম্ নামৰ ঠাইৰ জেনোৰ দ্বাৰা প্ৰতিষ্ঠিত দাৰ্শনিক সম্প্ৰদায়। সততা আৰু ধৰ্ম্মই সৰ্ব্বশ্ৰেষ্ঠ সম্পদ বুলি তেওঁলোকে জ্ঞান কৰিছিল। ধৈৰ্য্য, সহনশীলতা আৰু ইন্দ্ৰিয় দমনৰ শিক্ষাৰ প্ৰতি আগ্ৰহশীল, এই শ্ৰেণীৰ দাৰ্শনিকে আনন্দ আৰু দুখক নিৰ্ব্বিকাৰ চিত্তে গ্ৰহণ কৰিছিল। এপিক্‌টেটাচ্, চেনেকা, মিওচোনিয়াচ্, থ্ৰেচিয়াচ্, কৰনুটাচ্, আদি পিচৰ যুগৰ ষ্টোইক দাৰ্শনিক।

এপিকিউৰিয়ান্—খৃঃ পূঃ ৩০০ চনত এথেন্সৰ দাৰ্শনিক এপিকিউৰাচে প্ৰতিষ্ঠা কৰা দাৰ্শনিক সম্প্ৰদায়। কলাসম্মত, মাৰ্জ্জিত আনন্দ উপভোগেই জীৱনৰ উত্তম পন্থা বুলি, এওঁলোকে ঘোষণা কৰিছিল। ৰোমান সম্ৰাট টাই-বেৰিয়াচৰ দিনত, এপিচিয়াচ্ নামৰ এজন অতিশয় ভোজনবিলাসী এপিকিউ-ৰিয়ান্ আছিল। এওঁৰ দলৰ মানুহক এপিচিয়ান্ বুলিছিল।

চোফিষ্ট—খৃঃ পূঃ ৫ম শতিকাত, প্ৰাচীন গ্ৰীচত, অলঙ্কাৰ শাস্ত্ৰ বা বক্তৃতা শাস্ত্ৰ আৰু ব্যৱহাৰিক দৰ্শনৰ জ্ঞান দিয়া, এক শ্ৰেণীৰ শিক্ষক আছিল। তেওঁ-লোকক চোফিষ্ট বোলা হয়। বাক পটুতাৰ দ্বাৰা, শ্ৰোতাৰ মন ভুলাব পৰা কৌশল তেওঁলোকে আয়ত্ত কৰিছিল। তেওঁলোকে নিজৰ ভুল যুক্তিকো বাক চাতুৰ্য্যৰে নিৰ্ভুল বুলি দেখুৱাব পাৰিছিল। গ্ৰীক দাৰ্শনিক প্ৰোটাগোৰাচে প্ৰথমে নিজকে চোফিষ্ট বুলি জনাইছিল। প্ৰডিকাচ্ আৰু গৰ্গিয়াচো চোফিষ্ট আছিল।

লাইচিয়াচ্—খৃঃ পূঃ চতুৰ্থ শতিকা, প্ৰাচীন গ্ৰীচৰ বক্তৃতাশাস্ত্ৰৰ সোণালী যুগ বুলি জনা যায়। সেই যুগৰে ওজস্বী, মাৰ্জ্জিত, আৰু সুললিত বক্তা আছিল, এটিকা বা পুৰণি এথেন্সৰ লাইচিয়াচ্।

কাৰুশিল্পীসকল—খৃঃ পূঃ চতুৰ্থ শতিকাৰ সৰ্ব্বশ্ৰেষ্ঠ গ্ৰীক ভাস্কৰ আছিল প্ৰেক্সিটেলিজ্। স্কোপাচো এই যুগৰে এজন ভাস্কৰ বা কাৰুশিল্পী আছিল। এই দুজন ভাস্কৰে গ্ৰীক কলাৰ অপূৰ্ব্ব নিদৰ্শন দেখুৱাই, জীৱন্ত মূৰ্ত্তি সদৃশ, অনুপম সুন্দৰ দেৱ দেৱীৰ মূৰ্ত্তি, পাথৰত কাটি অঙ্কন কৰিছিল। খৃঃ পূঃ ৫ম শতিকাৰ গ্ৰীক কাৰুশিল্পী ফাইডিয়াচৰ জিউচৰ মূৰ্ত্তি, পৃথিৱী বিখ্যাত আছিল। ই সপ্তম আশ্চৰ্য্যৰ অন্তৰ্গত আছিল।

মাইৰো—খৃঃ পূঃ পঞ্চম শতিকাৰ গ্ৰীক ভাস্কৰ। তেওঁৰ "ডিচকোবোলাচ্" নামৰ মাৰ্ব্বলত কটা মূৰ্ত্তি অতি প্ৰখ্যাত। ইয়াত এজন শক্তিমান দাহী যুৱকৰ সুগঠিত দেহ-ভঙ্গীৰ, এটা শক্তি প্ৰদৰ্শক মুহূৰ্ত্তক অতি দক্ষতাৰে ধৰি ৰখা হৈছে।

লাইচিপ্পাচ্—খৃঃ পূঃ চতুৰ্থ শতিকাৰ গ্ৰীক ভাস্কৰ আৰু চিত্ৰশিল্পী। তেওঁ অঙ্কণ কৰা জিউচৰ মূৰ্ত্তি আৰু আলেকজেণ্ডাৰ ডি গ্ৰেইটৰ চিত্ৰ সুপ্ৰসিদ্ধ।

প্ৰাচীন ৰোমান গৃহ—(ধনী সম্প্ৰদায়ৰ)

এট্ৰিয়াম্—অতিথি অভ্যাগতক বহুৱাবৰ কাৰণে যিটো আহল বহল বৰ চ'ৰা বা বাহিৰ চ'ৰা আছিল, তাৰ নাম এট্ৰিয়াম্। এই কক্ষটোৰ ওপৰৰ চালত এটা ছিদ্ৰ বা ফাঁক ৰখা হৈছিল। তাৰ ঠিক তলতে অৰ্থাৎ কক্ষটোৰ সোঁমাজত, এটা সুবৃহৎ জলপাত্ৰ আছিল। তাক ইমপ্লুভিয়াম্ বোলা হৈছিল, এই জলপাত্ৰটো সাধাৰণতে মাৰ্ব্বল পাথৰেৰে নিৰ্ম্মাণ কৰা হৈছিল।

টেব্লিনাম্—পুৰণি ৰোমান গৃহৰ এটা সুবৃহৎ প্ৰধান কক্ষৰ নাম। এট্ৰিয়াম-ৰ কাষতে থকা এই কক্ষটো পৰিয়ালৰ উপৰিপুৰুষ সকলৰ মূৰ্ত্তি আৰু চিত্ৰ আদিৰে সজোৱা হৈছিল।

পেৰিষ্টাইলিয়াম্—স্তম্ভ মালাৰে পৰিবেষ্টিত ভিতৰ চ'ৰাৰ নাম। এই মুকলি চ'ৰাটো পৰিয়ালৰ মানুহৰ ব্যৱহাৰৰ বাবে, আচুতীয়াকৈ ৰখা হৈছিল।

পিনেকোথেকা—প্ৰাচীন ৰোমান সকলে বৰ্ত্তমান যুগৰ আৰ্ট গেলেৰীৰ দৰে, ঘৰৰ ভিতৰত এটা নিজস্ব চিত্ৰকক্ষ নিৰ্ম্মাণ কৰি, বিভিন্ন চিত্ৰ সংগ্ৰহ কৰি তাত সজাই থৈছিল। তাৰেই নাম পিনেকোথেকা।

লেৰেইৰিয়াম্—গৃহ দেৱতাৰ মন্দিৰৰ নাম।

ট্ৰাইক্লিনিয়াম্—সম্ভ্ৰান্ত ৰোমান সকলৰ ভোজন কক্ষৰ নাম। তেওঁলোকে তুই, তুই থাব পৰাকৈ অৰ্দ্ধ গোলাকাৰ খোৱা মেজৰ তিনিওফালে বিস্তাৰিত, শয্যা-আসন একোখন ৰাখিছিল। এনেকুৱা ব্যৱস্থা থকা ভোজন কক্ষকহে ট্ৰাইক্লিনিয়াম্ বোলা হৈছিল।

কিউবিকিউলাম্—শয়ন কক্ষৰ নাম। এই কক্ষও আড়ম্বৰপূৰ্ণ আছিল।

ইলেওথেচিয়াম্—এই কক্ষত সুগন্ধি দ্ৰব্য, নিৰ্য্যাস আদি নিত্য ব্যৱহাৰৰ সামগ্ৰীবোৰ সযতনে সংগ্ৰহ কৰি ৰখা হৈছিল।

পুৰণি সম্ৰান্ত ঐশ্বৰ্যশালী পৰিয়ালৰ অৱাধপ্ৰিয়তাৰ চূড়ান্ত নিদৰ্শন হ'ল, তেওঁলোকৰ সুবৃহৎ স্নানাগাৰ সমূহ। ইয়াত লেকোনিকাম্, টেপিডেৰিয়াম্, ফ্ৰিজিডেৰিয়াম্ আৰু আঞ্চটোৰিয়াম্ নামৰ চাৰিটা বিভিন্ন কক্ষ আছিল।

লেকোনিকাম্—এই কোঠাটোৰ মজিয়াৰ তলত জুই ধৰা চোকা আছিল। তাৰ পৰা তাপ আনি গোটেই কোঠাটো গৰম কৰি ৰখাৰ কৌশলপূৰ্ণ ব্যৱস্থাও আছিল। ইয়াক 'সেক লোৱা কোঠা' বুলিব পাৰি।

টেপিডেৰিয়াম্—এই কোঠাত কুহুমীয়া গৰম পানীৰে গা ধোৱাৰ ব্যৱস্থা আছিল।

ফ্ৰিজিডেৰিয়াম্—এই কোঠাত চেঁচা পানীৰ কৃত্ৰিম নিজৰা আৰু সুগন্ধি পানীৰে গা শীতল কৰাৰ ব্যৱস্থা ৰখা হৈছিল।

আঞ্চটোৰিয়াম্—স্নানৰ শেষত, এই কোঠাত কেশবিন্যাস সমাপ্ত কৰি, গাত সুগন্ধি প্ৰলেপ সানি, সাজ-সজ্জা কৰা হৈছিল। এই আটাইবোৰ বিষয়ত বেলেগ, বেলেগ দাস দাসী নিযুক্ত আছিল।

ৰোমান এম্ফিথিয়েটাৰ বা কেলোচিয়াম্ অ'ক এৰিনা—ক্ৰীড়া প্ৰদৰ্শনৰ কাৰণে, প্ৰাচীন ৰোম ৰাজ্যত, যিবোৰ গোলাকাৰ অট্টালিকা আছিল, তাৰ নামেই এম্ফিথিয়েটাৰ বা কোলোচিয়াম্। ইয়াৰ ভিতৰত থকা, বিস্তৃত খোলা ঠাইৰ পৰা কিছু দূৰত এশাৰীৰ ওপৰত এশাৰীকৈ, দৰ্শকৰ বাবে আসন আছিল। মল্ল যুদ্ধ বা অন্যান্য শক্তি প্ৰদৰ্শক খেল অনুষ্ঠিত হোৱা, এই খোলা ঠাইৰে নাম, এৰিনা বা ক্ৰীড়ামঞ্চ।

গ্লেডিয়েইটৰ্—এৰিনা বা ক্ৰীড়ামঞ্চত শাৰীৰিক শক্তি প্ৰদৰ্শন কৰি ৰণ-কৌশল দেখুৱাই দৰ্শকৰ তৃপ্তি সাধন কৰিবৰ কাৰণে এক বিশেষ শ্ৰেণীৰ যোদ্ধা নিযুক্ত কৰা হৈছিল। এইলোকক গ্লেডিয়েইটৰ নামেৰে জনা যায়। এইলোক বৃত্তিধাৰী আৰু বহুতো ক্ষেত্ৰত প্ৰশিক্ষণপ্ৰাপ্ত ৰণকুশলী যোদ্ধা আছিল। এইলোকে সৈনিকৰ নিয়মানুবৰ্ত্তিতা প্ৰদৰ্শন কৰি কিদৰে নাটকীয় ভঙ্গীৰে যুদ্ধত প্ৰৱেশ কৰিছিল, তাৰ বিশদ বৰ্ণনা 'কো ভেদিচ ?' উপন্যাসত পোৱা যায়। কেতিয়াবা বিনা অস্ত্ৰে আৰু কেতিয়াবা অস্ত্ৰ সৰঞ্জামেৰে সজ্জিত হৈ এজনে আন এজনৰ লগত যুদ্ধ কৰি শাৰীৰিক শক্তিৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। অঙ্গ প্ৰত্যঙ্গৰ শক্তিশালী পৰিচালনা আৰু অস্ত্ৰ চালনাৰ কৌশল দেখুৱাই তেওঁলোকে দৰ্শক সকলক

উত্তেজনাভৰা আনন্দ দান কৰিছিল। যুদ্ধৰ শেষত ৰাইজে বা সম্ৰাটে হাতৰ মুঠি ওপৰলৈ তুলি পৰাভূত যোদ্ধাক প্ৰাণদান দিয়া বুজাইছিল। পৰাভূত যোদ্ধাৰ মৃত্যুদণ্ড দিয়া বুজাবলৈ তেওঁলোকে হাতৰ মুঠি তললৈ কৰিছিল। প্ৰথম অৱস্থাত বিজয়ী যোদ্ধাক তালপাতৰ ডাল একোটা দি সন্মানিত কৰা হৈছিল। পিচৰ যুগত তেওঁলোকক বৃত্তিধাৰী যোদ্ধা হিচাবে গণ্য কৰি বহুমূলীয়া উপহাৰ বা ধনসোণেৰে পুৰস্কৃত কৰা হৈছিল। কেতিয়াবা গ্লেডিয়েইটৰে বনৰীয়া জন্তুৰ লগত যুঁজ কৰি ভয়াবহ দৃশ্য প্ৰদৰ্শন কৰিছিল। প্ৰাচীন যুগৰ ৰোমানসকলে বনৰীয়া জন্তুৰ লগত যুঁজি ভয়াবহ মৃত্যু বৰণ কৰা অথবা বিজয়ী হোৱা গ্লেডিয়েইটৰৰ অৱস্থা চাই হৰ্ষধ্বনি কৰিছিল। ৰোমৰ ইতিহাসত খৃঃ পূঃ ২৬৭ চনত প্ৰথমে গ্লেডিয়েইটৰৰ যুদ্ধ প্ৰদৰ্শন আৰম্ভ হৈছিল। কথিত আছে যে টেলিমাকুচ্ নামৰ এচিয়াৰ এজন বয়োবৃদ্ধ সন্ন্যাসীয়ে, পৰাভূত গ্লেডিয়েইটৰ এজনক বিজয়ীজনে নৃশংসভাৱে হত্যা কৰিবলৈ উদ্যত হোৱাৰ আগমুহূৰ্ত্তত 'ভগৱানৰ নামত এনে নিষ্ঠুৰতা বন্ধ কৰা' বুলি চিঞৰি উধাতু খাই এৰিনালৈ লৰ মাৰি গৈ প্ৰতিদ্বন্দী দুজনক টানি আঁতৰাই দিবলৈ চেষ্টা কৰিছিল। উত্তেজনা ভৰা আনন্দত বাধা পৰাত দৰ্শক ৰাইজে সাধু মানুহজনৰ গালৈ শিল দলিয়াই তেওঁক হত্যা কৰিছিল। কিন্তু সাধুজনৰ সজ চেষ্টা অথলে নগল। পাচত সম্ৰাট হোনোৰিয়াচে আইন জাৰি কৰি, ছশ বছৰৰো অধিক কাল চলি থকা এই ভয়াবহ নিষ্ঠুৰ খেল প্ৰদৰ্শন ৪০৪ খৃষ্টাব্দত একেবাৰে বন্ধ কৰি দিয়ে।

●●